

গুৱাহাটী বিশ্ববিদ্যালয়
স্নাতকোত্তৰ মহলাৰ আলোচনী
২০০৭-২০০৮ বৰ্ষ
সম্পাদক ঃ জয়ন্ত পাঠক

VICE-CHANCELLORS OF THE GAUHATI UNIVERSITY
FROM 1948 ONWARDS



K. K. Handiqui
(1948–1957)




Dr. S. K. Bhuyan
(1957–1960)



Dr. H. C. Bhuyan
(1960–1962)



P. Dutta
(1962)



Dr. H. J. Taylor
(1962–1965)



Dr. M. N. Goswami
(1965–1971)



S. C. Rajkhowa
(1971–1974)



Dr. H. K. Baruah
(1974–1979)



Dr. J. M. Choudhury
(1979–1986)




Dr. D. P. Barooah
(1986–1991)



Dr. N. K. Choudhury
(1991–1996)



Dr. H. L. Duorah
(1996–2001)



Dr. G. N. Talukdar
(2001–2006)



Dr. A. Choudhury
(2006–2008)



Dr. O. K. Medhi
(since–2008)

স্নাতকোত্তৰ মহলাৰ আলোচনী

গুৱাহাটী বিশ্ববিদ্যালয়ৰ মুখপত্ৰ

৫৭ তম সংখ্যা, ২০০৭-২০০৮ শিক্ষাবর্ষ



POST GRADUATE STUDENTS' JOURNAL

GAUHATI UNIVERSITY

57th Volume, 2007-2008 Academic Session

সম্পাদক ঃ জয়ন্ত পাঠক

স্নাতকোত্তৰ মহলাৰ আলোচনী

গুৱাহাটী বিশ্ববিদ্যালয় মুখপত্ৰ
৫৭ তম সংখ্যা, ২০০৭-০৮ শিক্ষাবৰ্ষ

সম্পাদনা সমিতি

মুখ্য উপদেষ্টা	ঃ	ড° অখিল কুমাৰ মেধি
উপদেষ্টা	ঃ	ড° নীলমণি বৰা
		ৰাধাচৰণ ৰাভা
তত্ত্বাৱধায়ক	ঃ	ড° অচ্যুৎ শর্মা
সম্পাদক	ঃ	জয়ন্ত পাঠক
সম্পাদনা সহযোগী	ঃ	দীপমণি বৰা
		লক্ষ্মণ উপাধ্যায়
		মণ্টু কুমাৰ বড়া
		নীলোৎপল শর্মা
		অভিজিত বৰা
		যাদবেন্দ্র বৰা
		পৰাণ গোস্বামী
		দীপক কাকতি
		কিশোৰ কুমাৰ বৰদলৈ
		ঋতুৰেখা বৰুৱা
		অনুস্মিতা তালুকদাৰ
পৰিকল্পনা	ঃ	জয়ন্ত পাঠক
বেটুপাত আৰু অন্তর্ভাগৰ চিত্রণ	ঃ	ৰাজকুমাৰ মজিন্দাৰ
অক্ষৰ বিন্যাস	ঃ	অমৃত চেতীয়া
অংগসজ্জা	ঃ	জোনাক যুগান্তৰ বৰা, NOW-IT, ৰাজগড় ৰোড, গুৱাহাটী-৩
মুদ্রণ	ঃ	পাৰফেক্ট ইমেজ, সেন্দুৰী আলি, ৰাধাগোবিন্দ বৰুৱা পথ, গুৱাহাটী-২৪



স্নাতকোত্তৰ মহলাৰ আলোচনী পোনপ্রথমবাৰৰ বাবে এই সংখ্যাৰপৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ **website : www.gauhati.ac.in** -ত উপলব্ধ হৈছে।

স্নাতকোত্তৰ ছাত্র সংস্থা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা প্রকাশিত আৰু সর্বস্বত্ব সংৰক্ষিত

উছৰ্গা

গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে অহোপুৰুষাৰ্থ কৰা
মহাপ্ৰাণসকলৰ লগতে জাতীয় উদ্যমত সহযোগিতা আগ
বঢ়াই মহানুভৱতাৰ পৰিচয় দিয়া সহস্ৰজনৰ মাজৰ
মগনিয়াৰ বুঢ়ীগৰাকী আৰু শিখ ড্ৰাইভাৰজনৰ পবিত্ৰ
স্মৃতিত 'স্নাতকোত্তৰ মহলাৰ আলোচনী'ৰ ৫৭তম সংখ্যাটি
উছৰ্গা কৰিলোঁ।

বিশ্ববিদ্যালয় সংগীত



কথা- সুৰ ঃ ড° ভূপেন হাজৰিকা

জিলিকাব লুইতৰে পাৰ
এন্ধাৰৰ ভেটা ভাঙি
প্ৰাগজ্যোতিষত বয়
জেউতি নিজৰাৰে ধাৰ

শত শত বন্তিৰ
জ্ঞানৰে দীপালীয়ে
জিলিকাব লুইতৰে পাৰ।

সাঁচিপাতে ভাষা দিব
চিফুঙে আশা দিব
ৰংঘৰে মেলিব দুৱাৰ।

সমাজে সাবটিব
মহান মানৱতা
বিজ্ঞানে আনিব জোৱাৰ।

নতুনৰ গতি খেদা
ডেকা-গাভৰু আমি
নিৰ্ভীক এই শতিকাৰ।

অজ্ঞান চাকনৈয়া
এফলীয়া কৰি থৈ
মাৰি যাওঁ জীৱনৰ ডাঁৰ।



সূচীপত্র

সম্পাদকীয়
গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমখন 'ছাত্ৰবৃন্দৰ আলোচনী'ৰ সম্পাদকীয়

প্ৰবন্ধ

22nd CONVOCATION SPECIAL

Vice-Chancellor's Address	Professor Amarjyoti Choudhury	৯
Address by HIS EXCELLENCY	Lt. Gen (Retd) Ajai Singh	১১
Address of the Chief Guest	Shri M. Natarajan	১৩

বিশ্ববিদ্যালয়ৰ ইতিবৃত্ত

এটা বিশ্ববিদ্যালয়ৰ স্বপ্ন	ড° মহেশ্বৰ নেওগ	১৭
বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্ৰহৰ বাবে অতুল চন্দ্ৰ হাজৰিকাই প্ৰস্তুত কৰা নিবেদন-পত্ৰ		২৮
গুৱাহাটী বিশ্ববিদ্যালয়	শৰৎ চন্দ্ৰ গোস্বামী	৩০
গোপীনাথ বৰদলৈৰ বিশ্ববিদ্যালয় চিন্তা	ড° নিৰোদ কুমাৰ বৰুৱা	৩২
মাধৱচন্দ্ৰ বেজবৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়	হৰেন্দ্ৰ নাথ কলিতা	৩৮
উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈদেৱৰ সান্নিধ্যত	চিদানন্দ দাস	৪৩
গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুনিয়াদ আৰু স্বৰ্গীয় ফণীধৰ দত্ত	বিশ্বজিৎ কাকতি	৫১
গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰাৰম্ভিক কাল আৰু ড° বাণীকান্ত কাকতি	ড° অনুৰাধা শৰ্মা	৫৪
ড° বিৰিঞ্চ কুমাৰ বৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়	ড° কৃষ্ণ কুমাৰ মিশ্ৰ	৫৮
'জীৱন-বৃত্ত'ৰ পাতত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি...	ড° ভবেন্দ্ৰনাথ শইকীয়া	৬০
কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ	ড° এম. কামালুদ্দিন আহমেদ	৬৯
Quality Higher Education for All The Role IDOL, G.U.	Dr. Kandarpa Das	৭১

বিশেষ আলোচনা

কীৰ্ত্তন-ঘোষাৰ ৰচনা পৰিক্ৰমা	ড° কনক চন্দ্ৰ চহৰীয়া	৭৬
মামণি ৰয়ছম গোস্বামীৰ 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'	ড° দীপ্তি ফুকন পাটগিৰি	৮১
জিঞ্জা	ড° অৰনী কুমাৰ ভাগৱতী	৮২
অসমীয়াই কি ফুল চুৰ কৰিব নাপায়	ড° উপেন ৰাভা হাকাচাম	৮৪
নয়ী আশা, নয়ী দিশা	ডাঁ অচ্যুত ঘামা	৮৯
স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থকা অসমীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে কেৰিয়াৰ...	ড° গৌৰাঙ্গ কুমাৰ শৰ্ম্মা	৯১
এখন যুৱ আলোচনীৰ কল্পনাৰে	ৰবেন্দ্ৰ কুমাৰ দাস	৯৩
মহা-গান অবিৰাম, মোৰ ভিতৰে বাহিৰে...	খনীন চৌধুৰী	৯৬
The Environmental Crisis and Human Welfare	Dr. Jogen C. Kalita	৯৭
Environmental Effects of Atmospheric Aerosols	Binita Pathak	৯৯
উত্তৰ-পূব ভাৰতৰ অস্তিত্ব আৰু নিৰাপত্তা বিষয়ক বিতৰ্ক	ড° অখিল ৰঞ্জন দত্ত	১০৪
বিজ্ঞান আৰু ধৰ্ম	পৰাণ গোস্বামী	১০৬
Public interest litigation	Kishore Kumar Upadhyay	১০৯
Changing Role of Libraries in Higher Educational Intitutions	Gouri Sankar Karmakar	১১৩
Will Indian Women Achieve Political Empowerment?	Bondita Borbora	১১৫
বাস্তৱবাদ ঃ জীৱনৰ বাটত আৰু গোদান	ননী নাৰায়ণ বৰা	১১৭
অসমীয়া মহিলা ঔপন্যাসিকৰ উপন্যাসত অসম আন্দোলনৰ ছবি	মনীষা তালুকদাৰ	১২৩
অসমীয়া মহিলা চুটিগল্পকাৰৰ গল্পত সন্ত্ৰাসবাদৰ প্ৰতিফলন	প্ৰাঞ্জল তালুকদাৰ	১২৬
অসমীয়া অভিবাসী মুছলমান সম্প্ৰদায়ৰ লোক-সাহিত্য	জহিৰুল হক	১২৮

বিচিত্র পতংগভোজী উদ্ভিদ	জিয়াৰুল চৌধুৰী	১৩২
উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্র্যৰ সমস্যা সমাধানত চৰকাৰ আৰু স্বেচ্ছাসেৱী...	হেমাশ্রী বৰদলৈ	১৩৫
তিৰা সমাজত মহিলাৰ ভূমিকা	ধীৰাজ পাটৰ	১৩৮
উচ্চ শিক্ষাৰ সংকট	বিক্রমৰঞ্জন ৰয়	১৪০
ভাৰতীয় গণতন্ত্র আৰু ছাত্র সমাজৰ ভৱিষ্যৎ	ভাস্কৰ পাটগিৰি	১৪৩
জাতিগত সংঘর্ষ আৰু অসমৰ ভৱিষ্যৎ	মায়াশ্রী মহন্ত	১৪৫

কবিতা

নামফাকে গাঁৱলৈ	নীলিম কুমাৰ	১৪৭
কি দেখিছোঁ	অনুভৱ তুলসী	১৪৭
সেইদিনা কি বাৰ আছিল নেজানো	আনিছ উজ্ জামান	১৪৮
কবিতাটো কিম্বা উপন্যাসখনৰ সৈতে	মুনীন্দ্র নাৰায়ণ ভট্টাচার্য	১৪৯
মিতবাক্	ড° বিমল মজুমদাৰ	১৪৯
জন প্রবাদৰ দেওবাঁহ	বিৰিঞ্চি ৰাভা	১৫০
শোক জলের আলেখ্য	সঞ্জয়চন্দ্র দাস	১৫০
কথা	জয়জিৎ ডেকা	১৫১
বৰষুণ কন্যাৰ সাধু	দীপক বৰগয়াৰী	১৫২
তিনিটা কবিতা	নীলোৎপল শর্মা	১৫৪
হেমন্তৰ কবিতা	প্রশান্ত ৰাভা	১৫৫
তৰা	দর্শনা গোস্বামী	১৫৫
এজনী ছোৱালীৰ নাম আছিল কৃষ্ণচূড়া...	জিনি ফুকন	১৫৬
দুখৰ স্মৃতি	দ্বীপেন বৰুৱা	১৫৭
খোজ	ময়ূৰী বৰুৱা	১৫৭
মোৰ বাবে তুমি নে তোমাৰ বাবে মই	মন্দিৰা বৰুৱা	১৫৮
এটা শব্দৰ বাবে...	বর্ণালী দাস	১৫৮
The Silver Lining	Jayashree Talukdar	১৫৮
Grumbling Self	Abdul Mubid Islam	১৫৯
Lost	Bhaswati Das	১৫৯

গল্প

এটা নাম অথবা এগৰাকী নাৰীৰ অনুসৰণত	ড° ভাস্কৰজ্যোতি বৰা	১৬০
দাহিতা	প্রাঞ্জল শর্মা বশিষ্ঠ	১৬২
লাইচেন্স	জয়ন্ত পাঠক	১৬৭
ভোক	অপৰাজিতা গগৈ	১৭০
ঘাইশিপা	ঋতুৰেখা বৰুৱা	১৭৪
নিঃসংগ বাঁহীৰ সুৰ	বৃষ্টি কলিতা	১৭৭
বাকৰি	অনুশ্রী অধিকাৰী	১৮০
সপোন	নম্রতা বৰদলৈ	১৮৩

উপন্যাসিকা

এখন বহল পৃথিৱীৰ সপোন	গীতিমা ভাগৱতী	১৮৫

বিবিধা

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রথমগৰাকী আলোচনী সম্পাদক সাহিত্যাচার্য ডক্টৰ প্রমোদ চন্দ্র ভট্টাচার্যৰ স'তে কথোপকথন	১৯১
গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রথমখন 'ছাত্রবৃন্দৰ আলোচনী'ত প্রকাশিত বিভাগীয় সম্পাদকসকলৰ প্রতিবেদন	১৯৪
বিশ্ববিদ্যালয় জীৱনৰ লগত জড়িত তিনিটা ব্যক্তিত্ব	১৯৬
উপ-সভাপতি, সাধাৰণ সম্পাদক আৰু সাহিত্য সম্পাদকৰ একাষাৰ	১৯৭
স্নাতকোত্তৰ মহলাৰ আলোচনী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সম্পাদকসকলৰ তালিকা	২০০



সম্পাদকীয়

১৯১৭ চন। প্রথমবাৰৰ বাবে উচ্চাৰিত হ'ল 'জ্ঞান-বৃক্ষ'ৰ প্রসংগ। পৰাধীনতাৰ শিকলি চিঙাৰ প্রচেষ্টাৰ সমান্তৰালভাৱে আৰম্ভ হ'ল আন এক আন্দোলন ঃ বৌদ্ধিক আন্দোলন। এফালে মুক্তিৰ বাসনা; আনফালে জ্ঞান সাধনাৰ থলি নির্মাণৰ কছৰৎ।

দেশ মুক্তিৰ আনন্দত উদ্ভাসিত হোৱাৰ পাছৰ বছৰৰ ২৬ জানুৱাৰিত হাজাৰজনৰ কর্ষণৰ ফলত লুইতৰ দুয়োপাৰ জিলিকাবলৈ অংকুৰিত হ'ল 'জ্ঞান-বৃক্ষৰ সোণালী বীজ' ঃ গুৱাহাটী বিশ্ববিদ্যালয়। 'অগ্রগামী সৈনিক' (Avant-Garde)-ৰ কৃচ্ছ্রসাধনাই পূর্ণতা লাভ কৰিলে।

দেশৰ স্বাধীনতা আন্দোলনৰ সংঘাতময় আৰু জটিল সময়ত অসমত বিশ্ববিদ্যালয় প্রতিষ্ঠাৰ দৰে এক দীর্ঘম্যাদী, সুচিন্তিত কর্মত এদল 'ভাবীকালৰ খনিকৰ' নিৰৱচ্ছিন্নভাৱে ৰত হৈ থকাটো অসমৰ জাতীয় জীৱনৰ অতিকে তাৎপর্যপূর্ণ প্রসংগ।

বিশ্ববিদ্যালয় প্রতিষ্ঠাৰ তাৎপর্যপূর্ণ প্রসংগসমূহৰ অন্যতম মগনিয়াৰ বুঢ়ী আৰু শিখ ড্রাইভাৰৰ প্রসংগ। বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্রহৰ সময়ত কোনো এঠাইৰ এগৰাকী মগনিয়াৰ বুঢ়ীয়ে দিনটো লোকৰ ঘৰে ঘৰে মাগি পোৱা পইচাকেইটা বিশ্ববিদ্যালয়ৰ পুঁজিৰ বাবে সংগ্রাহকৰ হাতত অর্পণ কৰিছিল। লগত আছিল এটোপা চকুলো।

আকৌ গোপীনাথ বৰদলৈ আৰু অন্যান্যসকলে পুঁজি সংগ্রহৰ বাবে উজনি অসম ভ্রমণ কৰোঁতে যিজন শিখ ড্রাইভাৰে তেওঁলোকৰ গাড়ী চলাইছিল, তেওঁ ভ্রমণৰ অন্তত যচা বানচ ল'বলৈ অস্বীকাৰ কৰিছিল আৰু কৈছিল ঃ আপোনালোকে দেখোন মোতকৈও বেছি কষ্ট কৰিছে। আপোনালোকে জানো টকা লৈছে? মোৰ পৰম ভাগ্য যে আপোনালোকৰ এই মহৎ কামত সহায় কৰিব পাৰিলো। সেয়ে মোৰ বানচ। এই ভিক্ষা-অভিযানৰপৰা যিটো গুৱাহাটী বিশ্ববিদ্যালয় হ'ল, সি সেই মগনিয়াৰ বুঢ়ী আৰু শিখ ড্রাইভাৰৰ ত্যাগকো সামৰি থিয় হৈ আছে। (নেওগ, ১৯৭৪ ঃ ১৩)

বিশ্ববিদ্যালয়ে হীৰক জয়ন্তী বর্ষ অতিক্রম কৰাৰ সময়ত মগনিয়াৰ বুঢ়ী আৰু শিখ ড্রাইভাৰৰ প্রসংগই আমাৰ সকলোৰে মনৰ দুৱাৰ মুকলি কৰক; সংকীর্ণতাৰপৰা উলিয়াই আনি আমাক উজ্জীৱিত কৰি তোলক।

ব্যক্তিকেন্দ্রিকতাক গুৰুত্ব দি প্রাত্যহিক জীৱন-যাত্রাত ব্যস্ত হৈ থকা আমিবোৰে মগনিয়াৰ বুঢ়ী আৰু শিখ ড্রাইভাৰৰ দৰে এখন অন্তৰৰ গৰাকী হ'বলৈ অবিৰত প্রয়াস কৰোঁ আহক ...



সকলো
মহৎ চিন্তা
হৃদয়ৰ পৰা

সকলো
সোণালী শস্য
হৃদয়ৰ পৰা ...

(নির্মলপ্রভা বৰদলৈ)



গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমখন 'ছাত্ৰবৃন্দৰ আলোচনী'ৰ সম্পাদকীয়

আমাৰ শৰাই

গুৱাহাটী বিশ্ববিদ্যালয় অসমীয়া জাতিৰ আশা-আকাঙ্খাৰ এটি ঘাই প্ৰতীক। বহু বছৰ ধৰি চলা ৰাজহুৱা আন্দোলনৰ ফলত ১৯৪৭ চনত অসম চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয় আইন বিধিবদ্ধ কৰে আৰু ১৯৪৮ চনৰপৰা বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ হয়। বিশ্ববিদ্যালয়ৰ আঁচনি ইয়াৰ কেবা বছৰো আগতে তৰা হৈছিল যদিও, অতীতত ইয়াৰ বাটত ঘাইকৈ দুডাল হেঙাৰে আগচি ধৰিছিল। প্ৰথমতে হ'ল বিশ্ববিদ্যালয়ৰ পৰিচালনাত প্ৰতিনিধিত্ব লৈ আৰু দ্বিতীয়তে হ'ল— বিশ্ববিদ্যালয়ৰ গঢ় অৰ্থাৎ এফিলিয়েটিং, টীচিং নে ৰেছিডেন্সিয়েল সম্বন্ধে। অসমীয়া ৰাইজৰ আন্দোলন আৰু জনমতলৈ দৃষ্টি ৰাখিয়ে চৰকাৰে বিশ্ববিদ্যালয় আইন প্ৰণয়ন কৰিলে ঃ কোনো আছুতীয়া বা সাম্প্ৰদায়িক প্ৰতিনিধিত্বৰ ঠাই এই আইনত নাই আৰু এই বিশ্ববিদ্যালয়ো হ'ব- এফিলিয়েটিং, টীচিং আৰু ৰেছিডেন্সিয়েল অৰ্থাৎ পূৰ্ণাঙ্গ গঢ়ৰ।

এই আৰ্হি মতে বিশ্ববিদ্যালয় গঢ়ি তুলিবলৈ হ'লে বিশেষকৈ দুটা বিষয়লৈ চকু দিব লাগিব- বিশ্ববিদ্যালয় নগৰ আৰু আণ্ডাৰ-গ্ৰেজুৱেট পঠন-পাঠনৰ ব্যৱস্থা। আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ে আণ্ডাৰ-গ্ৰেজুৱেট শিক্ষাৰ ব্যৱস্থা আংশিক ৰূপে হ'লেও আৰম্ভ কৰিছে; কিন্তু বিশ্ববিদ্যালয় নগৰৰ পৰিকল্পনাহে এতিয়াও কল্পনাৰ বুকুতে শুই আছে।

পাণ্ডুতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্থায়ী ঘৰ-দুৱাৰ হ'ব বুলি স্থিৰ কৰা হৈছে। বিদেশী ভাস্কৰৰ হতুৱাই যথেষ্ট ধন ভাঙি বিশ্ববিদ্যালয়ৰ নমুনাও অঙ্কিত কৰা হৈছিল। অসম চৰকাৰেও যোৱা বছৰ বিশ্ববিদ্যালয় আইন সংশোধনী কৰি নিৰ্ম্মাণ আঁচনিৰ কাৰণে এটি উন্নয়ন কমিটী পাতি দিছে। এটি সুকীয়া ইঞ্জিনীয়াৰিং শাখাও আৱশ্যক দৰমহা বানচ দি ৰখা হৈছে। কিন্তু পাণ্ডুৰ নিৰ্ম্মাণ আঁচনিয়ে এতিয়াও বাস্তৱ গঢ় লোৱা ৰাইজে দেখা নাই। ইফালে বিভিন্ন প'ষ্ট-গ্ৰেজুৱেট আৰু আণ্ডাৰ-গ্ৰেজুৱেট শ্ৰেণীবোৰ অ'ত-ত'ত জোৰা-ফন্দা দি বা ভেৰোণীয়াকৈ ঘৰ লৈ কোনোমতে চলাই থকা হৈছে। চৰকাৰৰ নিৰ্ম্মাণ আঁচনিসম্বন্ধে ডঁ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ সভাপতিত্বত গঠিত বিশ্ববিদ্যালয় শিক্ষা কমিছনে বিপৰ্টত লিখিছে "বিশ্ববিদ্যালয় বাস্তৱতে নান্নং নবস্ত্রং অৱস্থাৰ পৰা সাজিব লাগিব। কটন কলেজখন যদি বিশ্ববিদ্যালয়লৈ হস্তান্তৰ কৰা হয়, তেনেহ'লে ইয়ে নতুন নিৰ্ম্মাণৰ কেন্দ্ৰথলী হ'ব পাৰিলেহেঁতেন? কিন্তু কটন কলেজৰ বৰ্ত্তমান অৱস্থানত প্ৰসাৰণৰ ঠাই তেনেই কম। পাণ্ডুত বিশ্ববিদ্যালয়ৰ কাৰণে বাছনি কৰা ঠাই বেছ আহল-বহল। ইয়াত বিশ্ববিদ্যালয়ে বৰ্ত্তমানে আঁচনি কৰা সকলো ঘৰ-দুৱাৰ বান্ধিব পাৰে আৰু প্ৰসাৰণৰো যথেষ্ট থল আছে। কিন্তু এনে আঁচনিত বৰ বেছি পৰিমাণে ধন ব্যয় হ'ব আৰু এই ধন চৰকাৰে কিস্তি হিচাবে ৫ কি ৬ বছৰমান ধৰি দি থাকিব লাগিব।"

বিশ্ববিদ্যালয় শিক্ষা কমিছনৰ বিপৰ্ট প্ৰকাশ কৰা প্ৰায় এবছৰ সময়ে হ'ল; অসম চৰকাৰে আৰ্থিক দুৰৱস্থাৰ কবলত পৰি ব্যয় সঙ্কোচৰ উপায় চিন্তিছে। ইতিমধ্যে অসমত শ্ৰীযুত মতিৰাম বৰা নতুন শিক্ষামন্ত্ৰী পদত অধিষ্ঠিত হৈছে আৰু তেখেতে পাণ্ডুত ঘৰ-বাৰী সজাৰ বিষয়ে আগ্ৰহ দেখুৱাইছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা টকাৰ পৰা পাঁচ লাখ টকাও অলপতে মঞ্জুৰী দিয়া হৈছে ঃ আগৰ পুঁজিত থকা ১৭ লাখ টকাৰে ঘৰ-বাৰীৰ নিমিত্তে এতিয়া ২২ লাখ টকা হ'ল। কিন্তু পাণ্ডুৰ নিৰ্ম্মাণ আঁচনিৰ বাবে যে অন্ততঃ এযুগ সময় লাগিব সেই বিষয়ে সকলোৱে সন্দেহ কৰিছে। কিন্তু ধান পকে মানে টুনিৰ মৰণ; ইতিমধ্যে বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট ৰূপে বাঢ়ি আহিছে। এই ক্ৰমবৰ্দ্ধমান শিক্ষাৰ্থীসকলক অধ্যয়নৰ ব্যৱস্থা কৰাৰ লগতে থকা-মেলাৰ কাৰণে বাসস্থান দিব লাগিব। বৰ্ত্তমানে বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু ছাত্ৰসকলৰ বাবে বিশ্ববিদ্যালয়ৰ ক'লনী আৰু অ'ত-ত'ত দুই-চাইটা ছাত্ৰাবাস পাতি দিয়া হৈছে যদিও সি পৰ্য্যাপ্ত আৰু সন্তোষজনক হোৱা নাই। অসম চৰকাৰে আৰু বিশেষকৈ নব নিযুক্ত শিক্ষা মন্ত্ৰীয়ে বিশ্ববিদ্যালয়ৰ পিনে সততে চকু ৰাখিব বুলি আমি আশা ৰাখিলো। গুৱাহাটী বিশ্ববিদ্যালয়খন পূৰ্ণাঙ্গৰূপে গঢ়ি তুলি দিলে অসম চৰকাৰ আৰু ভাৰ প্ৰাপ্ত মন্ত্ৰীসভাৰ নাম জাতীয় বুৰঞ্জীত যাউতিযুগীয়া হৈ থাকিব। এই খিনিতে ৰাইজৰ মনত এটা কথা লৈ তিতা-কেহা লাগি আছে; সেয়ে হৈছে— বিশ্ববিদ্যালয়ে বৰ্ত্তমানে দখল কৰি থকা ঘৰ-দুৱাৰবোৰৰ কাৰণে অসম চৰকাৰে লোৱা অত্যধিক ভাৰা সম্পৰ্কে। এইবোৰ কাৰণতেই আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ নামত অসমীয়া ৰাইজে উৎসাহৰ সলনি হতাশৰ ভাবহে প্ৰকাশ কৰে। বৰঙণি আদায়ৰ সময়ত যি অনুপ্ৰেৰণা আৰু আকাঙ্খা ৰাইজৰ মাজত পৰিলক্ষিত হৈছিল— বৰ্ত্তমানে সেই ভাবৰ ব্যতিক্ৰম ঘটিছে।

বিশ্ববিদ্যালয়ৰ শিক্ষা-ব্যৱস্থাৰ মান সম্বন্ধে ছাত্ৰ-ছাত্ৰীসকলে সন্তোষ প্ৰকাশ কৰিছে। কিন্তু বৰ্ত্তমানে যিবোৰ বিষয়ৰ শিক্ষা দানৰ দিহা আছে; সেয়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বহুমুখী আগ্ৰহ পূৰাব পৰা নাই। ফিজিক্স, কেমিষ্ট্ৰীৰ শ্ৰেণী আৰু ৰসায়নাগাৰ যিমান সোনকালে খোলে, সিমানেই ছাত্ৰসকলৰ পক্ষে মঙ্গল। গুৱাহাটী বিশ্ববিদ্যালয়ত বি-টি শ্ৰেণী খোলাৰ পিচতো শিলঙত অসম চৰকাৰৰ খৰচত সুকীয়া বি-টি শ্ৰেণী চলাই থকাটো অসমীয়া ৰাইজৰ পক্ষে অশান্তি আৰু অপব্যয়ৰ বিষয় হৈ পৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ত ইমান দিন দুতৰপীয়া শাসন (এফালে ডেভলপমেণ্ট কমিটী, আনফালে একজিকিউটিভ কাউন্সিল) চলি আহিছে; ইয়াৰ কাৰণেই হয়তো আমাৰ বিশ্ববিদ্যালয় ভালেখিনি জঠৰ হৈ পৰিছে। আশা কৰো বিশ্ববিদ্যালয়ৰ ওপৰত থকা দুতৰপীয়া শাসনৰ সোনকালে অৱসান ঘটিব।

বিশ্ববিদ্যালয়ৰ ব্যয় বহুল ঃ আয় কম; অসম চৰকাৰে নিজৰ কোষৰপৰা নাইবা কেন্দ্ৰীয় চৰকাৰৰ পৰা হ'লেও বিশ্ববিদ্যালয়ক আৰ্থিক সাহায্য দি টনকিয়াল কৰা উচিত। বিশ্ববিদ্যালয়ৰ নিৰ্ম্মাণ আঁচনিৰ অসম চৰকাৰে যিদৰে দায়িত্ব লৈছে, সেই দায়িত্ব যথাযথভাৱে আৰ্থিক সাহায্য দি টনকিয়াল কৰা উচিত। বিশ্ববিদ্যালয়ৰ নিৰ্ম্মাণ আঁচনিৰ অসম চৰকাৰে যিদৰে দায়িত্ব লৈছে, সেই দায়িত্ব যথাযথভাৱে পালন কৰি অসমীয়া ৰাইজৰ শ্ৰদ্ধাভাজন হোৱা উচিত।

বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংঘ গঠন বা সমবেত প্ৰচেষ্টা নিতান্ত আৱশ্যকীয়। পোষ্ট-গ্ৰেজুৱেট, আণ্ডাৰ-গ্ৰেজুৱেট, আইন আৰু বি-টি শ্ৰেণীসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুকীয়াকৈ সংঘ থকাটো বিভাগীয় উন্নতিৰ পৰিচায়ক; কিন্তু তাৰ লগে লগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সদৌ ছাত্ৰ-ছাত্ৰীসমূহৰ এখন সম্মিলিত সংঘ থকাটো বাঞ্ছনীয়। সেই উদ্দেশ্যে পৰৱৰ্ত্তী বন্ধুসকলে চেষ্টা চলাব বুলি আশা ৰাখিলো।

বৰ্ত্তমানৰ এই আলোচনীখন— বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক আৰু সাংস্কৃতিক প্ৰচেষ্টাৰ উৎসাহকল্পে— ছাত্ৰ-ছাত্ৰীসকলৰ মুখপত্ৰ স্বৰূপে উলিওৱা হৈছে। এই সংখ্যাত সীমাবদ্ধ লেখক-লেখিকাৰ প্ৰবন্ধ সন্নিবিষ্ট হৈছে যদিও ভবিষ্যতে ইয়াৰ পৰিসৰ আৰু লেখক-চক্ৰ বাঢ়িব বুলি আমাৰ বিশ্বাস।

ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ-অভিযোগ ভালেমানেই; বিভাগীয় সম্পাদকসকলৰ বক্তব্যত এই অভাৱৰ কিছুমান প্ৰকাশ হৈছে। খেল-ধেমালি, সঙ্গীত-কলাৰ উপৰিও সাহিত্য-প্ৰতিযোগিতা, সাংস্কৃতিক প্ৰদৰ্শনী আৰু যুটীয়া বহিঃভ্ৰমণ আদিৰ আৱশ্যক। অসমৰ ভৱিষ্যৎ নাগৰিকসকলে তেওঁলোকৰ সৰ্ব্বোচ্চ শিক্ষা লাভ কৰিব— এই গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগেদিয়ে। তেনেস্থলত বিশ্ববিদ্যালয় ছাত্ৰ-জীৱনত কি কি সুবিধা থকা উচিত— সেই বিষয়ে দোহাৰিবৰ সকাম নাই।

আমাৰ এই আলোচনীৰ ইংৰাজী আৰু অসমীয়া বিভাগত যিসকল লেখক-লেখিকাই প্ৰবন্ধ সম্ভাৰ প্ৰায় এবছৰ আগেয়ে যোগাইছে, তেওঁলোকলৈ ছাত্ৰসংঘৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ হৈ ধন্যবাদ জনোৱা হ'ল। ইয়াৰ উপৰিও এই আলোচনীত বিভিন্ন উপায়ে সহায় কৰা কেবা-জনো অধ্যাপক আৰু ছাত্ৰলৈ আমাৰ আন্তৰিক ওলগ জনালো। এই আলোচনীৰ ব্লক আৰু অন্যান্য সকলো ছপা কাম কৰি দিয়া কাৰণে ত্ৰিবিউন প্ৰেছৰ কাৰ্য্য কাৰকসকলক আমাৰ শলাগ জনাইছোঁ!

আমাৰ এই প্ৰথম প্ৰচেষ্টাত কিবা ভুল-চুক ৰৈ যাব পাৰে; তাৰ কাৰণে সদৌ পাঠক সমাজৰ ওচৰত ক্ষমা বিচাৰিছোঁ। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ প্ৰচেষ্টা জয়যুক্ত হওক।

(মে'—১৯৫০)

প্ৰমোদ ভট্টাচাৰ্য্য

Vice-Chancellor's Address
AT THE
TWENTY-SECOND CONVOCATION

GAUHATI UNIVERSITY

Professor Amarjyoti Choudhury

The stage is now all set. The 22nd Convocation of Gauhati University is beginning to unfold.

All convocations witness an overwhelming current of joy. I am sure this convocation is also no exception. We fervently wish that our ritual would allow free flow of this infectious joy of the academic community.

The flowing gowns and robes always lend poignant colours to the frame of the auditorium. It reminds us unequivocally –it is a momentous occasion.

Indeed, a convocation is no ordinary festivity. It is not an occasion for empty rhetoric. It is not a mere handing out of certified papers on dotted lines either. Rather, it is the seal of the society in recognition of scholarship or skill attained by yet another batch of successful students. It also passes on experiences of the elders to these awardees in sincere heart-to-heart talks. A convocation thus transcends to a celebration of reaching out to the reality of the future by the awardees that throng the academic procession. Correspondingly, the ambience turns electric all around. Further, the encouraging presence of our Honourable Chancellor and the Chief Guest Natarajanji has added grace and glitter to the occasion.



True, the long gap of years since the 21st convocation has taken away a lot of the excitement and relevance of this convocation. For this lapse of the University, I tender an unconditional apology to the entire student community thus affected. In the same breath, however, we assure that henceforth we shall be totally committed towards the holding of the convocation regularly. Towards that, I hereby seek the cooperation of one and all.

As our awardees focus on the future, we must also contemplate the pattern of their academic growth through the mechanism of our University. It also calls for a transition on the ways to reform the mechanism itself - namely, the University.

A good University is always a light to itself. It lights up a fire that burns lifelong. A fire that refines thoughts (which is teaching). A fire that lights up areas unseen (which is research). A fire that charts new ways for the society (which are outreach programmes). Teaching, research and outreach programmes are thus the holy trinity of the educational mission. Through the process of continuous refinement, a good University further seeks relevance in time. So, it makes an iterative effort to keep the lamp burning even in the face of accelerating winds of change.

What are these accelerating winds of change? Globalization is staring at us as an undeniable reality. New standards are there right ahead of us. New areas of knowledge have also emerged. Areas like IT, Biotechnology and Nanotechnology have charted new areas of life at an unprecedented pace. Correspondingly, accelerated changes have overwhelmed societies, nations and the globe. These, in turn, have redefined our studies in Humanities, Social Science, Commerce and Law. To remain relevant, it is thus imperative that Universities should integrate similar knowledge in their fold.

Advances in Science and Technology have also changed the formats of modern-day educational processes. A modern University must incorporate these changes readily. In the process, it has also led to a new consumerism of students. They are on the lookout for competent teaching faculty, right ambience and infrastructure for teaching, research and placement efforts. So the Darwinian rule of "Perform or Perish" has come to play.

So, where do we stand? It is said that a community lives by the memory of its heroes. When we look back into the history of our University, the hero was undoubtedly the common man. Indeed the entire population of Assam scripted the effort that turned Gauhati University into a reality. So we must be committed to their expectations. That makes our duty all the more onerous.

True, our infrastructure does not infuse enough confidence. The physicalities of our classrooms are, in general, archaic. A large section of our buildings in various stages of decay. Do we still have hopes? The answer is a big 'YES'. But what do we capitalize on?

The answer to that is also blowing in the wind. We capitalize on our teachers and students. Indeed, we have seen the emergence of a new breed of students. They are eager to pursue and complete their academic programmes. They want examinations on time and results too on time. That is a big capital. In our Faculty members too we have noticed a new form of professionalism. Teaching and competent research have elevated them as eminent experts in their fields. I leave it to our Chief Guest and Honourable Chancellor to pick out specific cases of achievements of our University. But generally speaking, they have also enriched our cause with ongoing projects worth more than 8 crores. Now that administrative bottlenecks are being sought to be removed in all sincerity, I expect a further surge of applications from our faculty to funding agencies. A number of Departments have international collaborations. The research publications of a number of departments indeed inspire confidence. Our teachers have participated in reputed National and International Conferences. Some have even chaired prestigious sessions. They are increasingly leading consultancy efforts as well. Thus, the picture is clear. The academic pursuit is still vibrant in our University including our affiliated colleges. The academic calendar too is being prepared with great care. We are also in the process of introducing academic audit. Our five-year vision plan is also on the anvil. Efforts are also on to strengthen administration and work culture. So if only our infrastructure and fund could be brought to a desired level, our University too could surely vie for excellence in the real sense of the term. It is with this aim of securing fund that I seek help, suggestion and cooperation of one and all in all related matters including that of internal resource mobilization.

The awardees of degrees and diplomas are our true ambassadors. Inside the campus, they enjoyed the best of democratic and humanitarian traditions. It is our ardent wish that they, in turn, now take steps to spread these traditions to the outside world. Let them enrich our society with the knowledge and skills thus gained. But more importantly, let them stand up as examples that societies can look up to. This could be the surest way of repaying the debt to the common people of this region.

We hope that the churning of knowledge in the University blends with the expectations of the society. Hopefully, our academic efforts would inspire our society to extend and redefine its expectations too. Let our University strive to rejuvenate itself in that cycle of synergic harmony.

JAYATU GUWAHATI VISWAVIDYALAY

Address by
HIS EXCELLENCY

Lt. Gen (Retd) Ajai Singh, PVSM, AVSM

Governor of Assam & Chancellor, Gauhati University

On this occasion of the 22nd convocation of the Gauhati University I feel privileged to address this gathering as the Chancellor of the oldest and largest education institution of the North East India. I also extend a warm invitation to my dear friend and our honourable chief guest Prof. M. Natarajan, the Principal Scientific Adviser to the Hon'ble Defence Minister of our Nation. It is indeed a privilege to have him in our midst and I take this opportunity to extend my gratitude for his having consented to attend the convocation ceremony. The presence of Prof. Natarajan invests this occasion with all the more dignity and worth for the years to come. Prof. Natarajan's contribution to the nation in the conceptualization and implementation of several of the core strategies in the defense field for the nation is well acknowledged. His commitment under the able stewardship of His Excellency, President of India, Shri A P J Abdul Kalam has translated several programmes into reality such as the integrated Missile Development Programme and I too have had the good fortune of associating myself in the induction of the first indigeneously built Main Battle Tank for the Indian Army christened "ARJUN". Prof Natarajan's words of wisdom today shall be a inspirational input for all assembled, for he is recognized for his expertise in defense strategy and his depth of comprehension of political dimensions and strategic aspects. His words on this occasion will also



carry special import for our youth and to the students, past and present of this University, who are present here today.

The Gauhati University established on the 26th of January 1948 was intended to be an ideal seat of learning and a centre of higher education in this part of the country. The starting of the University owes a great deal to the vision of Bharat Ratna Lokapriya Gopinath Bordoloi whose pioneering efforts were carried forwards with a sense of deep dedication by few remarkable personalities like Prof. Krishna Kanta Handique, a great scholar and the first Vice Chancellor of the University, Dr. Bani Kanta Kakati and their distinguished colleagues whose efforts placed the University on a secure foundation and a road towards a vision ahead. It is because of the high standards set in the matter of academic pursuits in the formative years that the University could earn a well-deserved reputation all over the country. The very fact that Dr. S Radhakrishnan, our great philosopher statesman, who later adorned the highest office of the country, addressed the first convocation of the University is proof enough about the hallowed commencement of our great institution of learning. You are among those fortunate to cross the portals of this University, which has a legacy to be proud of, and you must prove yourself worthy of the glorious traditions of if this University.

As the Gauhati University charts its course in today's changing times its aim should be to become a leading University in the country and to set high standards of excellence in the preservation, creation and dissemination of knowledge through teaching, learning, research, innovation and experiment. It is imperative that the University conduct pioneering research work in the frontier areas of knowledge and also outline for itself a clear framework wherein under academic discipline, administrative efficacy and management standards par excellence are set.

It is indeed a welcoming sight today to see this convocation fructify after the efforts of the Vice Chancellor who took up the responsibility of the assignment late last year. The University in particular is now emphasizing on the concept of academic audit, which will indeed go a long way in ensuring the improvement of the academic standards; substantially improve the accountability of the faculty and also the student community's desire to have the best academic atmosphere in the University. Secondly, the process for initiation of sports infrastructure including a world class Olympic size swimming pool and other sports infrastructure on the Built Operate and transfer model for the University is under examination and also there are also several other areas of improvement like the improvement of the facilities for the hostel accommodation of the students, the library referral and issue sections, the general upkeep of the University and key issues like a proper examination schedule and timely and proper declaration of results, computerisation and transparency in the Examination system. I am confident that the Hon'ble Vice Chancellor and his team shall ensure the proper implementation of steps for the improvement of the existing amenities and systems in the University.

To all of you who have received their degrees today, I offer my warmest felicitation. I wish you a fruitful career in your various vocations in life. Education does not and cannot end with degrees or distinctions but it is a never-ending process as our profoundest thinkers and seers had propounded. Today there is an exponential explosion of information and knowledge that has surmounted all boundaries and it is indeed a phenomenon wherein we all should capitalise and not be left behind. His Excellency, A P J Abdul Kalam, our Hon'ble President has stated that the 21st Century is a knowledge era and by the year 2020, in this knowledge millennium, our Nation should lead as the highest repository of knowledge.

Our State of Assam has a very high and distinctive place in the culture and history of India since ancient times. Deeply inspired by the life and teachings of Shri Sankardeva for the last five hundred years the people of Assam have always been in the forefront for the struggle for social and political emancipation. Assam's cultural life is deeply influenced by the spirit of humanism and universal outlook that marks the cultural heritage of our nation as a whole. Let us on this day rededicate ourselves to the highest ideals of seeking knowledge, of social progress, freedom of thought and creative endeavour and the integral vision of our great cultural heritage.


I once again express the deep gratitude to Prof M Natarajan for his kind and inspiring presence. I take this opportunity to thank the organising committee and the Vice Chancellor of the University for the initiative for holding the convocation. I also express my gratitude to the Hon'ble Chief Minister, the Hon'ble Education Minister and the Government of Assam for all the assistance and cooperation in organizing the convocation. I also convey my appreciation to all those who have been involved in organising and making this event a success.

It also give me great pleasure to conclude by once again congratulating all the students; in particular those who have received their degrees today and teachers of this prestigious University. I wish all of you a bright future ahead.

JAI HIND

Address of the Chief Guest
Shri M. Natarajan

Scientific Adviser to Raksha Mantri Secretary, Dept. of Defence R&D & Director General, DRDO



"Harnessing of National Assets for Enhancement of S & T Base in India"

"We live in an age where development in Science and Technology has become a major determinant of what happens with the income and wealth of nations. It goes without saying that India has to operate on the frontiers of scientific and technological knowledge. Hence science and technology must be regarded as an integral input in our social and economic process." -Prime Minister of India, January 2007

INTRODUCTION

Distinguished Guests, I am delighted to be here in this august assembly among a wide cross section of scholars from various disciplines at this 22nd Convocation of Gauhati University. This University, one of the oldest in the country and the first established in North East India, is today considered one of the finest in the country, catering to a variety of disciplines ranging from Humanities and Sciences to Law, Medicine and Engineering. With over 200 colleges affiliated to it and over 100,000 students in the UG level, 3000 in the PG level and a faculty of 350, the University has carved a name for itself as a centre for higher learning in this part of the country.

The North East of our country has always conjured up an image of hills, valleys, mist, mighty rivers and beauty. It has a history, culture and biodiversity, which have contributed to the pride of the nation. It is unfortunate that in the recent past, peace is disturbed in this land. It is never difficult to tide over issues when there is a determined will to do so - and who should know this better than the dynamic young minds of this University? Knowledge is a vital link that binds the world that thinks of development and the students of this university, on their day of graduation are entering the world as brand ambassadors of development.

New Knowledge Era

As India enters its 60th year of Independence, it is time to take stock of what we have achieved –to learn from the lessons of the past and prepare for the challenges of the future. The world has passed through a number of phases in the last two centuries. The period from 1890 to the 1960's was the **Industrial Era**, which saw a quantum jump in the industrial capability of nations, while the period from the sixties to the nineties belonged to the **Information Era**, during which the informationalisation of every discipline of human engineering took place. Likewise these first few decades of the twenty-first century is the **Knowledge Era**, when man tries to expand his knowledge base in every sphere from genetics to space. While India had missed out on the benefits of the Industrial revolution due to our colonial past, we have reaped the benefits of the Information Era, and now hopefully we can fully exploit the Knowledge era, in which Universities and academia can play a crucial role as they serve as a "cradle of knowledge" from where to jump start the revolution. The community of nations also recognizes the importance of development based on knowledge.

The **Millennium Development Goals** (MDG) set up by the United Nations aims at halving extreme poverty, achieving universal primary education, ensuring environmental sustainability and developing global partnership for development, all by the target date of 2015. This forms a blueprint agreed to by all the countries and the world's leading development institutions, and has galvanized unprecedented efforts. India too must take its cue from this initiative as we have a host of problems to

overcome, if we have to take our rightful place in the world order.

Role of Academia in Nation Building : There are reportedly 302 universities, 13 institutes of national importance and over 16000 colleges imparting higher education in the country. Doctorates in Science form 67% of the total 6714 S&T doctorates produced by the educational system (as per DST statistics).

The universities and centres of higher learning have a crucial role and a major responsibility in nurturing the inherent talent in the students, enriching our knowledge in science, engineering, humanities and imparting value based education to the students. The development of every country begins from its citizens and from their basic education. The commitment of the teachers and faculty of schools and universities can play a leading role in this endeavor. I call upon the faculty to understand the enormous responsibility that they have - that of producing quality citizens of the future. On their shoulders, rest the hopes of the nation, which expects them to nurture and raise the leaders of tomorrow, armed with a quality education and fuelled with the passion to work for a better tomorrow, while maintaining an unbiased perception of the country's needs.

Role of National Labs : All national organizations too must work with this vision. India is blessed with organizations like Dept. of Atomic Energy, Dept. of Space, Council of Scientific and Industrial Research– each of which has given to this country a great measure of technological importance. The success of our atomic energy program capped by the recently concluded Indo-US nuclear deal, the technological successes of our space program and its ambitious endeavor to send an Indian to the moon have all set benchmarks of excellence in the international arena and we have to ensure that we continue on this path of building technology strength, so as to propel India into an important place in the comity of nations.

Role of DRDO : One other national organization is the Defence Research & Development Organisation-DRDO. I speak to you today armed with over 30 years of experience as a serving scientist and as the head of DRDO - One of modern India's largest R&D organizations. I would like to devote a part of my address to highlighting the multifarious activities carried out by DRDO in various disciplines. DRDO sprang from a humble beginning in 1958, with 10 establishments or laboratories. Over the years, it has grown multi-dimensionally. Today, DRDO is a network of 50 laboratories engaged in developing defence technologies covering various disciplines, like aeronautics, armaments, electronics, combat vehicles, engineering systems, missiles, special materials, naval systems and life sciences. Its core strength lies in its Human Resource, comprising over 6500 scientists and about 22,000 other scientific, technical and supporting personnel. Over the last few decades it has achieved considerable success in **Aeronautics**– with the development of the LCA– a multi-role combat aircraft with state-of-the-art avionics. This immensely successful National Endeavor is the combined effort of over 30 DRDO Establishments, Ordnace Factories, Defence PSUs, CSIR Labs and over 300 Private Industries and a few academic institutions. With the establishment of a strong technology base in the field of Avionics, Composites, Airframe etc. it provided a massive fillip to our Industry and dealt a strong lesson on the efficacy of involving all major National Resources.

The Integrated Guided Missile Development Program encompasses the Agni, Prithvi, Nag, Akash and Trishul missile systems. This battery of missiles, which have done much to boost the strategic importance of our country, has resulted in the establishment of an indigenous technology base in the area of Missile Propulsion, Command and Guidance, Navigation and Seeker Systems and Warheads. All of this helped immensely in the first ever Indo-Russian joint venture- Brahmos. This one-of-a-kind Supersonic cruise missile, capable of achieving speeds of 2.8 Mach and a range of 290 kms., has been a successful indicator of joint development with foreign partners.

In the field of Armaments and Combat Engineering, we have successfully developed the main Battle Tank Arjun. With literally no knowledge base at program inception, we have today, after 16 yrs., established a technology base in the country, in the areas of Propulsion, Suspension, Composite Armour, Electro-optics and Armament etc, which will keep us in good stead for future combat programs. In the area of Mechanical and Engineering systems we have achieved steady success with the development of Bridging systems, Engineering Recovery Vehicles, Amphibious Dozers and Mobile Launchers for the missile projects.

In the **Electronics disciplines** we have achieved success with our Electronic warfare programs, Radar development as well as with providing C41 and networking capability to our armed forces.

The wide expanse of our Technology domain enabled us to have a group of Labs focusing on **Naval Requirements**. With a strongly committed Navy as our customers we have gone on to establish an indigenous and colleges and in turn the Universities could serve as extended research centres of Labs. DRDO believes that

technology base in the area of Sonars, Torpedoes, Naval materials and Electronic Warfare systems.

The challenges and opportunities for participation in indigenous development of defence systems are enormous. The key areas for future development include:

- Propulsion systems
- Sensors and multi-sensor data fusion
- Robotics and Unmanned systems
- Stealth and specialized Materials
- Network-centric operations

Towards this end we are looking for participation from National labs, Academia, Industry in the development of an indigenous base for emerging technologies.

DRDO also has a group of **Life Sciences laboratories**, which carry out the mission of keeping the Man behind the Weapon fighting fit even in extreme environments along with research in high altitude agriculture, food technology, disease diagnostics, disaster management, water testing/ purification and bio- waste management. In addition, DRDO has taken up a number of technology initiatives for protection of the Ozone layer and environment by developing production methods for Halon alternatives and safe disposal of toxic/hazardous wastes.

DRDO's role in development of the North-East: Our Life Science labs are putting in concerted R&D efforts to evolve sustainable technologies for health and hygiene in the North eastern region in the following areas: **Malaria control:** active surveillance for early detection, development of repellants and organizing of malaria awareness camps in Assam, Nagaland and Arunachal Pradesh has gone a long way in arresting the spread of the disease.

In the area of **water purification**, DRDO has focused its attention in water testing and purification kits including Iron removal kit by DRL Tezpur for household use. The lab has developed a low cost technique to produce good quality vermi compost from organic waste. DRDO has also taken up sustainable development through integrated approach of agro-animal husbandry.

Basic Research: A **UNDP** report on human development has ranked **India 127th in the world, in technology diffusion and creation**, with about 157 R&D researchers per million people. This is in comparison to China, ranked 94th with about 584 researchers, USA ranked 8th with 4000 researchers, UK ranked 12nd and Israel ranked 22nd with 1500 researchers per million people.

Basic Research in DRDO: DRDO lays emphasis on developing its strength in Basic sciences through interaction with Universities and academic institutions. With this in view it has laid a framework for developing and inculcating Basic and Applied Research through a variety of modes viz.

Research Boards- in the field of Life Sciences, Aeronautic, Armaments and Naval Systems, operating in collaboration with National labs and academic institutions. **CARS**- Contract for Acquisition of Research Services through academia, directly by the Laboratories for their development applications.

A Directorate of **Extra Mural Research at DRDO HQ** also serves as a medium for acquiring research services from Universities by:

- Initiating Research Activities in Academic Institutions to meet long-term requirements of DRDO
- Creating centres of excellence in cutting edge Science & Technology areas
- Generating quality manpower in the areas of interest to DRDO
- Integrating Academia, R&D Centres and Industries
- Strengthening Science base in the country

Recognising the need for filling up technology gaps, DRDO has set **up Centres of Excellence** in the following disciplines:

1. Life Sciences- Bharathiar University
2. High Energy Materials - University of Hyderabad
3. Millimetric Wave Devices- University of Calcutta

Over 75 Institutions have contributed either directly or indirectly to our programs and we look forward to enhanced participation from the Academia. Keeping in view the long gestation programs of weapon system development, DRDO intends to enhance the budget on basic Research to about 5% of its total budget in the XIth Plan.

DRDO - University Interaction

There is a world of opportunity for Universities to involve in technology development and DRDO welcomes the whole hearted participation of the Academia in technology seeding, innovative ideas for which resources and funding will always be available. The need of the hour is to develop more productive interaction between the National Labs and the University system, wherein national Labs could supplement the faculty both for undergraduate and postgraduate courses in Universities

the seeding of new technologies can happen primarily in the Universities where creative young minds work on doctoral and masters programmes under the experienced faculties.

Industry Interaction

During the development of all our major systems, we have had the opportunity to interact with all major industries including Defence PSUs, Ordnance Factories, Public and Private industries. With the result that DRDO today has single handedly been responsible for creating a strong industrial base with over 800 industries being involved in its programs. This has not only led to an enhanced learning curve for Indian Industry but has also enhanced its export potential. We continue to nurture strong links with industries through CII, Assocham, FICCI etc. in the pursuit of technological goals. The Private sector should also be able to create R & D centres for their product innovation/development in collaboration with national labs and universities.

Depleting Science Base: The honorable PM, in the recent address at the Indian Science Congress on Jan 3rd 2007 had stated:

"We have to make science research an attractive career option for students. Only when students see prospects of early reward and recognition will they be induced to tread the lonely and toilsome trail of advanced research."

Today the nation faces a grave problem with the depletion of the science base in the country. Recognising the need for policy guidelines in inculcating a strong science base right from primary, secondary education, with incentives offered for taking up a science career will go a long way to harness the scientific talent in the country. **India's expenditure on S& T is 1% of our GDP. The Govt. is committed to double this figure in the XI Plan.**

A comparison with worldwide trends according to statistics provided by DST, indicates that India has 7.8 S&T personnel per thousand population, compared to 180.66 in Canada, 139 in Russia, 112.77 in Japan and 21.15 in USA.

The science base in the country, which is poor in comparison to world trends, is steadily eroding. Lack of a strong science base in the country has also led to technology gaps in typical defence requirements.

Globalisation of S&T : Today, over a 100 global companies have set up their R&D units in India, thereby confirming the presence of strong intellectual and scientific talent in the country. The globalisation of S&T and R&D has started and will only increase, as worldwide competition will enable investment and human resources to cross borders.

Role in Societal development :

As we rise up the ladder of success in each of our fields, we should recognize the need to give back at least a measure of it to society. Our country is a land of villages. Over 70% of our population resides in rural India in abysmal living conditions. This population is deprived of basic shelter and sanitary conditions, which is essential for "human" life. It is up to all of us to do our bit for the upliftment of rural India. Universities above all should address the societal needs of the area in which they live. The North East part of India suffers from some typical problems like poor drinking water, high rainfall, proneness to floods, terrorism etc. It is worth examining in this regard that if multi-disciplinary groups of students could be formed to study the village system and come out with an action plan for development at the grass-roots level, with the consent of the village. Such plans if evolved, I am sure, could be implemented with greater speed. Financing should pose no major hurdle for a scientifically assessed plan of action. This would provide intellectual and constructive engagement opportunities to the students.

Conclusion : As our country marches ahead garnering for itself a pivotal role in the global scenario, it is time for our young generation of scholars, as drivers of change, backed by a quality education, to prepare to storm the citadels of development, always mindful of the larger goal: **that of propelling India into the forefront of the nations of the world.**

"The time to act is Now!"

I call upon all scholars present here today, as you cross over the threshold into a new tomorrow, to remember that the hopes of our nation lies on you, to work whole-heartedly for a better tomorrow not just for yourself but also for your children and successive generations.

As the great Indian thinker and spiritual leader Swami Vivekananda once said, **"Arise, Awake and stop not till the Goal is Reached!"**

My Congratulations to all of you and best wishes for the future!

Thank you!

এটা বিশ্ববিদ্যালয়ৰ স্বপ্ন

ড° মহেশ্বৰ নেওগ

১

১৯৪৫-৪৬ ছনত শিলপুখুৰী অঞ্চলৰ ডঙুৱা-দাংবৰলাৰ এটা মেছত (লোকৰ ভাৰা-ঘৰ হ'লেও তাৰে ৰামগিৰি নামকৰণ কৰা হৈছিল) খৰলি খাই পুৱা-গধূলি গুৱাহাটী বিশ্ববিদ্যালয় ন্যাসৰক্ষা সমিতিৰ অফিচ কৰোঁ, আৰু মাজে মাজে গুৱাহাটী এৰি ডিব্ৰুৰু গোলাঘাট তেজপুৰ যোৰহাট ভ্ৰমণ কৰি ভৰিষ্যতৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ হকে ক'ত কি টকাৰ টুপলি গোট খাইছে, চাই আহোঁগৈ। মাজে মাজে মেছৰ সহবাসী হেম বৰুৱাই কৈ উঠে, 'বুঢ়া বয়স হ'লে আমাৰ নেওগে টুক্ টুক্ কৰি লাঠি হাতত লৈ আগলৈ বিশ্ববিদ্যালয়ৰ বিষয়ে পতা সভাত লেকচাৰ দিবগৈ ঃ বোপাটিহঁত, এই বুঢ়ায়ে তাহানি বৰদলৈ, ফখৰুদ্দিন চাহাব আদিৰ লগত থাকি তোমালোকে পঢ়া এই ডাঙৰ পঢ়াশালিখন কৰিলো; এই বুঢ়ায়ে... ইত্যাদি, ইত্যাদি।' এতিয়াও লাখুটি এডাল সংগ্ৰহ কৰিব পৰা নাই। কিন্তু এতিয়াও পঁচিশ বছৰৰ আগৰ সেই দিনবোৰৰ কথা মনত পৰিলে গা ৰণজিক্ ৰণজিক্ কৰি উঠে। চাৰিওফালে কি উদ্যম, কি উছাহ!! আমি ফুকলীয়া কালতে দেখা ১৯২১ বা কেৰেঙুৱা বয়সত দেখা ১৯৩০ৰ জাতীয় আন্দোলনৰহে যেন সেয়া অসমীয়া তাণ্ডৰণ! সকলোৰে মুখত একেটা কথা— "গুৱাহাটী বিশ্ববিদ্যালয় লাগেই, এতিয়াই লাগে, আজিয়েই লাগে।"

উচ্চ শিক্ষাৰ লাহে লাহেৰ বুৰঞ্জী ঃ

অসমত উচ্চ শিক্ষাৰ বুৰঞ্জী লাহে লাহেৰ বুৰঞ্জী। ব্ৰিটিঃশ প্ৰভুসকলৰ আগমনৰ লগে লগে কোম্পানি বাহাদুৰৰ পোন প্ৰথম এজেণ্ট ডেভিড ইস্কাট চাহাবে নেটিভসকলৰ শিক্ষালৈ মন দি ঠায়ে ঠায়ে বঙলা ইস্কুল কৰিলে। তেওঁ আকৌ জিলায় জিলায় একোখন ইংৰাজী হাই স্কুল কৰাৰো প্ৰস্তাব দাঙি ধৰিলে। কিন্তু কোম্পানি চৰকাৰে এখনহে মঞ্জুৰ কৰিলে। ১৮৩৫ ছনত গুৱাহাটী হাই স্কুল হ'ল। ইংৰাজে দেশ লোৱাৰ সাত বছৰতে এনে এটা অনুষ্ঠান হোৱাটো অৱশ্য আশাৰে কথা। কিন্তু আকৌ শামুকৰ গতি। তাৰ ছবছৰৰ মূৰত হ'ল শিৱসাগৰৰ হাই স্কুল। সেই গতিত অসমে ডি.পি.আই. এজন পোৱা ১৮৭৪ ছনলৈকে অসমত মাথোন ছখন হাই স্কুল হয়। ইতিমধ্যে নেটিভসকলে এখন কলেজৰো দাবী কৰি বহিছিল। তাৰ ফলত ১৮৬৬ ছনত গুৱাহাটী হাই স্কুলত এফ্. এ. শ্ৰেণী আৰু ১৮৭৫ ছনত এবিধ আইন শ্ৰেণীৰ দুটা ডবা লগাই দিয়া হৈছিল। কিন্তু ১৮৭৬ ছনত গুৱাহাটী হাই স্কুল পুনৰ্মূষিক হ'ল। এতিয়া কোৱা হ'ল যে গুৱাহাটীত কলেজৰ শিক্ষা ভাল নহ'ব, গতিকে অসমৰ উচ্চ শিক্ষাৰ্থীসকলক কুৰিটকীয়া জলপানি দি কলিকতালৈ চালান দিয়া হ'ব। সেই ছেগতে এণ্ট্ৰেঞ্চ পৰীক্ষা পাছ কৰা আৰু কলিকতালৈ ডাকজাহাজত উঠা ল'ৰাৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। গতিকে পুনৰ কলেজৰ দাবীৰ ঢক উঠিল। এই আন্দোলনৰ গুৰি ধৰিবলৈ ওলাই আহিল গুৱাহাটী স্কুলত কলেজীয়া শিক্ষা পোৱা মাণিকচন্দ্ৰ বৰুৱা। ১৮৯৯ ছনত তেওঁ চৰকাৰৰ ওচৰত এখন আৱেদন দাখিল কৰিলে, গুৱাহাটীত এখন কলেজ স্থাপন কৰিব লাগে, যদিও তেওঁ লগতে ইয়াকো ক'লে, যদি ইয়াত কলেজ কৰিব পৰা নহয়, তেতিয়া হ'লে কলিকতালৈ যোৱাৰ ল'ৰাৰ জলপানিৰ সংখ্যা আৰু পৰিমাণ বৃদ্ধি কৰি দিব লাগিব। পিছত অৱশ্যে তেওঁ দ্বিতীয়টো কথা এৰি প্ৰথমটো দাবীতে হাতী-পুঁৰ দি ধৰিলে। ভাগ্যে তেতিয়া অসমৰ চিফ কমিছনাৰ আছিল মহামতি ছাৰ হেনৰি কটন। তেওঁ ৰাইজৰ ইচ্ছাতে মূৰ দোঁৱালে। গুৱাহটীয়া ৰাইজে সভা পাতি থিৰাং কৰিলে, হ'ব লগা কলেজখনৰ নাম কমিছনাৰ বাহাদুৰৰ উদার নামেই হ'ব লাগে। সেইমতে ১৯০১ ছনৰ মেই মাহত কটন কলেজ উপজিল। জুন মাহত প্ৰথম বাৰ্ষিকত ৩৭ আৰু দ্বিতীয় বাৰ্ষিকত দুজন ছাত্ৰৰ নাম ভৰ্তি কৰা হ'ল। পোনতে কলেজৰ তাল বাজিছিল ঢিমা-তেতালা। তেনে অৱস্থাত কলেজৰ দু�ৰাৰত বাদুলিসাঁচাৰ লগোৱা হ'ব পাৰে বুলিও ওপৰৰ পৰা ভয় খুউৱা হৈছিল। কিন্তু সোনকালেই কলেজ দপ্‌দপ্‌কৈ উঠি আহিল। এফ্. এ.ৰ ঠাইত আই. এ., আকৌ, আই. এছ্. চি., বি.এ., বি.এছ্.চি., অনার্ছ, আৰু ১৯১৪ ইংৰাজীৰ এম্. এ. হ'ল। কলেজ গজ্‌গজীয়া হৈ উঠিল।

প্ৰথম মন্ত্ৰ ঃ

১৯১৭ ছন। অসমৰ বিশ্ববিদ্যালয়— এই শব্দটো প্ৰথম উচ্চাৰিত হ'ল। সেই মন্ত্ৰ যাৰ উদাত্ত কণ্ঠত স্বৰিত হ'ল তেওঁলোক অসমীয়া নহয়। তেওঁলোক ইংৰাজ, বাঙালী...। ১৯১৭ ছনত কলিকতা বিশ্ববিদ্যালয় আয়োগ বা ছেদলাৰ আয়োগ আহিল কটন কলেজ চাবলৈ। সেউজী অসম আৰু ৰূপহী কটন কলেজ চাবলৈ। সেউজী অসম আৰু ৰূপহী কটন কলেজ দেখা পাই আয়োগ প্ৰেমৰ একেবাৰেই দ খালত পৰিল। গুৱাহাটীৰ কথা যে তেওঁলোকৰ কৈ অন্ত নপৰা হ'ল। 'গুৱাহাটী আচল অসমৰ স্বাভাৱিক কেন্দ্ৰভূমি। নদী-পথ আৰু ৰে'ল-পথৰ দ্বাৰা সি অসমৰ সকলো অংশৰ লগত সংলগ্ন। সি যাৰ ঘাই আলিবাটবোৰো আহি ইয়াত লগ লাগিছে, সেই খাছিয়া-জয়ন্তীয়া পৰ্বতৰো সেৱা কৰিব লাগিব। (ব্ৰহ্মদেশবোৰ বাদ দি) কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত সকলো কলেজৰ ভিতৰত কটন কলেজৰ দৰে এটা পৰিস্ফুটভাৱে সংজ্ঞান্বিত ভূমিভাগৰ সেৱা কৰা কোনো কলেজ নাই, আৰু আন কোনো কলেজৰ ভাষাগত, সাহিত্যিক, ঐতিহাসিক, পুৰাতাত্ত্বিক, নৃতাত্ত্বিক, অৰ্থনৈতিক, ভূতাত্ত্বিক আদি বহুতবোৰ ক্ষেত্ৰ অধ্যয়ন কৰাৰ ইমান সম্ভাৱনাও নাই। ... যাৰ সেৱাত এই কলেজখন লাগি আছে, সেই বিশেষত্বপূৰ্ণ জাতিটোৰ দেশ-প্ৰেমৰ অনুভূতিয়ে তাক আৱৰি আছে আৰু অধিকভাৱে আৱৰি থকা উচিত। কিন্তু কলিকতাই নিয়ন্ত্ৰণ কৰা পৰীক্ষাই যেতিয়ালৈকে ইয়াৰ অধ্যয়ন নিয়ন্ত্ৰণ কৰিব, তেতিয়ালৈ নিজ জাতিৰ চৰিত্ৰ আৰু আৱশ্যক অনুসৰি গুৱাহাটীয়ে পঠন-পাঠনৰ গঢ় দি ল'ব নোৱাৰে। নিঃসন্দেহে ক'ব পাৰি, গুৱাহাটীয়ে এখন বিশ্ববিদ্যালয়ৰ স্থান হ'বলৈ ন্যায়তঃ কামনা কৰিব পাৰে।' আয়োগে দেখি তবধ মানে যে কটন কলেজ ইতিমধ্যেই বিশ্ববিদ্যালয়ৰ ক্ষুদ্ৰ তাণ্ডৰণৰ ৰূপ লৈছে। তেওঁলোক এইটো বুজিবলৈহে অপাৰগ হয়, কটন কলেজৰ দৰে শিক্ষা-কেন্দ্ৰ থাকোঁতেও ১৯১৭ ছনতো কিয় ৫৬৪ জন ছাত্ৰই তাক নেওচা দি কলিকতা আৰু বঙ্গদেশৰ অন্যান্য

ঠাইত পঢ়িবলৈ লৰ ধৰে।

বাস্তৱিকতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জীৰ শ্ৰীকৃষ্ণায় নমঃ এইটিয়েই; আৰু তাক অসমীয়া প্ৰাণৰ সাঁচিপাততে লেখি দিলে মাইকেল ছেদলাৰ, আশুতোষ মুখোপাধ্যায়, ডক্তৰ জিয়াউদ্দিন প্ৰভৃতি এই আয়োগৰ সদস্যসকলে। সেই ধ্বনি বুঢ়া লুইতৰ ওখ গৰাত ঠেকা খাই পুৱা তিনিটা দশক প্ৰতিধ্বনিত হৈ হৈ বাজি থাকিল। তেতিয়াহে সি অশৰীৰী গুচি অঙ্গ ধাৰণ কৰিব পৰা হ'ল।

১৯১৭ ছনত অসম বিধান পৰিষদৰ এপ্ৰিল অধিৱেশনত বিশ্ববিদ্যালয় স্থাপনৰ বিষয়টো প্ৰবলভাৱে উত্থাপিত হ'ল। সেই বছৰেই ডিচেম্বৰত শিৱসাগৰত বহা আসাম এছোচিয়েছনৰ সভাত আসাম প্ৰদেশত এক সুকীয়া বিশ্ববিদ্যালয় স্থাপিত হ'ব লাগে বুলি দাবী কৰা হ'ল। ১৯১৮ ছনত এছোচিয়েছনৰ গোৱালপাৰা অধিৱেশনত সেই প্ৰস্তাৱ পুনৰ্গৃহীত হ'ল। ১৯২০ ছন আৰু ১৯২২ ত বিধান পৰিষদত সেই সম্পৰ্কে কেইবাটাও প্ৰশ্ন উঠিছিল আৰু বাৰে বাৰে প্ৰস্তাৱো উত্থাপিত হৈছিল। পিছৰটো বছৰত এজন সদস্যই চৰকাৰক পৰামৰ্শ দিছিল যে বিশ্ববিদ্যালয়-প্ৰতিষ্ঠাৰ প্ৰশ্নটো বিচাৰ কৰিবলৈ এখন সমিতি নিয়োগ কৰিব লাগে। কলিকতা বিশ্ববিদ্যালয় আয়োগৰ প্ৰতিৱেদনৰ ফল-স্বৰূপে কটন কলেজো বঙ্গ চৰকাৰৰ অধীনলৈ যাব লগা হ'ল। তাৰ ফল-স্বৰূপে বঙ্গ প্ৰদেশে আসাম প্ৰদেশক শিক্ষা বিষয়ত সকলো কথাতে আদেশ দিব পৰা ক্ষমতা পালে। এই কাৰণত অসম চৰকাৰ যি বিপাঙত পৰিছিল, তাক চিফ কমিছনাৰ ছাৰ বিট্‌ছন বেল, শিক্ষাধিকাৰ কানিংহাম আৰু কটন কলেজৰ অস্থায়ী অধ্যক্ষ ৰবাৰ্টছ আদিয়ে বেচ চোকা ভাষাৰেই বৰ্ণনা কৰিছিল। কলিকতা বিশ্ববিদ্যালয় পৰিষদত অসমৰ নামত এটি প্ৰাণীও নাই, ছিনেটত যিবা দুই বা এজন আছিল, তেওঁলোকৰ মাত কলিকতীয়া কোলাহলত বাহিৰত শুনাই নাযায়। তেতিয়া বহুতে কৈছিল যে অসমত বিশ্ববিদ্যালয় হ'বলৈ সময়ৰ পক ধৰা নাই। কানিংহামে তাৰ উত্তৰত ক'লে, যদি একে কাৰণত জন্ম হোৱা কাশী, বৰ্মা আৰু মহীশূৰ বিশ্ববিদ্যালয়ৰ কাৰণে সময় হৈছে, অসমৰ ক্ষেত্ৰতো সি হ'ব লাগিব। And if, as it would seem, we are between the devil and the deep sea, if may be the wiser courage to prefer the sea, we shall at least moor out on our own course with the spirit and resolution of those who are dealing themselves with their own destinies. এয়া ১৯২০ ছনৰ কথা। অসমৰ নিজৰ শিক্ষাৰ সমস্যাৰ বিষয়ে ভাবিবলৈ দিব লাগে বুলি চিফ কমিছনাৰেও একলম মাৰিলে মহামান্য ভাৰত চৰকাৰলৈ। কিন্তু দুৰ্ভগীয়া অসম আগৰ যে তিমিৰে সে তিমিৰেই ৰ'ল।

অধিকন্তু, অসমে নিজৰ মলা যেন মুখত আৰু এটা খুন্দা সহিব লগীয়া হ'ল ১৯২৩ ছনত। ১৯২১ ছনৰ কলিকতা বিশ্ববিদ্যালয়ৰ অধিনিয়ম অনুসৰি বিশ্ববিদ্যালয়ৰ শাসন ভাৰত চৰকাৰৰ হাতৰ পৰা নি বঙ্গ চৰকাৰৰ (প্ৰকৃতপক্ষে বঙ্গৰ শিক্ষামন্ত্ৰীৰ) হাতত অৰ্পণ কৰা হ'ল। অসম আৰু বিপাঙত পৰিল। আকৌ বিশ্ববিদ্যালয়ৰ দাবী গা কৰি উঠিল। চৰকাৰে মুখ শুকুৰাই দেখুৱালে; আৰু উথায় হৃদি লীয়ন্তে দৰিদ্ৰাণাং মনোৰথাঃ!

মুনাওয়াৰ, কানিংহাম, ডক্টৰ ভূঞাৰ নষ্ট যোৱা যত্ন ঃ

নোযোৱা-নুপুৱাও দিনবোৰ গৈয়ে থাকে। ১৯৩১ ছনত বিধান পৰিষদত পুনৰ বিশ্ববিদ্যালয়ৰ প্ৰশ্ন উঠে। ১৯৩৪-৩৫ ততো পৰিৱেশ বেছ গৰম হৈ উঠে। ১৯৩৪ ছনত সুনামগঞ্জৰপৰা নিৰ্বাচিত বিধান পৰিষদৰ সদস্য মুনাওয়াৰ আলীয়ে এখন বিশ্ববিদ্যালয়ৰ বিলৰ খচৰা কৰি বিধান পৰিষদত উত্থাপন কৰিবলৈ আৱশ্যকীয় অনুমতি বিচাৰে। এই লৈ চাৰিওফালে কোঢ়াল উঠিল। ব্ৰহ্মপুত্ৰ উপত্যকা আৰু পাৰ্বত্য জিলাকেইখনে ক'লে, বিশ্ববিদ্যালয় লাগে। সুৰমা উপত্যকাই সিয়াঁৰি দিলে, না, না, না, না লাগে না। শ্ৰীহট্টত এক বিৰাট সভা হ'ল ১৯৩৫ ৰ ২৫ এপ্ৰিলত। সকলো মতবাদৰ লোক গোট খোৱা তেনে সভা বোলে তাৰ মানুহে দেখাই নাছিল। সভাত প্ৰস্তাৱ গৃহীত হ'ল— শ্ৰীহট্ট বিশ্ববিদ্যালয়-প্ৰতিষ্ঠাৰ বিৰোধী, মুনাওয়াৰ আলিয়ে যেন তেওঁৰ বিল উত্থাপন নকৰে। আনফালে অসম উপত্যকা আৰু পৰ্বতীয়া জিলাৰ নগৰবোৰত মহাপয়োভৰেৰে ২২ মেইৰ দিনা বিশ্ববিদ্যালয় দিৱস উদ্‌যাপিত হ'ল। ৰাইজে ক'লে, সুৰমা উপত্যকাক যেতিয়া বিশ্ববিদ্যালয় নালাগেই, সেইটি আমাৰ গুৱাহাটীতে হওক, তেওঁলোকৰ লগত আপোচ কৰিবলৈ গৈ শিলঙত এটা অফিচ নবঢ়ালেও হ'ব। কলিকতাত থকা অসমীয়া ছাত্ৰসকলে এছামিজ ষ্টুডেণ্টছ্ ৰেলফেয়াৰ লীগ গঠন কৰি চি.ভি.ৰামন, দেৱপ্ৰসাদ সৰ্বাধিকাৰী, বেজবৰুৱা, কৃষ্ণকান্ত সন্দিকৈ আদিৰ মত গোটাই পুস্তিকা প্ৰকাশ কৰে। লিগৰ সম্পাদক জীৱনৰাম ফুকনে মনীষীসকলৰ অভিমত আনি বাতৰি কাকতত প্ৰচাৰ কৰাৰো দিহা কৰে। ২৭ মেই তাৰিখে যেতিয়া ৰাজ্যপাল ছাৰ মাইকেল কিনে বিধান পৰিষদৰ উদ্বোধনী ভাষণ দিয়ে, তেওঁ ঘোষণা কৰে যে যি সময়ত প্ৰদেশখনৰ দেৱলীয়া অৱস্থা, সেই সময়ত এখন প্ৰাইভেট মেম্বাৰ বিলৰ যোগে বিশ্ববিদ্যালয়-প্ৰতিষ্ঠাৰ দৰে জটিল কথাৰ উদ্ভাৱনৰ দ্বাৰা পুঁজি উদি কৰিবলৈ দিব নোৱাৰি। গতিকে মুনাওয়াৰ আলিৰ বিল উত্থাপন কৰিবলৈ তেওঁ সম্মতি নিদিলে। গবৰ্ণৰে কিন্তু লগতে কৈ থ'লে যে বিশ্ববিদ্যালয়ৰ আন্দোলনৰ প্ৰতি তেওঁৰ সহানুভূতি আছে, তেওঁৰ শিক্ষামন্ত্ৰীয়ে সোনকালে বিষয়টো বিচাৰ কৰিবলৈ এজন অভিজ্ঞ বিষয়া নিয়োগ কৰিব আৰু তাৰ পিছত এখন বলিষ্ঠ সমিতিও পাতি দিব। বিশ্ববিদ্যালয় আন্দোলনক হতাশাই আগুৰি ধৰি মষিমূৰ কৰি পেলালে, যদিও সেই বছৰেই অৱসৰপ্ৰাপ্ত শিক্ষাধিকাৰ কানিংহামক বিশ্ববিদ্যালয়ৰ আঁচনি কৰিবলৈ নিয়োগ কৰা হয় আৰু প্ৰশ্নাৱলী যোগে মত সংগ্ৰহ কৰি কানিংহাম চাহাবে পিছৰ বছৰ তেওঁৰ প্ৰতিবেদন দাখিল কৰে। ১৯৩৮ ছনত শিক্ষামন্ত্ৰীৰূপে মুনাওয়াৰ আলিয়ে এখন খচৰা বিল তৈয়াৰ কৰিছিল, কিন্তু সেইখন সদনত তুলিবলৈ নৌ পাওঁতেই মন্ত্ৰীসভাই পদত্যাগ কৰিবলগীয়া হয়। ১৯৩৯ ছনৰ আৰম্ভণিতে বাতৰি কাকত ওলাইছিল, 'গুৱাহাটী ষ্টুডেণ্টচ ফেডাৰেছন আৰু অসম উপত্যকা স্কুলসমূহৰ ইন্সপেক্টৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াই বেলেগ বেলেগ হিচাবে পাইছীয়া বিশ্ববিদ্যালয়ৰ ফণ্ড এটা খুলিবলৈ গা লৰাইছে।' এই আঁচনিৰ মূল কথা, প্ৰতি মানুহৰ পৰা এপইছাকৈহে লোৱা হ'ব। সেই বছৰৰে নবেম্বৰত ছাদুল্লা মন্ত্ৰিসভাই কাৰ্যভাৰ গ্ৰহণ কৰি বিশ্ববিদ্যালয় বিষয়টোলৈ চকু-কাণ দিয়ে। ছাদুল্লা চাহাবে ইতিমধ্যেই উক্তি কৰি থৈছিল, অসমক এটা সুকীয়া বিশ্ববিদ্যালয় লাগে আৰু দুখীৰ দুখী অৱস্থাৰে প্ৰদেশখনে অন্ততঃ কামটো আৰম্ভ কৰিব পাৰে। যদি বিশ্ববিদ্যালয়ৰ নাম শিৱপ্ৰসাদ বৰুৱা বিশ্ববিদ্যালয় দিবলৈ ৰজা-ৰাইজ ৰাজি হয়, তেতিয়া বৰুৱাৰ পৰিয়ালে তিনি লাখ টকাৰ দান এটা দিব বুলিও এনে সময়ত ওলাইছিল। প্ৰথম অসম বিধান সভাৰ ১৯৪০ ছনত বাজেট অধিৱেশনত প্ৰধান মন্ত্ৰী-ৰূপে ছাদুল্লাই সদনক জনায় যে তেওঁৰ চৰকাৰে বিষয়টো হাতত লৈছেই। ইতিমধ্যেই ৰায়বাহাদুৰ ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাক বিশেষ বিষয়া নিয়োগ কৰি এখন বিল আৰু আঁচনি তৈয়াৰ কৰোৱা হৈছিল। ১৯৪১ ছনৰ ৪ মাৰ্চ তাৰিখে শিক্ষামন্ত্ৰী ৰোহিণীকুমাৰ চৌধুৰীয়ে সদনত বিলখন গবৰ্ণৰৰ অনুমতিৰে উত্থাপন কৰে। সেই প্ৰসঙ্গত তেওঁ কয় যে অসমক বিশ্ববিদ্যালয় লগা কথাটোৱেই পুৰণি হৈ গৈছে— উপৰন্তু বঙ্গ চৰকাৰে মাধ্যমিক শিক্ষা আইন প্ৰণয়ন কৰি স্কুলীয়া শিক্ষা কলিকতা বিশ্ববিদ্যালয়ৰ হাতৰপৰা

আঁতৰাই পেলাবৰ উপক্ৰম কৰাত অসমৰ শিক্ষাৰ প্ৰশ্নটোৱেই গুৰুত্বৰ ৰূপ ধাৰণ কৰিছে।

বিলখন সদনত উত্থাপিত হোৱাৰ লগে লগে সদনৰ বাহিৰে-ভিতৰে অত্যন্ত কোঢ়াল উঠিল। চিলটিয়াসকলকতো বিশ্ববিদ্যালয় নালাগেই; কলিকতাই তেওঁলোকৰ হ'ব; যদি অসমত হ'ব লাগে দুটা বিশ্ববিদ্যালয় হওক, এটা হ'ব সুৰমাৰ বাবে একচেটিয়া। ৰহস্যৰ বিষয়— বিলখনত বিশ্ববিদ্যালয়ৰ স্থানৰ উল্লেখ নাছিল। গতিকে সকলোৰে আশঙ্কা হ'ল শ্বিলঙতে সি হ'বগৈ; তাৰমানে শ্বিলঙৰ ছেক্ৰেটেৰিয়াটৰ জানিবাঁ আৰু এটা শাখাৰ জন্ম হ'ল! তেনেটো বস্তুনো বাৰু কাক লাগিছে? তদুপৰি, বিশ্ববিদ্যালয়টো এফিলিয়েটিং আৰু এক্‌জামিনিংহে, টিচিং নহয়, যদিও শিক্ষামন্ত্ৰীয়ে টিপ্পনী দিছিল, টিচিং কৰাই চৰকাৰৰ দীঘল-লেজুৰা উদ্দেশ্য! ইফালে দেখা গ'ল বিশ্ববিদ্যালয়ৰ গঠনটো সম্পূৰ্ণৰূপে চৰকাৰৰ হাতৰ মুঠিৰ ভিতৰত লুকুওৱা বিধৰ। ছিনেটত চেণ্ডেলাৰৰ মনোনীত সদস্যই হ'ল দুকুৰি! চৰকাৰৰ দলগত ৰাজনীতিৰ প্ৰভাৱো স্পষ্টকৈয়ে সমালোচকসকলে দেখা পালে। আসাম এছোচিয়েছনৰ সভ্যৰূপে বিশ্ববিদ্যালয় আন্দোলনৰ লগত জড়িত, ডেৰ বছৰমান অসমৰ প্ৰধানমন্ত্ৰী থকা গোপীনাথ বৰদলৈয়ে জেলৰপৰাই হিন্দুস্থান ষ্টেণ্ডার্ড কাগজত এলানি প্ৰবন্ধ লেখি মত দিলে, বিলখন সদনৰপৰা হটাই দিয়ক। বিলখন ছিলেক্ট কমিটিৰ হাততো অৰ্পণ কৰা হৈছিল। শেহত কিন্তু সি অধিনিয়মত পৰিণতি লাভ নকৰিলে।

এই বেলি বানেহে বান ঃ

অসম বিশ্ববিদ্যালয়ৰ লতাকটা ৰণৰ এয়ে সামৰণি বুলি ক'ব পাৰি। তাৰ পিছত আহিল ১৯৪২ আন্দোলনৰ প্লাৱন মহাসমৰৰ বিভীষিকাৰ লগ ধৰি। গতিকে বিশ্ববিদ্যালয়ৰ ফ্ৰণ্টতো ব্লেকআউটৰ নিষ্প্ৰদীপতা! ১৯৪৪ ছনৰ মাজভাগত জোনাকী আৰু অ.ভা.উ.সা. সভা উদ্ভৰ হোৱা কলিকতাতে ৰণাঙ্গণৰ শেষ আহ্বান প্ৰথম ধ্বনিত হ'ল। এইবাৰ বীৰ হ'ল সাহিত্যৰথী বেজবৰুৱাৰ ঘৰৰে ল'ৰা মাধৱচন্দ্ৰ বেজবৰুৱা। ২ জুলাই তাৰিখে অম্বিকানাথ বৰাৰ গৃহত কলিকতা-প্ৰৱাসী আৰু কলিকতালৈ অহা অসমীয়া কেইজনমান গোট খাই সভা পাতি ঠিক কৰিলে ঃ (ক) প্ৰস্তাৱিত বিশ্ববিদ্যালয়ৰ নাম হ'ব গুৱাহাটী বিশ্ববিদ্যালয়। (খ) তাৰ বাবে এটা পুঁজি সংগ্ৰহ আৰু সংৰক্ষণ কৰিবলৈ সাত-জনীয়া এক গুৱাহাটী বিশ্ববিদ্যালয় ট্ৰাষ্ট বোৰ্ড গঠিত আৰু ৰেজিষ্টাৰীকৃত হ'ব। (গ) পুঁজি-সংগ্ৰহৰ অৰ্থে এদল পাৰিতোষকধাৰী কৰ্মচাৰী নিয়োগ কৰা হ'ব। (ঘ) 'বাঁহী'ৰ সম্পাদক মাধৱচন্দ্ৰ বেজবৰুৱাই সম্প্ৰতিকে কলিকতাৰপৰা প্ৰচাৰৰ কাম কৰিব; ইত্যাদি। বিশ্ববিদ্যালয়ৰ আঁচনি আৰু ন্যাসৰক্ষাৰ দলিল তৈয়াৰ কৰিবলৈও জনে জনে কাম দিয়া হয় আৰু সম্প্ৰতিকে ট্ৰাষ্ট বোৰ্ডৰ কাম চলাবলৈ শৰৎচন্দ্ৰ গোস্বামীক ভাৰ দিয়া হয়। এয়ে গুৱাহাটী বিশ্ববিদ্যালয় আন্দোলনৰ শুভাৰম্ভ হ'ল। আঁচনি আৰু দলিলৰ খচৰা প্ৰস্তুত হোৱাত ৭ ছেপ্টেম্বৰ তাৰিখে 'বাঁহী' কাৰ্যালয়ত দুই বিষয়ৰ সমিতিৰ বৈঠক বহি ঠিক কৰে যে বোৰ্ড গঠন নোহোৱা পৰ্যন্ত সেই দুটা স্থগিত থাকিব; তেতিয়া বহিবলগীয়া হৈ থকা অসম সাহিত্য সভাৰ শিৱসাগৰ অধিবেশনৰ লগতে ১ অক্টোবৰত ট্ৰাষ্ট বোৰ্ড গঠন কৰিবলৈ ৰাজহুৱা সভা এখন বহিব। সাহিত্য সভাৰ সভাপতি নীলমণি ফুকন আৰু মাধৱচন্দ্ৰ বেজবৰুৱাৰ উদ্যোগত প্ৰস্তাৱিত এই সভাখন বেণুধৰ ৰাজখোৱাক সভাপতি লৈ বহিল কালিপ্ৰসাদ চলিহা ভৱনত। সভাই এইসকলেৰে সাত-জনীয়া ন্যাসৰক্ষা সমিতি গঠন কৰে ঃ গোপীনাথ বৰদলৈ- সভাপতি, শৰৎচন্দ্ৰ গোস্বামী- সম্পাদক, ছাৰ ছৈয়দ মহম্মদ ছাদুল্লা, ছৈয়দুৰ ৰহমান, কৃষ্ণকান্ত সন্দিকৈ , হেৰম্বপ্ৰসাদ বৰুৱা, শৈলেন্দ্ৰপ্ৰসাদ বৰুৱা। সভাই চৰকাৰক অনুৰোধ কৰে যেন ন্যাস সমিতিৰ আঁচনি যুগুত নোহোৱালৈকে কোনো বিল উত্থাপন নকৰে, আৰু যেন গোপীনাথ বৰদলৈৰ ওপৰত তেতিয়া বৰ্তি থকা অন্তৰীণ আজ্ঞা বহিত কৰা হয়। সভাই অসম উপত্যকাৰ প্ৰতি মহকুমাৰ পৰা অন্ততঃ দুজন প্ৰতিনিধি লৈ এখন কনভেন্‌ছন পতাৰো সিদ্ধান্ত কৰে। ইতিমধ্যে ঢিং, ডিমৌ, ভুৰগাঁও আদি আওহতীয়া অঞ্চলত ২১ জুলাই তাৰিখে বিশ্ববিদ্যালয় দিৱস পালন কৰা হৈছিল, আৰু টাইমছ্ অব্ আসাম, সাদিনীয়া অসমীয়া আৰু বাঁহী কাকতে বিশ্ববিদ্যালয়-সংখ্যা প্ৰকাশ কৰিছিল। বেজবৰুৱাৰ বিশ্ববিদ্যালয় প্ৰচাৰ বিভাগে বুলেটিন ছপা কৰি জনমত প্ৰবল কৰিবৰ প্ৰচেষ্টা কৰে। তদুপৰি এতিয়া তেওঁ নিজ খৰচত অসমত টাকুৰি ঘূৰাদি ঘূৰি কনভেন্‌ছনৰ পৰিৱেশ গঢ়ি তোলে। ছাদুল্লা আৰু ছৈয়দুৰ ৰহমান মন্ত্ৰী দুজনে ন্যাস সমিতিৰ সদস্য হোৱাত অসুবিধা দেখুৱায়, যদিও আন্দোলনটোৰ প্ৰতি দুয়োজনেই সমৰ্থন জ্ঞাপন কৰে। চাৰিওফালে অভূতপূৰ্ব আলোড়নে দেখা দিয়ে। কনভেন্‌ছন বহিবলৈ নৌ পাওঁতেই ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাঁও, তেজপুৰ আৰু ধুবুৰীত ধন-সংগ্ৰহৰ অৰ্থে মহকুমা সমিতি গঠিত হয়। দুই-একে ইতিমধ্যেই দানৰ প্ৰতিশ্ৰুতি দিয়ে।

চাৰিওফালৰ উৎসাহ-উদ্দীপনাৰ মাজত ২৯ আৰু ৩০ ডিচেম্বৰ তাৰিখে গুৱাহাটীত গুৱাহাটী বিশ্ববিদ্যালয় কন্‌ভেন্‌ছন বহিল। ইতিমধ্যেই কলিকতাত হঠাতে শৰৎচন্দ্ৰ গোস্বামী মৃত্যু ঘটে। ৰোহিণীকুমাৰ চৌধুৰীক সভাপতি আৰু বিৰিঞ্চিকুমাৰ বৰুৱাক সম্পাদক লৈ গঠিত অভ্যৰ্থনা সমিতিয়ে প্ৰতিনিধিসকলক শোধ-পোছ কৰাৰ আৰু সভাৰ সকলো দিহা কৰিছিল। দুই দিনৰ সভাত বক্তাসকলে বিশ্ববিদ্যালয়ৰ বিষয়ে নিজৰ নানা ধৰণৰ অভিমত দাঙি ধৰে। বিশ্ববিদ্যালয়টোযে ৰেচিডেঞ্চিয়েল বা আৱাসিক ধৰণৰ হ'ব লাগে-সভাৰ সভাপতি গোপীনাথ বৰদলৈ প্ৰমুখ্যে অনেকজনে দাঠি কয়। সিদ্ধান্ত কৰা হয় যে অনুষ্ঠানটো গুৱাহাটীতে হ'ব আৰু তাৰ নাম হ'ব গুৱাহাটী বিশ্ববিদ্যালয়। শিৱসাগৰত বহা ১ অক্টোবৰৰ সন্মিলনৰ সিদ্ধান্তসমূহ গ্ৰহণ কৰি লৈ কনভেন্‌চনে সাতজনীয় ন্যাস সমিতিৰ খালি ঠাইত ভুৱনেশ্বৰ বৰুৱা, ৰোহিণীকুমাৰ চৌধুৰী আৰু ফৈজনুৰ আলিক সদস্যৰূপে লয় আৰু সমিতিখনকে এঘাৰজনীয়া কৰে। পিছত জি. এ. স্মল, হৰিপ্ৰসাদ বৰুৱা আদিক সমিতিত ভৰ্তি কৰি লোৱা হয় আৰু ফখৰুদ্দিন আলী আহমদক ন্যাস-সমিতিৰ সচিৱ-ৰূপে নিয়োগ কৰা হয়। বিশ্ববিদ্যালয়ৰ বাবে অৰ্থ সংগ্ৰহ কৰা, আঁচনি তৈয়াৰ কৰা আদি যাৱতীয় কামৰ বাবে ন্যাসৰক্ষা সমিতিত অৰ্পণ কৰি প্ৰতিনিধিসকল ঘৰা-ঘৰি যায়। এতিয়া সকলো জনৰে আস্থা উপজিল যে এইবাৰ বিশ্ববিদ্যালয় হ'বই হ'ব। তাৰ সাৰণ নাই। এই পৰম আস্থাৰ ন্যাসটি ন্যাসসমিতিয়ে কেনেভাৱে ৰক্ষা কৰিছে পিছৰ খণ্ডত ক'ম।

২

১৯৪৪ ছনৰ ২৯ আৰু ৩০ ডিচেম্বৰ তাৰিখে বহুত আশা-ভাৰসা লৈ ব্ৰহ্মপুত্ৰ উপত্যকা আৰু পৰ্বতীয়া জিলাৰ প্ৰতিনিধিসকলে ভৱিষ্যতত বিশ্ববিদ্যালয়ৰ কথা আলচি-দুলচি তাৰ নাম আৰু ধাম ঠিক কৰিলে আৰু নতুন এটা বিশ্বাস লৈ ঘৰলৈ গ'ল। প্ৰচাৰ-বিভাগৰ প্ৰধান মাধৱচন্দ্ৰ বেজবৰুৱাই মোক ভাৰ দিছিল কনভেন্‌ছনৰ এই আলচ-দুলচৰ পৰা এখন প্ৰতিৱেদন তৈয়াৰ কৰিবলৈ। সেইমতে সভাৰ লগে লগেই মই কাম কৰি গৈছিলো আৰু ত্ৰিছ তাৰিখে ৰাতি মোৰ বন্ধু সত্যপ্ৰসাদ বৰুৱাৰ ঘৰত থাকি ৰিপোৰ্টখন সম্পূৰ্ণ কৰি পিছদিনা বেজবৰুৱালৈ বস্তুটো পঠাই ঘৰমুৱা হৈছিলো। প্ৰচাৰ-বিভাগৰ ষষ্ঠ বুলেটিনৰূপে সি প্ৰকাশিত হয়। মোৰ লেখাখন পাই গোপীনাথ বৰদলৈদেৱে বৰ ৰং পাই

বেজবৰুৱাৰ যোগে মোলৈ সুধি পঠিয়ালে, মই আহি ন্যাস সমিতিৰ কার্যালয় সচিৱৰূপে যোগ দিব পাৰিম নেকি? মই অকণিকে সময় নেহেৰুৱাই সম্মতি জনাই পঠিয়ালো। বৰদলৈ ডাঙৰীয়াই পিছত ন্যাসৰক্ষা সমিতিক জনায়, 'আমাৰ সমুখত ধন-সংগ্রহৰ যি ডাঙৰ দায়িত্ব আছে, তালৈ চাই শ্রীযুত মহেশ্বৰ নেওগক আহি কার্যালয় আৰু টকা-কড়িৰ হিচাপৰ ভাৰ ল'বলৈ অনুৰোধ কৰা হয়। ১৯৪৫ ছনৰ ২ ফেব্রুয়াৰীত তেওঁ কার্যালয়ৰ দায়িত্ব লয়হি।' জানুয়াৰীৰ ৬ তাৰিখৰ পৰা এই কার্যালয় আৰম্ভ কৰা হৈছিল আৰু ৰমেশচন্দ্র চৌধুৰীক (অধিবক্তা) বৰদলৈয়ে লগে লগে সহকাৰী সচিৱৰূপে মনোনীত কৰি লৈছিল। চৌধুৰীৰ লগতে বিৰিঞ্চিকুমাৰ বৰুৱাই সমানে কাম কৰিছিল আৰু সোনকালেই তেওঁকো সহকাৰী সচিৱ নিয়োগ কৰা হৈছিল। এই দুজনৰ উপৰিও কার্যালয়টো থিয় কৰাত দেৱকান্ত বৰুৱা, ৰোহিণীকান্ত বৰুৱা, হিৰণ্যচন্দ্র ভূঞা আৰু হেম বৰুৱাই সহায় যোগাইছিল। পোনতেই বিবিধ ধৰণৰ গোহাৰি পত্র প্রস্তুত কৰা হৈছিল আৰু ১, ৫, ১০, ২৫, ৫০, ১০০, ৫০০, ১০০০, ৫০০০, ১০০০০, ২৫০০০, ৫০০০০ আৰু ১০০০০০ টকা মূল্যৰ যথেষ্ট সংখ্যক টিকট ছপাই লোৱা হৈছিল কলিকতাত। ইতিমধ্যে গঠিত মহকুমা সংগ্রহ-সমিতিবোৰ পুনর্গঠন কৰি লোৱা হ'ল। সহ-সচিৱ দুজন আৰু বেজবৰুৱা বৰদলৈৰ দূত-ৰূপে উজনি অসমত এটা পাক মাৰি আহিল। এতিয়াও সচিৱ এজন প্রকৃততে নিযুক্ত হোৱা নাছিল; কিন্তু স্মল চাহাবে প্রাথমিক সংগঠনত সহায় কৰিছিল। তেতিয়াৰ ছাদুল্লা চৰকাৰকো সংগ্রহৰ কামত হাত-উজনি দিবলৈ ধৰা হৈছিল।

এটা পইছা এটোপা চকুলো ঃ

এইখিনি প্রাৰম্ভিক প্রস্তুতিৰ পিছত ৪ এপ্রিল তাৰিখে প্রকৃত সংগ্রহকার্য আৰম্ভ কৰা হ'ল। সেইদিনা বৰদলৈ আৰু ৰোহিণীকুমাৰ চৌধুৰীয়ে গুৱাহাটীৰ মাৰোৱাৰী সম্প্রদায়ক লগ ধৰি তেওঁলোকৰ পৰা ডেৰ লাখ টকা বিচাৰে। সেইমতে পিছদিনাখনেই লুনকৰণ সোহনলালৰ ফার্মে ২৫,০৬০ টকাৰ এটি দান ন্যাস-সমিতিৰ ভিক্ষা-পাত্রত অর্পণ কৰে। সেইদিনাখনেই বৰদলৈ আৰু চৌধুৰীয়ে লগত আন কর্মীসকলক লৈ নগাঁৱলৈ যাত্রা কৰে আৰু দুদিনৰ ভিতৰত নগদ আৰু প্রতিশ্রুতি ধৰি ত্রিছ হাজাৰ টকাৰ দান সংগ্রহ কৰে। ইয়াৰ পিছত গোলাঘাট, যোৰহাট, শিৱসাগৰ আৰু তিনিচুকীয়াক ধৰি ডিব্রুগড় মহকুমাত সভাপতিয়ে ভ্রমণ কৰে। এই সময়তে এই অঞ্চলবোৰত বিশ্ববিদ্যালয় পযেক নামে এক উৎসৱ উদ্‌যাপিত হয়। কেয়োফালে উৎসাহ-উদ্দীপনা, কেয়োফালে দান-বৰঙণি তোলাৰ উজান। এই উদ্যমে তেতিয়া কেনেকৈ সকলোকে অনুপ্রাণিত কৰিছিল, তাৰ দুটা উদাহৰণ দিওঁ। এঠাইত এজনী মগনিয়াৰ বুঢ়ীয়ে দিনটো ঘৰে ঘৰে মাগি ফুৰি যিকেইটা পইছা পাইছিল, সেই সকলোখিনি আমাৰ সংগ্রাহকৰ হাতত এটোপা আনন্দৰ চকুলোৰে সৈতে অর্পণ কৰিছিল। বৰদলৈৰ উজনি অসমৰ ভ্রমণৰ সময়ত যিজন শিখ ড্রাইভাৰে গাড়ী চলাইছিল, ভ্রমণৰ অন্তত তেওঁক যেতিয়া তেওঁৰ বানচ যচা হৈছিল, তেওঁ সেয়া ল'বলৈ অস্বীকাৰ কৰি ক'লে, "আপোনালোকে দেখোন মোতকেও বেছি কষ্ট কৰিছে। আপোনালোকে জানো টকা লৈছে? মোৰ পৰম ভাগ্য যে আপোনালোকৰ এই মহৎ কামত সহায় কৰিব পাৰিলো। সেয়ে মোৰ বানচ।" এই ভিক্ষা-অভিযানৰপৰা যিটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ হ'ল, সি সেই মগনিয়াৰ বুঢ়ী আৰু শিখ ড্রাইভাৰৰ ত্যাগকো সামৰি থিয় হৈ আছে। কিন্তু সহস্র মগনিয়াৰ আৰু ড্রাইভাৰে বিশ্ববিদ্যালয়ৰপৰা পঁচিশ বছৰে কি পালে, কি খালে, তাৰ খতিয়ান কোনে লয়? ই জনসাধাৰণৰ বিশ্ববিদ্যালয় হ'লনে, তাকেবা কোনে ক'ব? ৰূপালী জয়ন্তীত মাইকৰ মুখেদি ওলোৱা হিন্দী গান আৰু 'নালাগে আনিব কলহ ভৰাই ভৰাই পানী মোৰে পানীমলা ঐ' শুনিবলৈ পোৱা হ'লে হয়তো সেই শিখ আৰু মাগনী বুঢ়ীয়ে তেওঁলোকৰ দানৰ পৰিশোধ পালেহেঁতেন।

কিন্তু সেই মুহূর্তৰ আমাৰ ৰোমাঞ্চৰ মাজত সকলোৱে আত্মাৰ বিমুক্তি অনুভৱ কৰিছিল। দেশত জ্ঞান আৰু ঐশ্বর্য্যৰ বিস্তাৰৰ স্বপ্নত সকলোৱে টকাৰ থুনুপাকৰ মুখখন মেলি দিছিল। এপ্রিল মেই এই দুমাহৰ ভিতৰতে উপর্যুক্ত মহকুমা পাঁচটাত ৫,৮০,৯৫২ টকাৰ দানৰ প্রতিশ্রুতি আৰু নগদ ১,৫৭,৭০১ টকা গোট খালে। জুনৰ ৫ তাৰিখে সভাপতি পুনৰ ভিক্ষালৈ ওলাল। সেইবাৰ অকল নাহৰকটীয়াতে ১৬,৫০০ টকা প্রতিশ্রুতি আৰু নগদ-ৰূপে পোৱা গ'ল। ডিব্রুগড়ৰ মাৰোৱাৰী সম্প্রদায়ে ডেৰ লাখ টকা সংগ্রহ কৰিবলৈ গাত ল'লে। আউনীআটি, দক্ষিণপাট আদি চহকী সত্রৰ সত্রাধিকাৰে ডাঙৰ দান দিব বুলি জনালে। মঙলদৈৰ একেখন সভাতে কুৰি হেজাৰ টকা প্রতিশ্রুতি লাভ কৰা হয়। ন্যাস-সমিতিয়ে আশা কৰিছিল, ১৯৪৫ ছনৰ ৩০ ডিচেম্বৰৰ পূর্বেই নগদ ত্রিছ লাখ টকা সংগৃহীত হ'ব। এইটো অবাস্তৱ আশা নাছিল। ৩১ জুলাইলৈকে বিভিন্ন মহকুমা সমিতিৰ নামত ৩,৪৩,৪২১¼/০ । অনা ন্যাস-সমিতিৰ হাতত পৰিছিলহি। তেতিয়াও দুখন জিলাত ন্যাস-সমিতিৰ সংগঠন কৰিবলৈ বাকী।

মেন্ নে মেনিকিন? ঃ

কলিকতাৰ প্রভুদয়াল হিমৎসিংকাৰ হতুৱাই ন্যাস-দলিল প্রস্তুত কৰাই সেইখন ৰেজিস্টাৰী কৰাই ধন-সংগ্রহৰ বাবে ন্যাস সমিতি সাজু হ'ল আৰু ৩১ জুলাইৰ দিনা বৰদলৈয়ে 'অসমৰ চহকী-দুখীয়াসকলো লোক' আৰু 'অসমৰ বাহিৰৰ অসমৰ বন্ধুসকলৈ' দান-বৰঙণিৰ বাবে এখনি পুস্তিকা (বুলেটিন ৭) যোগে আৱেদন জনালে। কিন্তু তেতিয়া বাৰিষা। বৌদ্ধ ভিক্ষুসকলৰ দৰে সমিতিৰ বর্ষাৱাস পৰিল। ভাবিলে খৰালি হ'লেই কামত পূর্ণ উদ্যমে ধৰা যাব। কিন্তু এটাৰ পিছত এটাকৈ কামত নধৰাৰ কাৰণ ওলাই আছিল, যদিও মহকুমা সমিতিবোৰ নিজৰ শক্তি অনুসৰি কামত লাগি থাকিল। ফখৰুদ্দিন আলি আহমদক সচিৱ নিযুক্ত কৰা হ'ল আৰু বিৰিঞ্চকুমাৰ বৰুৱা বিলাতলৈ গৱেষণালৈ যোৱাত তেওঁৰ ঠাইত সুৰেশচন্দ্র ৰাজখোৱাক সহকাৰী সম্পাদক লোৱা হ'ল। এই সময়তে, খৰালিৰ লগে লগে আহিল প্রাদেশিক নির্বাছন। বৰদলৈ নির্বাচিত হৈ অসমৰ প্রধান মন্ত্রী হ'ল। ফখৰুদ্দিন চাহাব ভোটত হাৰিল। তেওঁ অসমৰ এডভোকেট জেনেৰেল হ'ল। দুয়োৰে নিৰাস হ'ল এতিয়া বিশ্ববিদ্যালয় আন্দোলনৰ কেন্দ্র গুৱাহাটীৰ পৰা তিনি কুৰি মাইল আঁতৰৰ শিলঙত, গতিকে কাণ্ডাৰী নোহোৱা নাওখন কাছাৰী-ঘাটৰ পানীত টলং-ভলং। এনেতে এক প্রৱল আতঙ্কই অসমক গ্রাস কৰিবলৈ মুখ-ব্যাদান কৰিলে। সেই ৰিষ্টটো হ'ল ক্রিপ্‌ছ দৌত্য আৰু তাৰ সহচৰ গ্রুপিং প্রস্তাৱ। নেহৰু পেটেল আদি আমাৰ বিধতাসকলে ক'লে, অসম যায় যাওক গপিঙলৈ বা ৰসাতলৰ বলিৰ ৰাজ্যলৈ, ভাৰতৰ বাবে এই ত্যাগ ডাঙৰ নহয়। যেতিয়া গান্ধী বাপুৱে আমাৰ কান্দোন শুনি ক'লে, 'অসমত তহঁতবোৰ মানুহ আছ নে মানুহ নামত কিবা ক্ষুদ্র বস্তু (মেনকিন্) আছ?' তেতিয়া অসমত সিংহ-গর্জন আৰম্ভ হ'ল। গপিং দৌত্য ক্রিপ্‌ছ দৌত্যৰ পাছে পাছে পলাল। এই ৰিষ্টখণ্ডনৰ পিছতো জানো আমাৰ কাম আৰম্ভ হ'ল? নহ'ল। লোকৰ গালৈ কাম ঠেলিওৱাৰ অভ্যাসত সকলোৱে ক'লে, বৰদলৈ মন্ত্রীসভা যেতিয়া হ'লেই, চৰকাৰেই এতিয়া বিশ্ববিদ্যালয়টো পাতি দিয়ক। ইয়াৰ ওপৰত যেতিয়া ৰাইজে শুনিলে, বৰদলৈ আৰু ফকৰুদ্দিন চাহাবে বিশ্ববিদ্যালয় অনুদান সমিতি, কেন্দ্রীয় শিক্ষা উপদেষ্টা সমিতি, ভাৰত চৰকাৰ আৰু ছাৰ জন ছার্জেণ্টৰ লগত পত্র-বিনিময়

কৰিছে, তাৰ লগে লগেই ৰাইজে দুইখন হাতেৰে নিজৰ বুকু সাবটি ধৰিলে। আৰু কি পৰোৱা! কিন্তু দিল্লীৰপৰা বিশেষজ্ঞ আহিব বুলি ভাবি থাকোঁতেই আমাৰ ৰাতি পুৱাল। দিল্লীৰ কোনো সঁহাৰিকে পোৱা নগ'ল।

লুইতপৰীয়া ভেটি ঃ

ইতিমধ্যেই মই সমিতিৰ কার্যালয়ৰ পোনা-পোৱালিটি লৈ ভৈয়ামৰ উমাল বুকুৰপৰা সেঙেতা লগা শিলঙলৈ প্ৰব্ৰজন কৰিলো। মাজে মাজে অৱশ্যে ভৈয়ামলৈ আহোঁ বিশেষকৈ মহকুমা সমিতিবোৰৰ লগত সংস্পৰ্শ ৰাখিবৰ কাৰণে। ১৯৪৫ ছনৰ মাহত ন্যাস-সমিতিৰ হৈ বৰদলৈ, চৌধুৰী আৰু স্মলে গুৱাহাটী পলাশবাৰী পথৰ দুয়োকাষে থকা উত্তৰ জালুকবাৰী, মাজ জালুকবাৰী, সদিলাপুৰ, কছাৰীগাৰি গাঁও, দেহানগাৰি গাঁও —এই পাঁচখন গাঁৱৰপৰা মুঠ দুহাজাৰ বিঘাৰ অলপ বেছি মাটি (২৩৩৩ বিঘা) বিশ্ববিদ্যালয়ৰ থান-ৰূপে নির্ণয় কৰিছিল। (বিশ্ববিদ্যালয় হোৱাৰ পিছত ব্ৰহ্মপুত্ৰৰ সংলগ্ন বহুতো কালি-পৰিমাণৰ জমি বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱিত জমিৰপৰা এৰি দিয়া হয়।) এই মাটিৰ খবৰ ল'বলৈ মাজে মাজে গুৱাহাটীলৈ আহিবলগীয়া হৈছিল। বৰদলৈদেৱে ধুতিৰ মালকোঁচা মাৰি হাতত লাখুটি লৈ আমাৰ লগত এই অঞ্চলটোত খোজকাঢ়ি ঘুৰি ফুৰা এতিয়াও মনত আছে। মাটিৰ একুইজিছন অফিচাৰ যামিনীকান্ত চক্ৰৱৰ্ত্তীয়ে বিশেষ সহায় কৰিছিল। পোনতে জমিৰ ভালেটি অংশ সামৰিক বিভাগৰ হাতত আছিল। সেইখিনিয়েই উৎকৃষ্ট মাটি আৰু তাতে বর্তমান ডাঙৰ ডাঙৰ ঘৰবোৰ বহিছে। এই মাটিখিনি সামৰিক বিভাগৰ হাতৰপৰা সৰুওৱা পোনতে টান হৈছিল যদিও স্মলৰ মধ্যস্থতাত সেই বিভাগে হাত ঢিলাই দিয়ে। আনফালে চৰকাৰে একুইজিছন প্লেনখন গেজেটত উলিওৱাৰ লগে লগে তাৰ বাসিন্দাসকলে আপত্তি কৰিবলৈ আৰম্ভ কৰে। এই লৈ ৰাজস্বমন্ত্ৰী বিষ্ণুৰাম মেধি আৰু ফখৰুদ্দিন চাহাব গুৱাহাটীলৈ দুবাৰমান আহিব লগা হয় ৰাইজক বুজাবলৈ। দেশনেতা দেৱেশ্বৰ শর্মাই এদিন মোক শিলঙৰ ৰার্ড লেকৰ দলঙৰ ওপৰতে লগ পাই আমাৰ কামৰ খবৰ লওঁতে মাটি লোৱা আঁচনিৰ কথা ক'লো। শর্মাদেৱে সেই মাটি লুইতে খহাই নাইকিয়া কৰিব বুলি খবৰ কাগজত এটা বাদ-প্ৰতিবাদ আৰম্ভ কৰি দিয়ে। বহুতে আকৌ প্ৰশ্ন কৰে, বিশ্ববিদ্যালয়টোক ইমান মাটি কিয় লগা হ'ল। পিছৰটো কথাৰ উত্তৰত সিংহলৰ উপাচার্য ডক্টৰ আইভৰ জেনিংছে মোলৈ লেখা এখন দীঘল চিঠি কাগজত প্ৰকাশ কৰা হয় আৰু প্ৰথমটো খৰিয়াল অন্ত পৰে যেতিয়াই বৰদলৈয়ে দৃঢ়স্বৰে সংবাদদাতাক জনায়, বিশ্ববিদ্যালয়ৰ বাবে বাছি লোৱা জমিকে তাৰ বাবে দখল কৰা হ'ব আৰু যোৱা এশ বছৰে লুইতে তাৰ এনল মাটিও লুইতে খানি নিয়াৰ বুৰঞ্জী কাৰো হাতত নাই। শেহান্তৰত ১৯৪৭ ছনৰ ২৭ ছেপ্টেম্বৰ তাৰিখে ন্যাস-সমিতিৰ হৈ মই প্লেনৰ ভিতৰৰ প্ৰায় এশ একৰ মাটি দখল লওঁ। এইখিনি মাটি মিলিটেৰিৰৰ দখলৰপৰা পোনে পোনে আমাক গতাই দিয়া হয়।

তেজাল ডেকা-বেজ ঃ

১৯৪৬ ছনৰ ২১ এপ্ৰিলত যোৰহাট জগন্নাথ বৰুৱাৰ কলেজত দ্বিতীয় কন্‌ভেন্‌ছন বহে। সেই সন্মিলনত এটা আক্ষেপে দেখা দিয়ে যে বিশ্ববিদ্যালয় আন্দোলন চেৰেমা পৰি গ'ল। আৰু এটি আক্ষেপ যে সেই আন্দোলনক প্ৰচাৰ কার্যেৰে তাপ দি ৰখা মাধৱচন্দ্ৰ বেজবৰুৱা আৰোগ্যৱৰমৰ ৰোগশয্যাত শয়ান। আগৰ বছৰ প্ৰায় একে সময়তে তেওঁৰ লগত ভ্ৰমণ কৰাৰ ভাগ্য মোৰ হৈছিল। কি প্ৰচণ্ড উদ্যম মানুহজনৰ! মাজুলীৰ চাপৰিৰ বিৰিণাৰ মূঢ়াৰ ওপৰেদিও যেন চেভ্ৰলেটৰ বেগত চাইকেল চলাব— কাৰণ ধীৰেৰে চলালে যে বিশ্ববিদ্যালয় হোৱাত পলম হৈ যাব! ৰোগশয্যাৰ পৰা খনে খনে চিঠি লেখে-জীৱনৰ শেহ সম্বল বাঁহী প্ৰেছটোও যেন বিশ্ববিদ্যালয় ছপাশাল কৰি দি যাব। সেইজনেই মাধৱচন্দ্ৰ বেজবৰুৱা। সন্মিলনত বৰদলৈয়ে সেমেকা চকুৰে কয়— বিশ্ববিদ্যালয়ৰ হকে দিন-ৰাতি পৰিশ্ৰম কৰাই মাধৱৰ কাল হৈছে। সঁচা কথা। আমাৰ মাজুলী-ভ্ৰমণৰ পিছত কলিকতালৈ ঘুৰি যোৱাৰ পিছতে ডাক্টৰে ঘোষণা কৰিলে, তেওঁৰ যক্ষ্মা। সভাত সচিৰে দাখিল কৰা হিচাপমতে ৩১ মার্চলৈকে ৪,৭৮,৮৮৩৯। অনা দান-ৰূপে সংগৃহীত হৈছিল। সকলোৱে একবাক্যে কৈ উঠিল যে সংগ্ৰহ-অভিযান পুনৰ চলিব লাগে। কিন্তু সন্মিলনৰ পিছত দানৰ বাবে যি গোহাৰি দিয়া হৈছিল, তাৰ বিশেষ ফল নধৰিলে। একে বছৰৰ নবেম্বৰত খবৰ কাগজত ওলাইছিল যে ন্যাস-সমিতিয়ে গৃহ-নির্মাণ আঁচনি তৈয়াৰ কৰিবলৈ এজন আর্কিটেক্ট নিয়োগ কৰিছে। বাতৰিটোৰ উঁহ কি, জনা নগ'ল। সকলোৱে তেতিয়া চাই আছিল চৰকাৰৰ হাতলৈ-মুখলৈ বিশ্ববিদ্যালয়ৰ আশাত।

বিশ্ববিদ্যালয় বিধান ঃ লক্ষ্য আৰু হেতু ঃ

১৯৪৭ ছনৰ ৬ ফেব্ৰুৱাৰী তাৰিখে কলিকতাৰ এখন কাগজত ওলায় যে বৰদলৈয়ে সংবাদদাতাৰ আগত হেনো কয়, সেই বছৰটোৰ ভিতৰতে বিশ্ববিদ্যালয়ৰ কথাটোৱে এটা নির্দিষ্ট গঢ় ল'ব। লগতে ইও প্ৰকাশ পায় যে অতি সোনকালে অসম চৰকাৰে এখন বিশ্ববিদ্যালয় বিল তৈয়াৰ কৰিব। প্ৰকৃততে ন্যাস-সমিতিৰ ২১ ফেব্ৰুৱাৰীৰ অধিৱেশনতহে বিল ৰচনা আৰু আর্কিটেক্ট-নিয়োগৰ বিষয়ে আলোচনা হৈছিল। তাতে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিবলগীয়া বিশ্ববিদ্যালয়-স্থাপনৰ খৰচৰ আঁচনি তৈয়াৰ কৰিবলৈও থিৰাং কৰা হয়। দান-সংগ্ৰহৰ বিষয়েও আলোছনা হৈছিল; কিন্তু ইয়াৰ পিছতো কার্যকৰী একো কৰা নহ'ল। ফখৰুদ্দিন চাহাবে কেন্দ্ৰীয় চৰকাৰলৈ এটা বিশদ টোকাৰে এক কোটি টকাৰ এখন আঁচনি পঠিয়ালে। তেওঁ আৰু বৰদলৈয়ে কেন্দ্ৰীয় শিক্ষা উপদেষ্টা ডক্টৰ ছাৰ জন ছার্জেণ্ট আৰু অস্থায়ী শিক্ষামন্ত্ৰী মৌলানা আজাদ আদিৰ লগত আলোচনাও চলালে। ২৪ এপ্ৰিল তাৰিখে 'দৈনিক অসমীয়া'ৰ শিলং প্ৰতিনিধিয়ে মোৰ লগত এটি সাক্ষাতকাৰ কৰি সমস্ত পৰিস্থিতি সম্পর্কে এক দীঘলীয়া সম্বাদ প্ৰকাশ কৰে। ২৯ তাৰিখে সম্পাদকে (দেৱকান্ত বৰুৱা) 'বিশ্ববিদ্যালয় এতিয়াই লাগে' শীর্ষেৰে এক সম্পাদকীয় প্ৰকাশ কৰে। মই কৈছিলো যে 'বিশ্ববিদ্যালয়ৰ কামত যথেষ্ট আগবঢ়া হৈছে আৰু সোনকালেই "বিশ্ববিদ্যালয়ৰ আঁচনি কার্যত প্ৰতিফলিত কৰিবপৰা হ'ব। অসম ব্যৱস্থা পৰিষদৰ অহা অধিৱেশনত বিশ্ববিদ্যালয় বিল দাঙি ধৰা হ'ব আৰু বর্তমানে মিঃ ফখৰুদ্দিন আলি আহমদ আৰু চৰকাৰৰ বুনিয়াদী শিক্ষা বিভাগৰ উপদেষ্টা মিঃ স্মল সেই বিল ৰচনাত ব্যস্ত আছে।" সম্পাদকদেৱে 'অহা দহ মাহৰ ভিতৰতে ভাৰতৰ শাসনতান্ত্ৰিক ইতিহাসত বিৰাট পৰিবর্তন অহাৰ কথা' বুলি কৈ 'বিশ্ববিদ্যালয়ৰ দৰে এটি জাতীয় অভাৱ' পূৰণ কৰি ল'বলৈ অসমীয়া ৰাইজক সজাগ কৰি দিয়ে।

ন্যাস সমিতিৰপৰা বিলখন তৈয়াৰ কৰিব লগীয়া হোৱাত তাৰ বাবে সমল গোটাব লগীয়া হ'ল। ভাৰতৰ সকলো বিশ্ববিদ্যালয়লৈকে লেখাত সিসকলে নিজৰ নিজৰ অধিনিয়ম আমালৈ পঠিয়াই দিলে। শিক্ষা-সম্পর্কীয় পুথিৰ এটি সৰু ভঁৰাল তৈয়াৰ কৰা হ'ল। কলিকতাৰ ইম্পিৰিয়েল লাইব্ৰেৰিৰপৰাও বিশ্ববিদ্যালয় বিষয়ৰ কিতাপ ধাৰ কৰি পঢ়া-শুনাত লাগিলো। ফখৰুদ্দিন চাহাবে কিন্তু ছেদলাৰ আয়োগৰ প্ৰতিবেদনৰ আদর্শত গঠিত ঢাকা আৰু দিল্লী বিশ্ববিদ্যালয়ৰ আইন দুখন বিশেষ সাৰথি কৰি লৈছিল। খচৰাটো তৈয়াৰ কৰোঁতে তেওঁ প্ৰায় এডভোকেট জেনেৰেলৰ কার্যালয়তে ষ্টেনোগ্ৰাফাৰক শ্ৰুতলিপি দি কামটো

কৰাইছিল। সমস্ত বিলৰ খচৰা হ'লত মই ষ্টেঞ্চিল কাটি ঈশ্বৰপ্রসাদ চৌধুৰীৰ সৌজন্যত প্রচাৰ বিভাগত চাইক্লোস্টাইল কৰাই ন্যাসৰক্ষীসকললৈ পঠিয়াইছিলো।

বিশ্ববিদ্যালয় প্রতিষ্ঠা অর্থে 'এক বৃহৎ পদক্ষেপ' পৰিল যেতিয়া ১৫ জুন তাৰিখে ফখৰুদ্দিন চাহাবৰ ঘৰত আবেলিৰ জলপান খাই ন্যাস সমিতিৰ কার্যপালিকাই সামান্য পৰিৱর্তন কৰি তেওঁৰ খচৰাটো গ্রহণ কৰি অসম চৰকাৰক গতাই দিবৰ সিদ্ধান্ত কৰে। আগষ্টৰ মাজভাগত বিলখন আসাম গেজেটৰ বিশেষ এটা সংখ্যাত প্রকাশ পালে। ১৮ তাৰিখে স্থানীয় কাকতত সেই সম্পর্কে বাতৰি ওলাল এইদৰে ঃ 'বিলৰ লক্ষ্য আৰু কাৰণ সম্বন্ধীয় বিবৃতিত কোৱা হৈছে যে এই বিল অনুসৰি যিটো বিশ্ববিদ্যালয় পাতিবলৈ ব্যৱস্থা কৰা হৈছে, তাৰ উদ্দেশ্য কেৱল প্রদেশৰ জনসাধাৰণৰ বহুদিনীয়া অভাৱ পূৰণ কৰাই নহয়; প্রদেশৰ বাহিৰৰ শিক্ষাবিদ আৰু ছাত্রসকলক সুবিধা দিয়াও এই বিশ্ববিদ্যালয়ৰ উদ্দেশ্য, কাৰণ অসমত ভাষা, ইতিহাস, জাতিতত্ত্ব, পুৰাতত্ত্ব, ভূতত্ত্ব, বিজ্ঞান আৰু কৃষি সম্পর্কে অধ্যয়ন ঃ ভালেমান সুবিধা আছে। কলিকতা বিশ্ববিদ্যালয়ৰ নিয়ন্ত্রণত অসমত শিক্ষা ব্যৱস্থা চলি আহিছে, সি প্রদেশখনৰ আৱশ্যকতা পূৰাব পৰা নাই। এখন বিশ্ববিদ্যালয়ৰ অভাৱত এই প্রদেশৰ শিক্ষানুষ্ঠানবোৰ ঐতিহ্যৰ প্রেৰণাহীন হৈ পৰিছে। আজি দেশত এদল স্বার্থত্যাগী চোকাবুধীয়া কর্মীৰ আৱশ্যক হৈছে। সেইকাৰণে আশা কৰা হৈছে যে প্রস্তাৱিত বিশ্ববিদ্যালয়ে এহাতে যিমান সম্ভৱ শিক্ষাদান-সম্পর্কীয় কাম কৰি ৰেচিডেঞ্চিয়েল প্রণালী সম্পূর্ণৰূপে গঢ়ি তুলিব আৰু আনহাতে প্রদেশৰ চলিত শিক্ষানুষ্ঠানসমূহ অন্তর্ভুক্ত কৰি পথ-নির্দেশক অনুষ্ঠান হিছাপে কার্যনির্বাহ কৰিব। অসমীয়া জীৱন আৰু সংস্কৃতি-সম্বন্ধীয় শিক্ষাত বেছি গুৰুত্ব আৰোপ কৰি ভাৰতীয় আৰু পছিমীয়া নতুন সভ্যতাৰ লগত তাৰ আৱশ্যকীয় সমন্বয় ঘটোৱাটোও প্রস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্দেশ্য হ'ব। অসমৰ পর্বতীয়া জনজাতিসকলৰ ভাষা আৰু সমস্যা সম্পর্কে অধ্যয়ন কৰাটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটি বিশেষ বিষয় হ'ব। মানৱৰ জ্ঞানৰ সীমা বহলাবলৈ অনুপ্রেৰণাৰ সৃষ্টি কৰা এই বিশ্ববিদ্যালয়ৰ লক্ষ্য। এই জ্ঞানেই সাহসিক সমালোচনা আৰু বৈজ্ঞানিক অনুসন্ধিৎসাৰ শক্তি বঢ়াব আৰু সম্যক জ্ঞান আহৰণ কৰিবলৈ মানুহক সমর্থ কৰিব। অসম প্রদেশৰ ৰাজহুৱা আৱশ্যকতা আৰু সমস্যাৰ প্রতি চকু দিব পৰাকৈ এখন সুকীয়া বিশ্ববিদ্যালয় প্রতিষ্ঠা কৰিলে এইবোৰ আদর্শ আৰু উদ্দেশ্য সাধন কৰিব পৰা হ'ব।' পঁচিছ বছৰৰ মূৰত নিজকে সুধি চাওঁ, এই আদর্শ আৰু উদ্দেশ্য আমাৰ মাজত আছেনে? নে এইবোৰ প্রতিশ্রুতি মাথোন সাধাৰণ নির্বাচনত ভোটাৰক দিয়া বুজৰুকি?

সদনত বিলখন উত্থাপন কৰিলে মুখ্যমন্ত্রী আৰু শিক্ষামন্ত্রী বৰদলৈয়ে। সেইখন এক ছিলেক্ট কমিটিৰ হাতত দিয়া হ'ল। কমিটিয়ে দুটামান পৰিৱর্তনৰ পৰামর্শ দিয়ে আৰু বৰদলৈদেৰে সেইভাৱে তাক ১২ ছেপ্টেম্বৰ তাৰিখে সদনত পুনৰুত্থাপন কৰে। পিছ দিনাখনেই সদনে সর্বসম্মতিক্রমে বিলখন (গুৱাহাটী বিশ্ববিদ্যালয় বিল, ১৯৪৭) গ্রহণ কৰে। আলোচনা প্রসংগত মুখ্যমন্ত্রীয়ে কয় যে বিলখন গ্রহণ কৰিলেই সেই বিষয়ত সকলো কাম শেষ হৈ নাযায়। বিশ্ববিদ্যালয়ৰ প্রকৃত ৰূপ দিয়াৰ বিৰাট দায়িত্বৰ বাবে সকলো সাজু হ'ব লাগিব। তেওঁৰ সেই বাণী বুজিলোনে বা স্বীকাৰ কৰি ল'লোনে, সেই বিষয়ে আজি সন্দেহৰ অৱকাশ নোহোৱা নহয়।

১৫ অক্টোবৰৰ দিনা গবর্ণৰে বিলখনত সম্মতি জনোৱাত সি অধিনিয়মত (গুৱাহাটী বিশ্ববিদ্যালয় অধিনিয়ম, ১৯৪৭) পৰিণত হ'ল। ১৯৪৮ ছনৰ ১ জানুৱাৰীৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে কাম আৰম্ভ কৰিলে। ২৫ জানুৱাৰীৰ দিনা তৃতীয় আৰু শেষ কন্‌ভেন্‌চন বহিল গুৱাহাটীত। পিছদিনা ছুডমার্চেন হলত বহিল বিশ্ববিদ্যালয়ৰ কোর্টৰ প্রথম সভা। বিশ্ববিদ্যালয় প্রতিষ্ঠিত হ'ল।

প্রতিশ্রুতি - ভঙ্গৰ ইতিহাস ঃ

২৫ জানুৱাৰী তাৰিখে বিশ্ববিদ্যালয়ৰ কোষাধ্যক্ষ শৈলধৰ ৰাজখোৱাই ন্যাস সমিতিৰ দলিল, সম্পত্তি আৰু দায়িত্ব সমিতিৰ সচিৱ আৰু কার্যালয়াধ্যক্ষৰপৰা চমজি লয়। সমিতিয়ে ৫,০৭,৩৭৮।১ সংগ্রহ কৰিছিল আৰু ৩৬,৩৮১।।৬ পাই বেঙ্কৰ সুদ হিছাপে পাইছিল। খৰচ বাদ দি বেঙ্ক বেলেঞ্চ, সাজ-সৰঞ্জাম, কিতাপ আদি ৰূপে মুঠ ৫,৮২,৭০,৭৪৯৪ পাই নৱজাত বিশ্ববিদ্যালয়ক দিয়া হয়। ইয়াৰ উপৰি দহ লাখ টকা দানৰ প্রতিশ্রুতি আছিল। কিন্তু বিশ্ববিদ্যালয় কর্তৃপক্ষই ইয়াৰ এটা পায়ো সংগ্রহ নকৰিলে বা সংগ্রহৰ যত্ন নকৰিলে। তাৰ ভিতৰত বিভিন্ন ভৱনৰ বাবে প্রতিশ্রুতিও আছিল। দ্বিতীয়তে যি ধন বিশ্ববিদ্যালয়ে ন্যাস-সমিতিৰপৰা পায়, তাৰ ভিতৰত ৫৫,০০০ টকা বিশেষ উদ্দেশ্যে পোৱা দান। বিশ্ববিদ্যালয়ে তাক ন্যায়তঃ আন কামত খৰচ কৰিব নোৱাৰে। কিন্তু এই বিশেষ দানৰ উদ্দেশ্যৰ (ছাত্র-নিৱাস, আন ভৱন, বৃত্তি) বিষয়ে বিশ্ববিদ্যালয়ে কোনো দিনে ক'তো এটা শব্দকে উচ্চাৰণ কৰা নাই। গতিকে ন্যাস সমিতিয়ে দাতাসকলক যি প্রতিশ্রুতি দিছিল, তাক সমিতিৰ উত্তৰাধিকাৰী বিশ্ববিদ্যালয় কর্তৃপক্ষই ভঙ্গ কৰিছে। তৃতীয়তে, সমিতিয়ে আৰু এটি প্রতিশ্রুতি দাতাসকলক দিছিল যে পাঁচ হেজাৰ বা তাৰ অধিক দান দিয়া দাতাসকলৰ নাম ছিনেট হাউছৰ গাত মর্মৰত লেখা হ'ব। ক'ত সেই ছিনেট হাউছ? ক'ত মর্মৰ-পট্ট! ক'ত দাতাৰ নামবোৰ? বিশ্ববিদ্যালয়ে এটা অঙ্গীকাৰ-ভঙ্গৰ দায়গ্রস্ত হ'ব লগীয়া চৰম দুখৰ কথা নহয় জানো? ৰূপালী জয়ন্তীৰ উখল-মাখলত এই উদাৰ দাতাসকলক কর্তৃপক্ষই এআষাৰ শলাগকেবা লৈছে বা নিমন্ত্রণৰ চিঠি এখনকে দিছে? এটা কথা শুনিলে বোধ কৰোঁ কোনোৱেই বিশ্বাস নকৰিব যে ন্যাস সমিতিৰ এটা সৰু আলমাৰিৰ ভৰা ৰেকর্ড বোলে নিশ্চিহ্ন হৈ গৈছে! এয়া কি এক বিশ্ববিদ্যালয়ৰ সুকর্ম? ই বিশ্বাসযোগ্যই নহয়!!

বিশ্ববিদ্যালয়ৰ বৃহত্তৰ ক্ষেত্রত গুৱাহাটী বিশ্ববিদ্যালয়ে জন্মতে যি অঙ্গীকাৰ কৰিছিল, তাকবা সি কিমান পূর্ণ কৰিলে, সেইটো এটা প্রবন্ধৰ বিষয়-বস্তু হ'ব। 'নীলাচল'ৰ সম্পাদকে এই ক্ষেত্রত বিফলতাই মাথোন দেখা পাইছে। যিসকলে এই মহৎ অনুষ্ঠান গঢ়িলে, যিসকলে এসাঁজ লঘোন দিও দুপইছা দিলে, তেওঁলোকৰ আত্মা, বিশ্ববিদ্যালয়ৰ হকে চৰম আত্মত্যাগ কৰা মাধৱ বেজবৰুৱাৰ ৰক্ত এই বিষয়ত এটা সমিধান বিচাৰি হয়তো ক'ৰবাত ৰৈ আছে।

৩

বহুত কল্পনা বহুত প্রতিশ্রুতি ঃ

গুৱাহাটী বিশ্ববিদ্যালয় এটা স্বপ্নৰ উপলব্ধি। সেই স্বপ্ন এজনৰ নহয়। সি এটা জাতিৰ, এটা সংস্কৃতিৰ স্বপ্ন। সি কিবা নোপোৱাজনৰ সেয়া পোৱাৰ স্বপ্ন। সপোন কেতিয়াবা দিঠক হয় বেছিৰ ভাগটি নহয়। 'সপোন দেখাতে সিজিব কর্ম' বুলি এটা জাতি ছায়াবাদী হৈ বহি থাকিব নোৱাৰে। গতিকে জাতিৰ স্বপ্ন অবাস্তৱৰ স্বপ্ন হ'ব নোৱাৰে। বিশ্ববিদ্যালয় এটা বাস্তৱ বস্তু। কিন্তু কি বাস্তৱ? —দুখীয়াৰ বাস্তৱ নে প্রাচুর্যৰ বাস্তৱ? ১৯৪৮ ৰ আগতে অসমে বিশ্ববিদ্যালয় পোৱা নাছিল। যোগ্যতা নাছিল বুলি নহয়। পৰাধীনতা তাৰ এটা ডাঙৰ অন্তৰায় আছিল; বিদেশী শিক্ষাবিদ যিমানেই গুণী-জ্ঞানী হওক, বনৰীয়া বোন্দাই পহু মাৰি নুখুৱায়। পৰাধীনতাৰ অন্তৰায়টোৱে আনবোৰ অন্তৰায়ক নিমন্ত্রণ কৰি আনিছিল। আমাৰ শাসকসকলে মুখ শুকুৱাই দেখুৱায়, ৰাজকোষত ধন নাই, বৰ সবাহলৈ মন কৰিলে কি হ'ব? আমাৰ শাসকসকলে কয়, আমাৰ দুই

উপত্যকা, দুই বাই-ভনী, দুয়ো মিলিজুলি ল'লেহে বিশ্ববিদ্যালয়খন হয়, এজনীয়ে লাগে, এজনীয়ে নালাগে বুলি চুলিয়াচুলি কৰা ভাল নেদেখি। কিন্তু অসমীয়াৰ কথা হ'ল আত্মৰক্ষা, আত্মবিকাশৰ বাবেহে বিশ্ববিদ্যালয় লাগে, জনজাতীয়সকলৰ উন্নয়নৰ বাবেহে তাক লাগে। ছাদুল্লা চৰকাৰৰ বিলৰ সমালোচনাৰ সময়ত বৰদলৈয়েও কৈছিল, সুৰমা উপত্যকাক যদি অসমৰ বিশ্ববিদ্যালয় নালাগে, তেওঁলোক কলিকতা বিশ্ববিদ্যালয়ৰ লগতে থাকক। সেইটোও অৱশ্যে সহজ কথা নাছিল। গতিকে বিশ্ববিদ্যালয় এটা জন্ম হোৱাটোৱেই অসম্ভৱ হৈ পৰিছিল। যদি সি ব্ৰহ্মপুত্ৰৰ পাৰত হয়, সিটো উপত্যকাক তেনেটো বিশ্ববিদ্যালয় নালাগে। যদি সি চিলটত হ'বলৈ হ'ল বা চৰকাৰৰ ছত্ৰ-ছায়াত শিলঙতে হ'ল, আমাকনো কেলেই লাগিছে সেইপাত! আৰু দেখা গ'ল, বিদেশী চৰকাৰেই যদি তাৰ জন্মদাতা হ'ব লাগিল, এই দ্বন্দ্ব সমাধান কৰিবৰ কোনো সম্ভাৱনাই নাই। চৰকাৰ অন্ততঃ দেখাত এতিয়া সীতালৈ চালেও মৰে আৰু ৰামলৈ চালেও ডৰে। এই সমস্ত পৰিস্থিতিৰপৰা এটা যুক্তিয়েই মাথোন ওলাই আহে— প্ৰজাৰ মাজৰ পৰা বিশ্ববিদ্যালয়ৰ উদ্যোগটো আহি চৰকাৰক এটা বাধ্যবাধকতাৰ চেপাত পেলাব লাগিব। এয়ে হ'ল ১৯৪৪ ছনৰ মানসিক পৰিৱেশ। সেই পৰিৱেশত বিশ্ববিদ্যালয়ৰ স্বপ্নটোও কিছু পৰিমাণে কৃপণ হ'বলৈ বাধ্য। তাৰ উপলব্ধিতো তাতোধিক সংকুচিত হোৱাই স্বাভাৱিক।

অসমীয়াৰ অসম ঃ

১৯৪৪ ডিচেম্বৰৰ শেহত গুৱাহাটীত বহা প্ৰথম কন্‌ভেন্‌ছনৰ সমৱেত সদস্যসকলৰ মনত এটা কথাই সকলোতকৈ ওখত বিৰাজ কৰিছিল। সি হ'ল অসমৰ বিকাশ। সেইখন অসম অৱশ্যেই অসমীয়াৰ অসম। বিশ্ববিদ্যালয় আন্দোলনৰ বৰেণ্য নেতা বৰদলৈয়ে ভৱিষ্যত অনুষ্ঠানটোৰ বিষয়ে তেওঁৰ নিজৰ ধাৰণা দাঙি ধৰিলে। সি যাতে জনসাধাৰণৰ অভাৱ পূৰণ কৰিব পাৰে, সেই বাবে তাৰ গঠনটো হ'ব লাগিব সৰ্বসাধাৰণমুখী (পপুলাৰ)। কিন্তু তাৰ আঁচনি তৈয়াৰ কৰাটো বিশেষজ্ঞৰহে কাম হ'ব। তথাপি বিশ্ববিদ্যালয়টোৱে আমাৰ জাতীয় আকাঙ্খা পূৰণ কৰিব পৰা হ'বলৈ হ'লে সকলোৰে ভাব বুজি ল'ব লাগিব। 'মই অসমৰ গ্ৰামবাসীৰ প্ৰতিনিধি। যদি মই এই আন্দোলনত যোগ দিছো, এই আন্দোলনৰ যোগেদি সেই শ্ৰেণীটোৰ দুঃখমোচন হ'ব, এই আশাতহে যোগ দিছো। ধী-শক্তিৰ বিকাশ আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰথম উদ্দেশ্য হোৱা উচিত; কিন্তু তাৰ ওপৰঞ্চি আৰু অধিক গুৰুত্বপূৰ্ণ লক্ষ্য হ'ব লাগিব অগণিত নিঃস্বসকলৰ উন্নয়ন। নিঃস্বসকলৰ হকে, দেশৰ হকে প্ৰাণ বলি দিবলৈ আগবাঢ়ি অহা সুশিক্ষিত ডেকা-দল যদি উৎপাদন কৰিব নোৱাৰে, তেতিয়া হ'লে বিশ্ববিদ্যালয়টো মোৰ বাবে নিৰৰ্থক হ'ব।' কলিকতা বিশ্ববিদ্যালয়ে অনেক ধীমান্ উৎপাদন কৰিছে, কিন্তু এনে ডেকা-দল সৃষ্টি কৰিছে বুলি ক'ব নোৱাৰি। আমাৰ বিশ্ববিদ্যালয়টো আৱাসিক হ'লে তাৰ ছাত্ৰসকলে দেশ আৰু শিক্ষাৰ হকে জীৱন উছৰ্গা কৰা শিক্ষকসকলৰ ত্যাগৰ আদৰ্শৰ সংস্পৰ্শত থাকিব পাৰিব। বিশ্ববিদ্যালয়ে অসমীয়াক প্ৰকৃত জাতিৰূপে গঢ়ি তুলিব লাগিব। অনুপ্ৰেৰণাশীল ত্যাগৰ পৰিৱেশতহে ব্যক্তিত্বৰ বিকাশ সম্ভৱ হয়। অসমীয়া জাতি, অসমৰ জনজাতি আৰু আন অসমবাসীৰ আশা-আকাঙ্খালৈ বিশ্ববিদ্যালয়ে কাণ দিব লাগিব। অসমৰ বনে-পৰ্বতে সিঁচৰতি হৈ থকা প্ৰাকৃতিক সম্পদবোৰ উদ্ধাৰ কৰাৰ পথ বিশ্ববিদ্যালয়ে দিব লাগিব। গাঁৱত থকা লোকসকলৰ মাজত কাৰ্যপ্ৰসূ জ্ঞান বিতৰণ কৰাটো বিশ্ববিদ্যায়ৰ এটা লক্ষ্য হ'ব লাগিব।

নীলমণি ফুকন, অম্বিকাগিৰী ৰায়চৌধুৰী আদি নেতাসকলেও দঢ়াই দঢ়াই ক'লে, অসমীয়া জাতি, ভাষা, সাহিত্য আৰু সংস্কৃতিক বিশ্ববিদ্যালয়টোৱে বিকশিত কৰি তুলিব লাগিব। এজন প্ৰতিনিধিয়ে কয় যে ভাৰতীয় বিশ্ববিদ্যালয়বিলাকৰ আৰ্থিক অৱস্থা কাহিল; সেই বুলিও তৃতীয় শ্ৰেণীৰ ছাত্ৰেৰে আমাৰ বিশ্ববিদ্যালয় ঠাহ খুৱাই শিক্ষণকাৰ্যকে আহুকলীয়া কৰি নেপেলাওঁ যেন। এগৰাকী প্ৰতিনিধিয়ে কয় যে বিশ্ববিদ্যালয়টোৰ শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱা বাঞ্ছনীয়। ৰায়চৌধুৰীয়ে কয় যে অসমীয়াইহে একমাত্ৰ ইয়াৰ মাধ্যম হ'ব পাৰিব। এজন প্ৰতিনিধিয়ে লগে লগে তাৰ প্ৰতিবাদ কৰে। স্মল চাহাবে কয়, নগৰৰ কোলাহলৰপৰা আঁতৰত বিশ্ববিদ্যালয়টো নিজৰ ধানৰ পথাৰ, খেল-পথাৰ, মঞ্চ আৰু চিনেমা ঘৰেৰে স্বয়ংসম্পূৰ্ণ কৰিব পাৰি। এয়ে তেতিয়াৰ মনোভাৱ।

মন কৰিব লগীয়া যে যদিও কন্‌ভেন্‌চনে চৈধ্যটা প্ৰস্তাৱ গ্ৰহণ কৰে, বিশ্ববিদ্যালয়ৰ ৰূপ, শিক্ষণীয় বিষয়, ক্ষমতাৰ পৰিসৰ আদি সম্পৰ্কে কোনো সিদ্ধান্ত কৰা নহ'ল, আৰু সেইবোৰৰ বিচাৰ ন্যাস-সমিতিলৈ থৈ দিয়া হ'ল। ন্যাস-সমিতিয়ে বিশেষকৈ কন্‌ভেন্‌চনৰ প্ৰকাশিত মতবোৰৰ ওপৰত নিৰ্ভৰ কৰি জুলাই ১৯৪৫ ছনৰ ছমহীয়া বিৱৰণত বিশ্ববিদ্যালয় আন্দোলনৰ সংজ্ঞা এইদৰে নিৰূপণ কৰে; "অসমৰ (উপত্যকা আৰু পাৰ্বত্য জিলাসমুহৰ) জনসাধাৰণৰ সাংস্কৃতিক প্ৰয়োজন-সাধনৰ ওপৰিও প্ৰদেশখনৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ অৱস্থাই যিবোৰ বিষয়ত পঠন আৰু গৱেষণাৰ সুবিধা দিয়ে, সেইবোৰৰ পঠন-গৱেষণাৰ ব্যৱস্থা কৰাও ইয়াৰ উদ্দেশ্য।" আৰু কোৱা হয়, "এটা সুকীয়া বিশ্ববিদ্যালয়ৰ কাৰণে এই একান্তিক দাবিৰ মূলত হ'ল অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি জনসাধাৰণৰ থকা আসক্তি আৰু সেই সাহিত্যিক আৰু সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ, বিকাশ আৰু ঐশ্বৰ্য্যপ্ৰদানৰ অৰ্থে সিসকলৰ হেঁপাহ। অসমৰ মানুহৰ নিজৰ কিছুমান বিশেষ বিশেষ সমস্যা আছে, সেইবোৰৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিব লাগিব। অসমৰ এটা সুকীয়া বিশ্ববিদ্যালয় নাথাকিলে অসমৰ সাংস্কৃতিক অগ্ৰগতিৰ কথাই কোনেও নোতোলে। এইবোৰ দিশত আৰোপ কৰিব লগীয়া বিশেষ গুৰুত্বৰ বাহিৰে প্ৰস্তাৱিত বিশ্ববিদ্যালয়টো যিকোনো বিশ্ববিদ্যালয়ৰ দৰেই হ'ব।"

ডাইং কাল্‌চাৰ ঃ

মোৰ এইবোৰ কথা কোনোবাই বিশ্বাস কৰিছেনে নাই, ক'ব নোৱাৰোঁ। আজি বহুতৰে মনত সি স্বপ্ন যেনেই লাগিব। স্বপ্ন হয়। কিন্তু ভগা স্বপ্ন। পাহৰি যোৱা সপোন। মই এইখিনি কথা ন্যাস সমিতিৰ ছপা সপ্তম বুলেটিনৰ পৰা লিখিছোঁ। সেইখন দাতাসকলৰ কাৰণে, সুকীয়া বিশ্ববিদ্যালয় আন্দোলন কৰাসকলৰ এখন দলিল। বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ বাবেও সি এখন দলিল। কিন্তু কৰ্তৃপক্ষই দলিলখন সম্ভৱতঃ ইচ্ছা কৰিয়ে পাহৰি পেলালে। সুবিধাজনক বিস্মৰণ। ন্যাস সমিতিয়ে দান সংগ্ৰহ কৰিবৰ কাৰণে প্ৰস্তাৱিত বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগ আৰু আৱশ্যকীয় ভৱনৰ এখন বিস্তৃত আঁচনি তৈয়াৰ কৰিছিল আৰু সেই আঁচনিৰ ভিত্তিত বদান্যসকলৰ পৰা দানৰ নগদ ধন আৰু প্ৰতিশ্ৰুতি পাইছিল। তেনে এক আঁচনি আছিল ইন্‌স্টিটিউট্ অব্ ফাইন্ আৰ্টছৰ, কাৰণ ললিত কলাৰ বিকাশ নোহোৱাকৈ এটা সভ্য জাতি হ'ব নোৱাৰে। এই অনুষ্ঠানৰ শিতানত ত্ৰিছ হেজাৰ প্ৰাথমিক খৰচ ধৰা হৈছিল। সেই অৰ্থে চন্দ্ৰকমল বেজবৰুৱাৰ পুত্ৰসকলৰ বলমা চাহ কোম্পানিয়ে পঁচিছ হেজাৰ টকাৰ দান আগ বঢ়াইছিল আৰু তাৰে বুকৰ দহ হেজাৰ টকা আদায় দিছিল। এই দহ হেজাৰ টকা বিশ্ববিদ্যালয়ৰ হিছাপ বহিত আছেনে নাই, ক'ব নোৱাৰোঁ। নাথাকিলে ক'লৈ যাব? এনে টকা কোনোবাই দিয়ক নিদিয়ক, থাকক নাথাকক, সুকমাৰ কলা বিভাগ এটা খোলাৰ পৰিকল্পনা এটাতো পুৰণিয়েই হওক বা নতুনেই হওক, হ'ব লাগিছিল।

অসমৰ সংস্কৃতিৰ প্ৰতিশ্ৰুত আন অধ্যয়নৰ ফালেৰা আমি কিমান গতি কৰিছো, সেই প্ৰশ্ন 'নীলাচল'ৰ সম্পাদকে তুলিছে। গুৱাহাটী

বিশ্ববিদ্যালয়ে 'যেইকোনো বিশ্ববিদ্যালয়ৰ দৰে' নহৈ বিশেষ হ'ব খুজিছিল। কিন্তু তাক বাওনা কৰি ৰখা হ'ল কিয়? সি কৰিব খোজাবোৰ কৰিবলৈ দিয়া নহ'ল কিয়? নীলাচলে আক্ষেপ কৰিছে, "এখন বিশ্ববিদ্যালয়ৰ নিম্নতম প্ৰাথমিক দায়িত্বখিনি পালন কৰাৰ বাহিৰে গুৱাহাটী বিশ্ববিদ্যালয়ে সামাজিক দায়বদ্ধতাৰ কোনো উল্লেখযোগ্য পৰিচয় আৰু বৌদ্ধিক উৎকৰ্ষৰ নতুন মানদণ্ড প্ৰতিষ্ঠা কৰিব পৰা নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমৰ জনসাধাৰণৰ প্ৰধান প্ৰত্যাশা আছিল এয়েই যে ই অসমৰ ভাষা-সংস্কৃতিৰ চৰ্চা আৰু বিকাশত সক্ৰিয় আৰু সৃষ্টিশীল ভূমিকা গ্ৰহণ কৰিব। কিন্তু সেই আশা এতিয়াও পূৰণ হোৱা নাই।" পঁচিছ বছৰতে সকলোখিনি পূৰণ হোৱা সম্ভৱ নহয়; কিন্তু তাৰ আগন্তুকটো দেখিলেও 'অসমৰ জনসাধাৰণে' আশ্বাস পাব পাৰে। বিশ্ববিদ্যালয়ৰ পিতাসকলে অসমীয়া ভাষা-সংস্কৃতিৰ চৰ্চাৰ যি আশ্বাস দিছিল জনসাধাৰণক, বিশ্ববিদ্যালয়ৰ বিধতাসকলে (সকলোৱে নহ'লেও দুই-এজনে) সেই প্ৰতিশ্ৰুতিৰ লগত বাগটি খেলিবৰ প্ৰয়াস পাইছে। মই যদি The days of culture are gone, and those of sophisters, economists and calculators have arrived বুলি কওঁ, মোক বাৰ্কৰ নকল প্লেটফৰ্ম বক্তা বুলি লোকে ক'ব! কিন্তু সেয়ে মোৰ অনুভৱ আৰু অভিজ্ঞতা। মোৰ বিশ্বাস, এটা জাতিৰ যিটো জিনিয়াছ, কালিকা, সেই অনুসৰি সি বৃদ্ধি লাভ কৰিব লাগিব, আৰু তাকেই গুৱাহাটী বিশ্ববিদ্যালয়পৰা পিতৃসকলে আশা কৰিছিল। নহ'লেনো কলিকতা বিশ্ববিদ্যালয়ৰপৰা আঁতৰি অহাৰ কি প্ৰয়োজন আছিল? সেই প্ৰয়োজন পাহৰি যোৱাৰ কাৰণেই বিশ্ববিদ্যালয় ঠিহিৰা লাগি আছে আৰু বৌদ্ধিক উৎকৰ্ষৰ মানদণ্ডৰ ভু নোপোৱা হৈ আছে বুলি অভিযোগ উঠিছে জনসাধাৰণৰ প্ৰত্যাশা পূৰণ কৰাৰ প্ৰয়োজন নকৰা আৰু গজদন্তৰ গম্বুজ হোৱাৰ উপক্ৰম কৰিছে। মাজে মাজে দিয়া সংকটৰ বোধ হয় সেয়েহে মূল কাৰণ। অসমীয়া ভাষা-সাহিত্যৰ-সংস্কৃতি 'যেইকোনো বিশ্ববিদ্যালয়ৰ দৰে' এটা বিশ্ববিদ্যালয় কৰিব খোজাসকলৰ (তেনেকুৱা খোজাটোৱে তেওঁলোকৰ বাবে কিমান সুবিধাজনক!) কাৰণে কি এটা অদৰ্কাৰী বস্তু, চাওক। বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰম সৌভাগ্য যে ডক্টৰ বাণীকান্ত কাকতি, ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা দৰে কাণ্ডাৰী প্ৰথম ভাগতে পাইছিল, আৰু সিসকলৰ বাহিৰে কৃষ্ণকান্ত সন্দিকৈ আদি মনীষীসকলে গোট খাই উদাৰ আৰু ভৱিষ্যত-মুখী দৃষ্টিৰে বিভাগৰ পাঠ্যক্ৰমত ভাষা, সাহিত্য আৰু সাধাৰণ সংস্কৃতি সামৰি লৈছিল। আন ভাৰতীয় বিশ্ববিদ্যালয়ে তুলনামূলক সাহিত্য বোলা এটা বিষয় উলিওৱাৰ আগতে তেনে বিষয়ৰ মৰ্ম সেই পাঠ্যক্ৰমৰ ধৰ্ম কৰা হৈছিল। সৰ্বভাৰতীয় ক্ষেত্ৰত এই বিভাগৰ অস্তিত্ব এতিয়াও অনুভূত হয়— অন্ততঃ মাজে মাজে। গৱেষণাৰ ক্ষেত্ৰত বিভাগটোৰ পতাকা আগৰেপৰা জিলিকি আছে। কিন্তু বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশক্ৰমে যেতিয়া বিশ্ববিদ্যালয়ে এখন গৱেষণা পৰিষদ কৰিলে, তাৰপৰা এই বিভাগক আঁতৰাই ৰখা হ'ল। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰেমত পৰিষদ গঢ়োঁতাজনে এই কামফেৰা কৰিলে বুলি ক'লে কোনে বিশ্বাস কৰে, কৰি থাকিব। কিন্তু এই সুকৰ্মৰ উদ্দেশ্য কি আছিল? তাৰ বিচাৰ কৰিব লগীয়া হ'লে এটা বাতৰি মই সংস্কৃতি-প্ৰেমীসকলক দিব লাগিব। বিশেষ এটা পশ্চিম অঞ্চলৰ ভাষাৰ গৱেষণাৰ অৰ্থে বিভাগৰ এখন আঁচনি আছিল, তাৰ হকে বিশ্ববিদ্যালয় গৱেষণা আয়োগে অনুদান দিছিল। কিন্তু পৰিষদ-গঠনৰ লগে লগে আঁচনিখন ধানৰ খেৰৰ জুমুধিৰ মাজৰ বেজী হ'ল; অনুদান হ'ল উধাও। অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰতি বিধতাসকলৰ এয়ে প্ৰেমৰ নিদৰ্শন। তথাপি যদি সেই বিশ্ববিদ্যালয়ৰ যোগে সেই সংস্কৃতিৰ বিকাশ বিচৰা হয়, পৰ্বততো কাছকণি পোৱা যাব পাৰে। কিন্তু অসমীয়া বিভাগৰ আনুগত্য বিশ্ববিদ্যালয়ৰ আদৰ্শৰ প্ৰতি, অসমীয়া জাতিৰ প্ৰতি সদায় আছে আৰু থাকিব। গৱেষণা পৰিষদে যি কৰক বা নকৰক, বিভাগে নিজৰ কাম পাহৰি নাযায়। সকলো গৱেষণাই অতীত-মুখী, কাৰণ অন্ততঃ বুৰঞ্জী অতীতক লৈহে। ডক্টৰ কাকতিয়ে ক'বৰ দৰে, আগৰপৰা পৰি থকা জাবৰ আৰু বাখৰৰ ওপৰত ছাৰ্চলাইট্ বা জোৰৰ পোহৰ পেলোৱাই বিছাৰ্চ বা গৱেষণা; কিন্তু সাৰ্থকতাপূৰ্ণ সকলো গৱেষণাই ভৱিষ্যত-মুখী, কাৰণ কালি আৰু আজিৰ মূল্যায়ন নহ'লে ভৱিষ্যত গঢ়াত দিশৰ আউল লগাৰ সম্ভাৱনা। আমাৰ বিভাগত অন্ততঃ সাম্প্ৰতিকতম সাহিত্য নিষিদ্ধক্ষেত্ৰ নহয়; গৱেষণাৰ এজন ছাত্ৰই আধুনিক অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাৱ বিশ্লেষণ কৰি কাম সামৰা অৱস্থা পাইছেহি। তাৰ বাবে অৱশ্যে কোনেও পিঠিত চপৰিওৱা নাই। চপৰিয়াব নেলাগেও। নিজৰ সংস্কৃতিক ভাল পালে অকাম ভৃত্যৰ সেয়া বনেই।

শিক্ষা আৰু মানৱ মূল্যৰ প্ৰতীক ঃ

"শিক্ষা হকে জীৱন উছৰ্গা কৰা শিক্ষকসকলৰ ত্যাগৰ আদৰ্শৰ সংস্পৰ্শ"ৰ যি প্ৰতিশ্ৰুতি ১৯৪৫ ছনত বিশ্ববিদ্যালয়ৰ পিতৃসকলে ভৱিষ্যতৰ বিদ্যাৰ্থীসকলক দিছিল, তাৰো সম্পূৰণৰ বোধ হয়, এতিয়া এটা বিচাৰ হ'ব পাৰে। এই বিচাৰ কৰিব বিদ্যাৰ্থীসকলে আৰু বিশ্ববিদ্যালয় যাৰ সম্পত্তি হ'বৰ কথা আছিল, সেই জনসাধাৰণে। 'নীলাচল'ৰ সম্পাদকে আমাৰ ল'ৰা-ছোৱালীহঁতক ইয়াৰ অনুৰূপ এটা প্ৰশ্ন কৰিছে। জনসাধাৰণকো কৰক। শিক্ষকসকলকো সুধিব পাৰে, কিবা প্ৰতিশ্ৰুতিৰ কথা সিসকলৰ মনত পৰে নেকি? আনফালে কি সামগ্ৰী লৈ তেওঁলোকে কাম কৰিব লগীয়া হয়, তাৰো খবৰ ৰাখিব। বিশেষকৈ মানৱিকী বিষয়ত এইটো ডাঙৰ প্ৰশ্ন হৈ উঠিছে। প্ৰথম কন্‌ভেন্‌চনতে আৰ্থিক দুৰৱস্থালৈ চাই "তৃতীয় শ্ৰেণীৰ ছাত্ৰৰে আমাৰ বিশ্ববিদ্যালয় ঠাহ খুৱাই শিক্ষণ-কাৰ্যকে আহুকলীয়া কৰি পেলাব নেলাগে।" এনে এটা মত পোখাইছিল সি ক'লৈ গ'ল? প্ৰতিবাৰ ছাত্ৰ-ভৰ্তি কৰা সময়ত বিশ্ববিদ্যালয়ে আৰ্থিক দুৰৱস্থাৰ কথা উঠে, গণতন্ত্ৰৰ আদৰ্শ প্ৰৱল হয় আৰু বাতৰিকাকতেও ভৰ্তি বিচৰা ল'ৰাবোৰ ক'লৈ যাব বুলি বেজাৰ কৰে। কিন্তু তেওঁলোকক জীৱনৰ বাবে উপযোগী কৰা সেইটো জানো উপায়? তেওঁলোকৰ জীৱনৰ মূল্যবান আৰু দুটা বছৰ অপচয় কৰিবলৈ দি তাৰ আগতে পাব পৰা সুযোগৰ বাবেও কেতিয়াবা অপাত্ৰ কৰি পেলোৱা হয়। মই শিক্ষকহে, শিক্ষাবিদ্ নহওঁ। গতিকে শিক্ষাক্ষেত্ৰত আমাৰ প্লেন কেতিয়া হ'ব, তাৰ ভৱিষ্যদ্বাণী কৰা মোৰ সম্ভৱ নহয়। কিন্তু এই প্লেনৰ অভাৱে আমাৰ শিক্ষাক অধিকতকৈ অধিকতৰ সঙ্কটাপন্ন কৰি আনিছে। তাৰ মাজে সংস্কৃতিৰ বিকাশ-সাধন আৰু জনসাধাৰণৰ জীৱনৰ মানৱ উন্নতি সাধন আমাৰপৰা ৰৰকৈ আশা কৰিব নাপায়।

বিশ্ববিদ্যালয়-প্ৰতিষ্ঠাৰ দিনটোৰ আগদিনা ন্যাস-সমিতিৰ সচিব আৰু বিশ্ববিদ্যালয়ৰ অধিনিয়ম-ৰচক ফখৰুদ্দিন আলী আহমদ চাহাবে তৃতীয়খন বিশ্ববিদ্যালয় কন্‌ভেন্‌চনক কৈছিল— "অধিনিয়মখনৰ বিষয়ে সৰহ কথা কোৱাৰ ঠাই এয়া নহয়। তেও বুলি, এই কথা আঙুলিয়াই দিবই লাগিব যে যিখন বিশ্ববিদ্যালয় সৃষ্টি কৰা হৈছে, সি চৰকাৰৰ নিয়ন্ত্ৰণ আৰু নিৰ্দেশৰপৰা সম্পূৰ্ণভাৱে মুক্ত। যিসকলৰ শিক্ষাৰ প্ৰতি আসক্তি আছে আৰু সেই উদ্দেশ্যে উৎসৰ্গ আছে, ইয়াক সিসকলৰ মাথোন তত্ত্বাৱধানৰ বিষয় কৰাটো আমাৰ প্ৰযত্ন আছিল। বিশ্ববিদ্যালয়ে কি গঢ় ল'ব, সি শিক্ষাব্ৰতীসকলৰ হাতত। চমুকৈ ক'ব লাগিলে, তেওঁলোকেই বিশ্ববিদ্যালয়ৰ আশা-ভৰসা পিঠা-গুৰিৰ টেকেলিটো ৰাখিলে ৰাখিব পাৰে, ভাঙিলে ভাঙিব পাৰে। আমি তেওঁলোকৰ কৃতকাৰ্য্যতা কামনা কৰিলো আৰু বিশ্বাস কৰিলো, তেওঁলোক মহত্তম আদৰ্শৰ দ্বাৰা পৰিচালিত হ'ব আৰু বিশ্ববিদ্যালয়খনক কেৱল শিক্ষাৰে নহয় মানৱতাবাদৰ মূল্যবো এক

প্রতীক কৰি গঢ়াত তেওঁলোকে আত্মনিয়োগ কৰিব।"

একাডেমিচিয়ানসকলত ব্যস্ত এই ন্যাস সিসকলে ৰাখিলেনে নাই, সেইটো বিচাৰ কৰিবলৈ সময় দিওঁতে নিদিওঁতেই চৰকাৰ বিশ্ববিদ্যালয়ৰ ভৱিষ্যত সম্পর্কে সন্দিহান হৈ উঠিল। এবছৰৰ ভিতৰতে বিধায়কসকলৰ নিয়াৰিত সংশোধনী বিলৰ এচটা কেঁচা লো পেলাই দিয়া হ'ল। এই ব্যৱস্থাই কেনেকৈ ১৯৬২-ৰ প্রলয় মাতি আনিলে আৰু কেনেকৈ সমস্ত অধিনিয়মখন তাৰ লগে লগে সংশোধন কৰিব লগীয়া হ'ল, সেয়া আজি বুৰঞ্জীৰ কথা হৈছে; ইয়াত আৰু তাৰ কথা প্রৱর্তন নকৰোঁ। কিন্তু তাৰপৰা এইটো অন্ততঃ বুজিব পাৰি, বিশ্ববিদ্যালয়ৰ আদর্শ আমাৰ অন্তৰত সুথিৰ হৈ সদায় থকা নাই আৰু তাৰ ফলত বিশ্ববিদ্যালয়ৰ পঁচিছটা বছৰৰ বহুত বছৰ দিপৰ বিলত পৰিছেগৈ। অনুষ্ঠানটোৱেও সেই দেখি অপৰিণত যৌৱনৰ অস্থিৰতাত ভুগি আছে।

দি ফার্স্ট চার্কোল ঃ

'অতীত মৰিল গ'ল, তাৰ কথা অন্ত হ'ল, মনৰপৰাই তাক কৰা বিসর্জন।' স্টেলিন যিদিনা আঁতৰিল বা মৰিল, সেইদিনা সকলোৰে মুখত আ-বা আ-বা! সোঁৱৰে যদি সুঁৱৰিব আলেকজেণ্ডাৰ ছল্‌জেনিট্‌ছিনৰ দি ফার্স্ট চার্কোল। কিন্তু সকলোৱে কাৰণেতো আৰু দুৱৰা কৰিব পাহৰণি নৈখনি নাই, তেওঁৰ কাৰণেও যেনেকৈ নাছিল। পাহৰণি-ধানৰ জয়খামডাং খাতখন আছে ক'ত? গুৱাহাটী বিশ্ববিদ্যালয়ৰো বহুতে হেনো গুৱাহাটী বিশ্ববিদ্যালয় ন্যাস-সমিতিৰ কথা নাজানে। তেওঁলোকৰ কাৰণেইতো এইবোৰ লেখিব লগীয়া হৈছে। জনাসকলকতো লাগেই ইয়াৰ হিচাপ। কিন্তু বিশ্ববিদ্যালয় কর্তৃপক্ষই পঁচিছ বছৰে কথাবোৰ নাজানি আহিছে, সিহে তাজ্জুবৰ বুৰঞ্জী। এই তাজ্জুবটো আৰু গভীৰ হ'লহেঁতেন যদি বিশ্ববিদ্যালয়ৰ প্রথম বিলখন ছিলেক্ট কমিটিৰ হাতত থকা অৱস্থাত এই ছেদটো লগাই দিয়া নহ'লেহেঁতেন ঃ 1. (3) The Gauhati University Trust Board shall be dissolved and all properties and rights now vested in the said Trust Board shall be transferred to and vest in the said University on such date as this Act may come into force. বিলখনৰ প্রিএম্বোলৰ ভিতৰতো ১৯৮২ ছনৰ ভাৰতীয় ন্যাস অধিনিয়ম অনুসৰি পঞ্জীকৃত ন্যাস সমিতিখন ভঙ্গ কৰি তাৰ সম্পত্তি আৰু স্বত্ব নৱ-প্রতিষ্ঠিত বিশ্ববিদ্যালয়ত বর্তাবৰ অৱসৰ হৈছে বুলি কোৱা হৈছে। কোনো বিচক্ষণ অধিবক্তাই হয়তো ক'ব, ইয়াত সম্পত্তি আৰু স্বত্বৰ কথাহে কোৱা হৈছে, দায় আৰু কর্তব্যৰ কথা কোৱা হোৱা নাই; গতিকে ন্যাস সমিতিয়ে যিহকে কওক লাগিলে, বিশ্ববিদ্যালয় তাত বান্ধ নাখায় আৰু ন্যাস সমিতিয়ে বিশেষ কামৰ বাবে লোৱা ধন বিশ্ববিদ্যালয়ে সেই কামৰ কথা পাহৰি য'তে ত'তে খৰচ কৰিব পাৰে। এনে যুক্তি বর্তিলে অৱশ্যে ন্যাস সমিতিয়ে সুন্দৰী গঢ়াৰ প্রতিশ্রুতি দিয়াৰ ঠাইত বিশ্ববিদ্যালয়ে বান্দৰী এজনী থিয় কৰিলে নগৰত একো জগৰ নালাগে। কিন্তু জাতিৰ বিৱেক বুলিও যে এটা কথা আছে, তাক ক'ত থোৱা যাব? গতিকে ন্যাস-সমিতিৰ হাতত থকা জাতিৰ আশা আৰু বিশ্বাসৰ ন্যাসটো বিশ্ববিদ্যালয়ে পুহি-পালি খাব লাগিব। ৰূপালী জয়ন্তীৰ আনন্দ-কোলাহলৰ মাজতে বিশ্ববিদ্যালয়ৰ আয়-ব্যয়কৰ ঘাটিৰ হুমুনিয়াহটো মাইক ফালি ওলাই আহিছিল। দুটা ফকৰা মনত পৰিল— ত'তো নাহিলো পাই, এখেতো পাবলৈ নাই। নকৈ নার্জো, পুৰণি খাওঁ, ভিক্ষা দিয়া মাও, ঘৰলৈ যাওঁ। ধনৰ দুখীয়া হ'লেও মনৰ দুখীয়া কিয় হ'ব লাগে?

স্বপ্ন, অসমীয়া স্বপ্ন ঃ

যোৱা বছৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম লৈ হোৱা আলোড়নৰ সময়ত এটা প্রশ্ন উঠিছিল, যেনেকৈ শিলচৰৰ গুৰুচৰণ কলেজে সংখ্যালঘু বঙলাভাষীসকলৰ কাৰণে প্রতিষ্ঠিত হোৱা বুলি দাবী কৰিছিল (চূড়ান্ত ন্যায়লয়ত ই অসত্য বুলি প্রমাণিত হ'ল), তেনেকৈ অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ-সংবর্ধনৰ বাবে প্রতিষ্ঠিত হোৱা বুলি গুৱাহাটী বিশ্ববিদ্যালয়ে দাবী কৰিব নোৱাৰে জানো? কথা জনা মানুহেই এই কথা কৈছিল; কাৰণ গুৱাহাটী বিশ্ববিদ্যালয় আন্দোলনৰ গুৰি-কথা সেয়ে, তাৰ পূর্বৰ অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয় বিচৰা আন্দোলনৰো মূল কথা আছিল সেয়ে।

ছেদলাৰ আয়োগেই পোনতে আমাৰ চিন্তাধাৰাৰ সেই ফালে মু' কৰাই দিয়ে ঃ 'কলিকতাই নিয়ন্ত্রণ কৰা পৰীক্ষাই যেতিয়ালৈকে ইয়াৰ (কটন কলেজৰ) অধ্যয়ন নিয়ন্ত্রণ কৰিব, তেতিয়ালৈকে নিজ জাতিৰ চৰিত্র আৰু আৱশ্যক অনুসৰি গুৱাহাটীয়ে পঠন-পাঠনৰ গঢ় দি ল'ব নোৱাৰে।' ১৯২০ ছনত ভাৰত চৰকাৰৰ হৈ চিফ কমিছনাৰ ছাৰ নিকলছ বিট্‌ছন বেলে লেখা চিঠিতো কোৱা হৈছিল, 'অসমৰ শিক্ষাৰ সমস্যাবোৰ তাৰ বাহিৰৰ আকৃতিতে নহয়, ভিতৰৰ প্রকৃতিতো বঙ্গৰ শিক্ষাৰ সমস্যাৰপৰা সুকীয়া।' তেওঁ কয় যে বঙ্গৰ সহায়-সহানুভূতি একো নেথাকিলেও অসমে নিজৰ সমস্যা নিজে সমাধান কৰি ল'ব লাগিব। আজিৰ বঙালী কাছাৰে যেনেকৈ অসমৰ পৰা সুকীয়া ধৰণে চিন্তা কৰিবৰ যত্ন কৰিছে, তেনেকৈ তেতিয়াও অন্ততঃ লাহে লাহে বঙালী সুৰমা উপত্যকাই অসমৰ আশা-আকাঙ্খাবোৰক পোনতে অৱহেলাৰে আৰু তাৰ পিছত সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰিছিল, আৰু আন বিষয়ৰ দৰে এই বিষয়তো 'ভেলি বিকাৰিঙেই' অসমৰ উদগতিৰ, এটা বিশ্ববিদ্যালয়ৰ জন্মৰ প্রতিবন্ধক ৰূপে থিয় হৈছিল। দেশ স্বাধীন হোৱাৰ লগে লগে যেতিয়া চিলট পূব পাকিস্থানলৈ গ'ল, তেতিয়াহে খণ্ডিত সুৰমা উপত্যকাৰ এই অৱহেলা, সন্দেহ আৰু প্রতিবন্ধক পমি গৈ 'বেতনিত ঔ পৰিল বাসুদেৱায় নমঃ' অৱস্থা এটাৰ সৃষ্টি হ'ল। সেই দেখিয়েই ১৯৪৭ ছনত বিশ্ববিদ্যালয় বিল বিধান সভাইদি সহজে সৰকি আহিল।

সুকীয়া বিশ্ববিদ্যালয়ৰ স্বপ্নটো গুৰিৰপৰাই বঙালীৰ স্বপ্ন নাছিল; সেই স্বপ্নৰ জাত আছিল অসমীয়া। ১৯৩৫ ছনৰ বিশ্ববিদ্যালয় আন্দোলনৰ সময়ত ছাৰ চি. ভি. ৰামনে কোৱা এআষাৰ কথা এয়া ঃ 'The natural desire of the Assamese people to have a University of their own will, I am sure, receive universal support.' কিন্তু সিটো উপত্যকাৰপৰাই অসমীয়াৰ বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে প্রতিবাদ, ঘোৰ প্রতিবাদ উঠিছিল। অধ্যক্ষ কৃষ্ণকান্ত সন্দিকৈদেৱে সেই দেখি বতৰৰ কথা বতৰতে কৈছিল, "যদি অসমৰ সুকীয়া বিশ্ববিদ্যালয়ৰ স্থান অসম উপত্যকাতে হয় আৰু যদি তাত অসমীয়া ভাষাৰ দাবী স্বীকাৰ কৰি লোৱাৰ যথেষ্ট ব্যৱস্থা কৰা হয়, তেতিয়া হ'লেহে মই অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয়ৰ ভাবটো সমর্থন কৰিম। আঞ্চলিক বিশ্ববিদ্যালয় প্রতিষ্ঠাপন আমাৰ বর্তমান সময়ৰ এটা স্পষ্ট শিক্ষাবিষয়ক বৈশিষ্ট্য হৈ উঠিছে আৰু কেৱল বিশ্ববিদ্যালয় আৰু মহাৰাষ্ট্র বিশ্ববিদ্যালয় স্থাপন কৰাৰ সিদিনাৰ প্রস্তাৱে সেই মনোভাৱকে সমর্থন কৰে।" এই ভাৰতৰ দুমুৰৰ দুজন শিৰফুটা শিক্ষাবিদ আৰু শিক্ষকৰ সাক্ষ্য।

কলিকতাৰ আসাম স্টুডেণ্টছ্ রেলফেয়াৰ লিগ আহ্বানত সমস্ত অসম জুৰি ১৯৩৫ ছনৰ ২১ মেই তাৰিখে অসম বিশ্ববিদ্যালয় দিৱস পালন কৰা হয়। শিলঙত সেইদিনা খাছি, লুছাই, নগাকে ধৰি অসমীয়া

ছাত্রৰ বিপুল সমাৱোহেৰে আসাম ক্লাবত এখন সভা হয়। অধ্যক্ষ সতীশচন্দ্র ৰায়, অধ্যক্ষ সুৰেন্দ্রনাথ সেন, মি. মেভিছ ডান, অধ্যাপক ছৰফুদ্দিন আহমদ চৌধুৰী সেই সভাত উপস্থিত আছিল আৰু সুকীয়া বিশ্ববিদ্যালয় ধাৰণাৰ পৃষ্ঠপোষণ কৰিছিল। তাতে এটা প্রস্তাৱ গ্রহণ কৰি কোৱা হয় যে সুৰমা উপত্যকাৰ কোনো কোনো মানুহে যেতিয়া অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয় হোৱা বিৰুদ্ধে থিয় দিছে, সভাই সিদ্ধান্ত কৰে যে বিশ্ববিদ্যালয়খন উপযুক্ত অসমীয়া (পার্বত্য জিলাবোৰ ধৰি) লোকৰ পৰিচালনাত গুৱাহাটীত প্রতিষ্ঠিত হ'ব লাগে, কাৰণ অসমীয়াক বিশ্ববিদ্যালয় লাগেই। মন কৰিব লগীয়া যে চৰকাৰী চাকৰিয়াল কাৰণে কটনৰ অধ্যক্ষ ৰায়, মুৰাৰিচান্দৰ অধ্যাপক সেন আৰু স্কুল পৰিদর্শক শৰৎচন্দ্র গোস্বামীয়ে প্রস্তাৱৰ সপক্ষে ভোট নিদিলে। গোস্বামীদেৱে কিন্তু ক'লে, অসমীয়া সংস্কৃতিৰ উৎকর্ষৰ অর্থে ই যদি বিশ্ববিদ্যালয় লাগে, সি গুৱাহাটীতে হ'ব লাগিব।

পেট-কামোৰণি আৰু কানিৰ ৰাগি ঃ

সিফালে সুৰমা উপত্যকাত তোলপাৰ। ২৫ এপ্রিল তাৰিখে শ্রীহট্ট টাউন হলৰ ঘাঁহনিত বহা বিয়াগোম প্রতিবাদ সভাৰ কথা আগতে কৈ আহিছো। সেই সভাৰ সভাপতি মৌলবী মহম্মদ আব্দুল্লাই অসমৰ সুকীয়া বিশ্ববিদ্যালয় এটাযে কি ভয়ঙ্কৰ বিপদৰ বস্তু হ'ব, ৰাইজক ভালকৈ বুজাই দিয়ে (তাৰ ৰাইজতো বুজাৰ ঘৰৰ ল'ৰাই সকলো!)। তেওঁ ৰাইজক স্মৰণ কৰাই দিয়ে যে পিয়লৰ অধ্যক্ষ মুলান ছাহাবে কৈ গৈছে, অসমখন হ'ল ভাষাতাত্ত্বিকৰ স্বর্গ আৰু মত প্রকাশ কৰে যে অসম হ'ল ১৫০ টা ভর্নেকুলাৰৰ এটা বেবেল। সেই ডেৰ শৰ ভিতৰৰ এটা ভাষা লৈ তাক প্রস্তাৱিত বিশ্ববিদ্যালয়ৰ মাধ্যম কৰাযে কি ভয়ঙ্কৰ এটা কথা হ'ব! সেইদৰে অসমীয়া ভাষা প্রয়োগ কৰাটোৰেই এক অপুদ্ঘাত কথা, কাৰণ অসমৰ প্রজাৰ শতকৰা ২০ হে অসমীয়া আৰু আনফালে শতকৰা ৪৫ হ'ল বঙলা-ভাষী! অসমীয়া মানুহবোৰে কিয় বাৰু এই আন্দোলন কৰে? তাৰ কাৰণ হ'ল মুলান ছাহাবে তেওঁৰ পিয়লৰ প্রতিৱেদনত তন্ন-তন্নকৈ দেখুৱাই দিছে, আজিৰপৰা শত বর্ষৰ ভিতৰতে শিৱসাগৰ জিলাৰ বাহিৰে সমস্ত অসম সাংস্কৃতিকভাৱে নির্বংশ হৈ যাব আৰু বঙলা ভাষা আৰু সংস্কৃতি সমস্ত প্রদেশখনত বিৰাজমান হ'ব। আন্দোলনটোৰ আৰু এটা কাৰণ হ'ল, অসমে চিলটখন লৈ বৰ আমনি পাইছে আৰু তাক 'ঘাটি জিলা' বুলি বদনাম দিছে। ইফালে আকৌ বোলে তেওঁলোকে এই 'বগা হাতী'টোৰপৰা ৰক্ষাও পাব নোৱৰা হৈছে। অসমীয়া ভাষাক মাধ্যম কৰি এটা বিশ্ববিদ্যালয় কৰাটো এটা সিয়ান বুদ্ধি হ'ব, যিটোৰ ভিতৰেদি চিলটৰ সাংস্কৃতিক পৰাজয় এডেও দুডেও লোটা নিবৰ ছেও কৰি সিদ্ধ কৰি পেলোৱা যাব।

সভাত বিশ্ববিদ্যালয় আন্দোলনক নানাভাৱে ইতিকিং কৰাও হৈছিল। বঙলা ভাষা-সংস্কৃতিৰ তুলনাত অসমীয়া ভাষা-সংস্কৃতিক ফুঁতে উৰুৱাই দিয়া হৈছিল। যিখন প্রদেশত ছাৰ তাৰকনাথ বা ছাৰ ৰাসবিহাৰীৰ দৰে এজন দাতা ওলোৱাৰ সম্ভাৱনা নাই, তাত আকৌ বিশ্ববিদ্যালয়! অসম্ভৱ কথা। এটা মেডিকেল বা ইঞ্জিনীয়াৰিং কলেজ পাব নোৱৰা প্রদেশখনে আকৌ কি বিশ্ববিদ্যালয় কৰে। বিশ্ববিদ্যালয় এটা যদি ইয়াত দৈৱ-দুর্বিপাকত হয়ো, সি হ'ব এটা পিগ্‌মি। এইদৰে যুক্তিৰ ওপৰত যুক্তি আনি এটা বৰমেজি সজা হৈ গ'ল। কোনো বক্তাই শালীনতাবোধো অঁতৰাই থৈ ক'লে, অসমত কিজানি কানি-প্রচলনৰ বাধা-নিষেধটো গুচাই পেলোৱা হৈছে, নহ'লে অসমৰ কাৰণে বিশ্ববিদ্যালয়-স্থাপনৰ নিচিনা এটা হাস্যস্কৰৰূপে অসম্ভৱ প্রস্তাৱ কাৰোবাৰ মগজত খেলায়নে! সেইজনা বক্তাই অসম উপত্যকাত বঙালী ল'ৰাই অসমীয়া পঢ়িব লগীয়া হোৱা চৰম দুর্গতিৰ কথা সোঁৱৰাই দি কয়, যি মুহূর্তেই অসমৰ বিশ্ববিদ্যালয় প্রতিষ্ঠা হ'ব, সেই মুহূর্ততে বঙালী ল'ৰাবোৰক অসমীয়া সংস্কৃতিৰ বানপানীয়ে উটুৱাই লৈ যাব। অসমৰ যদি এটা বিশ্ববিদ্যালয় হ'বলৈ হ'ল, সুৰমা উপত্যকাতো অসমীয়া ভাষাৰ টিঘিল্‌ঘিলনি চলিব। গতিকে, বিশ্ববিদ্যালয়টো হ'লেই বঙলা সংস্কৃতি আৰু ঐতিহ্যৰ অসমত মৃত্যু ঘটিব, আৰু গতিকে, সেই বিশ্ববিদ্যালয় হোৱাত আমি সর্বপ্রকাৰে সম্ভৱ বাধা দিবই লাগিব। বহুত হাত-চাপৰি!

জাহ্নবী-যমুনা-বিগলিত-কৰুণা ঃ

অসম উপত্যকাত চিলটীয়াসকলৰ সকলো যুক্তিৰ প্রতিযুক্তি দিয়া হৈছিল, তেওঁলোকৰ কটু কথাৰ প্রতিবাদ কৰা হৈছিল। যি সময়ত বঙ্গীয় সভ্যতাৰ উৎফল্ল চিলটীয়াই অসমীয়া জাতি আৰু তাৰ আশা-আকাঙ্খাক নিন্দা-তিৰস্কাৰ কৰিছিল, সেই সময়ত আসাম এছোচিয়েছনৰ হৈ প্রধান সম্পাদক যোগেন্দ্রনাথ বৰুৱা আৰু এছোচিয়েছনৰ বিশ্ববিদ্যালয় সমিতিৰ সম্পাদক গোপীনাথ বৰদলৈয়ে অসমত বিশ্ববিদ্যালয়-স্থাপনৰ যিখন আঁচনি তৈয়াৰ কৰিছিল, তাত অসমীয়াৰ লগতে বঙলা আৰু হিন্দীবো শিক্ষণৰ ব্যৱস্থাক সামৰি লৈছিল, কাৰণ 'ডক্টৰ টেগোৰ, বঙ্কিম চেটার্জি, ডি. এল. ৰায় আৰু আনসকলৰ লেখনীৰ দ্বাৰা সমৃদ্ধ হোৱা সাহিত্যৰপৰা আমি আঁতৰি থাকিব নোৱাৰোঁ।'

এয়া দুখন ছবি। এখন চিলটৰ। আনখন গুৱাহাটীৰ। মন্তব্য নিষ্প্রয়োজন।

আত্মৰক্ষা ঃ অসম বিশ্ববিদ্যালয় অসমীয়া বিশ্ববিদ্যালয় ঃ

অসমৰ বিশ্ববিদ্যালয়ক যদি অসমীয়া বিশ্ববিদ্যালয় কৰিবৰ যত্ন কৰা হৈছিল, সি আমাৰ আত্মৰক্ষাৰ কাৰণেহে। বর্তমান শতিকাৰ পঞ্চম দশকৰ আগ ভাগতে বঙ্গদেশৰ মন্ত্রিসভাৰ উত্থাপিত মাধ্যমিক শিক্ষা বিল লৈ হৈ-চৈ লাগি পৰিছিল আৰু অসমত সিয়ে গুৱাহাটী বিশ্ববিদ্যালয় আন্দোলনৰ কাৰণ হৈ পৰিছিল। 'বাঁহী'ৰ সম্পাদক মাধৱচন্দ্র বেজবৰুৱাই লেখিলে (মেই ১৯৪৪), "এতিয়া অসমীয়াৰ কর্তব্য কি? অসমীয়াৰ কর্তব্য এটাৰ বাহিৰে দুটা নাই। বর্তমান অসমীয়াৰ কর্তব্য হৈছে লোকৰ লেজুত ধৰি বল দিবলৈ নগৈ নিজে নিজে নিজাকৈ বিশ্ববিদ্যালয়টো পাতি লোৱা।" শিক্ষা বিলখনত সাম্প্রদায়িকতাৰ উৎকট গোন্ধ এটা সকলোৱে পাইছিল। "অসম দেশখন যাতে বঙ্গদেশৰ এই কলুষিত হাৱাত পৰিবলৈ নাপায়, তাৰ ব্যৱস্থা ল'বলৈ সাজু হৈ অসম বিশ্ববিদ্যালয় আন্দোলন পুনৰ আৰম্ভ কৰিম।"

সাদিনীয়া 'অসমীয়া'ৰ সম্পাদকৰূপে জ্যোতিপ্রসাদ আগৰৱালাই বেজৰ আহ্বানত সঁহাৰি দি লেখিলে, "আজিৰ দিনত সভ্য জগতত উপযুক্ত স্থান বিচৰা এটা জাতিৰ কাৰণে এটা নিজস্ব বিশ্ববিদ্যালয় যে অপৰিহার্য, এই কথাটো প্রতিক্রিয়াশীল গৱর্ণমেণ্টে নুবুজিলে বুলিয়েইযে অসমীয়া ৰাইজেও উপলব্ধি নকৰাকৈ আছে, এনে নহয়। অসমীয়া চহৰীয়াৰ পৰা গাঁৱলীয়ালৈকে, পণ্ডিতৰপৰা ছাত্রলৈকে সকলোৱেই বুজিব পাৰিছে যে আজি আমাৰ এটা বিশ্ববিদ্যালয় পাতি যদি অসমীয়াৰ চিন্তাশক্তি কেন্দ্রীভূত কৰিব নোৱাৰি, তেন্তে আমাৰ জাতীয় সংস্কৃতি বিপন্ন হ'ব।"

ব্রিটিঃশৰ কবলত অসমীয়া ভাষাৰ দুর্গতি, তাৰ পুনঃপ্রতিষ্ঠাৰ দাবী, অ. ভা. উ. সা. সভাবোৰৰ ভূমিকা আদি স্মৰণ কৰি বিশ্ববিদ্যালয়-সংখ্যা 'অসমীয়া' কাকতত দেশনেতা কুলধৰ চলিহাই ক'লে, "এইবাৰ নতুন শাসনতন্ত্র গঠন হ'লে আমি কেতিয়াও বঙ্গ ভাষা-ভাষী শ্রীহট্ট আৰু কাছাৰৰ লগত সাঙোৰ খাই নাথাকোঁ। আৰু আৱশ্যক হ'লে তাৰ বাবে তীব্র আন্দোলন কৰি আমাৰ প্রদেশৰ বাবে নতুন সীমা ধার্য কৰিব

লাগিব। বর্তমান ব্যৱস্থাই জাতীয় জীৱনৰ পূর্ণ বিকাশত বাধা দি আহিছে। নতুন জাগৰণক বহুমুখী কৰিবলৈ হ'লে আমাৰ বিশ্ববিদ্যালয় এটা এতিয়াই স্থাপন কৰা নিতান্ত দৰকাৰ হৈ পৰিছে।"

অসমীয়া বিশ্ববিদ্যালয় বিচৰা অসমীয়ানো কোনবোৰ, তাৰ এটা সংজ্ঞাৰ আৱশ্যক হৈছিল। মাধৱ বেজবৰুৱাৰ 'বাঁহী'ত শৰৎচন্দ্ৰ গোস্বামীয়ে সেই সংজ্ঞা দিলে ঃ "যি লোকে অসমীয়া ভাষাক নিজৰ ভাষা বুলি স্বীকাৰ কৰিছে, আৰু অসমীয়া ভাষাক নিজৰ ভাষা বুলি স্বীকাৰ কৰিছে, আৰু অসমীয়াৰ কৃষ্টিক নিজা কৰি লৈ তাৰ প্ৰতি আদৰ কৰিব পাৰিছে, তেৱেঁই অসমীয়া। অসম উপত্যকাৰ আৰু দাঁতিকাষৰীয়া পৰ্বতীয়া আৰু সীমান্ত জিলাসমূহৰ অধিবাসীসকল অসমীয়া। এইসকল মানুহৰ কাৰণে এখন বিশ্ববিদ্যালয় লাগে। ... সত্তৰ লক্ষ অসমীয়া মানুহৰ কাৰণে এখন বিশ্ববিদ্যালয়ৰ নিতান্ত আৱশ্যক।"

সংস্কৃতিয়ে মূৰটো গোঁজা টোকোৰা-বাহ ঃ

অসমীয়া বিশ্ববিদ্যালয় হ'বলৈ হ'লে অসম উপত্যকাত, গুৱাহাটীত হ'ব লাগিব। এয়ে হ'ল গুৱাহাটী বিশ্ববিদ্যালয় আন্দোলনৰ তাৎপর্য। এই আন্দোলনে ৰূপ ল'লে শিৱসাগৰত যেতিয়া ন্যাস সমিতি এখন পতা হ'ল আৰু কন্‌ভেন্‌চন (এই শব্দটো আৰু ধাৰণাটো মোৰ মনত থকামতে জীৱনৰাম ফুকনৰ আছিল) এখন পতাৰো ঠিক হ'ল। তালৈ অসম উপত্যকা আৰু পার্বত্য জিলাসমূহৰ প্ৰতিনিধি নিমন্ত্ৰণ কৰা হ'ল। কাছাৰ আৰু শ্ৰীহট্টক মতা হোৱা নাছিল। মতা হ'লেও তেওঁলোকে কি অবাইচ মাতিলেহেঁতেন সকলোৱে জনা আছিল। কিন্তু নামাতিলেও তেওঁলোকে যে মাত নমতাকৈ থাকিব, তেনেটি নহয়। চিলটীয়া 'যুগের আলো' কাগজে কি অবাঞ্ছনীয় মন্তব্য এই প্ৰসঙ্গত কৰিছিল, তাক কন্‌ভেন্‌চনতে পদ্মধৰ চলিহাই উল্লেখ কৰিছিল। কন্‌ভেন্‌চন বহি যোৱাৰ পিছত (১৪ জানুৱাৰী, ১৯৪৫ সেইখন কাকতে সম্পাদকীয়ভাৱে লেখিলে, "স্থির হইয়াছে যে উক্ত বিশ্ববিদ্যালয়ের নাম গৌহাটী বিশ্ববিদ্যালয় হইবে এবং তাহা গৌহাটীতেই থাকিবে। উক্ত সভায় সুরমা উপত্যকার কোন নেতাকে নিমন্ত্রণ করা হয় নাই। সুতরাং দেখা যাইতেছে যে প্রস্তাবিত গৌহাটী বিশ্ববিদ্যালয়ে শুধু অসমীয়াদেরই স্থান থাকিবে।" দেখা গ'ল, ঔষধপালি কাঁপিলে। কিন্তু মৰিও মৰকামোৰ নেৰি সম্পাদকে যোগ দিলে, "সুরমা উপত্যকাকে কলিকাতা বিশ্ববিদ্যালয়ের অধীন রাখার ব্যবস্থা এখনকার মতই থাকিবে। তাহার ফলে বিশ্ববিদ্যালয় শিলংয়ে বা শ্রীহট্টে করার প্রস্তাব ফাসিয়া গেল।" একিল খাই এবুধি চপাৰ দৰে আৰু কোৱা হ'ল ঃ 'বিশ্ববিদ্যালয় আসামে একটি হওয়া আবশ্যক— তাহাতে আমাদের আপত্তি নাই। বিশ্ববিদ্যালয় কেন, আসাম হাইকোর্টও প্রতিষ্ঠিত হউক, ইহাই আমরা চাই। কিন্তু শুধু চাহিলেই ত হয় না। আসামের আয় বুঝিয়া ত চলিতে হইবে। আয় যেরূপ তাহাতে বিশ্ববিদ্যালয় পরিচালনা করা খুব সহজ হইবে না। তাহা ছাড়া বিশ্ববিদ্যালয় যদি গৌহাটীতেই হয় তবে গোয়ালপাড়া ও নওগাঁ জেলার বঙ্গ-ভাষা-ভাষীরা কোন বিশ্ববিদ্যালয়ের অন্তর্ভুক্ত হইবে? তাহাদের শিক্ষার বাহন বাংলা থাকিবে না কি? এবং সুরমা উপত্যকাবাসীদের দেয় রাজস্ব গৌহাটী বিশ্ববিদ্যালয়ের জন্য ব্যয়িত হইবে কিনা এই সমস্ত প্রশ্নের মীমাংসা হওয়া বাঞ্ছনীয়।" এই মীমাংসালৈ অহার আগতে বঙালীসকলৰ নিজৰ সাম্প্রদায়িক ঘৃণাৰ জুয়ে পোৱা ভাৰতবর্ষত ফাট মিলেলে। বঙ্গ দুফাল হ'ল। শ্রীহট্টও দুফাল হ'ল। গুৱাহাটী বিশ্ববিদ্যালয় যিটো অসম চৰকাৰে গঠন কৰিলে, তাতে শ্রীহট্ট নাথাকিল ৰাজস্বত নিজৰ ভাগ বিচাৰিবলৈ। সময়ে বোধ কৰোঁ নিবিচাৰিছিল যে গুৱাহাটী বিশ্ববিদ্যালয় জন্ম ল'ব নালাগে।

এই বিশ্ববিদ্যালয় হোৱাৰ মাথোন একেটাই যুক্তি আছিল। 'হিন্দুস্থান ষ্টেণ্ডার্ড' কাগজত ওলোৱা প্ৰবন্ধত বৰদলৈয়ে তাকেই লেখিছিল—

"If the University is at all wanted it is for the people of Assam proper. In modern India Assam is the only province and the Assamese are the only people without a cultural centre for higher education."

'বিশ্ববিদ্যালয় লাগে— এতিয়াই' এই শিতানত ১৯ এপ্রিল ১৯৪৬ তাৰিখে 'দৈনিক অসমীয়া'ৰ সম্পাদকৰূপে দেৱকান্ত বৰুৱাই ন্যাস সমিতিৰ 'দুবছৰ তিনি মাহ'ৰ কামৰ খতিয়ান লৈ এটি প্ৰবন্ধ লেখে। 'ঘোৰ দুর্দিন, ৰণুৱাৰ দপ্‌দপনি, সামৰিক যান-বাহনৰ হুলস্থূল, ভাত-কাপোৰৰ চিন্তা, এই সকলোবোৰে অসমবাসীক অতিষ্ঠ কৰি তোলা।' অৱস্থাত আৰম্ভ হোৱা বিশ্ববিদ্যালয় অভিযানৰ কথা লৈ তেওঁ কৈছিল, "ইয়াৰ আগেয়ে কোনো ৰাজহুৱা কামৰ বাবে ইমান সৰহ ধন উঠা নাছিল। ধন তোলাৰ বাহিৰেও বিশ্ববিদ্যালয়ৰ আঁচনি-ৰচনা, ঠাই-নির্ণয় প্ৰভৃতি কামো বহুখিনি আগবাঢ়িছে। এই কম সময়ৰ ভিতৰতে ইমানখিনি কাম হৈ উঠা সঁচাকৈয়ে বিশ্ববিদ্যালয়ৰ কর্মীসকলৰ কৃতিত্বৰ পৰিচায়ক আৰু তাৰ কাৰণে তেওঁলোক আমাৰ শলাগৰ পাত্ৰ। সাধাৰণ অৱস্থাত বিশ্ববিদ্যালয় স্থাপনৰ কাম ধীৰে-সুস্থিৰে হোৱাটো স্বাভাৱিক আৰু বাঞ্ছনীয়ও। কিন্তু দিন-কালৰ গঢ়-গতি আৰু কামৰ সুকীয়া অৱস্থালৈ চাই অসমত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা পলম হৈছে। ..... গুৱাহাটী বিশ্ববিদ্যালয় আমাৰ কাৰণে কেৱল এখন উচ্চশিক্ষাৰ ব্যৱস্থা থকা অনুষ্ঠানেই নহয়— ই মূৰ সুমাবৰ ঠাই এডোখৰৰ অভাৱত উটি-বুৰি ফুৰা অসমীয়া সংস্কৃতি আৰু সাহিত্যৰ আশ্রয়স্থল হ'ব লাগিব। এই আশা আৰু বিশ্বাসৰ কাৰণেই আজি লিখা-পঢ়া নজনা চহা অসমীয়ায়ো বিশ্ববিদ্যালয়ৰ কাৰণে ইমানকৈ আগ্রহ দেখুৱাইছে। বর্তমান ভাৰতীয় ৰাজনৈতিক পৰিস্থিতিৰ এটা প্ৰধান লক্ষণ হৈছে সর্বভাৱতীয় জাতীয়তাৰ উপৰিও প্রাদেশিক ভাষা আৰু সংস্কৃতিসমূহৰ আত্ম-প্রতিষ্ঠাৰ কাৰণে তীব্র হেপাহ। ভাৰতবর্ষৰ ৰাজনৈতিক ভৱিষ্যতে কি গঢ় ল'ব, তাৰ ভৱিষ্যদ্বাণী কৰা টান হ'লেও এইটো ন দি ক'ব পাৰি যে এই দেশৰ ভৱিষ্যত শাসনতন্ত্ৰৰ ক্ষমতাৰ ভাৰকেন্দ্ৰ হ'ব ভাষা আৰু সংস্কৃতিৰ ভেটিত গঠিত প্রদেশবিলাক। গতিকে যিবিলাক প্রদেশৰ ভাষা আৰু সংস্কৃতিয়ে ইতিমধ্যেই উন্নতিৰ বাটত আগ বাঢ়িছে, আগলৈ ভাৰতবর্ষৰ বৰচ'বাত সেইবোৰ প্রদেশেই আগশাৰী পুৰাবৰ সুযোগ পাব। ..... কলিকতা বিশ্ববিদ্যালয়ে বঙলা সাহিত্যৰ, কাশী হিন্দু বিশ্ববিদ্যালয়ে হিন্দী ভাষাৰ আৰু ওছমানিয়া বিশ্ববিদ্যালয়ে উর্দুৰ কাৰণে কৰা যত্নই এই ভাষাবোৰৰ উন্নতিত কমখিনি দান দিয়া নাই। নিজা বিশ্ববিদ্যালয়ৰ অভাৱত অসমীয়া ভাষাই আজিও গা কৰিব পৰা নাই আৰু কাইলৈ ইংৰাজ ৰাজত্বৰ অৱসানৰ লগে লগে ইংৰাজী ভাষাৰ আধিপত্য লোপ পালে অসমীয়া ভাষাই সর্বোচ্চ শিক্ষাৰ বাহন হ'বলৈ সমর্থ হ'বনে নাই, সেইটো সন্দেহৰ কথা হৈ আছে। সেই দেখি স্বাধীন ভাৰতবর্ষত স্বতন্ত্র অসমে সম্মানজনক ঠাই ল'বলৈ হ'লে আমাৰ ভাষা আৰু সংস্কৃতি ওখ খাপৰ হ'ব লাগিব। তাৰ কাৰণে আমাক নিজা বিশ্ববিদ্যালয় লাগে আৰু এতিয়াই লাগে।" আজিৰ পৰিপ্রেক্ষিতত বিশ্ববিদ্যালয়ত ভাষা-সংস্কৃতিৰ ভূমিকা আৰু ভাষা-সংস্কৃতিত বিশ্ববিদ্যালয়ৰ ভূমিকা সম্পর্কে ইয়াতকৈ পানীকৈ আৰু লেখিব নালাগে। চাৰ মিনাৰেই হওক বা টোকোৰা-বাহেই হওক, এই বিশ্ববিদ্যালয়েই আমাৰ সংস্কৃতি মূৰটো গুজিবৰ ঠাই। সিয়ে আমাৰ জাতীয় ঘৰ।

(লেখাটি ড° মহেশ্বৰ নেওগদেৱৰ 'বিশ্ববিদ্যালয়, ভাষা, ভাষণ আৰু ভ্রমণ' গ্রন্থৰ পৰা প্রণৱস্বৰূপ নেওগৰ অনুমতি সাপেক্ষে পুনৰ মুদ্রণ কৰা হৈছে। লেখাটি মূলত যি ৰূপত আছে সেই ৰূপতে প্রকাশ কৰা হৈছে। শব্দ, বাক্য গাঁথনি আদিত কোনোধৰণৰ হাত দিয়া হোৱা নাই।)

বিশ্ববিদ্যালয়ৰ ইতিবৃত্ত

বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্রহৰ বাবে অতুল চন্দ্র হাজৰিকাই প্রস্তুত কৰা নিবেদন-পত্র

পোঃ অঃ মোহনাঘাট
ডিব্রুমুখ হাস্পাতাল
২৪.১২.১৯৩৮

শ্রদ্ধাস্পদেষু,

আপোনাৰ নির্দেশমতে বিশ্ববিদ্যালয়ৰ নিবেদন এখনি যুগুত কৰি পঠোৱা হ'ল— শ্রীযুত আনন্দ হাজৰিকাকো দেখুৱাই তেখেতৰ লগত পৰামর্শ কৰি পঠালো। আপুনি এবাৰ চকু ফুৰাই আৱশ্যকীয় ঠাইত যোগ-বিয়োগ কৰি আৰু অতিৰঞ্জিত কথাবোৰ বাদ দিব বুলি আশা কৰিলো। এই বিষয়ত কর্মচাৰীসকলক বানচ দিয়াৰ কথাটো ভাবি চাবলগীয়া নহ'লে বহুত টকা-পইচা বাটতে ৰৈ যোৱাৰ সম্ভাবনা। সেই বিষয়ে আমি একো সিদ্ধান্তলৈ আহিব নোৱাৰিলো আৰু সেইবাবে নিবেদনত কোনো কথা উল্লেখ কৰা নহ'ল। আপুনি এই কামত হাত দিছে যেতিয়া কৃতকার্য্যতাত আমাৰ সন্দেহ নাই। কেইটামান ডাঙৰ দানো আপুনি যে পাব পাৰিব সেই আশাও আমি ৰাখিছো। মোৰ সেৱা ল'ব।

শ্রীযুত শৰৎ চন্দ্র গোস্বামী *অতুল চন্দ্র হাজৰিকা*
যোৰহাট

অসম বিশ্ববিদ্যালয় পুঁজি-সংগ্রহ
-সপ্তাহ-
ৰাইজে নখ জোকাৰিলে নৈ বয়

সবিনয় নিবেদন ঃ

আগ-কথা ঃ সৃষ্টি-পাতনিতে জ্ঞান-বিজ্ঞানৰ দিগন্তব্যাপী আলোক-ৰশ্মিৰে উদ্ভাসিত হোৱা পুৰাণপ্রসিদ্ধ প্রাগজ্যোতিষপুৰ- আজিৰ গুৱাহাটী নগৰ। নৰগ্রহ আৰু শ্রীসূর্য্যৰ পাহাড়ত স্থাপিত হৈছিল জ্যোতিষৰ মান মন্দিৰ। চিত্রবিদ্যাত শোণিতৰ চিত্রলেখা, নৃত্যবিদ্যাত কামৰূপৰ বেউলা আৰু জ্যোতিষত ৰৰপেটাৰ জ্ঞানী ডাক আদিৰ আজিও ভাৰত বিয়পা প্রসিদ্ধি মাৰ যোৱা নাই। বশিষ্ঠ, গালৱ, কুমাৰিলা ভট্ট আদিৰ নিচিনা জগতৰেণ্য দার্শনিক মহাপুৰুষ আৰু শঙ্কলাদীৱ, ভাস্কৰ বর্মাৰ নিচিনা ক্ষমতাৱন্ত বিদ্যোৎসাহী নৃপতিৰ নাম ভাৰতৰ বুৰঞ্জী লিখকে শ্রদ্ধাৰ চকুৰে চাবলৈ বাধ্য। তেতিয়ালৈকে এই অসম দেশ যে শিক্ষা বিজ্ঞানত অগ্রগণী এখনি বিদ্যাপীঠ নাছিল তেনে কথা কোনেও কব নোৱাৰে। কিন্তু সেই শত শত শতাব্দীৰ যশস্যা জেউতিৰে যি দেশ মহিমামণ্ডিত হৈছিল সেই অসম প্রদেশত আজি এখনি সুকীয়া বিশ্ববিদ্যালয় নাই— যি বিশ্ববিদ্যালয়ত পৃথিৱীৰ এটি প্রাচীনতম জাতিয়ে নিজা কৃষ্টি-বৈশিষ্ট্য ৰক্ষা কৰি আন আন উন্নত জাতিৰ লগত খোজত খোজ মিলাই নিজৰ লুপ্ত গৌৰৱ উদ্ধাৰ কৰি লুপ্ত প্রতিভা জগাই তুলিব পাৰে।

অসম বিশ্ববিদ্যালয়ৰ আৱশ্যকতা আৰু উপকাৰিতা আজি প্রত্যক্ষ অসমবাসীয়ে আৰু অসমক ভালপোৱা লোকে বুজিব পাৰিছে আৰু ইয়াকো বুজিব পাৰিছে যিমান দিনলৈ জাতীয় শিক্ষা-দীক্ষা-ভাষা-সাহিত্যৰ বাটত থকা বাধা-বিঘিনিবোৰ আঁতৰাই সুকীয়া অসমীয়া কৃষ্টিৰ উৎকর্ষ সাধন কৰিবলৈ অসম বিশ্ববিদ্যালয়ৰ স্বর্ণসৌধ নির্মাণ নহয় অর্থাৎ শিক্ষামন্দিৰৰ সঁচাৰকাঠি আমাৰ আয়ত্তলৈ নাহে তেতিয়ালৈকে অসমীয়াই প্রাদেশিক স্বায়ত্তশাসন লাভ কৰা বুলি এতিলমানো গৌৰৱ অনুভৱ কৰাৰ ন্যায়সঙ্গত হেতু নাই। আজি কিছুদিনৰ আগতে অসম বিশ্ববিদ্যালয়ৰ আন্দোলন এটা চলিছিল কিন্তু দুখৰ বিষয় অসমীয়াৰ সকলো আন্দোলনেই ধানখেৰৰ জুইৰ নিচিনা ক্ষণস্থায়ী। বর্তমান অৱস্থাত অসম গভর্ণমেণ্টৰ আর্থিক অৱস্থা ইমান স্বচ্ছল নহয় যে বিশ্ববিদ্যালয় সম্পূর্ণভাৱে প্রতিষ্ঠা তাৰ দ্বাৰা কৰা সম্ভৱ হব পাৰে। কিন্তু পুঁজিসংগ্রহ কৰি বিশ্ববিদ্যালয়ৰ বাবে আৱশ্যকীয় ধনৰ আংশিক ভাগ বহন কৰিবলৈ ৰাইজে সাজু হলে বাকীখিনি গভর্ণমেণ্টৰ পৰা আশা কৰিব পাৰি আৰু তেতিয়াহ'লৈ অসম বিশ্ববিদ্যালয় স্থাপন কৰাৰ সোণালী কল্পনা দুই বছৰৰ ভিতৰতে বাস্তৱত পৰিণত হব পাৰে।

ভাৰতত আন কোনো প্রদেশত হোৱা হলে কেইগৰাকীমান লক্ষ্মীৰ সুপুত্রৰ আর্থিক দানৰ ওপৰতেই এনে এটি সৰস্বতীৰ বেদী যুগুত হ'লহেঁতেন। কিন্তু আন দেশৰ তুলনাত যে আমাৰ দেশত ধনী মানুহৰ অভাৱ! যি দুই-চাৰিগৰাকী আছে সদ্যহতে তেওঁলোকেও দানৰ শৰাই লৈ আগবাঢ়ি ওলোৱা নাই আৰু হয়তো আমিও তেওঁলোকক আমাৰ উদ্দেশ্যে হৃদয়ঙ্গম কৰাব পৰা নাই। অৱশ্যে সেই সকলৰ পৰা সময়ত যে যথোচিত সাহায্য পোৱা নাযাব তেনে কথা নহয়। কিন্তু এই বিষয়ত আমাৰো কর্তব্য আছে। আমি পাহৰিলে নচলিব ৰাইজে নখ জোকাৰিলেই নৈ বয়। সিদিনা (২০/১২/৩৮) ডিব্রুত বহা বিৰাট ৰাজহুৱা সভাত অসমৰ ঘাই মন্ত্রী, শিক্ষা বিভাগৰ গুৰিয়াল মাননীয় শ্রীযুত গোপীনাথ বৰদলৈ ডাঙৰীয়াই বিশ্ববিদ্যালয় সম্পর্কে আমি আলচি থকা পৰিকল্পনা সমর্থন কৰি অসম বিশ্ববিদ্যালয় স্থাপনত গভর্ণমেণ্টৰ পৰা প্রচেষ্টাৰ অভাৱ নহব বুলি কয় আৰু আমাৰ সেই পুঁজি সংগ্রহ পৰিকল্পনা সফল কৰিবলৈ সকলোকে অনুৰোধ জনায়। মাননীয় শিক্ষামন্ত্রী আৰু কেইবাগৰাকীও বিশিষ্ট বহুদর্শী লোকৰ সম্মতি পাই তলত লিখা পদ্ধতিক্রমত কাম কৰিলে ভাল হব বুলি ভাবি আপোনাক আমাৰ সকলোৰে হৈ এই উদ্দেশ্যে কাম কৰিবলৈ অনুৰোধ জনালো। আশা কৰো আপোনাৰ সহযোগত আমাৰ এই চেষ্টা ফলৱতী হব আৰু দুই-তিনি বছৰৰ ভিতৰতে বিশ্ববিদ্যালয় পুঁজিত বহু হাজাৰ টকা গোট খাব।

কার্য্যপদ্ধতি ঃ

১। প্রতি অসমীয়া বছৰৰ প্রথম সপ্তাহ অর্থাৎ সাত বিহুৰ সপ্তাহ অসম বিশ্ববিদ্যালয় পুঁজি সংগ্রহ সপ্তাহ হিচাপে পালন কৰা হব।

২। এই সাত দিন কলেজ আৰু পঢ়াশালিৰ (নৰ্মাল স্কুল, হাইস্কুল, প্ৰাইমাৰী, মধ্য ইংৰাজী, মজলীয়া স্কুল, মোক্তাব, মাদ্ৰাছা, টোল-চৰকাৰী, আধা-চৰকাৰী, বে-চৰকাৰী সকলো বিদ্যালয়, ৰিভিং, ট্ৰেইনিং, মেডিকেল আদিও) ছাতৰ, শিক্ষক, প্ৰত্যেক অফিছৰ প্ৰতিজন কৰ্মচাৰী, কংগ্ৰেছকৰ্মী আৰু অসম বিশ্ববিদ্যালয়ৰ প্ৰতি সহানুভূতি থকা যিকোনো লোকেই নিজৰ ইচ্ছাক্ৰমে যাৰ যিহকে মন যায় তাকে দিব— কোনো নিৰিখ বান্ধি দিয়াৰ আৱশ্যক নাই। চকিদাৰ, চাপৰাচি, ধনী, দুখীয়া কোনো যাতে বাদ নপৰে তালৈ চকু ৰখা হব। কিন্তু এই কাম ধীৰ ভাবেৰে কৰিব আৰু কাকো বেছি পইচা দিবলৈ টানি নধৰিব।

৩। এইদৰে যি ধন গোটখায় সেই ধন আৰু যি বস্তু গোট খায় তাক সেই ঠাইতে বেচি তাৰ মূল্যখিনি তলত লিখা প্ৰণালীৰে আমাৰ ঠিকনাত পঠাব।

(ক) কলেজ, নৰ্মাল, মেডিকেল, বিল্ডিং, টেকনিকেল, হাইস্কুলৰ ধন— নিজ নিজ অধ্যক্ষ বা হেড মাষ্টৰৰ হাতত জমা দিব। তাৰ পৰা আমাৰ হাতলৈ আহিব।

(খ) কংগ্ৰেছ কৰ্মীসকলৰ ধন জিলা কংগ্ৰেছ কমিটীৰ সম্পাদকৰ যোগেদি আমাৰ হাতলৈ আহিব।

(গ) প্ৰাইমাৰী, মজলীয়া স্কুল আদিৰ ধন প্ৰধান শিক্ষকৰ জৰিয়তে নিজ নিজ কেন্দ্ৰসভাৰ সম্পাদকৰ হাতলৈ আহিব— তাৰ পিছত ডেপুটি ইন্সপেক্টৰৰ হাতলৈ আহিব আৰু ডেপুটি ইন্সপেক্টৰে আমালৈ পঠাব।

(ঘ) আন আন অফিচ আৰু ৰাজহুৱা প্ৰতিষ্ঠানতো প্ৰথমতে নিজ অফিছৰ গুৰিয়ালজনে সেই ধন গোটাব আৰু তেওঁৰ যোগেদি আমালৈ আহিব।

(ঙ) কোনো সদাশয় লোকে ইচ্ছা কৰিলে পোনে পোনে আমালৈ পঠাব পাৰিব আৰু কোনো দাতাই ডাঙৰ দান আগবঢ়াব খুজিলেও, সাদৰেৰে গ্ৰহণ কৰা হব।

(চ) ইয়াৰ আগতে যিসকলে এই উদ্দেশ্যে অলপ-অচৰপ অৰ্থ সংগ্ৰহ কৰিছিল সেই ধনো আমালৈ পঠাবলৈ অনুৰোধ জনোৱা হল।

(ছ) প্ৰতি বাগিচাৰ গৰাকী আৰু কৰ্মচাৰীসকলকো আমাৰ উদ্দেশ্যত যোগ দিবলৈ অনুৰোধ কৰা হল।

(জ) সাহিত্য সভা আৰু আন আন ৰাজহুৱা প্ৰতিষ্ঠানৰ কৰ্মীসকলক এই সপ্তাহ পালন কৰিবলৈ অনুৰোধ কৰা হল।

(ঝ) কোনো ঠাইৰ পৰা যিমান ধন পোৱা হল তাৰ বিৱৰণ প্ৰমাণ কৰা হব আৰু সকলো হিচাপ-পত্ৰ পৰিপাটিকৈ ৰাখি সময়মতে ৰাইজক জনাই থকা হব।

যোৰহাট, অসম।

(নিবেদন পত্ৰখনি ড° মহেশ্বৰ নেওগদেৰে সম্পাদনা কৰা 'বিশ্ববিদ্যালয়ৰ স্বপ্ন' (The Romance of a University) গ্ৰন্থৰ পৰা সংকলক-সম্পাদক প্ৰণৱস্বৰূপ নেওগৰ অনুমতি সাপেক্ষে পুনৰ মুদ্ৰণ কৰা হৈছে। নিবেদন পত্ৰখনি মূলত যি ৰূপত আছে সেই ৰূপতে প্ৰকাশ কৰা হৈছে। আখৰ-জোঁটনিত কোনোধৰণৰ হাত দিয়া হোৱা নাই। *- সম্পাদক)*

গুৱাহাটী বিশ্ববিদ্যালয়-আন্দোলনলৈ শ্ৰীশ্ৰী দক্ষিণপটীয়া সত্ৰাধিকাৰ প্ৰভুৰ 'শুভ-সমাচাৰ' ঃ

'অসমত এটি বিশ্ববিদ্যালয়ৰ নাই, এই কথা অসমৰ কলঙ্কস্বৰূপে থিয় দি আছে। এতিয়া এই কলঙ্ক লুপ্ত কৰিবৰ মানসে অসমীয়া ৰাইজ কাচি পাৰি ওলোৱাত আমি আনন্দ পাইছো। দেশৰ বৰেণ্য লোকসকল বিশ্ববিদ্যালয় আন্দোলনৰ কৰ্ণধাৰ স্বৰূপে আগবঢ়াত আশু-বিদ্যালয় এটি স্থাপিত হব বুলি আমাৰ অন্তৰত আশাৰ সঞ্চাৰ হৈছে। ভাবী গুৱাহাটী বিশ্ববিদ্যালয়টি কাশী-বিশ্ববিদ্যালয় বা ৰবীন্দ্ৰনাথৰ বিশ্ব-ভাৰতীৰ দৰে আশ্ৰমৰ গঢ়ৰ হব লগা পৰিকল্পনাটি সঁচাকৈয়ে মনোৰম হৈছে। আমি এই আন্দোলনৰ কৰ্মীসকললৈ আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

আমাৰ জাতীয় প্ৰাণ-প্ৰতিষ্ঠাৰ অৰ্থে বিশ্ববিদ্যালয় অপৰিহাৰ্য্য। এই প্ৰচেষ্টাই সদৌ অসমীয়াৰ সহানুভূতি আৰু সহযোগিতা লাভ কৰিব বুলি আমি দৃঢ় বিশ্বাস কৰো আৰু ইয়াৰ সফলতাৰ কাৰণে পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাইছো। ইতি।"

১৮৬৭ শক
৩ বহাগ

স্বাঃ **শ্ৰীশ্ৰীদক্ষিণপটীয়া গোস্বামী**

গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰচেষ্টাত শ্ৰীশ্ৰীআউনীআটীয়া সত্ৰাধিকাৰ প্ৰভুৰ আশিষ-বাণী ঃ

'অসমত এখন সুকীয়া বিশ্ববিদ্যালয় লাগে যে এই কথাত অসমীয়াৰ মাজত এটি মতৰ বাহিৰে নিশ্চয় ভিনমত হব নোৱাৰে। ভাৰতৰ সকলো প্ৰদেশতে জনসংখ্যা আৰু শিক্ষানুপাতে বিশ্ববিদ্যালয় আছে। দুৰ্ভাগ্যবশতঃ অসমত বৰ্তমানলৈ নাই। আমাৰ এই মহৎ অভাৱ দূৰ কৰিবৰ অৰ্থে অসমৰ বিদ্যানুৰাগী নেতৃস্থানীয় লোকসকলে গুৱাহাটী বিশ্ববিদ্যালয় আন্দোলনৰ গুৰিয়াল-ৰূপে থাকি প্ৰচেষ্টা কৰাত আমি নথৈ আনন্দিত হৈছো। এই মহৎ প্ৰচেষ্টাৰ লগত আমাৰ সম্পূৰ্ণ সদিচ্ছা আৰু সহযোগিতা আছে। আৰু, আন্তৰিকতাৰে সৈতে সাফল্য কামনা কৰা হৈছে।

অসমৰ সকলোৱে এই মহৎ জাতীয় অনুষ্ঠানত সৰল চিত্তেৰে ধনে-জনে খটুৰাই আৰু খাটি সুবৰ্ণ-সুযোগত বিশ্ববিদ্যালয় গঢ়ি ল'ব বুলি আশা কৰা হল।

১৮৬৭ শক
বহাগ বিহু

স্বাঃ **শ্ৰীশ্ৰীআউনীআটীয়া গোস্বামী**

—হৰেন্দ্ৰনাথ কলিতাৰ 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ আদি-কথা' গ্ৰন্থৰ পৰা। পৃ. ৪১-৪২

বিশ্ববিদ্যালয়ৰ ইতিবৃত্ত

গুৱাহাটী বিশ্ববিদ্যালয়

শৰৎ চন্দ্ৰ গোস্বামী

মই অসম বিশ্ববিদ্যালয় (Assam University) বোলা নাই; গুৱাহাটী বিশ্ববিদ্যালয় (Gauhati University) বুলিছোঁ। অসম বিশ্ববিদ্যালয় বুলিলেই লেঠা লাগে— ই চিলেটততে হব নে গুৱাহাটীতে হব; নাইবা ব্ৰহ্মপুত্ৰ আৰু সুৰমা নদীৰো কাজিয়াৰ মীমাংসা কৰিবলৈ শ্বিলং পৰ্ব্বতে হব। মোক বিশ্ববিদ্যালয় লাগে— অসমীয়া মানুহৰ কাৰণে, আৰু সি স্থাপিত হব লাগে গুৱাহাটীত।

অসমীয়া মানুহ অৰ্থত মোৰ মানত সকলো মানুহ যি অসমীয়া ভাষা আৰু কৃষ্টিক নিজা বুলি আদৰ কৰে আৰু অন্তৰেৰে লয়।

গুৱাহাটীৰো কত বিশ্ববিদ্যালয় হব লাগে তাৰো স্থান মোৰ মনত নিৰ্দ্ধাৰিত হৈ আছে। পশ্চিমে ডিপুটি কমিছনাৰৰ বঙলা, পূবে কমিছনাৰৰ বঙলা, উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে ৰে'লৰ আলি— এইখিনি ঠাই বিশ্ববিদ্যালয়ৰ কাৰণে উত্তম। ইয়াৰ ভিতৰত কটন কলেজৰ কলেজিয়েট হাইস্কুলৰ, আৰ্ল ল কলেজৰ, ৰিভিং (Weaving) স্কুলৰ ঘৰ-দুৱাৰ আদি পৰিব। চাহাব চাৰি-পাঁচজনৰ বাঙলা, কাছাৰি ঘৰ আদি আৱশ্যকীয়তে বিশ্ববিদ্যালয়ৰ চিনেট হাউচ, লাইব্ৰেৰী, কলেজ আদি হব পাৰিব। আৰু অফিচিয়েল ঘৰ কেইটা গুৱাহাটীৰ ৰে'ল ষ্টেচনৰ ওচৰত উজান বজাৰৰ পূবলৈ থকা মুকলি ঠাইত সহজতে বান্ধা হব পাৰিব। খৰচো চাৰি-পাঁচ লক্ষ টকাৰ ওপৰ নহব —ভাল (Normal) সময়ত। কোনোৱে কাছাৰি ঘৰ, কমিছনাৰৰ বাঙলা আদি উঠোৱা অসম্ভৱ কথা বুলি ভাবিব পাৰে। কিন্তু প্ৰকৃততে জাতিৰ মঙ্গল কৰোঁতা গভৰ্ণমেণ্ট হলে শিক্ষাৰ কাৰণে এই সামান্য সাল-সলনি কোনো কথাৰ কথা বুলিয়েই গণ্য কৰিবলগীয়া নহয়।

কালত ভাল ঘৰ আদি তৈয়াৰ হৈ যেতিয়া উঠিব— বাৰাণসীৰ অৰ্ধকচাকাৰ গঙ্গাৰ পাৰৰ দৃশ্যৰ লগত গুৱাহাটী বিশ্ববিদ্যালয় বাবা ব্ৰহ্মপুত্ৰৰ বহল বুকু শোভা কৰি ভাৰতবৰ্ষতে শিক্ষায়তনৰ এটা বিতোপন দৃশ্য হৈ পৰিব।

ৰিভিং (weaving) স্কুলৰ দক্ষিণ-পূবলৈ ৰে'লৰ আলিৰ সিফালে সি বহল মুকলি ঠাই আছে, সেইবোৰ ৰে'লৰ ঠাই, বোটানিকেল গার্ডেন, প্ৰফেচৰৰ ঘৰ আদিৰ কাৰণে যথেষ্ট হব।

গতিকে গুৱাহাটীত অসম বিশ্ববিদ্যালয় স্থাপিত হবৰ একো বাধা নাই— অন্ততঃ ঠাইৰ অনাটন, এই বুলি।

(২)

উৰিষ্যাত বিশ্ববিদ্যালয় হল। সিদ্ধুত হবৰ কাৰবাৰ হৈছে। দেশীয় ৰাজ্যৰ ভিতৰত ত্ৰিবাংকুৰত হবৰ সমস্ত যো-জা হৈছে। জয়পুৰতো হবৰ উদ্যোগ চলিছে। অসমৰ হব ৰ কথা এই সকলৰো আগৰ। প্ৰায় পচিশ বছৰ পূৰ্বে চেডলাৰ (Sadler) কমিচনাৰ দিনতে এই কথা উঠে। তেতিয়া নতুন কবি হোৱা গভৰ্ণৰ আগৰ চীফ কমিচনাৰ বীটচন-বেল (Sir Nicholas D. Bentson Bell) চাহাবেই প্ৰস্তাৱৰ সম্পৰ্কত মত লৈ ফুৰিছিল। এই প্ৰবন্ধ লেখককো সুধিছিল তথাপিতো ইমান দিনতো অসম বিশ্ববিদ্যালয় হবৰ প্ৰকৃত একো উদ্যম বা চেষ্টা নহল। ইয়াৰ দুটা কাৰণ— প্ৰথম, ব্ৰহ্মপুত্ৰ সুৰমা উপত্যকাৰ ভিতৰত বিবাদ। দ্বিতীয়, কোনো অসম গভৰ্ণমেণ্টেই অসম বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে প্ৰকৃত আন্তৰিক চেষ্টা কৰা নাই।

অসম এচেম্ব্লিৰ প্ৰশ্নত তত নাপাই শিক্ষামন্ত্ৰী আব্দুল হামিদে ১৯৩৫ ইং চনত ভূতপূৰ্বৰ ডাইৰেক্টৰ কানিংহাম চাহাবক বিলাতৰ পৰা অনাই অসম বিশ্ববিদ্যালয় সম্পৰ্কে এখন ৰিপোৰ্ট লিখোৱায়। কানিংহাম চাহাবৰ এই বিশিষ্ট ভদ্ৰলোক, বিশিষ্ট শিক্ষাব্ৰতী, আৰু এই প্ৰবন্ধ লেখকৰ বিশিষ্ট বন্ধু আছিল। তেওঁ, সঁচা কথা কব লাগে। কানিংহাম চাহাবে ব্ৰহ্মপুত্ৰ আৰু সুৰমা উপত্যকাৰ মাজৰ বিবাদৰ সম্পৰ্কে এখন ৰচনা লিখি বিশ্ববিদ্যালয়ৰ ৰিপোৰ্ট শেষ কৰিলে। কি কৰিলেনো বিশ্ববিদ্যালয় হব পাৰে, হলেনো কত হব লাগে, খৰচ বা কিমান লাগিব— ইত্যাদি কথা একো আলোচনা ৰিপোৰ্টত নাথাকিল।

তাৰ পাছত ইং ১৯৩৮ চনত অনাৰেবল মৌলবী আনোৱাৰ আলি শিক্ষামন্ত্ৰী হল। বীটচন বেল চাহাবৰ দিনৰ পৰা এওঁ কাউন্সিলৰ মেম্বৰ আৰু শিক্ষা বিষয়ক কথাত বৰ উৎসাহ দেখাওঁতা। এওঁ শিক্ষামন্ত্ৰী হৈয়েই প্ৰাইমাৰী শিক্ষাৰ নতুন বিধান কৰিবলৈ আৰু অসম বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ বৰ আগ্ৰহান্বিত হল। এওঁ বৰ্তমান লেখকক চিলঙত এমাহ ৰাখিলে আৰু দিনে-ৰাতি খটুৱাই এখন বিল তৈয়াৰ কৰালে। সেই বিল শিক্ষামন্ত্ৰী ডাইৰেক্টৰ, ইনিচ্‌পেক্টৰ দুজন আৰু প্ৰিন্সিপেল দুজনৰ হতুৱাই চোৱালে। বিলৰ সকলো কথা ঠিক ঠাক হল। তাৰ পাছত এচেমব্লিত বিল উত্থাপিত কৰাৰ কথা হল। বৰ্তমান লেখকৰ তাৰ কাৰণে বিশেষ বিষয়া নিৰ্বাচন কৰি এচেমব্লিত বহুৱাবলৈ কথা চলিল।

কিন্তু এনেতে চাদুল্লা গভৰ্ণমেণ্টেই ইস্তফা দিলে। আৰু কংগ্ৰেছ কোৱালিচন গভৰ্ণমেণ্ট স্থাপিত হল।

এইবাৰ শিক্ষামন্ত্ৰী হল শ্ৰীযুত গোপীনাথ বৰদলৈ। এই গভৰ্ণমেণ্টে শিক্ষাৰ উন্নতিৰ কাৰণে কিবাকিবি কাম হাতত লৈছিল। বিশ্ববিদ্যালয় স্থাপনো এওঁবিলাকৰ শিক্ষাৰ কাৰ্য-ক্ৰমৰ ভিতৰত পৰিছিল। শ্ৰীযুত বৰদলৈয়ে প্ৰধান মন্ত্ৰী আৰু শিক্ষামন্ত্ৰী হিচাপে এই লেখকক বিশ্ববিদ্যালয়ৰ অৰ্থে টকা তুলিবলৈ চেষ্টা কৰিবলৈ কৈছিল আৰু ডিব্ৰুগড়, তেজপুৰ আদি ঠাইৰ প্ৰকাশ্য সভাত সেই কথা প্ৰকাশ কৰিছিল।

মই প্ৰখ্যাত ধনী পৰিয়াল এঘৰত, তেওঁলোকৰ প্ৰতিনিধি আৰু উত্তৰাধিকাৰীসকলৰ আগত এই প্ৰস্তাৱ উলিয়াইছিলো। মোৰ স্ত্ৰীও আছিল। আমি তেওঁলোকক পচিশ লক্ষ টকাৰ কথা কৈছিলো; আৰু তেতিয়া বিশ্ববিদ্যালয়ৰ নাম তেওঁলোকৰ নাম তেওঁলোকৰ ৰুচি অনুসৰি দিব পৰা হব বুলি কৈছিলো। এই কথা প্ৰধান মন্ত্ৰী বৰদলৈৰ চিলঙৰ ঘৰত এই পৰিয়ালৰ প্ৰধান লোক এজনে শ্ৰীযুত বৰদলৈ আৰু মোৰ লগত আলোচনাও কৰিছিল।

ইফালে ইউনিভার্চিটি উইক (University week) এটা পালন কৰি অসম উপত্যকাৰ সকলো ঠাইৰপৰা টকা তুলিবৰ যো-জা কৰা হৈছিল। আৰু ইয়াৰ অৰ্থে আৱশ্যকীয় কাগজ-পত্ৰ, চিঠি আদি ছপা কৰা হৈছিল।

এনেতে হঠাৎ কংগ্ৰেছ কোৱালিচন গভৰ্ণমেণ্টে ইস্তাফা দিলে; আৰু এই সকলোবোৰ উদ্যোগ তেনেই তল পৰিল।

এই বেলি চাৰ চাদুল্লা চাহাবে নতুন মন্ত্ৰী সভা গঠন কৰিলে। আৰু এইবাৰ শিক্ষামন্ত্ৰী হল শ্ৰীযুত ৰোহিণী কুমাৰ চৌধুৰী। যিসকলে চৌধুৰীদেৱৰ মনৰ বল, তেজস্বিতা, অধ্যৱসায়, কৰ্মক্ষমতা আৰু বুদ্ধিমত্তাৰ কথা জানে, যিসকলে পৰম আশা কৰিছিল যে চৌধুৰীদেৱৰ দিনত অসম বিশ্ববিদ্যালয় গুৱাহাটীতো স্থাপিত হবই, আমাৰ দেশৰ শিক্ষাৰো নানা ফালে নানান প্ৰকাৰে উন্নতি হব আৰু তাৰ অৰ্থে শ্ৰীযুত চৌধুৰীয়েও কিছুমান কাম কৰিবলৈ লৈছিল। কিন্তু অসমীয়া মানুহৰ দুৰ্কপাল। চৌধুৰীদেৱৰ মন্ত্ৰীত্বৰ সময়ত অসম বিশ্ববিদ্যালয় বিষয়ে যিখন বিল তৈয়াৰ হল, তাৰ বিধিবিলাকত পৰস্পৰৰ বিৰোধী অনেক কথা থাকিল। এই বিল আলোচনা কৰিবলৈ ভাৰতৰ কেইজনমান শিক্ষাবিদ চিলঙলৈ অনা হৈছিল। যিসকলে এই বিলৰ নানান দোষ দেখুৱাই গৈছে। তাৰ উপৰি এই বিলত এটা প্ৰধান দোষে দেখা দিলে সি, কিজানি, চিৰদিনলৈ আমাৰ দেশৰ শিক্ষাৰ পথত এটা কণ্টক হৈ থাকিব। এইখন বিলত শিক্ষা বিধানতো সাম্প্ৰদায়িকতাৰ কথা সোমাল। সাম্প্ৰদায়িকতা সম্পৰ্কে নানান প্ৰকাৰ মত থাকিব পাৰে। কিন্তু মোৰ মনেৰে এই কথা ঠিক যে (১) শিক্ষা বিধান বিষয়ত কোনো প্ৰকাৰ সাম্প্ৰদায়িকতাৰ স্থান নাই আৰু (২) বিশেষ কৰি আমাৰ দেশত অৰ্থাৎ অসমীয়া মানুহৰ মাজত বেলেগ সাম্প্ৰদায়িকতাৰ কোনো দৰকাৰ নাই।

অসম বিশ্ববিদ্যালয় স্থাপনৰ সংক্ষেপ বুৰঞ্জী এই।

(৩)

গভৰ্ণমেণ্টৰ ফালৰ পৰা কোনো প্ৰকৃত উৎসাহ নাপালেও, অসমীয়া মানুহে বিশ্ববিদ্যালয় এখন নোহোৱা কৰি থাকিব নোৱাৰে। সেই দেখি তেওঁলোক হাত সাবটি থাকিব নোৱাৰে। চাৰ চাদুলা, খাঁন বাহাদুৰ চৈয়দুৰ ৰহমান, শ্ৰীযুত গোপীনাথ বৰদলৈ, শ্ৰীযুত ৰোহিনী কুমাৰ চৌধুৰী, মৌলবী আনোৱাৰ আলি এইসকল লোকে এতিয়াও কৰ্ম জীৱনত ব্যাপৃত। ই সকলে ইচ্ছা কৰিলে অহা বছৰতেই বিশ্ববিদ্যালয় হব পাৰে। আমি যুদ্ধৰ সময়ত দেখিবলৈ পাইছো যে কোনো এটা কাম কৰিব খুজিলে তাৰ বাবে টকাৰ অনাটন নহয়। এই কেই বছৰত কিমান লক্ষ লক্ষ টকা নানা প্ৰকাৰে খৰচ হৈছিল! চৰকাৰে প্ৰকৃততে ইচ্ছা কৰিলে কুৰি পচিশ লক্ষ টকা খৰচ কৰি সহজতে গুৱাহাটীত বিশ্ববিদ্যালয় স্থাপন কৰিব পাৰে। উড়িষ্যা প্ৰভৃতি সৰু সৰু প্ৰদেশেই ইয়াৰ উদাহৰণ।

কিন্তু সেই বুলি কেৱল চৰকাৰৰ ওপৰতে নিৰ্ভৰ কৰি অসমীয়া মানুহ বহি থকা উচিত নহয়।

সুৰমা উপত্যকাৰ মানুহক বেলেগ বিশ্ববিদ্যালয় নালাগে। তেওঁলোকে কাগজে-পত্ৰই আৰু বক্তৃতা আদিতো এই কথা পৰিষ্কাৰ কৰি প্ৰকাশ কৰিছে। গতিকে অসমীয়া মানুহে তেওঁলোকৰ লগত ফেৰ পাতি নাথাকি নিজে নিজে বিশ্ববিদ্যালয় পাতিবলৈ স্থিৰ কৰি কাম আৰম্ভ কৰা উচিত।

এই অৰ্থে প্ৰথম কাম হৈছে, টকা তোলা। আজি কালি টকা তোলা কিছু সহজ। সিদিনা নলবাৰীত কলেজ হবলৈ বুলি চেষ্টা কৰাত অকল নলবাৰী বজাৰত তিনি চাৰি দিনতে প্ৰায় কুড়ি হাজাৰ টকা উঠিল। নগাঁও কলেজৰ কাৰণে ত্ৰিশ-চল্লিশ হাজাৰ টকা উঠিছে। আজি কালি দুই চাৰি মানুহৰ হাতত টকা হৈছে। এটা জাতীয় অনুষ্ঠানৰ কাৰণে বিশ্বাসী মানুহে টকা তুলিবলৈ হাতত ললে, মোৰ অনুমান দহ লক্ষ টকা এবছৰৰ মানত তুলিব পাৰি।

ইয়াতে এটা কথা কৈ থওঁ। টকা আমি সকলো মানুহৰ পৰা তুলিব লাগে। যিয়েই অসমত আছে সিয়েই অসমীয়া। আৰু শিক্ষাৰ প্ৰতি আগ্ৰহ আছে তাৰে পৰাই আমি টকা তুলিব লাগে। আমাৰ দেশত অনেক সদাশয় বঙালী, মাৰোৱাৰী, হিন্দুস্থানী, পঞ্জাবী আৰু আন আন প্ৰদেশৰ মানুহ আছে। বাগিচাৰ চাহাব আৰু আন কোম্পানীৰ চাহাব সদাগৰ সকলো সজ কথাত উৎসাহ দিবলৈ সদায় সাজু। সিসকলৰ পৰাও আমি সহায় বিচাৰিব লাগে।

(৪)

এতিয়া কথা হৈছে, টকা তোলে কোনে? মোৰ মনেৰে যিসকল লোক বিশ্ববিদ্যালয় কৰি তুলিবলৈ উপযুক্ত সিসকলে টকা তুলিব লাগে। কটন কলেজ, যোৰহাট কলেজ আৰু আন আন স্কুল কলেজত বিশ্ববিদ্যালয়ৰ অনেক কৃতী ছাত্ৰ আছে। ই, এ, চি, এচ, ডি. চি. আদি বিষয়া হৈও বহুতো এনেকুৱা লোক আছে। সিসকলেও টকা তুলিব লাগে। তেওঁলোকেহে বিশ্ববিদ্যালয়ৰ প্ৰকৃত গঠন কৰ্তা হব। কলেজৰ প্ৰফেচাৰ সকলৰ বিদ্যাতো বহুত আছেই; তেওঁলোকৰ অৱসৰো বহুত। আৰু সুযোগো আছে অনেক। তেওঁলোকে গোট বান্ধি বিশ্ববিদ্যালয় কৰিব লাগে। গুৱাহাটী কটন কলেজতে কুৰি-পচিশজন মান কৃতিবিদ্য প্ৰফেচাৰ আছে। তেওঁলোকে একযোগ হৈ টকা তোলাৰ ব্যৱস্থা কৰক।

টকা তোলাৰ লগতে টকা কি প্ৰকাৰে গচ্ছিত থাকিব তাৰো ব্যৱস্থা কৰিব লাগে। তাৰ বাবে এটা ট্ৰাষ্ট বোৰ্ড গঠন কৰা উচিত হব। ট্ৰাষ্ট বোৰ্ডে গুৱাহাটীত বিশ্ববিদ্যালয় স্থাপনৰ অৰ্থে টকা নিৰাপদ কৰি ভাল বেঙ্কত জমা থব। আৰু পাৰিলে চৰকাৰৰ সহায়ত, নোৱাৰিলে সেই সহায় নোহোৱা কৰি, বিশ্ববিদ্যালয় স্থাপন কৰিব। মই দেখাত চৰকাৰৰ সহায় পোৱাৰ একো বাধা বা অসুবিধা নুবুজোঁ।

(৫)

টকা তোলাৰ লগে লগে এই কেইটা কামো কৰাৰ আৱশ্যক হব ঃ

(১) বিশ্ববিদ্যালয়ৰ স্থান আৰু তাত আৱশ্যকীয় ঘৰ বিলাকৰ নকচা। আৰু তাক কৰিবলৈ অনুমানিক খৰচ।

(২) বিশ্ববিদ্যালয় আইন এখন প্ৰণয়ন।

(৩) Post Graduate, কি কি বিষয় শিকোৱা হব। তাৰ কেনে প্ৰকাৰ ব্যৱস্থা হব; আৰু তাৰ অৰ্থে কিমান খৰচ হব এই বিলাক কথা পৰিষ্কাৰ কৰি হিচাব কৰিব লাগিব।

(৪) আৰু সমস্ত বিশ্ববিদ্যালয় পৰিচালনাৰ খৰচ আৰু সেই খৰচ কি কি আয়ৰপৰা পোৱা হব পাৰে তাৰ হিচাব লাগিব।*

**জয়ন্তী, ষষ্ঠ বছৰ, সপ্তম/অষ্টম সংখ্যা, জেঠ আৰু আহাৰ, ১৮৬৬ শক।*

(লেখাটি ড° মহেশ্বৰ নেওগদেৱে সম্পাদনা কৰা 'বিশ্ববিদ্যালয়ৰ স্বপ্ন' (The Romance of a University) গ্ৰন্থৰ পৰা সংকলক-সম্পাদক প্ৰণৱস্বৰূপ নেওগৰ অনুমতি সাপেক্ষে পুনৰ মুদ্ৰণ কৰা হৈছে। লেখাটি মূলত যি ৰূপত আছে সেই ৰূপতে প্ৰকাশ কৰা হৈছে। আখৰ-জোঁটনিত কোনোধৰণৰ হাত দিয়া হোৱা নাই। - সম্পাদক)

বিশ্ববিদ্যালয়ৰ ইতিবৃত্ত

গোপীনাথ বৰদলৈৰ বিশ্ববিদ্যালয় চিন্তা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম কেইখোজ



ড° নিৰোদ কুমাৰ বৰুৱা

(১)

১৮৫৭ চনৰে পৰা অসমৰ উচ্চ শিক্ষা কলিকতা বিশ্ববিদ্যালয়ৰ অন্তর্ভুক্ত আছিল। ভাৰত চৰকাৰৰ অধীনত থকা এই বিশ্ববিদ্যালয়খনক যেতিয়া ১৯১৬ চনত বংগ চৰকাৰৰ অধীনলৈ অনাৰ চেষ্টা চলিল, অসমে তেতিয়া এই প্রস্তাৱৰ বিৰোধিতা কৰিলে। তেতিয়াৰে পৰা অসমত এখন বিশ্ববিদ্যালয় পতাৰ কথাতো অন্ততঃ ব্রহ্মপুত্র উপত্যকাত সময়ে সময়ে ওলাই থাকিল। ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ উন্নয়ন সম্পর্কীয় তদন্ত এটাৰ কাৰণে অসমলৈ আহোঁতে ছাৰ মাইকেল ছেদলাৰেও গুৱাহাটীৰ কলেজখন আৰু পৰিবেশটোলৈ চাই তাত এখন আবাসিক বিশ্ববিদ্যালয় হ'ব পাৰে বুলি মন্তব্য কৰিলে। অসম হিতৈষী ইংৰাজ উচ্চ চৰকাৰী বিষয়া পি. আৰ. টি. গর্ডনেও তেনে মত পোষণ কৰিছিল। কিন্তু শ্রীহট্ট জিলাৰ বিশেষকৈ হিন্দু ভদ্রলোকসকল অসমত এখন সুকীয়া বিশ্ববিদ্যালয় হোৱাৰ বিৰোধী আছিল। ১৯৩৫ চনৰ স্বায়ত্ত-শাসন আইনৰ প্রবাহত যেতিয়া বিশ্ববিদ্যালয়ৰ দাবী অসমত পুনৰ উঠিল তেতিয়া অসম চৰকাৰেও ১৯৩৬ চনত বিভিন্ন ৰাজহুৱা সংস্থাৰ পৰা বিশ্ববিদ্যালয় এখন লগা-নলগা সম্পর্কে সিবিলাকৰ মতামত বিচাৰিলে। ইয়াৰ উত্তৰত শ্রীহট্ট জিলাৰ উকীল সংস্থাই জনালে যে অসমত এখন সুকীয়া বিশ্ববিদ্যালয় মাথোন অদৰকাৰীয়েই নহয়, এই তলি উদং প্রদেশখনৰ কাৰণে ই এটা খৰচী বিলাসৰ বাহিৰে আন একো নহয়,কাৰণ এখন নিম্ন পর্যায়ৰ বিশ্ববিদ্যালয়ৰ কাৰণেও প্রয়োজনীয় সামগ্রী এই প্রদেশত নাই। এই উকীল সংস্থাই জনালে যে অসমত বিশ্ববিদ্যালয় স্থাপনৰ প্রচেষ্টাৰ গুৰি ৰাইজৰ শিক্ষাস্পৃহা নহয়; ই মাথোন সংখ্যালঘু অসমীয়া মানুহখিনিৰহে দাবী।

যি হওক, অসমীয়াৰ বিশেষ প্রতাপ নথকা চৰকাৰ এখনৰ দিনতেই, মুনাৱাৰ আলি শিক্ষা মন্ত্রী হৈ থাকোঁতে ছাৰ মহম্মদ ছাদুল্লাৰ প্রথম চৰকাৰৰ দিনত (১ এপ্রিল ১৯৩৭-৪ ফেব্রুৱাৰি ১৯৩৮) অসমত এখন বিশ্ববিদ্যালয় পতাৰ আঁচনি চৰকাৰে লৈছিল আৰু সেই মতে কলা বিভাগটো শ্রীহট্টত বিজ্ঞান বিভাগটো গুৱাহাটীত আৰু প্রশাসনীয় বিভাগটো শিলঙত বহুওৱাৰ কথা উঠিছিল। কিন্তু ছাদুল্লাৰ এই মন্ত্রী সণা বেছিদিন টিকি থাকিব নোৱৰাত, পুনৰ তেওঁৰ তৃতীয় মন্ত্রীসভাৰ দিনতহে (১৭ নৱম্বেৰ ১৯৩৯-২৪ ডিচেম্বৰ ১৯৪১), ৰোহিণী কুমাৰ চৌধুৰী শিক্ষামন্ত্রী হওঁতে বিষয়টোলৈ আকৌ চকু দিয়া হয়। সেই সময়ত বংগত মাধ্যমিক শিক্ষাৰ নিয়ন্ত্রণ কলিকতা

বিশ্ববিদ্যালয়ৰ পৰা আঁতৰাই বংগীয় চৰকাৰৰ তত্ত্বাৱধানলৈ আনিবৰ কাৰণে মাধ্যমিক শিক্ষা সম্পৰ্কীয় বিধেয়ক এখনৰ প্ৰস্তুতি চলিছিল। এই কাৰণে অসমৰ স্কুলসমূহৰ কাৰণেও এটা সুকীয়া ব্যৱস্থাৰ প্ৰয়োজন হৈ পৰিছিল। এই বাবেই যে চৰকাৰী চিন্তাত বিশ্ববিদ্যালয় বিষয়টোৱে ঠাই পাইছিল, ই নিশ্চিত। মন্ত্ৰী চৌধুৰীয়ে আগৰ মুনাৱাৰ আলি আঁচনি খনকে কাৰ্যকৰী কৰিবলৈ জে. আৰ. কানিংহামক পৰিযোজনাটোৰ 'বিশেষ বিষয়া' নিযুক্ত কৰিলে। ১৯৩০ চনৰ চেকালগা শিক্ষা সম্পৰ্কীয় গোহাৰিখনৰে সংযুক্ত কানিংহামৰ নামটো এনেয়েই আছিল ৰাইজৰ কাৰণে বিৰক্তিকৰ, তাতে এতিয়া তেওঁ বিশ্ববিদ্যালয়খন গুৱাহাটীৰ ঠাইত শ্বিলঙত পাতিবলৈ পৰামৰ্শ দিয়াত ১৯৪০ চনৰ আৰম্ভণিৰে পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত, বিশেষকৈ ছাত্ৰ সমাজৰ মাজত ভীষণ প্ৰতিবাদে দেখা দিলে। ১৯৪১ চনৰ ১৬ আগষ্ট তাৰিখে ব্ৰহ্মপুত্ৰ উপত্যকাত 'অসম বিশ্ববিদ্যালয় দিৱস' পতাৰো আয়োজন হয়।

(২)

বৰদলৈৰ বিশ্ববিদ্যালয় চিন্তা

বৰদলৈয়ে তেওঁৰ প্ৰথম মন্ত্ৰী সভাৰ কালছোৱাত (ছেপ্টেম্বৰ ১৯৩৮—নৱেম্বৰ ১৯৩৯) অসমত বিশ্ববিদ্যালয় এখন পতাৰ কোনো আঁচনি হাতত লোৱা নাছিল। মাথোন পৰীক্ষা পৰিচালনা কৰা আৰু গণ্ডাই গণ্ডাই নিবনুৱা সৃষ্টি কৰা বিশ্ববিদ্যালয় এখনৰ কাৰণে তেওঁৰ হাবিলাস নাছিল। ১৯৩৯ চনৰ মাৰ্চ মাহত অসম বিধান সভাত তেওঁ কৈছিল যে বিসকলে তেওঁক বিশ্ববিদ্যালয় পাতিবলৈ চিন্তা নকৰাৰ কাৰণে দোষ ধৰে, সেই সকলে ভাবি চোৱা উচিত যে কলিকতা বিশ্ববিদ্যালয়ৰ কলা আৰু বিজ্ঞানৰ স্নাতকোত্তৰ শ্ৰেণীত বছৰি প্ৰায় দহ লাখ টকা খৰচ হয়। ইমান খৰচ কৰি মাথোন কলিকতা বিশ্ববিদ্যালয়ৰ দৰে বিশ্ববিদ্যালয় এখন তেওঁ নিবিচাৰিছিল। আৰু সেই খৰচৰ ধন আহিবনো ক'ৰ পৰা? সেই বুলি যে তেওঁ এই সময়খিনিত বিশ্ববিদ্যালয় শিক্ষাৰ বিষয়ে ভবাই নাছিল এনে নহয়। ১৯৪০ চনৰ ডিচেম্বৰ মাহৰ ১১ তাৰিখে জেলত সোমোৱা বৰদলৈয়ে যোৰহাট জেলৰ ভিতৰতেই তেওঁৰ পৰৱৰ্তী অসম চৰকাৰে প্ৰস্তুত কৰা অসম বিশ্ববিদ্যালয় বিধেয়কখন পঢ়িবলৈ পায়, আৰু সেই বিষয়ত তেওঁৰ সম্পূৰ্ণ ব্যক্তিগত মন্তব্য এটা ইংৰাজী ভাষাত লিপিবদ্ধ কৰে। এই লিখাটোত বৰদলৈয়ে অসমত বিশ্ববিদ্যালয় এখনৰ প্ৰয়োজন আছেনে নাই আৰু যদি আছে ই কেনে ধৰণে চালিত হ'ব লাগে আৰু ইয়াক ক'ত প্ৰতিষ্ঠা কৰা উচিত সেই বিষয়ে তেওঁৰ মতামত দাঙি ধৰে। সাম্প্ৰদায়িক ঐক্য, স্বায়ত্ত-শাসন, অসমীয়া ভাষাৰ প্ৰসাৰ, গাঁও আৰু উচ্চ শিক্ষাৰ মাজত সম্বন্ধ আৰু উঠি অহা ডেকাশক্তিৰ সমাজবোধ আদি বিভিন্ন বিষয়তো বৰদলৈৰ চিন্তা-ধাৰণা এই প্ৰবন্ধৰ যোগেদি প্ৰকাশ পাইছে।

বৰদলৈৰ মতে 'অসমক বিশ্ববিদ্যালয় এখন লাগেনে নালাগে প্ৰশ্নটোৰ উত্তৰ নিৰ্ভৰ কৰিব ভৱিষ্যত বিশ্ববিদ্যালয়খনৰ উদ্দেশ্যৰ ওপৰত। বৰদলৈৰ চিন্তাত যিখন বিশ্ববিদ্যালয়ে সাম্প্ৰদায়িক একতাৰ ভিত্তিত কৰ্তব্য আৰু সেৱাৰ মনোভাবেৰে সৰ্বসাধাৰণৰ উপকাৰ সাধিবলৈ ডেকা শক্তিক শিক্ষা দিব সেইখন বিশ্ববিদ্যালয় গ্ৰহণযোগ্য। ভাৰতীয় নৱজাগৰণত গাঁও উন্নয়নৰ গুৰুত্ব সম্পৰ্কে পুনঃ নিশ্চিত হৈ মাথোন কেইমাহমান পূৰ্বে (জুন ১৯৩৯) ৰাৰ্দ্ধা আৰু সেৱাগ্ৰামৰ পৰা ঘূৰি অহা বৰদলৈয়ে লিখিলে ঃ

"এই কথাত সন্দেহ নাই যে এই অনুষ্ঠানৰ কাৰণে প্ৰয়োজন হোৱা ৰাজহৰ ঘাই অংশ আহিব হাড় ভাঙি পৰিশ্ৰম কৰা আমাৰ গাঁও অঞ্চলৰ ৰাইজৰ পৰা। ইও সত্য যে, বৰ্তমান আমাৰ বিশ্ববিদ্যালয়ৰ শিক্ষাই আমাৰ গাঁওসমূহৰ ওপৰত অকণো প্ৰভাৱ পেলোৱা নাই। যদি কেতিয়াবা আওপকীয়াভাবে পেলাইছে, সি মংগলতকৈও অমংগলহে চপাইছে অধিক। শিক্ষিত লোকসকলে গাঁৱত থাকি গাঁৱৰ উন্নতি সাধন কৰাৰ পৰিবৰ্তে চহৰীয়া বিলাসতহে বেছি আসক্ত হৈ পৰিছে আৰু গাঁওবাসীৰ স্বাৰ্থৰ নামত এই তথাকথিত শিক্ষিত লোকসকলৰ দৃষ্টিভংগী আত্ম প্ৰতিষ্ঠা আৰু আত্মতুষ্টিৰ ফালে ঢাল খাইছে। বৰ্তমানৰ সকলো আধুনিক শিক্ষাকে এই দোষে চুইছে। তথাপিও দেখদেখকৈ অংগলীয়া লক্ষণটো বৰ্তি থাকিবলৈ দিব জানো পাৰি? অন্ততঃ উচ্চ শিক্ষাৰ পিনে কৰা আমাৰ অভিযানৰ আগমুহূৰ্তত আমি গুৰুত্ব সহকাৰে এই বিষয়ে চিন্তা কৰা উচিত। মই ভাবোঁ এটা উপযুক্ত শিক্ষানুষ্ঠানৰ যোগেদি আমাৰ সমাজত সেৱা আৰু কৰ্তব্যৰ মনোভাৱেৰে পূৰ্ণ এটি নতুন দৃষ্টিভংগী গঢ়ি তোলাটো কঠিন নহ'ব। সৰ্বসাধাৰণক যেনেকৈ অন্ন-বস্ত্ৰৰ প্ৰয়োজন, তেনেকৈয়ে প্ৰয়োজন ত্যাগৰ ভেটিত স্থাপন হোৱা নেতৃত্ব। আজিৰ শিক্ষিত ডেকা শক্তিয়ে জনসাধাৰণৰ অভাৱ-অভিযোগ সম্বন্ধে সম্যক জ্ঞান আৰু তাৰ দূৰীকৰণৰ উপায় জানি লোৱাটো আৱশ্যকীয় হৈ পৰিছে। তেওঁলোকৰ প্ৰচেষ্টাই সাম্প্ৰদায়িক ঐক্যৰ প্ৰাণগংগা স্বৰূপ হ'ব। তেওঁলোকে যি সংস্কৃতিৰ আধাৰত গঢ় ল'ব, তাত সাম্প্ৰদায়িক অনৈক্য আৰু নাথাকিব।... এনে ডেকা শক্তিয়ে আমাক উপযুক্ত পথেদি পৰিচালনা কৰিব পাৰিব। যি অনুষ্ঠানে এনে লোক গঢ়ি তুলিব তেনে অনুষ্ঠানক আমি আঁকোৱালি লম।..."

যিহেতু বিশ্ববিদ্যালয় বিধেয়কখনে মাথোন পৰীক্ষা পৰিচালনা কৰা বিশ্ববিদ্যালয় এখনৰহে প্ৰতিশ্ৰুতি দিছিল, বৰদলৈৰ পৰিকল্পনাৰ ডেকাশক্তিৰ প্ৰতিশ্ৰুতি দিয়া নাছিল, সেই কাৰণে ই বৰদলৈৰ কাৰণে গ্ৰহণযোগ্য হ'ব নোৱাৰিলে। তেওঁৰ মতে চৰকাৰে মাধ্যমিক স্কুলসমূহৰ পৰীক্ষাৰ কাৰণে মাধ্যমিক শিক্ষা সংস্থা এটা স্থাপন কৰি সাম্প্ৰতিক সমস্যাটো সমাধান কৰি বিশ্ববিদ্যালয়খনৰ কাৰণে কিছুদিন বাট চোৱাই ভাল।

বিধেয়কখনৰ দফাই দফাই বৰদলৈয়ে চৰকাৰী শাসন যন্ত্ৰৰ ভূতটো দেখা পাইছিল। আনহাতে তেওঁৰ আদৰ্শৰ বিশ্ববিদ্যালয়খন হ'ব লাগিছিল স্বায়ত্ত-শাসিত। বিধেয়কখনত 'ছেনেট' (ব্যৱস্থাপক সভা) আৰু 'ছিণ্ডিকেট'ও (প্ৰতিনিধিবৰ্গৰ সভা) অনা চৰকাৰী শিক্ষাবিদৰ প্ৰতিনিধিত্বৰ তুলনাত চৰকাৰী মনোনীত লোকৰ সংখ্যাগৰিষ্ঠতা দেখি বৰদলৈ আতংকিত হৈছিল। তেওঁ কৈছিল তেনে ধৰণৰ চৰকাৰী হস্তক্ষেপ আনকি পৌৰসভাৰ আইনতো নাই। বৰদলৈৰ মতে যদি এটা চৰকাৰে নিজ দলীয় লোকেৰে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় সংস্থাবোৰ ভৰাই পেলাব খোজে তেনেহ'লে ই নিশ্চিত যে ভৱিষ্যতে বিপক্ষে দল ক্ষমতালৈ আহিলে সেইসকল ব্যক্তিক আঁতৰাবলৈ বিচাৰিব আৰু ফলস্বৰূপে দলীয় ৰাজনীতি 'পবিত্ৰ' উচ্চ বিদ্যা মন্দিৰত সোমাই পৰিব। বিশ্ববিদ্যালয়ত ৰাজনীতি থকাত বৰদলৈৰ আপত্তি নাই; তেওঁৰ ঘোৰ আপত্তি আছিল মাথোন বিশ্ববিদ্যালয়ৰ প্ৰশাসনত দলীয় ৰাজনীতি সোমোৱাতহে। বিশ্ববিদ্যালয় প্ৰশাসনত পোনপটীয়া চৰকাৰী প্ৰভাৱৰ অমংগলীয়া পৰিণামৰ কথা ক'বলৈ গৈ বৰদলৈয়ে তেওঁৰ লেখাটোৰ আদিতে বংগবীৰ, অসমপ্ৰেমী আশুতোষ মুখাৰ্জী আৰু আমাৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ মাজত তাহানিতে হোৱা এটা কথোপকথন বখানিছে। এবাৰ হেনো কৰ্মবীৰ আৰু মুখাৰ্জী দুয়ো আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুক দেখা কৰিবলৈ উত্তৰ পাৰলৈ গৈ উভতি আহোঁতে বাটত অসমত বিশ্ববিদ্যালয় এটা স্থাপনৰ কথা ওলাল। কৰ্মবীৰৰ পৰা সবিশেষ শুনি সেই সময়ৰ অসমত বিশ্ববিদ্যালয়ৰ কাৰণে যথেষ্ট সংখ্যক শিক্ষাবিদৰ নাটনিলৈ ইংগিত কৰি মুখাৰ্জীয়ে বৰদলৈক সুধিলে—তেওঁ পুলিছ বিষয়া এজনক উপাচাৰ্য ৰূপে লৈ চৰকাৰী বিশ্ববিদ্যালয় এখনৰ কথা ভাবিছে নেকি?

গোপীনাথ বৰদলৈয়ে নজনাকৈ নাছিল যে চল্লিছৰ দশকৰ অসমত বিশ্ববিদ্যালয় এখনৰ কাৰণে উপযুক্ত শিক্ষাবিদৰ একেবাৰে নাটনি নাছিল, কিন্তু বিধেয়কখনত তেনে লোকক প্ৰাধান্য দি অনুষ্ঠানটো স্বায়ত্ত-শাসিত

কৰাৰ দিহা নাছিল। সেই কাৰণে বৰদলৈয়ে লিখিছে যে দেশখনৰ উচ্চ শিক্ষা চৰকাৰৰ দ্বাৰা নিযুক্ত হোৱা লোকে নিয়ন্ত্রণ কৰিলে সকলো সময়তে চৰকাৰৰ ৰাজনৈতিক অভিপ্রায়লৈ লক্ষ্য ৰাখি শাসনযন্ত্রই বিশ্ববিদ্যালয়ৰ ভিতৰুৱা বিষয়ত সততে হস্তক্ষেপ কৰাৰ সুবিধা পায়। ফলত এনে বিশ্ববিদ্যালয়ৰ পৰা চৰকাৰে বিচৰা ধৰণৰ উপযুক্ত লোক উৎপন্ন হ'লেও, ইয়াৰ ছাত্রৰ সর্বপ্রকাৰ মানসিক বিকাশ ঘটাৰ সম্ভাৱনা নাইকিয়া হয়। মানুহৰ ঈশ্বৰ-প্রদত্ত স্বাধীন চিন্তা হেৰাই যায় আৰু বহুমুখী প্রতিভাৰ মানুহ হৈ পৰে নির্দিষ্ট উদ্দেশ্যৰ বাবে পৰিচালিত এটা যন্ত্র মাথোন। সেয়ে বৰদলৈৰ মানত উচ্চ শিক্ষাৰ ক্ষেত্রত চৰকাৰী শাসনযন্ত্রৰ হস্তক্ষেপ যিমান সম্ভৱ কম হোৱাই বাঞ্ছনীয়।

আনধৰণৰ শিক্ষাৰ ক্ষেত্রতো বৰদলৈৰ মতে চৰকাৰী শাসন যন্ত্রই অধিক হস্তক্ষেপ নকৰি শিক্ষাক যিমান পৰি মুক্ত বিকাশ লভিবলৈ দিয়া উচিত। বৰদলৈয়ে কৈছে ঃ

"শিক্ষা প্রসাৰণত চৰকাৰৰ অর্থ-সাহায্য থাকিব লাগে আৰু প্রাথমিক আৰু নিম্ন পর্যায়ৰ শিক্ষাৰ ক্ষেত্রত চৰকাৰে নিজা বিশেষজ্ঞৰ দ্বাৰাও শিক্ষা পৰিচালনা কৰিব পাৰে। এনেকৈ চৰকাৰী প্রভাৱ প্রবর্তিলেও বেচৰকাৰী শিক্ষা পদ্ধতিৰ ক্রমোন্নতিত চৰকাৰে বাধা নিদি উৎসাহহে দিব লাগে। গতিশীল সমাজত সকলো দিশতে— আৰু বিশেষকৈ শিক্ষাৰ ক্ষেত্রত— বেচৰকাৰী পৰীক্ষা-নিৰীক্ষাৰ ক্রমোন্নতি অপৰিহার্য। পৰিবর্তন আৰু প্রগতিলৈ কাণসাৰ নকৰা জড়াজীর্ণ চৰকাৰ এটিয়েহে মাথোন এনে পৰীক্ষা-নিৰীক্ষাৰ পৰা লাভবান হ'বলৈ নিবিচাৰে।"

বৰদলৈ আছিল সাম্প্রদায়িকতা বিৰোধী। বিশেষকৈ তেওঁ নিবিচাৰিছিল যে শিক্ষানুষ্ঠানত কোনো বিশেষ সম্প্রদায়ৰ লোকৰ কাৰণে আনুপাতিক আসন আছুতীয়াকৈ ৰাখিব লাগে। কিন্তু উল্লিখিত বিধেয়কখনত তেওঁ তাকেই দেখিলে। বৰদলৈয়ে ক'লে যে আৰবী, ফার্চী আদি ভাষাসমূহ সেই সেই ভাষাৰ পণ্ডিতসকলৰ দ্বাৰা শিকোৱা বা তাৰ বাবে একোখন অধ্যয়ন চক্র পাতি দিয়াটো সম্পূর্ণ গুৰুত্বপূর্ণ হ'লেও, সাম্প্রদায়িক ভিত্তিত উচ্চ শিক্ষা প্রতিষ্ঠানৰ শিক্ষক, পৰিচালক, উপদেষ্টা আদি নিযুক্তি যুক্তিহীন। বৰদলৈয়ে কৈছিল ঃ

"মোক যাতে ভুল নুবুজে সেই বাবে মই কৈ থব খুজিছোঁ যে সকলো সদস্যই যদি মুছলমান বা অনুসূচিত নাইবা জনজাতি সম্প্রদা.ৰ পৰাই হয় তাত মোৰ অকণোকে আপত্তি নাই, যদিহে তাৰ দ্বাৰা উচ্চ শিক্ষাই যথাযথভাৱে প্রগতি লাভ কৰিব পাৰে। মই উপলব্ধি কৰোঁ যে বিশ্ববিদ্যালয় শাসনৰ ক্ষেত্রত কোনো জাতি, উপজাতি, সম্প্রদায়, বর্ণ আদিৰ বিচাৰ থাকিব নাপায়, আৰু সদায় উপযুক্ত মানুহকহে ইয়াত কাম কৰিবলৈ বা পৰামর্শ দিবলৈ বাছি উলিয়াবৰ চেষ্টা হ'ব লাগে। আইনৰ দ্বাৰা নকৰিও সকলো সম্প্রদায়কে প্রতিনিধিত্ব কৰা উপযুক্ত লোকক বাছি উলিওৱা কঠিন নহ'ব।"

চৰকাৰ-চালিত ত্রুটিপূর্ণ বিশ্ববিদ্যালয় এখন হোৱাতকৈ নোহোৱাই ভাল বুলি ১৯৪১ চনত বৰদলৈয়ে মন্তব্য কৰিলেও সেই একেটা সময়তে তেওঁ অসমত বিশ্ববিদ্যালয় এখনৰ প্রয়োজনবোধ নকৰাকৈ নাছিল আৰু সেই কাৰণেই শ্রীহট্ট জিলাৰ লোকৰ আপত্তিক অবাস্তৱ জ্ঞান কৰিছিল। আকৌ, শিলঙক বিশ্ববিদ্যালয়খনৰ কাৰণে উপযুক্ত ঠাই নুগুণি বুৰঞ্জী প্রসিদ্ধ চহৰ আৰু কটন কলেজৰ অৱস্থান ভূমি গুৱাহাটীকেই বিশ্ববিদ্যালয়ৰ কাৰণে সবাতোকৈ শ্রেয় ঠাই বুলি গণ্য কৰিছিল। অসমত বিশ্ববিদ্যালয় এখনৰ প্রয়োজন আৰু সেইলৈ শ্রীহট্ট জিলাৰ দুঃচিন্তাৰ প্রসংগত বৰদলৈয়ে উল্লিখিত লেখাটোত নিম্নোক্ত কথাখিনি কৈছে ঃ

"মই ভাবোঁ যে অসমৰ বিশ্ববিদ্যালয় এখন দাবী কৰাৰ যিমান অধিকাৰ আছে শ্রীহট্টৰো কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত থাকোঁ বুলিবৰ সিমানেই অধিকাৰ আছে। আত্ম-সংকল্পৰ যি নীতিয়ে শ্রীহট্টক কলিকতা বিশ্ববিদ্যালয়ৰ তত্ত্বাৱধানত থকাৰ অধিকাৰ দিব, সেই একে নীতিৰ আধাৰতে অসমেও এখন বিশ্ববিদ্যালয় পাব লাগে। ভাষা আৰু সংস্কৃতিৰ ভিত্তিত প্রদেশসমূহ গঠন কৰাৰ কংগ্রেছৰ যি নীতি তাৰ লগত এই ব্যৱস্থা খাপ খাই পৰে। সেই কাৰণে মই ভাবোঁ শ্রীহট্ট আৰু শিলচৰেও যদি নতুন বিশ্ববিদ্যালয়খনৰ পৰা বাহিৰত থাকিব বিচাৰে, তেনেহ'লে তাত কোনো আপত্তি থাকিব নালাগে। কেৱল শ্রীহট্ট বা শিলচৰৰ প্রতিবাদৰ কাৰণে বিশ্ববিদ্যালয়খন প্রতিষ্ঠা নোহোৱাকৈ থাকিব নোৱাৰে।"

১৯৪১ চনৰ ১৮ জুন তাৰিখে জেলৰ পৰা খালাচ হৈ ওলাই আহি বৰদলৈয়ে অসমত কেইটামান বিশেষ অন্যায় কাণ্ড দেখা পাইছিল যি নেকি তেওঁক এনেভাবে অতিষ্ঠ কৰি তুলিছিল যে তেওঁ সেই কেইটাক লৈ বিধান সভাত যুদ্ধ দিয়াৰ চিন্তাৰে প্রশ্ন তুলিছিল ঃ অসমৰ 'বিশেষ পৰিস্থিতি' লৈ লক্ষ্য ৰাখি অসম বিধান সভাৰ কংগ্রেছী সদস্যসকলৰ কাৰণে সত্যাগ্রহ নে বিধান সভা গতি হ'ব লাগে? আগন্তুক বিধান সভাৰ অধিবেশনত বিশ্ববিদ্যালয় বিধেয়কখনৰ উপস্থাপনৰ প্রস্তুতিও এই অন্যায় কাণ্ডকেইটাৰ এটা আছিল। ১৮ আগষ্ট তাৰিখে সতীর্থসকলৰে পঠোৱা বিজ্ঞপ্তিখনত উল্লিখিত বাকীবোৰ অন্যায় কাণ্ড আছিল ঃ চৰকাৰৰ মাটি পত্তন নীতি, বর্দ্ধিত সাম্প্রদায়িকতা আৰু অত্যাধিকভাৱে প্রচলিত দুর্নীতি। ইয়াৰ পৰা বুজিব পাৰি বিশ্ববিদ্যালয় বিধেয়কখনে অমান্য কৰা আদর্শসমূহ বৰদলৈৰ কাৰণে কিমান গুৰুত্বপূর্ণ আছিল।

(৩)

গুৱাহাটী বিশ্ববিদ্যালয় ন্যাস সমিতি

অর্থৰ অভাৱ, দুই উপত্যকাৰ মাজত বিভেদ ভাব, চৰকাৰ আৰু ব্রহ্মপুত্র উপত্যকাৰ ৰাইজৰ মাজত মনোমালিন্য আদি বিভিন্ন কাৰণত একচল্লিছ চনৰ বিশ্ববিদ্যালয় আঁচনি আগবাঢ়িব নোৱাৰিলে। তথাপিও অসমত বিশ্ববিদ্যালয় এখনৰ আৱশ্যকতা ক্রমান্বয়ে বাঢ়ি গ'ল। সকলো ঠাইতে কলেজ আৰু ছাত্র-ছাত্রীৰ সংখ্যা অসম্ভৱভাৱে বৃদ্ধি পোৱাত কলিকতা বিশ্ববিদ্যালয়ৰ পক্ষেও অন্য প্রদেশৰ দায়িত্ব বহন কৰি থকাটো সম্ভৱ নহ'ল। বৰদলৈয়ে নিজে কিন্তু গান্ধী আদর্শৰে গ্রাম-উদ্যোগলৈ লক্ষ্য ৰখা প্রজা-মুখী বিশ্ববিদ্যালয় এখনহে বিচাৰিছিল। ঠিক তেনে ধৰণেই ভাবি হয়তো ১৯২১ চনত কর্মবীৰ চন্দ্রনাথ শর্মাইও এখন বিশ্ববিদ্যালয় আঁচনি তৈয়াৰ কৰিছিল। বাস্তৱবাদী বৰদলৈয়ে কিন্তু ভাবিলে যে তেওঁৰ ধাৰণাৰ বিশ্ববিদ্যালয়খনক উচ্চ শিক্ষাৰ কাৰণে গঢ়ি উঠা নৱজাগৰণে গ্রহণ নকৰিব। সেই কাৰণে বৰদলৈয়ে প্রথমে বিশ্ববিদ্যালয় আন্দোলনত যোগ দিব খোজা নাছিল।

বৰদলৈয়ে কিন্তু এই আন্দোলনৰ পৰা আঁতৰি থাকিব নোৱাৰিলে। ১৯৪৪ চনৰ ২৬ জানুৱাৰি তাৰিখে তেওঁৰ তৃতীয় আৰু শেষবাৰৰ কাৰাবাসৰ ম্যাদ সম্পূর্ণ নৌহওঁতেই (ই ১৯৪৪ চনৰ ৯ আগষ্টলৈকে আছিল) ৰোগগ্রস্ত বৰদলৈক অন্তৰীণ হুকুমেৰে চৰকাৰে খালাচ দিলে। আৰম্ভণিতে কিছুদিন কলিকতাত বেমাৰ-আজাৰ দেখুৱাই অহাৰ পাছত বৰদলৈ কিছু সময় কস্তুৰবা স্মাৰক নিধিৰ কাৰণে অর্থসংগ্রহত গুৱাহাটীতেই ব্যস্ত থাকে। সেই সময়ত শিৱসাগৰত বহা অসম সাহিত্য সভাত বেণুধৰ ৰাজখোৱাৰ সভাপতিত্বত বিশ্ববিদ্যালয় সম্পর্কে এখন আলোচনা চক্র বহে আৰু ইয়াতে বছৰটোৰ (১৯৪৪) শেষৰ পিনে গুৱাহাটীত এখন 'কনভেনশ্যন' পতাৰ ব্যৱস্থা হয়। মাধৱ বেজবৰুৱা আৰু জীৱনৰাম ফুকন আছিল এই আলোচনা সভাৰ গুৰি ধৰোঁতা। আলচামতে ডিচেম্বৰ মাহৰ শেষৰ ফালে গুৱাহাটীৰ কামৰূপ একাডেমিত অসীম একাগ্রতাৰ মাজেৰে 'গুৱাহাটী বিশ্ববিদ্যালয়

কনভেনশ্যন' নামৰ সভাখন বহে। এই সভাত গুৱাহাটীতেই অসমৰ বিশ্ববিদ্যালয়খন পতাটো ঠিক হয় আৰু অর্থ সংগ্রহৰ কাৰণে বিশ্ববিদ্যালয় ন্যাস সমিতি নামে এখন 'ট্রাষ্ট বোর্ড' গঠন কৰি গোপীনাথ বৰদলৈক তাৰ সভাপতি পতা হয়। বৰদলৈয়ে তেওঁৰ ১৯৪৪ চনৰ ডায়েৰীত এই বাব লোৱাৰ বিষয়ত এনেকৈ লিখিছে ঃ

"আচলতে মই (বিশ্ববিদ্যালয়) আন্দোলন বন্ধ কৰিবলৈ নিবিচাৰিলেও ইয়াত মোৰ প্রাণ ঢালি কাম কৰিবৰ ইচ্ছা নাছিল। মই নিজে ভাবি আছিলোঁ, যে মই এজন সাধাৰণ দুখীয়া গাঁৱলীয়াৰ প্রতিনিধি আৰু তেওঁলোকৰ কাৰণে কাম কৰাই মোৰ জীৱনৰ উদ্দেশ্য হোৱা উচিত। আমাৰ ভিতৰত এনে প্রবৃত্তি আছেনে যে Peoples University এখন আমি পাতিম? মই এই (গুৱাহাটী বিশ্ববিদ্যালয়) সম্বন্ধে অমত নহ'লেও মোৰ সহযোগ দিব নোৱাৰিম বুলি বহুতকে জনাইছিলোঁ—বিশেষকৈ স্বর্গীয় শৰৎ চন্দ্র গোস্বামী ডাঙৰীয়াক। এই শিৰসাগৰত বিশ্ববিদ্যালয় সম্পর্কে বহা সাহিত্য সভাৰ সভাত মোক ট্রাষ্ট বোর্ডৰ সভাপতি পতা সত্ত্বেও পৰিবর্তন কৰা নাছিলোঁ। কিন্তু মানুহৰ উৎসাহ দেখি আৰু পাৰিলে সেই উৎসাহটো মোৰ পৰিকল্পনা মতে ঢাল খোৱাবলৈ আৰু বিশেষকৈ স্বর্গীয় শৰৎ চন্দ্র গোস্বামীৰ বিয়োগত গোসাঁয়নী দেৱীৰ আতুৰভাব বুজি অনিশ্চা সত্ত্বেও এই গুৰুভাৰ ল'বলৈ বাধ্য হ'লো। এই গুৰু ভাৰৰ বোজা মোৰ স্বাস্থ্যৰ ওপৰত কেনে ধৰণে পৰিব মই ক'ব নোৱাৰোঁ, কিন্তু সকলো " তেওঁৰ হাততেই সমর্পণ কৰিছোঁ। তেৱেঁই যেন মোক " তেওঁৰ উদ্দেশ্য সফল কৰাৰ পিনে নিয়ে।"

বাব লৈ কাম নকৰাটো বৰদলৈৰ স্বভাৱ বিৰুদ্ধ কথা। ১৯৪৫ চনৰ ১৫ জানুৱাৰি তাৰিখে চৰকাৰে বৰদলৈৰ ওপৰত থকা অন্তৰীণৰ হুকুম উঠাই লোৱাত পাছৰটো মাহৰ আৰম্ভণিতে বৰদলৈ শান্তিনিকেতন হৈ ৰাৰ্দ্ধালৈ গ'ল, গান্ধীজীক লগ পাবলৈ। তাৰ পৰা ঘূৰি কলিকতাত এদিন থাকি তেওঁ যেতিয়া ডাঃ ভুবনেশ্বৰ বৰুৱাৰ সৈতে ১৬ ফেব্রুৱাৰি তাৰিখে গুৱাহাটী পায়হি, লগত লৈ আহে কলিকতাত মাধৱ বেজবৰুৱাই ছপা কৰাই দি পঠিওৱা বিশ্ববিদ্যালয়ৰ ধন সংগ্রহৰ ৰছিদ বহীবোৰ। সেইবোৰ গতাই দিয়া হ'ল ন্যাস পৰিষদৰ কামত লাগিবলৈ ইতিমধ্যে উজনিৰ পৰা আহি গুৱাহাটীত উপস্থিত হোৱা মহেশ্বৰ নেওগক। ১৯ তাৰিখে ন্যাস পৰিষদ নতুনকৈ গঠন হ'ল আৰু অর্থ সংগ্রহৰ আঁচনিৰ বিষয়ে চিন্তা কৰা হ'ল। নেওগক ন্যাস পৰিষদৰ 'অফিচ ছেক্রেটেৰি আৰু একাউন্টেণ্ট' পতা হ'ল। তাৰপাছত আৰম্ভ হ'ল ধন সংগ্রহ কৰাৰ ব্যৱস্থা। চল্লিছ বছৰৰ পাছত অধ্যাপক মহেশ্বৰ নেওগদেৱে তেওঁৰ জীৱন সোঁৱৰণত উল্লেখ কৰিছে কেনেকৈ ঘৰে ঘৰে মুষ্টি ভিক্ষাও বিশ্ববিদ্যালয়ৰ কাৰণে কৰা হৈছিল আৰু ন্যাস পৰিষদৰ ফালৰ পৰা কেনেকৈ ধন গোটোৱাৰ দায়িত্ব বিভিন্ন জিলা সংগ্রহ সমিতিবোৰৰ ওপৰত ন্যস্ত কৰা হৈছিল, আৰু সেইবোৰেও ঠায়ে ঠায়ে এলেকাই এলেকাই, কেনেকৈ সৰু সৰু সমিতি পাতি ধন তুলিছিল।

এপ্রিল মাহৰ আৰম্ভণিতে বৰদলৈয়ে বিশ্ববিদ্যালয়ৰ ধন সংগ্রহৰ কাৰণে নিজেও গুৱাহাটীত ঘূৰিবলৈ লয়। উপায়ুক্ত আৰু ৰোহিনী কুমাৰ চৌধুৰী আদিৰে মিলি মাৰোৱাৰী সম্প্রদায়ৰ পৰাই ডেৰ লাখ টকা সংগ্রহ কৰাৰ কথা হ'ল। অন্তৰীণৰ হুকুম উঠি যোৱাত বৰদলৈৰ গুৱাহাটীৰ বাহিৰলৈও ধন সংগ্রহৰ কাৰণে যাবৰ সুচল হ'ল। সেই কাৰণে ৬ এপ্রিল তাৰিখে তেওঁ ওলাল উজনিলৈ। লগত নিলে, কটন কলেজৰ অধ্যাপক আৰু পাছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰু হোৱা বিৰিঞ্চি কুমাৰ বৰুৱাক। বৰুৱা তেতিয়া ন্যাস পৰিষদৰ যুটীয়া সম্পাদকৰ পদত আছিল। ২ মে' তাৰিখলৈকে নগাঁও, গোলাঘাট, শিৰসাগৰ, ডিব্রুগড়, তিনিচুকীয়া, লিডু, ভুমডুমা, ডিগবৈ আদি ঠাইত ধন সংগ্রহ কৰি তেওঁলোক পুনৰ জখলাবন্ধা আৰু নগাঁও হৈ গুৱাহাটী পায়হি। যাত্রাৰ অন্তত সম্পূর্ণ কিমান ধন উঠিলগৈ সেই সংখ্যাটো বৰদলৈৰ দিনলেখাত নাই, কিন্তু ৯-১০ এপ্রিলতে ৩৫ হাজাৰ টকাৰ প্রতিশ্রুতি আৰু নগদ দহ হাজাৰ টকা আদায়ৰ কথা আছে। ১৯৪৭ চনৰ ছেপ্টেম্বৰ মাহত অসম বিধান সভাৰ মজিয়াত বৰদলৈয়ে ব্যক্ত কৰা মতে অসমৰ ৰাইজে বিশ্ববিদ্যালয়খনলৈ সর্বমুঠ নগদ পাঁচ লাখ পঞ্চাছ হাজাৰ টকা অৰিহণা দিছিল আৰু আঁঠ কি ন লাখৰ প্রতিশ্রুতি দি থৈছিল।

সম্পূর্ণৰূপে গ্রামমুখী নহ'লেও তেওঁ ভাগলোৱা অসমৰ ভৱিষ্যত বিশ্ববিদ্যালয়খন কেনে হ'ব তাৰ এটা ধাৰণা বৰদলৈয়ে ন্যাস সমিতিত যোগ দিয়াৰে পৰা মনত ৰাখিছিল। ১৯৪৫ চনৰ ফেব্রুৱাৰি মাহত ৰাৰ্দ্ধালৈ যোৱাৰ পথত শান্তিনিকেতনত সংবাদদাতা এজনৰ আগত বৰদলৈয়ে কৈছিল যে অসমৰ বিশ্ববিদ্যালয়খন মাথোন শিক্ষানুষ্ঠান অন্তর্ভুক্ত কৰি পৰীক্ষা পৰিচালনা কৰা বিধৰ নহ'ব; তাত গুৰু-শিষ্য আৰু পণ্ডিত-নবদীক্ষিতৰ মাজত সঘন সম্পর্ক থাকিব। আকৌ, আঞ্চলিক বিশেষত্ব থকা বিষয়বোৰত অধিক গুৰুত্ব অর্পণ কৰা হ'ব যাতে প্রদেশখনে যোগুৱা সুবিধাবোৰৰ সৎব্যৱহাৰ হয়। বৰদলৈয়ে আৰু কৈছিল ঃ "আমাৰ বিশ্ববিদ্যালয় আমাৰ জীৱনৰ পৰা বিচ্ছিন্ন হৈ গঢ়ি উঠা বস্তু এটা নহ'ব। মই আশা কৰোঁ ই আমাৰ জীৱনৰ সর্বোচ্চ আদর্শ আৰু আকাংক্ষাক ৰূপায়িত কৰিব।"

(৪)

গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম আৰু বৰদলৈ-বিশ্ববিদ্যালয় মনোমালিন্য

১৯৪৬ চনৰ ফেব্রুৱাৰি মাহত গোপীনাথ বৰদলৈ পুনৰ অসমৰ মুখ্যমন্ত্রী হয় আৰু এক সবল নেতৃত্বৰে এটা সংকটময় সময়ৰ ৰাজনৈতিক বতাহ-ধুমুহাৰ মাজেদি প্রদেশখন সফলতাৰে স্বাধীনতাৰ আগ আৰু পাছ মুহূর্ত কেইটালৈ আগুৱাই নিয়ে। আধুনিক অসমৰ বহু গুৰুত্বপূর্ণ প্রতিষ্ঠানৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনো তেওঁৰ কংগ্রেছী চৰকাৰৰ কার্যসূচীত আছিল। পুনৰ শিক্ষামন্ত্রী হৈ তেওঁ তেতিয়া শিক্ষা বিভাগৰে উচ্চ বিষয়া আৰু প্রসিদ্ধ বুৰঞ্জীবিদ ড° সূর্য কুমাৰ ভূঞাক ১৯৪৭ চনত 'বিশেষ বিশ্ববিদ্যালয় বিষয়া' পাতিলে আৰু সেই বছৰৰে পহিলা ছেপ্টেম্বৰৰ দিনা অসম বিধান সভাত গুৱাহাটী বিশ্ববিদ্যালয় বিধেয়কখন উপস্থাপন কৰিলে।

এই বিধেয়কখন দাঙি ধৰি বৰদলৈয়ে দিয়া ভাষণটো তেওঁৰ কা�ৰাগাৰত লিখা আগৰ প্রবন্ধটোৰ দৰে তত্ত্ব-গধুৰ নাছিল। হয়তো তেনে হোৱাৰ প্রয়োজনো নাছিল। বৰদলৈয়েও তেনেদৰেই ভবা যেন আমাৰ লাগে। বিধেয়কখনৰ কাৰণ আৰু লক্ষ্য বখানি বৰদলৈয়ে প্রদেশখনত শিক্ষা আৰু সংস্কৃতিৰ কেন্দ্র এটাৰ অনুপস্থিতি বহু দিনৰে পৰা উপলব্ধি হৈ অহাৰ কথা কৈছিল আৰু লগতে উদ্ভিদবিদ্যা, নৃতত্ত্ব, নদী-পর্বত আদিৰ বিষয়ে ভৌগলিক অধ্যয়ন-গৱেষণাৰ কাৰণে অসম যে এক বিশেষ ঐশ্বর্যভূমি তাকো কৈছিল। বিশ্ববিদ্যালয়খনৰ পৰিচালনাৰে জড়িত হ'ব লগা সংস্থা তিনিটা—'একাডেমিক কাউন্সিল', 'এগজিকিউটিভ কাউন্সিল' আৰু 'ক'ৰ্ট'ৰ প্রসংগত বৰদলৈয়ে সংক্ষেপতে কৈছিল যে বিধেয়কখনে সেই সংস্থাকেইটাৰ বাহ্যিক আকৃতিকেইটাহে বর্ণাইছে; সিবিলাকৰ প্রকৃত ভিতৰুৱা কার্যাবলী নির্দিষ্ট কৰিব সেইবিলাকৰ জড়িত হ'বলগীয়া শিক্ষাবিদ, শিক্ষাব্রতী সভ্যসকলেহে, চৰকাৰে নকৰে। এনেকৈ কৈ বৰদলৈয়ে বিশ্ববিদ্যালয় স্বায়ত্ত-শাসন সম্পর্কে তেওঁৰ নিজা বদ্ধমূল ধাৰণাটোকেই পুনৰ প্রকাশ কৰিলে।

ইমান দিনে তেওঁৰ দায়িত্বত থকা বিশ্ববিদ্যালয়ৰ সা-সম্পত্তি, কাগজ-পাতি সোনকালে বিশ্ববিদ্যালয় কর্তৃপক্ষৰ হাতত সমর্পণ কৰি দিবৰ কাৰণে বৰদলৈয়ে ১৯৪৮ চনৰ জানুৱাৰি মাহৰ শেষৰ ফালে গুৱাহাটীত ন্যাস পৰিষদৰ শেষখন সভা আৰু তৃতীয় বিশ্ববিদ্যালয় 'কনভেনশ্যন'খন আহ্বান কৰিলে। দ্বিতীয় সভাখনলৈ ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কামত

কিছুদিনৰে পৰা খাটি থকা ৱার্দ্ধাৰ গান্ধীজীৰ সহকর্মী কাকা কালেলকাৰকো আমন্ত্রণ কৰি আনিলে। ১০ জানুৱাৰি তাৰিখে বৰদলৈয়ে উপাচার্য পদবীৰ বাবে প্রখ্যাত সংস্কৃতজ্ঞ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ পৰা সম্মতি পাই থৈছিলেই। ন্যাস পৰিষদৰ সভাখন বহিল ২৫ জানুৱাৰি তাৰিখে। বৰদলৈয়ে টকা-পইচা হিচাপ-পাতি সকলো বিশ্ববিদ্যালয় কর্তৃপক্ষক গতাই দিলে। সেইদিনাই 'ছুডমার্চন হল'ত তেওঁৰেই সভাপতিত্বত বহিল বিশ্ববিদ্যালয়ৰ তৃতীয় 'কনভেনশ্যন'খন। পাছদিনাৰ সভাত সন্দিকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রথম উপাচার্য নিযুক্ত হ'ল। মাহিলী ১৪০০ টকা আৰু বিনা ভাৰাৰ এটা বাসস্থান তেওঁক দিয়াটো ঠিক কৰা হ'ল। কাকা চাহেব, ড° সূর্যকুমাৰ ভূঞা আৰু বিখ্যাত সমাজসেৱিকা অমলপ্রভা দাসক 'এগজিকিউটিভ কাউন্সিল'ৰ সদস্যৰূপে মনোনীত কৰা হ'ল। মায়ং নকচা, অধ্যাপক আৰ. আৰ. টমাছ আদি উপযুক্ত লোককো বিশ্ববিদ্যালয়ৰ বিভিন্ন পৰিচালনা-উপদেষ্টা সমিতিত সমুৱাই ল'বলৈও বৰদলৈয়ে ৰাজ্যপাল হাইদৰীক পৰামর্শ দিলে।

চৰকাৰৰ পৰা বিশ্ববিদ্যালয়খনে বছৰি পাঁচ লাখ টকাৰ এটা মঞ্জুৰী পোৱাৰ বন্দৱস্ত হ'ল।

কিন্তু বিধিৰ এনেহে ইচ্ছা যে এই গোপীনাথ বৰদলৈয়েই গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৱ-নিযুক্ত কর্তৃপক্ষৰ পৰা বিশেষ সন্মান পোৱাটো দূৰতে থাওক, অনতিপলমে অনেক অশান্তিহে পাবলগীয়া হ'ল। বিশ্ববিদ্যালয়ৰ তৃতীয় 'কনভেনশ্যন'খনত তুলসী নাৰায়ণ শর্মাই বৰদলৈক বিশ্ববিদ্যালয় 'ক'র্ট'ৰ আজীৱন সভ্য পতাৰ প্রস্তাৱ তোলাৰ পাছতো তেনে কোনো প্রস্তাৱ বৰদলৈলৈ নাহিল। ইয়াৰ বিপৰীতে বিশ্ববিদ্যালয় স্থাপনৰ কিছুদিনৰ পাছতে বৰদলৈ আৰু বিশ্ববিদ্যালয় কর্তৃপক্ষৰ মাজত বিবাদ এখনহে উপস্থিত হ'ল। কথাটো আছিল এনেকুৱা ঃ বিশ্ববিদ্যালয়ৰ ঘৰ নির্মাণৰ কাৰণে চৰকাৰে জালুকবাৰীত যি মাটি দিছিল সেই মাটিতে তেওঁৰ পৰিকল্পিত কেইটামান শিক্ষা-প্রতিষ্ঠান বিশ্ববিদ্যালয়ৰ অন্তর্ভুক্ত কৰি গঢ়ি তুলিবলৈ তেওঁ প্রয়াস কৰিছিল। সমবায় প্রশিক্ষণ কেন্দ্র, গাঁও উন্নয়ন প্রশিক্ষণ কেন্দ্র আয়ুর্বেদিক মহাবিদ্যালয় আদি তাৰে কেইটামান। কিন্তু বৰদলৈৰ ১৯৪৮ চনৰ দিনলেখাত পোৱামতে, বিশ্ববিদ্যালয় কর্তৃপক্ষই এইবোৰ প্রতিষ্ঠানক তেওঁলোকে পোৱা মাটিত বহুৱাবলৈ অসম্মত হ'ল। বৰদলৈয়ে ভাবিলে—ই মাথোন দুটা আদর্শৰ মাজৰহে আঁৰিয়াআৰি। গতিকে নিজৰ আদর্শ নতুন প্রতিষ্ঠানটোৰ ওপৰত জাপি দিয়াৰ কথা নুঠে। কিন্তু যেতিয়া তেওঁ মন্ত্রী নিকলছ ৰয়ৰ পৰা এদিন হঠাতে শুনিলে যে বিশ্ববিদ্যালয় কর্তৃপক্ষই আনকি এনজিনিয়াৰিং কলেজকো মাটি এৰি দিব খোজা নাই তেতিয়া তেওঁ ৰিক্ত হ'ল আৰু ৰিত্ত আৰু ৰাজহ মন্ত্রী বিষ্ণুৰাম মেধিক ক'লে যে বিশ্ববিদ্যালয়ৰ মাটিৰ পশ্চিমফালে অন্ততঃ ৬০০ বিঘা মাটিৰ দখল যেন বিশ্ববিদ্যালয়ক নিদিয়ে। এই মাটি চৰকাৰক লাগে অন্যবোৰ শিক্ষা-প্রতিষ্ঠান নির্মাণ কৰিবলৈ। সেই মতে বিশ্ববিদ্যালয়লৈ আদেশ গ'ল। লগে লগে উপাচার্যৰ চিঠি লৈ ৰেজিষ্ট্রাৰ ফণী দত্ত বৰদলৈৰ ওচৰত হাজিৰ হ'লহি। বৰদলৈয়ে তেওঁক জনালে যে বিশ্ববিদ্যালয়ে পাতিব নোখোজা প্রতিষ্ঠানসমূহ চৰকাৰে পাতিবই লাগিব, তাৰ কাৰণে মাটিৰ প্রয়োজন হৈছে। পাছদিনাও বৰদলৈয়ে দত্তৰে কথা হ'ল শিক্ষা সচিব (ছেক্রেটেৰি) মেহতাৰ উপস্থিতিত। বৰদলৈয়ে ক'লে যে বিশ্ববিদ্যালয়ে নেওচা দিয়া প্রতিষ্ঠান কেইটা পাতিবলৈ তেওঁৰ চৰকাৰে ৰাইজক প্রতিশ্রুতি দি থৈছে কাৰণে সেই সংকল্পৰ পৰা বিচলিত তেওঁ নহ'ব। এই আলোচনাত আইন কলেজৰ অন্তর্ভুক্তিৰ কথাও উত্থাপন কৰা হ'ল। উপাচার্য সন্দিকৈয়ে নিজে বৰদলৈক দেখা কৰিবলৈ আহিব বুলি শুনি তেওঁৰেই লগত সকলোবোৰ কথা পোনপটীয়াকৈ পাতিব বুলি বৰদলৈয়ে ক'লে।

এনে সময়তে গুৱাহাটী বিশ্ববিদ্যালয় আৰু বৰদলৈ চৰকাৰৰ মাজত হোৱা মতানৈক্যৰৰ কথাটোকে লৈ কেদাৰনাথ গোস্বামী, ৰত্নেশ্বৰ বৰুৱা, 'এন মিশ্র' আদি কেইজনমানে চৰকাৰক দোষ দি 'আছাম ট্রিবিউন' কাকতখনলৈ চিঠি লিখিলে। বৰদলৈয়ে হেনো ইচ্ছা কৰিয়েই ঘৰ নির্মাণৰ কাৰণে অনুপযুক্ত মাটিখিনিহে বিশ্ববিদ্যালয়লৈ থৈ ভালখিনি কিবা আন প্রতিষ্ঠানৰ কাৰণে ওভতাই নিলে, আৰু এনে কৰি তেওঁ বিশ্ববিদ্যালয়ৰ প্রকৃত আৰম্ভণিত বিঘিনি জন্মালে। 'আছাম ট্রিবিউন' কাকতখনে এই মতানৈক্যৰ আচল গুৰি ক'ত তাৰ বিচাৰ নলৈ চিঠিৰ জৰিয়তে অহা এই অর্ধসত্য গুজবোৰকে প্রকাশ কৰি ঘটনাটো ৰহস্যময়েই কৰি ৰাখিলে। চৰকাৰৰ বুলি অভিহিত দোষবোৰ প্রকাশ পালে হয়, কিন্তু চৰকাৰ বা বৰদলৈয়ে দেখা বিশ্ববিদ্যালয়ৰ দোষ ৰাইজৰ আগলৈ নোলাল। বিশ্ববিদ্যালয়ৰ কর্তৃপক্ষৰ কামতো বেমেজালি নোহোৱা নহয়। কাকা চাহেব বৰদলৈক কৈছিল যে তেওঁ হেনো বিশ্ববিদ্যালয়ৰ জাননীসমূহো সময়মতে নাপায়। অন্যৰ মুখৰ পৰাও কাকা চাহাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ব্যৱস্থাপক পৰিষদৰ পৰা ৰেহাই ল'বলৈ বিচৰা কথা শুনি বৰদলৈয়ে তেওঁক জোৰকৈ ধৰিলে এনে কাম নকৰিবলৈ। বৰদলৈয়ে তেওঁৰ দিনলেখাত এনেকৈ লিখিছে ঃ

"মই নিজে একো কৰিব নোৱাৰি তেখেতক (কালেলকাৰ) বিশ্ববিদ্যালয়ৰ Executive Coulcil ত সুমুৱাই দিছোঁ। (মই অনুৰোধ কৰিলো) তেখেতে এৰি দিয়াৰ আগতে অনুষ্ঠানটোক ভাল কৰিবৰ কাৰণে চেষ্টা কৰিবলৈ। তেখেতে বিশ্ববিদ্যালয় আইনখন পৰিবর্ত্তন আৰু সংশোধন কৰিবলৈ ক'লে। কি কি বিষয়ত কৰা হ'ব মই আলোচনা কৰিম বুলি ক'লোঁ।"

কাকাচাহেবে ৰাজ্যপাল হাইদৰীৰ লগতো বিশ্ববিদ্যালয় সম্পর্কে কথা হৈছিল। গান্ধীজীয়ে বৰদলৈ উপাচার্য হোৱাটো যে বিচাৰিছিল সেই কথাও কৈছিল। এই সকলোবোৰ কথা ৰাজ্যপালে পুনৰ বৰদলৈক জনালে আৰু বর্তমান বিশ্ববিদ্যালয় কর্তপক্ষই বৰদলৈৰ প্রতি যে এটি সংকীর্ণ মনোবৃত্তি লৈছে তাকো উনুকিয়ালে।

আদর্শগত মনোমালিন্যই ব্যক্তিগত ৰূপ ধাৰণ কৰোঁ কৰোঁ,—এনে অৱস্থাতে এটা অশুৱনি ঘটনা ঘটিল। ৬ এপ্রিল (১৯৪৮) তাৰিখে উপাচার্য সন্দিকৈয়ে বৰদলৈক শিলঙৰ বাসভৱনত পুৱা বেলা দেখা কৰাৰ কথা আছিল। সন্দিকৈক লগ পোৱাৰ আশাত কার্যালয় এৰি শিক্ষা আৰু মুখ্য মন্ত্রী বৰদলৈ ১১ বজাত ঘৰলৈ ঘুৰিল। কিন্তু সন্দিকৈ নাহিল। এনে হোৱাত বৰদলৈয়ে কি ভাবিছিল সেই বিষয়ে তেওঁ দিনলেখাত বিশেষ একো কৈ থোৱা নাই। তেওঁ মাথোন লিখিছে ঃ "১১ বজাত ঘৰলৈ আহিলো —এই আশাত যে মিঃ হেন্দিকক লগ পাম, কিন্তু তেনে নঘটিল।" এই বাক্যটিত যি বেজাৰৰ ইংগিত আছে তাক বৰদলৈৰে প্রিয়বন্ধু আৰু ঘাই উপদেষ্টা ড° ভুবনেশ্বৰ বৰুৱাই নিশ্চয় উপলব্ধি কৰছিল আৰু সেই কাৰণেই হয়তো হৃদৰোগী বৰদলৈৰ মনত অলপ শান্তি আহক বুলিয়েই ১২ এপ্রিলৰ দিনা তেওঁ সন্দিকৈক গুৱাহাটীৰ আবর্তভৱনলৈ লৈ আহিল বৰদলৈৰে বিশ্ববিদ্যালয় সম্পর্কে আলোচনা কৰিবলৈ।

বৰদলৈ-সন্দিকৈৰ মাজৰ এই আলোচনাত কি ঘটিল তাৰো বিৱৰণ বৰদলৈৰ দিনলেখাত নাই। ৮ মে'ৰ দিনা সন্দিকৈ আৰু বৰদলৈৰ আকৌ দেখা-দেখি হয় আৰু এই আলোচনাতেই কিছু চর্তত স্নাতকোত্তৰ শ্রেণীসমূহ বিশ্ববিদ্যালয়ৰ হাতত গতাই দিয়াৰ বন্দবস্ত হয় বুলি বৰদলৈয়ে তেওঁৰ সেই দিনাৰ দিনলেখাত লিখিছে। কিন্তু এই সংক্রান্ততো মতভেদ তাতেই শেষ হৈছিল বুলি ক'ব নোৱাৰি; অন্ততঃ আৰু প্রায় চাৰি মাহলৈ বিশ্ববিদ্যালয় আৰু শিক্ষা দপ্তৰৰ মাজত সমস্যাটো বর্তি আছিল। গুৰি কথা এই ঃ কটন কলেজত সেই সময়ত উদ্ভিদ বিদ্যা, অর্থনীতি আৰু অসমীয়া বিষয়ত স্নাতকোত্তৰ শ্রেণী খোলা হৈছিল। শিক্ষা দপ্তৰে বিচাৰিছিল যাতে এই

শ্রেণীকেইটা আৰু লগতে আইন কলেজখনো বিশ্ববিদ্যালয়ে লওঁতে তেওঁলোকে যেন কেইটিমান কথা বিচাৰ কৰে। চৰকাৰে আশা কৰিছিল— বিশ্ববিদ্যালয়ে উদ্ভিদ বিদ্যাৰ স্নাতকোত্তৰ অধ্যাপকৰ পদত ড° হিতেন্দ্ৰ কুমাৰ বৰুৱাক, অৰ্থনীতিৰ অধ্যাপকৰ পদত পদ্মেশ্বৰ গগৈক, আইন কলেজৰ অধ্যক্ষৰ পদত শৰৎ কুমাৰ দত্তক আৰু সেই কলেজৰেই দুজন নিম্ন স্থানীয় বিষয়াক যেন তেওঁলোকৰ আগৰ পদত ৰাখে। বিষয়টো অৱশ্যেই অতি সূক্ষ্ম আছিল; কাৰণ ই বিশ্ববিদ্যালয়ৰ স্বায়ত্ত-শাসনেৰে সংলগ্ন আছিল। শিক্ষা-বিভাগৰ উচ্চ বিষয়াসকলেও ইয়াক উপলব্ধি নকৰাকৈ নাছিল। কিন্তু যিহেতু এই লোক কেইজনৰ চাকৰিৰ ক্ষেত্ৰতো চৰকাৰৰ এটা দায়িত্ব আছিল, গতিকে বিশ্ববিদ্যালয় কৰ্তৃপক্ষলৈ সেই প্ৰস্তাৱটো আগবঢ়োৱা হৈছিল। উক্ত ৮ মে'ৰ বৰদলৈ-সন্দিকৈৰ আলোচনাৰ পাছতো বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা দপ্তৰলৈ অহা ২ আগষ্টৰ চিঠি এখনে জনালে যে কটন কলেজৰ অধ্যাপক দুজনৰ পদকেইটাৰ কাৰণে বিশ্ববিদ্যালয়ে জাননী দিব আৰু ইচ্ছা কৰিলে সংশ্লিষ্ট অধ্যাপক দুজনে দৰখাস্ত কৰি বিশ্ববিদ্যালয়ৰ বাছনি সমিতিৰ আগত প্ৰাৰ্থী হিচাপে উপস্থিত হ'ব পাৰে। চিঠিখনত বিনাচৰ্তে স্নাতকোত্তৰ শ্রেণীকেইটা আৰু সেই শ্রেণীবোৰ বহা অস্থায়ী ঘৰ বা কোঠাবোৰ বিশ্ববিদ্যালয়ক দিবলৈ অনুৰোধ কৰা হ'ল। ইয়াৰ পাছত কি হ'ল জানো,— ২৫ আগষ্টৰ এখন চিঠিত বিশ্ববিদ্যালয়ে হঠাতে লুটিবাগৰ মাৰি এটাইকেইজন লোককে তেওঁলোকৰ আগৰ পদত ৰাখিবলৈ মান্তি হ'ল আৰু বাছনি সমিতিৰো মত সেয়ে হ'ব বুলি জনালে। লগতে অৱশ্যে অনুৰোধো কৰা হ'ল চৰকাৰে যাতে বিশ্ববিদ্যালয়ৰ বাবে মঞ্জুৰী বৰ্তমানৰ বছৰি পাঁচ লাখৰ পৰা সাত লাখলৈ বৃদ্ধি কৰে।

কটন কলেজৰ স্নাতকোত্তৰ অধ্যাপক সম্বন্ধীয় সমস্যাটো সাধাৰণ আইন-অধিনিয়ম সম্বন্ধীয় সমস্যাহে আছিল যেন আমাৰ লাগে। এনে সমস্যা ক'তনো নাই! কিন্তু ১৯৪৯ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় (সংশোধনী) আইনখনৰ কথা অলপ বেলেগ ধৰণৰ; ই বিশ্ববিদ্যালয়ৰ প্ৰশাসনত চৰকাৰৰ ক্ষমতা বঢ়ালে। সংশোধনী আইনখনৰ ঘাই উদ্দেশ্য আছিল দুটা ঃ (১) বিশ্ববিদ্যালয়ৰ গৃহ-নিৰ্মাণ সমিতি এখন স্থাপন কৰা; আৰু (২) কিছু ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ কাৰ্যনিৰ্বাহক সংস্থাৰ সিদ্ধান্তত চৰকাৰৰ মাত মতাৰ ক্ষমতা প্ৰতিষ্ঠা কৰা। আমাৰ দেশত চৰকাৰী গোপনীয়তাৰ অতিৰিক্ততাৰ কাৰণেই হওক, ভাৰতীয় গুজব-প্ৰীতিৰ কাৰণেই হওক, মতানৈক্যৰ উৎপত্তিৰ আধাৰত সৎ বিচাৰ-বিশ্লেষণ নহৈ অৰ্ধসত্য গুজববোৰেই বা কুৎসা-ৰটনাই প্ৰাধান্য লভে। বিশ্ববিদ্যালয় গৃহ-নিৰ্মাণ সমিতিৰ গঢ় দি চৰকাৰে বিশ্ববিদ্যালয়ৰ শক্তি খৰ্ব কৰিবলৈ ওলোৱা গুজবটোৱো হয়তো এই পৰিস্থিতিৰ পৰাই উদ্ভৱ হ'ল; কাৰণ ১৯৪৯ চনৰ ৭ জানুৱাৰি তাৰিখে 'আছাম ট্ৰিবিউন' কাকতখনত ওলোৱা বাতৰি এটাৰ মতে ৫ জানুৱাৰি (১৯৪৯) তাৰিখে উপাচাৰ্যৰ সভাপতিত্বত 'ছুডমাৰ্ছন হল'ত বহা বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সভাত অৰ্থনৈতিক সমস্যাৰ হেতু বিশ্ববিদ্যালয়ৰ ব্যৱস্থাপক সভাই নিজে গৃহ-নিৰ্মাণৰ কাৰ্য চৰকাৰৰ হাতত গতাই দিয়ে। ১২ মাৰ্চ তাৰিখে অসম বিধান সভাত উক্ত বিধেয়কখন উপস্থাপন কৰি বৰদলৈয়ে সেয়েহে কৈছিল যে বিশ্ববিদ্যালয়ে এনে কৰাতহে চৰকাৰে গৃহ-নিৰ্মাণ কাৰ্য নিজৰ হাতলৈ আনিব লগীয়া হ'ল আৰু তাৰ বাবে বিধেয়ক এখনৰ প্ৰয়োজন হ'ল। ইচ্ছা কৰিলে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় বিষয়ত সোমাব পৰাৰ যি ক্ষমতা সংশোধিত আইনখনে অসম চৰকাৰক দিলে সিহে আচলতে অধিক বিচাৰৰ বিষয় হ'ব লাগিছিল, কাৰণ ই বিশ্ববিদ্যালয়ৰ স্বায়ত্তশাসনেৰে অধিকতৰ জড়িত বিষয়। কিন্তু যিহেতু ১৯৪৯ চনৰে পৰা ১৯৭৫ চনলৈকে গুৱাহাটী বিশ্ববিদ্যালয় আইনখন সাতবাৰ (১৯৬০, ১৯৬৪, ১৯৬৫, ১৯৬৮, ১৯৬৯, ১৯৭২আৰু ১৯৭৫) সংশোধন হোৱাৰ পাছতো চৰকাৰী তত্ত্বাৱধান সম্পৰ্কীয় এই ৪২ নম্বৰ পৰিচ্ছেদলৈ আইনখনত এতিয়াও বৰ্তি আছে, তাৰ পৰা ইয়াৰ নিতান্ত প্ৰয়োজনীয়তাৰ কথা বুজিব পাৰি। গতিকে এই বিষয়ত বৰদলৈক বা বৰদলৈ চৰকাৰক দোষ দিব হয়তো নোৱাৰি। সেয়ে বৰদলৈ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাজত হোৱা মনোমালিন্য সম্পৰ্কত আদৰ্শগত বিবাদটোহে আচল কথা আৰু তাতহে বৰদলৈ পোনপটীয়াভাৱে জড়িত।

আমাৰ মন্তব্য

বৰদলৈ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সম্বন্ধ সম্পৰ্কে আৰু এটা কথা আমি ইয়াত কৈ থোৱাটো যুগুত উপলব্ধি কৰিলোঁ। আজি কেইবছৰমানৰ পৰা উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈয়ে ৰাজ্যৰ শিক্ষা আৰু মুখ্যমন্ত্ৰী বৰদলৈৰে সাক্ষাৎ হ'ব নোখোজা আৰু মাতি পঠিয়ালেও আহিব নোখোজা আচৰণটোৰ কথা দুই-এঠাইত ওলাওঁতে (যদিও কোনোটোতেই উৎসৱ উল্লেখ বা বিচাৰ নাই) এনেভাৱে দেখুওৱা হৈছে যেন এজন উপাচাৰ্যৰ কাৰণে, —আৰু বিশেষকৈ সন্দিকৈ হেন এজন বিখ্যাত পণ্ডিতৰ কাৰণে—দেশৰ মুখ্যমন্ত্ৰীজনাৰ প্ৰতি তেনে আচৰণত কোনো বিসংগতি থাকিব নোৱাৰে, আৰু আনকি তেনে কৰিলেহে যেন বিশ্ববিদ্যালয়ৰ স্বায়ত্ত-শাসনৰ লাইখুটা ঘূণে নধৰাকৈ টিকি থাকিব! আনকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ন্যাস পৰিষদৰ কামত ১৯৪৫ চনৰ পৰা বৰদলৈৰ লগত জড়িত আৰু পাছত সেই বিশ্ববিদ্যালয়ৰ পৰাই ওলোৱা পণ্ডিতসকলৰ হয়তো সবাতোকৈ প্ৰসিদ্ধজন, অধ্যাপক ড° মহেশ্বৰ নেওগেও তেওঁৰ জীৱন সোঁৱৰণত এইদৰে লিখিছে ঃ

"সন্দিকৈক মুখ্যমন্ত্ৰীয়ে ৰাজধানী শ্বিলঙলৈ মাতি পঠিয়াইছিল। ত'ত নগ'ল। গুৱাহাটীৰ আবৰ্তগৃহলৈ মাতিলে। তাৰেকো নগ'ল। শেষত বৰদলৈ ডাঙৰীয়া নিজেই উপাচাৰ্যৰ বাসভৱনলৈ আহিবলগীয়া হ'ল। আজিকালি এই ব্যৱস্থা কেনেকৈ লুটি খাই পৰিছে সেই কথা আমি সকলোৱেই জানো।"

(প্ৰান্তিক, ১ ডিছেম্বৰ ১৯৮৫)

বিশ্ববিদ্যালয়ৰ পণ্ডিতে স্বাৰ্থজড়িত নিম্ন শ্রেণীৰ ৰাজনীতি খেলা আৰু উচ্চ স্থানৰ ৰাজনীতিকে পণ্ডিত ব্যক্তিক অযথা অপমান কৰিবলৈ কুণ্ঠিত বোধ নকৰা বৰ্তমানৰ পূৰ্বৰ ঐতিহ্যৰ স্খলন ঘটা কালডোখৰলৈ লক্ষ্য কৰিয়েই হয়তো ড° নেওগদেৱে এই কথাষাৰ লিখিলে। তথাপি, ড° নেওগে লিখাৰ দৰে সন্দিকৈয়ে যদি বৰদলৈৰ প্ৰতি তেনে আচৰণ কৰিছিল সেই আচৰণক কোনোপধ্যে শলাগিব নোৱাৰি। গোপীনাথ বৰদলৈ বিশ্ববিদ্যালয়খনৰ সৃষ্টিকৰ্তাসকলৰ ঘাই এজন হোৱাৰ উপৰিও তেওঁ আছিল অসমৰ শিক্ষামন্ত্ৰী। তাতোকৈ উল্লেখযোগ্য, তেওঁ আছিল সমগ্ৰ অসম ৰাজ্যৰ জনসাধাৰণে গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত কৰা চৰকাৰখনৰ মুৰব্বী—শিক্ষামন্ত্ৰী। তেনেস্থলত, সন্দিকৈৰ নামত জোৰা দিয়া, আৰু পৃথিৱীৰ ক'তো নোহোৱা-নোপজা আচৰণটো কোনো দিশেৰেই যুক্তিসংগত বুলিব নোৱাৰি। যদি কথাটো সঁচা হয়, ই নিশ্চয় অযথা দাম্ভিকতাৰহে প্ৰতীক হ'ব। কিন্তু এই কথা খাটাং যে বৰদলৈৰ লেখাত এই উপাচাৰ্যজনৰ প্ৰতি কোনো ক্ৰোধ বা বিদ্বেষসূচক মনোভাব পাবলৈ নাই।

ক'লন, পশ্চিম জাৰ্মেনি
১২ আৰু ১৪ জুলাই, ১৯৮৯

(লেখাটি 'প্ৰান্তিক'(৮ম বছৰ ২০শ সংখ্যা, ১৬-৩০ছেপ্টেম্বৰ' ৮৯ আৰু ৮ম বছৰ ২২শ সংখ্যা, ১৬-৩১অক্টোবৰ'৮৯)ৰ পৰা পুনৰ মুদ্ৰণ কৰা হৈছে। লেখাটি মূলত যি ৰূপত আছে সেই ৰূপতে প্ৰকাশ কৰা হৈছে। আখৰ-জোঁটনিত কোনোধৰণৰ হাত দিয়া হোৱা নাই।)

মাধৱচন্দ্ৰ বেজবৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়

হৰেন্দ্ৰ নাথ কলিতা



এজন দেশপ্ৰাণ অসমীয়া ডেকা সিদিনা হঠাৎ কৰে এই জগতৰপৰা অন্তৰ্ধান হ'ল। তেওঁ মাধৱচন্দ্ৰ বেজবৰুৱা। তেওঁ 'ডেকা বেজবৰুৱা' বুলিয়েই জনাজাত আছিল। অসম আৰু অসমীয়াই ডেকা বেজবৰুৱাৰপৰা অনেক আশা কৰিছিল। কিন্তু কালে অকালতে তেওঁক হৰি নিলে। তেওঁৰ মাত্ৰ ৩৫ বছৰ মানহে বয়স হৈছিল। কৰ্মব্যস্ত অৱস্থাতে অজানিতভাৱে তেওঁ দু�ৰাৰোগ্য ৰোগত আক্ৰান্ত হয় আৰু মাদ্ৰাজলৈ চিকিৎসাৰ কাৰণে যায়। কিছুদিন চিকিৎসাধীন অৱস্থাতে থাকি ১৯৪৬ চনৰ অক্টোবৰ মাহৰ ১৯ তাৰিখে মাধৱচন্দ্ৰ বেজবৰুৱাৰ পৰলোক ঘটে সুদূৰ মাদ্ৰাজতে।

অসমৰ যুৱ-শক্তিৰ আদৰ্শৰ প্ৰতীক-স্বৰূপ আছিল মাধৱচন্দ্ৰ বেজবৰুৱা। তেওঁ আছিল অফুৰন্ত কৰ্ম-শক্তিৰ অধিকাৰী, আত্মনিৰ্ভৰশীল আৰু স্বাধীনতাপ্ৰিয় লোক। বিশেষকৈ তেওঁৰ আছিল দেশ আৰু দেশবাসীৰ সেৱাত একাণপতীয়াকৈ নিজকে লগাই দিব পৰা ক্ষমতা।

মাধৱচন্দ্ৰ বেজবৰুৱা আছিল স্পষ্টবাদী। কোনো বিপদৰ ভয়ে, লোক-লজ্জাৰ আশঙ্কাই, লাভ-লোকচানৰ বিচাৰ-বিবেচনাই বেজবৰুৱাই শুদ্ধ বুলি লোৱা বা কৰোঁ বুলি ধৰা কামত বাধা দিব নো�ৱাৰিলে। আনে কিবা কয় বুলিও কোনো কামত ইতস্ততঃ কৰা নাছিল। সকলো কাম নিজে আগত ৰখা আদৰ্শমতে কৰি গৈছিল।

ডেকা বেজবৰুৱা জীয়াই থকা বছৰ কেইটাত যেনেদৰে সকলোৰে চিনাকি, সকলোৰে মাজত চকুতপৰা বিধৰ লোক আছিল, তাৰৈ চাই তেওঁৰ মৃত্যুৰ পিছত প্ৰায় সকলোৱে পাহৰি গ'ল।

১৯৭০ চনৰ চেপ্তেম্বৰ মাহৰ ১৯ তাৰিখে অতি সমাৰোহেৰে "মাধৱচন্দ্ৰ বেজবৰুৱাৰ এখন 'তৈলছবি' উদ্ঘোধন কৰা হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১নং ছাত্ৰাবাসত। গুৱাহাটীৰপৰা জালুকবাৰীলৈ বিশ্ববিদ্যালয় স্থানান্তৰিত কৰোঁতে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী শ্ৰদ্ধেয় শ্ৰীবিষ্ণুৰাম মেধিদেৱে এই ছাত্ৰাবাসটো প্ৰথম অতি সমাৰোহেৰে ১৯৫৫ চনৰ ৭ চেপ্তেম্বৰ তাৰিখে মুকলি কৰিছিল। বৰ্তমান ইয়াৰ নামাকৰণ কৰা হৈছে— "বেজবৰুৱাৰ নামে "মাধৱচন্দ্ৰ বেজবৰুৱা ছাত্ৰাবাস।" এই ছাত্ৰাবাসত বেজবৰুৱাৰ 'তৈলছবি' এখন ৰখাটো সমীচীন হৈছে। ইয়াৰ কাৰণে ছাত্ৰাবাসৰ ছাত্ৰসকল নিশ্চয় শলাগৰ পাত্ৰ।

যিসকল ছাত্ৰই সিদিনা বেজবৰুৱাৰ 'তৈলছবি' উদ্ঘোধন উৎসৱ পাতিলে, তেওঁলোকৰ বহুতো হয়তো বেজবৰুৱাৰ জীৱিত কালত ওপজাই নাছিল। যিখন বিশ্ববিদ্যালয়ত তেওঁলোকে আজি বিদ্যা অধ্যয়ন কৰিছে তাৰ প্ৰতিষ্ঠাৰ বাবে এসময়ত যিসকলে আন্দোলন কৰিছিল, তাৰ লগত ঘনিষ্ঠভাৱে জড়িত থকাসকলৰ ভিতৰত " মাধৱচন্দ্ৰ বেজবৰুৱা অন্যতম।

" মাধৱচন্দ্ৰ বেজবৰুৱা আৰু " লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱক বাদ দি গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথা ভাবিবই নোৱাৰি। কোনোৱে কব পাৰে এওঁলোক নাথাকিলে গুৱাহাটী বিশ্ববিদ্যালয় নহ'ল হয় নেকি? হয়তো হ'লহেঁতেন, কিন্তু ইমান সোনকালে নহ'লহেঁতেন বোধ হয়। এসময়ত এই বিশ্ববিদ্যালয় পাতিবলৈ আন্দোলনৰ সৃষ্টি হৈছিল, তাৰ প্ৰাণকেন্দ্ৰস্বৰূপ আছিল, ডেকা বেজবৰুৱা " মাধৱচন্দ্ৰ আৰু লোকপ্ৰিয় " গোপীনাথ বৰদলৈ ডাঙৰীয়া। তেওঁলোকে বিশ্ববিদ্যালয়ৰ কাৰণে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ চাঁদা বিচাৰি ফুৰিছিল আৰু অসমীয়া লোকৰ মনত এটা আত্মচেতনাৰ ঢল বোৱাইছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে মাধৱচন্দ্ৰ বেজবৰুৱাই কি কৰা নাছিল! তেওঁ নিজৰ গাৰ পিনে নোচোৱাকৈ অকাতৰে তেওঁৰ কৰ্মক্ষম যৌবনৰ প্ৰত্যেকটো মুহূৰ্তকে উছৰ্গা কৰিছিল বুলিব পাৰি। অতিৰিক্ত শাৰীৰিক আৰু মানসিক পৰিশ্ৰম আৰু অনিয়মিত খোৱা-শোৱা আদিয়ে তেওঁৰ অকাল মৃত্যুৰ কাৰণ বুলিব পাৰি।

ছাত্ৰাৱস্থাৰ পৰাই মাধৱচন্দ্ৰ বেজবৰুৱা নানা ছাত্ৰানুষ্ঠান আৰু ৰাজহুৱা জনহিতকৰ কামত লিপ্ত আছিল। গুৱাহাটী কটন কলেজত পঢ়োতে বেজবৰুৱা তাৰ ছাত্ৰ-য়ুনিয়নৰ চেক্ৰেটাৰী আছিল আৰু ছাত্ৰআন্দোলন, ৰাজহুৱা আন্দোলন আদি সকলো কামতে সদায় আগ-ভাগ লৈছিল। তেওঁৰ

মনত আছিল অসমখনক সকলো পিনেদি আগবঢ়াই নি চহকী আৰু মহান কৰাৰ ঐকান্তিক কামনা। 'অসমখন অসমীয়াৰ বাবেহে' এই নীতি তেওঁ পোষণ কৰিছিল।

গুৱাহাটীত পঢ়োতেই মই বেজবৰুৱাক লগ পাইছিলোঁ, কিন্তু সিমান ঘনিষ্ঠভাৱে জনা নাছিলোঁ। বয়সত তেওঁ মোতকৈ সৰু আছিল। ১৯২৯ চনত মই কলিকতালৈ পঢ়িবলৈ যাওঁ আৰু তাৰে দুবছৰমানৰ পিছত মাধৱচন্দ্ৰ বেজবৰুৱাই বি. এ. পাছ কৰি অসম চৰকাৰৰপৰা বৃত্তি লৈ শিৱপুৰ ইঞ্জিনিয়াৰিং কলেজলৈ ইঞ্জিনিয়াৰিং পঢ়িবলৈ যায়। তেওঁ গৈ ইঞ্জিনিয়াৰিং কলেজত ভর্তি হ'ল— কিন্তু বেচি দিন তাত পঢ়া নহ'ল। শেষত ইঞ্জিনিয়াৰিং বাদ দি কলিকতাত আইন কলেজত পঢ়িবলৈ ল'লে।

কলিকতা এ. এছ. এল. ক্লাব অসমীয়াৰ এটি গৌৰৱৰ অনুষ্ঠান। এই ক্লাবৰ জন্ম হয় ১৮৬৭ খ্ৰীঃত। এই ক্লাব প্ৰধানকৈ সাহিত্য চৰ্চাৰ উদ্দেশ্যেই প্ৰতিষ্ঠিত হৈছিল যদিও কালক্ৰমত আৰু প্ৰয়োজন বুজি ই অসমীয়া জাতিৰ সৰ্বাধিক স্বাৰ্থলৈ চকু দিছিল। প্ৰমাণ হিচাবে এই ক্লাবৰ ঠাল-ঠেঙুলি, সঙ্গীত-শাখা, খেল-ধেমালি, 'পপুলাৰ লেকচাৰ' আদিৰ কথা উল্লেখ কৰিব পাৰি। এই ক্লাবৰ বেলেগ বেলেগ সভ্যৰ ভিন্ ভিন্ সময়ৰ চেষ্টাৰ মাজেদি সময়ত 'বেজবৰুৱা সমিতি', 'অসমীয়া সঙ্গীত সঙ্ঘ', 'আৰ্টিষ্ট এচোচিয়েছন', 'ওৱেলফেয়াৰ লীগ', 'অসম ক্লাব' আদি স্থাপিত হৈছিল। কলিকতা এ. এছ. এল. ক্লাব আজিও বৰ্তি আছে। ভাৰতৰ ভিতৰত অনেক অনুষ্ঠানতকৈ ই পুৰণি আৰু অসমৰ ভিতৰতো এই ক্লাবেই সৰ্বপ্ৰথম। অসমীয়াৰ জাতীয় নিয়ন্ত্ৰণৰ অৰ্থেই ইয়াৰ জন্ম আৰু ই চিৰদিনেই অসমীয়াৰ জাতীয় সমস্যাবোৰৰ সমাধানৰ বাবে চেষ্টা কৰি অহা প্ৰধান অনুষ্ঠান।

১৯৩২ চনত কলিকতাত থকা প্ৰবাসী অসমীয়া ছাত্ৰ-ছাত্ৰীক লৈ অসমীয়াৰ জনসংখ্যা একহাজাৰৰ ওপৰ আছিল। সেই সময়ত কলিকতা প্ৰবাসী ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণে মিলি অসমীয়া স্বাৰ্থ ৰক্ষাৰ কাৰণে বহুতো জনহিতকৰ কাম কৰিছিল। তেতিয়াও তাৰ মুখ্য অনুষ্ঠান আছিল কলিকতা এ. এছ. এল. ক্লাব। এই এ. এছ. এল. ক্লাবৰ উদ্যোগত হোৱা সকলো কামৰে উদ্যোক্তা আছিল মাধৱচন্দ্ৰ বেজবৰুৱা, জীৱনৰাম ফুকন, বিৰিঞ্চিকুমাৰ বৰুৱা আদি তেতিয়াৰ কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰসকল।

সেই সময়ছোৱাত কলিকতা প্ৰবাসী ছাত্ৰ-ছাত্ৰীৰ মাজত 'বেজবৰুৱা সমিতি' প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল সাহিত্যৰথী " বেজবৰুৱাদেৱৰ সাহিত্যৰ সমালোচনা আৰু প্ৰচাৰ কৰা। ইয়াৰ প্ৰথম অধিবেশন বহিছিল প্ৰেছিডেন্সি কলেজৰ 'ফিজিক্স থিয়েটাৰ হল'ত। এই সভাত সভাপতিত্ব কৰিছিল " অম্বিকানাথ বৰাদেৰে। ডঃ বাণীকান্ত কাকতিদেৱৰ এখনি বিতোপন ৰচনা সিদিনা সেই সভাত পাঠ কৰা হৈছিল। কলিকতা প্ৰবাসী ছাত্ৰ-ছাত্ৰী, ভদ্ৰলোক, ভদ্ৰমহিলা আটায়ে এই সভাত যোগ দিছিল।

১৯৩২ চনত কলিকতা, এ. এছ. এল. ক্লাবৰ এটি সঙ্গীত শাখাও প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ সম্পাদক আছিল কমলাপ্ৰসাদ আগৰৱালা। এই বছৰৰ ১৩ ডিচেম্বৰ তাৰিখে এই সঙ্গীত শাখাৰ প্ৰথম অধিবেশন বহিছিল। ইয়াৰ মুখ্য অতিথি আছিল বিনয় কুমাৰ সৰকাৰ। তেখেতৰ অষ্ট্ৰীয়ান পত্নীও এই সভাত উপস্থিত আছিল। অসমীয়া ছাত্ৰ-ছাত্ৰীসকলে তাত দেখুওৱা সুকীয়া বিশেষত্বত তেওঁলোক মুগ্ধ হৈছিল। " বিনয়কুমাৰ সৰকাৰ এগৰাকী আন্তৰ্জাতিক খ্যাতিসম্পন্ন লোক আছিল। প্ৰায় ১৫/১৬ বছৰ ধৰি তেখেতে ইউৰোপৰ নানা দেশ পৰিভ্ৰমণ কৰি ভাৰতৰ বৈশিষ্ট্য সম্পৰ্কে পাশ্চাত্য জগতক নতুন নতুন কথা বুজাইছিল। তেখেতে বক্তৃতা প্ৰসঙ্গত কৈছিল যে **অসমীয়া ৰাইজৰ সৰ্বপ্ৰথম কৰ্তব্য হৈছে কিছু পৰিমাণে প্ৰাদেশিক হৈ অসময়ীা জাতিটোক আন আন উন্নত জাতিৰ সমকক্ষ কৰি গঢ়ি তোলাৰ আদৰ্শ লোৱাটো**। তেখেতে ইয়াতো কৈছিল যে বৈজ্ঞানিক উপায় উদ্ভাৱনৰ দ্বাৰা দেশৰ শিল্প বাণিজ্য আদিৰ বিস্তাৰেই বৰ্তমান সভ্যতাৰ মাপ-কাঠী। অসমত প্ৰাকৃতিক সম্পদ যথেষ্ট পৰি আছে। আন জাতিতকৈ সেই হিচাবে অসমীয়া জাতিৰ ভৱিষ্যত অশেষ প্ৰকাৰ সম্ভাৱনাৰে ভৰা আৰু বিকাশৰ ক্ষেত্ৰও অসীম। সেই হেতুকে অসমীয়া ৰাইজ বা চৰকাৰে বছৰি অন্ততঃ কিছু সংখ্যক ডেকাক ইলেকট্ৰিক ইঞ্জিনিয়াৰিং, ৰেলওৱে ইঞ্জিনিয়াৰিং, মাইনিং ইঞ্জিনিয়াৰিং, ফৰেষ্ট, বেঙ্কিং, ইনসিওৰেন্স আদি শিকিবলৈ বিদেশলৈ পঠাবৰ দিহা কৰা উচিত। সৰকাৰে বক্তৃতা প্ৰসঙ্গত অসমক ভাৰতবৰ্ষৰ 'চুইজাৰলেণ্ড' বুলি কৈছিল। অসমে যদি কেৱল প্ৰাকৃতিক সৌন্দৰ্যত চুইজাৰলেণ্ডৰ সমকক্ষ নহৈ শিল্প, বাণিজ্য আদিতো ভাৰতবৰ্ষৰ চুইজাৰলেণ্ড হবলৈ আশা ৰাখে, তেনেহ'লে অসমীয়া ডেকাসকলক সেই বিষয়ত উন্নতি সাধনৰ সুযোগ দিয়াটো নিতান্ত উচিত হব।

১৯৩২-৩৩ চনত মহাত্মা গান্ধীৰ অস্পৃশ্যতা বৰ্জন আন্দোলনত অসমৰপৰা শ্ৰীশ্ৰীগড়মূৰীয়া সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে বিশেষ অংশগ্ৰহণ কৰিছিল। তেখেতে 'সমূহ ভাৰত অস্পৃশ্যতা বৰ্জন সমিতি' এখন গঠন কৰিছিল। গোস্বামী প্ৰভুৱে নানা জাতিৰ মাজত সাম্প্ৰদায়িক ভেদ-ভাৱ, অস্পৃশ্যতা বৰ্জন, স্বদেশী গ্ৰহণ, গাঁৱত স্বৰাজৰ কাম ইত্যাদি বিবিধ কামত নিজকে নিয়োগ কৰিছিল। এ. এছ. এল. ক্লাবৰ তৰফৰ পৰা ১৯৩৩ চনৰ ১৮ ডিচেম্বৰ তাৰিখে কলিকতা প্ৰবাসী ছাত্ৰ-ছাত্ৰী আৰু অসমীয়া লোকসকলে শ্ৰীশ্ৰীগড়মূৰীয়া গোস্বামীক প্ৰভুক এখনি অভিনন্দন পত্ৰ দিছিল। এই কামত ঘাইকৈ আগভাগ লৈছিল তেতিয়াৰ কলিকতা প্ৰবাসী ছাত্ৰ " মাধৱচন্দ্ৰ বেজবৰুৱা, " বিৰিঞ্চি কুমাৰ বৰুৱা, " জীৱনৰাম ফুকন আদিয়ে।

আকৌ তেওঁলোকৰ চেষ্টাতে কলিকতা এ. এছ. এল. ক্লাবৰ তৰফৰ পৰা ১৯৩৫ চনৰ ৭ এপ্ৰিল তাৰিখে মনীষী " আনন্দৰাম বৰুৱাৰ সোঁৱৰণী ফলি এখন তেখেতৰ শেষ শয়নস্থান বালিগঞ্জ চায়েঞ্চ কলেজৰ সন্মুখ ভাগত উদ্ঘোধন কৰা হয়। চাৰ দেৱপ্ৰসাদ সৰ্বাধিকাৰীয়ে এই উদ্ঘোধন কাৰ্য সম্পাদনা কৰিছিল। সেই উৎসৱ সভাত ভাষণ দি তেখেতে কৈছিল, 'অসমত শিক্ষাকেন্দ্ৰ আৰু জ্ঞান-বিস্তৃতিৰ কাৰণে এখন সুকীয়া বিশ্ববিদ্যালয়ৰ নিতান্ত আৱশ্যক। মই কোনো ভেদ ভাৱত এনে কথা কোৱা নাই। অসমীয়াৰ সুকীয়া ভাষা, সাহিত্য, অভাব-অভিযোগ আৰু সুকীয়া সমস্যাবোৰলৈ চাই কলিকতা বিশ্ববিদ্যালয়ৰপৰা সকলো আশা কৰা বৃথা; এই বিষয়ে তুমুল আন্দোলন চলোৱা উচিত। আশা কৰোঁ, অসমীয়া ডেকাসকল এই বিষয়ে অগ্ৰণী হব।" সেই কথাবোৰ তেতিয়াৰ অসমীয়া ছাত্ৰ-ছাত্ৰীৰ পক্ষে অতি প্ৰেৰণাদায়ক আছিল।

মাধৱচন্দ্ৰ বেজবৰুৱা আছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ভতিজাক। সাহিত্যৰথীৰ স্মৃতি যাউতি-যুগীয়া কৰিবলৈ মাধৱ বেজবৰুৱাই সদায় প্ৰয়াস কৰিছিল। সাহিত্যৰথী বেজবৰুৱাৰ অতুলনীয় গ্ৰন্থ 'মোৰ জীৱন সোঁৱৰণ' মাধৱ বেজবৰুৱাই প্ৰথম প্ৰকাশ কৰিছিল। বেজবৰুৱাৰ বাঁহীক পুনৰ নতুন জীৱন দিবৰ মানসে ইয়াৰ প্ৰকাশৰ গধুৰ দায়িত্বও মাধৱ বেজবৰুৱাই গ্ৰহণ কৰিছিল আৰু বাঁহী প্ৰকাশৰ কাৰ্য্যালয় অসমৰ পৰা কলিকতালৈ লৈ গৈছিল। প্ৰথমতে বাঁহী প্ৰকাশৰ কামত কলিকতাত শ্ৰীমহেশচন্দ্ৰ দেৱগোস্বামীয়ে মাধৱ বেজবৰুৱাৰ লগত সহযোগিতা কৰিছিল। শেষৰ ফালে বাঁহী কাৰ্য্যালয় আৰু বাঁহী প্ৰেছ টালিগঞ্জৰ ভাৰাঘৰ এটাত স্থায়ীভাৱে বহুৱায়। বেজবৰুৱা সেই ঘৰত পৰিয়ালসহ আছিল। সেই সময়ত বাঁহীৰ সম্পাদনা কামত শ্ৰীমুনীন বৰকটকীয়ে বেজবৰুৱাক কিছুদিন সহায় কৰিছিল। বৰকটকীয়ে সেই কাম এৰি অহাৰ পিছত শ্ৰীপদ্ম বৰাই বাঁহীৰ যাৱতীয় কামত বেজবৰুৱাক সহায় কৰিছিল।

১৯৩৮ চনত কবি " যতীন্দ্ৰনাথ দুৱৰা মানিকতলাৰ আপাৰচাৰকুলাৰ ৰ'ডত এটি ঘৰৰ ওপৰ মহলাত আছিল। পিছৰ কালছোৱাত মাধৱ

বেজবৰুৱা তালৈ গৈ দুৱৰাৰ দ্বাৰা ভালেমান কবিতা লিখাইছিল বাঁহীত প্রকাশৰ বাবে। দুৱৰাই ইয়াক লিখিছিল মাধৱ বেজবৰুৱাৰ নেৱা-নেপেৱা যত্নত আৰু বাঁহীৰ মৰমত। দুৱৰাৰ ভালেমান ৰচনা ধ্বংসৰপৰা ৰক্ষা কৰাৰ মূলতে ° মাধৱ বেজবৰুৱা আৰু °বিৰিঞ্চি কুমাৰ বৰুৱা।

সেই সময়ত আন এটা কথাই প্রবাসী অসমীয়াসকলৰ মন আকৃষ্ট কৰিছিল। ১৯৪১-৪২ চনত কলিকতা ৰেডিঅ' কেন্দ্রৰপৰা আধাঘণ্টাৰ কাৰণে অসমীয়া 'প্রগ্রেম' দিয়াৰ ব্যৱস্থা হৈছিল; কিন্তু তাত বঙালী 'আর্টিষ্ট'ক অসমীয়া গান শিকাই গোৱাইছিল। এই কথালৈ প্রতিবাদ কৰি কর্তৃপক্ষৰ মন আকর্ষণ কৰা হৈছিল। কর্তৃপক্ষই আমাক অসমীয়া আর্টিষ্ট যোগান ধৰিবলৈ কোৱাত সেই উদ্দেশ্যে ১৯৪২ চনত 'কলিকতা আর্টিষ্ট এচোচিয়েছন' নামে এটি অনুষ্ঠান অনুভব আৰম্ভ কৰা হৈছিল। এই অনুষ্ঠানৰ সভাপতি আছিল °অপূর্বচন্দ্র বৰদলৈ আৰু ইয়াৰ যুটীয়া সম্পাদকৰ ভাৰ পৰিছিল ° মাধৱচন্দ্র বেজবৰুৱা আৰু মোৰ গাত।

১৯৪২ চনত ° জ্যোতিপ্রসাদ আগৰৱালা ৰাজনৈতিক কাৰণত কলিকতাত বহিষ্কৃত হৈ আছিল। টালিগঞ্জৰ যিটো ঘৰত °মাধৱচন্দ্র বেজবৰুৱা আছিল সেই ঘৰটোৰ সন্মুখৰ ৰাস্তাৰ বিপৰীত ফালে দুমহলীয়া ঘৰ এটাত জ্যোতিপ্রসাদ আগৰৱালা আছিল। সেই কালছোৱাত প্রায় এবছৰকাল জ্যোতি ককাইদেউ তাত আছিল। আর্টিষ্ট এচোচিয়েছনৰ অনুৰোধত ৰেডিঅ'ত গোৱাৰ কাৰণে ভালেমান গান টালিগঞ্জৰ বাসভৱনতে ৰচনা কৰিছিল আৰু তাৰ সুৰ দি কিছুমান অসমীয়া ল'ৰা -ছোৱালীক শিকাই সেই গান ৰেডিঅ'ত গোৱাইছিল। বিশেষকৈ সেই গান গোৱাত অংশগ্রহণ কৰিছিল আৱাহনৰ সম্পাদক ডাঃ দীননাথ শর্মাৰ ল'ৰা-ছোৱালী শ্রীমান দিলীপ আৰু শ্রীমতী আৰতীয়ে।

এইবোৰ বিবিধ দেশসেৱাৰ কার্য্যত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইতিহাসত ° গোপীনাথ বৰদলৈ আৰু ° মাধৱ বেজবৰুৱাৰ নাম সোণালী আখৰেৰে জিলিকি থাকিব।

মাজে সময়ে অসমত সুকীয়া বিশ্ববিদ্যালয়ৰ বিষয়ে বহুতো জল্পনা-কল্পনা চলি আছিল, যদিও তেনে কোনো কার্যকৰী পন্থা হাতত লোৱা হোৱা নাছিল। আচলতে বিশ্ববিদ্যালয়ৰ আন্দোলনে গঢ় লয় ১৯৩২ চনৰ পৰা। সেই সময়ত কিয়, তাৰো আগৰপৰা কলিকতা প্রবাসী অসমীয়া ছাত্র-ছাত্রীসকলে বিশেষকৈ এটা কথাৰ সদায়ত সন্মুখীন হব লগা হৈছিল। কোনো বিশ্ববিদ্যালয় নাই, 'হাইক'ট' নাই। অসমত সুকীয়া বিশ্ববিদ্যালয় নথকাৰ কাৰণে বহুতো শিক্ষা-অভিলাষী ছাত্র-ছাত্রীয়ে উচ্চ শিক্ষাৰ ফালৰ পৰা বঞ্চিত হব লাগিছিল। সেই সময়ত কটন কলেজত মাত্র ৩০টাহে আই.এছ-ছিৰ ছিট আছিল। দ্বিতীয় আৰু তৃতীয় বিভাগত পাছ কৰা ল'ৰাৰ কথাই নাই, প্রথম বিভাগত পাছ কৰিও বহুতে বিজ্ঞান পঢ়াৰ আশাৰপৰা বঞ্চিত হব লাগিছিল। সেই যুগত অসমীয়া ছাত্রৰ কাৰণে মেডিকেল কলেজত মাত্র তিনিটা 'ছিট' আৰু 'শিবপুৰ' ইঞ্জিনিয়াৰিং কলেজত মাত্র দুটা 'ছিট' আছিল। তেনেদৰে ধানবাদ মাইনিং ইঞ্জিনিয়াৰিঙত এটা আৰু বম্বে ভিক্তোৰিয়া ইনষ্টিটিউটত এটা 'ছিট' অসমীয়া ল'ৰাৰ কাৰমে আছুতীয়াকৈ ৰখা হৈছিল। অসম চৰকাৰৰ পৰা বৃত্তি পোৱা ছাত্র কেইজনে হে মাত্র এইবোৰ কলেজত পঢ়িবৰ সুবিধা পাইছিল। ইয়াৰ কাৰণে অসম চৰকাৰে প্রচুৰ অর্থ কলেজবোৰত দিব লাগিছিল।

আমি জনাত ১৯৩৮ চনলৈকে কটন কলেজত মুঠতে ৯৫০ জনমান ছাত্র আছিল। তেতিয়া তাত বিজ্ঞান বিষয়ত অতি কম সংখ্যক নির্দিষ্ট 'ছিট' থকাৰ কাৰণে বহুতো ছাত্র-ছাত্রী বিমুখ হবলগীয়া হৈছিল। তেতিয়া কটন কলেজত বি. এছ. ছি. তৃতীয় আৰু চতুর্থ বার্ষিকত প্রত্যেকতে ২০ টাকৈহে 'ছিট' আছিল। সেই কাৰণে বহুতো ছাত্রই বিফল মনোৰথ হৈ আন ঠাইলৈ গুচি যাব লগা হৈছিল আৰু বহুতে খৰচৰ অভাৱত পঢ়াকে বন্ধ কৰিবলগীয়া হৈছিল। যিসকলে আন ঠাইলৈ গৈছিল, তাতো তেওঁলোকে বিশেষ সুবিধা নাপাইছিল।

সেই সময়ত কলিকতা বিশ্ববিদ্যালয় এম. এছ. ছি. বিভাগত নিচেই তাকৰ সংখ্যা ছাত্র পঢ়োৱাৰ ব্যৱস্থা আছিল। বিশ্ববিদ্যালয়ৰ নিজ বিজ্ঞান কলেজৰ বাহিৰেও প্রেছিডেন্সি কলেজতো পদার্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান আদিৰো স্নাতকোত্তৰ বিভাগ আছিল; কিন্তু তাত নিজ কলেজৰ ছাত্রক সুবিধা দিয়াৰ হেতুকে অন্যান্য কলেজৰপৰা বি. এছ. ছি. পাছ কৰি যোৱা ছাত্রৰ স্থান নাছিল বুলিলেই হয়। ইফালে বিজ্ঞান কলেজতো স্থানাভাৱে ছাত্রই পঢ়িব নোৱাৰিছিল। এই অসুবিধা প্রধানতঃ অসমীয়া ছাত্রই ভুগিব লাগিছিল।

এনেকৈ সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ে অসমীয়া ভাষাকো বিশ্ববিদ্যালয়ৰ মুখ্য ভাষা স্বৰূপে গ্রহণ কৰা নাছিল। ছাত্র আশুতোষ মুখার্জীয়ে প্রথমতে বিশ্ববিদ্যালয়ৰ 'ইণ্ডিয়ান ভার্ণেকুলাৰ' বিভাগত অসমীয়া ভাষাক স্থান দিয়ে। কিন্তু অসমীয়াই এই বিভাগত 'চাবচিদিয়াৰি' (subsidiary) ভাষা স্বৰূপে হে স্থান পাইছিল। অর্থাৎ মেট্রিকুলেছন পৰীক্ষাৰ যি পাঠ্যপুথি আছিল, তাকে হে এম, এৰ অসমীয়াত পঢ়োৱা হৈছিল। তেওঁ এই বিষয়ে উঠি পৰি লাগি আৰু 'এছামিজ ষ্টুডেণ্ট ওৱেলফেয়াৰ লীগ'ৰ (Assamese Students Welfare League) তৰফৰ পৰা অসম চৰকাৰ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ কর্মকর্তাসকলক খাটি-মেলি অসমীয়া ভাষাক মুখ্য ভাষা (Principal Language) স্বৰূপে গ্রহণ কৰালে।

নিজৰ বিশ্ববিদ্যালয় এটা নথকাত কিমান যে অসুবিধাৰ সন্মুখীন হব লাগে সেই কথাবোৰ সুঁৱৰি আৰু কলিকতা এ.এছ.এল. ক্লাবৰ সভা-সমিতিবোৰত দিয়া বিশিষ্ট লোকসকলৰ বক্তৃতাৰ বাণীয়ে কলিকতা প্রবাসী ছাত্র-ছাত্রীসকলৰ মনত বৰকৈ অনুপ্রেৰণা যোগালে আৰু অসমত এটা সুকীয়া বিশ্ববিদ্যালয়ৰ প্রতি সকলোৰে আগ্রহ বাঢ়ি আহিল।

অসমীয়া ৰাইজে সুকীয়া বিশ্ববিদ্যালয় বিচাৰি অহা বহুকাল আগৰ কথা। ইংৰাজী ১৯১৭ চনত যেতিয়া কলিকতা বিশ্ববিদ্যালয়ৰ পৰিচালনাৰ ভাৰ ভাৰত চকাৰৰ হাতৰ পৰা বঙ্গ চৰকাৰৰ হাতলৈ আনিবৰ প্রস্তাৱ উঠে, তেতিয়া ৰায়বাদুৰ ° ফণীধৰ চলিহা ডাঙৰীয়াই অসমত এটা সুকীয়া বিশ্ববিদ্যালয় স্থাপন কৰা সম্পর্কে অসম ব্যৱস্থাপক সভাত এটা প্রস্তাৱ দিছিল। সেই সময়ত অসমৰ প্রতিনিধি অনাৰেবল ৰায় ঘনশ্যাম বৰুৱা বাহাদুৰে সেই প্রস্তাৱৰ হকে মাত মাতিছিল। কিন্তু সেই দাবী অগ্রাহ্য কৰি কলিকতা বিশ্ববিদ্যালয়ৰ এলাকাত অসমক চামিল কৰি থ'লে।

১৯১৭ চনতেই শিৱসাগৰত বহা অসম এছোচিয়েশ্যনৰ বছৰেকীয়া অধিবেশনৰ মূল সভাৰ সভাপতি °সত্যনাথ বৰাদেৰে তেখেতৰ সভাপতিৰ অভিভাষণত অসমত সুকীয়া বিশ্ববিদ্যালয়ৰ প্রয়োজনীয়তা সম্বন্ধে উল্লেখ কৰি কৈছিল যে, কলিকতা বিশ্ববিদ্যালয়ৰ স্থান হ'ল বঙ্গদেশ আৰু তাৰ 'চিনেট' আৰু 'চিণ্ডিকেট' এনেবোৰ মানুহৰ দ্বাৰা গঠিত হয়, যিসকলে অসমৰ বিষয়ে একো নাজানে আৰু অসমৰ লগত তেওঁলোকৰ কোনো সম্বন্ধও নাই। শিক্ষা বিষয়েই হওক বা পৰিচালনা পদ্ধতিৰ বিষয়েই হওক, এই সকলোবোৰ বিষয়তে বঙ্গদেশৰ দাবী আৰু আৱশ্যকবোৰলৈ লক্ষ্য ৰাখিহে কামবোৰ কৰা হয়। কিন্তু অসম আৰু বঙ্গদেশৰ সকলো বিষয়ৰ পৰিস্থিতি বা অৱস্থা যে একে নহয়, এই বিষয়ে লক্ষ্য ৰখা নহয়।

১৯২৮ চনত গুৱাহাটী 'একতা সভা'ৰ বার্ষিক অধিবেশন কার্জন হলত (বর্ত্তমান নবীন বৰদলৈ হলত) বহিছিল। তাৰ সভাপতি আছিল কর্ম্মবীৰ ° নবীনচন্দ্র বৰদলৈদেৱ। সেই সভাৰ মুকলি অধিবেশনত ° দৈৱচন্দ্র তালুকদাৰে অসমত এটা সুকীয়া বিশ্ববিদ্যালয় লাগে বুলি প্রস্তাৱ দিয়ে। সেই প্রস্তাৱ তেতিয়া সকলোৱে হাঁহি উৰুৱাই দিছিল।

সেই বছৰৰে অক্টোবৰ মাহৰ ২৮ তাৰিখে অসম ছাত্ৰ সম্মিলনৰ ১৩শ অধিবেশনত অসমক এখন সুকীয়া বিশ্ববিদ্যালয় লাগে বুলি সকলো সমজুৱাৰ হৰ্ষোৎফুল্ল হাত চাপৰিৰ মাজত প্ৰস্তাৱ এটি গৃহীত হৈছিল। এই সম্মিলন তেজপুৰত বহিছিল আৰু ইয়াৰ সভাপতি আছিল দেশভক্ত তৰুণৰাম ফুকন বাৰ-এটল ডাঙৰীয়া।

১৯৩২ চনত কলিকতাত 'এছামিজ ষ্টুডেণ্টচ্ ওৱেলফেয়াৰ লীগ'ৰ জন্ম হয়। ইয়াৰ প্ৰধান উদ্যোক্তা আছিল তেতিয়া কলিকতা প্ৰবাসী ছাত্ৰ মাধৱচন্দ্ৰ বেজবৰুৱা, বিৰিঞ্চিকুমাৰ বৰুৱা, জীৱনৰাম ফুকন, কামাখ্যাপ্ৰসাদ ত্ৰিপাঠি, নন্দীপ্ৰসাদ কটকী, নাৰায়ণচন্দ্ৰ ভট্টাচাৰ্য, চিদানন্দ দাস, হীৰেন্দ্ৰকুমাৰ বৰুৱা, কুমুদাভিৰাম দাস, উপেন্দ্ৰনাথ বৰুৱা, ৰোহিনীকান্ত বৰুৱা, যোগেন শইকীয়া, মধুসূদন দাস আদি। তেতিয়া কলিকতা-প্ৰবাসী ছাত্ৰ-ছাত্ৰী, ভদ্ৰলোক-ভদ্ৰমহিলা সকলোৱে এই 'ওৱেলফেয়াৰ লীগ'ৰ পৃষ্ঠপোষকতা কৰিছিল আৰু বেছিভাগ ছাত্ৰই ইয়াৰ সভ্য আছিল।

এই 'ওৱেলফেয়াৰ লীগ'কে গুৱাহাটী বিশ্ববিদ্যালয়ৰ গুৰি ধৰোঁতা বুলি কব পাৰি। এই অনুষ্ঠানৰ বিশেষ অধিবেশন এখনত বিশ্ববিদ্যালয় আন্দোলনৰ প্ৰকৃত কাৰ্যকৰী পন্থা হাতত লোৱা হয় আৰু " মাধৱচন্দ্ৰ বেজবৰুৱাক 'ওৱেলফেয়াৰ লীগ'ৰ তৰফৰপৰা অসমলৈ পঠোৱা হয়, অসমীয়া ৰাইজৰ জনমত গঠন কৰিবলৈ। তাৰ পিচতে গোটেই অসমতে বিশ্ববিদ্যালয় আন্দোলন আৰম্ভ হ'ল। মাধৱচন্দ্ৰ বেজবৰুৱাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ঘূৰি অসমীয়া ডেকা-গাভৰুৰ মনত এটা নতুন আত্মচেতনাৰ ঢল বোৱালে। অসমৰ স্কুল, কলেজ আৰু ৰাজহুৱা অনুষ্ঠানবোৰে ইয়াৰ কাৰণ অসম চৰকাৰৰ ওচৰত দাবী জনালে।

ইয়াৰ পিচত ১৯৩৪ চনত ১লা নৱেম্বৰ তাৰিখে নগাঁৱৰ গণ্যমান্য নেতা কেইগৰাকীমানৰ উদ্যোগত খানবাহাদুৰ কুতুবুদ্দিন আহমদ ডাঙৰীয়াৰ সভাপতিত্বত এখন সভা বহে। তাত সৰ্বসম্মতিক্ৰমে অসমত এখন বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰি প্ৰস্তাৱ লোৱা হয় আৰু সেই বিষয়ে আন্দোলন চলাবলৈ আৰু কাৰ্যকৰী পন্থা অৱলম্বন কৰিবলৈ এটা কমিটি গঠিত কৰে। সেই কমিটিৰ সম্পাদক আছিল " মহীচন্দ্ৰ বৰা বি. এল. ডাঙৰীয়া।

১৯৩৫ চনৰ ৩০ এপ্ৰিল তাৰিখে গুৱাহাটী কাৰ্জন হল প্ৰাঙ্গণত (বৰ্তমান নবীন বৰদলৈ হল) 'অসম এছ'চিয়েশ্যন' আৰু 'অসম সংৰক্ষিণী সভা'ৰ জৰিয়তে গুৱাহাটীৰ সকলো দল আৰু সকলো সম্প্ৰদায়ৰে এখন সভা বহে। ইয়াতো বিশ্ববিদ্যালয় পতাৰ দাবী জনোৱা হয়। " গোপীনাথ বৰদলৈদেৱে এই সভাত সভাপতিত্ব কৰিছিল।" অম্বিকাগিৰি ৰায়চৌধুৰীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিছিল আৰু " কামাখ্যাৰাম বৰুৱাদেৱে 'অসমত অবিলম্বে এটা বিশ্ববিদ্যালয় হব লাগে আৰু ইয়াৰ কাম সোনকালে হাতত লব লাগে' বুলি এটি প্ৰস্তাৱ দাঙি ধৰিছিল। এই সভাতে 'ইউনিভাৰচিটি কমিটি' এটা গঠন কৰি তাৰ চেক্ৰেটাৰী পাতি দিয়া হৈছিল "গোপীনাথ বৰদলৈ ডাঙৰীয়াক।

অসম এছ'চিয়েশ্যনৰ প্ৰবল চেষ্টাত আৰু নগাঁৱত গঠিত হোৱা 'অসম বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কমিটি' আৰু 'কলিকতা ওৱেলফেয়াৰ লীগ'ৰ কাৰ্য্যতৎপৰতাত গোটেই অসম জুৰি বিশ্ববিদ্যালয় স্থাপনৰ ব্যাপক আন্দোলন আৰম্ভ হ'ল। ১৯৩৫ চনৰ ২২ মে' তাৰিখে শোভাযাত্ৰা, সভা-সমিতি আদিৰে অসমৰ বিভিন্ন ঠাইত অতি সমাৰোহেৰে বিশ্ববিদ্যালয় দিন পালন কৰা হয়।

গোটেই অসম জুৰি এনেভাৰে আন্দোলন হোৱাৰ ফলত অসম সুকীয়া বিশ্ববিদ্যালয়ৰ কাৰণে এখন আঁচনি পাতিবলৈ ১৯৩৫ চনত অসম কাউন্সিলৰ 'মে, জুন' অধিবেশনত এটি প্ৰস্তাৱ গৃহীত হয় আৰু অসমৰ অৱসৰপ্ৰাপ্ত ডিৰেক্টৰ মিঃ কানিংহাম চাহাবক তিনি মাহৰ কাৰণে মকৰল কৰে।

কিন্তু বিশ্ববিদ্যালয়ৰ পৰিকল্পনা দিবৰ কাৰণে মিঃ কানিংহাম চাহাবক বিশেষ কৰ্মচাৰী হিচাবে আনিলে যদিও, তেওঁৰপৰা যি 'ৰিপ'ৰ্ট' পালে সি অসমৰ জনসাধাৰণৰ পক্ষে কোনোমতেই গ্ৰহণীয় নহ'ল। সেই ৰিপ'ৰ্টৰ পৰিকল্পনা বিশ্ববিদ্যালয় নোহোৱা অৱস্থাটোতকৈও বিপজ্জনক হৈ পৰিল। সেই ৰিপ'ৰ্টখনৰ দ্বাৰা সমগ্ৰ অসমৰ জাতীয় আকাংক্ষা তাচ্ছিল্য আৰু বিদ্ৰূপ কৰি নৈৰাশ্যৰ আঘাত দিয়া হৈছিল মাথোন। গতিকে আমাৰ চাৰিওফালে সভা-সমিতি পাতি সেই ৰিপ'ৰ্টৰ প্ৰতিবাদ কৰা হ'ল।

যদিও গোটেই অসমতে বিশ্ববিদ্যালয় লাগে বুলি আন্দোলন হ'ল, গবৰ্ণমেণ্টও ইয়াৰ আৱশ্যকতা অনুভৱ কৰিলে, কিন্তু কাৰ্য্যত সি হৈ নুঠিল। বিশ্ববিদ্যালয়ৰ স্থান নিৰ্ণয়ৰ কাৰণে গোলমাল লাগিল। কিছুমানে কয় গুৱাহাটীত পাতিব লাগে, কিছুমানে কয় শিলঙত পাতিব লাগে কিছুমানে আকৌ চিলেটলৈ নিয়াৰ বাবেও হেঁচা দিছিল। অৱশেষত বিশ্ববিদ্যালয় স্থাপনৰ প্ৰস্তাৱটোৱে বাতিল হৈ গ'ল।

ইয়াৰ ভিতৰতে ১৯৪০ চনত ৰায়বাহাদুৰ " শিৱপ্ৰসাদ বৰুৱাদেৱৰ পৰিয়ালবৰ্গই ৰায়বাহাদুৰৰ স্মৃতি ৰক্ষাৰ্থে বিশ্ববিদ্যালয় স্থাপনৰ বাবে তিনি লাখ টকা দিব খুজিছিল। তেওঁলোকে ইয়াৰ বাবে চৰ্ত দিছিল যে বিশ্ববিদ্যালয়ৰ নাম 'অসম শিৱপ্ৰসাদ বিশ্ববিদ্যালয়' হব লাগিব আৰু স্থান গুৱাহাটীত হব লাগিব। সেই দানো চৰ্ত বান্ধি দিয়া কাৰণে গ্ৰহণ কৰা নহ'ল।

১৯৪৪ চনটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জীৰ লেখত লবলগীয়া বছৰ। স্বৰ্গীয় গোপীনাথ বৰদলৈ তেতিয়া ব্ৰিটিছ ৰাজৰোষত অন্তৰীণ অৱস্থাত আৰু " শৰৎচন্দ্ৰ গোস্বামীদেৱেও সেই বছৰতে চাকৰিৰ পৰা অৱসৰ লৈছিল। সেই বছৰৰে নৱেম্বৰ মাহৰ শেষ ভাগত তেওঁলোক উভয়ে কলিকতালৈ গৈছিল, কিবা শিক্ষা সম্বন্ধীয় লেঠাত। " গোপীনাথ বৰদলৈ আৰু শৰৎ চন্দ্ৰ গোস্বামীদেৱৰ দিহামতে ১৯৪৪ চনৰ ২ ডিচেম্বৰ তাৰিখে কলিকতা প্ৰবাসী অসমৰ লোকসকলৰ মিটিং এখন বহিছিল কলিকতাৰ কলেজ ষ্ট্ৰীটত ওৱাই. এম. চি. এৰ (Y. M. C. A) " স্বৰ্গীয় অম্বিকানাথ বৰাদেৱৰ ঘৰত। এই মিটিঙত সভাপতিত্ব কৰিছিল স্বৰ্গীয় তাৰাপ্ৰসাদ চলিহা বাৰ-এট্-ল দেৱে। " বৰদলৈদেৱ আৰু " গোস্বামীদেৱৰ নিৰ্দেশত সেই মিটিং আহ্বান কৰা হৈছিল। সেই সভাত উপস্থিত আছিল " গোপীনাথ বৰদলৈ, " শৰৎচন্দ্ৰ গোস্বামী, " মাধৱচন্দ্ৰ বেজবৰুৱা, জীৱনৰাম ফুকন, " কুলধৰ চলিহা, " হলিৰাম ডেকা, " যাদৱচন্দ্ৰ চলিহা, " উমেশচন্দ্ৰ বৰুৱা, " জ্ঞাননাথ বৰা, " অম্বিকানাথ বৰা, শ্ৰীযুক্ত ভবেশচন্দ্ৰ বৰুৱা আৰু আৱাহনৰ সম্পাদক ডঃ দীননাথ শৰ্ম্মা আদি অসমৰ সম্ভ্ৰান্ত লোকজন।

সেই সভাৰ প্ৰস্তাৱ মতে অসমত অচিৰেই এটা বে-চৰকাৰী বিশ্ববিদ্যালয় স্থাপন হব লাগে। সেই সভাতে সাময়িকভাৱে প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয় (proposed Gauhati University) নামটো সৰ্বসম্মতিক্ৰমে ৰখা হয়। বিশ্ববিদ্যালয় কেনে ধৰণৰ হব লাগে সেই বিষয়েও সংৰক্ষিতভাৱে তাত আলোচনা কৰি প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয় কেৱল মাত্ৰ কলিকতা বিশ্ববিদ্যালয় বা ভাৰতৰ তেতিয়াৰ অন্যান্য বিশ্ববিদ্যালয়ৰ আৰ্হিৰে নকৰি— অকল ভাৰতৰে নহয়, বিদেশৰো ছাত্ৰ-ছাত্ৰী আহি যাতে ইয়াত পঢ়িবহি পাৰে তেনে আৰ্হিৰে এটা 'ৰেচিডেনচিয়েল' বা আশ্ৰমৰূপী বিশ্ববিদ্যালয় গঢ়ি তোলাৰ আঁচনি চকুৰ আগত ৰাখিহে কাম কৰাৰ নীতি হাতত লোৱা হয়। সেই সভাতে বিশ্ববিদ্যালয় সম্মিলন এখন পাতিবলৈ স্থিৰ কৰা হয় আৰু ইয়াৰ প্ৰচাৰ কাৰ্য্য চলাবলৈ— 'প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয়' প্ৰচাৰ বিভাগ এটা সাময়িকভাৱে খুলি স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱা আৰু " হৰেন্দ্ৰনাথ কলিতাৰ ওপৰত তাৰ দায়িত্ব দিয়া হয়।

স্বৰ্গীয় মাধৱচন্দ্ৰ বেজবৰুৱাই সেই সভাৰ প্ৰতিনিধি হিচাবে আহি তেতিয়া শিৱসাগৰত বহা অসম সাহিত্য বৈঠকৰ লগতে এখন ৰাজহুৱা সভা আহ্বান কৰি ৰাইজক কলিকতাত বহা সেই সভাৰ মৰ্ম বুজাইছিল।

সেই সভা আহ্বান কৰা হৈছিল ১৯৪৪ চনৰ ১লা অক্টোবৰ তাৰিখে শিৱসাগৰৰ কালিপ্রসাদ মেম'ৰিয়েল হলত, ৰায়বাহাদুৰ বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ সভাপতিত্বত। এই সভাৰ আহ্বায়ক আছিল অসম সাহিত্য সভাৰ নির্বাচিত সভাপতি শ্রীযুত নীলমণি ফুকন ডাঙৰীয়া আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রচাৰ বিভাগ। সভাত অসমৰ প্রায় সকলো ঠাইৰে পৰা মানুহ হৈ যোগ দিছিল। সেই সভাত এখন সাময়িকভাৱে 'ট্রাষ্ট বোর্ড' (Trust Board) গঠন কৰা হৈছিল। ° গোপীনাথ বৰদলৈ (সভাপতি), ° শৰৎচন্দ্র গোস্বামী (সম্পাদক), ° চাৰ মহম্মদ চাদুল্লা, খান বাহাদুৰ ছৈয়দুৰ ৰহমান, ° হেৰম্বপ্রসাদ বৰুৱা, ° শৈলেন্দ্রনাথ বৰুৱা আৰু শ্রীযুত কৃষ্ণকান্ত সন্দিকৈদেৱ এই ট্রাষ্ট বোর্ডৰ সভ্য নির্বাচিত হৈছিল।

এই ৰাজহুৱা সভাৰেই প্রতিনিধিমূলক সভা এখন গুৱাহাটীত আহ্বান কৰিবলৈ স্থিৰ কৰা হৈছিল। সেইমতে ১৯৪৪ চনৰ ২৯ আৰু ৩০ ডিচেম্বৰ তাৰিখে গুৱাহাটী কামৰূপ একাডেমী স্কুলত বিশ্ববিদ্যালয়ৰ প্রতিনিধি সভা বহিছিল। ইয়ালৈ অসম উপত্যকাৰ প্রত্যেক মহকুমাৰ পৰা অন্ততঃ দুজনকৈ প্রতিনিধি আহি যোগ দিছিল। কলিকতাৰ পৰা স্বর্গীয় মাধৱ বেজবৰুৱা আৰু ° হৱেণ কলিতা আহিছিল প্রতিনিধি হিচাবে। তেতিয়া ° ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ উজানবজাৰৰ বাসগৃহটোৱেই আছিল এই প্রতিনিধি সভাৰ উদ্যোগ কেন্দ্র।

কিন্তু বৈঠক বহাৰ আগতে প্রতিনিধি সভাৰ মুখ্য আহ্বায়ক ° শৰৎচন্দ্র গোস্বামীদেৱে উদয়পুৰত বহা 'হিষ্টৰিকেলক ৰেকর্ড কমিচন'ত যোগ দিবলৈ গৈ উভতি আহোঁতে দিল্লীত ১৯৪৪ চনৰ ১৯ ডিচেম্বৰ তাৰিখে হঠাৎ স্বর্গী হয়। তথাপি নির্দিষ্ট তাৰিখতে বিশ্ববিদ্যালয় প্রতিনিধি সভাৰ কাম সম্পন্ন হৈ গ'ল। শিৱসাগৰত গঠিত হোৱা প্রস্তাৱিত 'ট্রাষ্টবোর্ড'ৰ ঠাইত নতুন 'ট্রাষ্টবোর্ড' গঠিত হ'ল। এই 'ট্রাষ্টবোর্ড'ৰ স্বর্গীয় গোপীনাথ বৰদলৈক সভাপতি নিযুক্ত কৰি প্রতিনিধিসকলক লৈ সাধাৰণ কমিটিও গঠন কৰা হৈছিল।

কিছুদিন পিচত ডিব্রুগড়ত এই 'ট্রাষ্ট বোর্ড'ৰ এখন বিশেষ অধিবেশন বহে আৰু তাত স্বর্গীয় শৰৎচন্দ্র গোস্বামীৰ ঠাইত ফকৰুদ্দিন আলি আহমদ চাহাবক গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ট্রাষ্ট বোর্ড'ৰ সম্পাদক পতা হয়।

গুৱাহাটীত 'ট্রাষ্ট বোর্ড'ৰ এটা কেন্দ্র খোলা হৈছিল আৰু তাৰ পৰাই বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্রহ আদি আদি যাৱতীয় কাম চলোৱা হৈছিল। কেন্দ্রীয় কার্য্যালয়ৰ দায়িত্বত আছিল শ্রীযুত মহেশ্বৰ নেওগ (বর্তমান ডঃ) ডাঙৰীয়া।

১৯৪৫ চনত বিশ্ববিদ্যালয়ৰ 'ট্রাষ্ট বোর্ড' আৰম্ভ হোৱাৰ লগে লগে পুঁজি সংগ্রহৰ কামো আৰম্ভ হয়। এই পুঁজি সংগ্রহত বিশেষ অংশ গ্রহণ কৰিছিল ° ৰোহিণীকুমাৰ চৌধুৰী, ° গোপীনাথ বৰদলৈ, ° ডাঃ ভুৱনেশ্বৰ বৰুৱা, ° বিৰিঞ্চিকুমাৰ বৰুৱা, ° মাধৱচন্দ্র বেজবৰুৱা প্রমুখ্যে কেইবাগৰাকী কর্মী আৰু বিশিষ্ট লোকে।

বিশ্ববিদ্যালয়ৰ কাৰণে ° মাধৱচন্দ্র বেজবৰুৱাই তেওঁৰ দেহ-মন সকলোকে সঁপি দিছিল। তেওঁ বিশ্ববিদ্যালয় স্থাপন সম্বন্ধে হাজাৰ হাজাৰ গোহাৰি নিজে লিখি নিজ খৰচতে নিজ প্রেছত ছপাই তাক ৰাইজৰ মাজত বিলাইছিল। বেজবৰুৱাৰ অকাল মৃত্যুৰ কাৰণ তেওঁৰ বিশ্ববিদ্যালয়ৰ কাৰণে কৰা অক্লান্ত পৰিশ্রম। বিশ্ববিদ্যালয়ৰ পুঁজি সংগ্রহৰ কামত মাজুলি আদি ঠাইত ঘুৰি ফুৰোতে তেওঁ এই দু�ৰাৰোগ্য বেমাৰত আক্রান্ত হয় আৰু ইয়াতে তেওঁ জীৱনৰ অন্ত পৰে।

বেজবৰুৱাই ৰোগ-শয্যাত পৰি থাকিও কেৱল বিশ্ববিদ্যালয়ৰ কথাকে ভাবিছিল। তেওঁৰ মনত আছিল অসীম উৎসাহ আৰু হৃদয়ত আছিল অদম্য বল। তেওঁ যেতিয়া চিকিৎসাৰ কাৰণে মাদ্রাজলৈ যাবলৈ ওলায়, তেওঁ তেতিয়াও কৈছিল "আপোনাসকলে ভাবিছে, মই মৰিম! ভাল নাখাব, মই নমৰোঁ, বিশ্ববিদ্যালয় স্থাপন নোহোৱালৈকে মই মৰিব নোৱাৰোঁ।"

অসমৰ ডেকা শক্তি আৰু দেশপ্রেমিকসকলৰ আশাগুধীয়া আৰু নেৰানেপেৰা পৰিশ্রম আৰু সংগ্রামৰ মাজেদি দেশ স্বাধীন হোৱাৰ দোকমোকালিতে জাতীয় চৰকাৰৰ দিনত অসমৰ লাখ লাখ জনসাধাৰণৰ প্রাণৰ বস্তু গুৱাহাটী বিশ্ববিদ্যালয় প্রতিষ্ঠা হ'ল ১৯৪৮ চনৰ ২৬ জানুৱাৰী তাৰিখে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ বর্তমান ৰূপ সেই দেশ-প্রেমিকসকলৰ বহুতে নেদেখিলে, ° মাধৱচন্দ্র বেজবৰুৱাইয়ো নেদেখিলে। কালে বেজবৰুৱাক অকালতে হৰি নিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে মাধৱচন্দ্র বেজবৰুৱাই কি কৰা নাছিল? আজি কেইজনে তেওঁৰ কথা সোঁৱৰে? কিন্তু এইটো ঠিক যে আনবোৰ দেশসেৱাৰ কার্য্যৰ কোনো স্বীকৃতি নাথাকিলেও গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জীত মাধৱচন্দ্র বেজবৰুৱাৰ নাম সোণালী আখৰেৰে লিখা থাকিব।

টোকা ঃ এই প্রবন্ধৰ সমল শ্রীহৱেন্দ্রনাথ কলিতাদেৱে ২০/৪/৭১ তাৰিখে আমালৈ লিখি পঠায়। কিন্তু আমাৰ দুর্ভাগ্য যে তেখেতে পুথিৰ ছপা আকাৰ দেখিবলৈ আৰু জীয়াই থকা নাই। তেখেতে দিয়া টোকাৰ পৰা ইতিমধ্যে 'নতুন অসমীয়া'ত বিশ্ববিদ্যালয়ৰ ৰজত জয়ন্তী উৎসৱৰ সময়ত এটি প্রবন্ধ ছপা হৈ গৈছে।

এম ইব্রাহিম আলি

(এম. ইব্রাহিম আলিয়ে সম্পাদনা কৰা "মাধৱচন্দ্র বেজবৰুৱা" গ্রন্থত সন্নিবিষ্ট হৱেন্দ্রনাথ কলিতাদেৱৰ লেখাটি প্রকাশক ৰাণাপ্রতাপ বেজবৰুৱাৰ অনুমতি সাপেক্ষে পুনৰ মুদ্রণ কৰা হৈছে। লেখাটিৰ আখৰ-জোঁটনিত কোনোধৰণৰ হাত দিয়া হোৱা নাই। মূলত যি ৰূপত আছে সেই ৰূপতে প্রকাশ কৰা হৈছে।)

"বিশ্ববিদ্যালয়ৰ প্রতীক (Symbol) কৰোতা শিল্পীজনৰ নাম হল মিঃ টি মুখার্জী। এওঁ আহমেদাবাদৰ কাপোৰৰ কল এটাৰ এগৰাকী শিল্পী বিষয়া। বহুত লোকে বহুত ধৰণৰ প্রতীক পঠাইছিল। তাৰ ভিতৰত প্রতীক নির্বাচন কৰোতা কমিটীৰ লোকসকলে মিঃ টি মুখার্জীৰ প্রতীককে নির্বাচন কৰি গ্রহণ কৰে আৰু বর্ত্তমানলৈকে সেইটোৱেই চলন্তি হৈ আছে।"

— হৱেন্দ্রনাথ কলিতাৰ 'গুৱাহাটী বিশ্ববিদ্যালয়ৰ আদি-কথা' গ্রন্থৰ পৰা। পৃ. ৪৮

উপাচার্য কৃষ্ণকান্ত সন্দিকৈদেৱৰ সান্নিধ্যত

চিদানন্দ দাস

"আমাৰ পুৰণি ভাষা-সাহিত্য আৰু কৃষ্টি বিষয়ক গৱেষণাৰ সুচলার্থে সকলোৱে এটি সুকীয়া বিশ্ববিদ্যালয়ৰ আৱশ্যকতা অনুভৱ কৰিছে। এই গুৱাহাটী নগৰতে যদি অসমীয়াৰ পৰিচালনাত এটি বিশ্ববিদ্যালয় স্থাপিত হয় তেন্তে এই উদ্দেশ্য সিদ্ধি হ'ব তাত সন্দেহ নাই। কিন্তু শ্বিলং পাহাৰৰ ওপৰত এটা চৰকাৰী বিশ্ববিদ্যালয় হ'লে অসমীয়া ভাষা আৰু কৃষ্টিৰ প্রাধান্য কিমান দূৰ থাকিব সন্দেহ আছে।"

এই গুৰুত্বপূর্ণ কথাষাৰ ১৯৩৭ চনত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ সভাপতিৰ আসনৰ পৰা কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই কৈছিল। তেতিয়া তেখেত দুকুৰিৰ দেওনাত ভৰি দিয়া যোৱহাটৰ জগন্নাথ বৰুৱা কলেজৰ প্রতিষ্ঠাপক অধ্যক্ষ।

স্বাধীনতা লাভৰ আগলৈকে অসমত বিশ্ববিদ্যালয় স্থাপিত হোৱা নাছিল। স্বাধীনতা লাভৰ পিছত অসমীয়াৰ সেই সপোন আৰু আশা-আকাঙ্খা বাস্তৱত পৰিণত হ'ল। ১৯৪৮ চনৰ জানুৱাৰী মাহত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রথম উপাচার্য নির্বাচিত হ'ল পণ্ডিতপ্রৱৰ কৃষ্ণকান্ত সন্দিকৈ। অসমৰ ভালেমান শিক্ষা-সেৱীও গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত তাৰ জন্মৰে পৰা সক্রিয়ভাৱে জড়িত হৈ



পৰিল। আমিও বিশ্ববিদ্যালয়ৰ লগত আৱন্তণিৰে পৰা জড়িত হৈ নানান দায়িত্ব লৈ কার্য-নির্বাহ কৰিলোঁ।

কোঠাৰী আয়োগে বিশ্ববিদ্যালয়ৰ উপাচার্যৰ গুণাগুণ এনেদৰে নির্দিষ্ট কৰিছিল ঃ The person who is expected, above all, to embody the spirit of academic freedom and the principles of good management in a University is the Vice-Chancellor. He stands for the commitment of the University to scholarship and spirit of truth and can ensure that the executive wing of the University is used to assist the academic community in all its activities. His selection should, therefore, be governed by this over all consideration.

ভাৰত চৰকাৰৰ শিক্ষা মন্ত্রণালয়ৰ দ্বাৰা গঠিত বিশেষজ্ঞ কমিটিয়ে "Model Act for Universities" অতো উপাচার্যজন কেনে ধৰণ হ'ব লাগে সেই বিষয়ে কৈছে ঃ "The Vice-Chancellor is by far the most important functionary in a University not only on the administrative side, but also for securing the right atmosphere for the teachers and the students to do their work effectively and in the right spirit... The Vice-Chancellor being the chief academic and executive officer of the University must enjoy the confidence of the court as well as the executive council."

উপাচার্য এজনৰ থাকিবলগীয়া এই সকলো গুণৰ অধিকাৰী আছিল সন্দিকৈদেৱ। উপাচার্য স্বৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মান উন্নত কৰাত আৰু ইয়াক এখন আগশাৰীৰ সর্বভাৰতীয় বিশ্ববিদ্যালয় হিচাপে গঢ় দিয়াৰ বাবে তেখেত প্রথমৰে পৰা অহৰহ ব্রতী আছিল।

১৯৪৮ চনৰ ২৬ জানুৱাৰী তাৰিখে অসমৰ ৰাজ্যপাল আৰু বিশ্ববিদ্যালয়ৰ আচার্য ছাৰ আকবৰ হায়দৰীৰ সভাপতিত্বত চুদ্‌মার্চেন ভৱনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রথম ক'ৰ্টৰ সভা বহে। সেই সভাত বৰদলৈ ডাঙৰীয়াৰ উপৰিও কাকা-চাহাব কালেলকাৰ, মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকল, চৰকাৰৰ বিভাগীয় মুৰব্বী কেইজনমান, ভূতপূর্ব ৰাষ্ট্রপতি ফকৰুদ্দিন আলি আহমদ, ডাঃ ভুবনেশ্বৰ বৰুৱা প্রমুখ্যে ট্রাষ্ট ব'ৰ্ডৰ সদস্যসকল আৰু বিশেষভাৱে নিমন্ত্রিত ব্যক্তি হিচাপে ডঃ সূর্যকুমাৰ ভূঞাও উপস্থিত আছিল। উক্ত সভাত উপাচার্য নির্বাচন সম্পর্কীয় বিষয়টো উত্থাপিত হোৱাত কাকা চাহাব কালেলকাৰৰ কথা উঠিছিল। কিন্তু তেখেতে নিজেই সভাক এই বুলি জানিবলৈ দিয়ে, "Gandhiji was strongly of opinion that the Vice-Chancellor of the University should be from Assam and indicated that I should not take up any responsible office in this University."

তাৰ পিছতে গোপীনাথ বৰদলৈ আৰু অসমৰ শিক্ষাধিকাৰ পি. চি.

সান্যালৰ প্ৰস্তাৱ আৰু সমৰ্থন ক্ৰমে যোৱহাটৰ জগন্নাথ বৰুৱা কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক তিনি বছৰৰ কাৰণে উপাচাৰ্য পদত নিযুক্তি দিয়া হ'ল। এই বাছনি বৰদলৈদেৱৰ অন্যতম মহৎ অৱদান।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম উপাচাৰ্য হিচাপে নিযুক্তি দিয়াৰ সময়ত সন্দিকৈয়ে এটি-মাত্ৰ চৰ্ত আৰোপ কৰিছিল আৰু সেইটো হ'ল যে, কিতাপ-পত্ৰ ৰাখিব পৰা আচ-বাব আদি সহ এটা আহল-বহল ঘৰ তেখেতক লাগিব। সেই মৰ্মে চৰকাৰে কটন কলেজৰ অধ্যক্ষৰ বাসভৱনটো তেখেতক ব্যৱহাৰৰ কাৰণে এৰি দিলে। সেই ঘৰটোৰ এটা কোঠা তেখেতে শোৱাৰ বাবে, এটা কোঠা কাৰ্যালয়ৰ বাবে, এটা কোঠা বিশ্ববিদ্যালয়ৰ বিশিষ্ট আলহীৰ বাবে আৰু আন এটা ডাঙৰ কোঠা কাৰ্য-নিৰ্বাহৰ সভা, ফেকাল্‌টি সভা, বাছনি কমিটিৰ সভা আদিৰ বাবে ব্যৱহাৰ কৰা হৈছিল। সেই ঘৰত তেখেতে নিজৰ পৰিয়ালৰ কোনো লোককে থাকিবলৈ দিয়া নাছিল।

সন্দিকৈ গুণী উপযুক্ত লোকক উপযুক্ত পদত অধিষ্ঠিত কৰিবলৈ সততে যত্নপৰ আছিল। ৰাজনৈতিক, স্থানীয় বা আঞ্চলিক কোনো ধৰণৰ কথাই তেখেতক কেতিয়াও প্ৰভাৱান্বিত কৰিব নোৱাৰিছিল। বিশ্ববিদ্যালয় এটি স্বায়ত্ত শাসিত অনুষ্ঠান। ইয়াৰ স্বতন্ত্ৰতাত যাতে কোনো ধৰণৰ হস্তক্ষেপ হ'ব নোৱাৰে, তাৰ বাবে সন্দিকৈ সদায় সচেতন আছিল আৰু তাক ৰক্ষা কৰাৰ কাৰণে সদায় তৎপৰ আছিল।

গুৱাহাটী বিশ্ববিদ্যালয়খনক তাৰ জন্মলগ্নৰে পৰা সন্দিকৈয়ে কিদৰে এখন আগ শাৰীৰ আৰু সৰ্বভাৰতীয় পৰ্য্যায়ৰ প্ৰথম শ্ৰেণীৰ শিক্ষা অনুষ্ঠানস্বৰূপে গঢ়ি তুলিলে, সেই কথা বোধকৰোঁ, কাৰো অবিদিত নহয়। তেখেত এজন দূৰদৰ্শী লোক আছিল। তেখেতৰ দূৰদৰ্শিতা, বাস্তৱবাদিতা, মহান ব্যক্তিত্ব আৰু অসাধাৰণ পাণ্ডিত্যৰ গুণত গুৱাহাটী বিশ্ববিদ্যালয়খন এখন উচ্চমানবিশিষ্ট অনুষ্ঠান হৈ উঠিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্য অকল পৰীক্ষা লোৱা আদিতে সীমাবদ্ধ নাৰাখি শিক্ষাদানৰ ক্ষেত্ৰটো বিশেষভাৱে মনোযোগ দিছিল। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মানদণ্ড বঢ়োৱাৰ প্ৰতি তেখেতে সততে আগ্ৰহী আছিল। সেয়েহে পাঠ্যক্ৰম নিৰ্দ্ধাৰণৰ বাবে কেবাজনো সৰ্বভাৰতীয় খ্যাতিসম্পন্ন শিক্ষাবিদক আমন্ত্ৰণ কৰি আনিছিল আৰু তাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰদান কৰা ডিগ্ৰীসমূহ ভাৰতৰ, তথা ভাৰতৰ বাহিৰৰো কিছুমান বিশ্ববিদ্যালয়ে 'ৰেচিপ্ৰকেল' পদ্ধতিৰে স্বীকৃতি দিয়াত দ্বিধাবোধ নকৰিছিল।

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ আৰম্ভণিতে পৰিদৰ্শনৰ কাৰণে খ্যাতনামা চিকিৎসক আৰু কলিকতা বিশ্ববিদ্যালয়ৰ মেডিকেল ফেকাল্‌টিৰ ডীন ডক্টৰ এল. এম. বেনার্জী আৰু প্ৰসিদ্ধ শিক্ষাবিদ আৰু উপাচাৰ্য ডক্টৰ লক্ষ্মণস্বামী মুদালিয়াৰ প্ৰভৃতি ব্যক্তিসকলক আমন্ত্ৰণ কৰি আনিছিল। এনেবোৰ গুণী-জ্ঞানীলোকে পৰিদৰ্শন কৰি যোৱাৰ পিছত মেডিকেল কাউন্সিলৰ 'ষ্টেটুটৰী ইন্সপেকচন'ৰ সদস্যসকলে পৰিদৰ্শন কৰিবলৈ আহি বিশেষ মত প্ৰকাশ কৰাৰ আৱশ্যকতা দেখা নাছিল।

সেইদৰে অসম ইঞ্জিনীয়াৰিং কলেজৰ বাবেও ডঃ ত্ৰিগুণা সেন আৰু বেঙ্গল ইঞ্জিনীয়াৰিং কলেজ (শিৱপুৰ) অধ্যক্ষগৰাকীক অনা হৈছিল। অসম পশু চিকিৎসা মহাবিদ্যালয় আৰু কৃষি মহাবিদ্যালয় স্থাপনৰ সময়তো সৰ্বভাৰতীয় খ্যাতিসম্পন্ন বিশেষজ্ঞসকলক অনা হৈছিল।

বিশ্ববিদ্যালয় স্থাপনৰ লগে লগে সন্দিকৈয়ে পাঠ্যক্ৰম নিৰ্দ্ধাৰণত প্ৰথমতে হাত নিদি কলিকতা বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম অনুসৰণ কৰিছিল। প্ৰথম অৱস্থাত নটা বিভাগ খোলাত নানান সমস্যাৰ সম্মুখীন হ'বলগীয়া হৈছিল। শ্ৰেণী বহুৱাবলৈ ঘৰ, ছাত্ৰ থাকিবলৈ ছাত্ৰাবাস, শিক্ষক থাকিবলৈ ঘৰ একোৱেই নাছিল। এনেবোৰ অভাৱ অস্থায়ীভাৱে দূৰ কৰিবলৈ সন্দিকৈ উদাৰ আৰু সহানুভূতিশীল আছিল। সেয়েহে চান্দমাৰীত অস্থায়ী ছাত্ৰাবাস, শিক্ষক থাকিবলৈ ঘৰ আৰু পুৰণি আইন কলেজৰ চৌহদত এম. এ. শ্ৰেণীৰ বাবে উপযুক্ত ঘৰ নিৰ্মাণ কৰা হৈছিল। সন্দিকৈয়ে মুক্ত চিত্তে তেনেবোৰ কাৰ্য কৰিবলৈ দিয়া বাবে অতি কম সময়ৰ ভিতৰতে বিশ্ববিদ্যালয়খনে গা কৰি উঠিব পাৰিছিল।

সন্দিকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্য, পৰীক্ষা আৰু শিক্ষাদানতে আবদ্ধ নেৰাখি গৱেষণাৰ ক্ষেত্ৰতো গুৰুত্ব দিছিল। সেইবাবে অতি কম সময়ৰ ভিতৰতে বিশ্ববিদ্যালয়খনে গৱেষণাৰ কামত অগ্ৰগতি লাভ কৰিব পাৰিছিল। পূৰ্ণাঙ্গ গ্ৰন্থাগাৰ এটা বিশ্ববিদ্যালয় এখনৰ প্ৰধান অঙ্গ। অধ্যয়নপুষ্ট সন্দিকৈয়ে দেশ-বিদেশৰ বহুতো সমৃদ্ধিশালী গ্ৰন্থাগাৰৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অহা সংস্পৰ্শৰ অভিজ্ঞতাৰে তেখেতৰ কাৰ্যকালতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰটোক এটি পূৰ্ণাঙ্গ ৰূপ দিয়াৰ চেষ্টা কৰে। এই সম্পৰ্কত উল্লেখ কৰিব পাৰি যে ইংলণ্ডৰ বিখ্যাত 'ব্লেক্ ওৱেল' কোম্পানীৰ পৰা বিশেষকৈ ইংৰাজী সাহিত্য আৰু ইতিহাসৰ বহু সংখ্যক গ্ৰন্থ আনিছিল।

কটন কলেজৰ অধ্যক্ষৰ বাসভৱনটোৱেই আছিল সন্দিকৈৰ বাসভৱন আৰু কাৰ্যালয়। সাধাৰণতে দিনৰ বাৰ বজাৰ পৰা ডেৰ বজাৰ ভিতৰত তেখেতৰ লগত বিশ্ববিদ্যালয় সম্পৰ্কীয় কাম-কাজ কৰিব লাগিছিল। এই নিয়মৰ ব্যতিক্ৰম নঘটিছিল। বহু সময়ত দেওবাৰ আৰু বন্ধৰ দিনতো আধৰুৱা আৰু জৰুৰী কামৰ বাবে আহিবলৈ অনুৰোধ কৰিছিল। যদিও বিশ্ববিদ্যালয়খনৰ বিভিন্ন কামৰ ওপৰত তেখেতৰ সুতীক্ষ্ণ দৃষ্টি আৰু অসীম প্ৰভাৱ আছিল। বাহিৰৰ কোনো কথাৰ লগত তেখেতৰ সম্বন্ধ নাছিল বুলিলেই হয়। কিন্তু বিশ্ববিদ্যালয় সম্পৰ্কীয় সভা-সমিতিত যোগ দিয়াৰ বাবে তেখেত বাহিৰলৈও গৈছিল। এটি নতুন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈয়েই সন্দিকৈয়ে মাদ্ৰাজত অনুষ্ঠিত উপাচাৰ্য সম্মিলনত, ওৱালটায়াৰত বহা আন্তঃবিশ্ববিদ্যালয় সমিতিৰ বছৰেকীয়া অধিবেশনত সভাপতিৰ আসন অলঙ্কৃত কৰিছিল। লক্ষ্ণৌত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলনৰ সংস্কৃত শাখাত তেখেতে পৌৰোহিত্য কৰিছিল। শ্ৰীনগৰত বহা প্ৰাচ্যবিদ্যা সম্মিলনৰ মূল সভাৰো তেখেত সভাপতি নিৰ্বাচিত হৈছিল; কিন্তু অনিবাৰ্য কাৰণবশতঃ তাত যোগদান কৰিব নোৱাৰিলে।

সন্দিকৈ ডাঙৰীয়াক বহু সময়ত ঘৰুৱা লেঠাবোৰৰ প্ৰতি উদাসীন দেখা গৈছিল। যোৱহাটৰ ঘৰত সকলো দায়িত্ব সহধৰ্মিনী হেমলতা সন্দিকৈ ডাঙৰীয়ানীয়ে ঘাইকৈ বহন কৰিছিল। প্ৰতি বছৰে পূজা বন্ধৰ সময়ত আৰু ভাল দিন-বাৰ চাইহে সন্দিকৈ এবাৰ ঘৰলৈ গৈছিল। কিন্তু বাটত নগাঁৱৰ চাৰ্কিট হাউচত এৰাতি কটাইহে যোৱহাট পাইছিল।

এবাৰ সন্দিকৈৰ পৰিবাৰৰ টান নৰিয়া হোৱা বুলি তাঁৰ-বাৰ্তা আহিল। তেখেতে আমাক ক'লে যে তেখেতৰতো এই বিষয়ত কৰিবলগীয়া একো নাই। ডাঃ ভুবনেশ্বৰ বৰুৱা তেখেতসকলৰ বন্ধু মানুহ। তেখেতৰ বিশ্বাস ডাঃ ভুবনেশ্বৰ বৰুৱা গৈ ওলালেই বেমাৰ ভাল হ'ব। কাজেই তেওঁক কৈ-মেলি যোৱহাটলৈ পঠাই দিয়াৰ বাবে আমাক ক'লে। ডাঃ বৰুৱাক আকাশী জাহাজেৰে পঠিয়াই দিয়া হ'ল। উভতি অহাৰ দিনা ডাঃ বৰুৱাক বৰঝাৰৰ পৰা আনিবলৈ তেখেতৰ গাড়ীখন পঠিয়াই দিলে। নিৰ্দিষ্ট সময়ৰ বহু পিছতো গাড়ী ঘুৰি নহাত সন্দিকৈ বৰ চিন্তিত হ'ল। মোক সেই বিষয়ে জনাবলৈ অফিচৰ পৰা মতাই নিলে। সান্ত্বাৱ্য সকলো ঠাইতে খবৰ কৰি একো জানিব পৰা নগ'ল। তেতিয়া সন্দিকৈৰ চিন্তা বেছি হ'ল আৰু বেজাৰ মনেৰে ক'লে যে তেখেতৰ গাড়ীখনৰ যি হয় হওক; কিন্তু তেখেতৰ কামত যাওঁতে ডাঃ বৰুৱাৰ কিবা অঘটন ঘটিলেহে বৰ ডাঙৰ কথা হ'ব। অৱশ্যে সেই বিষয়ে বিশেষ চিন্তা কৰাৰ কোনো



কৰক নাই বুলি ভালদৰে কোৱা হ'ল। গধূলি ডাঃ বৰুৱা আহি ওলাল। কাম হোৱাৰ কাৰণ হ'ল তেওঁ বৰঝাৰৰ পৰা বাহিৰে বাহিৰে আদাবাৰীলৈ কাহৰ কিবা সভাত যোগ দিবলৈ গৈছিল।

এদিন সন্দিকৈ মাদ্ৰাজত বহা আন্তঃবিশ্ববিদ্যালয়ৰ ব'ৰ্ডৰ সভাত সভাপতিত্ব কৰাৰ বাবে যাবলৈ প্ৰস্তুত হৈ আছিল। এনেতে তেখেতৰ ককাদেউ জীয়েকৰ টান অসুখ বুলি তাঁৰ-বাৰ্তা আহিল। সন্দিকৈক বিশেষ বিচলিত হোৱা দেখা নগ'ল; তেখেতে মাত্ৰ ক'লে, 'মইতো যাবলৈ ওলাইছোৱেই। তেওঁলোকেতো আৱশ্যকীয় ব্যৱস্থা আদি ল'বই!' এই বুলি কৈ নিৰ্বিকাৰ চিত্তে তেখেতে মাদ্ৰাজ অভিমুখে যাত্ৰা কৰিলে।

এবাৰ একমাত্ৰ পুতেক বিজয় সন্দিকৈৰ কলিকতাত টাইফয়ড অসুখ হৈছে বুলি খবৰ আহিল। সন্দিকৈয়ে ক'লে, 'টাইফয়ড বেমাৰত খুব ভাল নার্ছিঙৰহে আৱশ্যক।' কাজেই ভাল নার্ছ এগৰাকীৰ ব্যৱস্থা কৰিবলৈ আমাক ক'লে। সেই মৰ্মে কলিকতাৰ ট্ৰেড এড্‌ভাইচাৰৰ জৰিয়তে ভাল নার্ছ এজনীৰ ব্যৱস্থা কৰা হ'ল। ইতিমধ্যে সন্দিকৈৰ পৰিবাৰো বাহিৰে বাহিৰে গৈ কলিকতা পালেগৈ। এই সংক্ৰান্তত কলিকতাৰ পৰা মাজে মাজে খবৰ পাই আছিল আৰু তেখেতেও কেৱল টকা পঠিয়াই আৰু দায়িত্ব পালন কৰিছিল।

ডাঃ ভুবনেশ্বৰ বৰুৱাই বিজয়ৰ অসুখৰ কথাটো জানিব পাৰি পুতেকক হেনেকৈ কলিকতাত ৰখাটো উচিত হোৱা নাই বুলি কৈ যথাসম্ভৱ সোনকালে ঘৰলৈ আনিবলৈ পৰামৰ্শ দিয়াত পুতেকক অৱশ্যে যোৰহাটৰ ঘৰলৈ লৈ অহা হ'ল।

সন্দিকৈ গুৱাহাটীত থকা সময়ত এবাৰ তেখেতৰ দেউতাকৰ অসুখ বুলি খবৰ আহিল। তেতিয়া তেখেতৰ প্ৰতিক্ৰিয়া হ'ল এনে ধৰণৰ, "মইনো গৈ কি কৰিম? দেউতাৰ বয়স বেছি হৈছে। মানুহ বৰ বেছি বয়সলৈ বাচি থকা ভাল নহয়। দেউতাৰ বয়সৰ সুবিধা লৈ কিছুমানে হেওঁক ঠগিছেও।" তেখেতক দেউতাকৰ খবৰ ল'বলৈ যোৱাটো ভাল হ'ব বুলি আমাৰ ফালৰপৰা কোৱা হ'ল। তেখেতে 'বাৰু' বুলি শলাগি ল'লে। কেইদিনমান পিছতেই অসুখ বৰ বেছি হৈছে বুলি এখন টেলিগ্ৰাম পালে কিন্তু যাওঁ যাওঁ বুলি থাকোঁতেই দেউতাকৰ ঢুকুৰাৰ খবৰহে আহিল!

এবাৰ সন্দিকৈৰ পৰিবাৰ হেমলতা সন্দিকৈয়ে যোৰহাটৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন উৎসৱ চাবলৈ আহিব বুলি খবৰ পঠিয়ালে। সন্দিকৈয়ে মোক মাতি আনি ক'লে, "তেওঁ বোলে উৎসৱ চাবলৈ আহে। সেইটো কি কথা! চৰকাৰী ঘৰত ক'ত থাকিব? বৰ জঞ্জাল! ডম্বৰুক (সন্দিকৈৰ জোঁৱায়েক শ্ৰীডম্বৰু গগৈ তেতিয়া কটন কলেজৰ অধ্যাপক) খবৰ দিয়ক, তেওঁক যাতে বাহিৰে বাহিৰে উৎসৱ দেখুৱাই ঘৰলৈ পঠিয়াই দিয়ে।" সেই মতেই কাম হ'ল। সমাৱৰ্তন উৎসৱ শেষ হোৱা মাত্ৰকে সন্দিকৈ ঘৰলৈ উভতিল আৰু তেখেতৰ পৰিবাৰেও যোৰহাটলৈ যাত্ৰা কৰিলে।

সন্দিকৈৰ ছোৱালী অহল্যাই তেতিয়া এম. এছ.চি পঢ়িছিল। শ্ৰেণী বহিছিল কটন কলেজৰ চৌহদৰ ঘৰত। এদিন সন্দিকৈয়ে কামৰ পৰা মুৰ তুলি অহল্যাক বাৰাণ্ডাত দেখি মোক ক'লে, "এই বা কেলেই আহিল? চৰকাৰী ঘৰত এইক কি লাগে?" মই ক'লোঁ, "পানী খাবলৈ আহিছে হ'ব পায়, খায়েই যাবগৈ।"

সন্দিকৈৰ ড্ৰাইভাৰজনে খং উঠিলে ইংৰাজীত কথা কয়। এদিন তেখেতে মোক ক'লে, "ড্ৰাইভাৰটোৰ কাৰবাৰ লগত কিবা লাগিল হ'ব পায়। মোৰ আগত দেখোন ইংৰাজীত কথা কৈছে। আপুনি কাৰ লগত কি লাগিল খবৰ কৰিবচোন?"

সন্দিকৈ যিদৰে বিশ্ববিদ্যালয় আৰু নিজৰ পদ-মৰ্যদ্যাৰ প্ৰতি সচেতন আছিল, ঠিক তেনেদৰে বিশ্ববিদ্যালয়ৰ আন বিষয়ববীয়াসকলৰ পদ-মৰ্য্যাদাও যাতে অটুট থাকে তাৰবাবে বিশেষ ব্যৱস্থা হাতত লৈছিল। সেই সময়ত কলিকতাৰ বঙ্গবাসী কলেজৰ অধ্যক্ষ শিক্ষাবিদ পি. কে. বসুক বিশ্ববিদ্যালয়ৰ কলেজসমূহৰ পৰিদৰ্শক হিচাপে সঘনে অনা হৈছিল। বসু কলেজ পৰিদৰ্শনৰ কামত ওলালে তেওঁ পদ মৰ্য্যাদাৰ লগত সঙ্গতি ৰাখি এজন ব্যক্তিগত সচিব আৰু বিশ্ববিদ্যালয়ৰ পোছাকত এজন পিয়ন পঠোৱা হৈছিল।

বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক আৰু মুৰব্বী অধ্যাপকসকলক নিযুক্তি দিওঁতে সন্দিকৈয়ে সিসকলৰ শৈক্ষিক অৰ্হতা আৰু অভিজ্ঞতা আদিৰ প্ৰতি নজৰ ৰাখিছিল। গুৱাহাটী বিশ্ববিদ্যালয়লৈ কটন কলেজৰ পৰা উদ্ভিদ বিদ্যা আৰু অৰ্থনীতিৰ স্নাতকোত্তৰ বিভাগ দুটা স্থানান্তৰিত কৰা সময়ত এটি সমস্যা উপস্থিত হৈছিল। উদ্ভিদ বিদ্যা বিভাগৰ মুৰব্বী অধ্যাপকজন আছিল ডঃ হিতেন্দ্ৰকুমাৰ বৰুৱা, এম. এছ. চি., পি.এইছ. ডি (কেনটাব)। কাজেই তেওঁ বিশ্ববিদ্যালয়ত নতুনকৈ খোলা উদ্ভিদ বিদ্যা বিভাগটোৰ মুৰব্বী অধ্যাপক হোৱাত কোনো অসুবিধা হোৱা নাছিল। কিন্তু কটন কলেজৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপকজনৰ স্নাতকোত্তৰ বিভাগৰ অধ্যাপক হিচাপে নিযুক্তি পোৱাৰ অৰ্হতা নথকাত সন্দিকৈৰ দৃঢ়মতৰ বাবে তেওঁক নিযুক্তি দিব পৰা নহ'ল আৰু তেতিয়া তেওঁক বাণিজ্য বিভাগৰ স্নাতক শ্ৰেণীৰ অধ্যাপক পদত ৰখা হৈছিল। পিছত ডঃ পি. চি. টমাছক উচ্চ হাৰত বেতন দি অৰ্থনীতি বিভাগৰ ৰিডাৰ আৰু মুৰব্বী হিচাপে অনা হ'ল।

এবাৰ গুৱাহাটীৰ চাৰ্কিট হাউছলৈ এটি আলোচনাৰ বাবে তেতিয়াৰ অসমৰ প্ৰধানমন্ত্ৰী (মুখ্যমন্ত্ৰী) তথা শিক্ষামন্ত্ৰী গোপীনাথ বৰদলৈদেৱে সন্দিকৈক মাতিছিল। কিন্তু তেখেতৰ তাঁলৈ যোৱা হৈ নুঠিল। এনে পৰিস্থিতিৰ বাবেই বোধকৰোঁ চৰকাৰৰ সৈতে বিশ্ববিদ্যালয়ৰ সম্পৰ্ক ৰখাৰ সুবিধাৰ্থে প্ৰ-চেঞ্চেলাৰৰ পদ এটাৰ আৱশ্যক বুলি ভাবি বিল এখনো প্ৰস্তুত কৰা হৈছিল। সেই সময়ৰ শিক্ষাধিকাৰ ডঃ সূৰ্যকুমাৰ ভূঞাই মত দিলে যে সন্দিকৈক কথাটো নজনোৱাকৈ বিলখন উত্থাপন কৰা সমীচীন নহ'ব। কাজেই কথাটো আলোচনা কৰিবলৈ শিক্ষা বিভাগৰ পার্লিয়ামেণ্টৰী চেক্ৰেটাৰী মহেন্দ্ৰমোহন চৌধুৰী, শিক্ষা সচিব এছ. এল. মেহতা আৰু শিক্ষাধিকাৰ ডঃ ভূঞা আহি সন্দিকৈক ঘৰত লগ ধৰি কথাটো জনোৱাত তেখেতে ক'লে, "সেইবোৰ জঞ্জালহে হ'ব।" সন্দিকৈৰ মনৰ এনে প্ৰতিক্ৰিয়া হোৱা দেখি কথাটোৰ সিমানতে অন্ত পৰিল। সেই সময়তে প্ৰসঙ্গক্ৰমে অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপকজনৰো স্নাতকোত্তৰ বিভাগত নিযুক্তি দিয়াৰ সম্পৰ্ক কথা উঠিছিল, তাৰো একো ফল নহ'ল।

সন্দিকৈয়ে বিশ্ববিদ্যালয়ৰ সকলো কথাৰে কাৰ্যকৰী দিশটোলৈ বিশেষ লক্ষ্য ৰাখিছিল। অৱশ্যে তেনে পন্থা অৱলম্বন কৰোঁতে উচ্চ আদৰ্শৰ পৰা কেতিয়াও আঁতৰি অহা নাছিল। নতুনকৈ স্থাপিত হোৱা একমাত্ৰ বিশ্ববিদ্যালয়খনৰ বিশেষকৈ শিক্ষণীয় দিশত যাতে কোনো প্ৰকাৰৰ বাধা বা ব্যাঘাত নজন্মে তাৰ প্ৰতি তেখেতৰ চোকা দৃষ্টি আছিল। উদাহৰণস্বৰূপে, বিশ্ববিদ্যালয়ৰ বিভাগসমূহত অধ্যাপকক সৰ্বভাৰতীয় ভিত্তিতহে নিযুক্তি দিয়া হৈছিল। সেইকাৰণে গুৱাহাটী বিশ্ববিদ্যালয়টো এক প্ৰকাৰ ভাৰতবৰ্ষৰ এটা ক্ষুদ্ৰ সংস্কৰণ স্বৰূপ হৈ উঠিছিল। প্ৰাৰ্থীৰ পৰা আবেদন-পত্ৰ পোৱাৰ পিছতেই, বাছনি-সভা বহাৰ আগতেই নিযুক্তি দিলে অধ্যাপকজনে ততালিকে কামত যোগ দিব পাৰিবনে নাই টেলিগ্ৰাম যোগে সোধা হৈছিল। সেই সময়ত সাক্ষাৎ লোৱা প্ৰথা নাছিল। সন্দিকৈয়ে এনেকুৱা কৰাৰ উদ্দেশ্য আছিল যাতে বিভাগ এটাই সোনকালে গঢ় ল'ব পাৰে আৰু অধ্যাপক নিযুক্তিৰ ক্ষেত্ৰত পলম হৈ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাত ব্যাঘাত নজন্মে। এইটো আছিল তেখেতৰ এটা কাৰ্যকৰী কৌশল।

এইখিনিতে উল্লেখ কৰিব পাৰি যে আবেদন-পত্ৰসমূহ তেখেতে অতি সূক্ষ্মভাৱে পৰীক্ষা কৰি যি শুদ্ধ সিদ্ধান্ত লৈছিল সেই সিদ্ধান্তসমূহ বাছনি-সভা আৰু কার্য-নির্বাহক সমিতিয়ে আনুষ্ঠানিকভাৱে গ্ৰহণ কৰাত কেতিয়াও অসুবিধা নেপাইছিল। ফলত বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগসমূহ সোনকালে গঢ় লৈছিল।

সন্দিকৈয়ে কোনো কথাতে অনিয়ম কৰা বা আনেও তেনে কৰা পছন্দ নকৰিছিল। আৰ্ল কলেজ চৌহদত পতা প্ৰথম সমাৱৰ্তন উৎসৱত (তিনি জানুৱাৰী, ১৯৫১) ভাষণ দিবলৈ সেই সময়ৰ ৰুছ দেশৰ ভাৰতীয় ৰাষ্ট্ৰদূত ডঃ ৰাধাকৃষ্ণণক আমন্ত্ৰণ কৰি অনা হৈছিল আৰু তেখেতে সন্দিকৈৰ বাসভৱনতে আলহী হিচাপে আছিল। এই উৎসৱ সফল কৰাৰ বাবে ফণীধৰ দত্ত, ডঃ শৰৎকুমাৰ দত্ত, ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা প্ৰমুখ্যে আমি বিশেষ পৰিশ্ৰম কৰিবলগীয়া হৈছিলো। সন্দিকৈ ডঃ ৰাধাকৃষ্ণণক বৰঝাৰৰ পৰা আগবঢ়াই আনিবলৈ যায়। সেই ছেগতে উচ্চ পুলিচ বিষয়া এজনে সন্দিকৈৰ বাসভৱনৰ চৌহদত সোমাই পাক মাৰি গুচি আহে। কিছু সময়ৰ পিছতে উক্ত পুলিচ বিষয়াজনো বৰঝাৰলৈ যায় আৰু সন্দিকৈক সাক্ষাৎ কৰি তেখেতৰ ঘৰ খানাতালাচ কৰি অহা বুলি জনোৱাত তেখেতে আচৰিত হয়। আচল কথাটো হ'ল এই যে ৰাষ্ট্ৰদূত এজন থকা ঠাই পুলিচে আগ ধৰি পৰীক্ষা কৰি চোৱাটো চৰকাৰী নিয়ম।

ডঃ ৰাধাকৃষ্ণণৰ দৰে বিশ্ববিশ্ৰুত পণ্ডিত এজন অহাত কেইজনমান সাংবাদিকে তেখেতক এটি সম্বৰ্দ্ধনা জনোৱাৰ সম্পৰ্কত সন্দিকৈৰ বাসভৱনত সাক্ষাৎ কৰিবলৈ যায়। তেতিয়া ডঃ ৰাধাকৃষ্ণণে কৈছিল— "মই বিশ্ববিদ্যালয়ৰ এটি বিশেষ কামত আহিছো। গতিকে এই বিষয়ে মোৰ নিজা মত নাই।" সন্দিকৈ যে ভিতৰৰ পৰা এইটো লক্ষ্য কৰি আৰু শুনি আছিল। তাৰ পিছত তেখেতে লাহে-ধীৰে ওলাই আহি ক'লে, "তেখেত এটি মহৎ কামৰ বাবে আহিছে। সেই কামৰ আগতে আন কাম কৰাটো উচিত নহ'ব।" লগতে সন্দিকৈক উক্ত সম্বৰ্ধনা সভাৰ সভাপতি হোৱাৰ বিষয়েও অনুৰোধ জনোৱাত তেখেতে ক'লে যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইনে বান্ধি দিয়া নিয়ম অনুসাৰেহে তেখেতে সভাপতি হ'ব পাৰে। তেখেতৰ এনে মন্তব্যত কোনোবা এজনে ক'লে, "We dislike it"। সন্দিকৈয়ে প্ৰত্যুত্তৰত "I like to be disliked" বুলি কৈ কোঠাৰ ভিতৰলৈ সোমাই গ'ল। লগে লগে ডঃ ৰাধাকৃষ্ণণো নিজৰ কোঠালৈ গুচি যোৱাত তেওঁলোকৰ সজ উদ্দেশ্য সিদ্ধ নহ'ল।

বিশ্ববিদ্যালয়ৰ কামত আহোঁতে এবাৰ কোনোবা এজন বিশিষ্ট লোকৰ সন্মানার্থে সন্দিকৈৰ বাসভৱনত এটা সৰু ধৰণৰ ভোজ পতা হৈছিল আৰু তালৈ তেতিয়াৰ ডেপুটি কমিচনাৰজনকো নিমন্ত্ৰণ কৰা হৈছিল। সেই সময়ত এজন সহকাৰী কমিচনাৰ তেওঁৰ (ডেপুটি কমিচনাৰ) আলহী হৈ আছিল। তেওঁকো নিমন্ত্ৰণ কৰা কথা ওলোৱাত সন্দিকৈয়ে সেইটো ভাল নহ'ব বুলি লগতে ক'লে যে সেইটো কৰিব লগা হ'লে আমাৰ অফিছাৰ এজনৰ ঘৰত আলহী হৈ থকা উচ্চ পদস্থ বিষয়াজনকো নিমন্ত্ৰণ কৰিব লাগিব। তেখেতৰ তেনে মনোভাব দেখি সেই কথা তাতেই অন্ত পৰিল।

সন্দিকৈ উপাচার্য হৈ থকা সময়তে এবাৰ ৰাষ্ট্ৰপতি ডঃ ৰাজেন্দ্ৰ প্ৰসাদ গুৱাহাটীলৈ আহিছিল। তেওঁৰ সন্মানার্থে চার্কিত হাউচত এটি চৰকাৰী ভোজ-মেলৰ ব্যৱস্থা কৰি সন্দিকৈকো তালৈ নিমন্ত্ৰণ কৰিছিল। সন্দিকৈৰ পৰা কোনো উত্তৰ নোপোৱা বাবে সেই সময়ৰ ডেপুটি কমিচনাৰ আলটাফ আহমেদে মোলৈ কেবাবাৰো ফোন কৰি সন্দিকৈ ভোজলৈ যোৱা-নোযোৱাৰ বিষয়ে জানিব বিচাৰিলে। কিন্তু তেখেতে খাবলৈ ইচ্ছা নকৰাত শেষত যোৱা নহ'ব বুলি জনোৱা হ'ল।

এইখিনিতে উল্লেখযোগ্য যে ঘৰত ফোন থাকিলে নানা আহুকালে পাব বুলি ভাবি ঘৰত ফোন ৰাখিবলৈ তেখেত সম্মত নহৈছিল আৰু তেখেতে কৈছিল, "আপোনালোকৰ থাকিলেই কাম চলিব।"

বিশ্ববিদ্যালয়ত ৰসায়ন আৰু পদার্থ বিজ্ঞানৰ স্নাতকোত্তৰ বিভাগ খোলাটো বিশেষ আৱশ্যক হোৱাত কলিকতা বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম অনুসৰণ কৰি সেই মর্মে সিদ্ধান্ত লোৱা হ'ল। চিন্তা হ'ল কোনকেইটা বিষয় লৈ সহজতে আৰম্ভ কৰিব পাৰি। কলিকতা বিশ্ববিদ্যালয়ৰ দুজন খ্যাতনামা অধ্যাপক ডঃ জে. চি. চৰকাৰক (Khaira Professor of Chemistry) আৰু ডঃ এছ. চি. চৰকাৰক (Chairman of the Association for Cultivation of Science, Jadabpur) আমাৰ বি. এচ. চি. পৰীক্ষাৰ চেয়াৰমেন হিচাপে গুৱাহাটীলৈ অনা হৈছিল। সন্দিকৈৰ পৰামর্শমতে তেওঁলোকক লগ ধৰি আলোচনা কৰা হ'ল আৰু তেওঁলোকেও কার্যকৰী দিহা দিলে। চৰকাৰলৈ বিভাগ দুটা খোলা বিষয়ে অনুদান বিচাৰি এখন আঁচনি পঠোৱা হ'ল।

কটন কলেজৰ কোনোবাই হেনো ডাঃ ভুবনেশ্বৰ বৰুৱাক জনালে যে বিশ্ববিদ্যালয়ে বিভাগ দুটা খুলিবলৈ ওলাইছে আৰু সেই বিষয়ে তেওঁলোকৰ লগত কোনো পৰামর্শ কৰা নাই। সৰলচেতিয়া ডাঃ বৰুৱাই বোধকৰোঁ কথাটো উচিত হোৱা নাই বুলি বোধ কৰি এদিন সন্দিকৈৰ তালৈ আহি কথাটো উলিয়ালে। তেতিয়া তেখেতে বৰুৱাক ক'লে— "এই বিষয়ে কাক কি সুধিব লাগে মই জানো। তেওঁলোকে যিহেতু স্নাতকোত্তৰ বিভাগত নপঢ়ায় গতিকে তেওঁলোকক এই বিষয়ে সোধাৰ আৱশ্যক নেদেখো। এই নিচিনা কথা ৰাজনীতিৰ ক্ষেত্ৰত খাটিব পাৰে; কিন্তু আমাৰ নতুন অনুষ্ঠানটোত অপকাৰ কৰিব।"

এই সম্পর্কত আন এটি কথা উল্লেখ কৰিব পাৰি। বিশ্ববিদ্যালয়ৰ আঁচনিখন পাই চৰকাৰে মতামতৰ বাবে কটন কলেজৰ এজন অধ্যাপকলৈ পঠোৱাৰ সিদ্ধান্ত লৈছিল। এনেকুৱা কথাত সন্দিকৈৰ এটি বিৰূপ প্ৰতিক্ৰিয়া হোৱাৰ আশঙ্কা কৰি ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু মই খৰধৰকৈ শিলঙলৈ গৈ বিশ্ববিদ্যালয়ৰ হিতাকাঙ্খী অসম চৰকাৰৰ এজন উচ্চ পদস্থ বিষয়া শিক্ষা সচিবৰ লগত আলোচনা হ'লোঁ। শিক্ষা সচিবে বিষয়টো উপলব্ধি কৰি সেই বিষয়ে আৰু আগ নেবাঢ়িল।

বিশ্ববিদ্যালয়ত টাই ভাষাৰ গৱেষণা আৱশ্যক বুলি ভাবি চৰকাৰৰ পৰা দুটা বৃত্তি দিয়াৰ প্ৰস্তাৱ আহিল। সন্দিকৈয়ে সেই বিষয়ে একো মতামত নিদিলে। পিছত আকৌ এখন চিঠি অহাত তেওঁ ক'লে, "বর্তমান তেনে গৱেষণাৰ কাম সম্ভৱ নহ'ব। কিয়নো টাই ভাষাৰ বিশেষ জ্ঞান থকা মানুহ পোৱা টান। ভিতৰুৱা অঞ্চল কিছুমানত কেইজনমান বাইলুং পণ্ডিত আছে। তেওঁলোকক বাহিৰলৈ উলিয়াই অনাটো সম্ভৱ নহ'ব।" কথাটো তেনেকৈ থাকিল। যিকোনো কাৰণতেই হওক, চৰকাৰৰ কিন্তু এই বিষয়টোত বিশেষ আগ্ৰহী। এদিন শিক্ষা মন্ত্ৰী অমিয়কুমাৰ দাস তেওঁৰ তালৈ আহি কথাটো উলিয়ালে। সন্দিকৈৰ মন্তব্য হ'ল যে এই কাম সম্প্ৰতিকে কোনোৰকমে সম্ভৱ নহ'ব। চৰকাৰে দিয়া বৃত্তি লৈ একো কাম নহ'লে বিশ্ববিদ্যালয়ৰ বদনাম হ'ব। যদি টকা খৰচ কৰাই কথা তেন্তে আন ধৰণে কিবা কৰিলে ভাল হয়।

ডঃ ডি. চি. পাভাটেৰ নেতৃত্বত বিশ্ববিদ্যালয়ৰ কাম-কাজৰ বিষয়ে ৰিপৰ্ট দাখিল কৰিবলৈ এখন তদন্ত আয়োগ গঠিত হৈছিল। সেই আয়োগৰ জনৈক সদস্যই সন্দিকৈক (তেতিয়া অৱসৰত) যোৰহাটৰ বাসভৱনত সাক্ষাৎ কৰিছিল। সদস্যগৰাকীয়ে কথা-প্ৰসঙ্গত ডঃ পি. চি. টমাচক কিয় প্ৰফেছৰ পতা হোৱা নাছিল বুলি সোধাত সন্দিকৈয়ে কৈছিল, "Because K.K. Handique was there"। এই কথা পিছত যোৰহাটৰ ঘৰত লগ ধৰোঁতে তেখেতে মোক জানিবলৈ দিছিল।

এদিনাখন ডঃ সূর্যকুমাৰ ভূঞা কিবা কাৰণত সন্দিকৈৰ ওচৰলৈ

গৈছিল। আন কথাৰ লগতে মানুহ মৰাৰ পিছত দিব লগা estate duty (মৃত্যু কৰ) বোলা এটা কৰৰ বিষয়ে তেখেতক জানিবলৈ দিলে। ইয়াৰ বাবে বহুতে বিপদত পৰা বুলিও জনাই ক'লে যে ল'ৰা-ছোৱালীবিলাকৰ নামত যদি ঘৰ-দুৱাৰ, সা-সম্পত্তি আদি লেখি দিয়া যায়, তেন্তে এই কৰৰ লেঠাত বিশেষ টান নপৰে। সন্দিকৈয়ে কথাখিনি শুনি থ'লে। পিছদিনাখন সন্দিকৈয়ে ডঃ ভুঞাই কোৱা কথাটো মোক কৈ লগতে আৰু ক'লে, "যদি ল'ৰা-ছোৱালীবিলাকৰ নামত ঘৰ-দুৱাৰ, সা-সম্পত্তি আদি লিখি দিয়া যায়, তেন্তে estate duty দিয়াৰ আৱশ্যক নহ'বও পাৰে।" তাৰ পিছত হাঁহি মাৰি ৰসৰ সুৰত ক'লে, "তেনে কৰিলে পিছে যদি মোক ঘৰৰ পৰা উলিয়াই দিয়ে তেতিয়া কি হ'ব? এইটোতো এটা বিপদজনক কথা!" সন্দিকৈৰ এনে হাস্যৰসাত্মক কথাই মোক আমোদ দিলে। ইয়াৰ আন কিবা উপায় আছে নে সোধাত ইঞ্চিওৰেন্স এটা কৰি ভাৰতৰ ৰাষ্ট্ৰপতিৰ নামত পলিচিটো লেখি দিলে মানুহজন ঢুকোৱাৰ পিছত সেই টকাৰ পৰাই কৰটো কাটি নিয়ে আৰু পৰিয়ালৰ বিশেষ অসুবিধা নহয় বুলি ক'লো। কথাটো তেওঁৰ মনঃপুত হোৱাত ২৫ হাজাৰ টকাৰ এটা ইঞ্চিওৰেন্স কৰাৰ ব্যৱস্থা কৰি দিয়া হ'ল।

১৯৬৭ চনৰ ২৭ মাৰ্চ তাৰিখৰ তেওঁৰ পুথিভঁৰালটো বিশ্ববিদ্যালয়লৈ দান কৰা বিষয়ে মোলৈ লিখা চিঠিখনত estate duty ৰ কাৰণে আৰু এটা ইঞ্চিওৰেন্স কৰা বুলি মোক জানিবলৈ দিয়ে।

এবাৰ যোৰহাটত ডিব্ৰুগড় মেডিকেল কলেজৰ চার্জাৰীৰ প্ৰফেছৰ ডাঃ নামবিয়াৰে সন্দিকৈৰ এটা অপাৰেছন কৰিছিল। সেই খবৰ পাই গুৱাহাটীৰ পৰা ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু ৰেজিষ্ট্ৰাৰ ফণীধৰ দত্ত ততাতৈয়াকৈ যোৰহাট ওলায়গৈ। তেওঁলোক উভতি অহাৰ কিছুদিনৰ পিছত বিশ্ববিদ্যালয়ৰ জৰুৰী কাম-কাজৰ বিষয়ে কাগজ-পত্ৰ লৈ মোক তালৈ যোৱাৰ বিষয়ে কৈ পঠিয়ালে। সেইমতে মই যোৰহাটলৈ গ'লোঁ, লগত মোৰ পৰিবাৰো গৈছিল। তেতিয়া মোৰ সৰু ভনীজনী তাত আছিল। গৈ পোৱাৰ পিছদিনাখন তেওঁ ঘৰলৈ গৈ, তেওঁৰ বহা কোঠাতেই লগ পাই কিছু কথা-বতৰা হ'লোঁ। অপাৰেছন কৰা সময়ত ডাঃ নামবিয়াৰ তেওঁৰ বিছনাৰ কাষলৈ অহাত এজন যেন দৈত্য আহি তেওঁৰ ওচৰত থিয় হৈছে। তেনেকুৱা লগা বুলি ক'লে। কিছু পিছতেই তেওঁৰ পৰিবাৰো আহি আমাৰ লগত যোগ দিলে। তাৰ পিছত আমাক বেলেগ ঘৰ এটালৈ লৈ গৈ ভালদৰে নিজে লগুৱা-লিগিৰীৰ সহায় নোলোৱাকৈ কাঁহৰ কাঁহি-বাটিত খাটি অসমীয়া জা-জলপানেৰে সোধ-পোছ কৰিলে আৰু সন্দিকৈয়েও তালৈ গৈ আমাৰ লগত কিবা অলপ খালে। কিছু কথা-বতৰা হোৱাৰ পিছত তেখেতে পৰিবাৰক লক্ষ্য কৰি ক'লে, "তোমালোক এতিয়া ভিতৰলৈ যোৱা, আমি এতিয়া চৰকাৰী কাম কৰিম।" তেতিয়া তেওঁলোক দুয়ো ভিতৰৰ আন কোঠা এটালৈ সোমাই গ'ল আৰু আমিও কামত ধৰিলোঁ। সন্দিকৈৰ বাবে বিশ্ববিদ্যালয়ৰ কাম মানেই চৰকাৰী কাম আৰু চৰকাৰী মানেই অতি জৰুৰী কাম।

প্ৰথম তিনিবছৰীয়া কাৰ্যকাল উকলি যোৱাত দ্বিতীয়বাৰ উপাচাৰ্য নিৰ্বাচনৰ বাবে সভা বহিল। সকলোৱে সন্দিকৈকে পুনৰ উপাচাৰ্য পতাৰ বিষয়ে চিন্তা কৰিছিল। কিন্তু সন্দিকৈ ক'ৰ্টৰ সভালৈকেতো নেযায়েই, আনকি তেখেত নিৰ্বাচনৰ সময়ত গুৱাহাটীত থাকিলে কোনো ধৰণৰ কিবা চেষ্টা চলাইছে বুলি কোনোৱে হয়তো সন্দেহ কৰিব পাৰে, তেনে আশঙ্কা কৰি কিছুদিন আগতেই যোৰহাটলৈ যাবলৈ ইচ্ছা প্ৰকাশ কৰিলে। উল্লেখযোগ্য যে ১৯৪৮, ১৯৫১ আৰু ১৯৫৪ চনত বহা কোনোখন ক'ৰ্ট-সভাতেই তেওঁ যোগ দিয়া নাছিল। ক'ৰ্টৰ সভালৈ চেঞ্চেলাৰে সভাপতিত্ব কৰিবলৈ আহে। তেনে সময়ত উপাচাৰ্যজন বিশ্ববিদ্যালয়ত নেথাকিলে অশোভনীয় হয়। যি কি নহওক, এই ধৰণে কথা-বার্তা হোৱাৰ ফলত গুৱাহাটীতে তেখেত থকাটো হ'লগৈ। কিন্তু এটা কথা স্পষ্টভাৱে জনালে যে তেখেতে আনৰ লগত সাঙোৰ খাই উপাচাৰ্য হ'ব নোখোজে। এনে কথাত আমাৰ কেইজনমানৰ বিশেষ চিন্তা হ'ল আৰু তেখেতৰ নামটো যাতে অকলে প্ৰস্তাৱিত হৈ যায় তাৰ বাবে কিছু যত্নপৰ হ'বলগীয়া হ'ল।

আন এটা কথা হ'ল যে তেওঁৰ নিযুক্তিৰ বাবেতো প্ৰস্তাৱ গ্ৰহণ হ'বই, কিন্তু যদি তাত তেখেতৰ সম্মতি থকা-নথকাৰ প্ৰশ্ন উঠে তেতিয়া কিবা আছুকাল হ'ব পাৰে বুলি ভাবি, কৈ-মেলি তেখেতৰ পৰা এখন সম্মতিসূচক পত্ৰ লৈ লগত ৰখা হ'ল। কিন্তু সভাত তেখেতে ইচ্ছা কৰা মতেই বিনা প্ৰতিদ্বন্দ্বিতাৰে মনোনয়ন লাভ কৰিলে।

তৃতীয়বাৰ উপাচাৰ্য নিৰ্বাচনৰ সময়তো ঠিক একে ধৰণৰে কথাই হৈছিল। সেইবাৰো সন্দিকৈ ক'ৰ্টৰ সভাত সৰ্বসম্মতিক্ৰমে একক মনোনয়ন লাভ কৰি উপাচাৰ্য নিযুক্ত হ'ল।

তৃতীয় তিনিবছৰীয়া কালছোৱা শেষ হৈ অহাত সন্দিকৈৰ মনত এটা বেলেগ ধৰণৰ প্ৰতিক্ৰিয়া হ'ল আৰু আমাক জানিবলৈ দিলে পুনৰ উপাচাৰ্য হ'বলৈ তেখেতৰ সমূলি ইচ্ছা নাই। এদিন হঠাতে বাগ্মীবৰ নীলমণি ফুকন ডাঙৰীয়া তেখেতৰ ওচৰলৈ আহিল আৰু সন্দিকৈ পুনৰ উপাচাৰ্য পতাৰ বিষয়ে উল্লেখ কৰোঁতেই সেই সম্বন্ধে তেখেতৰ লগত কথা হ'বলৈ বাধা দি আমাৰ লগতহে হ'বলৈ ক'লে। কথা সিমানতেই থাকিল।

তাৰ পিছত এদিন মানুহে যে তেখেতক পুনৰ উপাচাৰ্য হোৱাতো বিচাৰে সেইটো তেখেতক কোৱা হ'ল। সেই বিষয়ে মোক কোনো কথা উলিয়াবলৈ হাক দি মন্তব্য কৰিলে, "মানুহে ভাবিব এওঁ আৰু বেছিদিন থাকিলে ইয়াৰ পৰা নোযোৱাই হ'ব, যেন এখন ম্যাদি পট্টা লৈহে বহিল।" তেখেতে বিশ্ববিদ্যালয় এৰি যোৱাৰ বাবে এনে দৃঢ় সিদ্ধান্ত লৈ কিছু আগতিয়াকৈ আৱশ্যকীয় প্ৰস্তুতি চলালে। এদিন কাম কৰা নির্দিষ্ট সময়ত গৈ মই দেখিলো যে দুজন পিয়নে তেওঁৰ কিতাপ-পত্ৰবোৰ ঘৰৰ আগ বা�ৰাণ্ডাখনতে পেকিং বাকচত ভৰাই আছে। বেয়া দেখাকৈ সিহঁতে তাত সেই কামটো কিয় কৰি আছে বুলি সোধাত তেখেতে ক'লে, "মই যে এইবাৰ আচলতে যাবলৈ ওলাইছোঁ সেইটো মানুহে দেখক।"

সন্দিকৈয়ে বিশ্ববিদ্যালয়ৰ নীতি-নিয়ম সদায় ধার্মিক সততাৰে মানি চলিছিল আৰু কোনো সময়তে তাৰ হীন-দেঢ়ি নকৰিছিল। এবাৰ অসমৰ এজন বিশেষ প্ৰভাৱশালী লোকৰ ল'ৰা এজন শ্ৰেণীত নিয়মিতভাৱে উপস্থিত নথকাত 'ডিছকলেজিয়েট' হয়। কিন্তু তেওঁ সেইটো এটা বিশেষ টান কথা বুলি নেভাবি পুতেকে যাতে পৰীক্ষা দিব পাৰে তাৰ বাবে চেষ্টা চলালে। কথাটো কেনেবাকৈ সন্দিকৈৰ কৰ্ণগোচৰ হোৱাত তেখেতে আমাক ক'লে— "এজনে হেনো বৰকৈ ঘুৰা-পকা কৰিছে। চাব, সেই বিষয়ত যাতে কোনো অনিয়ম নহয়।" শেষত ছাত্ৰজনৰ পৰীক্ষা দিয়া নহ'ল।

ডঃ ৰাধাকৃষ্ণণ বিশ্ববিদ্যালয়ৰ শিক্ষা আয়োগৰ সভাপতি হিচাপে দ্বিতীয়বাৰ গুৱাহাটীলৈ আহি সন্দিকৈৰ আলহী হৈ থাকে। তেখেতক গুৱাহাটীৰ পৌৰসভাই সম্বৰ্দ্ধনা জনাবলৈ আয়োজন কৰিছিল। তালৈ সন্দিকৈকো নিমন্ত্ৰণ জনোৱা হৈছিল। প্ৰথমতে তেখেতে যোগ দিবলৈ মান্তি হোৱা নাছিল। কিন্তু তেখেতৰ আলহী ডঃ ৰাধাকৃষ্ণণৰ নিচিনা এজন লোকৰ সন্মানাৰ্থে পতা সভাত যোগ নিদিয়াটো অশোভনীয় হ'ব বুলি বৰকৈ কোৱাতহে তেখেতে তাত যোগ দিছিলগৈ।

উপাচাৰ্য হৈ থাকোঁতে ভাৰত চৰকাৰে সন্দিকৈক সন্মানজনক পদ্মশ্ৰী উপাধি প্ৰদান কৰে। সেই বিষয়ে তেখেতক জনোৱাত "এই বিলাকনো কি কথা" বুলি কৈ নির্বিকাৰ হৈ থাকে। যথা সময়ত ৰাষ্ট্ৰপতিৰ মিলিটাৰী

চেক্রেটাৰীয়ে এই সন্মান দিল্লীলৈ গৈ গ্রহণ কৰিবলৈ আমন্ত্রণ জনোৱাত তেখেততো নগ'লেই, আনকি কোনো প্রকাৰৰ উৎসাহো নেদেখুৱাই "এইবোৰনো কি লেঠা লগাই থাকে" বুলি কৈ থ'লে। কাজেই গ্রহণ কৰিবলগীয়া মান-পত্রাদি নিয়ম অনুসৰি ৰাজ্য চৰকাৰলৈ পঠিয়াই দিলে। মই এবাৰ ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সভাৰ পৰা ঘূৰি আহোঁতে সন্দিকৈক লগ ধৰি নানা বিষয়ৰ কথা-বতৰা পাতিছিলোঁ। প্রসঙ্গক্রমে তেখেতে জানিবলৈ দিছিল যে অসম চৰকাৰৰ এজন উচ্চপদস্থ বিষয়াই উপাধিৰ মান-পত্রাদি তেখেতক ঘৰতে দি থৈ গৈছিল।

কৃষি আৰু চিকিৎসা বিভাগৰ ফেকালটিৰ সভাপতিৰ বিষয়টো লৈ এটি অসুবিধাৰ সৃষ্টি হৈছিল। বিশ্ববিদ্যালয়ৰ আইন মতে কৃষি আৰু চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষসকলে নির্বাচিত ডীন হিচাপে ফেকালটিৰ সভাত পৌৰোহিত্য কৰিব লাগে। কৃষি আৰু চিকিৎসা বিভাগৰ সঞ্চালক দুজনো সেই সভাৰ সদস্য। কিন্তু সঞ্চালকসকলৰ পদ-মর্য্যাদা কলেজৰ অধ্যক্ষসকলৰ ওপৰত সেই বাবে তেওঁলোকৰ এটি অভিমানসূচক আপত্তি হোৱাটো স্বাভাৰিক। কথাটো সন্দিকৈৰ কাণত পেলোৱাত তেখেতে এনে ধৰণে সমিধান দিলে, "যদি তেওঁলোকে বিশেষ বেয়া পায় তেন্তে তেওঁলোক দেখোন সভালৈ নহাকৈও থাকিব পাৰে।"

সন্দিকৈৰ বাসভৱনটোৰ সম্পর্কত এবাৰ এটি সমস্যা উপস্থিত হৈছিল। কটন কলেজৰ ছাত্রাবাসৰ কিছুমান ছাত্রৰ লগত ঝুলন যাত্রাৰ সময়ত ফাঁচীবজাৰত কিবা এটা গোলমাল লাগে। তেতিয়া কলেজৰ অধ্যক্ষগৰাকী আন ঠাইত নিজৰ ঘৰত আছিল। অধ্যক্ষজন হোষ্টেলৰ মুখ্য চুপাৰিনটেণ্ডেণ্টো। তেখেত দূ�ৰত থকাত বোধহয় ছাত্রাবাসৰ শৃংখলা ৰক্ষাৰ কামত বাধা জন্মে বুলি ভাবি ঘৰটো যথাসম্ভৱ সোনকালে কটন কলেজৰ অধ্যক্ষক খালী কৰি দিয়া বিষয়ে তেতিয়াৰ শিক্ষা সচিবজনৰ পৰা এখন চিঠি আহে। এই কথাত সন্দিকৈয়ে স্বাভাৰিকতে বেজাৰ পালে আৰু অভিমানসূচকভাৱে ক'লে— "থকা ঘৰৰ অভাৱত মইতো গুৱাহাটীলৈ অহা নাছিলোঁ! ঘৰ এটাৰ সম্পর্কত এনেকুৱা কথা অশোভনীয় আৰু বিৰক্তিজনক!" এনেকুৱা এটা পৰিস্থিতি হোৱাত আমিও বেজাৰ পাইছিলোঁ আৰু তেখেতৰ মনৰ অভিমানসূচক প্রতিক্রিয়া পাতলাবলৈ চেষ্টা কৰিছিলোঁ।

সেই সময়ৰ শিক্ষামন্ত্রী লোকনায়ক অমিয়কুমাৰ দাস সন্দিকৈৰ সহপাঠী বন্ধু আছিল। কেইদিনমানৰ পিছত তেওঁ সন্দিকৈৰ ঘৰলৈ আহে। তেতিয়া মই তেখেতৰ লগত অফিচৰ কাম কৰি আছিলোঁ। দুয়োৰে কিছু কথা হোৱাৰ পিছতেই সন্দিকৈয়ে ক'লে, "হেৰা অমিয়, মই ইয়াত থকাত যদি তোমালোকৰ বিশেষ অসুবিধা হৈছে, কোৱা। চুটকেচটো আৰু বিছনাখন লৈ গুচি যাবলৈ মোৰ বেছি সময় নালাগিব।" খুব সম্ভৱ শিক্ষামন্ত্রীয়ে আগধৰি এই কথাৰ বিষয়ে একো নেজানিছিল। কথাটো জানি তেওঁ অস্বস্তি বোধ কৰিলে আৰু এই বিষয়ে বেয়া ভাব এৰি পেলাবলৈ সন্দিকৈক অনুৰোধ কৰিলে। এনেতে অলপ পৰ পিছত শিক্ষামন্ত্রী যাবলৈ ওলাই আহিল আৰু ময়ো তেওঁৰ লগতে ওলাই আহি ক'লোঁ, "এনেকুৱা ধৰণৰ চিঠি পুনৰ আহিব লাগিলে তেখেতক ইয়াত ৰখাটো টান হ'ব। গতিকে সেইটো আপুনি একেবাৰে বন্ধ কৰি দিয়ে যেন।" তাৰ পিছত অৱশ্যে তেনেকুৱা কোনো চিঠি নহাত কথা সিমানতে অন্ত পৰিল।

এই প্রসংগতে উল্লেখ কৰিব পাৰি যে প্রথম ৰেজিষ্ট্রাৰ ফণীধৰ দত্ত ডাঙৰীয়াকো কটন কলেজৰ হোষ্টেল চুপাৰিনণ্টেণ্ডেণ্টৰ ঘৰ এটাত থাকিবলৈ দিয়া হৈছিল। চৰকাৰে দত্তকো ঘৰটো খালী কৰা বিষয়ত দুখনো চিঠি দিয়াত সন্দিকৈয়ে বেজাৰ পাই কৈছিল— "থকা ঘৰৰ বাবে ইমানবোৰ লটি-ঘটি হোৱাতকৈ আমাৰ এটা নিজা ঘৰ হ'ব লাগে।" সেই মর্মে কটন কলেজৰ অধ্যক্ষৰ বাসভৱনৰ চৌহদতে ভাল ধৰণৰ ঘৰ এটা সজা হ'ল আৰু তাতেই দত্ত থাকিবলৈ ল'লে।

আৰম্ভণিতে বিশ্ববিদ্যালয়ৰ পদার্থ বিজ্ঞান বিভাগ এটা খোলাৰ বাবে এজন অধ্যাপক নিযুক্তি দিব লগা হৈছিল। প্রার্থীসকলৰ ভিতৰত দীর্ঘ অভিজ্ঞতা আৰু উচ্চ শিক্ষাগত অর্হতা থকা এজন স্থানীয় লোকো আছিল। খ্যাতনামা বৈজ্ঞানিক নবেল বঁটা বিজয়ী ছাৰ চি.ভি. ৰমণ আছিল বাছনি কমিটিৰ বিশেষজ্ঞ সদস্য। মনোনয়ন তালিকা এখন কৰাৰ বাবে আবেদন-পত্রখনি তেওঁলৈ পঠোৱা হ'ল। কম অভিজ্ঞতা আৰু অর্হতা থকা প্রার্থী এজনক প্রথম মনোনয়ন দি তেওঁ ফাইলটো ঘূৰাই পঠালে। সন্দিকৈৰ কথাটো মুঠেই মনঃপুত নহ'ল। "এনেকুৱা লোক এজন যদি লেক্চাৰাৰ পদ এটাৰ বাবেও উপযুক্ত নহয় সেইটো কেনে কথা হ'ব" বুলি মন্তব্য কৰিলে। "ৰমণৰ মতটো এজন সদস্যৰহে মত" বুলি কৈ বাছনি কমিটিত স্থানীয় প্রার্থীজনকে মনোনয়ন দি নিযুক্তি দিয়া হ'ল।

ডঃ বাণীকান্ত কাকতিৰ আকস্মিক মৃত্যুত বিশ্ববিদ্যালয়ৰ অপূৰণীয় ক্ষতিৰ পিছতেই অসমীয়া বিভাগত এজন মুৰব্বী অধ্যাপক নিযুক্তি সংক্রান্তত কেইজনমান প্রার্থীৰ পৰা আবেদন-পত্র আহিল। সন্দিকৈয়ে কিছু অসুবিধা পাই ক'লে যে যদি পণ্ডিত কালিৰাম মেধিৰ দৰে এজন লোকক বাছনি সমিতিৰ বিশেষজ্ঞ সদস্য হিচাপে ল'ব পৰা হয়, তেন্তে এটা উচিত সিদ্ধান্ত লোৱাত সহজ হ'ব। মেধি ডাঙৰীয়াক বাছনি সমিতিলৈ অনা হ'ল আৰু তেখেতৰ সমর্থনতে অসমীয়া বিভাগৰ ৰিডাৰ ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাক মুৰব্বী অধ্যাপক পদত নিযুক্তি দিয়া হ'ল।

ইয়াতে উল্লেখ কৰিব পাৰি যে ডঃ কাকতিৰ মৃত্যুৰ দুঃসংবাদটো পাই সন্দিকৈ বিশেষভাৱে দুখিত হৈছিল আৰু কাকতিদেৱৰ বাসভৱনলৈ গৈ শেষ শ্রদ্ধা জনাই আহিছিল। পিছত মই তেখেতৰ তালৈ যোৱাত কাকতিনো কি হৈ ঢুকাল সেই বিষয়ে মোক সুধিলে। মই ঘটনাৰ সবিশেষ জনাই ডঃ কাকতি প্রাতঃভ্রমণৰ পৰা আহি মূৰটো ঘূৰাই পৰি যোৱা বুলি কোৱাত তেখেতে নিজৰ মূৰটো পিঠিফালে বেঁকা কৰি ভঙ্গিমা দেখুৱাই ক'লে, "মূৰটোৱেই আচল কথা। যদি সেইটোৱেই পৰি গ'ল তেন্তে আৰু কি থাকিল?"

অসমৰ বেচৰকাৰী কলেজসমূহৰ পৰিচালনা আদি বিষয়ে কোনো নিয়ম নাছিল। চৰকাৰে সেই বিষয়ে প্রস্তুত কৰা এখন নিয়মাৱলী শিক্ষা বিভাগৰ এজন উচ্চ পদস্থ বিষয়াই আলোচনাৰ বাবে সন্দিকৈৰ ওচৰলৈ লৈ আহে। কলেজসমূহৰ গুৰুত্ব আৰু মর্য্যাদা অক্ষুণ্ণ থকাটো আৱশ্যক বাবে নিয়মাৱলীখন গ্রহণযোগ্য বুলি বিবেচনা নকৰি তেখেতে এইদৰে মন্তব্য কৰিলে, "কলেজবোৰকতো পাঠশালা স্কুলৰ দৰে কৰিব নোৱাৰি।" এনে পৰিস্থিতিত সেই নিয়মাৱলীখনৰ কোনো কার্যকৰী ব্যৱস্থা লোৱা নহ'ল।

সন্দিকৈৰ সময়ত বিশ্ববিদ্যালয়ৰ কার্যালয় আছিল কটন কলেজৰ হোষ্টেলৰ চৌহদত, দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বন্ধা মিলিটাৰী-অপাৰেছন থিয়েটাৰটোত। ঠাই বৰ কম বাবে তাত বিশেষ অসুবিধাৰ মাজেদি কাম চলাই থকা হৈছিল। সন্দিকৈ মাত্র এদিন সেই কার্যালয়লৈ আহি কেইটামান কোঠাৰ ভিতৰলৈ সোমায়েই ওলাই আহিছিল। কার্যালয়ৰ তেনে অৱস্থাৰ বাবে তেখেতে বেজাৰ কৰিছিল আৰু সোনকালে কি ভাল ব্যৱস্থা হ'ব পাৰে তাৰ বিষয়ে চিন্তা কৰিছিল।

জালুকবাৰীৰ চৌহদত ঘৰ-দুৱাৰ নির্মাণৰ কাম বহুখিনি আগ বঢ়াত তালৈ কার্যালয় আৰু ছাত্রাবাসসমূহ লৈ যাবৰ বাবে কোনো কোনোৱে বিশেষ আগ্রহ দেখুওৱাত সেইবোৰ ভালদৰে ঠিক হৈছে নে নাই চাই আহি তেখেতক জনাবলৈ দিয়ে। তাৰ পিছত এদিন নিজেও গৈ সকলো চাই-চিতি সন্তুষ্ট হোৱা যেন দেখা গৈছিল। কিন্তু কেইটামান ঘৰৰ কিছুমান

ব্যৱস্থা কিছু বেছি ধৰণৰ হোৱা বুলি তেখেতে মত পোষণ কৰিছিল।

এবাৰ অসমৰ ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ আচার্য ফজল আলি ডাঙৰীয়াই জালুকবাৰীৰ চৌহদ পৰিদর্শন কৰিবলৈ ইচ্ছা কৰি সেই বিষয়ে সন্দিকৈলৈ খবৰ দিলে। প্ৰথমতে তেওঁ একো মতামত দিয়া নাছিল। কিন্তু সময়ৰ মুৰত যাবলৈ অনিচ্ছা প্ৰকাশ কৰি "আপোনালোক গ'লেই হ'ব" বুলি কৈ ঘৰতে থাকিল।

এদিনাখন ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ কাপুৰে সন্দিকৈক নিজৰ অনুষ্ঠানৰ কিবা এটা উৎসৱত পৌৰোহিত্য কৰাৰ বাবে টানি অনুৰোধ কৰে। লগতে ক'লে যে আকাশীজাহাজেৰে যোৱাৰ বাট্ত কাজিৰঙা অভয়াৰণ্যত থকা গঁড়বিলাকো ভালকৈ দেখা পোৱা যাব। কিন্তু সন্দিকৈৰ পৰা সন্মতি নাপাই তেওঁ উভতি গ'ল। পিছ দিনাখন পঞ্জাবী অধ্যক্ষই তেখেতক প্ৰলোভন দেখুৱাই ডিব্ৰুগড়লৈ নিয়াৰ চেষ্টা কৰিছিল বুলি মোৰ আগত গৈ তেখেতে মন্তব্য কৰে, "গঁড়ৰ থকা বাইত গঁড় থাকে, আমাৰ থকা ঠাইত আমি থাকোঁ। সেইবোৰনো চাই যুৰ এটা কি কথা!"

নবীন পিতৃ ৰাধাকান্ত সন্দিকৈৰ সুযোগ্য সন্তান হিচাপে সন্দিকৈয়ো কন্যতা গুণৰ অধিকাৰী আছিল। উপাচার্য হৈ থকা সময়খিনিত তেখেতে বিভিন্ন ঠাইৰ বহুতো দুখীয়া ছাত্ৰক পৰীক্ষাৰ মাচুল আদি দি সহায় কৰিছিল। অফিচৰ সহায়ক এজনৰ দ্বাৰা তেখেতে এনে ধৰণৰ কাম-কাজখিনি কৰাইছিল। সেই সহায়কজনৰ কঠিন নৰীয়া হোৱা জানি তেখেতে বৰ দুখ পাইছিল আৰু চিকিৎসাৰ বাবে ভেলোৰলৈ যাবৰ সময়ত ভালদৰে আর্থিক সহায় আগবঢ়াইছিল। তদুপৰি বিভিন্ন কাৰণত মাজে-সময়ে আন অনেক লোককো তেখেতে মুক্তহস্তে সহায় কৰি উপকৃত কৰিছিল। কার্যকাল শেষ কৰি যোৱাৰ পিছত যোৰহাটৰ পৰা তেখেতৰ বাসভৱনত কাম কৰা পিয়ন, চকিদাৰ আৰু মালী আদিৰ মাজত ভগাই দিয়াৰ বাবেও তালেখিনি টকা পঠিয়াই দিছিল। সন্দিকৈৰ সহৃদয়তা আৰু বদান্যতাৰ বিষয়ে লেখিলে প্ৰবন্ধ বৰ দীঘলীয়া হ'ব।

সন্মান, সুখ্যাতি আৰু দক্ষতা সহকাৰে নবছৰ কাল নতুন বিশ্ববিদ্যালয় এখনৰ উপাচার্যৰ গধুৰ দায়িত্ব বহন কৰি, কার্যকাল শেষ হোৱাৰ লগে লগে নীৰৱে ঘৰলৈ উভতি গৈ স্বাভাৱিক অধ্যয়নকাৰী জীৱন তেখেতে কটাবলৈ ধৰে। যোৱাৰ সময়ত এখন বিদায়-সভা আয়োজন কৰাৰ বাবেও তেখেতে আমাক এক দুর্লভ সুযোগ নিদিলে।

তেখেত যোৱাৰ পিছলৈকে আমাৰ মাজত চিঠি-পত্ৰ বিনিময় হৈ আছিল। সেইবোৰত বিশ্ববিদ্যালয়ৰ নানা বিষয়, ঘৰুৱা কথা আৰু জনদিয়েক লোকৰ কথা, বিশেষকৈ তেখেতৰ সহপাঠী বন্ধু অধ্যাপক ৰাধাকান্ত দাসৰ কথা সুধিছিল।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে তেখেতৰ বিশ্বসমাদ্রিত আৰু গভীৰ পাণ্ডিত্যপূর্ণ "Yasastiiaka And Indian Culture" নামৰ গ্ৰন্থখনি ১২/৫/৭১ তাৰিখে স্বহস্তে 'Presented to Sri C. Das with the kindest remembrance' বুলি লেখি মোলৈ পঠাই দি মোক সুখী আৰু চিৰদিন ঋণী কৰি ৰাখে।

সন্দিকৈ ডাঙৰীয়াই অসমৰ প্ৰথম বিশ্ববিদ্যালয়খনৰ দৃঢ় ভেটি স্থাপন কৰাত অসমৰ ৰাইজ, বিশ্ববিদ্যালয়ৰ বিষয়া আৰু কর্মচাৰীসকল, বিশ্ববিদ্যালয় আৰু কটন কলেজৰ কেইগৰাকীমান জ্যেষ্ঠ আৰু সন্মানিত অধ্যাপক, ডঃ বাণীকান্ত কাকতি, লোকবন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱা, শৰৎকুমাৰ দত্ত, ফণীধৰ দত্ত, ডঃ সূর্যকুমাৰ ভূঞা, কবি শৈলধৰ ৰাজখোৱা প্ৰমুখ্যে লোকসকলৰ সহায় আৰু সক্ৰিয় সহযোগ উল্লেখনীয়।

তদুপৰি সন্দিকৈয়ে বিশ্ববিদ্যালয়ৰ সকলো বিষয়তে নিঃস্বার্থভাৱে সু-সিদ্ধান্ত লৈছিল বাবে বিশ্ববিদ্যালয়ৰ আইনৰ অন্তর্গত বিভিন্ন কর্তৃপক্ষৰ সহযোগ আৰু সমর্থন লাভ কৰাত বিশ্ববিদ্যালয়ৰ কাজ-কামৰ দ্রুতভাৱে অগ্রগতি হৈছিল।

সন্দিকৈৰ নিচিনা এজন বিশিষ্ট পণ্ডিত আৰু মহান ব্যক্তিত্বসম্পন্ন লোকৰ নিকট সান্নিধ্যত ন বছৰকাল থাকি আৰু বিশেষ আস্থাভাজন হৈ বিশ্ববিদ্যালয়ৰ কাম-কাজ কৰি কর্মসুখ লাভৰ উপৰিও মই তেখেতৰ মহানুভৱতাৰ প্ৰতি অহৰহ আকৃষ্ট হৈছিলোঁ। সেই কেইটা মোৰ জীৱনৰ চিৰস্মৰণীয় বছৰ। তাৰ বাবে মই সদায় ধন্য হৈ আছোঁ। জীৱনৰ অন্তিম কাললৈকে মই তেখেতক স্মৰণ কৰি থাকিম।*

** উপৰোক্ত কথাবোৰ ঘাইকৈ স্মৃতিভিত্তিক হোৱা বাবে সম্ভাব্য ত্রুটি-বিচ্যুতি মার্জনীয়। —লেখক।*

(লেখাটি কৃষ্ণকান্ত সন্দিকৈ স্মাৰক শিক্ষা সমিতিয়ে ১৯৮৮ চনৰ ছেপ্টেম্বৰ মাহত প্ৰকাশ কৰা "কৃষ্ণকান্ত সন্দিকৈ ব্যক্তিত্ব আৰু প্ৰতিভা" গ্ৰন্থৰ পৰা পুনৰ মুদ্রণ কৰা হৈছে। আখৰ-জোঁটনিত কোনোধৰণৰ হাত দিয়া হোৱা নাই।)

সন্দিকৈয়ে নিজৰ পুথিভঁৰালটো গুৱাহাটী বিশ্ববিদ্যালয়লৈ দান কৰা সম্পর্কত শ্ৰীচিদানন্দ দাসলৈ হাতে লেখা চিঠিৰ প্ৰতিলিপি ঃ

Jorhat
27.3.67

My dear Das,

I was thinking of writing to you about an important matter when I received your letter of felicitations. For some time past I have been making various promises for disposal of my properties after my death, and I have also taken out another insurance policy for payment of estate duty. I wish now to bequeath my Library containing rare and valuable books in ten languages besides English to the Unviersity on the following conditions.

1) The University will remove the books within a month of my death.

2) The books will be kept in the University Library in a separate collection to be named after me.

3) The books of this collection shall not be lent out but will be available for study and reference in the premises of the University Library.

I have not counted the number of books, but the total space occupied will be equivalent to more than forty medium-sized almirahs.

Please consult the authorities concerned, and if the gifts acceptable on the above conditions, please move the Executive council to pass an appropriate resolution incorporating the three conditions. A certified copy of the resolution may be sent to me in due course.

I am sory to learn that you are not in the best of health, and hope you will soon be back to normal. I hope you are taking proper medical advice which is happily now available at Gauhati.

I am keeping well these days and hope to send my book to the press sometime this year.

Hope this will find you in the best of health & spirits.

With best wishes

Yours sincerely
K K. Handiqui

গুৱাহাটী বিশ্ববিদ্যালয়ৰ সিদ্ধান্ত ঃ

Copy of Resolution No. 3/57/67 of the Executive Council held on 18.4.1967.

Read a note from the Registrar Sri C. Das stating that Dr. K.K. Handiqui, Ex-Vice-Chancellor, Gauhati University, has intimated his desire by a letter dated 27.3.67 addressed to him personally to bequeath his library containing rare and valuable books in ten languages besides English to the University on the following conditions:

1) The University will remove the books within a month of my death.


2) The books will be kept in the University Library in a separate collection to be named after him.

3) The books of this collection shall not be lent out but will be available for study and reference in the premises of the University Library.

RESOLVED that the generous gift be accepted with thanks and gratitude on the above conditions. The Executive Council considers it a unique gesture of good will on the part of Dr. Handiqui to the University and puts on record its sincere appreciation of the valuable gift.

RESOLVED ALSO that the Librarian be asked to take necessary action under the conditions laid down in 2 and 3 above.

RESOLVED FURTHER that a copy of this Resolution be forwarded to Dr. K. K. Handiqui for his kind information.



গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম দীক্ষান্ত সমাৰোহ (৩ ফেব্রুৱাৰি, ১৯৫১)ত কৃষ্ণকান্ত সন্দিকৈ আৰু সৰ্বপল্লী ৰাধাকৃষ্ণণ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুনিয়াদ আৰু স্বৰ্গীয় ফণীধৰ দত্ত

বিশ্বজিৎ কাকতি

বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয় ভাৰতবৰ্ষৰ অন্যান্য বিশ্ববিদ্যালয় সমূহৰ ভিতৰে এখন বৈশিষ্ট্যপূৰ্ণ লেখতলবলগীয়া বিশ্ববিদ্যালয়। উত্তৰ-পূৰাঞ্চলৰ উচ্চ-শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ এই বিশ্ববিদ্যালয়, য'ত আজি হাজাৰ গছি জ্ঞান বন্তিৰ প্ৰজ্বলিত প্ৰতিভাই লুইতৰ পাৰ জিলিকাই আছে।

অদ্বিতীয় ৰাইজৰ দান-বৰঙণি আৰু শ্ৰমেৰে প্ৰতিষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয় ইতিহাসলৈ পিছুৱাই চালে বিশ্ববিদ্যালয়ৰ মানসপটত জিলিকি উঠা স্বৰ্গীয় লোকপ্ৰিয় গোপীনাথ বৰদলৈ, স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈ আৰু অন্যান্য বৰেণ্য মহাপুৰুষ সকলৰ ভিতৰতে স্বৰ্গীয় ফণীধৰ দত্ত দেৱৰ ছবি এখনো আমাৰ আগত ভাহি উঠে। আমাৰ নিবন্ধটিত বিশ্ববিদ্যালয়ৰ বুনিয়াদৰ লগতে স্বৰ্গীয় ফণীধৰ দত্তৰ বিষয়ে চমুকৈ আলচ কৰিব বিচৰা হৈছে।

১৯১৭ চনৰে পৰা অসমৰ জনসাধাৰণে অসমত উচ্চ শিক্ষাৰ অধ্যয়নৰ বাবে এখনি বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে এখনি শীতল যুদ্ধ চলাই আহিছিল। কিন্তু দেশ স্বাধীন হোৱাতহে ই বহিঃপ্ৰকাশ ঘটিছিল। ফলস্বৰূপে দেশ স্বাধীন হোৱাৰ এমাহৰ ভিতৰত তথা ১৯৪৭ চনৰ ১৩ ছেপ্টেম্বৰ তাৰিখে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী। (সেই সময়ত প্ৰধানমন্ত্ৰী) স্বৰ্গীয় লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে ১৯৪৭ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় শাসন বিধি' সদনত গ্ৰহণ কৰায় আৰু বিশ্ববিদ্যালয় প্ৰতিষ্ঠা নিশ্চিত কৰে। বিশ্ববিদ্যালয়ৰ ঘৰ-দুৱাৰ, ভূমি তথা অন্যান্য প্ৰয়োজনীয় বিষয় সমূহত বিশেষ আলোকপাত নকৰি বৰদলৈদেৱে ১৯৪৭ চনৰ ২৬ ডিচেম্বৰ তাৰিখে ফণীধৰ দত্তদেৱক বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ দায়িত্ব দিয়ে। উল্লেখযোগ্য যে উক্ত দিনা জৰ্জ ফিল্ডত 'প্ৰধানমন্ত্ৰী একাদশ' আৰু 'ৰাজ্যপাল একাদশ'ৰ মাজত অনুষ্ঠিত ক্ৰিকেট খেলতেই বৰদলৈদেৱে ফণীধৰ দত্তক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্টাৰ নিযুক্তি ঘোষণা কৰি বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰিবলৈ আদেশ দিয়ে। কটন কলেজৰ গণিত বিভাগৰ অধ্যাপক ফণীধৰ দত্তই বৰদলৈদেৱৰ আদেশ শিৰোধাৰ্য কৰি বিশ্ববিদ্যালয়ৰ কামত আগবাঢ়িল।

কটন কলেজৰ নতুন ছাত্ৰাবাসৰ কাষতে থকা মিলিটাৰীয়ে যুদ্ধৰ কাৰণে সজা সামান্য গুদাম ঘৰটিক লৈ ফণীধৰ দত্তই বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰিবলৈ স্থিৰ কৰিলে। উল্লেখযোগ্য যে গুৱাহাটীৰ ৰূপায়ণ চিনেমাহলৰ কাষতে থকা এজন বঙালী কাঠ মিস্ত্ৰীয়ে দিয়া এখন মেজ, এটা আলমাৰী আৰু দুখন চকী, লয়াৰ্চ বুক ষ্টলৰ পৰা দিয়া কাগজ-কলমেৰে ১৯৪৮ চনৰ এক জানুৱাৰী তাৰিখে অনাড়ম্বৰ ভাবে দত্তই বিশ্ববিদ্যালয়ৰ শুভাৰম্ভ কৰে।

১৯৪৮ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে কৃষ্ণকান্ত সন্দিকৈ দেৱে। প্ৰায় ডেৰমাহ মাহ কাল দত্তই বিশ্ববিদ্যালয়ৰ একমাত্ৰ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰে। বৰদলৈদেৱৰ মতে জনসাধাৰণক খুৱাবৰ আৰু পিন্ধাবৰ কাৰণে যিদৰে স্বাৰ্থত্যাগী নেতৃত্বৰ প্ৰয়োজন সেইদৰে জনসাধাৰণক সেৱা কৰিবৰ কাৰণে স্বাৰ্থত্যাগী নেতৃত্বৰ প্ৰয়োজন; সেয়েহে বিশ্ববিদ্যালয়ৰ কাৰণে স্বাৰ্থত্যাগী ব্যক্তি হিচাপে বৰদলৈদেৱে ফণীধৰ দত্ত আৰু সন্দিকৈ দেৱক বিচাৰি আনিছিল। অসমৰ প্ৰথম বেচৰকাৰী কলেজ যোৰহাট কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপক সকলৰ ভিতৰৰে অন্যতম আছিল ফণীধৰ দত্ত। বিনা দৰমহাৰে কলেজৰ অধ্যাপনা কৰি হালৰ মুঠিত ধৰি নিজৰ ভাত মোকোলাইছিল দত্তই।

ফণীধৰ দত্তই বিশ্ববিদ্যালয়ৰ কাৰ্যভাৰ গ্ৰহণ কৰি আন্তৰিকতা, আত্মবিশ্বাস আৰু সাহসেৰে কামত আগবাঢ়ি গ'ল। তেওঁ এনেভাবে নিজকে বিশ্ববিদ্যালয়ত আত্মনিয়োগ কৰিলে যে এবছৰৰ ভিতৰতে বিশ্ববিদ্যালয়ৰ পৰীক্ষা সমূহ অনুষ্ঠিত কৰিবলৈ সাহস কৰিলে। তেওঁ কলিকতালৈ গৈ অসমত মেট্ৰিক, ইণ্টাৰমেডিয়েট আদি পৰীক্ষা সমূহ পতাৰ সকলো আলোচনা কৰি আহিল আৰু ১৯৪৮ চনতে সকলোপৰীক্ষা সুচাৰুৰূপে সমাধা কৰিলে। তেখেতৰ আন্তৰিকতা আৰু একাগ্ৰতাক প্ৰশংসা কৰি তেতিয়াৰ কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পি. এন. বেনাৰ্জী ডাঙৰীয়াই মালা পিন্ধাই বিজয়ক সম্মান জনালে। দত্তৰ এনেবোৰ কৃতকাৰ্যতাৰ গুৰিতে আছিল তেখেতৰ তীক্ষ্ণ বুদ্ধি আৰু একাগ্ৰতাৰে লাগি থাকিব পৰা গুণ। কলিকতা বিশ্ববিদ্যালয়ৰ বিষয়াসকলৰ লগত থকা তেখেতৰ সৌহাৰ্দ্যপূৰ্ণ মহান ব্যক্তিত্বইও ইয়াত অৱিহণা যোগাইছিল।

সন্দিকৈদেৱে বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা আৰু পবিত্ৰতা ৰক্ষা কৰিবলৈ সদায় চেষ্টা কৰিছিল। তেওঁ কোনো মন্ত্ৰী, বিধায়কে আহি বিশ্ববিদ্যালয়ৰ কামত হস্তক্ষেপ কৰাটো নিবিচাৰিছিল। ৰাজনীতিৰ পৰা বিশ্ববিদ্যালয়ৰ সদায় নিলগত থকাটো কামনা কৰিছিল। ৰাজনীতিৰ দূষিত বতাহে যেন বিশ্ববিদ্যালয়ক দূষিত নকৰে তালৈ লক্ষ্য ৰাখি তেওঁ উপাচাৰ্য্য পদ গ্ৰহণ কৰি চুক্তি কৰি লৈছিল যে কোনো এম. এল. এ. তথা মন্ত্ৰী আহি তেওঁক পৰামৰ্শ দিব নোৱাৰিব। ফলস্বৰূপে মুখ্যমন্ত্ৰী বৰদলৈদেৱ বহুবাৰ সন্দিকৈ ডাঙৰীয়াক লগ ধৰিবলৈ আহি উলটি যাব লগা হৈছিল। কিন্তু বিশ্ববিদ্যালয়ৰ এই পবিত্ৰতা পিছৰ শিক্ষামন্ত্ৰী দেৱেশ্বৰ শৰ্মা আৰু দেৱকান্ত বৰুৱাই বিশ্ববিদ্যালয়ৰ মাজ মজিয়াত প্ৰৱেশ কৰাৰ সুবিধা প্ৰদান কৰি পবিত্ৰতা নষ্ট কৰিছিল।

ফণীধৰ দত্তই ৰেজিষ্টাৰ পদৰ দায়িত্ব বহন কৰি ঘাইকৈ অসমৰ স্কুল-কলেজ বিলাকত মেট্ৰিক, ইণ্টাৰমেডিয়েট আদি পৰীক্ষাসমূহ শৃঙ্খলাবদ্ধ ভাবে পৰিচালনা কৰা, বিশ্ববিদ্যালয়ৰ তত্ত্বাৱধানত এম.এ. মহলাৰ গৱেষণা পৰ্যায়ৰ শিক্ষাদানৰ ব্যৱস্থা, স্থায়ী গৃহ নিৰ্মাণ কৰা আৰু বৰদলৈদেৱে আশা কৰাৰ দৰে অসমৰ গাঁৱে-ভূঞে শিক্ষাৰ সম্প্ৰসাৰণ কৰা তথা কাৰিকৰী শিক্ষাৰ ব্যৱস্থা আদি কামবোৰক প্ৰাধান্য দিছিল।

অসমৰ প্ৰথম বেচৰকাৰী কলেজৰ অন্যতম প্ৰতিষ্ঠাপক দত্তই অসমৰ গাঁৱে-ভূঞে বেচৰকাৰী কলেজ প্ৰতিষ্ঠিত হোৱাটো বিচাৰিছিল। কিয়নো ইয়াৰ সহায়ত যাতে গাঁৱৰ দুখীয়া ল'ৰা-ছোৱালীয়ে সহজে উচ্চ শিক্ষা গ্ৰহণ কৰিব পাৰে। সেয়েহে বেচৰকাৰী কলেজ প্ৰতিষ্ঠা কৰিবলৈ অহা লোকক তেওঁ উৎসাহ প্ৰদান কৰিছিল আৰু বিশ্ববিদ্যালয়ৰ স্বীকৃতি দিয়াত পলম নকৰিছিল। শিক্ষা জগতৰ স্বাধীনতাত তেখেতৰ গভীৰ বিশ্বাস আছিল। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষানুষ্ঠানৰ অধিকাৰক তেওঁ অতি পবিত্ৰ বুলি জ্ঞান কৰিছিল। কিন্তু সেই সময়ত অসমত বেচৰকাৰী কলেজ প্ৰতিষ্ঠা হোৱাত বহুতে সন্দেহ প্ৰকাশ কৰিছিল। তেওঁলোকে ভাবিছিল যে অধিক কলেজ প্ৰতিষ্ঠা হ'লে শিক্ষাৰ মানদণ্ড নিম্নগামী হ'ব। ইয়াৰোপৰি নিবনুৱা সংখ্যা বৃদ্ধি আৰু অধিক কলেজ বিশ্ববিদ্যালয়ৰ নিয়ন্ত্ৰণত ৰখা কঠিন হ'ব। কিন্তু এনেবোৰ যুক্তিলৈ কাণ নিদি তেওঁ বেচৰকাৰী কলেজ প্ৰতিষ্ঠাতা সকলক উৎসাহ দিছিল। শিক্ষাৰ স্বতন্ত্ৰতাত বিশেষ গুৰুত্ব আৰোপ কৰি কলেজ বিলাকৰ প্ৰশাসন, শিক্ষা-ব্যৱস্থা আদি বিষয়ত বিশ্ববিদ্যালয়ে

হেতা-ওপৰা কৰাটো নিবিচাৰিছিল।

১৯৪৯ চনৰ পৰা বিশ্ববিদ্যালয়ত এম.এ. মহলাৰ শিক্ষাদানৰ ব্যৱস্থা কৰে। প্ৰথমে বিশ্ববিদ্যালয়ৰ শ্ৰেণী সমূহৰ সংগঠক আছিল শৰৎ কুমাৰ দত্ত। কিন্তু তেখেতে কিছুদিন কাম চলোৱাৰ পিছত বিৰিঞ্চি কুমাৰ বৰুৱাই বিশ্ববিদ্যালয়ৰ শ্ৰেণী সমূহৰ কাৰ্যভাৰ গ্ৰহণ কৰে। পৰীক্ষা বিলাকৰ সকলো দায়িত্ব বহন কৰিছিল ৰেজিষ্টাৰ ফণীধৰ দত্তই। পৰীক্ষাৰ দিন ধাৰ্য্য কৰাৰ পৰা আৰম্ভ কৰি কোনে কি প্ৰশ্ন কাকত ৰচিব, প্ৰশ্ন কাকত বিভিন্ন স্থানলৈ বিতৰণ, পৰীক্ষাৰ বহী সমূহ পৰীক্ষণৰ দায়িত্ব বিতৰণ আদি কামবোৰ তেখেতে অতি সুচাৰুৰূপে আৰু সতৰ্কতাৰে পালন কৰিছিল। এই বিলাক কাৰ্য্যত তেখেতক কেইগৰাকীমান অতি বিশ্বাসী বিষয়া আৰু সহায়কে সদায় সহায় কৰিছিল যদিও পৰীক্ষাৰ কামবিলাক সময়মতে সুচাৰুৰূপে সমাধা কৰিবলৈ তেখেতে দিনে-নিশাই খাটিব লাগিছিল। বিশ্ববিদ্যালয় আৰম্ভ হোৱাৰ দিনৰে পৰা পুৱা সাত বজাৰ পৰা মাজ নিশালৈকে বিশ্ববিদ্যালয়ৰ কামত ব্যস্ত আছিল। এনেদৰে পুৱাৰ পৰা নিশালৈ ব্যস্ত থকাৰ বাবে তেখেতে বহুমূত্ৰৰ দৰে বেমাৰত ভুগিব লগীয়া হৈছিল। পৰীক্ষা সংক্ৰান্তত ন্যায় পৰায়ণতা যাতে সকলোৱে অৱলম্বন কৰে তাৰ বাবে সদায় সতৰ্ক আছিল আৰু নিজৰ আদৰ্শৰে সকলোকে প্ৰেৰণা দিছিল।

১৯৪৯ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় সংশোধনী আইন অনুসৰি বিশ্ববিদ্যালয়ৰ ঘৰ-দুৱাৰ, আলি-পদূলি আদি নিৰ্মাণ কাৰ্য্য চলাবৰ কাৰণে এখনি নিৰ্মাণ কমিটি গঠন কৰা হৈছিল। পাঁচ জনীয়া সদস্যৰে গঠিত এই কমিটিত নিয়ম অনুসৰি শিক্ষামন্ত্ৰী ইয়াৰ চেয়াৰমেন আৰু শিক্ষা বিভাগৰ সচিব ইয়াৰ চেক্ৰেটাৰী হোৱাৰ নিয়ম। কিন্তু উপাচাৰ্য্য সন্দিকৈ ডাঙৰীয়াৰ দত্তৰ ওপৰত থকা বিশ্বাস আৰু কৰ্মপটুতাৰ বাবে তেওঁ নিজৰ পৰিবৰ্ত্তে দত্তক কমিটিৰ সদস্যৰূপে ৰাখিবলৈ পৰামৰ্শ দিছিল। দত্ত নিৰ্মাণ কমিটিৰ সদস্য হোৱাই নহয় তেওঁক পিছত কমিটিৰ সচিবেই পতা হয় আৰু নিৰ্মাণ কাৰ্য্য পৰিচালনাৰ সকলো দায়িত্ব তেওঁৰ ওপৰত এৰি দিয়া হয়। বিশ্ববিদ্যালয়ৰ বিভিন্ন কামত ব্যস্ত থাকিও নিৰ্মাণ কাৰ্য্য এনেভাবে পৰিচালনা কৰিছিল যে সকলোকে আচৰিত কৰি তুলিছিল।

জালুকবাৰীত বিশ্ববিদ্যালয়ৰ ঘৰ-দুৱাৰ সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাৰ গুৰিতে আছিল— ফণীধৰ দত্তৰ অক্লান্ত পৰিশ্ৰম। ১৯৫৭ চনৰ ভিতৰত ডালমিয়া কোম্পানীয়ে পাঁচটা ভৱন, (ৰসায়ন, পদাৰ্থ বিজ্ঞান, কলা ভৱন, প্ৰধান কাৰ্যালয় আৰু ১নং ছাত্ৰাবাস) গেগন ডাংকালি কোম্পানীয়ে তিনিটা ভৱন (হস্পিতাল, ছাত্ৰীনিবাস, ২নং ছাত্ৰাবাস) আৰু স্থানীয় ঠিকাদাৰে ৬৫টা অধ্যাপক সকলৰ বাসস্থান, ৫০ টা কৰ্মী সকলৰ আবাস গৃহ নিৰ্মাণ কাৰ্য্য সমাধা কৰে। টকা-পইচাৰ নিয়ন্ত্ৰিত লেন-দেন ন্যায়ভাৱে কৰাৰ বাবে বিখ্যাত ডালমিয়াই মন্তব্য কৰিছিল যে 'আমি ভাৰতৰ বহু ঠাইতে ব্যৱসায় কৰিছো কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাম কৰি যিমান আনন্দ পাইছো আন ঠাইত কাম কৰি তেনে আনন্দ কেতিয়াও পোৱা নাই।'

১৯৫৪ চনত ৰাষ্ট্ৰপতি ডঃ ৰাজেন্দ্ৰ প্ৰসাদ পদাৰ্থবিজ্ঞান ভৱন আৰু ১৯৫৫ চনত প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰে ৰসায়ন ভৱন মুকলি কৰোঁতে বিশ্ববিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্যক ভূয়সি প্ৰশংসা কৰি গৈছিল।

দত্তৰ পৰিশ্ৰমৰ বাবে বিশ্ববিদ্যালয়ৰ পিয়ন-চকীদাৰৰ পৰা আৰম্ভ কৰি আন আন বিষয়াসকলেও বিশ্ববিদ্যালয়ৰ কামত এক ত্যাগৰ মনোভাবেৰে আত্মনিয়োগ কৰিবলৈ উৎসাহ পাইছিল।

১৯৫৭ চনত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই বিশ্ববিদ্যালয় এৰি যাবলৈ ঠিক কৰাত দত্তই মনতে বহুতো দুখ পাইছিল। তেওঁ বিশ্ববিদ্যালয়ৰ ওপৰত যথেষ্ট সন্দিহান হৈ পৰিছিল। কিন্তু তেওঁ বিশ্ববিদ্যালয়ৰ বাবে এনেদৰে নিজকে ত্যাগ কৰিছিল যে বিশ্ববিদ্যালয়ৰ অবিহনে জীয়াই থকাটোকে অসম্ভৱ যেন লাগিছিল। সেয়েহে সন্দিকৈৰ লগতে তেওঁ বিশ্ববিদ্যালয় ত্যাগ কৰিব পৰা নাছিল। তথাপিও বিশ্ববিদ্যালয়ৰ যে বুনিয়াদ যথেষ্ট পৰিমাণে কমজোৰি হৈ পৰিব তাক উপলব্ধি কৰিব পাৰিছিল। সন্দিকৈ ডাঙৰীয়াৰ পিছত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হিচাপে ডঃ সূর্যকুমাৰ ভূঞাই দায়িত্ব বহন কৰিলে। ডঃ ভূঞাই বিশ্ববিদ্যালয়ৰ ভেটি সুদৃঢ় কৰি ৰখাত যথেষ্ট বৰঙণি আগবঢ়াইছিল। তেওঁৰ দিনত বিশ্ববিদ্যালয়ৰ বিশেষ অঘটন দেখা দিয়া নাছিল। কিন্তু ডঃ ভূঞাই বিশ্ববিদ্যালয় এৰি যোৱাৰ পিছত বিশ্ববিদ্যালয়ৰ দুৰ্যোগ যে অনিবাৰ্য্য তাক বাৰুকৈ উপলব্ধি কৰিব পাৰিছিল দত্তই।

১৯৫৯ চনৰ শেষৰ পিনৰ কথা। অসমৰ কিছুমান বাতৰি কাকতত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে নানা অভিযোগ তুলি ছদ্মনামেৰে লিখা কিছুমান চিঠি প্ৰচাৰ হ'ব ধৰিলে। এনে বেনামীপত্ৰেৰে বিশ্ববিদ্যালয়ৰ ধ্বংসাত্মক সমালোচনা হ'বলৈ ধৰিলে। যাৰবাবে দত্তই অশেষ মনোকষ্ট পাব লগা হ'ল। কিন্তু এনেবোৰ অপ-প্ৰচাৰে তেওঁৰ কামত বাধা জন্মাব পৰা নাছিল। অশেষ মনোবল আৰু একাগ্ৰতাৰে নিজকে বিশ্ববিদ্যালয়ৰ কামত সপি দিলে।

বিভিন্ন কাকতে-পত্ৰে বেনামী পত্ৰ প্ৰচাৰ কৰাৰ উপৰিও ১৯৫৯ চনৰ ৩ অক্টোবৰ তাৰিখে বহা বিশ্ববিদ্যালয়ৰ কৰ্ট সভাত 'মিষ্টেৰী অৱ গুৱাহাটী ইউনিভাৰচিটি' নামে এজন বেনামী পুস্তিকা ক'ৰ্টৰ সভ্য সকলৰ মাজত বিতৰণ কৰা হৈছিল। য'ত উপাচাৰ্য্য, ৰেজিষ্টাৰ, ডেপুটি ৰেজিষ্টাৰ, শ্ৰেণী সমূহৰ সংগঠক আৰু কেইবাগৰাকী উচ্চ বিষয়াৰ বিপক্ষে নানা ধৰণৰ মনেসজা অভিযোগ তোলা হৈছিল। এনে কৰাৰ গুৰিতে আছিল কিছুমান স্বাৰ্থন্বেষী মহলৰ নিজ স্বাৰ্থ সিদ্ধিৰ প্ৰয়োজনীয়তা। মনকৰিবলগীয়া এই যে ১৯৬০ চনত নতুন উপাচাৰ্য্য আৰু ৰেজিষ্টাৰ নিযুক্তিৰ আগে আগেই এনেবোৰ বেনামী পুস্তিকা প্ৰকাশ পাইছিল। যাৰ ফলত বিশ্ববিদ্যালয় কিছু অশান্তি জনক পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছিল।

উপাচাৰ্য্য ডঃ হিৰণ্য ভূঞাৰ দিনত বিশ্ববিদ্যালয়ে এক অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হ'ল। বিশ্ববিদ্যালয়ত দেখা দিয়া সমস্যাবিলাক তেওঁ সমাধান কৰাত সফল হ'ব পৰা নাছিল। কিয়নো তেওঁ বিশ্ববিদ্যালয়ৰ উচ্চ পদস্থ বিষয়া কেইজনক আস্থাত ল'ব পৰা নাছিল। উপাচাৰ্য্যৰ লগত ৰেজিষ্টাৰ, ডেপুটি ৰেজিষ্টাৰ, কোষাধ্যক্ষ আদিৰ মনোমালিন্যৰ বাবে এক অনুকূল পৰিস্থিতিৰ জন্ম হোৱাত বাধা পৰিছিল। তেওঁ এই সকল ব্যক্তিৰ লগত কাম কৰাটো অসম্ভৱ জনক বুলি ভাবি উপাচাৰ্য্যৰ পদ ত্যাগ কৰিবলৈ মনস্থ কৰিছিল। আনহাতে নানা কাৰণত অসন্তুষ্ট ছাত্ৰসকলে বিশ্ববিদ্যালয়ৰ ৰেজিষ্টাৰ ফণীধৰ দত্ত, ডেপুটি ৰেজিষ্টাৰ শ্ৰীচিদানন্দ দাস, কোষাধ্যক্ষ কৈলাশ ভট্টাচাৰ্য্য আৰু কলা বিভাগৰ গুৰু ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাক ১৬ আগষ্ট তাৰিখে পদত্যাগ কৰিবলৈ বাধ্য কৰায়। কিন্তু বিশ্ববিদ্যালয়ৰ 'একজিউকিউটিভ্ কাউন্সিলে' এই চাৰিজন বিষয়াৰ পদত্যাগ গ্ৰহণ কৰিবলৈ ৰাজি নহ'ল। শেষত ছাত্ৰ সকলেও নিজৰ ভুল বুজি ফণীধৰ দত্তৰ ওচৰত ক্ষমা খুজিলেগৈ।

১৯৬১ চনৰ শেষ ভাগত ডঃ হিৰণ্য ভূঞাই উপাচাৰ্য্য পদ ত্যাগ কৰে। বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ অনুমোদন ক্ৰমে ৰাজ্যপাল শ্ৰীনাগেশে সেই বছৰৰ ডিচেম্বৰ মাহত বিশ্ববিদ্যালয়ত ঘটা কাৰ্য্যকলাপবিলাক অনুসন্ধান কৰিবৰ বাবে কৰ্ণাটক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য তথা ইউনিভাৰচিটি গ্ৰাণ্ট কমিচনৰ সদস্য শ্ৰী ডি. চি. পাভাটেৰ সভাপতিত্বত এখনি চাৰিজনীয়া কমিটি গঠন কৰি দায়িত্ব ন্যস্ত কৰে। ডঃ ভূঞাই উপাচাৰ্য্য পদ ত্যাগ কৰাত বিশ্ববিদ্যালয়ত পুনৰ দুৰ্য্যোগ নামি আহে। কিয়নো বিশ্ববিদ্যালয়খনৰ বহুতো গুৰুত্বপূৰ্ণ কাম তেতিয়াও বাকী ৰৈ গৈছিল। সকলোবোৰ নিয়াৰিকৈ আত্মবিশ্বাসেৰে কৰিবলৈ এজন দৃঢ় আৰু নিৰ্ভৰশীল ব্যক্তিৰ প্ৰয়োজন হৈছিল। বিশ্ববিদ্যালয়ৰ হেৰুৱা সম্মান পুনৰুদ্ধাৰ কৰিবৰ কাৰণে আৰু বিশ্ববিদ্যালয়ৰ বিষয়া আৰু কৰ্মী সকলৰ মাজত সু-সম্বন্ধ গঢ়ি তুলিবৰ বাবে বহুতে উপাচাৰ্য্য পদৰ বাবে শ্ৰীদত্তক খাটিলে। বিশ্ববিদ্যালয়খনৰ হেৰুৱা সম্মান ঘুৰাই আনিবলৈ আৰু কাৰ্য্যকলাপত শৃঙ্খলা আনিবৰ মানসেৰে দত্তই উপাচাৰ্য্য পদ গ্ৰহণ কৰিবলৈ ৰাজি হ'ল।

১৯৬২ চনত ফণীধৰ দত্ত বিশ্ববিদ্যালয়ৰ উপাচার্য্য পদত অধীষ্ঠিত হয়। উপাচার্য্য হৈ তেওঁ বিশ্ববিদ্যালয়খন আধুনিক ৰূপত গঢ় দিবলৈ উঠি পৰি লাগিল। তেখেতেই অতি তৎপৰতাৰে এম.এ. মহলাত প্রিভিয়াছ-ফাইনেল পৰীক্ষা প্রৱর্তন কৰে। ইয়াৰোপৰি দিল্লী আদি কৰি দেশৰ আন আন প্রধান বিশ্ববিদ্যালয় সমূহ কেনেদৰে আধুনিক ৰূপত গঢ় লৈছে সেইবোৰ অধ্যয়ন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ক সংশোধিত ৰূপত গঢ় দিবলৈ লাগি যায়। দত্ত উপাচার্য্য নিযুক্ত হোৱাৰ পিছত শ্রীনাগেশে তদন্ত আয়োগৰ কাম বন্ধ কৰিবলৈ প্রস্তাৱ দিছিল যদিও তেখেত মান্তি নহ'ল। কাৰণ তেওঁ জানিছিল যে তদন্ত আয়োগ তেখেতৰ কাৰণে পতা নাই; ইয়াক পতা হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণেহে। ইয়াৰ দ্বাৰাই দোষ-ত্রুটি ওলাই পৰিব আৰু ইয়াৰ সংশোধনৰ কাৰণে কিছু ভাল পৰামর্শ আহিব। তেওঁ যে এজন নির্লোভী ব্যক্তি তাত তেওঁৰ আত্মবিশ্বাসৰ কাৰণেই তদন্তৰ কাম বন্ধ কৰিবলৈ সম্মত নাছিল। দত্ত বিশ্ববিদ্যালয়ৰ উপাচার্য্য হোৱাত কিছু স্বার্থান্বেষী ব্যক্তি ভিতৰি ভিতৰি অসুখী হৈ আছিল। তেওঁলোকে কর্তৃত্ব প্রদান কৰিবলৈ তলে তলে কিছু চেষ্টা চলাই আছিল। কাকতে-পত্রে সমালোচনা কৰাৰ উপৰিও বিশ্ববিদ্যালয় বেনামী পুস্তিকাখনো তেওঁলোকৰ বাবে প্রধান অস্ত্র আছিল। দুই-চাৰি ব্যক্তিয়ে তেওঁৰ ওপৰত 'দুর্নীতি বিৰোধ বিভাগ' লগাম বুলিও ভাবুকি দিছিল। অন্যহাতে তদন্ত আয়োগৰ প্রতিবেদনতো দত্তৰ বিপক্ষে কোনো মনেসজা তথা বেনামী পুস্তিকাত উল্লেখ থকা মিছা অভিযোগ সমূহো সন্নিৱিষ্ট হৈছিল।

১৯৬২ চনৰ ২১ আগষ্ট তাৰিখে তদন্ত আয়োগৰ প্রতিবেদন আলোচনা কৰিবৰ বাবে অনুষ্ঠিত ক'ৰ্টৰ সভাত দত্তৰ ওপৰত থকা বহু বিদ্বেষ ভাব প্রকাশ পাইছিল। প্রতিবেদনৰ ওপৰত বিশেষ আলোচনা নকৰি দত্তক উপাচার্য্য পদ ত্যাগ কৰিবলৈ সকলোৱে নানা কাৰণ দর্শাইছিল। তেওঁ পদত্যাগ কৰিবলৈ মান্তি হোৱা নাছিল। কিয়নো তেখেতৰ বিৰুদ্ধে উঠা অভিযোগ সমূহ সঁচা নাছিল। মিছা অপবাদৰ মাজত পদত্যাগ কৰা মানে সেইবোৰ সঁচা বুলি গ্রহণ কৰাহে। তেওঁৰ মতে যদিহে এইবোৰ সঁচা হয় তেন্তে তেওঁক শাস্তি দিয়া উচিত। পদত্যাগেই ইয়াৰ বাবে যথেষ্ট নহয়।

গোটেই জীৱন সৎ পথত থাকি শিক্ষা সম্প্রসাৰণৰ বাবে অতিশয় নিঃস্বাৰ্থভাৱে নিজৰ যথা সর্বস্ব ত্যাগ কৰি পৰিশ্রম কৰাৰ পিছত মিছা অভিযোগেৰে অভিশপ্ত হ'বলগীয়া হোৱাটো তেখেতৰ বাবে এক দুঃসহ বেদনা আছিল। জীৱনৰ বিয়লি বেলাত তেওঁ অশুভ শক্তিৰ ওচৰত সেও নমনিবলগীয়া হোৱাত মনতে অশেষ কষ্ট পাইছিল। তেওঁ বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সভাত বাৰে বাৰে কৈছিল— "উপাচার্য্য পদ ইস্তফা দিবলৈ মই সাজু আছো, কিন্তু ন্যায়পূর্ণ অনুসন্ধান কৰি মোক দোষী প্রমাণিত কৰক। দুর্নীতি বিৰোধ বিভাগক অনুসন্ধান কৰিবলৈ দিয়ক।"

অপ্রীতিকৰ পৰিস্থিতিত বিশ্ববিদ্যালয়ৰ পৰা আঁতৰি আহিব লগীয়া হোৱাত তেখেতৰ দেহ-মন সম্পূর্ণৰূপে ভাগি পৰিছিল। চৈধ্যবছৰ কাল বিশ্ববিদ্যালয়ৰ কাৰণে নিজকে উছর্গা কৰি শেষত এনে এক পৰিস্থিতি তেওঁৰ বাবে অসহনীয় নহয় কল্পনাতীতো আছিল। তেখেতৰ জীৱনৰ চৰম উদ্দেশ্য আছিল বিশ্ববিদ্যালয় খন আৰম্ভ কৰি সু-প্রতিষ্ঠিত কৰা। দেহ-মন সকলো বিশ্ববিদ্যালয়ৰ লগতে সাঙোৰ খাই আছিল। বিশ্ববিদ্যালয়ৰ পৰা বিচ্ছিন্ন হৈ পৰাত তেওঁ বিচলিত হৈ পৰিছিল। ইয়াৰোপৰি তেখেতৰ ন্যায় পৰায়ণতা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে তেখেতে কৰা স্বার্থত্যাগ হেতিয়া এক প্রকাৰৰ সর্বজনবিদিত আছিল। কিন্তু ক'ৰ্টৰ ন্যায়পৰায়ণ লোক সকলে তেখেতৰ সুনাম ৰক্ষার্থে অকণো চেষ্টা নকৰাত জীৱনৰ বিয়লি বেলাত তেওঁ লাঞ্ছিত হৈ পৰিছিল মুষ্টিমেয় স্বার্থান্বেষী লোক কেইজনৰ স্বার্থ সিদ্ধিৰ বাবেই।

বৈজ্ঞানিক আৰু মানবীয় শিক্ষা সম্প্রসাৰণ আৰু সুদৃঢ় ভেটি গুৱাহাটী বিশ্ববিদ্যালয়ক যেনেদৰে প্রতিষ্ঠিত কৰিছিল তাক সকলোৱে সমাদৰ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ক মহান উচ্চতালৈ আগবঢ়াই নিয়াত ডঃ ভি, চি, দেশমুখৰ দৰে লোকেও প্রশংসা কৰিছিল। দত্তই সন্দেহ কৰিছিল স্বার্থান্বেষী লোকৰ ৰাজনৈতিক চল-চাতুৰীত উপৰিপুৰুষ সকলৰ সপোন, আশা-আকাঙ্খাবোৰ গুঠি থোৱা এই পৰিত্র প্রতিষ্ঠানটো যে পূর্ণতা লাভ কৰাৰ পৰা বঞ্চিত নহয়। তেওঁৰ মতে "মোৰ পদত্যাগে যদি কিবা প্রকাৰে বিশ্ববিদ্যালয়টোৰ বিকাশৰ কাৰণে তথা ভালৰ কাৰণে কিবা প্রকাৰে সহায় হয় তেন্তে মই নিজেই ধন্য মানিম।" বিশ্ববিদ্যালয়ৰ উন্নতি তেওঁৰ পদত্যাগৰ পিছতো সদায়েই কামনা কৰিছিল।

দত্তই উপাচার্য্য পদ ত্যাগ কৰাৰ পিছত পোন প্রথম বাৰৰ বাবে এজন ইংৰাজ জাতীয় অনা-অসমীয়া লোক গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচার্য্য নিযুক্ত হয়। ড° এইচ. জে. টেইলৰে উপাচার্য্যৰ কার্যভাৰ গ্রহণ কৰি বিশ্ববিদ্যালয়ৰ বিগত চৈধ্যতা বছৰ দত্তই নিয়াৰিকৈ সকলোবোৰ কাম কৰা দেখি বিস্ময় মানিলে। ড° টেইলৰ দত্তৰ ওচৰলৈ বিভিন্ন পৰামর্শৰ বাবে যাবলৈ ল'লে। তেখেতৰ দু�ৰৱস্থা বুজি শলাগনি ৰূপে পোন্ধৰ হাজাৰ টকা দিয়াৰ ব্যৱস্থা কৰিলে। ড° টেইলৰে দত্তৰ নিশকতীয়া অৱস্থাটো বুজি উপলব্ধি কৰিছিল যে তেওঁৰ বিৰুদ্ধে বিশ্ববিদ্যালয়ৰ হাজাৰ হাজাৰ টকা আত্মসাৎ কৰাৰ অভিযোগ কিছু স্বার্থান্বেষী ব্যক্তিৰ স্বার্থ সিদ্ধিৰ বাবে কৰা অপপ্রচাৰহে আছিল। উল্লেখযোগ্য যে যি সকল ক'ৰ্টৰ সদস্যই বিশ্ববিদ্যালয়ৰ টকা আত্মসাৎ কৰাৰ অভিযোগ আনিছিল পিছত সেইসকল লোকৰ অনুমোদন ক্রমে তেওঁক পোন্ধৰ হাজাৰ টকাৰে শলাগনি জনাইছিল।

বিশ্ববিদ্যালয়ৰ বিভিন্ন কামত একেবাহে ব্যস্ত থাকিব লগা হোৱাৰ বাবে তেখেতৰ স্বাস্থ্যৰ বহু ক্ষতি হৈছিল। জীৱনৰ বিয়লি বেলাত মিছা অপবাদ তথা লাঞ্ছিত অৱস্থাই তেখেতৰ ভঙা শৰীৰটি জৰাজীর্ণ অৱস্থালৈ লৈ গৈছিল। মানসিকভাবে তেওঁ দুর্বল হৈ পৰিছিল। বিশ্ববিদ্যালয়ৰ পৰা নিজকে নিলগত ৰাখি অকলশৰীয়া যেন সদায়েই অনুভৱ কৰিছিল। মানসিক আৰু শাৰীৰিক এই দুয়ো অৱস্থাই তেখেতক মৃত্যুৰ মুখলৈ ঠেলি নিছিল। ভগ্ন স্বাস্থ্য আৰু ভগ্ন হৃদয়ে তেখেতৰ মৃত্যু অনিবার্য্য কৰি তুলিলে।

১৯৬৩ চনৰ ২৯ অক্টোবৰ তাৰিখে গুৱাহাটী মেডিকেল কলেজ হস্পিটালত ফণীধৰ দত্তই ইহলীলা সম্বৰণ কৰিলে। তেখেতৰ মৃত্যুত যেন অসমৰ শিক্ষা জগতৰ এটি অতি উজ্বল নক্ষত্র চিৰদিনৰ বাবে নোহোৱা হৈ গ'ল।

এইজনা বৰেণ্য পুৰুষক বিশ্ববিদ্যালয় ইতিহাসত এক বিশেষ মর্যাদাৰ আসন দিয়াটো আমাৰ বাবে একো জগৰৰ কথা নহয়। বৰং ন্যায়সংগত ভাৱেই এইজনা পুৰুষৰ বিশ্ববিদ্যালয়ৰ বাবে অৱদান উল্লেখযোগ্য। সেয়েহে বিশ্ববিদ্যালয়ৰ পৰিয়াল বর্গই অতি গাম্ভীর্যপূর্ণ ভাবে প্রতিবছৰে তেখেতক শ্রদ্ধাৰে সোঁৱৰিব পাৰোঁ। তেখেতে সমগ্র জাতিৰ মাজত ঐক্য, সংহতি তথা ভাতৃত্বৰ ভাৱেৰে বিশ্ববিদ্যালয়টি প্রতিষ্ঠাৰ যি আদর্শ আমাক দি গ'ল সেয়া আমাৰ বাবে অতি গৌৰৱৰ বিষয়।

কিন্তু এনে এজন বিশিষ্ট ব্যক্তিৰ ইতিহাস আজি বিশ্ববিদ্যালয়ৰ পাহৰণি গর্ভত লীণ হৈ গ'ল। আমাৰ বিশ্ববিদ্যালয়ৰ সমাজৰ আজি তেখেতক শ্রদ্ধা জনাবলৈ সময়ৰ অভাৱ হৈ আহিল। ই আমাৰ বাবে অতি পৰিতাপৰ বিষয়। আমি ভাবো বিশ্ববিদ্যালয়ৰ ছাত্র সমাজেই আগ ভাগ লৈ এই গৰাকী মহান ব্যক্তিক শ্রদ্ধা জনাবলৈ আগবাঢ়ি আহিব লাগে। ই আমাৰ বাবে দায়িত্বই নহয় প্রয়োজনীয় কর্তব্যও।*

(স্নাতকোত্তৰ মহলাৰ আলোচনীৰ ৪১তম সংখ্যা (সম্পাদক— ধীৰাজ দাস, ১৯৯১-৯২ শিক্ষাবর্ষ)ত প্রকাশিত লেখাটি পুনৰ মুদ্রণ কৰা হৈছে। আখৰ-জোঁটনিত কোনোধৰণৰ হাত দিয়া হোৱা নাই।)

* বিশ্ববিদ্যালয়ৰ আলোচনা চক্র গৃহটি **'ফণীধৰ দত্ত আলোচনা গৃহ'** ৰূপে নামকৰণ কৰা হৈছে। গৃহটি ২০০৪ চনৰ ২৪ ডিচেম্বৰ তাৰিখে শুভ উদ্বোধন কৰে সেইসময়ৰ অসমৰ ৰাজ্যপাল তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ **আচার্য লেফটেনেণ্ট জেনেৰেল (অবসৰপ্রাপ্ত) অজয় সিঙদেৱে**। — *সম্পাদক*

বিশ্ববিদ্যালয়ৰ ইতিবৃত্ত

গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰাৰম্ভিক কাল আৰু ড° বাণী কান্ত কাকতি

ড° অনুৰাধা শৰ্মা



গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক আৰু বৌদ্ধিক দিশত প্ৰাণ প্ৰতিষ্ঠাৰে যিসকলে অসমত এখন বিশ্ববিদ্যালয়ৰ স্বপ্নক সাকাৰ ৰূপ দিবলৈ আগবাঢ়ি আহিছিল, সেইসকল নমস্য ব্যক্তিৰ ভিতৰত অন্যতম হৈছে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি চৰ্চাৰ কাণ্ডাৰী পুৰুষ ড° বাণীকান্ত কাকতি। ১৯১৮ চনত কটন কলেজৰ ইংৰাজীৰ অধ্যাপক হিচাপে কৰ্ম জীৱনৰ পাতনি মেলা কাকতিদেৱে ১৯৪৭ চনত কটন কলেজৰ অধ্যক্ষ পদত অভিষিক্ত হয়। দ্বিতীয় মহাযুদ্ধ আৰু ভাৰত ত্যাগ আন্দোলনৰ জটিল সন্ধিক্ষণে স্পৰ্শ কৰি যোৱা কটন কলেজৰ বৌদ্ধিক পৰিবেশটোক নতুন মাত্ৰা দি তেওঁ জীৱন্ত কৰি তুলিছিল। কটন কলেজৰ অধ্যক্ষ পদৰ পৰা অৱসৰ লোৱাৰ সময়ত তেওঁলৈ দুটা প্ৰস্তাৱ আহিছিল— এটা হ'ল— নৱ প্ৰতিষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপকৰ (Professorship) আসন আৰু আনটো হ'ল— অসম চৰকাৰৰ তৰফৰ পৰা যচা শিক্ষাধিকাৰৰ পদ (Director of Public Instruction, Assam)। কিন্তু কাকতিদেৱে অসমীয়া মানুহৰ আকাংক্ষাৰ বিশ্ববিদ্যালয়খনৰ প্ৰাণ প্ৰতিষ্ঠাৰ আকুতিক সন্মান জনাই শিক্ষক ৰূপেই যোগদান কৰিলে।

অসমৰ মানুহৰ ভাষা, সাহিত্য, সংস্কৃতিৰ ইতিহাস অধ্যয়ন আৰু গৱেষণাৰ আকাংক্ষাৰ পশ্চাদপটত গঢ় লৈ উঠা অসমীয়া বিভাগ আছিল বিশ্ববিদ্যালয়ৰ আৰম্ভণিৰ বিভাগকেইটাৰ ভিতৰত অন্যতম। নতুনকৈ প্ৰতিষ্ঠা কৰা বিভাগ এটাৰ ভেটি গঢ়িবলৈ এক নিপুণ খনিকৰৰ প্ৰয়োজন হৈছিল আৰু ইতিমধ্যে পাণ্ডিত্যৰ বিশালতা আৰু নিৰলস জ্ঞান সাধনাৰে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ জগতলৈ আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানৰাজিৰে বাণীকান্ত কাকতি অসমৰ জাতীয় জীৱনৰ এক উজ্জীৱনী শক্তিৰূপে পৰিগণিত হৈছিল। অসমীয়া বিভাগৰ প্ৰাধ্যাপকৰ পদ শুৱনি কৰিবলৈ কাকতি আছিল উপযুক্ত ব্যক্তি। বিশ্ববিদ্যালয়খনৰ বাবেও এইটো গৌৰৱৰ বিষয় আছিল।

অসমত এখন বিশ্ববিদ্যালয়ৰ স্বপ্নৰ বীজ অংকুৰিত হোৱাৰ পৰা বাস্তৱ ৰূপ পোৱালৈকে এক দীঘলীয়া ইতিহাস জড়িত হৈ আছে আৰু এই ইতিহাসৰ সৈতে সম্পৃক্ত হৈ আছে অসমীয়া মানুহৰ আশা-আকাংক্ষা আৰু আত্মপ্ৰতিষ্ঠাৰ হেঁপাহ। 'আমাক এখন বিশ্ববিদ্যালয় লাগে' অসমৰ মানুহৰ এনে এক সুদীৰ্ঘ আন্দোলনৰ পৰিণতিয়েই হ'ল— গুৱাহাটী বিশ্ববিদ্যালয়। ১৯১৭ চনতেই বিশ্ববিদ্যালয়ৰ স্বপ্নই মূৰ দাঙি উঠিছিল; কলিকতা বিশ্ববিদ্যালয় আয়োগ বা ছেদলাৰ আয়োগে কটন কলেজ চাবলৈ আহি কটন কলেজে গ্ৰহণ কৰা ভূমিকাৰ আঁত ধৰি অসমৰ শিক্ষা অভিযান পূৰ্ণৰূপত প্ৰতিষ্ঠাৰ বাবে এখন বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। বাস্তৱিকতে ইয়াৰ পৰাই অংকুৰিত হৈছিল অসমত এখন বিশ্ববিদ্যালয় স্থাপনৰ আন্দোলন। সেই একে চনতেই অসম বিধান পৰিষদৰ এপ্ৰিল অধিবেশনত বিষয়টোৱে স্থান পাইছিল। একেটা বছৰতেই শিৱসাগৰত অনুষ্ঠিত আসাম এছোচিয়েচনৰ সভাতো আসাম প্ৰদেশত এক সুকীয়া বিশ্ববিদ্যালয় স্থাপন হ'ব লাগে বুলি দাবী উত্থাপিত হৈছিল। কিন্তু এই দাবী পূৰণৰ প্ৰক্ৰিয়া ইমান মসৃণ নাছিল। পৰাধীনতাই আছিল ইয়াৰ এক প্ৰধান অন্তৰায়। ১৯২০ আৰু ১৯২২ চনতো বিধান পৰিষদত বিশ্ববিদ্যালয় স্থাপন সম্পৰ্কে কেবাটাও প্ৰশ্ন উঠিছিল। তদুপৰি, এই সময়তে অৰ্থাৎ ১৯২১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধিনিয়ম অনুসৰি ইয়াৰ শাসনভাৰ ভাৰত চৰকাৰৰ পৰা বংগ চৰকাৰলৈ হস্তান্তৰ হৈছিল। ইয়াৰ বিৰূপ প্ৰভাৱ অসমৰ শিক্ষা ব্যৱস্থাত পৰিছিল। এনে পৰিবেশত বিশ্ববিদ্যালয় স্থাপনৰ দাবী কাৰ্যকৰী হৈ উঠাৰ আশাও স্তিমিত হৈ পৰিল। ইয়াৰ মাজতে অৱশ্যে ১৯৩১ আৰু ১৯৩৪-৩৫ চনত বিধান পৰিষদত বিশ্ববিদ্যালয় স্থাপনৰ প্ৰশ্নই পুনৰ মূৰ দাঙি উঠিছিল। ১৯৩৮ চনত শিক্ষামন্ত্ৰীৰূপে মুনাওয়াৰ আলীয়ে বিশ্ববিদ্যালয়ৰ খচৰা বিল প্ৰস্তুত কৰিছিল যদিও দুৰ্ভাগ্যবশতঃ সেইখন সদনত উত্থাপিত হোৱাৰ আগেয়ে মন্ত্ৰীসভাই পদত্যাগ কৰিবলগীয়া হৈছিল।

১৯৪০ চনৰ বাজেট অধিবেশনত প্ৰধানমন্ত্ৰী চৈয়দ ছাদুল্লাই বিশ্ববিদ্যালয় স্থাপনৰ বিষয়টো হাতত লোৱা বুলি সদনত জনায় আৰু সূৰ্যকুমাৰ ভূঞাৰদ্বাৰা বিল আৰু আঁচনি তৈয়াৰ কৰায়। ১৯৪১ চনত শিক্ষামন্ত্ৰী ৰোহিণীকুমাৰ চৌধুৰীয়ে সদনত বিলখন উত্থাপন কৰে। কিন্তু ইতিমধ্যে

দ্বিতীয় মহাযুদ্ধৰ বিভীষিকা আৰু ভাৰত ত্যাগ আন্দোলনে দেশৰ সমগ্ৰ বাতাবৰণ সলনি কৰি দিয়ে। এনে ধুমুহাৰ মাজত বিশ্ববিদ্যালয় স্থাপনৰ বিষয়টো নিস্তেজ হৈ পৰে।

ৰাজনৈতিক উত্থান-পতন আৰু প্ৰশাসনিক নিয়ম-নীতিৰ মাজত বিশ্ববিদ্যালয় স্থাপনৰ দাবীয়ে লেহেমীয়া গতি কৰি থাকিল যদিও অসমীয়া মানুহে কিন্তু দুগুণ উৎসাহেৰে বিশ্ববিদ্যালয়ৰ দাবীক তীব্ৰ কৰি তুলিলে। ১৯৪৪ চনত 'ডেকাবেজ' মাধৱচন্দ্ৰ বেজবৰুৱাৰ উদ্যোগত কলিকতাত অম্বিকানাথ বৰাৰ ঘৰত কেইগৰাকীমান অসমীয়া গোট খাই অসমত বিশ্ববিদ্যালয় গঢ়াৰ আন্দোলন তীব্ৰ কৰি তোলাৰ সংকল্প ল'লে আৰু বিশ্ববিদ্যালয়খনৰ নামো থিৰ কৰা হ'ল 'গুৱাহাটী বিশ্ববিদ্যালয়' (গৌহাটী বিশ্ববিদ্যালয়) বুলি। এই চাহ মেলতেই বিশ্ববিদ্যালয় স্থাপনৰ পুঁজি সংগ্ৰহৰ বাবে 'ট্ৰাষ্ট বোৰ্ড' পঞ্জীকৃত কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু ইয়াৰ বাবে শৰৎ চন্দ্ৰ গোস্বামীক দায়িত্ব দিয়া হয়। পৰৱৰ্তী পৰ্যায়ত সাহিত্য সভাৰ সভাপতি নীলমণি ফুকন আৰু মাধৱচন্দ্ৰ বেজবৰুৱাৰ উদ্যোগত কলেজৰ ৰাজখোৱাক সভাপতি হিচাপে লৈ এখন সভা আহ্বান কৰা হয় আৰু এই সভাতে সাতজনীয়া ন্যাসৰক্ষী সমিতি গঠন হয়। গোপীনাথ বৰদলৈক সভাপতি আৰু শৰৎচন্দ্ৰ গোস্বামীক সম্পাদক হিচাপে লোৱা এই সমিতিত চৈয়দ মহম্মদ ছাদুল্লা, ছৈয়দুৰ ৰহমান, কৃষ্ণকান্ত সন্দিকৈ, হেৰম্ব প্ৰসাদ বৰুৱা আৰু শৈলেন্দ্ৰ প্ৰসাদ বৰুৱাক সদস্য হিচাপে লোৱা হয়। সভাই ন্যাস সমিতিৰ আঁচনি যুগুত নোহোৱালৈকে কোনো বিল উত্থাপন নকৰিবলৈ চৰকাৰক অনুৰোধ জনায়। অৱশ্যে, চৈয়দ ছাদুল্লা আৰু চৈয়দুৰ ৰহমান এই মন্ত্ৰী দুজনে বিশ্ববিদ্যালয় আন্দোলনৰ প্ৰতি সমৰ্থন জনায় যদিও ন্যাসৰক্ষী সমিতিৰ সদস্য হোৱাত অসুবিধা দেখুৱায়। দুখজনক বিষয় যে, বিশ্ববিদ্যালয় আন্দোলনৰ উৎসাহ-উদ্দীপনাৰ মাজতেই কলিকতাত হঠাতে শৰৎ চন্দ্ৰ গোস্বামীৰ মৃত্যু হয়। গতিকে ন্যাসৰক্ষী সমিতিত পুনৰ ভুৱনেশ্বৰ বৰুৱা, বোহিণীকুমাৰ চৌধুৰী, ফৈজনুৰ আলী, ডি. এ. স্মল, হৰিপ্ৰসাদ বৰুৱা আদিক সদস্যভুক্ত কৰা হয় আৰু ফখৰুদ্দিন আলি আহমেদক ন্যাস সমিতিৰ সচিবৰূপে নিয়োগ কৰা হয়। ১৯৪৫ চনৰ ২ ফেব্ৰুৱাৰিত ন্যাস সমিতিৰ কাৰ্যালয় সচিবৰূপে মহেশ্বৰ নেওগে যোগদান কৰে। ৰমেশ চন্দ্ৰ চৌধুৰী আৰু বিৰিঞ্চিকুমাৰ বৰুৱা সহকাৰী সচিবৰূপে মনোনীত হয়। তদুপৰি দেৱকান্ত বৰুৱা, বোহিণীকান্ত বৰুৱা, হিৰণ্য চন্দ্ৰ ভূঞা, হেম বৰুৱা আদিয়েও সহায়ৰ হাত আগবঢ়ায়। কাৰ্যালয় সচিব নেওগ ডাঙৰীয়াৰ উদ্যোগত ন্যাস সমিতিৰ কাম-কাজ দ্ৰুত গতিত আগবাঢ়ে। বিশ্ববিদ্যালয় স্থাপনৰ আঁচনি, পৰিকল্পনা, স্থান, অধিনিয়মৰ খচৰাও এই সমিতিয়ে প্ৰস্তুত কৰে।

বিশ্ববিদ্যালয়ৰ এই আন্দোলনৰ প্ৰতি সেই সময়ৰ অসমৰ সামাজিক, বৌদ্ধিক আৰু শৈক্ষিক ক্ষেত্ৰত কাম কৰি থকা সকলো লোকেই সমৰ্থন জনাইছিল আৰু সহায়ৰ হাত আগবঢ়াইছিল। সকলোতকৈ ডাঙৰ কথা এটা বিশেষ মহলেই নহয়, অসমৰ জনসাধাৰণে এখন বিশ্ববিদ্যালয় বিচাৰিছিল। সেয়ে এই আন্দোলনে ধনী, দুখীয়া, শিক্ষিত, অনাখৰী সকলো লোকক স্পৰ্শ কৰিছিল। মহেশ্বৰ নেওগে ইয়াৰ গণমুখিতাৰ দুই-এটা উদাহৰণ লিপিবদ্ধ কৰি থৈ গৈছে। "...এঠাইত এজনী মগনিয়াৰ বুঢ়ীয়ে দিনটো ঘৰে ঘৰে মাগি ফুৰি যিকেইটা পইছা পাইছিল, সেই সকলোখিনি আমাৰ সংগ্ৰাহকৰ হাতত এটোপা আনন্দৰ চকুলোৰে সৈতে অৰ্পণ কৰিছিল। বৰদলৈৰ উজনি অসমৰ ভ্ৰমণৰ সময়ত যিজন শিখ ড্ৰাইভাৰে গাড়ী চলাইছিল, ভ্ৰমণৰ অন্তত তেওঁক যেতিয়া তেওঁৰ বানচ বখা হৈছিল, তেওঁ সেয়া ল'বলৈ অস্বীকাৰ কৰি ক'লে— "আপোনালোকে দেখোন মোতকৈ বেছি কষ্ট কৰিছে। আপোনালোকে জানো টকা লৈছে? মোৰ পৰম ভাগ্য যে আপোনালোকৰ এই মহৎ কামত সহায় কৰিব পাৰিলোঁ। সেয়ে মোৰ বানচ।" এই ভিক্ষা অভিযানৰ পৰা যিটো গুৱাহাটী বিশ্ববিদ্যালয় হ'ল, সি সেই মগনিয়াৰ বুঢ়ী আৰু শিখ ড্ৰাইভাৰৰ ত্যাগকো সামৰি থিয় হৈ আছে।" (বিশ্ববিদ্যালয় স্বপ্ন ঃ The Romance of a University, 2009, p. 541-542) বিশ্ববিদ্যালয় স্থাপনৰ লগত অকল অসমৰ উচ্চ শিক্ষাৰ ভৱিষ্যৎ জড়িত নাছিল, অসমীয়া জাতিৰ আত্মপৰিচয়ৰ প্ৰকাশমুখিতাও জড়িত হৈ আছিল। নীলমণি ফুকন, অম্বিকাগিৰী ৰায়চৌধুৰী আদিয়েও অসমীয়াজাতিক শক্তিশালী আৰু উন্নত কৰি তোলাৰ আকাংক্ষাক বিশ্ববিদ্যালয় স্থাপন সৈতে জড়িত কৰিছিল। ১৯৪৬ চনৰ ১৯ এপ্ৰিলত 'দৈনিক অসমীয়া'ৰ তদানীন্তন সম্পাদক দেৱকান্ত বৰুৱাই 'বিশ্ববিদ্যালয় লাগে— এতিয়াই' এই শিতানত ন্যাস সমিতিৰ 'দুবছৰ তিনিমাহৰ' খতিয়ান দাঙি ধৰি এটি প্ৰবন্ধ লিখিছিল। বিশ্ববিদ্যালয় এখনৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ লক্ষ্যক সামৰি তেওঁ কৈছিল— ".... গুৱাহাটী বিশ্ববিদ্যালয় আমাৰ কাৰণে কেৱল এখন উচ্চ শিক্ষাৰ ব্যৱস্থা থকা অনুষ্ঠানেই নহয় ই মূৰ সুমাবৰ ঠাই এডোখৰৰ অভাৱত উটি বুৰি ফুৰা অসমীয়া সংস্কৃতি আৰু সাহিত্যৰ আশ্ৰয়স্থল হ'ব লাগিব। এই আশা আৰু বিশ্বাসৰ কাৰণেই আজি লিখা-পঢ়া নজনা চহা অসমীয়ায়ো বিশ্ববিদ্যালয়ৰ কাৰণে ইমান আগ্ৰহ দেখুৱাইছে। বৰ্তমানৰ ভাৰতীয় ৰাজনৈতিক পৰিস্থিতিৰ এটা প্ৰধান লক্ষণ হৈছে সৰ্বভাৰতীয় জাতীয়তাৰ উপৰিও প্ৰাদেশিক ভাষা আৰু সংস্কৃতিসমূহৰ আত্মপ্ৰতিষ্ঠাৰ কাৰণে তীব্ৰ হেঁপাহ। ভাৰতবৰ্ষৰ ৰাজনৈতিক ভৱিষ্যতে কি গঢ় ল'ব, তাৰ ভৱিষ্যদ্বাণী কৰা টান হ'লেও এইটো ন দি ক'ব পাৰি যে এই দেশৰ ভৱিষ্যৎ শাসনতন্ত্ৰৰ ক্ষমতাৰ ভাৰকেন্দ্ৰ হ'ব ভাষা আৰু সংস্কৃতিৰ ভেটিত গৰ্বিত প্ৰদেশবিলাক। গতিকে যিবিলাক প্ৰদেশৰ ভাষা আৰু সংস্কৃতিয়ে ইতিমধ্যেই উন্নতিৰ বাটত আগবাঢ়িছে, আগলৈ ভাৰতবৰ্ষৰ বৰচ'ৰাত সেইবোৰ প্ৰদেশেই আগশাৰী পুৰাবৰ সুযোগ পাব। ... কলিকতা বিশ্ববিদ্যালয়ে বঙলা সাহিত্যৰ, কাশী হিন্দু বিশ্ববিদ্যালয়ে হিন্দী ভাষাৰ আৰু ওছমানিয়া বিশ্ববিদ্যালয়ে উৰ্দুৰ কাৰণে কৰা যত্নই এই ভাষাবোৰৰ উন্নতিত কমখিনি দান দিয়া নাই। নিজা বিশ্ববিদ্যালয়ৰ অভাৱত অসমীয়া ভাষাই আজিও গা কৰিব পৰা নাই আৰু কাইলৈ ইংৰাজ ৰাজত্বৰ অৱসানৰ লগে লগে ইংৰাজী ভাষাৰ আধিপত্য লোপ পালে অসমীয়া ভাষাই সৰ্বোচ্চ শিক্ষাৰ বাহন হ'বলৈ সমৰ্থ হ'বনে নাই, সেইটো সন্দেহৰ কথা হৈ আছে। সেই দেখি স্বাধীন ভাৰতবৰ্ষত স্বতন্ত্ৰ অসমে সন্মানজনক ঠাই ল'বলৈ হ'লে আমাৰ ভাষা আৰু সংস্কৃতি ওখ খাপৰ হ'ব লাগিব। তাৰ কাৰণে আমাক নিজা বিশ্ববিদ্যালয় লাগে আৰু এতিয়াই লাগে।" (নেওগ, মহেশ্বৰ ঃ বিশ্ববিদ্যালয়ৰ স্বপ্ন ঃ The Romance of a University, 2009, P. 561-562) মন কৰিবলগীয়া যে এই দীঘলীয়া উদ্ধৃতিত ক'তো উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰা নাই। কাৰণ যেই কোনো বিশ্ববিদ্যালয়ে অসমৰ সেই অভাৱ পূৰণ কৰিব পাৰে; অসমীয়া ভাষা-সংস্কৃতিত অসমৰ বিশ্ববিদ্যালয়খনে ল'ব পৰা ভূমিকাৰ কথাহে কোৱা হৈছে। অসমীয়া ভাষা-সংস্কৃতি-সাহিত্যৰ কাৰণে মূৰ

> *অসমৰ মানুহৰ ভাষা, সাহিত্য, সংস্কৃতিৰ ইতিহাস অধ্যয়ন আৰু গৱেষণাৰ আকাংক্ষাৰ পশ্চাদপটত গঢ় লৈ উঠা অসমীয়া বিভাগ আছিল বিশ্ববিদ্যালয়ৰ আৱশ্যকীয় বিভাগকেইটাৰ ভিতৰত অন্যতম।*

গুজিবৰ ঠাই অকণ লাগে। সেয়ে এখন বিশ্ববিদ্যালয়ৰ স্বপ্ন হৈ পৰিছিল— অসমীয়া জাতিৰ স্বপ্ন; আৰু অসমীয়া জাতিৰ প্ৰতি, অসমৰ ভৱিষ্যতৰ প্ৰতি আনুগত্য থকা সকলো শ্ৰেণীৰ মানুহেই ইয়াত আগভাগ লৈছিল, সমৰ্থন জনাইছিল।

১৯৪৭ চনত ভাৰতে স্বাধীনতা পোৱাৰ লগে লগে পৰিবেশ কিছু সলনি হয় আৰু বহু ঘাত-প্ৰতিঘাতেৰে আগবঢ়া দীঘলীয়া আন্দোলনৰ পৰিণতি স্বৰূপে সেই চনৰে ছেপ্টেম্বৰ মাহত 'গুৱাহাটী বিশ্ববিদ্যালয় বিল' গৃহীত হয়। ১৫ অক্টোবৰত গৱৰ্ণৰে সম্মতি জনোৱাৰ লগে লগে বিলখন অধিনিয়মত পৰিণত হয়। ১৯৪৮ চনৰ জানুৱাৰি মাহৰপৰা বিশ্ববিদ্যালয়ৰ কাম-কাজ আৰম্ভ হয়। জ্ঞানৰ শত শত বন্তিৰে লুইতৰ দুয়োপাৰ উজ্জ্বলাই তোলাৰ হেঁপাহেৰে বিশ্ববিদ্যালয়ৰ স্বপ্নক বাস্তৱ ৰূপ দিবলৈ পোনতে যিকেইটা বিভাগ স্থাপিত হৈছিল, তাৰ ভিতৰত অসমীয়া বিভাগ অন্যতম। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি-সভ্যতাৰ সংৰক্ষণ, সংবৰ্ধন আৰু গৱেষণাৰ আকুতিৰে ১৯৪৮ চনৰ পহিলা ডিচেম্বৰত মহেশ্বৰ নেওগক প্ৰবক্তা হিচাপে লৈ অসমীয়া বিভাগৰ শুভাৰম্ভ হয়। ইয়াৰ তিনিদিনৰ পিছত বিৰিঞ্চিকুমাৰ বৰুৱাই বিভাৰ হিচাপে এই বিভাগত যোগদান কৰে আৰু সেই মাহতে বাণীকান্ত কাকতিয়ে প্ৰফেছৰ হিচাপে যোগদান কৰি বিভাগীয় মুৰব্বীৰ দায়িত্ব লৈ অসমীয়া বিভাগৰ শৈক্ষিক আৰু প্ৰশাসনিক কাম-কাজ সক্ৰিয় কৰি তোলে।

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে অসমত এখন সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ আন্দোলনৰ সৈতে অসমীয়া মানুহৰ আত্ম প্ৰতিষ্ঠাৰ হেঁপাহ জড়িত হৈ আছে। অসমত এখন সুকীয়া বিশ্ববিদ্যালয় হ'লে অসমীয়া মানুহৰ নিজৰ সমস্যাৰ প্ৰতি, ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতিষ্ঠাৰ প্ৰতি বিশ্ববিদ্যালয়খনে বিশেষ দৃষ্টি ৰাখিব। অসমৰ সাংস্কৃতিক অগ্ৰগতিৰ ওপৰত গুৰুত্ব দিব, প্ৰদেশখনৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ অৱস্থাই সুবিধা দিয়া বিষয়বোৰৰ পঠন আৰু গৱেষণাৰ ব্যৱস্থা কৰা হ'ব। এনে লক্ষ্যসমূহ বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ লগত জড়িত আছিল। সেয়ে উচ্চ শিক্ষাৰ বিষয়ে নজনা অনাখৰী চহা মানুহেও বিশ্ববিদ্যালয়ৰ হকে বৰঙণি দিবলৈ আগবাঢ়ি আহিছিল। বিশ্ববিদ্যালয়ৰ লক্ষ্যক প্ৰতিফলিত কৰিব পৰাকৈ অৰ্থাৎ অসমীয়া জাতি আৰু অসমৰ জনজাতি, ইয়াৰ ভাষা-সাহিত্য-সংস্কৃতি প্ৰতিষ্ঠা কৰাৰ অভীপ্সাৰে বিশ্ববিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ আৰম্ভণিতে 'অসমীয়া বিভাগ' স্থাপন হৈছিল। বিভাগটোৰ নামেই সামৰি লৈছিল অসমতত্ত্ব (Assamology)ৰ ব্যাপক দিশ। কাৰণ ই অকল অসমীয়া ভাষা, সাহিত্য বা সংস্কৃতিক নুবুজায়; অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি-সমাজ, ইয়াৰ বিশাল প্ৰেক্ষাপট, ইতিহাস আৰু ঐতিহ্য, উপাদান, তুলনামূলক ৰূপ— এনে ব্যাপক দিশ এই বিভাগৰ অধ্যয়ন আৰু গৱেষণাৰ বিষয়। নিঃসন্দেহে এই বিভাগ স্থাপনৰ লগত অসমত এখন সুকীয়া বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তাৰ কেতবোৰ দিশ অংগাংগী ৰূপত জড়িত হৈ আছে। সেয়ে এই বিভাগটোৰ বিশ্ববিদ্যালয়খনৰ আদৰ্শৰ প্ৰতি আনুগত্য আৰু অসমীয়া ৰাইজৰ প্ৰতি দায়বদ্ধতা বেছি। এনে এটা বিভাগক পূৰ্ণৰূপত গঢ় দিবলৈ, অধ্যয়ন আৰু গৱেষণাৰ নেতৃত্ব দিবলৈ এগৰাকী শক্তিশালী ব্যক্তিৰ প্ৰয়োজন হৈছিল। ইতিমধ্যেই ভাষাতত্ত্ব, সাহিত্য আলোচনা, সংস্কৃতি অধ্যয়ন —এই আটাইকেইটা দিশত কাকতি হৈ পৰিছিল— পথদ্ৰষ্টা। "পৰৱৰ্তী গৱেষকসকলৰ কাৰণে তেওঁ ভাষা-সাহিত্য-সংস্কৃতিৰ বহল ক্ষেত্ৰখনত অধ্যয়নৰ বাট মুকলি কৰি দিছিল। যি ঐতিহাসিক প্ৰেক্ষাপটত থিয় দি তেওঁ নিজৰ জ্ঞান-সাধনাক সম্প্ৰসাৰিত কৰিছিল, সেই প্ৰেক্ষাপটত অসমীয়া ভাষা-চৰ্চা, সাহিত্য আলোচনা আৰু সংস্কৃতি চৰ্চাৰ উপযোগিতাবোৰ পূৰণ কৰাতো প্ৰয়োজনীয় হৈ পৰিছিল। এনে এক সন্ধিক্ষণত কাকতিয়ে কাণ্ডাৰীৰ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ আছিল ৰামকৃষ্ণ পৰমহংসৰ গল্পৰ আলমত নিজে বিচাৰ কৰা সেই আদৰ্শ শিক্ষকজন; যিজনে সত্যক দৰ্শন কৰিছে আৰু সেই দৰ্শনৰ সংবাদ দিবলৈ লগৰীয়াজনৰ মাজলৈ ঘুৰি আহিছে। জ্ঞানৰ সাধনা আৰু সন্ধানৰ দ্বাৰা অসমত এক সুস্থ গৱেষণাৰ পথ মুকলি কৰি দিয়া কাকতিদেৱ অসমীয়া গৱেষণাৰ 'পিতৃস্বৰূপ।" (শৰ্মা, অনুৰাধা ঃ বাণীকান্ত কাকতি ঃ জীৱন আৰু কৃতি, ২০০৯, পৃঃ ২৯২) নিঃসন্দেহে এনে এগৰাকী ব্যক্তি অসমীয়া বিভাগৰ গুৰি ধৰাৰ বাবে অদ্বিতীয় আছিল।

বাণীকান্ত কাকতিয়ে বিশ্ববিদ্যালয়ত শিক্ষক হিচাপে যোগ দিয়াটো অসমীয়া বিভাগৰ বাবে গৌৰৱৰ বিষয় আছিল। কাকতিদেৱেই আন আন সহকৰ্মীসকলৰ সৈতে লগ লাগি ভাষা আৰু সাহিত্য উভয় ক্ষেত্ৰতেই তুলনামূলক পদ্ধতিৰ আৰ্হিত অসমীয়া স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যক্ৰম যুগত কৰি উলিয়াইছিল। বিভাগৰ প্ৰথমগৰাকী শিক্ষক মহেশ্বৰ নেওগে বিভাগটোৰ এই সৌভাগ্যৰ কথা উল্লেখ কৰিছে এইদৰে— "বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰম সৌভাগ্য যে ডক্টৰ বাণীকান্ত কাকতি, ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাৰ দৰে কাণ্ডাৰী প্ৰথম ভাগতে পাইছিল, আৰু সিসকলৰ বাহিৰে কৃষ্ণকান্ত সন্দিকৈ আদি মনীষীসকলে গোট খাই উদাৰ আৰু ভৱিষ্যতমুখী দৃষ্টিৰে বিভাগৰ পাঠ্যক্ৰমত ভাষা, সাহিত্য আৰু সাধাৰণ সংস্কৃতি সামৰি লৈছিল। আন ভাৰতীয় বিশ্ববিদ্যালয়ে তুলনামূলক সাহিত্য বোলা এটা বিষয় উলিওৱাৰ আগতে তেনে বিষয়ৰ মৰ্ম সেই পাঠ্যক্ৰমৰ ধৰ্ম কৰা হৈছিল।" (বিশ্ববিদ্যালয়ৰ স্বপ্ন ঃ The Romance of a University, 2009, P. 552) অধ্যয়ন আৰু অধ্যাপনাৰ অভিজ্ঞতাৰে কাকতিয়ে বিভাগৰ পাঠ্যক্ৰম প্ৰস্তুত কৰিছিল।

বাণীকান্ত কাকতি বিশ্ববিদ্যালয়ৰ প্ৰথম কলাগুৰু (Dean, Faculty of Arts)ৰূপেও নিৰ্বাচিত হৈছিল। তেখেত বিশ্ববিদ্যালয় কোৰ্ট সভাৰো সদস্য আছিল। অসমীয়া বিভাগত নিজকে মনে-প্ৰাণে নিয়োজিত কৰাৰ উপৰিও উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈ, মুখ্য ন্যায়াধীশ এচ. কে. দত্ত, চিদানন্দ দাস, প্ৰফেছৰ ফণী দত্ত, বিৰিঞ্চিকুমাৰ বৰুৱা প্ৰমুখ্যে কেইবাগৰাকীও নিষ্ঠাৱান ব্যক্তিৰ লগ লাগি চালুকীয়া বিশ্ববিদ্যালয়খনৰ ক্ষিপ্ৰ উন্নতি আৰু সম্প্ৰসাৰণৰ বাবে আপ্ৰাণ চেষ্টা কৰিছিল। কাকতিদেৱৰ কৰ্তব্যনিষ্ঠা আৰু বিশ্ববিদ্যালয়খনৰ উন্নতিকল্পে আগবঢ়োৱা সহযোগৰ কথা কৃষ্ণকান্ত সন্দিকৈদেৱে উল্লেখ কৰিছে এইদৰে ঃ "Among the many people whose cooperation and goodwill facilitated the speedy growth of Gauhati University, Dr. Kakati and Sri Sarat Kumar Dutta were closely associated with me at the initial stage of the new institution. Apart from his scholarship, Dr. Kakati had a distinct personality that impressed his contemporaries old and young alike. ... I have never found a colleague more sympathetic and loyal and sincere in acting up to his principles. It was a happy idea to associate Dr. Kakati with the University as a teacher, and his work as Professor of Assamese and Dean of the faculty of Arts lent dignity to the academic status of a the teaching departments." (Handique, K. K. : Kakati : A Tribute ; Banikanta Kakati : The Men and His Works, 1988, P-10)

বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো কাকতি আছিল আদৰ্শ শিক্ষক, প্ৰেৰণাদাতা আৰু পথ-প্ৰদৰ্শক। অসমীয়া ভাষা-সাহিত্যৰ ভালেকেইগৰাকী নমস্য ব্যক্তিয়ে তেওঁলোকৰ প্ৰতিষ্ঠিত জীৱনত কাকতিদেৱৰ অনুপ্ৰেৰণাৰ কথা শ্ৰদ্ধাৰে সুঁৱৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ

অসমীয়া বিভাগৰ প্ৰথম চামৰ ছাত্ৰ গংগানাথ শৰ্মাই এইগৰাকী শিক্ষকৰ কথা এইদৰে স্মৰণ কৰিছে ঃ "১৯৪৯ খ্ৰীষ্টাব্দত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ত বিদ্যাৰ্থী হিচাপে ভৰ্তি হয়েই এই বিদগ্ধ, বিদ্বান পণ্ডিতজনৰ দৰ্শন লাভ কৰা মাত্ৰেই তেওঁৰ চৰণ তলত মূৰ দোঁ খাই গ'ল। অন্তৰত কিবা এক অপূৰ্ব জ্যোতিৰ প্ৰভাৱ আৰু স্পৰ্শ অনুভৱ কৰিলোঁ। কাকতি ছাৰৰ সুদূৰপ্ৰসাৰী, তীক্ষ্ণ-গভীৰ অথচ স্বপ্নালু চকুৰ দৃষ্টি দেখি মুগ্ধ হৈ গ'লোঁ। মহান দাৰ্শনিক ছক্ৰেটিছকহে যেন সাক্ষাৎ পালোঁ। ... অসমীয়া পঢ়া বিষয়টোত আঠখন অৰ্থাৎ ষোল্লখন 'হাফ' প্ৰশ্ন কাকত। দ্বিতীয় বছৰ আঠখন 'হাফ' কাকততেই ইংৰাজী সাহিত্যৰ পূৰ্ণ পয়োভৰ। ড° কাকতি ছাৰেই ইংৰাজী সাহিত্যৰ প্ৰায় সমস্ত বিষয় আৰু ভাষাতত্ত্ব নিজেই পঢ়াইছিল। কাকতি ছাৰৰ মহান ভাষাতত্ত্বৰ গ্ৰন্থ ঃ Assamese : Its formation and Development খন পাঠ্যক্ৰমত অন্তৰ্ভুক্ত আছিল। কাকতি ছাৰে ডিভাইন কমেডি, ৰোমান্টিক ৰিভাইভেল পিৰিয়ড, হেহ (Tess), ক্ৰাইম এণ্ড পানিচ্‌মেণ্ট আদি গভীৰ বিষয়সমূহ পঢ়ুৱাৰ সময়ত আমাৰ ছাত্ৰবোৰৰ লগতে ড° বিৰিঞ্চিকুমাৰ বৰুৱা, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰনাথ শৰ্মা আৰু ড° প্ৰফুল্লদত্ত গোস্বামী, কটন কলেজৰ ছাত্ৰ বসন্তকুমাৰ বৰুৱা আৰু মাজে মাজে অধ্যাপক ভৱানন্দ দত্তও বহিছিল। একে শাৰীতে বহা এই সকলোৱেই যেন ড° কাকতি ছাৰৰ ছাত্ৰহে।" (শৰ্মা, গংগানাথ ঃ ড° বাণীকান্ত কাকতি ছাৰৰ সান্নিধ্য; সোণালী সোঁৱৰণ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সোণালী জয়ন্তী, ২০০০ পৃঃ ৬৪) বাণীকান্ত কাকতিৰ পৰৱৰ্তীকালত অসমত ভাষা-চৰ্চাৰ বৈজ্ঞানিক ভিত্তি স্থাপনত আমি তিনিগৰাকী ব্যক্তিৰ নাম বিশেষভাৱে ল'ব পাৰোঁ, তেওঁলোক হ'ল— ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, ড° উপেন্দ্ৰনাথ গোস্বামী আৰু ড° গোলোকচন্দ্ৰ গোস্বামী। এই তিনিওগৰাকীয়ে বাণীকান্ত কাকতিৰ প্ৰত্যক্ষ ছাত্ৰ আছিল আৰু তেওঁলোকৰ জীৱনত কাকতিদেৱৰ প্ৰভাৱ আছিল অপৰিসীম। অসমীয়া বিভাগৰ প্ৰথম চামৰ ছাত্ৰ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যই বাণীকান্ত কাকতিয়ে তেওঁক কেনেদৰে আকৰ্ষণ কৰিছিল সেই কথা উল্লেখ কৰিছে এইদৰে— "কাকতিছাৰে নিজস্ব ঘৰুৱা পৰিবেশতে শ্ৰেণীকোঠাত পাঠদান কৰিছিল। তেওঁ একোটা বিষয়ত এঘণ্টা জুৰি পাঠদান কৰিছিল যদিও নিয়মীয়া পাঠদানৰ পাছতো অফিচত বহি ছাত্ৰসকল আৰু প্ৰফুল্লদত্ত গোস্বামী আদি কটন কলেজৰ অধ্যাপকসকলৰ লগত বিভিন্ন বিষয়ৰ আলোচনা কৰিছিল। বাণীকান্ত কাকতিক কেন্দ্ৰ কৰি এটা বৌদ্ধিক বৃত্তৰ সৃষ্টি হৈছিল যিটোক ইংৰাজী সাহিত্যৰ Dr. Johnson and his circle-ৰ আৰ্হিত Dr. Kakati and his circle আখ্যা দিব পাৰি। ড° কাকতিয়ে সাহিত্য জগতত এনে এক প্ৰভাৱশালী ভূমিকা গ্ৰহণ কৰা বাবে হয়তো তেখেতৰ প্ৰতি অধিক আকৰ্ষিত হৈছিলোঁ।" (প্ৰবীণ চন্দ্ৰ দাসৰ সৈতে হোৱা সাক্ষাৎকাৰ) সেইদৰে অসমীয়া বিভাগৰ দ্বিতীয় চামৰ ছাত্ৰ উপেন্দ্ৰ নাথ গোস্বামীদেৱকো বাণীকান্ত কাকতিয়ে আটাইতকৈ বেছি প্ৰভাৱিত কৰিছিল বুলি উল্লেখ কৰিছে। (প্ৰবীণ চন্দ্ৰ দাসৰ সৈতে হোৱা সাক্ষাৎকাৰ) তদুপৰি অসমীয়া বিভাগৰ চতুৰ্থ চামৰ ছাত্ৰ গোলোকচন্দ্ৰ গোস্বামীদেৱৰ প্ৰেৰণাদাতাও আছিল বাণীকান্ত কাকতি। গোস্বামীদেৱে অসমীয়া বিষয়ত এম. এ. পঢ়াৰ গুৰিতেই আছিল কাকতিদেৱৰ অনুপ্ৰেৰণা ঃ "ড° বাণীকান্ত কাকতি মোৰ শিক্ষা জীৱনত প্ৰেৰণাদাতা পৰম গুৰুসকলৰে এজন। অসমীয়া বিষয়ত মোৰ এম. এ. পঢ়াৰ গুৰিতে ড° কাকতি আৰু ড° বিৰিঞ্চিকুমাৰ বৰুৱাহে আছিল। মই শিক্ষা বিষয়ত পাৰিলে এম. এ. পঢ়াৰ কথা ভাবিছিলোঁ, ড° কাকতিয়ে মোক সেই বিষয়ত হতাশ কৰি অসমীয়াত এম. এ. পঢ়িবলৈ কৈছিল। ড° সুনীতিকুমাৰ চট্টোপাধ্যায় আৰু অন্যান্য পণ্ডিতসকলে কেনেদৰে বাংলা ভাষা-সাহিত্যৰ গৱেষণা কৰিছে সেইবোৰ আৰ্হি দাঙি ধৰি আমাৰ অসমীয়া ভাষা-সাহিত্যৰ গভীৰ আলোচনা-গৱেষণা যে প্ৰকৃতাৰ্থত হোৱাই নাই সেই কথা বুজাইছিল।" (এই প্ৰবন্ধৰ লেখকৰ সৈতে হোৱা সাক্ষাৎকাৰ) কাকতি পণ্ডিত-মনীষী হ'লেও তেখেতৰ ব্যক্তিত্বক পাণ্ডিত্যৰ গভীৰতাই ভাৰাক্ৰান্ত কৰি সাধাৰণ মানুহৰ পৰা পৃথক কৰিব পৰা নাছিল। সেয়ে তেওঁৰ সান্নিধ্যলৈ অহা সকলো ছাত্ৰ-ছাত্ৰীয়েই তেওঁৰ ব্যক্তিত্বৰ প্ৰতি আকৰ্ষিত হৈছিল। কাকতিদেৱৰ এগৰাকী ছাত্ৰী প্ৰীতি ভট্টাচাৰ্য্য (বৰুৱা) ই কাকতিৰ সান্নিধ্যৰ সোঁৱৰণ কৰিছে এইদৰে ঃ "পিতাৰ চেনেহৰে তেওঁ ছাত্ৰ-ছাত্ৰীক ঘেৰি ৰাখিছিল, প্ৰকৃত শিক্ষকৰ কৰ্তব্যবোধেৰে ছাত্ৰৰ জীৱনৰ গতি পোনাই দিয়াৰ চেষ্টা কৰিছিল; ছাত্ৰৰ ব্যক্তিগত আৰু পাৰিবাৰিক সস্নেহ অনুসন্ধান কৰি সহজ আৰু অকপট সৌহাৰ্দ্য গঢ়ি তুলিছিল। এনেকুৱাই আছিল ছাত্ৰ-ছাত্ৰীৰ বাবে কাকতি।" (সহজ মানুহ বাণীকান্ত কাকতি ছাৰ; ভাষাতত্ত্ববিদ বাণীকান্ত কাকতি, ১৯৯৪, পৃঃ ০২১) ছাত্ৰ আৰু গৱেষকক অধ্যয়নৰ বিষয়বস্তুৰ প্ৰতি আকৰ্ষিত কৰা, দায়িত্বশীল কৰি গঢ়ি তোলা, জ্ঞান অন্বেষণ আৰু সমালোচনাৰ প্ৰতি স্পৃহা জন্মোৱা, মৌলিক আৰু নিৰপেক্ষ বিচাৰৰ অনুশীলন কৰিবলৈ শিকোৱা, উপযুক্ত আৰু অনুপযুক্ত, প্ৰাসংগিক আৰু অপ্ৰাসংগিক তথ্যৰ মাজত পাৰ্থক্য বিচাৰেৰে অতিৰঞ্জন বৰ্জন কৰি সত্যত উপনীত হ'বলৈ উৎসাহিত কৰা আৰু সিদ্ধান্ত নিষ্পাদনৰ বাবে অনুপ্ৰেৰিত কৰা আদি বিশ্ববিদ্যালয়ৰ শিক্ষকৰ প্ৰয়োজনীয় গুণবোৰেৰে অধ্যাপক কাকতিয়ে এদল পণ্ডিত-গৱেষকৰ সৃষ্টি কৰি অসমীয়া বিভাগৰ শৈক্ষিক ভেটি সুদৃঢ় কৰি গঢ়ি তুলিছিল।

বিশ্ববিদ্যালয়ৰ কৰ্ম অকল অধ্যয়ন আৰু অধ্যাপনাতেই সীমিত নহয়, গৱেষণাও ইয়াৰ এক বিশেষ কৰ্ম। অতীত বুৰঞ্জীক লৈয়েই গৱেষণা কৰা হয় যদিও ভৱিষ্যতমুখিতাই ইয়াৰ সাৰ্থক দিশ। অতীতৰ পৰা উদ্ধাৰ কৰি অনা সমল আৰু সিদ্ধান্তই ভৱিষ্যতৰ বাট দেখুৱায়। সেয়ে অসমীয়া জাতিৰ ভৱিষ্যতৰ বাবে গৱেষণাও যে অতি প্ৰয়োজনীয় বিষয় সেই কথা কাকতিয়ে বিশ্বাস কৰিছিল। ইতিমধ্যে অসমত এক সুস্থ গৱেষণাৰ বাট কাটি দিয়া কাকতিক লৈ সকলোৱে আশাও কৰিছিল। উল্লেখযোগ্য যে পুৰণি অসমীয়া সাহিত্যৰ বিষয়ে বিশ্বৰ অন্যান্য প্ৰান্তৰ সাহিত্য অনুৰাগীৰ ওচৰত সম্যক পৰিচয় দিয়াৰ উদ্দেশ্যেৰে এঘাৰখন গৱেষণা পত্ৰৰে বিষয় সমৃদ্ধৰূপত কাকতিয়ে 'Aspects of Early Assamese Literature' নামৰ পুথি এখন সম্পাদনা কৰিছিল, যিখন বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰি উলিয়ায়। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পি. এইচ. ডি. লাভ কৰা প্ৰথম গৱেষক ত্ৰিমূৰ্তি— সত্যেন্দ্ৰ নাথ শৰ্মা, মহেশ্বৰ নেওগ আৰু প্ৰফুল্লদত্ত গোস্বামীৰ গৱেষণাৰ গুৰিতেই আছিল কাকতিৰ অনুপ্ৰেৰণা। মহেশ্বৰ নেওগে কাকতিৰ অধীনতে গৱেষণা কাৰ্য আৰম্ভ কৰিছিল, কিন্তু কৰ্তৃপক্ষৰ পৰা এই বিষয়ৰ স্বীকৃতি পত্ৰ লাভ কৰাৰ আগেয়ে ১৯৫২ চনৰ ১৫ নৱেম্বৰ তাৰিখে হঠাতে কাকতিৰ মৃত্যু হয়। নিঃসন্দেহে তেওঁৰ মৃত্যু আছিল নতুনকৈ প্ৰতিষ্ঠা হোৱা বিশ্ববিদ্যালয়খনৰ বাবে অপূৰণীয় ক্ষতি।

মাত্ৰ চাৰি বছৰ কাল বিশ্ববিদ্যালয়ক সেৱা আগবঢ়াই কাকতিয়ে অমৰধামলৈ গতি কৰিলে। কিন্তু কাকতিয়ে তেওঁৰ ছাত্ৰসকলক তথা পৰৱৰ্তী প্ৰজন্মক যি অনুপ্ৰেৰণা দিলে, আদৰ্শ দেখুৱালে আৰু গৱেষণাৰ কাৰণে এটা বৈজ্ঞানিক মন দিলে, সেয়াই ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক আদৰ্শ বিদ্যায়তনিক মান আৰু অফুৰন্ত প্ৰাণশক্তিৰ উৎসৰূপে বিবেচিত হৈ থাকিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ঐতিহ্যৰ বুনিয়াদ গঢ়োঁতাসকলৰ ভিতৰত কাকতি অন্যতম। সেয়ে কায়িক ৰূপত কাকতি অন্তৰ্হিত হ'ল সঁচা, কিন্তু যি spirit তেওঁ বিশ্ববিদ্যালয়খনক দি থৈ গ'ল সেয়া চিৰস্মৰণীয়।

বিশ্ববিদ্যালয়ৰ ইতিবৃত্ত

ড° বিৰিঞ্চি কুমাৰ বৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়

ড° কৃষ্ণ কুমাৰ মিশ্ৰ

গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ সংগ্ৰামৰ স'তে যিসকল বৰেণ্য ব্যক্তিৰ নাম জড়িত, তাৰ ভিতৰত ড° বিৰিঞ্চি কুমাৰ বৰুৱা অন্যতম। তেখেতে বিশ্ববিদ্যালয়খনৰ বেলিকা এগৰাকী নিষ্ঠাবান সংগঠক আৰু নিৰ্মাতাৰ ভূমিকা পালন কৰিছিল। অসমত বিশ্ববিদ্যালয় স্থাপনৰ দাবী আৰম্ভ হোৱাৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনলৈকে বুৰঞ্জী মেলি চালে এই কথাৰ যথাৰ্থতা অনুভৱ কৰিব পাৰি।

১৯১৭ চনতে পোনতে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ দাবী উঠিছিল। সেই সময়ত বিহাৰ, উৰিষ্যা, অসম, বঙ্গদেশকে সামৰি একেখন মাথোন বিশ্ববিদ্যালয় কলিকতাত আছিল। ভাৰতৰ ৰাজধানী কলিকতাৰ পৰা দিল্লী পোৱাৰ লগে লগে বিহাৰ, উৰিষ্যা (ওড়িষ্যা) আৰু বঙ্গদেশে সুকীয়া বিশ্ববিদ্যালয় লাভ কৰিলে। তেতিয়া অসমতো সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ দাবী উত্থাপিত হ'ল। কর্ণেল গৰ্ডন (কমিছনাৰ), ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাই আগভাগ ল'লে। 'বাঁহী'তো সেই প্ৰস্তাৱৰ সমৰ্থনত লেখা প্ৰকাশ পালে। কিন্তু কামত নাহিল, কলিকতাতে অসমখন সোমাই ৰ'ল। ফলস্বৰূপে অসম আৰু অসমীয়াৰ স্বাৰ্থযে বিশ্ববিদ্যালয়ে পূৰণ কৰাত ব্যৰ্থ হৈছে সেই কথা স্পষ্ট হৈ পৰিল। শিৱসাগৰত অনুষ্ঠিত অসম এছচিয়েশ্যনৰ বাৰ্ষিক অধিবেশনত সভাপতিৰ অভিভাষণত অসমত সুকীয়া বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তা সম্পৰ্কে যুক্তি দাঙি ধৰিলে সত্যনাথ বৰাদেৱে। কলিকতা বিশ্ববিদ্যালয়ে যে বঙ্গদেশৰ স্বাৰ্থ অনুসৰিহে চলে আৰু অসমক কোনো ক্ষেত্ৰতে গুৰুত্ব নিদিয়ে সেই কথা বৰাদেৱে উদাহৰণসহ উল্লেখ কৰিছিল।

অসমত বিশ্ববিদ্যালয় সম্বন্ধে হোৱা আন্দোলনৰ বিষয়ে হৰেন্দ্রনাথ কলিতাই এইদৰে লিখিছে ঃ

> ১৯১৭ চনৰ আগতে বিশ্ববিদ্যালয় সম্বন্ধে আন্দোলন হোৱাৰ কথা আমি নাজানো। কিন্তু ১৯১৭ চনৰ পৰা ১৯২৮ চনলৈকে বিশ্ববিদ্যালয় সম্বন্ধে বিভিন্ন সময়ত ৰিপ্ৰেজেণ্টেশ্যন বা আবেদন জনোৱা আৰু অসমত সুকীয়া বিশ্ববিদ্যালয়ৰ দাবী আদি নানাভাৱে কৰা হয়।
>
> কিন্তু আচল বিশ্ববিদ্যালয় আন্দোলন আৰম্ভ হয় ১৯২৮ চনৰ পৰা আৰু ই বিশেষ গঢ় লয় ১৯৩২ চনৰ পৰা। (গুৱাহাটী বিশ্ববিদ্যালয়ৰ আদি-কথা, ১৯৭৬)।

কলিতা ডাঙৰীয়া গুৱাহাটী একতা সভাৰ সম্পাদক হৈ থকা সময়তে ১৯২৮ চনত নবীন চন্দ্র বৰদলৈৰ সভাপতিত্বত বহা একতা সভাৰ বাৰ্ষিক অধিবেশনত দৈৱচন্দ্র তালুকদাৰে সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ বাবে দিয়া প্ৰস্তাৱে বিশেষ সঁহাৰি পোৱা নাছিল। আমাৰ ছাত্র-ছাত্রীসকল এইদৰে বহুদিন ধৰি উচ্চ শিক্ষা লাভৰ সুবিধাৰ পৰা বঞ্চিত হৈ আহিছিল।

কলিকতা বিশ্ববিদ্যালয়ে অসমীয়া ভাষাক মূল ভাষা ৰূপে গ্রহণ কৰাৰ ব্যৱস্থা লোৱা নাছিল। ছাৰ আশুতোষ মুখাৰ্জীয়ে পোনতে অসমীয়া ভাষাক 'ইণ্ডিয়ান ভাৰ্নেকুলাৰ' বিভাগত গৌণ (চাবচিডিয়াৰি) ভাষা ৰূপে স্থান দিছিল। মেট্রিকুলেছনৰ পাঠ্যপুথিকে এম. এ. তো পঢ়োৱা হৈছিল। সেই সময়ত ড° বিৰিঞ্চি কুমাৰ বৰুৱা আছিল কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অন্যতম অধ্যাপক। "তেখেতে এই বিষয়ে উঠিপৰি লাগি এছামিজ- ষ্টুডেণ্টচ-ওয়েলফেয়াৰ লীগৰ (Assamese Students Welfare league) তৰফৰ পৰা অসম চৰকাৰ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ কৰ্মকৰ্তাসকলক ধৰি-মেলি অসমীয়াক মুখ্য ভাষা (Principal Language) স্বৰূপে গ্রহণ কৰালে।"

১৯৩১ চনত ব্যয়-সংকোচনৰ অৰ্থে কটন কলেজত থকা ইংৰাজীৰ এম. এ. শ্রেণীটো উঠাই দিয়া হয়। আনহাতে আৰ্ল কলেজখনো উঠাবৰ বাবে হেঁচা প্রয়োগ কৰা হৈছিল। এনে পৰিস্থিতিত সুকীয়া বিশ্ববিদ্যালয়ৰ প্রসঙ্গটোৱে জোৰেৰে মূৰ দাঙি উঠিল। ১৯৩২ চনত কলিকতাৰ এ.এছ-এল ক্লাবৰ এখন বিশেষ অধিবেশনত অসমত সুকীয়া বিশ্ববিদ্যালয় পতাৰ প্রস্তাৱ গ্রহণ কৰি তাক কার্য্যকৰী কৰাৰ নিমিত্তে অসম ছাত্র সম্মিলনক অনুৰোধ কৰা হয়। কিছুদিন আগৰে পৰা 'অসমীয়া', 'বাতৰি', 'টাইমছ্ অব্ আসাম', 'আ�ৱাহন', 'বাঁহী' আদি বাতৰি কাকত-আলোচনীত সুকীয়া বিশ্ববিদ্যালয়ৰ সপক্ষে জনমত প্রকাশ হৈছিল। ঠায়ে ঠায়ে সভা-সমিতি অনুষ্ঠিত হৈছিল। আৱাহন (৪র্থ বছৰ ২য় সংখ্য) আলোচনীৰ সম্পাদকীয়ৰ উপৰি ঢাকা বিশ্ববিদ্যালয়ৰ পৰা ড° ময়িদুল ইছলাম বৰাই লেখা প্রবন্ধই (৪র্থ বছৰ ৫ম সংখ্যা) এই বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিছিল।

কিন্তু বিশ্ববিদ্যালয় আন্দোলনৰ ঘাই গুৰি ধৰোঁতা আছিল আছামিজ-ষ্টুডেণ্টচ-ওৱেলফেয়াৰ-লীগ। এই অনুষ্ঠানৰ উদ্যোক্তাসকল আছিল মাধৱ চন্দ্র বেজবৰুৱা, জীৱনৰাম ফুকন, বিৰিঞ্চি কুমাৰ বৰুৱা, ৰোহিনী কান্ত বৰুৱা, মধুসূদন দাস, কামাখ্যা প্রসাদ ত্রিপাঠী, নন্দীপ্রসাদ কটকী, নাৰায়ণ চন্দ্র ভট্টাচার্য্য, কমলাপ্রসাদ আগৰৱালা, চিদানন্দ দাস, কুমুদাভিৰাম দাস, যোগেন্দ্র নাথ শইকীয়া, হিতেন্দ্রকুমাৰ বৰুৱা, উপেন্দ্র নাথ বৰুৱা আদি তেতিয়াৰ কলিকতা-প্রবাসী অসম হিতৈষী ছাত্রসকল। লীগৰ হকে অসমত জনমত গঠনৰ বাবে আহে মাধৱ বেজবৰুৱা। অচিৰেই সমগ্র অসমত আন্দোলনে গতি লাভ কৰে। নগাঁও আৰু গুৱাহাটীত অনুষ্ঠিত সভাত কার্য্যকৰী ব্যৱস্থা গ্রহণৰ উদ্যোগ লোৱা হয়। ১৯৩৫ চনৰ ৩০ এপ্রিল তাৰিখে গোপীনাথ বৰদলৈৰ সভাপতিত্বত কার্জন হলত (নবীন বৰদলৈ হল) বহা এখন ৰাজহুৱা সভাৰ সিদ্ধান্ত ক্রমে বৰদলৈক সম্পাদক হিচাপে লৈ বিশ্ববিদ্যালয় সমিতি এখন গঠন কৰা হয় (৪মে' ১৯৩৪)। তাৰ পাছত অসমৰ বিভিন্ন ঠাইত সভা-সমিতি পাতি সমদল উলিয়াই সমাৰোহেৰে 'বিশ্ববিদ্যালয় দিন' পালন কৰা হয় (১৯৩৫ চনৰ ২২মে')। এইখিনিতে উল্লেখ কৰিব পাৰি যে ছেড্লাৰ কমিছনে অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয় স্থাপনত পোষকতা কৰিছিল কিন্তু তেতিয়াৰ শিক্ষা বিভাগৰ ডিৰেক্টৰ কানিংহাম চাহাবে নিজৰ প্রতিবেদনত কূটনীতিৰ আশ্রয় লৈ অসমক বঞ্চনা কৰিবলৈ বিচাৰিছিল। আনহাতে কটন কলেজৰ তদানীন্তন অধ্যক্ষ ৰবাৰ্টছ চাহাবে বছৰেকীয়া প্রতিবেদনত (১৯৩১-৩২) সুকীয়া বিশ্ববিদ্যালয়ৰ সপক্ষে লিখিছিল। যি কি নহওক কানিংহাম ৰিপৰ্টৰ বিৰোধিতা কৰি ১৯৩৬ চনৰ ২৫ মার্চ তাৰিখে গুৱাহাটীত কামাখ্যাৰাম বৰুৱাৰ সভাপতিত্বত বহা সভাই প্রবল প্রতিবাদ জনালে। পিছে বিশ্ববিদ্যালয়ৰ স্থান লৈ টনা-আঁজোৰা চলি থাকিল। কানিংহাম সমর্থিত ছিলং, নে ছিলেট নে গুৱাহাটী? ফলস্বৰূপে বিশ্ববিদ্যালয় স্থাপনৰ প্রস্তাৱটোৱেই বাতিল হৈ গ'ল।

তথাপি মূল বিষয়টো তল পৰা নাছিল। এইবাৰ বেচৰকাৰীভাৱে এখন

স্বতন্ত্র মর্যাদাৰ বিশ্ববিদ্যালয় পতাৰ বাবে পুনৰ কলিকতাতে উদ্যোগ আৰম্ভ হ'ল। কলিকতাৰ অম্বিকানাথ বৰাৰ ঘৰত এখন সভা আহবান কৰা হ'ল। আহ্বায়ক আছিল হৰেন্দ্ৰ নাথ কলিতা। অসমৰ বহু সম্ভ্রান্ত লোকৰ উপস্থিতিত তাৰাপ্রসাদ চলিহাৰ সভাপতিত্বত বহা সেই সভাতে 'গুৱাহাটী বিশ্ববিদ্যালয়' স্থাপনৰ বীজ ৰোপিত হয়। সভাত এখন বিশ্ববিদ্যালয় সম্মিলন পতাৰ সিদ্ধান্ত গ্রহণ কৰি মাধৱচন্দ্র বেজবৰুৱাৰ ওপৰত প্রচাৰৰ দায়িত্ব ন্যস্ত কৰা হয়। 'জয়ন্তী' আৰু 'বাঁহী'ত এই সম্পর্কে লেখা-মেলা প্রকাশ হৈছিল। মাধৱচন্দ্র বেজবৰুৱাই নীলমণি ফুকনৰ সহযোগত শিৱসাগৱৰ কালিপ্রসাদ মেমৰিয়েল হলত গুৱাহাটী বিশ্ববিদ্যালয় সম্মিলনৰ আয়োজন কৰে। ১৯৪৪ চনৰ ১ অক্টোবৰ তাৰিখে বেণুধৰ শর্মাৰ সভাপতিত্বত বহা এই সম্মিলনৰ উদ্দেশ্য ব্যাখ্যা কৰে মাধৱ বেজবৰুৱাই। সম্মিলনত গোপীনাথ বৰদলৈক সভাপতি ৰূপে লৈ সাতজনীয়া 'ট্রাষ্ট-বোর্ড' এখন গঠন কৰা হয়। বোর্ডৰ আন সদস্যসকল আছিল শৱৎ চন্দ্র গোস্বামী (সম্পাদক), চাৰ ছৈয়দ মহম্মদ ছাদুল্লা, খান বাহাদুৰ ছৈয়দুৰ ৰহমান, কৃষ্ণকান্ত সন্দিকৈ, হেৰম্বপ্রসাদ বৰুৱা, শৈলেন্দ্র প্রসাদ বৰুৱা। প্রচাৰ কার্য্যৰ দায়িত্ব পূর্বৰ দৰে মাধৱ বেজবৰুৱাৰ গাতে পৰে।

শিৱসাগৱত বহা ৰাজহুৱা সভাৰ সিদ্ধান্তক্রমে ১৯৪৪ চনৰ ২৯ আৰু ৩০ ডিচেম্বৱত গুৱাহাটীৰ কামৰূপ একাডেমী স্কুলত বিশ্ববিদ্যালয়ৰ প্রতিনিধি সভা বহে। সভাপতি আছিল কাকাচাহেব কালেলকাৰ। অসম উপত্যকাৰ প্রত্যেক মহকুমাৰ পৰা দুজনকৈ প্রতিনিধি আহিছিল। কলিকতাৰ প্রতিনিধি আছিল মাধৱ চন্দ্র বেজবৰুৱা আৰু হৰেন্দ্র নাথ কলিতা। সেই সময়ত বিৰিঞ্চি কুমাৰ বৰুৱা আছিল উজান বজাৰত পুৰণি দুমহলীয়া টিনৰ এটা ঘৰত। (সেই ঠাইতে বর্তমানৰ ঘৰ)। পুৰণি ঘৰটোৰ পশ্চিম ফালৰ তলৰ এটা কোঠা প্রতিনিধি সভাৰ কার্য্যালয় হিচাপে ব্যৱহাৰ কৰা হৈছিল। বেজবৰুৱা আৰু কলিতা দুয়ো বিৰিঞ্চি কুমাৰ বৰুৱাৰ ঘৰতে আছিল। সেইবাবে "এই ঘৰুৱা বৈঠকৰ আলোচনাবোৰত বিশেষ অংশ গ্রহণ কৰিছিল স্বর্গীয় বিৰিঞ্চি কুমাৰ বৰুৱা আৰু স্বর্গীয় জীৱনৰাম ফুকনে আৰু তাৰ আহিলাপাতি যোগাইছিল স্বর্গীয় মাধৱ চন্দ্র বেজবৰুৱা আৰু স্বর্গীয় আবদুৰ ৰেজাক চাহাবে।" দুর্ভাগ্যৰ কথা যে প্রতিনিধি সভাৰ দহ দিন আগতে সম্পাদক শৱৎ চন্দ্র গোস্বামীৰ আকস্মিক বিয়োগ ঘটিছিল (১৯ ডিচেম্বৱ ১৯৪৪)।

তথাপি নির্দিষ্ট তাৰিখতে প্রতিনিধি সভা অনুষ্ঠিত হৈছিল। বিশ্ববিদ্যালয়ৰ নামটো লৈ তর্ক-বিতর্ক হৈছিল যদিও অৱশেহত সর্বসম্মতিক্রমে 'গুৱাহাটী বিশ্ববিদ্যালয়' ৰখাৰে সিদ্ধান্ত হয়। শৱৎ চন্দ্র গোস্বামীৰ ঠাইত ফখৰুদ্দিন আলি আহমদ চাহাবক সম্পাদকৰ দায়িত্ব দিয়া হয়।

এইবাৰ বিশ্ববিদ্যালয় স্থাপনৰ উদ্যোগ পুৰাদমে নিষ্ঠা আৰু আন্তৰিকতাৰে আগুৱাবলৈ ধৰিলে। " " বৰদলৈদেৱৰ নায়কত্বত এদল লোক মনৰ দৃঢ়সংকল্প লৈ মন ডাঠ কৰি বিশ্ববিদ্যালয়ৰ কামত আগবাঢ়ি আহিল। সেই সকলোৰে অগ্রগণী আছিল " মাধৱ চন্দ্র বেজবৰুৱা, " ড° বিৰিঞ্চি কুমাৰ বৰুৱা, " জীৱনৰাম ফুকন, " ডাঃ ভুবনেশ্বৰ বৰুৱা আদি লোকসকল।"

কাম-কাজ নিয়াৰিকৈ চলাবলৈ ট্রাষ্ট বোর্ড কমিটিৰ বিভিন্ন শাখাৰ কেবাজনো সহকাৰী সম্পাদক আছিল। প্রধান সাধাৰণ বিভাগৰ সহকাৰী সম্পাদক ৰূপে বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ৰমেশ চন্দ্র চৌধুৰী, কেন্দ্রীয় কার্য্যালয়ত মহেশ্বৰ নেওগ আৰু কলিকতাত প্রচাৰ বিভাগৰ দায়িত্বত কার্য্যনির্বাহ কৰিছিল মাধৱ চন্দ্র বেজবৰুৱা আৰু হৰেন্দ্রনাথ কলিতাই। পুঁজি সংগ্রহৰ বাবে অসমৰ ভিন ভিন ঠাইত টিকট বিক্রীৰ ব্যৱস্থা কৰা হৈছিল। এনেদৰে ঠায়ে ঠায়ে পুঁজি সংগ্রহৰ বাবে যোৱা দলটোৰ অন্যতম সদস্য আছিল বিৰিঞ্চি কুমাৰ বৰুৱা। সংগঠনৰ ঘাই দায়িত্ব বহন কৰিছিল গুৱাহাটীত বিৰিঞ্চি কুমাৰ বৰুৱা, ডিব্রুগড়ত জীৱনৰাম ফুকন আৰু কলিকতাত মাধৱ চন্দ্র বেজবৰুৱাই। বিশ্ববিদ্যালয় স্থাপনৰ বাবে দেহে-কেহে খটা মাধৱ বেজবৰুৱাৰো অকাল বিয়োগ ঘটিল, স্বপ্নৰ বাস্তৱায়িত ৰূপ তেওঁ স্বচক্ষে দেখিবলৈ নেপালে। ভাৰতবর্ষ ইতিমধ্যে স্বাধীন হৈছিল। বিশ্ববিদ্যালয় স্থাপনৰ বাবে অসমত হোৱা আন্দোলনৰো সফল সমাপ্তি ঘটিছিল। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হৈছিল। অসমৰ তেতিয়া ৰাজ্যপাল আছিল চাৰ আকবৰ হায়দাৰি। তেখেতৰ সভাপতিত্বতে অনুষ্ঠিত হৈছিল গুৱাহাটী বিশ্ববিদ্যালয় কোর্টৰ প্রথম বৈঠক। ফণীধৰ দত্ত হৈছিল প্রথম ৰেজিষ্ট্রাৰ, সূর্য্যকুমাৰ ভূঞাই তাৰ আগলৈকে বিশেষ বিষয়াৰূপে কাম কৰি আছিল। শৈলধৰ ৰাজখোৱা আৰু শৱৎ কুমাৰ দত্ত আছিল ক্রমান্বয়ে প্রথম কোষাধ্যক্ষ আৰু বিশ্ববিদ্যালয়ৰ শ্রেণীসমূহৰ সচিব। ১৯৪৮ চনৰ ২৩ ফেব্রুৱাৰীত প্রথম গৰাকী উপাচার্য্যৰ দায়িত্ব লৈছিল কৃষ্ণকান্ত সন্দিকৈয়ে।

পৰবর্তী কালত ড° বিৰিঞ্চি কুমাৰ বৰুৱাই গুৱাহাটী বিশ্ববিদ্যালয়ত বিভিন্ন দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল। ড° বাণীকান্ত কাকতি, ড° বিৰিঞ্চি কুমাৰ বৰুৱা আৰু মহেশ্বৰ নেওগ- এই তিনিওজনাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগটোত গতিশীলতা প্রদান কৰিছিল। ড° বৰুৱাই অসমীয়া পাঠ্যপুথিৰ প্রস্তুতি, কটন কলেজত ঐচ্ছিক বিষয়ৰূপে অসমীয়াৰ প্রৱর্তন আদি কামৰ যোগেদি ইতিমধ্যেই অসমীয়া বিষয়টোক পৰিপূর্ণ বিদ্যায়তনিক মর্যাদা দানত সফল হৈছিল। অসমীয়া বিভাগৰ উপৰি বাংলা বিভাগৰ মুৰব্বী অধ্যাপক পদতো ড° বৰুৱাই কার্য্যনির্বাহ কৰিছিল (অস্থায়ীভাৱে)। বিশ্ববিদ্যালয়ৰ প্রথমখন কার্য্যবাহী পৰিষদৰ এগৰাকী মাননীয় সদস্যৰূপেও সামগ্রিকভাৱে বিশ্ববিদ্যালয়খনৰ উন্নতিকল্পে কাম কৰিছিল। পূর্বসূৰী ড° বাণীকান্ত কাকতিৰ সোঁৱৰণত এলানি বক্তৃতা আয়োজনৰ বাবে এটা আছুতীয়া পুঁজি গঠন কৰি প্রথম দুটা বক্তৃতা দুগৰাকী প্রথিতযশা পণ্ডিতৰ (ড° সুনীতি কুমাৰ চট্টোপাধ্যায় আৰু ড° কে. এ. নীলকণ্ঠ শাস্ত্রী) দ্বাৰা সুসম্পন্ন কৰাইছিল। ড° বৰুৱা আছিল এগৰাকী দুৰদর্শী শিক্ষা-প্রশাসক আৰু লগতে সুনিপুণ সংগঠক। তেখেতৰ 'বিদ্যুৎসদৃশ গতিশীলতা'ৰে সাংগঠনিক প্রতিভা উজলি উঠিছিল। ড° ভগৱান চন্দ্র লহকৰে এইদৰে উল্লেখ কৰি থৈ গৈছে ঃ

Dr. Barua was very closely connected with every aspect of the life of the University, and worked heart and soul till the last day of his life for the progress and improvement of the Atma-mater. (Professor Birinchi Kumar Baruah commemoration volume. Ed. Dr. M. Neog and Dr. M. M. Sharam, 1966)

কিন্তু প্রতিভা আৰু দক্ষতাও যে মানুহৰ বৈৰী হ'ব পাৰে সেই কথা ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱনতে দেখা পোৱা যায়। উদ্ধৃত গ্রন্থখনতে তেখেতৰ সমকালৰ সহযোগী যোগেন্দ্র নাথ শইকীয়াই লিখিছে ঃ

Had Dr. Baruah any faults? Yes he had faults. I donot think that creation of perfection is any part of the scheme of the creator. He had faults, but his faults are those of a big man without any tinge of measures. He was impetuous and emotional and as such he lost his temper sometimes. But he was ever ready to make amends shortly afterwards.

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইতিহাসৰ স'তে ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ নাম সংপৃক্ত হৈ আছে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ হকে জীৱন উছর্গা কৰি যোৱা ড° বৰুৱা আছিল যথার্থতে এগৰাকী সফল কর্মযোগী।

বিশ্ববিদ্যালয়ৰ ইতিবৃত্ত



'জীৱন-বৃত্ত'ৰ পাতত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ কথা...



ড° ভবেন্দ্ৰ নাথ শইকীয়া

... ভাৰত চৰকাৰে দেশখনৰ সংবিধানস্বীকৃত চৈধ্যটা ভাষাত বিশ্ববিদ্যালয় পৰ্যায়ৰ পাঠ্যপুথি প্ৰস্তুত কৰাৰ আঁচনি গ্ৰহণ কৰিলে। চৰকাৰে প্ৰতিটো ভাষাৰ কাৰণে এক কোটিকৈ টকা দিব, আৰু সংশ্লিষ্ট ৰাজ্যৰ চৰকাৰখনে আঁচনিখন বাস্তৱত ৰূপায়িত কৰাৰ কাম হাতত লব। অসমীয়া ভাষাত পাঠ্যপুথি প্ৰস্তুত কৰাৰ প্ৰস্তাৱটো আহিল অসম চৰকাৰলৈ; অসম চৰকাৰে সেই দায়িত্বটো দিলে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ক। ভাৰত চৰকাৰৰ আঁচনি মতে এই কামটো কৰাৰ বাবে এজন ডাই�ৰেক্টৰৰ অধীনত এটা কাৰ্যালয় প্ৰতিষ্ঠা কৰিব লাগে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডাইৰেক্টৰ নিয়োগ কৰাৰ সময়ত ওপৰ মহলত মোৰ নামটো উত্থাপিত হোৱা বুলি শুনিবলৈ পালো। তাৰ পাছতে মোৰ মনৰ ভিতৰত তৰ্কাতৰ্কিৰ শেষ পৰ্যায়টো আৰম্ভ হ'ল। যদি মোক সেই পদটো দিয়া হয়, তেনেহ'লে মই লমনে? শেষত লম বুলি সিদ্ধান্ত কৰিছিলো। আগৰে পৰা চলি অহা অন্তৰ্দ্বন্দ্বৰ শেষত মই এটা যুক্তি থিয় কৰাইছিলো ঃ ক্লাছত পঢ়াবলৈ শিক্ষক ওলাই থাকিব। ফিজিক্সৰ ক্ষেত্ৰত মোতকৈ চোকাবুদ্ধিৰ বহু লোক ওলাব। তেওঁলোকৰ বহুতে মোতকৈ ভালকৈয়ে পঢ়াব পাৰিব। কিন্তু মই এনেকুৱা কাম কেইটামান কৰিব পাৰিম, —যিকেইটা তেওঁলোকে মোৰ সমান দক্ষতাৰে কৰিব নোৱাৰিব। মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফিজিক্স ডিপাৰ্টমেণ্ট এৰিলে ৰাজ্যখনৰ, বিশ্ববিদ্যালয়ৰ একো ক্ষতি নহয়; কিন্তু অন্য এখন ক্ষেত্ৰৰ পৰা মই ৰাজ্যখন আৰু বিশ্ববিদ্যালয়ক বেছিকৈ সহায় কৰিব পাৰিম। প্ৰয়োজনীয়, উল্লেখযোগ্য কংক্ৰিটৰ কাম এটা কৰিব পাৰিম। কলেজৰ কাৰণে অসমীয়া ভাষাত পাঠ্যপুথি প্ৰস্তুত কৰা আঁচনিখনৰ অধীনত তেনে কাম কৰাৰ সম্ভাৱনা আছিল।

মই বিজ্ঞানৰ শিক্ষক, অসমীয়া ভাষাৰ লগত মোটামুটিভাৱে মোৰ ভাল সম্পৰ্ক এটা থকাৰ প্ৰমাণ পোৱা গৈছে, বিশ্ববিদ্যালয় চৌহদৰ অন্যান্য কিছুমান কামৰ ক্ষেত্ৰতো মোৰ কিছুমান লক্ষণ প্ৰকট হৈছে— এই সকলো কথা বিবেচনা কৰি কৰ্তৃপক্ষই মোক আঁচনিখনৰ মুখ্য বিষয়াৰ পদত নিযুক্তি দিলে। পদবীটোৰ নাম ডাইৰেক্টৰ নহ'ল। আঁচনিখনৰ কাৰণে কৰ্তৃপক্ষই এখন সমিতি পাতিলে। সমিতিৰ নাম হ'ল,— পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় (University Coordination Committee for Production of Textbooks in the Regional Language, Gauhati University)। কৰ্তৃপক্ষই মোক সেই সমিতিৰ ছেক্ৰেটেৰি পাতিলে। সমিতিখনৰ ইংৰাজী নামটোৰ আগত University শব্দটো ৰখাৰ কাৰণ হ'ল,— গুৱাহাটী আৰু ডিব্ৰুগড়— এই দুয়োখন বিশ্ববিদ্যালয়ৰ সমিতি দুখনৰ কাম-বন চোৱাৰ বাবে অসম চৰকাৰে এখন State Coordination Committeeও স্থাপন কৰিছিল। তিনিটা প্ৰধান কাৰণত মই এই আঁচনিখনৰ কামৰ কথা অলপ বহলাই লিপিবদ্ধ কৰিম ঃ প্ৰথম কাৰণ,—প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীত অসমীয়া মাধ্যম প্ৰৱৰ্তন কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্ত আৰু 'মাধ্যম আন্দোলন'ৰ লগত এই আঁচনিখনৰ কাম ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। দ্বিতীয় কাৰণ,—সেই সমিতি এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত সেই নাম আৰু সেই ৰূপত নাই, গতিকে বুৰঞ্জীৰ খাতিৰতে কিছু কথা লিপিবদ্ধ কৰি থোৱাটো প্ৰয়োজনীয়। তৃতীয় কাৰণ,— আঁচনিখন কামলৈ ৰূপান্তৰিত কৰাৰ প্ৰথম পাঁচটা বছৰ শাৰীৰিক পৰিশ্ৰম, মানসিক পৰিশ্ৰম, উৎকণ্ঠা আৰু সময় খৰচৰ ফালৰ পৰা মোৰ চাকৰি-জীৱনৰ আটাইতকৈ কষ্টকৰ সময় আছিল। সেই কেইবছৰৰ কামক মই বৰ মূল্যবান কাম বুলি গণ্য কৰিছিলো।

ফিজিক্স ডিপাৰ্টমেণ্টৰ পৰা নিৰৱে, গধুৰ মনেৰে ওলাই আহিছিলো। সেইটো এটা ডিপাৰ্টমেণ্ট, — এটা বিভাগ এৰি থৈ অহাৰ কথা নাছিল; এটা ছাবজেক্ট, —এটা বিষয় এৰি থৈ অহাৰ কথা আছিল। বিষয়টো মই অন্তৰেৰে ভাল পাইছিলো। আবেগিক হৈ কল্পনা ৰাজ্যত প্ৰৱেশ কৰি ললে কথাটো এনেকৈ প্ৰকাশ কৰিব পাৰোঁ ঃ পৰজনম বোলা কথা এটা যদি আছে, তেনেহ'লে সেই জনমত মই যেনেকৈ আকৌ মোৰ ছোৱালীহঁত জিণ্টি-ৰশ্মিৰ দেউতাক হোৱাটো বাঞ্ছা কৰিম, তেনেকৈ আকৌ ফিজিক্স মোৰ অধ্যয়নৰ মূল বিষয় হোৱাটোকে বাঞ্ছা কৰিম।

ইলেকট্ৰন ডিফ্ৰেকশ্যন কেমেৰাটো এদিন আহি পাবহি; সেইদিনা সেইটোৰ কি অৱস্থা হ'ব, —সেই সম্পৰ্কে দুশ্চিন্তাত পৰা নাছিলো; কাৰণ ইতিমধ্যে আমাৰে সতীৰ্থ কন্দৰ্প কুমাৰ কাকতীয়ে ইম্পিৰিয়েল কলেজৰ সেইটো লেবৰেটৰিতে, ড° উইলমেনৰ তত্ত্বাৱধানতে গৱেষণা কৰি, ডক্টৰেট লৈ আকৌ আমাৰ লগ লাগিছিলহি। ড° উইলমেনৰ লগত তেওঁৰ যোগাযোগ ময়েই কৰি দিছিলো। ডিপাৰ্টমেণ্টটো এৰাৰ সময়ত মই ভাবিছিলো,— যন্ত্ৰটো আহিলে ড° কাকতীয়ে সেইটো পাতি লৈ কাম আৰম্ভ কৰিব। তেনেকৈ ভাবি মই পাঠ্যপুথিৰ মাজত সোমালোহি; যন্ত্ৰটো আহিল, সময় বাগৰিল; আৰু এদিন গল-ব্লাডাৰৰ বাবে কৰা অস্ত্ৰোপচাৰৰ পাছত গুৱাহাটী মেডিকেল কলেজৰ হস্পিটেলতে ড° কাকতীৰ মৃত্যু হ'ল। সেইটো মোৰ কাৰণে অভাৱনীয়, মৰ্মান্তিক ঘটনা আছিল। ডিপাৰ্টমেণ্টৰ বাহিৰে-ভিতৰে তেওঁ মোৰ এজন পৰম সুহৃদ আছিল।

পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব হিচাপে নিযুক্তি পোৱাৰ পাছত এদিন আমাৰ ঘৰলৈ আহিছিল— দুজন ছাত্ৰ, —দীনেশ চন্দ্ৰ গোস্বামী আৰু দিলীপ কুমাৰ নেওগ। তেওঁলোকে মোক কৈছিল, — আপুনি ফিজিক্স এৰি অহাটো আমি ভাল পোৱা নাই। আমি বিশ্ববিদ্যালয় কৰ্তৃপক্ষক তাৰ পৰা আপোনাক নানিবলৈ অনুৰোধ কৰিব খুজিছোঁ। মই কৈছিলো, — নালাগে দিয়া। তাৰ পৰা আহি মই নিজেই দুখ পাইছোঁ; কিন্তু এটা ডাঙৰ কামৰ সম্ভাৱনা দেখিছোঁ, —সেইটো কৰি চাওঁচোন। তেওঁলোক মান্তি হৈছিল। (ড° দীনেশ চন্দ্ৰ গোস্বামী বৰ্তমানে যোৰহাটৰ আঞ্চলিক গৱেষণাগাৰৰ পৰিকল্পনা বিভাগৰ মুৰব্বী বিষয়া, আৰু দিলীপ কুমাৰ নেওগ

অসমৰ কাৰাগাৰ বিভাগৰ ডেপুটি ইন্সপেক্টৰ জেনেৰেল।) মই শিক্ষক হিচাপে কেনেকুৱা আছিলো, সেইটো বিচাৰ কৰা সম্পৰ্কীয় দুটা ঘটনা মোৰ মনত পৰে। তাৰে এটা হ'ল এইটো। ইটো ঘটনা তাৰ ভালেমান দিনৰ আগৰ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন আঁচনিৰ অধীনত আমাৰ ডিপার্টমেণ্টত কেইবছৰমানৰ গৰমৰ বন্ধত Summer institute-অৰ ব্যৱস্থা কৰা হৈছিল। সেই দেশৰ পৰা এগৰাকী শিক্ষক আহে; ড° পবন চন্দ্ৰ মহন্ত ছাৰে আমাৰ কেইজনমানকো তেখেতৰ লগ লগাই দিয়ে; আমি সকলোৱে মিলি বিশেষভাৱে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীকেইজনমানক পঢ়াওঁ। পঢ়োৱাৰ বিষয়বস্তুও অলপ অভিনৱ, ধৰণটোও অলপ বেলেগ। বিষয়বস্তু সম্পৰ্কীয় কিতাপ-পাতি আৰু যন্ত্ৰপাতি আমেৰিকাৰ পৰাই আহে। প্ৰথম বছৰৰ ইনষ্টিটিউটৰ কাৰ্যকাল শেষ হোৱাৰ দিনা ছাত্ৰ-ছাত্ৰীসকলক একোখন ফৰ্ম ফিল-আপ কৰিবলৈ দিয়া হৈছিল। তাত ইনষ্টিটিউটৰ বিভিন্ন কাৰ্যসূচী সম্পৰ্কে অভিমত ব্যক্ত কৰাৰ লগতে তেওঁলোকক লিখিবলৈ দিয়া হৈছিল, —শিক্ষকসকলৰ ভিতৰত কাক তোমালোকে প্ৰথম স্থান দিবা। তেওঁলোকে সেই ঠাইত মোৰ নাম লিখিছিল। অমায়িকতাৰ হাজাৰ দোহাই দিলেও মই এই কথাটো নোকোৱাকৈ নাথাকিলোহেঁতেন। এই কথাটো ব্যক্ত কৰাত যিকণ অহংকাৰৰ আভাস পোৱা গৈছে, সেইকণ অহংকাৰ মোৰ কাৰণে উপভোগ্য সম্পদ।

এখন সমিতি পতা হ'ল, সমিতিৰ সচিব এজন নিযুক্ত কৰা হ'ল; কিন্তু ছেক্ৰেটেৰি ক'ত বহিব সেই ব্যৱস্থাটো হোৱা নাছিল। উপাচাৰ্য ড° মথুৰানাথ গোস্বামীয়ে লাইব্ৰেৰিয়ান শ্ৰী যোগেশ্বৰ শৰ্মাৰ লগত আলোচনা কৰি ঠিক কৰিলে, লাইব্ৰেৰিৰ এটা কোঠালিত মোক বহিবলৈ দিয়া হওক। শ্ৰী শৰ্মাই উপাচাৰ্যৰ কথা পেলাব নোৱাৰি মুৰ দুপিয়ালে হয়, কিন্তু আচলতে সেই সময়ত লাইব্ৰেৰিৰ ঘৰটোত খালী কোঠালি নাছিল। এটা কোঠালিত বহুতো চকী-মেজ দ'মাই থোৱা আছিল। সেইটো কোঠালিৰ কথা ভাবিয়েই তেখেতে মুৰ দুপিয়াইছিল। এখন ডাঙৰ মেজৰ ওপৰত তুলি থোৱা চকীবোৰ দ'মটোৰ ওপৰলৈ তুলি দি মেজখন খালী কৰা হ'ল, আৰু এখন চকী বহিব পৰাকৈ পাতি দিয়া হ'ল। সেইখন চকীতে বহি মই পাঠ্যপুথি প্ৰস্তুতিৰ কাম আৰম্ভ কৰিলো। সেই সময়ত বিশ্ববিদ্যালয়ৰ গাড়ী এখন নানান ধৰণৰ বেমাৰ বাতিবৰ বাবে গেৰেজত দিয়া হৈছিল। কিমান দিনৰ মূৰত গাড়ী গেৰেজৰ পৰা ওলাই আহে ঠিক নাই। গাড়ীখনৰ ড্ৰাইভাৰজনে গেৰেজত গাড়ীৰ খা-খবৰ কৰাব নামত কিবা কৰিলেও, হেণ্ডিমেনজনৰ কোনো কাম নাছিল। কৰ্তৃপক্ষই তেওঁকে মোৰ পিয়ন কৰি দিলে। মই ঘৰৰ পৰা থাৰ্মফ্লাস্ক এটা আৰু কাপ-প্লে'ট এযোৰ লৈ গৈছিলো। পিয়নজনে দুপৰীয়া বৰদা শৰ্মাৰ কেণ্টিনৰ পৰা চাহ আনি দিয়ে। তেওঁৰ কামৰ ভিতৰত সেইটোৱেই আছিল ডাঙৰ কাম।

টাউন কমিটিৰ পুৰণা টাইপ-ৰাইটাৰ এটা তেতিয়াও আমাৰ ঘৰতে আছিল। সেইটো টাইপ-ৰাইটাৰত এটা আঙুলিৰে খট-খটকৈ মাৰি-মাৰি, — আমি কেনেকৈ কাম আৰম্ভ কৰিম, তাৰ পাছত কি কৰিম, — এইবোৰ কথাৰে সাত পৃষ্ঠাৰ আঁচনি এখন টাইপ কৰি উলিয়ালো। উপাচাৰ্য ড° গোস্বামীয়ে আঁচনিখন পঢ়ি সেইমতেই আগ বাঢ়িবলৈ মোক পৰামৰ্শ দিলে। দুদিনমানৰ পাছত তেখেতে শিক্ষামন্ত্ৰী জয়ভদ্ৰ হাগজেৰক শিলঙত লগ পোৱাৰ কথা। শিক্ষামন্ত্ৰীক দেখুৱাবলৈ তেখেতে আঁচনিখনৰ কপি এটা লৈ গ'ল। এখন গুৰুত্বপূৰ্ণ আঁচনিৰ যাত্ৰা আৰম্ভ হ'ল।

আমাৰ সমিতিৰ ওপৰত প্ৰথম পৰ্যায়ত প্ৰাকবিশ্ববিদ্যালয় মহলাৰ বাবে কলা, বিজ্ঞান আৰু বাণিজ্য, —এই তিনিওটা শাখাৰ সকলো কিতাপ অসমীয়া ভাষাত প্ৰকাশ কৰাৰ দায়িত্ব পৰিছিল। সেই সময়ত স্কুলৰ পাঠ্যক্ৰমৰ বাবে বিজ্ঞানৰ কেইটামান বিভাগৰ কিছুমান বিষয় লৈ অসমীয়া ভাষাত কিছু কিতাপ বা প্ৰবন্ধ লিখা হৈছিল; কিন্তু কলেজৰ পাঠ্যক্ৰমৰ বাবে কোনোবাই কিবা লিখিছে বুলি আমি জনা নাছিলো। গতিকে আমাৰ এটা ডাঙৰ কৰ্তব্য আছিল— প্ৰাকবিশ্ববিদ্যালয় মহলাৰ সকলো বিষয়ৰ বাবে লেখক-লেখিকা আৱিষ্কাৰ বা সৃষ্টি কৰা। পাঠ্যক্ৰম অনুযায়ী অসমীয়াত তৰ্কবিজ্ঞানৰ কিতাপ লিখিবলৈ লেখক-লেখিকা পোৱা যাবনে? অৰ্থনীতিৰ মুদ্ৰা (Money) বিষয়ৰ কিতাপখন? বাণিজ্য হিচাপ-পৰীক্ষাৰ কিতাপখন? অঙ্কৰ ৰসায়ন? কলন গণিত?

ক'ত পোৱা যাব ইমানবোৰ লেখক-লেখিকা? ইয়াতে উলিয়াব লাগিব। উলিয়াবই লাগিব। অসমীয়া ভাষাত কেতিয়াও প্ৰবন্ধ এটা বা দীঘল চিঠি এখন শুদ্ধকৈ লিখি উলিয়াব নোৱৰা শিক্ষককো পাঠ্যপুথি লিখিবলৈ দিবলগীয়া হ'ব পাৰেনে? পাৰে। কিন্তু তেখেতসকলক সহায় কৰিব লাগিব।

মই এবাৰ কলিকতালৈ গ'লো। আগতেই কৈছোঁ, —ড° সত্যেন্দ্ৰ নাথ বসুৰে আমাক এম. এছ. ছি শ্ৰেণীত বাংলা ভাষা ব্যৱহাৰ কৰি ৰিলেটিভিটি পঢ়াইছিল। কলিকতাত প্ৰথমতে মই তেখেতৰ লগত টেলিফোনেৰে যোগাযোগ কৰিলো। আচলতে মই তেখেতক ব্যক্তিগতভাৱে লগেই ধৰিব খুজিছিলো, কিন্তু তেখেত কৰবালৈ যাবলৈ ওলাইছে কাৰণে সেইটো সম্ভৱ নহ'ল। তেখেতক মই সুধিছিলো, —অসমীয়া বা বাংলা ভাষাত এই আঁচনিখন বাস্তৱত ৰূপায়িত কৰাটো সম্ভৱনে? তেখেতে জোৰ দি কৈছিল,— সম্ভৱ।

মোৰ সেই যাত্ৰাৰ প্ৰধান উদ্দেশ্য আছিল— তেতিয়ালৈকে বাংলা ভাষাত উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ যিমান কিতাপ ওলাইছে সেইবোৰৰ যিমান পাৰোঁ সংগ্ৰহ কৰা। কলেজ ষ্ট্ৰিটৰ কিতাপৰ দোকানবোৰৰ প্ৰায় প্ৰতিখনতে সোমাই সোমাই যিমান কিতাপ পালো কিনিলো। সেই কিতাপখিনি পাছলৈ কোনো কোনো লেখক-লেখিকাৰ বাবে সহায়ক হৈছিল; কিন্তু প্ৰথম অৱস্থাত মোৰ নিজৰ ধ্যান-ধাৰণাৰ গত লগাবৰ বাবেই সেইখিনি বৰ প্ৰয়োজনীয় হৈছিল।

পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে প্ৰতিটো বিষয়ৰ বাবে একোটা প্ৰশাখা (Cell) গঠন কৰি দিছিল। বিশ্ববিদ্যালয়ৰ বিভাগীয় মুৰব্বীসকল সেই প্ৰশাখাৰ সভাপতি আছিল, আৰু শিক্ষক-শিক্ষয়িত্ৰী কেইগৰাকীমান আছিল সদস্য। বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ বাহিৰেও অন্যান্য কলেজৰ পৰাও উপযুক্ত শিক্ষক-শিক্ষয়িত্ৰীক সদস্য হিচাপে লোৱা হৈছিল। এই প্ৰশাখাসমূহৰ কাম আছিল, —পাঠ্যক্ৰম আবৰি লবলৈ কেইখন আৰু কি কি কিতাপ লিখাই উলিয়াব লাগিব, কোনে সেইবোৰ লিখিব, কোনে বিষয়বস্তুৰ সম্পাদনা কৰিব, কোনে ভাষাৰ সম্পাদনা কৰিব, —সেই সম্পৰ্কে সিদ্ধান্ত লোৱা। এই প্ৰশাখাবোৰত, বা মূল সমিতিত, বা অন্যান্য প্ৰয়োজনীয় সমিতিবোৰত কোন কোন লোক জড়িত হৈছিল, —উনত্ৰিছ বছৰৰ পাছত আজি ভাবিলেই এক ধৰণৰ আনন্দ আৰু উত্তেজনা অনুভৱ কৰোঁ। উদাহৰণ স্বৰূপে পদাৰ্থবিজ্ঞান প্ৰশাখাটোৰ কথাকে উল্লেখ কৰোঁ। এই প্ৰশাখাৰ সভাপতি আছিল ড° পবন চন্দ্ৰ মহন্ত, আৰু সদস্যসকল আছিল, —ড° ভূমিধৰ চৌধুৰী, ড° ইন্দুমোহন দাস, ড° হীৰালাল দুৱৰা, ড° গোবিন্দ চন্দ্ৰ ডেকা, শ্ৰী হৰিদেৱ গোস্বামী, শ্ৰী সুৰেন্দ্ৰ নাথ মেধি, শ্ৰী বীৰেন্দ্ৰ নাথ বৰুৱা, ড° অনিল কুমাৰ গোস্বামী, ড° ভবেন্দ্ৰ নাথ শইকীয়া, শ্ৰী বলীন্দ্ৰ কুমাৰ শৰ্মা, ড° সূৰ্যকান্ত শৰ্মা, ড° ৰামকৃষ্ণ দাস, শ্ৰী তিলক চন্দ্ৰ শৰ্মা, ড° ত্ৰিলোচন দেৱ গোস্বামী, ড° আনন্দ কুমাৰ বৰুৱা, শ্ৰী কনক চন্দ্ৰ মেধি, শ্ৰী অমৰেন্দ্ৰ নাথ তালুকদাৰ আৰু ড° কিশোৰী মোহন পাঠক।

বাকী ষোলটা প্ৰশাসনৰ সভাপতি-সদস্যসকলৰ তালিকাবোৰো মনটো পোহৰ কৰি তুলিব পৰাকৈ উজ্জ্বল আছিল। আঁচনিখনে কি সৃষ্টি কৰিব পাৰিছিল আৰু পাছলৈ তাৰ দশা কি হ'ল, সেইটো পাছৰ কথা, কিন্তু আঁচনিখন কামত লগোৱাৰ মূল কাৰ্যকালৰ উদ্দীপনা আৰু কৰ্মপদ্ধতি স্মৰণীয় আছিল।

প্রশাখাসমূহে কেতিয়াবা একোখন কিতাপৰ বাবে পাঁচ-ছজন লেখক-লেখিকাও নিযুক্ত কৰিছিল। ফলত সমগ্ৰ আঁচনিখনৰ বাবে লেখক-লেখিকাৰ সংখ্যা পাঁচশৰো অধিক হোৱাৰ সম্ভাৱনাই দেখা দিছিল। আমাৰ ভাষাটো আশাশুধীয়াভাৱে চৰ্চা কৰা লোকসকলৰ মাজতেই আখৰ-জোঁটনিৰ ক্ষেত্ৰত অমিল দেখা যায়; সাধাৰণ লোকসকলৰতো কথাই নাই। তেনে অৱস্থাত এই পাঁচশৰো অধিক লোকৰ আখৰ-জোঁটনিক কেনেকৈ এটা নিয়মৰ মাজলৈ অনা যায়? এখন কিতাপত এজনে লিখিলে 'পাছত', অইন এখনত এজনে লিখিলে 'পাচত'; একেখন কিতাপৰে এটা অধ্যায়ত এজনে লিখিলে 'পিছত' অইন এটা অধ্যায়ত এজনে লিখিলে, 'পিচত'; —এটা প্ৰতিষ্ঠানে, —বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰকাশ কৰা কিতাপখনত এনে বেমেজালি থকা অনুসূচিত। পাছত, পাচত, পিছত, পিচত,— চাৰিওটা শব্দ শুদ্ধ হ'ব পাৰে; কিন্তু সেইবুলি এইটো পৃষ্ঠাত এটা শব্দ, অইন এটা পৃষ্ঠাত অইন এটা শব্দ, —এইটো বিজ্ঞানসম্মত কথা নহ'ব। যিবোৰ আখৰ-জোঁটনিৰ সমস্যাৰ ক্ষেত্ৰত তেতিয়ালৈকে আমাক অভিধানেও সহায় কৰিব পৰা নাছিল, মই সেইবোৰৰ এখন তালিকা প্ৰস্তুত কৰিছিলো। মোৰ আঁচনি আছিল, —ভাষাৰ ক্ষেত্ৰত কেইগৰাকীমান গুণী-জ্ঞানী লোকৰ আগত সেই তালিকাখন দাঙি ধৰোঁ; তেখেতসকলে বিচাৰ-বিবেচনা কৰি আমাক পৰামৰ্শ দিয়ক; আমি সেই পৰামৰ্শসমূহ এখন পুস্তিকাৰ আকাৰত ছপাই উলিয়াম; পুস্তিকাখন সকলো লেখক-লেখিকা-সম্পাদকক দিম; সকলোৱে তাত থকা পৰামৰ্শ মানি কাম কৰিব। অকল আখৰ-জোঁটনিয়েই নহয়, লিপ্যন্তৰৰ (transliteration) ক্ষেত্ৰতো আমি বেমেজালিৰ মাজত পৰো। জিওগ্ৰাফী, যিওগ্ৰাফী, জিওগ্ৰাফি, যিওগ্ৰাফি, জিঅ'গ্ৰাফী, জিঅ'গ্ৰাফি, — কোনটো শব্দ গ্ৰহণ কৰিম? এনেকুৱা সমস্যাৰ ক্ষেত্ৰত আমাৰ উচ্চাৰণ-প্ৰক্ৰিয়াই আমাক সহায় কৰেনে?

এই কথাবোৰৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবলৈ মই মোৰ কাৰ্যালয়ৰ কোঠাত এখন ব'ৰ্ডত কিছুমান প্ৰতিনিধিত্বমূলক সমস্যাৰ চানেকী লিখি ৰাখিছিলো ঃ সঙ্গীত/সংগীত, পৰ্ব্বত/পৰ্বত, পিচ/পিছ/পাচ/পাছ, দৰকাৰী/দৰ্কাৰী, নেলাগে/নালাগে, এন্ধাৰ/আন্ধাৰ, কমিচনাৰ/কমিছনাৰ/কমিশ্যনাৰ, এলিজাবেথ/এলিযাবেথ, ৱাছিংটন/ৱাশ্বিংটন ইত্যাদি ইত্যাদি। বহু চানেকী। ব'ৰ্ডখনত ঠাই নোহোৱা হৈছিল।

কাৰ্যালয়ৰ প্ৰসংগত এটা কথা কৈ থওঁ। লাইব্ৰেৰিৰ চকী-মেজ থোৱা গুদাম ঘৰটোত কামৰ অসুবিধা হৈছিল। এদিন ঠিক কৰা হ'ল, — ষ্টুডেণ্টছ ডে হোমৰ ঘৰটোৰ পুখুৰীৰ পাৰৰ ফালৰ মুৰটোত দুটা কোঠালি আছে; সেই দুটাত এসময়ত ছাত্ৰসকলে ব্যায়াম কৰিছিল; এতিয়া কোনেও একো নকৰে; এনেয়ে পৰি আছে; —গতিকে সেই দুটা কোঠালিতে পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ কাৰ্যালয় পতা হওক। কোঠালিদুটাৰ গাতে লাগি আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰসভাৰ কাৰ্যালয়। বাৰাণ্ডাখনত জপনা আৰু দুৱাৰৰ ব্যৱস্থা কৰি, গোটেই বাৰাণ্ডাখন বাঁহৰ চিলিঙিৰে বেৰি আমি এদিন কোঠালিদুটাত আমাৰ কাৰ্যালয় আৰম্ভ কৰিলো। এটা কোঠালিত মই ইটো কোঠালিত তেতিয়ালৈকে নিযুক্তি পোৱা কৰ্মচাৰী কেইজন। উল্লেখযোগ্য, মই বহা সেই কোঠালিটোতে পাছৰ নটা বছৰত মই অসমৰ শিক্ষা আৰু সাহিত্য জগতৰ বহু গুণী-জ্ঞানী লোকক ঘনিষ্ঠভাৱে লগ পাইছিলো। সেইটো কোঠালিত আঁচনিৰ আৰম্ভণিৰ পৰ্যায়তে বহা গুৰুত্বপূৰ্ণ সভাখন আছিল আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সমন্বয় সমিতিয়ে ১৯৬৯ চনৰ মাৰ্চ মাহত পাতি দিয়া মূল সমিতিখনৰ সভা। সমিতিখনৰ সদস্যসকল আছিল, —শ্ৰী যজ্ঞেশ্বৰ শৰ্মা, শ্ৰী তীৰ্থনাথ শৰ্মা, ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা আৰু ড° গোলোক চন্দ্ৰ গোস্বামী। সেই মূল সমিতিখনৰ উপৰি কামটোৰ বাবে এখন পৰামৰ্শ-সমিতিও গঠন কৰা হৈছিল। সেইখনৰ সদস্যসকল আছিল, ড° উপেন্দ্ৰনাথ গোস্বামী, ড° মুকুন্দমাধৱ শৰ্মা, শ্ৰী ৰজনী কান্ত দেৱ শৰ্মা, ড° প্ৰফুল্ল দত্ত গোস্বামী, ড° মহেন্দ্ৰ বৰা, শ্ৰী কীৰ্তিনাথ হাজৰিকা, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, শ্ৰী হোমেন বৰগোহাঞি, শ্ৰী আবুল লেইচ, শ্ৰী ধীৰেন্দ্ৰনাথ বেজবৰুৱা আৰু শ্ৰী আনন্দেশ্বৰ শৰ্মা।

মূল সমিতিখনে কেইবাটাও বৈঠকত আমি আগবঢ়োৱা সমস্যাবোৰৰ কথা আলোচনা কৰি, শেষত সিদ্ধান্তসমূহ লিখি উলিয়াইছিল। এই লিখি উলিওৱা কামটোত আগ-ভাগ লৈছিল ড° গোলোক চন্দ্ৰ গোস্বামীয়ে। সেই কথাখিনি পৰামৰ্শ-সমিতিৰ সভাত উত্থাপন কৰা হৈছিল আৰু তেখেতসকলৰ পৰামৰ্শসমূহ বিবেচনা কৰাৰ পাছত প্ৰস্তুত কৰা চূড়ান্ত পাণ্ডুলিপি আমি ট্ৰিবিউন প্ৰেছলৈ পঠাইছিলো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয়ৰ সমিতিয়ে ছপাৰ বাবে প্ৰেছলৈ পঠোৱা সেয়াই আছিল প্ৰথম পাণ্ডুলিপি। বাহকৰ হাতেৰে নপঠিয়াই পাণ্ডুলিপিখিনি মই ৰেজিষ্টাৰ্ড ডাক হিচাপে পঠাইছিলো, আৰু পাছত ট্ৰিবিউন প্ৰেছৰ পৰা খামটো, স্মৃতিচিহ্ন হিচাপে ৰাখি থবৰ বাবে সংগ্ৰহ কৰি আনিছিলো।

১৯৭০ চনৰ আগষ্ট বা ছেপ্টেম্বৰ মাহত ওলোৱা সেই কিতাপখনৰ পাতনিত আমি লিখিছিলো— "বিশ্ববিদ্যালয় মহলাত শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহৃত হোৱাৰ লগে লগে অসমীয়া ভাষাই নতুন মৰ্যাদা লাভ কৰিব আৰু এই উদ্দেশ্যে প্ৰকাশিত পাঠ্যপুথিসমূহে ভাষাৰ ওপৰত উল্লেখযোগ্য প্ৰভাৱ পেলাব। এই ফালৰ পৰাও আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কীয় সমস্যাৱলীক অত্যন্ত গুৰুত্বপূৰ্ণ বুলি ভবা হৈছে। ...মূলতঃ এই সূত্ৰ, নিয়ম বা সিদ্ধান্তসমূহ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ আঁচনিৰ কাৰণে যুগুত কৰা হৈছে। সমিতিৰ পাঠ্যপুথিবোৰ এই পুথিখনৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব। কিন্তু সমিতিয়ে আশা আৰু বিশ্বাস কৰে যে অসমীয়া ভাষাৰ ক্ষেত্ৰত সকলোৱে এই সিদ্ধান্তসমূহ গ্ৰহণ কৰাটো যুক্তিযুক্তি বুলি ভাবিব, আৰু তাকে কৰি ভাষাটোৰ আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কীয় সংগতি প্ৰতিষ্ঠাৰ প্ৰতি অৰিহণা যোগাব।"

কিতাপখনত আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কীয় সকলো আসোঁৱাহ বা খেলিমেলিৰ সমস্যা সামৰা হোৱা নাছিল। প্ৰথম পৰ্যায় হিচাপে সমন্বয় সমিতিৰ কাৰণে সদ্যহতে প্ৰয়োজনীয় সিদ্ধান্তসমূহ তাত সন্নিবিষ্ট কৰা হৈছিল, আৰু দেখা দিব পৰা অন্যান্য সমস্যাৰ ক্ষেত্ৰত পৰামৰ্শ পোৱাৰ ব্যৱস্থা কৰি ৰখা হৈছিল। আমি কিতাপখন অসম সাহিত্য সভা, বাতৰি কাকতৰ প্ৰতিষ্ঠান আদিলৈ পঠাইছিলো। সিদ্ধান্তসমূহ সকলোৱে বাবে গ্ৰহণযোগ্য হওক নহওক, আমি অন্ততঃ আমাৰ কামৰ বাবে মেজত থ'বলৈ এখন হাতপুথিৰ ব্যৱস্থা কৰি লৈছিলো আৰু কাৰোবাৰ পৰা অহা পৰামৰ্শ, সংশোধন আদিৰ বাবে নিজকে সাজু কৰি ৰাখিছিলো। আমাৰ কথা আছিল, — যদি আমাৰ অসমীয়া শিক্ষা-সাহিত্য-জগতৰ পাঁচগৰাকী মূল সমিতিৰ সদস্য আৰু এঘাৰগৰাকী পৰামৰ্শ-সমিতিৰ সদস্যই কিবা ভুল সিদ্ধান্ত দিছে, তেনেহ'লে সকলো কিতাপতে সেই ভুল সিদ্ধান্তকে দেখা যাব; এঠাইত তেখেতসকলৰ সিদ্ধান্ত, আৰু অন্য এঠাইত অন্যৰ সিদ্ধান্ত দেখা যাব; —সেইটো হ'ব নোৱাৰিব। আমি পাছলৈ উপলব্ধি কৰিছিলো, —কিতাপখনে গোটেই আঁচনিখনক প্ৰভূত পৰিমাণে সহায় কৰিছিল। কিতাপখন নথকা হ'লে শ শ লেখক-লেখিকাৰ লেখাক লৈ আমি বিপদতেই পৰিলোহেঁতেন।

কিতাপখন প্ৰকাশ পোৱাৰ কিছুদিনৰ পাছত এগৰাকী শিক্ষকে এটা সমালোচনা-প্ৰবন্ধত মূল সমিতিৰ সদস্যসকলক 'পঞ্চপাণ্ডৱ' বুলি ইতিকিং কৰিছিল। তেখেতৰ সেই কামটোত মইবৰ আঘাত পাইছিলো। সেই পাঁচগৰাকীয়েই যদি ইতিকিঙৰ পাত্ৰ হয়, তেনেহ'লে সেই সময়ত আমি ভাষা-সাহিত্যৰ ক্ষেত্ৰত কাৰ মুখলৈ চোৱা উচিত আছিলনে?

আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পৰ্কীয় এই সিদ্ধান্তসমূহৰ বাবে মই নিজেও উপকৃত হৈছিলো। নিজৰ লিখা-মেলাৰ কামত কিছুমান সমস্যাৰ ক্ষেত্ৰত

এটা অৱলম্বন পাইছিলো। কোনোবা কর্তৃত্বশীল সংগঠন, সংস্থা বা কর্তৃপক্ষই কেতিয়াবা নতুন নির্দেশ দিব, সেই নির্দেশ পালন কৰিম; কিন্তু যেতিয়ালৈকে সেই নির্দেশ নাহে, তেতিয়ালৈকে এই পণ্ডিতসকলৰ সিদ্ধান্তকে মানি চলিম; —মই নিজে সেই সিদ্ধান্তগ্রহণ কৰিছিলো। অন্ততঃ ভাষাৰ শৃংখলাৰ কাৰণেও কাৰোবাৰ নির্দেশতো আমি মানিব লাগিব। মোৰ এই ব্যক্তিগত সিদ্ধান্তৰ ফল সুদূৰপ্রসাৰী আছিল। সেই ফল এই 'প্রান্তিক' আলোচনীৰ পাততো পৰিস্ফুট হৈছিল। আমাৰ সুপ্রতিষ্ঠিত সাহিত্যিসেৱীসকলৰ বহুতেই কিছুমান আখৰ-জোঁটনিৰ ক্ষেত্রত নিজে মানি অহা নিয়মত অভ্যস্ত হৈ পৰে। উদাহৰণস্বৰূপে, শ্রী যজ্ঞেশ্বৰ শর্মা ছাৰ বা ড° মহেশ্বৰ নেওগ ছাৰ আমাক সিদ্ধান্ত দিয়া সমিতিৰ সদস্য আছিল; কিন্তু প্রান্তিকত ছপাবলৈ তেখেতসকলৰ লেখাৰ কিছুমান শব্দও আমি সেই সিদ্ধান্ত অনুসৰি সলাইছিলো। তেখেতসকলে ভুল শব্দ নিলিখিছিল, কিন্তু শৃংখলাৰ খাতিৰত সেই সালসলনিৰ প্রয়োজন আছিল। পাঠ্যপুথি প্রস্তুত কৰা আঁচনিখনৰ লগত জড়িত হোৱা, আৰু পাছলৈ অসমীয়া ভাষা-সাহিত্য চর্চা কৰা ভালেমান লোক (সত্তৰৰ দশকৰ যুবক-যুবতী) সেই আখৰ-জোঁটনি আৰু লিপ্যন্তৰ পদ্ধতিৰ দ্বাৰা প্রভাৱিত হৈ আছে বুলি মই বিশ্বাস কৰোঁ।

সত্তৰৰ দশকৰ আৰম্ভণিতে অসম প্রকাশন পৰিষদে অসমীয়া ভাষাত বিশ্বকোষ প্রস্তুত কৰিবলৈ আঁচনি লোৱাৰ সময়তো আখৰ-জোঁটনি, বিশেষকৈ লিপ্যন্তৰ-পদ্ধতিয়ে গোটেই আঁচনিখক কেনেকৈ প্রভাৱিত কৰিব, সেই কথাটোৰ ওপৰত মই বিশেষ গুৰুত্ব আৰোপ কৰিছিলো। বিশ্বকোষৰ শৃংখলা প্রায় অভিধানৰ শৃংখলাৰ নিচিনাই। Washington শব্দটো অসমীয়াত কেনেকৈ লিখা হ'ব, সেই বিষয়ে এটা সিদ্ধান্ত সকলোৱে মানি নচলিলে বিশ্বকোষৰ কাম কৰাই টান হ'ব। ৱাছিংটন বুলি লিখিলে এই মহানগৰখনৰ বিষয়ে লিখা ৰচনাখন বিশ্বকোষৰ এক নম্বৰ খণ্ডত সোমাব, ৱাছিংটন বুলি লিখিলে শেষৰ ফালৰ কোনোবা এটা খণ্ডলৈ যাবগৈ। ৱাছিংটন বুলিলে যিটো পৃষ্ঠাত সোমাব, ৱাশ্বিংটন বুলি লিখিলে সেইটো পৃষ্ঠাত নোসোমাব। ৱাশ্বিংটন শীর্ষক ৰচনাখনত যিটো বানান ব্যৱহাৰ কৰা হ'ব, সমগ্র বিশ্বকোষখনৰ য'তে সেই নামটো ওলাব, ত'তে সেই বানানটোকে ব্যৱহাৰ কৰিব লাগিব। অর্থাৎ ৰাজনীতিবিজ্ঞান, ভূগোল, বুৰঞ্জী, অর্থনীতি, পদার্থ বিজ্ঞান, ভূবিজ্ঞান, দর্শন ইত্যাদি ইত্যাদি সকলো বিষয়ৰ লেখকে একোটা শব্দৰ লিপ্যন্তৰৰ মূল নিয়মখিনি জানিব লাগিব; কোনোবা লেখকে নাজানিলে সম্পাদকে জানিব লাগিব; সম্পাদকৰ চকুৰ পৰা কিবা এটা ত্রুটি সাৰি গ'লেও সেইটো মুখ্য সম্পাদকৰ চকুত পৰিব লাগিব। মানসম্পন্ন ফল পাবলৈ হ'লে এইবোৰ গভীৰভাৱে মনোনিবেশ আৰু পৰিশ্রম কৰিবলগীয়া কাম।

প্রসংগক্রমে ঃ অসম প্রকাশন পৰিষদৰ লগত মই এছোৱা দীঘলীয়া সময়ৰ বাবে সদস্যা হিচাপে জড়িত আছিলো। বিশ্বকোষ আঁচনিৰ আৰম্ভণিতে, বিশ্বকোষ প্রণয়নৰ পদ্ধতি সম্পর্কে কিছু তথ্যপাতি আহৰণৰ বাবে, তেতিয়াৰ পৰিষদৰ সচিব শ্রী চন্দ্রপ্রসাদ শইকীয়াৰ লগত বোম্বাই, পুনা, মাদ্রাজ, মহীশুৰ আদি ঠাইৰ কিছুমান প্রতিষ্ঠানলৈ গৈছিলো। আমাৰ বিশ্বকোষৰ প্রাথমিক পদ্ধতিগত পৰিকল্পনাৰ বাবে যিখিনি আহিলা (কার্ড, তালিকা আদি) আৰু লিখা-মেলাৰ কাম কৰিব লাগে, সেইখিনি ড° দীনেশ চন্দ্র গোস্বামী, শ্রীমতী তুলতুল বৰুৱা আদিৰ সহযোগত মই কৰি দিছিলো। পাঠ্যপুথি প্রস্তুতি সম্পর্কীয় নিজৰ কাম, উক্ত অসমীয়া বিশ্বকোষৰ কাম, অসম বিজ্ঞান সমিতিৰ বিজ্ঞানকোষৰ সম্পাদনাৰ কাম, —এই সকলো কামকে মই প্রায় একেটা উদ্দেশ্য সাধন কৰিবলৈ ওলোৱা একেখন চালিৰ তলৰ কাম বুলি গণ্য কৰিছিলো। অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগমৰ সদস্য হিচাপেও মই এটা মৌলিক কথাত জোৰ দিছিলো ঃ পাণ্ডুলিপি প্রস্তুত কৰি ছপাশাললৈ দিবলৈ সাজু কৰালৈকে, —এইখিনি কামৰ বাবে ভাষা, সাহিত্য, শিক্ষা আৰু জ্ঞানৰ লগত সম্পর্ক থকা লোকৰ এটা সুকীয়া বিভাগ থাকিব লাগে। কিতাপ ছপা কৰা আৰু কিতাপৰ ব্যৱসায় কৰা বিভাগ বেলেগ হ'ব লাগে। প্রথম বিভাগটোৱে ভাষাৰ শৃংখলাৰ বাবে নিষ্ঠাৰে পৰিশ্রম কৰিব লাগে।

সেই সময়ত, সেই ধৰণৰ 'কচৰৎ' কৰি থকাৰ সময়ত, মই এইটোও বুজিছিলো যে যি শৃংখলাৰ কথা মই কল্পনা কৰিছিলো, সেই শৃংখলা প্রবর্তন কৰাটো বৰ দুৰূহ কাম। মই নিজেই, আজিও, সেই ১৯৬৯-৭০ চনৰ সমিতিয়ে দিয়া সিদ্ধান্তসমূহ মানি চলো আৰু কিছুমান শব্দৰ ক্ষেত্রত সেইবোৰৰ পৰা ফাললি কাটি যাবলৈ বাধ্য হওঁ।

নিজৰ কামৰ কথালৈ উভতোঁ। আমাৰ কামটোৰ ধৰণটোও বিশ্বকোষ প্রণয়নৰ কামৰ লগত তুলনীয় আছিল। ছাত্রজীৱনত (ভাষাৰ বিষয়কেইটাৰ বাহিৰে) কম-বেছি পৰিমাণে পদার্থবিজ্ঞান, ৰসায়নবিজ্ঞান, উদ্ভিদবিজ্ঞান, প্রাণীবিজ্ঞান, গণিত, ভূগোল, বুৰঞ্জী, — এইকেইটা বিষয়ৰ লগতে সম্পর্ক ঘটিছিল; কিন্তু এতিয়া বিভিন্ন বিভাগৰ ছাত্র-ছাত্রীয়ে কলেজৰ প্রথম স্তৰত পঢ়িব লগা সকলো বিষয়ৰ পাণ্ডুলিপিৰ লগত অতি ঘনিষ্ঠভাৱে জড়িত হোৱাৰ সময়ত মই ব্যক্তিগতভাৱে বৰ উপকৃত হ'লো। ইমানবোৰ বিষয়ৰ অন্ততঃ প্রাথমিক কথাবোৰ ইমান মন দি, কর্তব্য হিচাপে পঢ়িবলৈ পোৱাটো মোৰ কাৰণে বৰ লাভৰ কথা হ'ল। মইনো কেতিয়াবা চৰকাৰী বিত্তবিজ্ঞান (Public Finance) সম্পর্কে পঢ়া-শুনা কৰিলোহেঁতেন নে? সচিব প্রকৰণ (Secretarial Practice) সম্পর্কে? নিগমনাত্মক তর্কবিজ্ঞান (Deductive Logic) সম্পর্কে?— ইউৰোপৰ এখন দেশত এদিন ৰজা-ৰাণীয়ে জাহাজৰ ডেকৰ পৰা সাগৰৰ পাৰত সমবেত প্রজাক দর্শন দিয়াৰ কথা। য'ৰ পৰা ৰজা-ৰাণীক ভালকৈ দেখা যাব, সেই অঞ্চলৰ ঘৰবিলাকৰ ওপৰ মহলাৰ বেলকনিবোৰ এটা কোম্পানিয়ে মালিকসকলৰ পৰা ভাৰালৈ ল'লে; সেইবোৰত আসনৰ ব্যৱস্থা কৰিলে আৰু আসনবোৰ যথেষ্ট বেছি দামত দর্শকক বিক্রি কৰিলে। সকলো লেন-দেন সম্পূর্ণ; দর্শকৰ আগমন আৰম্ভ হ'ল; তেনেতে খবৰ আহিল, —অনিবার্য কাৰণবশতঃ ৰজা-ৰাণীয়ে কার্যসূচী বাতিল কৰিলে। এতিয়া দর্শকে কোম্পানিৰ পৰা পইচা ওভোতাই পাবনে? কিয় নাপাব? কিন্তু কিয় পাব? বেলকনিৰ মালিকে কোম্পানিক পইচা ওভোতাই দিবনে? কিয় দিব? কিয় নিদিব? ৰজা-ৰাণীয়ে ক্ষতিপূৰণ দিবনে? — কোম্পানি আইনৰ (Company Law) সমস্যা। বৰ আমোদজনক। এইবোৰ কথা কেতিয়াবা মই জানিবলৈ পালোহেঁতেননে? এতিয়া ৰিণিকি-ৰিণিকি পাণ্ডুলিপিবোৰৰ কিছুমান পাত দেখা পাওঁ; কিন্তু ১৯৭৪-৭৫ চনতে মই বোধকৰো পোন্ধৰ দিনৰ সময় লৈ প্রাকবিশ্ববিদ্যালয় মহলাৰ কলা-বাণিজ্য-বিজ্ঞানৰ যিকোনো বিষয়ৰ পৰীক্ষা মোটামুটি ভালকৈয়ে পাছ কৰিব পাৰিলোহেঁতেন।

আখৰ-জোঁটনি আৰু লিপ্যন্তৰ সম্পর্কীয় সিদ্ধান্তৰ লগে লগে আঁচনিখনৰ কাৰণে অত্যন্ত প্রয়োজনীয় বস্তু আছিল পৰিভাষাৰ কিতাপ। তেতিয়ালৈকে বিশ্ববিদ্যালয়ৰ স্তৰৰ পাঠ্যপুথিৰ প্রয়োজন পূৰাব পৰাকৈ পৰিভাষা যুগুত কৰা হোৱা নাছিল। অসম বিজ্ঞান সমিতিয়ে ১৯৬৪ চনত প্রায় আঠ হাজাৰ শব্দৰ প্রতিশব্দবে এখন পৰিভাষাৰ কিতাপ প্রকাশ কৰিছিল। তেতিয়ালৈকে সেইখনেই অসমীয়া ভাষাত বিজ্ঞানৰ কথা লিখা-মেলা কৰাসকলৰ বাবে প্রধান অৱলম্বন আছিল। অসম বিজ্ঞান সমিতিয়ে সেই কিতাপখনৰ পৰিবর্ধনৰ যি আয়োজন কৰিছিল, সেই আয়োজনক গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতিৰ হাতত অর্পণ কৰা হয় আৰু এই সমিতিয়ে ১৯৭২ চনত নটা বিষয়ৰ প্রায় উনচল্লিছ হাজাৰ শব্দৰ এখন পৰিভাষা প্রস্তুত কৰাৰ কাম সম্পূর্ণ কৰে। যিমান লোকৰ সহযোগত, যি উদ্যম আৰু পৰিশ্রমেৰে সম্পন্ন কৰা হৈছিল, তাৰে চতাই মই শিক্ষা, ভাষা আৰু সাহিত্যৰ ক্ষেত্রত, এই কামটোৰ ঐতিহাসিক গুৰুত্ব আছে বুলি ভাবোঁ। ছপা হৈ ওলোৱা কিতাপখনৰ প্রথমৰ পৃষ্ঠাকেইটাৰ পৰাই কামটোৰ পদ্ধতি আৰু ইয়াৰ লগত জড়িত হোৱা লোকসকলৰ বিষয়ে জানিব পাৰি,— তথাপি মধুৰ স্মৃতিকথা হিচাপেই মোৰ জীৱন-বৃত্তৰ মাজলৈ কিছু কথা আনিবলৈ মন যায়; ড° হিৰণ্য চন্দ্র ভূঞা ছাৰৰ পৰা আৰম্ভ কৰি শ্রী পৰাগধৰ চলিহালৈকে আঁচনিখনৰ লগত নামে-কামে জড়িত হোৱা সেই সময়ৰ প্রায় পঞ্চাছাৰাকী বিদ্বান লোকৰ প্রত্যেকৰে নাম শ্রদ্ধা, আনন্দ আৰু মৰমেৰে

সুঁৱৰিবলৈ মন যায়। নটা বিষয়ৰ প্ৰতিটো বিষয়ৰে শব্দসমূহ একোজন লোকে সংগ্ৰহ কৰে; তাৰ পাছত সেই বিষয়ৰে অন্য এগৰাকী শিক্ষক আৰু ভাষাৰ ক্ষেত্ৰত ব্যুৎপত্তি থকা (সাধাৰণতে অসমীয়া আৰু সংস্কৃত বিভাগৰ) এগৰাকী শিক্ষক, — এখেতসকল দুয়ো বহি পৰিভাষাবোৰৰ সম্পাদনা কৰে। এই বৈঠকবিলাকৰ কিছুমান মোৰ কাৰ্যালয়ৰ কোঠালিটোৰ এচুকতে বহে। আলোচনা কালত ঘাইকৈ এটা প্ৰসংগ প্ৰায়েই ওপৰলৈ উঠিছিল ঃ এই যে পাৰিভাষিক শব্দবোৰ সৃষ্টি কৰা হৈছে, সেইবোৰৰ অৰ্থ অসমীয়া ছাত্ৰ-ছাত্ৰী, শিক্ষক, লেখক আদিৰ বোধগম্য হ'বনে? এইবোৰ গ্ৰহণযোগ্য হ'বনে? এইবোৰ সকলোৱে ব্যৱহাৰ কৰিবলৈ লবনে? ৰজনীকান্ত দেৱ শৰ্মা ছাৰে এদিন মোক বুজাইছিল ঃ আমি সংস্কৃতৰ পৰা আঁতৰি আহিছো, কিন্তু এতিয়া পৰিভাষা প্ৰস্তুত কৰিবৰ সময়ত সংস্কৃত শব্দৰ ভঁৰালৰ দুৱাৰ খুলিছোঁ। গতিকে প্ৰতিশব্দবোৰ কঠিন, দুৰ্বোধ্য যেন লাগিবই। উদাহৰণ হিচাপে তুমি এই aberration শব্দটোলৈ চোৱা। বিজ্ঞানৰ কেইবাটাও বিভাগত ব্যৱহৃত হোৱা এই শব্দটোৰ মুকলি অৰ্থ হ'ল— পোনে পোনে নগৈ বেঁকা হৈ যোৱা, বিপথগমন, ইত্যাদি। আমি উলিওৱা ইয়াৰ বৈজ্ঞানিক প্ৰতিশব্দটো হ'ল অপেৰণ। এইটোতো বহু অসমীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে আচহুৱা শব্দ! অপেৰণ,— হয়, আচহুৱা শব্দ। কিন্তু সমীৰণ শব্দটো কোনোবা অসমীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে আচহুৱা শব্দনে? নহয়। সেইটো প্ৰায় ঘৰুৱা শব্দৰ নিচিনা শব্দ। কিন্তু তুমি চোৱাচোন,—সম+ঈৰণ হ'ল সমীৰণ, আৰু অপ + ঈৰণ হ'ল অপেৰণ। সমভাৱে, পোনে পোনে গৈ থকা অৱস্থাটো হ'ল সমীৰণ, আৰু বেঁকাবেঁকিকৈ যোৱা অৱস্থাটো হ'ল অপেৰণ। ঈৰ্ মানে যোৱা, গৈ থকা, গমন। এই সংস্কৃত শব্দটোৰ লগত আমাৰ ঘনিষ্ঠতা নাই কাৰণেই অপেৰণ শব্দটো আমাৰ কাৰণে আচহুৱা।

শৰ্মা ছাৰৰ সেই উদাহৰণটো বহু দুৰ্বোধ্য যেন লগা প্ৰতিশব্দৰ ইতিহাসত প্ৰযোজ্য কাৰণে কথাটো মোৰ আজিও মনত পৰি থাকে। এইখিনিতে কৈ থওঁ,— সংস্কৃত ভাষাৰ ক্ষেত্ৰত ৰজনীকান্ত দেৱশৰ্মা ছাৰ আৰু অসমীয়া ভাষাৰ ক্ষেত্ৰত ড° মহেশ্বৰ নেওগ ছাৰক মই অভিভাৱক হিচাপে গ্ৰহণ কৰিছিলো।

কলা আৰু বাণিজ্য বিভাগৰ দৰ্শন, তৰ্কবিজ্ঞান, অৰ্থনীতি, ইতিহাস, বাণিজ্য, ৰাজনীতি-বিজ্ঞান, মনোবিজ্ঞান আৰু শিক্ষা, — এই বিষয়কেইটাৰ পৰিভাষা প্ৰস্তুত কৰাৰ কামো সমান্তৰালভাৱে আগ বাঢ়িছিল। এই কামটোতো বিষয় আৰু ভাষা — দুয়ো ক্ষেত্ৰৰ লোকে আগ্ৰহ আৰু নিষ্ঠাৰে আত্মনিয়োগ কৰিছিল। ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ড° গোলোক চন্দ্ৰ গোস্বামী, শ্ৰী ৰজনীকান্ত দেৱ শৰ্মা প্ৰমুখ্যে ভাষাৰ ক্ষেত্ৰৰ যিসকল লোকৰ নাম উল্লেখ কৰি আহিছোঁ, সেইসকলে এইখিনি পৰিভাষাৰ কামতো সহায় কৰিছিল। বিষয়সমূহৰ হৈ মূল প্ৰণেতা হিচাপে কামখিনি কৰি দিছিল শ্ৰী সুৰেশ চন্দ্ৰ ৰাজখোৱা, ড° পদ্মেশ্বৰ গগৈ, শ্ৰী অজিত কুমাৰ শৰ্মা, ড° দেৱপ্ৰসাদ বৰুৱা, শ্ৰী প্ৰবোধ চন্দ্ৰ গোস্বামী, ড° প্ৰভাস, চন্দ্ৰ গোস্বামী, ড° অনিল কুমাৰ শৰ্মা, ড° বীৰেন্দ্ৰ নাথ দত্ত, ড° কালীচৰণ দাস, ড°ৰেণু দেৱী, ড° কৃষ্ণ প্ৰসাদ বৰা, ড°সিদ্ধেশ্বৰ শইকীয়া আদিয়ে। কোন পৰ্যায়ৰ লোকে সেই কালত এনেকুৱা গুৰুত্বপূৰ্ণ কাম সম্পাদন কৰি অসমীয়া জাতিটোক সহায় কৰিছিল, সেই কথা স্মৰণ কৰি মই আজিও ইমান আনন্দিত আৰু অভিভূত হওঁ যে নামৰ তালিকা দীঘল নকৰো, বুলি ভাবিও সংযম হেৰুৱাওঁ। কাৰ নাম মই নল'ম? আনিছ-উজ-জামানে (কবি, শিক্ষক, পাছলৈ অসম লোক সেৱা আয়োগৰ সদস্য), দ্বিজেন্দ্ৰ মোহন শৰ্মাই (এওঁ গীত-লেখক হিচাপে পৰিচিত) পৰিভাষাৰ কামৰ প্ৰাথমিক অৱস্থাৰ কাৰ্ডবোৰ লিখি সহায় কৰিছিল— তেওঁলোকৰ নাম নোলোৱাকৈ থাকিব পাৰোঁনে? দীনেশ চন্দ্ৰ গোস্বামী তেতিয়া কটন কলেজৰ শিক্ষক। তেওঁ বৈজ্ঞানিক পৰিভাষাখনৰ সমগ্ৰ কাৰ্ড জুকিয়াই পাণ্ডুলিপি প্ৰস্তুত কৰি দিছিল; কিতাপখন ওলোৱাৰ পাছত শুদ্ধিপত্ৰখনো লিখি দিছিল;— তেওঁ নাম নলমনে? পৰিভাষাৰ বাহিৰেও পাঠ্যপুথিসমূহ ৰচনা-সম্পাদনা কৰি দিয়াসকল, সমন্বয় সমিতিখনৰ সদস্য হিচাপে মোক সহায় কৰাসকল;— মনত পেলালে এই আঁচনিখনলৈ বৰঙণি আগবঢ়োৱা, সেই সময়ৰ শিক্ষাজগতৰ আগশাৰীৰ বহুলোকৰ মুখ চকুৰ আগেদি পাৰ হৈ যায়,— ড° ভগবান চন্দ্ৰ লহকৰ, ইক্ৰামুদ্দিন শইকীয়া, ড° উপেন্দ্ৰ নাথ বৰদলৈ, দিলীপ কুমাৰ বৰুৱা, মহম্মদ চাকি—। অৰ্থনীতি বিভাগৰ ড° টমাছ,শ্ৰী শাৰংগপাণি, শ্ৰীকৃষ্ণমূৰ্তি, ৰাজনীতি বিজ্ঞান বিভাগৰ ড° ভেংকটৰাও, বাণিজ্য বিভাগৰ শ্ৰী মেহৰোত্ৰা,—এখেতসকলৰো আঁচনিখনৰ প্ৰতি বৰঙণি কম আছিলনে? মোৰ মন যায়, — সময়ৰ সোঁতত কিতাপবিলাকৰ কি হয় সেইটো বেলেগ কথা; কিন্তু সকলো কিতাপৰ নামপত্ৰখিনি (title pages) গোটাই, সম্পাদনা কৰি, তাৰে এখন সুকীয়া কিতাপ ছপাই থব লাগে। এই কিতাপখন সেই সময়ছোৱাৰ, সেই আঁচনিখনৰ ইতিহাসৰ এটা অংশ হ'ব।মোৰ এই লেখাত মই সেই আঁচনিত মোক সহায় কৰা, অৰ্থাৎ জাতিটোক সহায় কৰা সকলো লোকৰ প্ৰতি কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিব পাৰোঁ, সকলোৰে নাম উল্লেখ কৰিব নোৱাৰো, তাৰ বাবে মই দুঃখিত।

১৯৭২ চনৰ প্ৰথম ভাগৰে পৰা পাছৰ চাৰিটা বছৰ আমাৰ কাৰ্যালয়টো এটা কাৰখানাত পৰিণত হৈছিল। লেখকৰ পৰা পাণ্ডুলিপি আহিছে, সেয়া কপি কৰোৱা হৈছে, সম্পাদকলৈ পঠোৱা হৈছে, সম্পাদকৰ পৰা অহাৰ পাছত কাৰ্যালয়ৰ কৰ্মীসকলে ভাষা আৰু আখৰ-জোঁটনি পৰীক্ষা কৰিছে, শেষত পাণ্ডুলিপি মোৰ মেজলৈ আহিছে; পাণ্ডুলিপিয়ে দাবী কৰা মতে, নক্সা, ছবি, মানচিত্ৰ আদি আঁকোৱা হৈছে ইত্যাদি ইত্যাদি। কাৰ্যালয়ত পাণ্ডুলিপি পৰীক্ষা কৰা কামত নিত্যানন্দ তামুলী, তোষপ্ৰভা কলিতা, বীৰেন্দ্ৰ কুমাৰ লহকৰ, শিৱনাথ হাজৰিকা, বাণী শৰ্মা, লক্ষী দাস আদি সহকাৰীসকলে ইতিমধ্যে নিজকে আঁচনিখনৰ কামৰ বাবে প্ৰশিক্ষিত কৰি তুলিছিল, আৰু কাম আগবঢ়াৰ লগে লগে তেওঁলোকে ভাষা আৰু আখৰ-জোঁটনিৰ ক্ষেত্ৰত দক্ষতা আহৰণ কৰিছিল। কেৱল পাণ্ডুলিপি কপি কৰা কামটোৰ পৰাই সেই কালছোৱাত বহু ল'ৰা-ছোৱালীয়ে অন্ততঃ জেপ-খৰচখিনি উলিয়াই থাকিব পাৰিছিল। ছবি আঁকা কামটোত প্ৰায় বিছজনমান লোক নিয়োগ কৰা হৈছিল। বৰ্তমানে বি. বৰুৱা কলেজৰ ভূগোল বিভাগৰ শিক্ষক ভুৱন চন্দ্ৰ লহকৰ, আৰু গল্পলেখক হিচাপে পৰিচয় প্ৰতিষ্ঠিত কৰা আৰ্যবিদ্যাপীঠ কলেজৰ উদ্ভিদবিজ্ঞানৰ শিক্ষক ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যই মোৰ সেই কোঠালিটোতে বহি বহু দিন ধৰি দিনে-নিশাই নক্সা, মেপ, ছবি আদি আঁকিছিল। বিষয়টোও জানে, ছবিও আঁকিব পাৰে,— তেনেকুৱা যুবক-যুবতীৰ হতুৱায়েই ছবিৰ কাম কৰোৱা হৈছিল। কপি কৰা আৰু ছবি আঁকাসকল আমাৰ কৰ্মচাৰী নাছিল; তেওঁলোকে সমিতিয়ে নিৰ্ণয় কৰা হাৰত মাননী পাইছিল। কেতিয়াবা এনেকুৱাও হৈছিল ঃ কাইলৈ এটা ছপাশাললৈ অমুক নক্সাখন পঠাবই লাগে, আজি দেওবাৰ; চিত্ৰকৰ কাকো পোৱা নাযাব; — গতিকে নিজেই অফিছলৈ গৈ গণিত বা অৰ্থনীতিৰ কিতাপৰ সৰলৰৈখিক নক্সা আঁকি, কোনোবা অলাগতিয়াল পুস্তিকাৰ পৰা অ-আ, ক-খ আদি কাটি, আঠাৰে নক্সাক লগাবলগীয়া হৈছিল। অসম আৰু কলিকতাৰ প্ৰায় চল্লিছটা ছপাশালত ছপাৰ কাম কৰোৱা হৈছিল। অংকৰ জটিল সমীকৰণ থকা কিতাপবোৰ অসমত ছপাব পৰা নগৈছিল। (কিন্তু পাছলৈ মই কেইটামান ছপাশালৰ মালিকক তেনেকুৱা কামৰ বাবে প্ৰয়োজনীয় আখৰবোৰ আনি ল'বলৈ উদগাইছিলো। অন্ততঃ এটা ছপাশালৰ মালিকে মোৰ পৰামৰ্শ মতে নিজকে সাজু কৰি সমীকৰণ থকা কিতাপ ছপোৱা আৰম্ভ কৰিছিল।) কামৰ হেঁচা বৰ বেছি হোৱাৰ সময়ত নিত্যানন্দ তামুলীয়ে কলিকতাত থাকি লৈছিলগৈ। শিয়ালদহ ষ্টেচনৰ ওচৰৰ সৰস্বতী প্ৰেছৰ কেইবামহলীয়া ঘৰটোৰ ছাদৰ ওপৰত থকা সৰু কোঠালি এটাত তেওঁ থাকিবলৈ লৈছিল। মই সপ্তাহত তিনি-চাৰি দিন পুৱাই তেওঁলৈ ফোন কৰোঁ।

ৰাবোৱানে তলত ফোন ধৰি— "তামুলী বাবু" বুলি চিঞৰ এটা মাৰে। মই সেইটোও শুনো। তামুলী নামি আহে। মই খবৰ লওঁ, খবৰ দিওঁ। এটা গুৰুত্বপূৰ্ণ (সংকটময়) সময়ত তামুলীয়ে অমানুষিক কষ্ট কৰি আঁচনিখনক সহায় কৰিছিল। এবাৰ মই কলিকতালৈ যাওঁতে তেওঁ থকা (প্ৰায় আঠফুট ×বাৰফুট জোখৰ) কোঠালিটোলৈ গৈছিলো। ছাদৰ ওপৰত প্ৰচণ্ড গৰম। কোঠালিটোৰ এটা চুকত পুৰণি টেবল-ফেন এখন ঘূৰিব লাগে কাৰণে ঘূৰি আছে; গোটেই কোঠালিটো পাণ্ডুলিপি, ছবি, প্ৰেছৰ পৰা অহা প্ৰুফৰ প্যাকেটেৰে ভৰা। বিছনাৰ ওপৰতো সেইবোৰেই। তাৰ মাজতে খালী গাৰে বহি তামুলীয়ে প্ৰুফ চাই আছে।

এই যে যুদ্ধ চলি থকা সময়ৰ গতিৰে কাৰখানা চলিছিল, তাৰ কাৰণ আছিল, ১৯৭২ চনৰ শিক্ষা-বছৰত অসমৰ কলেজবোৰত অসমীয়া ভাষাতে শিক্ষা প্ৰদান কৰিব লাগিব বুলি সিদ্ধান্ত কৰা হৈছিল। (ইংৰাজী ভাষাৰে পঢ়োৱা নিষিদ্ধ কৰা হোৱা নাছিল।) সেই সিদ্ধান্ত কৰা হৈছিল মাধ্যম আন্দোলন নামে খ্যাত আন্দোলনৰ ফলস্বৰূপে। আগতেই কৈছোঁ, মোৰ কাৰ্যালয় কোঠাৰ, মোৰ পিঠিফালে থকা বেৰখনৰ সিফালৰ কোঠালিটোৰেই আছিল ছাত্ৰসভাৰ অফিছ, সেইটোৰেই সদৌ অসম ছাত্ৰ সংস্থাৰো কাৰ্যালয়ত পৰিণত হৈছিল। গতিকে মাধ্যম আন্দোলনৰ বিভিন্ন ৰূপ মোৰ চকু-কাণৰ ওপৰেদি পাৰ হৈ গৈছিল। মই অসমীয়া ভাষাত পাঠ্যপুথি প্ৰস্তুত কৰাৰ কামত ব্যস্ত আছিলো; শিক্ষায়তনিক (Academic) নীতি, সিদ্ধান্ত আদি গ্ৰহণ কৰাৰ লগত মোৰ সম্পৰ্ক নাছিল। কিন্তু আমি প্ৰকাশ কৰা কিতাপবোৰৰ লগততো শিক্ষাৰ মাধ্যমৰেই সম্পৰ্ক আছে ! গতিকে এদিন মাধ্যম সম্পৰ্কীয় গুৰুত্বপূৰ্ণ আলোচনা হ'ব বুলি শুনি বিশ্ববিদ্যালয়ৰ Academic Council-অৰ সভালৈ আলহী হিচাপে গ'লো। এচুকত বহি বিভিন্নজনৰ বক্তব্য শুনিলো। সেইদিনা— "বিশ্ববিদ্যালয়ৰ অধীনৰ সকলো কলেজতে একমাত্ৰ অসমীয়া ভাষাৰে পঢ়োৱা হওক" — এই ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা নহ'ল। ৰাতি শুলো, টোপনি গ'ল, — এসময়ত কোলাহল শুনি সাৰ পালো। কিহৰ কোলাহল? 'পাহাৰ লাইন'ৰ ফালৰ পৰা এজাক মানুহৰ কোলাহলটো আগবাঢ়ি আহিছে! কোলাহলৰ মাজৰ পৰা অসমীয়া ভাষা সম্পৰ্কীয় শ্লগানৰ শব্দ পৰিষ্কাৰ হৈ ওলাই আহিছে। বুজিলো ছাত্ৰৰ সমদল। এসময়ত দলটো আহি আমাৰ ঘৰৰ সন্মুখত ৰ'লহি। (সেই সময়ত আমি চৌৰন নম্বৰ ঘৰত থাকোঁ। এই ঘৰ-সলনি কৰাৰ প্ৰসংগটোলৈ পাছত আহিম।) কোনোবাই মোৰ নাম ধৰি ধৰি মাতিলে, — ওলাই আহিব লাগে। কথা কি বতৰা কি, একো ধৰিব পৰা নাছিলো। ভীতিয়ে ভয়েই খাইছিল। মই ওলাই গ'লো। ল'ৰাজাকে মোক বেৰি ধৰিলে। কোনোবা এজনে আমাৰ বাৰাণ্ডাত থকা সৰু মেজ এখন লৈ আহিলগৈ। কোনোবাই মোক সেইখনৰ ওপৰত থিয় হ'বলৈ দিলে। হ'লো। কোনোবা এজন পদুলিমুখৰ ওচৰতে থকা টেলিফোনৰ খুটাটোত বগাই দহফুটমান ওপৰ পালেগৈ। সেই উচ্চতাৰ পৰা তেওঁ মিহি, 'ছোৱালী-জোকোৱা' মাত এটা উলিয়াই মোৰ নামটো উচ্চাৰণ কৰিলে। ইফালে সমুখত থকা এজনে দাবী কৰিলে, — একমাত্ৰ অসমীয়া ভাষাৰে যে কলেজত পঢ়োৱা হ'ব, সেই বিষয়ে মই একাডেমিক কাউন্সিলত জোৰ দি ক'ব লাগিব। ক'ব লে নকয়? মই ক'লো, — মই একাডেমিক কাউন্সিলৰ মেম্বাৰেই নহওঁ। তাত কথা কোৱাৰ মোৰ উপায়েই নাই। কিন্তু মই অসমীয়া ভাষাৰ কিতাপ উলিওৱাৰ কামতে লাগি আছোঁ। — সেইবোৰ আমি নাজানো। মাধ্যম যদি অসমীয়া নহয়, তেনেহ'লে কথা বেয়া হ'ব— এই জাতীয় কথা কৈ এটোৰে অইন কোনোবা একাডেমিক কাউন্সিলৰ সদস্যৰ ঘৰ বিচাৰি যাত্ৰা আৰম্ভ কৰিলে।

পাছত, এতিয়াও মই বিশ্বাস কৰোঁ, — যুগ যুগ ধৰি যিবোৰ মূৰ্খই একোটা আন্দোলনত কলংক সানি আহিছে, ৰাতি ভাত-পানী, মদ-পানী খাই উঠাৰ পাছত যাৰ ভাষাপ্ৰেম-দেশপ্ৰেম উত্তাল হৈ উঠে, সেইদিনাৰ দলটোত তেনেকুৱা মূৰ্খৰ সংখ্যাই বেছি আছিল।

পাছদিনা বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ শ্ৰী চিদানন্দ দাসক ফোন কৰি মোৰ মনৰ ক্ষোভৰ কথা জনালো। আমি কাৰ কাৰণে এইবোৰ কৰিছোঁ। তেখেতে ক'লে, — সান্ত্বনা দিয়াৰো উপায় নোহোৱা হৈছে। আপুনি সকলো বুজে। বৰ অশান্তি লাগিছে যদি দুদিনমান ছুটি লওক।

তাৰ অলপ পাছতে ছাত্ৰসংস্থাৰ সাধাৰণ সম্পাদক, মাধ্যম-আন্দোলনৰ শীৰ্ষস্থানীয় নেতা প্ৰসন্ন নাৰায়ণ চৌধুৰী মোৰ কোঠালৈ আহিল। তেওঁ ৰাতিৰ দলটোৰ লগত তেওঁলোকৰ কাৰ্যপন্থাৰ সম্পৰ্ক নাই বুলি কৈ সংস্থাটোৰ হৈ মোক ক্ষমা খুজিলে আৰু বেয়া নাপাবলৈ বাৰম্বাৰ অনুৰোধ কৰিলে।

পাছত এদিন প্ৰসন্নই মোক ক'লে, — তেওঁলোকৰ টেলিফোনটোৰ বিলৰ টকা বহুত হৈ গ'ল; টকা জমা নিদিয়াৰ কাৰণেই হ'বলা, — টেলিফোন বিভাগে সেইটোৰ লাইন কাটি থৈছে। ইফালে আন্দোলনৰ কাৰণে সমগ্ৰ অসমৰ লগত যোগাযোগ কৰিবলৈ টেলিফোনটো নহ'লেই নহয়। কিছুমান টেলিফোন-কল তেওঁলোকে অইন ক'ৰবাৰ পৰা কৰিব; কিন্তু অতি জৰুৰী কিছুমান কথাৰ কাৰণে আমাৰ অফিছৰ, —মানে মোৰ মেজত থকা ফোনটো ব্যৱহাৰ কৰিব খোজে। মই কৰ্তৃপক্ষৰ লগত কথা পাতিলো। তাৰ পাছত প্ৰসন্নহঁতে মোৰ পিছফালৰ বেৰখনত টেলিফোনটো সৰকাৰ পৰা ফুটা এটা কৰিলে। মই অফিছ এৰাৰ পাছত টেলিফোনটো তেওঁলোকে তেওঁলোকৰ ফালে লৈ যায়, আৰু পাছদিনা পুৱা পাৰ কৰি মোৰ ফালে থৈ দিয়ে। আন্দোলনৰ গুৰুত্বপূৰ্ণ সময় এছোৱাত সেই ব্যৱস্থাটো চলি আছিল।

এদিন ৰাতি তিনিমান বজাত ঘৰৰ ফোনটো বাজিল। নগাঁৱৰ পৰা নগাঁও কলেজৰ অধ্যক্ষ মুহিৰাম শইকীয়াই ফোন কৰিছে। তেওঁৰ মাতত চেপা খোৱা উত্তেজনা। ভবেন, — তুমি এটা কাম কৰিব লাগে। গোপনে। অনিল বৰাৰ ডে'ড ব'ডিটো পোৱা গৈছে। (অনিল বৰা হোজাইত নিহত হৈছিল; তেওঁৰ মৃতদেহ লগে লগে পোৱা নগৈছিল)। সেইটো আমি টাউনলৈ লৈ আহিছোঁ। ডেপুটি কমিছনাৰ আৰু মই লগ লাগি অৱস্থাটো যিমান পাৰো কণ্ট্ৰলত ৰাখিবলৈ চেষ্টা কৰিছোঁ। তুমি প্ৰসন্নক খবৰ দিয়া, — তেওঁ যেন এতিয়াই গুৱাহাটীত খবৰটো প্ৰচাৰ নকৰি, — মাত্ৰ দুজনমানক লগত লৈ নগাঁৱলৈ আহে।

প্ৰসন্নহঁত, —আন্দোলনৰ মুখিয়ালকেইজন সেই সময়ত ৰাতি সদায় একেটা হোষ্টেলত নাথাকিছিল। আজি এইটোত, কাইলৈ সৌটোত। কি কৰা যায়? আমাৰ ঘৰ পিছফালৰ কোঠালি এটাত অফিছৰ পিয়ন লক্ষ্মণ কলিতা থাকে। আদহীয়া, খামি ডাঠ মানুহ। তেওঁক জগালো। ক'লো, — তুমি প্ৰথমতে দুই নম্বৰ হোষ্টেললৈ যোৱা। চকীদাৰৰ লগ লাগি যাকে পাৰা জগাবা। মোৰ নাম লৈ ক'বা, — প্ৰসন্নক দিবলৈ এটা বৰ জৰুৰী খবৰ আছে। তেওঁলোকেৰ সহায় লৈ প্ৰসন্নক বিচাৰি উলিয়াবা। লগ পালে গোপনে ক'বা, —।

লক্ষ্মণ কলিতা খোঁচনিত দা এখন লৈ ওলাই গৈছিল। পাছত গম পাইছিলো, — আধা ঘণ্টামানৰ ভিতৰতে প্ৰসন্নহঁতে নগাঁও অভিমুখে জালুকবাৰী এৰিছিল।

স্বাভাৱিকতে, তাৰ পাছত আন্দোলনৰ তীব্ৰতা বাঢ়িছিল। প্ৰসন্নই আমাক এটা সহায় কৰিছিল। বন্ধ, হৰতাল, পিকেটিং সকলোৰে পৰা আমাৰ অফিছটোক তেওঁলোকে ৰেহাই দিছিল। তেওঁ বুজিছিল, — আমি যদি কিতাপবোৰ উলিয়াই নিদিওঁ, তেনেহ'লে তেওঁলোকে তেওঁলোকৰ আন্দোলনৰ সুফল কামত লগাবই নোৱাৰিব। (আচলতে প্ৰয়োজনীয় সকলো পাঠ্যপুথি সমুখত লৈ অসমীয়া মাধ্যমত পঢ়া-শুনা আৰম্ভ কৰা

কামটো ১৯৭৫ চনত আৰম্ভ হোৱা হ'লে ভাল আছিল।) আমাৰ ওপৰত প্রচণ্ড হেঁচা পৰিছিল। বন্ধ, হৰতাল, পিকেটিঙক প্রশ্রয় দিয়াৰ কথাই নাছিল। মনত পৰে, — পাণ্ডুলিপিৰ কাৰণে মই আন্দোলনৰ কথাতে চৰকাৰে গ্রেপ্তাৰ কৰি ৰখা ড° দেৱ প্রসাদ বৰুৱাক গুৱাহাটীৰ কাৰাগাৰত লগ ধৰিবলগীয়া হৈছিল। আন্ধাৰ হোৱাৰ পাছত ঘৰত চাবলৈ পাণ্ডুলিপি এসোপা হাতত লৈ যেতিয়া ঘৰলৈ ওভতোঁ, তেতিয়া প্রীতিয়ে এদিন কৈছিল, — বিছনাখনো অফিছলৈ লৈ যাব নোৱাৰিনে? অফিছটোৰ প্রতিজন কর্মীয়ে এটা উদ্দেশ্যৰ প্রতি উদ্বুদ্ধ হৈ কাম কৰিছিল, কিন্তু কামৰ পৰিমাণ আৰু চৰিত্রই সমুখত পর্বতৰ ৰূপ লৈ দেখা দিছিল।

প্রসন্ন নাৰায়ণ চৌধুৰীৰ পাছৰ দিনবোৰৰ কথা এটা কৈ থওঁ। তেওঁক ব্যক্তিগতভাৱে, বিশেষভাৱে মনত ৰাখিবলগীয়া সম্পর্ক তেওঁৰ লগত মোৰ গঢ়ি উঠা নাছিল। বেৰখনৰ সিফালে তেওঁ তেওঁৰ কাম কৰিছে, ইফালে মই মোৰ কাম কৰিছোঁ। ওপৰত যিখিনি কথা উল্লেখ কৰিলো, — সম্পর্ক বুলিবলৈ তেনেকুৱাই। কিন্তু আন্দোলন গ'ল; — বহুত দিন পাৰ হৈ গ'ল; — এদিন এখন চিঠি পালো, — প্রসন্নই তেজপুৰৰ পৰা লিখিছে। তাত তেওঁ এছ.এছ.বিত (Special Service Bureau) চাকৰি কৰিছে। এটা নতুন জীৱন আৰম্ভ কৰিছে। গুৱাহাটীলৈ আহিলে তেওঁ মোক লগ ধৰিব। —মাত্র পাঁচশাৰীমানৰ চিঠি। কিয় তেওঁ হঠাতে মোলৈ চিঠি এখন লিখিলে মই ভাবি উলিয়াব নোৱাৰিলো। এবাৰ গুৱাহাটীলৈ আহোঁতে তেওঁ সঁচাকৈয়ে মোক লগ ধৰিলে। দুয়ো দুয়োৰে খবৰ ললো; কথা সিমানেই। তাৰ ভালেমান দিনৰ পাছত আকৌ এখন চিঠি পালো। সেইখনত প্রসন্নই লিখিছে, — তেওঁৰ কাম ভালে ভালে চলি আছে। মোৰ কথা তেওঁৰ প্রায়ে মনত পৰে। মাকৰ অসুখ এটাই তেওঁক অলপ আমনি কৰি আছে। তাৰ পাছত বহু দিনলৈ যোগাযোগ নাই। বহুদিনৰ মূৰত এখন চিঠি পালো। এইখন দীঘল চিঠি। পূৰা এক পৃষ্ঠাৰ। প্রসন্নই তেওঁৰ নাকৰ অসুখটোৰ কথা লিখিছে। অসুখটো তেওঁ ভবাতকৈ বহু বেছি ডাঙৰ বুলি ধৰা পৰিছে। তেওঁ মনটোক সবল কৰি ৰাখিবলৈ চেষ্টা কৰিছে।

এদিন খবৰ পালো, প্রসন্ন ঢুকাল। আজি প্রসন্নৰ কথা মনত পৰিলে, — তেওঁ যে আমাৰ অফিছলৈ আহি, মোৰ সমুখৰ চকীখনত বহি অলপ খোনাই-খোনাই কথা পাতিছিল, সেই দৃশ্যটো মনত পৰে। লগতে মোৰ ককাইদেউ এজনে দিয়া বর্ণনা এটা মনত পৰে ঃ মাধ্যম আন্দোলনৰ দিনৰ কথা। কলিয়াবৰৰ অঞ্চলৰ কোনোবা এঠাইত এখন সভা হ'ব; প্রসন্ন নাৰায়ণ চৌধুৰী আহিব সভাত বক্তৃতা দিবলৈ। কেইবা ঘণ্টাৰো আগৰে পৰা সৃষ্টি হৈছে এক জনসমুদ্রৰ। তেনেকুৱা জনসমুদ্র ককাদেউৰ মতে অভাৱনীয়, অকল্পনীয়। লগতে ভাবোঁ, — কিয় এই ল'ৰাজনে মোৰ লগত নিতান্ত ব্যক্তিগত সম্পর্ক এটা ৰাখিছিল? অসমৰ ছাত্র আৰু যুব সমাজৰ গতিপথৰ 'টার্নিং পইণ্ট' বুলিব পৰা সেই মাধ্যম আন্দোলনটোৰ নায়ক এজন ইমান সোনকালে, ইমান নিৰৱে আঁতৰি যোৱা ঘটনাটো মোৰ কাৰণে বেদনাদায়ক আছিল। মোৰ ধাৰণা,— আন্দোলনৰ নায়কজনৰ ভিতৰত অইন এজন প্রসন্ন নাৰায়ণ চেধুৰী আছিল।

মাধ্যম আন্দোলন, অসমীয়া পাঠ্যপুথি, প্রসন্ন নাৰায়ণ চৌধুৰী,— এই সূত্রত মোৰ আৰু এজন মানুহৰ কথা মনলৈ আহে। ডিব্রুগড় বিশ্ববিদ্যালয়েও গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিচিনাকৈয়ে পাঠ্যপুথি প্রস্তুত কৰা আঁচনি হাতত লৈছিল। সেইখন সমন্বয় সমিতিৰ সচিব আছিল হৰিপ্রসাদ নেওগ। তেখেতে মোৰ লগত ঘনিষ্ঠ সম্পর্ক ৰক্ষা কৰিছিল। আমি,— মানে গুৱাহাটী বিশ্ববিদ্যালয়, আঁচনিখনৰ কামত ডিব্রুগড় বিশ্ববিদ্যালয়তকৈ আগ বাঢ়িছিলো। গতিকে নেওগে গুৱাহাটীলৈ আহিলে আমাৰ কার্যপন্থা, সিদ্ধান্ত আদিৰ কাগজ-পাতি লৈ গৈছিল। আমি কামৰ কথা সবিস্তাৰে আলোচনা কৰিছিলো। যিবোৰ কাম দুয়োখন বিশ্ববিদ্যালয়ে সুকীয়া-সুকীয়াকৈ নকৰিলেও হয়, সেইবোৰ বাছি উলিয়াবলৈ যত্ন কৰিছিলো। পৰিভাষা প্রস্তুত কৰাৰ নিচিনা ব্যয়বহুল, সময়সাপেক্ষে কাম যে ডিব্রুগড় বিশ্ববিদ্যালয়ে বেলেগে কৰাৰ প্রয়োজন নাছিল, আমি সেই সূত্র ধৰিয়েই কথাবোৰ আলোচনা কৰিছিলো। পাঠ্যপুথিৰ জৰিয়তেই নেওগৰ লগত মোৰ চিনাকি হৈছিল, আৰু সেই চিনাকি বন্ধুত্বত পৰিণত হৈছিল। এবাৰ ভাৰত চৰকাৰে পাঠ্যপুথিৰ আঁচনিখনৰ খতিয়ান ল'বলৈ দিল্লীত সর্বভাৰতীয় সভা এখন পাতিছিল। মই আৰু নেওগ একেখন উৰাজাহাজতে গৈছিলো। বাটত তেখেতে কৈছিল, — সভাখনত উপস্থিত থকাৰ বাহিৰেও দিল্লীত তেখেতৰ আৰু এটা কাম আছে। ডিব্রুগড়ত পৰীক্ষা কৰাওঁতে তেখেতৰ হাওঁফাওঁত এটা অকণমান ক'লা ফুট ধৰা পৰিছে। তাৰ ডাক্তৰে সকলো কাগজ-পাতি দি পঠাইছে; সেইবোৰ তেখেতে দিল্লীৰ ডাক্তৰ এজনক দেখুৱাব। তেখেতক অলপ চিন্তিত দেখিছিলো কাৰণে মই কথাটো পাতলাই দিছিলো। দিল্লীত সভা আৰম্ভ হোৱাৰ এঘণ্টামানৰ পাছতে তেখেতে মোক কৈছিল, — আপুনিয়েই দুয়োৰে হৈ ক'ব; মই ডাক্তৰৰ ওচৰলৈ যাওঁ। মই ক'লো, — যাওক।

তাৰ পাছত নেওগক মই গুৱাহাটীত এবাৰ নে দুবাৰ লগ পাইছিলো। ভালেই আছে। এদিন ৰাতিপুৱাই ড° নগেন শইকীয়াই ডিব্রুগড়ৰ পৰা ফোন কৰিলে, — কালি ৰাতি হঠাতে অসুখ বেছি হ'ল, নেওগ ঢুকাল।

মোৰ লগতে খোলা মনেৰে, অত্যন্ত সহজ-সৰলভাৱে, আপোনজন হিচাপে সম্পর্ক ৰক্ষা কৰা এই পৰিশ্রমী মানুহজনক মই মৰমেৰে স্মৰণ কৰোঁ।

১৯৭২ চনৰ শিক্ষা-বছৰত প্রাক-বিশ্ববিদ্যালয় মহলাত অসমীয়া ভাষাৰে শিক্ষাদানৰ ব্যৱস্থা প্রৱর্তিত হোৱাৰ প্রথম ছমাহমান কার্যালয়টোৰ প্রায় সকলোৰে অষ্ঠ-কণ্ঠ শুকাই থকাৰ নিচিনা অৱস্থা হৈছিল। "মাধ্যম অসমীয়া হ'ল কিন্তু পাঠ্যপুথি নাই" —এই জাতীয় সংবাদৰ কাৰণে আমিয়েই আটাইতকৈ ভীত-সন্ত্রস্ত হৈ আছিলো। কোন কেইখন কিতাপ হ'লে অন্ততঃ শ্রেণীত পাঠদান আৰম্ভ কৰিব পৰা যাব, তাৰ খবৰ লৈ, সেইকেইখন কিতাপ দোকানত দিয়াৰ বাবে আমি আপ্রাণ চেষ্টা কৰিছিলো। কিতাপৰ ছপা কাম যে সম্পূর্ণ হৈছে, কেৱল ছপাশালৰ পৰা বা দপ্তৰীৰ কাৰখানাৰ পৰা বজাৰ পাবলৈহে বাকী, সেই কথা প্রমাণ কৰিবলৈ প্রায় প্রতিখন কিতাপৰে দুশ-তিনিশ কপি কলিকতাৰ পৰা আকাশীযানেৰে অনাই অন্ততঃ গুৱাহাটীৰ বজাৰত দিয়াৰ ব্যৱস্থা কৰিছিলো, আৰু লগে লগে তেনে কিতাপ বিজ্ঞাপন প্রকাশ কৰি সংশ্লিষ্ট শিক্ষা সমাজখনক অৱস্থাটো জনাই থকাৰ ব্যৱস্থা কৰিছিলো। আমি, শিক্ষক, ছাত্র, — এই সকলো যে শিক্ষাৰ মাধ্যম পৰিবর্তন প্রক্রিয়াটোৰ সমপর্যায়ৰ অংশীদাৰ, সেই কথাটো প্রতিষ্ঠা কৰাটো আমাৰ বাবে প্রয়োজনীয় কাম আছিল। এদিন আমাৰ কার্যালয়লৈ সোমোৱা দু�ৱাৰখনৰ বাহিৰত আঠজনমান ল'ৰাৰ দল এটা গোট খাইছিল। তেওঁলোকে বাকীবোৰ কিতাপ কেতিয়া ওলাব, সেই খবৰো লোৱাৰ 'আন্দোলন' কৰিবলৈ আহিছিল। তেওঁলোকে খবৰ ল'বলৈ অহাৰ কাৰণে কোনো এখন কিতাপ যে এক মিনিটো আগতে নোলায়, আৰু কোনো এখন কিতাপ যে আমাৰ হেমাহিৰ কাৰণে এক মিনিটো পাছত নোলায়, সেই কথাখিনি কৈ তেওঁলোকক বিদায় দিছিলো। সেই কালত, সেই পৰিস্থিতিত আমি পাঠ্যপুথি প্রস্তুত কৰাৰ ক্ষেত্রত যি গতিত কাম কৰিছিলো তাতকৈ বেছি গতিত এইখন ৰাজ্যত কোনেও সেই কাম কৰিব নোৱাৰিলেহেঁতেন বুলি গভীৰ বিশ্বাস আৰু উপলব্ধিয়ে আমাৰ মনত ঠাই পাইছিল কাৰণে সেই সংকটৰ সময়ছোৱাত আমি অবিচলিত হৈ থাকিব পাৰিছিলো।

কোনো ভাষাতে পাঠ্যপুথিৰ সমস্যা সহজে নাইকিয়া নহয়। এইখনতকৈ আৰু ভাল কিতাপ এখন প্রস্তুত কৰাৰ চেষ্টা সদায় অব্যাহত

থকে; — থাকিব লাগে। এজন ভাল ছাত্রক একোটা বিষয়ৰ এখন কিতাপেই সন্তুষ্ট নকৰে; তেওঁক কেইবাখনো ভাল কিতাপ লাগে। এইবোৰ মৌলিক কথা জানিও আমি তেতিয়া প্রতিটো বিষয়ৰ প্রতিটো শাখাৰ অন্তঃত এখনকৈ কিতাপ প্রকাশ কৰিব পৰাটোকে প্রধান সমস্যা বুলি গণ্য কৰিছিলো; আৰু এসময়ত সমস্যাৰ তীব্রতাই শাম কাটিছিল। ভাললৈ হৈছিল নে বেয়ালৈ হৈছিল; সেই বিষয়ে তর্কৰ শেষ হোৱা নাছিল; আজিও হোৱা নাই, কেতিয়াবা যে হ'ব তাৰো নিশ্চয়তা নাই; — কিন্তু শিক্ষাজগতত এটা নতুন অধ্যায়ৰ আৰম্ভ হৈছিল।

মোৰ বিচাৰৰ ফালৰ পৰা পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতিৰ কথা ইমানতে এৰিব খোজোঁ। শিল ভাঙি, মাটি কাটি বাটটো মুকলি কৰাৰ কামটোত যি উত্তেজনা, উদ্বিগ্নতা, পদ্ধতি-সৃষ্টিৰ আনন্দ আৰু পৰিশ্রম জড়িত আছিল, লাহে লাহে সেইবোৰৰ প্রশমন ঘটিল। তথাপি, এৰাৰ আগতে মলৈ অহা দুটামান কথা কৈ থওঁ।

এদিন দোকমোকালিতে অফিছৰ ৰাতিৰ চকীদাৰ দেবেন দাসে পিছফালৰ গে'টেদি সোমাই চিঞৰিলেহি— ছাৰ! ছাৰ! কি হ'ল? অফিছৰ নতুন ঘৰটোত জুই লাগিছে। জুই লাগিছে? এক মিনিটমানৰ ভিতৰতে গেৰেজৰ পৰা গাড়ী উলিয়াই যথাসম্ভৰ তীব্র গতিৰে গাড়ী চলালো। ছোৱালী-হোষ্টেলৰ তিনি আলিটোত ঘূৰিয়েই জুইৰ শিখা দেখা পালো। ল'ৰাৰ হোষ্টেলৰ সমুখত দুজন ল'ৰা থিয় হৈ থকা দেখি —"আহাঁচোন আহাঁ, প্লিজ হে'ল্প" — ইত্যাদিকে চিঞৰি চিঞৰি অফিছৰ ফালে আগ বাঢ়িলো।

দুটা কোঠালি আৰু বাঁহৰ চিলিঙিৰে বেৰি লোৱা বাৰাণ্ডাখনে এসময়ত আমাক নটা হৈছিল; গতিকে ওচৰতে এটা একুঠলীয়া ঘৰ সজাই লৈছিলো। পকীবেৰ, টিনৰ চাল। সেইটোক আমি পাণ্ডুলিপিৰ ঘৰ কৰিছিলো। পাণ্ডুলিপিসম্পকীয় সকলো কাম আৰু প্রুফ চোৱা কাম তাতে কৰা হৈছিল। মই গৈ পোৱাৰ অলপ পাছতে অগ্নি-নির্বাপক বাহিনী আহি উপস্থিত হৈছিলহি। ভিতৰলৈ সোমাব পৰা হোৱাৰ লগে লগে সমবেত সকলোৰে সহায়ত আমি প্রথমে পাণ্ডুলিপিবিলাক উলিয়াই ওচৰৰ পথাৰত মেলি দিছিলো। ঢেৰ পাণ্ডুলিপি। পথাৰখন ভৰি পৰিছিল। জুই আৰু পানী দুয়ো পাণ্ডুলিপিবোৰক আক্রমণ কৰিছিল। কিছুমান পাত একেবাৰেই ছাই হৈ গৈছিল; কিছুমান কিছু অংশ ভালে আছিল; বেছিভাগৰ অন্ততঃ আখৰবোৰ পঢ়িব পৰা হৈ আছিল। যিবোৰ পাতৰ মূল পাণ্ডুলিপি নিশ্চিহ্ন হৈছিল, সেইবোৰৰ কাৰণে আমি আকৌ লেখক-লেখিকাৰ শৰণাপন্ন হৈছিলো। আধা পোৱা ভালেমান পৃষ্ঠা তেখেতসকললৈ পঠিয়াই বাকীখিনি লিখি দিবলৈ অনুৰোধ কৰিছিলো। বিশ্ববিদ্যালয় কর্তৃপক্ষই অগ্নিকাণ্ডৰ কাৰণ অনুসন্ধান কৰিবলৈ ড° হৰিপ্রসন্ন দাসক লৈ এখন এজনীয়া সমিতি পাতি দিছিল। সমিতিৰ প্রতিবেদনমতে বিদ্যুৎ-বর্তনীৰ আঁসোৱাহৰ ফলত দুর্ঘটনাটো ঘটিছিল। দুর্ঘটনাটোৱে মোক মানসিকভাৱে বেছি ক্ষতিগ্রস্ত কৰিছিল।

নতুন ঘৰটোলৈ পাণ্ডুলিপিবোৰ আৰু সংশ্লিষ্ট কর্মচাৰীসকল স্থানান্তৰিত কৰাৰ পাছত বাৰাণ্ডাখনত যিখিনি ঠাই ওলাইছিল, তাত আমি এটা ছপাশাল পাতিছিলো। বহু ছপাশালত কাম কৰাই আছোঁ; তাৰ পাছতো হয়ত বহু পাণ্ডুলিপি ছপাবলৈ আছে; দুই-এটা ছপাশালে মন'টাইপ আৰু লাইন টাইপ ব্যৱহাৰ কৰিছে; কিন্তু শতকৰা পঁচান্নবৈ ভাগেই হাতেৰে আখৰ সজোৱা পদ্ধতিকে ব্যৱহাৰ কৰিছে; তেনেহ'লে আমি অংক-ছংক-জংক-পংক নোহোৱা সহজ-সৰল অসমীয়া কিতাপ কিছুমান ছপাবলৈ সৰু ছপাশাল এটা নাপাতোঁ কিয়? আমাৰ সকলোৰে মাজতে ছপাশাল এটা থাকিলে কম সুবিধা হ'বনে? সমন্বয় সমিতিৰ সভাত প্রস্তাৱ উত্থাপন কৰিলো। কেইগৰাকীমান সদস্যই প্রথমতে সন্দেহ প্রকাশ কৰিলে ঃ এই জঞ্জালটো চপাই লোৱাটো ভাল কাম হ'ব জানো? ইমান কামৰ উপৰি ছপাশাল এটা চলোৱাৰ কাম অফিছটোৱে চম্ভালিব পাৰিবনে? মই ক'লো, — আপোনালোকে অনুগ্রহ কৰি মোক কেৱল অনুমতিটো দিয়ক। মই ক্ষতি হোৱা কাম নকৰোঁ। সমিতিয়ে অনুমতি দিলে। শশী ফুকনে ('বিস্ময়' নামৰ আলোচনীখনৰ সম্পাদক) সেই সময়ত ছপাশালৰ মেছিনৰ ব্যৱসায় এটা কৰিছিল। তেওঁৰ পৰা আমি গ্র'ভাৰ কম্পেনিৰ মেছিন এটা ললো। বিশ্ববিদ্যালয়ৰ ইঞ্জিনিয়াৰিং বিভাগৰ হতুৱাই বাৰাণ্ডাখনৰ লগতে চালি এখন দিয়াই ললো। তাতে মেছিনটো পাতিলো। কলিকতাৰ কোম্পানি এটাই কে'ছ হখন আৰু তাৰ জোখাৰে আখৰ দিলে। 'যিমান কাম সিমান পইচা' — পদ্ধতিত কম্পজিটৰ নিয়োগ কৰা হ'ল। গেলি প্রুফ এবাৰ শুদ্ধ কৰাৰ পাছত কোনে কেইশাৰী কম্প'জ কৰিলে সেইটো হিচাপ কৰা হ'ব, আৰু সেই মতে তেওঁলোকক নির্ধাৰিত হাৰত পইচা দিয়া হ'ব। মোৰ যে ঘৰুৱা সংগী আছিল পবিন দত্ত, সি তেতিয়া গুৱাহাটী শ্রীগুৰু প্রেছত কাম কৰিছিল। খবৰ পাই সি আমাৰ ছপাশাললৈ আহিল। পাঁচজন কম্পজিটৰ গোটাই সিয়েই ছপাশাল আৰম্ভ কৰিলে। অফিছটোৰ ভিতৰতে পাণ্ডুলিপি, অফিছটোৰ ভিতৰতে কম্প'জ কৰা, অফিছটোৰ ভিতৰতে প্রুফ চোৱা, অফিছটোৰ ভিতৰতে ছপা কৰা;— আমাৰ সময় আৰু পইচা বহুত বাচিল। মই ১৯৭৯ চনৰ জানুৱাৰি মাহত সেই অফিছটো এৰি আহিছিলো। ছপাশালটো পাতোঁতে যিমান খৰচ হৈছিল, তেতিয়ালৈকে তাতকৈ বহু বেছি কাম আমি তাৰ পৰা আদায় কৰি ল'ব পাৰিছিলো। খবৰ কৰি গম পালো— মেছিনটো এতিয়াও বিশ্ববিদ্যালয়ত আমনি নকৰাকৈ চলি আছে। সি কাম কৰিবলৈ লোৱা পঁচিছ বছৰ হৈ গ'ল।

কিতাপবিলাকৰ বেটুপাতৰ ছবিৰ কাৰণে মই মোৰ বন্ধু, চিত্রশিল্পী বেনু মিশ্রৰ কাষ চাপিছিলো। মনত পৰিবলগীয়া কথা। বেটুপাতৰ ছবি আঁকিবলৈ অনুৰোধ কৰোঁতেই মই তেওঁক কৈছিলো; — আপুনি প্রতিটো বিষয়ৰ বাবে একোটাকৈ নক্সা ডিজাই কৰক। মুঠতে দুটা ৰঙৰ ডিজাইন। কিতাপখনৰ নামৰ বাবে খালী ঠাই ৰাখিব; তাতে ছপাশালৰ আখৰেৰে কিতাপখনৰ নামটো ভৰাই দিম। যেনে, — পদার্থবিজ্ঞানৰ মুঠতে হখন কিতাপ হ'ব পাৰে; কিন্তু ছয়োখনৰে বেটুপাতৰ নক্সা একেই হ'ব; কেৱল নামটো আৰু ৰং দুটা বেলেগ বেলেগ হ'ব। তদুপৰি , আমাৰ সমিতিয়ে প্রকাশ কৰা সকলো কিতাপৰ বেটুপাতৰ এটা বৈশিষ্ট্যপূর্ণ মিল থাকিব লাগিব। ৰসায়নবিজ্ঞানৰ কিতাপখনিৰ বেটুপাতৰ ৰং আৰু নক্সাৰ লগত বাণিজ্যৰ কিতাপখিনিৰ বেটুপাতৰ ৰং বা নক্সা নিমিলিব পাৰে; কিন্তু কিবা এটা মিল থকা কাৰণে মানুহে দেখিয়েই ধৰিব পাৰিব লাগিব যে এইবোৰ আমাৰ সমিতিয়ে প্রকাশ কৰা কিতাপ।

সমকোণ আৰু সৰল ৰেখাৰ ব্যৱহাৰেৰে মিশ্রই আঁকি দিয়া নক্সাবোৰে আমি আশা কৰা বৈশিষ্ট্য ৰক্ষা কৰিছিল।

ভাৰত চৰকাৰৰ ধন, মাধ্যম আন্দোলন, আমাৰ বিশ্ববিদ্যালয়ৰ দুটা বা অসম চৰকাৰৰ সিদ্ধান্ত, — এই সকলোৰে মাজত আমি প্রায়েই শুনি থকা প্রশ্নকেইটা আছিল, — এই যে কলেজ-পর্যায়ত অসমীয়া ভাষাত শিক্ষা দিয়া, ছাত্র-ছাত্রীয়ে অসমীয়া ভাষাত পঢ়া-শুনা কৰা আৰু পৰীক্ষা দিয়াৰ ব্যৱস্থাটো প্রচলন কৰা হ'ল, এইটো টিকি থাকিব নে? ইয়াৰ ফল ভাল হ'ব নে? সেই কাৰণে ওপৰত মই 'ভাললৈ হৈছিল নে বেয়ালৈ হৈছিল' বুলি এটা বাক্য আৰম্ভ কৰি তর্কৰ শেষ নোহোৱা অৱস্থা এটাৰ কথা উল্লেখ কৰি থৈছোঁ। আজি ব্রহ্মপুত্র উপত্যকাৰ বহু (প্রায় সকলো?) কলেজত অসমীয়া মাধ্যমত শিক্ষাদান চলি আছে; ছাত্র-ছাত্রীয়ে অসমীয়া ভাষাত পৰীক্ষা-বহীত উত্তৰ লিখি আছে। কিন্তু উক্ত প্রশ্ন দুটায়ো শিক্ষাজগতত আজিও ঘূৰা-পকা কৰি আছে। কিন্তু প্রত্যক্ষ অভিজ্ঞতাৰ ভেটিত, গোটেই প্রক্রিয়াটোৰ সোঁমাজত অৱস্থান কৰা মানুহ হিচাপেই মই আজি এটা কথা উপলব্ধি কৰোঁ ঃ কলেজত শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষাৰ অৱস্থা

ভৱিষ্যতলৈ যিয়েই নহওক, সেই সত্তৰৰ দশকৰ পাঠ্যপুথি প্ৰণয়নৰ আঁচনিখন আৰু উদ্যোগটোৰ কাৰণে অসমীয়া ভাষাটোৰ বহু উপকাৰ হ'ল। অসাধাৰণ, চিৰদিনীয়া উপকাৰ। বহু শব্দই ভাষাটোক চহকী কৰিলে আৰু ভাষাটোৰ প্ৰকাশিকা শক্তি বহু বাঢ়িল। কলেজৰ চৌহদৰ বাহিৰতো, ৰাজ্যখনৰ সৰ্বত্ৰ আজি সেই শক্তি উপলব্ধি কৰিব পাৰি। আজি অসমীয়া ভাষা শুদ্ধকৈ লিখিব নজনা লোকৰ পয়োভৰ ঘটিছে সঁচা, কিন্তু শুদ্ধকৈ লিখিবলৈ চেষ্টা কৰা মানুহৰ কাৰণে ভাষাটোৰ শক্তি বহু বাঢ়িছে। অসমীয়া ভাষাৰ প্ৰতি সত্তৰ দশকটোৰ এইটো এটা মহামূল্যবান বৰঙণি। কলা, বিজ্ঞান, বাণিজ্য আদিৰ যিকোনো বিষয় লৈ আজি বহু লোকে স্বচ্ছন্দে অসমীয়া ভাষাত লিখিব পাৰে; — এইটো কম গুৰুত্বপূৰ্ণ কথা নে?

পাৰিভাষিক শব্দবোৰে আমাৰ ভাষাটোক জটিল কৰি তুলিব, — এই সন্দেহে সেই সময়ত বহু লোকক চিন্তান্বিত কৰিছিল; আৰু মাজে মাজে আমাৰ অফিছটোৰেই একোখন তৰ্কৰ ৰণথলীত পৰিণত হৈছিল। এই প্ৰসংগত মোৰ বক্তব্য আছিল ঃ নতুন বিষয়বোৰৰ লগত আমাৰ ভাষাটোৰ সম্পৰ্ক কিমান নিয়াৰিকৈ স্থাপন কৰিব পাৰি সেইটো বহু পৰিমাণে নিৰ্ভৰ কৰিব আমাৰ লেখক আৰু শিক্ষকসকলৰ প্ৰতিভা আৰু দৃষ্টিভংগীৰ ওপৰত। অৰ্থৰ ক্ষেত্ৰত ব্যাঘাত নজন্মোৱাকৈও ভাষাক পাৰিভাষিক জটিলতাৰ পৰা বহু পৰিমাণে মুক্ত কৰিব পাৰি। এটা শব্দৰ পাৰিভাষিক প্ৰতিশব্দ সৃষ্টি কৰা হৈছে কাৰণেই সেইটোক সদায় ব্যৱহাৰ কৰিবই লাগিব নে? প্ৰতিটো বিদেশী শব্দৰ অসমীয়া প্ৰতিশব্দ ব্যৱহাৰ কৰিবই লাগিব নে? এইখিনি কথাৰ মাজত মই উদাহৰণ হিচাপে এটা বাক্য ব্যৱহাৰ কৰিছিলো। বাক্যটো আছিল ঃ 'ছিগনেল ডাউন নোহোৱাৰ কাৰণে ৰে'লখন লেভেল ক্ৰছিংটোৰ ওপৰতে ৰৈ গ'ল। অলপ সময়ৰ ভিতৰতে দুয়োফালে বাস্তাত বহুতো লাইন-বাছ, ছিটি বাছ, ট্ৰাক, বিক্সা, ছাইকেল, মটৰ চাইকেল আদি গোট খালে। অলপ পাছত বাছৰ পেছেঞ্জাৰ কিছুমানে নামি আহি ছিগাৰেট খাবলৈ ধৰিলে আৰু তেওঁলোকৰ মাজৰে কোনো কোনোৱে এইখিনিত এখন অ'ভাৰব্ৰিজ নসজাৰ কাৰণে গৰ্ভনমেণ্টক গালি পাৰিবলৈ ধৰিলে।"

এইখিনি অসমীয়া ভাষাত লিখা কথা। এই সম্পৰ্কে কোনো অসমীয়া লোকে আপত্তি কৰিব নোৱাৰে। লেভেল-ক্ৰছিঙৰ লগত সম্পৰ্ক থকা কোনো অসমীয়া লোকৰ বাবে কথাখিনিত খোকোজা লাগিবলগীয়া, নুবুজিবলগীয়া একো নাই। কিন্তু কথাখিনিত চৈধ্যটা বিদেশী শব্দ আছে। পেছেঞ্জাৰ আৰু গভৰ্নমেণ্ট, — এই শব্দ দুটাৰ সলনি যাত্ৰী আৰু চৰকাৰ ব্যৱহাৰ কৰিলেও কথাখিনি খোকোজা নলগাকৈ থাকিব, কিন্তু বাকী বাৰটা শব্দৰ এটা শব্দ অসমীয়ালৈ অনুবাদ কৰিলেও কথাখিনিৰ সাবলীলতাত ব্যাঘাত জন্মিব। সেইখিনি শব্দই কালক্ৰমত অসমীয়া অভিধানত ঠাই পোৱাৰ সম্ভাৱনাই বেছি, আৰু তেনে হোৱাটো যুক্তিযুক্তও। (গভৰ্নমেণ্ট শব্দটো চন্দ্ৰকান্ত অভিধানত অসমীয়া শব্দৰ শিতানত পোৱা যায়েই। উক্ত বাক্যটো সত্তৰৰ দশকতে লিখিতভাৱে প্ৰকাশ কৰাৰ কথা মোৰ মনত পৰিছে। আজি স্মৃতিৰ সহায়ত লিখোঁতে তেতিয়াৰ ছপা-বাক্যটোৰ লগত আজি লিখা বাক্যটোৰ সামান্য পাৰ্থক্য থাকিব পাৰে, কিন্তু সেই পাৰ্থক্যই মোৰ বক্তব্যত একো অসুবিধাৰ সৃষ্টি নকৰে।)

মুঠতে মই মুক্ত মনেৰে ভাষাটোক কথাৰ আদান-প্ৰদানৰ বাবে উপযোগীকৈ গঢ় দি লোৱাৰ পক্ষপাতি আছিলো, আৰু আজিও আছোঁ। এই অসমীয়া ভাষাত পাঠ্যপুথি প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়াটোৰ মাজেদি পাৰ হৈ অহাৰ পাছত মোৰ নিজৰ ভাষাৰো পৰিবৰ্তন হোৱা নাইনে? হৈছে। এই জীৱন-বৃত্তৰ লেখাখিনিতে তাৰ প্ৰমাণ আছে। উদাহৰণ ঃ এই প্ৰক্ৰিয়াটোৰ মাজলৈ অহাৰ আগলৈকে মই মোৰ বিষয়টোক ফিজিক্স আৰু বিভাগটোক ফিজিক্স ডিপাৰ্টমেণ্ট বুলি লিখিছোঁ, আৰু পাছত পদাৰ্থবিজ্ঞান বিভাগ বুলি লিখিছোঁ। তথাপি, — কেতিয়াবা বক্তব্যৰ সুৰ আৰু পৰিবেশ-পৰিস্থিতিয়ে দাবী কৰিলে মই আকৌ ফিজিক্স শব্দটো ব্যৱহাৰ কৰিম। কেতিয়াবা এনেকুৱা পৰিবেশৰ সৃষ্টি হ'ব পাৰে— য'ত পদাৰ্থবিজ্ঞানতকৈ ফিজিক্স শব্দটো, কাৰ্যালয়তকৈ অফিছ শব্দটো মোৰ বেছি অসমীয়া যেন লাগিব।

আমি প্ৰকাশ কৰা কিতাপবিলাকৰ মান কেনেকুৱা? —এইটো আমি সঘনে মুখামুখি হোৱা প্ৰশ্নবিলাকৰ ভিতৰত আন এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন আছিল। অভিজ্ঞতাৰ ভিত্তিত যুগুত কৰা মোৰ উত্তৰটো আছিল ঃ বিভিন্ন ক্ষেত্ৰত অসমীয়া জাতিয়ে যি মান প্ৰবৰ্তন কৰিছে, আমাৰ কিতাপৰ মানো তেনেকুৱা। ৰাজনীতি-ক্ষেত্ৰত, ৰঞ্জি ট্ৰফিৰ ক্ষেত্ৰত, শাস্ত্ৰীয় সংগীতৰ ক্ষেত্ৰত বা সাহিত্যৰ ক্ষেত্ৰত আমি যি মান প্ৰদৰ্শন কৰিছোঁ, আমাৰ কিতাপেও সেই মান প্ৰদৰ্শন কৰিছে। অৱস্থা, সময় আদিৰ পৰিপ্ৰেক্ষিতত আমি যি কৰিছোঁ, সেয়া সৰ্বোৎকৃষ্ট বুলি আমি বিশ্বাস কৰোঁ। নৃতত্ত্বৰ অসমীয়া কিতাপ এখন প্ৰকাশ কৰিবলৈ পাঁচ বছৰ সময় দিয়া হ'লে আমি কেনেকুৱা কিতাপ এখন প্ৰকাশ কৰিলোহেঁতেন সেইটো বেলেগ কথা। তেতিয়াৰ পৰিস্থিতিটো বৰ্ণাই মই কিতাপবোৰৰ পাতনিত লিখিছিলোঁ, "...শিক্ষকসকলক আমি বিশেষভাৱে এটা অনুৰোধ কৰিছোঁ। পাঠ্যপুথি ছাত্ৰৰ কাৰণে দ্বিতীয় শিক্ষকহে। গতিকে শিক্ষকসকলে কিতাপখনৰ ভুল-ভ্ৰান্তিখিনি প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাই দি, শুধৰাই দি, লগে লগে যেন আমাকো সেই বিষয়ে জানিবলৈ দিয়ে। শিক্ষকসকলৰ এনেকুৱা সক্ৰিয় আৰু সহানুভূতিপূৰ্ণ সহযোগিতা শিক্ষাজগতৰ এই... সন্ধিক্ষণত অত্যন্ত আৱশ্যকীয়।" ইংৰাজী মাধ্যম এৰি অসমীয়া মাধ্যম গ্ৰহণ কৰাৰ সময়ত শিক্ষকসকলো যে নানা সমস্যাৰ সন্মুখীন হ'ব, সেই কথা উপলব্ধি কৰি আমি সমিতিৰ তৰফৰ পৰা 'অধ্যয়ন' নামৰ এখন আলোচনীও প্ৰকাশ কৰিবলৈ লৈছিলো। ভাবিছিলো, — শিক্ষকসকলৰ কোনোবাই উপলব্ধি কৰা অসুবিধাৰ কথা আমাক জনাব, আমি সেইবোৰ কথা 'অধ্যয়ন'ত প্ৰকাশ কৰিম; কোনোবা শিক্ষকে সেইবোৰ কথা সম্পৰ্কে নিজৰ মত প্ৰকাশ কৰিব, — এনেকৈয়ে 'অধ্যয়ন' আলোচনীখন শিক্ষকসকলৰ আলোচনা-বিলোচনা-মতামত প্ৰকাশৰ মঞ্চৰ নিচিনা হৈ উঠিব, আৰু সি মাধ্যম পৰিবৰ্তনৰ কালছোৱাত শিক্ষকসকলক সহায় কৰিব। পিছে আমি ভবা মতে কাম নহ'ল। আলোচনীখনৰ প্ৰথম সংখ্যাটো প্ৰকাশ হোৱাৰ পাছৰ দুমাহত আমি শিক্ষকসকলৰ পৰা যিখিনি চিঠি-পত্ৰ পালোঁ, তাৰে আলোচনীখনৰ চাৰিটা পৃষ্ঠাও ভৰাব নোৱাৰি। অধ্যয়নৰ সপক্ষে কোনো উৎসাহজনক লক্ষণ নেদেখিলো। (মই এতিয়াও ভাবোঁ, — অকল মাধ্যম সম্পৰ্কীয় কথাৰ কাৰণেই নহয়, অন্যান্য বহু কথাৰ কাৰণে অসমৰ কলেজসমূহৰ প্ৰত্যেকগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে বাধ্যতামূলকভাৱে কিনি লৈ পঢ়া শিক্ষা সম্পৰ্কীয় নিয়মীয়া আলোচনী এখন, অইনে নহ'লেও শিক্ষক-সংস্থাই নিজেই প্ৰকাশ কৰাটো বাঞ্ছনীয়। কথাটো হাইস্কুল পৰ্যায়ৰ শিক্ষকৰ ক্ষেত্ৰতো প্ৰযোজ্য।) আমি পাতনিত কৰা অনুৰোধবো বিশেষ সঁহাৰি পোৱা নাছিলো। গতিকে আমি আমাৰ কিতাপবোৰ ভালেই হৈছে বুলি এক ধৰণৰ সন্তুষ্টি লভিবলৈ চেষ্টা কৰিছিলো। আচলতে কিতাপৰ ন্যূনতম মান ৰক্ষা কৰিবৰ কাৰণে যেনেকুৱা লেখকৰ প্ৰয়োজন, সকলো কিতাপৰ বাবে তেনেকুৱা লেখক আমি পোৱা নাছিলো। অধ্যক্ষ মহেশ চন্দ্ৰ দেৱ গোস্বামী, অধ্যক্ষ শৰৎ চন্দ্ৰ গোস্বামী, অধ্যক্ষ সদানন্দ চলিহাৰ নিচিনা অসমীয়া ভাষাৰ লগত সম্পৰ্ক থকা লেখকৰ পাণ্ডুলিপিয়ে আমাক সকাহ দিছিল; আনহাতে কিছুমান লেখকৰ পাণ্ডুলিপিৰ পৰা আমি বিচিত্ৰ ধৰণৰ আমোদ আহৰণ কৰিছিলো।

এজন লেখকে তেওঁৰ পাণ্ডুলিপিত 'কাৰণে' বুজাবলৈ 'জন্যে' আৰু 'বিলাক' বুজাবলৈ 'গুলি' ব্যৱহাৰ কৰিছিল। সেই যে আঁচনিৰ আৰম্ভণিতে কলিকতাৰ পৰা বাংলা কিতাপ কিছুমান আনিছিলো, আৰু পাছত আৰ্হি হিচাপে কোনো কোনো লেখকক দিছিলো, তাৰ পৰিণাম এনেকুৱা হ'ব বুলি ভবা নাছিলো। এজন লেখকে থকা বুজাবলৈ বাস কৰা শব্দ দুটা ব্যৱহাৰ কৰিছিল; সম্পাদকজনে এটাইবোৰ 'বাস' কাটি 'বাশ' বুলি শুধৰাই দিছিল। এজন লেখকে এটা অধ্যায়ত ল'ডাইড নামৰ শব্দ এটা ব্যৱহাৰ কৰিছিল। এইটো শব্দৰ অর্থ কি? অলপ চিন্তা-ভাবনাৰ পাছত ধৰিব পাৰিছিলো, —সেইটো আয়'ডাইড হ'ব লাগে। কিতাপত ইংৰাজীত lodide বুলি ছপা কৰা আছে চাগৈ; আৰু তাৰে প্ৰথম আখৰটো শিক্ষকজনে সৰুফলাৰ এল (l) বুলি পঢ়িছে। এইটো কেনেকৈ সম্ভৱ হ'ব পাৰে ভাবি অবাক হৈছিলো। (মহেশ চন্দ্ৰ দেৱ গোস্বামী ছাৰৰ নাম উল্লেখ কৰোঁতে এটা কথা মনত পৰিছে। আমাৰ নৃপেন ককাইদেউ চকুৰ ছানি কটাবলৈ গুৱাহাটীলৈ আহিছিল। ব্ৰহ্মপুত্ৰৰ পাৰত থকা মেডিকেল কলেজ হস্পিটেলত যিদিনা ড° লক্ষণ চন্দ্ৰ দত্তই তেখেতৰ চকুৰ অপাৰেশ্যন কৰিলে, সেইদিনা মই গোটেই ৰাতি তেখেতক পৰ দিবলগীয়া হৈছিল। সেই ৰাতি মই মহেশ চন্দ্ৰ দেৱ গোস্বামী ছাৰে লিখা তর্কবিজ্ঞানৰ পাণ্ডুলিপিৰ অধ্যায়কেইটামান পঢ়ি শেষ কৰিছিলো। তেখেতৰ গোট গোট আখৰবোৰৰ চেহেৰা এতিয়াও মনত আছে।)

অসমীয়া মাধ্যমত শিক্ষাদানৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল যেতিয়া, লাহে লাহে অনা-অসমীয়া শিক্ষক আৰু অন্যান্য লোককো আমাৰ আঁচনিখনৰ জৰিয়তে অসমীয়া ভাষাটো শিকাৰ সুবিধা দিব পাৰিলে ভাল হয়; — এই ভাবি আমি ড° মুকুন্দ মাধৱ শর্মাই প্ৰণয়ন কৰা Assamese Lessons নামৰ কিতাপ এখনো প্ৰকাশ কৰিছিলো। ড° শর্মাই আমাক আৰু এটা কামত সহায় কৰিছিল। ৰজনীকান্ত দেৱ শর্মা ছাৰৰ কথা শুনি শুনি মোৰ ধাৰণা হৈছিল, — সংস্কৃত শব্দৰ অসমীয়া অর্থ থকা অভিধান এখন আমাৰ বাবে উপকাৰী হ'ব। সমন্বয় সমিতিয়ে এই কথাত হয়ভৰ দিছিল আৰু ঘাইকৈ বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ শিক্ষকসকলে প্ৰস্তুত কৰা অভিধানখনৰ পাণ্ডুলিপি ড° মুকুন্দ মাধৱ শর্মাই সম্পাদনা কৰিছিল। মই বিশ্ববিদ্যালয়ত থকালৈকে অভিধানখনৰ ছপা কাম আৰম্ভ হোৱা নাছিল। মোৰ হেঁপাহৰ আৰু এখন কিতাপ মই পাণ্ডুলিপিৰ অৱস্থাতে এৰি থৈ আহিছিলো। ভূগোলবিজ্ঞানত নদী, পর্বত, ঠাই হ্ৰদ, সাগৰ, উপসাগৰ আদিৰ যিমানবোৰ নাম পোৱা যায়, সেইবোৰৰ কিছুমান অসমীয়াত লিখোঁতে নানা ধৰণৰ খেলিমেলি হোৱা দেখা যায়। পাঠ্যপুথি প্ৰস্তুত কৰাৰ সময়ত এই খেলিমেলিবোৰে আমাক বৰ আমনি কৰিছিল। গতিকে ভূগোলৰ অন্তর্ভুক্ত সকলো নাম শুদ্ধকৈ লিখা অসমীয়া কিতাপ এখন প্ৰকাশ কৰাটো প্ৰয়োজনীয় কাম বুলি ভাবিছিলো। ড° মহম্মদ তাহেৰে কিতাপখনৰ পাণ্ডুলিপি প্ৰস্তুত কৰি দিছিল।

হ'ব। এৰিলো, জোৰকৈ নেৰিলে পাঠ্যপুথি সম্পৰ্কীয় বিষয়টো এৰা মোৰ কাৰণে টান কাম। ...

(ড° ভবেন্দ্ৰ নাথ শইকীয়াদেৱৰ আত্মজীৱনী "জীৱন-বৃত্ত"ৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি সম্পৰ্কীয় কথাখিনি প্ৰীতি শইকীয়াৰ অনুমতি সাপেক্ষে পুনৰ মুদ্ৰণ কৰা হৈছে। আখৰ-জোঁটনিত কোনোধৰণৰ হাত দিয়া হোৱা নাই। মূলত যি ৰূপত আছে সেই ৰূপতে প্ৰকাশ কৰা হৈছে। — সম্পাদক)

কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ

ড° এম. কামালুদ্দিন আহমেদ



কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ (সন্দিকৈৰ ব্যক্তিগত গ্ৰন্থ সংগ্ৰহ)ত আমাৰ ব্যক্তিগত গৱেষণা-কৰ্মৰ বাবে প্ৰথমবাৰৰ বাবে প্ৰৱেশ কৰিছিলোঁ ২০০৩ চনত, ফৰাচী আৰু গ্ৰীক সাহিত্যৰ বুৰঞ্জী পঢ়ি উপকৃত হৈছিলোঁ। ডান্টে বিষয়ক গ্ৰন্থ পঢ়িও লাভৱান হৈছিলোঁ। ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী ছাৰে এই গ্ৰন্থাগাৰটোৰ প্ৰতি পোনতে থকা মোৰ আগ্ৰহক অধিক উজ্জীৱিত কৰি তুলিছিল। বহু ঘণ্টা ধৰি আৱশ্যকীয় কথা তাৰ পৰা টুকি আনিছোঁ। ব্যৱহাৰিক এই লাভৰ কথা বাদ দিও কিতাপবোৰত চকু ফুৰাওঁতে আৰু আৱশ্যকীয় কথা ন'ট কৰোঁতে অসাধাৰণ পণ্ডিতগৰাকীৰ অশৰীৰী উপস্থিতিয়ে মোৰ মনোজগতত অপূর্ব শিহৰণ তুলিছিল। সন্দিকৈৰ সংগ্ৰহৰ কিতাপবোৰ চুই সন্দিকৈৰ মনোভংগীকে যেন স্পর্শ কৰিব বিচাৰিছিলোঁ এনে লাগিছিল মোৰ। মনৰ আকাশত অজস্ৰ তৰংগৰ হেন্দোলনি উঠিছিল। চেতন-অৱচেতন মনত এই অসামান্য ভাৰততত্ত্ববিদগৰাকীৰ ধাৰণা মাৰ নৌ যাওঁতেই কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ বিষয়ে লিখিব লগা হোৱাত আকৌ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থ-সংগ্ৰহালয়লৈ যাবলৈ ধৰিলোঁ। প্ৰতিবাৰেই যেন তীর্থস্থান দর্শন, গংগাস্নান। ২০০৩ চনতকৈ এইবাৰ যেন কৃষ্ণকান্ত সন্দিকৈৰ অকণমান ওচৰ চাপিব পাৰিছোঁ, জানো অনতিক্ৰম্য সেই দূৰত্ব। বিশেষকৈ সংস্কৃত ভাষাত দখল নথকা আৰু ফৰাচী, গ্ৰীক, ইটালীয় আদি বিদেশী ভাষাৰ জ্ঞানৰ অভাৱেই মোৰ মনত এনে মনোভাবৰ সূচনা কৰিছিল।

কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থ-সংগ্ৰহটোত ৪৮টা আলমাৰী আছে। এই আলমাৰীৰ কিতাপবোৰত ওপৰে-ওপৰে চকু ফুৰালেও সন্দিকৈৰ জ্ঞান-অন্বেষণৰ আকুলতা আৰু জ্ঞান-স্পৃহাৰ বিচিত্ৰতা আৰু ইয়াৰ পৰিধিৰ উমান পাব পাৰি। এই আলমাৰীৰ অধিকাংশ জুৰি আছে সংস্কৃত, পালি, প্ৰাকৃত ভাষাৰ বিভিন্ন মহাকাব্য, বৌদ্ধ ধর্ম-দর্শন সম্পৰ্কীয় গ্ৰন্থ। গ্ৰীক ভাষা আৰু সাহিত্য তথা এই বিষয়ক বুৰঞ্জীৰ কিতাপৰ আলমাৰীৰ সংখ্যা ৪টা। তেনেদৰে

জার্মান ভাষা-সাহিত্য আৰু ইয়াৰ বুৰঞ্জী বিষয়ক কিতাপ আছে ৪টা আলমাৰীত, তেনেদৰে ইটালীয় ভাষা-সাহিত্য বিষয়ক গ্ৰন্থ আছে এটা আলমাৰীত। গ্ৰন্থাগাৰটোত সোমাই সোঁমাজতে দেখিব দুটা বৃহৎ আকাৰৰ আলমাৰী, ইয়াত থুপ খাই আছে সংস্কৃতকে ধৰি বিভিন্ন বিদেশী ভাষাৰ অভিধান। ইয়াত যিদৰে আছে **দ্য অভিধান ৰাজেন্দ্ৰ** (প্ৰাকৃত মাগধীৰ পৰা সংস্কৃতলৈ)ৰ ৬টা খণ্ড, তেনেদৰে আছে মনিয়েৰ উইলিয়ামছৰ সুবিখ্যাত সংস্কৃত-ইংৰাজী অভিধানৰ নতুন সংস্কৰণ। তেনেদৰে আমাৰ দৃষ্টি আকৰ্ষণ কৰে ইটালীয়-ফৰাচী অভিধান আৰু লণ্ডনৰ পৰা ১৯৫৯ চনত প্ৰকাশিত চিডনি দ্য ব্ৰাউন সম্পাদিত ফৰাচী সাহিত্যৰ অভিধানে। তেনেদৰে অক্সফৰ্ডৰ পৰা ১৯০৫ চনতে প্ৰকাশিত **কেটেলগ অব সংস্কৃত মেনুস্ক্ৰিপ্ট ইন দি বডলিইয়ান লাইব্ৰেৰী** ইয়াত সংগৃহীত হৈ আছে।

কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ পঞ্জীয়ন-বহীত ৪৯৯৯খন গ্ৰন্থৰ তথ্য সন্নিৱিষ্ট হৈ আছে। বিদেশী ভাষাবোৰৰ পঞ্জীয়ন সম্ভৱপৰ হৈ উঠা নাই, সেই ভাষাবোৰত দক্ষ লোকৰ অভা�ৱৰ বাবেই। এই গ্ৰন্থাগাৰৰ দায়িত্বত থকা সহকাৰী গ্ৰন্থাগাৰিক বীণা মেধি লহকৰে আমাক জনোৱা মতে ইয়াৰ গ্ৰন্থসমূহৰ মাইক্ৰ'ফিল্মিং কৰি জ্ঞানানুৰাগীৰ বাবে মুকলি কৰি দিয়াৰ কথা ভবা হৈছে।

নৱ-জাগৰণৰ 'সাৰ্বভৌম জ্ঞান'ৰ সাধনাকে জীৱনৰ ব্ৰত হিচাপে লোৱা কৃষ্ণকান্ত সন্দিকৈয়ে কোনো বিষয়ে লিখাৰ আগেয়ে সেই বিষয়ক গ্ৰন্থ খৰচি মাৰি অধ্যয়ন কৰি লৈছিল। প্ৰসংগক্ৰমে, কৃষ্ণকান্ত সন্দিকৈয়ে ১৯৭০ চনত তলত দিয়া প্ৰবন্ধকেইটা লিখিবৰ কাৰণে মনস্থ কৰি থৈছিল ঃ ১. ফৰাচী নাট্যকাৰ মলিয়েৰ, ২. প্ৰথম ঐতিহাসিক নাটক (গ্ৰীক) ৩. মহাকবি গ্যেটেৰ ফাউষ্ট, ৪. ৰুছ সাহিত্যত জনজাতি, ৫.ৰুছ নাট্যকাৰ চেখভ, ৬. মহাকবি ডাণ্টেৰ অমৰ কাব্য, ৭. পুস্কিন আৰু ৰুছ সাহিত্য। সেয়ে তেওঁৰ গ্ৰন্থাগাৰত চেখভৰ নাট্য-সংকলনেই আমি দেখিবলৈ নাপাওঁ, আমি দেখিবলৈ পাওঁ তেওঁৰ গল্প-সংকলন **Ivanov, The Seagull and Three Sisters** (OUP, 1972)। তেনেদৰে আমি পুলকিত হওঁ আলেকজেণ্ডাৰ **পুস্কিনৰ কেপ্তেইনছ ডটাৰ এণ্ড আডাৰ ষ্টৰীজ** (লণ্ডন, ১৯৪৬) দেখি। ৰুছ সাহিত্যৰ প্ৰতি তেওঁৰ অনুৰাগৰ স্বাক্ষৰ হিচাপে আছে টলষ্টয়ৰ **ৰিছাৰেকশ্যন, ওৱাৰ এণ্ড পীচ**, ডষ্টয়েভস্কিৰ **ইডিয়ট** আৰু **ক্ৰাইম এণ্ড পানিশ্মেণ্ট**। তেনেদৰে ডাণ্টে বিষয়ক ভালেমান মূল্যবান গ্ৰন্থ তেখেতে সংগ্ৰহ কৰিছিল ঃ W. W. Veron ৰ দুটা খণ্ডত বিভক্ত **ৰিডিং অন দি পাৰগোটৰিঅ' অব্ ডাণ্টে**, Paget Toynbeeৰ **ডাণ্টে ষ্টাডিজ এণ্ড ৰিছাৰ্চেজ, ডাণ্টে এণ্ড ফিৰেন্জ, লা ভিটা নোভা**, Karl Witte-ৰ **এছেইজ অন ডাণ্টে**, Grondgent-ৰ **ডাণ্টেজ ডিভাইন কমেডিয়া** আৰু Parget Toynbeeৰ **কনচাইজ ডাণ্টে ডিক্সনাৰী**।

কোনোবা দেশৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বিষয়ে ব্যুৎপত্তি অৰ্জনৰ বাবে সন্দিকৈয়ে সেই দেশৰ ইতিহাস অধ্যয়ন কৰিছিল। গ্ৰীচ দেশৰ বিষয়ে জানিবৰ বাবে M. Cary-ৰ **A History of the Greek World 323-146 B.C.** শীৰ্ষক গ্ৰন্থ অধ্যয়ন কৰিছে। তেনেদৰে ফ্ৰান্স, পোলেণ্ড, ইজৰাইল আদি দেশৰ ইতিহাসো এই গ্ৰন্থাগাৰটোত থুপ খাই আছে। ৰোমাণ্টিক কবিতাৰ প্ৰতি প্ৰীতিৰ কথা সন্দিকৈয়ে নিজেই কৈ গৈছে। C.H. Herford ৰ সুবিখ্যাত **Age of Wordsworth**, Grahom Hough-ৰ **Romantic Poets,** Mario Praz-ৰ **Romantic Agony** আৰু আজিও আধুনিক কবিতাৰ ক্ষেত্ৰত প্ৰাসংগিক হৈ থকা John Bayley-ৰ **Romantic Survival** শীৰ্ষক গ্ৰন্থ ইয়াত আছে। সন্দিকৈৰ **'শিক্ষাৰ্থী জীৱনৰ উত্তৰাধিকাৰ'** আধ্যাত্মিকতাৰ প্ৰতি আকৰ্ষণৰ বাবেই Lazawanti Rama Krishna-ৰ **Punjabi Sufi Poets** আৰু চৈয়দ আব্দুল মজিদে অনুবাদ কৰা **Rubaiyat of Hafiz** সন্দিকৈ ব্যক্তিগত সংগ্ৰহত পোৱা যায়।

পুৰাতত্ত্ব, প্ৰাচীন স্থাপত্য-ভাস্কৰ্যৰ প্ৰতি থকা গভীৰ অনুৰাগৰ বাবেই পূজাৰ বন্ধৰ সময়ত কৃষ্ণকান্ত সন্দিকৈয়ে ভাৰতবৰ্ষৰ উল্লেখযোগ্য স্থাপত্য-ভাস্কৰ্যসমূহ দৰ্শন কৰিছিল। পেৰিচৰ পৰা ১৯৫০ চনত প্ৰকাশিত La Palme-ৰ **Hindu Medieval Sculpture**, Lionello Venturi-ৰ **Italian Painting,** Eric Newton-ৰ **European Painting and sculpture**, Albert Skira ৰ **Chinese Art** আদি গ্ৰন্থই ইউৰোপ আৰু প্ৰাচ্যৰ চিত্ৰকলাৰ প্ৰতি সন্দিকৈৰ অনুৰাগৰ সাক্ষী বহন কৰে।

দেশৰ ভিতৰতে অনুপম এই ব্যক্তিগত পুথিভঁৰালটিয়ে দেশ-বিদেশৰ গৱেষণাকাৰীসকলক আকৰ্ষণ কৰি আহিছে। ফ্ৰান্সত সম্প্ৰতি দুৰ্লভ হৈ পৰা ভালেমান কিতাপ এই গ্ৰন্থাগাৰত সুলভ হৈ পৰাত সেই দেশৰ পৰা গৱেষণাকাৰী ইয়ালৈ আহে। সংস্কৃত বিষয়ত পি এইছ-ডিৰ বাবে অহা গৱেষকৰ সংখ্যাই বেছি এই ক্ষেত্ৰত। সংস্কৃত, পালি, প্ৰাকৃত আৰু বৌদ্ধতত্ত্ব বিষয়ক ১৩৩২ খন গ্ৰন্থ ইয়াত আছে। কেতবোৰ দুৰ্লভ গৱেষণা-পত্ৰিকা এই গ্ৰন্থাগাৰৰ সম্পদ ঃ বম্বেৰ এছিয়াটিক ছ'চাইটীৰ পৰা প্ৰকাশিত **Journal of the Asiatic Society** (vol. -xxx. 1955), এছ. গোপালন সম্পাদিত **The Journal of the Tanjore Sararvati Mahal Library** (vol-II. 1956) বেনাৰস কলেজৰ মাহেকীয়া প্ৰকাশন (vol-7, 1885) ক্ষিতীশচন্দ্ৰ চেটাৰ্জী সম্পাদিত **The Calcultta Oriental Journal,** (vol-1, 1935), আৰ. চুব্বাৰ সম্পাদিত **Journal of the Andhra Historical Research Society** (vol-xix, 1952), ত্ৰিবান্দ্ৰমৰপৰা প্ৰকাশিত **Journal of Indian History**– এনেবোৰ গৱেষণা পত্ৰিকাৰ কথাই মনলৈ আহে।

কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰত পোৱা আধুনিক কবিতা আৰু সমালোচনাৰ কিতাপে তেওঁৰ গ্ৰন্থ প্ৰীতিৰ অন্য এটি দিশ উন্মোচন কৰে। Mack Maynard আৰু অন্যান্যই সম্পাদনা কৰা **Modern Poetry** (1950), A mirror for french poetry (1840-1940) গ্ৰন্থৰ কথাই এই প্ৰসংগত মনলৈ আহে। তেনেদৰে ৰেনে ৰেক্লেকৰ প্ৰসিদ্ধ গ্ৰন্থ **History of Modern Criticism 1750-1950,** এ. চি ব্ৰেডলিৰ **Oxford Lecture on Poetry.** A. S. Cairncrous-ৰ **Modern Essays in Criticism** আদি গ্ৰন্থৰ প্ৰতি অনুৰাগে আধুনিক কবিতা আৰু আধুনিক সমালোচনাৰ প্ৰতি তেওঁৰ মনোযোগ সম্প্ৰসাৰিত হোৱাৰ ইংগিত দিয়ে।

এঘাৰটা ভাষা (ইংৰাজী, সংস্কৃত, পালি, প্ৰাকৃত, ফৰাচী, জার্মান, ইটালিয়ান, স্পেনিশ, লেটিন, গ্ৰীক আৰু ৰুছ)ৰ কিতাপ থকা সন্দিকৈৰ ব্যক্তিগত পুথিভঁৰালটো ১৯৮২ চনত সন্দিকৈয়ে আলমাৰীৰে সৈতে গুৱাহাটী বিশ্ববিদ্যালয়ক দান দি যায়। ১৯৮৪ চনত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই গুৱাহাটী বিশ্ববিদ্যালয় গ্ৰন্থাগাৰ নামটোৰ সলনি কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ নামকৰণ কৰে। এই পুথিভঁৰালটি চোৱা-চিঁতাৰ বাবে অধিক ব্যক্তি নিয়োজিত কৰাৰ বাবে কৰ্তৃপক্ষই চিন্তা-চৰ্চা কৰিলে আমাৰ সকলোৰে বাবে মংগল। বিদেশী ভাষাৰ কিতাপখিনিৰো Cataloging-ৰ ব্যৱস্থা হ'ব লাগে।

বিংশ শতিকাৰ প্ৰথমাৰ্ধৰ কলিকতাৰ বৌদ্ধিক পৰিমণ্ডলত লালিত-পালিত সন্দিকৈয়ে গ্ৰন্থ অধ্যয়নক জীৱনৰে এটি ৰূপ বুলি বিবেচনা কৰিছিল। তাৰ পৰোক্ষ প্ৰতিফলন ঘটিছে এই গ্ৰন্থাগাৰটোত। তেওঁৰ সাৰ্বভৌম জ্ঞান-সাধনাৰ স্বাক্ষৰ এই পুথিভঁৰাল ঃ ডাণ্টে অধ্যয়নৰ বাবেই হিব্ৰু ভাষা আৰু খ্ৰীষ্টধৰ্ম সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ সন্দিকৈয়ে সংগ্ৰহ কৰিছিল আৰু সেইবোৰ অধ্যয়ন কৰিছিল। সন্দেহ নাই এই পুথিভঁৰালটিয়ে কৃষ্ণকান্ত সন্দিকৈৰ জ্ঞানৰ বিস্তৃতিৰ প্ৰত্যক্ষ আভাস দিয়াৰ লগতে পৰোক্ষভাৱে তেওঁৰ বিশাল পাণ্ডিত্য, অনলস অধ্যৱসায় আৰু বৌদ্ধিক সাধুতাৰো ইংগিত বহন কৰে। এই পুথিভঁৰাল দৰ্শন প্ৰকৃতাৰ্থত তীৰ্থ দৰ্শন।

Quality Higher Education for All
The Role Institute of Distance and Open Learning
Gauhati University

Dr. Kandarpa Das

Introduction

Since Independence, the Indian higher education has witnessed tremendous growth both in terms of access and quality. From a mere twenty universities and some odd 500 colleges with 2.4 lakh students in 1947, Indian higher education today grown into 504 universities and 25,951 colleges with 1.5 crore students and 5.22 lakhs teachers. However, despite such tremendous growth, available figures reveal that the Gross Enrolment Ratio (GER) (the proportion of Indian youth between the age group of 18-23 years having access) in higher education in India was only 12.4 percent in 2006-2007, which almost half of the world average (24 percent), only 2/3 of the developing countries average (18 percent) and far behind from the developing countries (58 percent). That is why the report of the **National Knowledge Commission** said, "It needs a massive expansion of opportunities for higher education, to 1500 universities nationwide, that would enable India to attain a gross enrolment ratio of at least 15 per cent by 2015. It is just as important to raise the average quality of higher education in every sphere. At the same time, it is essential to create institutions that are exemplars of excellence at par with the best in the world. In the pursuit of these objectives, providing people with access to higher education in a socially inclusive manner is imperative." Moreover, the policy makers and experts in Indian higher education believe that only conventional system (face to face) of higher education cannot alone increase the accessibility in higher education in a large country like India. Over the period of time, we have started realizing that distance education may emerge as a viable alternative for ensuring accessibility to higher education to those who cannot afford the conventional education.

Distance Education

The history of Distance Education could be traced back to eighteenth century. On 20th March, 1728, an advertisement for shorthand training using postal correspondence was published in the "The Boston Gazette" in the United Kingdom. With the introduction of *Penny Post* in UK in 1840, it attracted public attention when Sir Issac Pitman started using postal tuition to teach shorthand to many students spread all over England. Towards the middle of the 19th century, many colleges in UK started correspondence education using postal system.

The most important event in the history of distance education took place when in 1858; the University of London established its External system for those who otherwise were not eligible to become students of the University. By a clause in the Royal Charter the University of London decided to open its door to those "persons not educated in any of the said institutions connected with the said University shall be admitted as candidates for matriculation and for any of the degrees hereby authorized to be conferred by the said University of London……". It was indeed a revolutionary step on the part of the University of London. When the entry into the famous universities like Cambridge and Oxford was restrictive in nature, the University of London opened its door to all those who probably could not have imagined of a

University degree at that time of history. Students could follow the University of London curriculum for a range of degrees and sit the examinations without ever setting foot in London. This also opened up the possibility of a university degree to those who had to earn a living while they studied. Higher education became accessible to a wide range of social classes and occupations. Famous English writer Charles Dickens was so moved with this revolutionary step that he wrote a long essay in his magazine ***All the year round*** in 1859 and termed it as ***The Peoples' University.***

The Peoples' University not only democratized higher education in England but also benefited many who missed the opportunity of formal higher education. It is hard to believe that father of the nation Mahatma Gandhi, South African legend Nelson Mandela, South African President Thabo M. Mbeki and many others were the alumni of the External system of the University of London. Mahatma Gandhi did his London Matriculation in 1890 as an External student from the University of London. Nelson Mandela did his studies sitting in the South African jail. There are as many as five Nobel Laureates who were also alumni of the External system, University of London. They are Ronald Coase, Frederick Gowland Hopkins, Wole Soyinka, Derek Walcott, and Nelson Mandela. Inspired by this historical act of the University of London, the University of South Africa (UNISA) was established as a fully distance teaching university in 1946. UNISA offered opportunity to large numbers of black and coloured students excluded from educational opportunity as well as political rights, along with whites.

The UK Open University

The establishment of the British Open University in 1969 has been widely considered as the beginning of modern distance education. The UK Open University was established with the motto open to people, open to places, open to methods, open to ideas which paved way for further development and consolidation of distance education world wide.

Distance Education in India

In 1961, in its meeting, the Central Advisory Board of Education (CABE) decided to appoint a committee to study the possibility of introducing distance education in Indian universities. Accordingly, in March 1961, the expert committee headed by Dr. D.S. Kothari *recommended introduction of correspondence courses at university level leading to a degree or equivalent qualifications.*

The University of Delhi was the first to introduce correspondence courses at the University level in 1962, which was followed by the Punjabi University, Patiala (1968) Madurai Kamraj University, Himachal Pradesh University, Bombay University, Jamia Milia Islamia and many others.

Impressed by the establishment of the UK Open University, a seminar titled ***'Open University'*** was organized in 1970 by the Ministry of Education. The Seminar recommended establishment of an open university in India on experimental basis. Accordingly, an expert committee headed by G. Parthasarathi, then Vice Chancellor of the Jawaharlal Nehru University was constituted by the Ministry to make necessary recommendation. The Committee recommended for establishment of a national open university. However, the credit for establishment of the first Open University in India went to Andhra Pradesh when it took the lead and established Andhra Pradesh Open University on August 26, 1982. The University is now known as Dr. B.R. Ambedkar Open University (BRAOU). The Indira Gandhi National Open University (IGNOU) was established only after three years in 1985. Today, there are fourteen open universities in India including the Krishna Kanta Handique State Open University, Assam which was established in 2006.

The IDOL

In 1998, the Gauhati University fulfilled its historic responsibility envisaged by its pioneers to illuminate the banks of *Mahabahu Brahmaputra* by opening its doors to all those who otherwise could not fulfill their dream of getting a Post Graduate degree. On the eve of its Golden Jubilee Year it established **Institute of Distance and Open Learning** (formerly known as Post Graduate Correspondence School) with the motto of "Quality Higher Education for all". By extending its reach to every nook and corner of the region, it has become "The People's University" of the North-east exactly 140 years after University of London *opened its door even to a young shoemaker who studies in his garret.* From a modest beginning with 514 students in 1998, the Institute has now grown to offer 25 programmes with more than ten thousand enrollment every year. Presently it offers **14 Master degree programmes** viz. MA/MSc in Assamese, Bengali, Bodo, Nepali, English, Economics, History, Political Science, Philosophy, Mathematic, MCJ, MSc-IT, MCA & MCom and **8 Post Graduate Diploma programmes** viz. Sales & Marketing Management (PGSMM), Human Resource Management (PGDHRM), Business Management PGDBM), Finance Management (PGDFM), Insurance and Risk Management (PGDIM), Banking and Financial Services (PGDBFS), Journalism and Mass Communications (PGDJMC), Computer Application (PGDCA), 3 undergraduate programmes viz.

BCA, BSc-IT and CCA. The Post Graduate Diploma programmes are designed to be job oriented and also open to the regular University students. Students can pursue these as add-on courses along with their regular master degree programmes, which eventually help them in enhancing their employability in the job market. The Institute of Distance and Open Learning also played a pioneering role in introducing Master degree programmes in Bodo and Nepali which fulfilled the long standing aspirations of two major ethnic communities of the state.



Since 1998, the Institute of Distance and Open Learning has enrolled more than 30,000 students in various programmes and so far more than six thousand candidates have qualified themselves for various degrees/diplomas. The alumni of IDOL, GU are employed in universities, colleges, schools and in many prestigious organizations of the country. Many succeeded in getting promotion in their career after acquiring the post graduate degree through distance learning. The motto of reaching the hitherto un-reached has extended the role of the University for opening new avenues for learning for the marginalized section of the society. The establishment of Institute of Distance and Open Learning has added a new dimension in the domain of higher education in the region by reaching every nook and corner of the region and providing greater accessibility of higher education to a large number of populations. After a span of sixty years, in its Diamond Jubilee year, Gauhati University continued to successfully illuminate the banks of the *Luit* by fulfilling the dreams of its pioneers, the need to provide higher education to the people of the region not only by conventional class room mode but also spreading its wings to impart education through distance and open learning.

Since inception, the IDOL has been able to contribute to the educational history of North –East by democratizing higher education in real sense of the term. The institution with greater accessibility provides equal opportunity to large number of aspirants, who otherwise have to drop their life long ambition to pursue higher education due to limited number of seats for PG programmes in the University classes and the affiliated colleges. Widely recognized as the pioneering institute in the arena of Distance and Open Learning, IDOL has successfully met the increasing demands for higher education in the region.


www.idolgu.org

IDOL has been striving to ensure academic discipline and the Distance Education Council has recognized its efforts by extending formal recognition to its programmes. It has developed more than 300 volumes of quality Self Learning Materials for various programmes with the help of the faculty members of the University and affiliated colleges. Many online services are offered through its dynamic website: www.idolgu.org. Students can download all application forms including admission forms, examination forms, syllabi of various programmes, Assignments from its website. Examination system is fully computerized from issue of admit cards to declaration of results. IDOL students do not have to run to the University for their examination results. Within seconds of declaration of results, the information is uploaded in the website. Students can get their results along with provisional online mark sheet with the help of internet. They can also access their examination results through short code SMS service at 56070.

A strong network of 10 study centres and around 100 contact centres forms students support services of IDOL. Starting from admissions, students get all support at their doorstep. Examinations are held in 18 centres all over the state including Silchar, Dibrugarh, Lakhimpur and Dhemaji. A unique feature of IDOL examinations is that all its examinations are held on Sundays in order to facilitate larger number of population aspiring to pursue higher education.

E-learning portal: *www.bodhidroom.idolgu.org*

The Institute of Distance and Open Learning (IDOL), Gauhati University, launched its e-learning portal in November 2009, marking its entry into the world of virtual Learning. The E-learning portal of IDOL is a pioneering step in the field of Open and Distance Learning (ODL) in the region and an important step towards modernizing the processes of teaching-learning. The thoughtfully named E-portal ***'Bodhidroom'***, will provide an "Integrated Knowledge Environment" to all its learners. Now, the distance learners of Gauhati University will be able to




IDOL website *www.idolgu.org*

make use of internet facilities from anywhere in the world and enhance their learning with the help of www.bodhidroom.idolgu.org-the first educational e-portal in the entire North-East of India.

Today, while we are discussing the need for a very strong and self-sufficient support system in ODL, the e-portal, with all its resources, provides a number of benefits to its users. It has a number of important features like—an independent discussion forum and a news forum for every programme, online interaction facility with fellow-students, faculty members and even officials which also includes the Director of IDOL, GU. The idea however is to make room for a collaborative learning environment through interaction. But what is so exciting is the facility that when a student logs into "Bodhidroom", after enrolling himself/herself into a programme, he/she will see the names of the virtual class-teachers appearing on the screen. Then they can directly send offline messages to these teachers. When the teacher logs in, he/she will receive an alert of incoming messages and subsequently send a reply to the message. The other features that "Bodhidroom" incorporates are online study material which can both be studied on-line and downloaded if necessary, old examination question-papers so that students can keep themselves aware of the patterns of questions that are asked in the term-end examinations, recent activity reports of the members/users, online self-assessment test where a student can test himself/herself on a particular topic or issue. Besides all these, it will have provision for uploading special writings of teachers/ experts and a facility where a student can view the list of online participants on a particular topic so that they all can communicate with each other through chatting. As we are told, the teachers can also schedule, deliver and upload live, online classes on course topics which the students can view at any time after logging into "Bodhidroom".

Bulk SMS Alert Service & Short Code Service

The Institute of Distance and Open Learning maintains a data base of mobile contact numbers of its learners and other stake holders. The old system of sending letters to the students to provide information has been replaced by bulk SMS service and short-code SMS services at "idolgu through 56070". The short-code SMS service enables students to receive instant information about admission,



examinations and the examination results. Students can type the required short code and send SMS to 56070 to receive desired information. By typing their roll numbers after "idolgu" and sending SMS to 56070, the students get their examinations results instantly.

Telephone and Walk-in Counselling

In 2009, IDOL has introduced counseling through telephone or simply walking-in to the faculty room of the IDOL office during the fixed hours of the designated days. Students of a particular programme can either walk-in and meet a tutor on a particular day or call to a number dedicated for students counseling and can get counseling up to 10 minutes duration. Though many students feel uncomfortable and shy about calling through a number, a large number of students have been calling IDOL office for telephone counseling.

Over the years, the Institute has set examples for its self-reliance and flexibility. Without depending on the fund starved University, the IDOL has become financially self sufficient and has been conducting all programmes solely from its own resources. With its high reputation, the Institute has been able to earn confidence of the highest body in the domain of distance and Open Learning the "Distance Education Council" and has been receiving development grants regularly. Recently the joint committee of the UGC-AICTE-DEC has accorded recognition to the IDOL.

The academic integrity of IDOL has paved the way for the further development of Distance Learning and helped in establishing its credibility in the region. The establishment of the first Open University of the region, Krishna Kanta Handique State Open University is another epoch-making step inspired by the continuing success of IDOL, GU.

Distance Education, specially designed to address the 'inaccessibility' of the marginalized categories or 'reaching out the un-reached' stands in a crossroad today. In the recent decades, India witnesses a great proliferation of a good number of open universities as well as centers of distance education in many universities. Reducing the disciplinary constraints of conventional university system, the world of distance education in India has opened up new disciplines having relevance for self employment and potentiality of employability.

It is here, where IDOL has to play its pioneering role and help in creating the required human resources for greater accessibility of the available technology.

কীর্ত্তন-ঘোষাৰ ৰচনা পৰিক্ৰমা

ড° কনক চন্দ্ৰ চহৰীয়া

অসমত মহাভাৰতীয় বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই যিবোৰ পুথি-পাঁজি তথা গীত-পদ ৰচনা কৰিছিল তাৰ ভিতৰত সৰ্বোত্তম সৃষ্টি কীৰ্ত্তন-ঘোষা। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই কৈ যোৱাৰ দৰে তেৱাই যদি আন কোনো পুথি ৰচনা নকৰিলেহেঁতেন তথাপি অকল এই কীৰ্ত্তন-ঘোষাৰ বাবেই তেওঁ জগতত অমৰ হৈ থাকিলহেঁতেন।[১] সঁচা কথা, শঙ্কৰদেৱৰ কলা সাধনাৰ অনুপম স্বাক্ষৰ এই কীৰ্ত্তনপুথি। গুৰুজনা নিজে যেনেকৈ নৃত্য, গীত, বাদ্য, অভিনয়, সাহিত্য, দৰ্শন, অঙ্কন, বোঁৱন আৰু ভক্তিৰ বৰ্ণময় দিশৰ সাধনাৰে সম্পূৰ্ণ ঠিক তেনেকৈ কীৰ্ত্তন-ঘোষাতো তেৱাৰ এই আটাইবোৰ দিশ প্ৰতিফলিত হৈছে। কীৰ্ত্তনত ভক্তি, সাহিত্য, সঙ্গীত আৰু দৰ্শনৰ অপূৰ্ব সমাহাৰ ঘটিছে। দৰাচলতে কীৰ্ত্তন-ঘোষা গুৰুজনাৰেই প্ৰতিমূৰ্ত্তি স্বৰূপ। মাধৱদেৱ পুৰুষে ইতিপূৰ্বে কৈ যোৱা 'দশম-কীৰ্ত্তন গুৰুজনাৰ মূৰ্ত্তিৰ সমান'[২] — কথাষাৰ এই ক্ষেত্ৰত ষোল্ল অনাই সত্য। এই কথা সকলোৱে জ্ঞাত যে 'কীৰ্ত্তন-ঘোষা' কেৱল এখন কাব্য মাত্ৰ নহয়, ই প্ৰায় ডেৰকুৰি কাব্যখণ্ডৰ সমষ্টিৰে 'কাব্য-কোষ' স্বৰূপ। অসমৰ একশৰণ হৰিনাম ধৰ্মৰ চাৰিপুথিৰ অন্যতম এই কীৰ্ত্তন পুথিৰ ৰচনা আছিল দৰাচলতে গুৰুজনাৰ এক বিশষ পৰিকল্পিত আঁচনি, যাক ইংৰাজীত 'Project' বুলিব পাৰি। কীৰ্ত্তন-ঘোষাৰ খণ্ডসমূহ শঙ্কৰদেৱে জধেমধে আৰু য'তে ত'তে ৰচনা কৰা নাছিল। ই আছিল গুৰুজনাৰ ভক্তিধৰ্মক সফল কৰি তোলাৰ এক সুচিন্তিত তথা পৰিকল্পিত নিৰ্মিতি। সুপণ্ডিত, গৱেষক ড° বিৰিঞ্চি কুমাৰ বৰুৱাই তেওঁৰ "Sankardeva : His poetical works" প্ৰবন্ধত সেয়ে সঠিকভাৱেই কৈছে ঃ From the methodical arrangement of the chapters it may be said that though the books were written at different periods, the entire work however was planned.[৩] কীৰ্ত্তন-ঘোষা পুথিখনৰ ৰচনা আৰু সংকলন দুটা সুকীয়া কথা। গুৰুজনাই এক দীঘলীয়া পৰিক্ৰমাৰ মাজেৰে ইয়াৰ ৰচনা প্ৰক্ৰিয়া অব্যাহত ৰাখিছিল। বাৰভূঞাৰ ৰাজ্যত আৰম্ভ হৈ আহোম ৰাজ্যৰ ধুৰাহাট-বেলগুৰিৰ মাজেৰে আহি কোঁচ ৰাজ্যৰ পাটবাউসীত কীৰ্ত্তনৰ ৰচনাকাৰ্য সমাপ্ত হৈছিল। এনে এক দীৰ্ঘকালীন আঁচনি লৈ গুৰুজনাই আন কোনোখন গ্ৰন্থ বা পুথি-পাঁজিকে ৰচনা কৰা নাই। মহাপুৰুষ গুৰুজনাৰ জীৱনলৈ যেনেদৰে বাৰভূঞা, আহোম আৰু কোঁচৰাজ্যৰ উপৰিও ভাৰতবৰ্ষৰ আন ঠাইতো ভ্ৰাম্যমাণ ৰূপত বৈচিত্ৰ্যময় আছিল, তেনেদৰে কীৰ্ত্তন-ঘোষাৰ খণ্ডবোৰো ভিন ভিন ঠাইত ৰচনাসূত্ৰে তেৱাৰ জীৱন পৰিক্ৰমাৰ স'তে সমধৰ্মী। ক'বলৈ গ'লে মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনৰ সোঁতে সোঁতে কীৰ্ত্তনৰ গতি আৰু সেই জীৱন সোঁতৰ উঠা-নমা ঢৌৰ প্ৰবল কোবত কীৰ্ত্তনৰ বৰ্ণময় ৰূপ বিধৌত।

অসমৰ ভকত-বৈষ্ণৱ সকলে নাম-প্ৰসঙ্গত গাব পৰাকৈ ৰচনা কৰি উলিওৱা এই কীৰ্ত্তন-ঘোষা ৰচনাৰ আৰম্ভণি সময় আৰু স্থান সম্পৰ্কে কিছু মত পাৰ্থক্য নথকা নহয়। অকল আৰম্ভণিয়েই নহয়, ইয়াৰ অন্তৰ্গত খণ্ডসমূহৰ ক্ষেত্ৰতো কেতিয়াবা কেতিয়াবা ভিন্ন মত পৰিলক্ষিত হয়। এই ক্ষেত্ৰত উৎস বিচাৰ কৰিবলৈ হ'লে আমি প্ৰথমেই চৰিত পুথি সমূহৰ মাজলৈ যাব লাগিব। অৱশ্যে চৰিত পুথিসমূহৰ তথ্যবিলাকো সম্পূৰ্ণ নিৰ্ভুল বুলি ক'ব নোৱাৰি; কাৰণ ইয়াৰ বেছিভাগ কথাই মুখ পৰম্পৰা আশ্ৰিত। তথাপিও অধ্যয়ন কৰিলে দেখা যায় 'গুৰু চৰিত কথা'ৰ মতে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰি ঘূৰি অহাৰ পিছত ৰৰদোৱাত গুৰুজনাই যেতিয়া ব্ৰিহুটৰ জগদীশ মিশ্ৰৰ পৰা শ্ৰীধৰ স্বামীৰ টীকাসম্বলিত ভাগৱত পুথি পাইছিল, তেতিয়াৰ পৰাই ভাগৱতৰ পদ কৰাৰ লগতে কীৰ্ত্তনৰ গীত-পদো ৰচিছিল। অৱশ্যে প্ৰথমে তেওঁ ব্ৰহ্মপুৰাণৰ পৰাহে কীৰ্ত্তনৰ উৰেষা বৰ্ণনা খণ্ড কৰিছিল। 'গুৰু চৰিত কথা'ত ইয়াৰ উল্লেখ এনে ধৰণে আছে ঃ

"পাচে সজবাৰ তিথিত সৰাই দি ভাগৱত পঢ়ালে ঃ একবৰ্ষে ভাগৱত অৱসান হলো ঃ বিপ্ৰও ৰাম বুলিলে ঃ কতোমুখে গাঙ্গত বুলিও কই ঃ ৰাম ৰামৰ হতোৱা সহঙ্কা কৰাই কৃয়া কৰ্ম কৰালে ঃ তেহেমূল চাই আৰ্হি লৈ পৱাৰ পদ কৰিলে প্ৰথমৰ পৰা দ্বাদশলৈ আঠ স্কন্ধ উদ্ধৱ সম্বাদ মূল নাইকাতে কৰা ঃ পাছে গুৰুজনে জগন্নাথৰ কৃপামানি গুণ বন্নালে ওড়েষাৰ একৈশটা কীৰ্ত্তন।।" (ছেদ-৭৩)

গুৰু চৰিত কথাৰ দৰেই দৈত্যাৰি ঠাকুৰৰ শঙ্কৰদেউ মাধৱদেউ চৰিততো গুৰুজনাই ভাগৱত পদ শুনাৰ পিছতে কীৰ্ত্তন-ঘোষাৰ পদ কৰা বুলি উল্লেখ আছে। দৈত্যাৰিৰ চৰিত মতে অৱশ্যে ভাগৱতৰ পৰা প্ৰথমে কীৰ্ত্তনৰ পদ কৰি পিছতহে ভাগৱতৰ ভাঙনি কৰা যেন লাগে। চৰিতৰ এই বৰ্ণনা এনে ধৰণৰ ঃ

"বিচাৰ কৰিয়া পাছে ভাগৱত গ্ৰন্থ।
কৰিলন্ত শঙ্কৰে প্ৰকাশ ভক্তি পন্থ।।
হৰিত ভকতি অতি কৰিবে প্ৰৱন্ধ।
প্ৰথমে কৰিলন্ত কীৰ্ত্তনৰ ছন্দ।।
অনন্তৰে কিছুলোক ভকতি কৰিলা।
তেবে আনো নানাবিধ ছন্দ নিৰূপিলা।।"

সাহিত্যৰথী বেজবৰুৱায়ে তেওঁৰ 'শ্ৰীশঙ্কৰদেৱ-মাধৱদেৱ' গ্ৰন্থত বোধকৰোঁ এই দৈত্যাৰি চৰিত্ৰৰ থেও ধৰিয়ে মন্তব্য কৰিছে যে, গুৰুজনাই জগদীশ মিশ্ৰৰ পৰা ভাগৱত শুনাৰ পিছতে সেই ভাগৱতৰ সাৰ উদ্ধাৰ কৰি কীৰ্ত্তন পুথি ৰচনা কৰে।[৪] একেদৰে পণ্ডিত পুৰুষ ড° মহেশ্বৰ নেওগেও বেজবৰুৱাৰ উক্ত মতকে সমৰ্থন কৰি কৈছে যে, জগদীশ মিশ্ৰৰ পৰা শ্ৰীধৰ স্বামীৰ টীকা সম্বলিত ভাগৱতখনি পাই গুৰুজনাই অসমীয়াত পদ কৰাৰ উপৰিও পোনতে তাৰ সাৰ কাঢ়ি কীৰ্ত্তনৰ ছন্দ; তাৰ পিছত আন নানা ছন্দ-গীত-পদ-ভটিমা-কথাশ্লোক আদি লিখে।[৫] এই ক্ষেত্ৰত কিন্তু বৈষ্ণৱ সাহিত্যৰ বিশিষ্ট গৱেষক তথা পণ্ডিত ডিম্বেশ্বৰ নেওগৰ মত কিছু সুকীয়া। তেওঁৰ মতে জগদীশ মিশ্ৰৰ পৰা ভাগৱত পাঠ শুনাৰ আগতেই শঙ্কৰদেৱে ভাগৱত পঢ়িছিল আৰু সই সূত্ৰেই নিশ্চয় গুৰুজনাই জগদীশ মিশ্ৰক লগ পোৱাৰ আগতেই কীৰ্ত্তনৰ পদো ৰচনা কৰিছিল। পণ্ডিত গৰাকীয়ে স্পষ্টভাৱে উল্লেখ কৰি কৈছে—"কীৰ্ত্তন-ঘোষাও সম্ভৱ যিকোনো আকাৰত ১৪৬৯ চনত পোনতে ৰৰদোৱালৈ গৈ নামঘৰ আৰু নাম-কীৰ্ত্তনৰ দিহা আৰু ১৪৭০ চনত তাতে ফাকুৱাৰ দিহা কৰোতেই আৰম্ভ কৰা।"[৬] তীৰ্থ ভ্ৰমণৰ পৰা ঘূৰি আহি ব্ৰিহুটৰ জগদীশ মিশ্ৰৰ পৰা শুনা ভাগৱত পাঠেই গুৰুজনাৰ ভাগৱতৰ লগত হোৱা প্ৰথম পৰিচয় নহয়, ইয়াৰ আগতেও অৰ্থাৎ ছাত্ৰকালতে যে তেৱাই গীতা-ভাগৱত অধ্যয়ন কৰিছিল তাৰ সাক্ষ্য হিচাপে নেওগে ৰামচৰণ ঠাকুৰৰ 'শঙ্কৰচৰিত'ৰ উদ্ধৃতি দিছে। ৰামচৰণৰ চৰিত পুথিত থকা সেই বৰ্ণনা এনে ধৰণৰ ঃ

"শঙ্কৰ বদতি শুনা বিপ্ৰ মহাশয়।
জগন্নাথ দয়া মোক সম্পূৰ্ণ আছয়।।
.....
কীৰ্ত্তন কৰয় পালী ঘোষাক গাৱয়।
ওঝা পদ বোলে যেন অমৃত সিঞ্চয়।।"

গুৰুজনাই চিহ্নযাত্রা, উদ্ধৱ সম্বাদ আদি ৰচনাৰ জৰিয়তে লাভ কৰা অদ্ভূতপূর্ব কৃতকার্যতাৰ পিছত সুদীর্ঘ ২২ বছৰ আন একো ৰচনা নকৰাকৈ জগদীশ মিশ্রৰ পৰা ভাগৱত শুনিহে কীর্ত্তনৰ গীত-পদ ৰচনা কৰিবলৈ লোৱা কথাৰ দৈত্যাৰিৰ পদৰ পৰা যদিও বলেৰে পোনাব পাৰি তথাপি সেই কথা সমীচীন নহয় বুলিও নেওগে সকীয়াই দিছে। নেওগে এই ক্ষেত্রত দ্বিধাহীনভাৱে নিজৰ মত বেকত কৰি ১৪৬৯ চনকে কীর্ত্তন-ঘোষা ৰচনাৰ আৰম্ভ কাল বুলি সিদ্ধান্ত দিব বিচাৰিছে। সঁচা কথা ক'বলৈ গ'লে নেওগৰ এই সিদ্ধান্তৰো যুক্তিযুক্ততা নথকা নহয়, কিন্তু তেওঁ যি ৰামচৰণ ঠাকুৰৰ ৰচিত পুথিৰ সহযোগত নিজৰ ব্যাখ্যা সবল কৰিব বিচাৰিছে সেই চৰিত পুথিখনেই বহুক্ষেত্রত বিভ্রান্তিকৰ।[৭] অৱশ্যে কীর্ত্তন-ঘোষা পুথি ৰচনাৰ যি দীঘলীয়া পৰিক্রমা, সেইফালৰ পৰা চাই কিছু গীত-পদ গুৰুজনাই জগদীশ মিশ্রক লগ পোৱাৰ আগতেও ৰচনা কৰিব পাৰে বুলি থকা ধাৰণাটো অমূলক নহয়, আৰু এটা কথা, ৰৱদোৱালৈ জগদীশ মিশ্র অহাৰ আগতেই শঙ্কৰদেৱে পিতৃ কুসুম্বৰৰ সৰিয়হ তলিত হৰি গৃহ সজাই নাম-কীর্ত্তন কৰাৰ উল্লেখ গুৰু চৰিত কথাত পোৱা গৈছে।[৮] গতিকে সেই নাম-কীর্ত্তনত গাবলৈয়ে শঙ্কৰদেৱে এটা-দুটা কীর্ত্তন ৰচনা কৰাটো একো অস্বাভাৱিক নহয়। যিবোৰ হয়তো পিছত কীর্ত্তনৰ খণ্ডসমূহত গুৰুজনায়ে সুমুৱাই দিলে। গতিকে এটা কথা পৰিস্কাৰ যে কীর্ত্তন-ঘোষাৰ ৰচনাৰ প্রথম আৰম্ভণি সময়খিনি সঠিককৈ ক'ব নোৱাৰিলেও ৰৱদোৱাতেই যে শুভাৰম্ভ হৈছিল তাত সন্দেহ নাই।

কীর্ত্তন-ঘোষা ৰৱদোৱাত আৰম্ভ কৰি মহাপুৰুষে পাটবাউসীত সামৰিলে যদিও পুথিখন একত্র কৰিবলৈ নৌহওঁতেই তেৱা বেহাৰলৈ যাব লগা হয়। যাৰ বাবে উজনিৰ আহোম ৰাজ্যকে ধৰি নামনিৰ হাজো, কালজাৰ, দক্ষিণকূল, ৰঙ্গগৰ, ভৱানীপুৰ আদিত সিঁচৰতি হৈ থকা কীর্ত্তনৰ খণ্ডসমূহ উদ্ধাৰৰ ভাৰ তেৱাই দি গৈছিল মাধৱদেৱক। কিন্তু মাধৱদেৱ পুৰুষেও পিছত বেহাৰলৈ গৈ ভাগিনীয়েক ৰামচৰণ ঠাকুৰকহে সেই কাম সমাধাৰ নির্দেশ দিয়ে। সেই নির্দেশ মতেই ৰামচৰণে যেতিয়া কীর্ত্তনৰ খণ্ডসমূহ সংগ্রহ কৰি নি বেহাৰত মাধৱদেৱ পুৰুষক দেখুৱালেগৈ তেতিয়া তেৱাই ভাগিনীয়েকৰ কর্মত পঞ্চমুখ হৈ প্রশংসা কৰিছিল। গুৰু চৰিত কথাত ইয়াৰ উল্লেখ এনে ধৰণে আছে ঃ "বোলে মোৰ গুৰুজনে গোটাব দিচিল ঃ মই নুৱাইলো ঃ গুৰুৱাক্য পৰি আচিল ঃ সার্থক জগিন ধন্য ধন্য ঃ গুৰু বাক্য ৰাখিলে মোৰ।।" (ছেদ-৯৩১)

ৰামচৰণে যে অকল কীর্ত্তনৰ খণ্ডসমূহ একগোটহে কৰিছিল তেনে নহয়, তেওঁ চতুর্বিংশতি অৱতাৰ বর্ণনক আগ কৰি আৰু উৱেষা বর্ণনক শেষলৈ লি সমগ্র পুথিখনকে এক পৰিকল্পিত ক্রমো দান কৰিছিল। কীর্ত্তনৰ এনে ক্রম পৰিক্রমা দেখি স্বয়ং মাধৱদেৱো অভিভূত হৈছিল। তেৱাই পুথিখন মেলি চাই তথা মন্তব্য গুৰু চৰিত কথাত পোৱা গৈছে এনেদৰে ঃ

"দেখি গুৰুজনে আগবাঢ়ি মাথাৎ কৈ আনি থৈ পাছদিনা হৰিগৃহত মেলি চাই দেখে জি চোৱা জৎ দিব হ'ব লাগে সেই ক্রমে হৈছে দিচে।।" (ছেদ-৯৩১)

গতিকে বুজা যায় চৰিত পুথিৰ সাক্ষ্যৰ ওপৰত নির্ভৰ কৰি সুপিণ্ডিত মহেশ্বৰ নেওগে উল্লেখ কৰাৰ দৰে ১৫৯৫ চনলৈকে বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা কীর্ত্তন-ঘোষাৰ খণ্ডসমূহ ৰামচৰণ ঠাকুৰে ১৫৯৬ চনত যেতিয়া একগোট কৰি মাধৱদেৱৰ হাতত দিয়ে তেতিয়াই পুথিখনে পূর্ণতা লাভ কৰে। সেয়ে গুৰুজনাই ৰচনা কৰি থৈ যোৱা কীর্ত্তন-ঘোষাৰ বর্তমানৰ ক্রম ৰামচৰণৰ দ্বাৰা নিৰূপিত আৰু মাধৱদেৱৰ দ্বাৰা অনুমোদিত।[৯] ৰামচৰণ ঠাকুৰে কীর্ত্তনৰ খণ্ডসমূহক যি ক্রমদান কৰিলে সেয়া ৰচনাৰ সময়কেন্দ্রিক নহয়, বিষয়ভিত্তিকহে। অর্থাৎ বিষয়ৰ ক্রম আৰু সময় অনুযায়ীহে খণ্ডবোৰ সজোৱা হৈছে। ৰামচৰণ ঠাকুৰে বিষয়ৰ ক্রম অনুসৰি চতুর্বিংশতি অবতাৰ বর্ণনৰ পৰা উৱেষা বর্ণনলৈ সজোৱা কীর্ত্তনৰ খণ্ডসমূহক অৱশ্যে ৰচনা কৰা সময় অনুযায়ীও বিচাৰ কৰিব পাৰি। ড° নেওগে শঙ্কৰদেৱৰ সাহিত্য সমগ্রৰ লগতে কীর্ত্তনৰ খণ্ডসমূহকো কাল অনুযায়ী সেয়ে তিনিটা খণ্ডত ভাগ কৰিছে। সেই খণ্ডকেইটা হ'ল—আদি বা বাৰভূঞা ৰাজ্যত ৰচিত খণ্ড, মধ্য বা আহোম ৰাজ্যত ৰচিত খণ্ড আৰু শেষ বা কোঁচৰাজ্যত ৰচিত খণ্ড।[১০] গুৰুজনাই ১৪৩৮ শকলৈকে বাৰভূঞা ৰাজ্যত কটোৱা কালছোৱাক নেওগে তাৰুণ্যৰ চপলতা আৰু সমৃদ্ধিৰ কাল আখ্যা দিছে। সেই সময়ছোৱাতে তেৱাই কীর্ত্তনৰ উৱেষা বর্ণন, অজামিল উপাখ্যান, প্রহ্লাদ চৰিত, হৰমোহন, বলিছলন, গজেন্দ্র উপাখ্যান, চতুর্বিংশতি অৱতাৰ বর্ণন আৰু ধ্যান বর্ণনখণ্ড ৰচনা কৰে।

১৪৩৮ শকৰ পৰা ১৪৬৫ শকমানলৈ এইছোৱা সময় গুৰুজনাই অসম ৰাজ্যত কটায়। নেওগৰ মতে এই সময়খিনি গুৰুজনাৰ অশান্তি, বিৰোধ, আত্মসমালোচনা আৰু অগ্রসৰৰ কাল। পাষণ্ডমর্দন, নাম অপৰাধ, শিশুলীলা, ৰাসক্রীড়া, কংসবধ, গোপী উদ্ধৱ সংবাদ,কুঁজীৰ বাঞ্ছা পূৰণ আৰু অক্রূৰৰ বাঞ্ছা পূৰণ নামৰ খণ্ড কেইটা এই কালছোৱাতে গুৰুজনাই ৰচনা কৰে।

মহাপুৰুষজনাৰ জীৱনৰ শেষৰ সময়খিনি কোঁচৰাজ্যত অতিবাহিত হয়। ১৪৬৫ শকৰ পৰা ১৪৯০ শকলৈ এই কালছোৱা তেৱাৰ পূর্ণ বিকাশৰ কাল। অপেক্ষাকৃত ভাৰে শান্তি, ভক্তি আন্দোলনৰ সম্পূর্ণতা লাভ আৰু শঙ্কৰদেৱৰ পূর্ণতম মনোবিকাশৰ কাল বুলি ড° নেওগে চিহ্নিত কৰা এই সময়খিনিতে কীর্ত্তনৰ জৰাসন্ধ যুদ্ধ, কালযৱন বধ, মুচুকুন্দ স্তুতি, স্যমন্ত হৰণ, নাৰদৰ কৃষ্ণ দর্শন, বিপ্রপুত্র আনয়ন, দামোদৰ বিপ্রৰ আখ্যান, দৈৱকীৰ পুত্র আনয়ন, বেদস্তুতি, লীলামালা, ৰুক্মিণীৰ প্রেমকলহ, ভৃগু পৰীক্ষা, শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ আৰু ভাগৱত তাৎপর্য্য নামৰ খণ্ডকেইটা ৰচিত হয়।

যা হওক, ৰচনাৰ কাল অনুযায়ী উল্লিখিত ধৰণে কীর্ত্তনক বিচাৰ কৰিব পাৰি যদিও ইয়াৰ মূল তত্ত্বনিহিত আছে বিষয়তহে। কীর্ত্তন পুথিৰ কোনোটো খণ্ড ক'ত বা কেতিয়া ৰচনা কৰিলে সেইটো ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল ইয়াৰ বিষয় আৰু তাৰ সুপৰিকল্পিত বিন্যাস পদ্ধতিটোহে। ৰামচৰণ ঠাকুৰেও এই গুৰুত্বপূর্ণ দিশটোৰ প্রতি লক্ষ্য ৰাখিহে গুৰুজনাৰ কীর্ত্তন পুথিখন সংকলন কৰিছিল। কীর্ত্তন-ঘোষাৰ মূল বিষয় ভগৱান বিষ্ণু বা কৃষ্ণ। তেওঁৰ স্বৰূপ, অৱতাৰভেদ আৰু মহিমা ঘোষণাই কীর্ত্তন পুথিৰ আদ্যোপান্ত আগুৰি আছে। ভক্তক ভগৱানৰ অৱতাৰভেদ আৰু মহিমা ঘোষণা কৰাৰ আগতে তেওঁৰ স্বৰূপ ব্যক্ত কৰাটো মুখ্য বা প্রাথমিক কথা। এই কাৰণেই বোধকৰো কীর্ত্তন-ঘোষাৰ আৰম্ভণিতে ৰামচৰণ ঠাকুৰে 'চতুর্বিংশতি অৱতাৰ বর্ণন' খণ্ডটো আগলতি পাতৰ দৰে সকলোতকৈ আগত দিছে। গুৰুজনাই ৰৱদোৱাত থাকোঁতেই এই খণ্ডটো ৰচনা কৰা বুলি ইতিমধ্যে ড°নেওগৰ উদ্ধৃতিৰে উল্লেখ কৰা হৈছে যদিও একেআষাৰে ইয়াক নির্ভুল বুলি কোৱা টান। কাৰণ ড° নেওগেই আকৌ তেওঁৰ গৱেষণা গ্রন্থ "Sankardev and his Times"-ত এই খণ্ডটো কোঁচৰাজ্যত থকা সময়খিনিৰ ভিতৰত ৰচনা কৰা বুলি দেখুৱাইছে।[১১] কমলাবাৰী সত্রৰ সত্রাধিকাৰ প্রভু নাৰায়ণ চন্দ্র গোস্বামীয়ে আকৌ খণ্ডটিৰ ৰচনা স্থান ঠাৰৰ কৰা টান বুলিয়ে উল্লেখ কৰিছে।[১২] এই ক্ষেত্রত অৱশ্যে আমাৰ মতেও ড° নেওগৰ গৱেষণা গ্রন্থৰ মতটো�ৰেই গ্রহণীয়। কিয়নো খণ্ডটিত প্রকাশিত তাত্ত্বিক তথা দার্শনিক কথাখিনি গুৰুজনাৰ শেষ জীৱনৰ পূর্ণ চিন্তাৰ প্রতিফলন যেন লাগে। যাহওক, 'চতুর্বিংশতি অৱতাৰ বর্ণন' খণ্ডটো কিন্তু আজিকালিৰ গ্রন্থত থকা পাতনি বা অৱতৰণিকা স্বৰূপ।[১৩] সমগ্র কীর্ত্তন পুথিখনৰ মাজেৰে ঈশ্বৰ বিষ্ণুৰ যি স্বৰূপ ব্যক্ত কৰিব বিচৰা হৈছে, তাৰ বীজ এই খণ্ডটিৰ প্রথম দুটা শাৰীতেই বিদ্যমান। গুৰুজনাই 'প্রথমে প্রণামো ব্রহ্মৰূপী সনাতন' বুলি কেৱল ঈশ্বৰৰ স্বৰূপকে ব্যক্ত কৰা নাই, তেওঁ স্তুতি প্রার্থনাৰে শৰণাগত হৈ একশৰণৰ মূল তত্ত্বও দাঙি ধৰিছে। মহাপুৰুষে নিৰাকাৰ ব্রহ্মক সাকাৰৰূপে সেৱা কৰি তেওঁৰ অৱতাৰভেদ ব্যাখ্যা কৰাটোও খণ্ডটিৰ বিশেষ তাৎপর্যপূর্ণ দিশ।[১৪] গুৰুজনাই ভাগৱতৰ আধাৰতে অৱতাৰসমূহ উল্লেখ কৰিছে যদিও ইবোৰৰ ক্রমিক সংখ্যা নিৰূপণ আৰু বিন্যাস পদ্ধতি তেৱাৰ নিজা।

কীর্ত্তনৰ বিষয় অনুসৰি 'চতুর্বিংশতি অৱতাৰ বর্ণন'ৰ পিছতে 'নাম

অপৰাধ' খণ্ডৰ স্থান। ধুৱাহাট বেলগুৰিত ৰচিত এই খণ্ডটিৰ যোগে গুৰুজনাই বিষ্ণুক ভজনা কৰিবলৈ ভক্তিৰ পৰম সম্পদ 'নাম' আৰু ইয়াৰ মহিমা ঘোষণা কৰিছে। কীৰ্ত্তন-ঘোষাৰ বিভিন্ন খণ্ডত নামৰ যি কাৰ্যসাধিকা মাহাত্ম্য ঘোষণা কৰা হৈছে তাৰ প্ৰাথমিক তথা প্ৰধান কথাখিনি এই খণ্ডটিতে ব্যক্ত হৈছে। সেয়ে চতুৰ্বিংশতি অৱতাৰ বৰ্ণন খণ্ডটিৰ দৰেই এই খণ্ডকো পাতনিৰ ভিতৰুৱা বুলি ধৰিব পাৰি। 'পাষণ্ডমৰ্দ্দন' কীৰ্ত্তন-ঘোষাৰ ক্ৰম অনুসাৰে তৃতীয় অধ্যায়। বেলগুৰিত ৰচিত এই খণ্ডটিৰ সম্পৰ্কত দুটা মতবাদ আছে। গুৰুচৰিত কথাত থকামতে গুৰুজনাই ধুৱাহাট বেলগুৰিত থাকোঁতে তাৰ পৰা দুটা বৌধমতীয়া টাটকীয়া বা পাষণ্ড বাজীকৰক আঁতৰাবৰ মনেৰে খণ্ডটো ৰচনা কৰিছিল। চৰিত পুথিখনিত এই বৰ্ণনা এনেদৰে আছে—

"পাচত মহাপুৰুষ আহিল সেই গ্ৰামে দুটা বৌধমতিয়া টাটকীয়া আচিল। এটা হই ব্যাধি এটা হই বৈদ্য ঃ জাৰে ফুকে সজ হই ঃ বস্ত্ৰ টকা ধান উপাধি দিএ জাই ঃ এইমতে প্ৰবৰ্ত্তি আছে। গুৰু সুনি পাষণ্ডমৰ্দ্দনৰ কীৰ্ত্তন কৰি দিলে ঃ ভকতে গাই ফুৰে সুনি ৰব নুৰাৰি গল গুচি দাতিলৈ।। পাচে কীৰ্ত্তন গৃহ কৰি কথা শ্ৰৱণ ঃ কীৰ্ত্তন ওজা ঃ সবে ভক্তে সুনে গুৰুজনে কই ঃ ৰাম ৰাম ঃ ৰামদাস ঘোষাকীৰ্ত্তন কৰে এই মতে ৰহিচন্ত।" (ছেদ-৮৮)

পাষণ্ডমৰ্দ্দন ৰচনাৰ সম্পৰ্কত আনটো মত পোৱা গৈছে দৈত্যাৰি ঠাকুৰৰ 'শঙ্কৰদেউ-মাধৱদেউ' চৰিতত। ইয়াত থকামতে ৰৱপেটাৰ যাজক ব্ৰাহ্মণসকলে ভক্তসকলক নানা ঠাট্টা-মস্কৰা কৰাৰ লগতে ব্যঙ্গ কবিতা ৰচি গাই শুনাইছিল। ব্ৰাহ্মণ সকলৰ এই প্ৰতিৰোধৰ উত্তৰ স্ৱৰূপেই গুৰুজনাই পাষণ্ডমৰ্দ্দন ৰচনা কৰে।[১৫] ড° নেওগে অৱশ্যে ধুৱাহাট বেলগুৰিত যি সময়ত ভক্তিৰ বিৰোধ বৰ বেছি হৈছিল সেই সময়তেই এই খণ্ডটি ৰচনা হোৱাৰ সম্ভাৱনা অধিক বুলি মন্তব্য আগবঢ়াইছে। এই ক্ষেত্ৰত লক্ষ্মীনাথ বেজবৰুৱাৰ মতটো কিন্তু সুকীয়া। তেওঁৰ মতে জগদীশ মিশ্ৰৰ পৰা ভাগৱত শুনাৰ পিছতেই গাংমৌ স্থানত গুৰুজনাই পাষণ্ডমৰ্দ্দন ৰচনা কৰি ভকতৰ হিয়া স্থিৰ কৰে।[১৬] আমাৰ মতে পাষণ্ডমৰ্দ্দনৰ ৰচনা য'তেই নহওক কিয়, খণ্ডটিৰ জৰিয়তে কিন্তু শঙ্কৰদেৱৰ বৈপ্লৱিক চৰিত্ৰ প্ৰতিপন্ন হৈছে। গুৰুজনাৰ নামধৰ্মই অসমীয়া সমাজখনক ভকতীয়া কৰি দুৰ্বল কৰিলে বুলি বহু বিৰোধীয়ে সততে যি অপব্যাখ্যা দাঙি ধৰিব বিচাৰে, সেই সকলৰ ব্যাখ্যা ভুল বুলি প্ৰতিপন্ন কৰাৰ লগতে এই খণ্ডটিয়ে জনসাধাৰণক সুদূৰপ্ৰসাৰী আধ্যাত্মিক সাহসো দান কৰিছে।[১৭] ক'বলৈ গ'লে পাষণ্ডমৰ্দ্দন বহুক্ষেত্ৰত নাম অপৰাধৰে পৰিপূৰক।

কীৰ্ত্তনৰ কাহিনীবিহীন খণ্ডকেইটাৰ চতুৰ্থটো হ'ল ধ্যান বৰ্ণন। ধ্যান বৰ্ণন গুৰুজনা বাৰভূঞা ৰাজ্যত থাকোঁতেই ৰচনা কৰা। কীৰ্ত্তন-ঘোষাৰ আৰম্ভণিৰ চতুৰ্বিংশতি অবতাৰ বৰ্ণনৰ পৰা ধ্যান বৰ্ণনলৈ এই চাৰিটা খণ্ড বিশেষ তাৎপৰ্যপূৰ্ণ। ইয়াৰে প্ৰথমটোত ভক্তিৰ বীজ স্ৱৰূপ বিষ্ণু আৰু তেওঁৰ অৱতাৰভেদ কৈ দ্বিতীয়টোত সেই বিষ্ণুক ভজিবলৈ নামৰ দিহা দিয়াৰ লগতে নাম মাহাত্ম্য ঘোষি, তৃতীয়টোত ভক্তিৰ কণ্টক পাষণ্ডক মৰ্দ্দন আৰু চতুৰ্থটোত ভক্তক ধ্যানস্থ কৰাই নাৰায়ণ দৰ্শন কৰাইছে। উল্লেখনীয় যে কীৰ্ত্তনৰ সংখ্যা দুটা। কিন্তু কোনো কোনো হাতেলিখা পুথিত মাধৱদেৱৰ ভণিতাযুক্ত তৃতীয় এটা কীৰ্ত্তনো এই ধ্যানবৰ্ণন খণ্ডত হোৱা গৈছে। ড° নেওগে এই কীৰ্ত্তনটো মাধৱদেৱেই ৰচিব পাৰে বুলি থকা সম্ভাৱনা নাকচ কৰা নাই।[১৮]

কীৰ্ত্তন-ঘোষাৰ কাহিনীমূলক খণ্ড অজামিল উপাখ্যানকে ধৰি প্ৰহ্লাদ চৰিত আৰু উৰ্ব্বশা বৰ্ণন গুৰুজনা বৰদোৱাত থকা কালতে ৰচনা কৰা। গুৰুচৰিত কথাক অৱশ্যে প্ৰহ্লাদ চৰিত খণ্ডটো ধুৱাহাটতহে কীৰ্ত্তন কৰাৰ বৰ্ণনা পোৱা গৈছে। সেই বৰ্ণনা এনেধৰণৰ ঃ

"আৰু মাঘ পুহ মহা সেৱাখৰি আনি মাজতে
যুই ধৰে গুৰুজন বাস থাকে নাম সেৱাকৈ ঃ
ভক্তে নাম কীৰ্ত্তন কৰে ঃ ৰামদাস আতৈ ওজা ঃ
প্ৰহ্লাদ চৰিত্ৰ গাইছিল ঃ
হাতে গাল বান্ধি অগ্নিত পেলাই ঃ এই পদ মাতি প্ৰেমে ধৰ্ষি অগ্নিতে ঝাপমাৰি পৈল গুৰু বোলে ধৰাধৰ ঃ" (ছেদ-১৪৫)

ধুৱাহাট বেলগুৰিত কীৰ্ত্তন কৰা এই খণ্ডটিৰ ৰচনা ড° নেওগে ৰৱদোৱাতে বুলি উল্লেখ কৰিছে যদিও বেজবৰুৱাৰ মতে গুৰুজনা ধুৱাহাটত থকা সময়তহে এই খণ্ডটি ৰচনা কৰে। অকল প্ৰহ্লাদ চৰিতেই নহয়, শিশুলীলাৰ পৰা আৰম্ভ কৰি কংসবধলৈকে কীৰ্ত্তনৰ এই খণ্ডসমূহো ধুৱাহাটতে ৰচিত। বেজবৰুৱাই তেওঁৰ "শ্ৰীশঙ্কৰদেৱ-মাধৱদেৱ" গ্ৰন্থত দিয়া এই বিৱৰণী এনে ধৰণৰ ঃ

"সোণত সুৱগা স্ৱৰূপ শঙ্কৰ-মাধৱৰ মিলন হলত হৰি কীৰ্ত্তনৰ ধ্বনি ধুৱাহাট বেলগুৰিৰ গগন লৰিবলৈ ধৰিলে। কীৰ্ত্তন-ঘোষা শাস্ত্ৰৰ পদ পূৰ্ণ কৰিবৰ নিমিত্তে শঙ্কৰদেৱ তাতে প্ৰহ্লাদ আৰু শিশুলীলা ৰচনা কৰে। তাৰ পিছত তেওঁ তাতে কীৰ্ত্তনৰ কংসবধলৈকে পদ কৰে। ৰাম ৰাম গুৰু আৰু ৰামদাস এওঁলোক দুইজনে ওজা আৰু মাধৱদেৱে ডাইনাপালি হৈ কীৰ্ত্তন কৰি হৰি কথা ৰসেৰে বেলগুৰি থান টোৱাই দিবলৈ ধৰিলে।"[১৯] প্ৰহ্লাদ চৰিত খণ্ডটিৰ ক্ষেত্ৰত মত পাৰ্থক্য পৰিলক্ষিত হয় যদিও ইয়াৰ পিছৰ গজেন্দ্ৰ উপাখ্যান, হৰমোহন আৰু বলিছলন খণ্ডটো ৰৱদোৱাতে ৰচিত বুলি কোৱা হৈছে। মন কৰিবলগীয়া কথা, গুৰু চৰিত কথাত গজেন্দ্ৰ উপাখ্যান আৰু বলিছলনৰ উল্লেখ নাই যদিও হৰমোহনৰ কীৰ্ত্তন কৰা কথাখিনি কিন্তু ধুৱাহাটত শঙ্কৰ-মাধৱৰ মিলন প্ৰসঙ্গতহে বৰ্ণিত হৈছে। সেই বৰ্ণনাংশ এনেধৰণৰ ঃ

"তেহে বোলে ৰৱাৰ পো আৰু দিনা চাৰি ঃ আগে লাগ পালোহতে তোমাক ঃ এ আমিও ৰামানন্দৰ মাকক বিবাহ নকৰালোহতে ঃ তেওঁ কৰাইচো বুলি গৃহ অন্ধকূপত প্ৰাণ ত্যাগ কৰা নাছই। হৰমোহন কীৰ্ত্তন কৰিছিল সেইখিতে ঘোষাত দিচে ঃ মাধৱ বান্ধৱ দেৱহৰি ঃ কৰা কৃপা দোষে ক্ষেমা কৰি।।" (ছেদ-১৪১)

গতিকে 'হৰমোহন' খণ্ডটি ধুৱাহাটত ৰচনা কৰা বুলিও অনুমান কৰাৰ স্থল নথকা নহয়। কাৰণ হৰমোহনত দিয়া বুলি উল্লেখ কৰা ঘোষাটো খণ্ডটিৰ নৱম কীৰ্ত্তনত পোৱা গৈছে। অৱশ্যে কোনো কোনো পুথিত এই ঘোষাটো 'মাধৱ বান্ধৱ দেৱ হৰি' নহৈ 'বান্ধৱ মাধৱদেৱ হৰি' বুলিহে আছে।[২০]

হৰমোহন আৰু বলিছলনৰ পিছৰ খণ্ড কেইটা অৰ্থাৎ শিশুলীলা, ৰাসক্ৰীড়া, কংসবধ, গোপী উদ্ধৱ সম্বাদ, কুঁজীৰ বাঞ্ছা পূৰণ আৰু অক্ৰূৰৰ বাঞ্ছা পূৰণ খণ্ডটো ধুৱাহাট বেলগুৰিতে ৰচিত বুলি ড° নেওগে উল্লেখ কৰিছে। বেজবৰুৱাৰ আলোচনাতো অৱশ্যে শিশুলীলাকে ধৰি কংসবধলৈকে ধুৱাহাটতে ৰচিত বুলি ইতিপূৰ্বে উল্লেখ পোৱা গৈছে। এই আটাইকেইটা খণ্ডৰ আভাস গুৰুচৰিত কথাত নাই যদিও কংসবধ কীৰ্ত্তন কৰাৰ বৰ্ণনা পোৱা গৈছে। সেই বৰ্ণনা এনেধৰণৰ ঃ

"আৰু একদিনা ৰামৰাম গুৰু ওজা গাইচিল কংসবধৰ পদ ঃ কুবলই দন্ত উভৰা পদ মাতিএ কীৰ্ত্তন গৃহৰ টুপৰ খুটাটো উৎপাৰি লৈ ফুৰিলে তিনিপাক ঃ গুৰু বোলে ধৰা প্ৰেম্য লৈছে ঃ পাছে দুজনেহে ধৰি খুৱাইছে।" (ছেদ-১৪৬)

কীৰ্ত্তন-ঘোষাৰ অক্ৰূৰৰ বাঞ্ছা পূৰণ খণ্ডৰ পিছত থকা জৰাসন্ধৰ যুদ্ধ, কালযৱন বধ, মুচুকুন্দ স্তুতি, স্যমন্ত হৰণ, নাৰদৰ কৃষ্ণ দৰ্শন, বিপ্ৰপুত্ৰ আনয়ন, দামোদৰ বিপ্ৰ উপাখ্যান, দৈৱকীৰ পুত্ৰ আনয়ন, বেদস্তুতি, কৃষ্ণৰ লীলামালা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ আৰু ভাগৱত তাৎপৰ্যকে ধৰি এই আটাইকেইটা খণ্ড গুৰুজনাই পাটবাউসীত থকা কালত ৰচনা কৰে বুলি কোৱা হৈছে। এই খণ্ডসমূহৰ ভিতৰত অৱশ্যে জৰাসন্ধৰ যুদ্ধ আৰু লীলামালাৰ উল্লেখ গুৰু চৰিত কথাতো পোৱা গৈছে। জৰাসন্ধৰ যুদ্ধখণ্ডৰ পদ কৰা বিৱৰণ গুৰু চৰিত কথাত এনেদৰে আছে ঃ

"সেইবেলা মধ্য দশমৰ জৰাসন্ধযুদ্ধ কীৰ্ত্তন কৰিচে ঃ তাতে এক আৰ্হিকৈ গীত ঘোষা দিলে ৰহস্য ঃ এ হৰি নাৰায়ণ মাধ এ গতি ঃ কৃষ্ণ চৰণে মোৰ নচাৰোক মতি।।" (ছেদ-২৬৩)

গুৰুজনাই কীৰ্ত্তনৰ লীলামালা খণ্ডটো ৰচনা কৰিছিল নৰনাৰায়ণ ৰজাৰ

প্রার্থনামর্মে। গুৰুচৰিত কথাত ইয়াৰ আভাস এনেদৰে পোৱা যায় ঃ

"আৰু ৰাজা বোলে বাপ ভোজন কৰাতেই জেন তিনিও চোৱা দশম শুনিবলৈ পাঞ দাসে ঃ গুৰুজনে বোলে বিপ্রপতি, সব আছে সুনক ঃ বামুণে বোলে মহাৰাজ ভোজন একদণ্ডে হই ঃ দশম মাহ দুমাহেও টানহে সুনাবলৈ ঃ ঈশ্বৰ শক্তি হলেহে পাৰে ঃ মনুষ্যৰ শক্তি নাই ঃ ৰাজা বোলে বাপ কোনে সুনাব দাসক ঃ গোলামৰ মন গৃহস্থেহে পূৰে ঃ বোলে বাৰু কালৈ ভোজনত পাৰি নিকিন চাব লাগে ঃ ঈশ্বৰত ভৰসাকৈ ঃ বামুণে বোলে কেনেকৈ সুনই চাঞ, লাজহে হ'ব নুৱাৰে ঃ এচোৱাকে টান আচক তিনি চোৱা ৰাজা লাজহে কৰিব ঃ আমাৰো সোনকালে আহিবাক হাঁহি লঘু কৰিম ঃ গৈ গুৰুজনে নাম পাঠ কৰি ভোজনতকৈ ঃ সবেও সুলে ঃ অষ্টভুজ হে পাত তিকি কুটি নিমিস্য কৃষ্ণৰ লীলাৰ সংখেপে মালাৰ কৈলে তিনিও চোৱাৰ বিহানে সৌচ সুধি স্নান গুৰুসেৱা নাম পাঠ ভাগৱত ভোজনকৈ গৈ ৰাজাৰ ভোজনতে সুনালে ঃ বামুনে দেখি আচার্য্য অদ্ভুত হ'ল ঃ ৰাজা সন্তোষ হৈ সন্মানকৈ বস্ত্র টকা দি আগবাঢ়ি পঠাইছে।।" (ছেদ-৩৭১)

নাৰায়ণ দাস ঠাকুৰ আৰু গোকুল চান্দক যেতিয়া ভুটীয়াই কিনি নিছিল তেতিয়া তেওঁলোক দুয়োৱে এই লীলামাৰা কীৰ্ত্তন কৰিছিল বুলি ভূষণদ্বিজৰ চৰিতত উল্লেখ থকা কথাটো এইখিনিতে প্রণিধানযোগ্য।[২১]

ৰামচৰণ ঠাকুৰে কীৰ্ত্তন-ঘোষাৰ শেষত স্থান দিয়া 'উৰেষা বর্ণন' খণ্ডটি চৰিত পুথিৰ মতে কীৰ্ত্তনৰ প্রথম ৰচনা হ'লেও শঙ্কৰদেৱৰ ভক্তিধর্মৰ মূল নীতি আৰু আদর্শৰ লগত ইয়াৰ পোনপটীয়া মিল নাই। খণ্ডটিত থকা বলোৰাম, কৃষ্ণ আৰু সুভদ্রাৰ মূর্ত্তিপূজা, সুভদ্রাক কাত্যায়ণী বুলি বন্দনা কৰা সূর্য আৰাধনা আদি কথাবোৰ দেখাতেই গুৰুজনাৰ ধর্মাদর্শৰ লগত বিৰোধমূলক। গতিকে এনেবোৰ কাৰণৰ বাবেই এই খণ্ডটি শঙ্কৰদেৱৰ কীৰ্ত্তন-পুথিৰ আদি ৰচনা হ'লেও মাধৱদেৱ পুৰুষে কীৰ্ত্তন-ঘোষাৰ শেষত স্থান দিয়া বুলি ড° নেওগে মন্তব্য আগবঢ়াইছে।[২২]

খণ্ডটিত একশৰণবাদৰ বিৰোধী কথাখিনি ব্রহ্ম পুৰাণৰ মূল একে ৰাখিবলগীয়া হোৱা কাৰণে থাকিল যদিও সামৰণিত জগন্নাথৰ নাম মহিমাৰ শ্রেষ্ঠত্ব ঘোষণা কৰি গুৰুজনাই দৰাচলতে ভক্তিধর্মৰ লগত সংযোগ সূত্র ৰক্ষা কৰিব পাৰিছে। সেইফালৰ পৰা চায়েই এই খণ্ডটোক মাধৱ পুৰুষে কীৰ্ত্তনৰ ভিতৰুৱা কৰি ৰাখিলে বুলি ক'লেও নিশ্চয় ভুল কোৱা নহ'ব। ড° নেওগে অৱশ্যে সুন্দৰ কবিতা আৰু ভক্তিৰ প্রাবল্য, বিশেষত জগন্নাথ ক্ষেত্রৰ বর্ণনা থকা হেতুকে এই খণ্ডটি কীৰ্ত্তনৰ পৰা বহির্ভূত হৈ নৰ'ল বুলি মত প্রকাশ কৰিছে।[২৩] যা হওক, কীৰ্ত্তন-পুথিৰ শেষত স্থান দিলেও উৰেষা বর্ণন কিন্তু আমি ইতিপূর্বে উল্লেখ কৰি অহা মতেই গুৰুজনাই বৰদোৱাতে ৰচনা কৰিছিল। গুৰুচৰিত কথাত যেনেদৰে জগদীশ মিশ্রৰ পৰা ভাগৱত শুনাৰ পিছতে 'গুৰুজনে জগন্নাথৰ কৃপা মানি ঃ গুণ বন্নালে ওড়োষাৰ একৈশটা কীৰ্ত্তন' বুলি উল্লেখ পোৱা গৈছে, তেনেদৰে পিছত আকৌ ধুৱাহাট বেলগুৰিতো ইয়াক কীৰ্ত্তন কৰা হৈছিল বুলি বর্ণনা কৰা হৈছে। সেই বর্ণনা এনে ধৰণৰ ঃ

"আৰু এদিন ঘোষা কীৰ্ত্তন গাইচে ওড়াষা বন্নৰ ঃ দৱনা পুষ্পৰ ঘ্রাণ উঠিল ঃ গুৰুজনে বোলে নাম নেৰিবা জগন্নাথ আহিছে ঃ দৱনাৰ ঘ্রাণ উঠিছে ঃ সেইদিনা ৰামদাস নাই ঃ পাচ দিনা আহিছে ঃ গুৰু বোলে কালি নাহিলা জগন্নাথ আহিছিল ঃ দৱনা ফুলৰ ঘ্রাণ ওলাইছিল ঃ বোলে বাপ মই মহাপাপী ভাগ্যহীন দুর্বগিয়া নাপালো ঃ স্বপ্নতো নেদেখে অঘযুক্ত লোকে ব্রহ্মপুৰাণৰ কথা বুলিলে সেই ক্রমে আকৌ ঘ্রাণ উঠিল দৱনাৰ ঃ গুৰু বোলে নামলুভি প্রভু কালি জি আহিল অজস্রেঃ আজি একা ৰামদাসৰ প্রসাদৎহে পাইচো সবেও।" (ছেদ-১৪৩)

ভালেমান কীৰ্ত্তন পুথিত নথকা গুৰুজনাৰ দ্বাৰা ৰচিত অন্য দুটি খণ্ড হ'ল ৰুক্মিণীৰ প্রেমকলহ আৰু ভৃগু পৰীক্ষা। ৰুক্মিণীৰ প্রেম কলহ খণ্ডটিকে কোনোৱে প্রেমকলহী ঘোষা আখ্যা দিয়া দেখা যায়। ৰামচৰণ ঠাকুৰে কীৰ্ত্তনখন সংকলন কৰাৰ সময়ত সম্ভৱতঃ এই খণ্ডটি পোৱা নাছিল। গুৰুচৰিত কথাত সেয়ে কোৱা হৈছে ঃ "অমৃত মথনৰ প্রেমকলহৰ কীৰ্ত্তনহে ঝইতা কচাৰিত থাকিল নেপালেঃ" (ছেদ-৯৩১) গুৰুচৰিত কথাত বর্ণোৱা এই অমৃত মথনৰ প্রেম কলহ নামৰ খণ্ডটোৱেই 'ৰুক্মিণীৰ প্রেমকলহ' খণ্ডটো হয় নে নহয় সঠিককৈ কোৱা টান। তথাপি ৰুক্মিণীৰ প্রেমকলহ খণ্ডটি ৰামচৰণে বিচাৰি নোপোৱা বাবে মাধৱদেৱ পুৰুষে খেদ কৰা নাছিল। বেজবৰুৱাই তেওঁৰ 'শ্রীশ্রী শঙ্কৰদেৱ আৰু মাধৱদেৱ' গ্রন্থত ইয়াৰ আভাস এনেদৰে দিছে ঃ

"পুথিখন মাধৱদেৱে পাই পূর্বাপৰ সকলোখিনি চাই যেতিয়া দেখিলে যে যি থাকিব লাগে সেইদৰে ৰামচৰণে তাক গোটাই ৰাখিছে তেওঁ মহা আনন্দত ৰামচৰণক প্রশংসা কৰিবলৈ ধৰিলে। এই শাস্ত্রখন এবাৰ চাই, ৰামচৰণক ক'লে, 'বাপু পুথিখনিত সকলো আছে, কিন্তু ৰুক্মিণীৰ প্রেম কলহটি নাই। ৰামচৰণে ক'লে, তাক মই বিচাৰি নাপালোঁ। মাধৱদেৱে ক'লে, 'নাপাব পাৰা, সি যি ঠাইলৈ যাব লাগে গ'ল। এই বুলি তেওঁ পুথিখন অতি ভক্তিভাৱে থোৱাই দিয়ালে।"[২৪]

গতিকে সন্দেহ নাই, মাধৱদেৱে অনুমোদন জনোৱা ৰামচৰণ ঠাকুৰ সংকলিত কীৰ্ত্তন-ঘোষাত ৰুক্মিণীৰ প্রেমকলহ নামৰ এই খণ্ডটো নাছিল। সম্ভৱতঃ মাধৱদেৱৰ মনে চিতেও এই খণ্ডটো কীৰ্ত্তন পুথিৰ অন্তর্ভুক্ত হোৱাতো বিচৰা নাছিল। ৰুক্মিণীৰ প্রেমকলহৰ দৰেই ভৃগু পৰীক্ষা খণ্ডটো আনবোৰ খণ্ডৰ তুলনাত তল খাপৰ বুলি ড° নেওগে আগবঢ়োৱা মন্তব্যটো এই ক্ষেত্রত প্রণিধানযোগ্য।[২৫]

ৰামচৰণে সংকলন কৰা কীৰ্ত্তন-ঘোষাত মহাপুৰুষ গুৰুজনাৰ উল্লিখিত খণ্ডসমূহৰ উপৰিও ৰত্নাকৰ কন্দলি বিৰচিত 'সহস্র নাম বৃত্তান্ত' নামৰ খণ্ড এটিও অন্তর্ভুক্ত হৈ আছে। সুকবি শেখৰ নামেও পৰিচিত ৰত্নাকৰ কন্দলি আছিল শঙ্কৰদেৱৰ ব্রাহ্মণ শিষ্য। বিষয়বস্তু আৰু ৰচনাৰ সৌষ্ঠৱৰ গুণতে কন্দলিৰ এই কীৰ্ত্তনখণ্ড গুৰুজনাৰ কীৰ্ত্তন-ঘোষাৰ শাৰীৰ বস্তু হোৱা বুলি ড° নেওগে কৈ প্রকাৰন্তৰে মাধৱদেৱৰ অনুমোদনক স্বীকাৰ কৰিছে। লক্ষ্মীনাথ বেজবৰুৱাই এই ক্ষেত্রত আৰু এখোপ আগুৱাই গৈ কন্দলিৰ প্রশংসাত পঞ্চমুখ হোৱাৰ লগতে স্বয়ং শঙ্কৰদেৱ গুৰুজনাৰো অনুমোদন আছিল বুলি ক'ব বিচাৰিছে। তেওঁ শ্রীশঙ্কৰদেৱ-মাধৱদেৱ গ্রন্থত আগবঢ়োৱা এই বর্ণনা এনে ধৰণৰ ঃ

"এই ছয় আধ্যা ৰত্নাকৰ কন্দলিৰ ৰচনা, শঙ্কৰদেৱে তেওঁৰ কীৰ্ত্তনৰ ভিতৰত ঠাই দিছে। শব্দ যোজনা আৰু পদলালিত্যত এই ৰচনা নিশ্চয় অতি সুন্দৰ; গতিকে শঙ্কৰদেৱে তাক তেওঁৰ অতি মৰমৰ কীৰ্ত্তন পুথিৰ ভিতৰত ঠাই দি সম্মানিত কৰাটোৰ মানে সহজে বুজিব পাৰি। ৰত্নাকৰ কন্দলি আসাম আকাশত শঙ্কৰ ৰূপী চন্দ্রক পৰিবেষ্টন কৰি থকা বৈষ্ণৱ তৰাসকলৰ ভিতৰেৰে এজন আছিল। গুৰিতে তেওঁ আঁৰু ব্যাসকলাই নামে এজন পণ্ডিত ব্রাহ্মণ শঙ্কৰৰ ভাগৱতী বৈষ্ণৱ ধর্ম প্রচাৰত প্রধান সহায়ক আছিল। ব্রাহ্মণ কন্দলিয়ে কায়স্থ শঙ্কৰৰ শিষ্যত্ব প্রকাশ্যে গ্রহণ কৰিছিল নে নাই ক'ব নোৱাৰো, কিন্তু কার্যত তেওঁ শঙ্কৰৰ প্রতি যে বৰ ভক্তিমান আছিল আৰু সঙ্কীর্ত্তনাদি কৰি ধর্মপ্রচাৰত শঙ্কৰক বৰ সহায় কৰিছিল, তাত সন্দেহ নাই। সেই দেখি তেওঁ শঙ্কৰৰ প্রিয়পাত্র হোৱাত শঙ্কৰে যে তেওঁৰ ৰচনা আদৰ কৰি তেওঁৰ গ্রন্থৰ ভিতৰত ঠাই দিব তাত আচৰিত কি?"[২৬]

বেজবৰুৱাই কন্দলিৰ সম্পর্কত আৰোপ কৰা উক্ত প্রশংসা তথা গুণখিনি মানি ল'লেও কিন্তু এই কথাটো স্বীকাৰ কৰা টান যে শঙ্কৰদেৱে নিজেই ৰত্নাকৰ কন্দলিৰ কীৰ্ত্তন খণ্ডক কীৰ্ত্তনপুথিৰ ভিতৰুৱা কৰিছিল। কিয়নো গুৰুজনাই নিজৰ খণ্ডসমূহকে একেলগ কৰিবলৈ সময় পোৱা নাছিল আৰু মাধৱদেৱৰ অনুমোদনত ৰামচৰণ ঠাকুৰে যিখন কীৰ্ত্তন সংকলন কৰিছিল সেইখন দেখাৰ আগতেই তেৰাৰ বৈকুণ্ঠ প্রয়াণ হৈছিল। গতিকে গুৰুজনাই নিজেই কন্দলিৰ ৰচনাক আদৰ কৰি তাক কীৰ্ত্তনত স্থান দিছিল বোলা কথাষাৰৰ কোনো বিশ্বাসযোগ্য তথ্য নাই। এই ক্ষেত্রত গুৰুচৰিত কথাও নিমাত। অৱশ্যে এই কথা ক'ব পাৰি যে নিশ্চয় মাধৱদেৱৰ অনুমোদনতে ৰামচৰণে কন্দলিৰ খণ্ডটি

কীর্ত্তন-পুথিৰ ভিতৰুৱা কবি থৈছিল। কাৰণ খণ্ডটিৰ জৰিয়তে ভক্তিধর্মৰ এক প্রধান দিশ ভগৱন্তৰ 'নাম মহিমা'ই ঘোষিত হৈছে। সম্ভৱতঃ ঠিক এনে এক প্রাসঙ্গিক কাৰণতে বিষয়ক পৰিপূর্ণতা দান কৰিবলৈ মাধৱদেৱে নিজেও তৃতীয় কীর্ত্তনটো ৰচনা কৰি ধ্যান বর্ণন খণ্ডত সুমুৱাই দিছিল। কোনো কোনো কীর্ত্তন পুথিত আকৌ শ্রীধৰ কন্দলি বিৰচিত 'ঘুনুচা কীর্ত্তন' নামৰ খণ্ড এটিও দৃষ্টিগোচৰ হয়। কিন্তু বেজবৰুৱাৰ মতে এই খণ্ডটো কীর্ত্তনত সোমাবলগীয়া উপযুক্ত নহয়। কীর্ত্তনৰ আনবোৰ খণ্ডতকৈ ৰচনা প্রণালীতো ই তলখাপৰ। তদুপৰি কীর্ত্তন পুথিৰ প্রধান লক্ষণৰ পৰাও ই বিবর্জিত।[২৭] এই ক্ষেত্রত ড° নেওগে মত প্রকাশ কৰিছে যে, শঙ্কৰদেৱৰ কীর্ত্তনখন মাধৱদেৱে ৰামচৰণৰ হতুৱাই সংকলন কৰাৰ সময়ত হয়তো শ্রীধৰ কন্দলিৰ এই ঘুনুচা কীর্ত্তন খণ্ডটো ৰচনাই হোৱা নাছিল।[২৮] গতিকে ৰত্নাকৰ কন্দলিৰ সহস্র নাম বৃতান্ত খণ্ডটো মাধৱদেৱ পুৰুষে কীর্ত্তন পুথিৰ অন্তর্ভুক্তিৰ বাবে অনুমোদন জনাইছিল বুলি ধাৰণা কৰিলেই যে শ্রীধৰ কন্দলিৰ খণ্ডটিকো তেৱাই কীর্ত্তনৰ ভিতৰুৱা কৰি থৈ যোৱা বুলি ভাবিব লাগিব তেনে কোনো অৱকাশ নাই। সম্ভৱতঃ পিছত কোনোবাই হাতে লিখা পুথিৰ শেষত অর্থাৎ উৱেষা বর্ণনৰ পিছত এই খণ্ডটি যোগ কৰি থয়। কিন্তু মন কৰিবলগীয়া কথা, কমলাবাৰী আদি প্রধান মহাপুৰুষীয়া সত্রৰ নাম প্রসঙ্গত এই খণ্ডটি গোৱা নহয়।[২৯] সম্ভৱতঃ খণ্ডটি কীর্ত্তনৰ অন্তর্ভুক্ত বুলি কোনো বিশ্বাসযোগ্যতা নথকা বাবেই ইয়াক কীর্ত্তন কৰাৰ পৰা বাহিৰত থোৱা হয়। এই খণ্ডটি কীর্ত্তনত স্থান দিবলৈ শ্রীধৰ কন্দলিয়ে শঙ্কৰদেৱক প্রার্থনা কৰিব পাৰে বুলি বেজবৰুৱাই তেওঁৰ আলোচনাত যি সন্দেহ প্রকাশ কৰিছে তাৰ কোনো বাস্তৱ ভিত্তি নাই যেন লাগে। দৰাচলতে বেজবৰুৱাই উৱেষা বর্ণন খণ্ডতে গুৰুজনাৰ কীর্ত্তন-ঘোষা শেষ বোলা কথাষাৰহে বাস্তৱিকতা তথা ঐতিহাসিকভাৱে সত্যতা প্রমাণিত হৈছে। নক'লেও হ'ব, উৱেষা বর্ণনত সমাপ্ত কৰা ক্রমৰ কীর্ত্তন-ঘোষাখন ৰামচৰণ ঠাকুৰৰ দ্বাৰা সংকলিতহে, কিন্তু গুৰুজনাই নিজে খণ্ডসমূহ একত্র কৰা হ'লে হয়তো কীর্ত্তনৰ খণ্ড সংখ্যা আৰু ক্রম পদ্ধতিয়ে কিছু পৃথক ৰূপ ল'লেহেঁতেন। তদুপৰি মাধৱদেৱ পুৰুষৰ নির্দেশক্রমে ৰামচৰণ ঠাকুৰে সংগ্রহ কৰিব নোৱৰা কীর্ত্তনৰ আৰু বহুকেইটা খণ্ডও হয়তো সেই কীর্ত্তন পুথিত থাকিলহেঁতেন। যা হওক, গুৰুজনাৰ অবর্তমানত হ'লেও মাধৱদেৱ পুৰুষে ৰামচৰণৰ হতুৱাই যিখন কীর্ত্তন আমাক দি থৈ গ'ল সেয়া দুয়োগৰাকী মহানুভৱ পুৰুষে জাতীয় জীৱনলৈ আগবঢ়োৱা অনন্য সুন্দৰ সেৱা হিচাপে নিশ্চয় চিৰদিন স্বীকৃত হৈ থাকিব। ৰামচৰণ ঠাকুৰ আছিল দৰাচলতে আজিৰ এগৰাকী গৱেষক ছাত্রৰ দৰেই আৰু মাধৱদেৱ আছিল তেওঁৰ 'গাইড'। গুৰুজনাই কৰি থৈ যোৱা কীর্ত্তন পুথিখন 'গাইড' (Guide) স্বৰূপ মাধৱদেৱৰ তত্ত্বাৱধানতে তেওঁ পুনৰ বিচাৰ (Research) কৰি সম্পূর্ণ পদ্ধতিমূলকভাৱে (Methodically) সজাই এখন (Thesis) ৰ দৰেই অসমীয়া জাতিক প্রদান (Submit) কৰি গ'ল।

নক'লে ভুল কৰা হ'ব যে, সম্পূর্ণ গৱেষণামূলক দৃষ্টিৰে উদ্ধাৰ কৰি থৈ যোৱা গুৰুজনাৰ এই কীর্ত্তন-ঘোষা পুথিখন পোন প্রথমবাৰৰ বাবে সাঁচিপাতৰ বুকুৰ পৰা ছপা যন্ত্রৰ মাজলৈ আনি প্রকাশ কৰে স্বনামধন্য হৰিবিলাস আগৰৱালাই।[৩০] ১৮৭৬ চনত প্রকাশ কৰা আগৰৱালাৰ এই কীর্ত্তন-ঘোষাখন কিমানদূৰ নির্ভুল ৰূপত সম্পাদিত হৈছিল জনা নাযায় যদিও এই প্রচেষ্টা আছিল নিঃসন্দেহে মহৎ আৰু অনন্য। আগৰৱালাই দেখুওৱা এনে সাংস্কৃতিক চেতনা আৰু জাতীয় দায়বদ্ধতাৰ আদর্শৰ প্রতি আকৃষ্ট হৈয়েই পিছৰ ফালে বহুজন গুণী-জ্ঞানীয়েও কীর্ত্তন-ঘোষাৰ সম্পাদিত ৰূপ প্রকাশ কৰে। এখেত সকলৰ ভিতৰত ডিব্রুগড়ৰ শিৱনাথ ভট্টাচার্য, যোৰহাটৰ তীর্থনাথ গোস্বামী, দুর্গাধৰ ৰৰকটকী, গুৱাহাটীৰ কালিৰাম মেধি, নলবাৰীৰ হৰিনাৰায়ণ দত্তৰুৱা, ৰৰপেটাৰ শ্যামলাল চৌধুৰীৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এখেতসকলৰ পিছতো কীর্ত্তনৰ বহু কেইটা সম্পাদিত ৰূপ প্রকাশ পাইছে। সেইবিলাকৰ ভিতৰত যতীন্দ্রনাথ গোস্বামী, মেদিনী মোহন চৌধুৰী, মহেশ্বৰ নেওগ, কেশৱানন্দ দেৱগোস্বামী, নাৰায়ণ চন্দ্র গোস্বামী আৰু শ্রীমন্ত শঙ্কৰদেৱ সংঘই সম্পাদনা কৰা কীর্ত্তন কেইখন উল্লেখযোগ্য। কৈ থোৱা ভাল, নেওগে কৰা কীর্ত্তন-ঘোষাখনেই বিজ্ঞানসম্মতভাৱে কৰা প্রথম সম্পাদনা। আলোচনা চমুৱাই সেয়ে ক'বৰ মন যায় গুৰুজনাৰ কীর্ত্তন পুথি ৰচনা কৰা পৰিক্রমাটো যেনেদৰে দীঘলীয়া আছিল তেনেদৰে ইয়াৰ সংকলন, সম্পাদন আৰু প্রকাশ প্রক্রিয়াটো এটা পৰম্পৰা হওক—যিয়ে গুৰুজনাৰ কীর্ত্তন-ঘোষাৰ ন ন দিশ উন্মোচন কৰিবলৈ সক্ষম হ'ব।

পাদটীকা ঃ

১। *অতুল চন্দ্র হাজৰিকা (সম্পাঃ) ঃ বেজবৰুৱা গ্রন্থাৱলী, প্রথম খণ্ড, পৃঃ ১৬২*

২। *মহেশ্বৰ নেওগ (সম্পাঃ) ঃ গুৰুচৰিত কথা, পৃঃ ৪০৪*

৩। *Banikanta Kakati (ed.) : Aspects of Early Assamese Literature, P-75*

৪। *অতুল চন্দ্র হাজৰিকা (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থাৱলী, পৃঃ ১৫৪*

৫। *মহেশ্বৰ নেওগ ঃ শ্রীশ্রী শঙ্কৰদেৱ, পৃঃ ৫৫*

৬। *ডিম্বেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, চতুর্থ সংস্কৰণ, পৃঃ ২৯৩*

৭। *সত্যেন্দ্র নাথ শর্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ ২০৪*

৮। *মহেশ্বৰ নেওগ (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থ, পৃঃ ৩০*

৯। *মহেশ্বৰ নেওগ ঃ কীর্ত্তন-ঘোষা আৰু নামঘোষাৰ ভূমিকা, পৃঃ ২১*

১০। *মহেশ্বৰ নেওগ ঃ শ্রীশ্রীশঙ্কৰদেৱ, পৃঃ ১১৬-১৮*

১১। *Maheswar Neog : Sankaradeva and his times, P-161*

১২। *নাৰায়ণ চন্দ্র গোস্বামী ঃ কীর্ত্তন-ঘোষা আৰু কীর্ত্তন ঘোষাৰ তত্ত্বার্থ সমীক্ষা, পৃঃ ৪৫*

১৩। *থানেশ্বৰ গগৈ (সম্পাঃ) ঃ নামধর্ম,, একাৱনতম বছৰ, দ্বিতীয় সংখ্যা, পৃঃ ৬*

১৪। *নাৰায়ণ চন্দ্র গোস্বামী ঃ পূর্বোক্ত গ্রন্থ, পৃঃ ৬*

১৫। *মহেশ্বৰ নেওগ (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থৰ ভূমিকা, পৃঃ ২৪*

১৬। *অতুল চন্দ্র হাজৰিকা (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থাৱলী, পৃঃ ২৩৬*

১৭। *থানেশ্বৰ গগৈ (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থ, পৃঃ ৭*

১৮। *মহেশ্বৰ নেওগ (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থৰ ভূমিকা, পৃঃ ৪০*

১৯। *অতুল চন্দ্র হাজৰিকা (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থাৱলী, পৃঃ ২৪৩*

২০। *নাৰায়ণ চন্দ্র গোস্বামীৰ সম্পাদিত 'কীর্ত্তন-ঘোষা আৰু নামঘোষা' পুথি চাওক*

২১। *মহেশ্বৰ নেওগ (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থৰ ভূমিকা, পৃঃ ৩৪*

২২। *উক্ত গ্রন্থ, পৃঃ ৩৮*

২৩। *উক্ত গ্রন্থ, পৃঃ ৩৮*

২৪। *অতুল চন্দ্র হাজৰিকা (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থাৱলী, পৃঃ ৩১৯*

২৫। *মহেশ্বৰ নেওগ (সম্পাঃ) ঃপূর্বোক্ত গ্রন্থৰ ভূমিকা, পৃঃ ৩৯*

২৬। *অতুল চন্দ্র হাজৰিকা (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থাৱলী, পৃঃ ১৫৮-৫৯*

২৭। *উক্ত গ্রন্থাৱলী, পৃঃ ৩৫৯*

২৮। *মহেশ্বৰ নেওগ (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থৰ ভূমিকা, পৃঃ ৪০*

২৯। *অতুল চন্দ্র হাজৰিকা (সম্পাঃ) ঃ পূর্বোক্ত গ্রন্থাৱলী, পৃঃ ৩৫৯*

৩০। *Banikanta Kakati (Ed.) : Op-cit. P-75*

মামণি ৰয়ছম গোস্বামীৰ তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা

ড° দীপ্তি ফুকন পাটগিৰি

মামণি ৰয়ছম গোস্বামীৰ প্ৰখ্যাত উপন্যাসসমূহৰ ভিতৰত 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' নামৰ উপন্যাসখন অন্যতম। উপন্যাসখন ৰচিত হৈছিল ১৯৮৪ চনত দিল্লীত ৰাজনৈতিক পটভূমিত সংঘটিত হোৱা গণহত্যাৰ ওপৰত ভিত্তি কৰি। নৰহত্যাৰ কাৰুণ্যভৰা বিননি উপন্যাসখনৰ ভাববস্তু। লেখিকাই নিজৰ কথাত এনেদৰে মন্তব্য কৰিছে— "১৯৮৪ চনৰ দিল্লী ৰায়তৰ নৃশংস বৰ্ণনাসমূহৰ কিছুমান খবৰ মোক পাঞ্জাবী কবি আৰু মোৰ অতি প্ৰিয় পাঞ্জাবী ছাত্ৰ জগতাৰ সিঙে দিছিল। সেই সময়ত ৰাষ্ট্ৰীয় কাগজত প্ৰকাশ পোৱা প্ৰায় সকলো খবৰৰে ক্লিপিংসমূহ জগতাৰে মোক দিছিল। স্বাধীনতাৰ পাছত হোৱা আটাইতকৈ নৃশংস হত্যাকাণ্ডৰ মই নিজে সাক্ষী আছিলো। ৰায়তৰ দ্বাৰা পীড়িত জাহাঙ্গীৰপুৰী আৰু কল্যাণপুৰীলৈ মই গৈছিলো আৰু পীড়িতসকলৰ মই খবৰ লৈছিলো। এই উপন্যাসখনত এই মাৰাত্মক ঘটনাৰ এটি সামান্য ৰেঙণিহে দেখা যাব। ইয়াৰ বীভৎসতা আৰু ভয়ঙ্কৰতা বৰ্ণনা কৰাৰ শক্তি মোৰ কলমৰ নাই।"

এই উপন্যাসখনত হত্যা আৰু ধ্বংসলীলাৰ কথা বৰ্ণিত হৈছিল যদিও ইয়াত শিখ আৰু হিন্দুৰ মাজত একতাৰ ডোলেৰে বান্ধ খোৱা এক প্ৰেমৰ কথাও বৰ্ণিত হৈছে। উপন্যাসখনৰ মূল চৰিত্ৰ হ'ল সন্তোখ সিং। এই সিং আছিল এজন অট'ৰিক্সাচালক, যি লেখিকাৰ কাহিনী সংগ্ৰহত সহায় কৰিছিল। অমৃতসৰৰ স্বৰ্ণমন্দিৰ ভাৰতীয় সেনা বাহিনীয়ে আক্ৰমণ কৰাত ভিন্দ্ৰানৱালেৰ মৃত্যু ঘটে। ইয়াৰ পিছতেই সন্ত্ৰাসবাদী উদ্যোগত জড়িত হৈ পৰে সন্তোখ সিং। কিন্তু সন্তোখ সিং জীয়াই নাথাকিল। লেখিকাৰ ঘৰৰ সন্মুখতে ক্ষত-বিক্ষত দেহেৰে পৰি ৰ'ল সন্তোখ সিং। লেখিকাই সন্তোখ সিঙৰ বিষয়ে লিখিছে— "নতুনকৈ খন্দা নাদত ৰিং বহুৱাই যোৱাৰ দৰে এটা-দুটাকৈ মই মনৰ গহ্ৱৰত ৰিং বহুৱাই গৈছোঁ, সন্তোখ সিং।"

উপন্যাসখনৰ আৰম্ভণিতে দিল্লীৰ ভয়াবহ দিনৰ কথা কোৱা হৈছে। সন্তোখ সিং নামৰ অট'ৰিক্সাচালকজনৰ সহায়ত লেখিকাই দিল্লীৰ জীৱনৰ এক বিশেষ ছবি আহৰণ কৰিবলৈ সক্ষম হয়। সমগ্ৰ উপন্যাসখনতে খণ্ড খণ্ড কেতবোৰ কৰুণ ছবি অংকিত হৈছে। ইয়াত বলবীৰ সিং নামৰ আন এটি চৰিত্ৰও পোৱা গৈছে যিবোৰৰ জৰিয়তে লেখিকাই দিল্লী মহানগৰীৰ বিভিন্ন খবৰ সংগ্ৰহ কৰে। উপন্যাসখনৰ কেতবোৰ বৰ্ণনাই গাৰ নোম শিয়ঁৰাই তোলে— "... গোটেই কৰিদৰটোত জখমীহঁতৰ তেজ। এই তেজতেই মই পিছল খালোঁ। মোৰ গাৰ কাপোৰ তেজেৰে লপথপ হ'ল। লৰালৰিকৈ মই ভিতৰলৈ সোমাই আহিলোঁ। লাইট জ্বলোৱাৰ লগে লগে মোৰ মুৰ আচন্দ্ৰাই কৰিব ধৰিলে... তেজ... তেজ... চাৰিওফালে তেজ...।"

উপন্যাসখনত সন্তোখ সিঙৰ উপৰিও অন্যান্য চৰিত্ৰসমূহেও বিশেষ বিশেষ ভূমিকা গ্ৰহণ কৰিছে। প্ৰকৃততে ঔপন্যাসিকে পৰিবেশ আৰু পৰিস্থিতিৰ বৰ্ণনাতহে অধিক গুৰুত্ব প্ৰদান কৰিছে। দিল্লী মহানগৰীৰ অলিয়ে-গলিয়ে বিভিন্ন ঘটনা সংঘটিত হয়। সৰ্বসাধাৰণ মানুহৰ জীৱন প্ৰবাহত এক বাস্তৱ ছবি ঔপন্যাসিকাই সুন্দৰভাৱে ফুটাই তুলিছে। হিংসা আৰু সংঘাতৰ বিপৰীতে প্ৰেমৰ মহান মন্ত্ৰই যেন মানুহৰ জীৱনক মহীয়ান কৰি তোলে, সেই কথাত উপন্যাসখনত সুন্দৰভাৱে ফুটি উঠিছে। হত্যাকাণ্ডৰ অমানৱীয় দৃশ্য লুণ্ঠনৰ বিভীষিকাময় ৰূপ, তেজেৰে ক্ষত-বিক্ষত ৰক্তাক্ত মৃতদেহ আদিৰ বৰ্ণনাত ঔপন্যাসিকাই বিশেষ পাৰদৰ্শিতাৰ পৰিচয় দিছে। আপোন অভিজ্ঞতাৰে বিশেষভাৱে পুষ্ট নহ'লে এনে পৰিবেশ চিত্ৰণ কৰা সম্ভৱপৰ নহয়। কেতবোৰ বৰ্ণনাই মানুহৰ মন দুখেৰে ভৰাই তোলে আৰু যেন এক প্ৰতিবাদী কণ্ঠস্বৰে মুৰ দাঙি উঠে— "মাজ ৰাতি সাৰ পালে এই অৰ্ধনগ্ন আৰু একেবাৰে নাঙঠ ল'ৰা-ছোৱালীবোৰক যুদ্ধক্ষেত্ৰত পৰি থকা সৈনিকৰ শবোৰৰ দৰে লাগে। মই মাজ ৰাতি উঠি কেতিয়াবা খাটিয়াৰৰ ওপৰত বহি সেই দৃশ্য চাই থাকোঁ। ৰাস্তাৰ নিষ্প্ৰভ লাইটৰ ছাঁ আৰু পোহৰত সিহঁতৰ নাঙঠ দেহবোৰৰ কোনো কোনো অংশ অন্ধকাৰৰ গহ্ৱৰত ডুব খাই থাকে। যেন খণ্ড খণ্ড কৰি কোনোবাই তৰোৱালেৰেহে কাটি থৈ গৈছে এই মানুহবোৰৰ শৰীৰবোৰ... আৰু আকাশত উৰি ফুৰা বাদুলীবোৰ? সেইবোৰ যেন বৰটোপৰ ভীমকায় টোপ।"

উপন্যাসখনত ব্ৰিগেডিয়াৰ নাগিয়াল নামৰ আন এটি বিশেষ চৰিত্ৰও উপস্থাপন কৰা হৈছে। এই ব্ৰিগেডিয়াৰে গোমতী নদীৰ দলঙৰ ওপৰত গোৰ্খা সৈনিকসকলৰ কাহিনী লেখিকাক কৈছিল। জীৱনৰ বিভিন্ন সময়ত বিভিন্নজন লোকক লগ পোৱা মানুহৰ পৰা লেখিকাই অলেখ কাহিনী আহৰণ কৰি বৰ্ণনা কৰিছে। ফকৰুদ্দিন উপন্যাসখনৰ আন এটি চৰিত্ৰ, যাৰ লগত লেখিকাৰ বিভিন্ন বিষয়ৰ কথোপকথন বৰ্ণিত হৈছে।

উপন্যাসখনৰ ভাষা সাধাৰণতে বৰ্ণনাত্মক উপন্যাসৰ দৰে নহয়। মাজে মাজে কবিতা, মাজে মাজে শ্বায়েৰী আৰু মাজে মাজে হিন্দী ভাষাৰে কথোপকথন পোৱা গৈছে। বিক্ষিপ্ত ঘটনাৰ বৰ্ণনা থাকিলেও উপন্যাসখনৰ মূল বক্তব্য এটাই সেয়া হ'ল—হিংসা, সন্ত্ৰাস আৰু লুণ্ঠনৰ বিপৰীতে শান্তি আৰু প্ৰেমৰ বাণী কঢ়িয়াই অনা। উল্লেখযোগ্য কথা যে উপন্যাসখনত তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠাৰ বৰ্ণনাত লেখিকাই বিভিন্ন সময়ত বিভিন্নজন ব্যক্তিৰ সান্নিধ্যলৈ আহিছে আৰু সেই চৰিত্ৰবোৰৰ লগত এক নিবিড় সম্পৰ্ক স্থাপিত হৈছে। জীৱনত বিভিন্ন সময়ত মানুহে বিভিন্নজন লোকৰ সান্নিধ্য লাভ কৰে আৰু সম্পৰ্ক স্থাপিত হয়। কেতিয়াবা সুখ, কেতিয়াবা দুখ, কেতিয়াবা দেশ বা পৰিস্থিতিৰ বাতৰি বিভিন্নজনৰ পৰা পোৱা যায়। এই উপন্যাসখনত কেৱল দিল্লী বা পঞ্জাব আদি ঠাইৰ বৰ্ণনাই উপন্যাসখনৰ প্ৰধান উপজীব্য বিষয় যেন লাগিলেও জীৱনৰ আন এক বাৰ্তাও ই বহন কৰিছে। সি হ'ল হৃদয়ৰ সংবাদ। মানুহ যিমানেই হিংস্ৰ নহওক কিয়, যিমানেই দুৰ্গন্ধময় জীৱনৰ কলুষতাই মানুহক স্পৰ্শ নকৰক কিয়, কেৱল প্ৰেম আৰু শান্তি জীৱন পবিত্ৰ কৰা অমোঘ বাণীয়েহে মহাজীৱনৰ আধাৰশিলা স্থাপন কৰিব পাৰে। বহু অভিজ্ঞতাসমৃদ্ধ জীৱনৰ বৰ্ণনাই উপন্যাসখনক বৈচিত্ৰ্যময় আৰু আকৰ্ষণীয় কৰি তুলিছে।

'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' গ্ৰন্থখনত নামশীৰ্ষক উপন্যাসখনৰ উপৰিও ভাৰতৰ প্ৰখ্যাত বিদূষী কমলা ৰত্নমৰ জীৱন কাহিনী 'এক মহীয়সীৰ জীৱন-বৃত্তান্ত' আৰু 'যাত্ৰা', 'পৰশু পাতৰৰ নাদ', 'ৰৰফৰ ৰাণী', 'ভিক্ষাৰ পাত্ৰ ভাঙি' নামৰ চাৰিটা গল্পও সন্নিবিষ্ট হৈছে।

জিঞা



ড° অৱনী কুমাৰ ভাগৱতী

"কণমান বৰশীৰে চিপ্
তাৰে আগত ৰঙা জিঞা
ৰাজকন্যা নাচে দীপলিপ্
অ' জিঞা..."

[এক]

কেইদিনমান আগতে হিন্দু কাকতখনৰ শিশুৰ উদ্দেশ্যে সংযোজিত বিশেষ পৃষ্ঠা এটাত ৰঙা পদুমৰ পাহিত তেজ ৰঙা জিঞাৰ ফটো এখন দেখি মনটো উতলি উঠিল। আধুনিক প্রযুক্তিয়ে আমাক সকলো বস্তুৰে অবিকল ছবি তোলাৰ সামথ্য দিছে। ওচৰৰ পৰা দূৰলৈ, ক্ষুদ্রৰ পৰা বিয়াগোমলৈ বিভিন্ন ৰং আৰু আকাৰৰ সকলোৰে সুন্দৰ ফটো লোৱাটো সম্ভৱ কৰি তুলিছে। বিৰল জীৱৰ ভাল ভাল আলোকচিত্র আৰু তথ্যচিত্রই সেইবোৰৰ প্রতি মানুহক আগ্রহান্বিত কৰাটো সজ কথা। কাকতৰ পাতৰ জিঞাৰ ছবিখনে মোৰ মনৰ কোনোবা কোণত সুপ্ত হৈ থকা জিঞাবোৰক জীয়াই তুলিছে। জিঞাৰ পাখিৰ ৰংবোৰ, নেজৰ ৰঙীন ৰেখাবোৰ, অস্থিৰ চকু আৰু পকাই থকা মুখবোৰৰ সাঁচি ৰখা বহুতো ছবি মোৰ মনৰ বনত প্রাণ পাই উঠিল। আনন্দৰ ভাগ ল'বলৈ প্রথমে নিজৰ ল'ৰা-ছোৱালীহালকে মাতিলোঁ। বাতৰি কাকতৰ ৰঙীন ছবিখনলৈ চাই সিহঁতেও ভাল পালে। কিন্তু সিহঁতৰ চকুই-মুখে মই আশা কৰা অনুযায়ী বিশেষ ভাব-অনুভূতি বিৰিঙি নুঠিল। সহধর্মিনীকো দেখুৱালোঁ ক'লে— "সৰুতে জিঞা ধৰি আনোতে আঙুলিত কামুৰি লাগি ধৰিছিল।"

মোৰো আঙুলিত জিঞাই কামুৰিছিল। বাঘৰ দৰে ৰঙৰ জিঞা এটাই কামুৰি ধৰোঁতে কিমান ভয় খাইছিলোঁ, সেই কথা এতিয়াও মনত আছে। জিঞাটোৱে আঙুলিত কামুৰি ধৰোঁতে জোকাৰি এৰুৱাই দিছিলোঁ। মনত কামুৰি ধৰোঁতে কিন্তু সযতনে সাঁচি ৰাখিলোঁ। মনতে লুকুৱাই ৰখা শৈশৱৰ সেই জিঞাবোৰক এতিয়া ন ৰং সানি পুনৰুজ্জীৱিত কৰাৰ প্রয়াস কৰিছোঁ।

[দুই]

শৈশৱলৈ ঘুৰি যাওঁ। ৰমেশ, উমেশ, জগদীশ, পৰেশ আৰু মই এদিন গাঁৱৰ পুখুৰীটোৰ পাৰত। গৰম লাগিছে। গা ধুম। পুখুৰীটোৰ পাৰৰ গছৰ ছাঁ পৰা কোণটোত থিয় হ'লোগৈ। তাতে মাছ মাৰিব নোৱৰাকৈ পানীত বাঁহ এডাল পেলাই থোৱা আছে। বাঁহডালৰ জেঙবোৰ পানীৰ ওপৰত ওলাই আছে। তাতে নানা ৰঙৰ কেইবাটাও জিঞা। দুটামানৰ ৰং একে। বাকীবোৰৰ বেলেগ। কেইটামানে উলাহতে পানীৰ ওপৰত উৰি আছে। জেঙত পৰি থকা আৰু ওপৰত উৰি থকা চঞ্চল জিঞাৰ ছাঁ পুখুৰীৰ পানীত। আমি আৰু ৰ'ব নোৱাৰিলোঁ। সন্তর্পনে পানীত নামি পৰিলোঁ। একঁকাল পানীত জিঞা ধৰিবলৈ আৰম্ভ কৰিলোঁ।

আমাৰ প্রত্যেকৰে আঙুলিৰ টিপাত পাখি জোকাৰি থকা জিঞা। সিহঁতৰ পাখিৰ ৰঙবোৰলৈ লক্ষ্য কৰিলোঁ। পাখিত আঁকি থকা ফুলবোৰো চালো। চক্‌মাৰ দৰে স্বচ্ছ জিঞাৰ পাখিৰে আকাশৰ নীলা চালোঁ। মৰমৰ এনে অত্যাচাৰত জিঞাবোৰ লেৰেলি গ'ল। কিছুপৰ পিছত এৰি দিওঁতে কেইটামান পোনে পোনে মাটিত পৰিল। কেইটামানে অকণমান উৰি মাটিত উবুৰি খালেগৈ। তাৰ পাছত আকৌ পুখুৰীত নামো গা ধুবলৈ। পাৰৰ পৰা নগেনে ৰবৰৰ বল এটা পানীত দলিয়াই দিলে। আৰম্ভ হ'ল পানীত বল দলিওৱা খেল। সীমাহীন উত্তেজনাৰ মাজতো মাজে মাজে আহি জেঙবোৰ জোকাৰি যাওঁ যাতে বহি থকা জিঞাবোৰ উৰিবলৈ বাধ্য হয়। পানীত বল খেলি লাভ কৰা আনন্দয়ো জিঞাৰ উপস্থিতি, পাখিৰ ৰং আৰু উৰণৰ প্রতি থকা অদম্য আকর্ষণ ম্লান কৰিব পৰা নাছিল।

[তিনি]

আৰু কেইবছৰমান আগলৈ যাওঁ। তেতিয়া মোৰ বয়স ছয়-সাত বছৰ। আমাৰ চুবুৰিটোৰ মাজেদি যোৱা কেঁচা আলিটোৰ দুয়োকাষে আছিল চাপৰ ঘাঁহ-বন আৰু বিধে বিধে কচু গছ। ৰৰষুণ পৰিলেই কচুগছৰ পাতত পানী গোট খায়। সেউজীয়া কচুপাতত জল্‌মল্ ৰূপালী পানী। ক'লা কচুৰ পাতত আকৌ পানীৰ অন্য এক ৰূপ। ঘাঁহ-বনৰ পৰা আমি খেদি অনা বগা, ৰঙা, সেউজীয়া, হালধীয়া আদি ৰঙৰ সৰু সৰু জিঞাবোৰ ভয়তে উৰি আহি কচুপাতৰ দাঁতিত পৰে। চিকাৰীৰ দৰে শব্দহীন খোজেৰে আহি সোঁহাতেৰে জিঞা ধৰো আৰু বাওঁহাতেৰে কচুপাতৰ পানী লৰাওঁ। কোন পলকত পাতৰ পানী সৰি পৰে গমকে নাপাওঁ। এটা পাতৰ পানী সৰি পৰিলে আন এটালৈ আগুৱাওঁ। এনেদৰে কচুপাতৰ পানী আৰু জিঞাৰ লগত খেলি যে অপূর্ব সুখ পাইছিলোঁ, সেই কথা মনলৈ আহিলে এতিয়াও আনন্দিত হওঁ।

আৰু এটা কথা। কেতিয়াবা ডাঙৰ জিঞা এটা ধৰি আনি পাখিত

চেপি ধৰি থাকোঁ যাতে উৰি যাব নোৱাৰে। লগৰ এজনে বাঁহৰ একেবাৰে পাতল খাতিৰে যোগ চিন এটা সাজি সুতাৰে তাক জিঞাৰ নেজত সংযোগ কৰে। এটা সময়ত জিঞাটোক এৰি দিওঁ। পাখি-মাৰি জিঞাটোৱে ওপৰলৈ উৰিবলৈ চেষ্টা কৰে। সুতাৰে সংযোজিত যোগ চিনটোও লগতে উৰে। হেলিকপ্টাৰ উৰোৱাৰ আনন্দত আমি চিঞৰিবলৈ ধৰোঁ। অলপ দূৰ উৰি গৈ জিঞাটো বনৰ ওপৰত পৰে। আৰু ধৰি আনো। উৰাওঁ। এটা সময়ত জিঞাটো ভাগৰি পৰে। মৰিব বুলি ভাবি তাৰ নেজৰ গাঁঠিটো খুলি দিওঁ। আঙুলিৰে তাৰ পাখি দুখন মেলি ধৰোঁ। মুখেৰে ফুঁৰাই দিওঁ। সি কিন্তু নুৰে। বনৰ ওপৰত তাক বহাই থৈ দুখ মনেৰে গুচি আহোঁ।

[চাৰি]

সৰুকালৰ এইবোৰ স্মৰণীয় চিত্ৰ মনতে আওৰাই বিশ্ববিদ্যালয় চৌহদৰ আমাৰ আবাসৰ পিছপিনে বিয়লি বহি আছোঁ। পাহাৰৰ ঢালত লহপহকৈ বাঢ়ি অহা বাঁহগছবোৰৰ পত্ৰহীন পোন আগবোৰলৈ চাই আছোঁ। তাৰে ওপৰত এলানি বিজুলীৰ তাঁৰ। বাঁহৰ আগত বা বিজুলীৰ তাঁৰত সকলো সময়তে কিবা নহয় কিবা চৰাই থাকেই। বৰষুণজাকৰ পাছত কিছুমানে তাঁৰত বহি ঠোঁটেৰে লাৰি-চাৰি পাখিবোৰত ৰ'দ লগায়। কেতিয়াবা কপৌ এহালে লগালগিকৈ বহি মনৰ কথা পাতে। অকলশৰীয়া মাছৰোকাটোৱে দীঘলকৈ চিঞৰি লগৰীক নিমন্ত্ৰণ কৰে। পোক খোৱা (বি. ইটাৰ- জিঞা খাঁতী) চৰাই কেইটামানে ওপৰলৈ উৰা মাৰি গৈ পোক ধৰি আনি তাঁৰত বহেহি। কুকুহাই বাঁহৰ জঙত বহি কিছু দূৰত থকা প্ৰেয়সীৰ লগত প্ৰেমৰ কথা পাতে। মাজতে ঢোৱা কাউৰীটোৱে কা কা কৰি আহি খেলি-মেলি লগাই থৈ যায়। এইবোৰ আমি সদায় দেখা দৃশ্য ঋতু। ভেদে অৱশ্যে ইয়াৰ পৰিবৰ্তন নঘটাকৈ নাথাকে।

মই বহি থকা ঠাইৰ ওচৰতে আছে মধ্যমীয়া ওখ খুটি এটাত টিভিৰ এণ্টেনাটো। তাৰে এডাল কাঠিত বহি আছে এটা ৰঙা বৰণৰ জিঞা। নেজডাল অলপ ওপৰলৈ তুলি জিঞাটো বহি আছে। অলপ পাছতে উৰা মাৰিলে। খন্তেকতে আকৌ ঘুৰি আহি একে ঠাইতে অৱস্থান কৰিলে। একে ঠাইতে মানে অলপো ইফাল-সিফাল নকৰাকৈ সম্পূৰ্ণ একে ঠাইতে। নিৰ্দিষ্ট বিৰতিৰ মূৰত সি উৰে আৰু ঘুৰি আহে। বহি থাকি কি কৰে আৰু ওপৰলৈ উৰি গৈ কি কৰে মই নাজানো। কেৱল চাই থাকিলোঁ তাৰ ছন্দোময় উৰণ আৰু পুনৰাগমন।

তাৰ দুদিনমান পিছত দেখিলোঁ পোক খোৱা চৰাইটোৱে ওপৰলৈ উৰি গৈ কিবা এটা ধৰি আনি তাঁৰত বহিছে। বাইন'কুলাৰটোৰে চালোঁ। দেখিলোঁ চৰাইটোৰ দীঘল ঠোঁটত এটা ডাঙৰ জিঞা। জিঞাটোৱে চৰাইটোৰ ঠোঁটৰ পৰা সৰকি যাবলৈ পাৰ্যমানে চেষ্টা কৰিছে। পোনে পোনে গিলিব নোৱাৰি চৰাইটোৱে ঠোঁটেৰে জিঞাটোক জোৰেৰে বিজুলীৰ তাঁৰত আঁচুৰিছে। এবাৰ সোঁফালে, এবাৰ বাওঁফালে বহুবাৰ আঁচুৰিলে। মৃতপ্ৰায় জিঞাটোক পিছত ঠোঁটটো ওপৰলৈ তুলি চৰাইটোৱে গিলি থ'লে।

ঘৰৰ বেৰত জেঠীয়ে জিঞা ধৰা দেখিছোঁ। সৰু সৰু পোক ধৰি খোৱা জেঠী এটাই বেৰত জিঞা দেখাৰ পাছত চিকাৰৰ কৌশল সলায়। ডাঙৰ চিকাৰ দেখিলে জেঠী সাৱধান হয়। দূৰতে লাহেকৈ নেজডাল পকাই অতি সাৱধানে সাজু হয় জিঞা চিকাৰ কৰিবলৈ। লাহে লাহে আগুৱাই গৈ জিঞাটোৰ ওচৰ পালে অকণো লৰচৰ নকৰাকৈ লক্ষ্য স্থিৰ কৰে। অতি সাৱধানে বিশেষ এটা মুহূর্তৰ বাবে অপেক্ষা কৰে। তাৰ পাছত সন্তৰ্পনে জিঞাটোৰ নেজৰ দিশত নিজৰ অৱস্থান নিৰ্দিষ্ট কৰে। এনে অৱস্থাত জিঞাটোৱে স্থিতিৰ পৰিবৰ্তন ঘটালে, জেঠীটোৱে একেই কৌশলৰ পুনৰাবৃত্তি কৰে। সকলো ঠিকে-ঠাকে থাকিলে কোনোবা মুহূর্তত জেঠীটোৱে আক্ৰমণ সাব্যস্ত কৰে। আৰম্ভ হয় এক প্ৰকাৰৰ ৰণ। জেঠী আৰু জিঞাৰ তয়াময়া ৰণ। নেজৰ ফালৰ পৰা গিলিবলৈ আৰম্ভ কৰি জেঠীটোৱে শেহত জিঞাৰ মূৰৰ অংশটোক বেৰত আঁচোৱে। কিছুপৰ পাছত জিঞাটোৰ লৰচৰ বন্ধ হয় আৰু এটা সময়ত জেঠীটোৱে সৰ্বশক্তি প্ৰয়োগ কৰি জিঞাটোক উদৰস্থ কৰে আৰু ঠাইতে ৰৈ ভাগৰ মাৰে। পিছত ফুলি উঠা পেটটো লাহে লাহে কঢ়িয়াই সিদিনাৰ কাৰ্যসূচীৰ তাতে সামৰি অন্তৰ্ধান হয়।

[পাঁচ]

এনেধৰণৰ সৰু সৰু স্বাভাৱিক ক্ৰিয়া আৰু তাৰ নিবিড় পৰ্যবেক্ষণে আমাৰ মনত নতুন নতুন ভাব-অনুভৱৰ উদ্ৰেক কৰে আৰু প্ৰকৃতিৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰে। এই কথা ভাবিলে বেয়া লাগে যে আমি একো নজনাকৈয়ে কেৱল বাহ্যিক ৰূপ-গুণৰ ওপৰত ভিত্তি কৰি কিছুমান পোক-পতংগক আঁকোৱালি ল'লো আৰু অন্য কিছুমানক পৰিহাৰ কৰিলোঁ। বহুতো জীৱক আমাৰ পৰিবেশৰ পৰা ইতিমধ্যে চিৰবিদায় দিলোঁ। মনত পৰে কেনেকৈ খামুচি ধৰি থকা পাতৰ পৰা এৰুৱাই আনি 'সোণপৰুৱা' নামৰ ক্ষুদ্ৰ জীৱটো কিমান আগ্ৰহেৰে কপালত লগাই লৈছিলোঁ। ক'ত ৰং আৰু আকাৰ-আকৃতিৰ আছিল তাহানিৰ সেই সোণ পৰুৱাবোৰ। আমাৰ লগৰ ছোৱালীবোৰে কিমান আনন্দেৰে তেওঁলোকৰ উদং কপালত সোণপৰুৱাৰ আশাৰ ফোঁট আঁকিছিল— ভাবিলে এতিয়াও মন আনন্দত নাচি উঠে। সেইবোৰ ক'ৰবালৈ গ'ল নেকি? আছে যদি ভালেই, নাই যদি বেয়া নালাগিব জানো?

জিঞাৰ দৰে জীৱবোৰৰ জীৱন-চক্ৰ মন কৰিবলগীয়া। জলাহ-পিতনিৰ লেখীয়া বদ্ধ পানীত জন্ম লাভ কৰি জিঞাই ক্ষুদ্ৰ ক্ষুদ্ৰ পোক-পতংগ খাই জীৱন প্ৰবৰ্তায়। সৰু সৰু মৎস্য কিছুমানো জিঞাৰ খাদ্য। মৎস্য জগতৰ কিছুমানেও জিঞাৰ পোৱালি খায়। সেই জিঞাই যেতিয়া লেটাৰ পৰা ওলাই পাখি মেলি আকাশত উৰে, সিহঁত হৈ পৰে তেতিয়া কিছুমান বিশেষ উৰণীয়া চৰাইৰ খাদ্য। উৰণীয়া জিঞাই আকৌ বায়ুমণ্ডলৰ নিম্নস্তৰত থকা মহকে ধৰি ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱ কিছুমানক ভক্ষণ কৰে। মন কৰিবলগীয়া যে একো একোবিধ জিঞাই ঘণ্টাত ৫০ কিল'মিটাৰ পৰ্যন্ত বেগেৰে উৰিব পাৰে। কিছুমান জিঞাৰ দুয়ো পাখিৰ বিস্তাৰ ১৫ চেণ্টিমিটাৰ পৰ্যন্তও হ'ব পাৰে।

মাটি, পানী আৰু আকাশৰ, জীৱ আৰু জড়ৰ মাজৰ জটিল সম্পৰ্কৰ জালিতে আমি সকলো জীৱেই জীৱন ধাৰণ কৰি আছোঁ। সকলো জীৱৰে আকাৰ-আকৃতি, আচৰণ-বিচৰণ, ৰং-ৰহস্য সুকীয়া। আমি মানুহ নামৰ প্ৰজাতিটোৱে নিজৰ স্বাৰ্থসিদ্ধি আৰু পৰিতৃপ্তিৰ ভিত্তিত জীৱক ভাল-বেয়া আখ্যা দিয়াতো উচিত জানো? প্ৰকৃতিজগতৰ জীৱ আৰু জড় সকলোৰে নিজস্ব ক্ৰিয়া-কলাপৰ লগতে পাৰস্পৰিক সম্পৰ্কগত ভূমিকাও আছে। সেই ভূমিকাৰ বৈজ্ঞানিক অন্বেষণ, পাৰিবেশিক বিশ্লেষণ অবিহনে তাৰ ধাৰাবাহিকতা ৰক্ষা কৰাটো আমাৰ এই স্বাৰ্থান্বেষী আত্মকেন্দ্ৰিক ব্যৱস্থাত সম্ভৱ নহয়। আমি যিবোৰ জীৱক ভাল পাওঁ, যিবোৰৰ উপস্থিতি আমি একান্তচিত্তে কামনা কৰোঁ, সেইবোৰৰ আবাসভূমি আৰু জীৱনচক্ৰ সম্বন্ধে আমি বাৰু কিমান সজাগ? পৰ্যবেক্ষণ আৰু পৰীক্ষালব্ধ জ্ঞান আৰু নিজৰ পৰিবেশৰ প্ৰতি থকা দায়বদ্ধতাইহে আবাসভূমিৰ সংৰক্ষণ সম্ভৱ ক ৰি তোলে। দূৰদৃষ্টিসম্পন্ন অভিজ্ঞ আৰু জ্ঞানী মানুহ স্বাভাৱিকভাৱেই সংৰক্ষণৰ প্ৰতি আকৃষ্ট। তেনে লোক আৰু সংৰক্ষণ ব্যৱস্থাৰ অনুপস্থিতিত প্লাষ্টিক বা তেনে কোনো দ্ৰব্যৰে নিৰ্মিত ফুল, ফল, পাত, পখিলা, জিঞা, চৰাই, জেঠী, ভেকুলী আৰু শেহলৈ হয়তো এক প্ৰকাৰৰ মানুহেৰে আমি আমাৰ পৰিবেশক নকৈ সজাব লাগিব। সেই অৱস্থাত কোন থাকিব, কোন যাব; কোন কাৰ আপোন হ'ব, কোনে কাক আঁকোৱালি ল'ব বা পৰিহাৰ কৰিব, সময়েহে ক'ব।

ভাষাতত্ত্ব আধাৰিত ৰস-ৰচনা

অসমীয়াই কি ফুল চুৰ কৰিব নাপায়

ড° উপেন ৰাভা হাকাচাম

'আটাইতকৈ কি **ফুল** ধুনীয়া?' ইয়াৰ উত্তৰটো চাগৈ ষাঠি দশকৰ জনপ্রিয় ঔপন্যাসিক হিতেশ ডেকাৰ উপন্যাসপ্রেমীৰ মাজতে সীমাবদ্ধ হৈ থকা নাছিল। ই তদানীন্তন কালৰ 'জানানে' অর্থাৎ কুইজৰ পালমৰা 'যেনে প্রশ্ন তেনে উত্তৰ' স্বৰূপ হৈ পৰিছিল।

এই উত্তৰটো অৱশ্যে এতিয়াও আউটডেটেড হৈ যোৱাগৈ নাই। 'এক ফুল দো মালী', 'ফুল অউৰ কাঁটে' আদি হিন্দী মার্কা ছবিৰ পৰা ফর্মুলাটো অনা যেন লাগিলেও ই কিন্তু সকলো শ্রেণীৰ মানুহৰ মাজতে ব্যাপকভাৱে চলতি নোহোৱাকৈ থকা নাছিল। কিয়নো পৰনাৰী অর্থাৎ লোকৰ ছোৱালী যে পৰৰ বাৰীত ফুলা ফুলপাহিৰ সমতুল্য আৰু তাক পাবলৈ মন মেলাটো যে ঘোৰ অপৰাধ সেই কথাটি দেখোন মাহীমাকৰ উপর্য্যুপৰি অত্যাচাৰত পদুম হৈ গজা আৰু পদুম হৈ ফুলা তেজীমলাৰ মুখেৰে কোন কাহানিবাতে কোনোবা অনামী কবিয়ে কোৱাইছে এইবুলি—

"হাতো নেমেলিবি **ফুলো নিছিঙিবি**
ক'ৰে নাৱৰীয়া তই?
পাট-কাপোৰৰ লগতে মাহীআই খুন্দিলে তেজীমলাহে মই।"

সেই নিচিনাকৈ অসমৰ বর্তমানৰ 'ৰাপ-ৰাচ'-এ অর্থাৎ 'ৰাইজৰ পদুলিত ৰাইজৰ চৰকাৰ'-এ পাতি দিয়া লোক আদালতৰ লেখীয়া তাহানিৰ লোকেল বোর্ডৰ অধীনস্থ পঞ্চায়ত মেলত (যেনে বড়োৰ বাৰদল-হাৰিমু আফাদ, ৰাভাৰ পঞ্চদল-জামাত, কার্বিৰ আদৰবাৰ-আমেই, মিছিঙৰ বানেকেবাং) ইণ্ডিয়া পেনেল কোডৰ আওতাত নপৰা আন এবিধ কেছ অর্থাৎ **ফুল চুৰি কেছ** সেই সেই জনগোষ্ঠীৰ হাদুংগ্রা-মণ্ডল, হাবে-পিনপ' বাৰেগাম নামধাৰী গাঁওবুঢ়াসকলে নিজৰ নিজৰ শক্তি-সামর্থ্য অনুসাৰে নিষ্পত্তি কৰিবলগীয়া হৈছিল।

কবি-গীতিকাৰসকলতো আৰু এখোপ চৰা। তেওঁলোকে **বনফুলতে** হওক বা টাবত ৰোৱা ফুলতে হওক চুপহি মেলা **ফুলপাহি** অথবা ঢোপাকলি (হ'ব পাৰে সি পদুমকলি নতুবা গোলাপকলি) দেখিলেই বলিয়া ভোমোৱা ৰূপ ধৰি অনখচ্যুতা-অনাঘ্রাতা-অনৱগুণ্ঠিতা অর্থাৎ 'কোনেও নিছিঙা কোনেও নুশুঙা' **নাৰীফুলৰ** ৰূপ-ৰস-মাধুৰী আকণ্ঠ পান কৰাৰ সপোন দেখি যুগে যুগে বিভোৰ হয়। নহ'লেনো তেওঁলোকে ৰচিব পাৰেনে এনে ভালেসংখ্যক কালজয়ী একোটি গীতৰ সুমধুৰ কলি কিম্বা একোফাকি কবিতাৰ মনোৰম পংক্তি।

"কি **ফুলে** ফুলালা কি কি **ফুলে** ফুলালা
কিনো যাদু কৰি নবৌ, দাদাৰ মন ভুলালা।"
"**ফুল** হ'লে **ফুলিব** লতা হ'লে বগাব
আমালৈ যদি মৰম আছে চিঠিৰ উত্তৰ পঠাবা।"
"নিয়ৰত **নুফুলে ফুল** বিনা ৰবিষণে
চিঠিত নুভুলে মন বিনা দৰিশনে।"
"প্রথম প্রহৰ ৰাত্রি
ফুলি আছে চম্পা;
শুনা সখী শকুন্তলা
তুলি বান্ধা খোপা।"
"কেলৈ **ফুলিলি** ৰূপহী মদাৰ ঔ
কেলৈ মেলিলে কলি;
গুৰুতো নালাগ ভকততো নালাগ
থাক তল ভৰি সৰি।"

ফুলকোঁৱৰৰূপী কোনো এক ৰূপকথাৰ নায়কে পখীৰাজ ঘোঁৰাত উঠি কোনো এক মালিনীৰ অনুগ্রহত সপোনৰ **ফুলকুঁৱৰীৰ** সান্নিধ্য লাভ; সুগন্ধিত ফুলৰ খোপাৰে কৱৰী শুৰাই কোনো এক বাসকসজ্জা নায়িকাই অধীৰ অপেক্ষাৰে হাতত পুষ্পমালা লৈ প্রাণৰ প্রিয়তমক ৰৰণ কৰিবলৈ **ফুলশয্যা** চয়ন কৰা; চৰাই-চিৰিকটি কাকলিত মুখৰিত বসন্তৰ ৰমনীয় পুষ্পবনত নতুবা ভ্রমৰ গুঞ্জৰিত প্রমোদ উদ্যানত দুষ্মন্ত-শকুন্তলাৰূপী নায়ক-নায়িকাৰ প্রেমাভিসাৰ কিম্বা হৰ-গৌৰীৰূপী পতি-পত্নীৰ ৰতিবিহাৰ; কামাবেগত জর্জৰিত কামদেৱৰ দ্বাৰা নিক্ষেপিত পুষ্প শৰত ৰতিবিহ্বলা, ৰতিদেৱীৰ ৰতিবিহাৰৰ ভাৰ পোষণ ইত্যাদি ইত্যাদি বর্ণনাৰে ধ্রুপদী সাহিত্যৰ পাঠ বসে চৌ-চৌৰা। মুম্বাই মার্কা বাণিজ্যিক ছবিতহে নালাগে প্রাদেশিক ভাষাৰে মনোৰঞ্জনধর্মী ছবিতো য'তে ফুলৰ সমাহাৰ ত'তে একোহাল ৰোমাণ্টিক যুটীৰ নৃত্য-গীতৰ বাহাৰ— 'ফুলে ফুলে পৰি ভোমোৱাজাকে গুণ্‌গুণাই মোকে শুনায়..." পৰিসমাপ্তিত হয় ফুল দেখি ভোমোৱাৰ হায়ৰাণ, নহয় ফুলৰ ৰস খাই ভোমোৱাৰ পলায়ন।

দৰাচলতে 'য'তে ফুল ত'তে ভুল।' ভাষাৰ প্রয়োগ আৰু অর্থভেদতো ফুলক লৈয়ে যতবোৰ গোলমাল। অনাহকত বাকপটু মানুহে ফুলযুক্ত শব্দৰ সমাহাৰ ঘটাই বাক্য চয়ন কৰি শব্দ জালত পেলাবলৈ অহৰহ চেষ্টা নকৰাকৈ নাথাকে। ধৰক— 'আটাইতকৈ **ডাঙৰ ফুল** কি', বা 'কি **ফুলৰ গোন্ধ** নাই?' ইয়াৰ যেনে প্রশ্ন তেনে উত্তৰটি হৈছে *বিউটিফুল* এংল' আছামিজ শব্দ *'হাউছফুল'*। এইদৰে *'ফুলষ্টপ'* নপৰাকৈ (ননষ্টপ) একেৰাহে *'ফুলটাইম'* খটুৱাই (পার্ট টাইম নহয়) দিস্তাই দিস্তাই *ফুলস্কেপ* পেপাৰত *ফুলশ্যুয়িং* লিখি গ'লেও— "কৈনো কৈ ওৰকে নপৰে আমাৰ ফুলৰে কথা।" হয়তো এনেদৰে লিখিবলৈ ল'লে **'ফুলৰা-চতৰা'** শ্রেণীৰ (শৈলধৰ ৰাজকোঁৱৰৰ 'পাষাণ প্রতিমা'ৰ পটভূমি) এক কাব্যই হৈ পৰিবগৈ।

সাহিত্যতে নহয় প্রায়বোৰ ধর্ম-কর্মতো ফুল নহ'লে কোনো কার্য সিদ্ধি নহয়— বিশেষকৈ হিন্দুৰ পূজা-পার্বনত। দ্রাবিড়মূলীয় সংস্কৃত পূজা শব্দটিৰ ব্যুৎপত্তি ঘটিছে এই 'পুষ্প কর্মানি' কার্যৰ পৰাই। সেইবাবেই আমিও গাওঁ— "গছে গছে পাতি দিলে **ফুলৰে শৰাই**, ৰাম অ' ৰাম **ফুলৰে শৰাই**।" প্রেয়সীক দিবলৈ ফুলতকৈ আন কি ডাঙৰ উপহাৰ থাকিব পাৰে। "**নাহৰ ফুলে** নুশুৰায় **তগৰ ফুলে** শুৰাব..." বুলি প্রেম গাঁথা ৰচিব নাজানিলেও বিহুৰ বতৰত প্রেয়সীৰ ঘিলা খোপাত পিন্ধাবলৈ আলফুলীয়া **কপৌ ফুল** পাৰিবলৈ দুর্ভেদ্য পাহাৰ বগাবলৈ আৰু মলমলীয়া **কেতেকী ফুল** ছিঙি আনিবলৈ গৈ বিষাক্ত কাঁইটৰ আঁচোৰ খাবলৈ আমাৰ পাহোৰাল ডেকাটি সদা তৎপৰ; কিয়নো প্রেয়সীৰ অন্তৰ জয় কৰিবলৈ এসময়ত এয়াই আছিল বিৰল সুযোগ। আজিকালিৰ দৰেতো আৰু তেতিয়া বিহু গ্রিটিংছৰ লগতে

বিছৱান, বিহু-জলপান, **কপৌফুল** ইত্যাদি কিনিবলৈ নেডফি হাটৰ প্ৰি-বিহু মাৰ্কেট নাছিল। অৱশ্যে **কপৌফুল** পিন্ধোৱা লোকাচাৰটি বহুতে চীনদেশীয় বনচাই, জাপানৰ ইকুবেনা ইত্যাদি জগত বিখ্যাত পুষ্পসজ্জা কলাৰ দৰে আমদানিকৃত মংগোলীয় কলা বুলিয়েই ক'ব বিচাৰে। জগতজুৰি দেশে দেশে বিশেষ বিশেষ ফুলৰ সমাদৰ তেতিয়াৰ দৰে এতিয়াও আছে। ভাৰতীয় হিন্দু-বৌদ্ধ ধৰ্মীয় পৰম্পৰাত পদুমফুলৰ স্থান অতি উচ্চ; সেইবাবে ই ভাৰতৰ ৰাষ্ট্ৰীয় ফুলৰ মৰ্যাদা লাভ কৰিছে। (সেইবাবেই কোনো কোনো ৰাষ্ট্ৰীয় দলৰ দাবীদাৰে ইয়াক নিৰ্বাচনী প্ৰতীক হিচাপে পাবলৈ কামনা কৰে।) আনহাতে, মোগল বাদছাহসকলৰ প্ৰিয় ফুল আছিল গোলাপ। মোগল সাম্ৰাজ্যৰ প্ৰভাৰপুষ্ট বিখ্যাত বাগসমূহ (লালবাগ, শালিমাৰবাগ, জালিয়ানাৱালাবাগ আদি) নেদেখিলেই কল্পনাই কৰিব নোৱাৰি গোলাপ ফুলৰো যে ইমান প্ৰজাতি আছে। সেইবাবে গোলাপক **ফুলৰ ৰাণী** (ৰজা?) বোলা হয়। ভাৰতৰ প্ৰথম গৰাকী প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ কোটত সদায় এপাহ সজীৱ চুপহি মেলা ৰঙা গোলাপ দেখিবলৈ পোৱা গৈছিল। বৰ্তমান ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে অসমতো ফুলৰ তোৰা, বুকে, মালা আৰু **ফুলদানিৰ** কদৰ সাংঘাতিক।

আমি আমাৰ ইচ্ছাৰে ফুলক বিভিন্ন কামত ব্যৱহাৰ কৰোঁ— সাধাৰণতে সৌন্দৰ্য বৰ্ধনৰ কাৰণে। কিন্তু ফুলৰো ইচ্ছা-অভিলাষ থাকিব পাৰে। হিন্দী কবি মাখনলাল চতুৰ্বেদীয়ে কিন্তু ফুলৰ মনৰ কথা অভিব্যক্তি কৰিছে এই বুলিহে— ফুলে ফুলৰ মালা হৈ প্ৰেমিকাৰ খোপাত, বনমালীৰ বক্ষত কিম্বা ৰজা-মহাৰজাৰ শিৰোভূষণত শোভিত হ'বলৈ বাঞ্ছা নকৰে। ফুলে বাঞ্ছা কৰে দেশৰ বাবে জীৱন ত্যাগ কৰা বীৰ পুৰুষৰ চৰণত চিৰকাল সুশোভিত হৈ থাকিবলৈহে।

দুৱাৰডলিত কিম্বা বাটে বাটে ফুল ছটিয়াই অভ্যাগতক আদৰণি জনোৱাৰ প্ৰথাৰো এসময়ত প্ৰচলন আছিল। বৰ্তমান এই ব্যৱস্থা উঠি গ'লেও তাৰ বিকল্পে **ফুলাম ৰঙা** দলিচা পাৰি অভীষ্ট সিদ্ধিৰ বাবে দুই-একক মাটি আনি বহুওৱা ব্যৱস্থাটো কিন্তু প্ৰায়বিলাক ঠাইৰে অঘোষিত দেশ-দস্তুৰ। সি যি কি নহওক, আৰু যি কি কাৰণতে নহওক কিয় আমাক ফুল লাগিছিল, লাগে আৰু লাগিবই। সেয়েহে কণ কণ অকণিহঁতে ফুলনিত ফুল হৈও নুফুলিলে দঢ়াই দঢ়াই সোধে— "অ' **ফুল** অ' **ফুল নুফুল** কিয়" তাৰ উত্তৰ কিন্তু আটায়ে জানে— "বোপা-ককাৰ সজটো আমিনো এৰিম কিয়?"

অসমীয়াত ফুলৰ সমাৰ্থক প্ৰতিশব্দ (Homosemy Polynymy) মাত্ৰ তিনিটা (ফুল, পুষ্প, কুসুম) যদিও ফুলৰ সমউচ্চাৰণাত্মক ভিন্নাৰ্থক শব্দ (Homophonous Polysemy/Homonymy) কিন্তু বহুকেইটা। **জবাফুলৰ** লগত জানো **কলাফুলৰ**, **কাঠফুলাৰ** লগত জানো **গাল মুখ ফুলা** কিম্বা **ফুলা লুচিৰ**, **ফুলকবিৰ** লগত জানো গৰ্ভৰ **ফুলপানীৰ** কিম্বা **ফুলচাৰ্টৰ**, **মাছৰ ফুলৰ** লগত জানো কাপোৰত **বছা ফুল** কিম্বা ৰঙীন পেপাৰত **কটা ফুলৰ**, **নাকফুল-কাণফুলৰ** লগত জানো **হাউছ ফুল-বিউটিফুলৰ**, **ফুলকুঁৱৰীৰ** লগত জানো **ফুলবাৰীৰ**, **ফুলসজ্জাৰ** লগত জানো **ফুলমুনৰ** (হনিমুন নহয়দেই), **চকুত ফুল পৰাৰ** লগত জানো **মুখত ফুলচন্দন পৰাৰ**, ইত্যাদি ইত্যাদিৰ লগত জানো ইত্যাদি ইত্যাদিৰ কিবা অৰ্থগত কিম্বা ৰূপগত (আৱয়ৱিকহে, ব্যাকৰণৰ ৰূপতাত্ত্বিক নহয়) দিশত সাদৃশ্য আছে? কোনোবা **ফুলবাবুয়ে** চখতে কাৰোবাৰ ঘৰৰ **'ফুল চুৰি'** কৰিলেই যেনিবা তাতেই জানো ৰঙা ঘৰৰ বগাভাত খাবলগীয়া কথা কিম্বা অতখন ৰাইজৰ নেওচন-কেওচন খাবলগীয়া কথা হৈ যাব লাগেনে? কত হৰেক ৰকমৰ ফুল **বনফুল** (পাহাৰীয়া), প্লাষ্টিকৰ ফুল (নগৰীয়া, চহৰীয়া), আনুষ্ঠানিক ফুল (কলেজীয়া, হোষ্টেলীয়া), প্ৰাইভেট ফুল (গৃহিণী, স্বোপাৰ্জিতা, প্ৰাৰ্থিনী) বাটে-ঘাটে, অলিয়ে-গলিয়ে, লোমালোমে 'মোক খা মোক খাকৈ' দুলি থাকে তাকে যেনিবা মন তাপৰিব নোৱাৰি কোনো **ফুলকুমাৰে** ভয়-ভীত পৰিহাৰি ছিঙি আনিলেই আৰু আনি ড্ৰয়িং ৰুমতে মাথোন সজাই নথৈ শয়ন কক্ষতো যেনিবা পাৰি ল'লেই, তাকে লৈ ইমান হুলস্থূল লগাই অতি সুন্দৰকৈ পতা গৃহ-সংসাৰখন থান-বান হৈ যাবলগীয়া কথা হয়গৈ নে? (যুগৰ *হাৱা লাগি* দেশ চাই *ভেস বদলোৱা* চিত-পখিলীসকললৈ লক্ষ্য কৰিহে কৈছোঁদেই কথাটো; ভদ্ৰ ঘৰৰ আইদেউসকলে যেন গা পাতি নলয়।)

মুঠতে এইবোৰ কথাৰ অৰ্থ ভেদ কোনোবা ভাষাবিদ, ব্যাকৰণবিদে দিব পাৰিলেও এইবোৰ কথাৰ ৰহস্য ভেদ কৰা কোনো আইনজ্ঞ *পুৰুষৰো লিমিটৰ বাহিৰ;* আৰু মোৰ দৰে সামান্য (এই শ্ৰেণীৰ ব্যঙ্গ ৰচনা বিস্ময়ৰ পাততে লেখকে লিখি আত্মপ্ৰকাশ কৰিছিল প্ৰথমে 'অসমীয়াক কি নালাগে, সকলোৱেইতো লাগে' শিৰোনামাৰেই) বিস্ময়ৰ লেখকৰতো *কোৰেচনেই নাহে*। মাখি নাম লৈ কোনোবা লটকণে পূৰ্বপৰিকল্পিতভাৱে বিনা পইচাৰে মিঠৈ খোৱাৰ পৰা জীয়ৰীলৈ উধাও হোৱালৈকে সকলো কাৰ্য যদি ধেমালিতে হেলাৰঙে কৰিব পাৰে, তেন্তে সেই একেদৰে **'ফুল চুৰি'** কিয় কৰিব নোৱাৰিব? গৰম গৰম **ফুলৰি** কিম্বা **ফুলা লুচি** গলাধঃকৰণ কৰি **ডিঙি ফুলাই** বক্তৃতাৰ **ফুলজাৰি** মাৰি কোনো এটা আড্ডাত এই মহা সংকটৰ পৰা পৰিত্ৰাণ বিচাৰি নানা উপায় উলিয়াব পাৰিলেই বাস্তৱত ই 'নাখান্তি কইনা **নুফুলন্তি** শাক'ৰ সাঁথৰ ভঙাঁৰ লেখীয়া কথাই হৈ থাকিব।

আচলতে **ফুল** সংস্কৃতমূলীয় ফুল্ল (প্ৰফুল্ল, উৎফুল্লৰ সৈতে একে শ্ৰেণীৰ) বিশেষ্য শব্দৰ অৰ্ধতৎসম ৰূপ। ইয়াৰ পৰা আমি বিভিন্ন সংস্কৃতমূলীয়, বিদেশীমূলীয়, দেশীয়মূলীয় ফুলৰ নামৰ লগতে বিভিন্ন লোকেল ফাৰ্ম-নাৰ্ছাৰিৰ ফুল পাইছোঁহঁক। কৃত্ৰিম বা বৰ্ণসংকৰ ফুলৰ কথাতো ক'বই নালাগে। ছোৱালী ছোৱালী লগা মল্লিকা আৰু ইয়াৰ সমধৰ্মী গিৰিমল্লিকা, শেৱালি (শ্বেতমল্লিকা), নেৱালি (নৱমল্লিকা); মালতী আৰু ইয়াৰ সমধৰ্মী মাধৈমালতী, দুপৰমালতী, আদৰমালতী, জাৰমালতী, ইন্দ্ৰমালতী, চন্দ্ৰমালতী, শংখমালতী, তৰামালতী, গুটিমালী (গুটিমালতী) অথবা লতামালী, গুৱামালী, বাটমালী, কাঞ্চন আৰু ইয়াৰ সহধৰ্মী কামিনী কাঞ্চন, লতা কাঞ্চন; তগৰ আৰু সমধৰ্মী, জাপতগৰ, নৰাতগৰ; লতা আৰু ইয়াৰ সমধৰ্মী মাধৱীলতা, লাজুকীলতা ইত্যাদিৰ লগতে বকুল, বন্দুলি, চম্পা (ভুঁইচম্পা), কৰবী (ৰঙা কৰবী), সেউতী, কেতেকী, যুতিকা, অপৰাজিতা, ৰজনীগন্ধা, জয়ন্তী, জবা ইত্যাদি ফুলৰ নামৰ প্ৰাধান্যই ছোৱালীও যে এবিধ ফুল তাকেই প্ৰমাণ নকৰেনে? অৱশ্যে পুৰুষ পুৰুষ লগা ফুল কিছুমানো আছে। যেনে— পদ্ম (নীলপদ্ম, থলপদ্ম) আৰু পদুম (স্ত্ৰীলিংগত পদ্মা, পদ্মাৱতী, পদুমী, পদ্মিনী); নাহৰ আৰু নাগেশ্বৰ; মণিৰাজ, গোন্ধৰাজ, গুণৰাজ, পলাশ, গোলাপ (স্ত্ৰীলিংগত গোলাপী) ইত্যাদি। পাশ্চাত্য দেশত হেনো খেনো খেনোৱে অতি সহজে অমৰ হ'বলৈ মানস কৰি নিজৰ নামেৰে ফুলৰ নামো থয়; কিন্তু আমাৰ ইয়াত সেইবোৰ নেচেল। আমাৰ ইয়াত নামৰ শ্ৰেণীত নপৰা বহু ফুল ফুলি থাকে, সেইবোৰ ঠাইত নিজৰ নাম জোৰাই-জোঁটাই দি অতি সহজে প্ৰখ্যাত নহ'লেও বিখ্যাত হৈ বিশেষ খ্যাতি অৰ্জন কৰিব পাৰিলেহেঁতেন। কেলৈ— **বকফুল, বগলীফুল, কাউৰিফুল, কপৌফুল, ভাটৌফুল,** নাজী (ইংৰাজীত মেৰিৰ নামেৰে মেৰিগোল্ড), **বুটাম ফুল,** কঠনা, কঁৰিয়া, কুন্দ, গুমুনী, **ঘণ্টাফুল** (ঘণ্টা কৰবী, ঘণ্টাকৰ্ণ, নীলঘণ্ট), লটকণ, তমাল, ভেণ্টি, **বেলি ফুল, কুহুম ফুল, লংফুল,** কদম, (মাটি কদম, তৰুৱা কদম), ধুতুৰা (কনক ধুতুৰা), জাঁই (খৰিকাজাঁই), গুলচ (গুলঞ্চ), ৰাঙল, মদাৰ, এজাৰ, ভেঁট (কিন্তু সংস্কৃত উৎপল বা উৎপলা, নীলোৎপল, নীলোৎপলা আৰু ইংৰাজী লিলি একো একোটা সুন্দৰ নামবাচক শব্দ), পাৰিজাত, শিমলু, শিৰীষ, পাৰলি ইত্যাদি নামেৰে কোন গেন্ধাই বা গেন্ধেলীয়েনো নিজৰ নামটো হোৱা পছন্দ কৰিব। ফুলৰো যে আৰু নাম! চিনাকি চিনাকি লগা— সূর্যমুখী, গধূলিগোপাল, শিয়ালনেজীয়া, খৰিকাচঁপা, পিৰালীকুঁৱৰী, কৃষ্ণচূড়া, ৰাধাচূড়া,

সোণাৰু (সুৱর্ণদাৰু) ইত্যাদি অথবা সদ্য পৰিচিতা-অপৰিচিতা ডালিয়া, বাগানভিলা, ৰাফলেছি (সর্ববৃহৎ ফুল), নাইট কুইন, টাচ নি নট (লাজুকীলতা), ফগেট মি নট (নাৰীৰ মেখেলাৰ বৈৰী বনগুটি নহয়তো), ডেইজী, ক্রিছেনথেমাম (গ্রীক ভাষাত স্বর্ণফুল), মুচেণ্ডা (**গেটফুল**), **হেজফুল, ডেগাৰ ফুল**, চামেলী, জেছমিন, হাচনাহানা, ৰাত কী ৰাণী (নিশিগন্ধা) ইত্যাদি।

কপাহ কঁহুৱা, **ঝাড়ুফুল** (ইয়াৰ পৰাই **ফুলঝাড়ু** হয়), **বাঁহফুল** (বাৰ বছৰৰ মূৰত ফুলে হেনো), মেটেকা, ফুটুকা, ধানৰ গেঁৰ, ধেঁতোৰকা'লা (ঘেহুঁ), **তিতাবাহকৰ ফুল, শালগছৰ ফুল**, আমৰ মল, কঠালৰ মুচি, তামোল-নাৰিকলৰ ডাবি, কলডিল (**কলাফুল**), **ফুলকবি**, যমলাখুটি, ঔফুল এইবিলাকো জানো উদ্ভিদ বিদ্যাত পুষ্পবর্গৰ অন্তর্গত নহয় (প্রাকৃত সাহিত্যৰ 'পুষ্পবর্গ' জাত 'পুপ্ফ বগ্গ'ৰ কথা কোৱা নাই দেই)। আনহাতে পাত বাহাৰ, পাতেগজা/দুপৰটেঙা, চালকুঁৱৰী (ঘৃতকুমাৰী), গোপাখি, মাখিয়তী, ৰঘুমলা, বিশল্যকৰণী, সাগৰফেনা/কেকটাচ, সিজু, সর্পগন্ধা, পাইন/সৰল, খ্রীষ্টমাছ ট্রি— এইবিলাকো ফুলৰে কাম নকৰেনে? সেয়েহে ভাবিবলৈ গ'লে ইহঁতো ফুলেই। কোৱাভাতুৰী, কোৱামণি, ভাটৌমণি, লাটুমণি/কাচমণি আদিৰ কথাতো ক'বই নালাগে— 'ৰৱণতে চাবা নে ধৰণতে চাবা'; সাইলাখ একোপাহি ফুল। এইবিলাক 'বিৰালীৰ নামত বোন্দাকে চাবাৰ' দৰে 'তুলসীৰ লগতে কলপটুৰাৰ মুক্তি হোৱা দি' ফুলৰ তোৰা বা মালাত গুঁজি বা গুঁঠি দিলেই ফুলৰ মূল্যতে দাম উঠে। ঠিক যেনিবা মাগুৰ মাছৰ দামত প্লাষ্টিকৰ ঠোঙাত ভৰাই থোৱা পানীকো কিনিব লগাৰ দৰে।

কিন্তু ডাঙৰ কথাটো হ'ল শদিয়ালৈ গৈ **শতফুল** (শতমূল?) আৰু শিয়ালীৰ মূৰত ফুলা **মৰুৱা ফুল** বিচাৰি উলিওৱাটো। তাতোকৈ ডাঙৰ কথা নহ'লেও **আঁচুফুল, গুটিফুল, তৰাফুল, কাণফুল, নাকফুল, ৰংফুল** (মালতী), **গেজেংফুল** আদিৰ গার্ডেনিং বা বাগিচাত খেতি কৰাটোও নিচেই সৰু কথা নহয়। সেইদৰে পার্টিকুলাৰ ফুল এপাহিক বিচাৰি উলিয়াই **বনফুল, ৰাতি ফুলা ফুল, কাঁইটীয়া ফুল, সুগন্ধি ফুল, বাৰে ৰৰণীয়া ফুল** ইত্যাদি হিচাপে লেবেল মৰাটোও কম টান কাম নহয়। আচলতে এইবিলাক 'সাহিত্য-কাননত ফুলা ফুল' বুলিহে চিহ্নিত হোৱা উচিত। ইবিলাকক সাহিত্যিকসকলেহে খেতি কৰে। আকৌ ৰাজনীতিকসকলে খেতি কৰা ফুলো আছে নহয়। কিয় **ডিণ্ডি ফুলাই** বক্তৃতাৰ **ফুলজাৰি** মাৰোঁতে জানো নকয়— "অসম এখন বর্ণাঢ্য ফুলৰ বাগিচা, ইয়াত বিভিন্ন ভাষা-ভাষী, ধর্ম-বর্ণ, জাতি-জনজাতিৰ লোকে সহঅৱস্থান কৰি আছে।" প্রকৃততে আপুনি মানুহৰ নামে�ৰেহে নালাগে জনগোষ্ঠী বা সম্প্রদায়ৰ নামেৰে যেনেকৈ বিভিন্ন ফল-মূল, গছ-বিৰিখৰ (ধান-মাহ-কচু-আলু-জলকীয়া-আদা) নামকৰণ হৈছে, তেনে নামকৰণ ফুলৰ ক্ষেত্রত পাইছেনে? *নট এ ছিংগল ৰান*, এটা ফুলৰ নামো আপুনি নাপাব— *কছাৰী ফুল (তু. কছাৰী শালী), *মিৰিফুল (তু. মিৰিমাহ), *নগাফুল (তু. নগাকচু), *মৰাণ ফুল (তু. মৰাণ আদা), *ভোট ফুল (তু. ভোট জলকীয়া), *গৰীয়া ফুল (তু. গৰীয়া আলু), *ফিৰিঙি বা *বঙাল ফুল (তু. ফিৰিঙি জলকীয়া বা বঙাল এৰা) এইবুলি। সেইদৰে দেশ-মহাদেশ, সাত সাগৰ তেৰ নদীৰ নামেৰে মিলা কিবা ফুলৰ নাম আপোনাৰ মনত পৰেনে? যেনেকৈ জার্মানি বন, জাহাজী কল, বিলাতী এন্দুৰ, চীনা লাই; নেপালী টুপি, কাবুলী বুট, মণিপুৰী ভাং, বাংলা ঘৰ, অসম আৰ্হিৰ ঘৰ (এ টি বা আছাম টাইপ ঃ ই এতিয়া Asom Type আৰ্হিৰহে হ'ল), জয়বাংলা বা বাংলাদেশী চকু ৰোগ, থাইলেণ্ড সুতা ইত্যাদি ইত্যাদি নিত্য নতুন সা-সামগ্রী পূর্বাবধি আমদানিকৃত হ'বই লাগিছে আৰু তাৰ লগে লগে অসমীয়া চলন্ত বা জাতীয় অভিধানত নহ'লেও অসমীয়াৰ চল্‌তি ভাষাত এইবোৰে নিগাজিকৈ আসন পাৰি বহিবলৈ লৈছে।

আপোনালোকে এটা কথা মন কৰিছেনে? যদিও ফুলৰ জাতি ভেদ নাই, কিন্তু লিংগ ভেদ হ'লে আছে। কিয় বাৰীৰ অমিতা, লাউ, কোমোৰা আদিৰ জানো মতা-মাইকী ভেদে বেলেগ বেলেগ ফুল নহয়? **মাইকী ফুলৰ** পৰাহে ফল বা গুটি হয়, **মতা ফুলৰ** পৰাতো নহয়। অৱশ্যে অমিতাৰ বাহিৰে একেজোপা গছতে মতা-মাইকী উভয়বিধ ফুলে নুফুলাকৈ নাথাকে। অমিতা গছক বাৰু আমি 'হিজ্‌ৰা' বুলি চিহ্নিত কৰিব নোৱাৰোঁনে; নিশ্চয় নোৱাৰিম কাৰণ অমিতা। অমৃতা, মধুফল/মৌহদ্‌ফলৰ উপকাৰিতা সর্বাধিক; সেয়ে বান্দৰে নাৰিকলৰ মল নুবুজিলেও অমিতাৰ মল কিন্তু ঠিকেই বুজে। কেতিয়াবা মানুহৰ অস্ত্রোপচাৰৰ দ্বাৰা লিংগ স্থানান্তকৰণ কৰিব পৰাৰ দৰে অমিতা আদি গছৰো লিংগ স্থানান্তৰ হোৱাৰ উদাহৰণো কিন্তু নথকা নহয়। সকলোবিধ ফুলতে বেটু বা বৃন্ত, বৃত্তি, পুষ্পাক্ষ, পাহি বা দলমণ্ডল আদি অংগ থাকিলেও মতা-মাইকী ভেদে ফুলত পুংকেশৰ, পৰাগধানী, পৰাগ ৰেণু, পুংদণ্ড অথবা গর্ভকেশৰ, গর্ভমুণ্ড, গর্ভাশয় আদি অংগ বেলেগে বেলেগে থাকে। পাপৰি, চুপহি, ঢোপাকলি, পুষ্পমুকুল, শল্কপত্র, বেটুপাত, মৌৰস আদিও ফুলৰ বিভিন্ন স্তৰ আৰু অংগৰে নাম। এশটা দল বা পাহি থকাৰ বাবেই **পদুম ফুলৰ** আন এটা নাম শতদল, সমস্ত অংগ সূর্যৰ ফালে মুখ কৰি ঘুৰি থাকে বাবেই **বেলিফুলৰ** আন এটা নাম সূর্যমুখী। মৌচুমী, মৌচুম্বী, মৌলৰী আদি আৰবী-ফাৰ্চী শব্দৰ লগত ফুলৰ মৌৰ মুঠেই সম্পর্ক নাথাকিলেও অসমীয়া মৌসনা, মৌমেল, মৌ-বৰষা আদি শব্দগুচ্ছ আৰু সংস্কৃত মধুমাস (চ'ত), মধুৎসৱ, মধুচন্দ্রিকা, মধুমেহ, মধুপর্ক, মধুফল (অমিতা), মধুবন আদি শব্দৰাজিৰ সৈতে এই মধু বা মৌৰ আংশিক সম্পর্ক জৰুৰ আছে। আনহাতে, ফুলৰ মধু বা মৌ পান কৰা স্বভাৱ বাবেই মৌমাখি (মধুমক্ষিকা), মৌগুটি, মৌখাপ, মৌপিয়া, মৌটুপি, মধুকৰ আদি পাখি লগা উৰি ফুৰা প্রাণীৰ নাম হৈছে আৰু সিহঁতে সেই মৌৰস য'ত সাঁচি থয় তাৰ পৰাই মৌচাক (মধুচক্র), মৌকোঁহ (মধুকোষ), মৌবাহ, মৌবিচনী অথবা মৌসিটা হৈছে। অৱশ্যে আজিকালিৰ পাখি নকটা 'উৰণীয়া উদঙীয়া পদুলি শুঙাজাকৰ' ডেকা-বুঢ়া কিম্বা আধুনিকাসকলেও (মধুমেহ ৰোগীকে সামৰি) নগৰৰ অলিয়ে-গলিয়ে মধুৰস সেৱন কৰি অনানুষ্ঠানিকভাৱে মধুচন্দ্রিকা যাপন কৰাটো যে একধৰণৰ জাহি-জাবোৰে **অভিকৈ ফুলিবলৈ দিয়া *ছোৱালী ফুলৰে** সুফল কিম্বা কুফল— এয়া ধুৱপ জানিব।

এই ফুল শব্দৰ পৰা প্রত্যয় যোগে বা সমাসৱদ্ধ ৰূপত আমি **ফুলৰি** (ফুল ধৰা ধান), **ফুলনি, ফুলকোঁৱৰ, ফুলকুঁৱৰী, ফুলকুমাৰী, ফুলেশ্বৰ, ফুলেশ্বৰী, ফুলে** (কামৰূপী), **ফুলমতী, ফুলচৰণ, ফুলেন্দ্র, ফুলেন** আদি শব্দ আৰু ব্যক্তিৰ নাম পাইছোঁ। অৱশ্যে আনবোৰৰ তুলনাত যথেষ্ট সম্ভাৱনা থকা সত্ত্বেও ফুলযুক্ত স্থান-নাম আমি কমেই পাইছোঁ। ফুলনি (কার্বি আংলং, মাজুলী), **ফুলকুমাৰী** (বিজনী), **ফুলনৈ** (গোৱালপাৰা), **ফুলগুৰি** (ফুলগুৰিৰ ধেৰাখ্যাত), **ফুলবাৰী** (গাৱোপাহাৰ), **ফুলপানিছিগা** (শিৱসাগৰ) এইকেইটা আঙুলি মূৰত গণিব পৰা দুই-চাৰিখন ঠাইৰ নামহে আমি পাওঁ। হৰেক ৰকমৰ ফুল আৰু ইয়াৰ গছৰ দৰে **নাকফুল, কাণফুল (কর্ণফুল), ফুলকুৰি** আদি আ-অলংকাৰৰ নামো পাইছোঁ। ফুলৰ দৰে কোমল বাবে **ফুলকুমলীয়া, ফুকলীয়া; ফুলকুমলীয়া** অৱস্থাতে বাঁৰী হোৱা বাবে **ফুলবাঁৰী** (তু. **ফুলতে বাঁৰী হ**), **ফুলকুমলীয়া** পাঠী বাবে **ফুলপাঠী**, ফুলৰ দৰে আলসুৱাকৈ বঢ়া **আলফুলীয়া**, তেনেকৈ আচৰণ কৰা বাবে **'আলফুলে'** ইত্যাদি বিশেষণ বা ক্রিয়া বিশেষণ শব্দ কিছুমান পাইছোঁ। সেইদৰে, **'ফুলটোৰ মূৰত ক্রিয়াটো', 'মুখত ফুলচন্দন পৰক', 'ফুল ফুলিলে গোন্ধ ওলা', 'ফুলৰ তগৰ যুৱতীৰ জগৰ'** আদি প্রবাদ- পটন্তৰৰ মূলতে ফুল নামৰ এই উদ্ভিদবিধেই।

আনহাতে, **ফুলাম (ফুল্লকর্ম), ফুলতী (ফুলৰন্তী), ফুল উৰিকণা মাছ, ফুলছিৰি, ফুলিহা, ফুল-চতি, ফুল-বিচনী (ফুলাম বিচনী), ফুলবচা, ফুলকটা** ইত্যাদি শব্দ বা বাক্যাংশৰ ব্যুৎপত্তি সাধনত জানো এইবিধ উদ্ভিদ ফুলৰ কিবা সম্পর্ক আছে? যদি আছে ইয়াৰ ফুলসদৃশ চিত্র বা নক্সা (শালৰ কাপোৰত বচা, বাঁহৰ কামিত তোলা, কাগজ-তুলাপাত বা সাঁচিপাতত আঁকা নতুবা কাঁহ-পিতলৰ পাত্রত খোদিত কৰা) হোৱা বাবে ইয়াৰ অর্থগত সাদৃশ্যহে আছে। ফুলৰ এইটো দ্বিতীয় অর্থৰ পৰাও আমি ছআঁৰা-ছবুৰি শব্দ বা শব্দগুচ্ছ (বাক্যাংশ) পাইছোঁহক। 'তাঁতত সপোন ৰচিব পৰা' অসমীয়া শিপিনীয়ে দুকুৰি **কাঠিফুলৰ** আগে-

পিছে **আঁচফুল** আৰু কাষত **ফুলকাষৰি**, পাণকটা কাষৰি, হাকোটা কাষৰি দি তাতে বুটা বছা, গুণা কৰা আৰু দহি বটাৰ কামো চালে চকুৰোৱাকৈ কৰিব জানে।

আজন্ম শিল্পী, বয়নবিদ্যাত নিপুণা জনজাতীয় নাৰীৰ দৰে তেওঁলোকেও বয়নশালত বিচনী, জাপি, দাপোন, যঁতৰৰ হাত, পাহাৰ, নদী, মাছ, মকৰা, মাখি, ময়ূৰ, ভাটৌ, হাতী, হৰিণ, নৰ-নাৰী, জোন-বেলি-তৰা, গছ-লতা-পাত-ফুল, কঙ্কা আদিৰ **আৰ্হি-ফুল** বচাৰ উপৰি ঘট, পদুম, ঢোল, পেঁপা, জোনবিৰি, ঢোলবিৰি, **থাপনা ফুল** (গোসাঁই ঘৰৰ বাবে) আদি কিছু **আৰ্হি-ফুল** সুকীয়াকৈ বাচে। আনহাতে, ভৈয়ামৰ বড়ো-ৰাভা আদি জনজাতীয় নাৰীয়ে বিশেষ উদ্দেশ্যে ব্যৱহাৰ কৰিবলগীয়া আয়ৰা (বনকুকুৰা), শিংৰা (শিংৰা নদীৰ দলং, জ্যামিতিক নক্সা), বাগা-বাগি (বাঘ-বাঘিনী, মন্দিৰ বা গোসাঁই ঘৰৰ ব্যৱহাৰার্থে), ব্রহ্মাণী (এই ফুল বাচোঁতে কেনা লাগিলে শিপিনীগৰাকী অন্ধ হোৱাৰ সম্ভাৱনা থাকে; কবচ কাপোৰত বচা আৰ্হি) আদি ফুলৰ চানেকি বাচে। বড়ো গাভৰুৱে একান্তমনে ভালপোৱা অথচ তাৰ সৈতে বাস্তৱত বিয়া হ'বলৈ নোপোৱা পুৰুষক দিবলগীয়া 'হাংমা-হাংছানি ফালি'ত কেতবোৰ স্বকীয় উদ্ভাৱনাৰে সমুজ্জ্বল **আৰ্হি-ফুলৰ** চানেকি চয়ন কৰে। আজিকালিৰ জনপ্রিয় ব' সুতাৰ জাকিত ব'ব পৰা শ্বাল বা আলোৱানত তেওঁলোকে ড্রিল ফুল (dril অর্থাৎ ৰম্বাছ, আয়তক্ষেত্র বা বর্গক্ষেত্রৰ কর্ণৰ সমান্তৰালভাৱে বোৱা), **ডায়মণ্ড ফুল** (Diamond; ৰম্বাছগাঁটীয়া), **ঘড়ী ফুল** (অর্ধবৃত্ত বা অধিবৃত্তৰ গঢ়ৰ) আদিৰ বয়ন কলা ক'ত কেনেকৈ শিকি পেলালে সেইটোও এটা ভাবিবলগীয়া বিষয়। সাধাৰণ লোকৰ ফুল-প্রীতিয়ে উদ্ভিদ ফুলৰ ডুপ্লিকেট স্বৰূপ— **ফুলাম বিচনী, ফুলাম ঢাৰি, ফুলাম হোৱা, ফুলাম টুপী, ফুলাম চুঙা, ফুলাম জাপি** (ইও আকৌ দুবিধ সৰুদৈয়া আৰু ববদৈয়া) অথবা **ফুল-চতি, ফুল-ছিৰি, ফুল-চেৰেকি, ফুল-কটাৰী** (ডবুৱা কটাৰী, মাংগলিক কার্যত ব্যৱহৃত), **ফুল-ববশী** ইত্যাদি সূক্ষ্ম কাৰুকার্যখচিত কলালৈ উত্তৰণ। **'ভমকাফুলীয়া মেখেলা', 'বাবৰিফুলীয়া চেলেং পৰা'** (চকুৰ মণিৰ বৰণ ক'লা গুচি বগা হোৱা, ফুলৰ দৰে দাগ পৰে বাবে), **'আয়ে গাত ফুল বচা'** (বসন্তৰ দাগ) আদি বাক্যাংশ বা **'অতি ফুলতীৰ ফুলত কেণা/অতি ফুলতীৰ ঘৰ নাই', 'ফুল বচা তৰাঘৰ/সৰগ দেখা বৰঘৰ'** আদি প্রবাদ-পটন্তৰৰ গুৰিতো ফুলৰ এই দ্বিতীয় অর্থটোৱেই। বর্তমানে জনপ্রিয় হ'বলৈ ধৰা অলংকৃত মাছৰ খেতিৰ সঁচ আমাৰ থলুৱা **ফুল উঁৰিকণা মাছতে** নাছিল জানো— কথাটো অলপ ভাবি চাবলগীয়া। সাগৰ-মহাসাগৰৰ পানীৰ তলত পাথৰ বা শিলৰ দৰে টান বস্তুৱে ফুলৰ দৰে নতুবা মৃগনাভিৰ পৰা উৎপন্ন হোৱা সুগন্ধি কস্তুৰী বা গান্ধ-কলাইৰ দৰে মাতৃৰ গর্ভতো ফুল ফুলে। গুটি বা ফল লাগিবলৈ ফুল ফুলাৰ দৰে সন্তান অর্থাৎ পোৱালি বা কেঁচুৱা হ'বলৈকো গর্ভত ফুল ফুলিবই লাগিব, সেয়া দেখাত ফুলসদৃশ (ধুনীয়া, ৰঙীন আৰু সুবাসিত নহ'লেও) হওক বা নহওক। এয়াই **গর্ভৰ ফুল**। **ফুলপানী** (ভঙা), **ফুলপানী** (ছিগা) আদি ইয়াৰে সম্প্রসাৰিত ৰূপ। উজনি অসমত **ফুলপানীছিগা** নামৰ ঠাই এডোখৰো আছে, বিহগীত এফাঁকিত তাৰ কথা আকৌ এনেদৰে পাওঁ—

"আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ;
ফুলপানীছিগাতে ঢোলৰ মাত শুনি
উজুটিত ভাঙি যাওঁ যঁতৰ।"

ফুলৰ চতুর্থ অর্থ হ'ল **মাছৰ ফুল** অর্থাৎ জলক্রম। দেখাত টিকটিকীয়া ৰঙা আৰু কেইবাতৰপীয়া **জৰাফুল** বা জেলুকীয়া ঠাইত গজা নাম নজনা ৰঙা ফুলৰ দৰে দেখিয়ে চাগৈ আদিম মাছ চিকাৰীয়ে তৎক্ষণাত ইয়াকো কৰি পেলালে **ফুল**। এয়া কিন্তু জীৱ-বিজ্ঞানৰ দৃষ্টিভংগীৰে সাংঘাতিক ভুল। কাঠ মাছৰ বাহিৰে কাণপাখিৰে ঢাক খাই থকা আৰু পানী পাই সক্রিয় হৈ থকা এই ফুল বামত থোৱা মাত্রে নির্জীৱ-নিষ্প্রাণ হৈ নিজৰ লগতে **ফুলধাৰি** প্রাণীকো কলধপ্ কলধপকৈ মৃত্যুমুখলৈ ঠেলি দিয়ে। **মাছৰ ফুলৰ** গতি-প্রকৃতিলৈ লক্ষ্য কৰিয়ে মাছৰ বজাৰত আজিকালি ক্রেতা-বিক্রেতাৰ মাজত জোৰদাৰ দাম-দৰ চলে। (মাছটো কিমান তাত্কা তাৰ প্রমাণ মাছৰ ফুলে নিদিয়ে জানো— সেয়ে তাত্কা ফ্রেছ মাছৰ তেজ মাছৰ কচায়ে পচা মাছৰ ফুলতে গালে-মুখে সানি দি* **ফুলস্কাৰ** কৰি ৰাখে; যাৰ বাবে গৃহস্থই গৃহিণীৰ তিৰস্কাৰ খাবলগীয়া হয়।)

ফুলৰ আটাইতকৈ জনপ্রিয় আৰু সৰ্ববহী অর্থ হ'ল— একে মূলৰ পৰা সৃষ্ট, ধাতু হিচাপে প্রয়োগ হোৱা **ফুলা কার্য**। নিজে প্রস্ফুটিত হ'লে **'ফুল'** আৰু আনক প্রস্ফুটিত কৰালে **'ফুলা'** (পাঁচনি ধাতু)। গৰুৰে আগ নাখালে সকলো গছে কলি পেলাই **ঢোপাকলি** (পুষ্প মুকুল) হোৱাৰ পিছত চুপহি মেলি **ফুল ফুলে**। ফুল অর্ধভাৱে বিকশিত হ'লে **'আধা মেলা ফুল'** আৰু পূর্ণভাৱে বিকশিত হ'লে **'ফুলা ফুল'** (পদুমৰ ক্ষেত্রত হ'লে বিশ্বপদ্ম) নাম পাই ক্রমান্বয়ে লেৰেলি যোৱা, মৰহা, সৰা আদি পর্যায় পায়। অশেষ যত্ন কৰি ফুলনিত বিধে বিধে ৰুই বতৰে-অবতৰে ফুলিবলৈ দিলে **ফুল ফুলোৱা** বোলে— যেনেকৈ বিয়ানামত **'কি ফুলে ফুলালা'** বুলি যে গোৱা হয়, তেনেকৈ 'ৰাতিৰ ভিতৰত মাতে ফেঁচা/**ফুলে বাঁহ** সেই গিৰি নিজীয়ে ছয়মাহ' বুলি সাৱধান বাণী শুনোৱা, **বাঁহফুলা** কার্যৰ দৰে **নুফুলা** (নুফুলন্তী) **ফুল, ৰাতি ফুলা ফুল, ফুলা সৰিয়হৰ ডৰা, মূৰ ফুলা** জতুৱা ঠাচ- খণ্ডবাক্যত ইয়াৰ প্রয়োগ অপৰিহার্য। এইখিনিতে অপ্রাসংগিক হ'লেও এযাৰ কথা মনত পৰিছে, কৈয়ে লওঁ দিয়ক। মোহিনী মন্ত্র, আহুদী বা কামসেন্দুৰত ব্যৱহাৰ কৰা সামগ্রীত অন্য কিবা উদ্ভিদ থাকে, তেন্তে মন্ত্রবলত বা মোহিনীবিদ্যাত মোহিত হৈ হোৱা বিবাহৰ ক্ষেত্রত সেই সেই উদ্ভিদে ফুল ফুলা বতৰত হেনো দাম্পত্য কলহে 'বহ্নাৰম্ভে লঘু ক্রিয়া'ৰ পৰিসৰ ভাঙি কিছু বর্হিবৃত্তত অৱস্থান কৰে অর্থাৎ গৃহকন্দল তুংগত উঠে। কথাটো নিতান্তই ভাবিবলগীয়া।

এই **ফুলা** আৰু **ফুলোৱা** কার্য দুটাৰ আন অর্থটো প্রয়োগ আছে। নিজে নিজে একো নকৰাকৈ স্ফীত হোৱা, ওফন্দি উঠা, উখহা আদি কার্য হ'বলৈ পালে **'ফুলা'** (অকর্মক ধাতু ঃ **ফুল**) আৰু আনৰ দ্বাৰা তেনে হ'লে **'ফুলোৱা'** (সকর্মক ধাতু ঃ **ফুলা**) বোলে। ধৰি লওক আপুনি পুৱা সাৰ পাই উঠি মুখ-হাত ধুবলৈ লওঁতে গম পালে যে আপোনাৰ **গাল-মুখ ফুলি** আছে; তাৰ কার্য-কাৰণ অজ্ঞাত। সেইদৰে ক'ব নোৱাৰাকৈয়ে কেতিয়াবা **পেট ফুলে, হাত-ভৰি ফুলে,** বিশেষ বিশেষ **অংগ-প্রত্যংগ ফুলে**। কিন্তু বেছিভাগ ক্ষেত্রতে কার্য-কাৰণ থাকে। যেনে, মুখেৰে ফুৰাই বা হাইড্রজেন গেছ ভৰাই **বেলুন ফুলোৱা** হয়, ডিঙি, বুকু আদি সংকোচন-প্রসাৰ কৰিব পৰা অংগ-প্রত্যংগ প্রয়োজন সাপেক্ষে নিজৰ অনুকূলে **ফুলাই ল'ব পৰা** যায়; কিন্তু কেতিয়াবা তেনে কার্য কৰোঁতে ধৰা পৰে আৰু আচল অর্থ নোহোৱা হয়। কোনোবাই **ডিঙি ফুলাই** বক্তৃতাৰ **ফুলজাৰিহে** মাৰিব পাৰে অথবা **বুকু ফুলাই** (ফিন্দাই) মদগর্বীহে হ'ব পাৰে; কাৰোবাৰ ভাল কামৰ বাবে তেওঁলোকৰ **বুকু ফুলি নুঠে** বা হক কথাৰ বাবে মাত মাতিবলৈ তেওঁলোকৰ **ডিঙি ফুলি নুঠে** অর্থাৎ ডিঙি কোচ খায়। সেইদৰে বহুতে নিজ ইচ্ছাৰে বাচ-বিচাৰ নকৰাকৈ *গাড়ীৰ টেংকি ফুল কৰাৰ* দৰে **পেট ফুল** কৰি লৈ **পেট ফুলা** বেমাৰৰ নামত সাত-কিল মাৰে. তেওঁলোকৰো যুক্তি নথকা নহয়— সকলোতে তেল মাৰি *ফুৰোঁতে ফুৰোঁতে* যদি 'তেলোৱা' কার্য ব্যাকৰণসিদ্ধ হয় (বিশেষ্য তেল+নামধাতুবাচক প্রত্যয় আ= √ তেলা) তেন্তে যধে-মধে যিহকে-তিহকে গিলিলে অর্থাৎ পেট ফুল (*full*) কৰিলে কে'লৈ **'পেট ফুলোৱা'** কার্য নহ'ব (পেট ফুল + আ = √ পেট ফুলা)। কাৰণ অসমীয়া মানুহৰ এনেয়েও পেটত ভাটৌ, কুলি আদি চৰাই পোহাৰ স্বভাৱ আছেই (পেট ভাটৌ, পেট কুলি বুলি যে কয়) আৰু প্রয়োজন সাপেক্ষে অসমীয়া মানুহে (মায়ঙীয়া যাদুবিদ্যাৰ জহত) কাছৰ দৰে পেটতে হাত-ভৰি সামৰি-সুতৰি লুকুৰাই ৰাখিবও পাৰে। ('পেটতে হাতে ভৰি লুকালে' বুলিযে কয়) উজনি অসমত **ফুলা** আন এক অর্থতো প্রয়োগ হয়। **'ফুলা তামোল'** বাক্যাংশই অপৰিপক্ক বা বেয়া তামোল অর্থ সূচায়।

ফুলৰ মহিমা ইমানতে শেষ হোৱাহেঁতেন কথাই নাছিল। অৰ্থতত্ত্বৰ মুখ্যাৰ্থ, লক্ষ্যাৰ্থ, ব্যংগাৰ্থ, আনুভূমিক অৰ্থ আৰু উদ্দিষ্টাৰ্থৰ উপৰি অলংকাৰ শাস্ত্ৰৰ অভিধা-লক্ষণা-ব্যঞ্জনা কিম্বা শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ তাত্ত্বিক দিশত ব্যাখ্যা কৰিলেও কৰিব পাৰে; কিন্তু সাধাৰণ লোকৰ মন-মগজুৱে ঢুকি নোপোৱা **ফুল মহটা** (মটা ফুলৰ দৰে জিলিকা মহটা অৰ্থাৎ **ফুলজাৰি/ঝুৰি**), **ফুল কাঠ** (ফুলৰ দৰে কোমল আওকাঠী গছ), **ফুল বস্তু** (দেখাত ফুলৰ দৰে আৰু সুকোমল খাদ্যবস্তু=আখৈ, বিয়াত চাগৈ সেয়ে পুষ্পাঞ্জলি দিয়াৰ দৰে আখৈৰে লাজাঞ্জলি দিয়া হয়), **ফুলকুৰি** (কাণত পিন্ধা অলংকাৰ), **ফুলবাবু** (ফুলাম সাজ-পাৰ পিন্ধি নিজকে ফুলৰ দৰে আটকধুনীয়াকৈ ৰখা ডেকা বা ভদ্ৰলোক) ইত্যাদি শব্দৰ অৰ্থ বিচাৰ কৰা যিমান মস্কিল তাতকৈ কম মস্কিল নহয় ভৰিৰ কলাফুল (**কলাফুল** বা **কলডিলৰ** দৰে দেখি বাবে?) আৰু ইয়াৰ সম্প্ৰসাৰিত ৰূপ **কলাফুলীয়া দ** (আঠুৰনীয়া দ'তকৈ কিছু বাম), **থেকেৰাফুলীয়া** (বৈষ্ণৱৰ ৰাতি খোৱা সম্প্ৰদায়, ঠিক যেনিবা থেকেৰাটেঙাই ৰাতিটোৰ ভিতৰতে গুপুতে ফুলি সৰি পৰা কাৰ্যৰ দৰে সকলোবিলাক ঈশ্বৰ সেৱা এৰাতিৰ ভিতৰতে গুপুতে সমাধা কৰিব লাগে বাবে), **থেকেৰাফুলীয়া বিয়া** (অনুষ্টুপীয়াকৈ পতা বিয়া, গুপুতে পতা বিয়া), **ফুলবিহাৰ** (ৰাতি খোৱাৰ চাৰিটা বিহাৰৰ অন্যতম বিহাৰ; ফুলবিহাৰত ভকত-ভকতনী আৰু ৰাদ্ধনীয়ে হাতত সেৱাৰ দ্ৰব্যলৈ নাচ-গান কৰি ৰাদ্ধনীশালৰ পৰা আহে) **বক্তৃতাৰ ফুলজাৰি মৰা, জীৱন ফুলশয্যা নহয়, মুখত ফুল চন্দন পৰক বোলা** আপ্তবাক্য বা শব্দগুচ্ছৰ নিৰ্মিতি। নামনি অসমৰ কথিত ভাষাততো আৰু এখোপ চ'ৰা। ফুলৰ দৰে দেখা পখৰা-চিতৰা ধান বাবে **ফুলপাহি ধান**, মাংগলিক কাৰ্যত ব্যৱহৃত ডবুৰাকটাৰী বাবে **ফুলকটাৰী**, ফুলৰ মালা পিন্ধাই পাতি দিয়া বিয়া বাবে **ফুলবিয়া** (এই বিয়াত দৰা-কইনাৰ নামো সেয়ে **ফুলপাত্ৰ** আৰু **ফুলকঞা** বুলিহে পৰিচিত), বৰশী বাওঁতে মাছক প্ৰলোভিত কৰিব পৰা বৰশী **ফুলবৰশী** ৰহস্যভেদ কৰিব নোৱাৰা গোসাঁহি বাবে **'হামফুলীয়া গোহাই'**, মাৰে বা মনসা পূজাৰ দেওধনীয়ে ছায়ামায়া দঁকৰ পিছত আৰু ভৰ দঁকৰ আগত পৰিব লগা মধ্যমীয়া দঁকৰ নাম হ'ল **ফুল দঁক** (**ফুলবন** অৰ্থাৎ শিৱগোসাঁইৰ প্ৰমোদ উদ্যানত সন্দেহপৰায়ণা মাতৃ দুৰ্গাদেৱীক মনসা বা পদ্মাৱতীৰ দংশন অৰ্থাৎ দঁক)। বাংলা-হিন্দী ভাষাতো ফুলকেন্দ্ৰিক শব্দৰ ভঁৰাল যথেষ্ট মজবুত। *ফুলদোল* (বৈশাখী-পূৰ্ণিমাত উদ্‌যাপিত শ্ৰীকৃষ্ণৰ দৌলোৎসৱ), *ফুল-বাতাচা, ফুলঝুৰি* (ফুলজাৰি), *ফুলৰি* (মাহৰ গুৰিৰে ভজা বৰ তু. হিন্দী ফুলোৱা), *ফুল্‌কা* (ফুলি উঠাকৈ সেকা শুকান ৰুটি), *ফুল বাগান, ফুলৰালা, ফুলৰালী, ফুলশ্ৱৰ, ফুলধনু, ফুলবাণ* (কামদেৱ) ইত্যাদি। খুব সম্ভৱ সেইবিলাক ভাষাৰ পৰাই আমি **ফুলদানি, ফুলঝাড়ু, ফুলবাবু, ফুলচুৰি, ফুলৰ তোৰা, ফুলৰ মেলা** ইত্যাদি শব্দ পাইছোঁ।

আকৌ ফুল বুলি ক'লেই সকলো ভাষাতে উদ্ভিদী আৰু সমাদৃত ফুলৰ মালা বা মাল্যৰ কথাও আহি পৰে। মালাধৰ মালী, মালিনী বা মালাকাৰৰ হাতে গ্ৰন্থিত সৰ্বজন পৰিধেয় পুষ্পমালাৰ দৰে ৰাজ-ৰাজে শ্ৰৱীৰ পৰিধেয় মুকুতামালা, বনমালীৰূপী শ্ৰীকৃষ্ণৰ পৰিধান বনমালা, সদাশিৱৰ ভূষণস্বৰূপ সৰ্পমালা, চামুণ্ডাৰূপিনী দুৰ্গাৰ আভৰণ মুণ্ডমালা, আংগুলিমালে পৰিধান কৰা অংগুলিমালা নতুবা সাধু-সন্ন্যাসীয়ে ধাৰণ কৰা ৰুদ্ৰাক্ষৰ মালা, পাহাৰী কন্যাই ভালপোৱা মুদ্ৰাৰ মালা, স্বয়ম্বৰত কন্যাই (জনজাতীয় নাৰী) বৰ বৰণ কৰা বৰমালা (বৰমাল্য) ইত্যাদিৰ আদান-প্ৰদানৰ পৰা নিৰ্বাচনী সভাত জয়মালা পিন্ধিবলৈ আশা কৰি জোতাৰ মালা পৰিধান কৰিবলগীয়া হোৱা পৰ্যায়লৈকে কত যে ঘটনাবহুল কাণ্ড-কাৰখানা অকল ফুলৰ লগতে জড়িত হৈ থকা নাইনে বাৰু? আকৌ পুষ্পহাৰ, স্বৰ্ণহাৰৰ দৰে হীৰা-মুকুতা-খচিত হাৰ সহজলভ্য নোহোৱাত যিহকে-তিহকে ডিঙিত পিন্ধি 'হাৰমাল' কৰি ল'লেও অসমীয়াত ধাৰণকাৰী কন্যাগণৰো যে কিমান বিচিত্ৰ নাম— মধুমালা, মঞ্জুমালা, ৰত্নমালা, কুঞ্জমালা, তেজীমলা, ৰহিমলা, পানীমলা, ৰংমলা আৰু কত কি! অসমৰ প্ৰকৃতিতো এই মলা বা মালাৰে পয়োভৰ— ৰঘুমলা, বনমলা, কঁহিমলা, ঠোঁটমলা— সকলোতে মলাই মলা— কমলাতো (সোণতৰা) কিজানি। ছন্দশিল্পী কবিসকলৰতো কথাই নাই বিচাৰিলে, এই মালাই ওলাব। গুণমালা আদি কাব্য ৰচনাৰ বাবে উপমা-মালোপমা প্ৰমুখ্যে অৰ্থালংকাৰ আৰু কুসুমমালা ছন্দ ব্যতিৰেকে আৰু কি প্ৰধান কাব্যালংকাৰ থাকিব পাৰে।

ফুলৰ সমাৰ্থক আন দুটি শব্দৰ কিন্তু ইমান ব্যাপক প্ৰয়োগ নাই। অৱশ্যে নিজ নিজ ক্ষেত্ৰত সিবিলাকো কম নহয়। **পুষ্প** (নাম), **পুষ্পলতা, পুষ্পা, পুষ্পে** (কামৰূপী), **পুষ্পধৰ, পুষ্পনাথ, পুষ্পেন্দু, পুষ্পক** (ৰথ), **সপুষ্পক** (উদ্ভিদ), **অপুষ্পক** (উদ্ভিদ), **পুষ্পিকা, পুষ্পবন, পুষ্পবৃষ্টি, পুষ্পশৰ, পুষ্পসজ্জা, পুষ্পাঞ্জলি** ইত্যাদিৰ লগে লগে **কুসুম** (নাম), **কুসুমী, কুসুম্বৰ কুসুমলতা, কুসুমকুমাৰী, কুসুমমালা, কুসুম-কোমল, কুসুম-কলি, কুসুমাঞ্জলি, কুসুমাকাৰ, কুসুম-কাননৰ** পয়োভৰে কেতিয়াবা কেতিয়াবা ফুলৰ একছত্ৰী নায়কত্বকে খৰ্ব কৰে। সংস্কৃত কুসুম বা কুসুম্ভ শব্দজাত অসমীয়া **কুহুম ফুল**, ইয়াৰ পৰাই কণীৰ ভিতৰত থকা হালধীয়া অংশ **কুহুম** আৰু গা হালধীয়া পৰা ৰোগ **কুহুম-সাৰ** (পাণ্ডু) হৈছে বুলি ভাবিবৰো যথেষ্ট অৱকাশ আছে। নেপালী ভাষাত কণীকো **'ফুল'** বুলিয়েই কোৱা হয়। (যেনেকৈ গোৱালপাৰাৰ হাব্ৰাঘাট অঞ্চলৰ মুছলমানৰ কথিত ভাষাত কণীক ফল বুলি কোৱা হয়) এইকেইটা শব্দ অৰ্থাৎ ফুল, পুষ্প আৰু কুসুম সমাৰ্থক যদিও ইটোৰ ঠাইত সিটোৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ নহয়। আপুনি ইচ্ছা কৰিলেও **পুষ্পিতাৰ** ঠাইত * ফুলিতা, **পুষ্পবৃষ্টিৰ** ঠাইত *ফুল-বৰষুণ বা *ফুলবৃষ্টি, **পুষ্পাঞ্জলিৰ** ঠাইত *ফুল-আঁজলি বা *ফুলাঞ্জলি কৰিব নোৱাৰে। কৰি চাওকচোন আপুনি পুষ্পসজ্জাৰ ঠাইত ফুলসজ্জা। আপুনি যদি অবিবাহিত নাৰী আৰু আপোনাৰ যদি পুষ্পসজ্জা এটা চখ, তেন্তে আপুনি ভুলবশতঃ ভাৰে এনেদৰে নক'ব দেই "মই বহুত ঠাইত বহুতৰ সৈতে (অৰ্থাৎ গ্ৰুপলি) **ফুলসজ্জাত** ভাগ লৈছোঁ।" আপোনাক তেতিয়া 'বীৰাংগনা' বুলি নামাতিলেও চকু-চৰহা অসমীয়াই কিন্তু 'বাৰাংগনা' বুলি যে ভাবিব এয়া নিৰ্ঘাত সত্য।

ফুল যে সদায় **ফুলবাঁৰী** বা **ফুলকলীয়াৰ** দৰে কোমল হ'ব লাগিব এনে কোনো কথা নাই। বাস্তৱত কেতিয়াবা আকৌ ফুল নামধাৰী নাৰী, পুৰুষতকৈ কোনোগুণে ৰুঢ়া আৰু কঠোৰ হৃদয়া নোহোৱা নহয়। কৈলৈ আহোম ৰাজতন্ত্ৰত ৰৱৰজা **ফুলেশ্ৱৰী কুঁৱৰীৰ** ভূমিকা বেণ্ডিট কুইন ৰূপী **ফুলন দেৱীতকৈ** জানো কম প্ৰতিঘাতপূৰ্ণ! সাধাৰণ দেওঘৰৰ নটী, নটৰ জীয়ৰী ফুলেশ্ৱৰীৰ স্বৰ্গদেউ শিৱসিংহৰ ৰাজপটেশ্ৱৰী হিচাপেই নহয়, ৰাজদণ্ড হাতত লৈ কৰা প্ৰজা উৎপীড়নৰ বাবেই একালৰ দস্যুৰাণী, একালৰ সাংসদ ফুলন দেৱীৰ সংঘাতময় জীৱনকো চেৰ পেলোৱা নাইনে?

হে *তত্ত্বলঘু (তত্ত্বগধুৰ অৰ্থাৎ seriousৰ বিপৰীত) বিষয়গ্ৰাহী পাঠক-পাঠিকাসকল! আপোনালোক যদি ওঠৰ বছৰ অনূৰ্ধ্ব অৰ্থাৎ প্ৰাপ্তবয়স্ক নহয়, তেন্তে মোৰ এই ৰচনা মাত্ৰ ভাষাতত্ত্বৰ সমল হিচাপে জ্ঞান কৰক আৰু গোলাপ ফুলৰ গোন্ধেৰে আমোলমোলোৱা স্কুল বন্ধৰ সময়ছোৱাত *টাইম পাছ কৰক* (কথাতে কয় নহয়— "গোলাপ ফুলৰ গন্ধ/আজি স্কুল বন্ধ")। যিসকল বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, গৱেষক-গৱেষিকা, অধ্যাপক-অধ্যাপিকা তেখেতসকলে ইয়াৰ গভীৰলৈ গৈ প্ৰকৃত সত্য অনুসন্ধান কৰক অৰ্থাৎ গৱেষণাৰ সমল হিচাপে বাচি লওক। যিসকল গৃহিণী বা যোত্ৰবান গৃহস্থ তেওঁলোকে নিজৰ নিজৰ *ফুলনিবাৰীৰহে ফুল* কেতিয়াবা কৈ আৰু কেতিয়াবা নকৈ *চুৰি কৰি চাব*। তেতিয়াহ'লে ঝাড়খণ্ডৰ ভগা ৰজা মধু কোড়াৰ নিচিনাকৈ **'ফুল চুৰি'** কেছত কোনোকালে *নফচিব* বা *অইনে ফচাব নোৱাৰিব*। নহ'লে আপোনাক উদ্ধাৰ কৰিবলৈ 'ৰৱৰাণী' হৈ আপোনাৰ পত্নীয়ে আৰু ৰাজদণ্ড হাতত লোৱাৰো কোনো গৰজ নপৰিব।

नयी आशा, नयी दिशा

डॉ॰ अच्युत शर्मा

आशावादिता मनुष्य की सहज प्रवृत्ति है। इस आशावादिता के मूल में है- मनुष्य की अदम्य जीजिविषा। मनुष्य मृत्यु को जीतकर भी जीना चाहता है, मृत्यु से अमरता की ओर बढ़ना चाहता है। इसलिए वह अपने आराध्य से निवेदन करता है- 'मृत्योर्मा अमृतं गमय'। जीने की इस अदम्य इच्छा के चलते वह आशाओं को सहेज कर रखता है। वस्तुतः आशा मानव जीवन की संजीवनी है। मानव जीवन को अगर एक पौधा मानें तो आशा संजीवनी जल की तरह है। आशा-रूपी संजीवनी जल के अभाव में जीवन-रूपी पौधा सूख जाता है। इसके विपरीत आशा-रूपी संजीवनी जल के तरल स्पर्श से जीवन-रूपी पौधा लहलहाने लगता है, वह हरा-भरा हो उठता है। असमीया कवि की भाव-धारा में जीवन, मनुष्य, आशा और संसार क्रमशः पौधा, माली, संजीवनी पानी और बगीचे के रूपक में बड़ी ही सुन्दरता के साथ निम्न प्रकार से उभर कर आये हैं :

"जीवनर गछ-पुलि नर सि पुलिर माली
आशा तार संजीवनी पानीइ,
नहले फुलनि डरा क्षन्तेकते जँइ परा
नाइ तात एकोके मोहिनी।"

यह सच है कि आशा-रूपी संजीवनी जल के अभाव में संसार रूपी बगीचे के जीवन-रूपी पौधे मुरझा जाएँगे और उसमें कोई आकर्षण नहीं रह जाएगा। मनुष्य-रूपी माली जीवन-रूपी पौधे को आशा-रूपी संजीवनी जल से सींचते रहेंगे तो हरियाली और खुशहाली के साथ उसमें बहार आ जाएगी। हृदय आशा से भर उठेगा, तो मन-मयूर नृत्य करने लगेगा- वह नयी दिशा में अग्रसर होगा।

दरअसल मानव जीवन आशा और निराशा का, हँसी और अश्रु का निराला संगम है। इसीलिए तो युगचारण रामधारी सिंह 'दिनकर' जी ने जीवन को परिभाषित करते हुए कहा है :

"फूलों पर आँसू के मोती,
और अश्रु में आशा,
मिट्टी के जीवन की छोटी,
नपी-तुली परिभाषा।" ('कुरुक्षेत्र', सप्तम सर्ग)

यह बिल्कुल सही है कि आशा और निराशा जीवन-नदी के दो किनारे हैं। मनुष्य की स्वाभाविक प्रवृत्ति निराशाओं से आशाओं की तरफ बढ़ने की है। प्रतिकूलता से उत्पन्न निराशाओं को दफन करके मनुष्य आशाओं को बटोरता हुआ नयी दिशा की ओर बढ़ता चला जाता है। महा जल-प्रलय से हताश मनु जड़ता-मृत्यु को आमन्त्रण दे रहे थे :

"विस्मृति आ, अवसाद घेर ले,
नीरवते! बस चुप कर दे
चेतनता चल जा, जड़ता से
आज शून्य मेरा भर दे।" (चिन्ता सर्ग -कामायनी- जयशंकर प्रसाद)

परन्तु श्रद्धा से प्रोत्साहन पाकर वही मनु महाप्रलय की निराशा को पीछे छोड़कर नयी आशाओं, नयी उमंगों के साथ नयी दिशा में चल पड़े थे, और इसीलिए आज धरती पर मानव-जाति का जीवन प्रवहमान है :

"जीवन! जीवन! की पुकार है
खेल रहा है शीतल दाह
किसके चरणों में नत होता
नव प्रभात का शुभ उत्साह।"
(आशा सर्ग-कामायनी- जयशंकर प्रसाद)

नवीन का नाम ही जीवन है। इसीलिए कहा गया है—"नवो नवो भवति जायमानः"। नयेपन की कल्पना वस्तुतः मनुष्य की सुखद आशावादी दृष्टि की परिणति है। ऐसे तो काल अनादि और अनन्त है। अनादि और अनन्त इस अर्थ में कि उसके आदि और अन्त का किसी को पता नही है। ऐसे अनवरत् काल-प्रवाह को मनुष्य ने अपनी सुविधा की खातिर सेकण्ड, मिनट, घंटा, दिन, सप्ताह, पक्ष, महीना, वर्ष, शती आदि के खण्डों में बाँट लिया है। समय के ये भाग क्रमशः एक-दूसरे से मिलकर आगे बढ़ते जाते हैं और काल के खिलौने-स्वरूप हम मनुष्य पुरानी आँखों में नये रंग भरकर नवीनता के मेले लगाते चलते हैं :

"दिने दिने दिन गइ माहत मिलिब आहि
माह आदि शेष हय बछर बुकुत;
कालर पुतला आमि पातों नतुनर मेला
नतुन रहण सानि पुरणि चकुत।"
('शून्य परिचय', यतीन्द्रनाथ दुवरा)

पूर्वोक्त असमीया काव्य-पंक्तियों का हिन्दी-रूपान्तरण इस प्रकार से है :

दिन-दिन करके दिन बीतते मिलते महीने में आकर
महीने जाकर मिलते वर्ष के सीने में;
काल के खिलौने हैं हम लगाते नवीनता के मेले
रंग नये भरकर पुरानी आँखों में।

बीतने वाले समय-विभाग की तुलना में आने वाले समय-विभाग को मनुष्य नया मानता है। इसका फायदा यह है कि बीतने वाले पुराने समय में प्राप्त निराशा को भूलाकर आनेवाले नये समय में नयी आशाओं को संजोया जा सकता है। नयी आशाएँ हमें नयी दिशा में ले चलती हैं। फिर, बीते हुए समय में जितनी आशाएँ फलीभूत हुई उनके आधार पर आनेवाले समय के लिए और अधिक आशाओं को बटोरने का सुनहरा मौका भी मिल जाता है। ऐसी आशाएँ भी हमें नयी-नयी दिशाओं में अग्रसर कराती हैं। अपनी मातृभूमि के प्रति गहन प्यार रखने वाले, इस निराली दुनिया को चाहने वाले रसराज लक्ष्मीनाथ बेजबरुवाजी ने इसीलिए वीणा-वैरागी भाई को वीणा से ऐसी तान छेड़ने के लिये निवेदन किया है ताकि रोशनी-भरी नयी आँखों से पुरानी पृथ्वी को नये रूप में देख सकें :

"नतुन प्राणर
न चकुजुरि,
दीपिति ढालि दे तात,
पुरणि पृथिवी
नकै चाइ लओं
हे बीण एषारि मात।"
('बीण-बरागी', लक्ष्मीनाथ बेजबरुवा)

पूर्वोक्त असमीया काव्य-पंक्तियों का हिन्दी-रूपान्तरण इस प्रकार है :

नये प्राणों की
नयी दो आँखें

रोशनी दो वहाँ घोल
पुरानी पृथ्वी को
देखूँ नये रूप में
हे वीणा, छेड़ो एक बोल।

नयी आशा और नयी दिशा में वस्तुतः अन्योन्याश्रित संबंध है। नयी आशा अगर हमें नयी दिशा में अग्रसर कराती है तो नयी दिशा भी हमारे मन में और भी नयी आशाएँ जगाती हैं। जीवन-पथ पर बढ़ते हुए हम इस बात की सच्चाई का अनुभव कर सकते हैं। हम महसूस कर सकते हैं कि बीज से—वृक्ष फिर, वृक्ष से बहुत सारे बीजों के उत्पन्न होने की तरह आशा से नयी दिशा— फिर, नयी दिशा से ढेर सारी नयी आशाएँ जन्म लेती हैं और इस प्रकार जीवन के तमाम क्रिया-कलाप सार्थक परिणति की ओर बढ़ते जाते हैं।

हमलोगों ने माना है कि हरेक दिन नया होता है— हरेक दिन नयी सुबह आती है—हर सुबह नयी आशाएँ जगाती है— नयी आशाएँ हमें नयी दिशा की ओर बढ़ा देती हैं। हमारी ऐसी मान्यता वर्ष और शताब्दी को लेकर भी है। बीसवीं शताब्दी के अन्त होने पर हमलोगों ने नयी आशाओं के साथ इक्कीसवीं सदी का स्वागत किया था और प्रगति की नयी-नयी दिशाओं में हमलोग चले पड़े थे। हमारे लिए प्रत्येक वर्ष भी नया होता है। एक वर्ष के बीतने पर उसे पुराना कहकर हम विदा करते हैं और आनेवाले वर्ष को नया घोषित करके नयी आशाओं के साथ उसका स्वागत करते हुए नयी दिशाओं में निकल पड़ते हैं।

नयी आशा के साथ नयी दिशा में बढ़ने की प्रक्रिया व्यक्ति, समाज, संस्था, प्रान्त, राष्ट्र, विश्व या पूरी मानव जाति आदि सबके जीवन में घटित होती है। फिर, यह प्रक्रिया शिक्षा, साहित्य, कला, संस्कृति, राजनीति, अर्थनीति, खेल-कूद, व्यापार-वाणिज्य, विज्ञान, सूचना-प्रौद्योगिकी इत्यादि सभी क्षेत्रों में देखी जा सकती है। व्यक्ति प्रत्येक वर्ष जन्म-दिन मनाकर उत्साह-उमंग बटोरता हुआ जीवन-पथ पर आगे बढ़ता चला जाता है। दिवंगत महान व्यक्तियों की जन्म-जयन्ती और पुण्य-तिथि मनाते हुए हमलोग उन्हें न सिर्फ श्रद्धा-सुमन अर्पित करते हैं, बल्कि उनके प्रेरणास्पद आदर्शों से जीवन को संजीवित करते हुए यात्रा-पथ पर बढ़े चले जाते हैं। संस्था या संस्थानों के स्थापना-दिवस, रजत जयन्ती, स्वर्ण जयन्ती, हीरक जयन्ती, प्लेटिनम जयन्ती, शताब्दी आदि मनाते हुए न केवल बीते समय के कार्य-कलापों का लेखा-जोखा लिया जाता है, बल्कि नयी-नयी योजनाओं को ग्रहण करके नयी आशा और उत्साह के साथ उनके कार्यान्वयन में लोग लग जाते हैं।

असमीया में एक कहावत है— "आशा नामेइ संसार"— यानी, आशा का नाम ही संसार है, जीवन आशा का ही दूसरा नाम है। कुरुक्षेत्र के महासंग्राम में विजयी रहने पर भी भयानक विनाश-लीला, अनीति, क्रुरता आदि से धर्मराज युधिस्थिर अत्यन्त दुखी और निराश हो गये थे। ऐसी स्थिति में जब वे शर-शय्या में पड़े हुए पितामह भीष्म के पास गये थे, तो पितामह ने आशा के दीपक को जलाते हुए आगे बढ़ने का संदेश देते हुए कहा था :

"आशा के प्रदीप को जलाये चलो धर्मराज,
एक दिन होगी मुक्त भूमि रण-भीति से।
भावना मनुष्य की न राग में रहेगी लिप्त,
सेवित रहेगा नहीं जीवन अनीति से।
हार से मनुष्य की न महिमा घटेगी और
तेज न बढ़ेगा किसी मानव का जीत से।
स्नेह बलिदान होंगे माप नरता के एक,
धरती मनुष्य की बनेगी स्वर्ग प्रीति से।"

(सप्तम सर्ग- 'कुरुक्षेत्र', रामधारी सिंह 'दिनकर')

कितनी सुन्दर आशावादिता व्यंजित हुई है पूर्वोक्त काव्य-पंक्ति में! एक दिन युद्ध के भय से यह भूमि मुक्त होगी, राग-द्वेष से मनुष्य भावनाएँ जुड़ी नही रहेंगी, मानव-जीवन मे अनीति नहीं रहेगी, पराज से मनुष्य की महिमा कम नहीं होगी, विजय से किसी मनुष्य का शौर्य नह बढ़ेगा, प्यार और बलिदान मानवता के मापदण्ड होंगे, मनुष्यों की य धरती पारस्परिक प्यार के बलपर स्वर्ग में रूपान्तरित होगी। पितामह भीष्म की ये आशाएँ आज भी मनुष्य की आशाएँ हैं। दुर्दम जीजिविष वाले मनुष्य ही ऐसी आशाएँ सँजो सकता है।

26 जनवरी, 1948 ई० को स्थापित पूर्वोत्तर भारत के अग्रणी शिक्षण संस्थान गौहाटी विश्वविद्यालय से जुड़ी आशा-प्रत्याशाओं की बात करें तो अनायास ही डॉ भूपेन हाजरिका द्वारा विरचित विश्वविद्यालय संगीत की रमणीय पंक्तियाँ मन में आ जाती हैं :

"जिलिकाब लुइतरे पार
एन्धारर मेटा भाङि प्रागज्योतिषत बय
जेउति निजरारे धार
शत शत बन्तिरे ज्ञानरे दीपालीये
जिलिकाब लुइतरे पार
साँचि-पाते भाषा दिब, चिफुङे आशा दिब
रंघरे मेलिब दुवार
समाजे सावटिब महान मानवताक
विज्ञाने आनिब जोवार
जिलिकाब लुइतरे पार
नतुनर गति खेदा, डेका गाभरु आमि
निर्भीक एइ शतिकार
अज्ञान चायनैया एफलीया करि थे
मारि जाओं जीवनरे डाँर
जिलिकाब लुइतरे पार"

इस गीत का हिन्दी अनुवाद निम्न प्रकार से है:

चमकाएगा लोहित के पार
अंधेरे का बांध तोड़ के प्रागज्योतिष में बहे
ज्योति-निर्झर की धार
शत-शत दीपों का ज्ञानमय प्रकाश
चमकाएगा लोहित के प्रार
साँची पात भाषा देगा, सिफुंग आशा देगा
रंगघर खोलेगा द्वार
समाज अपनाएगा महान मानवता को
विज्ञान लाएगा ज्वार
चमकाएगा लोहित के पार
नूतन की गति पकड़े तरुण-तरुणी हम
निडर इस शती के
अज्ञानता भँवर को किनारे कर
चलाते जीवन पतवार
चमकाएगा लोहित के पार

कितनी सुन्दर चाहत, कैसी सुन्दर आशा व्यक्त हुई है इस गीत के माध्यम से। पूर्वोत्तर भारत के मातृ-विश्वविद्यालय के द्वारा लौहित्य के दोनों किनारे ज्ञान-रूपी प्रकाश से जरूर चमक उठेंगे। नूतनता की गति को पकड़ने में सक्षम, निडर युवक-युवती अवश्य ही नयी आशाओं सहित नयी-नयी दिशाओं में बढ़कर लौहित्य की घाटी को निखारते चलेंगे!

স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থকা অসমীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে কেৰিয়াৰ সুযোগ আৰু প্ৰত্যাহ্বান



ড° গৌৰাঙ্গ কুমাৰ শৰ্ম্মা



বিশ্ববিদ্যালয়বিলাকৰ কাম হ'ল জ্ঞানৰ সাধনা কৰা। সেইকাৰণে বিশ্বৰ উন্নত দেশবিলাকৰ বিশ্ববিদ্যালয়ত সকলোৱে পঢ়িবলৈ চিট নাপায় আৰু পঢ়িবলৈ নাযায়। কিন্তু আমাৰ দেশৰ ৰীতি-ৰিৱাজ বেলেগ হোৱা বাবে সকলোৱে বিশ্ববিদ্যালয়ত নাম লিখোৱাৰ কথা ভাবে। তদুপৰি দেশখনৰ প্ৰশাসনত ষ্টেট্চ্‌মেন বা ভৱিষ্যদ্ৰষ্টা নাথাকি ৰাজনীতিজ্ঞ থকা বাবে অসমীয়া মধ্যবিত্তৰ জীৱিকা বা কেৰিয়াৰ গঢ়াৰ সুযোগ অত্যন্ত সীমিত। সেয়েহে অসমীয়া যুৱক-যুৱতীয়ে অসম অসমীয়াৰ বুলি নাভাবি ভাৰত অসমীয়াৰ বুলি ভাবি কেৰিয়াৰ গঢ়িবলৈ আগবাঢ়িব লাগে।

সদ্যহতে প্ৰযুক্তিৰ প্ৰভাৰ বঢ়া দেখি অহা দহ বছৰলৈ পদাৰ্থবিদ্যা, ৰসায়নবিদ্যা, গণিত, পৰিসংখ্যা আৰু অৰ্থনীতিৰ প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ উপাধি থকা মানুহৰ বাবে চৰকাৰী আৰু কৰ্পোৰেট চেক্টৰত চাকৰিৰ অভাৱ নহ'ব। মাথো এনে কৰ্ম সংস্থান দাক্ষিণাত্য, পশ্চিম ভাৰত আৰু দিল্লীত সৰহকৈ ওলাব।

ইউ পি এছ চি আৰু ষ্টাফ চিলেকচন কমিছনে পতা সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত বহিবলৈ অসমীয়া ডেকা-ডেকেৰীৰ আগ্ৰহ বঢ়া দেখা গৈছে। যদিওবা যিকোনো শাখাৰ স্নাতকসকলে এই পৰীক্ষাত বহিব পাৰে, তথাপিও স্নাতকোত্তৰ উপাধি থকা মানুহেহে এই পৰীক্ষাত যশস্বী হোৱা দেখা যায়। এনেধৰণৰ কেৰিয়াৰৰ প্ৰতি আগ্ৰহী মানুহে স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থাকোঁতেই প্ৰস্তুতি আৰম্ভ কৰা উচিত। তেওঁলোকে দিল্লী বিশ্ববিদ্যালয়, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় আৰু তামিলনাড়ু কৃষি বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যপুথি, সন্দৰ্ভ পুথি আদি মনোযোগ দি পঢ়িলে সোনকালে সুফল পাব পাৰে।

দ্বিতীয়তে চৰকাৰী চাকৰিৰ সংখ্যা কমি অহা আৰু পৰীক্ষার্থীৰ সংখ্যা বাঢ়ি অহা বাবে চেণ্ট্রেল চিভিল চার্ভিছেছ এক্সামিনেচন আৰু কম্বাইণ্ড ডিফেন্স চার্ভিছেছ এক্সামিনেচনত সফল হ'বলৈ তীব্ৰ প্ৰতিযোগিতাৰ সন্মুখীন হ'বলগীয়া হয়। সেই দেখি বিকল্প কেৰিয়াৰৰ বাবেও চিন্তা কৰি থ'ব লাগে।

আজিৰ তাৰিখত স্নাতকোত্তৰ উপাধি থাকিলে পাব পৰা চাকৰি বা কৰ্ম সংস্থানবিলাকৰ ভিতৰত উল্লেখ কৰিব পৰা বিধৰ পদবোৰ তলত লিখা বিধৰ; যেনে-

১। ভাৰত চৰকাৰৰ শীৰ্ষ বিত্তীয় প্ৰতিষ্ঠানবোৰৰ বিষয়া

২। ৰাষ্ট্ৰীয়কৃত, বেচৰকাৰী আৰু সমবায় বেংকবিলাকৰ বিষয়া

৩। ৰাজহুৱা প্ৰতিষ্ঠানবিলাকৰ গৱেষণা বিষয়া (কেৱল এম. এছ. চি. বা বিজ্ঞানৰ স্নাতকোত্তৰ উপাধিধাৰীৰ বাবেহে)

৪। ৰাজহুৱা প্ৰতিষ্ঠানবিলাকৰ অ-কাৰিকৰী বিষয়া

৫। ব্যক্তিগত খণ্ডৰ বৃহৎ আৰু মজলীয়া উদ্যোগবোৰৰ অ-কাৰিকৰী বিষয়া।

৬। কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষক

৭। মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক (বি এড্ উপাধি থাকিব লাগিব। বি. এ. (এডুকেচন) ডিগ্ৰী থাকিলে নহ'বও পাৰে।)

৮। সেনাবাহিনীৰ তিনিওটা অঙ্গৰ নন কমিছণ্ড অ-কাৰিকৰী বিষয়া (সকলো স্নাতকোত্তৰ উপাধিৰ মানুহ যোগ্য নহ'বও পাৰে।)

ওপৰত উল্লেখ কৰা আঠোটা ক্ষেত্ৰত বাছনি পৰীক্ষা



উচ্চ শিক্ষাৰ সংকট

বিক্রমৰঞ্জন ৰয়

বিশ্বায়নৰ প্রক্রিয়াই উন্নয়নশীল আৰু তৃতীয় বিশ্বৰ দেশসমূহত প্রত্যাহ্বান আৰু প্রতিযোগিতাৰ সৃষ্টি কৰিছে। এই প্রতিযোগিতাত ফেৰ মাৰিবলৈ গৈ বৃহৎ জনসংখ্যাৰ দেশ ভাৰতবর্ষ বর্তমান সর্বদিশতে গভীৰ সংকটত নিমজ্জিত হৈছে। বিশ্ববেংক আৰু মুদ্রা ভাণ্ডাৰৰ শ্রুতলিপিত কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰবোৰে এনে কিছুমান নীতি গ্রহণ কৰি কার্যকৰী কৰি আছে যিবিলাকে সর্বস্তৰত সমস্যা সমাধানৰ পৰিৱর্তে নতুন নতুন সংকটৰ সৃষ্টি কৰি আছে। এই ক্ষেত্রত শিক্ষা, বিশেষকৈ উচ্চ শিক্ষা সামগ্রিকভাৱে এটি গভীৰ সংকটত পতিত হৈছে। ভাৰতবর্ষ তথা অসম ৰাজ্যৰ উচ্চ শিক্ষাৰ সংকট সম্পর্কে এই সৰু নিবন্ধটিত আলোচনা কৰাৰ প্রয়াস কৰিছোঁ।

আমাৰ ঐতিহ্য ঃ আমি ভাৰতীয়সকলে আমাৰ শিক্ষাৰ সোণালী দিনবোৰৰ কথা মনত পেলাই গৌৰৱবোধ কৰোঁ। বিক্রমশীলা, তক্ষশিলা, নালন্দা, বল্লভী আদিৰ দৰে বিশ্ববিদ্যালয় আমাৰ দেশত আছিল যিবিলাকত দেশ-বিদেশৰ ছাত্রই অধ্যয়ন কৰি জ্ঞান আহৰণ কৰিছিল। সেই সময়ত ইউৰোপৰ দৰে মহাদেশতো কোনো বিশ্ববিদ্যালয় নাছিল। ভাস্কৰাচার্য, আর্যভট্ট আদিৰ দৰে গণিতজ্ঞই গণিতৰ ভঁৰাল চহকী কৰি গৈছে। আমাৰ ব্যাকৰণবিদ পাণিনীয়ে ৰচনা কৰা ব্যাকৰণ হ'ল বিশ্বৰ ভিতৰত পুৰণি ব্যাকৰণ। এনেকৈ আৰু বহুতো উদাহৰণ দাঙি ধৰিব পাৰি যিবিলাকে আমাৰ শিক্ষাৰ ক্ষেত্রত অতীত গৌৰৱ ঘোষণা কৰে। অথচ বর্তমান ভাৰতৰ শিক্ষাৰ, বিশেষকৈ উচ্চ শিক্ষাৰ ছবিখন মুঠেই সন্তোষজনক নহয়।

উচ্চ শিক্ষাৰ তুলনামূলক ছবি ঃ ভাৰতবর্ষ স্বাধীন হোৱাৰ সময়ত আমাৰ দেশত মাত্র ২০খন বিশ্ববিদ্যালয় আৰু ৪৩৭ খন মহাবিদ্যালয় আছিল। স্বাধীনতাৰ পিছত গোটেই দেশত অসমভাৱে হ'লেও শিক্ষাৰ বিস্তাৰ হয় আৰু শিক্ষানুষ্ঠান গঢ়ি উঠে। বর্তমানে ভাৰতবর্ষত ৩০৬ খন বিশ্ববিদ্যালয় আৰু Deemed University আৰু ৮,৩০১ খন স্নাতক পর্যায়ৰ মহাবিদ্যালয় আৰু ২৩৪০ খন বৃত্তিমূলক অনুষ্ঠান আছে। এই উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত ৮৮ লাখ ছাত্র-ছাত্রীয়ে নামভর্তি কৰি আছে (UNESCO Report 2005)। বর্তমান সময়ত ১৯৪৭ চনৰ তুলনাত ২০ শতাংশ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ সংখ্যা বাঢ়িছে। কিন্তু ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ গুণগত মানদণ্ড আৰু পৰিসৰ আধুনিক বিশ্বৰ লগত খাপ খাব পৰাকৈ উন্নত আৰু বৃদ্ধি হোৱা নাই। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত শিক্ষকৰ সংখ্যাও ১৯৫০-৫১ চনৰ তুলনাত বহুত বাঢ়িছে। ১৯৫০-৫১ চনত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ মুঠ শিক্ষকৰ সংখ্যা আছিল ২১,২৬৪ জন; যিটো ২০০৫-০৬ চনত ৪.৫ লাখৰো অধিক হৈছেগৈ। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকৰ সংখ্যাৰ বৃদ্ধিৰ তুলনাত উচ্চ শিক্ষাত যুৱক-যুৱতীৰ অংশগ্রহণ কিন্তু বঢ়া নাই। যদিও ভাৰতৰ বর্তমানৰ চৰকাৰে এটা ভুৱা প্রচাৰ চলাই আছে যে ভাৰতবর্ষত উচ্চ শিক্ষা যথেষ্ট হৈছে; ইয়াৰ বৃদ্ধি কোনো কাৰণ নাই। কিন্তু আমি দেখিবলৈ পাইছোঁ যে ভাৰতৰ বর্তমান উচ্চ শিক্ষাত অংশগ্রহণৰ হাৰ শতকৰা ৬। যিটো ভাৰতৰ দৰে এখন দেশৰ বাবে অতি নগণ্য। বিশ্বৰ অন্যান্য দেশৰ লগত তুলনা কৰিলে চৰকাৰৰ আভুৱা প্রমাণিত হয়।

কানাডাত উচ্চ শিক্ষাৰ হাৰ	১০০%
আমেৰিকা যুক্তৰাষ্ট্রত	৮১.১%
ইংলণ্ডত	৪৮.৩%
কোৰিয়াত	৫২.০০%

উন্নয়নশীল দেশসমূহত এই হাৰ হ'ল গড়ে ৮.৯%। আনকি এছিয়া মহাদেশৰ দেশসমূহত উচ্চ শিক্ষাত অংশগ্রহণৰ হাৰ শতকৰা ৮.৭। এই তুলনামূলক তথ্যসমূহেই প্রমাণ কৰে যে আমাৰ দেশৰ চৰকাৰে যিমানেই ঢাক-ঢোল কোবাই প্রচাৰ নকৰক যে আমাৰ উচ্চ শিক্ষাৰ ব্যাপক প্রসাৰ হৈছে, আমাক আৰু উচ্চ শিক্ষা নালাগে, এই প্রচাৰ ভুৱা। প্রকৃততে উচ্চ শিক্ষাৰ ক্ষেত্রত আমি বহুত পিছ পৰি আছোঁ। কল্যাণকামী ৰাষ্ট্রৰ চৰকাৰ হিচাপে আমাৰ দেশীয় চৰকাৰৰ উচিত কর্তব্য আছিল মানৱ সম্পদ সৃষ্টিৰ বাবে উচ্চ শিক্ষাৰ ব্যাপক প্রসাৰৰ ব্যৱস্থা কৰা। কিন্তু তাৰ বিপৰীতে বাস্তৱত আমি লক্ষ্য কৰিছোঁ চৰকাৰে বিভিন্ন প্রকাৰে উচ্চ শিক্ষাৰ ক্ষেত্রখনলৈ সংকট নমাই আনিছে।

উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণ ঃ বিশ্ব বাণিজ্য সংস্থাই ১২ বিধ পৰিসেৱাক আন্তর্জাতিক বাণিজ্যৰ অন্তর্ভুক্ত কৰিছে। উচ্চ শিক্ষাৰ সেৱাও পৰিসেৱামূলক খণ্ডৰ অন্তর্ভুক্ত। General Agreement on Trade and Service চমুকৈ GATSৰ পৰিসেৱাই উচ্চ শিক্ষাক অন্তর্ভুক্ত কৰাৰ কাৰণেই GATSত স্বাক্ষৰকাৰী হিচাপে আমাৰ দেশে উচ্চ শিক্ষাক বাণিজ্যিকীকৰণ নীতি গ্রহণ কৰিছে। যিহেতু ভাৰততে উচ্চ শিক্ষাৰ স্তৰত শিক্ষা সেৱা সম্পূর্ণ বিনামূলীয়া নহয়, এটা নির্ধাৰিত মাচুল শিক্ষার্থীয়ে

কলেজখনৰ প্ৰাক্তন অধ্যক্ষ শইকীয়াক পালোঁ। দুয়ো দুয়োৰে খবৰ ল'লোঁ। খবৰ কাকতৰ দোকান এখনত বহি দেশৰ কথা উলিয়ালোঁ। লক্ষ্য কৰিলোঁ মোৰ লগত কথা পাতিবলৈ শইকীয়া আগ্ৰহী নহয়। কিবা বিমৰ্ষ বিমৰ্ষ যেন লাগিল। কিবা কথাত হয়তো ক্লান্ত হৈ আছে। তেওঁক মুক্তি দিলোঁ। মই আগবাঢ়িব খোজোতেই শইকীয়াৰ মুখত দেখা পালোঁ এখন ঘন ঘোৰ অৰণ্যৰ ছবি। কিয়? নুসুধিলোঁ। কিবা ব্যক্তিগত কথা হ'ব পায়। মই আগবাঢ়িলোঁ।

পাচলি দুবিধমান লৈ ঘুৰি আহোঁতে মোৱা মাছ অলপ লৈ বুঢ়া মানুহ এজনক বহি থকা পালোঁ। মাছৰ ভাগ এটাৰ মাজত মম এডাল জ্বলি আছে। বয়সত মোতকৈ ডাঙৰেই হ'ব কিজানি। মাছ লোৱাৰ মন নাছিল। মনত পৰিল মায়াই মোৱা মাছ খুব ভাল পায়। তেওঁ মোৱা মাছ পালে পাতত বৰ জুতি লগাকৈ দিয়ে। মায়াৰ হাতখন ভাল। যি ৰান্ধে সিয়েই অমৃত হয়। আইৰ নিচিনাই হাতৰ জুতি। টকালি পাৰি খাব পাৰি। আজিও মায়াৰ হাতৰ ভাল এসাঁজ খাওঁ বুলি মোৱা মাছ আধাসেৰ ল'লোঁ। ঘৰ পাই কেৰি বেগৰ পৰা মাছখিনি কাঁহী এখনত উলিয়ালোঁ। মায়াক চিঞৰিলোঁ-"মাছখিনি ধুই থোৱা। কেৰি বেগত বহুপৰ থাকিল, বেয়া হ'ব।"

পযেকীয়া আলোচনী এখনৰ গল্প-প্ৰবন্ধবোৰ পঢ়ি ভাত খাবৰ সময়ত মেজলৈ আহি দেখোঁ- মোৱা মাছৰ কাঁহীখনৰ ওপৰত মেকুৰী এটা বহি আছে। মই অহালৈ তাৰ কাণ-সাৰেই নাই। গভীৰ তৃপ্তিত তাৰ ভোজনলীলা চলাই আছে। তাৰ অন্ন পাৰ উপচি উফৰি পৰিছে। সেইবোৰ পাছত খাব!

কাষৰ স্কুলখনৰ ল'ৰা-ছোৱালীবোৰৰ উচ্ছল-আনন্দবোৰ বাৰাণ্ডাত বহি উপভোগ কৰি আছোঁ। সঁচাই কিমান ৰসাল সিহঁতৰ জীৱন! জীৱন যে বৰ অনুপম সিহঁতক দেখিলেই বুজিব পাৰি। মোৰ শৈশৱো সিহঁতৰ নিচিনাই আনন্দৰ আছিল। অৱশ্যে এতিয়াৰ দৰে কংক্ৰিটৰ তলত আমাৰ শৈশৱ অতিবাহিত হোৱা নাছিল। আমাৰ মূৰৰ ওপৰত আছিল এখন নীলবৰণীয়া সুবিমল আকাশ। চকুৰ আগত আছিল এখন সুবিশাল সেউজীয়া দলিচা। শৰতৰ শেৱালিৰ আমোলমোল গোন্ধ, দূৰৰিত পৰি ৰোৱা নিয়ৰৰ মুকুতাবুলীয়া হেঁপাহবোৰ চাই চাই আমিবোৰে আপোন পাহৰা হৈছিলোঁ। নাকত লাগি ৰৈছিল অনবৰত সেউজীয়া, কেৱল সেউজীয়া। গৰু চৰাই থাকোঁতে কৰা আনন্দবোৰৰ কঁহুৱা কোমল সুবাসবোৰ যেন সদায় চকুত লাগি ৰয়! ল'ৰা কেইজনমানৰ মাতত ভাবনা জগতৰ পৰা গুচি আহিলোঁ। তেওঁলোকক বহিবলৈ দিলোঁ। উদ্দেশ্য বিধেয় কৰিলে- আলোচনা চক্ৰ এখন পাতিছে। মই উদ্বোধন কৰিব লাগে। সিহঁতৰ মুখলৈ চালোঁ। দুখনমান চিনাকি মুখ। গভীৰ প্ৰত্যয় আছে।

ঃ যাব পাৰিলে ভালেই হয়; পাছে দেহাটোৰ ওপৰতহে কথা- মই সিহঁতলৈ চাই ক'লোঁ।

ঃ ভালে থাকিব ছাৰ। দেহা অলপ বেয়া যদিও মনৰ জোৰত আপুনি সকলো কাম নিয়াৰিকৈ কৰি পাৰিৰ ছাৰ। —মোক সাহস দিবলৈ এটাই যত্ন কৰিলে। মোৰ শীতল মনৰ সিহঁতে নাই পোৱা?

ঃ ঠিক আছে যাম দিয়া। দুদিনমানৰ আগতে আকৌ খবৰ এটা কৰিবা।

ঃ নিশ্চয় কৰিম ছাৰ। আমাৰ অগ্ৰগতিৰ সম্পৰ্কেও আপোনাক জনাম, কৈ তেওঁলোক যাবলৈ ওলাল। মোৰ ঘপ্‌কৈ মনত পৰিল, তেওঁলোকক একো এটা যচা নহ'ল।

ঃ ৰ'বা, অলপ বহা। ইমান দূৰ আহিছা। চাহ একাপ একাপ অন্ততঃ খাই যোৱা।

ঃ নাই নাই ছাৰ- বুলি আটাইকেইটাই চিঞৰি উঠিল। মোক সেমেকা হাঁহি একোটা উপহাৰ দি সিহঁত গ'লগৈ- অহা বাটেৰেই। মই চাই ৰ'লো সিহঁতৰ ভৰিৰ খোজ পৰি চিন নথকা সেউজীয়া বনডৰাৰ মাজলৈ।

টিভিটো অন কৰিলোঁ। এখন সামাজিক কথাছবি চলি আছে। এটা পৰিয়ালৰ পা�ৰিবাৰিক দুৰ্যোগ। নায়কে নায়িকাক উৎসৱৰ বতৰতো একো এটা দিব নোৱৰাত দুখত ভাগি পৰিছে। সুন্দৰ অভিনয়। নায়িকাগৰাকী ঠিক মায়াৰ নিচিনাই। তেওঁ নায়কক কৈছে- তুমি পাৰ্থিৱ বস্তুৰে উৎসৱৰ আনন্দ দিব পৰা নাই কি হ'ল- মনেৰেতো মোক আপ্লুত কৰি ৰাখিছা- সিয়েই যথেষ্ট। তোমাৰ এই বহল মনটো যেন সদায়েই থাকে। মায়ায়ো মোক কেতিয়াবা দুৰ্যোগৰ মুহূৰ্তত এনেকৈয়ে কয়। সাহস দিয়ে কোনো কাম কৰিবলৈ। মায়াক জীৱনৰ অৰ্ধাংগিনী হিচাপে পাই মই সুখী। দহজনতকৈ বেছি সুখী। পেছা আৰু নিচাৰ তাগিদাত মই ব্যস্ত থাকোঁতে সংসাৰৰ সকলো সমস্যাই মায়াই চম্ভালিছিল; অকলে। এবাৰৰ কথা মনত পৰিলে মোৰ বৰ দুখ লাগে। মই তেতিয়া মোৰ মৰমৰ কলেজখনত অধ্যাপনা কৰি আছোঁ। কলেজৰ শিক্ষক গোটৰ সম্পাদক হিচাপে এখন ৰাজ্যিক পৰ্যায়ৰ বিশেষ সভালৈ তিনিদিনৰ বাবে যাব লগা হ'ল। কলেজৰ কোৱার্টাৰত এৰি গ'লোঁ মায়া আৰু সুমনক। সুমনৰ তিনি বছৰ। মই যোৱা দিনাৰ পুৱাৰ পৰাই সুমনৰ জ্বৰ। মই যাওঁ নাযাওঁ ভাবি থাকোঁতেই মায়াৰ হুকুম- যোৱা মই যেনেতেনে এইকেইদিন সুমনক চাম আৰু। জ্বৰ কমিব লাগে। তুমি নগ'লেও নহ'ব নহয়। যোৱা, চিন্তা নকৰিবা। মই গুচি গ'লোঁ। মিটিঙৰ ব্যস্ততাত দুদিন মায়াৰ খবৰ ল'ব নোৱাৰিলোঁ। তিনি দিনৰ দিনা ভয়ে ভয়ে ফোন কৰিলোঁ। মায়াৰ মাতত সামান্য কঁপনি। মই সুধিলোঁ, সুমনৰ কেনে? বহুপৰ মায়াই একো নক'লে। পাছত লাহেকৈ ক'লে- এতিয়া ভাল।

ঘৰ পালোঁহি। মায়াৰ চেহেৰা দেখি অবাক। চকু দুটা দেখোন নাই। চকুৰ চাৰিওফালে কেৱল অমাৱস্যাৰ ঘোৰ অন্ধকাৰ। কথা কি? মই যোৱাৰ পাছৰ পৰাই সুমনৰ জ্বৰ বাঢ়িল। ডাক্তৰৰ ওচৰলৈ নিলে, দৰৱ দিলে; তথাপি জ্বৰ নকমে। মায়া নিৰুপায়। সহায় বিচাৰিবলৈ আমাৰ এঘৰতো কোনো নাই যি আহি মায়াৰ লগত দুটা দিন কটাব পাৰে। তীৰ-কঁপে উঠা জ্বৰক চাই মায়াই তিনিটা নিশা সম্পূৰ্ণ উজাগৰে কটালে বুকুত সীমাহীন শংকা লৈ। মায়াৰ কষ্ট অনুভৱ কৰিলোঁ। সুমনৰ এতিয়া ভাল। তাই শুইছে। মায়াক ক'লোঁ, এতিয়াৰ পৰা ক'ৰবালৈ গ'লে তোমাৰ ওচৰত লগ এটা থৈহে যাম দিয়া। মায়াই মোৰ বাবে খোৱাৰ দিহা কৰিবলৈ পাকঘৰত সোমাল। মোৰ কথাযাৰ নুশুনিলে!

সাদৰী মায়াক বিয়াৰ আগত এদিনো দেখা নাছিলোঁ। তেওঁ ক'ৰবাত মোৰ ফটো আৰু মোক সভাত দেখিছিল বোলে। নেদেখাকৈয়ে মই সম্মতি দিলোঁ বিয়াৰ বাবে দুটা কথাত। এক, মায়াৰ দেউতাকক মই ভালদৰে জানো। দেউতাকৰ ব্যক্তিত্বৰ পৰাই মায়া কেনে হ'ব এটা ধাৰণা লৈছিলোঁ। লগতে উচ্চ শিক্ষিতা মায়াৰ শৈক্ষিক জীৱনৰ সফলতায়ো মই মায়াৰ স'তে জীৱন কটাব পাৰিম বুলি দৃঢ়তা দিছিল। দ্বিতীয়তে, দেউতাবিহীন ঘৰখনত মা বৰ অকলশৰীয়া। মাক লগ এটা দিয়াটো একমাত্ৰ ল'ৰা হিচাপে মোৰ নিতান্তই কৰ্তব্য আছিল। যিহেতু বিয়া কৰাব পৰাকৈ মই উপযুক্ত সেয়ে অৰুণ মামাই মায়াৰ খবৰ অনাত মা একেযাৰে মাস্তি হ'ল আৰু মোৰ মতামত বিচাৰিলে। মোৰ সম্মতি পাই মা গ'ল মায়াক চাবলৈ। মায়াৰ ঘৰৰ পৰা আহি মায়ে প্ৰাণখুলি মৰা হাঁহিটোত মই নতুন জীৱনৰ বাবে সাজু হ'লোঁ। ব্যস্ততাৰ বাবে মাৰ তাগিদাৰ পাছতো মায়াক চোৱা নহ'ল। ফটো এখন আহিছিল। কেইবাজনীও কলেজীয়া বান্ধৱীৰ লগত তোলা। মই ফটোখন নাচালোঁ। কিজানি মায়াৰ বাদে আন কাৰোবাক ভাল লাগি যায়!

হোমৰ গুৰিত মায়াৰ মুখখন চাব খুজিলোঁ। ওৰণিয়ে ঢাক খাই আছে। মায়াৰ লাজ লাজ মুখ দেখিলোঁ একেবাৰে নিজৰ কোঠাত বাহী-বিয়াৰ দিনা। মোৰ কল্পনাৰ মায়াজনীতকৈ বহুত মাৰ্জিত বাস্তৱৰ মায়াজনী।

দিহে প্ৰৱেশ কৰিব পাৰি। সেয়েহে ন্যূনতম শৈক্ষণিক পাত্ৰতাৰ ওপৰত নিৰ্ভৰ কৰিলে নহয়। ইংৰাজী ভাষাৰ প্ৰাথমিক জ্ঞান, দশম শ্ৰেণীৰ গণিত, তৰ্ক সংগত চিন্তা কৰাৰ ক্ষমতা, সাধাৰণ জ্ঞান আদিৰ অধিকাৰী নহ'লে বাছনি পৰীক্ষাত সফল হ'ব নোৱাৰি।

অসমীয়া, বাংলা, বড়ো, হিন্দী, ইংৰাজী, আৰবী আৰু পার্ছী ভাষাৰ স্নাতকোত্তৰ উপাধি থকা মানুহৰ বাবে কম্পাৰেটিভ লিটাৰেচাৰ, ভাষাভিত্তিক সাংবাদিকতা, পুস্তক প্ৰকাশন আদি ক্ষেত্ৰ কেৰিয়াৰ গঢ়াৰ পক্ষে উৎসাহজনক ক্ষেত্ৰ। এইবিলাকত উদ্যমী স্বভাৱৰ অগতানুগতিক মানুহেহে আজিকালি লাভজনক কেৰিয়াৰ গঢ়িব পাৰে। বিদেশী ভাষা শিকিও ভাষা-সাহিত্যৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰীয়ে দোভাষী, অনুবাদক, সাংবাদিক আদি হ'ব পাৰে। আৰবী আৰু পার্ছী ভাষা-সাহিত্যৰ এম. এ. পাছ কৰা মানুহৰ বাবে ইছলামিক ষ্টাডিজ, মিডল ইষ্টার্ন পলিটিকেল গৰ্ভনেন্স, ইণ্টাৰনেচনেল ৰিলেচন্স আদিত কেৰিয়াৰ গঢ়াৰ সুবৰ্ণ সুযোগ আহিছে। সন্ত্ৰাসবাদ, খাৰুৱা তেলৰ মূল্যবৃদ্ধি, ধাৰ্মিক মনাদ্ধতাৰ প্ৰকোপ আদিৰ বাবে প্ৰত্যেক চৰকাৰ, মাল্টিনেচনেল কোম্পানী, মেডিয়া হাউছক ইছলামিক ষ্টাডিজৰ এক্সপাৰ্ট লগা হৈছে। ইয়াত পাইকাৰী হাৰত চাকৰি নোলাই যদিও ষ্ট্ৰেটেজিক ইণ্টাৰপ্ৰিটেচন দিব পৰা মানুহে পাৱাৰ পজিছন আৰু প্ৰস্পৰিটি পাবলৈ বেছি পৰ অপেক্ষা কৰিব নালাগে।

তেনেদৰে সংস্কৃত ভাষা জনা মানুহৰ বাবেও অনেক সুবিধা আছে যদিহে তেওঁ ইংৰাজী বা অইন বিদেশী ভাষাত লিখা-লিখি কৰিব পাৰে।

অৰ্থনীতিৰ স্নাতকোত্তৰ উপাধি থকা মানুহৰ বাবে সদ্যহতে চাকৰিৰ আকাল নাই যদিহে তেওঁ গণিত,কম্পিউটাৰত সিদ্ধহস্ত আৰু প্ৰথম শ্ৰেণীৰ এম. এ. বা এম. এছ. চি. হয়। চৰকাৰ, কৰ্পোৰেট চেক্টৰ আৰু ইণ্টাৰনেচনেল চিভিল চার্ভিছত প্ৰচুৰ অৰ্থনীতিবিদ লাগে। ইয়াত প্ৰৱেশ কৰিবলৈ যাওঁতে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে পোৱা প্ৰথম অসুবিধা হৈছে আমাৰ বিশ্ববিদ্যালয় কেইখনৰ পাঠ্যক্ৰমৰ সীমাবদ্ধতা। অনতিপলমে এই সীমাবদ্ধতা দুৰ হোৱাৰ আশা নাই। সেইবাবে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে দেলহি স্কুল অব ইক'নমিক্স, গোখলে ইনষ্টিটিউট অব পলিটিক্স এণ্ড ইকনমিশ্ৰ, পুণে, জে. এন. ইউ, আই. জি. আই. ডি. আৰ মুম্বাইৰ এম. এ.-এম এছ. চি. ইন ইক'নমিক্সৰ পাঠ্যপুথি আৰু সন্দৰ্ভ পুথিবোৰ ভালকৈ পঢ়ি থ'ব লাগে। এনার্জি ইক'নমিক্স, ট্ৰান্সপোৰ্ট ইক'নমিক্স, ডেভেলপমেন্টেল ইক'নমিক্সত বৰ্তমান বিশেষজ্ঞৰ চাহিদা অতি বেছি। এই চাহিদা অনুপাতে যোগান নাই।

মনোবিজ্ঞানৰ স্নাতকোত্তৰ উপাধি থকা মানুহৰ বাবেও প্ৰচুৰ কৰ্ম সংস্থান আছে। কিন্তু অসমত স্নাতক পৰ্যায়ত এই বিষয় পঢ়াৰ সুবিধা নোহোৱা হেতু আমাৰ ছাত্ৰ-ছাত্ৰীয়ে মনোবিজ্ঞানৰ চেলেঞ্জিং কেৰিয়াৰবোৰত প্ৰৱেশ কৰিব নোৱাৰে। আজিৰ তাৰিখত ইণ্ডাষ্ট্ৰিয়েল, ক্লিনিকেল, ভোকেচনেল আৰু এডুকেচনেল ছাইক'লজিত স্পেচিয়েলাইজেছন কৰা কোনো মনোবিজ্ঞানী নিবনুৱা হৈ থকা নাই।

ভূগোল, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান আৰু দর্শনৰ এম. এ. বা এম. এছ. চি. পাছ কৰা মানুহৰ বাবেও ভালেমান সুবিধা আছে। চৰকাৰী চাকৰিৰ বাচনি পৰীক্ষাবোৰত ভূগোল-বুৰঞ্জীৰ ১০-১৫ কৈ প্ৰশ্ন সন্নিৱিষ্ট কৰা হয়। দর্শনৰ ছাত্ৰ-ছাত্ৰীয়ে তর্কবিদ্যা জনা হেতু মেণ্টেল ৰিজনিঙৰ প্ৰশ্নত যথেষ্ট সুবিধা কৰিব পাৰে। বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, দর্শনৰ স্নাতকোত্তৰ উপাধি থকা মানুহৰ বাবে ষ্ট্ৰেটেজিক ষ্টাডিজ, ডিফেন্স ষ্টাডিজ, ইন্দোলজি আৰু চাস্তেনেবেল ডেভেলপমেন্টৰ সৈতে জড়িত প্ৰতিষ্ঠানবিলাকত প্ৰচুৰ কৰ্মসংস্থান ওলায়। ইংৰাজী ভাষাত অসমৰ মিলিটাৰী হিষ্ট্ৰি, হিস্তৰিকেল জার্নেলিজম, আর্কিটেক্সাৰেল জার্নেলিজম আদিৰ বিষয়ে লিখিব আৰু ভাষ্য কৰিব পৰা মানুহ নাই অথচ বুৰঞ্জী আৰু দর্শনৰ এম. এ. উপাধি থকা অসমীয়া মানুহৰ আকাল নাই।

এম. কম. উপাধি থকা মানুহে এম. বি. এ. উপাধিধাৰীৰ বাবে মুকলি সকলোবোৰ কেৰিয়াৰত প্ৰবেশ কৰিব পাৰে। কিন্তু অসমৰ এম. কম. সকলক কর্পোৰেট চেক্টৰে পছন্দ নকৰাৰ কাৰণ হ'ল তেওঁলোকৰ ছফ্ট স্কীলত থকা দুর্বলতা আৰু ফাইনেন্সিয়েল এপ্লিকেচনত থকা সীমাবদ্ধতা। এই দুয়োটা ক্ষেত্ৰত ন্যস্ত স্বার্থৰ বাবেই আমাৰ বিশ্ববিদ্যালয় কেইখনে আগবাঢ়িব পৰা নাই। তাৰ বাবে ব্যক্তিগতভাবে এম. কম. পঢ়ি থকা ছাত্ৰ এজনে যদি নিজৰ ছফ্ট স্কীল উন্নত কৰি লয় তেওঁ নিবনুৱা হৈ থাকিব নালাগে। তেনেদৰে একাউণ্টেন্সীত দক্ষতা থকা মানুহৰ বাবে অহা দহ বছৰলৈ চাকৰিৰ আকাল নহয় বুলি গেৰাণ্টি দিব পাৰি।

জীৱবিজ্ঞানৰ স্নাতকোত্তৰ উপাধি থকা মানুহৰ বাবে বর্তমান বর্দ্ধিষ্ণু কেৰিয়াৰৰ পথাৰখন হ'ল বায়োটেকন'লজিত। বায়োটেকন'লজিয়ে বছৰি লাখৰ হিচাপত কর্মসংস্থান সৃষ্টি কৰি আছে। কিন্তু তাৰে বেছি ভাগেই কর্ণাটকত।

তেনেদৰে ভূতত্ত্ব বা জিওলজিৰ স্নাতক উপাধি লোৱা মানুহৰ বাবে কেন্দ্ৰ চৰকাৰ, খনি দপ্তৰ আৰু ৰাসায়নিক উদ্যোগত প্ৰচুৰ কর্ম সংস্থাপন আছে।

এম. এ. বা এম. এছ. চি. পাছ কৰা মানুহৰ বাবে কেৰিয়াৰ নাই বুলি ভবাতো ভুল। পাৰম্পৰিক চাকৰিৰ বজাৰখনত নাটনি হৈছে যদিও নতুন নতুন ভালেমান চাকৰি ওলাই আছে। উদাহৰণস্বৰূপে ইন্সুৰেন্স চেক্টৰৰ ব্যক্তিগতকৰণ হোৱা হেতু বছৰি কুৰি হাজাৰ মানকৈ নতুন চাকৰি ওলায়। এই বিষয়ে বিতং বিৱৰণ দিবলৈ হ'লে এ-৪ চাইজৰ কাগজত দহ হাজাৰমান পৃষ্ঠা লিখিব পৰা যায়। গতিকে পটুৱৈসকলক আমনি নিদি প্ৰত্যাহ্বানৰ বিষয়ে উনুকিয়াও।

প্ৰাইভেট মাইক্ৰ' এণ্টাৰপ্ৰাইজৰ জৰিয়তে আমি অসমত নিবনুৱা সমস্যাৰ লগত যুঁজিব লাগিব আৰু তাৰ বাবে চৰকাৰে আগবঢ়োৱা আঁচনিবোৰৰ সহায় লোৱাত বাধা নাই। এইবিলাকৰ বাবে স্নাতকোত্তৰ উপাধিৰ দৰকাৰ নাই। কিন্তু এম এ পাছ কৰা মানুহ এজনৰ জ্ঞান বুদ্ধি অভিজ্ঞতা এম. এ. পাছ নকৰা মানুহতকৈ বেছি। গতিকে অসমীয়াত এম. এ. পাছ কৰি উঠি ফুলৰ খেতি কৰিলে বা গাহৰিৰ পাম খুলিলে উদ্যমীজন সহজে কৃতকার্য হ'ব পাৰে। এই বিষয়ৰ আইডিয়া পাব খোজা মানুহৰ বাবে বাংলা আৰু ইংৰাজী ভাষাত প্ৰচুৰ কিতাপ আছে। সেইবোৰ আমি পঢ়িব লাগে। তেনেদৰে ইণ্টাৰনেটৰ দ্বাৰাও বহু তথ্য গোটাব পাৰি। এই কথাবিলাক আমি নজনা নহয়। সেয়েহে দীঘলীয়া নকৰি অসমত এক লাখ টকা মূলধনেৰে খুলিব পৰা মাইক্ৰ' এণ্টাৰপ্ৰাইজ যিবিলাক ক্ষেত্ৰত গঢ়িব পাৰি তেনে আঠবিধমান ক্ষেত্ৰৰ উল্লেখ কৰি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ আলোচনীৰ ৫৭নং সংখ্যাত লিখাৰ সুযোগ দিয়া বাবে সম্পাদক শ্ৰীজয়ন্ত পাঠকৰ শলাগ লৈ সামৰিছোঁ।

১। ফ্লৰি কালচাৰেল পাম

২। হর্টিকালচাৰেল পাম

৩। হেয়াৰ কেয়াৰ, মেনিকিউৰ আদিৰ সুবিধা থকা বিউটি পার্লাৰ। (ইয়াত দহ বিধ স্পেচিয়েলাইজড ইউনিট খুলিব পাৰি।)

৪। পাৰ, কপৌ আদি চৰাইৰ অগতানুগতিক পাম


৫। কুচিয়া মাছৰ কৃত্ৰিম প্ৰজনন পাম

৬। ফলৰ ৰস তৈয়াৰ কৰা সৰু কলঘৰ (কৰ্দ্দে, ৰবাব আদি বজাৰ সহজে নোপোৱা ফল হ'লে বেছি সুবিধা।)

৭। গো মূত্ৰৰ শোধনাগাৰ (মানুহে খাব পৰাকৈ প্ৰস্তুত কৰা গোমূত্ৰ)

৮। ইথিনিক ফুডৰ ৰেস্তোৰা (একেলগে ছজন মানুহ বহিব পৰা।)

এখন যুৱ আলোচনীৰ কল্পনাৰে...



ৰবেন্দ্ৰ কুমাৰ দাস

যোৱা দুটা বছৰ ধৰি যোৰহাটৰ মৌচাক প্ৰকাশনে মোৰ ঘৰৰ ঠিকনাত ডাকযোগে প্ৰতিমাহৰ প্ৰথম সপ্তাহতে মই পোৱাকৈ মোলৈ তেওঁলোকৰ দ্বাৰা প্ৰকাশিত আলোচনী 'মৌচাক'ৰ এটা কপি পঠিয়াই আছে। মই এই আলোচনীখনৰ নিয়মীয়া গ্ৰাহক নহওঁ, আলোচনীখনৰ স'তে মোৰ কোনো ব্যক্তিগত যোগাযোগ নাই আৰু আলোচনীখনত কোনো দিনে মোৰ কোনো লেখাও প্ৰকাশ পোৱা নাই— মই প্ৰকাশৰ বাবে লেখা পঠিওৱাও নাই কোনোদিনে।

হয়। দহ বছৰ মানৰ আগতে মই এটা কাম কৰিছিলোঁ। 'দৈনিক অসম' কাকতখনত মই এটা প্ৰবন্ধ লিখিছিলোঁ— 'আমি কেনেদৰে লিখিছিলোঁ'। এই লেখাটো প্ৰকাশ হোৱাৰ কেইবামাহৰো পাছত 'মৌচাক'ৰ পৰা মোৰ স'তে টেলিফোনত যোগাযোগ হৈছিল লেখাটোৰ সম্পৰ্কত।

মোৰ সেই লেখাটো আছিল মৌচাক প্ৰকাশনে যোৱা ১৫টা মান বছৰে নিয়মীয়াকৈ প্ৰতিবছৰে প্ৰকাশ কৰি উলিওৱা 'আমি কেনেদৰে লিখিছিলোঁ' শীৰ্ষক কিতাপখনৰ কেইটামান বছৰৰ সংখ্যাকেইটা একত্ৰিত কৰি পৰ্যালোচনা কৰি লিখা এটা লেখা। মৌচাকৰ কিতাপখন 'আমি কেনেদৰে লিখিছিলোঁ' হ'ল প্ৰতি বছৰে হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাত বিভিন্ন বিষয়ত সৰ্বোচ্চ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলৰ হতুৱাই সেই প্ৰশ্ন কাকতখন পুনৰ লিখোৱাই সেই লেখনিসমূহ গোটাই লৈ কিতাপ আকাৰে চল্লিছ-পঞ্চাছ টকাত প্ৰকাশ কৰা। মোৰ সেই 'দৈনিক অসম'ত প্ৰকাশিত লেখাটোৰ আলমতেই দহ বছৰ মানৰ আগতে মৌচাক গোষ্ঠীৰ স'তে মোৰ তেনেদৰে টেলিফোনত পৰিচয় হৈছিল। এই ঘটনাৰ লগত মাহে মাহে মোলৈ 'বিনামূলীয়া'কৈ ডাকযোগে 'মৌচাক' পঠিয়াই থকাৰ কোনো সম্পৰ্ক নাই; কিন্তু, মই ভাবোঁ তেওঁলোকে সেই পৰিচয়ৰ মাধুৰ্যতেই এই কামটো মোৰ স'তে কৰি আছে।

মই মোৰ দৃষ্টিৰে 'মৌচাক'খন পঢ়োঁ।

২০১০ চনৰ আগষ্ট মাহৰ মৌচাকখন পঢ়ি উঠি হঠাৎ মোৰ ভাব হ'ল 'মৌচাক' অকণিহঁতৰ মাহেকীয়া আলোচনী নহৈ যদি 'যুৱক-যুৱতীসকলৰ মাহেকীয়া আলোচনী' হ'লহেঁতেন! 'মৌচাক'ৰ শিশুসুলভ নামটো যদি সলনি হৈ যৌৱন সমৃদ্ধ 'যুৱ' হ'লহেঁতেন!

'মৌচাক'ৰ সেই কল্পনাপ্ৰসূত সংস্কৰণটোৰ আধাৰতেই এই লেখা প্ৰস্তুত কৰিবলৈ কলম লোৱা হৈছে।

৫০ পৃষ্ঠাৰ আলোচনী 'মৌচাক'ৰ বেটুপাতৰ বাহিৰৰ পৃষ্ঠাত ৰঙা আখৰেৰে লিখা আছে— The largest circulated childrens monthly in Assamese. মোৰ হাতত থকা শেহতীয়া আগষ্ট, ২০১০ সংখ্যাটো 'মৌচাক'ৰ সপ্তবিংশ বছৰৰ চতুৰ্থ সংখ্যা। মূল্য পোন্ধৰ টকা। সম্পাদক- শান্তনু তামুলী।

অসমত এখন অকণিহঁতৰ মাহেকীয়া আলোচনী ২৭ বছৰ ধৰি প্ৰকাশ হৈ থকাটোও এক বিস্ময়। সাতাইশ বছৰীয়া 'মৌচাক' চফল ডেকা!

ৰঙীন বেটুপাতৰ 'মৌচাক'ৰ আগষ্ট সংখ্যাটোত অনামিকা নামৰ এক যুৱতীয়ে হাতত এটা ডাঙৰ 'কাপ' লৈ হাস্যবদনে উঠা ফটো এখন বেটুপাতত প্ৰকাশ কৰা হৈছে। লগতে লিখা আছে 'বিশ্ব বানান প্ৰতিযোগিতাত বিজয়ী'।

মহা-গান অবিৰাম, মোৰ ভিতৰে বাহিৰে...



খনীন চৌধুৰী

...গান এটা নুশুনাকৈয়ে মোৰ 'মই'টোৱে ইয়াৰ প্ৰতিধ্বনি শুনে। কেনেনো নুশুনা গানৰ প্ৰতিধ্বনি ৰূপেই ৰূপ লয় জীৱনে? সৌ সুদূৰত, বহুদূৰত... য'ত মিলি গৈছে, এটি-দুটিকৈ অলেখ জ্ঞান-কল্প, প্ৰতিধ্বনি জানো তাৰেই? য'ত মহাকাশৰ মহাকল্প পৃথিৱীলৈ নামি হয় স্পন্দিত বিলীয়মান-প্ৰতিধ্বনি জানো তাতেই, নে তাৰো আগত ক'ৰবাত হে...। কাৰ স্পন্দন বায় বীণ কোনে, এক সুবিশাল বৃক্ষৰ তলত, এক বিশালতাৰ মাজত অকলে। যুক্তি ক্ৰমে বোধ হৈ যায়, জীৱন আৰু প্ৰজ্ঞাৰ ঐকতান চলে, সুমহৎ-বিশালতাই সঁহাৰি দিয়ে— তাতেই নে?

ধুঁৱলি-ধূসৰ আকাশ অথচ মেঘহীন-ফৰকাল— শিল্পীৰ তুলিকাত, আকাশৰ স'তে মুখা-মুখি, পূবেৰুণ হেৰাল য'ত, ৰূপ লয় তাতেই নে? পশ্চিমত অৰুণ নাই, অৰ্ধ-প্ৰস্ফুটিত। বিনতা-পুত্ৰ, সবিতাৰ ৰথৰ সাৰথি যে। পাছে ৰবি, আগে অৰুণ,—সেয়ে। ফিৰাই দিয়ে পূবেৰুণ, মোৰ বীণৰ সুৰে। সুৰৰ প্ৰতিধ্বনি ফিৰি আহে-সুৰ-অৰুণ হৈ, জগত জগায় য'ৰ পৰা-যি সুৰৰ প্ৰতিধ্বনিয়ে। আলোকৰো সিপাৰৰ কোন আলোকৰ বাতৰি বিলায় মোৰ গানৰ, সুৰ-অৰুণে। সুৰৰ অৰুণ অৰ্ধ-প্ৰস্ফুটিত-প্ৰতিধ্বনিতহে শৰীৰ লৈ অৰুণ-সুৰ হয়— যেন এক অত্যুজ্জ্বল পূৰ্ণ-ভাস্কৰ, মোৰ গানৰ প্ৰতিধ্বনিয়ে কয়। —সেয়েই নে?

বায় বীণ, মোৰ কংকালে। ঝংকৃত বীণ মোৰ কঁপি উঠে, প্ৰবুদ্ধ বুদ্ধিৰ পৰা ৰক্তৰ গভীৰলৈ বাট বিচাৰে। বিজ্ঞানেই প্ৰজ্ঞা হৈ হয়, মহা-আনন্দৰ কল্পদ্ৰুম— মোৰ আৰোহণ-অৱৰোহণ ধাৰিত হয় শব্দৰ তৰংগ হৈ উত্তৰ-দক্ষিণ, পূব-পশ্চিমে। মোৰ মূঢ়তা-দীনতা, মুক-বধিৰতাই মৃত্যু-সম জ্ঞানৰ, ধ্ৰুৱ-বিশালতা হাতমেলি আঁকোৱালি নেপায়— বীণতো সি নপৰে যে ধৰা। 'যুক্তি'য়ে 'বোধ' হৈ 'আৰোহী-গমক'— এৰে মাথোঁ চুই যায়, প্ৰতিধ্বনিত শৰীৰ লয় 'গমক'ৰ নীৰৱতাই— ঝংকৃত-ছন্দিতা ম্লান-অদ্ভুত শ্ৰৱণ মহাগানে। কাৰুণ্যৰ বৈ যায় প্লাৱন। এই প্লাৱনৰ মহা-ছন্দত বীণ ভাহে-দেহ ভাহে, মধ্যমা বিচাৰে ৰাগে-শৰীৰ ল'বলে। শীৰ্ণ-বস্ত্ৰৰ কৰুণ প্ৰতিধ্বনিত আলোকৰ সুমহান ৰূপ উজলে।

শুনা, মোৰ গানৰ সুৰৰ প্ৰতিধ্বনি-আকাশ বিয়পা যে। শৰতৰ আকাশ শাৰদী-দৰদী হয়, আহিনে শেৱালি-নিয়ৰক মাতে দুবৰিৰে উমলিবলৈ। শাওণৰ বোকাত লখিমী-সপোনে কঠীয়া পাৰে। সাগৰতলীৰ সেউজীয়ে ৰোৱনীৰ আঙুলিৰে পথাৰত শালি-জহা, মাণিকী-মাধুৰীৰ বুটা বাছে-আকাশৰ তলত-আঘোণৰ পথাৰত মুগা-সোণোৱালীৰ ৰহণ চৰায়। কেতেকীয়ে বুকুত কাঁইট থৈ হিয়া ৰাঙলী কৰে। ৰাইজৰ-মংগলৰ তৃষা, কোনোবা কমলা-কুঁৱৰীৰ ডিঙিলৈ উঠে। মোৰ দক্ষিণ-হস্তৰ মধ্যমাত 'চৰা-সুৰ-সপ্তক'ৰ খৰ-মান চলে।

আৰু শুনা বিপৰীতে, কোন গানৰ সুৰৰ, ব্যাখ্যাৰ অতীত ছন্দ-পতনত, —জনতাৰ কোলাহল আকাশ বিয়পি পৰে। এই কোলাহল আৰু পতিত-ছন্দৰ শৃংখলহীনতাৰ সৃষ্টি কৰে এক অনাকাংক্ষিত মহা-অনুনাদ, মহা-দুখৰ সেয়ে। সেই অনুনাদৰ উত্থিত ভয়ংকৰ টৌত কম্পমান মোৰ সমষ্টিৰ অস্তিত্ব। ব্যক্তি আৰু সমষ্টিৰ ভ্ৰান্তিত-মহাসমষ্টিৰ বৈমাত্ৰা ভাহে। ভাসমান বৈমাত্ৰাক ছন্দায়িত কৰিব পুনৰ কোনো নৱ-চিস্ফনীৰ একক সুৰে —এই আশাত পুনৰ শিল্পীৰ সপোনৰ নীহাৰিকা উৰে, কোনো জ্যোতিৰ সপোনে ৰূপ ল'বলৈ বিশ্বভুৱন ঘুৰে।

অপৰিশ্ৰান্ত-অক্লান্ত সাধনা মোৰ অবিৰত-অবিৰাম, অহৰ্নিশে-নিৰবধি আগবাঢ়ে। পুনৰ সাগৰতলিৰ শেলুৰৈ উঠি আহে, কল্প-ব্যৱধানেৰে প্ৰচণ্ড-বেগে ধাৰিত হয় সমুখলে'। শিল্পীৰ তুলিকাই প্ৰতিধ্বনিক শৰীৰ দিয়ে। সেয়ে সুৰ ভাহে, শিল উৰে। কল্পই কল্পই ৰূপ সলায়, প্ৰতি কল্পৰ সুৰ বিস্তৃতিয়ে চিস্ফনীৰ মাত্ৰা সলায়। নীৰৱতা বিয়পায় কোলাহলে। মৰুভূমিৰ মাজতেই মৰূদ্যান, বিপৰীতে উৰ্বৰা ধৰিত্ৰীত মৰুভূমিৰ দুখ-শুনা যায় চিৰন্তন। ই কিহৰ বেদনা, প্ৰকাশৰ মাজতেই। এটি মাথো শব্দ, প্ৰতীকী হৈ নৈঃশব্দৰ মাত্ৰা চৰায়। মোৰ মনৰ প্ৰতীকী স্ফুৰণৰ সমাহাৰে ঐকতান জুৰে- কোন সুন্দৰৰ সাধনা কৰে! —ব্ৰহ্মাণ্ডৰ প্ৰতীকী স্ফুৰণ-সমাহাৰে, সেই সুন্দৰকেই নমস্কাৰ কৰে! সুৰ-অপৰূপৰ লুকা-ভাকু খেলাৰে কোটি ব্ৰহ্মাণ্ডৰ স্থপতিয়ে গঢ় লয়-গ্ৰহ-তৰা-হাটী-পটী সকলো সাকাৰ হয়। পৃথিৱীলৈ নামে ফাগুন-বসন্ত, আকাশ-ৰঙোৱা কমোৱা-কঁহুৱাৰে ধৰা ৰাঙলী হয়।

মহা-গানৰ প্ৰতিধ্বনিত মহাকাল-যন্ত্ৰ অহৰ্নিশে চলে। শিল্পীয়ে তুলিকা লয়, কবিয়ে শব্দ বাছে, জান-জুৰিৰ স'তে নটীয়ে নাচে। প্ৰজ্ঞাই বিজ্ঞান হৈ সমাজ গঢ়ে-সভ্যতা গঢ়ে। মহাগানৰ প্ৰতিধ্বনিয়ে ৰূপ সলাই নৱৰূপ ধৰে। মহাকালৰ মহাচক্ৰ ঘুৰে, নটৰাজে তাণ্ডৱ জুৰে, কোমল-গান্ধাৰেও ভাগ বিচাৰে। কোনো বঞ্চিত নহয়, বঞ্চনা নচলে— মাথোঁ মহানন্দৰ-মহামেল চলে। পতা আছে যি খেল ভাগে ভাগে, খেলি থাকে প্ৰতিটোৱে প্ৰতিজন, যাৰ যিটো ভাগে— ক্ৰমে ক্ৰমে উদ্ভাসি উঠে বিজ্ঞানে। সুৰ-অৰূপৰ খেলাৰ মাজতেই বিজ্ঞান-প্ৰজ্ঞাৰ কৰ্মশালা চলে- নে এক সদ্য-নতুনক সৃষ্টিৰ কমাৰ-শালে গঢ়ে! সংশ্লেষণ আৰু বিশ্লেষণৰ, গঢ়ন আৰু পিটনৰ অমৃতময় কাৰখানাত এনেকৈয়ে মহা-গান আৰু সুৰ চলে— অবিৰাম, মোৰ ভিতৰে-বাহিৰে।

টোকাঃ প্ৰবন্ধটি শিল্পী হেমন্ত মিশ্ৰৰ "ইক' অৰ এ চং" শীৰ্ষক চিত্ৰখনৰ আধাৰত লিখা। প্ৰবন্ধটি পূৰ্বে 'আমাৰ অসম'ত প্ৰকাশ হৈছিল।

THE ENVIRONMENTAL CRISIS AND HUMAN WELFARE

Dr. Jogen C. Kalita

The twin influences of genetic make up and environment shape all living beings in nature. Of all the living creatures Man, the most evolved, is the architect of his environment and responsible for his well-being. It is he who involves himself most intimately with his habitat.

We are subject to two types of environment-external and internal. Any change in the external environment, be it the biological, which includes animals, plants and microbes; the physical, that includes air, water, and physicochemical resources, or social, affect human well-being.

Since the begining Man has been harnessing Nature to fulfil his needs and has maintained a harmonious relationship with her. It was as if nature is to be exploited to fulfil the genuine need of Man and not to fulfil his greed.

But the modern civilisation and rapid industrialization has made Man forget the important concept of ecological balance. It has changed his relationship with nature due to his urge for 'development' and to build what he considers the modern society. But 'development' at what cost? We have spoiled our precious environment. Today we face a crisis.

Regardless of the controversy over the mechanism and intensities of various anomalies in he global climate system, there is a general agreement that the growing industrialization and urbanization has dangerous role to play in such climate changes. These are readily growing and increasing their influences on climate to create a havoc for the mankind.

The idea that the actions of humanity might change the composition of the atmosphere and hence the world's climate has deep historical roots. As early as 1860's it was suggested that slight changes in atmospheric composition might bring about major variation in climate. At the end of 19th century the Swedish scientist Svante A. Arrhenius calculated how changes in carbondioxide (CO_2) content would affect the temperature at the Earth's surface. He estimated that a doubling of CO_2 would produce a global warming of about 7 to 11 degrees Fahrenheit (4 to 6 degrees celsius), not too far off modern calcultations. It was only with the inception of the international geophysical year, a world wide experiment in 1957 to monitor the global environment, that scientific data become available (killing et. al). The measuring devices were placed in the Mauna Loa climate observatory in Hawaii.

Killings observation together with others, triggered the wave of climate change research that has marked the past two decades. Studies have since been undertaken in many parts of the world. Yet because there were no immediate consequences for human health and no evident menifestation of climate change the work was slow to arouse political concern. It was in 1979 that the World Mateorological Organization in Geneva, recognizing the potential Global significance of the issue convened the first World climate conference. Then on, gradually, scientific awareness that humanity might actually be causing a planetary disruption began to register in the political world.

The urgency comes from the recognition that the earth and its atmosphere, its climate and the various components of the Earth system that sustain life have been changing since the beginning of the industrial age, became of human activities, but the changes have now become inauspicious. The examples are the warming of the global climate, sea level rises, antarctic ozone hole,

desertification, flood and soil depletion from indiscriminate and unplanned human activities.

A great threat to the environment is Deforestation. Deforestation is indeed a global problem, a big threat to the ecological balance. In India one third of the land cover was supposed to be under forest cover. Recent satellite surveys show- according to various estimates that not even half of this can be classified as forest. Continued deforestation has caused severe damage to our land. Deforestation of uplands has cost us most with severe floods every year and drastic shortening of irrigation projects due to massive silting. Deforestation if allowed at the present rate (an estimated 2.5 hactre per minute), at least 21 out of 33 countries will often fifty years, not have any forest products to speak of. On the otherhand desertification of the land (6 million hactres per year) caused largely by human activities, poor management and to an extent natural processes pose a serious threat to mankind.



The unethical dumping of hazardous and toxic chemicals has created another type of crisis by polluting the atmosphere and even the ground water. Till date more than 7 million chemicals that are in day to day use have been shown to be significantly injurious to human health. Millions do not have adequate water supply. Chemical pollution is a grave problem. The cities and the industrial complexes discharge into the atmosphere over twenty million tons per year of solid matter world wide, laced with various gases like CO_2CFC, Chlorocarbons, Hydrocarbons, (e.g., Methane), compounds of Nitrogen and Sulphur. The rapidly growing concentration of these trace gasses has given rise to a tropospheric warming over the years. This may lead to a sea level rise which would have a disastrous effect on coastal low lying areas. The acid rainfall, depletion of stratospheric 'ozone hole' and various health hazards may occur due to emmission of Sulphur and Nitrogenous pollutants.

Pesticides and insecticides have remarkably increased agricultural production and improved the health standard of man. However, they also impose hazards to the environment and their continuous use has resulted in the problem of environmental contamination. The Biological system in which these residues accumulate, cause direct threat to the ecosystem in general and biological species in particular.

Another great threat to the environment is chemical and radiation hazards. The use of radiation and radioactive elements is quite common in the field of medicine, agriculture, engineering, military, forensic and in other research purposes. The injurious effects of the radiation to the environment were recognized long back in 1885 soon after the discovery of X-ray by Roentgen. The happening of the 'three miles island' out side Harrisburg Pensylvania in 1979 and of 'Chernobyl' in USSR opened the eyes of the world and the people throughout the world started considering these hazards very seriously. It is time to put a stop to any additional atmospheric pollution especially from the latest threat- that of nuclear weapons testing.

Drugs play an essential role in the environment of mankind in twentieth century. A contact with drugs begins even before birth, not only in advanced countries, but also in developing country like India. The scope of drug usage in pregnancy is revealed by 900 different drugs taken by pregnant woman. 60-70% of all developmental defects are of unknown origin and 2-3% are known to be due to drugs and environmental chemicals.

The compulsion of Man to develop what he considers an advanced society and technological progress, has engulfed and dominated the entire Biosphere and beyond. In his process he is alienating himself from his environment. Nature backons him to return but its efforts are proving feeble as Man is too preoccupied to pause and think.

All these experiences are enough to warn us that if proper attention is not paid, what to talk about welfare, the survival of the human race will be difficult. Then USSR president Gorbachev rightly stated that ecological security, not military security, will be the principal concern of all nations in the next century as environmental conditions cause disruptions worldwide. Realizing that the future citizens must inherit an world in which the environment is sound, the governments and non-governments organizations throughout the world have taken several steps to safeguard the environment. However, these steps will not be fruitful unless they are actively supported by an informed public.

Environmental Effects of Atmospheric Aerosols

Binita Pathak

What are aerosols?

Climate change is the peak global issue of concern in 21st century. People all around the world are aware of consequences of global warming due to Green house gases and air pollutants. Though global warming due to GHGs results in increasing the rainfall by more evaporation of water vapor, but drying of land regions have also been observed in some regions over the globe. A cooling effect in the atmosphere has been experienced after a large volcanic eruption, although in this process an appreciable amount of pollutants are ejected into the atmosphere. For example after Mount Pinatabu volcanic eruption in Philippines (1991), a non uniform cooling of




Figure1. Sources of aerosols and interaction with solar radiation

0.5 °C was experienced in next two-three years (1991-1994) as revealed by Satellite measurements. Now questions arise what is making dry regions in the panet and global cooling while the most vital global warming is expected to wet and only warm the globe? All these are attributed to some of the air pollutants, which are available in the atmosphere especially in the form of solid or liqiud (not gases). These pollutants are the well known atmospheric suspended particles and are termed as aerosols. Atmospheric aerosols are ever-present and often observable by eye as dust, smoke, smog, mists, fume, fog, haze etc. These are smaller comparable to clouds and range in size from nanometers to tens of micrometers i.e., from large clusters of molecules to visible flecks of dust. Aerosols are present mostly in the troposphere (within 18 Km altitude from the Earth's surface) and stratosphere (altitude 18-50 Km) of Earth's atmosphere. Some aerosols like sea salt particles, windblown dust/soil, plant seeds, smoke from burning from land resources, particles ejected during volcanic erruption and interplanetary dust from meteorites etc are generated by nature. Since industrial revolution urbanization and increased population have give rise to an appreciable input (about 40% of total aerosol) of aerosols to the atmosphere including road dust, transportation emission, industrial dust, soot, elemental or black carbon and smoke from biomass burning, sulfate from fossil fuel combustion, nitrate organic particles etc, which are called man made or anthropogenic aerosols. Depending Aerosols are transported from their source regions to distant places by long-range transport mechamism. Aerosols are carried from Africa, Atlantic Ocean, East and south Asian countries etc to India. In areas of South Asia, pollution lofts into the upper atmosphere where it has been shown to be transported to even the furthest reaches of the North Pole. Studies have revealed that South Asia has become the largest contributor of black carbon aerosol emissions, and is also believed to be the greatest contributor of soot deposited within Greenland.

An aerosol both scatter and absorbs solar radiation reaching Earth's atmosphere and hence affect the Earth's radiation budget and

climate. When they interact directly with radiation either through scattering or absorption, the process is called the 'direct effect'. They indirectly affect the climate by acting as cloud condensation nuclei (CCN) thereby altering microphysical and radiative properties of clouds. This is calledd aerosol 'indirect effect'. Sulphates, nitrates and organic carbon, arising mainly from fossil fuel combustions and industrial emissions mostly scatter the solar radiation while elemental carbon, mineral dust are efficient absorbers of sialr radiation. In doing so the aerosols appreciably reduce the surface reaching solar radiation. These processes of interaction by aerosols and other atmospheric constituents such as green house gases etc modify the incoming and outgoing solar radiation thereby altering the radiation budget of earth-atmosphere system is called Radiative Forcing and is measured in Watt per square meter (Wm^{-2}). The sign of Radiative forcing due to any atmospheric constituent decides whether the atmosphere and the Earth's surface will be warmed or cooled. For example, emissions of greenhouse gases leads to positive radiative forcing as they reduce the outgoing longwave radiation, forcing the earth out of radiative balance and towards a warmer state. Aerosols on the contrary, directly and indirectly by absorption and scattering the solar radiation back into the space reduce the surface reaching radiation, thereby enhancing planetary albedo (reflectance) and leading to negative surface forcing or cooling of the Earth's surface.

Black carbon aerosols when mixed with other aerosols such as sulfates, nitrates, numerous organic acids and dusts become very important anthropogenic component in the atmosphere known as Atmospheric Brown Clouds (ABCs), which have great global and regional influence on the environment and hence are becoming a very interesting topic of concern in 21st century.

Formation of cloud drops and effect on rainfall:

Aerosols, in particular sulfates and Organic particulates, larger than 0.1ìm provide the necessary nuclei or seed for formation of cloud drops and ice crystals. Increase in number of aerosol, (say in polluted regions) particles in the atmosphere lead to more number of cloud drops, which amplifies the reflection of solar radiation by clouds resulting the cooling of the surface. Thus an aerosol indirectly forces the Earth's atmosphere from out of radiation balance and hence is known as the indirect forcing or indirect effect of aerosols. Also, increasing the cloud droplet number concentration decreases the average cloud droplet size as they have to divide the same amount of available water vapor for forming cloud droplets. The small drops can not efficiently coalesce to form larger raindrops and hence decrease the effectiveness of rainfall. As a consequence there is a suppression of rain over the polluted regions and ultimately precipitation, rain and snow pattern may shift from highly polluted populated areas to the more pristine oceanic regions. *For example, In India polluted major cities experience less rainfall than the comparatively cleaner atmosphere of North-East.* Thus it is evident that aerosols are essential for cloud formation and at the same time presence of more aerosols leads to scanty of rainfall. This raises the question of whether there has been or will be a change in the availability of fresh water due to aerosols.

Aerosols such as sulfates, nitrates and organic acids are incorporated into raindrops either as nuclei or by washing out process by rain are removed from the atmosphere during rainfall. A raindrop in a clean atmosphere has a pH of about 5.6, but during wet deposition of pollution aerosols the pH drops, i.e., rain becomes acidic leading to acid rain.

Furthermore, absorbing aerosols such as soot (black carbon), when act as CCN can evaporate the cloud by reradiation. This reduces cloud cover and liquid water content by heating the cloud and the environment within which the cloud forms. This is known as the semi-direct effect because it is the result of direct interaction of aerosols with radiation but also influences climate indirectly by altering clouds. The semi-direct effect had a warming influence on climate because low clouds have a high reflectance but at the same time do not significantly reduce outgoing longwave radiation. This semi direct effect is more qualified in 'cloud burning' effect.

Reduction in visibility and Global dimming:

An aerosol, by both direct and indirect effect reduces the surface reaching solar radiation which in turn enhances cooling of the Earth's surface. As a result degradation in visibilty is experienced on the Earth's surface. This visibility degradation is probably the most readily perceived impact of air pollution. Aerosols of size 0.1-1 micrometer are the most effective in reducing visibility. Large emissions from widespread and persistent forest fires pose serious hazards resulting in low visibility. This gradual reduction in the amount of global direct irradiance at the surface leads to a phenomenon called Global dimming. India and China are witnessing an unabated continuation of the dimming trend into the twentieth century. Surface solar insolation over Indian stations has decreased by 10 W m^{-2} from 1970 to 2004 and in China it has decreased by about 15 W m^{-2} from 1954 to 2001. It ranges from a reduction of 3 to 12 W m^{-2} over many parts of North America and Europe and from 6 to 25 Wm^{-2} over Asia, Africa and S. America.

Contribution to global warming

Since the Industrial Revolution there has been a rapid rise in temperature with much of a change occurring in the past 100 years. 2005 and 1998 were the warmest years in the instrumental global surface temperature recorded since 1850. The global average surface temperature has increased especially since 1950 and during the last hundred years (1906-2005) it has increased by 0.74°C ± 1.8°C, which is higher than the increasing trend of 0.6°C±0.2°C in last millennium (1901-2000). The global warming by aerosols are attributed mainly to black carbon aerosols emitted as soot, both indoors (from cooking with wood, cow dung and crop residues) and outdoors (bio mass burning, coal and diesel combustion). The indoor smoke ultimately escapes outdoors and become part of air pollution. The outdoor pollution starts off as urban or rural haze. Fast atmospheric transport spreads the haze far and wide, in about 2 to 7 days, over an entire sub-continent or an ocean basin. Globally, biomass and biofuel burning contributes about 65% and fossil fuel about 35% respectively. The greenhouse effect of CO_2 and gases arise from the trapping of heat radiation (also known as infrared radiation) given off by the earth's surface, while the warming effect of BC arises because it absorbs (retains or traps) the solar radiation reflected by the earth's surface and clouds, which would have otherwise escaped to space. When globally averaged, BC is estimated to exert a net positive radiative forcing at the top-of-the atmosphere (i.e. a global warming effect). Next to Carbon Dioxide, BC in soot particles is potentially the second major contributor to the observed twentieth century global warming. It has been reported that BC from unmanned aerial vehicles enhances atmospheric solar heating by as much as 50%.




Figure 2: *The global annual mean radiative forcing of the climate system for the year 2000, relative to 1750 for all major known forcings (taken from the summary for policy makers, IPCC (2001)).*

Masking of Global Warming

Aerosols have an overall negative radiative forcing (IPCC, 2001) and this is attributed mainly to sulfate, nitrate and organic carbon aerosols. Hence aerosols are, generally, believed to offset, at least partly 25-50%, the global warming due to GHGs. The term 'Whitehouse effect' has been accredited to the cooling effect due to aerosols by analogy to the term 'greenhouse effect'. Because of less lifetime of aerosols their masking effect will diminish as soon as their emissions are curtailed, whereas GHGs will respond to emission reduction policies on decadal to century time scales. Hence aerosol effect varies regionally. Without a better quantification of the masking effect of ABCs, we would not know whether warming in the coming decades (if it were to occur) is due to the unmasking effect of ABCs (by efforts of cleaning up in Asia for example),
or due to release of stored greenhouse heating in the oceans, or continued increase in emission of greenhouse gases. Contribution of different constituents along with different types of aerosols including clouds have been shown in Figure 2.

The cooling effect due to aerosols is more evident from stratospheric aerosols ejected from volcanic eruptions which are distributed over the whole globe for years and is an important cause of primary global climate change. Both models and measurements show a transient (1992-1994) response of about -0.5ÚC in global mean surface temperature attributed to aerosols from Mt. Pinatubo eruption. A decreasing trend in temperature in Northern India and increasing trend in Southern India has been reported during 1951-1990 by D. R. Kothawale and K. Krishna Kumar which is attributed to the role of aerosols in lowering the temperature as Northern India is in the proximity of the region to the source of natural

aerosols from the deserts and also due to higher growth rate of population and industrialization.

Regional Climate, Monsoon Rainfall and Effect on hydrological cycle

The link between aerosols and rainfall has been suggested for selected regions, including the well-known Sahelian drought, the north-south shift in the East Asian monsoon and the South Asian region. ABCs impact the monsoon circulation and climate through several distinctively different processes.

1) The dimming of the Northern Indian Ocean and South Asia decreases surface evaporation from the ocean and since the primary fuel for the monsoon rainfall is evaporation of moisture from the Northern Indian Ocean (including the Arabian Sea and Bay of Bengal), this has a direct influence in reducing monsoon circulation and rainfall. The decrease in South Asian monsoon rainfall affects 2 billion Asians.

2) The dimming by ABCs is accompanied by a large increase in atmospheric solar heating (by 50% to 100%) which tends to stabilize the surface- atmosphere system by cooling the surface and warming the atmosphere.

3) Since aerosols including ABCs and their dimming effects are predominantly concentrated in the Northern Indian Ocean (NIO), Arabian Sea and Bay of Bengal (due to their proximity to pollution sources in South and South East Asia) with minimal effects in the South Indian Ocean (SIO), ABC induced dimming uppresses the sea surface temperatures (SSTs) north of the equator. This allows the Southern Indian Ocean to warm in response to the greenhouse warming. The monsoon rainfall over India has decreased since the 1950s and studies suggest that ABCs may be the primary driver of this negative trend. Impact on the monsoon circulation has potentially a large impact on South Asian agriculture, since monsoon rainfall correlates linearly with rice production. Globally, radiative cooling in the atmosphere is balanced by latent heat release through precipitation. By redistributing heat between the surface and the atmosphere, absorption by aerosols is likely to slow down the hydrological cycle. Hence together the aerosol radiation and microphysical effects can lead to a weaker hydrological cycle and drying of the planet which connects aerosols directly to availability of fresh water, a major environmental issue of the 21st century.

Global Scale Drying

Climate models which include greenhouse forcing suggest an increase in global rainfall with surface warming since the warmer oceans evaporate more moisture which subsequently reaches the surface as rainfall. Increased rainfall does not automatically imply increased availability of surface water, however, since in a warmer climate evaporation of surface moisture is also accelerated. The primary mechanism by which aerosols reduce global mean rainfall is by reducing the solar radiation reaching the surface of the earth. Direct observations revealed that the presence of absorbing black carbon magnified by a factor of 2 to 3, the reduction of solar radiation due to sulfates and other scattering aerosols. A reduction in the surface solar radiation can slow down the atmospheric hydrological cycle and reduce rainfall because roughly 75% of the globally averaged radiative heating of the surface is balanced by evaporation. Models studies have revealed that drying of land regions over the planet including Sahelian drought during last 50 years are due to aerosols only.

Retreat of Himalayan Glaciers

The retreat of the Himalayan-Hindu Kush (HHK) glaciers is one of the major environmental problems facing the Asian region. These glaciers feed several major Asian river systems including the Indus, Ganges, Brahmaputra, Mekong, Yangtze and Huang He. The livelihood of over 2 billion Asians is influenced by these rivers. The glacier retreat began in the mid nineteenth century in response to the termination of the mini ice age. The retreat has accelerated since the 1970s and includes major HHK glaciers such as Gangotri and over 90% of the Tibetan glaciers. Glaciologists link this acceleration to the large warming trend of about 0.25 C per decade that has been observed over the elevated HHK regions. The prevailing understanding is that the warming trend is part of the global warming due to greenhouse gases. But several American and European scientists have speculated that solar heating by soot in Atmospheric Brown Clouds and deposition of dark soot over bright snow surfaces may also be important contributing factors. New research published in the Aug 2 issue of the journal Nature by Ramanathan et al., in 2007 offers direct observational evidence for the magnitude of the solar heating of the lower atmosphere by tiny soot particles.

Effect on of aerosols on Antarctic Ozone Hole:

The depletion of Ozone concentration in the stratosphere in Antractic region is the well known "Antarctic Ozone Hole" phenomenon. Aerosols can act as sites for chemical reactions to take place (heterogeneous chemistry) in the stratosphere. During winter in the Polar Regions, aerosols grow to form polar stratospheric clouds. The large surface areas of these cloud particles provide sites for chemical reactions to take place. These reactions lead to the formation of large amounts of reactive chlorine and ultimately, to the destruction of ozone in the stratosphere. Evidence now exists which shows similar changes in stratospheric ozone concentrations occur after major volcanic eruptions For example it was observed in 1993-1994 after Pinatubo eruption that ozone values fell to usually low levels.

দিব লাগে, গতিকে GATSৰ নিয়ম-নীতি ইয়াত প্ৰয়োগ কৰিব পৰা যায়। এই বিষয়টোক ভিত্তি কৰিয়েই আৰু GATSৰ স্বাক্ষৰকাৰী হিচাপে বিশ্ববেংক আৰু আন্তৰ্জাতিক বেংক মুদ্ৰা ভাণ্ডাৰৰ শ্ৰুতলিপিত আমাৰ দেশৰ চৰকাৰ আৰু UGC এ উচ্চ শিক্ষাক সম্পূৰ্ণৰূপে বাণিজ্যিকীকৰণৰ নীতি গ্ৰহণ কৰিছে। পদক্ষেপ হিচাপে একবিংশ শতিকাৰ ভাৰতৰ বিশ্ববিদ্যালয়সমূহৰ বাবে ইউ জি চিৰ আৰ্হি আইন গৃহীত কৰি লৈ পৰ্যায়ক্ৰমে ভাৰতৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনক ব্যৱসায়িক গোষ্ঠীবোৰৰ বাবে মুকলি কৰি দিছে। বিশ্ব বাণিজ্য সংস্থাৰ অন্তৰ্ভুক্ত ১৪৩ খন সদস্য ৰাষ্ট্ৰৰ বৰ্তমানলৈ ৪০ খন সদস্যৰাষ্ট্ৰই বাণিজ্যিকীকৰণৰ নীতি গ্ৰহণ কৰিছে। বাকী দেশবোৰে উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণৰ বিৰোধিতা কৰিলেও আমাৰ চৰকাৰে উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণৰ বাবে GATSৰ নিৰ্দেশিত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণৰ পদক্ষেপ হিচাপে ভাৰত চৰকাৰে চৰকাৰী সাহায্যপ্ৰাপ্ত নতুন নতুন উচ্চ শিক্ষাৰ অনুষ্ঠান মুকলি কৰাৰ বিপৰীতে ইতিমধ্যে ৩ (তিনি) হাজাৰতকৈও অধিক তথাকথিত নিজস্ব ধন খটুৱাই পঢ়িব লগা (Self-financing) অনুষ্ঠানক উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত সোমোৱাৰ অনুমতি দিছে। আগৰে পৰা চলি থকা আৰু নতুনকৈ স্থাপন কৰা নিজস্ব আয়েৰে চলা (Self-financing) অনুষ্ঠানবোৰক Deemed University ৰ মৰ্যাদা প্ৰদানৰ বাবে নিয়ম ঢিলা কৰি দিছে। এনেকুৱা অনুষ্ঠানবোৰৰ একমাত্ৰ লক্ষ্য হ'ল লাভ সৃষ্টি কৰা। গুণগত শিক্ষা এওঁলোকৰ লক্ষ্য নহয়। এনেবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানে দুই-এক বছৰতে চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ সংখ্যাক চেৰ পেলাই যাব।

বাণিজ্যিকীকৰণৰ পদক্ষেপ হিচাপে বৃত্তিগত উচ্চ শিক্ষাৰ লগতে সাধাৰণ উচ্চ শিক্ষাতো মাচুল উচ্চ হাৰত বৃদ্ধি হৈছে আৰু এবছৰৰ মাচুল কেইবালাখ টকালৈও বৃদ্ধি হৈছে। মহামান্য উচ্চতম ন্যায়ালয় ৰায়ে মূলধনীয় মাচুল (Capitation Fees) আৰু সঞ্চালকৰ কোটা (Management-Quota)ৰ বৈধতা প্ৰদান কৰাত আনকি যিবিলাক ছাত্ৰই মেডিকেল আৰু ইঞ্জিনিয়াৰিঙৰ ভর্তিৰ বাছনিত উচ্চ আসনো লাভ কৰে তেওঁলোকেও উচ্চ মাচুলৰ বাবে ভর্তি হ'বলৈ সক্ষম নহ'ব আৰু উচ্চ শিক্ষাৰ পৰা বঞ্চিত হ'ব। উদ্যোগপতিদ্বয় মুকেশ আম্বানী আৰু কুমাৰ মংগলম বিৰলাৰ পৰামৰ্শমতে ভাৰতৰ উচ্চ শিক্ষাৰ পৰিকাঠামোটোক বজাৰমুখী কৰি তোলাৰ প্ৰয়াস চলি আছে। এতিয়াৰ চৰকাৰ আৰু UGC এ নিজৰ ভূমিকা গৌণ কৰি উচ্চশিক্ষাক ভাৰতীয় আৰু বিদেশী ব্যৱসায়ীৰ হাতত তুলি দিছে।

ইয়াৰ উপৰি শিক্ষানুষ্ঠানসমূহলৈ লেকামহীন স্বায়ত্ত শাসন প্ৰদান, অৰ্থজড়িত বাধ্যতামূলক মূল্যায়ন আৰু প্ৰত্যায়ন, ছাত্ৰঋণ আঁচনি, বিদেশী ছাত্ৰৰ পৰা ২৫-৩০ শতাংশ মাচুল সংগ্ৰহ কৰিব বিচৰা বিশ্ববিদ্যালয়সমূহক বিশেষ সুবিধা প্ৰদান কৰা আদি ব্যৱস্থা বাণিজ্যিকীকৰণত ত্বৰান্বিত কৰাৰ বাবে গ্ৰহণ কৰা হৈছে। বাণিজ্যিকীকৰণৰ লক্ষ্যৰে কলেজ, বিশ্ববিদ্যালয়সমূহত স্থায়ী নিযুক্তি বন্ধ কৰা হৈছে। এতিয়া কলেজ, বিশ্ববিদ্যালয়সমূহত চুক্তিৰ ভিত্তিত (তদর্থ ভিত্তিত, দৈনিক হাজিৰা, লেকচাৰ ভিত্তিত) আৰু বিভিন্ন ৰাজ্যত শিক্ষকক "কৰ্মী বাহিনী" (Para teacher) হিচাপে উদ্যোগীক শ্ৰমিকতকৈও কম দৰমহাত নিয়োগ চলি আছে। বিদেশী বিশ্ববিদ্যালয়সমূহৰ লগত ফেৰ মাৰিবলৈ UGC এ আমাৰ কলেজ, বিশ্ববিদ্যালয়সমূহক চার্টিফিকেট বা ডিপ্লমা পাঠ্যক্ৰম খোলাৰ বাবে জোৰ দি আছে। এই সকলোবোৰ ব্যৱস্থাৰ জৰিয়তে গোটেই উচ্চ শিক্ষাৰ লগত জড়িত সম্প্ৰদায়টোক (শিক্ষক, ছাত্ৰ, কৰ্মচাৰী) ব্যৱসায়িক আৰু লাভ সৃষ্টিকাৰী বজাৰমুখী এটা ব্যৱস্থাৰ লগত খাপ খুৱাবলৈ চেষ্টা চলাই আছে। এই প্ৰচেষ্টা আমাৰ বাবে কোনোদিনেই মংগলজনক নহ'ব। উচ্চ শিক্ষাৰ বাণিজিকীকৰণৰ অৱশ্যাম্ভাৰী ফল হিচাপে আমাৰ দেশৰ জনগণৰ বৃহৎ সংখ্যক ল'ৰা-ছোৱালীয়ে পণ্যৰ দৰে বজাৰৰ পৰা উচ্চ শিক্ষা ক্ৰয় কৰিব নোৱাৰিব আৰু ভৱিষ্যতে উচ্চ শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হ'ব। বাণিজ্যিকীকৰণৰ ফলস্বৰূপে উচ্চ শিক্ষাত অংশগ্ৰহণৰ হাৰ ৬ শতাংশৰ তললৈকেহে নামিব। উচ্চ শিক্ষাৰে কেৱল ভাৰতৰ নতুন-পুৰণি ধনীক শ্ৰেণীৰ ১০ শতাংশ সুবিধাভোগী অংশটোহে (Creamy Layer) উপকৃত হ'ব।

উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণ ঃ পিটাৰ এফ. ড্ৰুকাৰ নামৰ ব্যক্তিজনে ১৯৬৯ চনত পোনপ্ৰথমবাৰৰ বাবে পৰিসেৱাৰ ব্যক্তিগতকৰণৰ পৰামৰ্শ দিছিল। শিক্ষাৰ ব্যক্তিগতকৰণ ইতিমধ্যে মেক্সিকো, ব্ৰাজিল, চিলি আদি দেশত জনাজাত হৈ পৰিছে। আমাৰ দেশত উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ বীজটো ৰোপণ কৰা হয় ১৯৮৬ চনত গ্ৰহণ কৰা 'নতুন শিক্ষানীতি' আৰু ইয়াক ব্যাপকভাৱে আৰম্ভ কৰা হয় বিশ্বায়নৰ চৰ্ত হিচাপে। বিশ্বায়নৰ শ্লোগান হ'ল উদাৰীকৰণ আৰু ব্যক্তিগতকৰণ। উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ লক্ষ্য আগত ৰাখিয়েই 'একবিংশ শতিকাৰ বিশ্ববিদ্যালয়সমূহৰ বাবে UGCৰ আৰ্হি-বিধি' প্ৰস্তুত কৰা হৈছে। এই আৰ্হি-বিধিত উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ ওপৰত জোৰ দিয়া হৈছে। এই সকলো পদক্ষেপ গ্ৰহণ কৰা হৈ আছে বিশ্ববেংক আৰু আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰৰ নিৰ্দেশ মৰ্মে। বিশ্ববেংকৰ কাৰ্যসূচীৰ মূল বিষয়বোৰ হ'ল—

(১) উচ্চ শিক্ষাৰ চৰকাৰী প্ৰতিষ্ঠানবোৰত নামভর্তিৰ ক্ষেত্ৰত উচ্চসীমা নিৰ্ধাৰণ;

(২) ব্যক্তিগত শিক্ষানুষ্ঠানবোৰৰ বাবে উপযুক্ত পৰিবেশ সৃষ্টি;

(৩) শিক্ষাৰ ব্যয় ছাত্ৰৰ পৰা সংগ্ৰহ;

(৪) শিক্ষানুষ্ঠানবোৰক স্বায়ত্তশাসন প্ৰদান;

(৫) শিক্ষা ঋণ।

এই কাৰ্যসূচীবোৰৰ সাৰমৰ্ম হ'ল উচ্চ শিক্ষাৰ সম্পূৰ্ণ বেচৰকাৰী আৰু ব্যক্তিগতকৰণ। আম্বানী-বিৰলা ৰিপোৰ্টতো উচ্চ শিক্ষাক ব্যক্তিগত কৰাৰ জৰিয়তে চৰকাৰী ভূমিকা গৌণ (Marginalised) কৰাৰ পৰামৰ্শ দিছে। এই ৰিপোৰ্টত উচ্চ শিক্ষাৰ ক্ষেত্ৰত পোনপটীয়া বিদেশী পুঁজি বিনিয়োগৰ (FDI) পৰামৰ্শ দিছে আৰু নিয়ন্ত্ৰণ উঠাই লোৱাৰ পৰামৰ্শ দিয়াৰ লগতে উচ্চ শিক্ষাক দেশী-বিদেশী ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ হাতত গটাই দিয়াৰ পৰামৰ্শ দিছে। ভাৰতৰ আগৰ চৰকাৰখনেও অতি বিশ্বস্ততাৰে পৰামৰ্শসমূহ পালন কৰি কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰিছিল। বৰ্তমানৰ UPA চৰকাৰো তাৰ পৰাৰ আঁতৰি অহা নাই। উচ্চ শিক্ষাৰ গোটেই প্ৰক্ৰিয়াটো ব্যক্তিগত মালিকাধীন অনুষ্ঠানৰ আয়ত্তলৈ যোৱাৰ ফলস্বৰূপে দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষাৰ অনুষ্ঠানত প্ৰৱেশ নিষিদ্ধ হোৱাৰ পথত। তদুপৰি এনেকুৱা ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহত উচ্চ মাচুল দি প্ৰশিক্ষণপ্ৰাপ্ত হোৱা নাগৰিকসকলৰ জীৱনৰ মূলমন্ত্ৰ হয় কেৱল ব্যক্তিগত সম্পদ আহৰণ। নিজে বাস কৰা সমাজখনৰ প্ৰতি এওঁলোকৰ বেছিভাগৰে কোনো অনুকম্পা নাথাকে।

ৰাজ সাহায্য হ্ৰাসকৰণ ঃ বিশ্ববেংক আৰু আন্তৰ্জাতিক মুদ্ৰা ভাণ্ডাৰৰ শ্ৰুতলিপিত চলা নব্য উদাৰ অৰ্থনীতিৰ এটা মূল বৈশিষ্ট্য হ'ল সেৱাখণ্ডৰ পৰা ৰাজ সাহায্য কৰ্তন। এই নীতিৰ ফলস্বৰূপেই ভাৰত চৰকাৰে উচ্চ শিক্ষাক দি থকা ৰাজ সাহায্য দ্ৰুতগতিত হ্ৰাস কৰি চৰকাৰৰ ভূমিকা উচ্চ শিক্ষাৰ ক্ষেত্ৰত গৌণ কৰি আছে। ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ৰ অন্তৰ্গত "বিত্ত বিভাগে" (Department of Economic Affairs) ভাৰতত ৰাজ সাহায্য শীৰ্ষক যি ৰিপৰ্ট প্ৰকাশ কৰিছে


সেই ৰিপৰ্টত উচ্চ শিক্ষাক গুণহীন সম্পদ (Non-Merit goods) হিচাপে চিনাক্ত কৰি তালিকাভুক্ত কৰিছে আৰু উচ্চ শিক্ষাৰ পৰা ৰাজ সাহায্য উঠাই লোৱাৰ পৰামৰ্শ দিছে। কিন্তু আচৰিত কথাটো হ'ল যি পশ্চিমীয়া দেশসমূহৰ শ্ৰুতলিপিত আমাৰ দেশে উচ্চ শিক্ষাৰ পৰা ৰাজ সাহায্য কৰ্তন কৰি আছে, সেই পশ্চিমীয়া দেশসমূহে চৰকাৰী খণ্ডৰ উপৰি এনেকি ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহত বুজন পৰিমাণে সাহায্য প্ৰদান কৰে আৰু কৰ্তনৰ ক্ষেত্ৰত চৰকাৰৰ পক্ষপাতমূলক নীতিও দৃষ্টিগোচৰ হয়। যাক ৰাজ সাহায্য নালাগে তাক তহবিল খালী কৰি দুহাতেৰে ৰাজ সাহায্য প্ৰদান কৰা হয় আৰু যাক ৰাজ সাহায্যৰ প্ৰয়োজন হয় তাৰ পৰা ৰাজ সাহায্য কৰ্তন কৰা হয়। TMA Pai Foundation Caseত ৰায়দান কৰি মহামান্য উচ্চতম ন্যায়ালয়ে কৈছে যে উচ্চ শিক্ষা এটা Non-Merit Goods যাৰ সৈতে লাভসমূহ কেৱল উচ্চ শিক্ষা আহৰণ কৰা ব্যক্তিজনে পায়, সামগ্ৰিকভাৱে সমাজে নাপায়। এই বক্তব্যটো হ'ল বিশ্ববেংকৰ বক্তব্য আৰু বিশ্ববেংকৰ এই যুক্তি অনুসৰি কোৱা হৈছে যে যিবিলাকে উচ্চ শিক্ষা লাভ কৰিব বিচাৰে তেওঁলোক কোনো ৰাজ সাহায্য পাবৰ যোগ্য নহয়। অথচ এই একে মহামান্য আদালতে IIM সমূহত মাচুল হ্ৰাসকৰণক প্ৰত্যাহ্বান জনাই কৰা আবেদন ৰায়দানত কৈছে যে অনুষ্ঠান এটাৰ স্বায়ত্ত শাসনত হস্তক্ষেপ নকৰাকৈ Management শিক্ষাক ৰাজ সাহায্য দিয়াৰ অধিকাৰ চৰকাৰৰ আছে। আদালতৰ এনে ৰায়দানে স্পষ্ট কৰি দেখুৱায় যে সাধাৰণ মানুহৰ ল'ৰা-ছোৱালীবোৰে অধ্যয়ন কৰা উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰ লাহে লাহে ৰাজ সাহায্যৰ পৰা বঞ্চিত হ'ব।

উচ্চ শিক্ষাৰ সহজলভ্য সীমিতকৰণ ঃ উচ্চ শিক্ষাৰ সংকোচন বিচৰা মুষ্টিমেয় সুবিধাভোগী শ্ৰেণীটোৰ প্ৰবক্তাসকলে প্ৰচাৰ কৰি আছে যে ভাৰতবৰ্ষত উচ্চ শিক্ষাৰ প্ৰসাৰ অভাৱনীয়ভাৱে বেছি হৈছে আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহ সমাজৰ বাবে সম্পদৰ (Asset) সলনি বোজা (Liability) হে সৃষ্টি কৰিছে। ই এটা সম্পূৰ্ণ ভুৱা প্ৰচাৰ। উচ্চ শিক্ষাৰ পৰিভাষা মোৰ ফালৰ পৰা বিশ্বৰ এখন বৃহত্তম দেশ ভাৰতবৰ্ষত ১৭ ৰ পৰা ২৩ বছৰৰ যুৱক-যুৱতীৰ কোনোমতে ৬ শতাংশই উচ্চ শিক্ষাৰ সুযোগ লাভ কৰিছে। উন্নত দেশসমূহত এই হাৰ গড়ে ৬০ শতাংশ। এইটো সাধাৰণতে স্বীকৃত যে বৰ্তমানৰ প্ৰজ্ঞামুখী অৰ্থনীতিত উন্নতি সাধন কৰাৰ বাবে ১৭ৰ পৰা ২৩ বছৰৰ যুৱক-যুৱতীৰ কমেও ২০ শতাংশই উচ্চ শিক্ষা লাভ কৰিব লাগিব। পৰিতাপৰ আৰু আচৰিত হ'বলগীয়া কথাটো হ'ল এইটো যে যি বিশ্ববেংকৰ কথা মতে আমাৰ দেশত উচ্চ শিক্ষাৰ সংকোচন নীতি গ্ৰহণ কৰা হৈছে সেই বিশ্ববেংকেই ইয়াৰ উচ্চ শিক্ষা সম্পৰ্কীয় পুৰণি ধাৰণা বাতিল কৰি নতুন তত্ত্ব প্ৰবৰ্তন কৰিছে। বিশ্ববেংকৰ মতে, উচ্চ শিক্ষা আৰু এতিয়া Non-Merit Goods হৈ থকা নাই। উচ্চ শিক্ষাৰ সন্দৰ্ভত বিশ্ববেংকৰ নতুন Report ত (Constructing Knowledge Societies : New Challange for Tertiary Education-2002) কোৱা হৈছে যে উচ্চ শিক্ষাই (Tertiary Education) গুৰুত্বপূৰ্ণ ৰাজহুৱা সম্পদ সৃষ্টি কৰে যিবোৰে সমাজৰ পৰা অভাৱ দূৰীকৰণ আৰু উন্নয়নত অতি দৰকাৰী। গতিকে এই সম্পদ (উচ্চ শিক্ষা) সমাজৰ সকলো স্তৰৰ মতা-তিৰোতাৰ বাবে সহজলভ্য কৰিব লাগে। (Tertiary Education confers important public goods that are essential to development and poverty reduction-goods must be accesible to all state, to all people and to both men and women) গতিকে দেখা যায় যে ভাৰত চৰকাৰৰ উচ্চ শিক্ষা সম্পৰ্কীয় নীতি বিশ্ববেংকৰ ঘোষণাতকৈও বেয়া আৰু বিপৰীত। ভাৰতৰ এজন প্ৰখ্যাত অৰ্থনীতিবিদ, বুদ্ধিজীৱি, JNUৰ অৰ্থনীতি বিভাগৰ অধ্যাপক প্ৰভাত পাটনায়কে কৈছে যে দেশত শক্তিশালী কৰাৰ বাবে উচ্চ শিক্ষাৰ প্ৰসাৰ লাগিবই। প্ৰফেচৰ পাটনায়কে কৈছে যে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ প্ৰসাৰৰ বাবে উচ্চ শিক্ষাৰ ব্যয় কৰ্তন কৰিব লাগিব এই যুক্তিটো ত্ৰুটীপূৰ্ণ। উচ্চ শিক্ষাৰ সবলীকৰণে কোনোপধ্যেই প্ৰাথমিক শিক্ষাৰ প্ৰসাৰক বাধাগ্ৰস্ত নকৰে। ভাৰতৰ জনগণৰ স্বাধীনতাক জীয়াই ৰখাৰ বাবে উচ্চ শিক্ষাৰ প্ৰসাৰ অত্যন্ত প্ৰয়োজন। নহ'লে আমি উচ্চ ধ্যান-ধাৰণা, নতুন চিন্তা আদিৰ বাবে দুদিন পিছত অন্য দেশৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিম।

উচ্চ শিক্ষাত পশ্চাৎমুখী আৰু অন্ধকাৰমুখী পাঠ্যক্ৰম ঃ বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ আগৰটো চৰকাৰৰ কাৰ্যকালত উচ্চ শিক্ষাত কৌশলপূৰ্ণভাৱে অন্ধকাৰমুখী (Obscutantist) আৰু অন্ধবিশ্বাসমুখী বিষয়বস্তু সুমুৱাই দিয়া হয়। আধুনিকতাৰ লগত অযুক্তিৰ চিন্তা আৰু অন্ধবিশ্বাসক সাঙুৰি দিয়া হয়। UGCৰ দ্বাৰা কলেজ পৰ্যায়ত কৰ্মকাণ্ড আৰু জ্যোতিষশাস্ত্ৰৰ পাঠ্যক্ৰম আৰম্ভ কৰি দিয়াতো ইয়াৰ এক জ্বলন্ত উদাহৰণ। ইয়াৰ লগতে নতুনত্ব আৰু পৰম্পৰাৰ নামত উচ্চ শিক্ষাক সাম্প্ৰদায়িকীকৰণৰ প্ৰচেষ্টা চলিছে যিটো ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ গাঁথনিটোৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। এই সমস্যাসমূহেও ভাৰতৰ উচ্চ শিক্ষাক সংকটত নিমজ্জিত কৰিছে।

অসমৰ উচ্চ শিক্ষা ঃ অসমৰ উচ্চ শিক্ষাৰ জগতখনো এক সৰ্বাত্মক সংকটৰ গৰাহত পৰিছে। ২০০১ চনৰ লোকপিয়ল মতে অসমৰ জনসংখ্যা ২,৬৬,৩৮,৪০০ জন আৰু উচ্চ শিক্ষা অনুষ্ঠান-বিশ্ববিদ্যালয় ৫খন, চৰকাৰী মহাবিদ্যালয় ৩খন, ঘাটি মঞ্জুৰীপ্ৰাপ্ত কলেজ ১৮৯খন আৰু চৰকাৰে ঘাটি মঞ্জুৰী দিব বুলি ঘোষণা কৰা ৬১ খন কলেজ আছে। ইয়াৰ উপৰি আৰু বহুতো অনুমতিপ্ৰাপ্ত স্নাতক পৰ্যায়ৰ মহাবিদ্যালয় আছে। জনসংখ্যাৰ তুলনাত উচ্চ শিক্ষাৰ অনুষ্ঠানৰ ক্ষেত্ৰত অসম চুবুৰীয়া ৰাজ্য পশ্চিম বংগতকৈ আগবাঢ়ি আছে। কিন্তু উচ্চ শিক্ষাৰ অনুষ্ঠান অনিয়মিতভাৱে বৃদ্ধি পালেও অসমৰ উচ্চ শিক্ষাত অংশগ্ৰহণৰ হাৰ বৃদ্ধি পোৱা নাই। কমিছেহে। তাৰোপৰি চৰকাৰে ২০০২ চনৰ মাৰ্চ মাহত এক নিৰ্দেশযোগে ঘাটি মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয়সমূহে পাই থকা চৰকাৰী অনুদান বছৰি ১০ শতাংশ কৰ্তন কৰা হ'ব আৰু পাঁচ বছৰৰ মুৰত এই কৰ্তন ৫০ শতাংশ কৰা হ'ব বুলি ঘোষণা কৰে। বিত্তীয় সংস্কাৰৰ নামত গ্ৰহণ কৰা উক্ত সিদ্ধান্ত আছিল সম্পূৰ্ণৰূপে উচ্চ শিক্ষা বিৰোধী দীৰ্ঘম্যাদী চৰকাৰী পৰিকল্পনাৰ এটা আংশিক ৰূপ। তীব্ৰ আন্দোলনৰ সম্মুখীন হৈ চৰকাৰে তৎকালীনভাৱে এই সিদ্ধান্ত বাতিল কৰিছে যদিও প্ৰতিবছৰে ফেব্ৰুৱাৰি মাহৰ দৰমহা আদায় নিদি ছদ্মবেশত ১০ শতাংশ অনুদান কৰ্তন চলাই আছে। মহাবিদ্যালয়সমূহক নিজাকৈ সম্পদ আহৰণৰ নামত উচ্চ হাৰত মাচুল বৃদ্ধি কৰিবলৈ বাধ্য কৰাইছে আৰু উচ্চ শিক্ষাক ব্যক্তিগত খণ্ডৰ ফালে ঠেলি দিছে। ফলস্বৰূপে অসমৰ গ্ৰাম্য অঞ্চলৰ দুখীয়া কৃষকৰ ল'ৰা-ছোৱালীক উচ্চ শিক্ষাৰ পৰা বঞ্চিত কৰাৰ ষড়যন্ত্ৰ চৰকাৰে চলাই আছে। ইতিমধ্যে অসমৰ গ্ৰাম্য অঞ্চলৰ মহাবিদ্যালয়সমূহৰ মাজত স্নাতক শ্ৰেণীত ছাত্ৰৰ ভৰ্তি সংখ্যা লক্ষ্যণীয়ভাৱে কমিছে।

ভাৰতবৰ্ষৰ তথা অসমৰ উচ্চ শিক্ষাৰ এই সংকটৰ সময়ত আমি শিক্ষক, ছাত্ৰ, অভিভাৱক, সচেতন ৰাইজ আৰু গণতান্ত্ৰিক নাগৰিকে প্ৰতিৰোধ গঢ়ি তুলিব লাগিব। উচ্চ শিক্ষাৰ সংকোচন, ব্যক্তিগতকৰণ, বাণিজ্যিকীকৰণ আৰু সাম্প্ৰদায়িকীকৰণ অনুদান কৰ্তন আদিৰ বিৰুদ্ধে সকলো স্তৰৰ দেশপ্ৰেমিক জনসাধাৰণ মাৰ বান্ধি থিয় দিব লাগিব।



ভাৰতীয় গণতন্ত্ৰ আৰু ছাত্ৰ সমাজৰ ভৱিষ্যৎ

ভাস্কৰ পাটগিৰি

মানুহ সমাজপ্ৰিয় প্ৰাণী। ছাত্ৰসকল সমাজৰ এক অভিন্ন অংগ। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে ছাত্ৰ সমাজৰ চিন্তা, উদ্দেশ্য, দৃষ্টিভংগী আদিয়েই অদূৰ ভৱিষ্যতৰ সামাজিক দৃশ্যপট সলনি কৰিবলৈ যথেষ্ট। ছাত্ৰ সমাজ হৈছে প্ৰাণ-প্ৰাচুৰ্য্য, সৃষ্টিশীলতা, উদ্যম আদিৰে উচ্ছল এক অজেয় শক্তি। এই চালিকা শক্তিয়ে সমাজক কিমানদূৰ পৰ্য্যন্ত অৱিহণা যোগাব, সেয়া নিৰ্ভৰ কৰে এনে শক্তিৰ ব্যৱহাৰৰ সদিচ্ছাৰ ওপৰত।

ভাৰতৰ বৰ্তমানৰ সমাজ ব্যৱস্থা হৈছে গণতান্ত্ৰিক সমাজ ব্যৱস্থা। সেয়েহে, ভাৰতীয় ছাত্ৰ সমাজৰ অতীত, বৰ্তমান তথা ভৱিষ্যৎ এই সামাজিক ব্যৱস্থাৰ লগত ওতপ্ৰোতভাৱে সাঙুৰ খাই পৰিছে। কিন্তু ইয়াতে এক প্ৰশ্ন উত্থাপিত হয়। সেয়া হ'ল আজিৰ এই ভাৰতীয় সমাজ ব্যৱস্থাত ভাৰতীয় ছাত্ৰ সমাজৰ ভৱিষ্যৎ সঁচাকৈয়ে সুৰক্ষিত নে? এই ক্ষেত্ৰত ভিন্নজনৰ ভিন্ন মত দেখা যায়। যিসকলে গণতন্ত্ৰক সমৰ্থন কৰে তেওঁলোকৰ মতে গণতন্ত্ৰ হৈছে ন্যায় আৰু সমতাৰ ওপৰত প্ৰতিষ্ঠিত শাসন ব্যৱস্থা। সেয়েহে, ভাৰতৰ দৰে অৰ্থনৈতিক গাঁঠনিৰ দেশত গণতন্ত্ৰই মানুহৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰে। কিন্তু সমাজৰ এক বৃহৎ অংশই এই চিন্তাধাৰাৰ প্ৰতিবাদ কৰে। অতি সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে— গণতন্ত্ৰৰ মূল ভেটি সমতা আৰু স্বাধীনতা কেৱল মাত্ৰ তত্ত্বগত ধাৰণাহে। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ হৈছে অৰ্থনৈতিক বৈষম্য। এনে অৰ্থনৈতিক বৈষম্যই ভাৰতৰ দৰে গণতান্ত্ৰিক দেশৰ শাসন ব্যৱস্থা যে সমতা, স্বাধীনতা আদিৰ নামত এক প্ৰহসনহে তাক উদঙাই দেখুৱায়।

যিহেতু, ছাত্ৰ সমাজৰ ভৱিষ্যৎ দেশৰ শাসন ব্যৱস্থাৰ লগত ওতপ্ৰোতভাৱে জড়িত সেয়েহে এনে শাসন ব্যৱস্থাই বহ সময়ত ছাত্ৰ সমাজক বিপৰ্য্যয়ৰ গৰাহত শাসন কৰিব পাৰে। ভাৰতীয় গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ এক লক্ষ্যণীয় আঁসোৱাহ হৈছে এক সুনিৰ্দিষ্ট উদ্দেশ্যমুখী আৰু সৃষ্টিশীল শিক্ষানীতিৰ অভাৱ। ইয়াৰ কাৰণ ফঁহিয়াই চালে প্ৰথমেই চকুত পৰে শাসক শ্ৰেণীৰ ব্যৰ্থতা। ভাৰতীয় গণতন্ত্ৰত বহুদলীয় শাসন ব্যৱস্থা আছে যদিও এনে ব্যৱস্থাত এক সুস্থ, নিকা আৰু সফল চৰকাৰ গঠন হোৱাটো বৰ কঠিন। ইয়াৰ মূল কাৰণ হ'ল জনসাধাৰণৰ ৰাজনৈতিক চেতনাৰ অভাৱ। অৱশ্যে, প্ৰতিখন চৰকাৰেই নিজস্ব দৃষ্টিভংগীৰে গণতান্ত্ৰিক আশা-আকাংক্ষা প্ৰতিফলিত কৰিব পৰাকৈ লগতে সুস্থ, সবল, কৰ্মঠ, উদ্যোগী নাগৰিক সৃষ্টিৰ উদ্দেশ্যে শিক্ষানীতিৰ উপৰ্য্যুপৰি পৰিবৰ্তন সাধন কৰিয়েই আছে। ইয়াকে কৰিবলৈ যাওঁতে কেতিয়াবা হয়তো আমি অতীজৰ গুৰুগৃহত থাকি বেদ-পুৰাণৰ বাণী মুখস্থ কৰা তথা যাগ-যজ্ঞৰ বিধান দিয়া নতুবা শিক্ষাগ্ৰহণ, গুৰুদক্ষিণাৰ নামত সৰ্বস্ব ত্যাগ কৰা শিক্ষা ব্যৱস্থালৈও উভতি যাবলৈ বিচাৰিছোঁ। এনে ব্যৱস্থাই শিক্ষা ব্যৱস্থা সবল কৰাৰ সলনি ইয়াক অন্ধকাৰ ভৱিষ্যতলৈহে ঠেলি পঠিওৱাৰ আশংকা আছে। ইয়াৰ বাবেই বহুসময়ত ছাত্ৰ সমাজ নিজৰ উদ্দেশ্যৰ পৰা বিচলিত হৈ পৰিব পাৰে। দেখা গৈছে ভাৰতৰ দৰে গণতান্ত্ৰিক ব্যৱস্থাত কোনো বিশেষ উদ্দেশ্যমুখী আঁচনি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বহুতো স্বাৰ্থৰ সংঘাত সৃষ্টি হয়। ফলত এনে আঁচনিৰ সফলতা যিমানেই নিশ্চিত নহওক কিয় তাক গ্ৰহণ কৰিব নোৱাৰি। অৱশ্যে ছাত্ৰ সমাজৰ ভৱিষ্যৎ অন্ধকাৰময় কৰি তুলিব পৰা এনে বহুতো স্বাৰ্থ বিৰোধী মত বা আঁচনিৰ গণতান্ত্ৰিকভাৱে বিৰোধিতা কৰি ছাত্ৰ সমাজে সভা, শোভাযাত্ৰা, ধৰ্মঘট আদিৰে প্ৰতিবাদ সাব্যস্ত কৰিব পৰা ব্যৱস্থা অদ্যপি ভাৰতীয় গণতন্ত্ৰত আছে। বহু সময়ত ভাৰতীয় ৰাজনৈতিক দলসমূহৰ লগতে আঞ্চলিক দলসমূহে ছাত্ৰ সমাজক নিজৰ স্বাৰ্থপূৰণৰ বাবে এক অমোঘ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। অপৈণত বুদ্ধিৰ ছাত্ৰ সমাজক এনেবোৰ কু-চক্ৰান্তকাৰী গোট বা অনুষ্ঠানসমূহে নিজৰ উদ্দেশ্যৰ পৰা বিচলিত কৰি সমগ্ৰ দেশৰে ভৱিষ্যৎ বিপদজনক কৰি তোলা দেখা যায়। এটা কথা স্বীকাৰ কৰিবই লাগিব যে ৰাজনীতিত ছাত্ৰৰ এক সুকীয়া তথা গুৰুত্বপূৰ্ণ

ভূমিকা আছে। কিন্তু, সুস্থ ৰাজনৈতিক চিন্তাসম্পন্ন ব্যক্তিত্ব লাভৰ প্ৰাথমিক চৰ্তটোৱেই হ'ল শিক্ষা। যদিহে ৰাজনৈতিক ন্যায়, সমতা আদি লাভ কৰিবলৈ যাওঁতে শিক্ষাই অৱহেলিত হয় তেন্তে সি হ'ব ব্যৰ্থতাৰ নামান্তৰ মাথোন।

বৰ্তমান ভাৰতীয় শিক্ষা ব্যৱস্থাত বেচৰকাৰী খণ্ডই অগ্ৰাধিকাৰ পোৱা দেখা গৈছে। পাশ্চাত্য চিন্তাধাৰাৰ এনে বীজৰ মূল কেন্দ্ৰবিন্দু হৈছে— একমাত্ৰ লাভালাভ। এক কথাত ক'বলৈ গ'লে ইয়ো ভাৰতীয় গণতন্ত্ৰৰ নীতিবৰ্জিত আঁচনিৰ ফল। ভাৰতীয় গণতন্ত্ৰৰ পদচ্ছায়াত লালিত-পালিত অৰ্থনৈতিক বৈষম্যই বেচৰকাৰী খণ্ডৰ শিক্ষাৰ দৰে নীতি বিবৰ্জিত ব্যৱস্থাৰ সৃষ্টিত অহিণা যোগাইছে। কিন্তু, ব্যৱসায়মুখী শিক্ষা ব্যৱস্থাই উপযুক্ত নাগৰিক সৃষ্টিৰ ক্ষেত্ৰত কিমান দূৰ সফল হ'ব সেয়া এক প্ৰশ্নৰ বিষয়। বেচৰকাৰী খণ্ডৰ প্ৰতিযোগিতামূলক শিক্ষাৰ মনোভাৱৰ বিপৰীতে চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ শিক্ষক সমাজৰ, ছাত্ৰ সমাজৰ প্ৰতি দেখা দিয়া চূড়ান্ত অৱহেলাৰ মনোভাৱে দৰিদ্ৰ শ্ৰেণীৰ ছাত্ৰসকলৰ ভৱিষ্যৎ অনিশ্চয়তাৰে ভাৰাক্ৰান্ত কৰি তুলিছে।

ভাৰতীয় গণতন্ত্ৰত নতুনকৈ যোগ হোৱা এটা সংজ্ঞা হ'ল মুক্ত অৰ্থনীতি নতুবা গোলকীকৰণ। বহুতে মন্তব্য আগবঢ়ায় যে মুক্ত অৰ্থনীতিয়ে ভাৰতৰ অৰ্থব্যৱস্থালৈ এক সুদূৰপ্ৰসাৰী পৰিবৰ্তন কঢ়িয়াই আনিবলৈ সমৰ্থ হ'ব। কিন্তু, ইয়াতে অন্য এক প্ৰশ্নৰ উদ্ৰেক হয়। সেয়া হ'ল এনে পৰিবৰ্তন ভাৰতৰ ছাত্ৰ সমাজৰ পক্ষে লাভদায়ক হ'ব নে— ই সমাজৰ স্থলনতহে ইন্ধন যোগাব। মুক্ত অৰ্থনীতিৰ এক প্ৰধান পাৰ্শ্বক্ৰিয়াই হ'ল নিবনুৱা সমস্যা। শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য কেৱল মাত্ৰ একো একোজন শিক্ষিত, সফল, উদ্যমী ব্যক্তি সৃষ্টিয়েই নহয়। শিক্ষাৰ এক প্ৰধানতম উদ্দেশ্য হ'ল মানুহৰ মাজত সুপ্ত হৈ থকা সৃষ্টিশীলতাক সমাজৰ বৃহত্তৰ স্বাৰ্থত প্ৰয়োগ কৰা। দেখা গৈছে ভাৰতীয় গণতান্ত্ৰিক ধাৰণাৰে পৰিপুষ্ট সমাজ ব্যৱস্থাত এনে হোৱাটো প্ৰায় অসম্ভৱ। ভাৰতীয় সংবিধানত সমতাৰ ভেটিত সকলোৰে বাবে শিক্ষাৰ ব্যৱস্থা কৰাৰ ইংগিত আছে। কিন্তু শিক্ষাৰ বাণিজ্যিকীকৰণৰ ধাৰণাই এনে ব্যৱস্থাৰ ফোঁপোলা-স্বৰূপটোহে উদঙাই দিয়ে। সাম্প্ৰতিককালত বেচৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাক বাদ দিলেও অন্য এক ভয়াৱহ চিত্ৰ আমাৰ চকুত জিলিকি উঠে। সেয়া হ'ল চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহত উচ্চ হাৰৰ মাচুল বৃদ্ধি। উচ্চতম ন্যায়ালয়ে এক বিশেষ শুনানীত শিক্ষাৰ বাণিজ্যিকীকৰণৰ সপক্ষে মত পোষণ কৰাৰ লগে লগে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক বৃহৎ পৰিবৰ্তন সাধন হ'ল। উচ্চতম ন্যায়ালয়ে উপভোক্তাৰ দ্বাৰা মূল্য প্ৰদান নীতি সমৰ্থন কৰাৰ লগে লগে বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষা ব্যৱস্থা এক বজাৰলৈ পৰিবৰ্তন হ'ল লগতে শিক্ষকসকলৰ ভূমিকা হৈ ৰ'ল কেৱল মাত্ৰ এজন বিক্ৰেতাৰহে। আনকি বিশ্ববিদ্যালয়সমূহৰো মাচুল বহুগুণে বৃদ্ধি পালে। এই সমগ্ৰ ব্যৱস্থা যে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ পৰিপন্থী তাক হয়তো বঢ়াই কোৱাৰ প্ৰয়োজন নাই। 'Edufest', 'Edufair' ইত্যাদিৰ জৰিয়তে শিক্ষাগ্ৰহণৰ কাৰ্যক অধিক বজাৰমুখী কৰিলে। কম আয়াস আৰু সহজতে উপলব্ধ এনে বজাৰত গ্ৰাহক আৰু বিক্ৰেতাৰ উপস্থিতি লক্ষ্যণীয় আৰু দিনে দিনে বৃদ্ধি হ'বলৈহে ধৰিলে। জে. এছ. মিলৰ মতে, "সাৰ্বজনীন ভোটাধিকাৰৰ স্বীকৃতিৰ পূৰ্বে সাৰ্বজনীন শিক্ষা ব্যৱস্থাৰ আৱশ্যক" ("Universal teaching must precede universal infranchisement.")।

যিহেতু, গণতান্ত্ৰিক শাসন ব্যৱস্থা জনমতৰ ভেটিত প্ৰতিষ্ঠিত হয়, সেয়েহে এনে শাসন ব্যৱস্থাত অশিক্ষিত, অজ্ঞ আৰু অক্ষম ব্যক্তিয়েও শাসনত অধিষ্ঠিত হ'ব পাৰে। ইয়ে ছাত্ৰ সমাজক কেৱলমাত্ৰ বিপথগামী কৰাই নহয় হতাশ কৰিও তুলিব পাৰে।

ভাৰতীয় গণতন্ত্ৰ ঐক্য, শান্তি আৰু সমতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত বুলি দাবী কৰা হয় যদিও প্ৰকৃতাৰ্থত তাৰ ঠিক বিপৰীত প্ৰতিচ্ছবিহে ভাৰতীয় সমাজ-ব্যৱস্থাত প্ৰতিফলিত হয়। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ৰাজ্য তথা অঞ্চলৰ প্ৰতি সদায়ে আগবঢ়াই অহা বৈষম্যমূলক আচৰণৰ কথা উনুকিয়াব পাৰি। ইয়াৰ মূল কাৰণ হৈছে চৰকাৰ আৰু জনসাধাৰণৰ মাজত থকা আদৰ্শ তথা চিন্তাৰ প্ৰভেদ। ইয়াকে মূল ভেটি হিচাপে লৈ সাম্প্ৰতিক সময়ছোৱাত ভাৰতৰ ঠায়ে ঠায়ে গা কৰি উঠিছে বিভিন্ন সমাজবিৰোধী শক্তিয়ে। এনে শক্তিসমূহে আকৌ ভাৰতীয় ছাত্ৰ সমাজক নিজস্ব উদ্দেশ্য সাধনৰ বাবে ব্যৱহাৰ কৰিবলৈ উঠি পৰি লাগিছে। ফলস্বৰূপে গঢ় লৈ উঠিছে সন্ত্ৰাসবাদ। যদিহে, এনেবোৰ সমস্যাক মষিমূৰ কৰিব লগা হয়, তেন্তে প্ৰথমেই প্ৰয়োজন হ'ব সমাজ ব্যৱস্থাৰ পৰিবৰ্তন। সম্পূৰ্ণ ঐক্য আৰু সমতাৰ ভিত্তিত সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ কথা উল্লেখ কৰাৰ লগে লগে প্ৰশ্ন উদয় হয় সেই সমাজ ব্যৱস্থাৰ পৰিবৰ্তন কেনেদৰে কৰা হ'ব। অৱশ্যে ছাত্ৰ সমাজে এই সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ হকে সমৰ্থন আগবঢ়ালে পৰিবৰ্তন আশা কৰিব পাৰি। কাৰণ, আজিৰ ছাত্ৰ ভৱিষ্যতৰ দেশৰ নাগৰিক। ভাৰতত গণতান্ত্ৰিক মাধ্যমেৰে তেনে পৰিবৰ্তন সম্ভৱ কৰি তোলাৰ খীণ আশা দেখা পোৱা যায় যদিহে ভাৰতৰ ছাত্ৰ সমাজৰ লগতে গোটেই ভাৰতবাসী সম্পূৰ্ণৰূপে শিক্ষিত হয়। নিৰক্ষৰতাই হৈছে গণতান্ত্ৰিক ৰাষ্ট্ৰৰ প্ৰধান প্ৰতিবন্ধকতা স্বৰূপ। বিশেষকৈ ভাৰতবৰ্ষত সমাজ-ব্যৱস্থাৰ পৰিবৰ্তন কৰাৰ বাবে আৱশ্যক একত্ৰিত বা সংঘবদ্ধ হৈ গণতান্ত্ৰিক আন্দোলন গঢ় দি তোলা আৰু তেনে আন্দোলনক দেশৰ বৃহত্তৰ স্বাৰ্থৰ বাবে সুপৰিকল্পিতভাৱে আগবঢ়াই নিয়া। নিশ্চিতভাৱে, আন্দোলন একমাত্ৰ পন্থা হ'ব নোৱাৰে। কিন্তু, আন্দোলন সংগঠিত হৈ সংঘবদ্ধ কৰিব পাৰিলে সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ লগতে শাসন ব্যৱস্থাৰো পৰিবৰ্তন হোৱাতো স্বাভাৱিক। কিছুমান ব্যক্তি বিশেষৰ নীতিক লৈয়ো ছাত্ৰ সমাজে আন্দোলন কৰা দেখা যায়। কিন্তু, ভাৰতৰ ছাত্ৰ সমাজে লক্ষ্য কৰিব লাগিব যে চকু মুদি কাৰোবাক অনুকৰণ কৰিলে সেয়া এক প্ৰকাৰৰ গোলামী বুলি ধৰিব পাৰি। সেয়ে, প্ৰত্যেকে নিজৰ মস্তিষ্কৰে সুস্থভাৱে নিৰীক্ষণ কৰিহে কোনো আদৰ্শ বা নীতি সমৰ্থন কৰা নতুবা সমৰ্থন নকৰাটো আৱশ্যক। ভাৰতৰ ছাত্ৰ সমাজে এইক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়াৰ আৱশ্যকতা আছে। সমাজ ব্যৱস্থাৰ পৰিবৰ্তনৰ লগে লগে শাসন ব্যৱস্থাৰো পৰিবৰ্তন আৱশ্যক। ভাৰতত ছাত্ৰ সমাজ কিছু পৰিমাণে ভাৰতীয় গণতন্ত্ৰৰ উপাদানস্বৰূপ ৰাজনীতিত জড়িত হোৱা দেখা যায়। ভৱিষ্যতত ইয়াৰ হাৰ বৃদ্ধি হোৱাৰ কথাও নুই কৰিব নোৱাৰি। ইবোৰে শিক্ষাৰ সুবিধাকৰণৰ বিপৰীতে শিক্ষাক এক সাৰ্বজনীন অধিকাৰ হিচাপে পুনৰ প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

যদিও ভাৰতীয় গণতন্ত্ৰই ছাত্ৰ সমাজৰ ভৱিষ্যতৰ ক্ষেত্ৰত সম্পূৰ্ণ সফল বুলি দাবী কৰিব নোৱাৰে তথাপিও কিন্তু এটা কথা স্বীকাৰ কৰিবই লাগিব যে গণতন্ত্ৰৰ মাজতেই ছাত্ৰ সমাজৰ ভৱিষ্যৎ সফল কৰি তোলাৰ মূল মন্ত্ৰও লুকাই আছে। ইয়াৰ বাবে ভাৰতীয় গণতান্ত্ৰিক ব্যৱস্থাৰ উৎকৰ্ষ সাধন কৰাৰ প্ৰয়োজনীয়তা আছে। কেৱল গণতান্ত্ৰিক ব্যৱস্থাৰে শাসক শ্ৰেণীৰ নিৰ্বাচনৰ দায়িত্ব সমাপ্ত নকৰি এক সুস্থ, শিক্ষিত সমাজ সৃষ্টি কৰি আৰু তাৰ জৰিয়তে এক সম্ভাৱনাময় চৰকাৰ গঠন কৰিব লাগিব। যিয়ে সমাজক ন্যায়-সমতা প্ৰদান কৰি ব্যক্তি প্ৰতিভা বিকাশত প্ৰকৃতাৰ্থত অহিণা যোগাব। ইয়ে হ'ব ভাৰতীয় গণতন্ত্ৰত ছাত্ৰ সমাজৰ ভৱিষ্যৎ গঢ় দিয়াৰ দৃঢ় ভেটি।



জাতিগত সংঘর্ষ আৰু অসমৰ ভৱিষ্যৎ

মায়াশ্রী মহন্ত

বুৰঞ্জীৰ পাত লুটিয়াই চালে আমি দেখিবলৈ পাওঁ অকল অসমতেই নহয়, গোটেই ভাৰতবর্ষতে বিভিন্ন জনগোষ্ঠীয়ে ঐক্য-সম্প্রীতি ৰক্ষা কৰি বসবাস কৰি আহিছিল। ভাৰতৰ স্বাধীনতাৰ আগলৈকে এই জনগোষ্ঠীসমূহ যেনে অনগ্রসৰ অৱস্থাত আছিল বর্তমান সেই অৱস্থাত নাই। শিক্ষা-দীক্ষাৰে বহুখিনি আগবাঢ়ি নিজ অধিকাৰৰ বাবে সচেতন হৈ পৰিছে এই জনগোষ্ঠীসমূহ। কিন্তু সেই জনগোষ্ঠীসমূহৰ মাজতে নিজৰ জাতিটোক শ্রেষ্ঠ বুলি ভাবি আন জাতিবোৰক তুচ্ছ বুলি ভবাৰ এক মানসিকতাও গঢ় লৈ উঠিছে। নিজৰ মাজতে গঢ় লোৱা তীব্র জাতিপ্রেমে জনগোষ্ঠীসমূহক কেতিয়াবা বিপথে পৰিচালিত কৰাও দেখা যায়। এনে মানসিকতাই অনবৰত ক্রিয়া কৰি থাকিলে তাৰ লগতে আন কেতবোৰ কাৰক যোগ হৈ জাতিগত সংঘর্ষৰ ৰূপ লয়গৈ। ফলত বহুবছৰৰ পৰা একেলগে ভাতৃত্ববোধেৰে বসবাস কৰি থকা জাতিসমূহৰ মাজৰ এনাজৰীডাল সুলকি পৰে আৰু ইজনে সিজনৰ শত্রু হৈ তেজৰ নদী বোৱাবলৈও কুণ্ঠাবোধ নকৰে।

যোৱা কেইবাটাও বছৰত ভাৰতবর্ষৰ বিভিন্ন প্রান্তত জাতিগত সংঘর্ষ সংঘটিত হৈছে। ১৯২২ চনৰ ৬ ডিচেম্বৰত অযোধ্যাৰ বাবৰি মছজিদ ধ্বংসৰ ফলত হোৱা হিন্দু-মুছলমানৰ সংঘর্ষ, উৰিষ্যা কান্ধমাল আৰু কর্ণাটকৰ উডুপী জিলাত হোৱা হিন্দু মৌলবাদী আৰু খ্রীষ্টধর্মী লোকৰ মাজৰ সংঘর্ষ আদিয়ে ভাৰতৰ সমগ্র জাতীয় সত্তাটোকে জোকাৰি গৈছে। তেনেদৰে বহু সময়ত জাতিগত সংঘর্ষই জোকাৰি গৈছে অসমকো। আৰু এইবোৰে অসমত বাস কৰা জাতি-জনজাতিসমূহৰ মাজৰ ঐক্যৰ প্রতি ভাবুকি সৃষ্টি কৰিছে। অথচ ১৯৪৭ চন মানলৈকে অসমত এনে কোনো সংঘর্ষ হোৱাৰ তথ্য নাই। বর্ণিল অসমত সকলো জাতি-জনজাতিয়ে সমিলমিলেৰে বাস কৰিছিল। কিন্তু লাহে লাহে যেন অসমত বিষপি পৰিল জাতিগত বা সাম্প্রদায়িক সংঘর্ষৰ বিষবাষ্প। ১৯৬০-৭০ চনে মাতি আনিলে অসমক কংগ্রেছৰ সাতভাগে বিভক্তকৰণ। সূচনা হ'ল অসমীয়া ভাষা আন্দোলন। ছাত্র আন্দোলনৰ ফলস্বৰূপে একেটা হোষ্টেলতে থকা অসমীয়া আৰু বঙালী ছাত্রৰ মাজত মাৰপিট, হত্যা আৰম্ভ হ'ল। ১৯৮৩ চনৰ অসমীয়া আৰু পমুৰা মুছলমানৰ সংঘাতৰ ফলত নেলী-চাউলখোৱা চাপৰিত শ শ লোকে প্রাণ হেৰুৱালে। ২০০৬ চনৰ ফেব্রুৱাৰি ৮ তাৰিখে সংঘটিত হোৱা কাকপথাৰ সংঘর্ষ, ২০০৭ চনৰ ২৪ নৱেম্বৰত হোৱা বেলতলা কাণ্ডই সৌ সিদিনালৈকে অসমক জোকাৰি থকা অৱস্থাতে ২০০৮ চনৰ অক্টোবৰ মাহত জাতিগত সংঘর্ষৰ অতি জঘন্য নিদর্শন স্বৰূপে সংঘটিত হ'ল খিলঞ্জীয়া আৰু সংখ্যালঘুৰ মাজৰ সংঘর্ষ— য'ত শ শ লোকে প্রাণ হেৰুৱালে। ৯০ হাজাৰ লোক গৃহহীন হ'ল। কোনে কাক কাটিলে, কোনে কাৰ ঘৰ জ্বলালে তাৰ একো হিচাপ নাথাকিল। মাথোঁ সকলোৰে মনত উদয় হ'ল দুটামান প্রশ্ন। কিহৰ বাবে হয় এই জাতিগত সংঘর্ষ? এনে সংঘর্ষৰ ফলত কাৰ কি লাভ হয়? ইয়াৰ সঠিক উত্তৰ যে কোনোবাই পাব তাৰ কোনো নিশ্চয়তা নাই।

জাতিগত সংঘর্ষ আৰু অসম

সংঘর্ষৰ কাৰণসমূহ ঃ জাতিগত সংঘর্ষৰ কাৰণসমূহ সমাজখনৰ একেবাৰে ভিতৰত সোমাই আছে। এনে সংঘর্ষৰ নেপথ্যত আছে কোনো এক বিশেষ জনগোষ্ঠীৰ বিকাশহীনতা আৰু কম সময়তে উত্তেজিত ভাবমূর্তিৰ ব্যাপক প্রচাৰ। ধর্মীয় সংঘাতৰ ফলতো কেতিয়াবা এনে সংঘর্ষ হয়। কিন্তু ই পিছলৈ জাতিগত সংঘর্ষৰ কাৰণ হৈ পৰে। অথচ কেতিয়াবা ইয়াৰ আৰম্ভণি হয় সামান্য দ্বন্দ্ব-খৰিয়ালৰ পৰাই। উদাহৰণস্বৰূপে, প্রাপ্ত তথ্য অনুসৰি দৰং-ওদালগুৰিৰ ভয়াৱহ সংঘর্ষলানি হৈছিল ১৪ আগষ্ট, ২০০৮ ত সংঘটিত হোৱা এটা সাধাৰণ ঘটনাৰ পৰিণতিস্বৰূপে। বড়ো পিপ'লছ ফ'ৰাম ফৰ পীচ এণ্ড ৰাইট্ছৰ সভাপতি ভ্রমণ বাগলাৰীয়ে জনোৱা মতে উক্ত দিনা ওদালগুৰিৰ চাৰিপাৰা গাঁৱৰ ৰাকেশ স্বর্গীয়াৰী নামৰ ল'ৰাজন (সোতৰ-ওঠৰ বছৰীয়া) ওচৰৰে মৰাপাটৰ খেতি থকা পথাৰত পায়খানা কৰিবৰ বাবে যোৱা অৱস্থাত সমীপৱর্তী সংখ্যালঘু গাঁৱৰ কিছুসংখ্যক দুর্বৃত্তই তেওঁক অপহৰণ কৰি লৈ যায়। যুৱকজনক লাওদাংগৰ এল. পি. স্কুলত ৰাখি সংখ্যালঘু দুর্বৃত্তসকলে শাৰীৰিক নির্যাতন চলোৱাৰ ফলস্বৰূপে স্থানীয় লোকসকলৰ মাজত প্রবল ক্ষোভৰ সৃষ্টি হৈছিল। আনহাতে কেইদিনমান পিছত এটা সংখ্যালঘু সংগঠনে জিলাখনত দিয়া বন্ধৰ পৰিপ্রেক্ষিতত স্থানীয় লোকসকল অধিক জাঙুৰ খাই উঠে আৰু তাৰ ফলস্বৰূপে উক্ত গোষ্ঠীগত সংঘর্ষৰ সূত্রপাত হৈছিল।

অতীজৰে পৰা শান্তি-সম্প্রীতিৰে থকা দুটা জাতিৰ লোকৰ মাজত এৰাতিৰ ভিতৰতে কাৰোবাৰ প্রৰোচনাৰে আৰম্ভ হয় সংঘাতৰ। ৰাজনীতিৰ মেৰপাকত পৰি ই লয় আৰু জটিল ৰূপ। এন. এ. উইলছনৰ বিখ্যাত কিতাপ ' After the victorians' খনে পোনপ্রথমে ঘোষণা কৰিছিল যে "নিজৰ জাতিটোক সদায় শুদ্ধ আৰু নিষ্পাপ বুলি দাবী কৰাটো জাতীয়তাবাদী তাত্ত্বিকসকলৰ স্বাভাৱিক প্রবৃত্তি। এই প্রবৃত্তিকেই ৰাজনীতিকৰণ কৰি শতিকাৰ পিছত শতিকা কোনো এক জনগোষ্ঠীক উছটাই সমগ্র বিশ্বতে গোষ্ঠীসংঘাতৰ সৃষ্টি কৰি আহিছে বহু গণ্য-মান্য ব্যক্তিত্বই। ফলত সংঘটিত হৈছে বিশ্বযুদ্ধ পর্যন্ত। পৃথিৱী থাকে মানে গোষ্ঠীসংঘর্ষৰ এই বলিয়া বতাহে গোষ্ঠীসমূহক একেডাল সুতাৰে গাঁঠি তেওঁলোকৰ বিকাশহীনতাৰ কাৰকসমূহ ভুল ব্যাখ্যা কৰি আন এটা দল বা গোষ্ঠীক জগৰীয়া কৰি আহিবই।" বিশ্বজনীন প্রমূল্যসমূহৰ ভুল ব্যাখ্যা কৰি এচাম সুবিধাবাদী প্রতিক্রিয়াশীলে সমাজত বিভ্রান্তিৰ সৃষ্টি

কৰাৰ ফলতেই সাম্প্রদায়িক সংঘর্ষ সংঘটিত হোৱাৰ কথাটো মানি ল'বই লাগিব।

দৰং-ওদালগুৰিৰ সংঘর্ষত জড়িত উভয় পক্ষই পৰস্পৰৰ বিৰুদ্ধে গভীৰ দীর্ঘস্থায়ী সংঘর্ষৰ অভিযোগ তুলিছে। বড়ো আৰু অসমীয়া জাতীয়তাবাদী শক্তিবোৰে দাবী কৰিছে যে কাজিয়াখন বাংলাদেশী আৰু মৌলবাদী শক্তিবোৰে খিলঞ্জীয়া লোকসকলৰ বিপক্ষে পৰিকল্পিতভাৱে আৰম্ভ কৰিছিল। আনহাতে, এ. ইউ. ডি. এফকে ধৰি মুছলমান সাম্প্রদায়িক সংগঠনবোৰে দাবী কৰিছে যে এই সংঘর্ষ সেই অঞ্চলবোৰৰ পৰা মুছলমানসকলক সমুলঞ্চে উচ্ছেদ কৰি খেদি পঠোৱাৰ ষড়যন্ত্র মাথোন। কোন সঁচা, কোন মিছা, নে উভয়পক্ষই দায়ী। তাক সঠিককৈ ক'ব নোৱাৰি।

ভাষাগত কাৰণতো এনে সংঘর্ষ হ'ব পাৰে। যদি এটা জাতিয়ে নিজৰ ভাষাটোক প্রতিষ্ঠা কৰিবলৈ আঁকোৰগোজ হৈ লাগি থাকে, তেন্তে আনবিলাক জাতি ক্ষুণ্ণ হোৱাৰ আশংকা থাকে। তাৰোপৰি বাহিৰৰ উগ্র সমর্থকৰ আমদানি, বাংলাদেশী মুছলমানসকলৰ অবাধ প্রব্রজনো জাতিগত সংঘর্ষৰ কাৰণ হ'ব পাৰে।

উক্ত কাৰণসমূহ বিচাৰ কৰি চালেই জাতিগত সংঘর্ষ ৰোধ কৰাৰ পথো দেখা পোৱা যায়।

জাতিগত সংঘর্ষ ৰোধ কৰাৰ উপায়

১। জাতিগত সংঘর্ষৰ প্রকৃত কাৰণসমূহ উলিয়াবলৈ বিভিন্ন আয়োগ গঠন কৰা হয় যদিও আয়োগসমূহ এই ক্ষেত্রত বিফল হোৱাহে দেখা যায়। কেৱল আয়োগ গঠন কৰিলেই নহ'ব, সেই আয়োগে ঘটনাৰ অন্তৰালৰ প্রকৃত তথ্য লাভ কৰিব পৰাকৈ তৎপৰ হ'ব লাগিব।

২। সংবাদ মাধ্যম গণ-সংযোগৰ বৰ শক্তিশালী মাধ্যম। কিন্তু সচৰাচৰ দেখা যায় সংবাদ মাধ্যমত সংঘর্ষৰ মূল কাৰণ আৰু তাৰ নিবাৰণৰ বিষয়ে প্রচাৰ নকৰে, প্রচাৰ কৰে কিছুমান ওপৰুৱা সংবাদহে। গতিকে সংবাদ মাধ্যমৰ যোগেদি সুস্থ সংবাদসমূহ প্রচাৰ কৰা উচিত।

৩। সাধাৰণ ঘটনা এটাক ৰাজনীতিৰ মেৰপাকত সুমুৱাই নোলোৱাকৈ ঘটনাটোৱে ব্যাপক ৰূপ লাভ কৰে। গতিকে এফালে সংঘর্ষ উছটাই আনফালে সংঘর্ষ জর্জৰিত অঞ্চলত সাহায্য বিতৰণ কৰা ৰাজনীতিবিদক সমাজে চিনাক্ত কৰাটো অতি জৰুৰী।

৪। থলুৱাৰ ভূ-সম্পত্তিবোৰৰ হস্তান্তৰকৰণ ৰোধ কৰি তেওঁলোকৰ মনত সৃষ্টি হোৱা গভীৰ অসহায়বোধ আৰু নিৰাপত্তাহীনতা বুজিবলৈ চেষ্টা কৰা প্রয়োজন। তেনে নকৰিলে জাতিগত সংঘর্ষৰ বীজ কেতিয়াও নির্মূল নহয়।

৫। মুছলমান জনসাধাৰণৰ ন্যায্য ক্ষোভ আৰু অধিকাৰক যথাযোগ্য স্বীকৃতি দিয়া প্রয়োজন। কিন্তু তেওঁলোকৰ অস্বাভাৰিক জনসংখ্যা বৃদ্ধি, বাংলাদেশীৰ অনুপ্রৱেশ আৰু সন্ত্রাসবাদী জেহাদী সংগঠনবোৰৰ কার্যকলাপলৈ তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব।

৬। ধর্ম আচৰণৰ স্বাধীনতাৰ নামত প্রাচীন সমাজখনৰ জনগাঁথনিৰ পৰিবর্তন কৰিব পৰা বিধৰ ৰীতি-নীতি বা আচৰণক কেতিয়াও গুৰুত্ব দিব নালাগে।

৭। যিকোনো সাম্প্রদায়িক বা জাতিগত সংঘর্ষৰ বাবে শাসনাধিষ্ঠিত চৰকাৰক জগৰীয়া কৰা স্বাভাৱিক। শাসনাধিষ্ঠিত চৰকাৰ ৰূপে যি দলেই নাথাকক, তীব্র সমালোচনাৰ সন্মুখীন হ'বই লাগিব। কিন্তু ইয়াকে লৈ অন্য বিৰোধী দলে বা অন্যান্য সংগঠনবোৰে কেৱল চৰকাৰক সমালোচনা, পদত্যাগৰ দাবী উত্থাপন কৰাতেই ব্যস্ত নাথাকি আটায়ে একগোট হৈ ৰাজনৈতিক সংকীর্ণতা উর্দ্ধত থিয় হৈ ইয়াৰ পুনৰাবৃত্তি ৰোধ কৰাৰ বাবে উপায় চিন্তা কৰিলে নিশ্চয় এনে জাতিগত সংঘর্ষক ৰোধ কৰিবলৈ সক্ষম হ'ব।

জাতিগত সংঘর্ষৰ প্রভাৱত অসমৰ ভৱিষ্যৎ

জাতিগত সংঘর্ষই সমাজ এখনৰ অর্থনৈতিক, সামাজিক, ধর্মীয় আৰু ইয়াৰ বাসিন্দাসকলৰ মানসিক জগতখনৰ ওপৰতো ক্রিয়া কৰে। এনে সংঘর্ষত জর্জৰিত অঞ্চলসমূহত শিক্ষা, যাতায়াত, স্বাস্থ্য, খাদ্য আদিৰ অভাৱত সাধাৰণ ৰাইজ জুৰুলা হ'বলগীয়া হয়। উচিত চিকিৎসাৰ অভাৱত অনাহকতে প্রাণ হেৰুৱাই বহু প্রসূতি আৰু অন্যান্য ৰোগীয়ে। গৃহহীন হৈ আশ্রয় শিবিৰত দিন পাৰ কৰিবলগীয়া হয়। ছাত্র-ছাত্রীয়ে হেৰুৱাই একো একোটা অমূল্য শিক্ষাবর্ষ। প্রাপ্ত তথ্য অনুসৰি দৰং-ওদালগুৰিত সংঘর্ষৰ ফলস্বৰূপে গৃহহীন হোৱা ৯০ হাজাৰ লোক দীর্ঘসময় জিলা দুখনৰ ৪৫ টা আশ্রয় শিবিৰত থাকিবলগীয়া হৈছে। ইয়াৰ ভিতৰত ৩৪,৬৫৮ জন ছাত্র-ছাত্রীও আছে। পৰীক্ষালৈ বেছি দিন নথকা অৱস্থাতো অধিকাংশ ছাত্র-ছাত্রীৰ পাঠ্যপুথিখিনিৰেই যোগাৰ নাই। বেছিভাগ ঘৰ ভস্মীভূত হোৱাৰ ফলত তেওঁলোকে পাঠ্যপুথিখিনিও উদ্ধাৰ কৰিব নোৱাৰিলে। বিদ্যালয়সমূহতে আশ্রয় শিবিৰ স্থাপন কৰাৰ ফলত বিদ্যালয়সমূহত পাঠদানো বন্ধ হৈ থাকিল।

সবাতোকৈ ডাঙৰ কথা হ'ল জাতিগত সংঘর্ষৰ ফলত সাধাৰণ ৰাইজৰ মাজত সৃষ্টি হোৱা মানসিক অস্থিৰতা। কেৱল সংঘর্ষ জর্জৰিত লোকসকলেই নহয়, সমগ্র অসমবাসীয়ে শংকা আৰু উদ্বিগ্নতাৰে দিন কটাবলগীয়া হ'ল।

জাতিগত সংঘর্ষৰ পিছতেই অঞ্চলবোৰত বাঢ়ে উগ্রবাদী সমস্যা। উদাহৰণস্বৰূপে, ১৯৮৩ ৰ নেলীৰ জাতিগত সংঘর্ষৰ পাছত অসমত বাঢ়িল আলফা, এন. ডি. এফ. বিৰ সমস্যা। একেদৰে বি. এল. টি. আদি বহু সংগঠন গঢ়ি উঠিল। আলফাৰ দৰে আন বহু সংগঠনৰে মূল কথা আছিল হেৰুওৱা স্বাধীনতা পুনৰ ঘুৰাই অনা। কিন্তু প্রশাসন যন্ত্রৰ ওপৰত সম্পূর্ণ আস্থা হেৰুৱাই এনে সংগঠনবোৰৰ সন্ত্রাসবাদী কার্যকলাপৰ প্রতি বিশ্বাস বাঢ়ে। ফলত অশান্তিৰ সৃষ্টি হয়।

এনে এক সন্ত্রাসজর্জৰিত পৰিস্থিতিত অসমৰ পর্যটন উদ্যোগটোৱেও মুখ থেকেচা খাইছে। পৰিস্থিতি যিমানে জটিল হ'ব পর্যটকৰ সংখ্যাও সিমানেই কমিব।

অসমবাসী ৰাইজৰ মানসিক অস্থিৰতা, অশান্তিও অসমৰ ভৱিষ্যত উন্নতিৰ হেঙাৰ হ'ব। আচলতে অসমৰ ভৱিষ্যৎ বোলোতে কেৱল অসমীয়া জাতিৰ ভৱিষ্যতৰ কথা চিন্তা কৰিলেই নহ'ব, অতীতৰ পৰা মিলা-প্রীতিৰে বাস কৰি অহা জাতিসমূহৰ কথাও চিন্তা কৰিব লাগিব। যিদৰে তাহানিতে সমাজৰ উন্নতিৰ হকে সকলো জাতিকে একেডাল ধর্মৰ ডোলেৰে বান্ধিবলৈ মহাপুৰুষ শংকৰদেৱেও চিন্তা-চর্চা কৰি কৈছিল—

"কিৰাত কছাৰি/খাচি গাৰো মিৰি/যবন কংক গোৱাল।
অসম মুলুক/ধোবা যে তুৰুক/কুবাচ ম্লেছ চণ্ডাল।।
আনো পাপী নৰ/কৃষ্ণ সেৱকৰ/সংগত পৰিত্র হয়।।
ভকতি লভিয়া/সংসাৰ তৰিয়া/বৈকুণ্ঠে সুখে চলয়।।"

গতিকে যেতিয়ালৈকে সকলো একগোট হৈ মুক্ত মনেৰে নির্ভীকভাৱে থাকিবলৈ শান্তিৰ পৰিবেশ ঘুৰাই নাপাব তেতিয়ালৈকে অসমৰ উন্নতিও সম্ভৱ নহয়। কিন্তু আজি কিছুদিনৰ পৰা অসমত হৈ থকা জাতিগত সংঘর্ষ, বোমা বিস্ফোৰণ আদিৰ বাবে শান্তিপূর্ণ অৱস্থাত সম্পূর্ণ ব্যাঘাত জন্মিছে। ২০০৮ চনৰ ৩০ অক্টোবৰত গুৱাহাটীত হোৱা বোমা বিস্ফোৰণলানিয়ে এতিয়াও সকলোৰে মনত ত্রাসৰ সৃষ্টি কৰি আছে। এনে পৰিস্থিতিত অসমৰ ভৱিষ্যৎ সম্পর্কে চিন্তা কৰাটো অতি প্রয়োজনীয় হৈ পৰিছে অসমবাসী ৰাইজৰ বাবে।


কবিতা

নামফাকে গাঁৱলৈ

নীলিম কুমাৰ

কাহানিবাই মৰি থকা মই যদি ঢলি পৰোঁ
লৈ যাবা মোক নামফাকে গাঁৱলৈ
বৌদ্ধ ভিক্ষুসকলৰ প্ৰাৰ্থনাৰ ছয়ফুট হালধীয়াত
শুৱাই দিবা মোৰ মৃতদেহ।
মোৰ মৃতদেহ দেখি ঘণ্টা বাজি নুঠে।
কোনোবা এজনে তিনিবাৰ বজাই দিবা যাতে
মোক বিচাৰি আহিবলৈ বাট চিনি পায়
এহালি কৰুণ চকুৰে

মোৰ মৃতদেহৰ সমুখত মম জ্বলাওতে
মই চিনি পাম মোৰ মৃত ভনীৰ হাত দুখনি
তাহানিতে তাইৰ কণমানি শটো পুতি থৈ
পিছলৈ ঘুৰি চোৱা নাছিলোঁ, কাৰণ মই জানিছিলোঁ
তাই তাৰ পৰা উঠি মোৰ পিছে পিছে আহি আছে
নামফাকে গাঁৱত মই তাইক আকৌ ঘুৰাই পাম।
নাফাকে গাঁৱলৈ মোক লৈ যাবা
যদি ঢলি পৰোঁ কাহানিবাই মৰি থকা মই।



কি দেখিছোঁ

অনুভৱ তুলসী

কলপুলিৰ দৰে বাঢ়ি আহে জীৱন।


পুলিতেই কলপুলি কাটি নিয়া দেখিছোঁ
পাত কাটি নিয়াটোতো নিত্য-নৈমিত্তিক।
ইমানবোৰ সহিও গছজোপা বাঢ়ি যোৱা দেখিছোঁ।
ভৰ যৌৱনতে গছজোপা দুজনীয়া কান্ধত উঠি
ক'ৰবালৈ যোৱা দেখিছোঁ।
শিল বৰষুণলৈ পাতৰ প্ৰেম দেখিছোঁ।
নিয়ৰত গা ধুই নিজকে স্নিগ্ধ কৰা দেখিছোঁ।
শিৰৰ সোঁমাজৰ পৰা ৰঙা ফুল এপাহে
কলি পেলোৱা দেখিছোঁ।
এপাহ ফুলৰ শতফুললৈ অহা-যোৱা দেখিছোঁ,
হাকুটি লগাই ফুলৰ অৱশেষ
পাৰি নিয়া দেখিছোঁ।

দুখৰ গছজোপাত
এদিনাখন দেখিছোঁ
পকা থেকেৰা
সুখৰ মুখ।
সেই সমৃদ্ধিৰ কাষলৈ
ৰাতি ৰাতি কোনোবা
আহি থকা দেখিছোঁ।

ইমানৰ পিছতো
নিজকে সুধিছোঁ;
'সঁচাকৈয়ে দেখিছোঁনে
গছজোপা!'

সেইদিনা কি বাৰ আছিল নেজানো

আনিছ উজ্ জামান



যদি পাৰিলোহেঁতেন
বসন্তৰ পোহৰেৰে
তোমাৰ চোতালখন মচি পেলাব
মই তাকেই কৰিলোহেঁতেন

যদি পাৰিলোহেঁতেন
জোনাকৰ কোমলতাৰে
তোমাৰ শুৱনিকোঠা পোহৰ কৰিবলৈ
সেউজীয়া বতাহজাকেৰে
তোমাৰ চকুকেইটা উজ্জ্বল কৰিবলৈ
সাগৰৰ নীলা পানীৰে
তোমাৰ দেহ তিয়াই দিবলৈ
মই তাকেই কৰিলোহেঁতেন

তোমাক লগ পাওঁতে
সেইদিনা কি বাৰ আছিল নেজানোঁ
সেইদিনা হেমন্তৰ শেষ দিন নে শীতৰ আৰম্ভণি
জোমবন্ধা মানুহখিনিৰ মাজত
পূৰ্ণ আলোকৰ সত্য সন্ধানী এটা সত্তা
শব্দৰ সুষমাৰ মাজত এটা প্ৰাণ
শৃংখল আৰু প্ৰাপ্তিৰ এটা প্ৰতিজ্ঞা

তেতিয়া মই এবাৰো ভবা নাছিলোঁ
কপালখনৰ তলতে লুকাই থাকে ভাগ্য
বুকুৰ মাজত সোমাই থাকে প্ৰেম
নীলা চাদৰখনেৰে ঢাকি থ'ব পাৰি সন্তুষ্টি
হালধীয়া শস্যৰ পথাৰত জোন

হাতখন চুই দিওঁতে
আঙুলিবোৰত ফুলি উঠিছিল ফুল
চকুত জ্বলি উঠিছিল তৰা
বুকুৰ মাজৰ বুলবুলিটোৱে
গুণ্‌গুণাই গুণ্‌গুণাই কিবা এটা গাইছিল
তোমাক মই মাতি আনিছিলোঁ
ভৰ বাৰিষাৰ নৈ হ'বলৈ
সেউজীয়া গছেৰে ভৰা পাহাৰ হ'বলৈ
জিক্ মিক্ জোনাকীৰ ৰেখা হ'বলৈ

এতিয়াও মাজে মাজে ভাবোঁ
তোমাৰ দেহৰ যন্ত্ৰণাক
পাৰিমনে উলিয়াই আনিবলৈ
ওঁঠ দুটাৰে পাৰিমনে
কৌটি কলিয়া বিষাদৰ নিঃশেষ কৰিবলৈ।

কবিতাটো কিম্বা উপন্যাসখনৰ সৈতে


মুনীন্দ্র নাৰায়ণ ভট্টাচার্য

উপন্যাস এখন হৈ আহিছিল
তাই মোৰ ওচৰলৈ
পৃষ্ঠাবোৰ লুটিয়াই দেখিলোঁ
বেছ দীঘলীয়া
সময় দিব নোৱাৰিলোঁ
উভতিল সেয়ে
এটা কবিতা হৈ
অনুভৱৰ

কবিতাটো আজি আকৌ ওলালহি
সন্ধ্যা তৰাটোৰ স'তে একেলগে
চালোঁ লুটিয়াই
খুউব চুটি চুটি লগা
অভিমানতে ক'লো সেয়ে
নোৱাৰি নে বঢ়াবলৈ পৃষ্ঠাবোৰ
উপন্যাস এখনৰ দৰে
আৰু কিছু দীঘলীয়া

ভোমোৱা এটাও
চক্রাকাৰ গতিত
গুণ্‌গুণ্‌ শব্দৰে
জানিবলৈ
আছে নেকি
আৰু তাত
আধা পঢ়া
কোনো পৃষ্ঠা
পৰি থকা বকলাটোৰ
মোৰ সন্মুখতে

ধৃষ্টতা দেখি মই তাক
ল'লো ধৰি
মুঠি মাৰি
হাতৰ তলুৱাত
দিওঁ বুলি
অনুভৱ
অন্য এক কবিতা
কিম্বা
উপন্যাসৰ...।



মিতবাক্

ড° বিমল মজুমদাৰ

(নগেন শইকীয়া সমীপেষু)

।। ১. ঘৰ।।

পাহাৰৰ নামনিৰ লুংলুঙীয়া বাটটোৰে গৈ থাকিলে
আওহতীয়া ঠাইখনতে মোৰ ঘৰ। ঠিক ঘৰ নহয়, জুপুৰি।
কামি ওলোৱা কংকালসাৰ চালখন দেখিলেই ক'ব পাৰি
ঘৰটোৰ ভিতৰত ৰ'দ সোমায়, বৰষুণ পৰে। যিকোনো মুহূর্ততে
উৰুন্নাই নিব পাৰে ধুমুহাই। আজিকালি সেইবাবেই
মই ঘৰটোৰ ভিতৰত বৰকৈ নাথাকোঁ, বেছিভাগ বাহিৰত।
মই যে অঘৰী নহয় তাৰ প্রমাণ দিবলৈহে এই ঘৰটো।

।। ২. ঠিকনা।।

কেনেকৈ দিওঁ তোমাক মোৰ ঠিকনা! সামান্য বতাহতে কঁপি থাকে
মোৰ নৈৰ পাৰৰ সৰু জুপুৰিঘৰ। যিকোনো মুহূর্ততে বাপানীয়ে
বলাৎকাৰ কৰিব পাৰে চোতাল, মজিয়া। ধুমুহাই মহটিয়াই নিব পাৰে
চাল-বেৰ। ভূমিকম্পই থান-বান কৰিব পাৰে ভেটি।
গৃহহীন হ'বলৈ কিমাননো পৰ! মই ইয়াত নাথাকো চিৰদিন।
ইয়াত নথকাটোৱেই মোৰ স্থায়ী ঠিকনা।

।। ৩. বেঘৰ।।

দুখবোৰ এদিন চুচুক্‌-চামাককৈ আহি মোৰ ঘৰ সোমাল।
ভালেই পালোঁ অন্ততঃ মই এতিয়া অকলশৰীয়া নহওঁ।
নিজে নিজে সিহঁতে যথাস্থানত বহিল। কোনোবা মাটিত,
কোনোবা চকীত, কোনোবা বিছনাত। লাহে লাহে সিহঁতৰ
ভিৰ বাঢ়িল। সিহঁতৰ বাবেই এতিয়া মোৰ ঠাইৰ নাটনি।
ঘৰ এৰি মই বাৰাণ্ডাতে আশ্রয় ল'লোঁ কুঁচি-মুচি।
এতিয়াহে বুজিলোঁ ইহঁতক লাই দিয়া উচিত নাছিল।



অৰুণ মামাক মনে মনে কৃতজ্ঞতা জনালোঁ। সেইদিনা মায়ায়ো মোক মাতিব পৰা নাছিল। কিবা এক অজান লাজত।

ধুমুহা আৰু ৰামধেনুৰ বহু বৰ্ণময় দিন একেলগে কটোৱাৰ পাছত সিদিনা ৰাংঢালী মায়াৰ মুখখন সামান্য জঁয় পৰিছিল। মোৰ হাতখন থাপ মাৰি ধৰি বৰ আকুল ভালে সুধিছিল- মই জীয়াই থাকিমনে? অৱসৰৰ তিনিটা বছৰ পাৰ কৰাৰ পাছতো সেইদিনা মোৰ চকুত ওলমিছিল বহু মুকুতা। মই গভীৰ আবেগেৰে মায়াৰ হাত দুখন ধৰি কৈছিলোঁ- থাকিবা, কিয় নাথাকিবা। মই তোমাক ধৰি ৰাখিম। মই আছোঁ নহয়, তুমি ভয় নাখাবা।

আবেগবিহ্বলভাৱে মৌলৈ চাই মায়া শুই পৰিছিল। তেওঁৰ চকুত টোপনি আছিল নে নাই মই নাজানো। মোৰ হ'লে নাছিল। ভনীজনীৰ ঘৰত থকাকৈ গৈছিলোঁ। তাতে মায়াৰ গা বেয়া লগত ডাক্তৰক দেখালোঁ। কেইবাটাও পৰীক্ষা কৰিবলৈ দিলে। কৰিলোঁ। ডাক্তৰে নির্দিষ্টকৈ একো নক'লে যদিও ধাৰণা এটা দিলে- তেজৰ বিশেষ উপাদান এটা সংকটজনকভাৱে কমি গৈছে। যিটো উপাদান এজন ব্যক্তিৰ তেজত লাখৰ ঘৰত থাকে। কিন্তু পৰীক্ষাৰ পৰা ধৰা পৰিছে মায়াৰ সেইবিধ উপাদান হাজাৰৰ ঘৰতহে। আৰু কেইটামান পৰীক্ষা কৰিবলৈ দিলে। নিশ্চিত হ'ৰ বাবে কৰিলোঁ। ডাক্তৰে কোৱা বিশেষ ৰোগ বিধ লাখত এজনৰহে হয় আশ্চর্যজনকভাৱে। তাকো কোনো আগজাননী নিদিয়াকৈ। ৰোগটোৰ উৎপত্তিৰ ধৰা পেলাব নোৱাৰি। আৰু তেনে এটা ৰোগেই বাহ পাতিলে মায়াৰ শৰীৰত। মোৰ মৰমৰ মায়াৰ দেহাত। মই ভাগি পৰিলোঁ। মায়াক সকলো কথা খুলি নক'লোঁ যদিও তেওঁ বুজিলে কিবা কিবি বহুতো। নার্চিংহোমৰ কোঠাত বহুকেইটা উজাগৰী নিশা কটালোঁ। দেখিলোঁ বহু ৰোগীৰ সকৰুণ মুখ আৰু আত্মীয়ৰ উদাস উদাস ভাবৰ তন্ত্রালস চকু।

নার্চিংহোমৰ বেডিঙত শুই-বহি কটোৱা মায়াক মানসিকভাৱে সাহস দি থাকিবলৈ যত্নৰ ত্রুটি কৰা নাই। তথাপি তেওঁ নহয় মইহে অনবৰত ডুবি থাকোঁ দুখৰ এবুকু বোকাৰ মাজত। মায়াক চাই থাকিব নোৱাৰি মাজে মাজে ওলাই আহোঁ বাহিৰলৈ। তেওঁ বুজি পায়। মুখ খুলি একো নকয়। নিশা টোপনি নধৰাত মই যেতিয়া ছট্‌ফটাই থাকোঁ তেতিয়া মায়াই কয়-

ঃ মই নাথাকিলেও তুমি লিখা-পঢ়া নেৰিবা। স্বাস্থ্যৰ যতন ল'বা। খোৱা-বোৱা নিয়মীয়াকৈ কৰিবা। তেওঁৰ কথাত মোৰ উত্তৰ নাথাকে। আকৌ কয়-

ঃ দুখ কৰি নাথাকিবা। কোনোবা এজনতো আগতে যাবই লাগিব। মই যেনিবা আগ হ'লোঁ আৰু...।

ঃ তুমি এইবোৰ কথা এতিয়া নক'লে নহয় নেকি? কোনে কৈছে তুমি যাবাগৈ বুলি হাঁ। দুদিনৰ পাছত তোমাক বাহিৰৈ নিম নহয়। তাত তুমি ভাল হৈ আহিবা। মই থাকোঁতে তোমাৰ কিহৰ চিন্তা।

ঃ চিন্তা মোক লৈ নহয়। তোমাক লৈহে। মোৰ অবিহনে তুমি কেনেকৈ থাকিবা...।

বহুপৰ নীৰৱতা। দেখা নাই কিন্তু অনুভৱ কৰিছোঁ মায়াৰ চকুত পানী। মোৰো।

ঃ তুমি মন মাৰি নাথাকিবা আক'। পৰিকল্পনা কৰি লোৱা, কামবোৰ কৰি যাবা। মোৰ শুভেচ্ছা সদায়েই আছে...

ঃ তুমি মনে মনে থাকিবানে মই বাহিৰলৈ ওলাই যাম?

ঃ ৰ'বা আৰুনো কিমান দিন তোমাক এনেকৈ কথা কম হাঁ?

মই মনে মনে ৰলোঁ। চকুৰ পানীবোৰ গোট মাৰিলে। বৰফ হল। আকৌ তাপত পানী হ'ল। কেতিয়া টোপনি আহিল গম নাপালোঁ।

মায়াক বাহিৰলৈ নিবৰ বাবে প্রস্তুতি চলালোঁ। ফ্লাইটৰ টিকট কনফার্ম কৰিলোঁ। তেজৰ বিশেষ পৰীক্ষা এটা কৰিলে। সেই পৰীক্ষাটোৱে সকলোৰে মুখলৈ হাঁহি আনিলে। মায়ায়ো জীয়াই থকাৰ সপোন দেখিলে। মঙ্গলজনকভাৱে তেজৰ সেই বিশেষ উপাদানটোৱে সাধাৰণ অৱস্থাত অৱস্থান কৰিছে। সুখৰ বতৰা। ময়ো হাঁহিলোঁ। মায়াৰ পৰিয়ালৰ দুজনমান থকাত সেইৰাতি মই মায়াৰ কাষত নাথাকিলোঁ। মায়াই মোক জোৰ কৰি পঠালে। তোমাৰ বহুত টোপনি খতি হৈছে, অলপ জিৰাই লোৱাগৈ।

নিশা ফোন পাই দৌৰি আহিলোঁ। মায়া কঁপিছে। বৰ জোৰকৈ। মোক সাবটি ধৰিলে। মায়াৰ কঁপনিত ময়ো কঁপি উঠিলোঁ। মোৰ আগেদি কেইবাখনো ছবিয়ে অগা-ডেৱা কৰিলে। মায়া কঁপিছে। ময়ো কঁপিছোঁ। বহুত সময় কঁপাৰ মায়াৰ কঁপনি বন্ধ হ'ল। ঘনকৈ উশাহ ল'লে। মোৰ কোলাত মায়া শুই পৰিল।

মায়াৰ মগজুত প্রচুৰ ৰক্তক্ষয় হ'ল। মগজুৰ ভিতৰত। মই একো নেদেখিলোঁ। কোনেও নেদেখিলে- লেবৰেটৰীৰ প্লেট কেইচটাৰ বাহিৰে।

মই বহি আছোঁ বাৰাণ্ডাত। বহুতো মানুহৰ অহা-যোৱা। হাতৰ টোপোলাবোৰ মই চোৱা নাই। মোক মাত দিয়া সকলোকে ভিতৰলৈ পঠাইছোঁ- "যোৱা, মায়া ভিতৰত আছে। তেওঁকে টোপোলাবোৰ চমজাই দিয়াগৈ।" এদিন মোৰ চোতালত বগাকৈ বগলীৰ সভা বহিল। ধক্‌ধকীয়া কাপোৰ পিন্ধি মায়াই সকলোকে সেৱা কৰি ফুৰিলে, মই বহি থাকিলোঁ এখন চকীত। নিৰলে।

এতিয়া ঘৰত মায়া আৰু মই। আন কোনো নাই। ফোনটো বাজি উঠিল। সাহিত্য-অনুষ্ঠান এটাৰ সম্পাদকৰ ফোন। নকৈ প্রকাশিত কিতাপ এখন উন্মোচন কৰিব লাগে। যাম বুলি ক'লোঁ। মায়াক সুধিলোঁ। মায়াই একো নক'লে। মৌনতাই সম্মতি বুলি ল'লোঁ।

নির্দিষ্ট দিনা সভালৈ বুলি ওলালোঁ। মায়াকো লগত ল'লোঁ। তেওঁ থাকিলে সভাত কথা কৈয়ে ভাল লাগে। গাড়ী নিজে চলাই গৈয়ে সভাগৃহ পালোঁগৈ। উদ্যোক্তাসকল আগবাঢ়ি আহিল। হাঁহিমুখে আদৰি নিলেহি।তেওঁলোকক ক'লোঁ- "ৰ'ব, মোৰ শ্রীমতীও আহিছে। লগতে লৈ যাওঁ।"

কলেজত একেলগে অধ্যাপনা কৰা কেইবাজনো অধ্যাপক আহিল আমাৰ ঘৰলৈ। বহুদিনৰ মুৰত একেলগে লগ হৈ বৰ আনন্দ লাগিল। সকলো সময়ৰ সোঁতত উটি-ভাহি ফুৰিছোঁ। এই অতীত। এই বর্তমান। মাজতে মায়াই চাহ দি গ'লহি। আটায়ে খালোঁ। মায়াক ভাতৰ যতন কৰিবলৈ ক'লোঁ। তেওঁ পাকঘৰত। লগৰকেইজনে মাজে মাজে মৌলৈ বৰ আচৰিতভাৱে চায়। মই ভাবোঁ মোক বহুত দিন নেদেখাৰ বাবে হ'বপায় চাইছে। ভাল লাগি যায়। মোৰ প্রতি তেওঁলোকৰ কি যে টান! ভাত খাই তেওঁলোক গ'লগৈ। মই বাৰাণ্ডাৰ পৰা তেওঁলোক যোৱা চাই আছোঁ। মোৰ হাতত এখন কিতাপ। এবাৰ কিবা কাৰণত কিতাপখন হাতৰ পৰা মাটিত পৰিল। কিতাপখনৰ বেটুপাতত মায়াই হাঁহি আছে; মোৰ ফালে চায়। মায়াৰ শিৰত সেন্দুৰৰ ফোঁটটো বৰ ধুনীয়াকৈ জিলিকিছে। যেন এটা পকা সুমথিৰাহে! কিতাপখন ভালকৈ চাই দেখোঁ এইখন দেখোন মায়াৰ শ্রাদ্ধৰ দিনা ওলোৱা স্মৰণিকা। মোৰ অষ্ঠ-কণ্ঠ শুকাই গ'ল। এগিলাচ পানীৰ তীব্রতা অনুভৱ কৰিলোঁ। মায়াক চিএৰিলোঁ- মৌলৈ এগিলাচ পানী লৈ আহা মায়া।

এগিলাচ পানী হাতত লৈ মায়া মোৰ কাষত থিয় দিলেহি। পানী গিলাচ মোৰ হাতলৈ আনি পিব খোজোঁতেই দেখোঁ গিলাচটোত কিবা কেইটামান পৰি আছে। ভালকৈ চাই দেখোঁ- কেইটামান চেঁচা আঙঠা।

("গৰীয়সী- চন্দ্রপ্রসাদ শইকীয়া চুটিগল্প প্রতিযোগিতা, ২০০৭"ৰ দ্বিতীয় স্থানপ্রাপ্ত গল্প)



ভোক

মূল ঃ (মাৰাঠী) বাবুৰাৰ ৰাগুল
অনুবাদ ঃ অপৰাজিতা গগৈ

(বাবুৰাৰ ৰাগুল ঃ মাৰাঠী সাহিত্যৰ এটা প্ৰধান অংশ হ'ল দলিত সাহিত্য। দলিত শ্ৰেণীৰ ওপৰত ৰচিত সাহিত্যৰাজিৰ এজন প্ৰধান সাহিত্যিক বাবুৰাৰ ৰাগুল। এই মূল মাৰাঠী গল্পটোৰ ৰচয়িতা। তেওঁ প্ৰধানতঃ দলিত সকলৰ ওপৰত উপন্যাস আৰু গল্প ৰচনা কৰিছে। তেওঁৰ বিভিন্ন ৰচনাৰাজিৰ অন্যতম হ'ল ঃ 'জেন্দা ভি জাত চোৰলী হোতি' (১৯৬৩), 'মৰণ স্বস্ত হৌত আহে' (১৯৬৯) আদি গল্প সংকলন; 'শুভ' (১৯৮১), 'অঘৌৰী' আদি উপন্যাস 'আম্বেদকাৰ ভাৰত (ভাগ এক)' (১৯৮৯), 'আম্বেদকাৰ ভাৰত (ভাগ দুই)' (১৯৯৫) আদি গ্ৰন্থ। ইয়াৰ উপৰি 'পাষাণ', 'পাৰশা', 'সৰদাৰ', 'ভূমিহীন', 'মুকনায়ক' আদি বিভিন্ন আলোচনীত প্ৰকাশিত তেখেতৰ উপন্যাস। দলিত সাহিত্যৰ প্ৰধান অধিবক্তা এইগৰাকী গল্পকাৰৰ জন্ম হয় ১৯৩৯ চনৰ ২৩ জুলাইত মহাৰাষ্ট্ৰৰ নাশিক ৰোডৰ ওচৰৰ বিহিত গাঁৱত।)

বহুদিনৰ পৰা নেৰানেপেৰাকৈ দি থকা বৰষুণজাকৰ বাবে চকুৰোৰ অলস হৈ পৰিছে। বৰষুণৰ বাবেই সকলোৱে একো কাম কৰিব নোৱাৰি হাত-সাবটি বহি থাকিবলগীয়া হৈছে। হাত দুখনেৰে কাম কৰি জীৱিকা নিৰ্বাহ কৰা দুখীয়াবিলাকৰ অৱস্থা অতি পুতৌজনক হৈ পৰিছে। বৰষুণজাকৰ ফলত সিহঁত বোকাৰ দৰে কোমল হৈ পৰিছে আৰু ঘাঁহৰ দৰে ৰোগৰ বীজাণু বতাহত ইফালে-সিফালে বিয়পি পৰিছে। সেয়ে প্ৰত্যেক ঘৰতে কোনোবা নহয় কোনোবা বেমাৰত পৰিছে।

দুটা ল'ৰাৰ মাক ভাগুৰেও মাছ ধৰিয়েই দুবেলা-দুমুঠি খাই আছিল। কিন্তু বেমাৰৰ পৰা তায়ো হাত সাৰিব নোৱাৰিলে। বেমাৰত পৰা বাবে আৰু একেৰাহে দি থকা বৰষুণজাকৰ বাবে তাইৰ ল'ৰা দুটা লঘোণত থাকিবলগীয়া হৈছে। ভিক্ষা কৰি যি পায় তাৰেই পেটৰ ভোক মাৰিছে। কেনেদৰে খোৱাৰ যোগাৰ কৰিব পাৰি তাকে চিন্তা কৰি তাই বহি আছিল।

তাই সোনকালে সুস্থ হ'ব লাগে কাৰণ ভোকত ল'ৰা দুটা লবেজান হৈ পৰিছে। তাকে দেখি মাতৃহৃদয় কঁপি উঠিছে। তাইৰ দুচকু সেমেকি উঠিল। বৰষুণ কমাই দিবৰ বাবে আৰু জ্বৰ ভাল হ'বলৈ ভগৱানৰ ওচৰত ব্যাকুল হৈ প্ৰাৰ্থনা কৰিলে।

এদিন যেন মেঘ দেৱতাই সঁচাকৈয়ে তাইৰ প্ৰাৰ্থনা শুনিলে। মৰমীয়াল আইৰ কাতৰ প্ৰাৰ্থনা শুনি আকাশৰ ডাৱৰ আঁতৰি গ'ল আৰু সূৰ্যদেৱতাই পূবাকাশত দেখা দিলে। আকাশৰ ক'লা মেঘ আঁতৰি গ'ল। তেনেকৈয়ে তাইৰ শৰীৰৰ জ্বৰ আৰু কঁপনিও অলপ কমিল। তাই ধৰ্‌ফৰাই উঠিল আৰু বাহিৰত খেলি থকা ল'ৰাকেইটাক মাতিলে, "ভিকা, সটবা, ল'ৰাহঁত এইফালে আহ...।"

মাকৰ চিএঁৰ শুনি সিহঁত দুয়োটাৰ শৰীৰৰ গ্লানি-উদাস ভাব ক'ৰবালৈ উৰি গ'ল।

লৰালৰিকৈ জুপুৰিৰ ভিতৰলৈ আহিল আৰু মাকক সাবটি ধৰিলে। তাই ডাঙৰ ল'ৰাটোৰ ফালে চাই ক'লে, "ভিকা, গাঁৱলৈ যা। গাঁওবুঢ়ানীক ক'বি, মায়ে দুমুঠিমান আটা বিচাৰিছে।"

"নালাগে মা, তেওঁৰ ওচৰলৈ নাযাওঁ। তাই মোক নঙলামুখত দেখিলেই কুকুৰৰ দৰে খেংখেঙাই উঠিব..."

"তথাপিতো দিয়ে নহয়। ব'ল।" গোলচেহেৰাৰ চেপেটা নাকৰ, নাৰিকলৰ দৰে কিচ্‌কিচকৈ ক'লা চকুৰ সটবাই ক'লে। তাৰ জিভাত সেই পুৰণি সোৱাদটো এতিয়াও অমৃতৰ দৰে লাগিয়েই আছে। তাৰ সেই ভঙা ভঙা শব্দকেইটা শুনি তাই আনন্দিত হৈ পৰিল। তাই ভিকাক বুজাবলৈ ধৰিলে, "সদায় যদি তাইৰ ঘৰলৈকে যাওঁ, তাই খং নকৰি কি তোক জোঁৰাইৰ দৰে ঢাৰি পাৰি বহুৱাব নেকি? পুৰণপুৰী দিব খাবলৈ? আৰু এনে দিনত তোক কোনে ভালদৰে খাবলৈ দিব? এনেদৰে ক'ব নাপায়। যা, তেওঁৰ ওচৰলৈকে যা...।"

ঃ নাযাওঁ। বেলেগ কাৰোবাৰ ওচৰলৈ যাব লাগে যদি ক।

ঃ তাইহে দিব। গাঁৱৰ গাঁওবুঢ়ানী তাই। তায়েই যদি দয়া নকৰে আৰু কৰিব কোনে?

ঃ তাইক এৰি সকলোৱেই কৰিব।

ঃ যা। তই যিটো ভাল দেখ তাকেই কৰ। কিন্তু তাইৰ ওচৰলৈকে যা। নহ'লে তাই মোক মদগৰী বুলি ক'ব। পেণ্ট আৰু চোলা পিন্ধ।

ল'ৰাকেইটাৰ প্ৰতি জাগৰিত হোৱা মৰম-উৎসাহ তাইৰ কমি আহিবলৈ ধৰিলে। তাই খুব ভাগৰ ভাগৰ অনুভৱ কৰিলে। সেয়েহে তাই মনে মনে থাকিল। তেতিয়াই পেণ্ট আৰু চোলাটো হাতত লৈয়ে সি দৌৰি বাহিৰ ওলাল। তাৰ গাৰ ৰংটো তেলপৰি পিছলাৰ দৰে। নাকৰ পৰা শেঙুন ওলাই থকা, শেতা চকুকেইটাৰেই লেংপেঙীয়া ওখ সি। মুৰ জোখকতৈ বেছি দীঘল হোৱা জপৰা চুলিবোৰ উৰুৱাই উৰুৱাই গাঁৱৰ ফালে দৌৰিবলৈ ধৰিলে।

সটবাই মাকৰ ডিঙিত মৰমেৰে হাত থৈ ক'লে, "মা, মই যাওঁ নেকি থকু মাহীৰ ওচৰলৈ? তেওঁ মোক সদায় ভাকৰী দিয়ে...।"

তাইৰ ওচৰলৈ গৈ আমি খাব নোৱাৰোঁ নহয়। গ'লে জাত যাব...।" থকুৰে কৰা উপকাৰ মনলৈ আহিল। জাতিভেদৰ বিষয়টোৱে তাইক বিন্ধিবলৈ ধৰিলে। তাইৰ লাজ লাগিল।

"তেতিয়াহ'লে যাওঁনে?"

"যা।" মাকৰ আজ্ঞা পোৱাৰ পিছতে দোধোৰ-মোধোৰত থকা সটবা দৌৰি পলাল। তাই মাত্ৰ তাৰ জপৰা মুৰটো দেখিবলৈ পালে। দুয়োখন হাতেৰে তাই বিষাই থকা মুৰটো হেঁচি ধৰি চাই থাকিল। জ্বৰত শুকাই যোৱা তাইৰ মুখত হঠাৎ এটা আনন্দৰ ৰেঙনি বিৰিঙি উঠিল।

অলপ সময়ৰ পিছতে তাইৰ ৰাম-লক্ষণৰ জোৰাটো ঘুৰি আহিল। ভিকাৰ চেহেৰাটো উজ্জ্বল দেখা গৈছিল। সি এখন হাতত অলপ ভাজি আৰু আনখন হাতত ভাকৰী টুকোৰা লৈ ঠিয় হৈ আছিল। গাঁওবুঢ়ানীয়ে

তাৰ স'তে কথা পাতিলে এনে আন্দাজ কৰি তাৰ হাতৰ পৰা আচাৰ আৰু ভাকৰী লৈ ক'লে, "বহ, মোৰ ৰজা বহ।"

তাই তাক হাতত ধৰি মাটিত বহুৱালে। তাৰ পিঠিটো মোহাৰি মোহাৰি তাই ক'লে, "দেখিলি, মই কোৱা নাছিলোঁনে...।"

গাঁওবুঢ়ানীয়ে দিয়া গালি-গালাজবোৰৰ বাবে তাৰ বৰ দুখ লাগিছিল। কিন্তু সটবাৰ বৰ আনন্দ লাগিছিল। কাৰণ সিও মাকৰ বাবে পেণ্টৰ ভিতৰত গৰম ভাকৰী, শুকান মিছামাছৰ চাটনি আনিছিল। ভিকাই বিচাৰিব পাৰে বুলিয়ে সি তেনেকৈ পেটত হেঁচি ধৰি আছিল।

তাই ভিতৰলৈ গৈ জুহালৰ ওপৰত থকা কেৰাহীটো আৰু ঘটি এটাত পানী ভৰাই আনিলে। কেৰাহীত কালবন বাকী দি তাই সিহঁতক খাবলৈ ক'লে, "খা বাবা। দুখীয়াৰ ল'ৰাইনো আৰু ইয়াতকৈ কি বেছি খাবলৈ পাবি? খা..." তাইৰ অন্তৰ দহি যোৱাৰ বাবে সটবাক কাষ চপাই ল'লে আৰু তাৰ ল'ৰা-শৰীৰৰ পৰশ পাই বাৎসল্য প্ৰেমেৰে তাইৰ হৃদয় ভৰি উঠিল। তেনেকৈয়ে তাই তাৰ ধুলিৰে জটা বান্ধি থকা মুৰটোত চুমা খালে। মাকে সটবাক মৰমৰ কৰা দেখি ভিকাইও কাওবাও কৰি উঠিল। খোৰাত পাকৈত ভিকাই এটুকুৰা-দুটুকুৰাকৈ খাবলৈ ধৰিলে। তাকে দেখি তাই তাৰ পিঠিত মৰমেৰে হাত বোলাই দিলে। সি যেন জীৱনৰ আচল আনন্দ উপভোগ কৰিলে। তাক খাবৰ বাবে তাই উৎসাহিত কৰিবলৈ ধৰিলে। সেই চুৰা-বাহি টুকুৰাবোৰেই সিহঁতৰ বাবে ৰসময় হৈ পৰিল।

কিন্তু সটবাই জুটি লৈ লৈ লাহে লাহে খাই আছিল। সি ভাবি আছিল ভিকা কেতিয়া ওলাই যাব। কাৰণ ভিকা ওলাই গ'লে তাৰ গৰম গৰম ভাকুৰীৰ আধাভাগ মাকক দিব বুলি ভাবিছিল। কিন্তু ভিকাৰ চকু তাৰ ওপৰত আছিল। মাকে তাৰ পিঠিত হাত বোলোৱাৰ বাবে সি নিৰ্ভয় হ'ল আৰু সটবাৰ হাতত কিবা ভাল খোৱাবস্তু আছে এনেদৰে ভাবি সি সুধিলে, "কি আছে সেইটো?"

"ভাকল। নল'বি, মাৰ কাৰণে। গলম। তই সোনকালে খা। মাক দিওঁ।" সেইবুলি তাৰ চোলাৰ ভিতৰত থোৱা ভাকৰী মাকৰ কোঁচত থ'লে।

তাৰ মাকৰ প্ৰতি থকা মৰমটো দেখি তাইৰ হাঁহি উঠিল। তাই তাৰ গোল শুকান মুখখনত চুমা খালে আৰু ভাকৰীটো তিনি টুকুৰা কৰিলে। দুয়োটাকে এটুকুৰাকৈ দি নিজেও লাহে লাহে এটা টুকুৰা লৈ চোবাবলৈ ধৰিলে।

আৰু সটবাকলৈ প্ৰশংসা কৰাৰ দৰেই তাকো কৰিবৰ বাবে ভিকাই মনে মনে খাবলৈ বুলি থোৱা তাৰ প্ৰিয় আচাৰকণ জেপৰ পৰা উলিয়াই মাকলৈ আগবঢ়াই দিলে। সি যে খাই ভালপায় সেইটো জানে বাবে তাইৰ চকুকেইটা পানীৰে ভৰি আহিল। তাই সি নেদেখাকৈ চকুপানী ৰখাবলৈ চেষ্টা কৰিলে যদিও নোৱাৰিলে। চাদৰৰ আঁচলটো মুখত লৈ একেৰাহে কাহিবলৈ ধৰিলে। ভিকাই পানী আনিবৰ বাবে দৌৰি গ'ল। আৰু সেই সময়কণতেই তাই চকুপানী মোহাৰি ল'লে আৰু অত্যন্ত মৰমেৰে ক'লে, "সোণ, তই আগতে খা। তাৰপিছত সটবাক দে। সোনকালে কিবা এটা কৰিব পৰা হ।"

দহ ঘৰৰ মিহলি ভাজি আৰু বাহি ভাকৰীৰ টুকুৰাবোৰ ভিকাই খাবলৈ অলপো ভাল নাপায়। তথাপিও বেছিকৈ ভোক লগাৰ বাবে সি খাই আছিল। তাৰ সেই অপুষ্টিকৰ আহাৰ আৰু মুখৰ অসন্তুষ্টি দেখি তাই ব্যাকুল হৈ উঠিল আৰু অন্তৰৰ পৰা এটা গধুৰ হুমুনিয়াহ ওলায় আহিল। নিজৰ জীৱনতকৈ ল'ৰাকেইটাক বেছি মৰম কৰা বাবেই আজি নদীলৈ যাবলৈ স্থিৰ কৰিলে। সেয়ে তাই ভিকাক ক'লে, "ভিকা, আজি নদীলৈ যাম বুলি ভাবিছোঁ। পানী চাই আহগৈচোন যা।"

"যাওঁ।" তাৰ ইমানেই আনন্দ লাগিল যে শিলৰ দৰে হোৱা টুকুৰাকেইটা চোবাবলৈ এৰি পানী খাই সি বাহিৰ ওলাল। নদী বুলিলে পাগল সটবাও তাৰ পিছে পিছে জপৰা চুলিকোছা উৰুৱাই উৰুৱাই দৌৰিবলৈ ধৰিলে। ইফালে আকৌ খাই থকা ল'ৰাকেইটাক এনেয়েহে কষ্ট দিলোঁ বুলি মাকে দুখ কৰিবলৈ ধৰিলে। তাইৰ খাবলৈ মন যোৱা নাছিল। এতিয়া এইবোৰ ভাবি আৰু এগৰাহো তাইৰ খাবলৈ মন নগ'ল। হাতৰ টুকুৰাটো টোপোলাটোত থ'লে আৰু বাকী সকলোবোৰ সামৰি থ'লে। দুয়োখন হাতেৰে মুৰটো হেঁচি ধৰি তাই দুৱাৰমুখত বহিলহি।

এনেকুৱাতে তাই ৰাম-লক্ষ্মণৰ যোৱাটো দৌৰি আহিল। আনন্দত উত্ৰাৰল হৈ ফোপাই-জোপাই খবৰ দিলে।

"মা, পানী কমিছে। ব'ল। মাছ ধৰোঁ। আজি নিশ্চয় অহীৰ (বৰালি জাতিয়া এবিধ মাছ) পাম।"

"অহীৰ?" তাই আচৰিত হ'ল আৰু মনে মনে থাকিল। হাতযোৰ কৰি আকাশলৈ চাই ক'লে, "ল'ৰাৰ মুখ... তোৰ মুখত ফুল চন্দন পৰক পাম।"

"পামেই!" দুয়ো ককায়েক-ভায়েকে ক'লে। সিহঁত দুটাৰ বিশ্বাস দেখি তাইৰ বৰ আনন্দ লাগিল, কিন্তু বেছিকৈ ভাবিবলৈও তাইৰ ভয় লাগিল। সেয়ে তাই ল'ৰা দুটাক ক'লে, "খেলিবলৈ যা। পানী গাঁঠি মানলৈকে পানী কমিলে ক'বলৈ আহিবি। যা এতিয়া।"

ল'ৰা দুটা খেলিবলৈ গ'ল আৰু তাই অহীৰ মাছৰ কথা চিন্তা কৰি থাকিল। সেই মাছটো খোৱাৰ সময়ত ভিকা কেনেদৰে আনন্দিত হ'ব, খাই থাকোঁতে তাৰ চেহেৰা কেনেদৰে তৃপ্ত হৈ থাকিব, দুদিন খালেই তাৰ তেজ বাঢ়িব, বেমাৰৰ বাবে আৰু লঘোনে থাকিবলগীয়া হোৱাৰ বাবে কমি যোৱা শক্তি আকৌ বাঢ়িব, এনেদৰে তাই ভাবি আছিল। আৰু আনন্দত উত্তেজিত হোৱা তাইৰ ল'ৰাহালে ঘণ্টাৰ মুৰে মুৰে দৌৰি আহি তাইক প্ৰতিক্ষণৰ খবৰ দি আছিল। যেন সিহঁতে তাইৰ চকুৰ ওচৰলৈকে নদীখন লৈ আহিছিল। তাইৰ নিজৰ ল'ৰাকেইটাৰ বিচাৰ-বুদ্ধি দেখি সন্তুষ্ট হৈছিল। চন্দ্ৰ-সূৰ্যৰ দৰেই যেন সিহঁত দুটা! এইবোৰ চিন্তাই তাইক উৎসাহিত কৰিলে সেয়ে শুকান শৰীৰত শক্তি পোৱা যেন পালে।

ঠিক পাঁচ বজাত তাইৰ বাবে যিমানখিনি পানী কমিব লাগিছিল সিমানখিনি কমিল। তিনিওটাই লাগতীয়াল বস্তুবোৰ ল'লে। তাই আগে আগে আৰু সিহঁত পাছে পাছে সিহঁত নদীলৈ আগবাঢ়িল।

নদীৰ গভীৰ পানী বেগত বৈ আছিল। পাৰত নদীত উটি অহা লেতেৰা জাৱৰ-জোথৰ পৰি আছিল। গৈ থাকোঁতে তাইৰ গধুৰ হৈ পৰা ভৰিকেইটা জাৱৰত-বোকাত লাগি লাগি ধৰিলে। তেনেকৈ জোটা-পোটা খায়ে তাই গৈ থাকিল। বৰকৈ তিতাৰ বাবে তাইৰ আঙুলিকেইটা জঠৰ হৈ পৰিল। কঁকাল আৰু আঁঠুৰ হাড় ঠন্‌ঠনাই উঠিল। ফেৰ্‌ফেৰীয়া বতাহে তাইৰ শৰীৰটো চুই যোৱাৰ বাবে তাইৰ সৰ্বশৰীৰ থক্‌থককৈ কঁপি উঠিল। মুৰৰ বিষটোৱে পুনৰ উক্‌ দিলে। চকু দুটা গধুৰ হৈ আহিল আৰু পুৰিবলৈ ধৰিলে। তথাপিও তেনেকৈয়ে তাই আগবাঢ়ি গৈ থাকিল। কাৰণ ল'ৰা দুটাৰ ভৰণ-পোষণৰ সমস্ত দায়িত্ব এতিয়া তাইৰ ওপৰত। সেয়ে সকলো সংকট তাই পাৰ কৰিব লাগিব।

দেহৰ দুখ-কষ্টক আওকাণ কৰি তাই গৈ আছিল আৰু হাঁহি-খিকিন্দালি কৰি আনন্দ বিভোৰ হৈ তাইৰ ল'ৰা দুটা পিছত আহি আছিল। লতাৰ ওপৰত ফুলি থকা ফুলৰ দৰেই সিহঁতৰ আনন্দ নধৰা হৈছিল। কোনটো পিতনিত কিমান ভূত আছে, মুনি-চুনি বেলিকা বেতালে চাকি লৈ ক'ত নাচি থাকে এইবোৰ কথা ইটোৱে সিটোক কৈ আছিল। বোকাত পৰি থকা শিলগুটি মাৰি আৰু বানপানীৰ বাবে আধামৰা হোৱা জীৱটোৰ চট্‌ফটনি দেখি হাঁহিবলৈ ধৰিলে।

"আৰে সেইটো চা..." সিহঁতৰ সন্মুখেৰে সেউজীয়া ৰঙৰ সাপ এটা লাহে লাহে গৈ আছিল। ভিকাই জালখন পিঠিত লৈ দৌৰিলে। পটকৈ

হাউলি সাপটোৰ মুখৰ ফালে ধৰি আনিলে। সটবাই সেই সেউজীয়া সাপটোৰ চট্‌ফটনি দেখি হাত চাপৰি বজাবলৈ ধৰিলে। ভিকাৰপৰা সাপটো সি ধৰিবলৈ বিচাৰিলে। কিন্তু সি নিদিলে। সি হাঁহি আছিল আৰু তাক সাপটো বিচাৰি থকা সটবাই তাৰপৰা সাপটো ল'ৰৰ বাবে জঁপিয়াই আছিল। ভিকাই তাৰ জাপতে সাপটো ওপৰলৈ কৰি দিছিল আৰু কৈছিল, "নধৰিবি, খুটিব তোক। মৰিবি তই...।"

তাইৰ পিছফালে চলি থকা ল'ৰা দুটাৰ কাণ্ড-কাৰখানাবোৰ দেখি ভমক কৈ খং উঠি আহিল। ভিকাৰ হাতত থকা সাপটো ধৰিবলৈ সটবাক জঁপিয়াই থকা দেখি তাই ভয় খাই চিঞৰি উঠিল, "ঐ পাগল ভিকা, পেলা পেলা..." ভিকাই সাপটো পেলাই দিলত কোমল মাতেৰে তাক বুজাবলৈ ধৰিলে, "এনেদৰে পাগলৰ দৰে যিহকে পাৱ তাকে নল'বিচোন!"

"কিন্তু মা, সেইটোৱে নুখুটে।" ভিকাই গম পাইছিল যে মাকে আৰু খং নকৰে সেয়ে ক'লে।

সেয়ে সটবাইও অধিক নির্ভয় হৈ ক'লে, "সেইটোৱে মানুহ নামাৰে।"

"আৰু তাক মাৰি গিলাচত..." সি তাৰ বৈদ্যকীয় জ্ঞান তাইক শুনাবৰ বাবে উঠি-পৰি লাগিল কিন্তু তাই কাজিয়া হ'ব বুলি জানি মুখ ঘুৰাই যাবলৈ ধৰিলে। তেতিয়া সটবাইও সৰু মাতেৰে তাৰ ইচ্ছা ব্যক্ত কৰিলে, "সাপটো মই দেখা হ'লে মইও তোৰ হাতত নিদিলোহেঁতেন।"

"কিন্তু তই নেদেখিলিয়েই যে।"

"দেখিছিলোঁ।" সটবা ঈর্ষাত জ্বলি উঠিল। চকুলৈ প্ৰাণ আনি শিলগুটি বুটলি লৈ আকৌ ক'ৰবাত তেনে সাপ দেখে নেকি নিৰীক্ষণ কৰি আছিল। কেতিয়াও নেদেখা কিছুমান জীৱ-জন্তুহে তাৰ চকুত পৰিল। কিন্তু তাৰ যিটো দৰকাৰ সেইটো পোৱা নাছিল। ভিকাই তাক জোকাবলৈ ধৰিলে। এনেদৰেই কিছু সময় পাৰ হৈ গ'ল আৰু তেতিয়াই তাৰ চকু পৰিল মাকৰ ওপৰত। মাক যিটো পিতনিৰ ওপৰত থিয় হৈ আছিল। তাত ডাঙৰ ডাঙৰ, বেলেগ বেলেগ ৰঙৰ অজগৰ দেখিলে। জিকাৰ আনন্দত আৰু মাকক সেই অজগৰবোৰে খুটিব এই ভয়ে সি চিঞৰি উঠিল, "মা আঁতৰ, সাপ সাপ..."

তাই তেনেকৈয়ে ঠিয় হৈ থাকিল। তেতিয়া সিহঁত দুটা চিঞৰি চিঞৰি দৌৰি আহি মাকক পিছলৈ ঠেলিবলৈ ধৰিলে। পিছত সিহঁত তিনিটাই ঘুৰি পিতনিটো চাবলৈ ধৰিলে। সেই পিতনিটোত ৰং বিৰঙৰ সাপবোৰ এটা ধোৱীয়ে ধুতি-শাৰীবোৰ চেপি যেনেকৈ টীপ কৰি তেনেদৰে বানপানীত, অহা ৰং বিৰঙৰ অসংখ্য সাপবেৰে এটা আনটোৰ লগত মেৰা পাতি পৰি আছিল। সেই বীভৎস আৰু ভয়ংকৰ দৃশ্যটো দেখি তাইক কাঁইটেৰে বিন্ধাৰ দৰে বিন্ধিলে। তাই ভয়তে থৰ্‌থৰকৈ কঁপিবলৈ ধৰিলে। সিহঁতে মাকক থেলি আছিল যদিও একে ঠাইতে তাই থৰ হৈ ৰৈ আছিল। তাইৰ ভয় লাগিছিল। সিহঁতৰ অতপালি দেখি তাইৰ খং উঠি আহিল। তাই নিজৰ নাইবা ল'ৰাৰ শব্দ সাপৰ কাণত নপৰিবৰ বাবে মুখৰ পৰা টু শব্দ এটাও নকৰিলে। আৰু সিহঁতক টানি লৈ আছিল।

পিতনিটোত পৰি থকা সাপবোৰলৈ শিলগুটি মাৰিবলৈ সিহঁত দুটাৰ বৰ ইচ্ছা হৈছিল। সিহঁতে সঘনাই পিছলৈ ঘুৰি চাইছিল, আৰু শিল বিচাৰি আছিল। কিন্তু তাই সিহঁতক শিল লৈ মাৰিবলৈ কোনো সুবিধাই দিয়া নাছিল। বহুদূৰ আগবাঢ়ি অহাৰ পিছত তাই ক'লে, "সাপৰ আগত কথা ক'ব নাপায়, সিহঁতলৈ শিল মাৰিব নাপায় সিহঁতি দোষ ধৰে। মৰাজনৰ প্ৰতিশোধ লয়।"

"মোক যদি খোঁটে তেতিয়াহ'লে মই নিমপাত খাম- সটবাই ক'লে। তাৰ সেই শব্দকেইটা শুনি তাইৰ হৃদয় ভয়তে কঁপি উঠিল। তাই তাৰ মুৰতে এক চৰ মাৰিলে। তাক মৰাৰ বাবে তাইৰ দুৰ্বল আঙুলিকেইটা ঝন্‌ঝনাই গ'ল আৰু মাকে সটবাক মৰাৰ বাবে ভিকাই খুক্‌খুকাই হাঁহিবলৈ ধৰিলে।

"চুপ।" তাৰ হাঁহি শুনি সাপ উঠি আহিব বুলি ভাবি ভয় খাই তাই চিঞৰি উঠিল। সিহঁত দুয়োটাই হাঁহিবলৈ ধৰিলে। ইফালে ভয় আৰু খণ্ডত আতুৰ হৈ তাই গালি দি দি আগলৈ গৈ থাকিল। সিহঁতে হাঁহি আছিল আৰু তাইৰ হৃদয় ভয়ত কঁপিছিল। কাৰণ সৰুকালতে— তাইৰ মাকক সাপে খুটি মৰাৰ বাবে পৰা তাইৰ সাপলৈ বিৰাট ভয়।

ভালেমান দূৰ যোৱাৰ পিছতো মনৰ সেই ভয় আঁতৰি নগ'ল। সেইটো পাহৰি যাবৰ বাবে তাই মাছ ধৰিবৰ বাবে সাজু হ'ল। ভিকাক লগত লৈ এআঁঠু পানীত নামি মাছ ধৰিবলৈ লাগিল। অলপ সময়ৰ পিছতে মাছ ধৰাত তাই মগ্ন হৈ পৰিল আৰু খুন্দিয়াই থকা ভয় পাহৰি গ'ল।

সময় গৈ থাকিল। আকাশৰ নীলা বৰণ ক্ৰমে ধূসৰ হৈ আহিল। সূর্যটো লাহে লাহে পশ্চিম দিশে গতি কৰিলে। তাইৰ শৰীৰটো আকৌ চেঁচা হৈ আহিল। অতিমাত্ৰা কষ্ট কৰাৰ বাবে হাড়বোৰ বিষত টন্‌টনাবলৈ ধৰিলে। মূৰটো বিষাবলৈ ধৰিলে। কঁকালত বান্ধি লোৱা জালৰ মোনাটোও গধু�ৰ হৈ আহিবলৈ ধৰিলে। ভিকাৰ ওচৰত থকা খালৈটো মাছেৰে গধু�ৰ হৈ পৰিল। পাৰত বহি বোকা খেলি সটবাৰ আমনি লাগি গৈছিল। বোকাৰে ভৰি পৰা হাত-ভৰিবে সি ভোকত কল্‌মতিয়াই আছিল। ভিকাৰো ভাগৰ লাগিছিল। সেয়ে সি ক'লে—

"মা, মই বিক্ৰী কৰিবৰ বাবে যাওঁ নেকি?"

"যা, সোনকালে যা। বিক্ৰী হ'লে নানাৰ দোকানৰ পৰা খুদ চাউলকে লৈ আহিবি। তেতিয়ালৈকে মই আমাৰ বাবে মাছ ধৰোঁ। যা।"

মাছৰ লগত গৰম ভাত খাবলৈ পোৱাৰ কল্পনাত সি আনন্দিত হৈ পৰিল। উৎসাহিত হৈ সি ক'লে, "এতিয়া যদি জালত অহীৰ মাছ পৰে কি মজা হ'ব...।"

"অহীৰ? ভগৱানৰ দৰে কেতিয়াবাহে সেইটো মাছ এইখন নদীত আহে।"

"কিন্তু বানপানীত আহে ন? তয়েই কৈছিলি দেখোন।"

"আহে। কিন্তু ভাগ্য লাগে।"

"তেনেহ'লে আজি পামেই।" ভিকা পানীৰ পৰা উঠি আহিল। খালৈৰ মাছকেইটা খৰাহীত বাকিলে আৰু খালৈটো মাকক ঘুৰাই দিলে। মুৰৰ ওপৰত খৰাহীটো লৈ থিয় হৈ সি ক'লে, "মা মই যাওঁ। তই অহীৰ বিচাৰ।"

"যা। বেছি বক্‌বকাই নাথাকিবি। তাই আগন্তুক আনন্দৰ বাবে ভয় খাই গ'ল। ভিকা গুচি গ'ল আৰু তাই অহীৰ পৰে নেকি এই আশাৰে জাল পেলাই থাকিল আৰু টানি থাকিল।

সাপেৰে ভৰি থকা পিতনিটোৰ ওচৰ পাওঁতে তাৰ মনটো চমচমাই উঠিল। সি ৰাস্তাৰ ওপৰত, ওচৰ-পাজৰে পাত পাতকৈ চাবলৈ ধৰিলে। ৰাস্তাত একো নেদেখাৰ বাবে হাতত শিলগুটি লৈ পিতনিটোৰ ওচৰলৈ আহিল। তাত তেতিয়াও শকত ক'লা, চুটি সাপ এডাল আছিল বাকী সকলোবোৰ তাৰপৰা গুচি গ'ল। সাপটো দেখি ভিকাৰ ভাব হ'ল যে এই ভোকত থকা ক'লা সাপডাল কেনেবাকৈ ৰাস্তাৰ ওপৰলৈ আহিলে বেমাৰী, দুৰ্বল মাকক নোখোঁটাকৈ নাথাকে। এই ভাবটো মনলৈ অহা মাত্ৰকে সাপটো মাৰি পেলাবলৈ সি উদ্যত হ'ল। মুৰৰ পাচিটো মাটিত থৈ লক্ষ্য স্থিৰ কৰি শিলগুটি মাৰিবলৈ ধৰিলে। তাৰ শিলগুটিৰ আঘাত সহ্য কৰিব নোৱাৰি পানীত অকলশৰীয়া হৈ পৰা সাপটো ধৰ্‌ফৰাই ধৰ্‌ফৰাই পিতনিৰ পৰা ওলাই বেগেৰে ক'ৰবাত নেদেখা হৈ পৰিল।

সাপটো অদৃশ্য হোৱা দেখি ভিকাই বৰ ভয় খালে আৰু ইফালে-সিফালে বিচাৰিবলৈ ধৰিলে। আধামৰা সাপে মাৰোঁতাজনৰ দোষ ধৰে, প্ৰতিশোধ লয়, এই ভয়ে সি যিমান দূৰলৈকে দেখে চাবলৈ ধৰিলে। সেই সাপটো মাকৰ সন্মুখলৈ নাযাব বাবে, তাইক মাৰোঁতাজনৰ বুলি নুখুঁটিবলৈ পাগলৰ দৰে আন্দাজতে পানীত শিল মাৰিবলৈ ধৰিলে।

সি এনেদৰে ভয়ত নিজক পাহৰি বিভোল হৈ যাওঁতেই মাছ বিক্ৰীৰ

কথা মনলৈ আহিল। ৰান্ধনী পাকঘৰত সোমোৱাৰ আগত গ'লেহে ভাল দামত মাছ বিক্ৰী হয়। নহ'লে ভাল গৃহস্থ পোৱাই নাযায় আৰু পালেও পইচা কমকৈ দিয়ে। এইটো ভয়েৰে সি সকলো পাহৰি মৃৰত মাছৰ পাছি লৈ প্ৰাণটাকি দৌৰিবলৈ ধৰিলে। আৰু তেনেদৰে দৌৰোঁতেই মৃৰত থকা মাছৰ খৰাহীৰ পৰা মাছ পৰিবলৈ ধৰিলে। সি তেনেকৈয়ে গৈ থাকিল। পৰি যোৱা মাছবোৰ যে তুলিব লাগে এইবোৰ চিন্তা তাৰ মনলৈকে নাহিল। সি ফোপাই-জোপাই গাঁও পালেগৈ।

আৰু গাঁৱৰ অলিয়ে-গলিয়ে চিঞৰি চিঞৰি মাছ বিক্ৰীবলৈ ধৰিলে। দৌৰোতে পৰা মাছৰ পইচাও যাতে উলিয়াব পাৰে সেইবাবে সি হাত টানি মাছ বেচিবলৈ ধৰিলে। মাকৰ বেমাৰৰ কথা কৈ গ্ৰাহকৰ মনত দয়া উপজাবলৈ ধৰিলে।

ইফালে মাকে অহীৰ মাছৰ আশা কৰি পাগলীৰ দৰে জাল পেলাই থাকিল। ল'ৰাকেইটাক ভাল, পুষ্টিকৰ খাদ্য খোৱাবৰ বাবে অহীৰ মাছ পাবলৈ নদীক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। আৰু নদীয়ে প্ৰত্যেক বাৰতে তাইক কিবা নহয় কিবা এটা দান দি বৈ থাকিল।

তাইৰ জ্বৰ মৃৰত উঠিল। মৃৰটো ঘূৰাই যোৱাৰ দৰে হ'ল। চকুকেইটা টানি ধৰিলে আৰু তাই অহীৰ মাছৰ প্ৰাপ্তিৰ আশাত জাল পেলাই থাকিল। এনেকুৱা পৰিস্থিতিত তাইৰ বাবে জালখন গধু�ৰ হৈ পৰিল। জ্বৰত গধু�ৰ হৈ পৰা চকুকেইটা পুৰিবলৈ ধৰিলে। তাই অতিশয় শ্ৰদ্ধাৰে, লাহে লাহে জালখন টানিবলৈ ধৰিলে। ক'লা, পিছল মাছ এটা জালত লাগিল। মাছটো অহীৰ যেন দেখি তাই ভগৱানক ধন্যবাদ দিলে। ধৰফৰাই থকা মাছটোক চম্ভালিব নোৱাৰিব বুলি জালখন তেনেকৈয়ে লাহে লাহে সামৰি পাৰলৈ উঠি আহিল আৰু বোকাত খেলি থকা সটবাক লাহেকৈ মাতিলে, "সটবা আহ, মাছৰ টোপোলাটো ল, ব'ল দৌৰ।"

অহীৰ মাছটোৱে ধৰফৰাই উঠি জালি ফালি গুচি যাব বুলিয়ে তাই জালখন মাটিত থোৱা নাই। তাই হাতৰ জালখন বা পিছত লাহে লাহে আহি থকা ভোকত লৰেজান হৈ পৰা সটবালৈ এবাৰো, ঘূৰি চোৱা নাছিল। সটবাৰ মাত শুনি অহীৰ আকৌ ধৰফৰাই উঠিব বুলি তাক খং কৰিবলৈ ধৰিলে। লৰেজান সটবা পিছত থাকি নাহিবৰ বাবে তাক টানি-আজুৰি ঘৰৰ ফালে আনি থাকিল।

ঘৰ পায়েই তাই লাহেকৈ জালখন মেলি দিলে। আন্ধাৰত তাই তিতি গধু�ৰ হৈ পৰা মেখেলাখন সলাই পেলালে। সটবাক নাকান্দিবলৈ কৈ তাই জ্বৰীয়া গাৰে জালৰ পৰা মাছটো বিচাৰি উলিয়ালে। কিন্তু চাকিত অলপো তেল নথকাৰ বাবে শলিতাডালকে কোনোমতে জ্বলালে। ধোঁৱাৰে ভৰা টিমিক-ঢামাক পোহৰত তাই সাৱধানেৰে মাছটো আনি মৃৰতে মাৰিলে। ভালদৰে কাটিলে। পেটৰ ভাগটো সৰু সৰু টুকুৰা কৰি, ধুই মাটিৰ চৌকাত কেৰাহীত ভজাৰ পিছতহে তাইৰ মনটো শান্ত হ'ল। তেনেতে তাইৰ সটবালে মনত পৰিল।

তাক কোচত লৈ তাই ভিকা অহালৈ বাট চাই থাকিল। সটবা তাইৰ জ্বৰীয়া গাৰ উম পাই টোপনি গ'ল আৰু ভিকাৰ খোজৰ শব্দ শুনিবৰ বাবে কাণ উনাই থাকিল।

বাহিৰৰ ভিকাৰ খোজৰ শব্দ শুনি তাই সটবাক উঠাবলৈ ধৰিলে, "মইনা, উঠ, চা, দাদা আহিল। এতিয়া গৰম গৰম ভাত বনাই দিম। মোৰ ৰজাইঁতে পেট ভৰাই ভাত খাব। মাছ খাব।"

ভোকতে শুই পৰা সটবালৈ চাই বাৎসল্য ৰসেৰে হৃদয় ভৰি উঠিল। সি লঘোণে টোপনি নাযাবৰ বাবে তাক উঠাবলৈ ধৰিলে। কিন্তু কান্দি-কাটি লৰেজান হৈ পৰা সটবাৰ চকুৱেই মেল নাখালে। টোপনিত লালকাল দিলে সি।

ভিকাই তাইৰ ওচৰত চাউল আৰু মাছ বিক্ৰী কৰি পোৱা পইচা দিলে। থাকি যোৱা মাছৰ খৰাহীটো তাইৰ ওচৰত থৈ সি পইচা এটা লৈ কিবা খাবৰ বাবে দোকানৰ ফালে দৌৰ মাৰিলে।

অহীৰ মাছৰ পুষ্টিকৰ জোল আৰু ভাত বনাই তাই দুখন কাঁহীত বাঢ়িলে। ডাঙৰটোক প্ৰায়বোৰ মাছেই কাঁহী ভৰি যোৱাকৈ দিলে। তেনেদৰে সটবাকো দিলে আৰু সটবাক উঠাবলৈ ধৰিলে। ভিকাক চিঞৰিবলৈ ধৰিলে।

ভোকত থকা ভিকাই চিঞৰ শুনিয়ে ভিতৰলৈ আহিল। কম পোহৰত মাছৰ টুকোৰ আৰু ভাত সি শেষ কৰিবলৈ ধৰিলে। সি ভোকৰ ভাতকেইটা আনন্দেৰে খোৱাৰ বাবে তাই সুখী হৈছিল। আৰু সেই আনন্দতে টোপনিত কল্‌মতিয়াই থকা সটবাক জোৰকৈ এগৰাহ-দুগৰাহকৈ খুৱাই আছিল। দুই-চাৰি গৰাহ খোৱাৰ পিছত তাক আৰু খুৱাব নোৱাৰিলে। সি একোৰেই নোখোৱাৰ বাবে তাইৰ বৰ খং উঠিছিল। জ্বৰৰ বাবে তাইৰ একো খাবলৈ ইচ্ছা হোৱা নাছিল। কিন্তু ভিকাক সংগ দিবৰ বাবেই তাই অনিচ্ছা সত্ত্বেও খাবলৈ আৰম্ভ কৰিলে।

খাই আঁতোৱাৰ পিছত থাকি যোৱা মাছখিনি মেকুৰীয়ে খাব নোৱৰাকৈ ভালকৈ ঢাকি-ঢুকি থ'লে আৰু ল'ৰা দুটাক বুকুত সাবটি বিছনাত পৰিল। ল'ৰা দুটাৰ গভীৰ টোপনি আহিল। ইফালে তাই জ্বৰত ধৰফৰাবলৈ ধৰিলে। তাই নিষ্প্ৰাণ হৈ পৰি থাকিল। পেটটো ৰম্‌ৰমকৈ পুৰিবলৈ ধৰিলে। বমি হ'বলৈ ধৰিলে।

বাহিৰত বিজুলী-ঢেৰেকণীৰে মুষলধাৰ বৰষুণ আৰম্ভ হ'ল। বতাহে তাইৰ ঘৰটো জোকাৰিবলৈ ধৰিলে। ফুটি থকা চালেৰে যেতিয়া ভিকাৰ গাত পানী পৰিল তেতিয়া সি সাৰ পালে। সি দেখা সপোনটোৰ কথা মাকক ক'বৰ বাবে মাকক মাতিলে—

"মা...।"

"কি হ'ল সোণটো..." তাই কেঁকাই কেঁকাই সুধিলে।

"তোক সেই ক'লা সাপটোৱে আমনি কৰিবলৈ আহিছিল নেকি?"

"কিয়, সপোনত দেখিলি?" তাই তাক সাহস দিবৰ বাবে ক'লে।

"ওঁ। কিন্তু তালৈ শিল দলিয়াইছিলোঁ। তথাপি সি তোৰ ওচৰলৈ কেনেকৈ আহিল? তোক কেনেকৈ খুঁটিলে? সি উটি যোৱা নাছিল নেকি?"

"মোক ক'ত খুঁটিছে?"

"তেতিয়াহ'লে কিয় চিঞৰি আছিলি? তই তাক পানীত উটি অহা দেখা নাছিলি নেকি? তাকটো পাৰতে মাৰি পেলাইছিলোঁ।"

"নাই।" এনেদৰে কৈয়ে তাই অতিশয় ভয়ত কঁপি উঠিল। তাইৰ হাড়ে-হিমজুৰে ভয়তো বিয়পি গ'ল। তাই থৰথৰকৈ কঁপিবলৈ ধৰিলে। ঘামেৰে তাই জেপ্‌জেপীয়া হৈ পৰিল। শৰীৰৰ শক্তি নোহোৱাৰ দৰে হ'ল। ধৰফৰাই তাই পাছদিনাৰ বাবে ভাজি থোৱা মাছৰ পাত্ৰটোৰ ওচৰলৈ গ'ল। কেৰাহীটো টানি আনি চাকিৰ পোহৰত চালে আৰু টুকুৰাবোৰৰ ওপৰত হাত ফুৰাবলৈ ধৰিলে।

প্ৰত্যেক ডোখৰ ভজা মাছ তাই সাপৰ দৰে দেখিছিল। হাতত লৈ চালে। টুকুৰাবোৰৰ মাজৰ মৃৰটোও সাপৰ দৰে লাগিল। এতিয়া তাইৰ দুয়োটা ল'ৰাই মৰিব এনে ভয়ত তাইৰ কলিজা ফাটি যোৱা যেন হ'ল।

"সটবা... ভি... কা...।" তাই তললৈ মৃৰ কৰি কোনোমতে চিঞৰিলে। আৰু উঠিবলৈ ধৰোঁতেই ল'ৰাৰ মৰমতে শৰীৰৰ কষ্টকো আওকাণ কৰা তাইৰ প্ৰাণবায়ু উৰি গ'ল।

বহুদিনৰ পিছত পেট ভৰাই খাই লোৱাৰ পিছত ভিকাই টোপনিতে মাকক মাতি আছিল। আৰু তাইৰ শৰীৰৰ উমত টোপনিত লালকাল দিয়া সটবাই ককায়েকৰ মাত শুনি সাৰ পাইছিল ক্ষন্তেকৰ বাবে।

ইফালে বাহিৰত ধুমুহা বলিবলৈ ধৰিলে। ধুমুহাৰ প্ৰতাপত গছ-গছনিবোৰ মেৰ্‌মেৰাই ভাঙিবলৈ ধৰিলে। আকাশত ক'লা ডাৱৰবোৰ সাগৰত টো উঠাৰ দৰে দেখা গৈছিল। সেই ক'লা ক'লা ডাৱৰৰ আঁৰত চন্দ্ৰটো নোহোৱা হৈ পৰিল। বিজুলী-ঢেৰেকনী মাৰিবলৈ ধৰিলে। আৰু ক্ষন্তেকতে সকলোফালেই কেৱল অন্ধকাৰ হৈ পৰিল।



ঘাইচিপা

ঋতুৰেখা বৰুৱা

"আং নৈং খৈ মজং মৈনৈ।"
"নে নাং ফান নে নিং ডক পিক।"
"ঙ নম আইপে মেদাক।"

ময়ূৰীয়ে এই শব্দবোৰ এখন উকা কাগজত লিখি আনিছিল পল্লৱক দিবলৈ বুলি। কিন্তু... কাগজখন তাই দিবনে নিদিয়ে বহুত সময় ভাবিলে। লাজো লাগে দেখোন তাইৰ, এনেকৈ কিবা লিখি দিবলৈ...! তথাপি নিদিলেও চাগৈ মনটোৱে শান্তি নাপাব। সেয়েহে।

পল্লৱে কাগজখন লৈ পঢ়ি চায়েই বুজি পালে। কিয়নো 'সি'টো বুজি পাবই। এটা দুষ্টালি ভৰা হাঁহি মাৰি পল্লৱে সুধিলে, "তেন্তে হোষ্টেলত আৰু কি শিকিছা? কোৱা।"

হোষ্টেলৰ কথা কৈ জানো কোনোবা দিনা শেষ হ'ব? নহয়— কেতিয়াও নহয়। পল্লৱৰ লগত ফোন যোগে কথা পতা হয় যদিও সকলো কথা কোৱা নহয়গৈ। কিছু নক'বলগীয়া কথা হয়তো কোৱা হয়; কিন্তু যিবোৰ ক'ব লাগে সেয়া কোৱা নহয়গৈ।

আজিকালি ময়ূৰীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ঠাইৰ ছোৱালীকে চিনি পায়, কথা পাতে। ক'বলৈ গ'লে প্ৰতিজনী ছোৱালীয়েই বেলেগ, সেইবাবেই কিজানি ছোৱালীবোৰৰ নাম মনত ৰখা সহজ। নহ'লে আশীজনী-এশজনী ছোৱালীৰ নাম কেনেকৈ মনত থাকিলেহেঁতেন! ময়ূৰীয়ে বিভিন্ন জনগোষ্ঠীৰ দুই-এটা বুজি পোৱা হৈছে। কিয়নো কিছুমান বহুত ভাল বান্ধৱী পাইছে, যাৰ পৰা দুই-এটা নতুন শব্দ জনাটো সম্ভৱ হৈছে। কিন্তু, কেইজনীমান আছে... উস্, অসহ্য...। হঠাৎ তাইৰ মনত পৰি গ'ল তাইৰ ৰুমৰ কাষত থকা জনগোষ্ঠীয় ছোৱালী দুজনীৰ কথা। এজনী কাৰ্বি ছোৱালী আৰু এজনী ডিমাছা ছোৱালী। দুয়োজনী একেটা ৰুমতে থাকে। সিহঁত দুয়োজনীৰ মাজত অসম্ভৱ মিল। অন্য ছোৱালীক মাতবোল কৰাৰ কোনো প্ৰয়োজন সিহঁতি অনুভৱ নকৰে।

"বুজিছা, সেই ৰুমটোত বহুত বছৰ ধৰি বোলে ট্ৰাইবেল ছোৱালীবোৰহে থাকে। সদায় ছিনিয়ৰ হোৱা ছোৱালীবোৰে অন্য এজনী ট্ৰাইবেল ছোৱালীক নিজৰ জুনিয়ৰ ৰুমমেট হিচাপ লয়। খোৱা-বোৱা, কথা-বাৰ্তা পাতিবলৈ সিহঁতৰ বেছি সুবিধা হয় যে, সেই কাৰণে। আমি দেখিছোঁ সিহঁতি নিজৰ মতে সদায় অলপ বেলেগকৈ থাকিয়েই ভাল পায়। অৱশ্যে গোটেই বিলাক কিন্তু সিহঁতৰ নিচিনা নহয়।"

"ছোৱালীবোৰ ভালেই। ল'ৰাবোৰে কিন্তু বহুত বেছি কৰি পেলায়। আমি যেতিয়া ইউনিভাৰচিটিত পঢ়ি আছিলোঁ, এই তিনি-চাৰি বছৰৰ আগতে, তেতিয়া এটা হোষ্টেলত এনেকুৱা বিষয় লৈ বিৰাট কাজিয়া। সেই বুলিয়ে যে সকলো ল'ৰা বেয়া সেইটোও নহয় দেই। দোষ সকলোৰে আছে আৰু কোনে কি কয় নকয়, সেইবোৰ বাদ দিয়া। তুমি কিন্তু কথাবোৰ বেয়াকৈ নাভাবিবা আৰু হোষ্টেলত যিমান পাৰি সিমান নতুন অভিজ্ঞতা ল'বলৈ চেষ্টা কৰিবা।"

"হোষ্টেলবিলাকত চাগৈ মিলা-প্ৰীতি বেছি হ'লহেঁতেন যদিহে ৱার্ডেনে কঠোৰ নিয়ম কৰি দিয়ে যে একেটা ৰুমত বেলেগ ঠাইৰ পৰা অহা, বেলেগ বেলেগ জাতিৰ জনগোষ্ঠীৰ ছাত্ৰ বা ছাত্ৰী একেলগে থাকিব। তেতিয়া চাগৈ বহুতখিনি ভাল আছিল...।"

"তেতিয়াও সমস্যা আছে। ৰুমটোত তুমি মনৰ কথাবোৰ Share কৰিবলৈ যদি ভাল নোপোৱা? তোমালোকৰ খোৱা-বোৱাৰ মাজত যদি সাংঘাতিক প্ৰভেদ থাকে, তেতিয়া কি কৰিবা?"

ময়ূৰীয়ে বুজি পালে, কিছুমান কথা নিয়ম কৰিব নোৱাৰি।

পিছদিনা হোষ্টেল অভিমুখে আহি থাকোঁতে ময়ূৰীৰ মনলৈ কিছুমান চিন্তা আহিল। পল্লৱৰ লগত তাই পতা কথাবোৰ মনলৈ অহৰহ আহিবলৈ ধৰিলে। এইবাৰৰ পৰা সিহঁত জ্যেষ্ঠ আবাসী। এতিয়াৰ পৰা সিহঁতি যি ব্যৱস্থা ল'ব, সেই ব্যৱস্থা চলি যাব। দুই-এদিনৰ ভিতৰতে হোষ্টেললৈ নতুনকৈ ছোৱালীবোৰ আহিব। ময়ূৰীয়ে মনতে ভাবি থ'লে, ৰুমমেট হিচাপে তাই এজনী বেলেগ ভাষাৰ আৰু সংস্কৃতিৰ ছোৱালীৰ লগত থাকিব। কিয়নো নতুন ধৰণ-কৰণ, ৰীতি-নীতি জানিবলৈ তাইৰ বহুত ইচ্ছা আছে। এই ইচ্ছা তাইৰ এইবাৰ পূৰণ কৰিব।

খিৰিকীৰ কাষৰ ছিটত বহি আহিবলৈ তাই ভালপায়। প্ৰকৃতিৰ অনাবিল সৌন্দৰ্যই যেন একেবাৰে মুগ্ধ কৰি পেলাব খোজে ময়ূৰীক। আগতেও দেখিছে, এইবাৰো দেখিছে— এক বিশেষ অঞ্চলৰ মানুহবোৰে

অলপ বেলেগ ধৰণৰ কাপোৰ পিন্ধে। কিন্তু এইবাৰ... ময়ূৰীয়ে তেওঁলোকক গভীৰভাৱে লক্ষ্য কৰাৰ চেষ্টা কৰিলে। তিৰোতাসকলে ব্লাউজটোৰ ওপৰলৈকে এখন কাপোৰ মেৰিয়াই লয়। এওঁলোক কি মানুহ...? কোন জনগোষ্ঠীৰ? অ' মনত পৰিছে, এওঁলোক কাৰ্বি জনগোষ্ঠীৰ মানুহ...? কোনোবাই কোৱা মনত পৰিছে।

আকৌ, নগাঁও পাৰ হৈ আহিলেও এক চিন্তা। কিয়নো নগাঁও, মৰিগাঁও এই ঠাইবিলাকত প্ৰায়েই বন্ধ ঘোষণা কৰি থাকে। তেওঁলোকে বিভিন্ন দাবী উত্থাপন কৰি বন্ধ বিলাক দিয়ে। এবাৰ, অসম বন্ধ হোৱা সত্ত্বেও তাই বিশ্ববিদ্যালয়লৈ আহিব লগা হৈছিল আৰু বহুত দূৰ বাট আৰক্ষীয়ে নিৰাপত্তা দি সেই ঠাই পাৰ কৰাই দিছিল। সেইদিনা যে মাক-দেউতাকহঁতৰ কিমান চিন্তা! সুকলমে তাই সেই ঠাই পাৰ হ'লনে নাই? সেই ঠাই পাৰ হোৱাৰ পাছতহে মাকহঁতৰ চিন্তা কমিছিল। আৰু তাইৰো।

আগদিনা পল্লৱৰ লগত পতা কথাবোৰৰ পিছত তাই এক গভীৰ আকৰ্ষণ অনুভৱ কৰিছে, অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীয় লোকসকলক জানিবৰ; তেওঁলোকক বুজিবৰ..., একধৰণৰ হেঁপাহ হৈছে। কিবা অলপ নজনাও নহয়, অৱশ্যে...।

অসমলৈ প্ৰথমে অহা লোকসকল হৈছে; বড়ো, ৰাভা, সোণোৱাল, ঠেঙ্গাল, ডিমাছা, কছাৰী, কোঁচ-ৰাজবংশী, চুতীয়া, মৰাণ, বৰাহী ইত্যাদি।

দ্বিতীয়তে, ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ, বৈশ্যসকল আহিছিল গংগা উপত্যকাৰ পৰা।

তৃতীয়তে আহিছিল আহোমসকল। তাৰ পিছত ক্ৰমে চাহ শ্ৰমিকসকল, হিন্দু বঙালীসকল, মুছলমান বঙালীসকল, নেপালীসকল অসমত আহি বসতি স্থাপন কৰিছে। বচ্ ইমানখিনিয়েই জানে তাই, সকলোবোৰ মিলিয়েই অসম। কোনো সমস্যা নাই। বৰ অসম।

ধেৎ তেৰিকা! কিযে কথাবোৰ ভাবিছে। বৰ অসম বুলি এতিয়াতো কোনো 'কনচেপ্ট' নাই। কেনেকৈ নোহোৱা হৈ গ'ল বাৰু? কিয়নো নোহোৱা হৈ গ'ল? কিয়। ময়ূৰীয়ে অলপ সময় ভাবিলে; কি হ'ব পাৰে ইয়াৰ কাৰণ সমূহ...? অ' অ' ভাবি পাইছে তাই, অসমীয়া ভাষা জীয়াই ৰখাৰ আন্দোলন সমূহ..., আকৌ বিদেশী খেদিবৰ বাবে লোৱা ব্যৱস্থাসমূহ...। বিপ্লৱ মানেইতো পৰিবৰ্তন, বিপ্লৱে পৰিবৰ্তন আনিবই। পৰিবৰ্তনেই যদি নানে, কিহৰ বিপ্লৱ? সদায় পৰিবৰ্তন— এই ধাৰা চিৰদিন বৈ থাকিব নেকি? হাঃ হাঃ হাঃ গভীৰ চিন্তাবোৰ নিজৰ মনলৈ অহা দেখি ময়ূৰীৰ অকলে অকলে হাঁহি উঠি গ'ল।

সকলোবোৰ এসময়ত দেখোন ঠিকেই আছিল। কিন্তু এতিয়া জানো ঠিকে আছে? নাই, নাই, অলপো ঠিকেই নাই। বহুতো খেলিমেলিৰ সৃষ্টি হৈ গৈছে। মুঠতে ক'ৰবাত কিবা এটা বিজুতি ঘটিছে, ঘটিব লাগিবই, নহ'লে...।

উসঃ এইবোৰ কথা বাদ দিয়া যাওক। এইবিলাক কথা ভাবিলে দেখোন নিজৰ মনতে খেলিমেলিৰ সৃষ্টি হ'ব খোজে। সেইবাবে ময়ূৰীয়ে বেলেগ কথা চিন্তা কৰিব খুজিলে। এইবিলাক কথা তাই চিন্তা কৰি লাভ নাই...। তাই ভাবিবলৈ আৰম্ভ কৰিলে, হোষ্টেলত লগৰখিনিৰ পৰা কিমান যে কথা শুনিব লগা আছে, আৰু কিমান যে কথা ক'বলৈ আছে...। ডিপার্টমেণ্টৰ বন্ধু-বান্ধৱীৰ কথাও মনলৈ আহিল। কিমান দিন যে সিহঁতক লগ নোপোৱাকৈ আছে...। পুনৰ সেই লৰালৰি, ব্যস্ততা আৰম্ভ হৈ যাবই আৰু।

হোষ্টেললৈ অহাৰ পিছতেই নতুন নতুন ছোৱালীবোৰ আহিবলৈ আৰম্ভ কৰিলে। ময়ূৰীয়ে ভাবি থোৱা মতেই কামটো কৰাৰ চেষ্টা কৰিলে। এজনী বড়ো ছোৱালীক ৰুমমেট হিচাপে নিজৰ ৰুমলৈ আগুৱাই আনিলে। আগুৱাই আনিছে হয়, কিন্তু মনটো অলপ সংকুচিত হৈ আছিছে। ভিন্ন ভাষা-সংস্কৃতিৰ ছোৱালীজনীক আগুৱাই আনিছে হয়, যদি ভাল নালাগে, একেবাৰে যদি কোনো ফালৰে পৰা নিমিলে..., মনটোও যদি নিমিলে...। ভাষাবোৰ... কথাবোৰ নুবুজে যদি...। ৰুমটোত যদি দিনটোৰ কথা-বার্তাবোৰ ভাগ-বতৰা কৰা নহয়..., কেনেকুৱা যে লাগিব। আগৰ 'ৰুমমেট' বা জনীৰ নিচিনা নহয় যদি...? একেবাৰে অসহ্যকৰ কিবা হয়!!

দোধোৰ-মোধোৰত পৰিছে ময়ূৰী। কিন্তু তাই ইতিমধ্যে পল্লৱক কথা দি আহিছে। অন্ততঃ তাৰ কাৰণে..., তাই এই নতুনত্ব উপভোগ কৰি চাব, চাবৰ চেষ্টা কৰিব। তাইৰ কাৰণেওতো সি নতুন নতুন কাম কৰি থাকে। পল্লৱৰ এই বিশালতাই তাইক সদায় আকৰ্ষণ কৰে। কোনো কথাই সহজে এৰি দিব নোখোজে সি। প্ৰত্যেকটো কথা, প্ৰত্যেকটো কামৰ নতুনত্ব ভাল পায় সি। 'সি' আশাবাদী-ময়ূৰীয়ে এদিন মুকলি মনেৰে তাইৰ চৌপাশ উপভোগ কৰক, তাইৰ জীৱনটো জীপাল কৰক। ও... তাই থাকিব নতুনকৈ তাইৰ ৰুমলৈ বুলি অহা কাঞ্চন নার্জাৰী নামৰ বড়ো ছোৱালীজনীৰ লগত তাই থাকিব। ওদালগুৰিত ঘৰ।

মাকে ফোনত অসন্তুষ্টি প্ৰকাশ কৰিছিল— "বেলেগ ছোৱালী নাই নেকি অ'? অন্য এজনী ছোৱালী অহা হ'লেই ভাল আছিল নেকি। চাবি আকৌ, ট্ৰাইবেল খানা খুৱাই দিব।"

মাক অলপ চিন্তিত হৈছিল। দেউতাকৰ কোনো আপত্তি নাছিল। এইবিলাক বিষয় আলোচনা কৰিবলগীয়া বুলি দেউতাকৰ ভাবেই নাই।

আৰু পল্লৱ....। খুবেই সুখী হৈছিল সি। সি বিশ্বাস কৰিছিল দুয়োজনী ছোৱালী মিলি যাব। একমাত্ৰ সেই বিশ্বাসতে তাই এনে এক সিদ্ধান্ত ল'ব পাৰিছিল। একমাত্ৰ পল্লৱ— তাৰ বাবে তাই শিকিব পাৰিছে এইকণ এৰাধৰা, এইখিনি বুজাপৰা।

আৰু সঁচাকৈ— পল্লৱে ভবাৰ দৰে কথাবোৰ সহজ হৈ পৰিল। ছোৱালীজনীলৈ তাই কিবা এটা মৰম লাগি গ'ল। তাইৰ নম্ৰ, শান্ত স্বভাৱলৈ সৰল অথচ খোলা হাঁহিটোৱে যেন এখন প্ৰাচীৰ ভাঙি দি গ'ল। নতুন দুৱাৰ এখন, নতুন পথ এটি অজানিতে খোল খাই গ'ল; তাই নজনাকৈ, তাইৰ অজ্ঞাতে। ছোৱালীজনী বেছ স্বাস্থ্যৱান আৰু মুখৰ ৰঙটোও উজ্জ্বল। তাই যেতিয়া অসমীয়াত কথা ক'বলৈ লয়, অলপ বেলেগ শুনি। ভঙা ভঙা মাতত কোনোবাই কথা কোৱা যেন লাগে। তাইৰ কথা কোৱাৰ সুৱটো শুনি ময়ূৰীয়ে খুবেই আনন্দ লাভ কৰে। কাঞ্চনৰ লগত কথা পাতি আজিকালি ময়ূৰীয়ে দুই-এটা বড়ো শব্দৰ অর্থ জনা হৈছে। তাই মাকক 'আই' বুলি মাতে আৰু দেউতাকক 'আফা' বুলি মাতে।

ময়ূৰীয়ে মাজে মাজে চেষ্টা কৰে; কাঞ্চনৰ নিচিনাকৈ কথা ক'বলৈ। কিন্তু নহয়গৈ। যথেষ্ট কঠিন এই কাম। এই শব্দবোৰ সহজতে উচ্চাৰণ নহয়। তথাপি কিবা এটা আনন্দ পাইছে; ভাল লাগিছে, নতুন ভাষাৰ দুই-এটা শব্দ জানিছে।

এই আবাসী জীৱনত কিছুমান যে অভিজ্ঞতা পাইছে ময়ূৰীয়ে। সেয়া ভাবিলে সঁচাকৈ কিবা আচৰিত লাগে। কিমানবোৰ যে ছোৱালী লগ পাইছে— বিশ্ববিদ্যালয়ৰ অচিনাকি পৰিবেশবোৰ সহজতে আপোন হৈ পৰিছে। সকলো মিলি একেখন ঘৰ বুলি ক'লেও বঢ়াই কোৱা নহ'ব। এনে সীমাহীন বিচিত্ৰতা, সীমাহীন অভিজ্ঞতা আৰুনো ক'ত পোৱা যাব!

হোষ্টেলত মেৰিনা নাইদিৰ ৰুমত শুকান মাছ খোৱা দিনটো চাগৈ কেতিয়াও পাহৰিব নোৱাৰিব ময়ূৰীয়ে। প্ৰথম প্ৰথম হোষ্টেললৈ আহিয়েই তাই অনুভৱ কৰিছিল... মেৰিনাবাৰ ৰুমৰ পৰা ওলোৱা এক অচিনাকি গোন্ধ। 'জুনিয়ৰ' হৈ থকা অৱস্থাত সেই গোন্ধ নাকত লগাত অসহ্য হৈ পৰিছিল ময়ূৰী। পিছত ৰুমমেট বা জনীয়ে কোৱাতহে জানিব পাৰিছিল— সেয়া শুকান মাছৰ গোন্ধ। উস্ঃ কিযে বিৰক্তিকৰ। কিন্তু তাইতো একো ক'বও নোৱাৰে। যিহেতু এই হোষ্টেলৰ তাই তেতিয়া 'কনিষ্ঠা আবাসী'।

অৱশ্যে, সেই অসহ্যকৰ স্থিতি, বিৰক্তিকৰ ভাব— সকলো ধূলিসাৎ হৈ গৈছিল, নোহোৱা হৈ গৈছিল... যিদিনা মেৰিনাবাই 'শুকান মাছ' খাবলৈ নিমন্ত্ৰণ কৰিছিল। 'জুনিয়ৰ' হিচাপে সিহঁতি আদা, নহৰু, পিঁয়াজ কাটি দিছিল... সৰু সৰুকৈ, অলপ মিহিকৈ। ময়ূৰীয়ে সমগ্ৰ কার্যকলাপ একান্তমনেৰে লক্ষ্য কৰি গৈছিল। মেৰিনাবাই গৰম পানীৰ পৰা শুকান মাছখিনি আদা, নহৰু, পিঁয়াজৰ লগত কেৰাহীত দি গৈছিল। নিমখ, হালধি, কেঁচা জলকীয়াটো আছেই। হেতাখনেৰ 'থক-থক' কৈ শুকান মাছখিনি মিহি কৰি পেলাইছিল।

আৰু জুইকুৰা নুমোওৱাৰ আগে আগে অলপ অলপকৈ ধনিয়া পাত দি গৈছিল। আৰু অতিশীঘ্রে এক ৰহস্যময় ব্যঞ্জনৰ লগত চিনাকি হৈছিল ময়ূৰী। যি মুহূর্তত শুকান মাছৰ 'চাটনি'ৰ জুতি জিভাত পৰিছিল, সেই মুহূর্ততে সিহঁত বিশজনী সমন্বিতে সেই ৰূমটো এক উল্লাসেৰে ভৰি পৰিছিল। কেনে অপূর্ব সোৱাদ! সাংঘাতিক। ভাষাৰে প্রকাশ কৰিব নোৱৰা এক অভিজ্ঞতা আৰু মাকক উল্লাসেৰে খবৰ দিয়াত মাকে তাইক গালি পাৰিছিল—

"নক'লি কিয় তোৰ ব্রত আছিল বুলি বা পেটৰ অসুখ বুলি। অলপো বুদ্ধি নাজান নেকি? ইমান আঁকৰী হ'লে কেনেকৈ হ'ব?

ইফালে পল্লৰে তাইক গালি পাৰিছিল— সকলো কথা মাক কিয় ক'ব লাগে? কিয়নো বেছি সঁচা ক'বলৈ গ'লে 'Taste of diversity'ৰ পৰা হয়তো বঞ্চিত হ'ব লগা হ'ব পাৰে।

কি কৰিব, ময়ূৰীয়ে একো ভাবি পোৱা নাছিল। কিন্তু তাই নিশ্চিত যে শুকান মাছ খাই তাই বহুত ভাল পালে। সুবিধা হ'লে আকৌ খাব, পাৰিলে মাককো এবাৰ খুৱাব।

আকৌ, লোকনৃত্য নচা দিনটো! সেয়া জানো পাহৰিব পাৰিব? সদায় বিহু নচা ছোৱালীবোৰে বাগোৰুম্বা কেনেকৈ নাচিব? কিন্তু পাৰিছিল— ময়ূৰীহঁত আগবাঢ়ি গৈছিল...।

"বাগোৰুম্বা হাই বাগোৰুম্বা।
জাত নঙাবুলা খুল নঙাবুলা
থাবৰম হমনানেই বামনানেই
লাগেমন খা হাই লাগেমন খা...।"

আস্ কি কৰুণ... এই চিফুংৰ সুৰ। মনত পৰি যায় আইতাকৰ আঁচলৰ মৰমসনা গোন্ধ। সন্ধিয়া পৰত, আকাশত ফৰিং ফুটা জোনাক, আইতাকে তাইক গাবলৈ শিকাইছিল।

"বিষ্ণুৰাভা এতিয়া কিমান ৰাতি
তুমি সাৰে আছা, সাৰে আছো মই
আৰু সাৰে আছে প্রীতি...।
চিফুং বাঁহীৰ কৰুণ সুৰ,
বড়ো গাভৰুৰ নাচোন...।"

প্রথমদিনা চিফুং আৰু খ্রামটোৰ লগত নৃত্যৰ লহৰ মিলাব পৰা নাছিল ময়ূৰীয়ে। ক'ৰবাত বুকুখনত শোকে খুন্দা মাৰি ধৰিছিল। সেইদিনা গোটেই ৰাতি তাই ভালকৈ শুব পৰা নাছিল। কিয় জানো আইতাকৰ মৰমসনা, তামোল খাই থকা মুখখনে বাৰে বাৰে আমনি দিছিল।

দখনা পিন্ধি নচা সেই সময়বোৰ মুহূর্তবোৰ জানো পাহৰিব পাৰিব? বিশ্ববিদ্যালয়খন প্রাণ পাই উঠিছিল— ৰাভা, কার্বি, ডিমাছা, তিৰা ইত্যাদি বিভিন্ন ধৰণৰ জনগোষ্ঠীয় নৃত্যৰ লহৰত; মাইকত বাজি থকা ভিন্ন সুৰৰ, ভিন্ন ভাষাৰ গীত-মাতসমূহত। ডিঙিৰ জোনবিবি, হাতত গামখাৰু, প্রায় সকলোৰে একেধৰণৰ। বিভিন্ন গোষ্ঠীসমূহৰ মাজত ভাষা বা সাজ-পোছাক অমিল থাকিব পাৰে, কিন্তু অলংকাৰ সমূহ একেই পিন্ধিছিল সকলোৱে। বেলেগ যদিও একেই পিন্ধিছিল। অসমৰ এই সাদৃশ্য, বৈশাদৃশ্য প্রথমবাৰৰ বাবে অনুভৱ কৰিছিল ময়ূৰীয়ে। হয়তো বিশ্ববিদ্যালয়লৈ নহা হ'লে, হয়তো বিশ্ববিদ্যালয় চৌহদৰ আবাসী জীৱন নোপোৱা হ'লে এনে বিচিত্র অভিজ্ঞতাসমূহ অনুভৱ কৰিব পৰা নগ'লহেঁতেন।

হোষ্টেলৰ ছাত্রীধিক্ষীকা স্বপ্নাই সকলো দায়িত্ব ল'ব লাগে। হোষ্টেলৰ ছোৱালীবোৰ সময়মতে আহি পালেহিনে নাই, খোৱা-বোৱা ঠিকমতে হৈছেনে নাই? সেইবোৰ খবৰ স্বপ্নাই ৰাখিব লাগে। বিশ্ববিদ্যালয়ৰ সভা-সমিতিবোৰত স্বপ্না উপস্থিত থাকিব লাগে আৰু নিজৰ পৰামর্শ থাকিলে আগবঢ়াব পাৰে। সেইবাবে ৰার্ডেনে স্বপ্নাক ফোন কৰি জনাইছে যে দুদিনমানৰ পিছতে তেওঁক হোষ্টেলৰ পৰা বিশ-পঁচিশজনী ছোৱালী লাগিব বোলে। এখন আন্তঃৰাষ্ট্রীয় সমাৰোহ আছে। সেই সভাত ছোৱালীবোৰে বিভিন্ন ধৰণৰ কাম-কাজত সহায় কৰি দিব লাগিব। বিশিষ্ট অতিথিক আদৰণি জনোৱা, ফুলৰ থোপা দিয়া ইত্যাদি বিভিন্ন ধৰণৰ কাম হ'ব পাৰে।

ময়ূৰী আৰু স্বপ্নাই মিলি ঠিক কৰিলে যে ছোৱালীবোৰে নিজৰ পৰম্পৰাগত সাজ-পাৰ পিন্ধিব। বড়ো, কার্বি, ৰাভা, তিৰা, মিচিং ইত্যাদি জনগোষ্ঠীৰ ছোৱালীবিলাকে নিজৰ জনজাতীয় সাজ-পাৰ পৰিধান কৰিব। বাঃ বঢ়িয়া হ'ব।

কথা মতেই কাম। লগে লগেই হোষ্টেলটোত সৃষ্টি হ'ল এক উৎসৱমুখৰ পৰিবেশ। এনেকুৱা লাগে, এই ব্যস্ততাবোৰেই প্রাণচঞ্চল কৰি তোলে হোষ্টেলৰ প্রতিটো কোঠা, প্রত্যেকটো কৰিডৰ অথবা প্রতিখন বাৰান্দা। ময়ূৰীৰো ভাল লাগে, এনে উৎসৱমুখৰতা।

কিন্তু, কাঞ্চনৰ মনটো যেন ভাল নহয়! ৰূমমেট হিচাপে ময়ূৰীয়ে সেই কথা অনুমান কৰিছে। কাঞ্চনৰ হেনো ইমানেই দুখ লাগিছে যে কান্দি দিবৰ মন গৈছে। কিয়নো তাইৰ ওচৰত বর্তমান দখনাযোৰ নাই। ওচৰতো সম্পর্কীয় মানুহ বা লগৰ ছোৱালী নাই; যাৰ পৰা দখনাযোৰ আনিব পাৰি। তাইৰ যে নিজৰ দখনাযোৰ পিন্ধাৰ বিৰাট ইচ্ছা। হোৱাটোৱেই স্বাভাৱিক। ময়ূৰীয়ে তাইক মন বেয়া কৰিবলৈ মানা কৰিলে আৰু দখনাযোৰ কেনেকৈ আনিব পাৰি, সেই বিষয়ে অলপ চিন্তা কৰিলে। ময়ূৰীৰ কথা মতে তাই ঘৰৰ মানুহক যেনে-তেনে পঠাব পাৰে নেকি সুধি চাইছে। ঘৰৰ মানুহে কাঞ্চনক কৈছে, যদি পাৰে, তেন্তে তেওঁলোকৰ চিনাকি ৰাছখনতে কাপোৰযোৰ পঠিয়াই দিব।

সেই মতেই পিছদিনা দখনাযোৰ আহি কাঞ্চনৰ হাতত পৰিল। কাঞ্চনৰ পোহৰ হৈ পৰা মুখখন দেখি ময়ূৰীৰো ভাল লাগিল। এই দখনাযোৰ পিন্ধিবলৈকে কিমান যে কষ্ট কৰিছে কাঞ্চনে, কিজানি তাই দখনাযোৰ পিন্ধিবলৈ নাপায়...।

তেনেকুৱাতে হোষ্টেলৰ ছাত্রীধিক্ষীকা স্বপ্নাই ময়ূৰীক বিচাৰি গোটেইখন হাবাথুৰি লগালে।

"ময়ূৰী, শুনচোন। ডাঙৰ কথা এটা হ'ল নহয়।"

"কিয় হ'লনো, কচোন।"

"ৰার্ডেনৰ লগত এইমাত্র কথা পাতিছিলোঁ আৰু আমি ভবামতে কামটো নহ'ব বোলে। ৰার্ডেনক ক'বই নালাগিছিল আচলতে।"

"মানে?"

"মানে, সকলোৱে পৰম্পৰাগত সাজ পিন্ধিব নোৱাৰিব বোলে। অকল মুগা মেখেলা-চাদৰ পিন্ধা ছোৱালীহে লাগিব।"

"কি? অন্য সাজ-পোছাকবোৰ কিবা অসমৰ পৰম্পৰাগত সাজ হয় নেকি?"

ময়ূৰী অধৈর্য হৈ পৰিছে। এতিয়া কি হ'ব? ইমানবোৰ ছোৱালীক কেনেকৈ এতিয়া ক'ব যে সিহঁতি মুগা মেখেলা-চাদৰ পিন্ধিব লাগিব বুলি।

আৰু তাই ৰূমমেট কাঞ্চনক কেনেকৈ ক'ব? ইমান কষ্ট কৰি দখনাযোৰ গোটোওৱাৰ পাছত...।

ময়ূৰী নিশ্চিত যে কাঞ্চনৰ দুখ লাগিবই। খঙো উঠিব পাৰে।
কাঞ্চনক কি বুলি ক'লে ভাল হ'ব?
"কাঞ্চন, তুমি দখনাযোৰ পিন্ধিব নালাগে।" নাইবা
"কাঞ্চন, তুমি মুগা মেখেলা-চাদৰ পিন্ধিব লাগিব।"
কি বুলি ক'ব— কি বুলি ক'লে ভাল হ'ব?
তাই বেয়া নোপোৱাকৈ কেনেকৈ কোৱা যাব!
কেনেকৈ ক'লে তাই বেয়া নাপাব??

('ইন্দিৰা মিৰি দুই নং দুমহলীয়া ছাত্রী নিবাস'ৰ সমূহ আবাসীলৈ কৃতজ্ঞতাৰে)

নিঃসংগ বাঁহীৰ সুৰ



বৃষ্টি কলিতা

সকলো বাঢ়ে, এজোপা গছৰ দৰে। শৰীৰ, মন, সপোন সকলোবোৰেই বাঢ়ি যায় ক্ৰমশঃ। সপোন, এৰা সপোন। সপোনো বাঢ়ি গৈ থাকে। এই যে সপোনবোৰ, এইবোৰ বাকচৰ দৰে। এটাৰ ভিতৰত আন এটা সোমাই থাকে। কিন্তু সপোন আৰু বাস্তৱ কেতিয়াবা একে হ'ব পাৰেনে? সপোনৰ পৰা বাস্তৱৰ পথটোলৈ যি দূৰত্ব সেয়া নিৰ্দিষ্ট হ'ব পাৰেনে? নোৱাৰে... কেতিয়াও নিৰ্দিষ্ট হ'ব নোৱাৰে এই-দুই পথৰ মাজৰ কোণ। পঁচিছ, ষাঠি, এশ-বিছ, দুশ আশী যিকোনো হ'ব পাৰে। তথাপিও সপোনৰ এটা সুকীয়া অস্তিত্ব আছে, আছে নিজস্ব সত্তা। কিন্তু স্থায়িত্ব? শৈশৱ, কৈশোৰৰ সময়ছোৱাত কত কি সপোনেই যে দেখা নাছিল তাই। কিন্তু লাহে লাহে লক্ষ্য কৰিছে, জীৱনৰ জটিল সমীকৰণে সকলোবোৰেই যেন আপেক্ষিক কৰি তুলিছে। সেই সপোন, সেই আবেগ, স্পৃহা সকলোবোৰ যেন ক'ৰবাত হেৰাই গৈছে। হেৰাই গৈছে ক্ৰমশঃ তাই ভালপোৱা আটাইবোৰ এটা এটাকৈ। কেতিয়াবা তাইৰ চিঞৰি চিঞৰি সকলোবোৰ ওভতাই আনিবলৈ মন যায়। গুচি যাবলৈ এক যাত্ৰাৰে ভটীয়নি সোঁতত। কিন্তু নোৱাৰে। ৰূঢ় বাস্তৱে তাইৰ সেই উত্ৰাৱল আবেগ নিমিষতে টুকুৰা টুকুৰা কৰি পেলায়। এনেকৈয়ে শূন্য হৈ যায় সকলো...। হাহাকাৰ আৰু নোপোৱাৰ বেদনাৰে...।




Figure 3. Chemistry of Stratospheric Ozone depletion

Impact on human health:

The most direct and important influence of aerosols is on human health. Aerosols, of less than size 2.5 micrometer are inhaled and ingested in the lungs and cause acute respiratory infections as they can penetrate deeper into the respiratory system, chronic obstructive pulmonary disease and lung cancer. Polycyclic aromatic hydrocarbons (PAHs) present in ABCs resulting from incomplete combustion processes that are either natural or anthropogenic in origin mainly affect human health by inducing tumors, primarily in the lungs and bladder and on the skin. PAHs may also act as immune suppressants. Exposure to Particulate matter (PM) resulting from by-product of biomass combustion is associated with an increase in lung cancer. The health effects of individual ABC associated pollutants range from simple irritation to extreme toxicity and/or carcinogenicity. Furthermore, recent evidence from a number of epidemiological studies have demonstrated that pregnant women exposed to high levels of PM have a greater risk of low birth weight, sudden infant death syndrome, and pre-term delivery, compared with non-exposed pregnant women. Worldwide, aerosols resulting from indoor and outdoor air pollution lead to about 1.6 million premature deaths annually. Air pollution related fatalities for Asia is estimated to be over one million (indoor smoke inhalation and outdoor brown clouds). In India alone about 400 to 550 premature deaths are attributed to inhalation of air pollution and particles from the use of biomass fuels for cooking. In addition, strong winds driven dust storms are natural environmental hazards that cause disruptions to day-to-day lives of people by causing flight/train delays, poor visibility, forcing people inside and accumulating grit on the roads, houses and workplaces. Changes in the UV spectrum due to absorption and scatering by aerosols may have health effects due to the potential importance of UVB (wavelength 280-320 nm) in producing Vitamin D.

Effect on Agriculture:

The aerosols reduce the amount of solar Photosynthetically Active Radiation (PAR) reaching the surface, which degrades the photosynthesis and thus can decrease crop productivity. Aerosols, such as dust, soot, and fly ash present in ABCs can settle on plants thereby shielding them from solar radiation and hence reduce photosynthesis. Acidifying species, such as sulphates and nitrates found in ABCs, affect crops by acidifying water and soils. Aerosols such as nitrogen dioxides and various reactive hydrocarbons promote the formation of troposphere ozone which in turn by its strong oxidizing power injures plant tissues and results in visible damages (white, yellow or reddish spots) on crop leaves. Ozone concentrations present at higher altitudes reduce the photosynthesis capacity of crops and result in retarded growth and yield reduction. ABCs affect the availability of water for crops through their effects on the monsoon circulation and hydrological cycle.

Conclusion:

The effects of aerosols are very uncertain. One way it warms the atmosphere and at the same time cools the surface. Their presence is indispensable for rain, but their presence in larger amount leads to Drought. Due to their short lifetime (from few days to a month) in the atmosphere their effect on the Environment is region specific. Thus the BC concentration and its global heating will decrease almost immediately after reduction of its emission from the source. Hence, people must aware of in the emission of absorbing aerosols like BC to get rid of its adverse effects. Also, reduction of BC emissions may be warranted from public health considerations too. The effects of atmospheric aerosols on climate are still poorly understood and these could play an essential role in explaining past climate trends and in predicting future climate change. The North- East of India experiences aerosol loading due to transportation and local production which include vehicular emissions, emissions from oil wells, crops, biomass burning in hilly stations, cooking etc (from studies made at Centre for Atmospheric Studies, Department of Physics, Dibrugarh University). Due to its unique topography and lesser level of pollution, the NE experiences different rainfall and atmospheric heating patterns unlike other major polluted regions of India.

উত্তৰ-পূব ভাৰতৰ অস্তিত্ব আৰু নিৰাপত্তা বিষয়ক বিতর্ক

ড° অখিল ৰঞ্জন দত্ত

মুঠ ৪৫০০ কিল'মিটাৰ সীমান্ত চাৰিখন বহিঃৰাষ্ট্ৰ ক্ৰমে— চীন, ভূটান, ম্যানমাৰ আৰু বাংলাদেশে আৱৰি থকা আৰু মাত্ৰ ২২ কিল'মিটাৰ ভূমিৰে ভাৰতবৰ্ষৰ মূল ভূখণ্ডৰ সৈতে সংলগ্ন হৈ থকা উত্তৰ-পূব ভাৰতক ভাৰত ৰাষ্ট্ৰই সামৰিক আৰু প্ৰতিৰক্ষাৰ দৃষ্টিকোণৰ পৰা অত্যন্ত সংবেদনশীল আৰু গুৰুত্বপূৰ্ণ বুলি গণ্য কৰি আহিছে। জাতি আৰু জাতি ৰাষ্ট্ৰ নিৰ্মাণ প্ৰশিক্ষণত এই অঞ্চলৰ পৰা সৃষ্টি হোৱা প্ৰত্যাহ্বান মোকাবিলা কৰিবৰ বাবে ভাৰতবৰ্ষই নিৰাপত্তা আৰু আইন-শৃংখলাৰ ধাৰণাটোক, অত্যন্ত সামৰিক ৰূপত গঢ়ি তুলিছে। সৰ্বমুঠ ২৫০টাৰো অধিক সামাজিক গোট তথা ৭৫টাৰো অধিক ভাষিক গোষ্ঠীৰ বসতিপ্ৰধান এই বৰ্ণাঢ্য অঞ্চলটোক স্বাধীনতাৰ উত্তৰকালত নিৰ্মাণ কৰিব খোজা একক জাতি আৰু জাতি-ৰাষ্ট্ৰৰ ধাৰণাই সংবেদনশীলতাৰে তুলি ধৰি এই বৰ্ণাঢ্য তথা তাৰ বুকুত নিহিত থকা ভিন্ন সৃষ্টিশীল কাঠামো পৰিকাঠামোৰ সমুচিত মৰ্যাদা দিব নোৱৰা হেতুকেই সাংস্কৃতিক সম্পদ, লোক-সংস্কৃতি আৰু ভৌগোলিক বৈচিত্ৰ্যৰে পৰিপূৰ্ণ তথা প্ৰচুৰ সম্ভাৱনা থকা এটা অঞ্চল আজি সন্ত্ৰাস ভীতি-সন্ত্ৰাসৰ বুকুত নিৰ্বাপিত হৈছে। পৰিস্থিতিয়ে আজি এনেকুৱা ৰূপ ধাৰণ কৰিছে যে সাতোখন ৰাজ্যৰে গঠিত উত্তৰ-পূব ভাৰতত ১০০ টাৰো অধিক সন্ত্ৰাসবাদী গোট গঢ়ি উঠিছে। কেৱল মণিপুৰতেই প্ৰায় ৪০ টা সন্ত্ৰাসবাদী গোটআছে। তাৰে ছটা গোটক বে-আইনী বুলি ঘোষণা কৰাৰ বিপৰীতে ৯টা গোটক অত্যন্ত সক্ৰিয় আৰু শক্তিশালী বুলি চিনাক্ত কৰা হৈছে। ২৫টা গোটক নিষ্ক্ৰিয় কৰি ৰখা হৈছে বুলিও দাবী কৰা হৈছে। মণিপুৰৰ পাছত স্থান লাভ কৰিছে অসমে আৰু অসমত বৰ্তমান প্ৰায় ৩৬ টা সন্ত্ৰাসবাদী গোট থকা বুলি দাবী কৰা হৈছে। তাৰে ভিতৰৰ ছটা গোট এতিয়াও অত্যন্ত শক্তিশালী তথা সক্ৰিয়। ঠিক সেইদৰে মেঘালয়, মিজোৰাম, নগালেণ্ড, ত্ৰিপুৰা, অৰুণাচলতো বহুকেইটা সন্ত্ৰাসবাদী গোট সক্ৰিয় হৈ থকা বুলি কোৱা হৈছে। এনে গোটৰ উত্থান ভাৰতবৰ্ষৰ একক জাতি আৰু জাতি-ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াক প্ৰাচীৰ বুলি গণ্য কৰি ভাৰত ৰাষ্ট্ৰই তাক নিঃশেষ কৰাৰ কাৰণে বহুবোৰ পন্থা গ্ৰহণ কৰি আহিছে। তাৰ ভিতৰত অন্যতম হ'ল সামৰিক আইন আৰু ৰাজনৈতিক ব্যৱস্থাটোৰ সামৰিকীকৰণ। উত্তৰ-পূব ভাৰতত যে কেৱল সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইনৰ দৰে পাশৱিক আইনহে প্ৰৱৰ্তন কৰা হৈছে, এনে নহয়। আনকি অসামৰিক পদবীসমূহতো সামৰিক বিষয়া নিযুক্তি দি উত্তৰ-পূব ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাটোকো সামৰিক চৰিত্ৰ প্ৰদান কৰাৰ চেষ্টা কৰা হৈছে। বিশিষ্ট ৰাজনীতি বিজ্ঞানী সঞ্জীৱ বৰুৱাই তেওঁৰ গ্ৰন্থত অসামৰিক ৰাজনৈতিক ব্যৱস্থাটোৰ সামৰিকীকৰণৰ দিশবোৰৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়াইছে। বিশেষকৈ উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ সাংবিধানিক মুৰব্বী ৰাজ্যপালৰ পদবীত ভাৰতীয় সামৰিক বাহিনী অথবা চোৰাংচোৰা বিভাগৰ শীৰ্ষ বিষয়া নিযুক্তিৰ জৰিয়তে এনে সামৰিকীকৰণ আৰু সামৰিকীকৰণৰ প্ৰতিষ্ঠা চলোৱা হৈছে। অৱশ্যে এনে পক্ষৰ উপৰি ভাৰত ৰাষ্ট্ৰই বিগত সময়ছোৱাত অৰ্থনৈতিক অনগ্ৰসৰতাই এই অঞ্চলৰ অশান্তিৰ মূল বুলি চিনাক্ত কৰি এই অঞ্চলৰ 'বিকাশ'ৰ বাবে বহুবোৰ পন্থা গ্ৰহণ কৰিছে। নদী, পাহাৰ তথা কয়লা আৰু তৈল সম্পদত চহকী এই অঞ্চল বৈদ্যুতিক শক্তি উৎপাদনৰ এক গুৰুত্বপূৰ্ণ অঞ্চল হিচাপে স্বীকৃতি দিয়া হৈছে। তাৰেই ভিত্তিত উত্তৰ-পূব ভাৰতত ১৫০ টাৰো অধিক নদীবান্ধ নিৰ্মাণৰ প্ৰস্তাৱ ৰখা হৈছে আৰু এনে বান্ধ নিৰ্মাণৰ জৰিয়তে ৫০ হাজাৰৰো অধিক মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য বান্ধি লোৱা হৈছে। এনে বান্ধ নিৰ্মাণে এই অঞ্চলক বিশ্বৰ ঔদ্যোগিক আৰু বিকাশৰ মানচিত্ৰত এক সন্মানজনক স্থান প্ৰদান কৰিব বুলিও প্ৰচাৰ চলোৱা হৈছে। কিন্তু এনে বিকাশেও এক সামৰিক ৰূপ ধাৰণ কৰি জনসাধাৰণৰ জীৱন-জীৱিকাৰ প্ৰতি প্ৰচুৰ প্ৰত্যাহ্বান গঢ়ি তুলিছে। উদাহৰণস্বৰূপে ১৯৬৭-৬৮ চনতে নিৰ্মাণৰ প্ৰস্তাৱ লোৱা আৰু কাম-কাজ আৰম্ভ কৰা নলবাৰী জিলাৰ পাগলাদিয়া নদীৰ উত্তৰপাৰৰ পাগলাদিয়া বান্ধে প্ৰায় ৩৮খন গাঁৱৰ ৭০ হাজাৰৰো অধিক লোকক নিজৰ ভেটিৰ পৰা উছন্ন কৰিব। এই ৩৮খন গাঁৱে আজি চাৰিটা দশক ধৰি এনে বান্ধ নিৰ্মাণৰ বিৰুদ্ধে সংগ্ৰাম কৰি আহিছে। ২০০৮ বৰ্ষত উজনি অসমৰ উত্তৰাঞ্চলত হোৱা বানপানীৰ মূলতে নৰ্থ-ইষ্টাৰ্ন পাৱাৰ কৰ্পৰেশ্চনই (NEPCO) দায়ী বুলি চিনাক্ত কৰা হৈছে। সেয়েহে এনে বান্ধকেন্দ্ৰিক বিকাশৰ বা উন্নয়নৰ বিৰুদ্ধেও এতিয়া জনপ্ৰতিৰোধ গঢ়ি উঠিব ধৰিছে। এনে জন-প্ৰতিৰোধক ভাৰতৰাষ্ট্ৰই এতিয়া ৰাষ্ট্ৰ-বিৰোধী আখ্যা দি তাক নিয়ন্ত্ৰণৰ বাবে সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন প্ৰয়োগ কৰাৰো অভিযোগ উঠিছে।

ৰাষ্ট্ৰৰ এই পাশৱিকতা অৱশ্যে এনে সামৰিক কাৰ্যকলাপতে নিহিত হৈ থকা নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ননী গোপাল মহন্ত আৰু অখিল ৰঞ্জন দত্তই ২০০৭-০৮ বৰ্ষত চলোৱা 'Mapping Human security in conflict zones.' শীৰ্ষক এক সমীক্ষাৰ পৰা দেখা গৈছে যে সৰ্বসাধাৰণ জনসাধাৰণে এতিয়া তেওঁলোকৰ নিৰাপত্তা বিঘ্নিত কৰাৰ অন্যতম কাৰণ হিচাপে চিনাক্ত কৰিছে ৰাজ্যখনৰ অনুষ্ঠান-প্ৰতিষ্ঠানত সংঘটিত দুৰ্নীতি। অৰ্থাৎ ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়া-কৰ্মচাৰীৰ অবাধ লুণ্ঠনেও জনজীৱনক নিৰাপত্তাহীনতাৰ বুকুলৈ ঠেলি দিছে।

বিশ্বায়নৰ উত্তৰকালৰ ভাৰত ৰাষ্ট্ৰই 'পূবলৈ চোৱা নীতি'ৰ জৰিয়তে উত্তৰ-পূব ভাৰতক দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ লগত ঘনিষ্ঠভাৱে সংযোগ কৰি তোলাৰ প্ৰচেষ্টা চলাইছে। থাইলেণ্ড, ম্যানমাৰ, ভিয়েটনাম, আনকি চীনৰ লগতো 'Transnational brotherhood' গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। দক্ষিণ-পূব এছিয়াৰ দেশসমূহত হোৱাৰ দৰে উত্তৰ-পূব ভাৰততো পৰ্যটকৰ ৰম্যভূমিলৈ উন্নীত (পৰ্যবসিত) কৰি তোলাৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। এনে প্ৰচেষ্টাই উত্তৰ-পূব ভাৰতৰ অনাবিষ্কৃত শক্তি আৰু সম্পদক জড়িত কৰি এই অঞ্চলক বিকাশৰ জখলাত দ্ৰুতগতিত আগুৱাই লৈ যাব বুলি আশা কৰা হৈছে। অৱশ্যে বিশ্বায়ন আৰু মুক্ত বাণিজ্য আৰম্ভ হ'বৰে পৰা উত্তৰ-পূব ভাৰতত মানুহ আৰু মহিলাক লৈ হোৱা ব্যৱসায়, তেওঁলোকৰ দেহৰ বাবে দক্ষিণ-পূব এছিয়াকে প্ৰমুখ্য কৰি ভিন্ন ঠাইলৈ হস্তান্তৰ বা বিক্ৰী কৰাৰ যাক ইংৰাজীত 'Traficking' বুলি কোৱা হয় এনে ঘটনা বৃদ্ধি পাব ধৰিছে। এনে সংশয় নুই কৰিব নোৱাৰি যে পূবলৈ চোৱা নীতিৰ ৰূপায়ণেও জন-নিৰাপত্তাহীনতা গভীৰ কৰি তুলিব।

উত্তৰ-পূব ভাৰতীয় বিশেষকৈ অসমলৈ হোৱা অবৈধ প্ৰব্ৰজন আৰু তাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা নিৰাপত্তাহীনতায়ো বহুবোৰ প্ৰত্যাহ্বান গঢ়ি তুলিছে। ১৯৮৫ চনত সম্পাদিত অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ নিষ্ঠাহীনতাই এতিয়া অবৈধ বিদেশী প্ৰব্ৰজনৰ প্ৰশ্নটোক কেন্দ্ৰ কৰি সাম্প্ৰদায়িক ৰাজনীতিৰ সূত্ৰপাত ঘটাইছে। ২০০৮ চনৰ আগষ্ট মাহৰ পৰা অক্টোবৰ-নৱেম্বৰ মাহলৈকে ওদালগুৰি আৰু দৰং জিলাত বড়ো তথা মিঞা-

মুছলমানৰ মাজত সংঘটিত সংঘর্ষক সম্পূর্ণৰূপত সাম্প্রদায়িক সংঘর্ষ হিচাপে তুলি ধৰাৰ প্রচেষ্টা চলিছে। এনে সুযোগ গ্রহণ কৰি মৌলবাদী শক্তিসমূহেও বড়ো তথা মিঞা-মুছলমানৰ ৰাজনীতিৰ মূল সুঁতিত খোপনি পুতিব ধৰিছে।

বিশ্বায়ন প্রক্রিয়া আৰম্ভ হ'ব পৰা ভাৰতবর্ষৰ ভিন্ন প্রান্তত হোৱাৰ দৰে উত্তৰ-পূব ভাৰততো নব্য সংকট আৰু নিৰাপত্তাহীনতাৰ বেহু নির্মাণ হ'ব ধৰিছে। নৃ-গোষ্ঠীয় ৰাজনীতিয়ে সুস্থ মতাদর্শ, সহনশীলতা আৰু গণতান্ত্রিক প্রমূল্যৰ ভিত্তিত গঢ়ি তুলিব খোজা আত্মনিয়ন্ত্রণৰ ৰাজনীতিয়ে চৰম অৰাজকতা, অগণতান্ত্রিক আৰু দুর্ঘোৰ তথা জাত্যাভিমানী আত্মকেন্দ্রিকৰ বুকুত সোমাই পৰিছে। এটা জনগোষ্ঠীয়ে অন্য এটা জনগোষ্ঠীক অধিকাৰ সাব্যস্তকৰণৰ বাবে হোৱা সংগ্রামৰ সহযোদ্ধা বুলি গণ্য কৰাৰ পৰিবর্তে শত্রু বুলি গণ্য কৰা আৰম্ভ কৰিছে। অর্থাৎ সহযোদ্ধা এতিয়া প্রতিপক্ষ বা শত্রুলৈ পর্যবসিত হৈছে। নৃ-গোষ্ঠীয় ৰাজনীতিয়ে মূল সুঁতিৰ ৰাজনীতিৰ কোনো বিকল্প নির্মাণ কৰা দূৰৰে কথা, বিশ্বায়নৰ বুকুৰে সোমাই তথা চৰম ব্যক্তিবাদ,- ভোগবাদ আৰু অবাধ প্রতিযোগিতাৰ বুকুত সোমাই পৰিছে। এনে পৰিস্থিতিত নৃ-গোষ্ঠীয় ৰাজনীতিক পুঁজিবাদ আৰু ৰাষ্ট্র ব্যৱস্থাই নব্য উদাৰ অর্থনীতিৰ কাম্য জন-প্রতিবোধ নির্মাণৰ ক্ষমতা আহৰণ কৰিব নোৱৰা শক্তিলৈ পর্যবসিত কৰাৰ চক্রান্ত চলাইছে।

উত্তৰ-পূব ভাৰতৰ নিৰাপত্তাহীনতাৰ এই ভয়াৰহ পৰিস্থিতিটোক বিভিন্ন বিদ্যায়তনিক আর্হি বা কাঠামোৰ মাজত ৰাখি আলোচনা কৰা হৈছে। জাতি আৰু জাতি-ৰাষ্ট্র নির্মাণ প্রক্রিয়াৰ বিৰুদ্ধে গঢ়ি উঠা নৃ-গোষ্ঠীয় আলোচনাৰ মাজেৰে ৰাষ্ট্র ব্যৱস্থা আৰু তাৰ পৃষ্ঠপোষকতাত নির্মিত অর্থনীতি তথা উন্নয়নৰ বিৰোধ উন্মোচিত হোৱাৰ লগতে নৃ-গোষ্ঠীয় আন্দোলনৰ মাজতো গঢ়ি উঠা নব্য বিৰোধৰ আলোচনা হৈছে। ১৯৮০ ৰ দশকৰ পৰা উত্তৰ-পূব ভাৰতৰ ৰাজনৈতিক আলোচনাত সেয়েহে জাতি, জাতীয়তা তথা নৃ-গোষ্ঠীয় আন্দোলনৰ ওপৰত পর্যাপ্ত লেখা-মেলা হৈছে। উদয়ন মিশ্রৰ Nation building and Development in North-East India (1991); বি জি ভার্গিজৰ India's North-East Resurgent; Ethnicity, Insurgency, Governance and Development. (1996); সঞ্জীৰ বৰুৱাৰ India Against Itsefl : Assam and the politics of Nationality (1999) আৰু Durable disorder : Understanding the politics of North-East India (2005); সজল নাগৰ Contesting Marginality : Ethnicity, Insurgency and Subnationasim (2000); গিৰীণ ফুকনৰ Inter-ethnic Conflict in North-East India (2005) আদি গ্রন্থত জাতি-ৰাষ্ট্র ব্যৱস্থাৰ পাশৰিকতা আৰু তাৰ বিৰুদ্ধে গঢ়ি উঠা জাতীয়তা তথা নৃ-গোষ্ঠীয় আন্দোলনৰ বিভিন্ন দিশ আলোচিত হৈছে। কিন্তু জাতি-ৰাষ্ট্রৰ বিৰুদ্ধে গঢ়ি উঠা আন্দোলনসমূহৰো যে বহুবোৰ বিৰোধ বা দ্বন্দ্ব আছে সেই কথাবোৰো এই গ্রন্থসমূহত বিস্তৃতভাৱে আলোচনা কৰা হৈছে। অৱশ্যে জাতীয়তাবাদী আৰু জাত্যাভিমানী আন্দোলনৰ ভয়াৰহ ৰূপটোৰ বিষয়ে ১৯৮০ চনতেই Economic and Political weekly-ৰ পাতত বিস্তৃত আলোচনা হৈছিল। উদাহৰণস্বৰূপে ১৯৮০ চনত এই আলোচনীৰ পাতত হীৰেন গোহাঁয়ে Cudgel of Chauvinism শীর্ষক শিৰোনামেৰে পাতনি মেলা আৰু অমলেন্দু গুহই Little Nationalim Turned Chauvinist : Assam's Anti-Foreigners Upsurge : 1979-80 শিৰোনামেৰে বিস্তৃত তথ্য ভিত্তিত আৰু তাত্ত্বিক বিতর্কৰ শাৰীলৈ লৈ যোৱা তথা হীৰেন গোহাঁই, সঞ্জীৰ বৰুৱা, উদয়ন মিশ্র, তিলোত্তমা মিশ্র, গেইল অমৱেটকে প্রমুখ্য কৰি বহু লোকে অংশগ্রহণ কৰা এই আলোচনাই জাতীয়তাৰ ভিত্তিত গঢ়ি উঠা আন্দোলনৰ দ্বন্দ্ব তথা সম্ভাৱনাৰ ওপৰত পর্যাপ্ত আৰু চিন্তা উদ্দীপক আলোচনা আগ বঢ়াইছিল।

জাতীয়তা আৰু নৃ-গোষ্ঠী ভিত্তিক বিদ্যায়তনিক আলোচনা চলি থকাৰ মাজতে ভাৰত ৰাষ্ট্রৰ উন্নয়ন আর্হিৰ ন্যস্ত স্বার্থ তথা তাৰ পৰিণতিৰ ওপৰতো পর্যাপ্ত আলোচনা হ'ব ধৰিছে। সঞ্জীৰ বৰুৱাৰ 'Durable Disorder' গ্রন্থত সন্নিবিষ্ট 'Nationalising Spale : Cosmetic federalism and The Politics of Development' শীর্ষক প্রবন্ধত ৰাষ্ট্র নির্দেশিত উন্নয়ন আর্হিৰ পাশৰিকতা উন্মোচিত হৈছে। নর্থ-ইষ্টান ছ'চিয়েল ৰিচার্ছ চেণ্টাৰৰ উদ্যোগত আৰু ৰাল্টাৰ ফার্ণাণ্ডেজৰ তত্ত্বাবধানত ইতিমধ্যে বিকাশৰ নামত ৰাষ্ট্রই সৃষ্টি কৰা জন-বিতাড়ন, বিশেষকৈ জনজাতীয় লোকৰ বিতাড়নৰ ওপৰত বিস্তৃত তথ্য ভঁৰাল নির্মাণ কৰি তোলা হৈছে। মুণিৰুল হুছেইনৰ শেহতীয়া গ্রন্থ Interrogating Development : State, Displacement And Popular Resistance In North-East India (2008) শীর্ষক গ্রন্থত বিকাশৰ পাশৰিক ৰূপ তথা তাৰ বিৰুদ্ধে গঢ়ি উঠা জন-প্রতিৰোধৰ বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। কলিকতা বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক সমীৰ কুমাৰ দাস সম্পাদিত Blisters on Their Feet : Tales of Internally Displaced Persons in India's North-East (2008) গ্রন্থতো বিকাশ তথা সংঘাত, বিশেষকৈ নৃ-গোষ্ঠীয় সংঘাতে সৃষ্টি কৰা বিতাড়নৰ ভয়াৰহ ৰূপটো তুলি ধৰা হৈছে।


জাতি-ৰাষ্ট্রৰ বিৰুদ্ধে গঢ়ি উঠা নৃ-গোষ্ঠীয় তথা পৰিচয়ভিত্তিক আন্দোলনে ক্রমান্বয়ে নব্য সংঘাত সূচনা কৰাৰ পৰিপ্রেক্ষিতত উত্তৰ-পূব ভাৰতত এতিয়া 'শান্তি আৰু সংঘাত নিৰাময়' (Peace and conflict resolution) শীর্ষক এক নব্য বিদ্যায়তনিক বাগধাৰা নির্মিত হ'ব ধৰিছে। অমিয় কুমাৰ দাস ইন্ষ্টিটিউট অব ছ'চিয়েল চেঞ্জ এণ্ড ডেভেলপমেণ্টৰ উদ্যোগত আৰু ফ'র্ড ফাউণ্ডেশ্যনৰ পৃষ্ঠপোষকতাত এটা শান্তি অধ্যয়ন কেন্দ্র গঢ়ি তোলা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৃষ্ঠপোষকতাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগতো শান্তি আৰু সংঘাত অধ্যয়নৰ এক ডিপ্লমা পাঠ্যক্রম প্রবর্তিত হৈছে। সমান্তৰালভাৱে সংঘাত আৰু শান্তি বিষয়ক কেইবাখনো গ্রন্থ প্রকাশ হৈ ওলাইছে। উদাহৰণস্বৰূপে অনুৰাধা দত্ত আৰু ৰত্না ভূঞা সম্পাদিত দুটা খণ্ডৰ Genesis of Conflict and peace : Understanding North-East India (2007); ৰাল্টাৰ ফার্ণাণ্ডেজ সম্পাদিত Search for peace with Justice : Issues Around conflict in North-East India (2008) আৰু সুজাতা দত্ত হাজৰিকা সম্পাদিত Peace in Dialogue : Universals and Specifiecs (2008)ৰ কথা উল্লেখ কৰিব পাৰি। লক্ষ্য কৰা গৈছে যে এই নব্য বিদ্যায়তনিক আর্হিৰ বুকুতো জাতীয়তা আৰু নৃ-গোষ্ঠীয় সত্তাৰ সংকটৰ প্রশ্নটোৱে প্রাধান্য লাভ কৰিছে।

শেহতীয়াভাৱে উত্তৰ-পূব ভাৰতৰ নিৰাপত্তাহীন পৰিবেশটো বুজি উঠাৰ বাবে ইতিমধ্যে ৰাষ্ট্রসংঘৰ উন্নয়ন আঁচনিয়ে নির্মাণ কৰি তোলা 'জন নিৰাপত্তা' ধাৰণাটো প্রয়োগ হোৱা পৰিলক্ষিত হৈছে। এই আর্হিত অৱশ্যে এতিয়ালৈকে পর্যাপ্ত গৱেষণালব্ধ গ্রন্থ বা প্রতিবেদন প্রকাশ হোৱা নাই। ননী গোলাপ মহন্ত আৰু অখিল ৰঞ্জন দত্তৰ দ্বাৰা চলোৱা Mapping Human Security in conflict zones : The case of North-East India শীর্ষক সমীক্ষাত জনসাধাৰণৰ দৈনন্দিন নিৰাপত্তাত প্রভাৱ পেলোৱা খাদ্য, সংস্থান, স্বাস্থ্য, দুর্নীতি ইত্যাদি দিশৰ ওপৰত আলোকপাত কৰা হৈছে। ২০০৮ চনত প্রকাশিত অখিল ৰঞ্জন দত্ত সম্পাদিত Human Security in North-East India : Issues and Policies শীর্ষক গ্রন্থত সংস্থান, খাদ্য, স্বাস্থ্য আৰু শিক্ষাৰ নিৰাপত্তা বিকাশে সৃষ্টি কৰা বিতাড়ন, পুৰুষতান্ত্রিকতা আৰু নাৰী নিৰাপত্তা; ভাষিক আৰু সাংস্কৃতিক নিৰাপত্তাৰ ৰেহ-ৰূপ তথা পৰিবেশ তথা পাৰিপার্শ্বিকতাৰ নিৰাপত্তাৰ ওপৰত বিস্তৃত তথা গৱেষণালব্ধ এলানি প্রবন্ধই ঠাই পাইছে।

চমু কথাত, যোৱা প্রায় দুটা দশকত উত্তৰ-পূব ভাৰতৰ নিৰাপত্তাহীন পৰিবেশটো বুজি উঠাৰ বাবে কেইবাটাও বিদ্যায়তনিক চিন্তা-আর্হি বা বাগধাৰা নির্মিত হৈছে। অৱশ্যে এই আর্হিবোৰৰ কোনোটোৱেই স্বয়ংসম্পূর্ণ নহয়। এই সকলোবোৰ আর্হিৰ বুকুত উন্মোচিত বিৰোধ আৰু সংঘাতৰ মোকাবিলা কৰিব পাৰিলেহে উত্তৰ-পূব ভাৰতত শান্তি প্রতিষ্ঠা হ'ব তথা জন-নিৰাপত্তা সুনিশ্চিত হ'ব।


বিজ্ঞান আৰু ধর্ম





মূল ঃ এলবার্ট আইনষ্টাইন
অনুবাদ ঃ পৰাণ গোস্বামী

অনুবাদকৰ একাষাৰ ঃ *বর্তমান উচ্চ প্রযুক্তিশীল সময় তথা সমাজ ব্যৱস্থাৰ প্রেক্ষাপটত বিজ্ঞানৰ ব্যৱহাৰিক যুক্তিনিষ্ঠতা আৰু ধর্মৰ আবেগিক বিশ্বাসৰ মাজত সমতুলতা ৰক্ষা নোহোৱা পৰিলক্ষিত হৈছে আৰু ই অত্যন্তই স্বাভাৰিক। পিছে এই জাতীয় বৌদ্ধিক সংঘাত ভাৰতৰ দৰে দেশত নিতান্তই বৌদ্ধিক মহলাত সীমাবদ্ধ। আজিৰ অত্যাধিক প্রায়োগিক সমাজ ব্যৱস্থাত যোগ্যতাৰ বাবে হোৱা প্রতিযোগিতাখনে সাধাৰণ মানুহক অতিকৈহে ধর্মীয় পৰাবিদ্যাৰ আনুগত্যশীল কৰি নিয়তিবাদ (Fatalism) অৱস্থালৈ লৈ গৈছে। তথাকথিত জ্যোতিষশাস্ত্রবিদসকলৰ চাহিদা আৰু মানুহৰ আঙুলিত 'গ্রহৰত্ন'ৰ পয়োভৰেই এই কথা প্রতীয়মান কৰে। এনে এক সময়ত এই বিষয়ে পৃথিৱীৰ সর্বকালৰ এজন বৈজ্ঞানিক পণ্ডিত এলবার্ট আইনষ্টাইনৰ মতামতে অনুগ্রাহীজনক চিন্তাৰ খোৰাক যোগাব বুলি ভাবি, অনুবাদ কৰা হ'ল। প্রসংগক্রমে উল্লেখযোগ্য যে এলবার্ট আইনষ্টাইনৰ "Ideas and Opinions" নামৰ কিতাপখনৰ "Science and Religion" শীর্ষক শিতানৰ দ্বিতীয় ভাগ অনুবাদ কৰা হৈছে।*



আমি বিজ্ঞান বুলিলে কি বুজোঁ —এই বিষয়ে এটা সমূহীয়া মতামত স্থাপন কৰিবলৈ হয়তো যথেষ্ট টান নহ'ব। বিজ্ঞান হ'ল প্রণালীবদ্ধ চিন্তাৰ দ্বাৰা এই পৃথিৱীৰ সমূহ ইন্দ্রিয়ানুভূত প্রপঞ্চক সম্ভৱপৰ পর্যায়লৈকে এটা সুসংগঠিত ৰূপ দিয়াৰ এক শতিকাদীর্ঘ প্রচেষ্টা। দৃঢ়ভাৱে ক'বলৈ গ'লে ধাৰণাগতকৰণ পদ্ধতিৰে বিশ্ব চৰাচৰৰ প্রত্যক্ষোত্তৰ পুনঃগঠনৰ এটা প্রচেষ্টা। কিন্তু নিজকে যেতিয়া ধর্ম কি বুলি সোধো মই নিতান্ত সহজভাৱে তাৰ উত্তৰটো ভাবি উলিয়াব নোৱাৰোঁ। আৰু এই মুহূর্তত আনকি



মোক সন্তুষ্ট কৰা এটা উত্তৰ ভাবি উলিওৱাৰ পাছতো মই প্ৰতীয়মান যে মই যি কোনো পৰিস্থিতিতে খুব কম পৰ্যায়লৈকে হ'লেও এই বিষয়ত যিসকলে খুবকৈ গুৰুত্ব দি চিন্তা কৰিছে সেই সমূহ চিন্তাক সংগঠিত কৰিবলৈ অপাৰগ।

প্ৰথমেই সেয়ে ধৰ্ম কি বুলি সোধাৰ বিপৰীতে মই সুধিব খুজিম যে এজন ধাৰ্মিক ব্যক্তিৰ আকাংক্ষাক কিবোৰ উপাদানে বিশেষত্ব প্ৰদান কৰে ঃ মোৰ বোধেৰে এজন ব্যক্তি যিজন ধৰ্মীয় বোধেৰে উদ্বুদ্ধ তেওঁ নিজৰ সৰ্বোচ্চ সামথ্যৰে স্বাৰ্থপৰায়ণ কামনা-বাসনাৰ প্ৰতিবন্ধকতাৰ পৰা নিজকে মুক্ত কৰিছে আৰু তেওঁৰ মন অতিব্যক্তিক (Superpersonal) প্ৰমূল্যৰে সংযুক্ত কিছুমান চিন্তা, ভাবনা আৰু উচ্চাভিলাসত অভিনিৰিষ্ট। মই ভাবোঁ আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল এই অতিব্যক্তিক ভাবধাৰাৰ দৃঢ়তা আৰু ইয়াৰ সকলোকে বশ কৰিব পৰা যি অৰ্থপূৰ্ণতা সেই সম্পৰ্কত জন্মা প্ৰত্যয়ৰ গভীৰতা, যদিওবা এই বিষয়বস্তুক কোনো দৈৰিক সত্তাৰ লগত সাঙুৰি দিয়াৰ প্ৰচেষ্টাৰ লগত ইয়াৰ গুৰুত্বৰ কোনো সম্পৰ্ক নাই; কাৰণ সেয়ে হোৱা হ'লে বুদ্ধ আৰু স্পিনোজাক ধৰ্মীয় ব্যক্তিসত্তাৰ শাৰীত গণনা কৰা নহ'লহেঁতেন। সেই অনুসৰি, এজন ধাৰ্মিক ব্যক্তিক নৈষ্ঠিক বোলা হয় সেই কাৰণেই যে তেওঁৰ সেই অতিব্যক্তিক (Superpersonal) বস্তু তথা আদৰ্শৰ তাৎপৰ্য আৰু মহত্ত্ব সম্পৰ্কত কোনো আশংকা বা সন্দেহ নাই, যিবোৰৰ না কোনো যৌক্তিক আধাৰ আছে না তেনে আধাৰ ইয়াৰ বাবে প্ৰয়োজনীয়। এই ধাৰণাসমূহ সেই একেই আৱশ্যকতা আৰু বাস্তৱতাৰ সৈতে প্ৰতিষ্ঠিত যাৰ সৈতে তেওঁ নিজ মানুহজনো প্ৰতিষ্ঠিত। এই অৰ্থত ধৰ্ম হ'ল মানুহৰ এই প্ৰমূল্য আৰু আদৰ্শবোৰৰ প্ৰতি নিশ্চিত আৰু সম্পূৰ্ণভাৱে সচেতন হোৱাৰ আৰু এইবোৰৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী তথা দৃঢ় কৰাৰ এক সুদীৰ্ঘ প্ৰচেষ্টা। যদি কোনোবাই ধৰ্ম আৰু বিজ্ঞানক এই সংজ্ঞাবোৰৰ জৰিয়তে বুজে তেন্তে দুয়োটাৰে মাজত সংঘাত হোৱাতো অসম্ভৱ যেন দেখা যায়। কাৰণ, বিজ্ঞানে ঠাৱৰ কৰে— 'কি হয়', কিন্তু 'কি হোৱা উচিত' নহয় আৰু ইয়াৰ বিষয় পৰিৱেষ্টনীৰ বাহিৰত সকলো প্ৰকাৰৰ প্ৰমূল্যাত্মৰ বিচাৰ বাক্য (value judgement) অতি প্ৰয়োজনীয়। ধৰ্ম আনহাতে, মানুহৰ কৰ্ম আৰু চিন্তাৰ মূল্যায়নৰ লগত জড়িত; ই কোনো যথাৰ্থ ঘটনা বা সেইবোৰৰ মাজৰ সম্পৰ্কৰ কথা সমুচিতভাৱে ক'ব নোৱাৰে। এই ব্যাখ্যাৰ দ্বাৰা অতীতৰ জনাজাত ধৰ্ম আৰু বিজ্ঞানৰ সংঘাত সমূহ উল্লিখিত স্থিতিৰ ভুল বুজাবুজিৰ পৰিণতি বুলি আখ্যা দিব পাৰি।

উদাহৰণস্বৰূপে, এটা সংঘাতত উদ্ভৱ হয় তেতিয়া, যেতিয়া কোনো এক ধৰ্মীয় জনগোষ্ঠীয়ে বাইবেলৰ সকলোবোৰ বাক্যৰ সম্পূৰ্ণ সত্যতা প্ৰতিপন্ন কৰিব বিচাৰে। ইয়াৰ অৰ্থ বিজ্ঞানৰ পৰিসীমাৰ ভিতৰত ধৰ্মৰ হস্তক্ষেপ; এনে এক পটভূমিতেই গেলিলিঅ' আৰু ডাৰউইনৰ বিপক্ষে গীৰ্জাৰ বিবাদে স্থিতি লয়। আনহাতে, বিজ্ঞানৰ প্ৰতিনিধিসকলে সাধাৰণতেই প্ৰমূল্য আৰু লক্ষ্য সম্পৰ্কে কোনো বৈজ্ঞানিক প্ৰণালীৰ ভিত্তিত মৌলিক মতামতত উপনীত হ'বলৈ প্ৰচেষ্টা চলাই আৰু তাৰ জৰিয়তে ধৰ্মৰ বিপৰীত স্থিতিত অৱস্থান কৰে। এনে সংঘাতসমূহ মাৰাত্মক ভুলৰ ফলস্বৰূপে গা কৰি উঠে।

এতিয়া যদিওবা বিজ্ঞান আৰু ধৰ্মৰ পৰিক্ষেত্ৰসমূহ নিজৰ মাজতে ইখনৰ পৰা সিখন সুস্পষ্টভাৱে ভিন্ন, তৎসত্ত্বেও দুয়োৰে মাজত পাৰস্পৰিক সুদৃঢ় সম্পৰ্ক আৰু নিৰ্ভৰশীলতা আছে। ধৰ্ম যদিও এনে এটা বিষয়, যি নেকি মূল লক্ষ্যটো নিৰ্ধাৰণ কৰে, তৎসত্ত্বেও বৃহত্তৰ অৰ্থত, ই বিজ্ঞানৰ পৰা কোনবোৰ উপায়ে সেই প্ৰতিষ্ঠাপিত লক্ষ্য আহৰণত বৰঙণি যোগাব তাৰ বিষয়ে জ্ঞাত হয়। কিন্তু বিজ্ঞান সেই সকলৰ দ্বাৰাহে সৃজিত যিসকল সত্য আৰু জ্ঞানৰ আকাংক্ষাৰ প্ৰতি সম্পূৰ্ণ নিষ্ঠাৱন্ত। ভাবৰ সেই উৎস আকৌ ধৰ্মৰ পৰিসীমাৰ পৰাই উদ্ভূত। আকৌ বিশ্বচৰাচৰৰ ক্ষেত্ৰত প্ৰযোজ্য বিধানসমূহ যুক্তিনিষ্ঠ হোৱাৰ অৰ্থাৎ যুক্তিৰ দ্বাৰা বোধগম্য হোৱাৰ সম্ভাৱনীয়তাৰ প্ৰতি বিশ্বাসৰ উৎপত্তি ইয়াতেই। মই সেই গভীৰ বিশ্বাস অবিহনে এজন প্ৰকৃত বৈজ্ঞানিকৰ কথা ভাবিব নোৱাৰোঁ। এই গোটেই স্থিতিটোকে এটা চিত্ৰকল্পেৰে প্ৰকাশ কৰিব পাৰি ঃ ধৰ্ম অবিহনে বিজ্ঞান খোৰা, বিজ্ঞান অবিহনে ধৰ্ম অন্ধ।

যদিও মই ওপৰত উল্লেখ কৰিছোঁ যে প্ৰকৃততে ধৰ্ম আৰু বিজ্ঞানৰ মাজত কোনো ন্যায্য সংঘাত হ'ব নোৱাৰে তৎসত্ত্বেও এই দাবীৰ পুনৰবাৰ এক বিশেষ দৃষ্টিকোণৰ পৰা যোগ্যতা প্ৰতিপন্ন কৰিম ঐতিহাসিক ধৰ্মবোৰৰ প্ৰকৃত বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি। এই যোগ্যতা ঈশ্বৰৰ যি ধাৰণা তাৰ সম্পৰ্কত। মানৱ জাতিৰ আধ্যাত্মিক চিন্তা জগতৰ বিৱৰ্তনৰ যুৱাৱস্থাত মানৱৰ কল্পনাই নিজৰ প্ৰতিকৃতিৰ আধাৰতেই ভগৱানৰ সৃষ্টি কৰিছিল, যিয়ে নেকি নিজৰ ইচ্ছা অনুযায়ী প্ৰাণৱন্ত পৃথিৱীৰ চাল-চলন নিৰ্ধাৰণ অথবা যিকোনো উপায়েৰে ইয়াক প্ৰভাৱিত কৰিছিল বুলি ভবা হৈছিল। মানুহে ভগৱানৰ সেই ইচ্ছাকে নিজৰ সপক্ষে যাদু-মন্ত্ৰ বা প্ৰাৰ্থনাৰ জৰিয়তে পৰিবৰ্তন কৰিবলৈ বিচাৰিছিল। বৰ্তমান ধৰ্মবোৰত শিকোৱা ঈশ্বৰৰ ধাৰণা সেই পুৰণি ভগৱানৰ ধাৰণাটোৰ পৰিশোধিত ৰূপ মাত্ৰ। উদাহৰণস্বৰূপে এই ধাৰণাৰ নৃপ্ৰকৃতি আৰোপিত (anthropomorphic) যি চৰিত্ৰ সেইটো মানুহে প্ৰাৰ্থনাত সেই ঐশ্বৰিক সত্তাৰ প্ৰতি কৰা নিবেদন আৰু নিজৰ ইচ্ছা পূৰণৰ বাবে কৰা কাকুতিৰ দ্বাৰা প্ৰকাশ পায়।

এইটো অনস্বীকাৰ্য যে এজন সৰ্বশক্তিমান, সাধু আৰু সৰ্বদা দয়ালু পাৰ্থিৱ ঈশ্বৰৰ অস্তিত্বৰ ধাৰণাই মানুহৰ সান্ত্বনা, সহায় আৰু নিৰ্দেশনাৰ প্ৰয়োজন পূৰণ কৰে; লগতে ধাৰণাগত সৱলতাৰ গুণত ই মানসিকভাৱে আটাইতকৈ অপৰিপক্ক জনৰ বাবেও সহজলভ্য। কিন্তু আনহাতে স্বয়ং এই ধাৰণাতে এনে কিছুমান চূড়ান্ত দুৰ্বলতা জড়িত হৈ আছে, যিবোৰ ইতিহাসৰ প্ৰাক্কালৰ পৰাই অতি দুখজনকভাৱে অনুভূত হৈ আহিছে। স্পষ্টতঃ যদি এই ঐশ্বৰিক সত্তা সৰ্বশক্তিমান হয়, তেন্তে মানৱীয় প্ৰতিটো কৰ্ম, মানৱীয় প্ৰতিটো চিন্তা, মানৱীয় প্ৰতিটো অনুভৱ আৰু আকাংক্ষা সমন্বিতে সমূহ ঘটনাপ্ৰবাহ তেওঁৰ প্ৰতিপাদ্য হ'ব; তেনেস্থলত মানুহক নিজৰ কৰ্ম আৰু চিন্তাৰ বাবে এনে এজন সৰ্বশক্তিমান ঈশ্বৰৰ সন্মুখত দায়বদ্ধ বুলি ভবাটো কেনেকৈ সম্ভৱ? এনে অৱস্থাত শাস্তি আৰু পুৰস্কৃতকৰণৰ ক্ষেত্ৰত এটা নিৰ্দিষ্ট পৰ্যায়লৈকে তেওঁ নিজৰ বিপক্ষেই ৰায় প্ৰদান কৰা হ'ব। এইয়ে যদি হয় তেওঁৰ সাধুতা আৰু যুক্তিনিষ্ঠতাৰ লগত ই কেনেকৈ সংযুক্ত হ'ব?

সাম্প্ৰতিক ধৰ্ম আৰু বিজ্ঞানৰ যি সংঘাত তাৰ প্ৰধান উৎস এজন পাৰ্থিৱ (Personal) ঈশ্বৰৰ এই ধাৰণাতেই বিদ্যমান। বিজ্ঞানৰ লক্ষ্য হ'ল এনে কিছুমান সাৰ্বিক নিয়ম স্থাপন কৰা যাৰ সহায়ত স্থান আৰু কাল সাপেক্ষে দ্ৰব্য আৰু সংঘটনৰ পাৰস্পৰিক সম্পৰ্ক ব্যাখ্যা কৰিব পৰা যায়। এনে নিয়ম বা প্ৰাকৃতিক বিধিৰ বাবে পৰীক্ষাকৃত বৈধতাতকৈ সৰ্বসাধাৰণ বৈধতাহে প্ৰয়োজনীয়। এইটো বিশেষকৈ এটা কাৰ্যক্ৰম (Program) আৰু এই বিধিসমূহৰ তত্ত্বগতভাৱে প্ৰতিপাদনৰ সম্ভাৱনীয়তা মাত্ৰ আংশিক সাফল্যৰ ওপৰতহে প্ৰতিষ্ঠিত। কিন্তু কোনো এজন খুব কমেইহে পোৱা যাব যি এই আংশিক সাফল্যকে নুই কৰিব আৰু তাক মানুহৰ আত্ম-ছলনা বুলি ব্যাখ্যা কৰিব। বাস্তৱিকতে আমি এনে বিধি সমূহৰ ভিত্তিতহে কোনো বিশেষ ক্ষেত্ৰৰ প্ৰপঞ্চৰ সময়ানুৱৰ্তী আচৰণৰ বিষয়ে যথেষ্ট নিশ্চয়তাৰে পূৰ্বানুমান কৰিব পাৰোঁ আৰু

"মানৱ জাতিৰ আধ্যাত্মিক বিৱর্তনে যিমানেই অগ্রগতি লাভ কৰিছে, মোৰ সিমানেই নিশ্চিত বোধ হৈছে যে প্রকৃত ধার্মিকতাৰ পথ জীৱনৰ বেদনা, মৃত্যুৰ আশংকা আৰু অন্ধ অনুৰাগে পৰিচালিত নকৰে, কৰে যুক্তিনিষ্ঠ জ্ঞানৰ প্রতি থকা লালসাই।"

আধুনিক মানুহৰ চেতনাত নিশ্চয়তা খুব দকৈ শিপাই আছে; যদিওবা আধুনিক মানৱে সেই বিধিসমূহৰ বিষয়বস্তুৰ খুব কম অংশৰহে সম্পূর্ণ বিজ্ঞতা অর্জন কৰিছে। তেওঁ বিশ্বাস কৰা প্রয়োজন যে সৌৰজগতৰ অন্তর্গত তাৰকাসমূহৰ চাল-চলন তদ্রূপভাৱে এক কমসংখ্যক সাধাৰণ বিধিৰ ভিত্তিত আগতীয়াকৈ গণনা কৰিব পৰা যায়। ঠিক একেদৰে যদিও একে নিশ্চয়তাৰে নহয়, আনকি নব্যবিকাশপ্রাপ্ত এটা বৈদ্যুতিক মটৰৰ, এটা টেন্সমিচ্ন প্রণালী বা এটা বেতাঁৰ যন্ত্রৰ কার্যপ্রণালীৰ পূর্বানুমান সম্ভৱ।

এইটো অৱশ্যে ঠিক যে যেতিয়া কোনো এটা প্রপঞ্চ সম্বন্ধীয় উপপাদ্য ঘটনাপুঞ্জৰ সংশ্লিষ্ট উপাদানৰ সংখ্যা যথেষ্ট সৰহ হয় বৈজ্ঞানিক প্রণালীয়ে বেছিভাগ ক্ষেত্রতেই আমাক লগ নিদিয়ে। বতৰৰ বিষয়ে ভাবিলেই গম পোৱা যাব, যে ইয়াৰ ক্ষেত্রত মাত্র কেইদিনমানৰ আগতীয়া পূর্বানুমানো অসম্ভৱ। তৎসত্বেও এইটো কোনেও সন্দেহ কৰিব নোৱাৰে যে আমি এটা কার্যকাৰণ সম্বন্ধৰ সৈতে পৰিচিত যাৰ কাৰণ সম্বন্ধীয় উপাদানসমূহ মূলতঃ আমাৰ জ্ঞাত। এই বিষয় পৰিবেষ্টনীৰ ঘটনাপ্রবাহ সঠিক পূর্বানুমানৰ উর্দ্ধত কাৰণ এই কার্য সম্পাদনৰ লগত জড়িত উপাদানৰ বিবিধতা, কিন্তু প্রাকৃতিক শৃংখলাবদ্ধতাৰ অভাৱ নহয়।

আমি সচল বস্তু সমষ্টিৰ পৰিমণ্ডলৰ অন্তর্গত বদ্ধ নিয়মসমূহ খুব কমেইহে ভেদ কৰিছোঁ, কিন্তু তৎসত্বেও এই নিয়মসমূহৰ দৃঢ় অনিবার্যতাৰ জ্ঞান ইতিমধ্যেই গভীৰভাৱে আয়ত্ত কৰিছোঁ। কোনো এজনে বংশগতিৰ সু-শৃংখলতাৰ আৰু বিষাক্ত দ্রব্যৰ যেনে ঃ এলকহলৰ ইন্দ্রিয়বিশিষ্ট জীৱকুলৰ স্বভাৱৰ ওপৰত কৰা নিয়ত প্রভাৱলৈ মন কৰিলেই এই বিষয়ে বুজিব পাৰিব। অদ্যপি ইয়াত যিটো বস্তুৰ অভাৱ সেয়া ব্যাপক সার্বিকতাৰ সংযোগৰ বোধ, ইয়াৰ শৃংখলতাৰ জ্ঞানৰ নহয়।

এজন মানুহ যিমানেই প্রতিটো সংঘটনৰ সুশৃংখলিত ক্রমৰ বিষয়ে জ্ঞাত হ'ব এনে ক্রমৰ বাহিৰে আন কোনো কাৰণৰ অযুক্তিযুক্ততাৰ প্রতি তেওঁ প্রত্যয় সিমানেই দৃঢ় হ'ব। তেওঁৰ বাবে প্রাকৃতিক সংঘটনৰ স্বতন্ত্র কাৰণ হিচাপে মানুহ বা দৈৱিক সত্তাৰ কোনো ভূমিকা নাথাকিব। এইটো অৱশ্যে নিশ্চিত যে বিজ্ঞানৰ দ্বাৰা প্রাকৃতিক সংগঠনৰ মধ্যস্থ যি পার্থিৱ ঈশ্বৰৰ ধাৰণা তাক প্রকৃত অর্থত খণ্ডন কৰিব পৰা নাযাব, কিয়নো এই তত্ত্ব সেইবোৰ ক্ষেত্রতেই সর্বদা আশ্রিত য'ত বিজ্ঞানে এতিয়াও ভৰি দিবলৈ সক্ষম হোৱা নাই।

কিন্তু মোৰ বিবেচনাৰে ধর্মৰ প্রতিনিধিসকলৰ ক্ষেত্রত এনে আচৰণ কেৱল অশোভনীয়ই নহয় মাৰাত্মকো। কিয়নো এটা তত্ত্ব যি স্বচ্ছতাৰ বিপৰীতে অস্বচ্ছতাৰ মাধ্যমেৱেহে নিজক প্রতিপাদন কৰে, ই মানৱ বিকাশত অলেখ ক্ষতি কৰাৰ লগতে অনিবার্যভাৱে মানুহৰ ওপৰত ইয়াৰ প্রভাৱ হেৰুৱাই পেলাব। ধর্মৰ শিক্ষকসকলে তেওঁলোকৰ নৈতিক কল্যাণ সাধনৰ প্রচেষ্টাত পার্থিৱ ঈশ্বৰৰ তত্ত্বক পৰিত্যাগ কৰা দৃঢ়তা ৰাখিব লাগে; অর্থাৎ সংশয় আৰু বিশ্বাসৰ সেই শিপাডাল পৰিত্যাগ কৰিব লাগিব, যি পৌৰাণিক কালত পুৰোহিতসকলক এক বিশাল ক্ষমতাৰ অধিকাৰী কৰিছিল। তেওঁলোকৰ কার্যসমূহত তেওঁলোকে সেইবোৰ শক্তিৰ ব্যৱহাৰ কৰিব লাগিব যিবোৰে স্বয়ং মানৱৰ মাজত সত্য, শিৱ আৰু সুন্দৰৰ কর্ষণ কৰিব পাৰে। এইটো নিশ্চয়কৈ এটা যথেষ্ট দুষ্কৰ, কিন্তু অতুলনীয়ভাৱে যথেষ্ট গুৰুত্বপূর্ণ কাম।* ধর্মীয় শিক্ষকসকলে নিশ্চয়কৈ উল্লিখিত বিশুদ্ধিকৰণ প্রক্রিয়া শেষ কৰাৰ পাছত উল্লাসেৱে স্বীকাৰ কৰিব যে প্রকৃত ধর্ম বৈজ্ঞানিক জ্ঞানৰ সহায়েৱে খ্যাতিমন্ত আৰু যথেষ্ট প্রগাঢ় কৰা হ'ল।

মানুহক যথাসম্ভৱ আত্মকেন্দ্রিক আসক্তি, কামনা আৰু ভীতিৰ বন্ধনৰ পৰা মুক্ত কৰাটো যদি ধর্মৰ লক্ষ্য সমূহৰ এটা হয়, বৈজ্ঞানিক বিচাৰধাৰাই ধর্মক আন এটা ফালৰ পৰাও সহায় কৰিব। যদিও এইটো সত্য যে বিজ্ঞানৰ লক্ষ্য হ'ল সেই বিধিসমূহৰ সন্ধান কৰা যিবোৰে বাস্তৱ ঘটনাসমূহৰ সংযোগকৰণ আৰু ভৱিষ্যদ্বাক্য কথন সম্ভৱ কৰি তোলে। কিন্তু এইটোৱেই ইয়াৰ একমাত্র লক্ষ্য নহয়। বিজ্ঞানে আৱিষ্কৃত সংযোগসমূহ যথাসম্ভৱ কমসংখ্যক পাৰস্পৰিক স্বতন্ত্রধীয়া ধাৰণাগত উপাদানলৈ হ্রাস কৰাৰ প্রয়াস কৰে। বাহ্যিক বিভিন্নতাৰ এই ধৰণৰ যৌক্তিক একত্রিকৰণৰ প্রচেষ্টাত ই নিজৰ সর্বোচ্চতম সাফল্যৰ মুখামুখি হয়, যদিওবা নিশ্চয়কৈ এই প্রচেষ্টাতেই ইয়াৰ ভ্রমৰৰ চিকাৰ হোৱাৰ আটাইতকৈ ডাঙৰ বিপদৰ আশংকা থাকে। কিন্তু যিয়েই এই জ্ঞান পৰিমণ্ডলৰ অন্তর্গত কৃতকৃত্য অগ্রগতিৰ কঠিন অভিজ্ঞতা লভিছে, বিশ্বচৰাচৰত প্রকাশ পোৱা যুক্তিসিদ্ধতাৰ প্রতি তেওঁৰ গভীৰ সম্ভ্রম গঢ়ি উঠিছে। এই জ্ঞানবোধনৰ জৰিয়তে তেওঁ ব্যক্তিগত কামনা-বাসনাৰ সীমাবদ্ধতাৰ পৰা বহু নিলগলৈকে মুক্তি লাভ কৰে আৰু বিশ্বচৰাচৰত পৰিস্ফুট যৌক্তিকতাৰ মহত্ত্বৰ প্রতি মনৰ সেই বিনীত ভাব লাভ কৰে আৰু এই যৌক্তিকতা, ইয়াৰ সর্বোচ্চ গভীৰতাত মানুহৰ পক্ষে দুর্লভ। এই মানসিক অৱস্থাটোকেই ধর্ম শব্দটোৰ সর্বোচ্চ অর্থ প্রয়োগ কৰি। মই ধার্মিক বুলি ক'ম। আৰু সেয়ে মোৰ ভাব হয় বিজ্ঞানে ঈশ্বৰত নৃপ্রকৃতি আৰোপকৰণৰ (anthropomorphism) আসোঁৱাহেৰে পূর্ণ ধর্মীয় উদ্দীপনাকে কেৱল নির্মল নকৰে লগতে আমাৰ জীৱন-সম্বন্ধীয় যি বোধ তাৰো ধার্মিক আধ্যাত্মিকৰণ কৰাত অৰিহণা যোগায়।

মানৱ জাতিৰ আধ্যাত্মিক বিৱর্তনে যিমানেই অগ্রগতি লাভ কৰিছে, মোৰ সিমানেই নিশ্চিত বোধ হৈছে যে প্রকৃত ধার্মিকতাৰ পথ জীৱনৰ বেদনা, মৃত্যুৰ আশংকা আৰু অন্ধ অনুৰাগে পৰিচালিত নকৰে, কৰে যুক্তিনিষ্ঠ জ্ঞানৰ প্রতি থকা লালসাই। এই অর্থত, মই বিশ্বাস কৰোঁ যে এজন পুৰোহিত নিশ্চিতভাৱে এজন শিক্ষক হ'ব পাৰিব যদিহে তেওঁৰ মহীয়ান শৈক্ষিক উদ্দেশ্যক সুবিচাৰেৰে আগবঢ়াই নিয়াৰ ইচ্ছা কৰে।

* এইটো ভাব Herbert Samual ৰ "Belief and Action" নামৰ কিতাপখনত প্রতীয়মানভাৱে উপস্থাপন কৰা হৈছে।

(প্রবন্ধটি "Science, Philosophy and Religion, A symposium"ৰ পৰা লোৱা হৈছে আৰু Conference on Science, Philosophy and Religion in their Relation to the Democratic way of life, Inc, New York, 1941 দ্বাৰা প্রকাশিত)

PUBLIC INTEREST LITIGATION



Kishore Kumar Upadhyay

"A novel and recent feature of Indian legal system is the rapid growth and development of Public Interest Litigation (PIL). In several cases, the Supreme Court as well as many high Courts have entertained petitions, letters and telegrams not only by the persons who can be said to be aggrieved or adversely affected by any action or omission of the respondents but also by persons acting *pro bono publico* courts have also entertained PIL s *suo motu* The core features of the Public Interest Litigation (PIL) process demonstrate how it marks a departure from the common-law understanding of the judicial process."***(Address by Justice K.G. Balakrishnan, Chief Justice of India, Singapore Academy of Law, Fifteenth Annual Lecture)***

Public Interest Litigation in its present form constitutes a new chapter in our judicial system. It has acquired a significant degree of importance in the jurisprudence practiced by our courts and has evoked a lively, though somewhat controversial, response in legal circles, in the media and among the general public. In the United States, it is a name "given to efforts to provide legal representation to groups and interests that have been unrepresented or underrepresented in the legal process" These include not only the poor and the disadvantaged but ordinary citizens who, because they cannot afford lawyers to represent them, have access to courts, administrative agencies and other legal forums in which basic policy decisions affecting their interests are made"**(Bandhua Mukti MorchaVs Union of India).** Even though Indian courts cannot take credit for initiating the concept of 'public law litigation', they have in due course emerged as the site where this device has been repeatedly used to protect the interests of disadvantaged groups as well as address matters of collective concern. The phrase 'public law litigation' was first prominently used by American academician Albram Chayes to describe the practice of lawyers or public spirited individuals who seek to precipitate social change through court-ordered decrees that reform legal rules, enforce existing laws and articulate public norms. However, the evolution of Public Interest Litigation in India, or Social Action Litigation– as Prof. Upendra Baxi chooses to describe it, has accommodated several other distinctive features. ***(Address by Justice K.G. Balakrishnan, Chief Justice of India, Singapore Academy of Law, Fifteenth Annual Lecture)***

Litigation means a legal action including all proceedings therein, initiated in the Court of law with the purpose of enforcing a right or seeking a remedy. Therefore, lexically the expression PIL means a legal action initiated in the Court of law for the enforcement of public interest or general interest in which the public or a class of the community have pecuniary interest or some interest by which the legal rights or liabilities are affected. J. Pandian defined Public Interests Litigation in **Janata Dal vs. H.S.Chowdhury** as "Lexically the expression PIL means a legal action initiated a court of law for the enforcement of public interests or general interests in which the public or a class of the community have a pecuniary interests or some interests by which their legal rights or liabilities are effected."

The definition of PIL emerged from historical context in which the commonality of the various forms of legal representation involving the basic and fundamental rights of a significant segment of the Public demanding vindication of its rights has been recognized in various parts of the world. The concept of PIL which has been

fostered by Judicial activism has become an increasingly important one setting up valuable and respectable records especially in the arena of constitutional and legal treatment for the "unrepresented and underrepresented" ***(Janata Dal vs. H.S.Chowdhury (1992)*** 4SCC 305)

Public Interest Litigation is not in the nature of adversary litigation but it is a challenge and an opportunity to the Government and its officers to make basic human rights meaningful to the deprived and vulnerable section of the community and to assure them social and economic justice which is the signature tune of our constitution. When the court entertains Public Interest Litigation in a caviling spirit and or in a confirontational mood or with a view to titling at executive authority or seeking to usurp it, it's attempt is only to assure observance of social and economic rescue programmes, legislative as well as executive, framed for the benefit of the have-nots and the handicapped and to protect them against the violation of their basic human rights which is also the constitutional obligation of the executive, The court is thus merely assisting in their realization of the constitutional objectives.

When court's jurisdiction is invoked on behalf of a group by the PIL, it is as well to remember that differences may exist in content and emphasized in between the claims of different sections of the groups. For all these reasons the court must exercise the greatest caution and adapt procedures ensuring sufficient notice to all interests likely to be effected. The court must never forget that its jurisdiction extends no further than the legitimate limits of constitutional powers and avoid trespassing into political territory which under the constitution has been appropriated to other organs of the state. "The Indian Courts have Pushed the boundaries of constitutional remedies by evolving the concept ot a 'continuing mandamus' which involves the passing of regular directions and the monitoring of their implementation by executive agencies. In addition to designing remedies for ensuring that their orders are complied with, the Courts have also resorted to private law remedies such as injunctions and 'stay' orders In Public Interest Litigation matters. The Supreme Court of India has been able to shape appropriate remedies for a variety of situations on account of the wide discretionary powers for granting constitutional remedies that have been conferred on it as per the language of Article 32 of the Constitution. Furthermore, under Article 141 of the Constitution of India, the Supreme Court's rulings are considered to be the 'law of the land' and become binding precedents for all courts and tribunals in the country's legal system. Hence, the Supreme Court's decisions in Public Interest Litigation matters have progressively shaped a unique jurisprudence that gives due weightage to the interests of the underprivileged and backward sections in society". **(Address by Justice K.G. Balakrishnan, Chief Justice of India, Singapore Academy of Law, Fifteenth Annual Lecture)**

OBJECTS OF PIL : When does the court entertain it?

Public interests litigation is a cooperative or collaborative effort by the petitioner, the state or public authority and the judiciary to secure observance of constitutional or basic human rights, benefits and privileges upon poor, downtrodden and vulnerable sections to the society **(S.P Gupta Vs Union of India)**

Where the courts find, or being moved by an aggrieved party or by any public spirited individual or any social action group, that the executive is remiss in discharging its obligations under the constitution to the law, so that the poor and under privileged continue to be subjected to explanation and in injustice or are deprived of their social and economic entitlements or that social legislation enacted for their benefit is not being implemented thus depriving them of the rights and benefits conferred upon them, the court certainly can and must intervene and compelled the executive to carry out constitutional and legal obligations. But at the same time, court cannot assume the functions assigned to the executive and legislature under the constitution. It cannot even indirectly require the executive to introduced a particular legislation or the legislature to pass it and assume to itself a supervisory role over the law making activities of the executive and the legislature.(State **of HP Vs parent of** a **student of a medical college, 1985,3scc 169)**

In Bihar Legal Support Society v. The Chief Justice of India & Ors; 5

"The majority of the people of our country are subjected to this denial of 'access to justice' and overtaken by despair and helplessness, they continue to remain victims of an exploitative society where economic power is concentrated in the hands of a few and it is used for perpetuation of domination over large masses of human beings..... The strategy of public interest litigation has been evolved by this Court with a view to bringing justice within the easy reach of the poor and disadvantaged sections of the community."

The public Interest Litigation is essentially of an adversary character from that of ordinary traditional litigation. PIL is brought before the court not for the purpose of enforcing the right of an individual against another, as happens in the case of ordinary litigation, It is intended to prosecute and to vindicate public interest which demands that violation of legal and constitutional rights of

a large number of people; who are poor, ignorant or socially and economically in disadvantaged position, should not go unnoticed; unredressed for that would be destructive of the Rule of Law. The poor too have civil and political rights. Therefore, new strategy has to evolve so that justice becomes easily available to the lowly and the lost.

(Forward Construction Vs Prabhat Mandal)

NATURE :

Where there is a violation of a fundamental or other legal right of a person or class of a persons who by reasons of poverty or disability or socially or economically disadvantaged position cannot approach a court of law for justice, it would be open to any public spirited individual or social action group to bring an action for vindication of the fundamental or other legal rights of such individual or class of individual and this can be done not only by filing a regular Writ Petition but also by addressing a letter to the court. **(M.C. Mehta Vs Union of India, 1987, ISCC,395)**

Initial activists made when the scope of Supreme Court's intervention in this area was enlarged. Later need felt that greater care be exercised before intervening due to abuse of PIL for settling of private disputes or garnering publicity. Even though it was difficult to draw a strict line of demarcation as to which matters and to what extent a PIL should be entertained, decisions of the Supreme Court rendered broad guidelines. It was reiterated and stressed that the Supreme Court not the High Courts should undertake an unnecessary journey through the PIL path unless there existed strong reasons to deviate or depart along Such a path. In matters of life and liberty of people, Supreme Court is more concerned with the weaker, deprived, vulnerable and ignorant class of people than the affluent class.

In Public Interest Litigation the nature of proceedings itself does not exactly fit into the accepted common-law framework of adversarial litigation. The courtroom dynamics are substantially different from ordinary civil or criminal appeals. While an adversarial environment may prevail In cases where actions are brought to highlight administrative apathy or the government's condonation of abusive practices, in most public interest-related litigation, the judges take on a far more active role in terms of posing questions to the parties as well as exploring solutions. Especially in actions seeking directions for ensuring governmental accountability or environmental protection, the orientation of the proceedings is usually more akin to collective problem-solving rather than an acrimonious contest between the counsels. Since these matters are filed straightaway at the level of the Supreme Court or the High Court, the parties do not have a meaningful opportunity to present evidence on record before the start of the Court proceeding. To overcome this problem, **Our** Courts have developed the practice of appointing 'fact-finding commissions' on a case-by-case basis which are deputed to injuire into the subject-matter of the case and report back to the Court. These commissions usually consist of experts in the concerned *(Adress by Justice K.G. Balakrishnan, Chief Justice of India, Singapore Academy of Law, Fifteenth Annual Lecture.)*

HISTORY :

Public Interest Litigation emerged from historical context wherein commonality of various forms of legal representation involving basic human and fundamental rights of a significant segment of public demanding vindication of its rights has been recognized in various parts of the world **(Janata Dal vs. H.S.Chowdhury (1992)4SCC 305)**

In 20th century, however due to judicial activism and dynamic approach of Lord Denning, the concept of aggrieved person was liberalized and it was held that a person can be said to be an aggrieved person if he has a genuine grievance and is not a total stranger, busybody or meddlesome interloper. If the action has affected public at large, it could not be contended that the person approaching the court had no *locus standi* as it had not personally affected him. In such case, any citizen of England could approach a court of Law and seek an appropriate relief.

In the United States of America also, it was only a person aggrieved who could approach a court of law for ventilating his grievances. Although Public Interest was also not ignored limited actions had been invoked for ensuring basic human rights to Blacks and improving their life conditions. First such office was established in the year 1876 in New York. It was Louis Brandies, who took active interest as 'public spirited person' in the beginning of 20th century and made systematic efforts to encourage PIL. After the First World War, American Civil Liberties Union took up the several constitutional issues in PIL. At present PIL consists of Consumer Protection, Health and Safety of citizens, education, employment and unemployment, environmental protection, abuse of political power, protection of poor, helpless and unprivileged masses.

The Indian history of PIL was beginning with the case **of Hussainara Khatoon (I) Vs. State of Bihar.** This case was concerned with a series of articles published in a prominent newspaper - the Indian Express which exposed the plight of under trial prisoners in the state of Bihar. A writ petition was filed by an advocate drawing

the Court's attention to the deplorable plight of these prisoners. Many of them had been in jail for longer periods than the maximum permissible sentences for the offences they had been charged with. The Supreme Court accepted the *locus standi* of the advocate to maintain the writ petition. Thereafter, a series of cases followed in which the Court gave directions through which the 'right to speedy trial' was deemed to be an integral and an essential part of the protection of life and personal liberty.

WHO MAY INSTITUTE PIL?

The primary object of PIL is to ensure observance of the provisions of the Constitution and preservation of Rule of Law. This can be achieved by relaxing and liberalizing the rule of standing and by allowing any person, association or organization acting *bona, fide* and *pro bono publico* to approach the Court. **(Fertilizer Corporation Kamgar Union Vs Union of India)** In other words, to have *Locus Standi to* file a petition, the petitioner can be said to be an 'aggrieved person', if he has 'a genuine grievance because an order has been made which prejudicially affects his interests.

PIL cannot be allowed to be invoked for personnel p profit or private gain or for political benefit or for oblique considerations. It also cannot be allowed to satisfy personnel grudge. A writ petitioner who comes to a court in PIL must come not only with clean heart, clean mind and clean objective. It is the duty of the court exercising extraordinary Jurisdiction to ensure that its process is not abused by unscrupulous litigants under the attractive labels of PIL **(K.R Srinivas Vs R.M. Premchand, (1994) 6 scc** 620).Courts can take cognizance of their own on any matter which looks to them very public in nature by way of *Suo motu* intervention. **In Special Civil Application No.2785 of 1979,** M.P Thakkar-, J (as he then was), a "judge, High Court of Gujarat, while taking tea, read a letter written by a widow to the editor of a newspaper narrating her plight due to non-payment of provident fund, family pension and other retrial benefits of her deceased husband. It was treated as Writ Petition on which *rule nisi was* issued and to the pleasant surprise of the widow, she received all the benefits within two weeks.

In **Bandhua Mukti Morcha Vs Union of India,** the petitioner organization addressed a letter to the Supreme Court complaining that several persons were kept as bounded laborers **in** certain quarries. The letter was treated as writ petition and necessary directions were issued by the court. In **Murli Deora Vs Union Of India,** observing that smoking of tobacco is harmful causing many diseases including cancer, the Apex Court ruled that a non smoker should not get ill effects of smoking by others only because he is required to use public places and directed the Union of India and state Governments to take steps for implementation of the directions. In another occasion in **Union of India Vs Association for Democratic Reforms,** the question raised before the Supreme Court was whether a voter has a right to get information regarding assets and liabilities, educational qualification, involvement in offence, if any of the candidate contested election. ***Parmanand Katara*** v. ***Union of India,*** the Court articulated a 'right to health' when it ruled that no medical authority could refuse to provide immediate medical attention in emergency cases.

In **B. Singh Vs Union of India,** the Supreme Court indicated that before entertaining a Public Interest Litigation, the court must be satisfied about three things;

(i) Credentials of the petitioner

(ii) Prima facie correctness of the averments made and information given; and

(iii) Information being not value or indefinite

The court must strike balance between two conflicting considerations;

(1) Nobody should be allowed to indulge in wild and reckless allegations besmirching character of others; and

(2) Avoidance of public mischief by mischievous petitioners seeking to assail with oblique motives, lawful, legal and otherwise unobjectionable government actions.

"Where the court embarks upon affirmative action in the attempt to remedy a constitutional imbalance within the social order, few critics will find fault with it so long as it confines itself to the scope of its legitimate authority. But there is always the possibility in public interest litigation, of succumbing to the temptation of crossing into territory which properly pertains to the legislature or to the executive government... In the process of correcting executive error or removing legislative omission the Court can so easily find itself involved in policy making of a quality and to a degree characteristic of political authority, and indeed run the risk of being mistaken for one." **(Justice R.S. Pathak (I 984) 3 SCC 16 1)**

It is evident that some instances require courts to draw a balance between the competing interests of different sections, each of whom may articulate their claims as those grounded in public interest. It is in this regard that the Courts engage in a process that seeks to build a consensus among these sections. The device of Public Interest Litigation may have its detractors, but it has played an invaluable role in advancing our constitutional philosophy of social transformation and improving access to justice ***(Address by Justice K.G. Balakrishnan, Chief Justice of India, Singapore Academy of Law, Fifthteenth Annual Lecture)***

CHANGING ROLE OF LIBRARIES IN HIGHER EDUCATIONAL INSTITUTIONS

Gouri Sankar Karmakar

INTRODUCTION :

Higher education is the pinnacle of educational system. In India, higher education has been an integral part of the educational system. In the developing societies, higher education is considered to be a speedy vehicle for upward social mobility, especially by the socially and economically deprived and unprivileged sectors.

Globalization is likely to bring profound transformation in all sectors of society and economy. Education is also on the verge of transformation. Knowledge and skill have become buzz words in the present scenario. The link between knowledge and quality in higher education is now more profound. Knowledge is redirected as the most important prime mover in the better development of higher education. Knowledge is not only generating new wealth through innovations, but also creating vast quantum of knowledge based opportunities. As a result, societies all over the world are gradually transforming themselves into knowledge societies.

The main functions of institutions of higher learning, such as the universities and colleges are teaching, learning and research. The roles of the libraries of these institutions are to support the aim of the concerned institutions of higher learning. The library should also promote extensive user service and well balanced collection of books and journals.

ROLE OF LIBRARY :

Learning should not be confined to class rooms only. In addition of class rooms, laboratories and workshop, a library plays a vital role as learning resource centre. Effective learning occurs in these learning centers with proper library services. The term library denotes a building, room, and a collection of written, printed or recorded material including films, photographs, tapes, e-books, e-journals, CDs, DVDs and so on organized systematically and maintained properly for reading, study and consultation. Till date, a lot of discussion on the role of library in higher education have been made in different books, journals, seminars. Different writers, organizations, and agencies have given different points of view about the role of library in higher education. But no one can deny the significant role of the library.

Information Communication Technology (ICT) is evolving at a rapid pace with the introduction of new network based collaborative technologies. These technologies and tools are making real-time communication a reality, which help to improve students, researchers, teachers to improve the quality of education and research work.

Human beings transmit and exchange ideas, facts and feelings for personal or professional purpose. It is known that knowledge is being generated and stored at an alarmingly fast rate in different endeavours of life. This knowledge is available and is in abundance. Knowledge production and exchange is no longer primarily an individual process, but is more and more a participative and collaborative process. So, we the library professionals should believe in the tremendous value to higher education and in the importance of library.

Library is one of most important requirement for carrying out quality education and research work in today's scenario where knowledge is expanding at amazingly phenomenal pace. The students, researchers, teachers must have a ready access to the literature, emerging ideas and new knowledge & technologies in his field of study through, books, journals, e-journals and internet. In most of the colleges and universities, the student communities including researchers and teachers often feel handicapped due to non availability of latest relevant material especially standard journals that may help them to improve the quality of education and relevance of their research work.

Library plays a special significance for improving and strengthening all aspects of education system, e.g., research work, seminar preparation, writing assignment, paper/article preparation, self study etc. In the meanwhile, institutions of higher learning have not received desired attention as far as the new facilities, functions and advancement of technologies are concerned. Even today, many colleges and universities are functioning without modern facility and adequate number of professionals to execute the various library operations.

CHANGING SCENARIO OF LIBRARIES :

Library services refer to facilities provided by a library for the use of books and dissemination of

information. The well known existing library services are cataloguing, classification, circulation service, CAS, SDI, Indexing & abstracting service, document delivery, inter library loan and so on.

The internet has added a new dimension to information technology and knowledge sharing platforms, giving rise to advanced concepts such as e-learning, digital library, institutional repository, library 2.0, open access and others. These can help us move towards realizing the enormously powerful vision of any time access to the resources overcoming all geographical barriers, so that no classroom or individual is isolated from knowledge resources.

Web based library services : Web services go beyond the functionally of simple web pages and provide dynamic application that can be remotely evoked e.g. OAI-PMH, World Wide Web services, E-mail, RSS feeds, FAQ, Web OPAC etc.

Digital library : The term digital library, electronic library and virtual library have been used interchangeably. The digital library is organized & managed collection of documents in a variety of digital format e.g. text, image, sound or combination of both.

Institutional Repository : Institutional Repository (IR) means the digital collections that organize, preserve, and make accessible the intellectual output of a single institution. IR provides tools that help faculty, students and researchers to disseminate their works.

Library 2.0 : Library 2.0 describes a subset of library services designed to meet user needs caused by the direct and peripheral effects of web 2.0. Library 2.0 is available at the point of need, visible on a wide range of devices and integrated with services from beyond the library such as portals, virtual learning environments and e--commerce applications.

Open access : open access literature is digital, online, free of charge, and free from most copyright and licensing restrictions. It can be accessed through open access journals. About 25,000 peer-reviewed journals publish about 2.5 million articles per year worldwide in all disciplines.

CHANGING ROLE OF THE LIBRARIANS :

A Librarian plays all-round role as chief executive of the library and supposed to know and -understand the need of the users. The entire library requires a qualified librarian. Library users may approach or consult the librarian for their required materials, To improve the quality of library services, the library and library personals should also be uplifted. Everything is changing very fast and the librarians have to face the changes. Traditional library services, e.g, circulation service, readers service, reprographic service, reference service, bibliographical service, documentation service, information service, abstracting and indexing service, current awareness service, translation service, clipping service and others should be replaced by the new on-line information services, electronic CAS, electronic SDI, electronic document delivery service, online access catalogue, table of content service, electronic bulletin service and others. Librarians need to become information knowledge navigators on internet.

These days, the users are not satisfied only with the printed materials. They require more dynamic multimedia documents. Thus modern libraries are becoming an important element of the society. Thus in view of the rising prices of books and journals, the library funding also needs to be substantially enhanced so that standard stuff may be acquired by libraries regularly.

CONCLUSION :

To play a constructive and supportive role in developing higher education system in our society, we have no other alternative but to bring required changes in higher education through modem library services. This would go a long way in removing many deficiencies that have piled up over the years in the colleges and universities. Library and information service is one of the most challenging professions in the present knowledge society. Information and communication technology has tremendous impact on library operation, resources, services, staffs and users. Library professionals are in challenging dynamic technological environment demanding extensive and effective utilization of ICT in order to survive and meet the changing complex information needs of user community. Librarians and library professionals have to switch over from traditional library system to modern library system. Only those of us who will be able to anticipate the change and also exploit the change will survive and succeed. Therefore, libraries have to realize that working together can accomplish far more than they can do individually.

Reference:

1.Dhiman, A K & Sinha, S C (2002), Academic libraries, New Delhi, Ess ess publications.

2. Goel, D R & Goel, Chhaya (2008), Higher education: problems and prognosis. In: University news, 46(37), New Delhi, AIU, 14-20.

3. Goida, Kundan (2007), Electronic services in library & information science, New Delhi, Adhyayan publishers.

4. Gupta, P V & Chaturvedi, S (2008), Managing higher education: need for multi-disciplinary private universities. In: University news, 46(36), New Delhi, AIU, 11-14.

5. Rao, D P (2008), Empowerment of women through higher education in India. In:South Asian journal of socio-political studies, 8(2), Kerala, SAJOSPS, 48-51.



Will Indian Women Achieve Political Empowerment ?

Bondita Borbora

Women's participation in the decision making process plays a vital role in the whole process of augmenting women's participation in the public arena of any country. Though women constitute half the total population, inadequate representation of them in politics has been a main problem in all democratic countries. Representation of women should be equal to that of men. If it is not so, it must be understood that there lies some deep flaws within the political system. It is good that some women of today are becoming more and more conscious of discrimination towards women in the private and the public spheres of life. These women have mobilized themselves on such issues. But this is not the ultimate picture. Women are still largely underrepresented in the political scenario, especially in ministerial and other executive bodies. Globally, only 10 percent of the members of legislative bodies are women at present. Interestingly, in the United States, the most advanced and powerful nation of the world, women constitute only 17 percent of the legislature. Likewise the scientifically advanced nations like Japan fall short of the adequate representation of women in the political scenario of. On the other hand, countries like Mozambique devastated, by civil war and famine like conditions, women constitute more than 30 percent of the legislature. This reveals that industrial development and scientific progress do not automatically lead to political empowerment of women.

Women's political empowerment refers to the fair representation of women in decision making structures, both formal and informal. This is measured by using data on the number of female ministers, seats in parliament held by women, and the number of women holding senior legislative and managerial positions. The legislature not only holds a tremendous influence over women's lives, but also acts as a key institution capable of brining about a change in women's realities. The under representation of women in the political sphere is inextricably linked with the low and inferior status of women in society specially in the context of declining sex ratio, increasing violence, crimes against women and their marginalized status in the employment, education and health sectors. Generally, women are more conscious of the issues of human development, because they are more sufferers than men due to the deprivation of education, health, sanitation, drinking water, nutrition and others. Greater representation of women is expected to ensure a shift towards a greater social development.

The evolution of Indian democracy through its fourteen general elections have also reflected a low representation of women in the parliament, state legislature, political parties and in the decision making processes. Though the constitution of India grants equality to women in various fields of life, a large section of women are still unable to propel themselves out of their traditionally unsatisfactory socio-economic conditions. Indian women are still crying for social justice. There is no doubt that in the national freedom movement of India, the involvement of Indian women was not anyway less than that of men. However, after independence, women were denied their right to shape the new state, though they were granted equal constitutional and legal rights. No doubt, few women became able to attain high position in parliament and state legislatures. However, the fact remains that many of them come from dignified families. Many of them were backed by male political patronage. Competence, capability and merit of women seem to have no value as far as political representation of women is concerned. More than 90 percent of Indian women are still discourage to take part in affairs outside home. Empowerment will be meaningless unless they are made strong, alert and aware of their equal

status in the society. The passage of the most controversial women reservation bill to reserve 33 percent seats in parliament and state legislature for women in the Rajya Sasbha on March 9, 2010 is a good sign towards it. However, it is a very sad story as it has repeatedly been scuttled in parliament since the time of the H. D. Deve Gowda led United Front Government. Though the bill has been introduced in the parliament repeatedly from 1996, it could not be passed because of lack of political consensus. It is surprising that in the parliamentary history of India, Women Reservation Bill is the only bill that failed to become an act despite a clear parliamentary majority for it. But Acts like POTA, and the Patent Amendment Act could come into reality despite strong opposition to them in the parliament. Then why is the Women Reservation Bill still neglected? The main problem may be that though the most of the political parties are expressing support to it, there is a strong resistance within the major political parties. The patriarchal political value system is one of the main hindrances to it. If the Bill is passed, one-third of the total seats of the parliament, the legislatures and the local bodies would be reserved for women. The Bill seeks to empower women by brining more women into the political scenario by reserving seats. But a number of leading political parties like Rashtriya Janata Dal (RJD), Samajwadi Party (SP), Janata Dal (United) are very aggressive towards the Bill in its present form. Hence arises several haunting questions like if the Bill becomes an Act, will it be able to make representation for all women belonging to different castes and classes? Will such a reservation change gender relations? Will it give women the power to take significant roles in the policy making process in the true sense of the term? Will it make the government policy more inclusive? There are also questions on its provisions.

The proponents of the Bill are of the opinion that the Bill would lead to gender equality in the political scenario of the country. Increased number of women in the political senior is expected to them to fight against those issues in which they are the suffers. The reservation of 33.3 percent seats in the Panchayats has already led to a tremendous mobilization of women in the countryside resulting in one million elected representatives in the decision making process at the grassroots level.

The political parties like the RJD, SP and JD (U) have opposed the Women Reservation Bill on the ground that the Bill will help only the upper caste women as a result of which women of the backward castes would be adversely affected. The JD(U) President Sharad Yadhav stated that this Bill is a well-planned upper-caste conspiracy to reduce the representation of the Dalit, OBC and other subjugated women in the Lok Sabha and in the Assemblies. It is against all norms of political morality. If the Bill is allowed to pass in its present form, the seats will be captured by a handful of upper caste women. Women political workers who have evolved through a long period of struggle in the political process will be left behind. The parties Bill also want quota within quota for Dalits, backward castes and minorities. They also go to the extent of saying that they will not mind if the reservation is even 50 percent provided the government incorporates quota within quota for the really suppressed women. This point cannot be neglected totally. But at the same time, if we see the present set up of Indian political parties, there is no distinguish representation of women belonging to Dalits, backward or minority sections. Till now they themselves are not interested to leave power to or to include these women in their own party. There is not doubt that caste is an important criterion for selection of candidates in Indian politics. There is also suggestion to amend the Proportional Representation Act to mandate every political party to field women in at least one third of the constituencies. Though it is a good thought, a close scrutiny of it reveals that if it is implemented, the political parties driven by the patriarchal values would field women in those constituencies in which they are bound to face defeat in the elections. As a result, there would be one third of women contestants, but not one third of women in the Parliament or state legislatures. This will not lead towards political empowerment of women. Some people argue that women suffer discrimination without any respect to their castes, classes and religions. If the Bill is implemented in its present form and at the present political structure, there is no doubt that women from the influential families will exercise the reservation at the beginning. But in due course, it is expected that political leadership from other sections will emerge. Government should also be ready to amend the Bill, if it is seen that it helps only one section of women in the society.

Though the passage of the Bill in the Rajya Sabha signals the emergence of a certain level of consensus on women's reservation in the major decision making process of the state, doubts are there in everyone's mind. Is it fair to expect everything from a Bill that aims to lease more women into the parliament? In order to find a concrete answer of the questions we must keep the forthcoming happenings in the political scenario under observation. Moreover, it is also true that law alone cannot change the society. In order to empower women, the first necessity is to create an encouraging legislative atmosphere for which education to every female members of the society is must. Progressive social change will enable women to fully participate in the decision making process. With half the country's population left un-empowered, India cannot hope to be a superpower in the future.

বাস্তৱবাদ ঃ জীৱনৰ বাটত আৰু গোদান

ননী নাৰায়ণ বৰা

সমাজখনক যথাযথ দৃষ্টিৰে চোৱাৰ অৱধাৰণাৰ পৰাই বাস্তৱবাদৰ জন্ম হয়। ঊনবিংশ শতিকাৰ মাজভোখৰত ফ্ৰান্সত এক সাহিত্য আন্দোলন হিচাপে ই গা কৰি উঠে। ১৮৫০ খ্ৰীষ্টাব্দৰ পৰা ১৮৮০ খ্ৰীষ্টাব্দলৈ ইউৰোপৰ সমকালীন সাহিত্যৰ জগতখনত ই ব্যাপক প্ৰভাৱ বিস্তাৰ কৰে। এই সময়ছোৱাত ফ্ৰান্সত বালজাক, ইংলণ্ডত থেকাৰ, জৰ্জ এলিয়ট, বেনেট, জাৰ্মানীত কেলাৰ, ফল্টেন, ৰুচত টুৰ্গেনিভ, ডষ্টয়েভস্কি, লিও টলষ্টয় আদি লেখকে বাস্তৱবাদী সাহিত্যৰ সুদৃঢ় ভেটি স্থাপন কৰে। ক্ৰমে বিশ্বৰ বিভিন্ন দেশৰ ভিন্ন ভাষাৰ সাহিত্যলৈ বাস্তৱবাদ বিয়পি পৰে।

ভাৰতীয় প্ৰান্তীয় সাহিত্যৰাজিৰ ভিতৰত বিশেষকৈ অসমীয়া, বাংলা, হিন্দী, তামিল আদি ভাষাত বাস্তৱতাৰ পটভূমিত ভালেকেইখন সাহিত্য-কৰ্ম নিৰ্মাণ হৈছে। এই আলোচনাৰ মাজেদি উপন্যাসৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া আৰু হিন্দীৰ দুখন মহাকাব্যিক উপন্যাস বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' (১৯৪৪) আৰু প্ৰেমচন্দৰ 'গোদান' (১৯৩৬)ত বাস্তৱবাদৰ লক্ষণসমূহৰ প্ৰতিফলন সম্পৰ্কে আলোকপাত আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব।

আধুনিক অসমীয়া সাহিত্যৰ আলোচনাৰ প্ৰসংগত প্ৰায়েই কোৱা হয়— লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ পাছতেই অসমৰ জগতখনক মৌলিক দৃষ্টিভংগীৰে চাইছিল দুজন পুৰুষে— জ্যোতিপ্ৰসাদ আগৰৱালাৰ আৰু বিৰিঞ্চিকুমাৰ বৰুৱাই। জ্যোতিপ্ৰসাদে সুন্দৰৰ পটভূমিত জগতখনক নকৈ অন্বেষণ কৰিছিল আৰু বিৰিঞ্চিকুমাৰ বৰুৱাই বাস্তৱৰ অসুন্দৰৰ জগতখনকো নিৰ্মোহ দৃষ্টিৰে পৰ্যবেক্ষণ কৰিছিল।[১] ইফালে আধুনিক হিন্দী সাহিত্যৰ ক্ষেত্ৰত কোৱা হয়— ভাৰতেন্দু হৰিশ্চন্দ্ৰ নাটক আৰু কবিতাৰ লগতে প্ৰেমচন্দৰ পূৰ্ববৰ্তী দুই-এজন লেখকৰ ৰচনাৰ দুই-এঠাইত বাস্তৱবাদে ভুমুকি মাৰিছিল যদিও ইয়াৰ বিকাশ প্ৰেমচন্দৰ হাততহে হয়। ভাৰতেন্দু হৰিশ্চন্দ্ৰই ৰাষ্ট্ৰীয় ভাবনাৰ সৈতে জীৱন-বাস্তৱক তুলি ধৰিবলৈ চেষ্টাহে কৰিছিল, কিন্তু প্ৰেমচন্দৰ হাততহে ই স্পষ্ট ৰূপত ধৰা দিয়ে।[২] প্ৰেমচন্দই পাতনি মেলা এই মহাগাথাৰ সুঁতিটো— মৈলা আঁচল (১৯৫৪), ঝুঠা সচ (১৯৫৮, ১৯৬০), ৰাগ দৰবাৰী (১৯৬৮) আদিৰ মাজেদি আগবাঢ়ে।

জীৱনৰ বাটত আৰু গোদানত বাস্তৱবাদৰ সম্পৰ্কে আলোচনাৰ পূৰ্বে ভবেন বৰুৱাৰ এটি মন্তব্য বিশেষভাৱে তাৎপৰ্যপূৰ্ণ— "As in Premchand's 'Godan' there is in this novel a vital pre-occupation with the social reality; but here the centre is dominated by an inward drama of individuals and the other social problems serve mainly to underline the basic forces and values at conflict."[৩]

ইয়াৰ লগতে ঔপন্যাসিক দুগৰাকীৰ সমাজ তথা বাস্তৱবাদ সম্পৰ্কীয় দৃষ্টিভংগীও আলোচনাৰ আওতালৈ অনাটো প্ৰয়োজনীয়। প্ৰেমচন্দৰ নিচিনাকৈ বিৰিঞ্চি কুমাৰ বৰুৱাই বাস্তৱবাদ সম্পৰ্কে কোনো সংজ্ঞা আগবঢ়োৱা নাই যদিও দুই-এঠাইত আৰু উপন্যাসখনৰ মাজে মাজে দুই-এটা মন্তব্য নকৰাকৈ থকা নাই—

(১) "The present day fiction writes have turned their eyes on those who are neglected by society, and try to assess their unique social value. One of the such novels on the rural life of Assam is *Jivanar Batat* (on the Highway of Life)."[৪]

(২) প্ৰত্যেক মানুহৰ চৰিত্ৰ দুইফালৰ পৰা বিচাৰ হয়। এটি হৈছে সমাজৰ ফাল। এই ফালটো প্ৰকাশ্যভাৱে সমাজৰ অধীন। আনটি হৈছে ভিতৰুৱা ফাল। মানুহৰ জীৱনৰ কদর্য-কলুষ ফালটো ইয়াৰ ভিতৰতে। ইয়াৰ ভালেখিনি কল্পনা আৰু অনুমানৰ ওপৰত প্ৰতিষ্ঠিত। গাইগুটিয়াভাৱে সমালোচনা হ'লেও প্ৰকাশ্যভাৱে সমাজৰ আগত চৰিত্ৰৰ এই ভাগটো প্ৰকাশ নহয়। কিন্তু মানুহৰ চৰিত্ৰৰ এই ভিতৰুৱা ফালটোৰ গোপন আলোচনাত বিশেষ আনন্দ।

এনে দৃষ্টিভংগীৰ মাজেৰেই বিৰিঞ্চিকুমাৰ বৰুৱাই সমাজখনক

যথাযথ দৃষ্টিৰে চাবলৈ বিচাৰিছিল। ইফালে প্ৰেমচন্দই *উপন্যাস* শীৰ্ষক ৰচনাৰ মাজেদি বাস্তৱবাদ সম্পৰ্কীয় তেওঁৰ অৱধাৰণা প্ৰকাশ কৰিছে— "কোনো উদ্দেশ্য পূৰণ কৰিবৰ কাৰণে চৰিত্ৰসমূহৰ সামান্য পৰিবৰ্তন কৰা উচিত; ইয়াৰ পৰাই ঔপন্যাসিকসকল দুটা ভাগত বিভক্ত হৈ পৰিছে এটি Idealistic বা আদৰ্শবাদী, আনটো Realistic বা বাস্তৱবাদী। Realist-এ চৰিত্ৰক তাৰ বাস্তৱ-নগ্ন ৰূপত দাঙি ধৰে। ইয়াৰ পৰা তেওঁৰ কোনো অভিপ্ৰায় নাথাকে যে সৎ চৰিত্ৰৰ ফল বেয়া বা অসৎ চৰিত্ৰৰ ফল ভাল হ'ব। তেওঁৰ চৰিত্ৰই নিজৰ দুৰ্বলতা বা সবলতা দেখুৱাই নিজৰ জীৱন-লীলা সমাপ্ত কৰে। যদিও সংসাৰত ভালৰ ফল ভাল আৰু বেয়াৰ ফল বেয়া বুলি বিবেচিত নহয়, ৰৱঞ্চ ইয়াৰ ওলোটাতোহে হয়। সৎ মানুহে আঘাত পায়, যাতনা সহে, বিপদত পৰে, অপমানিত হয়, তেওঁ ভালৰ সলনি বেয়া ফলহে লভে আৰু দুশ্চৰিত্ৰই বিলাস কৰে, নামী হয়, যশস্বী হয়— তেওঁ বেয়াৰ সলনি ভাল ফলহে লাভ কৰে।



ইয়াৰ উপৰি তেওঁ কৈছে— Realist অনুভৱৰ শিকলিত নিকপকপীয়াকৈ বান্ধ খাই থাকে আৰু কিয়নো সংসাৰত বেয়া চৰিত্ৰইহে অগ্ৰাধিকাৰ পায়, য'ত দূৰ সম্ভৱ উজ্জ্বলৰ পৰা উজ্জ্বলতম চৰিত্ৰটো কিবা নহয় কিবা প্ৰকাৰে কলংক লাগে। সেইবাবেই Realism আমাৰ দুৰ্বলতাবোৰ, বিষমতাবোৰ, ক্ৰূৰতাবোৰৰ নগ্ন চিত্ৰ। বাস্তৱত Realism এ আমাক pessimist কৰি তোলে। মানৱ চৰিত্ৰৰ ওপৰত আমাৰ বিশ্বাস নাথাকে আৰু চাৰিওফালে বেয়াৰ বেয়াটোহে চকুত পৰিবলৈ ধৰে।[৫]

প্ৰেমচন্দে অনুভৱ কৰে সমাজৰ কুপ্ৰথাসমূহক উদঙাই দেখুৱাবৰ কাৰণে বাস্তৱবাদ উপযোগী। কিন্তু সমাজৰ দুৰ্বল দিশবোৰ চিত্ৰণ কৰোঁতে যেতিয়া বাস্তৱবাদে সীমা চেৰাই যায় তেতিয়া ই আপত্তিজনক হৈ পৰে। মানৱ চৰিত্ৰৰ ভিতৰখন ইমান ছল-কপট-ক্ষুদ্ৰতাৰে আবৰি আছে যে ইয়াৰ পুনৰাবৃত্তিত আনন্দ লাভ কৰা নাযায়। আন্ধাৰ কুঠৰি এটাত কাম কৰি ভাগৰি পৰিলে ফুলনিলৈ ওলাই গৈ নিৰ্মল বায়ু সেৱন কৰিলে যি আনন্দ লাভ কৰা যায়, সেই একেইখিনি কাম আদৰ্শবাদে সম্পূৰ্ণ কৰে। আদৰ্শবাদে পবিত্ৰ হৃদয়ৰ, স্বাৰ্থ-বাসনা ৰহিত সাধু প্ৰকৃতিৰ চৰিত্ৰৰ সৈতে পৰিচয় কৰোৱায়। যদিও এই চৰিত্ৰ ব্যৱহাৰ কুশল নহয়, তাৰ সৰলতাই তাক ব্যৱহাৰিক বিষয়ত ঠগে, কিন্তু চতুৰতাৰে পৰিপূৰ্ণ প্ৰাণীক এনে সৰল, ব্যৱহাৰিক জ্ঞান বিহীন চৰিত্ৰৰ দৰ্শনৰ পৰা এক বিশেষ আনন্দ প্ৰাপ্তি ঘটে। বাস্তৱবাদে যদি আমাৰ চকু মুকলি কৰি দিয়ে, তেন্তে আদৰ্শবাদে এক সুন্দৰ ঠাইত অৱতৰণ কৰোৱায়। কিন্তু য'ত আদৰ্শবাদৰ এই গুণবোৰ থাকে, তাত ইয়াৰো আশংকা থাকে যে আমি এনেকুৱা কিছুমান চৰিত্ৰক তুলি নধৰো যাতে সি সিদ্ধান্ত অনুগামীহে হয়। দেৱতাৰ কল্পনা কৰা কঠিন নহয়, কিন্তু সেই দেৱতাত প্ৰাণ-প্ৰতিষ্ঠা কৰাহে কঠিন।"[৪]



সেয়ে প্ৰেমচন্দই বাস্তৱবাদৰ লগত আদৰ্শবাদৰ সমন্বয় ঘটোৱাটো বিচাৰিছিল। সেইবাবেই তেওঁ এই সমন্বয় প্ৰক্ৰিয়াক Idealistic Realism বা আদৰ্শোন্মুখ বাস্তৱবাদ বুলি কৈছে। তেওঁ ভাবে আদৰ্শক উপযোগী কৰি তুলিবৰ কাৰণে বাস্তৱৰ বিশেষভাৱে প্ৰয়োজন— যি ভাল উপন্যাস এখনৰ প্ৰয়োজনীয় গুণ। ঔপন্যাসিকজনৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কথা চৰিত্ৰ সৃষ্টি কৰাতো। কিন্তু সেই চৰিত্ৰক আদৰ্শ আৰু উৎকৃষ্টৰূপত গঢ় দিবলৈ তাক নিৰ্দোষ-নিষ্কলংক ৰূপ দিয়াটো উচিত নহ'ব— কাৰণ মহৎ পুৰুষৰো দুৰ্বলতা নথকা নহয়। দেৱতাৰূপী নিৰ্দোষ চৰিত্ৰই সমাজখনক বুজিবলৈ টান পাব— সি আমাৰ ওপৰত কোনো প্ৰভাৱ পেলাব নোৱাৰিব।[৯]

প্ৰেমচন্দৰ প্ৰায় গোটেইকেইখন উপন্যাসতেই তেওঁৰ এই দৃষ্টিভংগীৰ ছাপ পৰিছে। বাস্তৱবাদী দৃষ্টিভংগীৰেই তেওঁ উপন্যাসৰ পাতনি মেলে যদিও শেহৰফালে তাত আদৰ্শবাদে ভুমুকি মাৰে। তেওঁৰ এই আদৰ্শোন্মুখ বাস্তৱবাদ পদ্ধতিত যিদৰে বাস্তৱবাদৰ লক্ষণসমূহে মুখথেকেচা খায়, একেদৰেই আদৰ্শবাদৰ লক্ষণসমূহো স্পষ্ট ৰূপত প্ৰকাশ নাপায়। উভয়ৰে তত্ত্বগত দিশৰ ফালৰ পৰাও ইয়াত যথেষ্ট দোষ ৰৈ যায়।[১০] অৱশ্যে তেওঁৰ শেহৰখন উপন্যাস *গোদান* এই দোষৰ পৰা প্ৰায় মুক্ত।

তাৎপৰ্যপূৰ্ণ কথাটো হ'ল দুয়োখন উপন্যাসেই প্ৰাক্-স্বাধীনতাকালৰ গ্ৰাম্য সমাজৰ নিখুঁত ছবি উন্মোচিত কৰিছে। নিম্ন শ্ৰেণীৰ সমাজৰ চিত্ৰৰ সমান্তৰালভাৱে মধ্যবিত্ত আৰু আভিজাত্য শ্ৰেণীৰ জীৱন-ধাৰণ প্ৰণালীক ই চিত্ৰিত কৰিছে। গাঁও আৰু চহৰ উভয় পৰিবেশৰো চিত্ৰণ ইয়াত আছে। তৎকালীন সময়ছোৱাৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, শৈক্ষিক অৱস্থাক ই বিশেষভাৱে আলোকপাত কৰিছে। দুয়ো প্ৰান্তৰ জনজীৱনৰ পৰম্পৰা-জাতীয়তা, সংস্কৃতি-সামাজিকতা, শোষণ-নিপীড়ন, দুখ-দৈন্য, হৰ্ষ-বিষাদ, আশা-নিৰাশাৰ ই জীৱন্ত দলিল।

মৰঙিৰ জী, ৰহাৰ বোৱাৰী তগৰৰ বিড়ম্বনা আৰু কাৰুণ্যক কেন্দ্ৰ কৰি *জীৱনৰ বাটত* উপন্যাসৰ কাহিনীয়ে গতি লাভ কৰিছে। কাহিনীৰ আৰম্ভণিতে উল্লেখ কৰা— "পিতাদেউ পিতাদেউ দূৰকৈ নিদিব" লোকগীতৰ কলিৰ প্ৰতীকি ব্যঞ্জনাই ওৰে জীৱনটো তগৰক খেদি ফুৰিছে। আদিতে নিম্ন মধ্যবিত্ত আৰু শেষলৈ আভিজাত্য সমাজখনৰ প্ৰতিনিধি কমলাকান্তই যৌৱনৰ আগডোখৰতে কৰা 'সৰ্বনাশে' তগৰক বাঞ্ছিত বিয়াখনৰ পৰা,

দেউতাকৰ পৰা, মধ্যবিত্ত সমাজখনৰ পৰা যি পৰিবেশত তগৰ ডাঙৰ হৈছিল, ক্ৰমে নিম্ন গ্ৰাম্য সমাজখনৰ পৰা আৰু আনকি স্বামী ধৰণীৰ অন্তৰৰ পৰাও দূৰৈত ৰাখিলে—

১। অন্তৰৰ অন্তৰতম স্থল ধৰণীৰ প্ৰতি শ্ৰদ্ধা-ভক্তিৰে ভৰপূৰ হৈ আছে। তথাপি... কিবা যেন দিবলৈ ৰৈ গ'ল, পূজাত নৌ লাগোতেই অন্তৰ নৈবেদ্যৰ এভাগ যেন কাউৰীয়ে থপিয়াই নিলে।[১২]

২। যেতিয়াই নিজৰ সমগ্ৰ মন-প্ৰাণ দি ধৰণীক ভাল পাবলৈ ব্যাকুল হয়, সেই মুহূৰ্ততে এক অস্পষ্ট স্মৃতিয়ে অন্তৰত তুমুল কোলাহলৰ সৃষ্টি কৰি সকলো ওলট-পালট কৰে।[১৩]

সকলোৰে পৰা দূৰৈত থাকিও, মানসিক অন্তৰ্দ্বন্দ্বৰ সৈতে অহৰহ যুঁজি আছে তগৰে। তগৰে অনুভৱ কৰে পুৰণি কথাবোৰ যিমানে পাহৰিবলৈ চেষ্টা কৰা হয়, সিমানে তাৰ স্মৃতিয়ে সপোন-দিঠকত আউল লগায়— "চিলমিলকৈ টোপনি অহাৰ লগে লগেই পৰিচিত অপৰিচিত অসংখ্যক অৰ্থহীন অসংলগ্ন দৃশ্যই তগৰৰ মনত দেখা দিলেহি... বহুত পৰৰ মূৰত শুকান গছৰ মূঢ়া এটা গুৱিত তগৰ শুই পৰিল। এজন ডেকাই ওচৰতে বহি নিৰ্নিমেষে তগৰৰ মুখলৈ চাইছে। ডেকাজনৰ মুখখন তগৰৰ চিনা যেন লাগিছে— চিনিব পৰা নাই। কোন? কমলাকান্ত।"[১৪]

এই সকলোখিনি অন্তৰ্বেদনা লৈ তগৰে ন-কৈ জীয়াই থকাৰ পৰিক্ৰমাত বাটে বাটে উজুটি খাইছে। জীৱনৰ সমস্তখিনি ভালপোৱা ঢালি, কৰ্তব্যবোধক আওহেলা নকৰি পুৱাৰ পৰা গধূলিলৈ, চোতাল সৰা, পানী অনা, ধান পৰা বনালৈ সকলোখিনি সনিষ্ঠাৰে কৰি বোৱাৰীৰূপে ধৰণীৰ ঘৰত শাহুৰ মন পাবলৈ পাৰ্যমানে চেষ্টা কৰিছে। তথাপি শাহু আহিনীৰ পৰা ভাল মাত এষাৰ পোৱা নাই। প্ৰত্যুত্তৰত পাইছে তিতা লগা অভিজ্ঞতা কিছুমানহে—

"তগৰে গিৰিয়েকৰ ঘৰৰ সকলো দুখ, অপমান, অত্যাচাৰ সকলো নীৰৱে সহ্য কৰিলে। ধৰণীৰ ঘৰলৈ তগৰ আহিছে সকলোকে সুখ দিবলৈ; নিজে সুখী হ'বলৈ নহয়।"[১৫]

ইয়াৰ পাছতো তগৰৰ গিৰিয়েকৰ ওচৰত কোনো অভিযোগ নাই। ই চঞ্চল যৌৱনত কৰা পাপৰ প্ৰায়চিত্ত নিৰ্মালি বুলিহে তগৰে ধৰি লৈছে।

তগৰৰ জীৱনৰ আটাইতকৈ ট্ৰেজিক ফালটো হ'ল— যি মুহূৰ্ততে তগৰৰ জীৱনলৈ অলপ আশাৰ ৰেঙনি আহিছে— সেই মুহূৰ্ততে তগৰে ভয়াৱহ বাস্তৱৰ সন্মুখীন হ'ব লগাত পৰিছে। নিৰাশাৰ ডাৱৰে তগৰক বেঢ়ি ধৰিছে। "কত দুখময় অপমানৰ গ্লানি সহাৰ"[১৬] পাছতো অন্তৰৰ ভালপোৱাখিনি দি তিলে তিলে ক্ষয় হোৱা জীৱনটো ধৰি ৰাখিবলৈ শাহুৰ পৰা অকণ মৰম পাবলৈ সক্ষম হৈছে— সেই মুহূৰ্ততে শাহুৱেক আঁতৰি গৈছে। ক্ৰমে গিৰিয়েক আৰু সকলো শুভাকাংক্ষীও নোহোৱা হৈ গৈছে। অতীতক পাহৰি গিৰিয়েকক ভাল পাবলৈ ধৰা সময়ছোৱাতে গিৰিয়েকৰ পৰাও পাইছে চৰম অৱহেলা— "... ধৰণীৰ অন্তৰৰ অপৰিসীম ভালপোৱাৰ কথা গোটেই নিশা উজাগৰে থাকি শুনিবলৈ তগৰে উপযাচি গিৰিয়েকৰ লগত শুবলৈ আহিল। কিন্তু ধৰণীৰ নিৰ্দয় টোপনিয়ে তগৰৰ হৃদয়াবেগক নিষ্ঠুৰ মানুহটোৰ প্ৰতি বিদ্বেষ বিতৃষ্ণাত মন বিষময় হ'ল। লাজ-অপমানত হতাশভাৱে গিৰিয়েকৰ ভৰি পথানত কাছজনীৰ দৰে হাত-ভৰি টোপোলা বান্ধি তগৰে শুলে। ধৰি ৰাখিবলৈ শত চেষ্টা কৰা সত্ত্বেও ৰুদ্ধ তপত চকুলোৱে বিছনা তিতিল।"[১৭]

কাছজনীৰ দৰে অক্ষম তগৰৰ ৰুদ্ধ তপত চকুলোৱে গোটেই উপন্যাসখন তিতি আছে। গিৰিয়েকৰ কথাৰে ক'বলৈ গ'লে— "জীৱনৰ লগত হৃদয়হীনভাৱে তোমাৰ জীৱনটোও ব্যৰ্থতাৰে ভৰপূৰ কৰি দিলোঁ।"[১৮]

শেষত চিৰদিনৰ বাবে ধৰণী আঁতৰি গ'ল। ভৰিৰ তলৰ ধৰণীও যেন লৰিল। তথাপি জীৱন যুদ্ধত জীয়াই থাকিবৰ কাৰণে তগৰে দুখ নকৰি কণমানি কমলিৰ সৈতে জীৱনটো আগু�ৰাৰ চেষ্টা কৰোঁতেই পুনৰ সমাজখনৰ পৰা গোলাপ ডাক্তৰৰ সৈতে অবৈধ সম্পৰ্ক ৰক্ষা কৰা বুলি পোৱা আখ্যাৰে, চুবুৰীয়া তথা কমলাকান্তৰ সম্পত্তি চুৰি কৰা কাৰ্যত জড়িত ইত্যাদি প্ৰসংগৰে তগৰক বেঢ়ি ধৰা হ'ল। তগৰৰ এই দুখ— "আত্মা-শৰীৰে টানিব নোৱাৰিলে।" সেয়ে তগৰে "তিনি তাপময়/সংসাৰ নিকাৰ/সহিব নোৱাৰি" ভগৱানক কাকুতি কৰিছে— "হে প্ৰভু, আমাক উচ্ছন কৰা; আজিয়েই আমাৰ দুটাক মাৰি নিয়া। মোক আৰু কিমান কষ্ট খাবলৈ জীয়াই ৰাখা? মাৰি নিয়া প্ৰভু, মাৰি নিয়া।"[১৯]

তগৰৰ জীৱনৰ পৰিক্ৰমাৰ প্ৰত্যেকটো পথতে সন্মুখীন হোৱা নিষ্ঠুৰতা, ৰূঢ়তা আৰু কদৰ্যতাই উপন্যাসখনক এক বাস্তৱবাদী স্বাদ দিছে। তগৰৰ জীৱন বাস্তৱৰ ছবিত অলৌকিকতা বা অতিৰঞ্জনকো সামৰি লোৱা নাই। ই আশাৰ মাজতে নিৰাশাৰহে অনুভৱ কৰায়।

অবধ প্ৰান্তৰ এখন সৰু গাঁও বেলাৰীৰ এজন ক্ষুদ্ৰ খেতিয়ক হোৰীৰামৰ জীৱনৰ বিড়ম্বনা আৰু কাৰুণ্যক কেন্দ্ৰ কৰি গোদানৰ কাহিনী আগবাঢ়িছে। ইয়াত প্ৰেমচন্দই কেৱল উত্তৰ ভাৰতীয় কৃষক-সমাজৰেই ছবিখন উন্মোচন কৰা নাই— সমগ্ৰ কৃষক শ্ৰেণীটোৰ জীৱনৰ হতাশা ভৰা ছবি এখনহে ফুটাই তুলিবলৈ প্ৰয়াস কৰিছে। *উপন্যাস* শীৰ্ষক ৰচনাত প্ৰেমচন্দই বাস্তৱবাদৰ বিপক্ষে কোৱা সকলোবোৰ মতাদৰ্শ ইয়াত প্ৰকাশ পাইছে। উপন্যাসখনৰ আৰম্ভণিৰ পৰা শেহলৈকে কৃষক হোৰী তথা তেওঁৰ পৰিয়ালক ভাগ্যৰ নিষ্ঠুৰ পাকচক্ৰই লগ এৰা নাই। ব্ৰিটিছ শাসনকালীন সময়ছোৱাৰ ভাৰতবৰ্ষৰ অন্য প্ৰান্তৰ দৰেই হোৰী তথা তেওঁৰ গাঁওখন জমিদাৰ-মহাজনৰ শোষণৰ বলি হ'ব লগাত পৰিছে। লাহে লাহে হোৰী জমিদাৰ-মহাজনৰ শোষণৰ পাকচক্ৰত পৰি সৰ্বস্বান্ত হ'বলৈ আগবাঢ়ি গৈছে। ধৰ্মভীৰু, মৰ্যাদাৰ প্ৰতি আস্থাভাজন হোৰীক পুত্ৰ গোবৰে শোষক শ্ৰেণীৰ এই শোষণৰ পাকচক্ৰৰ বিষয়ে বুজাবলৈ প্ৰয়াস কৰিছে তথাপি হোৰীয়ে বুজিবলৈ চেষ্টা কৰা নাই। গোবৰে যেতিয়া সোধে— "তই মালিকক তোষামোদ কৰিবলৈ সদায় কিয় যাৱ?"[২০] ইয়াৰ প্ৰত্যুত্তৰত হোৰীয়ে গোবৰক ভালকৈ একো বুজাব পৰা নাই।" ক্ৰমে হোৰী ধাৰত পোত গৈছে। আন দহজন কৃষকৰ দৰেই হোৰীয়ে এজনী গৰু কিনাৰ প্ৰতি তীব্ৰ টান অনুভৱ কৰিছে। ভোলাৰ পৰা চৰ্ত-ভিত্তিত গৰুজনী পাইছে। গৰুজনী অহাত পত্নী ধনিয়াৰ ভেম বাঢ়িছে। ভায়েক হীৰাই-ঈর্ষাত জ্বলি বিহ খুৱাই গৰুজনী মাৰি পেলাইছে। সহজ-সৰল হোৰীয়ে ভায়েকক হত্যাকাৰী বুলি কল্পনাই কৰিব পৰা নাই। পত্নী ধনীয়াৰ গালিৰ কোবত হোৰীয়ে পৰিয়ালৰ প্ৰতি থকা দায়িত্ববোধ পাহৰি-স্বভাৱসুলভ কৃষক মানসিকতাৰ পৰিচয় দিছে। প্ৰেমচন্দৰ ভাষাত—

"হোৰীয়ে ধনিয়াক পিটি আছিল। ধনীয়াই তাক গালি পাৰি আছিল। দুয়োজনী ছোৱালীয়ে দেউতাকৰ ভৰিত সাবটা মাৰি চিঞৰি আছিল আৰু গোবৰে মাকক ৰক্ষা কৰি আছিল। বাৰে বাৰে হোৰীৰ হাতত ধৰি পাছলৈ ঠেলি দিয়ে, কিন্তু যেতিয়াই ধনিয়াৰ মুখৰ পৰা গালি ওলাই আহে, হোৰীয়ে হাত এচাৰি তাইক দুই-চাৰিটা ঘোচা আৰু গোৰ মাৰি দিয়ে।"[২১]

গাঁৱলৈ পুলিচ আহিছে। মহাজন-জমিদাৰে মৃত গৰুজনীৰ কাৰণে পুলিচ অহাৰ বাবদ হোৰীক অৰ্থদণ্ড বিহিব খুজিছে। ধনীয়াৰ প্ৰচণ্ড ৰণচণ্ডী মূৰ্তিৰ আগত সিহঁত লেউসেউ হৈ পৰিছে। কিন্তু হোৰীৰ জীৱনলৈ পুনৰ এক হতাশাৰ সংবাদ আহিছে— পুত্ৰ গোবৰে ভোলাৰ বিধৱা জীক পলুৱাই আনিছে। পূৰ্ব প্ৰতিশোধ মনত ৰাখি গাঁৱৰ এই প্ৰতিপত্তিশালী চক্ৰটোৱে হোৰীক অৰ্থদণ্ড বিহিছে। হোৰীক খেতিৰ মাটি


বন্ধকত গৈছে। পথাৰৰ শস্য জৰিমনাৰ বাবদ মহাজনৰ ঘৰলৈ গৈছে। নিজৰ মাটিতে হোৰী কৃষকৰ পৰা শ্রমিকলৈ ৰূপান্তৰিত হৈছে। ক্রমে এডৰা-দুডৰাকৈ খেতিৰ মাটি বন্ধকত যোৱাৰ উপৰি শেষত ঘৰৰ ভেটিটোও বন্ধকত ৰাখিবলগীয়াত পৰিছে। তথাপি হোৰীয়ে মর্যাদাৰ মোহ এৰিব পৰা নাই। সর্বশেষত একপ্রকাৰে বুঢ়া দৰালৈ নিজৰ জীক বিয়াৰ নামত বিক্রী কৰি দিছে। শ্রমিক হোৰীয়ে জীৱন বাস্তৱৰ প্রত্যেকটো মুহূর্ততে অহা আশা-নিৰাশা, দুখ-দৈন্যক ঔপন্যাসিকে যথাযথ বর্ণনাৰে সজীৱ কৰি তুলিছে। হোৰীৰ মৃত্যুৰ পাছৰ ধনীয়াৰ অৱস্থাটো অতি মর্মন্তুদ—


"হীৰাই কান্দি কান্দি ক'লে— বৌ, বুকু ডাঠ কৰা, গোদান কৰোঁৱা দাদা গ'ল।"

ধনিয়াই তাৰ ফালে তিৰস্কাৰৰ চকুৰে চালে। এতিয়া সেই কলিজা আৰু কিমাননো কঠোৰ কৰিব? নিজৰ স্বামীৰ প্রতি তাইৰ যি দায়িত্ব, সেয়া তাইক আনে সোঁৱৰাই দিব নেকি? যি জীৱনৰ লগৰী আছিল, তাৰ কাৰণে কন্দা ধর্ম নেকি?

আৰু বহু আবাজ আহিল— হয়, গোদান কৰোঁৱা, এয়াই সময়। ধনীয়া যন্ত্রৰ দৰে উঠিল, আজি যিডাল ৰচি বেচিছিল তাৰ পৰা বিশ অনা আনিলে আৰু স্বামীৰ চেঁচা হাতত ৰাখি থিয় হৈ থকা দাতাদীনক ক'লে— মহাৰাজ ঘৰত গৰু, পোৱালি, পইচা একোৰেই নাই। ইমানেই পইচা আছে, ইয়েই তেওঁৰ গোদান।" আৰু থিয়ৈ থিয়ৈ বাগৰি পৰিল।[২২]

দুয়োজন ঔপন্যাসিকেই নিম্নশ্রেণীৰ জীৱন ধাৰণ প্রণালী তুলি ধৰাত ফৰাচী ঔপন্যাসিকসকলৰ দৰেই সফলতা লাভ কৰিছে। *জীৱনৰ বাটত*— গাঁৱৰ আলিৰ দুয়োকাষে নির্মিত খেৰৰ ঘৰ, বৰষুণৰ পানীৰে সেমেকাই তোলাত ভেঁকুৰ-কেঁচুমতা উঠা ঘৰৰ ভিতৰ, হৰিবাপুৰ দোকানখনৰ ওপৰত নির্ভৰশীল গাঁওখন, কেৰাণিৰ ভৰিষ্যতৰ নগ্ন-অর্ধনগ্ন লিলিপুটবোৰ, কবিৰাজৰ ঔষধৰ ওপৰত নির্ভৰশীল সমাজখন, ধৰণীৰ দৈন্যৰ ঘৰখন, জীৱনৰ শেষৰফালে হোৱা তগৰৰ অৱস্থা, ডাক্তৰৰ যাদুঘৰলৈ অহা দুখ-দৈন্য প্রপীড়িত, অভাৱ-অনাটনগ্রস্ত, জৰা-মৃত্যু জর্জৰিত নিষ্প্রাণ গাঁৱলীয়া মানুহবোৰ— ইত্যাদিৰ চিত্রণৰ মাজেৰে তাৰ আভাস পোৱা যায়। *গোদান*তো সাম্রাজ্যবাদী শোষণৰ বলি কৃষিজীৱী সমাজখনৰ জীৱন্ত ছবি পোৱা যায়। ঋণৰ বোজাত পোত যোৱা কৃষকে এডৰা-দুডৰাকৈ মাটি বেচিছে, ভায়েকৰ অজ্ঞাতে বাঁহ বেচিছে, আনকি নিজৰ সন্তানকো বিক্রী কৰিছে। অৱস্থাৰ দাসৰূপে থাকিও তেওঁলোকে জমিদাৰৰ বিপক্ষে মাত মাতিব পৰা নাই। তথাপিও তেওঁলোক জীয়াই আছে। কৃষকৰ পৰা শ্রমিক হৈছে— মর্যাদা হেৰাই গৈছে। তথাপি নকৈ সংগ্রাম কৰিবৰ কাৰণে প্রস্তুত হৈছে। ইফালে চহৰত নকৈ আৰম্ভ হোৱা শ্রমিক শ্রেণীটোৰ





হর্ষ-বিষাদ, অনুকূলতা-প্রতিকূলতা-পাৰিপার্শ্বিকতাক প্রেমচন্দই সুন্দৰকৈ তুলি ধৰিছে— গোবৰৰ মাধ্যমেৰে। দুয়োখনতে গাঁওবাসী নিম্নশ্রেণীৰ সমাজখনৰ অশিক্ষা, অন্ধবিশ্বাস, ৰূঢ়তা, মুর্খতা, নির্ধনতাৰ লগতে মানুহ শ্রেণীৰ সৰলতা, উদাৰতা, অতিথি সৎকাৰ, দাম্পত্য জীৱনৰ মধুৰ ক্ষণ, বিষাদৰ ক্ষণবোৰো তুলি ধৰা হৈছে। অশিক্ষিত, দুখীয়া কৃষকক সাম্রাজ্যবাদী শক্তিটোৰে শোষণ কৰা স্মৃতি দুয়োখন উপন্যাসতে সজীৱ—

(১) থগিৰামৰ অনাগত ভৰিষ্যতৰ ভয়াবহ চিত্র কল্পনা কৰি ধৰণীৰ গা শিয়ৰি উঠিল। মাৰোৱাৰীৰ খতিয়নৰ খাতাত নাম উঠিল যেতিয়া থগিৰামৰ নিস্তাৰ ক'ত? এই ধাৰে পুলি-পোখা মেলি বটগছৰ দৰে থগিৰামৰ নাতি-পুতিৰ দিনলৈকে সিয়াৰ।[২৩]

(২) সেই সময়তে হোৰীয়ে নিজৰ ঘৰটো আশী টকাত বন্ধকত ৰাখিলে। অর্থদণ্ডৰ পইচাৰ ইয়াৰ বাহিৰে আৰু অন্য উপায় উলিয়াব নোৱাৰিলে। বিশ টকা তেলৰ বীজ, ঘেঁহু আৰু মটৰৰ পৰা পোৱা গ'ল। শেষৰ কাৰণে ঘৰটো লিখাবলগীয়াত পৰিল। নোখোৱামে বিচাৰিছিল যাতে গৰুহালো বিক্রী কৰা হওক।[২৪]

খেতি কৃষকৰ অর্থাৱস্থাৰ মেৰুদণ্ড। কিন্তু এই স্বার্থপৰায়ণ সুবিধাবাদী শ্রেণীটোৱে কিবা নহয় কিবা প্রকাৰে এই কৃষক শ্রেণীৰ পৰা শোষণ অব্যাহত ৰাখি এই শ্রেণীটোক দুখ-দৈন্য-হতাশাৰ গহ্বৰলৈ ঠেলি দিছে। গোদানত অমৰপাল সিং, পটেশ্বৰী নোখোৱাম, ঝিঙ্গুৰী সিং, দাতাদীন আদি এই শোষক শ্রেণীটোৰ প্রতিনিধি।

ক্ষুধা-পীড়িত নিম্নবর্গৰ চিত্র অংকনত দুয়োগৰাকী ঔপন্যাসিকৰ সাফল্য বিশেষভাৱে মন কৰিবলগীয়া—

(১) "মাকক কৈ কৈ এসাজ মচুৰ মাহ ৰন্ধাব পৰা নাই। মচুৰ মাহৰ হালধীয়া সোৱাদ লগা আঞ্জাখন কমলিৰ চকুৰ আগত ভাহি আহিল; লগে লগে চকুৰ দুয়ো কোণেদি বাৰিষাৰ পানী বাগৰিলে।"[২৫]

(২) সৰু কণমানিটোৱে কান্দি আছিল। মাকেই যদি খাবলৈ নাপায়, তেন্তে গাখীৰ ক'ৰ পৰা ওলাব। সোনাই পৰিস্থিতিটো বুজি পাইছিল, কিন্তু ৰূপাই কেনেকৈ বুজিব। বাৰে বাৰে ৰুটি ৰুটি বুলি চিঞৰি থাকিল।[২৬]

ইয়াৰ পাছতো জীৱনৰ পলে পলে কেৱল দুখৰ উপৰি দুখহে লাভ কৰিছে— এই শ্রেণীটোৱে।

(১) জীৱনৰ প্রতি পলে পলে দুখে যাক বৰণ কৰে, দুখৰ নগ্ন ৰূপক সি ভাষাৰে আৱৰণেৰে ঢাকিবলৈ চেষ্টা কৰে। উলংগ সন্তানক বুকুত সাবটি ধৰি বিধৰাই অন্তৰৰ পোৰণি নুমুৰাবলৈ চেষ্টা কৰাৰ দৰে, চিৰ পৰিচিত দুখৰ নগ্নমূর্তিক লাজ, ভয়, শংকাবিহীন হৈ জীৱনক গ্রহণ কৰিব পৰাটোৱেই

তেওঁলোকৰ শান্তি।[২৭]

(২) হোৰীৰ অৱস্থা দিনে দিনে পৰি যাবলৈ ধৰিলে। জীৱনৰ সংঘৰ্ষত তাৰ সদায়েই পৰাজয় ঘটিল, তাৰ পিছতো সি হাৰ নামানিলে। প্ৰত্যেক পৰাজয়ে যেন তাক ভাগ্যৰ সৈতে যুঁজিবলৈ শক্তি দি আছিল। কিন্তু এতিয়া সি জীৱনৰ শেষ দশাত উপনীত হ'ল, এতিয়া আৰু তাৰ সেই আত্মবিশ্বাসো হেৰাই গ'ল।[২৮]

ৰূঢ়তা, কদৰ্যতাৰে এই বাস্তৱ জীৱন্ত। এই বিষাদগ্ৰস্ততা, হতাশা পৰিপূৰ্ণ হোৰী-তগৰৰ জীৱনৰ পৰাজয়ে বাস্তৱক হৃদয়গ্ৰাহী কৰিছে।

দুয়োখন উপন্যাসেই যিহেতু গ্ৰাম্য পটভূমিৰ ওপৰত প্ৰতিষ্ঠিত— সেয়ে ঔপন্যাসিকদ্বয়ে সেই পটভূমিৰ পৰিবেশৰ বিশ্বাসযোগ্য বৰ্ণনা দাঙি ধৰিছে। তাৰ বাবে গ্ৰাম্য ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, জীৱন-ধাৰণ প্ৰণালী, লোক পৰম্পৰা, সংস্কাৰ, শিক্ষা, অন্ধবিশ্বাস, উৎসৱ-পাৰ্বণ, লোক কথা-বাৰ্তা আনকি গ্ৰাম্য বাস্তৱৰ উপযোগীকৈ চৰিত্ৰৰ মনঃস্তাত্ত্বিক অৱস্থাৰো চিত্ৰণ কৰা হৈছে। *জীৱনৰ বাটত*খনত এই অৱস্থা চিত্ৰণৰ বাবে মৰঙি-ৰহাৰ কৃষিভূমি, পুৱা-দুপৰীয়া-সন্ধ্যাৰ গাঁওখনৰ প্ৰাকৃতিক পৰিবেশৰ বৰ্ণনা, ভিন্ন মাহৰ পৰিবেশ, গাঁৱৰ জীয়াৰী-বোৱাৰীহঁতৰ দিনটোৰ ভিন্ন সময়ৰ অৱস্থাবোৰ, লোক কথা-বাৰ্তা, কাজিয়া-পেচাল, গালি-শপনি, লোক গীত-মাত, বিহুকে ধৰি উৎসৱবোৰ, জন্ম-মৃত্যু বিবাহৰ সংস্কাৰবোৰ, ভুঁই ৰোৱা-মৰণা মৰা, বৈষ্ণৱ পৰম্পৰাৰে আবৃত্ত সমাজ-ব্যৱস্থা, ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ আদিৰ সমাহাৰ ঘটোৱা হৈছে। আহিনীৰ তগৰৰ প্ৰতি ব্যৱহাৰ, শুনদৰ তগৰৰ সম্পত্তিৰ প্ৰতি লোভ, জেতুকী— পাভৈহঁতৰ চাল-চলন-ব্যৱহাৰ, মাঘীৰ অভিলিপ্সা-স্বাৰ্থ সিহঁতৰ মনঃস্তাত্ত্বিক অৱস্থাৰ অনুকূল। প্ৰায় একেইখিনি বৈশিষ্ট্যৰ সমাহাৰ বেলাৰীৰ গ্ৰাম্য জীৱনৰ মাজত ফুটি উঠা দেখা গৈছে। বেলাৰীৰ নিঃস্ব গাঁওখনৰ পৰিবেশ, খেতি-পথাৰ, পুৰাতন ধৰ্মীয় বিশ্বাস-পৰম্পৰা, ঋতুভেদে পৰিবেশৰ তাৰতম্যতা, ধনুষ-যজ্ঞ, হোলী উৎসৱ আদিৰ লগে লগে লোক-পৰম্পৰাই সামৰি লোৱা সকলোখিনিৰ বৰ্ণনা কৰা হৈছে। ভোলাৰ-হোৰীৰ উভয়ে পৰস্পৰৰ প্ৰতি কৰা স্বাৰ্থ-কপটতা, ধনিয়াৰ ঈৰ্ষা, হীৰাৰ প্ৰতিশোধ, হোৰীৰ ক্ষমা, শ্ৰমিক হোৱাৰ পাছত গোবৰৰ আচাৰ-ব্যৱহাৰ, চাল-চলন,ঝুনিয়া, সিলিয়া আদিৰ মনোভংগী, বয়স্ক দৰালৈ বিয়া হোৱাৰ পাছতো ৰূপাৰ স্বাভাৱিক প্ৰতিক্ৰিয়া আদি অলেখ চৰিত্ৰৰ মানসিক অৱস্থাৰ চিত্ৰণ ৰূঢ় বাস্তৱৰ অনুকূল মাত্ৰ।

আভিজাত্য আৰু চহৰীয়া পৰিবেশত গঢ় লোৱা পৰিবেশৰ বৰ্ণনাৰ ক্ষেত্ৰত উপন্যাস দুখনে সমতা ৰক্ষা কৰিছে। ৰায়বাহাদুৰ মাণিক হাজৰিকাৰ প্ৰতিপত্তি, ঘৰৰ শৌর্য-বীর্য, ভোগদত্ত শইকীয়া মৌজাদাৰৰ ঘৰৰ অৱস্থা আদিয়ে আভিজাত্যৰ ইংগিত বহন কৰিছে। একেদৰেই ৰায়বাহাদুৰ, সুপ্ৰভা, কমলাকান্তৰ স্বভাৱে তেওঁলোকৰ আভিজাত্যক অনুকৰণ কৰিছে। *গোদানত* অমৰপাল সিং, কুঁৱৰপাল সিং, খান্না চাহাবৰ ঘৰৰ আড়ম্বৰতা, তেওঁলোকৰ আচাৰ-ব্যৱহাৰ আদিয়ে উচ্চ শ্ৰেণীক প্ৰতিনিধিত্ব কৰিছে। আনকি দৰ্শনৰ অধ্যাপক মেহতাৰো স্বভাৱে আভিজাত্যৱহে ওচৰ চাপে। সৰু মহাজন-ঝিঙ্গুৰী সিং, পটেশ্বৰী, নোখাৰাম আদিৰ বিলাসী জীৱনৰ পৰিচয় উপন্যাসখনত পোৱা যায়। যিটো সময়ত এজন ৰায়তে ক্ষুধাৰ তাড়নাত ধৰ্‌ফৰাই আছে সেই একে সময়তে তেওঁলোকে বৰভোজ পাতিছে, নাটক কৰিছে আৰু অৱসৰ বিনোদনৰ অৰ্থে চিকাৰলৈ গৈছে। নিজৰ ঘৰৰ মর্যাদা ৰাখিবৰ কাৰণে ৰায়তক জোৰ-জুলুম কৰি সিহঁতৰ পৰা খাজনা উঠাইছে। আনকি বিজুলী কাকতৰ সম্পাদক ওঙ্কাৰনাথেও শ্ৰমিকক উচটাই বাতৰি কাকতৰ বিক্ৰী বৃদ্ধি কৰিছে, ৰায়বাহাদুৰৰ পৰা উপঢৌকন লৈছে, বাতৰি কাকতত বিশেষ বিজ্ঞাপন দিছে। উচ্চশ্ৰেণীৰ অনুগত বিষয়-ৱৰীয়া শ্ৰেণীটোৰো মানসিকতা উচ্চশ্ৰেণীৰ অনুগামী। এই শ্ৰেণীটোৰ শোষণৰ বাবে বেলাৰীৰ ইখনৰ পাছত সিখন ঘৰৰ খেতিৰ মাটি বিক্ৰী হৈছে, ঘৰৰ ভেটি উছন হৈছে। কৃষকক শ্ৰমিকলৈ ৰূপান্তৰ কৰিছে আৰু শ্ৰমিককো শোষণৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছে। তেওঁলোকে বন্ধা নীতি-নিয়ম, আইন-কানুন, ধৰ্মীয় বান্ধোন ইত্যাদিয়ে শোষণৰ আহিলাৰূপে কাম কৰিছে। ভৱিষ্যতৰ সমাজখনৰ কাৰণে এক ভয়াবহ ক্ষতিৰ ইংগিত *জীৱনৰ বাটত* উপন্যাসখনত চিত্ৰিত কৰা হৈছে— "খগেশ্বৰ বোলা এজনে ময়মনচিঙ্গীয়া মানুহলৈ নতুনকৈ মাটি ভঙাইছে। পিছে কথাটো তেওঁ ভাল কৰা নাই। গোজেই গজালি মেলিবগৈ। ময়মচিঙ্গীয়া আৰু বিহমেতেকা একেবিধৰ। এবাৰ চপাই ল'লে, গোটেইখন বিৰাক্ত হৈ পৰিব। পিছত জইন মৰা টান।"[২৯]

এই জইন নমৰিল। এই বিহমেতেকাৰ প্ৰকোপত সমাজ আজিও কক্‌বকাই আছে।

বৰ্ণ-বৈষম্য, অসবর্ণ বিবাহৰ জটিলতাৰ ফলত সৃষ্টি হোৱা বাস্তৱ পৰিবেশৰ চিত্ৰ দুয়োখন উপন্যাসতে পৰিলক্ষিত হৈছে। তগৰৰ জাতি-কুললৈ ধৰণীহঁতৰ ঘৰত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। কোঁচ-কলিতাৰ সংঘাতৰ ফলত গাঁৱৰ সমাজখন দুটা দলত বিভক্ত হৈ পৰিছে। কথা দি কথা নৰখা উজনীয়া লোকৰ প্ৰতি মধ্য অসমৰ মানুহখিনিৰ মনোভংগীও প্ৰকাশ পাইছে। *গোদানত* মুচিয়াৰৰ জীৱ লগত সম্পৰ্ক ৰখা বাবেই ব্ৰাহ্মণ মাতাদীনৰ ব্ৰাহ্মণত্ব গৈছে। পুনৰ শুচি হৈ হে বামুণলৈ উঠিছে। ঝুনিয়াক বিয়া কৰোৱাৰ অপৰাধত গোবৰৰ ঘৰখনক দাঙিব নোৱৰাকৈ অর্থদণ্ড বিহা হৈছে। আনকি বিজাতিৰ লোকে উচ্চকুলৰ শিশুক ছোৱাৰো নিষেধাজ্ঞা— সেই সমাজখনত প্ৰচলিত আছিল।

গ্ৰাম্য পৰিবেশৰ উপযোগীকৈ দুয়োখন উপন্যাসতে যৌন-জীৱনৰ কিছু সজীৱ চিত্ৰ দেখা গৈছে। সবর্ণ-অসবর্ণ উভয় সমাজখনক ই সামৰি লৈছে। *গোদানত* অসবর্ণ সমাজখনৰ ভিতৰত ব্ৰাহ্মণ মাতাদীনে সিলিয়া মুচিয়াৰক ৰখা, পৰৰ স্ত্ৰী ঝুনিয়াৰ প্ৰতি আকর্ষিত হোৱা, ঝিঙ্গুৰী সিঙে বামুণনীৰ উপৰি আৰু দুজনীকৈ ঘৈণী ৰখা, পটেশ্বৰীৰে কহাৰণীক ৰক্ষিতাৰূপে ৰখা, নোখাৰামে ভোলাৰ ঘৈণীক একপ্ৰকাৰ ৰক্ষিতাৰূপে ৰখা, সবর্ণ সমাজখনৰ সোনাৰ শহুৰেক মুচিয়াৰনী এজনীৰ প্ৰতি আকর্ষিত হোৱা ইত্যাদি পৰিঘটনাসমূহ বর্ণিত হৈছে। স্বামীৰ প্ৰতি শ্ৰদ্ধা ৰাখিও সিলিয়াই আৰু পত্নীৰ প্ৰতি সপ্ৰেম ৰাখিও মথুৰাই পৰস্পৰে পৰস্পৰৰ প্ৰতি তীব্ৰ টা অনুভৱ কৰিছে—

"সিলিয়াৰ মুখখন মথুৰাৰ মুখৰ কায পাইছিল, আৰু দুয়োৰে নিশ্বাস আৰু মাতত আৰু দেহত কম্পন হ'বলৈ ধৰিলে।"[৩০]

ইফালে কমলাকান্ত-তগৰ পৰস্পৰে পৰস্পৰৰ প্ৰতি কৰা মনোভংগী, দাৰোগাৰ তগৰৰ প্ৰতি খকুৱা চাৱনি, কোদোৰ তগৰৰ দেহৰ প্ৰতি লোলুপ দৃষ্টি, দীঘলদঁৰিৰ কাঁটনা গাঁৱৰ বোৱাৰীজনীক সোণাৰামে কৰা অন্যায় কর্ম ইত্যাদিৰ মাজেৰে এই ভাবধাৰা প্ৰকাশ পাইছে। তগৰ-কমলাকান্তই ভাবে— "প্ৰথম অৱস্থাত কমলাকান্তৰ হাতৰ পৰশৰ পৰা বাহু দুটা এৰুৱাই নিবলৈ তগৰে কোনো চেষ্টাই নকৰিলে। গাভৰু অৱস্থাত পুৰুষৰ পৰশ পাবলৈ সকলো ছোৱালীৰ মনতে উদ্দাম বাসনা জন্ম। সমাজৰ তীক্ষ্ণ শাসন তাৰ প্ৰতিবন্ধক। ... সকলো মাদক বস্তুৰ ভিতৰত গাভৰুৰ কোমল অংগৰ স্পর্শই ডেকাক এটি নতুন উন্মাদনা দিয়ে তগৰৰ দেহৰ ক্ষণিক স্পর্শতে কমলাকান্তৰ দেহ পুলকিত হৈ পৰিল, অন্তৰত যৌৱনৰ বিজুলী বন্তি জ্বলি উঠিল।"[৩১]

উপন্যাস দুয়োখনত চৰিত্ৰসমূহ বাস্তৱৰ অনুগামী ৰূপে গঢ় দিয়া হৈছে। সিবিলাকে পৰিস্থিতিৰ অনুকূলে নিজৰ মানসিক তথা ব্যৱহাৰিক অৱস্থাক তুলি ধৰিছে। ধৰণী, গোলাপ আদি চৰিত্ৰ পৰিস্থিতিৰ সন্মুখত

পৰাস্ত হৈছে। ধৰণীয়ে তগৰৰ হাতত ঘৰখন গটাইদি কৰ্তব্যৰ প্ৰতি অৱহেলা কৰিছে, তগৰৰ জীৱন দুখ-দৈন্যৰে ভৰপূৰ কৰিছে। ইফালে কমলাকান্তই তগৰৰ লগতে নিজকো 'সৰ্বনাশ' কৰিছে। তগৰৰ কাৰুণ্যৰ নিশ্বাসে কমলাকান্তকে 'সুপ্ৰভা'ৰ ব্যৱহাৰৰ মাজেৰে খেদি ফুৰিছে। বাকী সকলো চৰিত্ৰই পৰিস্থিতিৰ অনুকূলে কাম কৰি গৈছে। *গোদানত* স্বামীৰ প্ৰতি ভক্তি ৰাখিও কিছুমান মুহূৰ্তত ধনিয়াই হোৰীৰ লগত কাজিয়া কৰিছে। গোবৰে পিতৃ-মাতৃৰ কাষৰ পৰা আঁতৰি গৈ সুকীয়াকৈ গৃহস্থালি পাতিছে। ই স্বাভাৱিক পৰিস্থিতিৰ চিত্ৰণ মাত্ৰ। ওস্কাৰনাথে আদৰ্শৰ কথা কৈও পৰিস্থিতিৰ টানত পৰি ৰায় বাহাদুৰৰ পৰা উপঢৌকন লৈছে। ইফালে মেহতা আৰু মালতীৰ মাজেৰে প্ৰেমচন্দই বহু সময়ত আদৰ্শবাদী চিন্তা-প্ৰভাৱ বোৱাই আনিব খোজে। মেহতাৰ চৰিত্ৰৰ প্ৰভাৱত মালতী চৰিত্ৰৰ পৰিৱৰ্তন মানি ল'বলৈ বহু সময়ত টান লাগে। অৱশ্যে বিৰিঞ্চিকুমাৰ বৰুৱাৰ ক্ষেত্ৰত তিলমানো এনে সংযোজনা হোৱা নাই। বৰুৱা এই ক্ষেত্ৰত বেছি সফল যেন লাগে।

দুয়োখন উপন্যাসতে চৰিত্ৰৰ নামকৰণ ক্ষেত্ৰত ঔপন্যাসিকদ্বয়ে নিম্ন-মধ্যবিত্ত-উচ্চ শ্ৰেণীৰ সমাজৰ লগত খাপ খোৱাকৈ চয়ন কৰিছে। ইও মন কৰিবলগীয়া। *জীৱনৰ বাটত* নিম্ন শ্ৰেণীৰ সমাজৰ প্ৰতিনিধিস্বৰূপে চৰিত্ৰবোৰ হৈছে— তগৰ, ধৰণী, শুণদ, মনোহৰ, শুকমল, মহেন্দ্ৰ, নাওৰাম, মিঠাৰাম, শাওনা, ফেচেউ, জেতুকী, আহিনী, নালীয়া ইত্যাদি। বাপুৰাম, গোলাপ ডাক্তৰ, পৰাশ, জীৱন, মহীকান্ত আদিবোৰ মধ্যবিত্তৰ চানেকী। আভিজাত্য শ্ৰেণীক— ভোগদত্ত মৌজাদাৰ, কৃষ্ণদত্ত, মাণিক হাজৰিকা ৰায়বাহাদুৰ, ধৰণী চিৰন্তদাৰ, সুপ্ৰভা, কমলাকান্ত আদিয়ে প্ৰতিনিধিত্ব কৰিছে। *গোদানত* হোৰী, ভোলা, হীৰা, শোভা, সিলিয়া, ঝুনিয়া, মথুৰা, সোনা, ৰূপা, গোবৰ, চুহিয়া আদি নিঃস্বজনৰ চানেকী। উচ্চ আৰু মধ্যবিত্তৰ প্ৰতিভূৰূপে— অমৰপাল সিং, কুঁৱৰপাল সিং, খান্না চাহাব, গোবিন্দী, মেহতা, মালতী, ঝিঙ্গুৰী সিং, নোখাৰাম, পটেশ্বৰী, সাহুআইন আদিক চিত্ৰিত কৰা হৈছে।

যিহেতু সমকালীন জগতৰ ঘটনাপ্ৰবাহৰ চিত্ৰণৰ ওপৰতো বাস্তৱবাদে গুৰুত্ব আৰোপ কৰে, সেয়ে ঔপন্যাসিকদ্বয়ে তৎকালীন ব্ৰিটিছ শাসিত পৰিবেশৰ এখন যথাযথ চিত্ৰ তুলি ধৰিছে। তৎকালীন সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সকলোখিনি অৱস্থা ইয়াত জীৱন্ত হৈছে। বৰ্তমান সময়ত জমিদাৰ-মহাজনৰ সেই শোষণৰ অন্ত পৰিছে কিন্তু তদানীন্তন সময়ছোৱাত ইয়াৰ ভয়াবহতা যথেষ্ট পৰিমাণে বৃদ্ধি পাইছিল। ৰায়তৰ ওপৰত অত্যাধিক জোৰ-জুলুম স্বাভাৱিক ঘটনা আছিল। কৃষকৰ আৰ্থিক অৱস্থা যথেষ্ট শোচনীয় আছিল। ইফালে স্বাধীনতা আন্দোলনে সেই সময়ছোৱাত ভাৰতৰ প্ৰত্যেক প্ৰান্তত ব্যাপক জোৱাৰ তুলিছিল। ঔপন্যাসিকদ্বয়ে যথাস্থানত ইয়াৰ বৰ্ণনা দি গৈছে। বিদেশী বস্তু বৰ্জন, কানি বৰবিহৰ প্ৰসংগ ইয়াত উত্থাপিত হৈছে। শিক্ষাৰ পোহৰে সমকালীন জগতখনৰ বৃহৎ সংখ্যক লোকক যে চুই যাব পৰা নাছিল সেই কথাও উল্লেখ কৰা হৈছে। ইয়াৰ লগতে বিষয়বস্তুৰ বৰ্ণনা যথাযথ ৰূপত কৰি যোৱা পৰিলক্ষিত হৈছে। ঔপন্যাসিকদ্বয়ৰ দৃষ্টিগোচৰৰ ভাল-বেয়া, দোষ-নিৰ্দোষ সকলোবোৰ পৰিঘটনা, চৰিত্ৰ আচাৰ-ব্যৱহাৰ কল্পনাৰ সহায় নোলোৱাকৈ, আদৰ্শক চুই নোযোৱাকৈ তথা শিল্পগুণ বৰ্জন নকৰাকৈ বৰ্ণনা কৰা হৈছে। সমালোচকৰ ভূমিকাও মাজে মাজে দুয়োৰে পালন কৰিছে।

শেষত ক'ব পাৰি যদিও আদৰ্শবাদে মূল কাহিনীক চুই নোযোৱাকৈ দুটা চৰিত্ৰৰ মাজেদি প্ৰকাশ পাইছে তথাপি বাস্তৱবাদৰ চিত্ৰণৰ ক্ষেত্ৰত *গোদানখন* শ্ৰেষ্ঠ উপন্যাস। বিৰিঞ্চিকুমাৰ বৰুৱাৰ ক্ষেত্ৰত সেই আদৰ্শবাদ পাবলৈ নাই। ব্ৰিটিছ শাসিত ভাৰতৰ জীৱন্ত ছবি তুলি ধৰাৰ ক্ষেত্ৰত *জীৱনৰ বাটত* আৰু *গোদান* এই দুয়োখন মহাগাথাৰ সমতুল্য উপন্যাস বিৰল। সেয়ে ভবেন বৰুৱাৰ কথাৰে ক'ব পাৰি— "ভৱিষ্যত অসমীয়া সাহিত্যিকৰ সম্মুখত এক পৰিৱৰ্তিত বাস্তৱৰ ৰূপ উপস্থিতি আৰু সেয়ে আপেক্ষিকতভাৱে স্থিৰাৱস্থাৰ যি এখন সংহত চিত্ৰকল্পৰ ওপৰত নিৰ্ভৰ কৰি *জীৱনৰ বাটত* সৃষ্টি কৰা হৈছিল, সিও লাহে লাহে দুৰ্লভ হৈ পৰিব। *জীৱনৰ বাটতৰ* 'দৰ্শন'ৰ উৎস যিহেতু মূলতঃ এই বিশেষ সমাজখনৰ অন্তৰিত ৰূপতেই নিহিত, তাৰ অভাৰো গভীৰভাৱে অনুভূত হ'বলৈ ধৰিব। যি কীৰ্তন-দশমৰ পদ নাইবা লোক-সাহিত্যৰ ব্যঞ্জনা প্ৰত্যক্ষ ৰূপত *জীৱনৰ বাটত* প্ৰয়োগ কৰাৰ সুযোগ ঘটিছিল— এই পৰিৱৰ্তিত বাস্তৱক প্ৰত্যক্ষভাৱে অৰ্থ দান কৰিবলৈ সি আগৰ দৰে সক্ষম হৈ নাথাকিব। কিন্তু সেই ব্যঞ্জনাৰ প্ৰয়োগ *জীৱনৰ বাটতত* বাস্তৱবাদী আঙ্গিকৰ অনুগামী হৈও অৰ্থ দ্যোতনাৰ সমল। *গোদানৰ* ক্ষেত্ৰতো একেই কথাই খাটে।[৩২]

পাদটীকা ঃ

(১) বৰুৱা, ভবেন, "বিৰিঞ্চিকুমাৰ বৰুৱাৰ জীৱনৰ বাটত", বিৰিঞ্চিকুমাৰ বৰুৱা ঃ জীৱন আৰু কৰ্ম, সম্পা. সোমনাথ বৰা, নগাঁও, ২০০৮, ৪২

(২) সিং, ত্ৰিভুৱন, "আদৰ্শোন্মুখ যথাযৰ্থবাদ", প্ৰেমচন্দ্ৰ, সম্পা. সতেন্দ্ৰ, নতুন দিল্লী, ৰাধাকৃষ্ণ প্ৰকাশন, ২০০৪, ৯৮

(৩) Barua, Bhaben, "Jivanar Batat : The story of a society", Professor Birinchi Kumar Barua Commemoration Volume, ed. Dr. M. Neog & Dr. M.M. Sharma, Guwahati, 1966, XIIV

(৪) Barua, Birinchi Kumar, History of Assamese Literature, New Delhi, Sahitya Academy, 1964, 172

(৫) বৰুৱা, বীণা, জীৱনৰ বাটত, গুৱাহাটী, বীণা লাইব্ৰেৰী, চতুৰ্দশ সংস্কৰণ, ২০০৯, ৮৫

(৬) প্ৰেমচন্দ, "উপন্যাস-১", প্ৰেমচন্দ্ৰ ৰচনাৱলী খণ্ড ৭, মাৰ্গ— ৰামবিলাস শৰ্মা, নতুন দিল্লী, জনবানী প্ৰকাশন, দ্বিতীয় সংস্কৰণ, ২০০২, ২৯২

(৭) উক্ত গ্ৰন্থ. পৃ.—২৯২ (৮) উক্ত গ্ৰন্থ, পৃ.— ২৯৩ (৯) উক্ত গ্ৰন্থ, পৃ.— ২৯৩ (১০) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ৯৯ (১১) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ২১ (১২) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ১১৩ (১৩) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ২০৮ (১৪) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ২১৩ (১৫) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ১১২ (১৬) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ১৫৭ (১৭) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ২১২ (১৮) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ২০৯ (১৯) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ২৩০ (২০) প্ৰেমচন্দ, *গোদান*, বাৰাণসী, অনুৰাগ প্ৰকাশন, ২০০১, ১০ (২১) উক্ত গ্ৰন্থ, পৃ.— ৮৫ (২২) উক্ত গ্ৰন্থ, পৃ.— ২৯০ (২৩) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ১৩৫ (২৪) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ১০২ (২৫) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ২২৪ (২৬) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ১১৭ (২৭) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ১৬৬ (২৮) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ২৭৯ (২৯) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ৭০ (৩০) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ২৪০-২৪১ (৩১) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ১২ (৩২) প্ৰাগুক্ত গ্ৰন্থ, পৃ.— ৬৬

অসমীয়া মহিলা ঔপন্যাসিকৰ উপন্যাসত অসম আন্দোলনৰ ছবি

(নিৰুপমা বৰগোহাঞি আৰু ৰীতা চৌধুৰীৰ উপন্যাসৰ বিশেষ উল্লিখনসহ)

মনীষা তালুকদাৰ

অসমৰ সামাজিক, ৰাজনৈতিক ইতিহাসত যিবোৰ উল্লেখযোগ্য ঘটনা সংঘটিত হৈছে তাৰ ভিতৰত অসম আন্দোলন অন্যতম। অসমলৈ প্ৰব্ৰজন হোৱা বহিৰাগতসকলক বহিষ্কাৰ কৰাকে মূল দাবী হিচাপে লৈ আশী দশকত এই আন্দোলন আৰম্ভ কৰা হৈছিল। এইখিনিতে উল্লেখযোগ্য যে 'বহিৰাগত' শব্দটো আন্দোলনৰ আৰম্ভণিতে ব্যৱহাৰ কৰা হৈছিল যদিও এই শব্দটোৱে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা অহা লোকসকলৰ মনত সন্দেহ জন্মোৱাৰ বাবে পাছলৈ 'বহিৰাগত'ৰ ঠাইত 'বিদেশী' শব্দটোহে ব্যৱহাৰ কৰা হয়।[১] ১৯৭৯ চনৰ ৮ জুন তাৰিখে 'অসম বন্ধ' কাৰ্যসূচীৰে সদৌ অসম ছাত্ৰ সস্থাৰ নেতৃত্বত এই আন্দোলনে প্ৰথমবাৰৰ বাবে আত্মপ্ৰকাশ কৰে। পাছলৈ এই কাৰ্য্যক্ৰমে সমগ্ৰ অসমত এক গণ আন্দোলনৰ ৰূপ পৰিগ্ৰহ কৰে। অসমৰ অস্তিত্ব ৰক্ষাৰ্থে বিভিন্ন সংগঠন, পৰিষদ, মহিলা সস্থা আদিয়েও এই আন্দোলনত হাত উজান দিয়ে। দৰাচলতে বিদেশী প্ৰব্ৰজনৰ ফলত অসমৰ জাতীয় অস্তিত্ব বিপন্ন হ'ব খোজা কথাটোৱে অসমৰ জাতীয়তাবাদী লোকসকলক শংকিত কৰি তুলিছিল। সেয়ে ১৯৭৯ চনত অসমৰ অস্তিত্ব ৰক্ষাৰ প্ৰকাশ্যে বিদ্ৰোহ আৰম্ভ হ'লেও জাতীয়তাবাদী শিবিৰত তাৰ পোখা মেলিছিল বহু আগতেই। অত্যন্ত স্পৰ্শকাতৰ এই বিষয়টোৱে সেই সময়ত অসমৰ আকাশ-বতাহ কঁপাই তুলিছিল। এই আন্দোলনক কেন্দ্ৰ কৰিয়েই অসমৰ বিভিন্ন ঠাইত নানান হিংসাত্মক ঘটনাও সংঘটিত হৈছিল। ফলস্বৰূপে কেবাশ লোক শ্বহীদ হৈছিল আৰু অসংখ্য লোকে কাৰাবাস খাটিবলগীয়া হৈছিল। অৱশেষত ১৯৮৫ চনত সেই সময়ৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী নেতৃত্বাধীন চৰকাৰৰ লগত সদৌ অসম ছাত্ৰ সস্থাৰ এই বিষয়ক লৈ এখন চুক্তি স্বাক্ষৰিত হয়, যিখন 'অসম চুক্তি' ৰূপে খ্যাত। অসম চুক্তি স্বাক্ষৰিত হোৱাৰ আজি চৌব্বিছ বছৰ পাছতো কিন্তু অসম আন্দোলনটোৰ পৰা অসম মুক্ত হ'ব পৰা নাই। বৰ্তমানো বিদেশী বহিষ্কাৰক লৈ অসমত ন ন সমস্যাৰ সৃষ্টি হৈয়েই আছে। যি হওক 'অসম আন্দোলন' অসমৰ জাতীয় জীৱনক প্ৰভাৱিত কৰা এটা অতি গুৰুত্বপূৰ্ণ ঘটনা। অসমৰ জনসাধাৰণৰ মন-মগজু স্পৰ্শ কৰা এনে এটা গুৰুত্বপূৰ্ণ ঘটনাৰ ছাঁ সাহিত্যত পৰাটো অতি স্বাভাৱিক কথা। সেয়েহে ইয়াৰ প্ৰতিফলন আৰু ক্ৰিয়া-প্ৰতিক্ৰিয়া অসমীয়া সাহিত্যতো দেখা যায়। বিভিন্ন উপন্যাস, গল্প, উপন্যাসিকা আদিত অসম আন্দোলনে প্ৰত্যক্ষভাৱে বা চেগা-চোৱোকাকৈ হ'লেও ভুমুকি মাৰিছে। তাৰ ভিতৰত হিৰণ্যকুমাৰ ভট্টাচাৰ্যৰ 'ধৰ্ষিতা' (১৯৯৭), অৰূপা পটঙ্গীয়া কলিতাৰ 'ফেলানি' আদি উপন্যাস উল্লেখযোগ্য।

অসম অন্দোলনক পটভূমি হিচাপে লৈ অসমৰ মহিলা ঔপন্যাসিক নিৰুপমা বৰগোহাঞি আৰু ৰীতা চৌধুৰীয়ে কেবাখনো উপন্যাস ৰচনা কৰিছে। তাৰ ভিতৰত নিৰুপমা বৰগোহাঞিৰ 'দিন-প্ৰতিদিন', 'গোহাঁনী আই গোসাঁনী আই' আৰু ৰীতা চৌধুৰীৰ 'অবিৰত যাত্ৰা', 'তীৰ্থভূমি', 'এই সময় সেই সময়' আদি উপন্যাসকেইখন উল্লেখযোগ্য। আমাৰ আলোচনা পত্ৰত মানৱতাবাদী লেখিকা নিৰুপমা বৰগোহাঞিৰ প্ৰধানকৈ 'গোহাঁনী আই গোসাঁনী আই' আৰু ৰীতা চৌধুৰীৰ 'অবিৰত যাত্ৰা' এই উপন্যাস দুখনত অসম আন্দোলনৰ ছবি কেনেদৰে প্ৰতিফলিত হৈছে তাৰ এক বিশ্লেষণ আগবঢ়োৱাৰ প্ৰয়াস কৰা হ'ব।

অসমীয়া উপন্যাস সাহিত্যত নিৰুপমা বৰগোহাঞিৰ এক বিশেষ স্থান আছে। পোন্ধৰখনতকৈয়ো অধিক উপন্যাস ৰচনা কৰি তেওঁ অসমীয়া উপন্যাস সাহিত্যলৈ এক যাউতিযুগীয়া অৱদান আগবঢ়াইছে। মানৱপ্ৰেম, সমাজৰ পৰা অন্যায়-দুৰ্নীতি দূৰীকৰণ, সমাজত ন্যায় প্ৰতিষ্ঠাৰ আস্থা, প্ৰেম তথা নাৰী জীৱনৰ বিভিন্ন অভিব্যক্তিৰ প্ৰকাশ তেওঁৰ উপন্যাসৰ কেন্দ্ৰীয় বিষয়। এইখিনিতে ড° হীৰেন গোহাঁইয়ে তেওঁৰ লেখনী সম্পৰ্কে কৰা মন্তব্য প্ৰণিধানযোগ্য—

"মোৰ ধাৰণা তেখেতৰ সৃষ্টিৰ মূল প্ৰেৰণা হৈছে এক মহৎ সমাজচেতনা। তেখেতে আমাৰ সমাজৰ মূল কেৱোণবোৰ অন্তৰ্ভেদী উপলব্ধিৰে অনুধাৱন কৰি ইমান মৰ্মস্পৰ্শী আৱেগেৰে সেইবোৰ দাঙি ধৰিছে যে প্ৰতিজন পাঠকৰ সমুখতেই এৰাব নোৱৰা প্ৰত্যাহ্বানৰ দৰে উপস্থিত হয় সমাজ পৰিৱৰ্তনৰ প্ৰশ্নটো। যিবোৰ ঘটনা, বিধি আৰু ব্যৱস্থাই মানুহৰ জীৱন নিঃশেষ কৰে, বিকাশৰ সম্ভাৱনা পংগু কৰে, হৃদয় মৰুময় কৰি তোলে, সেইবোৰৰ নিৰ্মোহ অথচ সহানুভূতিশীল চিত্ৰণেৰে শ্ৰীযুতা বৰগোহাঞিয়ে পাঠকক বিচলিত, আলোড়িত, অভিভূত কৰে।"[২]

উপৰোক্ত মন্তব্যৰ শেষৰ ফালে ড° গোহাঁইয়ে উল্লেখ কৰিছে যে মানুহৰ নিঃশেষ কৰিব পৰা বিকাশৰ সম্ভাৱনাক স্তব্ধ কৰিব পৰা অথবা মানুহৰ হৃদয় মৰুময় কৰি তোলা ঘটনাবোৰক নিৰ্মোহ অথচ সহানুভূতিশীল চিত্ৰণেৰে বৰগোহাঞিয়ে পাঠকক আলোড়িত কৰিব পাৰে। ড° হীৰেন গোহাঁয়ে কৰা উক্ত মন্তব্যৰ পূৰ্ণ প্ৰতিফল ঘটিছে নিৰুপমা বৰগোহাঞিৰ 'গোহাঁনী আই গোসাঁনী আই' উপন্যাসখনত। অসম আন্দোলনৰ পটভূমিত ৰচিত এই উপন্যাসখনত অসম আন্দোলনৰ ভ্ৰান্ত দিশবোৰে বৰগোহাঞিৰ মানৱিক চেতনাক কি ধৰণে পীড়িত কৰিছিল তাৰ এক স্বচ্ছ ছবি প্ৰতিফলিত হৈছে।

অসম আন্দোলন কেন্দ্ৰিক দ্বন্দ্ব এটিক লৈয়েই উপন্যাসখনৰ মূল বিষয়বস্তু গঠিত হৈছে। এই দ্বন্দ্বৰ এটা মূৰে আছে অসমৰ অস্তিত্ব ৰক্ষাৰ অহৰহ প্ৰচেষ্টা আৰু আনটো মূৰত আছে এই প্ৰচেষ্টাৰ ভ্ৰান্ত দিশ কিছুমানে সৃষ্টি কৰা অমানৱীয় পৰিস্থিতিৰ মৰ্মস্পৰ্শী প্ৰকাশ। উপন্যাসখনত প্ৰধানতঃ দুটা চৰিত্ৰৰ মাজেৰে অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ এই দুটা দিশ প্ৰতিফলিত হৈছে।

অপু উপন্যাসখনৰ এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ। বিদেশীৰ অবাধ প্ৰব্ৰজনৰ ফলত অসমৰ সমাজ তথা ৰাজনৈতিক অস্তিত্ব কিদৰে বিপন্ন হ'ব আৰম্ভ কৰিছে সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰে অপুৱে—

"আজি অসমৰ জাতীয় স্বাৰ্থ ইমান বিপন্ন হৈছে, বিদেশীয়ে অসমক গ্ৰাস কৰিবলৈ ওলাইছে, অসমৰ অৰ্থনীতি, অসমৰ ভাষা-সংস্কৃতি আজি বিদেশীৰ অবাধ অনুপ্ৰবেশ সোঁতত উটি-ভাহি যাব ওলাইছে.."

"... অতদিন অসমৰ জনগণ শুই আছিল; কিন্তু আজি জাগি উঠিছে, আজি অসমৰ ৰাইজে দেহত তেজৰ শেষবিন্দু থকালৈকে নিজৰ সুজলা-সুফলা দেশমাতৃক বিদেশীৰ কৰালগ্রাসৰ পৰা মুক্ত কৰিবলৈ অহিংসা শান্তিপূর্ণ সংগ্রাম চলাই যাব।"

গতিকে দেশৰ পৰা যিকোনো প্রকাৰে বিদেশী বহিষ্কাৰ কৰা আন্দোলনত অপুৰ গুৰুত্বপূর্ণ ভূমিকা আছে। সেয়ে এই আন্দোলনত অপু উঠি-পৰি লাগিছে।

উপন্যাসখনৰ আনটো গুৰুত্বপূর্ণ চৰিত্র হৈছে অপুৰ ভনীয়েক ৰুণী। অপুৰ দৃষ্টিভংগীৰ বিপৰীতে ৰুণীৰ দৃষ্টিত অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে যি আন্দোলন আৰম্ভ হৈছে সেয়া এক অবাস্তৱ প্রক্রিয়া। এই আন্দোলনে অসমৰ পৰা বিদেশী বহিষ্কাৰ কৰাৰ পৰিৱর্তে অসমৰ জাতীয় ঐক্যহে বিনষ্ট কৰিছে। তদুপৰি আন্দোলনৰ নামত একাংশ লোকে জনসাধাৰণক আবেগিকভাৱে প্রৰোচিত কৰাৰ পৰিণতিস্বৰূপে অসমৰ বিভিন্ন ঠাইত নানান হিংসাত্মক ঘটনাহে সংঘটিত হৈছে। ৰুণীৰ দৃষ্টিত অসমৰ পৰা বিদেশী আঁতৰোৱাৰ আঁচনি এই দিশেৰে সফল হোৱা সম্ভৱ নহয়। গতিকে আন্দোলনৰ নামত উলুৰ লগত বগৰী পোৰা যোৱাৰ দৰে বিদেশীৰ লগত দেশীৰো লটিঘটি হ'ব। এই আন্দোলনৰ অবাস্তৱতা সম্পর্কে ৰুণীয়ে প্রশ্নৰ চলেৰে অপুক কৈছে এনেদৰে—

"ফৰেনার্হ এক্ট বোলা এটা আইন আছে। সেই আইন অনুযায়ী প্রত্যেকজন বিদেশীৰ বিৰুদ্ধে আদালতত মকর্দমা আৰম্ভ কৰিব লাগিব। চল্লিশ লাখ মকর্দমা বিচাৰ কৰিবলৈ কেই হাজাৰ বিচাৰক নিয়োগ কৰিব লাগিব, কেই হাজাৰ পেছকাৰ, কেই হাজাৰ চাপ্রাছী, কেই হাজাৰ উকিল লাগিব বাৰু? বিচাৰকৰ হুকুম নামানিলে জে'ল, চল্লিশ লাখৰ বাবে কেই হাজাৰ জে'ল তাৰ বাবে কেই হাজাৰ কর্মচাৰী, প্রতিদিনৰ খোৰাকৰ বাবে কেই লাখ টকা— তাৰো হিচাপটো লাগে। জে'লৰ পৰা লৰি বজাই কৰি ৰে'ল ষ্টেচনলৈ চালান দিব লাগিব, তেতিয়াহ'লে কেই হাজাৰ লৰি, কিমান গেলেন পেট্রোল লাগিব? ৰে'ল পথেৰে চালান দিবলৈ গ'লে কেই হাজাৰ ট্রেইন লাগিব? এই বিদেশীবোৰৰ বাংলাদেশ বা ভাৰতৰ আন কোনো ৰাজ্যত যদি আশ্রয় নিমিলে, তেতিয়া আন্দামানলৈকে পঠাব লাগিব, তেতিয়া কেই হাজাৰ জাহাজ লাগিব?"

তদুপৰি ৰুণীৰ দৃষ্টিত যি দেশৰ লোকে নিজৰ ভাষা-সংস্কৃতি-সাহিত্যক ভাল পাব জানে, স্বকীয় সত্তা বজাই ৰাখিব পাৰে, তেনে দেশক শত্রুৰে নিঃশেষ কৰিব নোৱাৰে। গতিকে হঠাতে বিদেশীসকলক ধৰধৰ মাৰ কৰিলে নহ'ব।

"প্রথমৰ পৰা এই লোকসকলক নিজৰ স্বার্থত কোনে অসমৰ মাটিত বহুৱালে। অসমৰ বহুত বহুত দেশ প্রেমিক নেতা আৰু ভাষা-সংস্কৃতিৰ ৰক্ষাকাৰীসকলেই নহয়নে?"

কথা প্রসংগত ৰুণীয়ে ৰজব আলী আৰু হলধৰৰ নাম উচ্চাৰণ কৰি মাক শ্রীমতী গোস্বামীকো শিহঁৰিত কৰি তোলে। কিয়নো শ্রীগোস্বামীয়ে জানে দুজন ভিন সম্প্রদায়ৰ মানুহ ৰজব আলী আৰু হলধৰৰ মাজত আত্মীয়তা কেনে নিবিড়। কিন্তু আজি আন্দোলনৰ প্রৰোচনাত যদি উভয়ে কটা-কটি মৰা-মৰি কৰে। আকৌ আন্দোলনৰ সময়ছোৱাত সংঘটিত উত্তৰ কামৰূপৰ হিংসাত্মক ঘটনাই ৰুণী আৰু ৰুণীৰ মাকক মর্মাহত কৰি তুলিছে। ৰুণীয়ে এই ঘটনা সুঁৰৰি নিজৰ ডায়েৰীত লিখিছিল "It is too deep for tears" ৰুণীয়ে উপন্যাসখনৰ শেষলৈ অসম আন্দোলনৰ বিৰোধিতা কৰিছে আৰু এই আন্দোলনৰ বিয়োগাত্মক দিশসমূহ সাহসেৰে অবগত কৰিছে। তাইৰ দৃষ্টিত বহুতো ভুল দিশেৰে আগবঢ়া এই আন্দোলনটোৱে অসমৰ জনগোষ্ঠীসমূহৰ মাজত থকা সম্প্রীতিৰ বান্ধোন নাইকিয়া কৰি পেলাব আৰু অসমীয়া জাতিটোৰো গঠনো সোলোক-ঢোলোক কৰিব। তদুপৰি উপন্যাসখনৰ মাজেৰে এচাম স্বার্থপৰ দেশপ্রেমিকৰ ভণ্ডামী আৰু উদ্ভগুলিও উদঙাই দিছে।

উপন্যাসখনৰ শেষৰ ফালে নাতিয়েক ৰিংকুৰে যেতিয়া বাংলাদেশীৰ সন্তান জন্ম হ'লেই মাৰি পেলাব লাগে নেকি আইতাক শ্রীমতী গোস্বামীক প্রশ্ন সুধিছিল, তেতিয়া শ্রীমতী গোস্বামী বাক্‌ৰুদ্ধ হৈ পৰিছে। এই সম্পর্কে তেওঁ ৰৰজীয়ৰী অনিমাক কিবাকিবি কোৱাত অনিমায়ো মানৱীয়তা বিসর্জন দি দেশৰ অস্তিত্বক গুৰুত্ব দিব লাগে বুলি মাকক বুজাইছে। এই কথা শুনি ৰৰ জীয়ৰী অনিমাক শ্রীমতী গোস্বামীয়ে ভাটৌৰ লগত তুলনা কৰিছে, ভাটৌৰ নিচিনা তাইৰো বিচাৰ-বুদ্ধি নাই, কেৱল কথা মুখস্থহে কৰিব পাৰে আৰু প্রতিবাদী কণ্ঠেৰে কৈছে—

... লোকৰ ল'ৰা-ছোৱালী মৰিলে একো কথা নাই নহয়? নিজৰ ল'ৰাৰ গাতহে আচোৰ এডালো লাগিব নোৱাৰিব। বাংলাদেশীৰ ল'ৰা-ছোৱালী ল'ৰা-ছোৱালীয়ে নহয়, সেইবাবে তহঁতবোৰৰ তেনে মানুহৰ তিনিমহীয়া কেঁচুৱাক জুইত দিলেও গাত নালাগে। ... কিন্তু তই জানি ল'বি যে মোৰ বাবে সকলো মানুহেই একেই সি অসমীয়াই হওক বা বঙালীয়ে হওক, হিন্দুৱে হওক বা মুছলমানেই বা বাংলাদেশীয়েই হওক বা পাকিস্তানী হওক। মোৰ বাবে সকলো মাকেই মাক। সন্তান হানি হ'লে সেই সকলো মাকৰ হিয়াত একো কুৰা জুই জ্বলে।...

এনেদৰে শ্রীমতী গোস্বামীৰ কণ্ঠৰ মানৱতাবাদৰ ধ্বনিৰে উপন্যাসখনৰ সামৰণি মৰা হৈছে।

উপন্যাসখন বিশ্লেষণ কৰি চালেদেখা যায় যে ইয়াৰ প্রধান চৰিত্র ৰুণী আৰু শ্রীমতী গোস্বামীয়ে অন্ধ আবেগৰ দ্বাৰা পৰিচালিত হোৱা অসম আন্দোলনক সুদৃষ্টিৰে চোৱা নাই। কিয়নো তেওঁলোকৰ দৃষ্টিত এনে আন্দোলনে অসমৰ সমস্যা মষিমূৰ কৰাৰ পৰিৱর্তে বৃদ্ধিহে কৰিব। তদুপৰি আন্দোলনৰ নামত একাংশ লোকে মানৱীয়তা বিসর্জন দি জনসাধাৰণক আবেগিকভাৱে প্রৰোচিত কৰিছে। যাৰ ফলত অসমত হকে-বিহকে বিভিন্ন ক্ষেত্রত হিংসাত্মক ঘটনা সংঘটিত হৈছে। আন্দোলনকাৰীসকলে বেছিভাগ সময়তে যুক্তিতকৈ আবেগকহে বেছি প্রাধান্য দিছে।

উপন্যাসখনৰ ৰুণী আৰু শ্রীমতী গোস্বামীৰ কণ্ঠস্বৰ দৰাচলতে ঔপন্যাসিক নিৰুপমা ৰৰগোহাঞিৰে কণ্ঠস্বৰ। কিয়নো আন্দোলনৰ সময়ছোৱাত উত্তৰ কামৰূপত সংঘটিত হোৱা ঘটনাৰ বুজ ল'বলৈ গৈ ৰৰগোহাঞিয়ে কিছুমান অকল্পনীয় সত্যৰ সন্মুখীন হৈছিল। এই কথা তেওঁ ব্যক্তিগত সাক্ষাৎকাৰ এটিত উল্লেখ কৰিছে।[৩] তেওঁ সাক্ষাৎকাৰটিত উল্লেখ কৰিছে যে অসম আন্দোলনৰ সময়ছোৱাত সংঘটিত হোৱা অপ্রিয় সত্য কথা কিছুমান উদঙাই দিয়াৰ বাবেই তেওঁ বাতৰি কাকতৰ চাকৰিও এৰিব লগা হৈছিল।

মুঠতে, 'গোহাঁনী আই গোসাঁনী আই' হ'ল অসম আন্দোলনৰ বিয়োগাত্মক দিশসমূহ প্রতিফলিত কৰা এখন উল্লেখযোগ্য উপন্যাস। উগ্র জাতীয়তাবাদে অসমীয়া মানুহক কেনেদৰে দানৱত পৰিণত কৰিলে তাৰেই এক মর্মস্পর্শী চিত্র উপন্যাসখনত প্রকাশ পাইছে। ৰাজেন কলিতাই নিৰুপমা ৰৰগোহাঞিৰ এই উপন্যাসখন সম্পর্কে মন্তব্য কৰিছে এনেদৰে—

"উপন্যাসখন অসম আন্দোলনৰ অমানৱীয় দিশটোৰ এখন ছবিয়েই নহয়, ভুল দিশত আগবঢ়া এই আন্দোলনে যেন জনগোষ্ঠীসমূহৰ মাজত মিলাপ্রীতি ধ্বংস কৰি পেলাব আৰু অসমীয়া জাতিটোৰ সর্বনাশ সঠিক তাৰ এক নির্মম ভৱিষ্যতবাণী যে উপন্যাসখনৰ বতাহ গধুৰ কৰি ৰাখিছে।"[৪]

অসম আন্দোলনৰ পটভূমিত ৰচিত আন এখন উপন্যাস হ'ল ৰীতা চৌধুৰীৰ 'অবিৰত যাত্ৰা'। সাম্প্ৰতিক অসমীয়া উপন্যাস সাহিত্যত ৰীতা চৌধুৰীৰ এক সুকীয়া স্থান আছে। 'দেও লাং খুই', 'মহাজীৱনৰ আধাৰশিলা', 'পপীয়া তৰাৰ সাধু', 'নয়না তৰালী সুজাতা' আদি উপন্যাসসমূহ ৰচনা কৰি তেওঁ পাঠক হৃদয় আলোড়িত কৰিছে। শেহতীয়াকৈ তেওঁ ২০০৮ চনত 'দেও লাং খুই' শীৰ্ষক গৱেষণাধৰ্মী উপন্যাসৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰিছে। নাৰী চৰিত্ৰৰ প্ৰাধান্য তেওঁৰ উপন্যাসৰ এটা প্ৰধান বৈশিষ্ট্য। তদুপৰি অসম আন্দোলনৰ সক্ৰিয় কৰ্মী হোৱা বাবে হয়তো তেওঁৰ প্ৰায়বোৰ উপন্যাসতে অসম আন্দোলনৰ ছাঁ চেগা-চোৱোগাকৈ পৰিছে।

'অবিৰত যাত্ৰা' উপন্যাসখনত অসম আন্দোলনৰ কালছোৱাত এচাম কম বয়সীয়া ছাত্ৰ-ছাত্ৰীয়ে অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে কি ধৰণৰ সংগ্ৰাম কৰিছিল তাৰ এক ছবি প্ৰতিফলিত হৈছে। অসমৰ অস্তিত্ব বিপন্ন হোৱাৰ উপক্ৰম দেখি এইসকল ছাত্ৰ-ছাত্ৰী শংকিত হৈ পৰিছিল আৰু নিজৰ মাতৃভূমি ৰক্ষাৰ্থে আত্মস্বাৰ্থ বলিদান দি কিদৰে জনসাধাৰণক সচেতন কৰিছিল তাৰ আভাস পোৱা যায়। উপন্যাসিকৰ ভাষাত—

"... সাতটা সুস্বাস্থ্য যৌৱন। উজ্জ্বল প্ৰাণময়। সিহঁত বহুদূৰ খোজকাঢ়ি আহিছে। হয়তো আৰু কিছুদূৰ যাব লাগিব। কিন্তু এজনৰো মুখৰ অভিব্যক্তিত ভাগৰৰ লেশমাত্ৰ আভাস নাই। প্ৰত্যাশা আৰু নতুনক দেখাৰ আনন্দত সিহঁতৰ মুখবোৰ উজ্জ্বল বিভোৰ।"

উপন্যাসখনত 'মাতৃসংঘ' নামৰ এটা অনুষ্ঠানৰ জৰিয়তে এই ছাত্ৰ-ছাত্ৰীয়ে কম সময়ৰ ভিতৰত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিদেশী বহিষ্কাৰ আন্দোলন গঢ়ি তুলিছিল। অসমৰ বিভিন্ন ঠাইত মিটিং পাতি জনসাধাৰণক দেশৰ অস্তিত্ব বিপন্ন হ'ব খোজা কথা বুজাই দিছিল। এই ছাত্ৰ-ছাত্ৰীসকল বিদেশী আৰু চৰকাৰৰ প্ৰতি কেনেদৰে ক্ষোভিত হৈ পৰিছিল উপন্যাসখনত তাৰ বৰ্ণনা পোৱা যায় এনেদৰে—

"বিদেশী সোপাক টকা আৰু ভোটৰ লোভত ৰিজাৰ্ভ খুলি দিয়া দেখিলে বুকুবোৰ হমহমাই যায় মৰিয়ম বা, অথচ সেই একেখিনি মাটিতেই খেতি কৰিবলৈ গ'লে আমি গুলি খাব লাগে লাঠীৰ কোব খাব লাগে। হাতীৰ গচকত আমাৰ ঘৰ-দুৱাৰ ভাঙি যায়। অধিকাৰ কাৰ?"

'মাতৃসংঘ'ৰ প্ৰতিগৰাকী কৰ্মীয়ে পৃথিৱী, অশান্ত, বিজু, সমুদ্ৰ, মৰিয়ম, বাসৰ, যোচেফ আদিয়ে সংঘৰ দায়িত্ব অতি সুচাৰুৰূপে পালন কৰিছে। ঠায়ে ঠায়ে মাতৃসংঘৰ সৰু সৰু বহুতো শাখা গঠন কৰি দিছিল। এই ছাত্ৰসকলে অহিংসা নীতিৰে অতি নিষ্ঠা আৰু সততাৰে তেওঁলোকৰ আন্দোলন আৰম্ভ কৰিছিল। কিন্তু আন এচাম লোকে তেওঁলোকৰ মাজত বিভেদৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল, আৰু সেই উদ্দেশ্যে তেওঁলোকে নানান হিংসাত্মক ঘটনাও সংঘটিত কৰিছিল। উপন্যাসখনত তাৰ বৰ্ণনা পোৱা যায় এনেদৰে—

"আপোনালোক কোনো প্ৰৰোচনাত বশীভূত নহ'ব ৰাইজ। আমাৰ মাজত বিভেদৰ বিষগুটি সিঁচিবৰ বাবে এচাম লোকে অহৰহ প্ৰচেষ্টা চলাই আহিছে। আন্দোলনটোক বিপথে পৰিচালিত কৰিবৰ বাবে সিহঁতে বিভিন্ন ঠাইত কিছুমান ঘটনা সংঘটিত কৰি এটা সাম্প্ৰদায়িক ৰহন সানিবৰ বাবে উঠি-পৰি লাগিছে। ... লক্ষ লক্ষ বিদেশীৰ অনুপ্ৰৱেশৰ বিৰুদ্ধে আমি একগোট হৈ থিয় দিছোঁ।"

এনেদৰে নিজৰ সততাৰ ওপৰত বিশ্বাস ৰাখিয়েই ছাত্ৰ সন্থাই অসমৰ পৰা বিদেশী বহিষ্কাৰ দাবীত এক আন্দোলন গঢ়ি তুলিছিল। উপন্যাসখনত আন্দোলনৰ সময়ছোৱাত সংঘটিত হোৱা বিভিন্ন হিংসাত্মক ঘটনাৰ উল্লেখো পোৱা যায়। এচাম স্বাৰ্থপৰ লোকে প্ৰৰোচনাত বহুতো আন্দোলনকাৰীৰ পৰিয়ালৰ সদস্যক মাৰি পেলাইছে, বহুতৰ ঘৰ জ্বলাই দিছে। বাসৰ নামৰ মাতৃসংঘৰ সদস্যজনৰ ভনীয়েক এজাক ৰাক্ষসৰ হাতত ধৰ্ষিতা হৈছে। তাৰ পাছতো ছাত্ৰসকলে অহিংসা নীতিৰে এই আন্দোলন চলাই যোৱাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হৈছে। কিন্তু বাসৰৰ নিচিনা দুই-এজন ল'ৰাই ক্ষোভিত হৈ পাছলৈ সশস্ত্ৰ বিদ্ৰোহী দলত যোগদান কৰিছে। আন্দোলনৰ বাবে বিভিন্ন ঠাইত নিৰ্মমভাৱে ছাত্ৰ সন্থাৰ নেতা হত্যা কৰিছে, বহুতক জে'লত ভৰাই থৈছে। কাৰোবাৰ হাত-ভৰি ভাঙি পঙ্গু কৰিছে। মুঠতে অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলনত সততাৰে যোগদান কৰা ছাত্ৰসকলে নিজৰ জীৱন দেশৰ বাবেই ত্যাগ কৰিছে।

অসম আন্দোলনৰ সক্ৰিয় কৰ্মী ৰীতা চৌধুৰীয়ে তেওঁৰ এই উপন্যাসখনত ছাত্ৰ সন্থাৰ নেতৃত্বত আৰম্ভ হোৱা অসম আন্দোলনত ছাত্ৰসকলে মাতভূমিৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত কি ধৰণৰ কষ্ট তথা ত্যাগ স্বীকাৰ কৰিছিল তাক হৃদয়গ্ৰাহীকৈ বৰ্ণণা কৰিছে। তদুপৰি উপন্যাসখনৰ কাব্যগন্ধী ভাষাইয়ো পাঠকক এক নান্দনিক আনন্দ প্ৰদান কৰে।

অসম আন্দোলনক পটভূমি হিচাপে লৈ ৰচনা কৰা নিৰুপমা ৰৱগোহাঞিৰ 'গোহাঁনী আই গোসাঁনী আই' আৰু ৰীতা চৌধুৰীৰ 'অবিৰত যাত্ৰা' উপন্যাস দুখনত অসম আন্দোলনৰ দুখন ছবি প্ৰতিফলিত হৈছে। মানৱতাবাদী ঔপন্যাসিকা নিৰুপমা ৰৱগোহাঞিয়ে তেওঁৰ উপন্যাসখনত অসম আন্দোলনৰ সময়ত সংঘটিত হোৱা মানৱতা বিৰোধী কাৰ্যকলাপৰ বিৰোধিতা কৰিছে। ঔপন্যাসিকৰ দৃষ্টিত হঠাতে এনেদৰে বিদেশী বহিষ্কাৰ আন্দোলন আৰম্ভ কৰি এই সমস্যাৰ সমাধান কৰা সম্ভৱ নহয়। তদুপৰি উগ্ৰ জাতীয়তাবাদ তথা অন্ধ আবেগৰ ফলত এই আন্দোলনৰ সময়ছোৱাত অসমকে মাতৃভূমি বুলি গ্ৰহণ কৰা, অসমৰ ভাষা-সংস্কৃতিক নিজৰ ভাষা-সংস্কৃতি বুলি গ্ৰহণ কৰা একাংশ লোকৰ ওপৰত অমানুষিক অত্যাচাৰ চলোৱা হৈছে। ঔপন্যাসিকৰ মতে এনে হিংসাত্মক আন্দোলনে অসমৰ একতাহে ধ্বংস কৰিছে। মানৱতাৰ ধ্বনিৰে সমাপ্ত হোৱা এই উপন্যাসখনত ঔপন্যাসিকে আবেগতকৈ যুক্তিকহে প্ৰাধান্য দিয়া কথাটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

আনহাতে, 'অবিৰত যাত্ৰা' উপন্যাসখনত বিদেশীসকলে অসমক চাৰিওফালৰ পৰা চানি ধৰাৰ ফলত অসমৰ থলুৱা লোক কিধৰণৰ সমস্যাৰ সন্মুখীন হৈছে সেই কথা প্ৰকাশ কৰাৰ উপৰি অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনত একাংশ ছাত্ৰই কেনেদৰে নিজৰ জীৱন বিপন্ন কৰিও দেশ সেৱা কৰিছিল তাৰ হৃদয়স্পৰ্শী বৰ্ণনা পোৱা যায়। অহিংসা নীতিৰে আগবঢ়া এই আন্দোলনত ছাত্ৰসকলে জনসাধাৰণৰ মাজত সচেতনতা অনাৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছিল। এখন নতুন দেশ গঢ়াৰ সপোন বুকুত বান্ধি লৈ এই ছাত্ৰসকলে জীৱন পণ কৰি হ'লেও দেশমাতৃৰ সেৱাত সাহসেৰে আগুৱাই আহিছিল।

উপন্যাস দুখন বিশ্লেষণ কৰি চালে দেখা যায় যে দুয়োখন উপন্যাসতে অসম আন্দোলনৰ নিৰ্মোহ চিত্ৰ প্ৰকাশ হোৱা নাই। দুয়োখন উপন্যাসতে ঔপন্যাসিক দুগৰাকীয়ে আত্মপক্ষক সমৰ্থন কৰিছে।

পাদটীকা ঃ

১। দিলীপ বৰা ঃ 'অসম আন্দোলন কুৰি শতিকাৰ অসমৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়' —কথা গুৱাহাটী, দ্বিতীয় বছৰ, প্ৰথম সংখ্যা, জুন ২০০৫।

২। হীৰেন গোহাঁই ঃ 'নিৰুপমা ৰৱগোহাঞিৰ উপন্যাস অগ্ৰগামিনী' —সম্পাদনা- ৰাণী গোহাঁই।

৩। অগ্ৰগামিনী ঃ 'নিৰুপমা ৰৱগোহাঞিৰ সাংবাদিক জীৱন'।

৪। ৰাজেন কলিতা ঃ 'নিৰুপমা ৰৱগোহাঞিৰ উপন্যাস অগ্ৰগামিনী'।

অসমীয়া মহিলা চুটিগল্পকাৰৰ গল্পত সন্ত্রাসবাদৰ প্রতিফলন

প্রাঞ্জল তালুকদাৰ

অসমীয়া চুটিগল্পই সাম্প্রতিক সময়লৈকে কেইবাটাও পর্ব অতিক্রম কৰি আহিছে। এই কালান্তৰৰ পর্বত অসমীয়া চুটিগল্প নানা দিশত সমৃদ্ধ হৈছে। লগতে সমৃদ্ধি আৰু উত্তৰণৰ সম্ভাৱনাই অসমীয়া গল্প সাহিত্যক এক অন্য আয়তন প্রদান কৰিছে। আমাৰ প্রবন্ধৰ বিষয় হৈছে অসমীয়া মহিলা গল্পকাৰৰ চুটিগল্পত প্রতিফলিত হোৱা সন্ত্রাসবাদৰ চিত্র। এইখিনিতে উল্লেখযোগ্য যে তিনিগৰাকী মহিলা গল্পকাৰ ক্রমে মনোৰমা দাস মেধি, অৰূপা পটঙ্গীয়া কলিতা আৰু বন্তি শেনছোৱাৰ একোটিকৈ গল্পক প্রবন্ধটোত বিশেষ উল্লিখন (Special reference) হিচাপে লোৱা হৈছে।

বিংশ শতিকাৰ আশীৰ দশকৰ শেষত অসমত সন্ত্রাসবাদৰ ব্যাপক প্রভাৱ পৰিবলৈ ধৰে। অসমৰ সার্বভৌমত্বৰ দাবীত 'সংযুক্ত মুক্তি বাহিনী' (United Liberation Front of Assam) থোৱতে 'আলফা'ৰ সৃষ্টি আৰু তাৰ পাছৰ পর্যায়ত ক্রমে সশস্ত্র পন্থা অৱলম্বন কৰা বিভিন্ন সংগঠনে ব্যাপক সন্ত্রাসবাদৰ সূচনা কৰে। অসমৰ মহিলা চুটিগল্পকাৰসকলৰ দৰে পুৰুষ গল্পকাৰৰ গল্পতো সন্ত্রাসবাদৰ প্রতিফলন দেখা যায়। হৰেকৃষ্ণ ডেকা (বন্দীয়াৰ), মনোজ কুমাৰ গোস্বামী (সমীৰণ বৰুৱা আহি আছে), ফণীন্দ্রকুমাৰ দেৱচৌধুৰী (বকুল, তুমি শুনিছানে?), বিতোপন বৰবৰা (বন্দুকনলৰ বতাহ) আদি গল্পকাৰৰ কিছুমান গল্পত সন্ত্রাসবাদৰ বিভিন্ন দিশ উদ্ভাসিত হৈছে। আমাৰ প্রবন্ধত পোনতে মনোৰমা দাস মেধিৰ গল্পতনো কেনেদৰে সন্ত্রাসবাদৰ ডাৱৰে আ�ৰৰি ৰখা মানুহৰ জীৱন কথাৰ প্রকাশ ঘটিছে সেয়া আলোচনা কৰাৰ প্রয়াস কৰা হ'ল।

উত্তৰ ৰামধেনু যুগৰ অন্যতম গল্পকাৰ মনোৰমা দাস মেধিয়ে ইতিমধ্যে 'সপোনৰ সোণাৰু' আৰু 'প্রেমগাথা' নামৰ দুখন সংকলনেৰে পাঠকৰ হৃদয় স্পর্শ কৰিব পাৰিছে। পৰম্পৰাগত কৌশলেৰে গল্প লিখিলেও তেওঁৰ গল্পত এক অন্য আয়তন সহজতেই চকুত পৰে। 'প্রেমগাথা', 'কেতেকীৰ সাধু', 'বিস্ফোৰণৰ পাছত' আদি গল্পত সমসাময়িক সময়ত সন্ত্রাসবাদে কোঙা কৰা সাধাৰণ মানুহৰ জীৱনচর্যাৰ পূর্ণৰূপ ফুটি উঠিছে। কিছুমান গল্পত নাৰীৰ জীৱন যন্ত্রণাৰ ৰূপ প্রতিভাত হ'লেও মনোৰমা দাস মেধি মূলতঃ মানৱতাবাদী লেখিকা। 'উত্তৰ ৰামধেনু যুগৰ নির্বাচিত গল্প' শীর্ষক সংকলনখনৰ সম্পাদক হৃদয়ানন্দ গগৈয়ে কৈছে ঃ

"সাধাৰণতে আশা কৰাতকৈ কিছু পলমকৈ আত্মপ্রকাশ কৰিও কেইটামান উন্নত মানৰ লেখৰ গল্প ৰচনা কৰি সফলতা লাভ কৰা গল্পকাৰ মনোৰমা দাস মেধি। ... সাম্প্রতিক কালৰ সংকটক গল্পৰ বিষয়বস্তু কৰা কাৰণে লেখিকাৰ চৰিত্রবোৰেও বর্তমানৰ অন্তঃসাৰশূন্যতাকে প্রতিফলিত কৰিছে ..."

সাম্প্রতিক কালৰ অন্যতম সমস্যা সন্ত্রাসবাদে সাধাৰণ মানুহৰ জীৱন প্রৱাহত যি নির্মমতা আনিছে তাৰেই প্রতিচ্ছবি দেখা যায় মনোৰমা দাস মেধিৰ "কেতেকীৰ সাধু" নামৰ গল্পটোত। অপূর্ব নির্মাণ দক্ষতাৰে কেতেকী চৰাই সম্পর্কীয় এটা লোক কথাৰ আঙ্গিকো গল্পটোত সম্পৃক্ত কৰি গল্পকাৰে সন্ত্রাসবাদৰ নিদাৰুণ ভয়াৱহতাক প্রতীকৰ জৰিয়তে প্রকাশ কৰিছে। সন্ত্রাসজর্জৰ অঞ্চল এটাৰ এহাল কিশোৰ-কিশোৰী ভাই-ভনীৰ অকৃত্রিম স্নেহ আৰু সিহঁতৰ পৰিয়ালৰ সৰল জীৱন-যাত্রা এদিনৰ এটা ঘটনাই কেনেকৈ আঁকুহি নিব খুজিছিল সেয়াই গল্পটোৰ মূল কথা। সন্ত্রাসবাদৰ বিৰুদ্ধে কোনো উচ্চ-বাচ্য নকৰাকৈ সন্ত্রাসবাদৰ ভয়াৱহতাক খুব কৌশলগত ৰূপেৰে তুলি ধৰিছে গল্পটোত। মিলত ধান বানিবলৈ যোৱা কিশোৰ ধনৰ সন্মুখতে এক ভয়াৱহ হত্যা সংঘটিত হৈছে। তাৰ ক্ষন্তেক আগতে একেলগে গৈ থকা দুদুই ধনক কৈছে—

"তই যেনেকুৱাখন কৰিছ, মোকো আজি মাৰ খুৱাইহে এৰিবি। এজ্ ইট্ ইজ গৈ থাক বুলি কৈছো নহয়।

ক'লেহে, কিন্তু ৰৈহে গ'ল। কাষতে, বুকুত বিন্ধি যোৱাকৈ, এটা তীক্ষ্ণ আৱাজ। গুলী ফুটাৰ।"

আর্মিৰ ভয়তে উচপিচ নকৰি এজ্ ইট্ ইজ্ গৈ থাকিবলৈ চেষ্টা কৰা ধনহঁতৰ কাষতে গিৰীণক কোনোবাই গুলিয়াইছে। ভয়-ভীত পাহৰি ধনে চিঞৰিছে— "গিৰীণ, আৰে গিৰীণ পৰি গ'ল।" ধনে ঘৰৰ পৰা ধান বানিবলৈ বুলি ওলাই যোৱাৰ পাছত সংঘটিত হোৱা ঘটনাটো শুনি বায়েক ৰুণুৰে কান্দোনত গছৰ পাত সৰুৱাইছে। অৱশেষত ধন আহি ঘৰ পাইছে। মাকে বুকুলৈ চপাই নি তাৰ মুৰটো শুঙি চাইছে। আইতাকে ফাটি যোৱা বুকুৰে "বাচা অ'—" বুলি কান্দি পেলাইছে।

"পদুলিতে আইতাকজনী চৰগ পৰা মানুহৰ দৰে থৰ লাগি ৰৈ আছিল। তাক দেখিয়েই "বাচা অ'—" বুলি কান্দি পেলালে। তাৰ পাছত বকিবলৈ আৰম্ভ কৰিলে। "ল'ৰাটোক নপঠালে ইহঁতৰ বুকুকেইখন শাঁত নপৰে। ঘৰতে ঢেঁকী আছে। আহ বুলিলেই দৌৰি অহাকৈ সেইজনী

নোমলৰ মাক ওচৰতে আছে। কিয় মাতিব? বুকুকেইখন শাঁত নপৰে নহয়।"

এয়া এগৰাকী আইতাকৰ নাতিয়েকৰ প্রতি থকা প্রগাঢ় ভালপোৱাৰ প্রকাশ। কিন্তু ইয়াত তলসোতা দিয়া ৰূপত আছে ধান বানিবলৈ যোৱা ল'ৰাজনেও যে বাৰুদৰহে গোন্ধ লৈ ঘৰলৈ উভতিবলগীয়া হৈছে সেই কথাটো। আমগছজোপাৰ পাতৰ আঁৰত কেতেকী এটাই গীত গাইছে—

"মই কেতেকী— মই কেতেকী।" আইতাকে কৈছে কেতেকীয়ে এনেকৈহে কয় বৌ কাকা ক'ত? ধন আৰু ৰুণুৰে কেতেকীৰ গীতক লৈ চুপতা-চুপতি কৰিছে। সাধুকথাৰ ভনীয়েকজনীয়ে কেতেকী হৈ গাইছে বৌ কাকা ক'ত? বৌ কাকা ক'ত? ৰুণুই সুৰ মিলাই কৈছে— "মই কেতেকী-বৌ কাকা ক'ত-ককাইদেউ ক'ত-ভাইটিটো ক'ত—

তাই ধনক কৈছে সুৰটো মিলাই যি কওঁ সেয়াই হয়। শেষৰবাৰ তাই কৈছে— "ৰু—ণু—ধন ক'ত?"

আৰু তেতিয়াই বাপেক, মাক, আইতাক আটাইৰে বুকুত শেল মাৰি ধৰিছে। এটা নির্দোষ ধেমালি পৰিণত হৈছে শোকগাথাত। এয়াই 'কেতেকীৰ সাধু' গল্পৰ অন্যতম ব্যঞ্জনা। সন্ত্রাসবাদীয়ে কাৰ জীৱন কেতিয়া লৈ যায় কোনেও ক'ব নোৱাৰে। গল্পকাৰে লিখিছে—

"আস্ এইবাৰ এইজনী কেতেকীয়েই মালিতাও হ'ব। বুকু ভাঙি ভাঙি তাই আমাক সুধিব—

বাচাইঁত ক'ত
তেজে তুম্ৰলি
মোৰ বাচাইঁত
মোৰ পোনাইঁত
জীউইঁত ক'ত?"

মনোৰমা দাস মেধিৰ এই গল্পটো সন্ত্রাসবাদৰ প্রতিফলন ঘটা এক অন্যতম অসমীয়া গল্প।

অৰুপা পটঙ্গীয়া কলিতা সমসাময়িক সময়ৰ এগৰাকী পূর্ণ শক্তিধৰ গল্পকাৰ। 'পাছ চোতালৰ কথকতা', 'মিলেনিয়ামৰ সপোন', 'দেওপাহাৰৰ ভগ্নস্তূপত', 'কুৰোশ্বৰাৰ সপোন, মোৰ সপোন, সিহঁতৰ সপোন' আদি কেইবাখনো সংকলনেৰে অসমীয়া চুটিগল্পৰ জগতত তেওঁ ইতিমধ্যে পূর্ণ প্রতিষ্ঠা আৰু যশস্যা অর্জন কৰিছে। নাৰী জীৱনৰ কথকতাৰ লগতে ব্যাপক সমাজ ভাবনাই অৰুপা পটঙ্গীয়া কলিতাৰ গল্পবোৰক অনন্য ঐশ্বর্য দান কৰিছে। ড° নির্মলপ্রভা বৰদলৈয়ে কৈছে—

"... হতাশা, নৈৰাশ্য, ভণ্ডামী, মানসিক অসুস্থতাৰ ছবি তথা বর্তমানৰ অস্থিৰ ৰাজনৈতিক, সামাজিক পৰিস্থিতিৰ স্বৰূপ এতিয়াৰ গল্পত স্বাভাৱিকতেই মূর্ত হৈছে ...।"

তেওঁৰ 'কার্তিকৰ কাহিনী' গল্পটোত কার্তিক নামৰ এজন মেধাৱী যুৱকৰ চেতনাত সন্ত্রাসবাদৰ নিষ্ঠুৰতা কিদৰে বিয়পি পৰিছে তাৰ উমান পোৱা যায়। স্বাধীনতা দিৱসৰ ঠিক এদিন আগতে সংঘটিত হোৱা এক হিংসাত্মক হত্যালীলাৰ বর্ণনাৰে গল্পটো আৰম্ভ হৈছে আৰু তাৰ পাছত পাঠকৰ সম্মুখলৈ আহিছে কার্তিক চৰিত্রটো—

"কি ভাবিছ মোক তইঁতে? মই আলফালৈ ভয় কৰো? নকৰো তিলমানো ভয় নকৰো।"

গল্পকাৰে কার্তিকৰ মনোজগতৰ বর্ণনা দিছে এনেদৰে—

"দেশী মদৰ তীব্র নিচাত অৱশ হৈ পৰা কার্তিক দেৰ মগজুত এটা মাত্র শব্দ ঘুৰ পাক খাইছে... ঘৰ... ঘৰ... বাড়ী... বাড়ী... ঘৰ... ঘৰ!"

'কার্তিকৰ কাহিনী' গল্পটোত কার্তিক দে নামৰ যুৱকজনৰ মানসিক যন্ত্রণা, পৰিয়ালৰ মানুহক হেৰুওৱা বেদনাৰ প্রতিচ্ছবি দেখা যায়। হত্যা-হিংসাই সাধাৰণ মানুহৰ জীৱনলৈ কেনেদৰে অমানিশা কঢ়িয়াই আনে সেয়াই গল্পটোৰ মূল উপজীব্য বিষয়। কার্তিকে মদ খায়। বুকুৰ আচল পোৰণি ঢাকি থ'বলৈ দেশী মদৰ পোৰণি কঢ়িয়াই ফুৰা কার্তিকে অনবৰতে বহন কৰে ক্ষোভ আৰু আক্রোশৰ একুৰা লেলিহান জুই—

"সোধ, মৰি মৰি আধা মৰাশ হোৱা কার্তিক দেক সোধ এইবোৰ কোনে কৰে, কাৰ লাভ হয়? কোনে লুটি-পুতি খায়?"

কার্তিক দেৰ কথা শুনি মানুহবোৰ মাজে মাজে শিয়ঁৰি উঠে—

"মোৰ বুকুখন ফালি চাচোন, পোৱা ঘৰ দেখিবি, হাত দেচোন পোৱা ঘৰৰ ছাইৰে হাত ক'লা হ'ব। বুকুত ছাই থকা মানুহে চৰ জ্বলাই দিব পাৰে। ময়ো পাৰিম। মই চৰ জ্বলাই দিম।"

যশস্বী সমালোচক উপেন্দ্রনাথ শর্মাই অৰুপা পটঙ্গীয়া কলিতাৰ গল্পৰ বিষয়ে এনেদৰে কৈছে—

"অৰুপা পটঙ্গীয়া নতুন যুগৰ এগৰাকী শক্তিশালী লেখিকা। তেওঁৰ সাম্প্রতিক কালৰ কিছু গল্পত অশুভ শক্তিসমূহৰ বিৰুদ্ধে ক্ষোভ, ভ্রষ্টাচাৰীৰ প্রতি শ্লেষ আৰু সামূহিক সংশোধনৰ আকাংক্ষা মূর্ত হৈ উঠিছে।"

ওপৰোক্ত মন্তব্যটো 'কার্তিকৰ কাহিনী' গল্পটোৰ ক্ষেত্রত এশ শতাংশই প্রযোজ্য। দৰাচলতে 'কার্তিকৰ কাহিনী' গল্পটোত অশুভ শক্তিৰ প্রতি থকা ঘৃণা বাঙ্ময় হৈ উঠিছে। 'কার্তিকৰ কাহিনী' গল্পটোত যোগেন বৰুৱাক হত্যা কৰাৰ পাছত পাশৰিক উল্লাসত মত্ত হৈ মুখ বন্ধা ল'ৰা দুটাই এনেদৰে কৈছে—

"যা, বগুলা এটা মাৰি থৈ আহিছো। এতিয়াই শগুণ আহিব।"

খেক্‌খেকাই হাঁহি আনটোৱে এনেদৰে কৈছে—

"হে! বগুলা নহয় দে, বগা গাহৰি যা। যাক যিমান লাগে মাংস লৈ আহগৈ।"

কাফিউ খোলাৰ পাছত কার্তিকে হোটেলত ভাত খাইছে। হোটেলৰ মালিকজনে আকুতিৰে কার্তিকক সুধিছে— "এনেকৈ আৰু দুদিনমান গ'লেই তিৰী-ছলি লঘোণে থাকিব। এইবোৰ কিয় হয় বাৰু?"

কার্তিকৰ বুকুখন তেতিয়া হমহমাই যায়। বৰুৱা ছাৰক হত্যা কৰা ল'ৰাবোৰক চিনি পোৱাৰ কথা কৈ কার্তিক ক্ষোভিত হৈ পৰে। চুবুৰীটোৰ মানুহখিনিয়ে কার্তিকৰ কথাই কিবা বিপদ ঘটাব পাৰে বুলি আশংকাত ভোগে। এদিন কেইজনমান ল'ৰাৰ লপাথপা আৰু তাৰে এজনৰ চৰ খাই কার্তিকে মৰিশালিলৈ দৌৰি গ'ল। সেইদিনা তাত জ্বলি থকা বাৰখন চিতাৰ মাজত কার্তিক দে নামৰ এজন স্বপ্নহাৰা ক্ষোভিত যুৱক হেৰাই গ'ল।

"কার্তিকৰ কাহিনী" সন্ত্রাসবাদৰ বিৰুদ্ধে এক সবল আৰু সজোৰ প্রতিবাদ। হাজাৰজন কার্তিক দেৰ সৃষ্টি কৰা অপশক্তিৰ প্রতি লেখিকাৰ ঘৃণা ইয়াত প্রকাশ পাইছে।

প্রবন্ধৰ শেষত আমি আলচ কৰিম বন্তি শেনচোৱাৰ 'মন্ত্র-মধ্য-তাঁৰ' নামৰ গল্পটোতনো কিদৰে সন্ত্রাসবাদৰ প্রতিফলন ঘটিছে। বন্তি শেনছোৱা পৰম্পৰাবাদী ধাৰাৰ গল্পকাৰ নহয়। তেওঁৰ গল্পত কাহিনী কথনতকৈ চৰিত্রৰ মনঃসমীক্ষণ আৰু কাব্যিক অনুষংগৰ মাজেৰে সামগ্রিকতাৰ সন্ধান দেখা যায়। গল্পৰ আঙ্গিকৰ প্রতি অত্যন্ত মনোযোগী বন্তি শেনছোৱাৰ প্রকাশিত সংকলন দুখন হ'ল— "নিষাদ গান্ধাৰ' আৰু 'সৰল আৰু সুন্দৰ'। প্রথিতযশা সাহিত্যিক ইমৰান শ্বাহে বন্তি শেনছোৱাক 'এক সংকুল সম্ভাৱনা' বুলি এটি সমালোচনাত উল্লেখ কৰিছে। 'সাতসৰী' আলোচনীৰ প্রথম বছৰ প্রথম সংখ্যাত প্রকাশিত 'মন্ত্র-মধ্য-তাঁৰ' নামৰ গল্পটোত নাম উল্লেখ নকৰাকৈ অসম কঁপাই যোৱা সঞ্জয় ঘোষৰ নৃশংস

হত্যাৰ গল্পায়ন কৰা হৈছে। অভিনৱ নিৰ্মাণশৈলীৰ বলতেই 'মন্ত্ৰ-মধ্য-তাঁৰ' গল্পটোত লোককথাৰ ডাঙৰীয়া আহিছে আৰু গল্পটোত বিচৰণ কৰিছে তেজ-মঙহৰ এজন সঁচা ডাঙৰীয়া। চুটি চুটি বাক্যৰে কাবিক্যতাৰ সৃষ্টি, গ্ৰাম্য নিভাঁজ শব্দৰ ব্যৱহাৰ আৰু ভাষাৰ শৰীৰি আৰু অশৰীৰি আয়তনৰ প্ৰতি চকু ৰখা গল্পকাৰ বন্তি শেনছোৱাৰ আলোচ্য গল্পটোত অপশক্তি বা সন্ত্ৰাসৰ বিৰুদ্ধে প্ৰতিবাদৰ ধ্বনি ঝংকাৰিত হৈছে। দেখাত প্ৰতিবাদ, ঘৃণা বা কোনো শ্লোগান ইয়াত নাই, কিন্তু 'মন্ত্ৰ-মধ্য-তাঁৰ' গল্পটো সন্ত্ৰাসবাদীৰ নিষ্ঠুৰতাৰ দ্যোতক হৈ পৰিছে। গল্পটোৰ 'নায়ক' ডাঙৰীয়া চৰিত্ৰটো সম্পৰ্কত গল্পকাৰৰ বৰ্ণনা এয়া—

"মানুহজনে শৰীৰত সামৰিক অনুশাসনে দিব পৰা বৈভৱ এটা কঢ়িয়াই ফুৰে। বুকুত কিজানিবা পৰিব্ৰাজী চৰাইৰ পিপাসা।"

"পৰিব্ৰাজী চৰাইৰ পিপাসা' এই চিত্ৰকল্পটোৱে সঞ্জয় ঘোষৰ কৰ্মস্পৃহা আৰু এজন এন. জি. অ'. কৰ্মী হিচাপে থকা তেওঁৰ সমাজ ভাবনাক মূৰ্ত কৰি তুলিছে। বন্তি শেনছোৱাৰ গল্প অধ্যয়ন কৰিলে মগজু আৰু হৃদয় দুয়োটাতে আলোড়নৰ সৃষ্টি হয়। তেওঁৰ গল্পৰ প্ৰতিটো বাক্যই অত্যন্ত মনোযোগেৰে পঢ়িবলগীয়া হয়। মাজে মাজে তেওঁৰ গল্পত ব্যক্তিগত প্ৰতীকৰ ব্যৱহাৰো দেখা যায়। হৃদয়ত শংখধ্বনি বাজি উঠাৰ আগতে বন্তি শেনছোৱাৰ গল্পই পাঠকৰ মগজুত বুজা-নুবুজাৰ মকৰাজালৰ সৃষ্টি কৰে। সঞ্জয় ঘোষক আলফাই হত্যা কৰাৰ কেইবাবছৰো পাছত লিখা এই গল্পটোত মাজুলীৰ সাংস্কৃতিক ঐতিহ্য আৰু মাজুলীৰ গৰাখহনীয়াৰ প্ৰসংগও আহিছে। গল্পকাৰে বুজাব খুজিছে সঞ্জয় ঘোষৰ হত্যা আচলতে আলফা সন্ত্ৰাসবাদীৰ 'আত্মাৰ গৰাখহনীয়া'ৰহে নিদৰ্শন। নিজৰ মাজতে দুটা গোট থকা সংগঠনটোক গল্পকাৰে এনেদৰে ব্যক্ত কৰিছে— "ডাঙৰীয়া, মই মুলুকত সংগঠন বুলিলে মাথোন ৰাইজে এটা সংগঠনকে বুজে। তাতো জোনৰ দুটা পিঠি ..."

"জোনৰ দুটা পিঠি" বাক্যাংশৰ আক্ৰমণত সংগঠনৰ গঠন শব্দটো প্ৰহসনত পৰিণত হৈছে। আলফা-ছালফা দুটা ভিন্ন গোট, অথচ তেওঁলোক এটা সংগঠনৰে আছিল। সঞ্জয় ঘোষক সংগঠনৰ সন্ত্ৰাসবাদীয়ে অপহৰণ কৰি লৈ যোৱাৰ বৰ্ণনা গল্পকাৰে এনেদৰে কৰিছে—

"ইয়াৰে পিছৰ কোনোবা এটা আঁউসীত ডাঙৰীয়া চকু বন্ধা অৱস্থাত কোনোবা এটা ছৈ-দিয়া নাৱত অৱস্থিত হ'ল ..."

ইয়াতো এটা শ্লেষ আছে। 'ছৈ দিয়া নাও' নিৰাপত্তা, আস্থা আৰু বিপদমুক্ত জলযাত্ৰাৰ বাবে ব্যৱহাৰ কৰা হয়। কিন্তু মৃত্যুযাত্ৰাৰ বাবে ডাঙৰীয়া সেই 'ছৈ দিয়া নাৱত' উঠি গৈছে। মৃত্যুদণ্ডৰ আগমুহূর্তত সিহঁতে ডাঙৰীয়াক কৈছে— "ডাঙৰীয়া খেমিব। উপায় নাই।"

সমগ্ৰ দেশতে খলকনি লগোৱা সঞ্জয় ঘোষৰ ৰাজনৈতিক হত্যাৰ গল্পায়ন 'মন্ত্ৰ-মধ্য-তাঁৰ' গল্পটো। সাধাৰণতে ৰূঢ় বাস্তৱৰ সম্পূৰ্ণ সঁচা ঘটনাৰ শিল্পায়ন অসমীয়া চুটিগল্পত আপাততঃ বিৰল। এই ক্ষেত্ৰত 'মন্ত্ৰ-মধ্য-তাঁৰ' গল্পটো ব্যতিক্ৰম।

এনেদৰে আলোচনা কৰি চালে দেখা যায় যে আলোচিত তিনিও গৰাকী মহিলা গল্পকাৰৰ গল্পত মানৱতাৰ সন্ধান মূল বিষয়। সন্ত্ৰাসৰ মৃত্যুকামনা আৰু নতুন আশাৰ সমৃদ্ধি আৰু সম্ভাৱনাৰ বাবে তিনিওগৰাকী গল্পকাৰে মনে-প্ৰাণে কামনা কৰে। পুৰুষ-মহিলা উভয় গল্পকাৰৰ চুটিগল্পত সন্ত্ৰাসবাদৰ প্ৰতিফলন ঘটিছে সঁচা কিন্তু সেই প্ৰতিফলন হ'ব লাগিব অনন্ত আশাবাদৰ উৎস। সেই আশাবাদে কঢ়িয়াই আনিব সমৃদ্ধি আৰু সম্ভাৱনা।

আমাৰ প্ৰবন্ধৰ শেষত এয়াই আশা কৰিছোঁ সন্ত্ৰাসৰ চিত্ৰই সাহিত্যত ভুমুকি মাৰক। এটা যুগৰ নিষ্ঠুৰতাই আগন্তুক কালৰ মানৱসত্তাক হিংসাৰ পৰা আঁতৰাই আনক। মানুহে আ�ৰম্ভ কৰক পোহৰ প্ৰয়াসী যাত্ৰা।

অসমীয়া অভিবাসী মুছলমান সম্প্ৰদায়ৰ

লোক-সাহিত্য

জহিৰুল হক

সংস্কৃতি এটা জাতিৰ জীৱনধাৰা। জনবিশ্বাস, জনশ্ৰুতি আৰু ধৰ্মীয় বিশ্বাসক ভেটি কৰি যি আচাৰ-অনুষ্ঠান; নৃত্য-গীত, চিত্ৰ-ভাস্কৰ্য বা স্থাপত্য কলা গঢ়ি উঠে তাৰ সমষ্টিয়েই হ'ল লোক-সংস্কৃতি। লোক সাহিত্য লোক সমাজৰ কৰ্মময় জীৱন, লোক বিশ্বাস আৰু পৰম্পৰা আদিৰ ওপৰত ৰচিত। লোক সাহিত্য ৰাইজৰ মুখৰ সাহিত্য; মানৱ জাতিয়ে যুগ যুগ ধৰি যি অভিজ্ঞতা লাভ কৰিলে, যি যি কথা শিকিলে, যি সমূহ চৰ্চা কৰিলে সেই সকলোৰে সঞ্চয়-ভাণ্ডাৰ হ'ল লোক সাহিত্য।

অসম কেৱল নৃতত্ত্বৰে নহয়, ভাষাতত্ত্ব আৰু লোক সংস্কৃতি চৰ্চাৰো ভূস্বৰ্গ। প্ৰাক ঐতিহাসিক যুগৰ পৰা অতি সাম্প্ৰতিক কাললৈকে এই ভূখণ্ডক ভিন ভিন নামেৰে ভিন ভিন বংশীয় ৰজা-মহাৰজাসকলে শাসন বা পৰিচালিত কৰি আহিছে যদিও ইয়াৰ থলুৱা বা প্ৰব্ৰজিত জনগোষ্ঠীবোৰৰ মুখৰ ভাষা বা লালিত পালিত কৰা ধৰ্ম, বিশ্বাস, লোকাচাৰ আদিৰ স্বকীয়তা বিলীন হৈ যোৱা নাই; সকলোবোৰৰ সংমিশ্ৰণ ঘটিহে আজিৰ সুস্থ, সবল আৰু উন্নত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি গঢ় লৈ উঠিছে। প্ৰতিটো জনগোষ্ঠীৰ ভালৰো ভালখিনি অজানিতেই সংমিশ্ৰিত হৈ বৃহত্তৰ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বৰ ভেটি গঢ়ি উঠিছে।

ইতিহাসে ৰিঙিয়াই আছে; মানুহ মাত্ৰেই যাযাবৰ। অসমৰ আন আন জনগোষ্ঠীসমূহৰ দৰে অসমীয়া অভিবাসী মুছলমানসকলেও স্বাধীনতাৰ বহুপূৰ্বে অসমলৈ প্ৰব্ৰজিত হৈছিল। কালৰ সোঁতত এই জনগোষ্ঠীটোৱেই হৈ পৰিল অসমৰ কোনেও নগচকা চৰ-চাপৰিৰ স্থায়ী বাসিন্দা। অসমৰ চৰ-চাপৰি সমূহত মূলতঃ অসমীয়া মুছলমানসকলে ভৰি আছে। অসমৰ চৰ-চাপৰিৰ মুছলমান জনগোষ্ঠীটোক বুজাবলৈ অসমীয়া অভিবাসী অভিধাটো ব্যৱহাৰ কৰা হৈছে।

অসমৰ চৰ-চাপৰিৰ লোক সাহিত্য চৰ চাপৰিৰ লোক জীৱনৰ লগত জড়িত। লোক সাহিত্য হ'ল নিৰক্ষৰ চহা লোকৰ সাহিত্য। আজিকোপতি শিক্ষাৰ বন্তিডাল চৰ-চাপৰিত সম্পূৰ্ণকৈ জ্বলি নুঠাৰ ফলত এই জনগোষ্ঠীটোৰ চালিকাশক্তি হিচাপে লোক-সাহিত্যই কাম কৰি আছে।

সাম্প্ৰতিক কালত দেশে দেশে লোক সাহিত্যৰ অধ্যয়ন আৰু সংৰক্ষণৰ প্ৰতিযোগিতা চলিছে। অসমৰ চৰ-চাপৰিৰ লোক-সংস্কৃতিয়েও বৌদ্ধিক সমাজৰ আকৰ্ষণ লাভ কৰিবলৈ সক্ষম হৈছে। এনে আকৰ্ষণ সুপথত পৰিচালিত কৰিব পাৰিলে আমাৰ জাতীয় জীৱনে অধিক গতিশীলতা লাভ কৰিব বুলি ভবাৰ থল আছে। অসমৰ চৰ-চাপৰিৰ লোক সাহিত্য বৈচিত্ৰ্যময়। চৰ-চাপৰিৰ লোক-সাহিত্যৰ ভিতৰত লোক কাহিনী, লোকগীত, লোকপদ; প্ৰবাদ প্ৰবচন আদিয়েই প্ৰধান। আমাৰ আলোচনাত এই দিশকেইটাক সাঙুৰি লোৱা হৈছে।

লোক কাহিনী ঃ

অসমীয়া অভিবাসী মুছলমানসকলৰ লোক কাহিনীক মূলতঃ তিনিটা ভাগত ভাগ কৰিব পাৰি। এই ভাগকেইটা হ'ল—অতিকথা বা পুৰা কাহিনী, কিম্বদন্তী বা জনশ্রুতিমূলক কাহিনী আৰু সাধুকথা। অতিকথা বা পুৰা কাহিনীবোৰ ইছলাম ধর্মৰ সৈতে সম্পর্কযুক্ত যদিও দুই-চাৰিটা কাহিনীত হিন্দু ধর্মৰ সৈতেও সম্পর্ক ৰক্ষা কৰা পৰিলক্ষিত হয়। এই কাহিনীবোৰৰ বাস্তৱ ভিত্তি নাই যদিও, এইবোৰৰ কথনভঙ্গি ৰসাল আৰু ভাৱোদ্দীপক হোৱাৰ ফলত চৰ-চাপৰিৰ লোক জীৱনৰ অতি আদৰৰ। চৰ-চাপৰিত নানা ধৰণৰ অতিকথাৰ প্রচলন পূর্বৰ পৰাই হৈ আহিছে। এইবোৰৰ ভিতৰত বুঢ়ী আৰু আকাশৰ কাহিনী, ভূমিকম্প আৰু ষাঁড়গৰুৰ কাহিনী, মুর্গা আৰু বেহেস্তৰ কাহিনী, কাৰবালাৰ কাহিনী, কলেৰা আৰু বিভিন্ন ৰোগৰ সৈতে সম্পর্কযুক্ত কাহিনী আদিয়েই প্রধান। চৰ-চাপৰিত প্রচলিত ভূমিকম্প আৰু ষাঁড়গৰুৰ কাহিনী মতে গোটেই পৃথিৱীখন হেনো ষাঁড়গৰু এটাই কান্ধত তুলি ৰাখিছে। ষাঁড়গৰুটোৰ ভাগৰ লাগিলে পৃথিৱীখনক কান্ধৰ এটা অংশৰ পৰা আন এটা অংশলৈ নিয়াৰ লগে লগেই পৃথিৱীখন লৰ-চৰ কৰে আৰু তেতিয়া ভূমিকম্প হয় বুলি কাহিনীত বর্ণনা কৰা আছে। মুর্গা আৰু বেহেস্তৰ কাহিনীমতে মুর্গা বা মতা কুকুৰা চৰায়ে বেহেস্তত অৱস্থান কৰি আছে আৰু বেহেস্তৰ কুকুৰা চৰাইটোৱে ডাক দিলে ফজৰৰ নামাজৰ সময় হয় বা ৰাতি পুৱায়। সূর্য আৰু কাৰবালাৰ কাহিনীমতে সূর্যাস্তৰ দৃশ্যত আকাশখন ৰাঙলী হয়। আকাশখন ৰাঙলী হোৱাৰ লগে লগেই অসমীয়া অভিবাসীসকলে সেয়া কাৰবালাৰ নায়ক হাছান-হুছেইনৰ কেঁচা তেজৰ দাগ বুলি কাহিনীমতে বিশ্বাস কৰে। কলেৰা ৰোগৰ লগত অনেক কাহিনী লোক সমাজত প্রচলন হৈ আছে। কলেৰাৰ কাহিনীমতে গাঁৱৰ মানুহে মাছবোৰ হেনো ভালকৈ ধুই-পখালি নোখোৱাৰ ফলত জলদেৱতাই অসন্তুষ্টি প্রকাশ কৰি তেনে কর্ম কৰা গৃহস্থৰ ঘৰত কলেৰা ৰোগৰ মহামাৰী হিচাপে প্রৱেশ কৰি পৰিয়াল বর্গৰ লগত সমগ্র সমাজবাসীৰ জীৱনলৈ দুর্ভিক্ষ কঢ়িয়াই আনে।

সাধুকথা ঃ

অসমীয়া অভিবাসী মুছলমান সমাজ অতি সহজ-সৰল হোৱা হেতুকে সাধুকথাই বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। জোনাক ৰাতি চোতালত ঢাৰি-পাটি পাৰি লৈ সৰু-বৰ ল'ৰা-ছোৱালী, বৃদ্ধ-বৃদ্ধা, বোৱাৰী-জীয়ৰী আদিক সাধুকথা শুনোৱাটো অতি প্রাচীন প্রথা। চৰ-চাপৰিৰ সমাজত ৰহিম-ৰূপবানৰ সাধু, ডকাইতৰ সাধু, ৰজা-ৰাণীৰ সাধু, ফকীৰৰ সাধু, নাৱৰ সাধু, ধুমুহাৰ সাধু, পৰীৰ সাধু, মধুমতীৰ সাধু, বেওলা-লখীন্দৰৰ সাধু, কালুগাজীৰ সাধু, ফুলমতীৰ সাধু, চিলনীৰ সাধু ইত্যাদি আটাইৰে অতি প্রিয়। ৰহিম-ৰূপবানৰ সাধু মতে কোনোবা এখন দেশত এজন ৰজা আছিল। ৰজাজন নিঃসন্তান আছিল আৰু সেই দেখিয়েই ৰাতিপুৱা শুই উঠি কোনো প্রজাই তেওঁৰ মুখ দেখা নাছিল। তেনে কৰিলে প্রজাৰ দিনটো বেয়া হয় বুলি বিশ্বাস কৰিছিল। (উল্লেখযোগ্য যে আজিকোপতি তেনে বিশ্বাস লোক সমাজত প্রচলিত হৈ আছে)। অৱশেষত ৰজাই উপায়ন্তৰ হৈ আল্লাহ তালাৰ ওচৰত দোৱা ভিক্ষা কৰিলে। ৰজাই এদিনাখন সপোনত দেখা পালে যে তেওঁৰ এটা পুত্র সন্তান জন্ম হ'ব, কিন্তু সেই পুত্র সন্তানৰ জন্মৰ বাৰ দিনৰ দিনাখন বাৰ বছৰীয়া যুৱতীৰ লগত বিবাহ কার্য সম্পন্ন কৰাই দুয়োকে বনবাস নিদিলে তেওঁৰ পুত্র অপমৃত্যু হোৱাৰ লগতে তেওঁৰ দেশৰ অমঙ্গল হ'ব। সপোনত দেখা মতেই ৰজাই এজন পুত্র সন্তান লাভ কৰিলে। যাৰ নাম ৰাখিলে ৰহিম। ৰহিমৰ জন্মৰ পৰা বাৰদিনৰ দিনা ৰূপবান নামৰএজনী ৰূপৱতী গাভৰুৰ লগত বিবাহ সম্পন্ন কৰাই দিয়ে আৰু দুয়োকে বনবাসলৈ প্রেৰণ কৰে। বনত ৰূপবান কন্যাই বাৰদিনীয়া স্বামীক বাঘে খাবলৈ অহাত বাঘক কাকুতি-মিনতি কৰি গীত জুৰে এনেদৰে—

"খাই অ'না খাই অ' না বাঘৰে
অ' বাঘৰে খাই অ' না মোৰ পতিৰে
বনেৰ বাঘ, বাঘৰে
বাৰ দিনৰ পতিৰ সনেৰে
অ' বাঘৰে কোন কন্যাৰ হয় বিয়াৰে
বনেৰ বাঘ, বাঘৰে"[১]

ৰূপবান কন্যাৰ কাতৰ বিননি শুনি বনৰ বাঘৰ মায়া উপজে আৰু ৰহিমক নাখাই বনলৈ গুচি যায়। চৰ-চাপৰিত আন এক প্রকাৰৰ লোক কাহিনী হ'ল কাহিনী গীত। কাহিনী গীতত গীতৰ আকাৰে কাহিনীবোৰ গাই যোৱা হয়। কবিগান হ'ল কাহিনী গীতৰ অন্যতম উদাহৰণ। কবিগানত ওজাপালিৰ সূত্রধাৰৰ নিচিনাকৈ এজন দক্ষ ব্যক্তিয়ে সৃষ্টিকর্তা, গুৰুজন আৰু উপস্থিত দর্শকক প্রণাম কৰি আগে আগে কোনো কাহিনী গীত আকাৰে গাই যায় আৰু পালি সদৃশ দোহাৰি সকলে পাছত দোহাৰি ধৰি গীতবোৰ গাই যায়। কবিগানত কেতিয়াবা ৰামায়ণ-মহাভাৰত, কেতিয়াবা কোৰাণ তথা আন কোনো পবিত্র ধর্মগ্রন্থৰ একো একোটি অধ্যায়ক কাহিনী আকাৰে কথোপকথন ভঙ্গি আৰু গীতৰ মাজেৰে বর্ণনা কৰি দর্শকৰ মন মোহে। কবিগানৰ কাহিনীবোৰে কেতিয়াবা কেতিয়াবা পৰিস্থিতি সাপেক্ষে গতি কৰাও পৰিলক্ষিত হয়। কবিগানত বহুক্ষেত্রত লোক পৰিৱেশ্য কলাৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। গতিকে দেখা যায় যে চৰ-চাপৰিৰ অসমীয়া অভিবাসী মুছলমান সকলৰ লোক জীৱন লোক কাহিনীৰে ভৰপূৰ হৈ আছে। এই কাহিনীবোৰে দৈনন্দিন জীৱনৰো চালিকা শক্তি ৰূপে কাম কৰি আহিছে।

লোকগীত ঃ

লোক-সাহিত্যৰ অন্যতম অংগ হ'ল লোকগীত। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ ভাষাত—"লোকগীত আৰু লোক সংগীতৰ কোলাতেই আমাৰ লোক সাহিত্য উমলৈ শুই আছে"। লোকগীত সাম্প্রদায়িক চেতনা উর্ধত; লোকগীত হৈছে সাধাৰণ হোজা মানুহৰ মুখৰ গীত। শ্রমজীৱী মানুহৰ কোনো ধর্ম নাই, কোনো জাতি নাই।

অসমীয়া অভিবাসী সম্প্রদায়টোৰ লোক জীৱন লোকগীতে জীপাল কৰি ৰাখিছে। আমি ভাবিলে আচৰিত নহৈ নোৱাৰোঁ যে চৰ-চাপৰিৰ দুখীয়া কৃষক শ্রেণীয়ে দিনটো কঠোৰ পৰিশ্রম কৰি থকা সময়তেই কেৱল এই গীতবোৰ নাগায় ৰৱং ৰাতি ভাত-পানী খাই বিচনাত শুই বহু ৰাতিলৈকে এই গীতবোৰ আওৰাই মনক শান্তি দিয়ে। চৰ-চাপৰিৰ লোক গীত বুলি ক'লে—পল্লী গীত, ভাটিয়ালি গীত, ভাৱাইয়া গীত, মাৰফতী গীত, ধোৱা গীত, পালা গান, দৰিয়া পীৰ গীত, গাজীবাবাৰ গীত, সত্য পীৰৰ গীত, বয়ানি গীত, বিচ্ছেদ গীত, বিয়া গীত, দোলান গীত, জাৰী গান, সখিপতা গীত, বাৰমাহী গীত, লাঠিবাৰী গীত, মাগন গীতৰ উপৰিও বিভিন্ন উৎসৱ আৰু খেল-ধেমালি আদিৰ লগত সম্পর্কযুক্ত গীতৰ কথাকেই ক'ব লাগিব। এই গীতবোৰ মূলতঃ কৃষি জীৱন আৰু প্রকৃতিৰ সৈতে জড়িত আৰু এই গীতবোৰৰ মূল উপপাদ্য হ'ল মানৱ প্রেম, ভগৱত প্রেম আৰু জীৱনৰ আনন্দ-বিষাদ আদি।

চৰ-চাপৰিৰ লোক সমাজত আটাইতকৈ জনপ্রিয় গীত হ'ল পল্লীগীত। পল্লী শব্দৰ অর্থ হ'ল গাঁও। সেয়ে এই গীতবোৰত গাঁৱলীয়া বা গাঁও ভিত্তিক গীত বুলি কোৱা হয়। ভাটিয়ালি, ভাৱাইয়া, বিচ্ছেদ গীত আদিবোৰ পল্লীগীতৰ ভিতৰতে পৰে। অভিবাসী সম্প্রদায়টোৰ মাজত আন এবিধ গীত হ'ল ভটিয়ালি গীত। এইবিধ গীত নামনি অসমৰ চৰ-চাপৰিৰ লোকৰ সৃষ্টি। নৈৰ মাজত নাও মেলি পাল তৰি দিয়াৰ পিছত নাৱৰীয়াই নাৱৰ বঠা ধৰে আৰু নাও, নৈ, পানী, দূৰ-দিগন্ত, নৈৰ সোঁত,

নীলাকাশ আদিৰ নৈসৰ্গিক সৌন্দৰ্যত আত্মহাৰা হৈ এই গীতবোৰ গায়। এই গীতবোৰ নদীকেন্দ্রিক হ'লেও নাৱৰীয়াৰ উপৰি গৰখীয়া আদিয়েও এই গীতবোৰ গায়। ভাটিয়ালি গীতবোৰত অসমৰ ঐতিহ্যৰ প্রতিফলন ঘটিছে। নৈপৰীয়া জীৱন, নৈৰ সৈতে প্রেম আৰু নৈৰ মাজেৰে হোৱা প্রব্রজনৰ ইতিহাসৰ লগতে নৈৰ ভঙা-গঢ়াৰ ইতিহাসৰ কথাও প্রকাশ পাইছে। তেনে এটি গীত হ'ল—

"পদ্ম হইতে আইলাম আমি আসামেৰি চৰ
বৰমপুত্রই ভাঙলো আমাৰ সেইনা সোণাৰ চৰ
সেই ঘৰ ছাৰিয়া যাব কুথাই উপায় বলনা
সাৰা জীৱন দুঃখে গেল আৰতো সহেনা"[২]

চৰ-চাপৰিত দোতাৰা বজাই গোৱা আন এবিধ অতি প্রিয় গীত হৈছে ভাৱাইয়া গীত। এই গীতবোৰত ওকি, অ'কি, গাড়িয়াল, জুৰিয়া ইত্যাদি শব্দৰ ব্যৱহাৰ সঘনাই হোৱা দেখা যায়। চৰ-চাপৰিত বয়সীয়াল লোকৰ মাজত অতি প্রিয় আন এবিধ গীত হ'ল মাৰফতি গীত। এই গীতবোৰ দেহ বিচাৰৰ গীতৰ সম পর্যায়ৰ। সৃষ্টিতত্ত্ব, দেহতত্ত্ব, নবীতত্ত্ব, কৃষ্ণ তত্ত্ব, নাৰীতত্ত্ব আদিক কেন্দ্র কৰি এইবোৰ ৰচিত হৈছে। ইছলাম, হিন্দু ধর্মৰ উপৰি ঠাই বিশেষে বৌদ্ধ ধর্মৰ প্রভাৱো এই গীতবোৰত পৰিলক্ষিত হয়। খেতিৰ কাম কৰোঁতে গোৱা এবিধ গীতৰ নাম ধুৱাগীত। কামৰ ক্লান্তি দূৰ কৰিবলৈ এই গীতবোৰ প্রথম এজনে গাই যায়, বাকীবোৰে সেই শাৰীবোৰেই দোহাৰি ধৰে।

অসমীয়া জাতীয় উৎসৱ বিহুত হুঁচৰি গাই গৃহস্থক আশীর্বাদ দিয়াৰ অনুৰূপে চৰ-চাপৰিৰ গৰখীয়ায়ো গৃহস্থৰ ঘৰে ঘৰে গৈ গীত গাই ধান-চাউল, টকা-পইচা উঠাই উৰুকাত ভোজ-ভাত খোৱা পর্বক কোৱা হয় মাগনগোৱা পর্ব আৰু এই অনুষ্ঠানৰ গীতবোৰক কোৱা হয় মাগনগীত। ইয়াৰ উপৰি বাৰমাহীগীত, সখিপতা গীত, গৰখীয়া গীত, জাৰি গীত ইত্যাদিয়ে চৰ-চাপৰিৰ লোক জীৱন বৈচিত্র্যময় কৰি তুলিছে। এই গীতবোৰ চৰ-চাপৰিৰ অসমীয়াৰ অতিকৈ আপোন আৰু প্রত্যেকজন চৰ-চাপৰিবাসীয়ে এই গীতবোৰ আওৰাই চৰ-চাপৰিৰ লোক জীৱন ছন্দময় কৰি তোলে।

লোকপদ ঃ

লোক-সাহিত্যৰ এক গুৰুত্বপূর্ণ অংগ হৈছে লোকপদ। লোকপদবোৰ লোকগীত আৰু লোক কথাৰেই এক এৰাব নোৱৰা অংগ। এই পদবোৰক লৌকিক আৰু অলৌকিক এই দুটা ভাগত ভাগ কৰিব পৰা যায়। চৰ-চাপৰিত প্রচলিত নিচুকনি পদবোৰ লৌকিক পদৰ অন্যতম উদাহৰণ। কেঁচুৰাক টোপনি নিয়াবলৈ, কন্দা-কটা বন্ধ কৰাবলৈ নিচুকনি গীত-পদবোৰ গোৱা হয়। তেনে এটি নিচুকনি গীত হ'ল—

"আয় চান আৰিয়া
বাদ (ভাত) দিমু বাৰিয়া
উন্না মাসে ঘোৰা দিমু বাইশ্যা মাসে নাও দিমু
আমগো সোনাৰে ঘুম দিয়া যায়।"[৩]

চৰ-চাপৰিৰ অঞ্চল বিশেষে মার্ছিয়া গীত, নৃত্যৰ লগত জড়িত অনেক গীতপদ গোৱা হয়। চৰ-চাপৰিৰ লোক সাহিত্যক খেল-ধেমালিৰ লগত জড়িত গীত পদবোৰে অধিক আকর্ষণীয় কৰি তুলিছে। লাঠি-বাৰী খেলৰ গীত পদবোৰে চৰ-চাপৰিবাসীৰ লগতে সর্বসাধাৰণক আকর্ষণ কৰে। লাঠি-বাৰী খেলৰ সর্দাৰে ভিন্ন বিষয়ৰ গীত-পদ গাই খেলৰ মাজেৰে জীৱনৰ একো একোটা গুৰুত্বপূর্ণ বিষয়ক উপস্থাপন কৰে। লাঠি-বাৰী খেলৰ এটি গীত পদৰ উল্লেখ কৰা হ'ল—

"হাৰে আল্লা আল্লা বলো ভাই নবীকৰ সাৰ
নবীৰ কলেমা পইৰাইয়া যাও পাৰ।"[৪]

সৰু ল'ৰা-ছোৱালীৰ দোলন খেলৰ লগতে বহুত গীত-পদ জড়িত হৈ আছে। ল'ৰা-ছোৱালীৰ মাজত এই গীত পদবোৰ অতি আদৰৰ। এই পদবোৰ ধেমেলীয়া যদিও বহু সময়ত উদ্দেশ্যধর্মীও

"বুইনেৰ জামাই কোলদাইৰা
বুইনেৰ নিগা আনছাওকি
পান-শুবাৰি আৰ কি
আয় শ্বালা কান মুছৰি।"[৫]

চৰ-চাপৰিত প্রচলিত টংকীবাৰী বা দাং গুটি খেলৰ লগতো বহুত গীত-পদ জড়িত হৈ আছে। এই পদবোৰে খেলটোক সাংগীতিক লয় প্রদান কৰিছে। চৰ-চাপৰিৰ জনগোষ্ঠী নদীকেন্দ্রিক। নদীত মাছ ধৰোঁতেও বিভিন্ন গীত-পদ গোৱা পৰিলক্ষিত হয়। এই গীত-পদবোৰ পদ বা কথাৰ আকাৰত গোৱাৰ নিয়ম। বৰশীত বহু সংখ্যক মাছে যাতে খুটে আৰু মাছুৰেও যাতে মাছেৰে খালৈ ভর্ত্তি কৰি ঘৰলৈ ওভতিব পাৰে সেই আশাত মন্ত্র জাতীয় অনেক গীত-পদ গায়—

"থুৰি-বুৰি আইসটা
মাছ ধৰবি বাইছটা
যদি মাছ না ধৰছ
শুকনাই পইৰা মৰছ।"[৬]

চৰ-চাপৰিৰ সমাজত কাতি বিহুক গাশ্বি উৎসৱ হিচাপে পালন কৰাৰ প্রথা প্রচলিত। এই গাশ্বিৰ ৰাতি বিভিন্ন ধৰণৰ মন্ত্রক বুঢ়া-বুঢ়ীয়ে ডেকা চামক শিকাই দিয়াৰ নিয়ম। যাক মন্ত্র জ্বালাই কৰা প্রথা বুলি কোৱা হয়। গাশ্বিৰ ৰাতি ফল নধৰা গছক কোবাই কোবাই বিভিন্ন পদ পাঠ কৰাৰ নিয়ম, তেনে কৰিলে ফল নিদিয়া গছে পিছৰ বছৰত ফল দিয়ে বুলি বিশ্বাস কৰা হয়।

চৰ-চাপৰিৰ লোক পদবোৰকত কিছুমান অলৌকিক লোক পদৰ শাৰীত পেলাব পাৰি। এইবোৰত মূলতঃ অন্ধবিশ্বাস জড়িত হৈ আছে। বিভিন্ন বেমাৰত জৰা-ফুকাবোৰ এই শ্রেণীত পেলাব পাৰি। ভূত-প্রেত খেদিবলৈ কবিৰাজে এই পদবোৰ ব্যৱহাৰ কৰে। অৱশ্যে মৌলবী বা ইছলাম ধর্মগুৰুসকলে কৰা জৰা-ফুকাবোৰত পবিত্র কোৰাণ হদিছৰ পৰা লোৱা দেখা যায়।

প্রবাদ প্রবচন আৰু সাঁথৰ ঃ

'প্রবচন' শব্দৰ অর্থ হ'ল প্রকৃষ্ট বা উৎকৃষ্ট বচন। প্রবচনবোৰ চুটি চুটি কিন্তু তত্ত্ব গধুৰ। চৰ-চাপৰিৰ প্রবচনবোৰক আমি ছটা ভাগত ভগাব পাৰোঁ। যেনে—ফকৰা, যোজনা, পটন্তৰ, বচন, নীতিবচন আৰু বাণী। ফকৰাবোৰ ধেমেলীয়া পদ। এই ফকৰাবোৰৰ মাজেৰে চৰ-চাপৰিৰ জীৱন প্রকৃতি, ৰিপুজনিত বিষয়, খাদ্যাভাস, দৈনন্দিন ক্রিয়া-কর্ম আদিৰ বিষয়ে বর্ণনা কৰা হয়। যোজনাবোৰত এটা প্রসঙ্গৰ লগত আন এটা প্রসঙ্গৰ লগ লগোৱা হয়। পটন্তৰক গাঁৱলীয়া ভাষাত দৃষ্টান্ত বুলিও কোৱা হয়। এইবোৰত উদাহৰণৰ সৈতে বুজাই দিয়া হয়। অসমৰ চৰ-চাপৰিৰ লোক-সাহিত্যত ডাকৰ বচন সদৃশ অনেক বচনৰ প্রচলন থকা দেখা যায়। নীতি বচন হ'ল চৰ-চাপৰিবাসীয়ে দৈনন্দিন জীৱনত মানি চলা কিছুমান কথাৰ বর্ণনা। আনহাতে বাণীবোৰ হ'ল মহৎ লোকৰ মুখৰ বাণী—যিবোৰ চৰ-চাপৰিবাসীয়ে সদা-সর্বদায় শ্রদ্ধা সহকাৰে মানি চলে। চৰ-চাপৰিত প্রচলিত কেইটিমান প্রবচন উল্লেখ কৰা হ'ল—

"খ্যাতেৰ কোনা বাণিজ্যেৰ সোণা"[৭] — অর্থাৎ খেতিৰ এচুক ব্যৱসায়ত পোৱা সোণৰ সমান।

"মোল্লাৰ দৌৰ মছজিদ ত'ৰি"[৮] — অর্থাৎ ইয়াৰ দ্বাৰা ব্যক্তি বিশেষৰ

জ্ঞানৰ পৰিধিৰ কথাকেই বুজাইছে।

"নাই দেসে বিছা কলা সন্দেশ"[৯] — অর্থাৎ যি দেশত একো নাই সেই দেশত বিছা বা ভীমকলেই উৎকৃষ্ট।

"বেছা গৰুৰ দাঁত দেহা"[১০] — অর্থাৎ পাৰ হৈ যোৱা কামৰ দোষ বিচৰা।

"ঠেলায় পৰলে বাঘেও ঘাস খায়"[১১] — অর্থাৎ বিপদত পৰিলে সাত পুৰুষত নকৰা কামও কৰিব লগা হয়।

চৰ-চাপৰিত প্ৰচলিত এনে প্ৰবচন লোক জীৱনত প্ৰয়োগ হৈ দৈনন্দিন জীৱনানন্দ মুখৰ কৰি ৰাখে। এই প্ৰবচনবোৰ ব্যৱহাৰ কৰি চৰ-চাপৰিবাসীয়ে গৌৰৱ কৰে। চৰ-চাপৰিত প্ৰচলিত মাতাব্দৰী প্ৰথাত মাতাব্দৰ সকলে একো একোটি কঠিন বিচাৰ প্ৰবচন একোটাৰে ৰায়-মীমাংসা কৰি দিয়ে। ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে যোজনা-ফকৰা সমূহক লোক সাহিত্যৰ শুভাষিতাৱলী বুলি উল্লেখ কৰিছে।

সাঁথৰ ঃ

চৰ-চাপৰিৰ সাঁথৰবোৰক 'মান' বা শ্বিলুক বুলি কোৱা হয়। অর্থাৎ সাঁথৰবোৰৰ জৰিয়তে একো একোটা প্ৰশ্ন কৰা হয় আৰু তাৰ অর্থ বা 'মানে' বিচৰা হয়। সাঁথৰবোৰ ৰহস্যময় কথাৰ ভঁৰাল। এইবোৰ ৰূপকধর্মী। সাঁথৰবোৰ পদৰ আকাৰত উচ্চাৰণ কৰা হয় আৰু উত্তৰবোৰ দুটা-এটা শব্দৰ মাজত বিচৰা হয়। সাঁথৰবোৰৰ মাজেৰে চৰ-চাপৰিৰ লোক জীৱন সার্থকভাৱে প্ৰতিফলিত হয়। বিভিন্ন অনুষ্ঠানত এই সাঁথৰবোৰ সোধাৰ নিয়ম প্ৰচলিত হৈ আছে। সাধাৰণতে বিয়া অনুষ্ঠানত দৰা-কইনা দুয়ো পক্ষৰ মাজত এই সাঁথৰবোৰেৰে কথাৰ কটা-কটি কৰাৰ প্ৰতিযোগিতা চলে। যি দলে জয়ী হয় সেই দলক বেছি জ্ঞানী বুলি ভবা হয় আৰু জয়ী দলে পৰাজিত দলক নানা ধৰণে ধিক্কাৰ দিয়ে। তলত কেইটিমান সাঁথৰৰ উল্লেখ কৰা হ'ল—

"সর্বক্ষণে আমি থাকি
সর্বকালে খায়
সর্বসৃষ্টি আমাৰ মদ্ধে
সর্ব জাগায় পায়।"[১২] —উত্তৰ ঃ বাতাশ (বতাহ)।

"খোদাৰ কি কাম
এক ঘৰে এক খাম।"[১৩] —উত্তৰ ঃ ছাতিৰ ডাঠ।

"তুমি থাক খালে
আমি থাক ডালে
তোমাৰ আমাৰ দেখা হইব মৌতেৰ কালে।"[১৪] উত্তৰ ঃ মাছ আৰু জলকীয়া।

"এক গেলাছে দুই নমুনাৰ পানী
যে নাই কয়া সাৰব
তাৰ বুইনেৰ জামাই আমি।"[১৫] — উত্তৰ ঃ আণ্ডা (কণী)।

ঘৰৰ বুঢ়া আইতা বা শাহুআয়ে পো-বোৱাৰীসকলক নানা কামৰ দিহা দিয়ে এই সাঁথৰবোৰৰ মাজেৰে। সাঁথৰবোৰে চৰ-চাপৰি লোক সাহিত্যৰ ভঁৰাল চহকী কৰি ৰাখিছে। যুগ যুগ ধৰি সাঁথৰবোৰ মানুহৰ মুখ বাগৰি অহাৰ ফলত অঞ্চল বিশেষে সাঁথৰবোৰে ভিন্ন ৰূপ পৰিগ্ৰহণ কৰিছে আৰু এইবোৰৰ অর্থৰো ভিন্নতা পৰিলক্ষিত হয়। তলত কেইটামান সাঁথৰ উল্লেখ কৰা হ'ল—

"তিন আখৰে নাম যাৰ
জলে বাস কৰে
মদ্ধেৰ আখৰ বাদ দিলে
উইৰা টাইতে পাৰে।"[১৬] —উত্তৰ ঃ চিতল আৰু চিল (চিলনী)।

"এক জাত কলম্বেৰ দুই জাত পানী
এই শ্বিলুক যে বাঙ্গাইতে পাৰে
তাৰে আমি উস্তাদ মানি।"[১৭] —উত্তৰ ঃ কণী।

"চনেৰ দেশে বনেৰ আহাল
পক্ষী আইনা ডৰে
এইৰম দুইডা পক্ষী আছে
তিৰে মনে ঘুৰে।"[১৮] — উত্তৰ ঃ চন্দ্ৰ আৰু সূর্য

সামৰণিত আমি ইয়াকে ক'ব পাৰোঁ যে চৰ-চাপৰিৰ লোক-সাহিত্যৰ অধ্যয়নে অসমীয়া লোক-সাহিত্যৰ পথাৰখনিত নিত্য-নতুন তথ্যৰ সংযোজন ঘটাবলৈ সক্ষম হৈছে। অসমীয়া বাৰেবৰণীয়া লোক-সাহিত্যৰ ক্ষেত্ৰখনত অসমীয়া অভিবাসী মুছলমান বা চৰ-চাপৰিৰ অসমীয়া মুছলমান সকলৰ লোক-সাহিত্যই অধিক গতিশীলতা প্ৰদান কৰি বিশ্ব দৰবাৰত নিজৰ গৌৰৱ অক্ষুণ্ণ ৰখাত সহায়ক হৈ পৰিছে।

পাদটীকা ঃ

১,২,৩,৪ — সংবাদদাতা, আলী, ইদ্রিচ (২৪), পুৰুষ, গাঁও—গৰৈমাৰী চৰ।

৫,৬,৭,৮,৯,১০ —সংবাদদাতা, কাদেৰ আব্দুল (৪০), পুৰুষ, গাঁও—মাহতলী।

১১,১২,১৩,১৪ — আলী, ৰজব (৫০), পুৰুষ, গাঁও—ডেকাচাং।

১৫, — খাতুন জায়েদা (৬০), মহিলা, গাঁও—গৰৈমাৰী চৰ।

১৬, — মল্লিক, আমিনুল হক (৪৫), পুৰুষ, গাঁও—দলৈগাঁও, মৈৰাবাৰী।

১৭, — ওৱাহাব, আব্দুল (৫০), পুৰুষ, গাঁও—কছৰিবৰী, লাহৰীঘাট।

১৮, ——— ইছলাম, বাহাৰুল (২৬), পুৰুষ, গাঁও—তাতিকাটা, মৈৰাবাৰী।

গ্ৰন্থপঞ্জী

ইছলাম, ছাহিদুল (সম্পা.)। অসমৰ মিঞা জনগোষ্ঠীৰ সমাজ আৰু লোক-সংস্কৃতি। অসম সাহিত্য সভাৰ কলগাচিয়া বার্ষিক অধিবেশন, ২০০২।

ওৱাহাব, আব্দুল (সম্পা.)। পয়েস্তী, স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভাৰ তৃতীয় চৰ-চাপৰি সম্মিলন, ২০০২।


কৰিম, ৰেজাউল (সম্পা.)। কাইশা, অসম সাহিত্য সভাৰ কলগাছিয়া, বিশেষ বার্ষিক অধিবেশন, ২০০২।

হোছেইন, ইছমাইল। অসমৰ চৰ-চাপৰিৰ লোক-সাহিত্য, বনলতা, গুৱাহাটী, ২০০২।

বৰুৱা, বিৰিঞ্চি কুমাৰ। অসমৰ লোক-সংস্কৃতি, বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৬১।

চৰুৱা শব্দবোৰৰ অসমীয়া অর্থ ঃ

১। উন্না -	খৰালি কাল
২। বাইশ্যা -	বাৰিষা কাল
৩। জ্বালাই -	পাঠ কৰি শিকোৱা কার্য
৪। জামাই -	জোঁৱাই
৫। শ্বালা -	খুলশালী
৬। শ্বিলুক -	সাঁথৰ



বিচিত্র পতংগভোজী উদ্ভিদ

জিয়াৰুল চৌধুৰী

আৰম্ভণি ঃ প্ৰকৃতিৰ এক অদ্ভুত, আশ্চৰ্যজনক আৰু মনোমোহা নিদৰ্শন হ'ল পতংগভোজী উদ্ভিদ বা কাৰ্নিভ'ৰাছ প্লাণ্ট। আন এক ইংৰাজী প্ৰতিশব্দ Insectivorous Plant। জীয়াই থাকিবলৈ এই উদ্ভিদবোৰে খাদ্যৰ বাবে প্ৰাণীৰ ওপৰত প্ৰধানকৈ ক্ষুদ্ৰ ক্ষুদ্ৰ পোক-পতংগৰ ওপৰত নিৰ্ভৰ কৰে। পতংগভোজী উদ্ভিদবোৰ সাধাৰণতে আন উদ্ভিদৰ দৰেই সেউজীয়া আৰু সালোক-সংশ্লেষণ ঘটাব পৰা বিধৰ। ইহঁতে কিছুমান বিশেষ জটিল আৰু বেমেজালিপূৰ্ণ প্ৰক্ৰিয়াৰে ফান্দ পাতি সৰু সৰু পতংগবোৰ চিকাৰ কৰে আৰু নিজৰ পৰিপুষ্টি সাধন কৰে। নাইট্ৰ'জেনৰ অভাৱ থকা, প্ৰতিকূল পৰিবেশত, বিশেষকৈ সেমেকা ঠাইত এই উদ্ভিদবোৰ গজে। নাইট্ৰ'জেন, ফ'ছফৰাছ আৰু প্ৰ'টিন লাভৰ বাবে এইবোৰে পতংগৰ ওপৰত নিৰ্ভৰ কৰে।

ব্ৰিটিছ উদ্ভিদ বিজ্ঞানী জে. ডি. হুকাৰ (J.D. Hooker)-এ আগবঢ়োৱা এক তথ্যমতে, পতংগভোজী উদ্ভিদৰ পাচনতন্ত্ৰত দুই ধৰণৰ উৎসেচক (Enzyme) পোৱা যায়—

(ক) প্ৰাণী আৰু উদ্ভিদ উভয়ৰে পাচনতন্ত্ৰত পোৱা উৎসেচক, আৰু

(খ) মানুহৰ পাকস্থলীত পোৱা উৎসেচক। (যেনে— ত্ৰিপচিন) আমেৰিকান বিজ্ঞানী বেষ্টিন (Bastin)এ জনাইছে যে— "Some Carnivorous Plants of today could be the 'man-eaters' of tomorrow.

চিকাৰ বন্দী কৰা কৌশল বা Trapping Mechanism :

পতংগভোজী উদ্ভিদৰ চিকাৰ ফান্দ পতা কৌশল বা Trapping Mechanism অতি ৰোমাঞ্চকৰ। এইবোৰত অতি সাধাৰণতে পোৱা কিছুমান Trapping Mechanism হ'ল—

১। Pitfall Traps (এই কৌশলত মেৰ বা পাক খোৱা পাতবোৰত চিকাৰক বন্দী কৰা হয়। পাতবোৰ পাচক উৎসেচকযুক্ত)।

২। Flypaper Traps (ইয়াত কিছুমান আঠাজাতীয় দ্ৰব্যৰে চিকাৰক আবদ্ধ কৰা হয়।)

৩। Bladder Traps (কিছুমান ক্ষুদ্ৰ মোনাকৃতিৰ টেমুনা সৃষ্টি কৰি শোহা মাৰি পোক-পতংগক বন্দী কৰা হয়।)

৪। Snap Trap (পত্ৰৰ তীব্ৰ চলনৰ দ্বাৰা পোক-পতংগক আৱদ্ধ কৰা হয়।)

৫। Lobster-Pot Trap (কলহ আকৃতিৰ অংশৰ ভিতৰ ফালে থকা ওলোটামুখীকৈ সজ্জিত শুংবোৰৰ সহায়ত পাচক উৎসেচক যুক্ত অংশত প্ৰবেশ কৰিবলৈ চিকাৰৰ ওপৰত বল প্ৰয়োগ কৰা হয়।)


পতংগভোজী উদ্ভিদৰ প্ৰকাৰ ঃ পৃথিৱীৰ বিভিন্ন অঞ্চলত পোৱা কেইবিধমান উল্লেখযোগ্য পতংগভোজী উদ্ভিদ বা চিকাৰী গছ হ'ল—

১। কলহ উদ্ভিদ বা কলচি উদ্ভিদ (Nepenthes)

২। সূৰ্যমুকুতা/ৰ'দমুকুতা/ড্ৰ'ছেৰা (Drosera) বা Sundew.

৩। ইউট্ৰিকুলেৰিয়া (Utricularia) বা ব্লাডাৰওৱৰ্টছ্ (Bladderworts)

৪। চেৰাচেনিয়া (Sarracenia)
৫। জেনলিচি (Genlisea)
৬। চেফাল'টাচ (Cephalotus)
৭। ডায়'নিয়া (Dionaea) বা ভেনাচ ফ্লাই ট্রেপ (Venus Fly Trap)
৮। পিংগুই কুলা (Pinguicula) বা বাটাৰওৰ্টছ (Butterwort)
৯। এলড্রে'ভেন্দা (Aldrovanda)
১০। ডার্লিংটনিয়া কেলিফর্ণিকা (Darlingtonia Californica)
ইত্যাদি।




কেইবিধমান পতংগভোজী উদ্ভিদ আৰু ইহঁতৰ গুৰুত্ব ঃ

১। কলহ উদ্ভিদ বা Nepenthes ঃ 'Nepenthes' শব্দটো গ্রীক শব্দ Nepenthe ৰ পৰা উদ্ভৱ হৈছে; যাৰ অর্থ without care.

কলহ উদ্ভিদবোৰ সাধাৰণতে দীঘলীয়া লতাজাতীয় অথবা সৰু সৰু জোপোহা উদ্ভিদ। ইয়াৰ কমেও ৭০ বিধ প্রজাতি আৱিষ্কৃত হৈছে। এই কলহ উদ্ভিদবোৰ দক্ষিণ চীনৰ পৰা উত্তৰ-পূব অষ্ট্রেলিয়া আৰু নতুন কেলিডনিয়ালৈ বিয়পি আছে। ভাৰতবর্ষৰ উত্তৰ-পূর্বাঞ্চলৰ মেঘালয়ৰ গাৰো, খাচী আৰু জয়ন্তীয়া পাহাৰত এই উদ্ভিদবোৰ পোৱা যায়।

চিকাৰ ধৰা পদ্ধতি ঃ Nepenthes বা কলহ উদ্ভিদবোৰৰ পাতৰ অগ্রভাগ ৰূপান্তৰিত হৈ একোটা কলহৰ আকৃতি লয়। কলহটোৰ একোখন ঢাকনিও থাকে। বাহিৰৰ পৰা কলহটো দেখিবলৈ বৰ উজ্জ্বল আৰু আকর্ষণীয় হয়, যাৰ বাবে সম্ভৱতঃ পোক-পতংগবোৰ কলহটোৰ প্রতি সহজেই আকর্ষিত হয়।

কলহটোৰ ভিতৰত কিছুমান ওলোটামুখী শুং আৰু কিছু পৰিমাণে আম্লিক উৎসেচকযুক্ত ৰস থাকে। যেতিয়াই কোনো পতংগ কলহটোৰ ভিতৰত খাদ্যৰ সন্ধানত সোমায় তেতিয়াই সি পিছলি ভিতৰত পৰি যায়; যিহেতু কলহৰ ভিতৰৰ বেৰখনো পিছল প্রকৃতিৰ। তাৰ পিছত ঢাকনিখন আপোনা-আপুনি জাপ খাই পৰে। ওলোটামুখী শুংবোৰৰ বাবে পৰুৱাটো ওপৰলৈ উঠি আহিব নোৱাৰে আৰু কলহৰ ভিতৰত থকা আম্লিক ৰসে তাক মাৰি পেলায়। এনেদৰে তাৰ দেহৰ পৰা উদ্ভিদজোপাই নাইট্র'জেন শুহি লয়।



গুৰুত্ব আৰু ব্যৱহাৰ ঃ কলহ উদ্ভিদৰ গুৰুত্ব আৰু ব্যৱহাৰ তলত উল্লেখ কৰা হ'ল—

১। কলহ উদ্ভিদৰ গা-গছডাল বৰ টান। যাৰ বাবে মালয়েছিয়াৰ বাসিন্দাবোৰে এইবোৰক টান জৰি বনাবলৈ ব্যৱহাৰ কৰে।

২। দক্ষিণ-পূব এছিয়াৰ মানুহবোৰে পানী ভৰাবলৈ এই কলহবোৰ ব্যৱহাৰ কৰে।

৩। এই উদ্ভিদবোৰক কিছুমানে 'মাংকী কাপ' (Monkey Cup) বোলে। কাৰণ গৰমৰ দিনত ডাঙৰ প্রজাতিৰ Ape, বিশেষকৈ ওৰাংওটানবোৰে কলহৰ ভিতৰত থকা পিত-হালধীয়া বৰণৰ ৰসবোৰ পিয়াহ পলুৱাবলৈ খায়। কলহটোৰ ঢাকনিখনত লাগি থকা পানীৰ টোপালবোৰ মৌ-জোলৰ দৰে সুমিষ্ট।

৪। মেঘালয়ৰ গাৰো, খাচী আৰু জয়ন্তীয়া পাহাৰত পোৱা কলহ উদ্ভিদবোৰ, কলহৰ ভিতৰত আবদ্ধ পতংগেৰে সৈতে খুন্দি, গুড়ি কৰি, পানী মিহলি কৰি কলেৰা ৰোগীক খাবলৈ দিয়া হয়।

৫। কলহৰ ভিতৰত পোৱা ৰসবিধ মূত্রনলীৰ বিভিন্ন ৰোগৰ উপশম ঘটাবলৈ নিৰাময়ক হিচাপে ব্যৱহাৰ কৰা হয়।

৬। কিছুমানে এই ৰস চকুৰ খজুৰতি আৰু বর্ণান্ধতা ৰোগ আঁতৰাবলৈ ব্যৱহাৰ কৰে।

উদাহৰণ ঃ কেইবিধমান কলহ উদ্ভিদৰ উদাহৰণ হ'ল— Nepenthes alata, N. Fleva, N. Pilosa, N. Villaosa, N. Lowii, N. Masoalensis, N. Khasiana ইত্যাদি।

২। ড্র'ছেৰা (Drosera) বা ৰ'দমুকুতা (Sundew) ঃ এই পতংগভোজী উদ্ভিদবোৰৰ ১০৪ বিধতকৈও বেছি প্রজাতি পৃথিৱীৰ বিভিন্ন অঞ্চলত বিয়পি আছে। ইয়াৰ অর্ধেক অংশ কেৱল অষ্ট্রেলিয়া আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলতেই পোৱা যায়। ভাৰতবর্ষৰ হিমালয়, মধ্যপ্রদেশ আৰু দক্ষিণ ভাৰতত ইয়াৰ তিনিবিধ প্রজাতি চিনাক্ত কৰা হৈছে।

চিকাৰ ধৰা পদ্ধতি ঃ ড্র'ছেৰাৰ পত্রফলকৰ পৰা অসংখ্য চুলিসদৃশ গ্রন্থি ওলায়। এই চুলিবোৰে এবিধ আঠাজাতীয় পাচক ৰস নির্গত কৰে। এই ৰসৰ সৰু সৰু টোপালবোৰ ৰ'দৰ পোহৰত মুকুতাৰ দৰে চিক্‌মিকাই থাকে। এই মুকুতাসদৃশ টোপালবোৰৰ বৰণ, গোন্ধ আৰু উজ্জ্বলতাৰ প্রতি পোক-পৰুৱাবোৰ অতি সহজভাৱে আকর্ষিত হয়। যেতিয়াই পৰুৱা-পতংগবোৰে সেই টোপালবোৰত পৰে তেতিয়াই আঠাবোৰে সিহঁতক বন্দী কৰি পেলায় আৰু নিমিষতে চুলিবোৰে আপোন চিকাৰক এক আকর্ষণীয় কৌশলেৰে মেৰিয়াই সাবটি ধৰে। তাৰ পিছত পাচক ৰসৰ পৰা নির্গত হোৱা আম্লিক উৎসেচকে পৰুৱাটোক হজম কৰি পেলায়। পাচন প্রক্রিয়া সম্পন্ন হোৱাৰ পিছত চুলিবোৰে পুনৰ পূর্বৰ আকৃতি লয় আৰু আগৰদৰেই অসংখ্য মুকুতা সৃষ্টি কৰে।

গুৰুত্ব আৰু ব্যৱহাৰ ঃ কলহ উদ্ভিদৰ নিচিনাকৈ ড্ৰ'ছেৰাও এবিধ ঔষধী গুণসম্পন্ন পতংগভোজী—

১। ড্ৰ'ছেৰাৰ পাতৰ সোৱাদ তিতা আৰু আম্লিকধৰ্মী। ইয়াক নিমখৰ সৈতে গুড়ি কৰি পানী-জোলাৰ নিৰাময়ৰ বাবে এবিধ ঘৰুৱা মলম তৈয়াৰ কৰা হয়।

২। এই উদ্ভিদৰ পৰা এবিধ হালধীয়া-মুগা বৰণৰ চকচকীয়া ৰঞ্জক পদাৰ্থ পৃথক কৰা হয়। ৰেচমী বস্ত্ৰত মুগা বৰণৰ প্ৰলেপ দিবলৈ এই ৰঞ্জকবিধ ব্যৱহাৰ কৰা হয়।

৩। ড্ৰ'ছেৰাক আয়ুৰ্বেদিক চিকিৎসকবোৰে স্বৰ্ণ-ভস্ম (Gold-bhasma) তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰে। এই স্বৰ্ণ-ভস্ম anti-syphilitic আৰু টনিক হিচাপে ব্যৱহাৰ কৰা হয়।

উদাহৰণ ঃ কেইবিধমান ড্ৰ'ছেৰাৰ প্ৰজাতি হ'ল— Drosera peltala, D. Paleacea, D. angelica, D. Indica ইত্যাদি।

৩। ডায়'নিয়া (Dionaea) বা ভেনাচ ফ্লাই ট্ৰেপ (Venus Fly Trap) ঃ পতংগভোজী উদ্ভিদবোৰৰ ভিতৰত এক অতি পৰিচিত নাম হ'ল— 'ডায়'নিয়া'। মহান বিজ্ঞানী, প্ৰকৃতিবিদ চাৰ্লছ ডাৰউইনে এই উদ্ভিদজোপাৰ বিষয়ে কৈছে যে— "It is the most wonderful plant in the world."

ইহঁত 'Droseraceae' গোত্ৰৰ। ইহঁতক আমেৰিকা যুক্তৰাষ্ট্ৰৰ উত্তৰ কেৰ'লিনাৰ আশে-পাশে পোৱা যায়। ডায়'নিয়াৰ সাধাৰণতে পোৱা প্ৰজাতিটো হৈছে— Dionaea muscipula। এই প্ৰজাতিবিধে পতংগ ধৰাৰ ক্ষেত্ৰত Snap-Trap পদ্ধতি প্ৰয়োগ কৰে।

পত্ৰফলকটো একেবাৰে অগ্ৰভাগত দুটা খণ্ডত বিভক্ত হৈ দুটা পিণ্ডৰ আকৃতি লয়। পিণ্ড দুটা চকুৰ পতাৰ নিচিনাকৈ মেল খাই থাকে। প্ৰতিটো খণ্ডত ১২-২০ টালৈ দাঁত থাকে। পিণ্ড দুটাৰ পিঠিৰ ফালে বহুতো উৎসেচক নিঃসৰণ কৰা গ্ৰন্থি থাকে। পিণ্ডৰ ভিতৰৰ ফালে থকা চুলিবোৰ ৰঙা অথবা সেউজীয়া ৰঙৰ। এই চুলিবোৰত যেতিয়াই কোনো ক্ষুদ্ৰ পোক-পতংগই স্পৰ্শ কৰে তেতিয়াই লগে লগে পিণ্ড দুটা জাপ খাই পৰে আৰু দাঁতবোৰে এক অভিনব ধৰণে নিজৰ চিকাৰক চেপি পেলায়। তৎক্ষণাত গ্ৰন্থি নিঃসৃত উৎসেচকে পতংগটোক হজম কৰি নাইট্ৰ'জেন শুহি লয়।

৪। ইউট্ৰিকুলেৰিয়া (Utricularia) বা ব্লাডাৰৱৰ্টছ (Bladderworts) ঃ এইবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জলজ অথবা স্থলজ পতংগভোজী উদ্ভিদ। পৃথিৰীৰ সেমেকা ঠাইবোৰত ইয়াক পোৱা যায়। ইয়াৰ প্ৰায় ৩০ বিধ প্ৰজাতি ভাৰতবৰ্ষত পোৱা যায়। এইবোৰ পানীত আংশিকভাৱে অথবা সম্পূৰ্ণকৈ ওপঙি থাকে। ইউট্ৰিকুলেৰিয়াৰ সাধাৰণ লক্ষণটো হ'ল যে, ইহঁতৰ দেহটো কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ মোনাসদৃশ (Bladder) টেমুনাৰে সজ্জিত। এই মোনাবোৰৰ ব্যাস প্ৰায় ১/৬ ৰ পৰা ১/১৮ ইঞ্চিলৈ।

ইহঁতৰ প্ৰধান খাদ্য হ'ল— সৰু মাছৰ পোনা, মহৰ কণী-পলু, কিছুমান প্ৰট'যৱা ইত্যাদি। ইয়াৰ বাবেই ইউট্ৰিকুলেৰিয়া ভেকুলিৰ প্লেগৰ (Toad-plague) এক প্ৰাকৃতিক নিয়ন্ত্ৰণক হিচাপে পৰিগণিত।

মোনাবোৰৰ একোখনকৈ দুৱাৰ থাকে। দুৱাৰৰ কাষতে ভিতৰৰ ফালে কিছুমান চুলিসদৃশ অংগ থাকে। এই চুলিবোৰে এক অদ্ভুত প্ৰক্ৰিয়াৰে পাম্পৰ নিচিনাকৈ পানী শুহি লয়। অতি তীব্ৰ গতিৰে দুৱাৰৰ মাজেৰে পানী মোনাৰ ভিতৰত প্ৰবেশ কৰাৰ লগে লগেই দুৱাৰখন জাপ খাই পৰে আৰু পানীত থকা উপযুক্ত চিকাৰ মোনাৰ ভিতৰত আবদ্ধ হৈ পৰে। প্ৰায় ৩ দিনৰ ভিতৰত এই পতংগবোৰ মৰে আৰু পচিবলৈ ধৰে।

শীতকালত এইবিধ পতংগভোজীক উত্তৰ-প্ৰদেশৰ পুখুৰী, বিল আদিত অতি সাধাৰণভাৱে দেখা যায়। Utricularia Stellari Linn আৰু U. aurea এই দুবিধ ভাৰতৰ একাংশ পুখুৰী, জলাহ অঞ্চলত অপতৃণ হিচাপে বহুলভাৱে বিস্তৃত।

U. Stellari Linn এক সুন্দৰ, মনোমোহা ওপঙি থকা জলজ উদ্ভিদ। ইয়াৰ ফুলবোৰ হালধীয়া বৰণৰ। এই বিধ পতংগভোজীক বিহাৰত কাহৰ ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়।

U. Caerulea Linn এডাল খীণ আৰু লাহী উদ্ভিদ। ইয়াৰ উচ্চতা 5-20 cm. ইয়াৰ ফুলবোৰ সৰু সৰু আৰু নীলা বৰণৰ। বিহাৰৰ বাসিন্দাবোৰে ইয়াক দেহৰ বিভিন্ন ঘা-জখমত প্ৰলেপ দিবলৈ ইয়াক ব্যৱহাৰ কৰে। U. bifida নামৰ পতংগভোজীবিধক চোটা নাগপুৰ (Chota Nagpur) অঞ্চলত মূত্ৰৰ বিভিন্ন ৰোগ নিৰাময় কৰিবলৈ ব্যৱহাৰ কৰে।

ইউট্ৰিকুলেৰিয়াৰ আনকেইবিধমান প্ৰজাতি হ'ল— U. Flexuosa vahl, U. reticulata sm. ইত্যাদি।


মন্তব্য ঃ সাম্প্ৰতিক সময়ত আধুনিক গৱেষণাৰ ক্ষেত্ৰখনত পতংগভোজী উদ্ভিদবোৰৰ গুৰুত্ব বাঢ়কৈয়ে বাঢ়িছে; কাৰণ ইয়াৰ পুৰিপুষ্টিৰ অভিনব কৌশল, এইবোৰত পোৱা জটিল গঠন প্ৰক্ৰিয়া সম্পন্ন উৎসেচক আদি অন্য উদ্ভিদত পোৱা নাযায়। বহুতো গুৰুত্বপূৰ্ণ চিকাৰী গছ (যেনে— Aldrovanda) বৰ্তমান বিলুপ্তিৰ পথত। ইয়াৰ মূলতেই হ'ল দিনে দিনে বাঢ়ি অহা মাৰাত্মক পৰিবেশ প্ৰদূষণ তথা কৃষিক্ষেত্ৰত ৰাসায়নিক সাৰ, কীটনাশক আদিৰ বহুল ব্যৱহাৰ। এই মনোমোহা উদ্ভিদবোৰক ৰক্ষণা-বেক্ষণ দিয়াৰ বাবে জনসাধাৰণ, উদ্ভিদ বিজ্ঞানী, পৰিবেশ বিজ্ঞানী, শিক্ষাৰ্থী আদি সকলোৱেই সজাগ হোৱাটো প্ৰয়োজনীয় হৈ পৰিছে। এইবোৰক প্ৰকৃতিৰ বুকুত জীয়াই ৰখাটো আধুনিক প্ৰকৃতি তথা পৰিবেশ বিজ্ঞানৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে।

References :

1. Science Reporter, December, 2005
2. Internet.

উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ্যৰ সমস্যা সমাধানত চৰকাৰ আৰু স্বেচ্ছাসেৱী সংগঠনসমূহৰ ভূমিকা

হেমাশ্রী বৰদলৈ



জৈৱ বৈচিত্ৰ্য— বৰ্তমান শতিকাত বন্যপ্রাণী আৰু পৰিবেশ সংৰক্ষণৰ ক্ষেত্রত বহুলভাৱে ব্যৱহৃত এটি শব্দ।

সাধাৰণ ভাষাত জৈৱ বৈচিত্ৰ্যৰ অর্থ হ'ল— প্রাণৰ বৈচিত্র্য বা জীৱসমূহৰ মাজত সচৰাচৰ দেখা পোৱা বৈচিত্র্য। আমাৰ পৃথিৱীখন হৈছে অসংখ্য জীৱৰ বাসভূমি। কিন্তু কোনো এবিধ জীৱৰে আন এবিধ জীৱৰ লগত সম্পূর্ণ মিল নাই। আনকি একে প্রজাতিৰ অন্তর্গত জীৱৰ মাজতো সম্পূর্ণ মিল নাই। প্রত্যেকবিধ জীৱই নিজস্ব কিছুমান সুকীয়া বৈশিষ্ট্যৰ অধিকাৰী। আমাৰ চাৰিওকাষৰ জীৱবোৰৰ মাজত থকা এই প্রভেদ তথা বিচিত্রতাকেই সাধাৰণ অর্থত 'জৈৱ বৈচিত্র্য' আখ্যা দিয়া হয়। আমাৰ দৈনন্দিন জীৱনত বিভিন্ন নিত্য ব্যৱহার্য্য সামগ্রী যেনে চাউল, দাইল, আটা, শাক-পাচলি, মাছ-মাংস, ফল-মূল, পোহনীয়া জন্তু আদিতো জৈৱ বৈচিত্র্যৰ সমাহাৰ দেখিবলৈ পোৱা যায়। কোনো এবিধ সামগ্রীৰেই আন এবিধৰ লগত সম্পূর্ণ মিল নাই।

বৈজ্ঞানিক দৃষ্টিভংগীৰ ফালৰ পৰা জৈৱ বৈচিত্র্যক সাধাৰণতে তিনি ভাগত ভাগ কৰা হয়। সেইকেইবিধ হ'ল— (ক) প্রজাতিৰ বৈচিত্র্য, (খ) বাসস্থানৰ বৈচিত্র্য, (গ) জিনগত বৈচিত্র্য।

(ক) প্রজাতিৰ বৈচিত্র্য ঃ সমগ্র পৃথিৱীতে নানাধৰণৰ চৰিত্রসম্পন্ন অসংখ্য জীৱই বাস কৰে। এই জীৱসমূহৰ বিষয়ে সুচাৰুৰূপে অধ্যয়ন কৰাৰ অর্থে জীৱসমূহৰ কেইবাটাও ভাগত শ্রেণীবিভাজন কৰা হৈছে। এই শ্রেণীবিভাজনৰ আটাইতকৈ সৰু গোটটোৱেই হৈছে প্রজাতি। প্রজাতিৰ আধাৰত ভাগ কৰাৰ ফলত জীৱবোৰৰ মাজত যি বৈচিত্র্য দেখা যায়, সেই বৈচিত্র্যকেই প্রজাতিৰ বৈচিত্র্য বোলা হয়। পৰিবেশতন্ত্রত বাস কৰা বিভিন্নধৰণৰ প্রাণী যেনে— গৰু, ,ছাগলী, কুকুৰ, মেকুৰী, বাঘ, সিংহ, হাতী, ভালুক; বিভিন্নধৰণৰ চৰাই যেনে— ধনেশ পক্ষী, ভাটৌ, কাউৰী, বগলী আদি; গুঁই, অজগৰ, আমগছ, শিমলুগছ, পানীমেটেকা ইত্যাদি সকলো প্রজাতিৰ বিচিত্রতাৰ অন্তর্গত। বর্তমানলৈকে আৱিষ্কৃত জীৱসমূহৰ প্রজাতিসমূহৰ মাজত দেখা পোৱা বৈচিত্র্য, প্রজাতিৰ বৈচিত্র্যৰ অন্তর্গত।

(খ) বাসস্থানৰ বৈচিত্র্য ঃ আমাৰ চৌপাশে বিচৰণ কৰি ফুৰা সকলোবোৰ জীৱৰে বাসভূমি ভিন ভিন। এই জীৱবোৰৰ ভিতৰত কোনোবা জলচৰ, কোনোবা স্থলচৰ আৰু আন কোনোবা উভচৰ। বাসস্থানৰ ক্ষেত্রত থকা বৈচিত্র্যৰ অর্থ হৈছে পৃথিৱীত বাস কৰা বিভিন্ন প্রজাতিবোৰৰ কাৰণে বিভিন্নধৰণৰ বাসস্থানৰ প্রয়োজন। উদাহৰণস্বৰূপে, উটৰ কাৰণে প্রয়োজন মৰুভূমিৰ বাসস্থান, মাছৰ কাৰণে প্রয়োজন পানীৰে পৰিপূর্ণ বাসস্থান, বান্দৰৰ কাৰণে প্রয়োজন ডাঙৰ গছৰ বাসস্থান; আকৌ তিমি মাছৰ কাৰণে প্রয়োজন সাগৰীয় বাসস্থান। ঠিক একেদৰে একেখন হাবিতে বসবাস কৰা বাঘ, ভালুক, হাতী, সিংহ আদিবোৰ বাসস্থানৰ ধৰণ-কৰণ বেলেগ বেলেগ। ঠিক তেনেদৰে একেখন অৰণ্যত বাস কৰা কেৰ্কেটুৱা, বনৰীয়ৈ, নেউল, গুঁই, সাপ ইত্যাদি প্রাণীবোৰে নিজ নিজ স্বতন্ত্র বৈশিষ্ট্যসম্পন্ন বাসস্থানত জীৱন নির্বাহ কৰে। এইদৰেই

পৰিবেশতন্ত্ৰত বাস কৰা জীৱসমূহৰ মাজত প্ৰজাতিৰ বৈচিত্ৰ্যৰ কাৰণেই ভিন্ন ভিন্ন বাসস্থানৰ তাৰতম্যৰ প্ৰয়োজন হয় আৰু বাসস্থানৰ মাজত থকা এই বৈচিত্ৰ্যৰ সমাহাৰকেই বাসস্থানৰ বৈচিত্ৰ্য আখ্যা দিয়া হয়। এই বাসস্থানৰ বৈচিত্ৰ্যও জৈৱ বৈচিত্ৰ্যৰ এক গুৰুত্বপূৰ্ণ ভাগ। যিহেতু ভিন্ন ভিন্ন প্ৰজাতিৰ বাসস্থান ভিন ভিন আৰু এই বাসস্থানত অন্তৰ্ভুক্ত হৈ আছে বহু অজৈৱ পদাৰ্থ, যেনে— মাটি, পাথৰ বা পাথৰৰ গুহা, শিল-বালি-পানী ইত্যাদি। সেয়েহে অজৈৱ পদাৰ্থবোৰৰ যিসকল প্ৰাণীৰ বাসস্থানৰ সৈতে অংগাংগীভাৱে জড়িত সেইবোৰো জৈৱ-বৈচিত্ৰ্যৰ অংগ।

(গ) জিনগত বৈচিত্ৰ্য ঃ জৈৱ বৈচিত্ৰ্যৰ তৃতীয় ভাগটো হ'ল জিনগত বৈচিত্ৰ্য। জৈৱ বৈচিত্ৰ্যৰ গুৰুত্বপূৰ্ণ ভাগকেইটাৰ ভিতৰত জিনগত বৈচিত্ৰ্যও উল্লেখনীয়। একে প্ৰজাতিৰ অন্তৰ্গত হোৱা সত্ত্বেও জীৱবোৰৰ মাজত যি ভিন্নতা পৰিলক্ষিত হয়, তাৰ মূল কাৰণ হ'ল জিনৰ তাৰতম্য। জিন হ'ল বংশগতিৰ বাহক। জিনৰ জৰিয়তে পিতৃ-মাতৃৰ কিছুমান চৰিত্ৰৰ লক্ষণ সন্তানৰ দেহত পৰিস্ফুট হয়। জিনৰ তাৰতম্যৰ ফলত একে প্ৰজাতিৰ অন্তৰ্গত হোৱা সত্ত্বেও তথা একে পিতৃ-মাতৃৰ সন্তানৰ মাজতো কিছু অমিল পৰিলক্ষিত হয়। এনেদৰেই জিনৰ তাৰতম্যৰ ফলত জীৱসমূহৰ মাজত যি বিচিত্ৰতা দেখা যায় তেনে বৈচিত্ৰ্যই হ'ল জিনগত বৈচিত্ৰ্য। উদাহৰণস্বৰূপে, আমি সকলো মানুহ একে প্ৰজাতিৰ অন্তৰ্গত যদিও আমাৰ কোনোজনেই আন এজনৰ লগত শাৰীৰিক তথা মানসিকভাৱে সম্পূৰ্ণকৈ নিমিলো। আমাৰ মাজৰে কোনোবা ওখ, কোনোবা চাপৰ, কাৰোবাৰ ত্বক বগা নাইবা কাৰোবাৰ ক'লা। এনেধৰণৰ বিভিন্ন পাৰ্থক্য আমাৰ মানুহৰ মাজত দেখা যায়। এইদৰে একে প্ৰজাতিৰ অন্তৰ্গত হোৱা সত্ত্বেও জীৱবোৰৰ মাজত ব্যাপক তাৰতম্য পৰিলক্ষিত হয় আৰু ইয়াকে কোৱা হয় জিনগত বৈচিত্ৰ্য।

ওপৰত উল্লেখ কৰাৰ দৰে জীৱসমূহৰ মাজত থকা বিচিত্ৰতা অৰ্থাৎ এক কথাত ক'বলৈ গ'লে জৈৱ বৈচিত্ৰ্যৰ ফালৰপৰা আমাৰ ৰাজ্য অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ স্থান আগত। ভাৰতীয় উপ-মহাদেশৰ ভিতৰত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল গছ-গছনি, পশু-পক্ষী তথা জৈৱ বৈচিত্ৰ্যৰে সমৃদ্ধ এক বিশাল অঞ্চল। উদাহৰণস্বৰূপে আমাৰ ৰাজ্য অসমতে এই জৈৱ-বৈচিত্ৰ্যৰে অনুপম আকৰস্বৰূপ কেইবাখনো ৰাষ্ট্ৰীয় উদ্যান, বনাঞ্চল তথা অভয়াৰণ্য আছে। সেইবোৰৰ ভিতৰত কেইখনমান তলত উল্লেখ কৰা হ'ল—

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ঃ গোলাঘাট, নগাঁও আৰু শোণিতপুৰ জিলাৰ বহু অঞ্চল জুৰি বিস্তৃত হৈ আছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। এই উদ্যানখন জৈৱ-বৈচিত্ৰ্যৰ বিশাল ভাণ্ডাৰস্বৰূপ। উদ্যানখন ব্ৰহ্মপুত্ৰ নদীৰ দ্বাৰা গঠিত প্লাৱনভূমিত অৱস্থিত বাবে বিভিন্ন প্ৰকাৰৰ ঘাঁহজাতীয় উদ্ভিদ, যেনে— নল খাগৰি, ইকৰা, বেত, কঁহুৱা, বিৰিণা আৰু খেৰ আদিৰ প্ৰাচুৰ্যতা দেখিবলৈ পোৱা যায়। ইয়াৰ বাহিৰেও নানা প্ৰকাৰৰ পৰ্ণপাতী উদ্ভিদ, যেনে— শাল, চেগুন, এজাৰ, তিতাচেপা, কৰৈ, নাহৰ, শিশু, বনতুলসী, সোণাৰু, খকন, গমাৰি, ঔটেঙা উদ্যানখনৰ বিভিন্ন অংশত সিঁচৰতি হৈ আছে। এই ৰাষ্ট্ৰীয় উদ্যানৰ গুৰুত্বৰ মূলতে হ'ল ইয়াত পোৱা বিশ্ববিখ্যাত এশিঙীয়া গঁড়। ১৯৯১চনৰ পিয়লমতে এই উদ্যানত ১১০০ গঁড়, ৮০০ হাতী, ১০,০০০ দল হৰিণ, ১০০০ বনৰীয়া ম'হ, ১২ টা বাইছন, ৩০০০ টা বনৰীয়া গাহৰি আছে। এই ৰাষ্ট্ৰীয় উদ্যানখনৰ উত্তৰ অংশইদি বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীৰ বাবে সৃষ্টি হোৱা বানপানীত বছৰি বহু জীৱ-জন্তুৱে প্ৰাণ হেৰুৱায়। উত্তৰ-পূৰ্বাঞ্চলৰ এক মুখ্য পৰ্যটক থলীৰূপে বিবেচিত হোৱাৰ উপৰি বিশ্ববিখ্যাত এশিঙীয়া গঁড়ৰ আবাসভূমি বাবে ইউনেস্ক'ই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক বিশ্ব ঐতিহ্য স্থান (World Heritage Site) হিচাপে ঘোষণা কৰিছে। ইয়াৰ বৰ্তমান আয়তন ৮৪৯.৭৯ বৰ্গ কি.মি.।

(খ) মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্প ঃ মানাহ ৰাষ্ট্ৰীয় উদ্যান বৰপেটা জিলাৰ উত্তৰ-পশ্চিম সীমাক সামৰি বঙাইগাঁও জিলাৰ পূব অংশক লৈ ভূটানৰ পাদদেশলৈকে বিস্তৃত তথা ব্ৰহ্মপুত্ৰৰ পূব পাৰত অৱস্থিত। ইয়াৰ মুঠ আয়তন ৫০০ বৰ্গ কি.মি.। হিমালয়ৰ নামনিৰ 'ডাৱৰ' আৰু 'তৰাই' অঞ্চলত অৱস্থিত বাবে এই ৰাষ্ট্ৰীয় উদ্যানত সমৃদ্ধ অৰণ্য দেখিবলৈ পোৱা যায়। পৰ্ণপাতী, আৰ্দ্ৰ পৰ্ণপাতীৰ উপৰি ঘাঁহজাতীয় উদ্ভিদেৰে এই উদ্যান পৰিপূৰ্ণ। এই উদ্যানত পোৱা উল্লেখযোগ্য প্ৰাণীসমূহৰ ভিতৰত— ৰয়েল বেংগল টাইগাৰ, সোণালী বান্দৰ, নল গাহৰি, দলহৰিণ, মেথোন, হাতী, গঁড় আদিয়েই প্ৰধান। ইয়াৰ উপৰি হাড়গিলা, ধনেশ পক্ষী, ধেৰা চৰাই, কাম চৰাই, বালিমাহী, বৰবগ আদি পক্ষীৰে এই উদ্যান সমৃদ্ধ। এই ৰাষ্ট্ৰীয় উদ্যানত পোৱা বাঘৰ জৰীপ তথা সংখ্যা বৃদ্ধিৰ বাবে ১৯৭৩ চনত কেন্দ্ৰীয় চৰকাৰে ইয়াক ব্যাঘ্ৰ প্ৰকল্পৰ অধীনলৈ আনে। জৈৱ বৈচিত্ৰ্যৰ গুৰুত্বৰ বাবে কাজিৰঙাৰ পিছতে মানাহ ৰাষ্ট্ৰীয় উদ্যানক 'বিশ্ব ঐতিহ্য'ৰ স্থানৰূপে ঘোষণা কৰিছে।

(গ) ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান ঃ ডিব্ৰু চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান অসমৰ এখন প্ৰাচুৰ্য্যৰে পৰিপূৰ্ণ ৰাষ্ট্ৰীয় উদ্যান। অক্ষাংশ অনুসৰি এই ৰাষ্ট্ৰীয় উদ্যানৰ অৱস্থিতি ২৭°.৩৫′ উত্তৰৰ পৰা ২৭°.৫০′ উত্তৰ আৰু ৯৫°.১০′ পূবৰপৰা ৯৫°.১৫′ পূব। এই ৰাষ্ট্ৰীয় উদ্যান তিনিচুকীয়া জিলাত অৱস্থিত আৰু ইয়াৰ মুঠ মাটিকালি ৬৪০ বৰ্গ কি.মি.। ডিব্ৰু আৰু চৈখোৱা নামৰ দুখন সংৰক্ষিত অৰণ্যক একেলগ কৰি ১৯৮৬ চনত ইয়াক অভয়াৰণ্য হিচাপে আৰু কাষৰীয়া কিছু অংশ সংলগ্ন কৰি ১৯৯৯ চনত ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰা হয়। সমগ্ৰ ৰাষ্ট্ৰীয় উদ্যানখন ব্ৰহ্মপুত্ৰ আৰু লোহিত নদীৰ মধ্যাংশৰ বিস্তীৰ্ণ প্লাৱনভূমিত অৱস্থিত আৰু নৈসৰ্গিক প্ৰাকৃতিক সৌন্দৰ্য্যৰে পৰিপূৰ্ণ। জৈৱ বৈচিত্ৰ্যৰ ফালৰ পৰা ইয়াৰ স্থান সমগ্ৰ বিশ্বৰ ভিতৰত ঊনবিংশতম আৰু ৩২০ বিধ বিভিন্ন প্ৰজাতিৰ বিলুপ্তপ্ৰায় জীৱ-জন্তুৰ আবাসভূমি। এই উদ্যানত পোৱা আটাইতকৈ উল্লেখযোগ্য প্ৰাণীবিধ হ'ল বনৰীয়া ঘোঁৰা। সমগ্ৰ বিশ্বৰে বিলুপ্তপ্ৰায় পক্ষী বুলি পৰিগণিত দেওহাঁহ এই উদ্যানত দেখিবলৈ পোৱা যায়। ইয়াৰ উপৰি লুপ্তপ্ৰায় বিভিন্ন পক্ষী আৰু জীৱ-জন্তু, যেনে— দৈকলা, মণিয়ৰী, হাড়গিলা, আমৰলীয়া হাঁহ, উকহ চৰাই, বনৰীয়া ম'হ, গংগা নদীত পোৱা ডলফিন আদিৰে এই ৰাষ্ট্ৰীয় উদ্যান সমৃদ্ধ।

(ঘ) নামৰৰ সংৰক্ষিত বনাঞ্চল ঃ বৰ্তমানৰ গোলাঘাট আৰু কাৰ্বি আংলং জিলাৰ বিস্তৃত অঞ্চল সামৰি ১৮৭২ চনৰ ৯ আগষ্টত ইংৰাজ চৰকাৰে প্ৰায় ১,৪১,৩৬৪ হেক্টৰ মাটি সামৰি নামৰৰ সংৰক্ষিত বনাঞ্চল গঠন কৰিছিল। কিন্তু বৰ্তমান মাত্ৰ ২০,৭২০ হেক্টৰ বনভূমি সামৰিহে নামৰৰ বনাঞ্চল গঠিত। এই বনাঞ্চলৰ মূল আকৰ্ষণ হ'ল ইয়াত পোৱা হাতী। কেৱল হাতীৰ বাসভূমি হিচাপেই নহয়, নামৰৰ বনাঞ্চলত বিৰাজ কৰা জৈৱ বৈচিত্ৰ্যই ইয়াৰ পাৰিবেশিক তথা শৈক্ষিক গুৰুত্বও বৃদ্ধি কৰিছে। জৈৱ বৈচিত্ৰ্যৰে পৰিপূৰ্ণ হোৱাৰ বাবেই এতিয়াৰ পৰা ১২৮ বছৰ পূৰ্বেই এই বনাঞ্চলে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা অহা ব্ৰিটিছসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। বৃষ্টি আৰু চিৰসেউজীয়া (আৰ্দ্ৰ পৰ্ণপাতী) অৰণ্যৰ এক অভূতপূৰ্ব সংমিশ্ৰণ ঘটা এই বনাঞ্চল জীৱ-জগতত বৰ্তি থকা শ শ উদ্ভিদ আৰু প্ৰাণী প্ৰজাতিৰ জিনৰ ভঁৰাল হিচাপে বিবেচিত হৈছে। এই বিষয়ত বিখ্যাত জীৱ-বিজ্ঞানীসকল যেনে— জে. ডি. হুকাৰ, গুষ্টেৰ মান, বি. মেকেশ্বৰী, পদ্মেশ্বৰ গগৈ আদিৰ দৰে বিজ্ঞানীসকলে কয় যে জৈৱ বৈচিত্ৰ্যৰ বাবেই নামৰৰ সমগ্ৰ বিশ্বৰ বিজ্ঞানী সমাজৰ বাবে এক আকৰ্ষণীয় তথা দুৰ্লভ প্ৰাকৃতিক সমাহাৰ।

নামবৰৰ উদ্ভিদৰাজিয়ে জীৱৰ ক্ৰমবিৱৰ্তনৰ স্বাক্ষৰ বহন কৰিছে। পৃথিৱীত সুবিস্তৃত অৰণ্য বহুতেই আছে। কিন্তু নামবৰৰ দৰে জৈৱ বৈচিত্ৰ্যৰ সমৃদ্ধ অৰণ্য অতি কমেইহে আছে। নামবৰৰ এই বৈশিষ্ট্যৰ বাবেই বনাঞ্চলখনক এক গুৰুত্বপূৰ্ণ শৈক্ষিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ পুৰামাত্ৰাই সুযোগ আছে। শাল, চেগুন, আজাৰ, শিলিখা, নাহৰ আদি মূল্যৱান বৃক্ষসমূহৰ উপৰি বহুতো দুষ্প্ৰাপ্য অৰ্কিড, হাতীঢেঁকীয়াকে আদি কৰি বিভিন্ন ঢেঁকীয়াজাতীয় উদ্ভিদ আৰু বিশুদ্ধ খোৱাপানী পাব পৰা পানীলতা (Vitis latifia) নামৰ এবিধ বিশেষ লজাজাতীয় উদ্ভিদৰ বাসভূমি হৈছে নামবৰ। বিভিন্ন বনৌষধি গছৰ সমাহাৰেও নামবৰক প্ৰাচুৰ্যতা প্ৰদান কৰিছে। উদ্ভিদৰ দৰে বহুতো বিপন্ন প্ৰজাতিৰ প্ৰাণীৰ উপস্থিতিও বিশেষভাৱে লক্ষণীয়। হলৌ বান্দৰ, লাজুকী বান্দৰ, টুপীমুৰীয়া লেংগুৰ, উতনুৱা, উৰণীয়া কেৰ্কেটুৱা, বনৰৌ, জুনজুনি, কেটেলা পহু আদিৰ দৰে বিপন্ন প্ৰাণীসমূহ নামবৰক সমৃদ্ধ কৰিছে। নামবৰত থকা বিপন্ন পক্ষীকুলৰ ভিতৰত ধনেশ, হাইঠা, পাকৈঢোৱা, বনকুকুৱা দলঘোঁৱা, ভীমৰাজ আদিয়ে প্ৰধান।

ওপৰত উল্লেখ কৰাৰ বাহিৰে আন আন অৰণ্য, বনাঞ্চলসমূহক সামৰি আমাৰ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল ভাৰতীয় উপ-মহাদেশৰ ভিতৰতে গছ-গছনি, পশু-পক্ষী তথা জৈৱ বৈচিত্ৰ্যৰে সমৃদ্ধ এক বিশাল অঞ্চল। মানৱ জাতিৰ বিকাশ তথা অস্তিত্ব ৰক্ষাৰ অৰ্থে প্ৰয়োজনীয় পাৰিপাৰ্শ্বিক অৱস্থাৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ একোখন অৰণ্যত বৰ্তি থকা জৈৱ বৈচিত্ৰ্যৰ খুবেই প্ৰয়োজন। এই প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ গুৰুত্ব অনুসৰি পাৰিপাৰ্শ্বিক তথা বিচিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈ চৰকাৰে নানা আইন প্ৰণয়নৰ দ্বাৰা বিভিন্ন কাৰ্যকৰী আঁচনি গ্ৰহণ কৰি আহিছে। পশু-পক্ষী তথা গছ-গছনি ৰক্ষা কৰি অঞ্চলটোৰ পাৰিবেশিক ভাৰসাম্য ৰক্ষা কৰাৰ প্ৰথম পদক্ষেপ হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ কোনো কোনো অংশক সংৰক্ষিত অৰণ্যাঞ্চল, অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰিছে। অবৈধভাৱে কৰা হাতী চিকাৰ বন্ধ কৰিবলৈ চৰকাৰে ১৮৭৯ চনত 'হাতী সংৰক্ষণ আইন' প্ৰণয়ন কৰে। ইয়াৰ পিছত পক্ষী হত্যা বন্ধ কৰিবলৈ ১৮৮৭ চনত 'বনৰীয়া পক্ষী সংৰক্ষণ আইন' প্ৰণয়ন কৰে। অৱশেষত ১৯৯১ চনত গছ-গছনি ৰক্ষা কৰিবলৈ 'অৰণ্য সংৰক্ষণ আইন' নামে এক কঠোৰ আইন প্ৰণয়ন কৰে। এই আইন অনুসৰি সংৰক্ষিত এলেকাৰ (অৰণ্য) অধীনত থকা গছ-গছনি কটা বিধিমতে নিষেধ কৰা হয়।

অবিভক্ত অসমৰ অৰণ্যাঞ্চল ৰক্ষা কৰিবলৈ পোনপ্ৰথমে ১৯০১ চনত কুলশী আৰু গোৱালপাৰা সংৰক্ষিত অৰণ্য আইন, ১৯০৫ চনত কাজিৰঙা সংৰক্ষিত অৰণ্য আইন, ১৯২৮ চনত মানাহ সংৰক্ষিত অৰণ্য আইন প্ৰণয়ন কৰা হয়। কাজিৰঙা আৰু মানাহ সংৰক্ষিত অৰণ্যাঞ্চলক ১৯১২ আৰু ১৯২৮ চনত অভয়াৰণ্যলৈ উন্নীত কৰা হয়। ১৯৫০ চনত 'গঁড় সংৰক্ষণ আইন' অনুসৰি ১৯৭৪ চনত কাজিৰঙা অভয়াৰণ্যক ৰাষ্ট্ৰীয় উদ্যানৰূপে ঘোষণা কৰা হয়। ইয়াৰ পিছতো বিভিন্ন আইন প্ৰণয়ন কৰি ১৯৭৬ চনত 'বন্যপ্ৰাণী সংৰক্ষণ'ৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হয়।

গৱেষণাৰ বাবে জৈৱ বৈচিত্ৰ্যৰে সমৃদ্ধ এটা পৰিস্থিতি তন্ত্ৰত থকা সম্পদৰাজিক সংৰক্ষণ কৰি জৈৱমণ্ডল সংৰক্ষিত অঞ্চল হিচাপে গঢ়ি তোলা ধাৰণাটো ১৯৪৭ চনত ইউনেস্কোৰ উদ্যোগত প্ৰথমতে আৰম্ভ হৈছিল। এনেধৰণৰ জৈৱমণ্ডল সংৰক্ষিত অঞ্চলসমূহত সৰ্বাধিক সংৰক্ষণেৰে এটা কেন্দ্ৰীয় মণ্ডল আৰু এই কেন্দ্ৰীয় মণ্ডলৰ বাহিৰত দুটা মধ্যৱৰ্তী মণ্ডল গঢ়ি তোলা হয়। কেন্দ্ৰীয় মণ্ডলত প্ৰবেশৰ নিয়ম অতি কটকটীয়া। কিছুমান ধৰা-বন্ধা নীতি-নিয়মৰ মাজে�ৰেহে কেন্দ্ৰীয় মণ্ডলৰপৰা প্ৰাকৃতিক সম্পদ বা নমুনা আহৰণ কৰিব পাৰি। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ অৰণ্যসমূহৰ প্ৰাকৃতিক বৈশিষ্ট্যই ১৯৮৪ চনত মালদাগুই নামৰ বিজ্ঞানীজনে আগবঢ়োৱা এখন আদৰ্শ জৈৱমণ্ডল সংৰক্ষিত অঞ্চলৰ বাবে প্ৰয়োজনীয় চৰ্তসমূহ পূৰণ কৰে। সেয়েহে চৰকাৰে আগত উল্লেখ কৰা ধৰণৰ আইন প্ৰণয়ন কৰি উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণত কিছু পদক্ষেপ গ্ৰহণ কৰিছে। কিন্তু দিনক দিনে এই আইনবোৰ শিথিল হৈ পৰাত বৰ্তমান এই বিশাল অঞ্চলটোৰ জৈৱ বৈচিত্ৰ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। উদাহৰণস্বৰূপে আজি কিছুদিনৰ আগতে মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্যত খড়াৰ বাবেই এটা পোৱালিসহ এজনী মাইকী গঁড়ক নৃশংসভাৱে হত্যা কৰা হ'ল। এনেদৰে চলি থাকিলে এদিন অতি শীঘ্ৰেই হয়তো আমাৰ পৃথিৱীৰ পৰা বিভিন্ন প্ৰজাতিৰ উদ্ভিদ তথা পশু-পক্ষীৰ বিলুপ্তি ঘটিব। পৃথিৱীৰপৰা এনেদৰে ঘটা বিলুপ্তিয়ে জৈৱ বৈচিত্ৰ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। এই মূল্যৱান প্ৰজাতিসমূহৰ বিলুপ্তিৰ ফলত আমাৰ নৱ-প্ৰজন্মই এইবিলাকৰ বিষয়ে জনাৰ সুযোগকণো হেৰুৱাইছে। এইবোৰৰ ধ্বংসেই জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণত বাধাৰ সৃষ্টি কৰিছে।

বিভিন্নধৰণৰ আইন প্ৰণয়ন কৰা সত্ত্বেও সঠিকভাৱে জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ কৰিব নোৱৰাৰ মূল কাৰণ হ'ল প্ৰশাসন যন্ত্ৰৰ শিথিলতা আৰু স্বেচ্ছাসেৱী সংগঠনসমূহৰ সক্ৰিয় ভূমিকাৰ অভাৱ। বৰ্তমান চৰকাৰে আইন প্ৰণয়ন কৰিছে যদিও ৰক্ষকেই ভক্ষক হৈ দেখা দিয়াত এই সংৰক্ষণ সঠিকভাৱে হোৱা নাই। চিৰিয়াখানাৰ যোগেদি কিছু পৰিমাণে জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে যদিও চিৰিয়াখানাসমূহৰ অৱস্থাও শোচনীয় হৈ পৰাত তাতো ভাবুকিৰ সৃষ্টি হৈছে। উদাহৰণস্বৰূপে, যোৱা ১৬ মে' তাৰিখে অসমৰ একমাত্ৰ ৰাজ্যিক চিৰিয়াখানাখনত চৰম অস্বাস্থ্যকৰ পৰিবেশৰ ওচৰত হাৰ মানি লাহৰণী নামৰ মাইকী গঁড় এজনীৰ মৃত্যু হ'ল।

জৈৱ বৈচিত্ৰ্য সংৰক্ষণত স্বেচ্ছাসেৱী সংগঠনসমূহৰ ভূমিকাও উল্লেখনীয় নহয়। নেচাৰ্ছ বেকনৰ লেখীয়া স্বেচ্ছাসেৱী সংগঠনসমূহে কিছু পদক্ষেপ এই ক্ষেত্ৰত গ্ৰহণ কৰিছে যদিও কিছু ক্ষেত্ৰত তেওঁলোকেও নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰিছে।

জৈৱ বৈচিত্ৰ্যৰ বিপৰ্যয়ৰ অৰ্থ হ'ল জীৱন জীৱিকাৰ বিপৰ্যয়। প্ৰতিবছৰে ৫ জুন তাৰিখটো চৰকাৰৰ তৰফৰপৰা 'বিশ্ব পৰিবেশ দিৱস' হিচাপে পালন কৰা হয় যদিও এই ব্যৱস্থায়ো জৈৱ বৈচিত্ৰ্যৰ বিপৰ্যয় ৰোধ কৰিব পৰা নাই। সেয়েহে এই বিপৰ্যয়ৰ পৰা হাত সাৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিবৰ সময় হ'ল। এইক্ষেত্ৰত চৰকাৰ, স্বেচ্ছসেৱী সংগঠন আৰু ৰাইজে কঠোৰ আৰু সাহসী পদক্ষেপ ল'লেহে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ্যৰ অনুপম আকৰসমূহৰ অস্তিত্ব অক্ষুণ্ণ থাকিব আৰু আমাৰ নৱ-প্ৰজন্মই তাৰ মাহাত্ম্য তথা সৌন্দৰ্য্য উপলব্ধি কৰিব পাৰিব।

"বিভিন্নধৰণৰ আইন প্ৰণয়ন কৰা সত্ত্বেও সঠিকভাৱে জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ কৰিব নোৱৰাৰ মূল কাৰণ হ'ল প্ৰশাসন যন্ত্ৰৰ শিথিলতা আৰু স্বেচ্ছাসেৱী সংগঠনসমূহৰ সক্ৰিয় ভূমিকাৰ অভাৱ।"

তিৰা সমাজত মহিলাৰ ভূমিকা



ধীৰাজ পাটৰ

অসম তথা উত্তৰ-পূর্বাঞ্চলত বসবাস কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত তিৰা সকলো অন্যতম। মঙ্গোলীয় প্রজাতিৰ বড়োমূলীয়া ফৈদৰ এই জনগোষ্ঠীৰ প্রধান অৱস্থিতি হৈছে অসমৰ মৰিগাঁও, নগাঁও, কামৰূপ, কার্বি আংলং জিলাত। ইয়াৰ উপৰি ধেমাজি, শিৱসাগৰ, লখিমপুৰৰ লগতে অসমৰ দাঁতিকাষৰীয়া ৰাজ্য মেঘালয়ৰ দুই-এখন জিলাত তিৰালোকৰ বসবাস দেখা দেখা যায়। তিৰাসকলৰ সামাজিক-সাংস্কৃতিক দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে এই সমগ্র প্রক্রিয়াটোতে পুৰুষতকৈ নাৰীয়ে এক অগ্রণী ভূমিকা গ্রহণ কৰিছে। পুৱা শুই উঠি বাহি বন কৰাৰ পৰা ৰাতি শোৱাৰ আগমুহূর্তলৈ ঘৰুৱা সকলোবোৰ কাম নাৰীয়ে কৰে। পথাৰে-বাহিৰে, সামাজিক উৎসৱ-অনুষ্ঠানত নাৰীৰ অবিহনে কোনো কার্য ঠিকমতে কার্যকৰী কৰিব নোৱাৰি। পাহাৰ আৰু ভৈয়াম অঞ্চলত বাস কৰা তিৰাসকলৰ প্রধানকৈ পাহাৰৰ তিৰা মহিলাসকলে বেছি শ্রম কৰা দেখা যায়। সি যিয়েই নহওক এই দুয়োখন ক্ষেত্রত বাস কৰা অধিবাসীসকলৰ সামাজিক জীৱন-ধাৰণত মহিলাই কিদৰে অগ্রণী ভূমিকা গ্রহণ কৰিছে তাকে আমাৰ আলোচনাত চমুকৈ আলোকপাত কৰিবলৈ প্রয়াস কৰা হ'ব।

মানৱ সৃষ্টিৰ অন্তৰালত যিদৰে পুৰুষ আৰু নাৰীৰ একান্তই প্রয়োজন সেইদৰে এখন সমাজ গঢ়িবলৈও পুৰুষ আৰু নাৰীৰ প্রয়োজন। এটাক বাদ দি কোনোটো প্রাণীয়েই স্বয়ং সম্পূর্ণ নহয়। যদিও পুৰুষক ঘৰখনৰ বা সমাজৰ মধ্যমণি বুলি কোৱা হয় তথাপি সামাজিক, পাৰিবাৰিক তথা সাংস্কৃতিক পৰম্পৰাক ধৰি ৰখাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে নাৰীয়ে। নাৰীৰ মাজতহে প্রতিভাত হয় এটা জাতিৰ সামগ্রিক প্রতিচ্ছবি। এক অর্থত নাৰীয়েই হৈছে এটা জাতিৰ ধাৰক আৰু বাহক। তিৰা মহিলাও ইয়াৰ ব্যতিক্রম নহয়, তেওঁলোকৰ সমাজ জীৱনত ভুমুকি মাৰিলেই এই কথাৰ উমান পাব পাৰি।

তিৰা মহিলাই ৰাতিপুৱা শুই উঠিয়ে ঘৰুৱা বিভিন্ন কামত লাগে। বাহি-বন কৰি, ৰান্ধি-বাঢ়ি ঘৰৰ সদস্যসকলক খোৱাই-বোৱাই বিভিন্ন কামলৈ পঠিয়াই দিয়াৰ উপৰি গাহৰি, ছাগলী, হাঁহ-পাৰ, কুকুৰা ইত্যাদি জীৱ-জন্তুৰ লালন-পালনৰ দায়িত্ব ল'বলগীয়া হয়। পাহাৰৰ তিৰা মহিলাই আকৌ পাহাৰলৈ গৈ খৰি-খেৰ সংগ্রহ কৰা, বিভিন্ন শাক-পাচলি সংগ্রহ কৰা আৰু জুৰি বা দঙৰপৰা দীঘল দীঘল বাঁহৰ চুঙাত (দংচুঙা) পানী ভৰাই হো�ৰাত তুলি ঘৰলৈ লৈ অনা আদিবোৰ কাম কৰিবলগীয়া হয়। উৰাল বা ঢেঁকীত ধান বনা, পিঠাগুড়ি খুন্দা, পিঠা বনোৱা, মদ প্রস্তুত কৰা, এড়ী পোহা, সুতা কটা, মাছ মৰা, বহুদিনলৈ মাছ আদি সাঁচি ৰাখিবলৈ মাছ শুকুৰাই ৰখা, শুকুতি কৰি চুঙাত ভৰাই ৰখা, গাছটেঙা সাঁচি ৰখা, লাউ-কোমোৰা সুন্দৰকৈ সংগ্রহ কৰি বছৰটোলৈ সাঁচি ৰখা আদিবোৰ কার্য মহিলাৰ নিত্য-নৈমিত্তিক কর্ম। এইবোৰ তদাৰক কৰিবলৈ পুৰুষৰ আহৰি নাই। ঘৰখন সুন্দৰকৈ পৰিপাতি কৰি ৰখাত মহিলাই অগ্রণী ভূমিকা গ্রহণ কৰা দেখা যায়।

তিৰা মহিলাই ঘৰৰ প্রয়োজনীয় সাজ-পাৰ নিজে বৈ লয়। প্রধানকৈ মহিলাই ব্যৱহাৰ কৰা কাচং, ফাচকাই, জাচকাই, টাগলা, নাৰা, ফালি, থেনাচ আৰু ভৈয়ামৰ মহিলাই অসমীয়া মহিলাৰ দৰে মেখেলা-চাদৰ, গামোচা, চুৰীয়া আদি বৈ লয়। কাপোৰত ৰং-বিৰঙৰ বিভিন্ন ফুল বাছি দেখিবলৈ ধুনীয়া কৰে। তিৰা মহিলা যে বয়ন শিল্পতো বিশেষ দক্ষতাৰ পৰিচয় দিব পাৰিছে এই কথা তেওঁলোকৰ সাজ-পাৰৰ পৰাই উমান পাব পাৰি। ইয়াৰ দ্বাৰাই তেওঁলোকে জাতীয় সাংস্কৃতিক ঐতিহ্য পৰম্পৰাক ধৰি ৰখাত সহায় কৰিছে।

তিৰাসকল মূলতঃ কৃষিজীৱী। কৃষিৰ সৈতে তেওঁলোকৰ ওতপ্রোত সম্পর্ক আছে। কৃষিৰ ওপৰত নির্ভৰ কৰিয়েই গোটেই বছৰ চলিবলগীয়া হয়। সেয়ে পাহাৰৰ তিৰাই হাবি-জংঘল কাটি (আৰ কাটি) ঝুম পদ্ধতিৰে আলু-কচু, আদা-হালধি, লাউ-কোমোৰা, বেঙেনা আদি খেদি কৰি জীৱন নির্বাহৰ কৰে। এই গোটেই কৃষি কার্যৰ অন্তৰালত নাৰীৰ ভূমিকা উল্লেখযোগ্য। তিৰা মহিলাই পুৱাতে ঘৰুৱা কাম-বন কৰি পিঠিত খ' (হোৰা) বান্ধি, বুকুৰ একাষে কাপোৰেৰে কেঁচুৱাক বোকোচা কৰি হাতত দা, কোৰ-খন্তি লৈ পাহাৰত হাবি-জংঘল কাটিবলৈ পুৰুষৰ সৈতে সমানে যায়। সমূহীয়াভাৱে আঁৰকটা, ধান ৰোৱা, ধানকটা আদি কামবোৰত প্রধানকৈ মহিলাসকলে ভূমিকা লয়। এইদৰে সমূহীয়াভাৱে ইজনে সিজনক সহায় কৰা কার্যক তিৰা সমাজত হাদাৰি/হেদাৰি প্রথা বুলি কয়, উজনি অসমৰ ফালে আকৌ ইয়াক সাঁউৰি দিয়া প্রথা বুলি কোৱা হয়। এই ব্যৱস্থা তিৰাসকলৰ পাহাৰ আৰু ভৈয়াম উভয়তে আছে। তিৰা মহিলাই পথাৰলৈ যোৱা গৃহস্থক জলপান আদি ঘৰৰ পৰা যতনাই লৈ যায় আৰু পথাৰত গৈ ধান ৰোৱা, কঠীয়াতোলা, ধানকটা ইত্যাদি কাম কৰে, তেনেদৰে ধান চপো�ৱাৰ সময়ত মৰণামৰা, ধান জাৰি-জোকাৰি লোৱা, ভঁৰালত বা টোম বান্ধি চাঙত ৰখা কামতো মহিলাইহে আগভাগ লয়। ঢেঁকীত বা উৰালত ধান বান্ধি চাউল কৰা কামটোও মহিলাৰ প্রধান কর্ম। পথাৰত ধানৰ আগ আনিবলৈ প্রথমদিনা যাওঁতে অথবা প্রথমদিনা ধান ৰুবলৈও মহিলাহে যায়।

এটা সন্তান দহ মাহ দহ দিন গর্ভত ৰখাৰ পৰা প্রসৱ কৰি তাক



তুলি-তালি ডাঙৰ-দীঘল কৰালৈকে মহিলাৰ যি কৰণীয় সি তিৰা কি আন জাতিৰ মানুহৰ ক্ষেত্ৰতো একেই। তিৰা সমাজত সন্তান জন্মাৰ পিছত বাঁহৰ চেঁচুৰে নাৰীকটাৰ বেলিকাৰ ওজানী বা নাৰীয়েই মুখ্য ভূমিকা পালন কৰে। নামকৰণৰ সময়ত অর্থাৎ অশৌচ কৰাৰ সময়ত ওজানী বা গিয়াতীয়ে পৰিয়ালৰ লগতে নৱজাতকৰ ঘৰখন শুচি কৰে। খেলৰ মহিলাবোৰে মিলি প্ৰথমতে অশৌচৰ নামত চৰাই কাটি জাল আঞ্জা খায়। মদ খাই 'লালি হিলালি' বা 'গদালীপৰীয়া' গীত গাই গাই কেঁচুৰাক কোলাত লৈ নাচে।

তিৰা সমাজত কোনো লোকৰ মৃত্যু হ'লে গিয়াতীসকলেই প্ৰায়বোৰ কাম কৰা দেখা যায়। তিৰা সমাজত দুই ধৰণৰ গিতায়ী আছে— পুৰুষ গিয়াতী আৰু মহিলা গিয়াতী। মহিলা গিয়াতীয়ে মৃতকৰ ঘৰৰ সকলোবোৰ যাৱতীয় কাম-কাজৰ দায়িত্ব আৰু পুৰুষ গিয়াতীয়ে শ্মশানত শ-দাহ কৰাৰ বাবে সম্পূৰ্ণ দায়িত্ব পালন কৰে। মহিলা গিয়াতীয়ে মৃতকৰ ঘৰত খাৰ-মাছ চোৱাৰ ভাত-পানী ৰান্ধি নোখোৱালৈকে সাৰ-মাছ আদি ৰান্ধি খাব নোৱাৰে।

উৎসৱ-অনুষ্ঠানবোৰৰ মাজতো পুৰুষৰ সমানে তিৰা মহিলাই আগভাগ লোৱা দেখা যায়। ইয়াত প্ৰয়োজনীয় সা-সামগ্ৰী যোগাৰ কৰাৰ পৰা ভোজ-ভাত ৰন্ধা, খোৱা, বিলোৱা আৰু চাফ-চিকুণ কৰালৈকে পুৰুষতকৈ নাৰীয়েই বেছি ভূমিকা ল'ব লাগে। ইয়াৰ উপৰি পূজাত ব্যৱহৃত মদ, চাউল পাত, পিঠাগুড়ি, শাক-পাচলি, কলপাত, পানী, চুঙা ইত্যাদিবোৰ তিৰা মহিলাইহে হোৰাত ভৰাই পূজাৰ স্থলিলৈ নিয়ে। ইয়াৰ উপৰি নৃত্য-গীত কৰিবৰ সময়ত মহিলাই খ্ৰামৰ চেৰে-চেৰে পাংচীৰ সুৰে সুৰে লয়লাস ভংগীমাত নাচি-বাগি উৎসৱৰ জেউতি চৰায়। এনেদৰে নাৰীক কেন্দ্ৰ কৰিয়েই সৃষ্টি হৈছে বিভিন্ন গীত-মাত।

তিৰা সমাজ ব্যৱস্থাত কেইগৰাকীমান নাৰীৰ বিশিষ্ট ভূমিকা মন কৰিবলগীয়া। সেই কেইগৰাকী হ'ল গিয়াতী, হাৰী কুঁৱৰী, ৰান্ধনী-বাৰণী আৰু চাকনি। এইসকল মহিলাৰ অবিহনে তিৰা সমাজৰ কোনো অনুষ্ঠান সম্পাদন কৰিব নোৱাৰি। তিৰা সমাজত হাৰী কুঁৱৰীৰ বহু গুৰুত্ব আছে। দেওপূজা, গৃহদেৱতা পূজা, কৰম-জন্ম-মৃত্যু-বিবাহ সম্পৰ্কীয় লোকাচাৰৰ লগতে উৎসৱ অনুষ্ঠানতো হীৰাৰ ভূমিকা মন কৰিবলগীয়া। হাৰীকুঁৱৰী তিৰা সমাজত দুই ধৰণৰ দেখিবলৈ পোৱা যায়। ৰজাঘৰীয়া হাৰী আৰু বংশ বা পৰিয়ালৰ হাৰী। ৰজা ঘৰৰ হাৰীয়ে ৰজাঘৰীয়া বিবিধ অনুষ্ঠানত আগভাগ লয় আৰু অন্য বংশৰ হাৰীয়ে পৰিয়ালৰ বিবিধ ধৰ্মীয় উৎসৱ অনুষ্ঠানত আগভাগ লয়।


ৰজাঘৰীয়া হাৰীকুঁৱৰীয়ে সম্ভাব্য বিপদৰ আশংকা কৰিলে প্ৰতিকাৰৰ বাবে দেওপূজা কৰিবলৈ নিৰ্দেশ দিয়ে। কোন দেৱতাৰ বাবে কেনে পূজা বা বলি-বিধানৰ প্ৰয়োজন সেই সমস্ত কথাৰ বৰ্ণনা দেউৰীক হাৰীকুঁৱৰীয়ে দিয়ে। উল্লেখযোগ্য যে এই ৰজাঘৰীয়া হাৰীকুঁৱৰীৰ সৈতে অন্য বংশ বা কুলৰ হাৰীকুঁৱৰীৰ কোনো সম্বন্ধ নাই। ৰজাঘৰীয়া হাৰীকুঁৱৰীবোৰ ৰজাৰ সৈতে একেখন ঘৰতে থকা নিষিদ্ধ সেয়ে ৰজাৰ বিবাহৰ পাছত কুঁৱৰীৰ সৈতে আন ঠাইলৈ যায় আৰু হাৰীকুঁৱৰীক পূজা-পাৰ্বণ কৰি থাকিবলৈ এই ঘৰটো এৰি যায়। ইয়াৰ পৰা আমি এইটো বুজিব পাৰোঁ যে যিহেতু হাৰীকুঁৱৰীক সকলোৱে সন্মান কৰে গতিকে তেওঁৰ যাতে কোনো ধৰণৰ অপায়-অমংগল নহয় কাৰণ তেওঁ থাকিলেহে আমাৰ সমাজৰ বিবিধ পূজা-পাৰ্বণ আদি সুচাৰুৰূপে পালন কৰিব পৰা যাব আৰু বোধহয়, সেইবাবেই হাৰীকুঁৱৰীয়ে নিজকে বিভিন্ন নীতি-নিয়মৰ মাজত বান্ধি ৰাখে। হাৰীকুঁৱৰীয়ে সমাজৰ বিবিধ অনুষ্ঠান আদিৰ পৰা বঁটা-বাহন আদি পায়। ৰজাঘৰীয়া হাৰীকুঁৱৰীতকৈ কুল বা বংশ পৰিয়ালৰ হাৰীকুঁৱৰীৰ দায়িত্ব বহু বেছি। তেওঁলোক সমাজৰ কাজ-সকাম, পূজা-পাতল, উৎসৱ আদিত নহ'লে নহয়, হাৰীকুঁৱৰী থাকিলেহে সকলোবোৰ কাৰ্য সম্পন্ন কৰিব পাৰে। সন্তান জন্ম হোৱাৰ পিছৰ অনুষ্ঠান, মৃতকৰ কৃতকৰ্মৰ বাবে কৰা অনুষ্ঠান আদিত হাৰীকুঁৱৰীয়ে নিৰ্দেশ দিলেহে দেউৰী বা আন লোক পৰৱৰ্তী কাৰ্যবোৰ কৰিব পাৰে। উল্লেখযোগ্য যে এই গৰাকী মহিলা বিবাহ হ'লে পতি ঘৰলৈ বোৱাৰী হৈ নাযায়, পতিদেৱতাইহে হাৰীকুঁৱৰীৰ ঘৰলৈ চিৰদিনৰ বাবে গুচি আহিব লাগে। সেইবাবে বৰ্তমান সময়ত তিৰা সমাজত হাৰীকুঁৱৰীৰ দায়িত্ব ল'বলৈ বহুতে টান পায়।

হাৰীকুঁৱৰীৰ লেখিয়াকৈ তিৰাসকলৰ বিবিধ সামাজিক অনুষ্ঠানত খাদ্যবস্তু ভাগ বিতৰণ কৰিবৰ বাবে প্ৰধানকৈ মদ চাকিবৰ বাবে চাকনি আৰু খাদ্যবস্তু বিতৰণৰ বাবে বাৰণী অর্থাৎ বিলনীয়াৰ প্ৰয়োজন হয়। এই কামবোৰ মহিলাই কৰা দেখা যায়। জাৰী (কলহ)ৰ পৰা মদ উলিয়াই চাকনিৰে মদ চাকি দাৱণেৰে সমাজৰ মাজত বিতৰণ কৰিবলৈ আৰু ৰান্ধনীয়ে ৰন্ধা খাদ্যবস্তু বিলাবলৈয়ে এই ৰান্ধনী-বাৰণী, চাকনি-বাকণীৰ প্ৰয়োজন অনস্বীকার্য। মহিলাৰ হাত উজানতহে যে এই কামবোৰ সফলভাৱে সমাপন কৰিব পাৰি ইয়াৰ পৰাই বুজা যায়।

সামাজিকভাৱে যিদৰে তিৰা মহিলাসকল দায়বদ্ধ তেনেদৰে ঘৰখনৰ আর্থিক দিশ টনকীয়াল কৰাৰ ক্ষেত্ৰতো বিশেষভাৱে দায়বদ্ধ। পুৰুষসকলৰ দৰেই নিজৰ কাম-বন আজৰি কৰি আনৰ ঘৰত দিন-হাজিৰা কৰি দুপইচা আৰ্জে। ঘৰতে হাঁহ-কুকুৰা, গাহৰি-ছাগলী পোহ-পাল দি, নিজৰ প্ৰয়োজনীয় সাজ-পাৰৰ উপৰি এজুঁটি-দুজুঁটি বেছিকৈ বৈ বেচি-মেলি কিছু অর্থ ঘৰৰ মানুহজনক গোটাই দি আর্থিকভাৱে সবল কৰাই নহয়, নিজে মহিলা হিচাপে পুৰুষৰ কোনো গুণে যে কম নহয় তাকো প্ৰতীয়মান কৰি দেখুৱাইছে। ইয়াৰ উপৰি ঘৰতে উৎপাদিত বিভিন্ন শাক-পাচলি, ফল-মূল আদি ওচৰৰে বজাৰলৈ নি বেচি দুই-এপইচা সংগ্ৰহ কৰাও বৰ্তমান তিৰা সমাজত দেখিবলৈ পোৱা যায়। এই কার্যবোৰ ফঁহিয়াই চালে এটা কথা অনুমান কৰিব পাৰি যে গাৰো বা খাচী সকলৰ দৰে তিৰাসকলো বোধহয় মাতৃ প্ৰধান আছিল। পাহাৰৰ তিৰাসকলৰ মাজত বৰ্তমানেও মাতৃপ্ৰধান প্ৰথাৰ প্ৰচলন আছে।

এই কথা ঠিক যে তিৰা সমাজ ব্যৱস্থাত মহিলাৰ ভূমিকা অধিক। বৰ্তমান সময়ৰ তিৰা সমাজখনতো মহিলাৰ গুৰুত্ব কমি যোৱা নাই। শিক্ষাৰ ক্ষেত্ৰতে হওক ৰাজনৈতিক ক্ষেত্ৰতে হওক মহিলাই পুৰুষৰ সমানে আগবাঢ়ি গৈছে। এই ক্ষেত্ৰত পাহাৰৰ তিৰাসকল অলপ সুকীয়া। পাহাৰ অঞ্চলত বৰ্তমানেও শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত পিছপৰা সেয়ে নাৰী কি পুৰুষ উভয়ে এই পৰিধিৰ বাহিৰত। তেনেদৰে ৰাজনৈতিক ক্ষেত্ৰখনতো পাহাৰৰ মহিলাই বিশেষ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত নহয়।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে তিৰা সমাজ ব্যৱস্থাৰ প্ৰতিটো কর্ম কৰিবলৈ নাৰী বা মহিলাৰ ভূমিকা অপৰিহার্য। পাহাৰ আৰু ভৈয়াম অঞ্চলত বাস কৰা তিৰাসকলৰ এটা কথা উল্লেখযোগ্য যে তিৰা মহিলাই কেতিয়াও পুৰুষ বা নিজৰ পতিক নুসুধাকৈ ক'লৈকো ওলাই নাযায়। তিৰা মহিলাই নিজৰ স্বামীক, নিজৰ ঘৰখনৰ প্ৰতিজন ব্যক্তিকে শ্ৰদ্ধা কৰে। সকলোকে মৰম-চেনেহৰ জৰীৰে বান্ধি ৰাখিব বিচাৰে। সম্বন্ধ ধৰি ৰখাত পুৰুষ যিদৰে কঠোৰ তাৰ বিপৰীতে মহিলাই নিজৰ ঘৰৰ আত্মীয়-কুটুম আদি সম্বন্ধবোৰ বর্তাই ৰখাত বহু সচেতন। নাৰীৰ অকৃত্ৰিম প্ৰেম বন্ধনৰ মাজত থাকিহে এজন পুৰুষ সৎ পথত থাকি আগুৱাই যাব পাৰে। মুঠতে ঘৰে-বাহিৰে, দোকানে-বজাৰে সকলো দিশতে তিৰা মহিলাই কষ্ট আৰু শ্ৰম বিনিময়ৰ যি ভূমিকা গ্ৰহণ কৰিছে ইয়াক সকলোৱে একেমুখে স্বীকাৰ কৰিব লাগিব।



জন প্রবাদৰ দেওবাঁহ

বিৰিঞ্চি ৰাভা

বগাই হাছঙৰ
আকাশ মাৰ্গত
জিভা মেলি
অকাই-পকাই
আউলি-বাউলি হৈ নাচে
জনপ্রবাদৰ দেওবাঁহ

তাইৰ বুকুৰ সোঁমাজত
খোক্‌চি, কছাৰী মাদল, জাঁৰী ঘোঁৰাৰ
সোঁৱৰণিয়ে ঢুকি নোপোৱা
এজাক ঢোশালি দেও বতাহ

ভৰুণ গাভৰু দেহত তাই মেৰিয়াই লয়
পখৰা-চিখৰা বসন
সেওঁতা ফালি পিন্ধে
বলিকটা তেজৰ ৰঙা ফোঁট

তাই নাচে চিনাল মাহীৰ চোতালত
ৰংচুৱা মদ পী...
লাঙাথানত তাই উঠিলেই
গাঙৰ পৰা আঁতৰি যায়
মাৰি মৰক অমানিশাৰ জাংগ্লাং


(টোকা ঃ বগাই হাছং ঃ ৰাভা ৰাজ্য। দেওবাঁহ, খোক্‌চি, কছাৰী মাদল, জাৰী ঘোঁৰ ঃ ৰাভাসকলৰ পূজ্য দেৱী। লাঙা থান ঃ শিৱ দেৱতাৰ থান। জাংগ্লাং ঃ প্রেত।)

শোক জলের আলেখ্য

সঞ্জয়চন্দ্র দাস

কাকজোছনা সন্ধ্যায় ওরা খরা ছুঁয়ে দাঁড়িয়ে আছে
নীরব-নিথর...এঁদো ডোবার জলে প্রতিবিম্ব
কেঁপে কেঁপে জানায় শোকস্মৃতি- একদিন ভিড় ছিল,
আজ বড় ফাঁকা- অদূরে পূর্বপুরুষদের কঙ্কাল ঘিরে
গড়ে উঠেছে সভ্যতা- ওদের উষ্ণ শোকে
বরফের বুক ভেঙে গলে শোকজল, তবু কচুরি পানার মতো
বেড়ে যায় ওদের ঘাতক; একদিন শোকজলে সন্ধ্যা নাববে,
চোখে হলদে ছানি, আমক শ্মশান, ভেজা চুলে পাকানো
বাতাস, শীতকণার উচ্ছ্বাস, উখরা গাছের মূল-
তারপর, তারপর এক বিন্দু শিশির নিয়ে
শুভেচ্ছা জানাবে ভোরের ঘাসফুল!

(বিঃ দ্রঃ 'আনন্দ সংবাদ' সাহিত্য-সংস্কৃতি গোষ্ঠীর উদ্যোগে মুম্বায়ে অনুষ্ঠিত সর্বভারতীয় কবিতা প্রতিযোগিতায় দ্বিতীয় স্থান পেয়েছে এই কবিতা।)



কথা

জয়জিৎ ডেকা

কথাৰ ওৰ নাই
কথাত বাঢ়ে কথা
যিদৰে টকাত টকা

কথা গছৰ দৰে
ওখ হৈ হৈ আকাশ চুব খোজে

কথা হ'ব পাৰে সূর্যৰ দৰে সঁচা
অথবা গোকাট মিছা

বোলো গছৰ গুৰি উৰহীৰ ওৰ
কথাতেই বাচে দেশ-জাতিকুল

সোমাই ওলাব নোৱৰা কথাৰ মায়াজাল
কথাৰেই গুঁঠি লোৱা হৃদয়ৰ ইপাৰ-সিপাৰ

বোলো শুনিছানে হে ডেকা
কথাতেই পায় বঁটা
কথাতেই যায় কটা

ৰামসিংহ-লাচিতৰ কথাৰ ৰৰযুঁজ
ইলুটি-সিলুটি হাতৰ মুঠিত বালি-আফুগুটি
মণিকাঞ্চন সংযোগটি জানো হ'ব পাৰে
যদিহে শংকৰে নামাৰে কথাৰ ফৰ্মুটি

কথা নহ'লে জানো চলে
সভা-সমিতি, উৎসৱ-পার্বণ
কথাতেই এই ত্রিভুৱন
আৰু নেতা-মন্ত্রীৰ কথাতেই কিবা
ভোল নাযায় আমাৰ গঞা ৰাইজ।

শুনিছানে হে ডেকা
কথাৰ গুৰি ক'ৰবাত

বানপানী হ'ল চাউলৰ কেলেংকাৰী হ'ল
খৰাং হ'ল বিলাই-বিপত্তিৰ ওৰ নোহোৱা হ'ল।
পেট্রল-ডিজেলৰ দাম বাঢ়িল
বিলাসী গাড়ীৰ দাম কমিল
কোন মৰিল কোন উপবাসে থাকিল(!)

বোলো হ'ব পাৰোঁ এই লাপুং বুঢ়া
কুঠাৰৰ ঘাপ মোৰ কথা
দেশ গ'ল ৰসাতলে দেশ গ'ল ৰসাতলে
কথা দি কথা নাৰাখিলে

বোলো কথাৰো থাকে কথা
কথাৰ থাকে হাত-ভৰি
কথাই যায় খোজকাঢ়ি
কথাই নাও বাই
কথাই দেশ চলাই
হয় বুলিনো কোনে নকয়
কথাতেই ভৰসা কথাৰেই জগত জিলিকা

বোলো শুনিছানে হে ডেকা
মিছা কথাৰ ঠেং চুটি
আয়ুস যাব টুটি
আৰু কথা দি নাৰাখিলে কথা
বোলে নৰকতো নাপায় স্থান
নহয় বুলিনো কোনে উলাই কৰে
যদিহে থাকে কথাৰ মান!



বৰষুণ কন্যাৰ সাধু

দীপক বৰগয়াৰী

(ক)
ফেঁকুৰি ফেঁকুৰি কান্দি নিঠৰ শিশুটিৰ
গোমোঠা মুখখনৰ দৰে
শেষ ডিচেম্বৰৰ গুলুম মৰা দুপৰীয়াটো
ওন্দোলা আকাশ
বিষণ্ণ পাহাৰ-বিৰিখ
ঊণৰ অৰণ্যত নিস্তেজ মানুহৰ
নিঃশব্দ হাহাকাৰ

নিজম জালুকবাৰী
কাচিৎহে ক'ৰবাত সৰিছে
মেঘৰ ফাকেৰে ৰ'দৰ টোপাল

(খ)
'চুইটি'ৰ চুকত বহি আছে
শোকৰ শিলে থেতেলা কৰা
বৰষুণ কন্যা
সমুখৰ চকীত বুকু বিন্ধা শূন্যতা

ধোঁৱাই থকা চাহকাপ
কেতিয়াবাই পানী হ'ল
'চুইটি'ৰ চুকত বৰফ জমিল

ক'ত সেই পত্ৰ-পুষ্প-বিকশিত
সৰোবৰৰ পাৰ
সেউজ ঘাঁহনিত বাগৰি
আকাশ চোৱাৰ অৱকাশ

ছয় নং চিটিবাছৰ খিৰিকীত
ভাগৰুৱা, বিষণ্ণ মানুহৰ শেঁতা মুখ
বৰ নীৰস, বৰ উদাসীন মানুহবোৰ
সু-খবৰ এটি শুনি
ধুনীয়া দৃশ্য এটি দেখি
কোনেও? কেতিয়াও? কিয়?
পথৰ মাজত, বাছ এখনৰ ভিতৰত
জঁপিয়াই নুঠে, চিঞৰি চিঞৰি নাগায়
এটা গান, এফাকি পদ্য

বৰষুণ কন্যাৰ যে কিমান মন
কাৰোবাৰ উল্লসিত চিঞৰত
উৰুৱাই দিবলৈ
বুকুৰ গোটমৰা বিষাদ
বৰষুণ কন্যাৰ যে কিমান মন
মাটি কুমাৰৰ বুকুত মুখ গুজি
চিপ্ চিপ্ কৈ ভাঙি-ছিঙি উচুপি উঠিবলৈ
কিন্ কিন্ কৈ থেন-থেনাবলৈ

মাটি কুমাৰ
মাটি কুমাৰ
বিদাৰি উঠে কোমল কলিজা
বৰষুণ কন্যাৰ
গাখীৰতী ধান পকি কেতিয়াবাই
চাউল হ'ল
লুইতৰ বুকু ভেদি ওলাল বালিচৰ

বৰশি বোৱাৰ চলেৰে
মাটি কুমাৰ যি গ'ল
চিপাহী-চৰ
আনকি বতাহেও বৈ নানিলে
মাটি কুমাৰ, মাটি ফুলৰ সুবাস

পাহাৰৰ সিপাৰে আছে
দুষ্ট যাদুকৰ
ডাকোৱাল পাৰ চৰাই জাকক
ফু মাৰি কৰিছে সি
শিলৰ চৰাই
গিৰ্ গিৰ্ চকুপানীয়ে মচি নিছে
বৰষুণ কন্যাৰ চকুৰ বাখৰ
চিঠিৰ আখৰ

(গ)
মই, কবি কৃষক
বৰষুণ কন্যা আৰু মাটি কুমাৰৰ
প্ৰেমৰ উপাসক
দুখৰ কঠীয়া সিঁচি
সুখ সপোন শইচ কবিতা ৰচোঁ

আহাঁ, বৰষুণ কন্যা
মাটি কুমাৰক বিচাৰি যাওঁ
কিজানি-দীপৰ বিলত
বৰশী বাই থাকোঁতে
মাটি কুমাৰক পৰুৱাই পালে

কিজানি দীপৰ বিলত
বৰশী বাই থাকোঁতে
মাটি কুমাৰক
জলকুঁৰৰীয়ে হৰি নিলে

এখিলা-দুখিলাকৈ
পকাপাত সৰিছে
জালুকবাৰীৰ অকোৱা-পকোৱা বাটত
এখোজ-দুখোজকৈ

বাট বুলিছে বৰষুণ কন্যাই
মোৰ সাহসত

এই কথা কওঁ
এই কথা নকওঁ
বৰষুণ কন্যাৰ
কিছু গোমা
কিছু মুকলি
অপৰাজিতা ফুলৰ ধুনীয়া মুখনি


ব'লা বৰষুণ কন্যা
পাহাৰ টিঙত উঠি ৰিঙিয়াওঁ
আকাশক মাতো
বতাহক মাতো
চৰাইক মাতো
মাতো ঘাঁহ-বন-নদীক

মেঘৰ ফাকেৰে অকস্মাৎ ৰ'দ সৰে
জৌ জৌ কৈ
বৰষুণ কন্যাৰ ওঁঠৰ ফাকেৰে সৰে হাঁহি
খিল্ খিল্কৈ

বাটৰ দাঁতিত ৰৈ
এজোপা বগেনভেলীয়া ফুলে
চকু মেলি মেলি চায়
বৰষুণ কন্যা
বৰষুণ কন্যা
জঁপিয়াই আহি বৰষুণ কন্যাৰ হাতত
পলকতে চুমা আঁকি যায়

দেশৰ অৰঙে-দৰঙে
মেঘদূতে ঢোল বায়
'যিয়ে দিব- মাটি কুমাৰৰ বতৰা
তেৱেই পাব সোণ ৰূপ খটোৱা
আকাশী তৰা'

বিলৰ পাৰত ৰৈ
বৰষুণ কন্যাই কাতৰে মাতে
ঃ অ' মাছমৰীয়া নাও
মোক লৈ যা লৈ যা
মাটি কুমাৰৰ ওচৰলৈ
বিলৰ পাৰত ৰৈ বৰষুণ কন্যাই
কাতৰে মাতে—
ঃ অ' জাকৰুৱা শৰালি
মোক লৈ যা; লৈ যা
পানীৰ গভীৰলৈ
জলকুঁৱৰীৰ পোতাশালত পৰি আছে
মোৰ প্ৰাণৰ কোঁৱৰ



বিলৰ পাৰত ৰৈ বৰষুণ কন্যাই
কাতৰে মাতে—
ঃ অ ঝক্ ঝক্, ঝক্ ঝক্
দীঘলীয়া ৰে'ল
লুকুৱাই-পলুৱাই কিয় লৈ যায়
মোৰ মাটি কুমাৰক

মাছমৰীয়া নাও নিমাত
জাকৰুৱা শৰালি নিমাত
দীঘলীয়া ৰে'ল নিমাত

বিলৰ পানীত কঁপি উঠে
বৰষুণ কন্যাৰ বিষণ্ণ প্ৰতিবিম্ব
এই যেন ৰূপালী মাছ এটাই
ফিছাৰে কোবাই ভাঙি পেলাব
তাইৰ ঠুনুকা মুখ

এআঁঠু পানী — বৰষুণ কন্যা
একঁকাল পানী — বৰষুণ কন্যা
এবুকু পানী — বৰষুণ কন্যা
এডিঙি পানী — বৰষুণ কন্যা

ক্ৰমে ক্ৰমে ডুব যাব ধৰে
বৰষুণ কন্যা
বিলৰ পানীত

এনেতে, মেঘৰ মাজেৰে সৰকি আহি
এটি সৰু চৰায়ে
উৰি ঘূৰি নাচি-বাগি দিয়ে
মাটি কুমাৰৰ কুশল-বতৰা
মাটি কুমাৰ
মাটি কুমাৰ
মাটি কুমাৰ অভিযানৰ দেশত

অপাৰ-আনন্দ-সুখত
বাউলি হয়
বৰষুণ কন্যা
সাঁতুৰি-নাদুৰি টো তোলে
বিলৰ পানীতে

(ঘ)

কি হ'ল?
কি হ'ল?
বৰষুণ কন্যা আৰু মাটি কুমাৰৰ সাধু
শেষেই নহ'ল
কিন্ কিন্ বৰষুণ জাকে সেমেকাই তুলিলে
শীতৰ সন্ধিয়া...

তিনিটা কবিতা

নীলোৎপল শর্মা

(১)
গাঁথি

জীৱনটোক বুজা হোৱাৰে পৰা
সকলোৰে ওচৰলৈ বিচাৰি গৈছিলোঁ
জীৱনটোৰ পৰা পলোৱা এখন দুৱাৰ (!)

সমিধান দিব নোৱাৰি
লজ্জিত হৈছিল
জীৱনৰ দ্বাৰা শোষিত মানুহবোৰ...

তেওঁলোকে কৈছিল
যৌৱনত কোনোবা গাভৰুক
এপাহ ফুল দিয়াৰ পৰা আৰম্ভ কৰি
অনেক সমস্যা আৰু অনেক ব্যথাৰ কথা

মই তেওঁলোকক সুধিলোঁ
সাজিব নোৱাৰিলে এনে এখন দুৱাৰ
মাজেৰে সৰকি যাব পৰা অলপ হুমুনিয়াহ

তেওঁলোকে মোৰ কথা শুনি হাঁহিলে
আৰু ক'লে—
পলাবলৈ বহু দুৱাৰ আছে
কিন্তু পাৰিবা জানো ৰখীয়াজনক আঁতৰাব...
মই সুধিলোঁ— ৰখীয়াজননো কোন?

মা-দেউতাৰ ফুলাম হাঁহিটিৰে
আকাশত ফুলি উঠিল এটা শব্দ— 'মায়া'

(২)
বাথৰুম

তিনিখন বেৰ, এখন দুৱাৰ
চাবোনৰ বুৰ্‌বুৰণি কোমল পুৱাৰ

শকুন্তলা আহিল এদিন সেই অৰণ্যলৈ
আৰুৰ চাবোনৰ বাগিচাত উমলি থাকোঁতে
পালেগৈ দুষ্মন্তৰ ওচৰ

দুষ্মন্তৰো সেই একে হৃদয়
তিনিখন বেৰ, এখন দুবাৰৰ স'তে
শকুন্তলাই নুবুজিলে একো
কেঁচা কলপাতেৰে
দেউতাকে সাজি দিয়া
বাথৰুমত তাই কেনেকৈ হেৰুৱালে নিজৰ কাপোৰবোৰ!

(৩)
অ-মৃত

মোক এখন পাপৰ আকাশৰ তলত কবৰ দিবা
মাটিবোৰ ভালকৈ জাপি দিবা
আৰু... গাঁতটো দকৈ খান্দিবা
নহ'লে নিৰাশাৰ চৰাইবোৰে খুঁটিয়াই খুঁটিয়াই
তেওঁলোকৰ ৰজাক আনি
পুনৰ যৌনতাৰ ৰাজপ্রাসাদত সজাব
তেতিয়া উঠি অহা গাভৰুবোৰৰ কি হ'ব ভাবি চাইছানে?
যন্ত্রণাৰ এবুকু ডাৱৰ মই সিহঁতৰ আকাশতে থাপিম

পৃথিৱীৰ বুকুত উদ্‌যাপিত হ'ব শান্তিৰ এটা দিন
মোৰ মৃতদেহ পঁচিবলৈ যিদিনা আৰম্ভ কৰিব
গাভৰুদেহৰ ঘ্রাণেৰে বসুমতী হ'ব গর্ভৱতী
যেতিয়া মমৰ দৰে গলি উঠিব মোৰ দেহ, অহংকাৰ
আৰু মোৰ হাড়বোৰে এদিন কবৰ ফালি ওলাই হ'ব পাপৰ গছ


দুর্গন্ধৰ আকাল হৈ উঠিব ক'লা বাছৰ ধোঁৱা
ট্রেফিকবোৰৰ হ'ব হার্ট প্লব্লেম, চৰাইবোৰৰ নিউমনিয়া
কাপোৰৰ ওপৰত কাপোৰ মেৰিয়াই
সংশয়ৰ আবেলিৰে গাভৰুবোৰ মার্কেটলৈ আহিব
পাপৰ আকাশৰ তলত গজি উঠা বৃক্ষবোৰে
সকলোকে মোনা ভৰাই শীতলতা দিব
প্রত্যেকে খাব বতাহ, ল'ব জিৱণি
কিন্তু... পাপী মানুহ এজন জী উঠাৰ ভাগৰে
সমগ্র বিশ্বকে ক্লান্ত কৰিব

সেয়ে... গাঁতটো দকৈ খান্দিবা।



চলন্ত ৰে'লগাড়ীৰ আগত পৰি
নিজকে নিঃশেষ কৰাৰ কামনাৰে
শকুন্তলা যেতিয়া মালিগাঁও পালেগৈ
দেখিলে তাই ৰে'লগাড়ীৰ বহুখন দুৱাৰ
উভতি গোটেই নিশাটো ষ্টেচনৰ মজিয়াত পৰি
পুৱালৈ আঁকি উলিয়ালে এটা ধুনীয়া বাথৰুম
দামী চাবোন আৰু টাইলচ সমৃদ্ধ সপোন

কেঁচা কলপাত গুচি আহিল ইটা
মুক্ত আকাশ ঢাকে টিনপাতে
আকাশ নেদেখা বেদনাৰে
শকুন্তলা জীয়াই থাকে...(!)



হেমন্তৰ কবিতা

প্ৰশান্ত ৰাভা

বৰকৈ হামিয়াই থাকে
বুঢ়া সেমেকা সূর্য


কাঁচিয়লি ৰ'দ ফালি
মোৰ 'আগৰণ'ৰ সুৰুঙাইদি
শীতৰ নেদেখা কাঁইট

শীত পাহৰি ৰাতি ৰাতি
কোনে কাৰ স'তে চুপতি কৰি....
কোনে কালৈ বাট চাই

দুপৰীয়াৰ দোলনাত
ডেকেৰীৰ নুন টেঙাৰ মেল
জুইশালত আতাৰ ভৰি পতা
পুহৰ পথাৰৰ ৰেখা

শীত পাহৰি ৰাতি ৰাতি
কোন গৰখীয়াই
এয়া কি সুৰ সুহুৰিয়াই...

চেৰেংকৈ মনত পৰি তোমালৈ
মোৰ বুকুৰ নৈত সপোন এটাই
এই যেন
উজাই আৰু ভটীয়াই।



তৰা

দৰ্শনা গোস্বামী

কোনটো সীমা পাৰ হ'লে
বৃদ্ধ হৈ পৰে এটি তৰা
কিমান ভিৰত উশাহ নল'লে
মৃত হৈ পৰে এটি তৰা
কিমানখিনি ভিটামিন নাপালে
ৰুগ্ন হৈ পৰে এটি তৰা

যৌৱনৰ কোনটো দশকত
হেৰাই যায়
কিম্বা মাটিৰ মৰমত
নামি আহে তৰা!

আকাশৰ বিশাল স্ক্রিনত
একেবোৰেই তথাপিতো
নিশাৰ উচুপনিত নীৰৱে
খহি পৰে তৰা।

কিমান সপোনে ওমলিলে
কিমান সুখৰ বা-ত
'মানুহ' হৈ পৰে তৰা
অপ্ৰাপ্তিৰ দৌৰত
কিমান পোহৰ বিচাৰি
তৰাবোৰ হৈ পৰে তৰা??

পাৰ্থক্য এটাই
কেতিয়াবা পুৱতি নাইবা পপীয়া
আথবা অৰুন্ধতীৰ পৰশ লৈ
সপ্তৰ্ষিৰ বাটেৰে যোৱা
অশ্বমেধৰ ধ্ৰুব তৰা।।

এজনী ছোৱালীৰ নাম আছিল কৃষ্ণচূড়া...

জিনি ফুকন

কালিৰে পৰা অস্থিৰ হৈ আছে জালুকবাৰী
গোমা আকাশ... স্তব্ধ বতাহ
৬নং চিটিবাছৰ খিৰিকীমুখত ৰৈ বিষণ্ণতা
জালুকবাৰীৰ পুৰণি অসুখ

জালুকবাৰীৰ অসুখ হ'লে
প্ৰায়ে শূন্য হৈ পৰে চিটিবাছৰ আসন
দুচকুত আপোনালোকৰ প্ৰশ্নবোধক
কিয়! অপেক্ষাৰ ষ্টপেজত এই আবতৰীয়া ফাগুন
মাৰ্কেট, সাতমাইল কিম্বা লংকেশ্বৰ হৈ পৰে
কিবা যেন শূন্যতাৰ প্ৰাচীন উপাসক

অথচ পৰহিলৈকে ঠিকেই আছিল সকলো
নিয়মমাফিক চলি আছিল জালুকবাৰীৰ ৰুটিন
ক্লাছ, ছেমিনাৰ... কেণ্টিনৰ আড্ডা
বি. কে. বিত কবিতাৰ মেলা
মাজে মাজে সুৰৰ মূৰ্চ্ছনা নৃত্যৰ সুগন্ধি
খিল্‌খিলাই থকা ধুনীয়া ছোৱালীবোৰৰ হাঁহিয়ে পৰহিলৈকে
জীপাল কৰি আছিল জালুকবাৰীৰ এসোঁতা বতাহ।

পৰহিলৈকে মেঘালীত একাপ চাহৰ বাবেই
গধূলিৰ মাৰ্কেটত আছিল বৰ ব্যস্ততা
য'ত A.T., R.C.C.ৰ ছোৱালীয়ে
মাতাল কৰি তোলে উশাহৰ উষ্ণতা
কেতিয়াবা এনে লাগে যেন জালুকবাৰী
কেৱল ধুনীয়া ছোৱালীবোৰৰ বাবেহে
আৰু নোট জেৰক্স কৰাৰ নামত আপোনালোকেও চাগৈ
কিমানবাৰ যে মাৰ্কেটৰ পকনীয়াত পাক হেৰুৱাইছিল
কোনে জানে! কোনে জানে...
আচলতে পৰহিলৈকে
জালুকবাৰীৰ আকাশত জ্বলি আছিল কৃষ্ণচূড়াৰ ৰঙা

কালিৰে পৰা জালুকবাৰী অস্থিৰ

এই যে কেৱল ৰঙাত ডুবি থকা
নিয়ন লাইটৰ পোহৰত কঁপি কঁপি
নিশাবোৰক ৰহস্যময় কৰি তোলা জালুকবাৰী
অন্য ৰঙে সেয়েহে নুশুৱাই জালুকবাৰীক
আৰু যেতিয়া আকাশত কৃষ্ণচূড়াবোৰ নুফুলে
জালুকবাৰীয়ে এনেদৰেই পেচ ধৰে
বিঃ দ্ৰঃ সংযোজন
এজনী ছোৱালীৰ নামো আছিল কৃষ্ণচূড়া
এজনী ছোৱালী নামো আছিল কৃষ্ণচূড়া
পৰহিলৈকে যি আপোনাৰ প্ৰেমিকা হৈ উঠাৰ কথা আছিল
আৰু যাৰ বাবে আপুনি সপোন বন্ধকত থৈ
হৃদয়ত সুখৰ বৰষুণ নমাব খুজিছিল
আপোনাৰ ভালপোৱাৰ বিনিময়ত যিয়ে
এবুকু জোনাক সিঁচাৰ কথা আছিল জালুকবাৰীত

এতিয়া কৃষ্ণচূড়াৰ লঠঙা ডালত
ওলমি লাগি ৰ'ল ফাগুন

পৰহিলৈকে যি কেৱল কথাহে আছিল
এতিয়া বিষাদৰ ছায়া... ... ...।



মোৰ বাবে তুমি নে তোমাৰ বাবে মই

মন্দিৰা বৰুৱা

তোমাক লগ পোৱা দিন ধৰি
প্ৰতিটো পল মোৰ
এটা গানৰ দৰে
নদীৰ ভটীয়নি সোঁতৰ দৰে
তোমাক দেখা দিন ধৰি
প্ৰতিটো দিন মোৰ
ৰাঙ্কনি বেলিতকৈও সুন্দৰ
প্ৰোজ্জ্বল প্ৰতিটো পুৱা
ছুনামিতকৈও কোবাল গতি
একোটা মুহূৰ্ত
যেন এজাক পখিলা
নিশাবোৰ যেন এথোপা জোনাকী পৰুৱা
তোমাক লগ পোৱা দিন ধৰি
শেৱালিতকৈও শুভ্ৰ মোৰ
হৃদয়,
বৰ্ষাতকৈও সিক্ত মোৰ
মন
শৰৎ নহয়
হেমন্ত নহয়
তুমি মোক বসন্ত দিয়া
প্ৰতিটো প্ৰোজ্জ্বল পুৱাৰ বাবে
প্ৰতিটো ৰৌদ্ৰোজ্জ্বল দুপৰৰ বাবে

তুমি মাথোঁ তুমি
কিয় মাজৰাতি
পাৰ হোৱা
বুকুৰ বাকৰি ভাঙি

এটা সপোনৰ হেন্দোলনি
বুকুৰ বাকৰিত
ৰিণি ৰিণি সুৰৰ সুখৰি
ফুলৰ পাপৰিৰ দৰে, সুকোমল
জোনাকীৰ দৰে ৰৌদ্ৰোজ্জ্বল
একোটা পুৱাৰ শেষত
একোটা গানৰ শেষত
এজাক শব্দৰ সমদল
তুমি আৰু মই
মোৰ বাবে তুমি নে?
তোমাৰ বাবে মই?

এটা শব্দৰ বাবে...

বৰ্ণালী দাস

এটা শব্দৰ বাবে
জ্বলি যায়
কত সপোনৰ ছয়াময়া বাট
এটা শব্দৰ বাবে
দুগালেদি বয়
ছাইবৰণীয়া চকুলোৰ অজস্ৰ ধাৰ
এটা শব্দৰ বাবে
শোঁতা পৰা ওঁঠৰ হাহাকাৰৰ আৰ্তিৰোৰ
এই এটা মাথোঁ
শব্দৰ বাবে
দিনবোৰ ঢাকি ধৰে
তেজৰ কৰালে
আৰু ৰাতিবোৰে
দুপৰীয়া হৈ
বিনাই থাকে
এটা মামৰে ধৰা বাটত...।

The Silver Lining

Jayashree Talukdar

Life seems to be sitating
Beside a window,
In a cool, cloudy evening
Haywire and without any glow.

Spreading its darkness
Enormous and glorious night felt
Was no bounds to its happiness
On its conquer on moon's light.

But, with the few stars' twinkling light
Life will go on, as it knows
As the night ends
Soon there will be dawn...



Grumbling Self

Abdul Mubid Islam

My life is a house with lights
All extinguished
grief float on back pages dackly
As heavy monsoon clouds.
The moon scatters its brilliance
with bloodstains...
Multitudes of voices gives a clearance inside
sting of the scorpion measurings in blue veins.

Reason agitated like a hood of the cobra
Awaken from its deep slumber.
show care down like an uninvited guest
My careass begins to face off..
I sweat in utter despair!

Far across the shores of stand and wait...
A homeless eat with veinss black!
I board on the boat unanchored
With fuble hands and reluctant legs.

The dark horizons engulfs my head
I become a mountain of petty size.
I wait and wait and wait on the banks
lepidity of life haunts my existence
I am on a sojourn of black death.

I wait for the arrival of the Big ship
with its mighty soil– a dack black ship,
Bound on its way to elemental death
To a world where God is the invisible author
Fate the invisible script and see the visible actors
A shark like huager awaits me
Streigs fall out of tune from my happy hands.

Lost

Bhaswati Das

The eyes that rocked me
The eyes that moved me
The eyes that beheld me
Visualised me forever.


The hands that touched me
The hands that bound me
The hands that promised me
Held me forever.

The feet that guided me
The feet that followed me
The feet that reminded me
The path to over-yonder.

Where have they gone? I wonder
But can guess neither
My search is incomplete
Till the world becomes an oyster.

Loyalty, promises and love
Have no meaning for you
None remains by my side
Only a forgotten few.

But I shall not accuse you
It had to happen sooner or later
And I have to tresspass alone
Now that you are lost forever.



গল্প



এটা নাম অথবা এগৰাকী নাৰীৰ অনুসৰনত

ড° ভাস্কৰজ্যোতি বৰা

মোৰ জীৱনত এক বিশেষ নামৰ নাৰীৰ প্ৰভাৱ সৰ্বাধিক। তেওঁ মোৰ প্ৰথম প্ৰেয়সী। যাৰ স'তে মোৰ পৰিচয়েই নহ'ল। মোৰ মনৰ মাজতে থাকি গ'ল। লাহে লাহে হেৰাই গ'ল, মই ঠিক ভালদৰে অনুভৱ কৰিব নোৱাৰোঁ। অনুভৱ কৰিব নোৱৰা নহয়, বুজি নাপাওঁ। বিচাৰি উৰাদিহ নাপাওঁ এনেবোৰ ভাবনাৰ উহ। মোৰ পত্নীৰো নাম আছিল সেই বিশেষ নামটো। যাৰ স'তে মোৰ সহবাস এটা 'সামাজিক দায়'ৰ আধাৰত মাত্ৰ ১৮ দিনৰ আৰু যি আছিল উন্মাদ। তেওঁৰ স'তে মোৰ বিচ্ছেদ হ'ল, বিয়াৰ দুবছৰৰ পিছত। বিচ্ছেদৰ আগৰ ডেৰ বছৰকাল তেওঁ পিতৃগৃহতে আছিলগৈ। ক'ৰ্টত বিচাৰকে যেতিয়া এই বিচ্ছেদ-স্বেচ্ছাকৃতনে বুলি সুধিছিল পৰিয়ালৰ মানুহে শিকাই দিয়া অনুসৰি তেওঁ সম্মতিসূচক মূৰ দুপিয়াইছিল। পেৰানাইড ৰোগী

তেওঁ, দুর্ভাগজ্যনকভাৱে জন্ম দোষত পৰি... সন্দেহবাদী, খেলিমেলি, খণ্ডিত, ভয়াতুৰ, অত্যন্ত অস্বাভাৱিক যৌন বাসনা আৰু কোনোবাই তেওঁক দাঙি নি মাৰিব, শোভাযাত্ৰাৰ আগত লৈ মালা পিন্ধাব ইত্যাদি নানাটা delusion আৰু fantasy মাজত আবদ্ধ। চিকিৎসক, মন্দিৰ, মছজিদ, গীৰ্জা, মৰম-চেনেহ, কাতৰ আকৃতি, পৰিচর্যা আদি বিভিন্ন মাধ্যমৰ আলমত তেওঁৰ স'তে মোৰ যুটীয়া জীৱনক স্থায়ী কৰাৰ মানসত তেওঁক পুনৰ জীৱনৰ মধুময়তালৈ আৰু জীয়াই থকাৰ মাদকতাখিনিলৈ আনিবৰ চেষ্টা কৰি বিশেষ সঁহাৰি নাপাই... মই পলালোঁ। পলালোঁ নে তেওঁক দলিয়াই পেলালোঁ, উচিত নে অনুচিত সেইবোৰ একোৱেই বোধগম্য নহ'ল। এক দুঃস্বপ্নৰ দৰে, এচাটি কোবাল ধুমুহাৰ দৰে মোৰ বিয়া হৈ গ'ল, লগে লগে বিচ্ছেদ। মোৰ পত্নী এতিয়াও মোৰ অনুসৰণকাৰী। মোক পালে তেওঁ নতুনকৈ জীয়াই থাকিবৰ প্ৰয়াস কৰিব আৰু আগেয়ে কৰা ভুলবোৰ কাহানিও নকৰে বুলি বাৰে বাৰে মোক ফোন কৰি আমনি কৰে যদিও মোৰ ভয় লাগে মই যেন সপোন দেখি উচাপ্ খাই উঠোঁ। মই মোৰ পত্নীৰ হাতত মোৰ শয্যাতে নিহত, সকলো খেলি-মেলি... লাগে মই ঘটনা প্ৰবাহৰ স'তে উটি-ভাহি গৈ থাকোঁ একো ঠাৱৰ কৰিব নোৱাৰোঁ... আৰু এতিয়া মোৰ যৌৱনৰ twilight-ত মই অনুসৰণ কৰিছোঁ আন এজনী সেই বিশেষ নামটোৰ ছোৱালীৰ... যি কিছু ভিন্ন নাৰী, যাৰ এটা সুৰ আছে যি এচাটি পোহৰ যেন লাগে, যাৰ ঠিকনা মোৰ নাই যি এসময়ত Universityত পঢ়িছিল—যাক মাজে মাজে মই চিটি বাছত, ফুটপাথত, পৰ্যটন বিভাগৰ গেষ্ট হাউছত দেখা পাওঁ আৰু এদিন হঠাতে মোৰ কাষত বাছলৈ ৰৈ থকা, তেওঁ দক্ষিণ পাৰৰ বাছত উঠিল... মই দৌৰি গ'লোঁ..., চিঞৰিলোঁ,—"হেই হেই, আশ্চর্যৰে ভৰা, কিছু কৌতুহল... ঈৰ্ষৎ হাঁহিৰে বুজা-নুবুজা তেওঁ, কি ক'ব নক'ব, আপুনি মোক মনত ৰাখিছে সেই Universityৰ এদিনৰ চিনাকিৰ পিছত? কিমান বছৰ। চাৰি বা পাঁচ বছৰ।

মনত নথকাৰ প্ৰশ্নই নাই। "মোক চিনি পাইছানে?" "আপোনাক পাইছো।" "কিন্তু মোক আপুনি। কথা আছে বহু তোমাৰ স'তে... বহু কথা।" পঢ়া-শুনাৰ আৰু দুই-এটা গুৰুত্বপূৰ্ণ জীৱন সম্বন্ধীয় কথা... তোমাক কেনেকৈ পাম? ফোন? হয় নম্বৰ... ৪০৫০৪৮। অন্ততঃ মই তাকে শুনিলোঁ—"ৰাতি ফোন কৰিব।" নিশ্চয় ৰাতি ফোনৰ ৰিছিভাৰটো দাঙি dial কৰিলোঁ, প্ৰথমে ভাব হ'ল engaged, তাৰ পিছত ভাহি আহিল, পূৰ্ব আৰোপিত যান্ত্রিক কণ্ঠ—This telephone no does not exist। ইমান কম সময়তে ঠিকনাটো সলনি হ'লনে? মই তেনেহ'লে নাম্বাৰটো ভুলকৈ ল'লো নে কি। একো ধৰিব পৰা নাই। কি কৰোঁ এতিয়া? ফোন নম্বৰ permutation & combination কৰিলোঁ। একেবাৰে শিপা গজাই বহি ল'লো — ৪৫৫০৪৮, ৪৫০৫৪৮, ৪৫৪৮৫০, ৪৫৪০৬৮৪, ৪৫১০, ৪৫২০, ৪৫৩০... কিছুমান wrong number। ক'ৰবাত ভদ্রভাৱে নহয় বুলি উত্তৰ আহিল—ক'ৰবাত ভেকাহি আৰু কেতিয়াবা যান্ত্রিক কণ্ঠস্বৰ...ছেঃ ইমানদিনৰ মূৰত বিচাৰি হাবাথুৰি খাই ফুৰা সেই বিশেষ নামটোৰ মোৰ বর্তমান সময়ৰ সপোন আৰু ভাবনাৰ আটাইতকৈ প্ৰিয় আৰু প্ৰয়োজনীয় ছোৱালীজনীক পায়ো... ঠিকনাটো ভালকৈ ল'ব নোৱাৰিলোঁ। আনকি মোৰ ঠিকনা, ফোন নাম্বাৰটোও দিয়া নহ'ল। লৰালৰিত চব গণ্ডগোল হৈ গ'ল। মাথো মনত থাকিল তাই দক্ষিণ পাৰৰ গাড়ীত উঠিছিল। কিন্তু সদায়ে উঠে জানো? চাকৰি কৰে নেকি? কলেজত নে আন ক'ৰবাত? নে তেওঁ মোৰ মনটো জুমি চাই দেখিলে—বৰ দ্যর্থকতাত পৰিলোঁ। মোক নম্বৰটো ইচ্ছা কৰিয়েই ভুল কৰি দিলে যেন পাইছোঁ। তেওঁক মই বিচাৰিমনে? বিচাৰিলে মোৰ ego-টো মাৰ খাই যাব নেকি? মই সৰু হোৱা হ'ব নেকি? লগ পালে তেওঁক মই কি কম? exactly চৰিত্র এটাৰ বাবে তেওঁক লাগে, হয়তো নাটকৰ, ছবিৰ serial ৰ অথবা আবৃত্তি, TV programme ইত্যাদি... বেয়াকৈ মিছ কৰি আছে... ইত্যাদি মুঠৰ ওপৰত মোৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য হ'ব তেওঁৰ স'তে এক অন্তৰংগ কথোপকথন...। কিছু স্মৃতি ৰোমন্থন আৰু কথোপকথনক এক ধাৰাবাহিকতা প্ৰদান কৰা। যদি তেওঁক মই লগ পাওঁ এই লেখনিটো কেনেকুৱা হ'ব। যদি নাপাওঁ তেতিয়া? পালে মই আশা কৰা মতে মোৰ conversation আগ বাঢ়িলে এই কাহিনীৰ সাম্ভাব্য পৰিণতি কি হ'বগৈ পাৰে। যদি আগনাবাঢ়ে তেতিয়া? যদি তেওঁ ভুলকৈ ফোন নম্বৰটো দিছিল; তেতিয়া? আচলতে মই কিয় বিচাৰিছোঁ? ভাগ্য সম্বন্ধীয় ধাৰণাত বিশ্বাস যুক্তি সংগতনে? ঈশ্বৰে কৰে নে মানুহে পৰমাত্মাই নে পদার্থই নে এক কাহানিও নির্ধাৰণ কৰিব নোৱৰা প্রাকৃতি মহাশক্তিয়ে? 'সময়' নামৰ চিৰ প্রবাহমানতাৰ এই কাহিনীটোত ভূমিকা কেনে হ'ব? বিজ্ঞান, কলা, বাণিজ্য আৰু অর্থনীতিৰ দৃষ্টিভংগীৰে এই ঘটনাটোৰ বিশ্লেষণ? নান্দনিক আৰু দার্শনিক ভিত্তি? পদার্থ বা ৰসায়ন বা জীৱবিজ্ঞানে কি ক'ব? আৰু সাহিত্যই?

এই সৰু অথচ মোৰ বাবে তাৎপর্যপূর্ণ ঘটনাটোৰ আধাৰতে মই এটা গল্প বা কল্পকাহিনী লিখিব খুজিছোঁ, কাহিনীটো ক'ৰ পৰা কেনেকৈ আৰম্ভ কৰোঁ ধৰিব পৰা নাই... মনটো উগুল-থুগুল হৈ পৰিছে... এনেদৰেই যাক বিচৰা যায়, যি বহু দূৰলৈ গুচি যায়? যি আমাক বিচাৰে... তাৰ পৰা আমি বহুদূৰ আঁতৰি আহোঁ... সাময়িকভাৱে হেৰাই যাওঁ... কেতিয়াবা... বহুদিনৰ মূৰত পুৰণি কিতাপ-কাগজ-আলোচনীৰ ফাইলৰ দ'মৰ মাজত চিনাকি হেৰোৱা ফটো এখন বিচাৰি পোৱাৰ দৰে হয়তো লগ পাওঁ বা বিচাৰি পাওঁ... এক প্রশান্তিৰ নিশ্বাস হুমুনিয়াহৰ দৰে ওলাই আহে অথচ জীৱনৰ সেই ক্ষণত সেই হেৰাই পোৱা বস্তুটোৰ কোনো বাস্তৱিক মূল্য নাথাকে। এনেদৰেই হেৰুৱাই আৰু হেৰাই গৈ গৈ প্রান্তৰৰ পৰা প্রান্তৰলৈ গৈ থকাৰ যি যাত্রা তাৰ নামেই হয়তো জীৱন... যি বাটত থাকে কৌতুহলী চকুৰ উদ্বাউল অনুসন্ধান—জীৱনক জানিবৰ, বুজি পাবৰ আৰু কৈশোৰ, যৌৱনৰ দুৱাৰদলি পাৰ হৈ আমি যৌৱনৰ ভটিয়লীত উপস্থিত হওঁহি... যিবোৰ আছিল, সেইবোৰ নাই, যিবোৰ আছে সেইবোৰ নাথাকে... শৈশৱৰ মাধুৰীভৰা গাঁওবোৰ কেতিয়াবাই এৰি আহিলোঁ, এতিয়া এৰিবৰ সময় হৈছে... যৌৱনৰ মাদকতাক, তাৰ পিছত বুকুত অজস্র পোৱা-নোপোৱাৰ স্মৃতি সাবটি বুঢ়া হ'ম আৰু বন্ধু মৃদুলৰ কবিতাৰে যেন জীৱন ৰোমন্থন কৰিম—"তামোল খুন্দি খুন্দি বহি আছে আইতা, এই সলাইছে ঢাৰি এটা, ৰঙালাও এটা, ধান এদোণ, ভাত এসাঁজ, সেন্দুৰীয়া হাঁহিৰে.. শলাগি শলাগি বান্ধিছে... নিমখ এপোৱা তবাপাতৰ টোপোলাটোতে... সোণতকৈয়ো দাম আইতাই আমাক কাষলৈ মাতিছে... কঢ়া আজোৱা লাগিছে... মলঙি মলঙি গোন্ধাইছে... কাছপিঠীয়া পাহাৰৰ বকুল এডাল আমাৰ শেতেলিৰ সিয়াতে... মাজে মাজে এনেকুৱা সময়ত মোৰ সমীৰদাৰ কবিতা এটালৈয়ো মনত পৰে..."কিমান যে হেৰাই যোৱা মানুহ... অকলশৰে কথা পাতে... চকুৰ ভিতৰত গাঢ় নীলা পানীৰ দৰে বিষাদ...কোন দেশৰ পৰা আহি এই মায়াময় শূন্যত শুইছিল... শব্দ নাই, কোনো শোকৰেই শব্দ নাই...এই উকা বুকুত, কেৱল হিয়াৰ পৰা হিয়ালৈ এধানিমান পোহৰ... কাৰ নিঃসংগতাৰ ছায়াত... এনেদৰে বোবা হৈ চাই থাকে ল'ৰা-ছোৱালী, ঘৰ-বাৰী নে কোনোবা সপোনবুলীয়া ৰাতি... কিহৰ সোঁৱৰণীত সিহঁতে বাৰে বাৰে উচুপি উঠে... বাৰে বাৰে সময় বাৰে বাৰে ধূসৰ হৈ গুচি যায়...।

এটা টেলিফোন বাজিছে, দেৱাল ঘড়ীটোত নিশা বাৰ বজাৰ সংকেত ধ্বনি... অদূৰত এটা নিশাৰ চৰায়ে চী-চিয়াই মাতি যোৱাৰ শব্দ শুনা যায়...দূৰৈৰ ৰেল আলিৰ পৰা এখন ট্রেইনৰ উকি শুনা যায় অস্পষ্টকৈ... মই সচকিত হওঁ... নিশা বাৰ বজাত কাৰ টেলিফোন আহিব পাৰে? আৰু গোটেই ৰাতি মোৰ ভাবৰ পৃথিৰীত নিদ্রাহীন হৈ বিচৰণ কৰোঁ...

দাহিতা

প্রাঞ্জল শর্মা বশিষ্ঠ



সকলো শিল-টোপনিত পৰাৰ পিছতো বহুপৰলৈকে কামিনী সাৰে থাকে। দুহাত দূৰৈৰ চাংখনত মাক বকুলী গছ পৰাদি পৰি থাকে। মাকে হঠাতে সাৰ পাই তাইক মন কৰি থাকিব পাৰে বুলি তাই ভয় খায়। মাকলৈ পিঠি দি তাই বেৰৰ জলঙাৰে বাহিৰলৈ চাই থাকে অধীৰভাৱে। বাহিৰত আন্ধাৰ। যেন ঘন ক'লা কাপোৰ এখন গায়ে-মুৰে লৈ বাৰীখনো টোপনিত! মনৰ চকুৰেই তাই দেখা পায়— বাৰীৰ পাছৰ বাঁহনিখন সোঁ সোঁ বতাহত সাৰ পাই উঠিছে আৰু হিয়ালি-জিয়ালি হৈ কান্দিবলৈ আৰম্ভ কৰিছে। এটা সময়ত বাঁহনিডৰাৰ মাজত ভমক্‌কৈ জুই একুৰা জ্বলি উঠে আৰু নুমায়। ধনগুলৈ? যি সামান্য সময়ৰ বাবে জুইকুৰা জ্বলি ৰয়, সেইখিনি সময়তে কেইবাটাও শিখা নাচি নাচি উঠে। যেন মানুহ এজনে হাত বাউল দি কাৰোবাক আকুলভাৱে কাষলৈ মাতিছে! তাইকে মাতে নেকি জুইকুৰাই? ভাবি ভাবি তাই পাৰ নাপায়। লাহে লাহে তাইৰ তন্দ্রা লাগি আহে। এটা সময়ত ক'ৰ নোৱৰাকৈয়ে তাই টোপনিত পৰে। জুইকুৰালৈ তাইৰ ভয় নালাগে। বৰং কেতিয়াবা জুইকুৰা জ্বলি নুঠিলে তাইৰ বেয়াহে লাগে। কেইবাঘৰো মানুহৰ বস্তিৰ সিমুৰকেইটা লগ লগা ঠাইতে বাঁহনিডৰা। আগতে তাত হেনো মৰা মানুহ পোৰা হৈছিল। তাই এনেয়ে তালৈ নাযায়। বাৰীৰ খালত গা ধুবলৈ যাওঁতে ঔ টেঙা দুটামান বুটলি আনি কুটি খোৱাৰ হেঁপাহে গা কৰি উঠিলে তাই মাজে মাজে অৱশ্যে বাঁহনিডৰাত নোসোমোৱাকৈ নাথাকে। বাৰীখনৰ কথা বহুতে বহুত ধৰণে কয়। তাই কিন্তু সেইবোৰলৈ অতদিনে কাণ কৰা নাছিল। তথাপি ঘন বাৰীখনত ঔ টেঙা বুটলি ফুৰোঁতে তাইৰ কেতিয়াবা ভাব হৈছিল— মৰা মানুহবোৰৰ আত্মাবোৰ ক'লৈ গুচি যায় বাৰু? আছেনে সেইবোৰ আত্মা এই বাৰীখনতে? কোনোবা ডেকা ল'ৰাক যদি ইয়াতে খৰি দিয়া হৈছিল, তাৰ আত্মাটোৰ মনৰ মানুহজনীৰ কাৰণে হামৰাও নাকাঢ়েনে? এখন কাপোৰেৰে মেঠনি মাৰি যোৱা কামিনীক অকলশৰে দেখি তাৰ বাৰু পিছল খাবৰ মন নাযায়নে? এইবোৰ কথা মনলৈ আহিলে সিদিনালৈকে তাইৰ তেইছ বছৰীয়া বুকুখনত ঢেঁকীয়ে ধান বানিবলৈ আৰম্ভ কৰিছিল। লৰ মাৰি তাই খালৰ পাৰ পাইছিলহি। তথাপি বাৰীখনৰ প্রতি অজান এটা মায়াই তাইৰ মন-মগজুক বাৰেপতি খোঁচা-বিন্ধা কৰি থাকিছিল। বাৰীখন তাইৰ ক্রমাৎ আপোন আপোন লাগি আহিছিল। আৰু কেইমাহমানৰ আগতে যি দুখদায়ী ঘটনা ঘটি গ'ল, সেই ঘটনাই বাৰীখনক তাইৰ বেছি কাষ চপাই আনিলে। ঘটনাটোৰ পিছত তাইৰ মুখৰ মাত পাবলৈকে নোহোৱা হ'ল। সুবিধা পালেই তাইৰ মনটোৱে বাৰীখনত বিচৰণ কৰি থাকেগৈ। বাঁহনিডৰালৈ চকু গ'লেই তাই চকু ঘূৰাব নোৱৰা হয়। একেথৰে চাই থাকে— তেহেলৈ বাহিৰত পোহৰেই হওক বা আন্ধাৰ।

ৰাতিৰ আন্ধাৰ ক্রমাৎ কোমল হৈ ঈষৎ বেঙুনীয়া বৰণ ধৰোঁতেই কাউৰী-কেতেকীয়ে আৰাও ধৰে। বকুলীয়ে তেতিয়াই সাৰ পায়। কামিনী তেতিয়া অদ্ভুত ভংগিমাৰে শুই থাকে। বাহী চোতাল সাৰি উঠিহে বকুলীয়ে কামিনীক জগাই দিয়ে। পুৱাৰ মনোলোভা টোপনিখিনি হেৰুৱাই সিদিনালৈকে কামিনীয়ে গোমোঠা মাৰিছিল। এতিয়াতো তাইৰ মুখৰ আন্ধাৰ কোমল নোহোৱাই হৈছে। ৰাতিৰ নৈমিত্তিক ঘটনা মনলৈ আহে, জলঙাৰে জুপি তাই বাঁহনিডৰালৈ চায়। অনেক চৰাইৰ মিশ্রিত আৰাৰে তাইৰ কাণ মৌ হৈ বৰষিব নোৱাৰে। মাকক কথাবোৰ কৈ দিব নেকি তাই? কিন্তু তাই ঠিক কৰে— নকয়। ভূতে লম্ভা বুলি সন্দেহ কৰি হায়ৈ-বিয়ৈখন জুৰিব মাকে। আই ধৰতকৈ বাইধৰ চাৰহে হ'বগৈ। আগতেও তাইৰ তেনে অভিজ্ঞতা হৈছিল। গাঁৱত সমূহীয়া কালী পূজা। আঁউসী ৰাতিৰ আন্ধাৰ ফালি গাঁৱৰ মাজডোখৰতে থকা পূজাৰ থলীলৈ তাই মাকৰ লগত খোজ দিছিল। মাকৰ

হাতৰ টিপচাকিটো বতাহত নুমাইছিল। এনেতে আদ বাটতে কিবা এটাত তাইৰ হাতখন লাগি গ'ল। যেন কুকুৰ এটাৰ পিঠিখন! আতংকত মাক-জীয়েক দুয়ো চিঞৰি উঠিল। ওচৰতে দুজনে কথা পাতি আছিল। চিঞৰ শুনি এজনে টৰ্চ লাইটা এটা জ্বলাই ধৰিলে। ক'তো একো নাই! নাই যে নাই একোৱেই নাই! ভ্ৰম? সকলোৱে তাকেই ক'লে। বঠি ধোৱা পানী খোৱাৰে পৰা আৰম্ভ কৰি বেজৰ মাদলী, সৰিয়হ জৰা এইবোৰ ৰাতিয়েই আৰম্ভ হৈ গ'ল। তাইৰ বা মাকৰ কাৰোৱেই আৰু কালী পূজা চোৱা নহ'ল। পূজাখন চাবলৈ দুয়োৰে বৰ হেঁপাহ আছিল। যিটো পঠা ছাগলী বলি দিবৰ কাৰণে অনা হৈছিল, দিনতে তাই সেইটো দেখিছিল। পঠাটোৱে নিবিষ্টচিত্তে ঘাঁহ খাই আছিল। এবাৰ তাই দেখিছিল— মাৰি পেলোৱাৰ পিছত এটা পঠা ছাগলীৰ ডিঙিত সি খোৱা আঁহত পাত এটা প্ৰায় অক্ষত ৰূপত লাগি ৰৈছিল। সাত-আঠ বছৰীয়া এপাল সমনীয়াৰ মাজত তায়ো আছিল পঠা মৰা চাই। তাইৰ দুখ লাগিছিল। কালী পূজাৰ বাবে অনা পঠা ছাগলীটো দেখি দহ-বাৰ বছৰীয়া কামিনীৰ মনত পৰি গৈছিল বিয়াত মৰা পঠাটোলৈ। কালী পূজাৰ ক'লা পঠাটোক তাই মনতে সেৱা এটা কৰিছিল। দেৱীৰ ভোগৰ বস্তু। ৰাতি সেইটোক বলি দিব। কটা মুৰটো পুৰোহিতজনাই অলপ দূৰৈত চিকুণাই থোৱা ঠাই এটুকুৰাত ভোগৰূপে এৰি থৈ আহিব। উভতি আহোঁতে লগত যোৱা মানুহবোৰে হেনো ঘৰি নাচায়। কালী গোসাঁনীয়ে সেইখিনি সময়ত ভোগত ধৰে! তাই মনতে পাঙি থৈছিল— তায়ো যাব মানুহবোৰৰ লগত, ঘৰি আহোঁতে চাব মা কালীৰ ভোগ গ্ৰহণ পৰ্ব! সেই কল্পনাতে ছোৱালীজনীৰ মনটো ভৰি আছিল। কিন্তু পূজা চাবলৈ যোৱাৰ বাটত ঘটি যোৱা ঘটনাটোৱে বিধি-পথালি দিলে। ঘৰলৈ ঘৰি গোসাঁইঘৰত সোমাই তাই আৰু তাইৰ মাকে সেৱা কৰিছিল। গোসাঁইঘৰটোত গোসাঁই বা গোসাঁনীৰ কোনো প্ৰতিমূৰ্তি নাছিল। মাটিৰে টিপ সাজিহে থোৱা আছিল। মাটিৰ টিপটোত সেৱা কৰি তাই ভাবিছিল— একো অমংগল নহয়তো! পিছত পিতাকে অন্নমিস্ত্ৰীৰ হতুৱাই থাপনা এখন সজাই দিছিল আৰু তাত তাইৰ মাকে কেইবাগৰাকীও গোসাঁই-গোসাঁনীৰ মূৰ্তি স্থাপন কৰিছিল। কালী পূজাৰ ঘটনাটোৰ দিনা তাইৰ পিতাক ঘৰত নাছিল। ঘৰলৈ আহিয়েই তেওঁ ঘটনাটো সম্পৰ্কে জানিবলৈ পাইছিল। তেওঁ সত্যনাৰায়ণ পূজা এভাগৰ মানস কৰিছিল। সত্যনাৰায়ণৰ পূজা চলি থাকোঁতে তাইৰ মনটো কালী গোসাঁনীৰ মূৰ্তিটোতহে নিৰিষ্ট হৈ আছিল। আঁউসী ৰাতিৰ ঘন আন্ধাৰৰ দৰে গাৰ বৰণ, টিকটিকীয়া ৰঙা জিভা, বিবস্ত্ৰ শৰীৰ, ডিঙিত নৰমুণ্ডৰ মালা! ভয় আৰু শ্ৰদ্ধাই তাইৰ মনটোত যুগপৎভাৱে ক্ৰিয়া কৰিছিল। সেইদিন ধৰি তাই গোসাঁনীজনাৰ একান্ত ভক্ত হৈ উঠিছিল। তেতিয়াই আচৰিত হৈ তাই আৱিষ্কাৰ কৰিছিল— তাইৰ মাকো ভক্ত হৈ উঠিছিল গোসাঁনীজনাৰ!

মাক-বাপেকে কিয় ঘটনাটো ইমান গুৰুত্ব দি লৈছিল সেই কথা তাই তেতিয়াই বুজি উঠিছিল। তাইৰ বাপেক হোজা মানুহ আছিল। গাঁৱৰে বৰকথীয়া মানুহবোৰে তেওঁৰ চোতালখনকেই গল্প-গুজবৰ স্থান হিচাপে ধৰি লৈছিল। মানুহবোৰক চাহ-জলপান যোগোৱাৰ ভাৰ পৰিছিল কামিনী আৰু মাকৰ ওপৰত। কথাৰ মহলা মাৰি মানুহবোৰে ৰাতি গহীন হোৱালৈকে ঘৰখন মুখৰ কৰি ৰাখিছিল। টোপনি ধৰিলেও মাকক সহায় কৰি দিয়াৰ দায়িত্বটো থকা কাৰণে কামিনী শুব পৰা নাছিল। মানুহবোৰৰ কথাবোৰে তাইৰ মন-প্ৰাণ ভৰাই ৰাখিছিল। বেছি ভাগ কথাই আছিল হয় পৰচৰ্চা, নহয় কোনো মুখৰোচক গল্প। অৱশ্যে তাইক বেছিকৈ আকৰ্ষণ কৰিব পাৰিছিল ভূত সম্পৰ্কীয় কথাবোৰেহে। ভূতৰ কথা ওলালেই তাই কুঁচি-মুচি মাকৰ বুকুত সোমাই পৰিছিল। উৎকণ্ঠিত, সন্দিগ্ধ চাৱনিৰে মাকৰ বুকুৰ মাজৰ পৰা তাই মানুহবোৰলৈ চাই ৰৈছিল। মানুহবোৰৰ কথা-বাৰ্তাৰ লগে লগে তেওঁলোকৰ মুখবোৰো বেঁকা-বেঁকি হৈ পৰিছিল। তেওঁলোকো যেন একো একোটা ভূত। কাহিনীবোৰে প্ৰায়েই তাইক সপোনত আমনি কৰিছিল। এবাৰ প্ৰসন্ন বুঢ়াই এখন বিয়া খাই মাজৰাতি ঘৰলৈ ঘূৰোঁতে ভূতৰ মুখামুখি হৈছিল। বিশাল আঁহত গছ এজোপা আঁউসী ৰাতিৰ ঘন আন্ধাৰৰ মাজত কিবা আচৰিত শক্তিৰে শক্তিমান হৈ জিলিকি আছিল। দূৰৈৰ পৰাই তেওঁ দেখিবলৈ পাইছিল— বগলী-বগা ধুতী-চোলা পিন্ধি কোনোবা এজন স্বাস্থ্যৱান পুৰুষে তেওঁৰ আগে আগে গৈ গছজোপাৰ তল পাইছেগৈ। মানুহজনৰ মূৰৰ পাগুৰিটো, হাতৰ লাখুটিডাল আৰু কান্ধত পেলাই লোৱা চাদৰখন দূৰৈৰ পৰাই তেওঁ স্পষ্টকৈ দেখিবলৈ পাইছিল। বুঢ়া ডাঙৰীয়া? হয়। হয় মানেই হয়েই। নহ'লে ইমান ৰাতি কোনে এনেদৰে অকলশৰে ঘূৰি ফুৰিব? প্ৰসন্ন বুঢ়াই ভয় খাইছিল, কিন্তু উপস্থিত বুদ্ধি হেৰুওৱা নাছিল। মানুহে কোৱা-কুই কৰা তেওঁ আগতে শুনিছিল— বুঢ়া ডাঙৰীয়াই হেনো একো অপকাৰ নকৰে। ৰাম নাম জপ কৰি বুঢ়া আহি থাকিল। এটা সময়ত তেওঁ গছজোপা পাৰ হৈ আহিল, ডাঙৰীয়াই তেওঁৰ কোনো অনিষ্ট নকৰিলে। যতীন বুঢ়াৰো এনেকুৱাই এটা অভিজ্ঞতা হৈছিল। গাঁওখন নৌপাওঁতেই পোৱা বহল পথাৰখনৰ মাজত এজোপাই গছ। কেন্দু গছ। গছজোপাৰ কাষতে থকা পিটনিখনৰ পাৰতে প্ৰকাণ্ড গা-গাৰিৰে কোনোবা এজন জুপুকা মাৰি বহি আছিল। তেওঁ কিছু দূৰৈত থাকোঁতেই হঠাতে সেইটোৱে মূৰ তুলি চালে। মূলাৰ দৰে দীঘল দীঘল দাঁত আৰু মাটিকঁঠালৰ পাতৰ দৰে দীঘল দীঘল নখকেইটা দেখিয়েই তেওঁ গম পাইছিল— সেইটো এটা দ'ত। দ'তবোৰে মানুহৰ তেজ শুহি খাবলৈ ভাল পায়। ডিঙিৰ সিৰত দাঁত বহুৱাই সি মানুহৰ সমস্ত তেজ শুহি খায় আৰু তেজহীন হৈ মানুহজন শেঁতা পৰি গ'লে তাতেই মানুহজনক মাৰি থৈ যায়। কথাটো মনত পৰাত সৰ্বাংগ ভয়ত কাতৰ-কম্পিত হৈ পৰিছিল যতীন বুঢ়াৰ আৰু সেই কম্পিত হাতেৰেই তেওঁ ভাগ্যক্ৰমে জেপত বিচাৰি পাইছিল এটা জুইবাহ। বিড়ি এটা জ্বলাই যতীন বুঢ়াই পুনৰ বাট ধৰিছিল। তেওঁক জ্বৰ-ঘামেহে যেন ধুবাই নিছিল। গোটেই বাটটো দ'তটোৱে তেওঁৰ পিছ লৈছিল। বিড়িৰ পিছত বিড়ি জ্বলাই তেওঁ যেতিয়া গাঁও সোমাইছিল, তেতিয়াহে দ'তটোৱে তেওঁৰ পিছ এৰিছিল। বিড়িৰ জুইখিনিৰ বাবেই ইচ্ছা থকা সত্ত্বেও ভূতটোৱে তেওঁৰ একো অনিষ্ট কৰিব নোৱাৰিলে। ৰসেশ্বৰ দোকানীয়ে আকৌ বাঁক এটাক লগ পাইছিল। বাৰিষা নামিছিল দেখি মাছৰ উজান উঠিছিল। গাঁৱৰ মানুহে দিনৰ দিনটো লগে-ভাগে মাছ মাৰিছিল। দুৰ্ভাগ্যবশতঃ ৰসেশ্বৰ দোকানী সেইদিনা গাঁৱত নাছিল। গাঁৱলৈ ঘৰি তেওঁ মাছ ধৰাৰ আজন্ম নিচাত ঘৰৰ পৰা ওলাইছিল ৰাতিৰ আন্ধাৰ ফালি। গাঁৱৰ বাস্তাৰে আহি থাকোঁতে হঠাতে তেওঁ মন কৰিলে— কোনোবা এটাই কুঁ কুঁ শব্দ কৰি কান্দি আছে। তালৈ মন নকৰি তেওঁ আগবাঢ়ি গৈ থাকিল আৰু দেখা পালে— কান্দোনটো য'ৰ পৰা আহিছে, তাতে এজোপা মজগছৰ লিৰলিৰিয়া পুলি এটা ৰাস্তাতে পথালিকৈ পাৰি কোনোবাই বাট ভেটি আছে। বাঁক! বাঁকে এনেদৰে মানুহলৈ ফান্দ পাতে। ৰসেশ্বৰ দোকানী ক্ষণিকৰ বাবে কিংকৰ্তব্যবিমূঢ় হৈ তাতে থিয় দি থাকিল। গছপুলিটো দাঙি ধৰি তলেৰে পাৰ হ'ব খুজিলে বাঁকে হেঁচা মাৰি ধৰে যদি! আৰু দেই পাৰ হৈ যাব খুজিলে উচাল মাৰি আছাৰি পেলায় যদি! হঠাতে তেওঁৰ বুদ্ধি এটা মনলৈ আহিল। তেওঁ সেইমতে এচলু প্ৰস্ৰাৰ গছজোপালৈ মাৰি পঠিওৱাৰ লগে লগে গছজোপা দাং খাই গ'ল। প্ৰস্ৰাৰ মাৰি পঠিওৱাত বাঁক পলাই যোৱা দেখি তেওঁ যথেষ্ট সাহসী হৈ উঠিল আৰু এচলু প্ৰস্ৰাৰ গায়ে-মুৰে ছটিয়াই ল'লে। গাত প্ৰস্ৰাৰ ছটিওৱাৰ সাহস বুকুত বান্ধিয়েই ওৰে ৰাতি তেওঁ মাছ মাৰি থাকিল। কঁকালৰ খালৈটো পুৰালৈ মাছেৰে ভৰি উঠিল। ৰাতিৰ ৰাতিটো অকলে পায়ো তেওঁক বাঁকে নধৰিলে। সচৰাচৰ শুনিবলৈ পোৱা মতে বাঁকে মাছ মাৰি থকা মানুহৰ পৰা মনে মনে মাছ চুৰ কৰি বা কেতিয়াবা দেখাদেখিকৈয়ে কাঢ়ি নি টকালি পাৰি খায়। মাছমৰীয়া মানুহক বাঁকে ৰাতি-বিয়লি অকলশৰে পালে মূৰটো তললৈ বোকাত পুতি থয়। সিদিনা খটোৱা সেই বুদ্ধিটোৰ কাৰণেই

অকলশৰে পায়ো বাঁকে ৰসেশ্বৰ দোকানীৰ না কিবা ক্ষতি কৰিব পাৰিলে, না মাছকেই খাব পাৰিলে। পিছদিনাৰ পৰা অৱশ্যে ৰসেশ্বৰ দোকানীয়ে ৰাতি-বিয়লি মাছলৈ নোলোৱা হ'ল। বুদ্ধিটো বা সদায় খাটে নে নাখাটে! বাঁকৰ ভয়ত কোনোবাই তিনিবাৰকৈ নমতালৈকে তেওঁ ৰাতি ঘৰৰ পৰা ওলাই কাকো মাত নিদিয়ে। কিজানি বাঁকে মানুহৰ মাত ধৰি তেওঁক মাতিছে আৰু বাহিৰলৈ মাতি নি জালত পেলোৱাৰ চক্ৰান্ত কৰিছে। ৰসেশ্বৰ দোকানীৰ ধনলিপ্সু মনত অৱশ্যে এটা বাসনা অপূৰ্ণ হৈ থাকি গ'ল। তেওঁ যে বাঁকক পায়ো বাঁকৰ জোলোঙাটো হাত কৰিব নোৱাৰিলে। বাঁকটোৰ গাত জালখনেৰে খেও এটা মাৰি দিলেই বন্দী হৈ গ'লহেঁতেন সি— আৰু বাঁকৰ জোলোঙা সৰিয়হৰ ডুলিত ভৰাই থৈ তেওঁ হ'ব পাৰিলেহেঁতেন প্ৰভূত সম্পত্তিৰ গৰাকী! প্ৰসন্ন বুঢ়া, যতীন বুঢ়া, ৰসেশ্বৰ দোকানীকে আদি কৰি বেছিভাগ মানুহেই ভূতৰ এনে ভয় লগা কাহিনী কৈছিল। অৱশ্যে দুই-এজনে ভয় লগা কথাবোৰৰ উপৰি হাঁহি উঠা কথা কিছুমানো কৈছিল মাজে মাজে। পৰমা পুৰোহিতে হেনো ক'ৰবাত সত্যনাৰায়ণ পূজা কৰি ঘৰলৈ ঘুৰিছিল। যতীন বুঢ়াই কোৱা কেন্দু গছজোপা পাওঁ পাওঁ হওঁতেই কেইটামান ভূতে তেওঁক আগচি ধৰিলে। পৰমা পুৰোহিতৰ হাতত পূজা পতা গিৰিহঁতে এলোটা প্ৰসাদ দি পঠাইছিল। প্ৰসাদৰ আমোলমোল গোন্ধে ভূতবোৰক আকৃষ্ট কৰিছিল। নানা কথা কৈ ভূতবোৰে পৰমা পুৰোহিতৰ মন ভুলাবলৈ চেষ্টা কৰিছিল আৰু প্ৰসাদ খোজা আৰম্ভ কৰিছিল। অন্য কোনো উপায় নেদেখি পৰমা পুৰোহিতে ভূতকেইটাক প্ৰসাদ দিহে কেলকেলনিৰ পৰা ৰক্ষা পালে। তাৰ পিছত অকলে অকলে আহি থাকোঁতে বুঢ়াৰ ভাব হ'ল— আন এদল ভূতে যদি এইবাৰ প্ৰসাদ খোজে! তেওঁ আছিল উপস্থিত বুদ্ধিসম্পন্ন মানুহ, গতিকে তেওঁ আৰু পলম নকৰিলে। কেইবাদিনৰো আগৰে পৰা তেওঁ আমাশয় লেতেৰা হৈ আছিল। সেইখিনি সময়তো তেওঁৰ বৰপানী চুবৰ মন গৈ আছিল। ৰাস্তাটোৰ কাষত বহি লোটাটোত তেওঁ কামফেৰা কৰিলে আৰু আহি থাকিল। তেওঁ যি ভাবিছিল সেয়াই হ'লগৈ। আন এদল ভূতে তেওঁক আগচি ধৰি প্ৰসাদ খুজিলে। লোটাটো কঢ়া-আঁজোৰা কৰি প্ৰসাদখিনি শেষ কৰি উঠি ভূতবোৰে ক'লে,— "আতা, প্ৰসাদতো আমি আগতেই বেলেগ বামুণৰ পৰা খাইছোঁ, আজি কিন্তু প্ৰসাদৰ সোৱাদ বেলেগ লাগিছে।" পৰমা পুৰোহিতে ক'লে,— "আজি এনেকুৱাই প্ৰসাদ।" এনে দুই-এটা পাতল ধৰণৰ গল্প কথিত হ'লেও কিশোৰী কামিনীয়ে মন কৰিছিল— ভয় লগা কাহিনীবোৰৰ জনপ্ৰিয়তাৰ হেঁচাই এনে গল্পবোৰক ভালকৈ উশাহ ল'বলৈকে দিয়া নাছিল।

ভূতৰ কাহিনী কোৱা মানুহবোৰে সঁচাকৈয়ে ভূত দেখক-নেদেখক, প্ৰত্যেকেই কিন্তু দাবী কৰিছিল ভূতে কোনোদিনে তেওঁলোকক নলম্ভাৰ। তেওঁলোকৰ বুদ্ধি, সাহস আৰু ধৈর্যৰ গুণত ভূত নিৰস্ত হৈ পৰিছিল। তেওঁলোকৰ মাজৰে কিছুমানে ভূতে লম্ভা মানুহৰ কথাও মাজে মাজে উনুকিয়াইছিল। ভূতে মানুহক হেনো এনেয়ে নধৰে। কোনো কথাৰ ছিদ্ৰ ধৰিব নোৱাৰিলে যেনেদৰে মানুহৰ গাত শনিয়ে লম্ভিব নোৱাৰে, তেনেদৰে নোৱাৰে ভূতেও। দিন-কাল বেয়া হ'লে এই অশৰীৰী প্ৰাণীবোৰক জয়াল ঠাইত মানুহে লগ পায়। এই প্ৰাণীবোৰে নিজৰ ৰূপ ধাৰণ কৰা চলা-ফিৰা কৰাৰ সময়ত কোনো মানুহ সিহঁতৰ কাষেৰে পাৰ হৈ গ'লে তেওঁক ভূতে লম্ভে। এই অশৰীৰী প্ৰাণীবোৰ সাধাৰণতে পিটনি, পানী, ছনবস্তি, অকলশৰে থকা ডাঙৰ গছ আদিত থাকে। এইবোৰ ঠাইত জ্ঞাতসাৰেই হওক বা অজ্ঞাতসাৰেই হওক, সৰুপানী-বৰপানী চুলে বা গচকিলে ইহঁতে ছল পায় আৰু সেই ছিদ্ৰ ধৰি ইহঁতে মানুহৰ গাত প্ৰৱেশ কৰে। ভূতে লম্ভিলে মানুহবোৰ সাধাৰণতে পঁয়া লগাৰ দৰে হৈ পৰে, যদিও চাউলপুৰীয়াৰ দৰে কাঁহীয়ে ভাত খায়! ভাতবোৰ আচলতে ভূতে খায়! মানুহজনৰ মুখৰ কথা হেৰাই যায় আৰু তেওঁ তীৰকঁপে উঠা জ্বৰত ভোগে। কোনো আধুনিক চিকিৎসাৰ দ্বাৰা ভূতে হেনো খেদাব নোৱাৰি! বেজৰ বেজালিয়েই হেনো ভূত খেদোৱাৰ একমাত্ৰ উপায়। বেজবোৰে সাধাৰণতে আচৰিত ধৰণৰ কাম কিছুমান কৰি ভূত খেদা আৰম্ভ কৰে। ডাঙৰ ডাঙৰকৈ অবোধ্য ভাষাত তেওঁলোকে মন্ত্ৰবোৰ মাতে আৰু তাৰ লগে লগে সৌকা বা কোনো মজবুত গছৰ ঠানিৰে মানুহজনক পাশৰিকভাৱে কোবায়। কেতিয়াবা আকৌ হয় শনি, নহয় মঙলবাৰে ভূতে ধৰা মানুহজনৰ ঘৰত চয়তানৰ পূজা পাতে। ভূতে মানুহজনক এৰি গ'লে কিবা বস্তু, যেনে গছৰ ডাল, ঘৰৰ দুৱাৰ-খিৰিকী আদি ভাঙি থৈ যায়। ভূত যে গ'ল, সেয়া হেনো তাৰেই চিন। ভূতে এৰা দিয়াৰ পিছত ভূতে লম্ভা মানুহজন অচেতন হৈ ঢলি পৰে আৰু তাৰ পিছত যেতিয়া জ্ঞান পায়, তেতিয়াই তেওঁ সুস্থ হৈ উঠে। মানুহে কোৱা-কুই কৰা বেজালিৰ বিভিন্ন পদ্ধতিয়ে কামিনীৰ মনত বাৰুকৈয়ে সাঁচ বহুৱাই থৈ গৈছিল। তাই নিজেও এবাৰ দেখিছিল ভূতে ধৰা মানুহ এজনক। গভীৰ ৰাতি অকলে বাৰী ফুৰিবলৈ যাওঁতে তেওঁ হেনো ভূতৰ ছাঁ গচকিছিল। এনেয়ে ভূতৰ ছাঁ নাথাকে বুলিয়েই কোৱা হয়, কিন্তু মিছা ছাঁ দেখুৱাই ভূতে হেনো মানুহক কেতিয়াবা ঠগেও! সেই তেতিয়াৰে পৰা মানুহজন বলিয়াৰ দৰে হ'ল। অসংলগ্ন বহু কথা-বতৰাই তেওঁৰ মুখত ভিৰ কৰিবলৈ ল'লে। তীৰকঁপে উঠা জ্বৰটো হেনো দিনক দিনে বাঢ়ি যাবলৈ ধৰিলে। দুৰ-দুৰণিৰ পৰা বেজ অনা হ'ল, কিন্তু সকলো মিছা হ'ল। কোনোৱেই তেওঁক ভাল কৰিব নোৱাৰিলে। এবাৰ এগৰাকী বেজ আহিল আৰু তেওঁ দাবী কৰিলে যে তেওঁ মানুহজনক ভাল কৰিব পাৰিব। ওচৰৰ গাঁওবোৰৰ পৰা বেজালি চাবলৈ অহা মানুহেৰে ঠাই ভৰি পৰিল। সকলোৰে চকুৰ আগত বেজে বেজালি আৰম্ভ কৰিলে। মানুহজনক ঢাৰি এখনত শুৱাই লৈ বেজে বেল গছৰ ঠানি এটাৰে উধাই-মুধাই তেওঁক কোবাবলৈ আৰম্ভ কৰিলে। এপাকত জালুক, জলকীয়া আৰু সৰিয়হ একেলগে তেলত পুৰি সেই তেল মানুহজনক শুঙোৱা হ'ল আৰু গায়ে-মুৰে সানি দিয়া হ'ল। আৰু সকলোকে আচৰিত কৰি মানুহজনৰ গাৰ সকলো সঞ্চালন বন্ধ হৈ গ'ল আৰু মৃগী ৰোগীৰ দৰে তেওঁৰ মুখেৰে ফেন ওলাবলৈ ধৰিলে। এনেতে পদুলিমুখৰ পাতবাহাৰজোপা সশব্দে মাজতে ভাঙি পৰিল। তাৰ লগে লগে মানুহজন নিঠৰ হৈ পৰিল। বেজে সদম্ভে ঘোষণা কৰিবলৈ ধৰিলে, —"ভূত গ'ল!" আৰু সঁচাকৈয়ে কিছুপৰ পিছত মানুহজনে জ্ঞান ঘুৰাই পালে। তেওঁৰ গাত তেতিয়া অসুস্থতাৰ কোনো লক্ষণেই নাছিল! মানুহজনৰ গাৰ পাৰ ভূত খেদোৱা এই ঘটনাটো মনলৈ আহিলেই তাইৰ মনটো ঘুৰি যায় কালী পূজাৰ সেই ঘটনাটোলৈ। কি আছিল সেয়া? হঠাতে নোহোৱা হৈ গৈছিল! সৰুৰে পৰা শুনি অহা ভালেমান ভূত-প্ৰেতৰ একোটা কাল্পনিক প্ৰতিমূৰ্তিয়ে কামিনীক কঁপাই থৈ যায়। কি আছিল সেয়া? টেলেকা-টেলেক চকু আৰু দীঘল-পাঘল দাঁত-নখেৰে এটা পিশাচ? বুকুত টেলেকা-টেলেক চকুৰে এটা মুণ্ডহীন কন্ধ? শ্মশানৰ পৰা আত্মা আনি আখেজ পূৰণৰ কাৰণে পোহা বীৰা? তাই একো থিৰ কৰিব নোৱাৰে। ভাগ্য ভাল— কালী গোসাঁনীৰ কৃপাত কোনেও সিদিনা তাইৰ একো অনিষ্ট কৰিব নোৱাৰিলে।

ভূত-প্ৰেতৰ এইবোৰ কাহিনী শুনি শুনি কামিনীয়ে পোনতে বৰ ভয় খাইছিল। সাজ লাগিলেই ঘৰৰ বাহিৰ নোলোৱা হৈছিল। সৰুপানী চুবলগীয়া হ'লেই মাকে টিপ চাকি জ্বলাই অদুৰতে থিয় দি থাকিবলগীয়া হৈছিল। কৈশোৰৰ সেই ভয় ডাঙৰ হৈ অহাৰ লগে লগে পাতলি আহিবলৈ ধৰিলে। এটা সময়ত ভয়টো প্ৰায় নোহোৱাই হৈ পৰিল। গা ধুবলৈ গৈ ঔ টেঙা বুটলিবলৈ বিনাদ্বিধাই বাৰীত সোমাব পৰা হ'ল। ডংডঙীয়া গাভৰু ছোৱালীজনী ভয়-ভীত নোহোৱাকৈ বাহিৰলৈ গ'লে লাহে লাহে মাকৰহে ভয় লাগি আহিবলৈ ধৰিলে। এইহেন দুৰ্দিনত কোন সতেৰেনো তেওঁ ছোৱালীজনীক অকলে বাহিৰলৈ ওলাবলৈ দিব পাৰে ৰাতিখন? গতিকে

টিপচাকি লৈ পৰ দিয়াৰ অভ্যাসটো জীয়েকৰ অনেক আপত্তিৰ পিছতো থাকিয়েই গ'ল বকুলীৰ। জীয়েকে আপত্তি কৰিলে তেওঁৰ আঁকৰা খং এটা উঠে। টানকৈ এষাৰ শুনালেহে তেওঁ ক্ষান্ত হয়। অৱশ্যে আজি কেইদিনমানৰ পৰা তাইৰনো কিয় মুখৰ মাত প্ৰায় হেৰাই গ'ল, তেওঁ মাথোঁ সন্দেহহে কৰিব পাৰিছে। কামিনীৰ কৰ্ম-কাণ্ডবোৰো কিবা আচহুৱা হৈ পৰিছে। হলৌ হলৌ খোজ দি তাই ঢকুৱাৰে ঘেৰা ঠাইখিনি পায়গৈ, মাক পিছে পিছে আহিলেও একো নকয়। মাকে মাতি থাকিলেও তাই ওভতনি খোজ দিয়াৰ নামকে নলয়। একেথৰে বাঁহনিডৰালৈ চাই থাকে। জীয়েকক তেনেকৈ দেখিলেই বকুলীৰ গাটো সিৰিক্‌কৈ উঠে। কামিনীয়ে একেথৰে চাই থকা ঠাইখিনিতে আজি কিছুদিনৰ আগেয়ে মহীকান্ত মহাজনৰ পুতেকটোক খৰি দিয়া হৈছিল। বকুলীৰ ভয় লাগিবলৈ ধৰে। মৰণত শৰণ দি বকুলী আগুৰাই যায় আৰু জোৰকৈ জীয়েকক ঘৰলৈ ঘুৰাই আনে। 'কি হৈছে তোৰ কচোন, বধ দিছোঁ' বুলি তাইক সোধে মানে সোধে, উত্তৰ হ'লে একো নাহে। জীয়েকৰ মূৰত হাত দি তেওঁ গিৰিয়েকৰ পৰা তাহানিতেই শিকি থোৱা শীতলা দেৱীৰ মন্ত্ৰ এটা ফাহা-ফুহাকৈ মাতিবলৈ ধৰে। বিছনাখনত কামিনী তেতিয়া থৰ লাগি বহি থাকে। তাইৰ চকু দুটা জ্বলি থাকে টলটলকৈ। মাজতে বকুলীয়ে ওজা এজনৰ পৰা আদা জৰাই আনিও জীয়েকক খুৱালে। জৰা সৰিয়হ আনি তাই গম নোপোৱাকৈ তাইৰ চাঙৰ তলত পুতিও থ'লে। কিন্তু তাইৰ আও-ভাওৰ একো সলনি নহ'ল। কি হ'ল তাইৰ? মহীকান্ত মহাজনৰ পুতেকৰ আত্মাই তাইৰ কেনেবাকৈ কিবা অনিষ্ট কৰিব খুজিছে নেকি? তায়েইনো সেই ঘটনাটোৰ পিছত ইমানকৈ সলনি হৈ গ'ল কিয়? দুয়োৰে মাজত কিবা সম্বন্ধই গা কৰি উঠিছিল নেকি? জীয়েকৰ সম্ভাব্য অনিষ্টৰ আশংকাত বকুলী বিতত হৈ পৰে। তাইৰ একো অঘটন নঘটক— এই কামনাৰে কালী গোসাঁনীক সভক্তিৰে সেৱা এটা কৰে বকুলীয়ে।

বকুলীৰ মনোকামনা এইবাৰ সিদ্ধি হোৱাৰ লক্ষণ দেখা যাওক চাৰি সিদ্ধি নোহোৱাৰ লক্ষণহে দেখা যাবলৈ ধৰিলে। বকুলীয়ে ভাবিবই পৰা নাছিল— জীয়েকৰ মানসিক অৱস্থা যে ইমান বেয়াৰ ফাললৈ ঢাল খাইছে। বকুলীয়ে এনেয়ে ৰাতি উঠিবলগীয়া নহয়, জীয়েক বাহিৰলৈ গ'লেহে তেওঁ বিছনাৰ পৰা উঠে। কিন্তু সিদিনা বকুলীয়ে মাজৰাতি হঠাতে সাৰ পাই গ'ল। শুবলৈ চেষ্টা কৰি থাকোঁতে জীয়েকৰ কথা তেওঁৰ মনলৈ আহিল আৰু দুহাত দূৰৈৰ চাংখনত শুই থকা বিছনাখনলৈ সন্ধানী দৃষ্টিৰে চালে। কামিনী নাই তাত! বকুলী উঠি বহিল। ক'লৈ গ'ল কামিনী? বকুলী ক্ষিপ্ৰ গতিৰে বিছনাৰ পৰা নামিল। সেয়া— দুৱাৰখন কাণি-দুৱৰীকৈ খোলা! তাৰ মানে তাই বাহিৰলৈ ওলাইছে? মৰতীজনী উঠিবলগীয়া হ'লে অকলে উঠে কিয়? খং আৰু অস্থিৰতাৰ ভাবে তেওঁৰ বুকুখনত খুন্দা মাৰি ধৰিলে। বাহিৰলৈ ওলায়েই তেওঁ ইফালে-সিফালে চালে। কৃষ্ণা চতুৰ্দশীৰ নামমাত্ৰ জোনৰ শোঁতা পোহৰত তেওঁ দেখিলে— কামিনীয়ে একেথৰে চাই আছে বাৰীৰ পিছৰ বাঁহনিডৰালৈ। চোতালৰ চুকলৈকে উধাতু খাই দৌৰি গৈ বকুলীয়ে চেপা মাতেৰে কামিনীক মাতিলে। কামিনী যেন তেতিয়াহে সম্বিৎ ঘুৰি আহিল। এখুজি-দুখুজিকৈ তাই ওভতনি খোজ ল'লে। জ্বলি উঠা জুই একুৰা দেখিহে বোলে তাই ওলাই গৈছিল বাহিৰলৈ! জ্বলি উঠা জুই? মহীকান্ত মহাজনৰ পুতেকৰ আত্মাই ধনগুলৈৰ ৰূপ লৈ আছুদি কৰা নাইতো? বকুলীয়ে বাপমৰীয়া ছোৱালীজনীৰনো কি হ'ল তাকে ভাবি-গুণি ৰাতিটোকে গধুৰ কৰি তুলিলে। পিছদিনা গোটেই দিনটো বকুলীক সেই চিন্তাই হেঁচা মাৰি ধৰি থাকিল। মহীকান্ত মহাজনে তাইক কিছু লাচনি-পাচনি কৰি দিবলৈ মাতিছিল। কৃষ্ণা চতুৰ্দশীৰ জোনটোৰ দৰেই শীৰ্ণ আৰু অনুজ্জ্বল দেহাটোৰে দিনৰ দিনটো কাম কৰি থাকি বকুলীৰ বৰ ভাগৰ লাগিছিল। কিন্তু সদায় এনেদৰেইতো চলি আহিছে! কেইবছৰমানৰ আগতে যেতিয়া কামিনীৰ দেউতাকক কোনোবাই ঔষধ কৰি মাৰিলে, তেতিয়া বকুলীয়ে দিনতে আঁউসীৰ আন্ধাৰ দেখিবলৈ পাইছিল। শুকাই-খীনাই যোৱা মানুহজনক দেখি তেওঁক শুকানী হাৰা কৰা বুলিও অনেকে কোৱা-কুই কৰিছিল। বেজৰ মতে কিন্তু তেওঁক কোনেও শুকানী হাৰা কৰা নাছিল, ভাতৰ লগত অখাদ্য খুৱাই ঔষধ কৰা কাৰণেহে তেওঁৰ তেনে অৱস্থা হৈছিল। বেজে তেওঁৰ বেজালি খটুওৱাৰ দুদিন পিছতেই মানুহজন ঢুকাই থাকিল। বেজে মানুহজনৰ বাউসিত মাদলী এটা বান্ধি দিছিল। কিন্তু আচৰিতভাবে মাদলীটো মানুহজনৰ গাৰ পৰা আপোনা-আপুনি অন্তৰ্হিত হৈ পৰিছিল। বেজে কোৱা মতে ঘৰৰ মানুহেই হওক বা পৰৰ মানুহেই হওক, অশুচি গাৰে স্পৰ্শ কৰা বাবে মাদলীটো নিজগুণে অন্তৰ্হিত হৈছিল আৰু সেই কাৰণেই বেজজনৰ বেজালি কোনো কামত অহা নাছিল।

জমা ধন নোহোৱাকৈ কোনোমতে চলি থকা ঘৰখনৰ অৱস্থা দিনকদিনে বেয়াৰ ফাললৈ ঢাল খাইছিল। মানুহজন নাইকিয়া হোৱাৰ পিছত



সাঁচতীয়া লাম-লাকটু হয় বেচি, নহয় বন্ধকত দি ঘৰখন আৰু কিমানদিন চলিব? সোনকালেই বকুলীয়ে ঘৰে ঘৰে কাম কৰি ফুৰিবলৈ ধৰিলে। লাহে লাহে কামিনীও বুজন হৈ উঠিল আৰু তাইৰ পৰা তেওঁ পালে সহায়, সহৃদয়তা আৰু যত্নৰ হাত। মাক-জীয়েকৰ মিলিত কাম-কাজে দুজনীয়া সংসাৰখন কোনোমতে চলাই নিবলৈ ধৰিলে। জীয়েকৰ মনটো অথিৰ হৈ থকা কাৰণে বকুলীয়ে অৱশ্যে যোৱা কেইদিনমান তাইক কামলৈ যাব দিয়া নাই। মহীকান্ত মহাজনৰ ঘৰলৈ আহোঁতে ঘৰত অকলশৰে থকা জীয়েকৰ

লগত খেলি থাকিবলৈ কাষৰে ছোৱালী ফুলক বকুলীয়ে কৈ আহিছে। বেলি হালি অহাৰ লগে লগে ঘৰলৈ ঘুৰিবলৈ বকুলী উত্ৰাৱল হৈ উঠিল। মহীকান্ত মহাজনে তাইৰ মনৰ ভাব বুজি সুধিলে— "আজিনো তোৰ হ'ল কি? ঘৰত কিবা আয়োজন আছে যেন পাওঁ।" বকুলীয়ে যে জীয়েকৰ কাৰণেহে চিন্তা কৰিছে, সেই কথা জনাৰ পিছত মহাজনৰ চকুৱে-মুখে প্ৰশ্নবোধক ভাব ফুটি উঠিল। বাধ্য হৈ বহু কথাই ভাঙি-পাতি ক'বলগীয়া হ'ল বকুলীয়ে। বকুলীয়ে মহাজনক কামিনীয়ে দেখা জুইকুৰাৰ কথা পৰ্যন্ত ক'লে, কিন্তু তেওঁ যে মহাজনৰ পুতেকৰ আত্মাই কিবা আছুদি কৰিব পাৰে বুলি ভয় খাই আছে সেই কথা নক'লে। ক্ষন্তেক তভক মাৰি থাকি মহাজনে অভয় দিয়াৰ সুৰত ক'লে— "সেই কাৰণেনো তই মুজুৰা পৰিব লাগেনে? ধনগুলৈ সেয়া। শ্মশানত ধনগুলৈ ওলায়েই আৰু কেতিয়াবা ধন-সোণ গুপুতে পুতি থোৱা ঠাইতো ওলায়। ভয় খাব নালাগে। তাইক বুজাবি। ময়ো বাৰু এপাক গৈ তাইক বুজাই থৈ আহিমগৈ।' বকুলীৰ বুকুলৈ অলপ সাহস আহিল। ঘৰলৈ ঘুৰোঁতে বাটে বাটে তাই ভাবি থাকিল কথাবোৰ আৰু ঠিক কৰিলে— মহাজন আহক-নাহক, সিখন গাঁৱৰ বেজক মাতি থৈ আহিব তেওঁ। ক'বতো নোৱাৰি— ধনগুলৈয়ে তাইৰ কিবা অনিষ্ট কৰিবও পাৰে! কিন্তু সন্ধিয়া হোৱাৰ ক্ষন্তেক পিছতেই বকুলীয়ে নাহিবই চাগৈ বুলি ভবা মহীকান্ত মহাজন তেওঁৰ ঘৰ পালেহি। ধনগুলৈ কি, ক'ত ওলায়, কিয় ওলায়— সকলো কথা তেওঁ নিৰহ-নিপানীকৈ বুজাই গ'ল কামিনীক। কোনো অপূৰণ লিপ্সা পূৰণ কৰাৰ উদ্দেশ্যে বা মৰমৰ কোনো মানুহক এবাৰ চাই লোৱাৰ উদ্দেশ্যেও যে ভূত-প্ৰেতে ধনগুলৈ হৈ দেখা দিব পাৰে, সেই কথাও তেওঁ ক'বলৈ নাপাহৰিলে। কথাখিনি কোৱাৰ সময়ত থৰ লাগি কামিনীয়ে মাটিলৈ চাই ৰ'ল। 'মৰমৰ কোনো মানুহক এবাৰ চাই ল'বলৈ' বুলি কওঁতে তাই যেন জিকাৰ খাই উঠিল! সেই মুহূৰ্ততে বকুলীয়ে চালে মহাজনৰ চকুলৈ। তেৱোঁ বুজিছে নেকি তাইৰ মনৰ ভাব? কিন্তু সহৃদয়তাৰ চাৰনিৰ পৰিৱৰ্তে মহাজনৰ চকুত তেতিয়া কামনাৰ ধনগুলৈ! সেই ধনগুলৈয়ে কামিনীৰ শৰীৰটো এফালৰ পৰা পুৰি নিব খুজিছিল। বকুলী অস্থিৰ হৈ উঠিল। যাবৰ পৰত মহাজনে বকুলীৰ পিৰালিতে বিৰ্বিৰাই কৈ উঠিল গোপন এটা কথা। কামিনী আৰু তেওঁৰ পুতেকৰ মাজত বোলে সম্বন্ধ এটা গঢ়ি উঠিছিল। তেওঁ হেনো কামিনীৰ হাতে বোৰাৰী-ভাত খোৱাৰ কথাও চিন্তা কৰিছিল। সন্দেহ সঁচা প্ৰমাণিত হোৱাত বকুলী ভিতৰি ভিতৰি ঘামি উঠিল। মহাজনৰ পুতেকৰ আত্মাই কামিনীৰ অনিষ্ট কৰিবই নেকি? আঁউসীৰ ৰাতিৰ আন্ধাৰৰ মাজেৰে মহাজন গৈ চাগৈ ঘৰ সোমালগৈ, বকুলী কিন্তু পিৰালিৰ আন্ধাৰতেই থিয় দি থাকিল বহুসময়। বোৰাৰী কৰি নিব খুজিছিল মহাজনে কামিনীক? তেতিয়াহ'লে মহাজনৰ চকুত জ্বলি উঠা সেই ধনগুলৈৰ অৰ্থ কি? মহাজন মানুহজন ভাল নহয় বুলি এনেয়েও দহজনে কোৱা-কুই কৰে। একমাত্ৰ পুতেকটো পামত থাকোঁতে ঘৰ-পোৱা জুইত আধা পোৱা হ'ল আৰু দুদিন পিছতে মৰি থাকিল, কিন্তু আচৰিতভাৱে মহাজনে বিশেষ একো ভাবান্তৰ নেদেখুৱালে। ৰাইজখনে কোৱা-মেলা কৰামতে মহাজনে কিবা কাৰণত নিজেই হেনো পুতেকক মৰোৱাইছে। হ'ব পাৰে নেকি কথাবোৰ এনেকুৱা? ভাবি ভাবি একো থিৰ কৰিব নোৱাৰিলে বকুলীয়ে।

ইপিনে ৰাতি হৈ আহিছিল। যদি ধনগুলৈ ওলায়, আজি ৰাতিও ওলাই যাব নেকি তাই মনে মনে? তাইক বাৰেপতি হাক দি থাকিও বকুলী আশ্বস্ত হ'ব নোৱাৰিলে। চাগুত পৰিও সেই হাক-বচন দঢ়াই দঢ়াই আওৰালে বকুলীয়ে। তেওঁ ভাবিলে— কাইলৈ ক'লেকো যাব নালাগে কাম কৰিবলৈ, গতিকে আজি টোপনি নগ'লেও হ'ব, কাইলৈ টোপনি পূৰাই ল'ব পৰা যাব। তেওঁ জাগি থাকিবলৈ চেষ্টা কৰিলে। কিন্তু আগৰাতি টোপনি খতি কৰা কাৰণেই হওক বা দিনৰ প্ৰচণ্ড শাৰীৰিক শ্ৰমৰ কাৰণেই হওক, ক'ব নোৱৰাকৈয়ে বকুলী টোপনিত ঢলি পৰিল। মাকলৈ পিঠি দি বাগৰি থকা কামিনীৰ পিছে চকুৰ পতাই জাপ নাখালে। বেৰৰ জলঙাৰে তাই বাহিৰলৈ চাই থাকিল ধনগুলৈ ওলোৱালৈ। জুইকুৰাই অতদিনে তাইক গভীৰভাৱে আকৰ্ষণ কৰি আহিছে। আকৰ্ষণ ক্ৰমাৎ বাঢ়ি যোৱা বাবেই কিছুদিনৰ পৰা তাই মাকে নজনাকৈ বাহিৰলৈ ওলাই যোৱা কৰিছিল আৰু অপলক নেত্ৰে ধনগুলৈ চাই ৰৈছিল চোতালৰ চুকৰ পৰা। কালি মাকে সেই কথা গম পাই ভয়ত বিতত হ'ল। কামিনীৰ পিছে একো ভাবান্তৰ নহ'ল। ধনগুলৈটোৱে তাইকে মাতে নেকি? মহাজনে যে কৈ গ'ল— ধনগুলৈৰ ৰূপ ধৰি মৰা মানুহৰ আত্মাই মৰমৰ মানুহ চাবলৈ অহাৰ কথা। কোন মানুহৰ আত্মা সেয়া? ৰতিকান্তৰ? ৰতিকান্তৰ কথা মনলৈ অহাৰ লগে লগে তাইৰ কলিজাটো বিষাই উঠিল। মহাজনৰ পুতেক ৰতিকান্তৰ লগত তাইৰ সম্বন্ধ এটা গঢ়ি উঠিছিল। ৰতিকান্তই পৰম মমতাৰে কৈছিল তাইক তাৰ জীৱনৰ বহু কথা আৰু তাৰ জীৱনৰ বহু সপোনৰ কথাও। সিহঁতৰ সম্বন্ধটো মহাজনে বুজি উঠিছিল আৰু আন কোনোবাই সেয়া জানিবলৈ পোৱাৰ আগতেই সম্বন্ধটো ছিণ্ডি পেলাবলৈ ৰতিকান্তক জোৰ কৰিছিল। তাৰ দিনচেৰেক পিছতেই ৰতিকান্তক জুয়ে পুৰিলে। ছাই হৈ গ'ল ৰতিকান্ত বাঁহনিডৰাৰ মাজত। সেই ৰতিকান্তৰ আত্মাই ৰূপ লৈছে নেকি ধনগুলৈৰ? ভাৱনাৰ টৌত উটি-ভাহি পাৰ হৈ গ'ল বহুসময় আৰু এটা সময়ত বাঁহনিডৰাৰ মাজত দেখা গ'ল ধনগুলৈ। বহুকেইখন হাতে তাইক হাত বাউলি দি মাতিছে কাষলৈ। ববকৈ মন যোৱা সত্ত্বেও মাকে দিয়া হাক-বচন মানি তাই চাঙতে পৰি থাকিল। তাইৰ দুচকু পানীৰে ভৰি পৰিল। জুইকুৰা নুমাই যোৱাৰ পিছত এটা সময়ত তাই শোৱাৰ আয়োজন কৰিলে। ৰতিকান্তই যে কৈছিল— ভূত-প্ৰেত এইবোৰ সকলো মিছা! ভয়েই হেনো ভূত! কিবা দেখি কিবা বুলি ভাবি ভয় খোৱা মানুহ মানসিকভাৱে বোলে দুৰ্বল! তেনে মানুহেই হেনো হ'ব পাৰে 'ভূতে লম্ভা মানুহ'! 'ভূতে লম্ভা মানুহ'ৰ হেনো ডাক্তৰী চিকিৎসা সম্ভৱ। হয় জানো কথাবোৰ? জোৰকৈ চকু দুটা জপাই দিলে কামিনীয়ে। এনে সময়তে তাইৰ চকুৰ পতাৰ ভিতৰখন ৰঙা হৈ উঠিল। বাহিৰত জুই? চকু দুটা মেলি দিলে তাই। হয়, খালৰ পাৰতে সেইকুৰা! ধনগুলৈ ওচৰ চাপি আহিল! ৰতিকান্ত ওচৰ চাপি আহিল! উঠি বহিল কামিনী চাঙতে। জুইকুৰাৰ কাষতে কোন সেইজন? ৰতিকান্ত? কামিনী আৰু ৰ'ব নোৱাৰিলে। হাতত সাৰে ভৰিত সাৰে চাঙৰ পৰা নামি তাই দুৱাৰৰ ডাঙত হাত দিলে আৰু ভৰ আঁউসীৰ ঘন আন্ধাৰত মিলি গ'ল।

শেষ ৰাতি খালৰ পাৰত আৱিষ্কৃত হ'ল কামিনীৰ আধা পোৱা মৃতদেহ। আধা ৰাতিৰ পাশৰিক শৰীৰী অত্যাচাৰত ক্লান্ত হৈহে যেন তাই শুই আছিল! ধানখেৰৰ জোঁৰ এটা আধাপোৱা হৈ অলপ দূৰতে পৰি আছিল। ধনগুলৈয়ে পুৰি গ'ল তাৰ মৰমৰ মানুহজনীক? নে পুৰি গ'ল মহাজনৰ চকুৰ সেই ধনগুলৈয়ে? আধাপোৱা জোঁৰটোৱে নিস্পন্দ আৰু কণ্ঠৰুদ্ধ বকুলীৰ তৰংগায়িত মনত স্পষ্ট কৰি তুলিলে সকলো। প্ৰতিশোধৰ একুৰা ধনগুলৈ জ্বলি উঠিল বকুলীৰ মনত দাউ দাউকৈ। ভূতে ধৰাৰ ভয়ত একোখনকৈ দা-কটাৰী লৈ আহিছিল মানুহবোৰে। কোনেও টলকিবই নোৱাৰিলে— কি আচৰিত ক্ষিপ্ৰতাৰে শীৰ্ণ মানুহজনীয়ে সাতজনী বাঘিনী সমান বলেৰে ধাৰাল দা এখন আঁজুৰি ল'লে মানুহ এজনৰ পৰা আৰু তেজ-তৃষাৰ্ত কালী গোসাঁনীৰ ৰূপ ধৰি ঢাপলি মেলিলে বাৰীয়ে বাৰীয়ে। ঘটনাৰ আকস্মিকতাই থৰ লগোৱা মানুহখিনিয়ে এই কথাও কোনোপধ্যে অনুমান কৰিব নোৱাৰিলে যে মানুহজনীৰ এই ৰণচণ্ডী ৰূপ মহীকান্ত মহাজনৰ বিশাল ঘৰটোত কাল আঁউসী নমোৱাৰ আয়োজনৰ বাহিৰে আন একো নহয়।

(ৰচনাকাল ঃ ২০০১)



লাইচেন্স

জয়ন্ত পাঠক

মই পঢ়া টেবুলত কিতাপ এখন পঢ়ি আছিলোঁ। তেনেতে এওঁ মাত দিলেহি- "বহুপৰ পঢ়িলা। অলপ জিৰাই লোৱা। মই চাহ একাপ কৰোঁগৈ-"। মই ঘূৰি চালোঁ। মোৰ চকীখনত ধৰি এওঁ কথাকেইটা কৈ আছে- মুখখনলৈ চালো অলপ ক'লা পৰিছে। আৰু চকুত দেখোন বাৰিষাৰ ওন্দোলাই অনা মেঘ- এই যেন সৰি পৰিব অকস্মাতে! মুখখন চাব নোৱাৰি চকুহাল জপাই দিলোঁ - বৰ জোৰেৰে।

কিছুসময় তেনেদৰে থাকি বাহিৰলৈ ওলাই আহিলোঁ। এওঁ খুৱাম বোলা চাহকাপ খোৱা নহ'ল।

ৰাতি বিছনাত বাগৰি আছিলো। মায়া সোমাই আহিল। ক'লে- অমুক আলোচনীৰ পৰা চিঠি এখন আহিছে। সম্পাদকে লিখিছে। দহদিনৰ ভিতৰত অমুক বিষয়ৰ লেখা এটা লাগে। তুমি আজিৰ পৰাই বিষয়টোৰ ওপৰ গুণা-গঁথা কৰা। সেই বিষয়ৰ কিতাপ বাৰু মই বিচাৰি থ'ম। ভাত বাঢ়োঁনে? মই মূৰ দুপিয়াবলৈ নাপালোঁৰেই তেওঁ ওলাই গ'ল। পাকঘৰত খুটং-খাটাং শুনিলোঁ। খোৱা মেজত বহুত পৰ বহি ৰ'লোঁ। ভাতৰ কাঁহী নাহিল। এসময়ত শুই থাকিলোঁ।

পুৱা যেতিয়া সাৰ পালোঁ তেতিয়ালৈ মোৰ ঘৰৰ কাষৰ স্কুলখনলৈ ল'ৰা-ছোৱালীৰ সোঁত ব'বলৈ ধৰিলে। সৰু সৰু ল'ৰা-ছোৱালীৰ চৰাইৰ দৰে কিচিৰ-মিচিৰ মাতত বিছনাৰ পৰা উঠিলোঁ। ধোঁৱা বলি থকা চাহ একাপ লৈ মায়া মোৰ কোঠা পালেহি। চাহকাপ লৈ মই বাহিৰ ওলালোঁ, সম্মুখৰ পথাৰখনত কেইবাহালো গৰুৰে হাল বাই আছে। ৰোৱণী-হালোৱাৰ অনুপম দৃশ্যটো চাই চহা মাটিৰ গোন্ধ উশাহত লৈ থাকোঁতে হাতৰ চাহকাপ যে কেতিয়া চেঁচা হৈ গ'ল গমেই নাপালোঁ। এই কাপ চাহো খোৱা নহ'ল।

ঘৰটো সাৰোঁ বুলি ঝাড়ুটো লওঁতে এওঁ ক'ৰবাৰ পৰা আহি চিলনীয়ে থপিওৱা দি ঝাড়ুটো থাপ মাৰি ল'লে। লগতে ধমকি- "মই থাকোঁতে তুমি আকৌ কিহৰ ঝাড়ু ল'ব লাগে। যোৱা টেবুলত বহাগৈ।"

কিবাকিবি অলপ লেখা-পঢ়া কৰি ড্ৰয়িং ৰুম পালোঁহি। কেইবাটাও মকৰাই নিৰলসভাৱে জাল তৰি আছে। পকাত ধূলিৰ সামান্য চামনি। ক'তা মায়াই দেখোন ঘৰটো নাসাৰিলেই!

দুপৰীয়া ভাতমুঠি খাই অলপ সময় বিছনাত পৰিলোঁ। অৱসৰ লোৱাৰ পাছৰ পৰা মেল-মিটিং বা বিশেষ কাম নাথাকিলে ভাত খাই প্ৰায়েই বিছনাত পৰোঁ। অভ্যাসেই হৈ গৈছে এইটো। তেনেতে লেণ্ডফোনটো বাজি উঠিল। সৰুজনী ছোৱালীৰ মাত। মোৰ খবৰ ল'লে, কেনে আছোঁ, খোৱা-বোৱা কৰিছোঁ নে নাই- লেখা-পঢ়া ঠিকমতে চলিছে নে নাই আদি অনেক বতৰা। ময়ো তাইৰ ভাল-বেয়া সুধিলোঁ। কণমানিজনীৰ কথা সুধিলোঁ, ক'লে- শুইছে। তাই সাৰে থাকিলে ফোন কৰাই দিগ্‌দাৰ। সেয়ে তাই সাৰে নাথাকোঁতেই সুবিধাটো লৈছোঁ।

তাই ফোনটো থ'ব খোজোঁতেই ক'লোঁ- "কি হ'ল, মাৰৰ স'তি কথা নাপাত নেকি? মাৰে তোৰ কথা সুধিয়েই আছিল। আজি তই নকৰা হ'লে ফোন এটা কৰিলেহেঁতেন। ৰ' তই ধৰি থাক, মই মাৰক মাতোঁ।" ছেঃ ফোনটো ইফালে দেখোন নিসাৰ হৈ গ'ল। বৰ দিগ্‌দাৰ, সময়ত কথা এটা পাতিব নোৱাৰি। এওঁক নামাতিলোঁ।

সন্ধ্যা বজাৰলৈ গ'লোঁ। হাতত কাপোৰৰ মোনাখন। পালে পাচলি দুটামান আনিম- সেই আশা। বজাৰত স্থানীয়

মাজে মাজে সঁজাত বান্ধি থোৱা চৰাইৰ দৰে ছট্‌ফটাই উঠে তাই। অসহ্য যন্ত্ৰণা! মানুহ কি ইমান অস্থিৰতাৰ মাজতো জীয়াই থাকিব পাৰে? সকলো থাকিও ইমান নিঃসংগ। ইমান অসহায়। কিন্তু কিয়? ক'ৰবাত যেন কিবা এটা নাই। নিজৰ ওপৰতে ধিক্কাৰ ওপজে কুঁৱলিৰ। নাভাবো বুলিও, আওকাণ কৰি থাকোঁ বুলিলেও বৰ্তমানৰ এই অস্থিৰতাক সামৰি-সুতৰি থ'বলৈ অসন্তৱ কষ্ট হয় তাইৰ। জীৱনৰ প্ৰতিটো খোজতে যেন কেৱল কাঁইট আৰু কাঁইট। এডাল কাঁইট আঁতৰাই পাৰ হৈ যাব খোজোতেই আন এডাল কাঁইটে আহি বাট আগচি ধৰে। কিয় ইমান বিশৃংখল সকলোতে? জীৱনটো যোগ অংক এটাৰ দৰে সৰল হোৱা হ'লে...!

সকলো খেলি-মেলি হৈ যায় তাইৰ! কলিজাৰ এফাল যেন কিহবাই মুচৰি পেলায়। নাই, এনেকৈ আৰু নোৱাৰি। আজীৱন কি এই অস্থিৰতা কঢ়িয়াই লৈ ফুৰিব তাই...? জোনাক, জোনাক, আস্ জোনাক...। কি যে সপোন দেখা নাছিল তাই জোনাকক লৈ। জোনাকৰ সৈতে এখন নিখুঁত সংসাৰ গঢ়ি তুলিব। জোনাকৰ সবল বাহুৰ আলিংগনত পুষ্ট হ'ব তাইৰ যৌৱনৰ সিৰাই সিৰাই প্ৰবাহিত হ'ব এক বুজাব নোৱৰা অনুভৱ। জীৱনৰ সমস্ত ৰঙেৰে জুৱলা হ'ব তাইৰ মন। জীৱনৰ খলা-বমা বাটত কোনোবাই তাইলৈ শিল-ইটা দলিয়ালেও সেই শিল-ইটাৰে সিহঁতৰ সংসাৰখনৰ বিশ্বাসৰ সৌধটো পকী কৰাই ল'ব। কিন্তু ক'তা? আজি চাৰিটা বছৰে একোৱেইচোন কৰা নহ'ল। এটা গোলকৰ মধ্যবিন্দুৰ পৰা একেলগে গতি কৰি জোনাক আৰু কুঁৱলি ৰ'লগৈ সুমেৰু আৰু কুমেৰুৰ দূৰত্বত। তাই জানে বাৰিষাৰ পাছত খৰালি আহে, পূৰ্ণিমাৰ পাছত অমাৱস্যা। কিন্তু ইমান সোনকালে, ইমান...?

মানুহ কেতিয়া পূৰ্ণ হয়? কিমানখিনিলৈ ভৰি যোৱাটো আচলতে পূৰ্ণ? নাই, তাইৰ বাবে ৰহস্য হৈয়ে থাকি যায় এই পূৰ্ণতা। 'কিয় ইমান অস্থিৰ হৈ পৰিছা তুমি? মোক কোৱাচোন। প্লিজ কোৱানা...।' নাই, জোনাকে এনেকৈ নোকোৱাও বহুদিন হ'ল। জোনাকে এনেকৈ ক'লেই যে কোমল হাঁহি এটা বিয়পি পৰি তাইৰ মুখখন পোহৰ হৈ যাব, সেই সামান্য কথাটোও জোনাকে নাজানেনে? হয় জোনাকে নাজানে। আগতে জানিছিল, কিন্তু এতিয়া নাজানে। জানিও নজনাৰ ভাও জুৰি ৰয়।

স্খলিত গছপাতৰ দৰে তাই যেন এতিয়া অন্য এক জলঘূৰ্ণিত পাক খাবলৈ ধৰিছে। তাইৰ এই শব্দব্যথিত একাকীত্ব আৰু নিৰ্জনতাৰ গভীৰ অন্ধকাৰৰ পৰা ওলাই অহাৰ সকলো পথেই যেন ৰুদ্ধ হৈ পৰিছে। এটা সময় আছিল, অনবৰতে তাইৰ বুকুৰ ভিতৰখন আমোলমোলাই আছিল জোনাকৰ দেহ-মনৰ সুবাসেৰে। কিন্তু আজি সেই সুবাসে কুঁৱলিৰ মনত কোনোধৰণৰ তৃষ্ণা নজগায়। কি নাম আছিল সেই তৃষাৰ? কি নাম আছিল...? নাই, সেই তৃষাৰ নামকৰণ তাইৰ বাবে সাধ্যাতীত। কেতিয়াবা মানুহৰ কিছুমান অনুভৱৰ নাম, শ্ৰেণী অথবা সংজ্ঞা নিৰূপণৰ পৰা বহু দূৰৈত ৰৈ যায়। স্মৃতিৰ পটত ৰৈ যায় সেই নামহীন তৃষা। কিন্তু কুঁৱলিয়েতো কোনো অসতর্ক মুহূৰ্ততো ভবা নাছিল জোনাকে তাইৰ অন্তৰত জগোৱা সেই তৃষাও এদিন স্মৃতি হ'ব। সুপ্ত হৈ থাকিব কোনো অতল গৰ্ভত। চিঞৰি চিঞৰি তাইৰ প্ৰাণৰ সেই আকুল প্ৰাৰ্থনা যেন কাৱোবাক ক'বলৈ মন যায়— 'দিয়া, মোক আকৌ সেই সময় ঘুৰাই দিয়া। সেই দিনবোৰলৈ আকৌ উভতি যাওঁ মই। মুমূৰ্ষ অন্তৰত জোনাকে পুনৰ বুলাই দিয়ক নৱজীৱনৰ সঞ্জীৱনী সুধা। কিন্তু কাক ক'ব তাই? হৃদয়ৰ অন্তঃস্থলীৰ পৰা নিগৰি অহা সেই কৰুণ প্ৰাৰ্থনাৰ নিস্ফলতাই তাইৰ দুচকু সেমেকাই তোলে। নিৰন্তৰ প্ৰবাহিত জীৱনত মানুহে পিছলৈ ঘুৰি চাব পাৰে; কিন্তু ঘুৰি যাবতো নোৱাৰে। সময়ৰ নিৰ্মম বিচাৰত মানুহ কিয় ইমান অসহায় হৈ পৰে তাই বুজি নাপায়।

****

তাই কবিতা আবৃত্তি নকৰা কিমান দিন হ'ল বাৰু? শেষবাৰ ক'ত আবৃত্তি কৰিছিল তাই? বিশ্ববিদ্যালয়ত? নে ক'ত? কিমানদিন হ'ল বাৰু? ওহোঁ, সঠিক মনত নপৰে। জোনাকে যে কৈছিল তাইক, 'তুমি ক'লে তোমাৰ আবৃত্তি শুনিবলৈকে মই সদায় যাম তোমাৰ ওচৰলৈ এবাৰকৈ।' তাইৰ আবৃত্তি শুনি ভালপোৱা জোনাকে তাইৰ আবৃত্তিৰ কেছেট এটাকে উলিয়াইছিল। তাই ওচৰত নাথাকিলেও হেনো মন গ'লেই সি তাইৰ আবৃত্তি শুনিব পাৰিব। কথাটো মনত পৰাৰ লগে লগে কুঁৱলিৰ মুখখনত কৃত্ৰিম হাঁহিৰ ৰেশ এটা বিয়পি পৰিল। মন গ'ল এবাৰ কেছেটটো চুই চাবলৈ। যেন জোনাকৰ সমস্ত মৰম এতিয়াও থুপ খাই আছে তাত।

'হেই কি কৰিছা? ইচ্ ইচ্ কি বাজে কামবোৰ যে নকৰা তুমি। কিহে পাইছে তোমাৰ সেই লেতেৰা কেছেটবোৰ চুবলৈ? পেলাই দিয়া সেইবোৰ, পেলাই দিয়া। য'ত সব আৱৰ্জনা...।

আৱৰ্জনা...! আৱৰ্জনা...! মোৰ আবৃত্তিৰ কেছেটটো তোমাৰ বাবে আজি আৱৰ্জনা হ'ল? ক'বলৈ মন গৈছিল যদিও কুঁৱলিৰ একো কোৱা নহ'ল। অস্ফুট কিবা এটাহে মুখেৰে বাহিৰ হ'ল। মগজুৰ কোনোবাখিনিত যেন টক্ টক্‌কৈ খুন্দিয়াই থাকিল এটা শব্দই।... আৱৰ্জনা...! উদাস দৃষ্টিৰে চাই ৰয় জোনাকলৈ। আস্, সেই চাৰনিৰ অর্থ এবাৰ যদি বুজিলেহেঁতেন জোনাকে। কুঁৱলিৰ মগজুত বাৰম্বাৰ খুন্দিয়াই থকা শব্দটোৰ তীব্ৰতা আৰু বেগে যদি জোনাকৰো মগজুত খুন্দা মাৰিলেহেঁতেন...।

এনেকুৱা প্ৰায়েই হয় আজিকালি। কিছুমান সৰু সৰু শব্দই পেণ্ডুলামৰ ৰূপ লৈ মগজুত দুলি থাকে। কেতিয়াবা একোটা প্ৰকাণ্ড হাতোৰাৰ ৰূপ লৈ পেণ্ডুলামটোৱে যেন মূৰত সজোৰে খুন্দা মাৰে। যন্ত্ৰণা সহিব নোৱাৰি তাই বাগৰি পৰে বিছনাত।

জোনাকৰ বহু কথাই আজিকালি বুজি নাপায় কুঁৱলিয়ে। আচলতে বুজি পাবলৈ জোনাকৰ সৈতে কিমাননো কথা পতা হয় তাইৰ? কথা পাতিবলৈ সময়েইবা ক'ত জোনাকৰ? দিনটোৰ আটাইখিনি সময় নিজৰ কামক লৈয়েই ব্যস্ত। তাইৰ ফালে এবাৰ চাবলৈকো সময় নাই। দিনটোৰ সমস্ত ব্যস্ততাৰ অন্তত নিশা যেতিয়া ঘৰ সোমায়হি তেতিয়া আৰু তাৰ কুঁৱলিৰ লগত কথা পাতিবলৈ মন নাথাকে। দেহত প্ৰচণ্ড ভাগৰ। প্ৰকৃততে তাৰ দেহত ভাগৰ নে মনত ভাগৰ সেয়া কুঁৱলিয়ে বুজি নাপায়। বিয়াৰ আগতে সেইজন জোনাকেইতো তাইক কৈছিল, 'তুমি কথা ক'লে বৰ তেজস্বী লাগে। বুকুখন আন্দোলিত হৈ উঠে।' সেইজন জোনাকৰে বুকু আন্দোলিত কৰিব পৰাকৈ কথা কোৱাৰ কোনো প্ৰয়োজন নহয় তাইৰ। তেন্তে কাক ক'ব তাই মনৰ কথা? তাইৰ আবেগ, অভিমান, অভিযোগৰ মূল্য কোনে দিব? বুজিবলৈ বহুত অসুবিধা হয় তাইৰ। বুকুখন ভাৰাক্ৰান্ত হৈ উঠে তাইৰ। কিমান দিন আৰু তাই এজন পুৰুষৰ ওচৰত এইদৰে ঘৃণ্য, অৱহেলিত জীৱন এটা কটাই থাকিব? তাইৰ জীৱনলৈ কি সুদিন নাহিব কোনোদিনে? তাই আশা কৰে জোনাকৰ সৈতে আগৰ দৰে কিছুমান মুহূৰ্ত পাৰ কৰিবলৈ। তাই বিচাৰে পোহৰৰ বুকুত এন্ধাৰৰ অৱসান ঘটক। ঘটিবনে? ঘটিবনে...? কপালত পৰি থকা চুলিডাল লাহেকৈ আঁতৰাই দি জোনাকে ক'ব 'আহানা আমি সাগৰ হওঁ। নৈ হৈ বৈ আহা মোৰ বুকুলৈ— বিলীন হৈ যোৱা মোৰ বুকুত, বিলীন হৈ যোৱা...।' ক'বনে জোনাকে আকৌ আগৰ দৰে এনেকৈ? ক'বনে...?

কোনো উত্তৰ নাই এইবোৰ প্ৰশ্নৰ। উত্তৰহীন প্ৰশ্নবোৰ কুঁৱলিৰ মনৰ মাজত কেৱল হাহাকাৰৰ সৃষ্টি কৰে। এই হাহাকাৰে বুকুৰ ভিতৰত

ঘূর্ণী বতাহৰ সৃষ্টি কৰে। ঘূর্ণী বতাহৰ প্ৰকোপত তিষ্ঠিব নোৱাৰি কুঁৱলিৰ দুচকুৰে ধাৰাষাৰে প্লাৱন নামে। দুখ-যন্ত্ৰণাই যাৰ জীৱনৰ বাবে পাথেয় তাৰ বাবে কান্দোনৰ বাহিৰে আন কি সান্ত্বনা আছে? কিন্তু বুকু ভগা কান্দোনেও তাইক শান্ত কৰিব নোৱাৰে। খিৰিকীৰে চাই ৰয় দূৰৈৰ আকাশ। গছৰ সৈতে কথা কয়। আকাশৰ প্ৰতি সৰুৰে পৰা তাইৰ প্ৰচণ্ড মোহ আছে। সেই মোহগ্ৰস্ততাৰ নাম কি তাই নাজানে। ক'ব পাৰি আকাশ বলিয়া এজনী ছোৱালী। যাৰ সকলো কথা কেৱল আকাশে জানে। হয়, কেৱল আকাশে। খিৰিকীৰ কাষত বহি নিজৰ সমস্ত দুখ, অভিযোগৰ কথা তাই আকাশক কয়। আকাশে শুনে, খুব মনোযোগেৰে শুনে। কিন্তু জোনাকে...? সকলোৰে অলক্ষিতে এই অস্থিৰতাবোৰে ক্ৰমশঃ তাইক কুৰুকি কুৰুকি খাবলৈ আৰম্ভ কৰে।

নিজকে তাই বুজিবলৈ চেষ্টা কৰে। এই জনেইতো তাইৰ মানুহ... তাইৰ আপোন মানুহ। যাৰ আগত সকলো কথা অকপটে খুলি কোৱা যায়। কিন্তু নহয় গৈ... একোৰেই কোৱা নহয়গৈ তাইৰ। মানুহজনৰ ব্যস্ততা, ৰুক্ষ মাত শুনিলেই তাইৰ উলাহেৰে ভৰা মনটো স্বয়ংক্ৰিয়ভাৱেই কেৰেলুৱাৰ দৰে সংকুচিত হৈ আহে। জোনাকে যেন সম্পূৰ্ণ নিজৰ দৰে থাকিব বিচাৰে... অকলশৰে। কুঁৱলি নহ'লেও যেন চলি যায়... খুব ভালকৈয়ে চলি যায়।

লাহে লাহে তাই অনুভৱ কৰিলে, তাইৰ চাৰিওফালে যেন এটা কঠিন তৰপৰ সৃষ্টি হৈছে। ক'ব পাৰি যে শামুকৰ খোলা। খোলাটোৰ ভিতৰত থকা হালধীয়া-সেউজীয়াৰ দৰে শোঁতা পৰা লপথপীয়া কোমল অস্তিত্বকণৰ সৈতে জীয়াই থকাৰ অভ্যাস কৰি ল'লে তাই। তাইৰ অস্থিৰতাখিনি আকাশৰ বাদে যেন আন কোনেও নাজানে। এৰা, পৃথিৱীতনো কাৰ ইমান সময় আছে, তাইক লৈ যে ব্যস্ত হৈ থাকিব দিনে-ৰাতিয়ে। তাইৰ ভাবনাবোৰক গুৰুত্ব দিবলৈ তৎপৰ হৈ উঠিব। তাই নাজানে নিজৰ আবেগ, জেদ, অভিমান কেনেদৰে উপস্থাপন কৰিব লাগে। নাজানে বাবেইতো তাই মাজে মাজে কেৰেলুৱাৰ দৰে সংকুচিত হৈ উঠে। জোনাকে তাইক কৈছিল, 'প্ৰেক্টিকেল হোৱা। বস্তুবাদী পৃথিৱীত ইমান ইম'চনেল হ'লে এদিন পস্তাব লাগিব।' জোনাকৰ সেই 'প্ৰেক্টিকেল' শব্দটোৰ অৰ্থ তাই যেন ঠিক বুজিব নোৱাৰে। কেৱল এটা দিনৰ বাবে, এটা মুহূৰ্তৰ বাবে জীৱনটোক মুখৰিত কৰাৰ, সময়ক তৰংগিত কৰাৰ যাৰ অকণো হাবিয়াস নাথাকে, সেইজনেই কি প্ৰেক্টিকেল? নিজৰ মানুহজনীৰ অন্তৰৰ গভীৰ আকুতিয়েও যাৰ অন্তৰত কোনো ভাবৰ ব্যঞ্জনা সৃষ্টি কৰিব নোৱাৰে, সেইজনেই কি প্ৰেক্টিকেল? যিজনে কেতিয়াও নিঃসংগ অনুভৱ নকৰে, উপলব্ধি নকৰে শূন্যতা বা গভীৰ যন্ত্ৰণা সেইজন কি প্ৰেক্টিকেল? আপোনজনৰ অনুপস্থিতিত যিয়ে কেতিয়াও একাকীত্ব অনুভৱ নকৰে, সেইজন কি প্ৰেক্টিকেল?

এয়াই যদি প্ৰেক্টিকেলৰ সংজ্ঞা হয়, তেন্তে এই সংজ্ঞা তাইৰ বাবে কেতিয়াও গ্ৰহণযোগ্য নহয়। কিন্তু এইবোৰ কথালৈ জোনাকৰ লগত তৰ্ক কৰিবলৈ তাইৰ মন নাযায়। ভিতৰি ভিতৰি ধুমুহাত উঘালি পৰা গছ হ'লেও বাহিৰত সম্পূৰ্ণ নিৰ্বিকাৰ হৈ থাকিবলৈ চেষ্টা কৰে। কিন্তু ধৈর্য্যক বান্ধি ৰাখিব পৰা যাদুকাঠি তাইৰ হাতত আছে নে?

কওঁ বুলিও একো ক'ব নোৱাৰে তাই জোনাকক। অন্তৰৰ কোনোবা দুৰ্গ ভেদি ওলাই আহে এক গধুৰ হুমুনিয়াহ। এৰা, তপত হুমুনিয়াহ। সেই হুমুনিয়াহে জানো পাৰিব জোনাকৰ অন্তৰত শুকাই জীৱাশ্ম হৈ ৰোৱা প্ৰেম নতুনকৈ উজ্জীৱিত কৰি তুলিব? পাৰিবনে...?

নাই, এনেকৈ আৰু নোৱাৰি। একোৰেই যেন সহ্য কৰা নাযায়। কিমান আৰু ধূপৰ ধোঁৱাৰ দৰে জ্বলিব তাই? মমৰ দৰে গলিব? কিন্তু কথাবোৰ যে কাকো ক'ব নোৱাৰি। খুলি ক'ব নোৱৰা কথাবোৰে তাইক খুলি খুলি খোৱা হৈছে। আৰু তেতিয়া? মগজুৰ ভিতৰত প্ৰচণ্ড ধুমুহা বয়। সেই ধুমুহাক ক্ষান্ত কৰিবলৈ তাই মাথোঁ সম্পূৰ্ণ নিৰ্লিপ্ততাৰে স্বগতোক্তি কৰি যায় সেই সূক্ষ্ম অনুভূতিবোৰ... যিবোৰ কথা কাকো ক'ব নোৱৰা যন্ত্ৰণাত বুকুৰ পৰা ডিঙিলৈকে টন্‌টনাই উঠে, সেইবোৰ কথা কেৱল আকাশে শুনে...।

এৰা, কেৱল আকাশে শুনে...।

তাই নাৰী। নাৰীত্বৰ মহিমাৰে তাই জোনাকৰ বাবে কি কৰা নাই? গোটেই জীৱনটো কৰ্মব্যস্ততাৰ মাজতে বুৰ গৈ থকা মানুহজনৰ শেষ সময় এতিয়া। এক কঠিন ৰোগত আক্ৰান্ত হৈ বিছনাতে আৱদ্ধ থাকিবলৈ বাধ্য হৈ পৰিছে তেওঁ। এতিয়া আহি থকা সময়বোৰ তেওঁৰ বাবে এলাগী। নিজৰ সময়বোৰত ব্যস্ত হ'ব নোৱাৰে এতিয়া। ইমানদিনে কুঁৱলিয়ে বহু ব্যাকুলতাৰ পাছতো নিজৰ মানুহজনক একান্ত নিজৰ বুলি মনৰ কথা ক'বলৈ কাষতে পোৱা নাছিল। এতিয়া দিনটোৰ চব্বিছ ঘণ্টাই তেওঁৰ সৈতে লাগি থাকে তাই। মনৰ কথা ক'বলৈ সুযোগ পাইছে তাই। কিন্তু? তাই এতিয়া সুখ অনুভৱ কৰা নাই। কৰ্ম ব্যস্ত মানুহজনৰ কৰ্মময়তাৰ লগত একাত্ম হৈ পৰি তাই যদিও সেই সময়ছোৱাত অতৃপ্ত আছিল, তথাপি আজিৰ দিনবোৰতকৈ সেই দিনবোৰ সুখৰ আছিল। আন নহ'লেও মনৰ মাজত হেঁপাহ কিছুমানে বাঁহ বান্ধি আছিল।

জোনাকে কয়, তাইৰ বাবে তেওঁ এতিয়া আৰু প্ৰেক্টিকেল নহয়। জীৱনৰ শেষ দিনকেইটা তেওঁ আবেগেৰে ধুৱাই দিব খোজে কুঁৱলিক। তেওঁ ৰাখি থৈ যাব নোখোজে তাইৰ তাহানিৰ আবেগৰ আৱদাৰবোৰ। এতিয়া আৰু তেওঁ প্ৰেক্টিকেল হ'ব নোখোজে, নোৱাৰেও। দুৰাবোগ্যই কোঙা কৰি পেলাইছে তেওঁৰ শৰীৰকহে, মনটোক নহয়। এতিয়া আৰু সেই প্ৰেক্টিকেলৰ খোলাটোৰ ভিতৰত সোমাই নাথাকি মনৰ ভিতৰত সোমাব খোজে নিজৰ মানুহজনীৰ। কেঁচুৱাৰ দৰে আচৰণ কৰিবলৈ লৈছে তেওঁ কুঁৱলিৰ আগত। গৰম পানীৰে ভৰি ধুৱাই দিয়াৰ পৰা, মুখত পানীৰ গিলাচটো লগাই দিয়া লৈকে সকলো কৰিছে কুঁৱলিয়ে। তায়ো ওলাই আহিছে ইমান দিনে বন্দী হৈ থকা খোলাটোৰ পৰা।

কুঁৱলিয়ে অনুভৱ কৰিছে তাইহে যেন প্ৰেক্টিকেল হ'ব ধৰিছে লাহে লাহে। জোনাকৰ আলপৈচান ধৰাৰ পৰা ঘৰখনৰ সকলো দায়িত্ব পালন কৰা লৈকে সকলোতে সময়ৰ নিয়মানুবৰ্তিতা মানি চলে তাই। নহ'লেচোন কামবোৰ সময় মতে সিজি নুঠেগৈ। কামবোৰ সময়মতে নকৰিলেও মনটো ভাল লাগি নাথাকে, নিজকে নিজৰ ওচৰত দোষী অনুভৱ হয়। এতিয়া লাহে লাহে তাই বুজি উঠিছে জোনাকৰ প্ৰেক্টিকেলৰ সংজ্ঞাটো। তাই অনুভৱ কৰিছে আবেগ সৰ্বস্বতাই কেতিয়াও জীৱন হ'ব নোৱাৰে। জীৱনটো নিয়াৰিকৈ চলাই নিবলৈ সকলোৰেই প্ৰেক্টিকেল হ'ব লাগিব।

তাই কোঠাৰ এচুকৰ বিছনাত পৰি থকা তাইৰ মানুহজনলৈ চালে। বৰ শান্তভাৱে শুই আছে তেওঁ। কৰ্ম ব্যস্ত জীৱনৰ শেষ সময়ছোৱাত তেওঁ কি ভাবি আছে তাই নাজানে। কিন্তু অতদিনে মানুহটোৰ প্ৰতি থকা অভিযোগবোৰ মনে মনে উঠাই লৈছে তাই। তাইৰ কাণৰ পৰা অতদিনে বাজি থকা বাঁহীৰ কৰুণ সুৰটোও নোহোৱা হৈ গৈ আছে... গৈ আছে।

বাকৰি

অনুশ্রী অধিকাৰী

এক

পুহ মাহৰ ৰাতি। এন্ধাৰ আৰু কুঁৱলিৰ কোলাত শুই পৰিছে পথাৰৰ সিটো মূৰৰ গাঁওখন। গাঁৱৰ একমাত্ৰ নামঘৰটোত এই নুমাওঁ এই নুমাওঁকৈ জ্বলি আছে সন্ধ্যাবেলা নাৰায়ণ ভকতে জ্বলোৱা বস্তি দুগছ। গাঁৱৰ পশ্চিমফালে একাষৰীয়াকৈ থকা মহাজনৰ বিশালকায় বাকৰিখনতো এন্ধাৰে এতিয়া কুঁৱলিৰ বিছনাত বুকু ফিন্দাই বহিছে।

থং থং থং

দুচলীয়া ঘৰটোৰ একমাত্ৰ টিঙৰ দৰ্জাখনত টোকৰ পৰাত খক্‌মককৈ সাৰ পালে দৈৱকী। নিশ্চয় অনন্ত আহিছে। শোৱাপাটিত পৰাৰ পিছত অনন্তৰ বাহিৰে আনে এনেকৈ দুৱাৰত টোকৰ দিয়া তাইৰ মনত নপৰে। বিছনাৰ এচুকত কুচি-মুচি শুই থকা সৰুমাই কেনেবাকৈ সাৰ পাই বুলি খুব সন্তৰ্পণে বিছনাৰপৰা উঠি আহিল দৈৱকী। আকৌ থং থং থং। দুৱাৰৰ নিচেই কাষত থিয় হৈ দৈৱকীয়ে সৰুমাইলৈ আৰু এবাৰ চালে। নিশ্চিন্তমনে শুই আছে তিনি বছৰীয়া ছোৱালীজনী। খটক্। দৰ্জাখনৰ খিলিটো খোলাৰ লগে লগেই পুলিচ-মিলিটেৰীয়ে খেদা দগাবাজ চোৰটোৰ দৰেই ফোপাই-জোপাই সোমাই আহিল অনন্ত। দৈৱকীয়ে কিবা ভাবিবলৈ বা ক'বলৈ সুবিধাকণেই নাপালে। সোঁহাতখনেৰে সি তাইক ইমান জোৰে ঠেলা মাৰি দিলে যে তাই গৈ ফুলকটা কাঠৰ সৰু আল্‌মাৰিটোৰ ওপৰতে পৰিল। আল্‌মাৰিটোত লাগি তাইৰ মাখনৰঙী বাঁওহাতখনৰ এছোৱা লগে লগে ৰঙচুৱা হৈ উখহি উঠিল। দৈৱকীয়ে লক্ষ্য কৰিলে, তাইৰ তিলমান দুখতে ব্যতিব্যস্ত হৈ পৰা অনন্তই কিন্তু আজি তাইৰ হাতৰ উখহা ঠাইডোখৰলৈ কেৰেপেই কৰা নাই। সি ফোপাইছে। এই পুহমহীয়া জাৱখনতো তাৰ কপালত ঘামৰ সৰু সৰু কণাকেইটা কিয় বিৰিঙি উঠিছে দৈৱকীয়ে ভাবি পোৱা নাই। ক'ৰবাত বলিয়া হাতীয়ে দেদাউৰি পাৰিছে। হয়, হয়। অনন্তৰ মাতটো ঠিক তেনেকুৱাই শুনা গ'ল— "এইমাখা কি শুনবা লাগছু দৈৱকী। গাঁওখানত কি কৈ ফুৰচা ইগিলা।" উচাপ্ খাই উঠিল দৈৱকী। তাৰ প্ৰশ্নটোকে ওলোটাই তাই তাকেই সুধিলে, "কি কৈ ফুৰচু মই? হা কি কৈ ফুৰচু?"

ঃ সতী হৈ দেখাবা নালগে ইথান। সঁচা কথা কো।

ঃ সঁচা কথা কৈছু, কাকো একো ক'বা যাৱা নাই মই।

ঃ নহ'লি ৰামেশ্বৰে মোক আজি দৈৱকীৰ লালাক বুলি কিয়া মাত্‌লা?

ঃ ক'বা নৱ। কিন্তু ৰামেশ্বৰে একো ভুল কৰা নাই। আজি নহয় কালিতো তই মোক লালাক হ'বিয়েই।

ঃ মোক পাহেৰি যা দৈৱকী। লালাৰেৰ্‌তো মূৰা খালিয়ে। এতিয়া মোৰো মূৰা খাবা খুজ্‌চা?

টং টং টং... । কোনোবাই ভগা টিং এচটাত কোবাইছে। খুব জোৰে কোবাইছে। আৰু সেই কোবৰ আতিশয্যত দৈৱকীৰ ধৰাশায়ী হোৱাৰ উপক্ৰম ঘটিছে।

'অনন্ত!' —দৈৱকীৰ মাতটো একেবাৰে থোকাথুকি হৈ পৰিল। হৰিণীৰ দৰে চঞ্চল চকুযুৰি তাইৰ পানীৰে উপচি পৰিল। লাহে লাহে



অন্তৰৰ সমস্ত শোক পাৰ ভাগি বাগৰি আহিল। বিয়াৰ তিনিমাহ নৌহওঁতেই হাইজাত পৰি গিৰীয়েক ঢুকাল। গাঁৱৰ সকলোৱে একেমুখে তাইক, 'লালাকৰ মূৰা খাইতী' আখ্যা দিলে। সেই মুহূর্তত শোকত ভাগি পৰা দৈৱকীক সান্ত্বনা বাণী শুনাওঁতা অনন্তৰ বাহিৰে আৰু দ্বিতীয় এজন নোলাল। গাঁৱৰ পূব মূৰৰ চাৰিআলিটোত থকা গিৰীয়েকৰ সৰু গুমটিখন তাই অনন্তকেই চলোৱাৰ দায়িত্ব দিলে। অতি কম দিনৰ ভিতৰতে সি তাইৰ বিশ্বাসভাজন হৈ উঠিল। আৰু এদিন-দুদিন কৰি কোনোৱে নজনাকৈ সি তাইৰ কায চাপি আহিল— একেবাৰে কায! গাঁৱৰ মানুহবোৰে কোৱা-কুই কৰিলে, 'হৰকান্তই তেও যন্ন্যাকৰ বুকু শুদা কৰি থৈ নেগেল! ভগৱানৰ ইচ্ছাত দৈৱকী মিয়াক হ'ল! দৈৱকীৰ আঁচলৰ মাজত সৰুমাই কোলা কোলাকৈ বাঢ়ি আহি তিনি বছৰীয়া হ'লহি। অনন্তক তাই পাহৰিব নোৱাৰে। কোনোপধ্যে নোৱাৰে। টং টং টং। কোনোবাই পুনৰ ভগা টিংচটাত কোবাইছে।

ঃ জয়কান্ত মহাজনৰ এটাই জীয়াক। কাঞ্চন! একমাহ পাছত তাইৰ লগত মোৰ বিয়া।

ঃ কি!

দৈৱকীৰ মাতত আশ্চর্য আৰু উৎকণ্ঠাৰ মিহলি সুৰ ফুটি উঠিল। অনন্তক তাই প্রাণভৰি ভালপায়। আৰু সুনন্দ! অনন্তৰ প্রথমা পত্নীৰ সন্তান সুনন্দৰ কি হ'ব? সৰুতে মাতৃহাৰা হোৱা সুনন্দক হ'বলগীয়া মাহীমাক কাঞ্চনে যদি অৱহেলা কৰিবলৈ লয়! সুনন্দৰ কথা বাৰু বাদেই। অনন্তই এবাৰো ভাবি চোৱা নাইনে, অনন্ত অবিহনে দৈৱকীৰ কি হ'ব? তাক নাপালে তাই কোন স'তে জীয়াই থাকিব? একপ্রকাৰ দাবী কৰাৰ দৰেই তাই অনন্তক কৈ উঠিল, "কাঞ্চনক তই বিয়া কৰ্বাবা নৰা অনন্ত!"

ঃ কি কৰ্বা লাগে কি কৰ্বা নাল্গে তই মোক শিকাবা নাল্গে। এনাই ভাইগ্য চবে কপালত লেখি নাহে।

আচৰিত হৈ দৈৱকীয়ে প্রশ্ন কৰিলে তাক— "মাহাজনৰ সেই পিহাচেনী হান আপীটোক বিয়া কৰাবি তই?"

ঃ দেখাত তই পিহাচেনী হান হ'বা পাৰে। তাতে কি হানি হ'ল?

ঃ তাইৰ মাথাৰ দোষ থাকা বুলি গটাই গাঁওখনেই জানে।

ঃ ময়ো জানো। কিন্তু তাই মাহাজনৰ জীয়াক! মাহাজনৰ !

ঃ তাইক বিয়া কৰাবাক লেখি গাঁওখানৰ এটাও আপা আগুৱে নাইহ্লা?

ঃ মাহাজনৰ জীয়াকক বিয়া কৰাবাক লেগি আগুৱে নাহা আপাগিলা মূর্খ। বুজ্লি? জধামূর্খ।

ঃ এতিয়া তাইৰ বয়স ভাটি দিছি।

ঃ অ'। তাইৰ বয়স ভাটি দিছি। মোতকৈ তাই বয়সত ডাহাৰ, তাতে কি হ'ল? মাহাজনৰ আপা নাই যেতিয়া মৰাৰ পাছত সম্পত্তিগিলা মোৰেই হ'ব। মই মাহাজন হ'বা পাৰিম!

ঃ চখু থাকিও তই একো নেদেখা হছা অনন্ত! মাহাজনৰ সম্পত্তিৰ লোভত তই পাগালা হৈ গেছা!

ঃ চুপ্ থাক। অ'। মই পাগালা হৈ গেছু। তোক মাৰি পেল্বা পাৰাকে পাগালা হৈ গেছু।...

অনন্তই হয়তো আৰু কিবাকিবি কৈ থাকিল। কিন্তু দৈৱকীয়ে কাণেৰে নুশুনা হ'ল— মুখেৰে মাতিব নোৱৰা হ'ল। থিয় দি থাকিব নোৱৰা হ'ল। তাইৰ চকুযুৰি থৰ লাগিল। ওঁঠ দুটা কঁপিল। মাখনৰঙী হাত দুখন আৰু ভৰি দুটা কঁপিল। আনকি গোটেই মানুহজনীয়েই কঁপিবলৈ ধৰিলে। থৰ্থৰ্কৈ। আৰু এটা সময়ত ধুপুচুকৈ মাটিত বহি পৰিল তাই। অনন্তৰ লগত কটোৱা প্রতিটো নিবিড় মুহূর্ত তাইৰ চকুৰ আগেৰে অগাড়েৱা কৰিবলৈ ধৰিলে। সি ব্যক্ত কৰা প্রতিটো ভাল লগা কথাৰে প্রতিধ্বনি বাজি উঠিল তাইৰ কাণত। তাইৰ হাতত হাত আৰু চকুত চকু থৈ অনন্তই যেন আকৌ এবাৰ তাইক কৈছে, "তোক লেগি মোৰ বহুত মৰাম আছে দৈৱকী! মাই-পিতাক কিবা কৰি মান্তি কৰ্বা পাল্লি আহা বহাগত ঘৰ সুমামেই তোক! ঘৰ সুমামেই তোক!"

হঠাৎ দৈৱকীৰ মনলৈ এক অদ্ভুত খেয়াল আহিল। বহাৰ পৰা ঘপ্কৈ উঠিল আৰু পিন্ধি থকা চাদৰখনেৰে নিজৰ ডিঙিত গাঁঠি লগাবলৈ উদ্যত হ'ল। আচলতে তাই মৰিব নোখোজে। কেৱল তাইহে যে অনন্তক ভালপায়, এনে নহয়। সিয়ো ভালপায় তাইক। মহাজনে দেখুওৱা সম্পত্তিৰ লোভতহে কিছু সময়ৰ বাবে সি এনে আচৰণ কৰিছে। তাইৰ মৰমত পুনৰ স্বাভাৱিক হৈ পৰিব সি। নাই, নাই। সি অন্ততঃ তাইক মাৰিব নোৱাৰে। কোনোপধ্যেই নোৱাৰে। এইবাৰ অনন্ত নিশ্চয় লৰি আহিব তাইৰ কাষলৈ। হয়তো তাই কৰিব খোজা অপৰাধৰ বাবে তেজ ফুটো ফুটো তাইৰ গালত এহাতেৰে পূর্ণহতীয়া চৰ এটি শোধাব। আৰু তাৰ পিছত? তাইক বুকুৰ মাজলৈ টানি আনি মৰমেৰে মূৰত হাত বুলাই ক'ব, "দৈৱকী! তই মৰি গেলি মই কেনেকে জীয়াই থাকিম?" হয়। তাইৰ অনুমানেই সঁচা হ'ল। একপ্রকাৰ দৌৰি অহাৰ দৰেই আহিছে সি। এক মুহূর্তও পলম নকৰি সি তাইৰ হাতৰ পৰা চাদৰখন আঁজুৰি ল'লে। এক পৰম সন্তোষত দৈৱকীৰ অন্তৰ ভৰি গ'ল। কিন্তু এয়া কেনেদৰে সম্ভৱ? দৈৱকীৰ চকুৰ পচাৰতে অনন্ত এটি ভয়ংকৰ জন্তুলৈ ৰূপান্তৰিত হৈ গ'ল। এই ভয়ংকৰ জন্তুটোৱে দাঁত কৰচি ধৰিছে, মুখ বিকটাইছে...। এক অদ্ভুত চাৱনিৰে তাইলৈ চাইছে। ক্রমে ক্রমে তাৰ মুখৰ আকৃতি আৰু বিকৃত হৈ গৈ আছে। ভয় খাই দৈৱকীয়ে দুখোজমান পিছুৱাই যাবলৈ ধৰোঁতেই চাদৰখনেৰে সি তাইৰ ডিঙিত ফাচ লগাই দিলে। আচলতে ইমানপৰে দৈৱকীয়ে ভুল ভাবিলে। তদুপৰি চাদৰখনেৰে ডিঙিত ফাচ লগাই মৰিব খুজি তাই মহাভুল কৰিলে। তাতোকৈয়ো বেছি ভুল কৰিলে তাই অনন্তক বিশ্বাসক কৰি। তাই চট্ফটাইছে। তীব্র যন্ত্রণাত তাই চট্ফটাইছে! আৰু এটা সময়ত সকলো শেষ হৈ গ'ল। নামঘৰৰ বস্তি দুগছো ধপ্কৈ নুমাই থাকিল কোনেও নজনাকৈ।

দুই

দৈৱকী মৰিল। সৰুমায়ো নোহোৱা হ'ল। গাঁৱৰ মানুহৰ বাবে দৈৱকী আৰু সৰুমাই ৰহস্য হৈয়ে থাকিল। সিহঁত দুটা কিয় আৰু কেনেকৈ অন্তর্ধান হ'ল হোজা মানুহখিনিয়ে তাৰ ভুকেই নাপালে। পাখি লগা কাঁড়ডাল পিঠিত গুঁজি লৈ সময় আগবাঢ়ি গৈ থাকিল। লাহে লাহে দৈনন্দিন জীৱনৰ ব্যস্ততাই দুখীয়া খেতিয়ক ৰাইজক দৈৱকী আৰু সৰুমাইৰ কথা পাহৰালে। জয়কান্ত মহাজন ঢুকোৱাৰ পিছত অনন্ত মহাজন হ'ল। দিনে দিনে অনন্ত মহাজনৰ ধন-সম্পত্তি, মাটি-বাৰীৰ পৰিমাণ বাঢ়ি যাবলৈ ধৰিলে। মহাজনৰ আধিখোৱা খেতিয়কহঁতে ৰ'দ-বতাহ-বৰষুণকো নেওচি পথাৰত হাল বায়, ভুঁই ৰোৱে, ধান দায়, মৰণা মাৰে। ধানৰ শকত অংশটি মহাজনলৈ আগবঢ়াই নিজৰ ভাগৰ খীণ অংশটোকে মহাজনৰ পৰম আশীর্বাদ বুলি গ্রহণ কৰে। তাৰ মাজতে কেতিয়াবা কোনোবা বিধৱা দৈৱকী, কোনোবা ফুলকুমলীয়া সৰুমাই, দুর্ভগীয়া কোনো অনাথ কুমাৰী মাতৃ নিখোজ হৈ পৰে। কেতিয়া ধাৰত পোত গৈ থকা খেতিয়কো নোহোৱা হয়। এনেবোৰ খবৰে গাঁওবাসীৰ বুকু কঁপাই তোলে। কিছুদিনৰ পিছত খবৰ তল পৰে। এটা সময়ত নিখোজ হৈ পৰা হতভগীয়াহঁতৰ মাটি-বাৰীৰ ওপৰত মহাজনৰ অধিকাৰৰ চিল-মোহৰ পৰে। অনন্তৰ যি চিল-মোহৰ, সেয়া ঠিক অনন্তৰো নহয়— জয়কান্তৰহে। আচলতে জয়কান্তৰো নহয়, জয়কান্তৰ দেউতাকৰ-ককাকৰ, হয়তো আজোককাকৰ!

গাঁওবাসীৰ জীৱন একেবাৰে অন্ধকাৰাচ্ছন্ন। বিজ্ঞান-প্রযুক্তিৰ চৰম উন্নতিৰ যুগতো বৈদ্যুতিক পোহৰে গাঁওখনক ঢুকি পোৱা নাই। শিক্ষা আৰু যাতায়ত ব্যৱস্থাৰো পয়ালগা অৱস্থা। গাঁওখন চহৰৰ পৰা ইমান নিলগত যে গাঁৱৰ মানুহে চহৰলৈ যাবলৈ দহবাৰ ভাবিব লাগে। অৱশ্যে মহাজনৰ কথা একেবাৰে সুকীয়া। তেওঁৰ নিজা এম্বেছেদৰ গাড়ী এখনো আছে। চহৰৰ পুলিচ-বিধায়কৰ লগতো তেওঁৰ চিনা-পৰিচয় আছে। কিন্তু গাঁৱৰ মানুহকেইটা নিখোজ হোৱাৰ পিছত চহৰলৈ গৈ পুলিচত এজাহাৰ দিয়া হৈছিল নে নাই গাঁৱৰ সহজ-সৰল মানুহখিনিয়ে গমকে নাপালে। ইমানখিনি ভবাৰ বা খবৰ ৰখাৰ অধিকাৰ মহাজনে সিহঁতৰ পৰা কাঢ়ি লৈছিল। দুবেলা-দুমুঠি অন্ন যোগাৰৰ বাবে কঠোৰ শ্রমত আত্মনিয়োগ কৰা খেতিয়কহঁতৰ বাবে সহজে হজম নোহোৱা খবৰসমূহো গো-গ্রাসে গিলি থোৱাটো এক প্রকাৰৰ অভ্যাসতেই পৰিণত হৈছিল।

তিনি

সুনন্দৰ মাজে মাজে দৈৱকীলৈ বৰ খং উঠে। ক'লৈ বা গ'ল মানুহজনী! সুনন্দই অনুভৱ কৰিব পাৰে, খিংখিঙীয়া স্বভাৱৰ মাহীমাক কাঞ্চন আৰু মৰমীয়াল দৈৱকীৰ মাজত থকা তফাৎ! আগতে সিহঁতৰ ঘৰলৈ প্ৰায়ে আহিছিল দৈৱকী। কিন্তু কোনোদিন তাই খালী হাতে অহা নাছিল। তালৈ মৰমতে কেতিয়াবা পকা মালভোগ কলৰ আখি, কেতিয়াবা ৰবাব টেঙা, কেতিয়াবা চিৰা-পিঠা আৰু কেতিয়াবা থমা দৈ গাখীৰ আনিছিল। কেতিয়াবা সিয়ো তাইৰ ঘৰলৈ গৈছিল। তেতিয়া মৰমতে তাই তাক ইবিধ-সিবিধ নিজহাতে খুৱাই দিছিল। সেইবোৰ বহুদিনীয়া কথা। সুনন্দ এতিয়া চফল ডেকা। বাপেকৰ গাত ডেকা তেজ-শক্তি নোহোৱা হ'ল। আজিকালি ইটো-সিটো অসুখ তেওঁৰ গাত অনবৰত লাগিয়েই থকাৰ নিচিনা। সেয়ে ঘৰখনৰ ওপৰুৱা দায়িত্ব কিছুমান আহি তাৰ ওপৰতে পৰিছে। সুনন্দ বাপেকৰে সন্তান। অথচ বাপেকৰ দৰে আপোনপেটীয়া মানুহ সি মুঠেও নহয়। এইকেইদিন ভীষণ অন্তৰ্দ্বন্দ্বত ভুগি আছে সি। এফালে বাপেকৰ আঁকোৱগোজালি আৰু আনফালে তাৰ বিবেক। এই দুই বিপৰীতধৰ্মিতাৰ মাজত ওলমি ৰৈছে সুনন্দ! সেইদিনাও বাপেকৰ সৈতে কথা পাতিছিল সি। তাৰ থিৰাং সিদ্ধান্তৰ কথা শুনি আগৰকেইবাৰৰ দৰেই সেইদিনাও বাপেকে প্ৰথমে তাক বুজাইছিল— "বাপা, মোৰ আগে সিখিনি মাটি মোৰ শহুৰৰ আছিল। শহুৰৰ বুঢ়াপীতিয়াকৰ দিনৰ মাটি সিখিনি। শহুৰৰ বুঢ়াপীতিয়াকে সেই মাটিখিনিৰ একো নকৰ্‌লা, আতীয়াকে নকৰ্‌লা, পীতিয়াকে নকৰ্‌লা, শহুৰেও নকৰ্‌লা। আনকি ময়ো তাতে একো কৰ্‌বা যাৱা নাই। গতিকে মোৰ শেষ কথা— সিখিনি মাটিত তয়ো একো কৰ্‌বা নবা।" সিমানতো সুনন্দ সৈমান নোহোৱা দেখি বাপেকে কিছুপৰ উচ্‌পিচাইছিল। অৱশেষত উপায় নাপাই তাক ভয় খুওৱাৰ প্ৰচেষ্টা চলাইছিল— "চা বাপা, জাগাখিনি বৰ ভয়লাগা। ৰাতিৰ কথা বাদেই দিনে-পহৰেও তাকে কায়ো যাবা সাহ নকৰে। তই তাতে মৰ্‌বা যাবা খুজ্‌চা?" কথাখিনি কওঁতে বাপেকৰ মাতটো কঁপিছিল। তদুপৰি তেওঁৰ চকুৰে-মুখে এক অজান আতংকৰ চিন স্পষ্টকৈ ফুটি উঠিছিল। কিন্তু সেই আতংকৰ কাৰণ সুনন্দৰ অমংগলৰ আশংকা নে অন্য কিবা সুনন্দই ঠিক ধৰিব পৰা নাছিল। সি কিন্তু আঁকোৱগোজ। এনেয়ে থকা বাকৰিখন কামত লগোৱা দুবৈৰ কথা, তালৈ কাকো যাবলৈও নিদিয়ে। বাৰমাহে তাত কাঁইটৰ ওখ ওখ বেৰ থাকেই। নাই, নাই। এইবাৰ সি বাপেকৰ হাক-বচনলৈ কেৰেপ নকৰে। প্ৰকাণ্ড বাকৰিখন বাপেকহঁতৰ দৰে সি কেৱল বাকৰি কৰিয়ে নাৰাখে। সি বাকৰি ভাঙিব। তাত এটি পুখুৰী খন্দাব। পুখুৰীত মাছ-পুঠি পালন কৰিব। তাৰোপৰি পুখুৰীটোৰ চাৰিওফালে বিবিধ শস্যৰ খেতি কৰিব। ইমানদিন পুৰুষৰ পিছত পুৰুষ ধৰি সিহঁতৰ গাঁওখন এন্ধাৰত বুৰি আছিল। এতিয়া সুনন্দই গাঁৱত এমুঠি পোহৰ ছটিয়াব। পুখুৰীৰ মাছ-পুঠি আৰু খেতিৰ ফচল সি চহৰলৈও ৰপ্তানি কৰিব। আৰু তাৰপৰা আৰ্জিত ধনেৰে গাঁৱত পোহৰ ছটিয়াব সি।

আহিন মাহ। কুঁৱলিৰ চাদৰ লাহে লাহে খহি পৰাত এটি-দুটিকৈ সূর্যকণা ছিটিকি আহি পৰিছে গাঁওখনত। গাঁৱৰ নামঘৰটোত ভকতৰ নাম-প্ৰসংগ কৰিছে। সুনন্দৰ ভাবি ভাল লাগিল যে বাকৰিৰ কাষলৈ যাবলৈ ভয় কৰা মানুহবোৰে তাৰ কথা পেলাব নোৱাৰি যোৱা দুসপ্তাহ ধৰি তাৰ লগত বাকৰিলৈ আহিয়ে আছে। এতিয়া অৱশ্যে ভয়ৰ কাৰণ একেবাৰেই নাই। বাকৰিখনৰ চাৰিমূৰে থকা কাঁইটৰ ওখ ওখ বেৰকেইখন সুনন্দৰ কথামতেই সিহঁতবোৰে ইতিমধ্যে উঠাই পেলাইছে। গছ-বনবোৰো কাটি ঠাইখিনি মুকলি কৰি পেলাইছে। আজি ৰাইজৰ আনবোৰ মানুহো আহিছে। সিহঁতবোৰে হৰিধ্বনিটো দিয়াৰ লগে লগে যোগেশ্বৰহঁত কোৰ মৰাত লাগিল। প্ৰথমে যোগেশ্বৰেই মাৰিলে চিঞৰটো। সি কোৰ মাৰি থকা মাটিখিনিৰ পৰা হাড় দুডালমান ওলাইছে। মানুহবোৰ শংকিত হৈ পৰিছে।

ঃ মৰা গৰুৰ হাড়া কিজানি!

হ'ব পায়। জুমটোৰ মাজৰপৰা কোনোবা এজনে কৈ উঠা কথাষাৰত আনবোৰ মানুহো কিছু আস্বস্ত হ'ল। যোগেশ্বৰহঁতে পুনৰ কোৰ মৰাত লাগিল। এনেতে ঘনশ্যামে মাৰিলে দ্বিতীয়টো চিঞৰ— জঁকা! জঁকা! মানুহৰ জঁকা ঐ! হতবাক হৈ পৰিল মানুহবোৰ। সকলোৱে সুনন্দৰ মুখলৈ চালে। এক আচৰিত দৃষ্টিৰে সি এতিয়াও জঁকাটোলৈয়ে চাই আছে। সুনন্দই মুখেৰে একো নমতা দেখি ঘনশ্যামে একেকোৰে সেইখিনিৰ পৰা আঁতৰি আহি সুনন্দৰ নিচেই কাষ পালেহি। ভয়ত তাৰ চূর্তি হেৰুৱাইছে। কোনোমতে সেপ ঢুকি সুনন্দক লাহেকৈ ক'লে সি, "কাকা! মই আৰ্ মাটি নাখান্দো।"

ঃ তহঁতে খান্দ্‌বাই লাগ্‌ব মাটি।


সকলোকে আচৰিত কৰি প্ৰত্যুত্তৰত সুনন্দই এনে দৃঢ়তাৰে কথাষাৰ কৈ উঠিব বুলি কোনোৱে ভাবিবই পৰা নাছিল। এনে সময়তে মানুহৰ জুমটোৰ পৰাও কোনোবা এজনে আটাহ পাৰি উঠিল— "খান্দি থাক মাটি। আৰু কিমান জঁকা ওলায় তাৰ হিচাপ আমাক লাগ্‌ব।"

উপায় নাপাই সেমেনা-সেমেনিকৈয়ে ঘনশ্যামহঁতে পুনৰ কোৰ মৰাত লাগিল। সিহঁতে যিমানেই মাটি খান্দিছে ৰাইজৰ উৎকণ্ঠাও সিমানেই বাঢ়িছে। এটাৰ পিছত এটাকৈ মানুহৰ জঁকা ওলায়েই আছে। সেই জঁকাটোবোৰত ৰক্ত-মাংস সংযোগ কৰি সুনন্দহঁতে দেখিলে কোনো বিধৰা দৈৱকীক, কোনো দুৰ্ভগীয়া সৰুমাইক, কেও কিছু নোহোৱা কোনো কুমাৰী মাতৃক, ধাৰত ডুব যোৱা কোনো দুখীয়া খেতিয়কক। মহাজনৰ বাকৰিৰ ৰহস্য ভেদ হ'ল। সুনন্দৰ পৰিকল্পনা ভস্ম হৈ গ'ল। এই যে জঁকাবোৰ ওলাইছে সেইবোৰো দেখোন বাকৰিৰ চাৰিওফালে গোট খোৱা এইজাক মানুহৰেই প্ৰতিনিধি আছিল! আচলতে মহাজনৰ বেছিভাগ মাটিয়েই খাটি খোৱা মানুহখিনিৰ পৰা কাঢ়ি লোৱা মাটিহে। সুনন্দহঁতে থিয় দি থকা মাটিখিনিও হয়তো এনে কোনো হতভগীয়াৰে মাটি!

মানুহৰ জুমটো ক্ৰমে ক্ৰমে বাঢ়ি গৈ আছে। পিছলৈ মানুহবোৰে সুনন্দৰ উপস্থিতি বা অনুপস্থিতিৰ উমানকে নোপোৱা হ'ল। সকলোৱে দৃষ্টি কেৱল জঁকাকেইটাৰ ওপৰতহে। ইমানদিনে মহাজনে যি ক'বলৈ শিকাইছিল, যি কৰিবলৈ কৈছিল, গাঁওবাসীয়ে অন্ধভাৱে সেই কথাহে কৈছিল, সেইখিনি কামহে কৰিছিল। কিন্তু আজি প্ৰথমবাৰৰ বাবে হোজা মানুহখিনিয়ে মহাজন অবিহনেই কিবা এটা শিকিলে। নতুনকৈ কিবা এটা ভাবিলে। মানুহৰ গুণ্‌গুণনি লাহে লাহে গুম্‌গুমনিত পৰিণত হ'ল। কোনোৱে ইস্ আস্ কৰিছে, কোনোৱে মহাজনক শাওপাত দিছে, কোনোৱে বা এশ-এটা গালিবাচক শব্দৰে মহাজনক উদ্দেশ্যি গালি পাৰিছে। মুঠৰ ওপৰত মুখ খুলিছে সকলোৱে। এনে এক উত্তেজনাপূর্ণ মুহূর্তত কোনেও হয়তো কল্পনাও কৰিব নোৱাৰিলে যে সুনন্দক আৰু কোনোদিনে গাঁৱত দেখা নাযাব।

পিছদিনা পুৱা। পথাৰৰ সিটো মূৰৰ গাঁওখনত অইন দিনাতকৈ কিছু সোনকালেই উঠিল সূর্য। ভকতেও আজি কাহিলিপুৱাতে নাম-প্ৰসংগ কৰি উঠিছে। এনেতে কাণ তাল মাৰি ধৰাকৈ কিবা বাজিবলৈ ধৰিলে। সেই শব্দত চুবুৰীয়া গাঁওবোৰৰো টোপনি ভাগিল। সকলোৱে কোৱাকুই কৰা শুনা গ'ল, 'ডবা বাজ্‌ছি! হয়, হয়। পথাৰৰ সেটো মূৰৰ গাঁওখানত ডবা বাজ্‌ছি— একেলগে কেইবাযোৰো ডবা!

(বি.দ্ৰ. ঃ গল্পটোৰ সংলাপত দক্ষিণ কামৰূপৰ কথিত ভাষা প্ৰয়োগ কৰা হৈছে।)



অষ্ট্রিয়ান দার্শনিক ছিগ্‌মাণ্ড ফ্রয়ডে কোৱা কথা এষাৰ এই কেইদিন সু�ৰবন্যাই অতি গভীৰভাৱে অনুভৱ কৰিছে। সৌ সিদিনা কোনোবা এখন ইংৰাজী কাকতৰ সপোন সম্বন্ধীয় কিবা এটা লেখাত পঢ়িছিলহে মাত্ৰ ফ্রয়ডৰ সেই উক্তিটো— "Dream is the royal road to study human unconscious." এইকেইদিন উক্তিটো তাই আখৰে আখৰে অনুভৱ কৰিছে। কি যে সপোনবোৰ দেখে আজিকালি তাই। চকুৰ পতা দুটা জপাবলৈ পাই কি নাপাই, চিনেমাবোৰৰ ইটো ছিকুৱেঞ্চৰ পাছত সিটো ছিকুৱেঞ্চ লেথাৰি নিছিগাকৈ গৈ থকাৰ দৰে, তাইৰ চকুৰ পর্দাতো ভাহি উঠে কিছুমান অসংলগ্ন চিত্ৰ। কিবা খণ্ড-বিখণ্ড সপোন। ক'ত আঁত, ক'ত গুৰি তাই একো অনুমানেই কৰিব নোৱাৰে।

সপোন

নম্ৰতা বৰদলৈ

কেতিয়াবা দেখে 'মুন্নাভাই এম. বি. বি. এছ'ত দেখুওৱাৰ নিচিনাকৈ মৃতদেহ এটাৰ কাষত বৈ থকা বগা সাজ-পাৰ পিন্ধা কিছুমান নতুনকৈ অহা চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীক এজন জ্যেষ্ঠ চিকিৎসা বিজ্ঞানৰ শিক্ষকে সেই মৃতদেহটোৰ বিভিন্ন অংগ দেখুৱাই গৈছে। সেই ছাত্ৰসকলৰ মাজত কি কৰিব, কি নকৰিব ভাবি থকা তাইৰ সোঁহাতখনে তাইৰ অজ্ঞাতেই তাইৰ নাকটো ঢাকি ধৰিছে। অথবা কেতিয়াবা দেখিছে, এ. আই. ট্ৰিপল ই.ৰ কাউঞ্চিলিঙত শ শ ল'ৰা-ছোৱালী আৰু তাই একেটা কোঠাত বহি আছে। মাইক্ৰ'ফোনত কোনোবাই অহৰহ কিবা-কিবিবোৰ চিঞৰিব লাগিছে। ছাত্ৰ-ছাত্ৰীবোৰৰ সমানেই উদ্‌গ্ৰীৱ, উৎকর্ণ সিহঁতৰ মাক-দেউতাক সকলো। কোন মুহূর্তত বা মাতে তেওঁৰ ল'ৰাটো নাইবা ছোৱালীজনীৰ নাম। কোলাহলৰ মাজত যদি কেনেবাকৈ শুনা নাপায় তেন্তে তেওঁলোকৰ সন্তানটোৰ এই পৃথিৱীত জীৱন ধাৰণ কৰাটোৱেই যেন বৃথা হৈ যাব। আকৌ কেতিয়াবা দেখে, দিল্লী আই. আই.টিৰ হাই পাৱাৰ চছমাৰ তলত পোত গৈ থকা চকুৰ অজস্ৰ ল'ৰা-ছোৱালী খৰ খোজেৰে ইফালৰপৰা সিফাললৈ গতি কৰিছে। লগৰখিনিৰ লগত আড্ডা দিওঁতে সততে ব্যৱহাৰ হোৱা সেই শ্ৰেণীটোৰ মাজত অকলশৰীয়া তাইজনী যেন অসহায় হৈ পৰিছে। কেতিয়াবা দেখে এ.এফ.এম. চিৰ প্ৰৱেশ পৰীক্ষা দিবলৈ তাই চাৰিমহলীয়া স্কুল এখনৰ বিশাল প্ৰৱেশ পথটোত সোমাই গৈছে। পৰীক্ষা দিওঁতা ছাত্ৰ-ছাত্ৰীবোৰতকৈও সিহঁতৰ অভিভাৱকবোৰৰ কপালত প্ৰকট হৈ পৰা চিন্তাৰ ৰেখাবোৰ চাই থাকোঁতে পৰীক্ষা আৰম্ভ হোৱাৰ সংকেত ধ্বনি দিয়াৰ পাছতো তাই পৰীক্ষা কোঠাত সোমাবলৈ পাহৰি গৈছে। হয়তো কেতিয়াবা দেখা পায় এটা ৰঙা মিনি স্কার্ট, এটা বগা চার্ট, এডাল ৰঙা টাই পৰিধান কৰি চুলিখিনি আটোমটোকাৰিকৈ বান্ধি বিশ্ববিজয় কৰাৰ নিচিনাকৈ কিবা বিশেষ ধৰণৰ এটা মিচিকিয়া হাঁহি দুই ওঁঠত সানি এয়াৰ হোষ্টেছ তাইজনী মডেলবোৰে ৰেম্পত খোজকঢ়াৰ দৰে এক বিশেষ লয়লাসেৰে আগবাঢ়িছে। মুঠতে বিভিন্ন ধৰণৰ খণ্ড-বিখণ্ড সপোন। নাই আঁত, নাই গুৰি। তাই ধৰিব পাৰিছে যে তাইৰ মগজুৰ ভিতৰত অহৰহ চলি থকা ঘটনাবোৰৰে এই সপোনবোৰ এক প্ৰতিফলন।

ৰাতিপুৱা চাহৰ টেবুলতেই আৰম্ভ হয়, সুৰবন্যাই ভৱিষ্যতে ক'ত পঢ়িব, ক'ত পঢ়িলে সোনকালে এটা মোটা অংকৰ ধন ঘৰ সোমাবহি, ক'ত পঢ়িলে সোনকালেই তাইৰ এটা সংস্থাপনৰ ব্যৱস্থা হ'ব ইত্যাদিৰ আলোচনা। ৰাতি শোৱাৰ পৰলৈকে এই আলোচনা শেষ হোৱাৰ নামকে নলয়, যেন তাই ক'ৰবাত পঢ়িবলৈ আসন এখন নাপালে তাইৰতো জীৱন বৃথা হ'বই, লগতে মাক-দেউতাকৰো জীৱন অসার্থক হ'ব।

আজি ৰাতিপুৱা দেউতাকে চাহৰ টেবুলতে বৰ আক্ষেপৰ সু�ৰত কৈ গ'ল— "সৰুৰেপৰাই মোৰ ইচ্ছা আছিল চিকিৎসক হোৱাৰ। সপোনটো পূৰাবলৈ পঢ়া-শুনাও কৰিছিলোঁ ঠিকমতে; ক'ত বা কেণাটো লাগিল নাজানো। চিকিৎসক হোৱাৰ পৰিৱর্তে ৰিজার্ভ বেংক অব্ ইণ্ডিয়াৰ কর্মচাৰীৰ পদ এটাহে কপালত ফুলিলেগৈ। ভাবিছিলোঁ, ডাঙৰজনীকে চিকিৎসা বিজ্ঞান পঢ়ৱাম। কিন্তু তায়ো কলা শাখাত নাম ভর্তি কৰিবলৈহে ইচ্ছা প্ৰকাশ কৰিলে। অৱশ্যে এতিয়া লেডী শ্ৰীৰামৰ নিচিনা কলেজত পঢ়ি নিজৰ কৃতিত্ব প্ৰতিপন্ন কৰিছে। গতিকে এতিয়া তোমাৰ ওপৰতে মোৰ আশা। তুমি কেনেবাকৈ ডাক্তৰী পঢ়িবলৈ ছিটটো পাবলৈ সক্ষম হ'লে মই তোমাক এটা লেপ্‌টপ উপহাৰ দিম। মোৰ বন্ধুসকলৰো বেছিভাগৰ ল'ৰা-ছোৱালী এতিয়া চিকিৎসক। তুমিও

চেষ্টা কৰাচোন।"

আচলতে সুৰবন্যাই বুজিয়েই নাপায় দেউতাকে কিয় বিচাৰিছে তাই চিকিৎসক হোৱাটো? তেওঁৰ অপূর্ণ সপোনটো তাইৰ জৰিয়তে পূৰাবলৈ নে তেওঁৰ বন্ধুবর্গৰ আগত 'মোৰ ছোৱালীজনীয়েও ডাক্তৰী পঢ়ি আছে' বুলি ফিতাহি মাৰি ক'বলৈ নে চিকিৎসকৰ পেছাতো সেৱাব্রত হিচাপে লৈ ফ্লৰেন্স নাইটিঙ্গেলৰ দৰে দিনে-ৰাতিয়ে ৰোগীৰ সেৱা কৰাটো। কিন্তু দেউতাকৰ কথাত শেষৰ কথাটোৰ কোনো উমঘামেই তাই বিচাৰি নাপালে। অৱশ্যে নির্বাচনৰ আগতে ৰাজনৈতিক নেতাসকলে দিয়া বৃহৎ প্রতিশ্রুতিবোৰৰ নিচিনাকৈ দেউতাকৰ প্রলোভনমিশ্রিত প্রতিশ্রুতিটো তাইৰ বিশেষ বেয়া নালাগিল। এইকেইদিন জীৱন, কেৰিয়াৰ সম্পর্কীয় চিন্তা-চর্চাৰ মাজত ডুব গৈ থাকোঁতে প্রায় হাঁহিবলৈকে পাহৰি যোৱা সুৰবন্যাৰ ওঁঠৰ কোণেদিও এটা ইতিকিঙৰ হাঁহি খেলি গ'ল।

আজি ক'চিং ক্লাছৰ পৰা আহি মূৰটো বিষাইছে বুলি তাই বহুত দেৰি আইতাকৰ কোলাত মূৰটো গুঁজি পৰি আছিল। আইতাকে চুলিখিনিৰ মাজেদি হাত ফুৰাই দিয়াতহে তাইৰ অলপ বিষটো উপশম হোৱা যেন লাগিল। নিজৰ আচল দাঁতকেইটা হেৰুৱাই কৃত্রিম দাঁতৰ সহায়ত নিজৰ নিত্য-নৈমিত্তিক কামখিনি চলাই যোৱা আইতাকেও আজিকালি অনবৰতে নাতিনী দুজনীয়ে সততে ব্যৱহাৰ কৰি থকা ইংৰাজী শব্দ কিছুমান ব্যৱহাৰ কৰে। কিন্তু কৃত্রিম দাঁতকেইটাৰ প্রতাৰণাৰ ফলত শব্দবোৰ কিবা বিকৃত ৰূপতহে উচ্চাৰণ হয়গৈ। পিছে আইতাকৰ সেই ভঙা ভঙা ইংৰাজী শব্দবোৰে তাইক বৰ আমোদ দিয়ে। তাইৰ চুলিকোছাৰ মাজত হাত ফুৰাই থাকোঁতেও আইতাকে তাইক ক'লে— "মাজনী সেই যে টিভিত আহে 'এড্‌ভেটাইজ'টো, সেই যে এ.এইচ. এনে কি সেইটোত যে ওলাই 'মডল'জনী কিন্তু বৰ 'ইস্মার্ট' লাগে দেই। তই তেনেকুৱা এজনী হ'লে তোকো 'ইস্মার্ট' লাগিব। তেতিয়া ময়ো ছমাহ-বছৰেকৰ মূৰত আইজনীৰ ওচৰলৈ তোৰ 'ফেলাইট'ত যাব পাৰিম।" তাইৰ বায়েক বৃষ্টিক আইতাকে আইজনী বুলি মাতে। ডাঙৰ নাতিনীজনীৰ প্রতি তেওঁৰ বৰ হেঁপাহ। তাই দিল্লীত থাকে। তেওঁ তাইক সদায় লগ পাই নাথাকে। সেইকাৰণে তাইক মাজে মাজে চাবলৈ মন যায় চাগৈ তেওঁৰ— সুৰবন্যাই ভাবিলে। আইতাকৰ কথাকেইটা শুনিহে তাই ধাৰণা কৰিলে, কিয়নো এ.এইচ.এ. নামৰ এয়াৰহোষ্টেছ প্রশিক্ষণ কোম্পানিটোৰ বিজ্ঞাপনটো দিলে, আইতাকে অকণ অকণ ল'ৰা-ছোৱালীয়ে নির্নিমেষ দৃষ্টিৰে কার্টুন নেটৱর্ক চাই থকাৰ দৰে সেই বিজ্ঞাপনটো চাই ৰয়। গুৱাহাটী মহানগৰীত ইমান বছৰ থাকিও কোনো কাৰণতে ওৰণিখন খহিবলৈ নিদিয়া, কোনেও ভৰিৰ আঙুলিকেইটা দেখিব নোৱৰাকৈ দীঘলকৈ মেখেলা পিন্ধি থকা আইতাকৰ কিয় যে সেই মিনি স্কার্ট পৰিহিতা এয়াৰহোষ্টেছজনীলৈ মোহ এটা সোমাই গ'ল, সুৰবন্যাই ভাবি ভাবি প্রায় আচৰিতেই হ'ল। যি কি নহওক তাইৰ ঘৰখনৰ দুজন সদস্যই তাইক লৈ মনে মনে ৰচি থকা সপোনবোৰৰ উমান তাই পালে।

মাকে বা কি সপোন ৰচিছে তাইক লৈ, এই কথা তাই এতিয়াও ধৰিব পৰা নাই। তাইৰ বোধেৰে কোনোবা এখন আই. আই. টিত তাই ছিটটো পালে তেওঁ সুখী হ'ব চাগৈ। কাৰণ এইকেইদিন তেওঁ আই. আই. টিত পঢ়ি থকা তেওঁলোকৰ ক্লাবৰ কোনোবা এগৰাকী সদস্যাৰ ছোৱালীজনীৰ নাম জপ কৰাৰ দৰে কৰি আছে।

সন্ধিয়া সময়ত সিহঁতৰ ঘৰৰ কাষতে থকা বৰুৱা খুড়া আহিও সিহঁতৰ ঘৰত তেওঁৰ বাংগালোৰত থকা ভাগিনটোৰ গুণানুকীর্তন ভালদৰেই কৰি থৈ গ'ল। কিছুদিনৰ পাছতেই বোলে তেওঁৰ সেই ভাগিনজন ইউ. এছ.এলৈ যাব। কোনোবা এটা বহুজাতিক কোম্পানিৰ লগত কিছুমান চর্তত স্বাক্ষৰ কৰা ইতিমধ্যেই হৈ গৈছে বোলে। কথাখিনি কৈ তাইকো তেনে এজন তথাকথিত সফল মানুহ হ'বলৈ পৰামর্শ দি বৰুৱা খুড়া গ'লগৈ। বৰুৱা খুড়া যোৱাৰ পাছত তাইৰ মাক-দেউতাকৰ মাজত চলিল তাইৰ কেৰিয়াৰ সম্বন্ধীয় অলেখ আলোচনা-বিলোচনা।

উচ্চতৰ মাধ্যমিকৰ পৰীক্ষা দিয়াৰ আগৰেপৰাই তাই পৰিকল্পনা কৰি আছিল গাঁৱত থকা মোমায়েকৰ ঘৰলৈ যাব। তাত যে বৰশি বায়, ফর্মুটিয়াই আম, মধুৰীআম আদি ফল-মূল পাৰি কিমান আনন্দ লাগে তাইৰ! গাঁৱত থকা মোমায়েকৰ ঘৰলৈ গ'লে সঁজাত থকা বন্দী পক্ষী মুকলি হোৱাৰ দৰে তায়ো লৰি-ঢাপৰি ফুৰোঁতেই যায়। সকলোৰে মৰম পাই তাইৰ দুষ্টালিৰ সংখ্যা বাঢ়ি যায়। এইবাৰো মোমায়েকৰ ঘৰলৈ যোৱাৰ কথা উলিওৱাত মাকে ডাৰউইনৰ— 'Survival of the fittest'—কথাষাৰ পুনৰ সোঁৱৰাই দিয়াত তাইৰ সেই পৰিকল্পনাৰ অন্ত পৰিল। মোমায়েকহঁতেও পঢ়িবলৈ ক'ৰবাত আসন এখন নিশ্চিত হ'লেহে নতুনকৈ পঢ়িবলৈ যোৱাৰ আগ মুহূর্তত তেওঁলোকৰ ঘৰত এদিন বা দুদিনৰ বাবে থকাকৈ যাবলৈ কৈছে। গতিকে এতিয়া তাই বুজিছে যে পঢ়া কোঠাটোৰ বাদে বেলেগ কথা ভাবি লাভ নাই।

পঢ়া টেবুলৰ বৃহৎ বৃহৎ কিতাপবোৰত চকু ফুৰাই তাই ভাবি গ'ল আচলতে তাইৰ নিজৰ সপোনটো কি? কি হ'ব বিচাৰে তাই ভবিষ্যতে? মাক-দেউতাক, আইতাক, আত্মীয়-কুটুম্বৰ তাইক লৈ ৰচা সপোনবোৰৰ কথা শুনি থাকোঁতে তাইৰ নিজৰ সপোনবোৰৰ কথা ভাবিবলৈ এক প্রকাৰৰ অৱকাশেই নাইকিয়াৰ দৰে হৈ পৰিছিল। আজিৰ পৰা তাই চিন্তা কৰিব নিজৰ সপোনটোৰ কথা। তেনেতে তাইৰ কোঠাৰ পর্দাখন ঠেলি সিহঁতৰ ঘৰৰ কাম কৰা ছোৱালী মালতী বাই হাতত চাহৰ কাপ লৈ সোমাই আহিল। তাইৰ চুলিত হাত ফুৰাই মালতীবায়ে তাইক লাহেকৈ সুধিলে— "কি হ'ল সৰু ভণ্টী, আজিকালি তুমি কথাও বৰকৈ নাপাতা, হঁহাও নেদেখো তোমাক। কি হৈছে তোমাৰ?" —মালতী বাইৰ কথা শুনিহে তাই গম পালে তাৰ মানে তাইৰ কিবা এটা হৈছে। ক'তা, মাক আৰু দেউতাকে দেখোন কোনোদিন সোধা নাই তাইক এই প্রশ্ন। মালতী বায়ে এই মুহূর্তত সোধা প্রশ্নটোৰ কিবা ভিত্তি আছেনে নাই তাইৰ এক মুহূর্তৰ বাবে চিন্তা কৰিবলৈ বাধ্য হ'ল। এই মুহূর্তত তাইৰ দুই-ওঁঠত হাঁহি খেলাই গ'ল। আজি ভাগ্য তাইৰ ওপৰত অলপ সুপ্রসন্ন যেন লাগিছে। ইমান দিনৰ বিৰতিৰ মূৰত আজিৰ দিনটোত তাই বহুবাৰ হাঁহিলে। কিন্তু প্রত্যেকবাৰৰ হাঁহিৰ অর্থ বেলেগ বেলেগ। মানুহে কয়, মাকবোৰে বোলে সন্তানৰ মুখ দেখিলেই ক'ব পাৰে, সিহঁতৰ মনোর্জগতত কি চলি আছে। কিন্তু আজি কথাটো অলপ ওলোটা ধৰণৰ হ'ল। তাইৰ ভিতৰত অহৰহ বৈ থকা চিন্তাৰ কোবাল নদীখনৰ আভাস মালতী বায়ে মাকতকৈ আগতেহে পালে।

সমগ্র দিনটোত ঘটি যোৱা ঘটনাবোৰৰ বিশ্লেষণ কৰি তাইৰ অৱশেষত ভাগৰেই লাগিল। আজিকালি তাই কিবা পলায়নবাদী হৈ পৰিছে। কিন্তু কিহৰপৰা বা কাৰপৰা পলায়নৰ এই মানসিকতাই তাইক গ্রাস কৰিব লাগিছে, তাই নিজেও নুবুজে। পঢ়া টেবুলত মূৰটো দি তাই চকুকেইটা জপাই দিলে। হয়তো অলপ সময়ৰ বাবে তাই অৱতীর্ণ হ'বলগীয়া প্রৱেশ পৰীক্ষাবোৰ, মাক-দেউতাক সকলোৰে তাইক লৈ ৰচা সপোনবোৰেৰে ঠাহখাই থকা তাইৰ মনোর্জগতখনৰ পৰা সাময়িকভাৱে পলায়ন কৰাৰ অভিপ্রায়েৰে। কিন্তু অকণমান সময়ৰ বাবে চকুকেইটা জপাই, টোপনিয়াবৰ চেষ্টা কৰি এইবোৰৰ পৰা পলায়ন কৰা সম্ভৱ জানো? টোপনি যোৱাৰ অলপ সময় পাছতেই তাইৰ চকুৰ আগত গতিশীল চলচিত্র এখনৰ দৰে ভাহি উঠিব কিছুমান অসংলগ্ন, খণ্ড-বিখণ্ড সপোনৰ টুকুৰা।

উপন্যাসিকা

এখন বহল পৃথিৱীৰ সপোন...



গীতিমা ভাগৱতী

প্রকৃততে ভাল আৰু বেয়া মানুহৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিনে? নোৱাৰি! মানুহ এজন বেয়া হৈও ভাল হ'ব পাৰে। ভাল হৈও বেয়া হ'ব পাৰে। তাকেই কয় ভাল মানুহৰ বেয়া দিশ, বেয়া মানুহৰ ভাল দিশ! কথাবোৰ ঠিক তেনেকুৱা নহয় জানো!

... বুকুত হাত থৈ নিজকে ভাল বুলি ক'বলৈ কুণ্ঠাবোধ নকৰা মানুহ একপ্রকাৰ বিৰল। আৱেগৰ বশৱৰ্তী হৈ অথবা পৰিস্থিতিৰ দাস হৈ মানুহে কিবা নহয় কিবা ভুল কৰি পেলায়। ভুল হৈ যায়। জ্ঞাত অথবা অজ্ঞাত ভুল। 'মানুহ ভগৱান নহয়। দোষ-গুণৰ সমষ্টিৰেতো নিৰূপিত হয় মানুহৰ স্বভাৱ-চৰিত্র। ... তাৰে কিছুমানে আত্মদংশনত ভোগে। আত্মাৰ আদালতত দোষী সাব্যস্ত হৈ নিজকে সংশোধন কৰাৰ প্রচেষ্টা চলায়। সমস্ত কলুষতা স্বীকাৰ কৰে নিজৰ ওচৰত...। আপোনজনৰ ওচৰত... মানুহৰ ওচৰত! তেনেবোৰ মানুহক নিশ্চয় ক্ষমা কৰি দিব পৰা যায়। ক্ষমা কৰি দিয়া উচিত। ক্ষমা কৰিবলৈকো সাহস লাগে মানুহক।

... সন্দীপৰ নিজৰ সিমানখিনি সাহস বাৰু আছেনে নাই! হয়তো সিমানখিনি সাহস অদ্যপি সি অর্জন কৰিব পৰা নাই। সেইবাবেই অহৰহ জ্বলি থাকে ঘৃণা আৰু ক্ষোভৰ দাবানলত। যন্ত্রণাৰ অক্টোপাছে পুৱতি নিশাও মেৰিয়াই ধৰে তাৰ ভিতৰৰ মানুহটোক। বুকুৰ মাজত উক্‌মুকাই থাকে এক প্রচণ্ড জেদ। সৰুৱে পৰাই জেদী সি। ভীষণ আত্মাভিমানী। সি নাজানে কিহৰ বাবে এই জেদ। কাৰ বাবে?

ঃ হেই সন্দীপদা!

নিজৰ মাজতে ডুবি ডুবি শিৱ মন্দিৰৰ কাষ পাওঁতে সি শুনা পালে চিনাকি মাতটো। এইখিনিতে ৰাস্তাটো তিনিটা ভাগত বিভক্ত হৈ পৰিছে। ঠাইখিনিত গছ-গছনি বেছি বাবে ৰ'দ-পোহৰ ভালদৰে নপৰে। পৰিবেশৰ লগত ভক্তি আৰু ভয়ৰ ওতপ্রোত সম্পর্ক। গাঁওখনৰ দাঁতিকাষৰীয়া মন্দিৰটোৰ পৰিবেশৰ বাবেই হয়তো গাম্ভীর্যপূর্ণ আধ্যাত্মিকভাৱে অনবৰতে ঠাইখিনি চুই থাকে। সেয়ে ঠাইখিনি বেছ গহীন যেন লাগে। বুঢ়া আইঁত গছজোপাৰ ঠানিবোৰে বতাহৰ সৈতে দুলি দুলি নির্জনতাৰ বাঁহী ফুঁৰাই যেন সুৰৰ এক মৃদু মূর্চ্ছনা সৃষ্টি কৰে। সন্দীপৰ ভাল লাগে, নির্জনতাৰ ৰহস্যময় কোলাত উমলিবলৈ সি ভাল পায়। নির্ভুলভাৱে চিনিব খোজে নিজক, নিঃসংগতা আৰু নীৰৱতাৰ মাজত। হয়তো সেইবাবেই সি যথেষ্ট অন্তর্মুখী। মুখ খুলি ক'ব নোৱাৰে মনৰ ভিতৰৰ কথা। তথাপি বেয়া নালাগে নিঃসংগতা। হৃদয়ৰ অন্তহীন নিঃসংগতা। নিঃসংগতাৰ নিজস্ব পৃথিৱীত একছত্রী সম্রাট সি। কিন্তু নিঃসংগতাৰ নীৰৱ সময় আঁজুৰি নিব খোজে নিশিগন্ধাই। অযুত শব্দৰে ভৰাই তুলিব খোজে তাৰ হৃদয়ৰ নৈঃশব্দ। খৰিকাজাঁই হাঁহি হৈ কঁপাই তুলিব খোজে তাৰ স্থবিৰ পৃথিৱী। সেইজনী নিশিগন্ধাই আগচি ধৰিলে তাৰ ৰাস্তা।

ঃ হেই। ৰ'বা, ৰ'বা। কিনো ইমান কামডাল আছে তোমাৰ? ৰ'বৰ সময়েই নাই।

সন্দীপ ৰৈ গ'ল। অনিচ্ছাসত্ত্বেও। ছোৱালীজনীয়ে তাক সহজে এৰি নিদিয়ে। কিন্তু তাইৰ লগত লেকচাৰ মাৰি থাকিবলৈ তাৰ হাতত সময় নাই।

নিশিগন্ধাই এহাতেৰে চাইকেলৰ হেণ্ডেলত ধৰি এহাতেৰে কঁকালত ধৰি এক বিশেষ ভংগিমাত থিয় হ'ল। তাইৰ হাতত ফুল-বেলপাতৰ থাল, শৰাই একো নাই। মাত্র কপালৰ ৰঙা ফোঁটটোৱেহে তাই মন্দিৰলৈ

অহা বুলি কৈ দিয়ে।

লৰালৰিৰ কোবত চাগৈ শৰাই আনিবলৈ সময়েই নহ'ল। ক'লে ক'ব— 'অন্তৰৰ ভক্তিহে আচল কথা।' অদ্ভুত ছোৱালী, যি মন যায় তাকে কৰে। প্ৰয়োজনতকৈ খীণ, ওখ ছোৱালীজনীয়ে সৌন্দৰ্যৰ সংজ্ঞা বহন নকৰে যদিও এযুৰি আকৰ্ষণীয় চকু তাই কঢ়িয়াই লৈ ফুৰে।

কেতিয়াবা তিৰ্‌বিৰ্‌ উজ্জ্বলতাই নাচি থাকে সেইযুৰি চকুত। আৰু কেতিয়াবা গভীৰ বিষণ্ণতাত ডুবি থাকে সেইযুৰি চকু। সেই বিষণ্ণতা সন্দীপৰ হৃদয়ৰ বিষণ্ণতাৰ সমুদ্ৰলৈ নদী হৈ বৈ আহে। তিতা চুলিকোছাৰে শুকুলা চুৰিদাৰ পিন্ধা ছোৱালীজনীলৈ চাই ৰ'ল সন্দীপে। তাৰ অনুভৱ হ'ল বতাহত এটি সেমেকা গোন্ধ বিয়পি পৰিছে।

ঃ হেই, বেঙাৰ দৰে কি চাই আছা? ভাল লাগিছে যদি কৈনো নিদিয়া কিয়?

নিজৰ কথাতে ৰস পাই হাঁহিবলৈ ধৰিলে তাই। দেহ-মন কঁপাই যোৱা খিল্‌খিল্‌ হাঁহি। সন্দীপৰ মনলৈ অহেতুক খং আৰু বিৰক্তি উজাই আহিল। কিযে ছোৱালীজনী। মুখত যি আহে তাকে কৈ দিয়ে। সি উচ্চাৰণ কৰিলে— বান্দৰী!

ঃ ইস্‌ নিজে কি? যেন ৰজাৰহে কোঁৱৰ! পিছে, মন্দিৰৰ সম্মুখেৰে আহিছা। ভিতৰলৈ গৈ সেৱা এটা কৰিব নোৱৰা। নাস্তিক ক'ৰবাৰ। অৱশ্যে গা-ধুইছা জানো?

ঃ মন্দিৰলৈ এনেদৰে আহে নেকি? শুদা হাত দুখন লৈ। ফুল নাই। বেলপাত নাই। শৰাই নাই। কেৱল ৰাইজক দেখুৱাই ৰঙা ফোঁটটো লৈ...! এনেদৰে আহে মানুহ মন্দিৰলৈ?

তাই বুজি পালে সন্দীপে কথাটো কালৈ টোৱাইছে। প্ৰতি সোমবাৰে তাই মন্দিৰলৈ আহে। আজি ৰাতিপুৱাৰে পৰা তাইৰ লৰালৰি। মাহীয়েকহঁত আহিছে গুৱাহাটীৰ পৰা। ইটো-সিটো কৰি শৰাই আনিবলৈকে নহ'ল। চাকি-ধূপ জ্বলাই দি 'শিৱ জপ'টো কৰিলে। মন্দিৰটোৰ প্ৰতি তাইৰ অন্তৰত বিশেষ টান আছে। গভীৰ বিশ্বাস শিপাই আছে হৃদয়ত। কিন্তু এই যে ল'ৰাটো! চাইকেলখনৰ পৰা ননমাকৈ ভৰিৰে মাটি চুই থকা গহীন-গম্ভীৰ, অল্পভাষী ল'ৰাটো। তাইৰ ওপৰত অধিকাৰ, কৰ্তৃত্ব খটুৱাব বিচৰা ল'ৰাটো। তাক জানো, কিবা কথা বুজাবলৈ গৈ লাভ আছে। সঁচা কথা। ল'ৰাটো বহুত বুজন। কিন্তু তাতকৈ ডাঙৰ কথা তাক কিবা বুজাব পৰাৰ যোগ্যতা নিশিগন্ধাৰ নাই বুলি সি অন্তঃকৰণেৰে বিশ্বাস কৰে। তথাপি তাকতো প্ৰত্যুত্তৰ দিবই লাগিব। নিশিগন্ধাই কৈ উঠিল—

ঃ ইচ্‌! মই শুদা হাতে আহিছোঁ বুলি ভাবিছা নেকি? মোৰ লগত আস্থা আৰু ভক্তি আছে।

ঃ মোৰ লগতো ঈশ্বৰৰ প্ৰতি আস্থা আৰু ভক্তি সদায় আছে। সদায় সোমবাৰে মন্দিৰলৈ গৈ ৰঙা ফোঁট নল'লৈও আছে।

সন্দীপৰ কথাত পুনৰ হাঁহি তাই ক'লে—

ঃ ক'বলৈ শিকিছা!

ঃ কোনে কাৰ লগত থাকি শিকিছে জনা আছে। —একেই গহীন উত্তৰ সন্দীপৰ। কিবা এটা ক'ব খুজিও ৰৈ গ'ল নিশিগন্ধা।

ঃ এইডাল হাতত কিয় আনিছা? —সন্দীপৰ হাতৰ পঘাডাল চুই তাই সুধিলে।

ঃ তোক বান্ধি নিবলৈ। —গছৰ শুকান পাত এটা হাতেৰে লিৰিকি-বিদাৰি উত্তৰ দিলে। এপাকত ঘড়ীটোলৈ চালে। অনবৰতে সি পিন্ধি থকা ক'লা ফিটাৰ ঘড়ীটো। নিশিগন্ধাৰ চিনাকি ঘড়ীটো, যিটো ঘড়ীৰ প্ৰতিটো মুহূৰ্ত সি মানি চলে, মূল্যবান বুলি ভাবে। নিশিগন্ধাই আকৌ এবাৰ খিল্‌খিলাই উঠিল। এইবাৰ তাইৰ মুখত পূৰ্বৰ সমস্ত কৌতুক গুচি এক গহীনভাৱে থিতাপি ল'লে।

ঃ সঁচাকৈ সুধিছো। ক'লৈ যোৱানো তুমি?

ঃ গাইজনীয়ে এৰাল ছিঙি কেনি গ'ল জানো! পুৱাৰে পৰা বিচাৰি ফুৰিছোঁ। দামুৰিটো মৰাৰ পৰা পগলা যেন হৈছে।

ঃ মৰিল? সেই ফুট্‌ফুটীয়া মৰমলগা পোৱালিটো মৰিল? কেনেকৈ? কেনেকৈ মৰিল?

নিশিগন্ধাই আহত চকুহালেৰে যেন কান্ধি দিব। সন্দীপহঁতৰ ঘৰলৈ যাওঁতে পোৱালিটোৰ লগত কম উৎপাত কৰিছিলনে তাই! সৰু ছোৱালীৰ দৰে পোৱালিটো খেদি ফুৰিছিল, সমানে সমানে জঁপিয়াইছিল। সন্দীপৰ খুব খং উঠিছিল সেইদিনা। কিছুমান কাৰ্য-কলাপ তাইৰ বয়সৰ লগত খাপ খাই জানো! আজি কিন্তু বেয়া লাগিল তাৰ। ছোৱালীজনীলৈ মায়াও উপজিল। লাভ নাই। এইজনী ছোৱালীক খং কৰি, গালি পাৰি একো লাভ নাই। সন্দীপে কৈ গ'ল তাইক কেনেকৈ জ্বৰ উঠাত দুদিন একো এটা মুখত দিব নোৱাৰি অকস্মাত মৰি থাকিল দামুৰিটো। দৰৱ-বেজী এইবোৰে একো কাম নিদিলে। কথাটো কৈ থাকোঁতে জিতু আহি খবৰ দিলে গাইজনী সিহঁতৰ ঘৰত আছে। শাকনিৰ বেৰ ভাঙি সোমাইছিল। দেউতাকে চিনি পাই বান্ধি থৈছে। জিতুৰে সেই খবৰটোকে দিবলৈ আহিছিল। জিতু সন্দীপতকৈ বহুত সৰু। কলেজত নাম লগাইছে মাত্ৰ। মেট্ৰিকৰ সময়ত ইংৰাজীখিনি সন্দীপে চাই দিছিল। জিতুহঁতৰ ঘৰ সিহঁতৰ ঘৰৰ পৰা বেছি দূৰত নহয়। সন্দীপৰ হাতত পঘাডাল আছিলেই। জিতুহঁতৰ ঘৰলৈ বুলি চাইকেল ঘুৰাই ল'লে বিপৰীত দিশত। হঠাৎ কিবা মনত পৰাৰ দৰে নিশিগন্ধাই কৈ উঠিল—

ঃ চাইকেল চলাই চলাই গাইজনী নানিবা আকৌ। আগতে গাইজনী আনিবা। চাইকেলখন জিতুহঁতৰ ঘৰতে থৈ আহিবা। পাছত আনিলেই হ'ল।

ঃ হ'ব হ'ব। মোক শিকাব নালাগে। —বিৰক্ত সন্দীপে উষ্মাৰে কৈ উঠিল। ছোৱালীজনীয়ে অযথা বেছি বকে। সি কি কৰে কি নকৰে তাৰ কথা। তাইৰ ইমান মূৰ ঘমোৱাৰ কি দৰকাৰ। সন্দীপৰ চাইকেলৰ পিছফালে বহি যোৱা জিতুৰে পাট্টা পোৱা নাই— হঠাৎ কিয় খং উঠি যায় শান্ত ল'ৰাটোৰ। সি নিশিগন্ধালৈ ঘুৰি চালে। নিশিগন্ধা ছোৱালীজনী যেন অলপ বেলেগ। কিহত বেলেগ সি ইমানখিনি ভাবিব নোৱাৰে।

মুঠি মৰা হাত দুখন বুকুত সাবটি তাই ভোৰ্‌ভোৰাই আছে। 'গৰু বিচাৰিবলৈ চাইকেলত উঠি আহে। আধা পাগল ক'ৰবাৰ!'

* * * *

বহুত দিন তোমাৰ স'তে কথা পতা হোৱা নাই
একোতে মই মন বহুৱাব পৰা নাই...
বহুদিন তোমাৰ স'তে কথা পতা হোৱা নাই
প্ৰাণ খুলি মই হাঁহিব পৰা নাই
যেন আউল লাগি গৈছে মোৰ
চাৰিওকাষৰ পৃথিৱীত...
যেন মৃত চহৰ এখনৰ নিঃসংগতাত
বাট হেৰুওৱাইছোঁ মই...
আজি অতদিন মই দুখৰ
বৰষুণত তিতি আছোঁ...
প্ৰতিটো পলতে শোকৰ
ঋতু যাপন কৰিছোঁ...
অথচ তোমাক এবাৰলৈ এই কথা

ক'ব পৰা নাই...
তুমি শিল নোহোৱা।
অথচ ক'ৰ পৰা খহি পৰিল
এইখন শিলৰ পাহাৰ...
ক'ৰ পৰা এসোপা শূন্যতা আহি
ওপঙি থাকিল আমাৰ ভগা কলিজাত...
যেন মুহূর্ততে এজাক ধুমুহাই সৰুৱাই
থৈ গ'ল মোৰ সুখৰ অৰণ্যৰ প্রতিখিলা পাত...

নিশিগন্ধাই জপাই থ'লে আলোচনীখন। দুচকু মুদি তাই গুণ্‌গুণাই থাকিল মনৰ ভিতৰত সন্দীপৰ কবিতাৰ প্রতিটো শাৰী... প্রতিটো শব্দ...। অনুভৱবোৰে যেন তাইৰ বুকুত ৰেপি থাকিল।

কোন এই অনামী প্রেয়সী; যি তাৰ ইমান দুখৰ কাৰণ হৈ উঠিছে। বুকু ভাগি উজাই অহা ইমান বিষণ্ণতা কোনে উপহাৰ দিছে তাক। কোনে দিছে তাক ইমান যন্ত্রণা! নিশিগন্ধা সন্দীপৰ দুখত কাতৰ হৈ উঠিছে।

প্রয়োজনতকৈ এটা শব্দও বেছিকৈ ক'ব নোখোজা, সকলো সময়তে এক দায়িত্বশীল মনৰ পৰিচয় দিয়া ল'ৰাটোৰ দুখ আঁতৰাব পৰা কোনোবা সঁচাকৈয়ে আছে নেকি? বিচাৰি যাব নেকি নিশিগন্ধাই। তাই যেন সেয়া কৰিবলৈকো সাজু। মাথোঁ তাই ল'ৰাজনে কোনো কাৰণতে দুখ পোৱাটো নিবিচাৰে। যেন কষ্ট পাই তাই।

...'নিশিগন্ধা'...! তাইৰ নামটোক লৈ সন্দীপে খুব তর্ক কৰিছিল। নামটো হেনো তাইৰ লগত মুঠেও খাপ নাখায়। তাই হেনো ইমান ধুনীয়া নামৰ যোগ্যেই নহয়। সুধিছিল তাই—

"কোৱা তেন্তে, নিশিগন্ধা নামটো কেনেধৰণৰ ছোৱালীৰ লগত খাপ খায়।" সন্দীপে বুকু ভৰাই এটি দীঘল উশাহ লৈছিল। যেন কল্পনাত অন্য এজনী নিশিগন্ধা আহি তাইৰ সম্মুখত থিয় হৈছিল। পঢ়া টেবুলৰ খিৰিকীখনেৰে ৰাস্তাৰ সিপাৰৰ ৰঙা শিমলুজোপালৈ চাই কৈ গৈছিল সি, "তাই অনুভৱী। অনুভৱ কৰিব জানে। মানুহৰ দুখ তাই চাকি চাব জানে। মানুহক তাই ভাল পাব জানে। তুচ্ছ আদর্শ, তুচ্ছ চিন্তাক প্রশ্রয় নিদিয়ে তাই। বুকুত এখন বহল পৃথিবীৰ সপোন কঢ়িয়াই ফুৰে তাই।"

"আৰু তাই দেখিবলৈ কেনেকুৱা?" —নিশিগন্ধাই পুনৰ সুধিছিল। —"মনটোৰে তাই বহু ধুনীয়া। নিশিগন্ধা কবিতা এটাৰ দৰে আলসুৱা অথচ স্থিৰ। আবেগৰ অন্তহীন স্রোত অথচ প্রশান্ত।"

ঃ ধেৎ। তোমাৰ এইবোৰ পাগলামি বুজি নাপাওঁ।

উঠি আহিছিল নিশিগন্ধা। তাইৰ ভাব হৈছিল সন্দীপ আকাশৰ নক্ষত্র। তাই ঢুকি পোৱাতকৈ বহু দূৰত। সেই নক্ষত্রক দূৰৰ পৰা চাবহে পাৰি। চুব নোৱাৰি। তাইৰ মনটো গধুৰ হৈ পৰিছিল। কিবা এক অনামী দুখে পীড়িত কৰিছিল তাইক। সন্দীপৰ নিশিগন্ধা হ'বলৈ কি কি কৰিব লাগিব তাই নাজানে। তাই মাথোঁ জানে তাই যেনেকুৱা তাতকৈ সলনি হ'ব নোৱাৰে।

নামঘৰত দবা বাজিবলৈ ধৰিছে। গধূলি হৈ আহিল। ধূপ-ধূনা নজ্বলালে কিছু বেলি পাছত মহৰ উৎপাতত থাকিব নোৱৰা অৱস্থা হ'ব। ... নিশিগন্ধাৰ পৰীক্ষা আহিছে। বহুত পঢ়িবলৈ আছে তাইৰ। কিয় যে পঢ়া হোৱা নাই। সন্দীপ পঢ়া-শুনাৰ প্রতি ভীষণ চিৰিয়াছ। কবিতা লিখা ল'ৰা সি। বহুত আবেগিক। সেই বুলি কাহানিও সি পিঠি দিয়া নাই নিজৰ কর্তব্যলৈ। প্রতিটো পৰীক্ষাত সুন্দৰ ৰিজাল্টেৰে ঈর্ষণীয় কেৰিয়াৰ তাৰ। গাঁৱৰ মানুহখিনিৰ মাজৰে কিছুমানে পেটে পেটে হিংসাৰ ভাব ৰাখে যদিও জাকত জিলিকা ল'ৰাটোৰ ঋণাত্মক দিশ একো উলিয়াব নোৱাৰে। সেইবাবেই সমীহ কৰে ল'ৰাটোৰ গাম্ভীর্যক। নিশিগন্ধাক সি খুব কৈ থাকে পঢ়াৰ কথা— "পঢ়াটো সদায় আগত। এডুকেশ্যনেল কোৱালিফিকেশ্যন নাথাকিলে জীৱনত একো কৰিব নোৱাৰি। মার্কশ্বিটৰ নম্বৰ সৰহ নহ'লে কম্পিটিশ্যনৰ যুগত একো কাম নাই।" এবাৰ পৰীক্ষাৰ মাজৰ দিন এটাৰ আবেলি নিশিগন্ধাই বৰশী বাই আছিল। সি আহি বৰশীটো ভাঙি থৈ গৈছিল। বহুত কাজিয়া কৰিছিল তাই। বয়সত সি দুবছৰে ডাঙৰ হ'লেও নিশিগন্ধাই তাৰ লগত সমানে সমানে মুখ চলায়। আৰু এদিনৰ কথা। নিশিগন্ধাই ৰাজলক্ষ্মীহঁতৰ লগত চানা খাই থাকোঁতে ল'ৰা দুটামানে জোকাইছিল। ৰাজলক্ষ্মীহঁতে বুট দলিয়াইছিল ল'ৰাকেইজনৰ ফালে; তাৰে মাজৰ এজনে কাগজ এটুকুৰা সিহঁতৰ ফালে দলি মাৰি থৈ গৈছিল। কাগজ টুকুৰাত নিশিগন্ধাৰ কথা লিখা আছিল। বৰ অশান্তিত ভুগিছিল তাই। নিজকে বৰ তল খাপৰ যেন লাগিছিল। ভালপোৱা নাছিল তাই ৰাজলক্ষ্মীহঁতৰ বুট দলিওৱা কার্য, কাগজৰ টুকুৰাত তাইৰ নাম লিখা কার্যটোও ভালপোৱা নাছিল তাই। কিন্তু জগৰীয়া হৈ উঠিছিল তাই। ক'ৰ পৰা যে কেনেকৈ গম পাইছিল সন্দীপে। ৰাতি সাত বজাত ল'ৰাটোক দেউতাকেই দুৱাৰ খুলি দিছিল। সিতো যেতিয়াই তেতিয়াই অবাধে অহা-যোৱা কৰে ঘৰখনলৈ। গতিকে বিশেষ একো ভবা নাছিল দেউতাকে। হয়তো ভাবিছিল দৰকাৰী কিতাপ-পত্র নিশিগন্ধাক দিবলৈ অহা বুলি। নিশিগন্ধা সেই সময়ত শুই আছিল। ভীষণ টোপনি ধৰিছিল তাইৰ। প্রথমে আধামেলা চকুৰে শুনি আছিল তাই। শেষলৈ তাইৰ চকু দুটা ডাঙৰ হৈ পৰিছিল। ভৰি উঠিছিল দুয়োটা চকু। এটা শব্দও উচ্চাৰণ নাছিল তাই। কিন্তু কোনো অনুকম্পা নাছিল তাৰ। অকণো সহানুভূতিশীল হোৱা নাছিল সি তাইৰ প্রতি। এবাৰলৈ তাই সোধা নাছিল আচল কথাটো কি? তাৰ এটাই প্রশ্ন— ইমানখিনি সাহস সি কৰিব পাৰে কেনেকৈ? তাইৰ নিজৰ সম্মান বোলা বস্তু নাই, কিন্তু ঘৰখনৰ সম্মানৰ কথাটো ভাবিব লাগে। গুচি গৈছিল সি। এবাৰো কাতৰ হৈ উঠা দেখুওৱা নাছিল। অভিমানত ফুলি উঠা মুখেৰে নিশিগন্ধাই অকলে অকলে উচুপিছিল। সেই একেজন সন্দীপ কিহৰ বাবে উদ্বিগ্ন সর্বদা? কেৱল দেউতাকৰ লগত নিশিগন্ধাৰ দেউতাকে একেলগে কাম কৰে বাবে? কেৱল দুয়োখন ঘৰৰ মাজত আত্মীয়তা আছে বাবে? একেলগে খেলা-ধূলা কৰি ডাঙৰ হোৱা বাবে?

নাই নাই। ইমানবোৰ কথা সন্দীপদাক সুধিব পৰা নাযায়। তাই ইমান কথা ভাবিব পাৰে বুলিও জানিবলৈ দিয়া নাযায়। নাই, দৰাচলতে তাইৰ ইমান সাহস নাই। সন্দীপে সদায় দায়িত্বৰ কথা কয়। বহুত গধুৰ দায়িত্ব আছে তাৰ ওপৰত। তাৰ দায়িত্ব আৰু কর্তব্যৰ কক্ষপথত আউল লগোৱাৰ অধিকাৰ তাইৰ নাই। এখন বহল পৃথিবীৰ সপোন সি কঢ়িয়াই ফুৰিছে। সেই সপোনৰ ভাগ বিচাৰিব পৰা যোগ্যতা হয়তো তাইৰ নাই। সেইবাবেই প্রশ্রয় নিদিয়ে তাইক! কথাবোৰ তেনেদৰে ভাবিবলৈ সুযোগ নিদিয়ে?

* * * *

সন্দীপহঁতৰ ক্লাছবোৰ হৈ আছে। ইতিমধ্যে দুদিন ক্ষতি হ'ল তাৰ। হঠাৎ দেউতাকৰ জ্বৰ উঠিল। মাকে তাক যাবলৈ নিদিলে— "ৰচোন, মানুহজন বিছনাৰ পৰা অলপ উঠিব পৰা হওক। মাজনিশা ডাক্তৰ লগা হ'লে মই মানুহজনীয়ে অকলে কি কৰিম? অনিচ্ছাসত্ত্বেও ৰৈ গ'ল সি। ক্লাছ ক্ষতি কৰিবলৈ সি বৰ দিগদাৰী পায়। কিন্তু সি থকা উচিত। হাজাৰ হ'লেও...। ঠিক এইখিনিতে খেলি-মেলি লাগে তাৰ। অভিমানত সি ৰঙা পৰি উঠে। দেউতাকক, ভাল পাবলৈ, সম্মান

কৰিবলৈ আগ্রহ হেৰুৱাই পেলায়। মূৰৰ ওপৰৰ আকাশ বুলি যিজন মানুহক ভবা হয়, যিজন মানুহৰ আঙুলিত ধৰি খোজকাঢ়িবলৈ শিকা হয়, সেইজন মানুহৰ এনে স্খলন। সি বিচাৰে, সি যিজন মানুহৰ ল'ৰা সেই মানুহজন পৃথিৱীৰ আটাইতকৈ ভাল মানুহজন হওক। কাহানিও কোনোধৰণৰ পাপৰ গহ্বৰত ভৰি নিদিয়ক। যিজন মানুহৰ জীৱনৰ আদর্শ বা পাথেয় হৈ থকাটো সি বিচাৰে সেইজন মানুহৰেই চৰিত্রৰ এন্ধাৰ ফালি প্রত্যক্ষ কৰাৰ পাছত কোনোবা জানো স্বাভাৱিক হৈ থাকিব। কি কৰিব সন্দীপে? ক'লৈ যাব? এই সীমাহীন অশান্তিৰ পৰিত্রাণ বিচাৰি কাৰ ওচৰলৈ যাব সি? কাৰ দুহাতত গুঁজি পাতল কৰিব পাৰিব তাৰ দুখ? —দেউতাকে কেঁকাই উঠিল। কাষৰ বিছনাত নিশ্চল হৈ পৰি আছে সি। ক্রমে ক্রমে তাৰ মগজুত দৃশ্যমান হৈ উঠিল এটি এটি দৃশ্য... দেউতাকৰ আঙুলিত ধৰি সি স্কুললৈ গৈছে... স্কুলত সি



অকলে অকলে নাথাকে। কান্দিছে, ফেঁকুৰি ফেঁকুৰি কান্দিছে সি... দেউতাকক লগতে ৰাখি থ'ব খুজিছে... দেউতাকে তাক কমলা কিনি দিছে, সি অতিপাত ভালপোৱা কমলা। ... বাৰিষাৰ দিনবোৰত স্কুলৰ পৰা ছাতিৰ তলত সুমুৱাই লৈ আহিছে তাক... তিতি-বুৰি সুৰসুৰীয়া হৈ পৰিছে মানুহজন। ... কলেজীয়া দিনত গাড়ী বেয়া হোৱা বাবে ঘৰ পাওঁতে ৰাতি হৈছে তাৰ... দেউতাক বাছ ষ্টেণ্ডত ৰৈ আছে। তাৰ সামান্য জ্বৰতে উদ্বিগ্ন হৈ উঠিছে মানুহজন। লাগ বুলিলেই হাজাৰ টকা যোগাৰ কৰি দিছে মানুহজনে। এৱা! এইজন মানুহ! তাক আঙুলিত ধৰি খোজ কাঢ়িবলৈ শিকোৱা মানুহজন। তাক সপোন দেখিবলৈ সমর্থ কৰি তোলা মানুহজন।

তাৰ দেউতাক। এৱা, তেওঁ সন্দীপৰ দেউতাক। হ'লেইবা তেওঁৰ স্খলন। তেওঁক ক্ষমা কৰিব পৰা যায়। শুধৰণিৰ সুযোগ দিব পৰা যায়। সেই সুযোগ সি দিব।

সন্দীপ বিছনাৰ পৰা উঠি আহিল। দেউতাকৰ কপালখন সি চুই চালে আলফুলে। জ্বৰ নাই। কাপোৰখন ডিঙিলৈ উঠাই দিলে।

বাৰাণ্ডালৈ ওলাই আহিল সি। মাজনিশাৰ আকাশত এটি তৰাও নাই। আন্ধাৰ ফালি কিন্‌কিনকৈ বৰষুণ নামিছে। তাৰ মুখত বৰষুণৰ টোপাল পৰিছে। খোলা আকাশৰ তলত থিয় হ'ল সি। হঠাৎ তাৰ নিশিগন্ধালৈ মনত পৰি গ'ল। তাই সেইদিনা কৈছিল, বৰষুণ হেনো তাইৰ বৰ ভাল লাগে। বৰষুণ দিলে বুজাব নোৱৰা অনুভূতিৰে বুকুখন ভৰি পৰে। আধা পাগলী ছোৱালীজনীয়ে ইমান সূক্ষ্ম কথা ভাবিব পাৰে জানো। আন্ধাৰতো সন্দীপৰ ওঁঠত হাঁহি এটিয়ে ঢৌ খেলি গ'ল।

* * * *

জালুকবাৰী! ৰঙা কৃষ্ণচূড়াৰ নগৰী জালুকবাৰী। প্রজ্ঞাৰ সাধনাৰ পুণ্যতীর্থ জালুকবাৰী। সভ্যতাৰ সুপ্রাচীন নগৰী জালুকবাৰী। প্রেমিক-প্রেমিকাৰ হেঁপাহৰ নগৰী জালুকবাৰী। দুচকুত জিল্‌মিল্ ৰ'দালি সানি সহস্র সম্ভাৱনাই এদিন ভৰি থয় জালুকবাৰীত। কঢ়িয়াই আনে বুকুত হাজাৰটা নিবিড় স্বপ্ন। অচিন মানুহেৰে ভৰি পৰা অচিন ঠাইত সর্বদা উৎকণ্ঠিত হৈ থাকে হৃদয়। ক্রমশঃ কৃষ্ণচূড়াৰ সেউজীয়া ৰঙা হৈ জালুকবাৰীৰ আকাশত জুই ফুল ফুলে। খামুচি ধৰে প্রত্যেকৰে ৰঙা কলিজা। এনেদৰেই প্রতিজনেই এবাৰলৈ হ'লেও প্রেমত পৰে জালুকবাৰীৰ। ... এদিন সময় আহে বিদায়ৰ, বিচ্ছেদৰ। উচুপি উঠে প্রত্যেকে প্রকাশ্যে অথবা অপ্রকাশ্যে। উভতি যোৱাৰ মুহূর্তত কোনোৱে হাতৰ মুঠিত লৈ যায় প্রাপ্তিৰ স্যমন্তক মণি আৰু কোনোৱে অপ্রাপ্তিৰ হিয়া ভগা উচুপনি।

এৱা! এয়াই জালুকবাৰী। গুৱাহাটী বিশ্ববিদ্যালয়। সন্দীপৰ অযুত স্বপ্ন আৰু হেঁপাহৰ ঠিকনা গুৱাহাটী বিশ্ববিদ্যালয়। অর্থনীতিত প্রথম শ্রেণীৰ দ্বিতীয় হৈ সি ভৰি দিলে বিশ্ববিদ্যালয়ত। কিন্তু সি যিটো দেখিলে যিটো বুজিলে— জালুকবাৰীৰ বতাহ বৰ বেয়া। যাকে-তাকে উৰুৱাই নিব খোজে। নাই। সন্দীপৰ গাত সেইজাক বতাহ নালাগে। নিজকে তাৰ বুঢ়া বুঢ়া লাগে। ... সৌৱা জিষ্ণুহঁতে নীহাৰিকা নামৰ ছোৱালীজনীক জোকাবলৈ ধৰিছে। বেচেৰীৰ ছাতিৰ পৰা চুৰীলৈ একো বাকী ৰখা নাই। তাইৰ খোজ, তাইৰ চুলি সকলো গান, কবিতা আৰু সুহৃৰিৰ মাজত বন্দী হৈ পৰিছে। তাই যেন পাৰিলে দৌৰি যাব। সন্দীপৰ এনে লাগে এই খন্তেকীয়া ধেমালিবোৰ সময়ৰ বলিয়ালি মাথোঁ। এইবোৰ একো দিব নোৱাৰে। কিছুমানে সম্ভাৱনা, কিছুমানে বলিয়ালিৰ হেঁচাত নিঃশেষ হৈ গৈ থাকে আৰু শেষত একোটা বিৰাট শূন্য হৈ ওলমি থাকে। ৰুমমেট যুৱৰ প্রেয়সীয়ে ঘৰৰ পৰা ল'ৰা এজনৰ সৈতে ঠিক কৰা বিয়াত ৰাজী হৈ গ'ল। বেচেৰা দিনে-ৰাতিয়ে আজিকালি মদ আৰু চিগাৰেটৰ নিচাত ডুবি থাকে। গজল শুনে আৰু বিষণ্ণ বদনে জুপুকা মাৰি বহি থাকে। সন্দীপে বহুত বুজাইছে, "এনেদৰে দুখ উদ্‌যাপন কৰি তই একো নাপাৱ। নিজক এনেদৰে কষ্ট দি তই নিজৰ ক্ষতি কৰিছ মাত্র। ইয়াৰ দ্বাৰা পৃথিৱীৰ কোনো প্রাণীৰ লোকচান নহয়। লোকচান হ'ব মাথোঁ তোৰ। মানুহৰ সাময়িক সহানুভূতি বিচাৰিবলৈ গৈ জীৱনটো বিষাক্ত কৰি নুতুলিবি। সময় থাকোঁতে জীৱনটো গঢ়ি ল। তোৰ বাবে এটা সুন্দৰ ভৱিষ্যৎ, এজনী মৰমীয়াল প্রেয়সী ৰৈ আছে।" যুৱই কথাবোৰ মনোযোগেৰে শুনে। দুদিন পাছত আকৌ একেটা অৱস্থা। প্রচণ্ড খং উঠি আহে সন্দীপৰ।

ঃ মোৰ কি দুখ নাই? দিন-ৰাতি কিমান যন্ত্রণা বুকুত বান্ধি লৈ ফুৰিছোঁ। মই কি মদ খাইছোঁ। চিগাৰেট হুপিছোঁ।

নাই নাই। সন্দীপে সেইবোৰ বস্তু স্পর্শ নকৰে। থাকক দুখখিনি। দুখবোৰ সি পাতলাব নিবিচাৰে। বৰং দুখখিনিক জীয়াই ৰাখিব খোজে। সেইখিনি দুখেৰে সি নিজক সাহসী কৰিব খোজে।

"প্রার্থনা দুৱৰা অনাথ আশ্রম"। কাকত টুকুৰা সি পুনৰ পঢ়ি

চালে। সি চিনি উলিয়াব পাৰিবনে? ৰক্তিম বা আন কাৰোবাক লগত লৈ যাব নেকি? নহয় নহয়। কাকো লগত নিয়া উচিত নহ'ব। এইখন তাৰ মহাযুদ্ধ। সি অকলে যুঁজিব লাগিব। বিচাৰি উলিয়াব লাগিব নন্দিনী নামৰ অচিনাকি ছোৱালীজনীক।

চিটিবাছৰ পৰা নামি সন্দীপে ইফালে-সিফালে চালে। কলেজীয়া ছোৱালীৰ জুমটোৰ পৰা উফৰি আহিল টুকুৰা কথা, খিল্ খিল্ হাঁহি। সেই জুমটোতে থাকিব নোৱাৰে জানো নন্দিনী নামৰ ছোৱালীজনী। অথবা ৰাস্তাৰ দাঁতিত থিয় হৈ ফুচ্কা খাই থকা নীলা চুৰিদাৰ পিন্ধা ছোৱালীজনী। তায়ো হ'ব পাৰে নন্দিনী। অথবা ৰঙচুৱা চুলিকোছাৰে দীঘল ইয়েৰিং পিন্ধা, অদ্ভুত উচ্চাৰণেৰে অসমীয়া, ইংৰাজী হিন্দীৰ খিচিৰি ভাষা কৈ 'স্মার্টনেছ' জাহিৰ কৰিব খোজা তাৰ কাষতে চিটিবাছত বহি অহা ছোৱালীজনী। কিবাকিবি সুধি তাক তাইৰ প্রতি আকর্ষিত কৰিব খোজা সেই ছোৱালীজনীও হ'ব পাৰে নন্দিনী। সি বিচাৰি উলিয়াব পাৰিবনে নন্দিনী নামৰ ছোৱালীজনীক। কিন্তু সি যে বিচাৰি উলিয়াবই লাগিব। নহ'লে যে বহুত অন্যায় হৈ যাব। আত্মাৰ আদালতত, বিবেকৰ ওচৰত সর্বদা জগৰীয়া হৈ ৰ'ব সি।

ভবাতকৈ বেছি সহজে লগ পাই গ'ল সি নন্দিনীক। "প্রার্থনা দুৱৰা অনাথালয়"ৰ কর্তৃপক্ষৰ পৰা সি জানিব পাৰিলে নন্দিনী আজি কলেজলৈ যোৱা নাই। ৰামতে আছে তাই। সন্দীপে চকীখনতে বহি পেপাৰখন মেলি ল'লে এনেয়ে। কথাবোৰ জুকিয়াই থাকিলে সি। ক'ৰ পৰা আৰম্ভ কৰিব।

ঃ মোক হেনো লগ পাবলৈ বিচাৰিছে? ক্ষমা কৰিব, মই আপোনাক চিনি পোৱা নাই।

দীঘল চুলিকোছা তিতি আছে। পাতল ৰঙৰ চুৰিদাৰ পিন্ধা ছোৱালীজনীৰ মুখখন অসম্ভৱ কোমল। যেন মুহূর্ততে শিশুৰ দৰে আচৰণ কৰি উঠিব তাই। দুচকুত ওপঙি আছে বিষণ্ণতাৰ গুৰি গুৰি মেঘ। বুকুখন বিষাই উঠিল সন্দীপৰ। নিষ্পলক দৃষ্টিৰে সি চাই ৰ'ল বগা, গোল মুখৰ পুতলা যেন ছোৱালীজনীলৈ।

ঃ কওক, কিয় লগ পাব বিচাৰিছে মোক। মুহূর্ততে সন্দীপে স্বাভাৰিক হ'বলৈ চেষ্টা কৰিলে।

ঃ তুমি বুলিয়েই কৈছোঁ। বয়সত তুমি মোতকৈ নিশ্চয় সৰু।

ঃ অ' নিশ্চয়, নিশ্চয়। —কৈ উঠিল ছোৱালীজনীয়ে। মিঠা মাতটোৰে প্রথম চিনাকিতে তাই শিষ্টাচাৰ আৰু ৰুচিবোধৰ পৰিচয় দিয়ে।

ঃ মোক তুমি চিনি নাপাবা। মই চিনাকি দিম। কিন্তু চিনাকি দিয়াৰ আগতে তোমাৰ লগত দুটামান কথা পাতিম। সময় হ'ব?

সন্দীপৰ প্রশ্নত বেছ নম্রতাৰে ক'লে তাই—

ঃ ঠিক আছে। সৌ দেৱদাৰুজোপাৰ তলতে ৰ'দত বহোঁ আহক।

নন্দিনীয়ে দুখন চকী লৈ আহিল। সন্দীপ কিছুপৰ নীৰৰে বহি ৰ'ল। নন্দিনী অপ্রস্তুত হোৱা যেন অনুভৱ কৰিলে সি।

ঃ নন্দিনী। তোমাৰ মা ঢুকুৰা কিমান বছৰ হ'ল।

ঃ পাঁচ বছৰ। মুখখনত থুপ খালে পৃথিৱীৰ সমস্ত বিষাদ।

ঃ ইয়াতে আছা যে মাৰ বাহিৰে তোমাৰ আন কোনো নাই?

ঃ সকলো আছে। কিন্তু থাকিও কোনো নাই। কোনেও নিবিচাৰে মোক। ময়ো বিচাৰি যাব নোখোজো। কাৰণ, মোৰ নিৰাশ্রয়, অসহায় মাক আশ্রয় দিয়া এই আশ্রমৰ নিজৰা জেঠাই মোৰ লগত আছে। আশ্রমৰ প্রতিজন সদস্যৰ মাজত থকা হৃদয়ৰ সম্পর্কৰে আমি সকলো ভাই-ভনী। নাথাকিব পাৰে তেজৰ টান। হঠাৎ সচকিত হৈ উঠিল তাই। অচিনাকি ল'ৰাজনৰ ওচৰত প্রয়োজনতকৈ বেছি কথা কৈছে। আচলতে ল'ৰাজনৰ দুচকুত যেন দেখা পাইছে মৰমৰ আশ্বাস। মৰম আকলুৱা নন্দিনীয়ে ল'ৰাজনৰ প্রতি অনুভৱ কৰিছে আত্মীয়তা। কিন্তু কিয় সুধিছে ইমানবোৰ কথা অচিনাকি ল'ৰাজনে? কি স্বার্থ?

ঃ তোমাৰ দেউতাৰ নামটো ক'বানে? —হঠাৎ ছোৱালীজনী থিয় হ'ল। খং উঠিছে তাইৰ। অনাধিকাৰভাৱে ল'ৰাজনে তাইৰ ব্যক্তিগত জীৱনত প্রৱেশ কৰিব খুজিছে।

ঃ সেই কথা আপোনাক কিয়? প্রথম কথা মই আপোনাক চিনি নাপাওঁ। তেনেস্থলত মোৰ ব্যক্তিগত জীৱনত ইমানকৈ সোমাবলৈ বিচাৰিছে কিয়? কোন আপুনি?

ঃ হৃষিকেশ শর্মা নামৰ মানুহজনৰ নাম শুনিছা তুমি?

নন্দিনীৰ মুখখন ৰক্তহীন হৈ পৰিছে। কোন এইজন? তাইৰ জন্ম বুৰঞ্জীৰ গোপন পৃষ্ঠা লুটিয়াবলৈ আহিছে। অথচ সর্বদা জপাই থোৱা আছে সেই বুৰঞ্জীৰ পৃষ্ঠা। নন্দিনীয়ে মেলিব নোখোজে। মাকৰ আদর্শৰে উদ্বুদ্ধ হৈ তাই আত্মনির্ভৰশীল হ'বলৈ শিকিছে। আত্মপৰিচয়েৰে সাহসী হৈ উঠিছে। তেনেস্থলত? একো বিচাৰিবলগীয়া অথবা পাবলগীয়া তাইৰ নাই। হৃষিকেশ শর্মা নামৰ মানুহজনৰ সহায় নোলোৱাকৈয়ে তাই থিয় দিব পাৰিব। সন্দীপে স্থিৰ দৃষ্টিৰে ক'লে ঃ "মই হৃষিকেশ শর্মাৰ ৰৰপুত্র সন্দীপ।" ধুপুচ্কৈ চকীখনত বহি পৰিল নন্দিনী। এই যেন হুক্ হুকাই কান্দি পেলাব তাই।

* * * *

অনুৰাগৰ লগত থকা আত্মীয়তাক অতি সহজে প্রেমৰ সম্পর্ক এটাৰে বান্ধি পেলাব পাৰি। নিশিগন্ধাই জানে অনুৰাগৰ তাইৰ প্রতি থকা দুর্বলতাৰ কথা। তাই প্রশ্রয় দিলেই জীৱনৰ এক সুস্থিৰ সিদ্ধান্ত গঢ় লৈ উঠিব পাৰে। কিন্তু তাই পৰা নাই। দেউতাকৰ প্রিয় ছাত্র অনুৰাগৰ এটি ভাল চাকৰি আছে। সুস্থিৰ ভৱিষ্যৎ আছে। অর্থনৈতিক সামাজিক নিৰাপত্তা আছে। জীৱনৰ অংকটো কৰিবলৈ যাওঁতে হিচাপ-নিকাচত অকণো খোকোজা নলগাকৈ উত্তৰটো ওলাই পৰে। কিন্তু এই যে মনটো। অনুৰাগৰ কাষত বহি থাকিও তাৰ সান্নিধ্যৰে ভৰি নুঠা মনৰ অৱস্থাটো! তাৰ আন্তৰিকতাপূর্ণ কথাবোৰেও পূৰাব নোৱৰা বুকুৰ খালী খালী ভাবটো! কিহৰ বাবে এইবোৰ। এখন ধুঁৱলি-কুঁৱলি জগত তাইৰ দুচকুত ওপঙি থাকে। সন্দীপৰ প্রতি থকা উদ্বিগ্নতাবোৰ লৈ, অনবৰতে তাৰ চিন্তাৰে ভৰি থকা মনটো লৈ তাই জানো সুখী কৰিব পাৰিব অনুৰাগক। আজি আবেলি অনুৰাগ আহিছিল। নিশিগন্ধাৰ প্রতি থকা আন্তৰিকতাক সি স্পষ্ট স্বীকৃতি দিব বিচাৰে। অকণো খোকোজা নলগাকৈ কৈ গ'ল নিশিগন্ধাই ঃ "আপোনাৰ প্রতি থকা আত্মীয়তাক নাম দিবলৈ যাওঁতে অন্য এজনৰ প্রতি হয়তো অন্যায় কৰি পেলাম। বৰ দুখী মানুহ তেওঁ। নিঃসংগ। তেওঁক বুজিবলৈ মোৰ বাহিৰে কোনো নাই। মোকো তেওঁৰ সংগৰ প্রয়োজন। ছায়াৰ দৰে তেওঁ মোৰ আশে-পাশে থাকক সেয়াই মই বিচাৰোঁ।" অনুৰাগে তাইৰ হাতখন চেপি ধৰিছিল ঃ ভাল লাগিছে তোমাৰ স্পষ্টবাদিতা। আমাৰ আত্মীয়তাক বন্ধুত্ব নামৰ সম্পর্কটোৰে বান্ধিব নোৱাৰোঁ জানো! এটি নির্ভেজাল ধুনীয়া সম্পর্ক! নিশিগন্ধাৰ মনটো ভাল লাগি গৈছিল। ...খিৰিকীৰে নিশাৰ আকাশ চাই থকা নিশিগন্ধাৰ এই মুহূর্তত সন্দীপক লগ পাবলৈ বৰ মন গৈছে। ... গুৱাহাটীলৈ যোৱাৰ আগদিনা সি তাইক নৈৰ পাৰলৈ লৈ গৈছিল। ৰূপালী পুঠিমাছৰ জাকটো দেখি তাইৰ খুব স্ফুর্তি লাগিছিল। ওচৰতে সৰিয়হ এডৰা হালধীয়া হৈ ফুলি আছিল; সন্দীপে চাই আছিল অপলকনেত্রে। নদীত নামি ভৰি ধুবলৈ যোৱা নিশিগন্ধা বৈ গৈছিল ঃ তোক মই ভৰি ধুবলৈ ইয়ালৈ অনা নাই। কথা আছে তোৰ লগত। নিশিগন্ধাৰ ভয় ভয় লাগিছিল। তাই এনে কিবা কাম কৰি পেলালে

নেকি যাৰ বাবে তাই জগৰীয়া হৈ উঠিছে সন্দীপৰ ওচৰত। কিন্তু তাৰ দুচকুত বিষাদৰ প্ৰলেপ। কিবা এটা হৈছে তাৰ। সন্দীপৰ হাঁহি, সন্দীপৰ কান্দোন সকলো চিনাকি তাইৰ।

ঃ তোমাৰ কি হৈছে সন্দীপদা?

—দুচকু তুলি সন্দীপে তাইলৈ চালে। ইমান কৰুণ সন্দীপৰ দুচকু! আস্! তাই সহ্য কৰিব নোৱাৰে। আপোন যেন লগা নিশিগন্ধাক সন্দীপে কৈ গ'ল মনৰ ভিতৰত অকলে কঢ়িয়াই ফুৰা ক্ষোভ আৰু ঘৃণাৰ উপাখ্যান। মুৰৰ ওপৰত আকাশ বুলি ভবা মানুহজনৰ স্খলনৰ পুৰণি কাহিনী। সন্দীপৰ জন্মৰ পাছত দুৰ্বল মাকৰ পৰিচৰ্যা কৰিবলৈ আহিছিল মাকৰ দূৰ সম্বন্ধীয় ভনীয়েক প্ৰভা। দৰিদ্ৰ পৰিয়ালৰ ছোৱালীজনীৰ কোলাতে উমলি সন্দীপৰ থুনুক-থানাক মাত ফুটিছিল। কিন্তু একে ৰাতিৰ ভিতৰতে প্ৰভাক ঘৰলৈ পঠিয়াই দিয়া হৈছিল। বুজন হোৱাৰ পাছৰে পৰা সন্দীপে কিবা এটা ৰহস্যৰ গোন্ধ পোৱা হ'ল। মানুহবোৰে সুযোগ-সুবিধা পালেই প্ৰভাৰ কথা উলিয়াব বিচাৰে আৰু অসম্ভৰ ধৰণে গহীন হৈ পৰে মাক। কেতিয়াবা অকলে অকলে উচুপি কান্দে। সুদীৰ্ঘ দিন বুকুৰ ভিতৰত ৰহস্যৰ গোন্ধ কঢ়িয়াই হঠাৎ এদিন সি বৰ আচৰিত ধৰণে লগ পাই গ'ল নীলাঞ্জনা চৌধুৰীক। সন্দীপৰ আপোন মাহীয়েক নীলাঞ্জনাক। ৰিচার্ছৰ কামত ইউনিভাৰ্চিটিলৈ অহা মানুহজনীৰ ৰিক্সাখনে লাইটপোষ্ট এটাত খুন্দা মাৰিছিল। ভৰিত দুখ পাইছিল মানুহজনীয়ে। ওচৰতে লগৰ এজনৰ বাবে ৰৈ থকা সন্দীপ আগবাঢ়ি গৈছিল মানুহজনীৰ ওচৰলৈ। ৰিক্সাৰ পৰা নামিবলৈ সহায় কৰি দিছিল। পাঁচশ টকীয়া নোট এখন ভঙাই দিছিল। তেনেদৰেই চিনাকি। নাম-ঠিকনা লৈ মানুহজনীয়ে পাই গৈছিল অচিনাকি ল'ৰাজনৰ প্ৰকৃত পৰিচয়। এয়া যে তেওঁৰে আপোন অগ্ৰজাৰ সন্তান। আবেগত উচুপি উঠিছিল তেওঁ। সুদীৰ্ঘ ওঠৰ বছৰৰ অন্তত তেওঁ চেনেহৰ বায়েকৰ সন্তানৰ মুখ হেঁপাহ পলুৱাই চাইছিল। তাহানিৰ কণমানিটোৰ এখন পূৰ্ণ মুখ। গাম্ভীৰ্যভৰা, বুদ্ধিদীপ্ত এহাল ধুনীয়া চকু। মাহীয়েকৰ উজান বজাৰৰ ঘৰলৈ সি যাবলৈ লৈছিল। তিনি বছৰীয়া ইমনে তাৰ পাছ নেৰা হৈছিল। সুযোগ বুজি এদিন সি সুধি পেলাইছিল মাহীয়েকক তাৰ পৰম আকাংক্ষাৰ প্ৰশ্নটো। প্ৰভা-বৃত্তান্ত? মোমায়েকৰ ঘৰখনৰ লগত সন্দীপইঁতৰ আহ-যাহ নথকাৰ প্ৰকৃত কাৰণ কি? নীলাঞ্জনা থৰ লাগি ৰৈছিল। কিন্তু সন্দীপৰ নেৰা-নেপেৰা প্ৰশ্নত ক'বলৈ বাধ্য হৈছিল তেওঁ। ... সন্দীপইঁতৰ ঘৰৰ পৰা আহিয়েই প্ৰভাই জনাই দিছিল তাইৰ সিদ্ধান্ত। তাই জন্ম দিব সন্তানটো। ঘৰখনত সৃষ্টি হৈছিল ভূঁইকপ। এটি 'পাপ'ৰ বাবে বামুণৰ ঘৰৰ মৰ্যাদা, সন্মান সকলো জলাঞ্জলি দিব লাগিব। হ'ব পাৰে দৰিদ্ৰ, কপৰ্দকহীন। প্ৰভাই নষ্ট নকৰিলে সন্তানটো। ঠিকনাবিহীন হৈ গুচি গ'ল তাই। বহুদিনৰ পাছত নীলাঞ্জনাইঁতে উদ্ধাৰ কৰিলে খবৰবোৰ। ঘৰৰ পৰা ওলাই আহি লগৰ এজনীৰ সহায়ত অনাথ আশ্ৰম এখনত কৰ্মচাৰীৰূপে যোগ দিলে আৰু তাতেই এদিন জন্ম হ'ল নন্দিনীৰ। প্ৰভাৰ সন্তান নন্দিনীৰ। আৰু এদিন নন্দিনীক অকলশৰীয়া কৰি হৃদৰোগত মৰি থাকিল তাই। নন্দিনীও সেইখন আশ্ৰমৰে বাসিন্দা। প্ৰভাৰ পৰিয়ালে কাহানিও খবৰ কৰা নাই প্ৰভাৰ... নন্দিনীৰ। তেওঁলোকৰ বাবে প্ৰভাৰ কাহানিবাই মৃত্যু হৈছে। আৰু নন্দিনী! তাইতো পাপৰ বোজা।

সমাজত বৰমানুহৰ আসন দখল কৰি থকা, বংশ-মৰ্যাদাৰ দোহাই দি পলাব খোজা মানুহৰ মুখত চাবুক মাৰি প্ৰভাই নন্দিনীক জন্ম দি যি সাহসৰ নিদৰ্শন দেখুৱালে সেয়া অভূতপূৰ্ব। অকলশৰে সন্তান ডাঙৰ কৰি শিক্ষা-দীক্ষাৰে আগবঢ়াই নি আত্মপৰিচয়েৰে জীৱনৰ বাটত খোজ দিয়াৰ আদৰ্শ দেখুৱালে। আৰু সন্দীপৰ দেউতাক! তেওঁ সন্দীপৰ মোমায়েকইঁতৰ লগত সম্বন্ধ ছেদ কৰি পেলালে। হয়তো মুখলজ্জাত। নিজৰ কীৰ্তি পোহৰলৈ অহাৰ ভয়ত। আৰু মাক! মাকতো সদায় নিমাতী। নিমাখিত এক দুৰ্বল নাৰী। প্ৰভাক বিচাৰি যোৱাৰ অথবা দেউতাকৰ কাৰ্যত প্ৰতিবাদ কৰাৰ সাহস তেওঁৰ নাই। সন্দীপে মাকৰ ওচৰত নীলাঞ্জনা চৌধুৰীক লগ পোৱাৰ কথা কৈ পেলালে। কৈ পেলালে প্ৰভা-বৃত্তান্ত। আৰু শেষত জনাই দিলে তাৰ সিদ্ধান্ত। চূড়ান্ত সিদ্ধান্ত। নন্দিনীক সি লৈ আহিব ঘৰলৈ। তাইৰ নিজৰ ঘৰলৈ। দেউতাকে তাইক প্ৰাপ্যখিনিৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। পিতৃ পৰিচয়ৰ স্বীকৃতি তাই পাব লাগিব। মাকে বিস্ফোৰিত নেত্ৰে চাই আছিল সন্দীপৰ তেজস্বী মুখৰ ফালে। তাৰ পাছত তাৰেই কান্ধত মুৰ থৈ উচুপি উচুপি কান্দিছিল। তেওঁৰেই সন্তান নে এয়া? অমানুহৰ পৃথিৰীত মানুহ জন্ম দিয়াৰ কৃতিত্ব লাভ কৰিলে তেওঁ। এৰা! মানুহ হৈ জন্ম লৈছে তেওঁৰ সন্তানে। যন্ত্ৰণাৰ মাজেদি এক বিমল সুখ লাভ কৰিলে তেওঁ। সন্দীপে বুজি পালে মমতাময়ী মাকে নন্দিনীক কেতিয়াও অনাদৰ নকৰে।

... নৈৰ পাৰত আঁঠুত থুতৰি হেঁচি বহি থকা নিশিগন্ধাক সমস্ত কথা কৈ উশাহ সলাইছিল সন্দীপে।

ঃ নিশি। এইজনেই সন্দীপ। এনে এখন ঘৰৰ সন্তান যিখন ঘৰৰ এক ভয়ংকৰ অতীত আছে। ঘৃণনীয় ইতিহাস আছে। ইমানবোৰ কথা জনাৰ পিছত কোনোবাই মোক সহজভাৱে গ্ৰহণ কৰিব পাৰিবনে? তই কৰিব পাৰিবিনে? নোৱাৰ। কিন্তু ইতিহাসক মই বৰ্তমানলৈ পুনৰ ওভটাই লৈ আনিম। ইয়াৰ বাবে যদি বিদ্ৰূপৰ পাত্ৰও হৈ উঠো তাৰ বাবে আক্ষেপ নাই। কিন্তু মই মোৰ কৰ্তব্য কৰিব লাগিব।

নিশিগন্ধাৰ প্ৰতিক্ৰিয়া আৰু প্ৰত্যুত্তৰলৈ বাট নাচাই গুচি গৈছিল সন্দীপ। হুমুনিয়াহ বাগৰি আহিল নিশিগন্ধাৰ বুকুত ভিতৰৰ পৰা। এই মুহূৰ্তত বাৰু কি কৰি আছে সন্দীপে? বন্ধ খিৰিকীখন খুলি দিলে তাই।

* * * *

নন্দিনীক চিপ্‌ছ দুপেকেট কিনি দিলে সন্দীপে। পুনৰ বাছখন চলিবলৈ ধৰিলে। আজিকালি নন্দিনীয়ে তাৰ ওচৰত ওফোন্দ পাতিব পৰা হৈছে। তাৰ ওপৰত অধিকাৰ আৰু কৰ্তৃত্ব খটুৱাব পৰা হৈছে। পানী শুকাই যোৱা বিলখনৰ পাৰৰ বৰটোকোলা দুটালৈ আঙুলিয়াই দিলে তাই। হাঁহিলে সি।

সন্দীপে নন্দিনীক ঘৰলৈ লৈ আহিছে। নিজৰা বাইদেউৰ অনুমতি বিচাৰোঁতে আনন্দেৰে সম্মতি দিলে তেওঁ। নন্দিনীৰ মাকে হেনো মৃত্যুৰ আগমুহূৰ্তত কৈ থৈ গৈছিল যদি পিতৃগৃহৰ পৰা কোনোবা আহি নন্দিনীক লৈ যাবলৈ বিচাৰে তেওঁ যেন সম্মতি দিয়ে।

ৰাতিপুৱা নিশিগন্ধাই ফোন কৰিছিল। গধূলিলৈ সিহঁত ঘৰ গৈ পাব বুলি জানি কৈ উঠিছিল ঃ "মই তোমালোকৰ বাবে ৰৈ থাকিম সন্দীপদা।"

পৰিণতি কি হ'ব সি নাজানে। কিন্তু সি পৰিস্থিতিৰ মুখামুখি হ'ব। দৰকাৰ হ'লে নিজেই ল'ব নন্দিনীৰ দায়িত্ব।

... গাড়ীৰ পৰা নামি পথৰুৱা আলিটোৰে খোজ ল'লে সন্দীপে— নন্দিনীয়ে। গোটেই আবেলিটো ৰঙচুৱা হৈ পৰিছে।

হাইস্কুলখনৰ সমীপত ৰৈ আছে ছোৱালী এজনী। বতাহে কোবাই আছে সেউজীয়া দোপাট্টা। দুৰৈৰ পৰাই ঠিকেই চিনি পালে সন্দীপে। এৰা! নিশিগন্ধা!

নিশিগন্ধা ৰৈ আছে সিহঁতৰ বাবে!!

বিবিধা

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমগৰাকী আলোচনী সম্পাদক সাহিত্যাচার্য ডক্টৰ প্ৰমোদ চন্দ্ৰ ভট্টাচার্যৰ স'তে কথোপকথন



সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা ঃ **মণ্টু কুমাৰ বড়া**

মণ্টু কুমাৰ বড়া ঃ ছাৰ, নমস্কাৰ জনাইছোঁ। আমি গৌৰৱেৰে ক'ব বিচাৰিছোঁ যে আপুনি ঐতিহ্যমণ্ডিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম বৰ্ষৰ এগৰাকী ছাত্ৰ। জন্মলগ্নতে ছাত্ৰ হোৱাৰ গৌৰৱক কেনেকৈ সুঁৱৰিব ?

প্ৰমোদ চন্দ্ৰ ভট্টাচার্য ঃ গুৱাহাটী বিশ্ববিদ্যালয় ১৯৪৮ চনৰ ২৬ জানুৱাৰিত প্ৰতিষ্ঠা হৈছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈ তেতিয়াৰ প্ৰধানমন্ত্ৰী হৈ থকাৰ সময়ৰ। তেতিয়াই ১৯৪৮ চনত কটনৰ পৰা মই বি.এ. পৰীক্ষা দিছিলোঁ। ৰিজাল্ট ওলাইছে। কামৰূপৰ নলবাৰীৰ পৰা অহা মই দুখীয়া ল'ৰা। গুৱাহাটীলৈ আহি ১৯৪৩ চনত ভাৰাঘৰত আছিলোঁ। নলবাৰী গভৰ্ণমেণ্ট হাইস্কুলৰ পৰা ১৯৪৩ চনত মেট্ৰিক পাছ কৰিছিলোঁ। বি. বৰুৱা কলেজতো ১৯৪৩ চনত আমি প্ৰথম বৰ্ষৰ ছাত্ৰ আছিলোঁ। আই. এ. (I. A. with Commerce) পৰীক্ষাতো প্ৰথম বিভাগ আৰু দুটা বিষয়ত লেটাৰ পাইছিলোঁ। তেতিয়াই কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৫ টকাৰ বৃত্তি পাইছিলোঁ। যি নহওক এনেদৰেই তেতিয়াৰে পৰা গুৱাহাটীত থাকিলোঁ। তেতিয়া কটন, বি. বৰুৱা আৰু সন্দিকৈ কলেজ- গুৱাহাটীত। যোৰহাটত আমাতকৈ আগত জে. বি. কলেজ (জগন্নাথ বৰুৱা কলেজ) হ'ল। তাতে তেওঁলোকে প্ৰথম কৰ্মাচ আৰম্ভ কৰিলে। এইবোৰ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত। মই ১৯৪৭ চনত নিয়মীয়া ছাত্ৰ হিচাপে পৰীক্ষা দিব লাগিছিল। কিন্তু গালফুলা বেমাৰ হোৱাৰ বাবে পৰীক্ষা দিব নোৱাৰিলোঁ। নন্ কলেজিয়েট ছাত্ৰ হিচাপে ১৯৪৮ চনত পৰীক্ষা দিলোঁ। পৰীক্ষাত উত্তীৰ্ণও হ'লো। তেতিয়াই গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছে। কটন কলেজতে বিশ্ববিদ্যালয় আৰম্ভ হ'ল। এতিয়াৰ কটন কলেজৰ অধ্যক্ষৰ বাংলোতে উপাচার্য কৃষ্ণকান্ত সন্দিকৈ আছিল। এতিয়াৰ কটনৰ যিটো ইউনিয়ন হল, তাতে মিলিটেৰী বেৰেক আছিল। এই মিলিটেৰী বেৰেকবোৰত অস্থায়ীভাৱে আমাৰ ক্লাছ চলিছিল। ল কলেজ (Law College) ৰ অধ্যক্ষ এছ. কে. দত্ত (শৰৎ কুমাৰ দত্ত) শ্ৰেণীসমূহৰ সচিব আছিল। মোৰ মেগাজিনখনত এছ. কে. দত্ত, উপাচার্য কৃষ্ণকান্ত সন্দিকৈ, বাণীকান্ত কাকতি, তিনিগৰাকী ডীন- আৰ্টছ, ছায়েঞ্চ, কমাৰ্চৰ ছবি আছে। এক দোকমোকালিৰ সময়। দেশ স্বাধীন হ'লেও ব্ৰিটিছৰ প্ৰভাৱ আছিল। যুদ্ধ শেষ হ'লেও তাৰ প্ৰভাৱ কিন্তু তেতিয়াও শেষ হোৱা নাছিল। মানুহৰ বসতিও কম। আকৌ যেন যুদ্ধ হ'ব— তেনেকুৱা এটা পৰিবেশ। এনেকুৱা পৰিস্থিতিৰ মাজত আছিলোঁ। চেনিকুঠিত প্ৰথম তিনি টকাত, পাছত পোন্ধৰ টকাত ঘৰ ভাৰা কৰি আছিলোঁ। আমি তিনিজন মানে মেচ কৰি আছিলোঁ। এনেকৈয়ে বি. এ. পঢ়িছিলোঁ। আনহাতে মই নিউ প্ৰেছৰ 'দৈনিক অসমীয়া'ত চাব এডিটৰ (Sub-Editor) হিচাপে কাম কৰিছিলোঁ। সম্পাদক আছিল দেৱকান্ত বৰুৱা। মোৰ লগত বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য, কীৰ্তিনাথ হাজৰিকাও আছিল। দিনত বিশ্ববিদ্যালয়ৰ পার্ট টাইম (part time) ৰ ছাত্ৰ। তেতিয়া প্ৰেছৰ ডিউটি ৰাতিপুৱা, আবেলি আৰু ৰাতি আছিল। মই ইচ্ছা কৰি আবেলি আৰু ৰাতি ডিউটি কৰিছিলোঁ। দৰমহা প্ৰথমতে ৫০ টকা আছিল। পাছলৈ ৭৫ টকা আৰু ১০০ টকা পাইছিলোঁ। তাতে আকৌ দুটা ল'ৰা-ছোৱালীক টিউচনো কৰিছিলোঁ। অসমীয়া বিভাগত তেতিয়া মই, ভূপেন্দ্ৰ নাথ চৌধুৰী, বীৰেন চৌধুৰী, পূৰ্ণচন্দ্ৰ মজুমদাৰ, বীৰেন্দ্ৰ নাথ তালুকদাৰ, গংগানাথ শৰ্মা, ভূপেন্দ্ৰ বসুমতাৰী আদি ছাত্ৰ। অসমীয়া বিভাগত দুটা শাখাৰ পাঠ্যক্ৰম। ভাষা শাখাত (B-Group) চাৰিজন আৰু সাহিত্য শাখাত (A -Group) তিনিজন। প্ৰাইভেটকৈ চৈয়দ আব্দুল মালিক আৰু কালিৰাম কাকতিয়ে (পাছত উকীল) পৰীক্ষা দিছিল। ১৯৫০ চনত পৰীক্ষা আৰু ১৯৫১ চনৰ মার্চত ফলাফল ওলালে। মই ছেকেণ্ড ক্লাছ ফাষ্ট আৰু চৈয়দ আব্দুল মালিক ছেকেণ্ড ক্লাছ ছেকেণ্ড। তৃতীয় বছৰতহে প্ৰথম শ্ৰেণীত গোলোক চন্দ্ৰ গোস্বামী পাছ কৰিলে। তেওঁ বিশ্ববিদ্যালয়তে থাকিল। আমাৰ কৃষ্ণকান্ত সন্দিকৈয়ে প্ৰথম শ্ৰেণী পোৱাক গুৰুত্ব দিছিল। এটা এনেকুৱা দুৰ্বলতা আছিল যে প্ৰথম শ্ৰেণীৰ হ'লেই ভাল পঢ়াব। ইংৰাজীত কিন্তু ছেকেণ্ড ক্লাছৰ মূল্য আছিল। যি নহওক সেই সময়তো দ্বিতীয় ব্ৰিটিছৰ দেশ গঢ়ি তোলাৰ প্ৰৱণতা এটা বৰ্তিয়েই আছিল। এনেকুৱা সময়ত আমি বিশ্ববিদ্যালয়ৰ ছাত্ৰ হ'লো। আৰু এটা কথা, আমি খুব নিষ্ঠাৰে পঢ়িছিলোঁ। ধৰ্মত আমাৰ বিশ্বাস আছিল। ন্যায়ভাৱে জীৱন আগ বঢ়াইছিলোঁ। টিউচন কৰি হওক, বৃত্তিৰ পইচাৰে হওক সজভাৱে চলিছিলোঁ। ভৰিত জোতা নাছিল- প্ৰথমে খালী ভৰিৰে আহিছিলোঁ। ক্লাছ কৰোঁতেহে জোতা পিন্ধিলোঁ। ধুতি পিন্ধিছিলোঁ। লংপেণ্ট পিন্ধাটো অ-ভাৰতীয় যেন লাগিছিল। তেতিয়া ট্ৰেইনহে আছিল। নলবাৰীৰ পৰা ১৪ অনা পইচাৰে টিকট কাটি আহোঁ। তিনিমাইল খোজ কাঢ়োঁ। ৬ পইচাৰে টিকট এখন কাটি অশ্বক্ৰান্ত ঘাটৰ পৰা শুক্লেশ্বৰ ঘাটলৈ আহোঁ। তাৰপৰা খোজ কাঢ়ি উজান বজাৰ। উজান বজাৰেই তেতিয়া গুৱাহাটী। ঢেলাইৰ বিছনা। ১৯৪৩ চনত কিন্তু ইলেকট্ৰিচিটি (Electricity) নাছিল। ১৯৪৭-৪৮ তহে Electricity হৈছিল। এনেকুৱা বেকগ্ৰাউণ্ড (Background) ত আমি বিশ্ববিদ্যালয়ৰ প্ৰথম বৰ্ষৰ ছাত্ৰ হ'লো। এতিয়া এইবোৰ সাধুকথা যেনহে লাগে। এই দিনবোৰ এনেকৈয়ে মনলৈ আহে।

? আপুনি গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ প্ৰথম আলোচনী সম্পাদক। প্ৰথম গৰাকী আলোচনী সম্পাদক হিচাপে আপুনি আলোচনী প্ৰকাশৰ বেলিকা কেনে সমস্যা বা সুবিধাৰ মুখামুখি হৈছিল ?

☐ যিহেতু মই নিউ প্ৰেছত চাব এডিটৰ হিচাপে কাম কৰিছিলোঁ—

১৯৪৭ ৰ পৰা ১৯৫১ চনলৈ। মই সাংবাদিকতাৰ লগত জড়িত। প্ৰেছত কাম কৰা, কিতাপ-পত্ৰ ছপোৱাৰ এটা নিচা আছিল। সেই সাহসতে সম্পাদক হ'লো। মোৰ মেগাজিনখন নিউ প্ৰেছত ছপাইছিলোঁ। অধ্যক্ষ এছ. কে. দত্তৰ সহযোগত আগবাঢ়িলোঁ। আৰ্হি হিচাপে আমাৰ সন্মুখত তেনেকুৱা মেগাজিন নাছিল। কটনিয়ানখন আছিল যদিও সেইখন কলেজৰহে। শৰৎ দত্ত শ্ৰেণীসমূহৰ সচিবেই নহয়, ছাত্ৰ ইউনিয়নৰ সভাপতিও আছিল। তেখেতৰ কথামতেই মই আলোচনীখন আচাম ট্ৰিবিউন প্ৰেছত ছপাইছিলোঁ। তেখেতেই টকা-পইচাৰ দায়িত্ব লৈছিল। তেখেতে ক'লে— আচাম ট্ৰিবিউনলৈ যোৱা, আৰ. জি. বৰুৱাক (ৰাধাগোবিন্দ বৰুৱা) কোৱা, তেওঁ ছপাব। তেনেকৈয়ে হ'ল। সময়ত এছ. কে. দত্তই বিল পে কৰিলে। বেটুপাতটো মোৰ মনত আছে বেঙেনাফুলীয়া। এই ৰংটো বৰ প্ৰিয়। মোৰ পাছত সম্পাদক হ'ল যাদৱ চন্দ্ৰ ভূঞা। নামভৰ্তিৰ সময়ত সাহিত্য শিতানৰ বাবে এটা মাচুল লৈছিল। তাৰে মেগাজিনখন ছপোৱা হ'ল। তেতিয়া আকৌ Law আৰু Post Graduate Union একেই আছিল। মোৰ বেছি কষ্ট হোৱা নাছিল। সমস্যা এটাই—আমাৰ সন্মুখত আৰ্হি বুলি একো নাছিল। কৈছোঁৱেই কটনিয়ানখনো আণ্ডাৰ গ্ৰেজুৱেট লেভেলৰ (Under Graduate Level)। মেগাজিনখনত বিশ্ববিদ্যালয়ৰ প্ৰতীকো আছে। ডেকা মন- হেঁপাহেৰে কামত লাগিছিলোঁ।

? নিজৰ কল্পনাৰ আলোচনী এখন বিশ্ববিদ্যালয় সমাজক উপহাৰ দিব পাৰিছিল বুলি ভাবেনে?

☐ যিমান ভাবিছিলোঁ, সিমান নহ'লেও শতকৰা ৮০ শতাংশ ভবাৰ ধৰণেই মেগাজিনখন হৈছিল বুলি অনুভৱ কৰোঁ। মোৰ Achievement এটা। ভট্টদেৱৰ 'কথা-ভাগৱত'ৰ আগত যেনেকৈ কোনো আৰ্হি নাছিল, মোৰো তেনেকুৱাই। কটনিয়ান থাকিলেও আণ্ডাৰ গ্ৰেজুৱেট লেভেলৰ। কলিকতা বিশ্ববিদ্যালয়ৰ মেগাজিন দেখাই নাছিলোঁ। লিখিবলৈও মানুহ কম। প্ৰত্যেক বিভাগতে লিখিবলৈ কৈছিলোঁ। তেতিয়া লেখাৰ সাহসো নাছিল। ল'ৰা কিছুমানে লেখিছিল। ছাত্ৰী তেতিয়াতো কমেই। দ্বিতীয় বছৰত প্ৰীতি বৰুৱা আছিল। ইফালে হোষ্টেলো নাই। চানমাৰিত হোষ্টেল আৰম্ভহে হৈছিল। যুদ্ধকালীন ঘৰ, কাঠৰ খুটা, ওপৰত খেৰ। পৰিবেশ বেলেগ। যি নহওক ছাত্ৰবিলাকে লেখিছিল। Student ৰে লেখা আছিল; যিহেতু তেওঁলোকৰ মেগাজিন। শিক্ষকৰ লেখা নাই। তেখেতসকলৰ কাৰণে Journal of Gauhati University আছিল। প্ৰফুল্ল দত্ত গোস্বামী তাৰ প্ৰথম সম্পাদক। ইয়াৰ মাজতে মেগাজিনখন উলিয়ালোঁ।

? আপোনাৰ পাছত বহুসংখ্যক আলোচনীৰ সম্পাদক হ'ল। আলোচনী প্ৰকাশ হ'ল। এইবোৰে আমাৰ বৌদ্ধিক চিন্তাৰ জগতখনত কি ভূমিকা গ্ৰহণ কৰিছে বুলি আপুনি ভাবে?

☐ পাছৰ মেগাজিন বুলি যাদৱ চন্দ্ৰ ভূঞাৰ মেগাজিনখনেই মই পালোঁ। তাৰ পাছৰবোৰ পোৱা নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰূপালী জয়ন্তী, সোণালী জয়ন্তীতো একো প্ৰকাশ হোৱা নাই। অসমীয়া আৰু আন কেইটামান বিভাগ অৱশ্যে ব্যতিক্ৰম। ইফালে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশনৰ এটা বেলেগ গৌৰৱ আছে। পইচা কম, কিন্তু একাডেমীক মান-সন্মান আছে। মোৰ থেচিচ (Thesis) খনো তাৰ পৰাই ওলাইছিল। একেদৰে মেগাজিনখনৰো এটা মান আছে। আচলতে মেগাজিনখনত সকলোবোৰ প্ৰতিফলিত হয়। সকলোৱে মাজত সংহতি স্থাপন কৰে। ইয়াৰ ভূমিকা বহুত বেছি। তাৰ জৰিয়তে ৰেকৰ্ডো (Record) হ'ল, গৌৰৱো হ'ল। পৰস্পৰে জনা-শুনা হ'ল। কম পৰিমাণে হ'লেও ইয়াত বৌদ্ধিক চিন্তা আছিল। আগতে আমাৰ সময়ত মেগাজিনৰ মূল্য আজিতকৈ বেছি আছিল। খবৰ কাগজো তেতিয়া এখননে দুখনহে আছিল। দৈনিক অসমীয়া, নতুন অসমীয়া, সাদিনীয়া অসমীয়া— তেনেকুৱা— আৱাহন আছিল, জয়ন্তী আছিল। স্বাভাৱিকতে আমাৰ মেগাজিনৰ মূল্য আছিল। পাছত ল বেলেগ হ'ল, পি. জি. (Post Graduate) বেলেগ হ'ল। মনত আছে— দ্বিতীয়খন মেগাজিনত ৰাধাকৃষ্ণন উপস্থিত থকা বিশ্ববিদ্যালয়ৰ প্ৰথম কনভকেশ্বনৰ (Convocation) ফটো আছিল। আকাৰো ডাঙৰ আছিল। তাৰ মূল্য এইবোৰে বঢ়াইছিল। তাৰ পাছৰবোৰত ডেভেলপমেণ্ট (Development) ৰ ইনফৰমেশ্বন (Information)-ৰ প্ৰতিচ্ছবি আছিল। বহুত ভাল হ'ল। নিশ্চয় এইবোৰে চিন্তাৰ জগতত ভূমিকা গ্ৰহণ কৰিছে।

? আপোনালোক ছাত্ৰ হিচাপে থকাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য-সংস্কৃতি বা আন প্ৰতিভা বিকাশৰ চৰ্চা বিশ্ববিদ্যালয়ত কেনে আছিল?

☐ বৰ লিমিটেড (limited) আছিল। অৰগেনাইজ (organise) হোষ্টেল নাছিল। কমন ৰুম নাছিল। প্ৰথম দুবছৰত খেল-ধেমালি— এনেবোৰ প্ৰতিযোগিতা পতাৰ সুযোগ নাছিল। বিশ্ববিদ্যালয় জালুকবাৰীলৈ যোৱাৰ পাছত এইবোৰ হ'ল। তেতিয়া ল, পি.জি. একেলগে। ইউনিয়নখন আছিল। এতিয়া যে কটনৰ ছোৱালী হোষ্টেল হৈছে, তাতে আছিল Law কলেজ। মেগাজিনখন ওলাইছিল। স্পৰ্টচ (sports) কিছু কম আছিল। খুব লিমিটেড। মোৰ অৱশ্যে স্পৰ্টচত আগ্ৰহ নাছিল। চাকৰিও আছিল। যাবৰ সময়ো নাছিল। ৰাতিপুৱা টিউচনেই কৰিমনে, ক্লাছেই কৰিম, নে চাকৰিয়েই কৰিম, নে ভাতেই ৰান্ধিম। কোনোমতে ডিগ্ৰীটো লাগে।

? আপোনালোকৰ সময়ত শিক্ষক-ছাত্ৰৰ সম্পৰ্ক কি পৰ্যায়ৰ আছিল? উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈ, অধ্যাপক বাণীকান্ত কাকতি, বিৰিঞ্চি কুমাৰ বৰুৱা, মহেশ্বৰ নেওগক ছাত্ৰ-ছাত্ৰীয়ে কেনেদৰে তেওঁলোকৰ মাজত পাইছিল?

☐ গুৰু ভক্তি আছিল। তেওঁলোকক দেখিলেই ল'ৰা চাইকেলৰ পৰা নামি দিয়ে। প্ৰাচীন ভাৰতীয় আদৰ্শৰ লগত মিল আছিল। ব্ৰিটিছৰ চাহাবী ঢং নাছিল। ইংৰাজী কোৱাৰ (শিক্ষকসকলৰ আগত) সাহসেই নাছিল। কাকতি ছাৰৰ ঘৰলৈও গৈছিলোঁ — পৰীক্ষা দি। সূর্যকুমাৰ ভূঞাকো মাতিছিলোঁ। কটনত পঢ়োঁতেই কাকতিছাৰ, ভূঞাছাৰক পাইছোঁ। আমাৰ লগত মুকলি আছিল তেওঁলোক। গুৰু বুলিয়েই নহয় ; পিতৃ-মাতৃতকৈও বেছি ভক্তি কৰিছিলোঁ, ভয়ো কৰিছিলোঁ। তেওঁলোকে আমাৰ ঘৰুৱা খা-খবৰো ৰাখিছিল— ক'ত ঘৰ, কি কথা, কেনেকৈ আছোঁ- এইবোৰ। বাটে-পথে লগ পালে এনেকৈ ঘৰুৱা খবৰ লয়। ক্লাছতো চিনাকি হৈছিল। কাকতি ছাৰে মোক বৰভগীয়া বুলি মাতিছিল। নলবাৰীৰ বৰভাগ অঞ্চলৰ বাবে। ছাৰ বোলে ক্ষেত্ৰীয়া, ক্ষেত্ৰী অঞ্চলৰ বাবে। মহেশ্বৰ নেওগ তেতিয়া সোমাইছে— Regular Teacher। সত্যেন শৰ্মা ছাৰক দ্বিতীয় বাৰ্ষিকত পাইছোঁ। প্ৰথমতে তিনিজন— বাণীকান্ত কাকতি ছাৰ বিভাগৰ মুৰব্বী, বিৰিঞ্চি কুমাৰ বৰুৱা ছাৰ ৰীডাৰ আৰু মহেশ্বৰ নেওগ ছাৰ প্ৰবক্তা। উপাচাৰ্যক দেখাই নাপাওঁ। পৰীক্ষাৰ সময়ত ছাৰ আহে। অফিচতহে তেখেতক লগ পাই। ধুতি চোলা পিন্ধা, হাতত লাঠি। শিক্ষকসকলৰ লগতহে যোগাযোগ আছিল। বেলেগ এটা পৰিবেশ। তেওঁ (উপাচাৰ্য সন্দিকৈ) অলপ বেলেগ ধৰণৰ মানুহ। পত্নীকে লগত ৰখা নাছিল।

? অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতিষ্ঠা আৰু বিকাশৰ যি মহৎ উদ্দেশ্যৰে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছিল, সেই দিশত আজিৰ সময়লৈকে কিমান দূৰ সফল হ'ল?

☐ তোমালোকেই সেয়া মূল্যায়ন কৰা। মইতো বিশ্ববিদ্যালয়ৰ লগত জড়িত হৈয়ে আছোঁ। পিএইচ.ডিৰ থেচিচ চায়েই আছোঁ। অগতিৰ গতি — বড়ো পেপাৰ চায়েই আছোঁ। নামতহে অৱসৰ। বিশ্ববিদ্যালয়ৰ কামৰেই শেষ নাই। অসমীয়া বিভাগত অসমীয়া ভাষা- সাহিত্য-সংস্কৃতিৰ কথা আছিল। আন পাঠ্যক্ৰমত আন বিষয়। অসমীয়াৰ নেতৃত্ব আছিল। তেতিয়া



অসম সাহিত্য সভাৰ ভূমিকা কম আছিল। এতিয়া আছে। বিশ্ববিদ্যালয়ে যিটো পাণ্ডিত্য আৰম্ভ কৰিলে তাত বিৰিঞ্চি কুমাৰ বৰুৱা আছিল অর্জুন। কাকতি ছাৰ কৃষ্ণৰ দৰে। পাছত সেয়া কমিল। তেতিয়া বিশ্ববিদ্যালয়ত National Service আছিল। এতিয়া Private Service বাঢ়িল।

? বিশ্ববিদ্যালয়খনে ষাঠিৰো অধিক বছৰ অতিক্রম কৰিলে। সমাজৰ বিভিন্ন পৰিৱর্তন ইয়াৰ বুকুৰে পাৰ হৈ গৈছে। বহু ছাত্র-ছাত্রী ইয়াৰ পৰা অধ্যয়নৰ অন্তত ওলাই গ'ল। আজিৰ সময়ত ইয়াৰ পৰা শিক্ষাৰ অন্তত ওলাই যোৱা ছাত্র-ছাত্রীসকলে সমাজ-সংগঠনৰ গতিশীলতাত ইন্ধন যোগাব পাৰিছে বুলি আপুনি ভাবেনে?

☐ কথাটো আমি পুৰণিবোৰে ভাল দেখা নাই। এতিয়া কমার্চিয়েল হৈছে। তাৰ বাবেহে সকলো চলে। Self interested-ব্যক্তি কার্যপূৰণৰ বাবে সকলো আগ বাঢ়ে। আপোনা-আপুনি ৫ শতাংশ মানহে আহি এনে কামত লাগিছে। বেছি ভাগেই Self Service ত গৈছে। আগতেতো কমার্চৰ Scope নাছিলেই; এতিয়া বহুত বেছি।

? আপুনি এগৰাকী ভাষাৰ সাধক। ভাষাৰ অধ্যয়ন, গৱেষণা আৰু প্রসাৰত আপুনি অভূতপূর্ব অৰিহণা যোগাইছে। অসমীয়া ভাষাৰ সমৃদ্ধি আৰু 'জীয়াই থকাৰ সন্দেহ' নাইকিয়া কৰিবৰ বাবে বিশ্ববিদ্যালয়খনৰ ভূমিকা কি?

☐ আমি ভাষাৰ ছাত্র। এটা বিষয় পঢ়িলে সদায় কি জানিব পাৰিম তাত মন — 'তদ্‌বিদ্ধি প্রণিপাতেন, পৰিপ্রশ্নেন সেৱয়া'— প্রশ্নৰ ওপৰত প্রশ্ন— গীতাত আছে। আমি প্রাচীন মতৰ মানুহ। গুৰু সকলো তেনেকুৱা আছিল। বাহিৰৰ সকলো তেনেকুৱাই আছিল। —বিশ্ববিদ্যালয় প্রকাশনে বহু কথা উলিয়ালে, গ্রন্থ প্রকাশ কৰিলে। ভবেন শইকীয়াই পাঠ্যপুথি কৰিলে। এতিয়া গুৱাহাটী বিশ্ববিদ্যালয় অকলশৰীয়া নহয়। আন বহুতো অনুষ্ঠান-প্রতিষ্ঠান এতিয়া আছে। কিন্তু সমৃদ্ধিৰ বাবে Policy নাই। উঠা নমা হৈ আছে। চৰকাৰে টকা দিয়াৰ লগে লগে Control বিচাৰিছিল। এতিয়া বিশ্ববিদ্যালয়খনে অকলে দায়িত্ব ল'ব নোৱাৰে। বিশ্ববিদ্যালয়খনে নিজকে ৰক্ষা কৰাৰ বাহিৰে একো নাই। আগৰ মর্যাদা হেৰাই গ'ল।

? বিশ্ববিদ্যালয়ৰ আপোনালোকৰ সময়ৰ কোনটো বিষয়ক লৈ আপোনালোক অধিক সন্তুষ্ট হৈছিল আৰু আজিৰ কোনটো বিষয়ক লৈ বেছি অসন্তুষ্ট?

☐ বিশ্ববিদ্যালয়খনিত যে পঢ়িছিলোঁ সেইটোৰেই সন্তুষ্টি দিছিল। এতিয়া সন্তুষ্টি-অসন্তুষ্টি বুলি একো নাই।

? বিশ্ববিদ্যালয়ৰ ঐতিহাসিক গৌৰৱ একেদৰে উজ্বল হৈ আছে বুলি ভাবেনে?

☐ পৰিৱর্তন হোৱাটো স্বাভাৱিক। এতিয়া আগৰ গৌৰৱ নাই। কিন্তু প্রাচীন হিচাপে মানদণ্ডৰ ফালৰ পৰা Quality ভাল- কোনো ক্ষেত্রত খেলি-মেলি হ'লেও।

? আপুনি ছাত্রবৃন্দৰ আলোচনীৰ প্রথম সংখ্যাৰ সম্পাদকীয় 'আমাৰ শৰাই'ত উল্লেখ কৰিছিল ঃ "আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ে আগুৱাৰ গ্রেজুৱেট শিক্ষাৰ ব্যৱস্থা আংশিকৰূপে হ'লেও আৰম্ভ কৰিছে ; কিন্তু বিশ্ববিদ্যালয় নগৰৰ পৰিকল্পনাহে এতিয়াও কল্পনাৰ বুকুতে শুই আছে।" আমাৰ প্রশ্ন হ'ল আপোনালোকৰ সময়ৰ সেই পৰিকল্পনাৰ পৰৱর্তী সময়ত বাস্তৱ ৰূপ কি দেখিছে?

☐ তেতিয়া কি ভাবত লিখিছিলোঁ পাহৰিছোঁ। যৌৱনৰ কল্পনা। মই যিমান ভাবিছিলোঁ সিমান নাছিল ছাগৈ। আৰু কিবা বিচাৰিছিলোঁ। I have come for the percentage. এতিয়া বিশ্ববিদ্যালয়ৰ মতে Fill up the gap. এতিয়া টকাই টকা। কিন্তু Sincertiy কমিছে। বিশ্ববিদ্যালয়ৰ টকা-পইচাৰ আদান প্রদানৰ কথা সকলোৱে আলোচনা কৰে। আর্থিক লেন-দেন ভাল নহয়। বহুতে কামেই কৰিবলৈ বাদ দিছে। এইবোৰহে এতিয়াৰ সঁচা কথা।

? এতিয়া আৰম্ভ কৰা আগুৱাৰ গ্রেজুৱেট শিক্ষা-ব্যৱস্থা তাহানিৰ আংশিক প্রকাশৰ পূর্ণ ৰূপ নেকি?

☐ অধিক হৈছে। হ'লে কি হ'ব। অধিক মাছত বগলী কণা। আগতে মাহে মাহে Fees লয়। এতিয়া গোটেইবোৰ একেলগে...।

? ছাত্র সংঘৰ কথালৈ উভতি আহিছোঁ ছাৰ। বিশ্ববিদ্যালয়ৰ প্রথম বর্ষৰ 'ছাত্র সংঘ' কেনেদৰে অর্থাৎ কি পদ্ধতিৰে গঠিত হৈছিল?

☐ তেতিয়া ক্লাছে ক্লাছে বাচিছিল। Class Representative বাচিছিল। প্রফেছৰৰ উপস্থিতিত। নমিনেশ্বন বিচাৰিছিল— তেওঁলোকৰ পৰা। মিলা-মিচাকৈ হৈছিল। ইলেকশ্বনৰ নটিফিকেশ্বন (Election Notification) হৈছিল। এনেকৈয়ে নির্বাচিত হৈ ছাত্র সংঘ হৈছিল।

? বিশ্ববিদ্যালয়ৰ আজিৰ স্থিতিক লৈ আপোনাৰ অনুভৱ কেনেকুৱা?

☐ মইতো কৈছোঁৱেই, কলিকতা বিশ্ববিদ্যালয়তকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ মান কম নহয়। বেয়াৰ মাজতো ভাল বহুতেই আছে। সংশোধন কৰি ভাল কৰা উপায়ও বহুত আছে।

? ধন্যবাদ ছাৰ। দীর্ঘ সময় আপুনি আমাৰ বিভিন্ন প্রশ্নৰ উত্তৰ দি কৃতার্থ কৰিলে। আপোনাৰ প্রতি আমাৰ সেৱা যাচিছোঁ।

☐ ধন্যবাদ, তোমালোকলৈও শুভেচ্ছা আৰু মৰম যাচিছোঁ।

(কথোপকথনত আমাক সহযোগ কৰা দেৱাশিস বৰালৈ ধন্যবাদ)

OURSELVES

THE POST-GRADUATE STUDENT'S UNION

The Post-Graduate Students' Union of the Gauhati University came into existence on the 30th April, 1949. The keen contest at the election for various offices and the enthusiasm shown by the students afforded hopes that this Union Society would develop on healthy lines. In addition to the ex officio members, there were seven representatives from the existing teaching departments in the Executive Committee.

There were seven meetings of the Executive Committee. Apart from social functions to welcome the newcomers and bid farewell to the old, several meetings were held under the auspices of the Union. Reception was also accorded to Acharya J.B. Kripalani, Sj. Biswanath Das, M.P., the former Premier of Orissa and to Prof. Tan Yun Shan during their visit to this province. The Inter-College Debating competition was also held successfully. Although only eight colleges of the province participated in the competition, the standard of debate was quite high. The trophy was won by St. Edmunds college, Shillong. The individual prizes also went to the competitors from that college.

This Union Society has entirely to depend on the proceeds from Union fees collected from the students and does not receive any grant from the University. It is impossible to develop the many-sided functions of a Union without substantial funds and I hope the authorities concerned will give this matter due consideration.

This Union has decided to participate in the convention of the National Union of Students, to be held in New Delhi in the near future.

I acknowledge with sincere thanks the co-operation I received from my fellow students in general and colleagues in particular. I also take this opportunity of expressing my deep sense of gratitude to the President of the Union Principal S.K. Dutta for the guidance and encouragement he gave in all affairs.

In conclusion I must say that on attainment of freedom, our country in faced with many vital problems. It is expected that the new generation will prove equal to the task. The establishment of a University is raising hopes and aspirations in the hearts of the student community in Assam. This province has been always lacking in leadership-leadership in politics, professions, industry and commerce. This great sanctuary can now provide trained men for all these fields. But our ideal cannot be realized simply through lectures in class rooms. In a well-planned educational systems opportunities must provided for the creative and practical abilities of the students. A Union Society has thus a great role to play in it.

JAI HIND

Biren Goswami
Secretary, Post-Graduate Students' Union Society.

THE FINE ARTS SECTION

The Fine Arts Section was established without any separate funds of its own. It however received financial aid from the Common-Room Section. A music social on the occasion of the Saraswati Puja was held with much éclat. A small farce which was staged before a huge gathering received great public applause.

The future of this Section depends on its being recognized as a separate unit of activites with funds of its own.

Our University Act specifically mentions a Fine Arts faculty. Some Universities in India have already introduced such Faculties. It is hoped that such a Faculty will become a reality in our University in the near future.

Bishnu Prasad Chakravarty
Secretary, Fine Arts Section

OUR GAMES AND SPORTS

The University games and sports were organized jointly with the Law college which was formerly a Government institution but was handed over to the University in 1948. We thus could avail of the Law college Tennis Court. But here was no grounds for football and cricket and these games could not be properly arranged without grounds of our own. Yet we got together a fairly strong cricket team to participate in the Inter-Collegiate Cricket Tournament.

The annual sports were very successfully held amidst great rejoicings. The members of the staff as well as women students also participated in some of the items.

A University Tennis Championship in singles was held and Mr. Deven Dutta of the economics class won the championship.

It is hoped that the nucleus of the athletic section of our University of which I had the honour of being the first Secretary, will be rapidly developed under the liberal patronage of the University. So that the Gauhati University may take an honourable place in Inter-University games and sports.

I thank my fellow students for their kind co-operation and help and express my gratefulness to Principal S.K. Dutta for his kind advice and encouragement.

Bharat Chandra Bora
Secretary, Games Section

INSIDE THE COMMON-ROOM

The post-Graduate Departments except Assamese and Botany, being located at the Law College Premises, the common Room is being utilized jointly. This room is not big enough and the want of a University hall is being keenly felt.

Several papers, periodicals and magazines were regularly subscribed and facilities for indoor games were provided. Competitions were held in Carom and Table Tennis and the standard of play was quite high. Some teachers also encouraged the students by participation in these competitions.

I owe thanks to my fellow students for their kind co-operation and to the Secretary of the University Classes for his help and guidance.

M.N. Ahmed
Common-Room Secretary

OUR LITERARY SECTION

Want of literary zeal is a striking factor in our student community. Now-a-days the old definition 'Literature is the criticism of Life' has given place to new maxims like 'Politics is the criticism of Life', 'Economics is the criticism of life' and so on.

Our extra-curricular literary activities were no doubt handicapped for want of funds, and it would not have been possible to bring out this journal but for decision of the authorities to impose a journal fee.

The response from our students to whom I appealed for articles was not very encouraging and I hope that this shyness will disappear when we bring out the second issue.

The compilation and editing of this journal are Undertaken in accordance with the decision of the P.G.S.U. Executive and my humble self owes deep gratitude to my associates. I sincerely acknowledge the help and suggestions from Principal S.K. Dutta, Dr. A.R. Baji, Prof. Sarangapani, Prof. M. Neog and Prof. P. Goswami in the compilation and publication of this journal. While thanking all the contributors and other friends who are directly or indirectly associated with this journal. I intimate my personal regard to my friends, sjts. Sada Chaliha, Purna Majumdar and Prabhat Goswami for their help in making the journal ready for the press.

This is a humble beginning. The future development and expansion of our literary activities have immense scope. These aspirations are booked for our worthy successors.

I apologies for any omission or commission that might creep into this journal.

Thanking all,

Pramod Bhattachyarya
Literary secretary

THE UNDER-GRADUATE STUDENTS' UNION

This year with the opening of almost all the Under-Graduate classes of the University and in view of the overwhelming number of students on its rolls, the opening of an Under-Graduate Students' Union Society for promotion of a healthy corporate life acquired much momentum. The Students of all the Under-Graduate classes assembled at a meeting on the 20th Dec., 1949 to discuss the formation of the Union. Mr. S.K. Dutta, secretary, University classes, Presided.

After a detailed discussion, it was resolved unanimously to appoint the Drafting Committee to draw up a constitution of the proposed Union Society and a Provisional Union Society was set up. The Drafting Committee was formed with Mr. S.K. Dutta as President and Sjt. Keshab Chandra Bharali as convenor. Sjt. Bharat Chandra Bhuyan was elected Secretary of the Provisional Union Society.

The Executive Committee elected Sjt. Bharat Chandra Bhuyan as delegate to the N.U.S. convention in New Delhi which is expected to be held shortly.

The Provisional Union held the Parting social in a befitting manner on the 27th, Feb. 50. Dr. Birinchi Kumar Barua presided over the function. Besides the staff and the students of the Under-Graduate classes, many Professors and students of the Post-Graduate classes, Law College and Cotton College attended the function. Sjt. Bharat Chandra Bhuyan, the Union Secretary conveyed farewell greetings to the out going 4th year students and dwelt on the difficulties though which the students of the Under-Graduate classes had to pass. Many students, both fresh and old, addressed the gathering, Mr. K.N. Dutta, Dr. A.R. Baji, Dr. S.K. Bhuyan, Mr. S.K. Dutta and Mr. M.P. Agarwal also addressed the gathering. Mr. S.K. Dutta stressed the need for he Under-Graduate students' Union Society in particular and said that in foreign Universities much attention was given to the Under-Graduate classes for their cultural and corporate development. The meeting was followed by a tea party.

The constitution for the Under-Graduate students' Union is being framed and the election will be held in accordance with the constitution in the coming session.

Bharat Chandra Bhuyan
Union Secretary
The Under-Graduate Students' Union Society

(গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমখন 'ছাত্ৰবৃন্দৰ আলোচনী'ত প্ৰকাশিত বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদনসমূহ পুনৰ প্ৰকাশৰ ক্ষেত্ৰত বাক্য আৰু শব্দত কোনোধৰণৰ সাল-সলনি কৰা হোৱা নাই।)

বিশ্ববিদ্যালয় জীৱনৰ লগত জড়িত তিনিটা ব্যক্তিত্ব ঃ
লোমপ্রসাদ শর্মা, ভূপেন ডেকা আৰু ৰামেশ্বৰ বৈশ্য

বনজিৎ ঠাকুৰীয়া

গুৱাহাটী বিশ্ববিদ্যালয়, এক অনন্য ঐতিহাসিক প্রেক্ষাপটৰ ৰম্যভূমি। যাৰ উমাল বুকুত ইতিমধ্যে সংস্থাপিত হৈ নিজৰ জীৱনক ৰঙীন কৰি তুলিছে বিভিন্নজনে। অসমৰ প্রথিতযশা বিভিন্নজন সাহিত্যিক, বিজ্ঞানীক, ৰাজনীতিবিদ, সমাজতাত্ত্বিকৰ নাম সংযোজিত হৈছে এই ঐতিহাসিক পুণ্যপীঠখনৰ ইতিহাসৰ দলিলত। প্রথিতযশা এইসকলৰ বাদেও কিন্তু বিশ্ববিদ্যালয়খনৰ সুখ-দুখৰ মাজতে নিজকে বিলীন কৰি দিয়া এচাম ৰৈ গৈছে লোকচক্ষুৰ আঁৰত। এনেকুৱা তিনিটা ব্যক্তিত্বক আমি উপস্থাপন কৰাৰ মানস কৰিছোঁ। সেইকেইজন হৈছে লোমপ্রসাদ শর্মা, ভূপেন ডেকা আৰু ৰামেশ্বৰ বৈশ্য।

লোমপ্রসাদ শর্মা

১৯৬৭ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসম আৰ্হি ৪নং ছাত্রাবাসৰ বিয়েৰাৰ হিচাপে কার্যনির্বাহ কৰি থকা এটা ব্যক্তিত্ব হৈছে লোমপ্রসাদ শর্মা অথবা প্রসাদজী। নেপালৰ কপিলাবস্তু জিলাৰ মহেন্দ্র কোটৰ বীৰপুৰ নামৰ এখন গাঁৱত জন্ম হৈছিল শর্মাৰ। ১৯৬২ চনত অসমলৈ আহি গুৱাহাটী বিশ্ববিদ্যালয়ত কর্মৰত খুৰাকৰ লগত থাকি পঢ়া-শুনাত মনোনিৱেশ কৰে যদিও আর্থিক অসুবিধা তথা পর্যাপ্ত সা-সুবিধাৰ অভাৱৰ বাবে খুব চালুকীয়া অৱস্থাতে পঢ়া-শুনাৰ পৰা অব্যাহতি ল'বলগীয়াত পৰে। ১৯৬৭ চনৰ এ.টি-৪ ছাত্রাবাসৰ অধীক্ষক আনন্দকুমাৰ বৰুৱাই এই নেপালী ল'ৰাজনক নিয়োগ কৰে আবাসটোৰ কর্মচাৰী হিচাপে। লগে লগে আবাসীসকলৰ পৰা নাম পায় 'পোৱালি'। নেপালী ল'ৰা বাবে কিছুমানে মাতে 'কাঞ্চা' বুলি। এ.টি.-৪ ৰ আবাসী তথা কাঞ্চাৰ শুভচিন্তকসকলে তেওঁক বিয়া পাতি দিয়ে নেপালী গাভৰু বিজুলাৰ সৈতে। কাঞ্চাৰ পৰা উন্নিত হয় প্রসাদজীলৈ। চাৰিটা পুত্র সন্তান আৰু এজনী কন্যা সন্তানেৰে নদন-বদন হৈ পৰে প্রসাদজীৰ পৰিয়াল। ছাত্রাবাসটিৰ প্রতিজন ন-পুৰণি আবাসী তথা বিশ্ববিদ্যালয়ৰ বহুতো ছাত্রৰ নাম, ঠিকনা তথা পেছা প্রসাদজীৰ নখ-দর্পণত। ২০০৮ চনৰ ৩১ ডিচেম্বৰত চাকৰি সীমা প্রসাদজীৰ উকলি গ'লেও এবছৰৰ বাবে কর্তৃপক্ষই এই সীমা বঢ়াই তেওঁৰ কর্মৰ পোহৰেৰে আবাসীসকলক উজলি উঠিবলৈ সুবিধা কৰি দিছে। জীৱনৰ বিয়লি বেলাতো প্রসাদজীয়ে নিজৰ কর্মোদ্যম হেৰুওৱা নাই। আগৰ নিচিনাকৈ অনুপ্রাণিত কৰিছে এ. টি-৪ ৰ প্রতিজন আবাসীক। অসম তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ নানা ঘাত-প্রতিঘাতৰ সময়ত পোৱা দুখত চকুপানী টুকি এইজনা কর্মযোগীয়ে চিন্তা কৰি গৈছে সকলোৰে ভালৰ বাবে। যাৰ পৰিণতিত বিশ্ববিদ্যালয় তথা আবাসত পঢ়ি যোৱা ডাঙৰ ডাঙৰ উচ্চপদস্থ বিষয়াবোৰ আবাসলৈ ঢপলিয়াই আহে প্রসাদজীৰ এটা আশীর্বাদৰ আশাত।

ভূপেন ডেকা

গুৱাহাটী বিশ্ববিদ্যালয়ৰ মূল প্ররেশদ্বাৰৰ ঠিক কাষতে পুৰণি কিতাপ-আলোচনী বিক্রী কৰি জীৱন-নির্বাহ কৰিছিল ভূপেন ডেকাই। ১৯৪৭ চনত পাঠশালাৰ বনগাঁৱত জন্ম লাভ কৰা ডেকাই ১৯৭২ চনত গুৱাহাটীত আৰম্ভ কৰে কিতাপৰ এই ক্ষুদ্র বিপণীখন। অতি চেমনীয়া অৱস্থাতে ৰৰপেটাৰ কিতাপৰ দোকানত কাম কৰা ডেকাই স্বত্বাধিকাৰীৰ অৱহেলাৰ বলি হৈ কাম বাদ দি জর্জ ফিল্ডৰ ওচৰৰ টাউন ক্লাবৰ অফিচৰ সম্মুখৰ ফুটপাথত কিতাপ বিক্রী কৰিবলৈ আৰম্ভ কৰে। এদিন লয়ার্ছ বুক ষ্টলৰ স্বত্বাধিকাৰী খগেন্দ্র নাথ দত্তই তাৰ পৰা তেওঁক লৈ আহি নিজৰ প্রকাশনত চাকৰি দিয়ে। কিন্তু দুর্ভাগ্যবশতঃ ২০০৪ চনত লয়ার্ছ বুক ষ্টলত সংঘটিত অগ্নিকাণ্ডৰ পিছত ডেকাৰ চাকৰিৰো অৱসান ঘটিল। লগে লগে আৰম্ভ হ'ল নতুন জীৱিকাৰ সন্ধান।

নানা চিন্তা-ভাবনাৰ অন্তত ৩২ বছৰ আগৰ সেই পদপথৰ কিতাপৰ বিপণীৰে আৰম্ভ কৰে জীৱন যুদ্ধৰ আখৰা। প্রথমতে ভঙাগড় আৰু জালুকবাৰী থানাৰ সন্মুখত আৰু পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়লৈ স্থানান্তৰিত হয় তেওঁৰ কিতাপৰ বিপণীখন। প্রথম অৱস্থাত দৈনিক এশ টকাৰ পুৰণি কিতাপ-আলোচনী বিক্রী কৰা মানুহজনে শেহতীয়াকৈ বিক্রী কৰিছিল ১৫০০ টকাৰ কিতাপ। 'বিস্ময়', 'প্রিয় সখী', 'নন্দিনী', 'ৰহস্য', 'গৰীয়সী', 'সাতসৰী', 'প্রান্তিক', 'ফিল্মফেয়াৰ', 'ফেমিনা', 'ইণ্ডিয়া টুডে' আদি বিভিন্ন ভাষাৰ পুৰণি আলোচনী ন্যূনতম মূল্যত বিক্রী কৰি ডেকাই পৰিয়াল পোহপাল দিছিল, ল'ৰা-ছোৱালীক পঢ়াইছিল। লগে লগে বিভিন্ন ধৰণৰ আলোচনীসমূহৰ জ্ঞানৰ সুঘ্রাণেৰে বিশ্ববিদ্যালয়ৰ ছাত্র-ছাত্রীসকলক বিদ্বান কৰি তুলি এক অনন্য সুখৰ মায়াজালত বন্দী হৈ আছিল বিশ্ববিদ্যালয়ৰ এইজন ব্যক্তিত্ব। চিনাকি-অচিনাকি সকলো ছাত্র-ছাত্রীৰ সৈতে অতি আপোনভাৱে বার্তা বিনিময় কৰা ভূপেন ডেকাই এই পৃথিৱীৰ পৰা মেলানি মাগে ২০১০ চনত।

ৰামেশ্বৰ বৈশ্য

১৯৬৮ চনত মাত্র ১৯ বছৰ বয়সত এখন ষ্টেচনাৰী দোকানেৰে নিজৰ জীৱন সংগ্রাম আৰম্ভ কৰা ৰামেশ্বৰ বৈশ্য নলবাৰী জিলাৰ মুকালমুৰা থানাৰ অন্তর্গত বর্ণিবাৰীৰ পটেবাৰী নিবাসী। পটেবাৰী প্রাথমিক বিদ্যালয়ত প্রাথমিক শিক্ষা আৰম্ভ কৰা বৈশ্যই ককয়া হাইস্কুলৰ পৰা মেট্রিক পৰীক্ষাত অৱতীর্ণ হয়। পিছত গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহি এখন ষ্টেচনাৰী দোকানেৰে নিজৰ জীৱিকাৰ পাতনি মেলে। জীৱিকাৰ মাজতে বৈশ্যই নিজকে বিশ্ববিদ্যালয়ৰ সামগ্রিক প্রেক্ষাপটৰ লগত নিজকে জড়িত কৰি ৰাখে। যাৰ ফলত ১৯৭২ চনত সদৌ অসম ছাত্র সস্থা (আছু)ৰ লগত জড়িত হৈ পৰে। যাৰ পৰিণতিত ভাষা আন্দোলনৰ সময়ছোৱাত বহুবাৰ তেওঁ জে'ললৈয়ো যাবলগীয়াত পৰিছিল। ১৯৭৩ চনত তেওঁক কর্তৃপক্ষৰ পিনৰপৰা কৃষ্ণকান্ত সন্দিকৈ গ্রন্থাগাৰত এটা চাকৰি প্রদান কৰা হৈছিল যদিও বিভিন্ন কাৰণত চাকৰি বাদ দি তেওঁ ব্যৱসায়তে মনোনিৱেশ কৰিছিল। নিজৰ সৰু দোকানতে বিশ্ববিদ্যালয়ৰ পৰা ওলাই গৈ অসমৰ ডাঙৰ মানুহ হোৱাবোৰক তামোল-পাণ খুৱাইহে ক্ষান্ত এইজনা সাধাৰণ পুৰুষ। প্রফুল্লকুমাৰ মহন্ত, ভৃগু ফুকন, অতুল বৰাকে ধৰি অসমৰ মুধা-ফুটা ব্যক্তিসকলে তেওঁৰ হাতেৰে তামোল খাইহে ডাঙৰ মানুহ হ'ল বুলি গৌৰৱান্বিত এইজনা ব্যক্তিত্ব। এই সৰু দোকানখনেৰে জীৱিকা নির্বাহ কৰি তেওঁ পাঁচজনী কন্যা সন্তান আৰু দুজন ল'ৰা সন্তানৰ পিতৃত্ব গৌৰৱৰ অধিকাৰী হৈছে। ১৯৭২ চনৰ ৬ অক্টোবৰত তেতিয়াৰ শ্রেণী সচিব দণ্ডেশ্বৰ গগৈৰ দিনত যেতিয়া আছুৰ স্থায়ী কার্যালয় বিশ্ববিদ্যালয়ত প্রতিষ্ঠিত হৈছিল, তেতিয়া সেই কার্যৰ লগত সক্রিয়ভাৱে জড়িত আছিল এইজনা পুৰুষ। অসম আন্দোলনৰ সময়ত বহুবাৰ থানাৰ দুৱাৰ গছকিবলগীয়া হোৱা বৈশ্যই সেয়েহে বুকুত অনবৰতে কঢ়িয়াই লৈ ফুৰিছে বিশ্ববিদ্যালয়খনৰ ইতিহাসৰ নানা সংঘাতৰ টুকুৰা-টুকুৰ স্মৃতিৰ সঁফুৰা।

২০০৮-২০০৯ বর্ষৰ স্নাতকোত্তৰ ছাত্র সন্থাৰ

উপ-সভাপতিৰ একাষৰ



পোন প্রথমে উত্তৰ-পূর্বাঞ্চলৰ প্রথম বিশ্ববিদ্যালয় 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ প্রতিষ্ঠাৰ বাবে অহোপুৰুষার্থ কৰা মহান মনীষীসকলৰ স্মৃতিত শ্রদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। মহাপ্রাণসকলৰ দূৰদর্শী চিন্তা-কষ্ট-ত্যাগৰ ভেটিত আজিৰ গুৱাহাটী বিশ্ববিদ্যালয় আমি লাভ কৰিছোঁ।

লুইতৰ দুয়োপাৰ জিলিকাবলৈ প্রতিষ্ঠা কৰা গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ হেঁপাহ আন সহস্রজনৰ দৰে মোৰো আছিল। ২০০৭ বর্ষত নগাঁও মহাবিদ্যালয়ৰ পৰা বাণিজ্য শাখাত স্নাতক ডিগ্রী লাভ কৰাৰ পাছত সেই হেঁপাহ বাস্তৱায়িত হৈছিল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পোনপটীয়া ছাত্র হৈছিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ছাত্র হোৱাৰ আগৰে পৰা অৱশ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৈতে মোৰ আছিল একান্ত সম্পর্ক। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়ত অধ্যয়ন কৰাই নহয়; গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'যুৱ মহোৎসৱ' আদিত অংশগ্রহণৰ জৰিয়তে সেই সম্পর্ক গাঢ় হৈছিল। মোৰ জ্যেষ্ঠ ভাতৃ মুন কুমাৰ বৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ২০০৬-০৭ বর্ষৰ সাধাৰণ সম্পাদক হোৱাৰ সূত্রেও বিশ্ববিদ্যালয়খনৰ বিভিন্ন কার্যক্রমণিকাত বিশ্ববিদ্যালয়লৈ আনুষ্ঠানিকভাৱে অহাৰ পূর্বেই জড়িত হৈ পৰিছিলোঁ। ফলত বিশ্ববিদ্যালয়খনৰ সৈতে নিবিড় সম্পর্ক সাধিত হৈছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ছাত্র হৈ শিক্ষা-দীক্ষাৰে নিজক আগুৱাই লৈ যোৱাৰ লগতে ছাত্র-ছাত্রীসকলৰ বাবে বিশেষভাৱে সেৱা আগ বঢ়াবলৈ তাগিদা অনুভৱ কৰিছিলোঁ। বিশ্ববিদ্যালয়খনি বিভিন্ন দিশত আগ বঢ়াই নিয়াৰ বাবেও হৃদয়ৰ ভিতৰৰ পৰা তাগিদা অনুভৱ কৰোঁ। বিশ্ববিদ্যালয়খনৰ বহুতো দিশত থকা দূৰৱস্থাই এই তাগিদাত অনুঘটকৰ কাম কৰিছিল। নগাঁও মহাবিদ্যালয়ত থাকোঁতে ছাত্র একতা সভাৰ উপ-সভাপতি হিচাপে ছাত্র-ছাত্রীসকলৰ আৰু মহাবিদ্যালয়খনিলৈ সেৱা আগবঢ়াইছিলোঁ। মহাবিদ্যালয়ত লাভ কৰা সফলতাইও বিশ্ববিদ্যালয়ত ছাত্র-ছাত্রীসকলক সন্মুখৰ পৰা সেৱা আগ বঢ়াবলৈ সাহস দিলে।

সহস্র শুভাকাংক্ষীৰ উৎসাহ, প্রেৰণা, সহায়-সহযোগিতাত ২০০৮-০৯ বর্ষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্র সন্থাৰ উপ-সভাপতি নির্বাচিত হ'লো। সন্মুখৰ পৰা ছাত্র-ছাত্রীসকলৰ প্রতি, বিশ্ববিদ্যালয়খনিৰ প্রতি সেৱা আগ বঢ়াবলৈ সুবিধা পালোঁ। এই আপাহতে মোক এনে এক মহান সুযোগ প্রদান কৰাৰ বাবে সমূহ শুভাকাংক্ষীকে অন্তৰৰ কৃতজ্ঞতা জনাইছোঁ। গোপীনাথ বৰদলৈ ২নং দুমহলীয়া ছাত্রাবাসৰ জ্যেষ্ঠ-কনিষ্ঠ সমূহ আবাসীৰ ত্যাগ মোৰ মনত থাকিব।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অজস্র সমস্যা। বিশ্ববিদ্যালয়ত এনে এটা দিশ নাই য'ত সমস্যা নাই। ছাত্র-ছাত্রীসকলে বিশেষভাৱে সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ কল্পে আমাৰ কার্যনির্বাহকে বিশেষ ভূমিকা গ্রহণ কৰিছিল। সকলো সমস্যা সমাধান কৰিব পৰা নাছিলোঁ। মাত্র এবছৰীয়া কার্যকালত সকলো সমস্যা সমাধান কৰাতো কাৰিকৰীগত দিশৰপৰাও সম্ভৱ নহয়। কিছু সমস্যা সমাধান কৰিছিলোঁ আৰু বহুতো সমস্যা পৰৱর্তী স্নাতকোত্তৰ ছাত্র সন্থাই সমাধান কৰিব পৰাকৈ ব্যৱস্থা গ্রহণ কৰিছিলোঁ। আচলতে কেইবাখনো স্নাতকোত্তৰ ছাত্র সন্থাৰ প্রণালীবদ্ধ প্রচেষ্টাতহে ছাত্র-ছাত্রীসকলৰ সামগ্রিক সমস্যা সমাধান হ'ব আৰু বিশ্ববিদ্যালয়খন উত্তৰণৰ দিশত আগবাঢ়িব।

স্নাতকোত্তৰ ছাত্র সন্থাই আয়োজন কৰিবলগীয়া বিশ্ববিদ্যালয়ৰ নিয়মীয়া অনুষ্ঠানসমূহ যেনে— বিশ্ববিদ্যালয় সপ্তাহ, যুৱ মহোৎসৱ আদি আমাৰ কার্যকালত সূচাৰুৰূপে উদ্‌যাপন কৰিছিলোঁ।

২০০৭-০৮ বর্ষত বিশেষ কাৰণত স্নাতকোত্তৰ ছাত্র সন্থাৰ সাধাৰণ নির্বাচন অনুষ্ঠিত হোৱা নাছিল। ফলত ২০০৭-০৮ বর্ষত যাৱতীয় কার্যক্রমণিকা ২০০৮-০৯ বর্ষৰ স্নাতকোত্তৰ ছাত্র সন্থাই অর্থাৎ আমাৰ ছাত্র সন্থাই ৰূপায়ণ কৰিবলগীয়া হৈছিল। সেই হিচাপত আমাৰ বর্ষত পূর্বতকৈ বহুতো কার্যসূচী ৰূপায়িত হৈছিল। প্রতিটো কার্যসূচী কার্যনির্বাহকৰ সিদ্ধান্তমর্মে সূচাৰুৰূপে ৰূপায়ণ কৰিছিলোঁ। ২০০৭-০৮ বর্ষৰ এটি গুৰুত্বপূর্ণ দায়িত্বও আমাৰ স্নাতকোত্তৰ ছাত্র সন্থাই ল'বলগীয়া হ'ল। সেইটো হ'ল ২০০৭-০৮ বর্ষৰ স্নাতকোত্তৰ মহলাৰ আলোচনীখন প্রকাশ কৰা। আমাৰ বর্ষৰ সাহিত্য আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদক জয়ন্ত পাঠকৰ ওপৰত এই দায়িত্ব অৱধাৰিতভাৱে পৰিল। পাঠকে ২০০৭-০৮ আৰু ২০০৮-০৯ দুয়োটা বর্ষৰ দুখন আলোচনী সম্পাদনাৰ ভাৰ মূৰ পাতি ল'বলগীয়া হ'ল। পাঠকৰ বাবে সেইয়া অতিৰিক্ত বোজা হ'ল। আমি আশা কৰিলোঁ পাঠকে তেওঁৰ ওপৰত পৰা পাহাৰসম বোজা অধ্যয়নৰ মাজতে সুন্দৰৰূপে সম্পন্ন কৰিব পাৰিব।

স্নাতকোত্তৰ মহলাৰ আলোচনী ৫৭তম সংখ্যাটো আমাৰ ছাত্র সন্থাই অতিৰিক্তভাৱে সম্পাদন কৰিব লগীয়া দায়িত্বৰ অন্যতম; যিটো ইতিমধ্যে সুন্দৰভাৱে সম্পন্ন হৈছে। পাঠকে নিজৰ দায়িত্বৰ আলোচনীৰ ওপৰিও অতিৰিক্তভাৱে পৰা ২০০৭-০৮ বর্ষৰ আলোচনীখনো সুন্দৰভাৱে সম্পাদনা কৰি উলিয়াইছে। আমি পাঠকৰ শলাগ লৈছোঁ।

এই সংখ্যাৰ আলোচনীখনত বিশ্ববিদ্যালয়ৰ প্রতিষ্ঠা কালৰ কিছু কথা ছাত্র সমাজলৈ আগবঢ়োৱা হৈছে। আশা কৰা হৈছে— বিশ্ববিদ্যালয় প্রতিষ্ঠাৰ উক্ত ইতিহাসে ছাত্র-ছাত্রীসকলক উৎসাহ আৰু প্রেৰণা যোগাব।

আমাৰ কার্যকালত মোৰ বিভিন্ন ধৰণৰ দিহা-পৰামর্শ আৰু সহায়-সহযোগিতাৰে উৎসাহিত কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচার্য ড° অখিল কুমাৰ মেধি ছাৰ, পঞ্জীয়ক ড° উত্তম চন্দ্র দাস, স্নাতকোত্তৰ ছাত্র সন্থাৰ সভাপতি তথা বিশ্ববিদ্যালয়ৰ শ্রেণীসমূহৰ সচিব ড° নীলমণি বৰা, ছাত্র কল্যাণ সঞ্চালক শ্রীযুত ৰাধাচৰণ ৰাভা, স্নাতকোত্তৰ ছাত্র সন্থাৰ সকলো তত্ত্বাৱধায়ক, বিষয়ৱৰীয়া, আলোচনী বিভাগৰ তত্ত্বাৱধায়ক ড° অচ্যুৎ শর্মা, মাননীয় শিক্ষাগুৰু ড° যতীন কলিতা, ড° যোগেন কলিতা, ড° দিলীপ বৰা, ড° পদ্মলোচন হাজৰিকা, ড° নয়ন বৰুৱা, ড° হেমচন্দ্র গৌতম, ড° প্রশান্ত শর্মা, ড° দেৱব্রত দাস, ড° ধ্রুৱজ্যোতি চৌধুৰী, বিশ্ববিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রী, বিশ্ববিদ্যালয়ৰ সমূহ আবাসৰ ছাত্রধীক্ষক-ছাত্রীধীক্ষিকা প্রমুখ্যে আবাসীসকল গোপীনাথ বৰদলৈ ২নং দুমহলীয়া ছাত্রাবাসৰ সমূহ আবাসী আৰু মোৰ সমূহ শুভাকাংক্ষীলৈকে কৃতজ্ঞতা আৰু শ্রদ্ধা যাচি উপ-সভাপতিৰ একলম সামৰিছোঁ।

জয়তু স্নাতকোত্তৰ ছাত্র সন্থা
জয়তু গুৱাহাটী বিশ্ববিদ্যালয়

দীপমণি বৰা
উপ-সভাপতি, স্নাতকোত্তৰ ছাত্র সন্থা
গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৮-০৯ বর্ষ

২০০৮-২০০৯ বর্ষৰ স্নাতকোত্তৰ ছাত্র সন্থাৰ

সাধাৰণ সম্পাদকৰ একলম



লুইতৰ দুয়োপাৰ জিলিকাবলৈ বহুবছৰীয়া আন্দোলন, উদ্যম, উৎসাহৰ ফলশ্রুতিত ১৯৪৮ চনৰ ২৬ জানুৱাৰিত গুৱাহাটী বিশ্ববিদ্যালয় আনুষ্ঠানিকভাৱে প্রতিষ্ঠা হ'ল। বিশ্ববিদ্যালয়খন প্রতিষ্ঠাৰ অন্তৰালত বহুজনৰ ত্যাগ, কষ্ট সম্পৃক্ত হৈ আছে ঃ গোপীনাথ বৰদলৈ, মাধৱ বেজবৰুৱাকে প্রমুখ্য কৰি বহুজন মহাপ্রাণৰ ত্যাগ অনস্বীকার্য। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রতিষ্ঠাপকসকলৰ পবিত্র স্মৃতিত গভীৰ শ্রদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

অসমৰ শিক্ষা জগত বিভিন্ন আঁসোৱাহ, সমস্যাৰে ভাৰাক্রান্ত। প্রাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষালৈকে অজস্র সমস্যা। প্রাথমিক, মাধ্যমিক শিক্ষাত ছাত্র-ছাত্রীৰ বাবে পর্যাপ্ত পাঠ্যপুথি নাই, পাঠদানৰ বাবে শ্রেণীকোঠাৰ অভাৱ, শিক্ষকৰ অভাৱ আদি এশ-এবুৰি সমস্যা। এজন শিক্ষকে অৱসৰ লোৱাৰ পাছত তেওঁৰ ঠাইত নতুন নিযুক্তি নাই। ফলত আমাৰ ছাত্র-ছাত্রীসকল প্রকৃত শিক্ষা লাভৰ পৰা বঞ্চিত হৈছে। চৰকাৰৰ আওকণীয়া মনোভাব, সুনিশ্চিত পৰিকল্পনা আদিৰ অভাৱেই এনেবোৰ ক্ষেত্রত প্রধানতঃ দায়ী।

উচ্চ শিক্ষাৰ বেলিকা অভাৱ, সমস্যাৰ ছবিখন আৰু অলপ দুখলগা। শিক্ষাৰ মাচুল বৃদ্ধি এইক্ষেত্রত গুৰুত্বপূর্ণ সমস্যা। মাচুল বৃদ্ধিয়ে দুখীয়া পৰিয়ালৰ মেধাৱী ছাত্র-ছাত্রীসকলক উচ্চ শিক্ষাৰ পৰা ক্রমশঃ বঞ্চিত কৰিছে। উচ্চ শিক্ষাৰ ক্ষেত্রত চৰকাৰৰ অ-দূৰদর্শী নীতিৰ বাবে ব্যক্তিগতকৰণ হৈ গৈ আছে। ই জাতীয় কাঠামো এসময়ত নিঃশেষ কৰি পেলাব। বহুজাতিক কোম্পানী, পুঁজিবাদী চিন্তা-চেতনাৰে উচ্চ শিক্ষাক আগুৰাই নিয়া হৈছে। ই অতি ভয়াবহ ভৱিষ্যতৰ ইংগিত।

উচ্চ শিক্ষিত ছাত্র-ছাত্রীসকলৰ সংস্থাপনৰ বাবে চৰকাৰৰ কোনো সুনির্দিষ্ট পৰিকল্পনা নাই। আচলতে চৰকাৰে শিক্ষাৰ ক্ষেত্রত যিদৰে গুৰুত্ব দিব লাগে সেইদৰে গুৰুত্ব নিদিয়ে। মুনাফা লাভ কৰা দিশৰ প্রতিহে চৰকাৰে অধিক সদিচ্ছা প্রকাশ কৰে যেন অনুভৱ হয়।

প্রকৃততে মানৱ সম্পদৰ উন্নয়ন আৰু বিকাশৰ দিশত চৰকাৰে অধিক গুৰুত্ব দিয়া উচিত। মানৱ সম্পদৰ সঠিক আৰু সময়োচিত বিকাশেহে দেশ তথা জাতিৰ পৰিকাঠামো সুদৃঢ় কৰি তুলিব।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ বেলিকাও চৰকাৰৰ যিধৰণৰ আগ্রহ, সহযোগিতা থাকিব লাগিছিল, সেইয়া পৰিলক্ষিত হোৱা নাই। চৰকাৰৰ বিশেষ পৃষ্ঠপোষকতা অবিহনে উচ্চ শিক্ষাৰ প্রতিষ্ঠান এটাই আজিৰ তাৰিখত অগ্রগতি লাভ কৰিব নোৱাৰে। বিশ্ববিদ্যালয়ে চৰকাৰৰ ওচৰলৈ অনুদান বিচাৰি যাব নালাগে; চৰকাৰে নিজেই বিশ্ববিদ্যালয়ৰ প্রতি সদর্থক দৃষ্টিভংগী পোষণ কৰিব লাগে। ১৯৪৮ চনতে প্রতিষ্ঠা হোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়ন ঘটোৱাতো সম্প্রতি অতি আৱশ্যক হৈ পৰিছে। জালুকবাৰীলৈ বিশ্ববিদ্যালয় স্থানান্তৰ কৰাৰ কালতে নির্মাণ কৰা বহুতো গৃহ সু-পৰিচালনাৰ অভাৱত বর্তমানে ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। সেইসমূহক ব্যৱহাৰৰ উপযোগী কৰি তুলিবলৈ বিশ্ববিদ্যালয় কর্তৃপক্ষই ব্যৱস্থা লোৱা উচিত। বিশ্ববিদ্যালয় কর্তৃপক্ষৰ ইতিবাচক চিন্তা-চেতনাই বহুবোৰ সমস্যা তৎকালে সমাধান কৰিব।

আন বহুজনৰ দৰে অলেখ সপোন লৈ গুৱাহাটী বিশ্ববিদ্যালয়ত পদার্পণ কৰিছিলোঁ। বিশ্ববিদ্যালয়ত পদার্পণ কৰিয়েই 'কলা ভৱন'ত দেখা তামোলৰ পিক্, চুণৰ দাগ, অন্ধকাৰ ৰূপ আদিয়ে মনলৈ বিভিন্ন ভাব কঢ়িয়াই আনিছিল। বিশ্ববিদ্যালয়ত এবছৰ অতিক্রম কৰাৰ লগে লগে নানা সমস্যাই চকুৰ আগত ধৰা দিলেহি। ফলত কোনোদিন কেতিয়াও নভবা কার্য এটা কৰিবলৈ আগ বাঢ়িলোঁ। মই থকা আবাসটোৰ আবাসীসকলে এইক্ষেত্রত বিশেষ উৎসাহ, উদ্দীপনা যোগালে। শুভাকাংক্ষীসকলৰ প্রেৰণা, আশিস, সাহসক লৈ ২০০৮-০৯ বর্ষৰ স্নাতকোত্তৰ ছাত্র সন্থাৰ সাধাৰণ সম্পাদক নির্বাচিত হ'লো।

স্নাতকোত্তৰ ছাত্র সন্থাৰ দায়িত্ব লৈ বিশ্ববিদ্যালয় উন্নতিৰ কল্পে বহুবোৰ পৰিকল্পনা কৰিলোঁ। সকলো পৰিকল্পনা বাস্তৱায়িত কৰিব নোৱাৰিলোঁ যদিও ছাত্র সমাজৰ উপকাৰ হোৱা বহুবোৰ কামেই সমাধান হ'ল। বিশ্ববিদ্যালয়ৰ বিভিন্ন নিয়মীয়া অনুষ্ঠান ঃ বিশ্ববিদ্যালয় সপ্তাহ, যুৱ মহোৎসৱ আদিয়ো উলহ-মালহেৰে উদ্‌যাপন কৰিলোঁ।

আমাৰ আগৰ বর্ষত অর্থাৎ ২০০৭-০৮ বর্ষত বিশ্ববিদ্যালয়ত সাধাৰণ নির্বাচন অনুষ্ঠিত হোৱা নাছিল। ফলত সেইবর্ষত বহুবোৰ দায়িত্ব আমাৰ কার্যনির্বাহকে সমাধান কৰিবলগীয়া হ'ল। আমাৰ ওচৰত ন্যস্ত সকলো দায়িত্ব সুচাৰু ৰূপে সমাধান কৰিলোঁ। ২০০৭ বর্ষত স্নাতকোত্তৰ মহলাৰ আলোচনীখনো প্রকাশ কৰিবলগীয়া হ'ল। অর্থাৎ ২০০৮-০৯ বর্ষৰ স্নাতকোত্তৰ ছাত্র সন্থাই দুখন 'স্নাতকোত্তৰ মহলাৰ আলোচনী' প্রকাশৰ গধু�ৰ দায়িত্ব বহন কৰিবলগীয়া হ'ল আৰু স্বাভাৱিকতে সাহিত্য আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদক জয়ন্ত পাঠকে এই অতিৰিক্ত দায়িত্ব মূৰ পাতি ল'বলগীয়া হ'ল।

স্নাতকোত্তৰ মহলাৰ আলোচনীৰ ৫৭তম সংখ্যাত ষাঠি বছৰ পূর্ণ কৰা বিশ্ববিদ্যালয়খনৰ ইতিহাসৰ কিয়দংশ প্রকাশ কৰিবলৈ সম্পাদকে যত্ন কৰিছে। সম্পাদকৰ প্রচেষ্টাক এই আপাহতে শলাগ ল'লো।

আমাৰ কার্যকালত মোক বিভিন্ন ধৰণে সহায়-সহযোগিতা আগবঢ়োৱা মাননীয় উপাচার্য ড° অখিল কুমাৰ মেধি ছাৰ, পঞ্জীয়ক ড° উত্তম চন্দ্র দাস, স্নাতকোত্তৰ ছাত্র সন্থাৰ সভাপতি তথা বিশ্ববিদ্যালয়ৰ শ্রেণীসমূহৰ সচিব ড° নীলমণি বৰা ছাৰ, ছাত্র কল্যাণ সঞ্চালক শ্রীযুত ৰাধাচৰণ ৰাভা ছাৰ, স্নাতকোত্তৰ ছাত্র সন্থাৰ সকলো তত্ত্বাৱধায়ক, বিষয়ৱৰীয়াসকল, বিশ্ববিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রী, ছাত্রাবাস-ছাত্রীনিবাসৰ ছাত্রাধীক্ষক-ছাত্রীধীক্ষিকা প্রমুখ্যে আবাসীসকল, মাধৱ বেজবৰুৱা ১নং দুমহলীয়া ছাত্রাবাসৰ জ্যেষ্ঠ-কনিষ্ঠ সমূহ আবাসী, প্রাক্তন সাধাৰণ সম্পাদক মুন কুমাৰ বৰা আৰু মোৰ সমূহ শুভাকাংক্ষীলৈকে কৃতজ্ঞতা জনাই সাধাৰণ সম্পাদকৰ একলমৰ সামৰণি মাৰিছোঁ।

জয়তু স্নাতকোত্তৰ ছাত্র সন্থা
জয়তু গুৱাহাটী বিশ্ববিদ্যালয়
জয় আই অসম

লক্ষ্মণ উপাধ্যায়
সাধাৰণ সম্পাদক, স্নাতকোত্তৰ ছাত্র সন্থা
গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৮-০৯ বর্ষ

২০০৮-২০০৯ বর্ষৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ

সাহিত্য বিভাগৰ সম্পাদকৰ একলম



ঐতিহ্য-পৰম্পৰাৰ ভেটিতেই ভৱিষ্যৎ নির্মাণ হয়। ঐতিহ্যক উলাই কৰি ভৱিষ্যতৰ বীজ ৰোপণ কৰিব নোৱাৰি। ঐতিহ্য-পৰম্পৰা, ভৱিষ্যতৰ সোপান।

বর্তমান সময়ত আমি ঐতিহ্যক অৱহেলা কৰি ভৱিষ্যৎ নির্মাণৰ সপোন দেখিবলৈ লৈছোঁ। আমাৰ এনে মানসিকতা সুস্থ-ভৱিষ্যৎ নির্মাণৰ বাবে উপযোগী নহয়। ঐতিহ্য-পৰম্পৰাৰ বুকুত কেতিয়াবা হয়তো কিছু ভুল থাকিব পাৰে; সেইবোৰ আঁতৰাই ভালখিনি গ্ৰহণেৰে ভৱিষ্যতৰ বীজ সিঁচা উচিত। এনে ইতিবাচক মানসিকতাৰ অভাৱে অশুভ ভৱিষ্যৎ কঢ়িয়াই আনিব পাৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৌৰৱময় ঐতিহ্য আছে। দিগ্‌দৰ্শনকাৰী চিন্তা-চেতনাত অসমবাসীৰ অকুণ্ঠ সহায়-সহযোগিতাৰে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে হাজাৰজনে ত্যাগ স্বীকাৰ কৰি গৈছে। তেওঁলোকৰ এই অবর্ণনীয় কষ্ট, ত্যাগ আজি প্ৰজন্মই উপলব্ধি কৰা প্ৰয়োজন। বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপকসকলৰ অন্যতম মাধৱ বেজবৰুৱাই বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ কাৰণে দেহে-কেহে খাটি কিদৰে অকাল মৃত্যুক সাবটি ল'লে; গোপীনাথ বৰদলৈৰ চেতনাত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ সংকল্প কিদৰে সোমাই আছিল, সেয়া আজিৰ প্ৰজন্মই নিশ্চয়কৈ উপলব্ধি কৰা উচিত। প্ৰতিষ্ঠাপকসকলৰ ত্যাগ, অসমবাসীৰ আশাগুধীয়া প্ৰচেষ্টা, হেঁপাহক হৃদয়ঙ্গম নকৰাকৈ আজিৰ গুৱাহাটী বিশ্ববিদ্যালয়ক বিচৰাটো ভুল কথা হ'ব।

আমি আছিলোঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ২০০৮-০৯ বর্ষৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নির্বাচিত সাহিত্য সম্পাদক। আমাৰ আগৰ বর্ষত অর্থাৎ ২০০৭-০৮ বর্ষত বিশেষ কাৰণত বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ নির্বাচন অনুষ্ঠিত হোৱা নাছিল। ফলত ২০০৭-০৮ বর্ষৰ কার্যসমূহ ৰূপায়িত কৰিবৰ বাবে আমাৰ কার্যনির্বাহকক 'বাজেট সভা'ই দায়িত্ব প্ৰদান কৰে। ২৭ অক্টোবৰ, ২০০৮ তাৰিখে অনুষ্ঠিত 'বাজেট সভা'ই ২০০৭-০৮ বর্ষৰ স্নাতকোত্তৰ মহলাৰ আলোচনীখন প্ৰকাশৰ সিদ্ধান্তও লয়। 'বাজেট সভা' আৰু ৩০ অক্টোবৰ, ২০০৮ তাৰিখৰ 'কার্যনির্বাহক সভা'ৰ সিদ্ধান্তমর্মে আলোচনীখনৰ সম্পাদনাৰ দায়িত্ব অৱধাৰিতভাৱে আমাৰ ওপৰতে পৰে। ২০০৮-০৯ বর্ষৰ আমাৰ আলোচনীখনৰ উপৰিও ২০০৭-০৮ বর্ষৰ আলোচনীখন সম্পাদনাৰ অতিৰিক্ত দায়িত্বই বোজাৰ সৃষ্টি কৰে। তথাপি 'বাজেট সভা' আৰু 'কার্যনির্বাহক সভা'ৰ সিদ্ধান্ত অনুসৰি বিশ্ববিদ্যালয়ৰ হকে সেইখিনি বোজা গ্ৰহণ কৰিবলৈ বাধ্য হওঁ। উপ-সভাপতি দীপমণি বৰা আৰু সাধাৰণ সম্পাদক লক্ষ্মণ উপাধ্যায়ে পূর্ণ সহযোগিতাৰ আশ্বাস দিয়াত আশ্বস্ত হওঁ।

২০০৭-০৮ বর্ষৰ আলোচনীখনত বিশ্ববিদ্যালয়ৰ ঐতিহ্যক প্ৰতিফলিত কৰিবলৈ পৰিকল্পনা হাতত লওঁ। অসমৰ বাবে এখন সুকীয়া বিশ্ববিদ্যালয় ঃ ১৯১৭ চনত এই কথা উচ্চাৰিত হোৱাৰ পৰা ১৯৪৮ চনৰ ২৬ জানুৱাৰিত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাহোৱালৈকে সেই সুদীর্ঘ পৰিক্ৰমাত অন্তর্লীন হৈ থকা ইতিহাসক পোহৰলৈ অনাৰ বাবে প্ৰচেষ্টা চলাওঁ। স্নাতকোত্তৰ মহলাৰ আলোচনীৰ ৫৭তম সংখ্যাৰ এই বিশেষ সংযোজনত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ স'তে জড়িত আৰু বিশ্ববিদ্যালয়খনক গতিশীলতা প্ৰদান কৰা ব্যক্তিসকলৰ বিষয়ে সুকীয়া প্ৰবন্ধ প্ৰকাশৰ পৰিকল্পনা হাতত লোৱা হৈছিল; কিন্তু দায়িত্ব দিয়া লেখকসকলে যথাসময়ত লেখাসমূহ যুগুতাই নিদিয়াৰ বাবে আমাৰ পৰিকল্পনাই পূর্ণতা নাপালে। ফলত স্বাভাৱিকতে বহুকেইজন ত্যাগীপুৰুষৰ বহুবোৰ দিশ পোহৰলৈ আনিব পৰা নগ'ল। আমি আশা ৰাখিছোঁ পৰৱর্তী সময়ত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা আৰু বিশ্ববিদ্যালয়ক গতিশীলতা দিওঁতাসকলৰ পূর্ণাঙ্গ ইতিহাস প্ৰকাশ হ'ব।

এই সংখ্যাৰ স্নাতকোত্তৰ মহলাৰ আলোচনীৰ আন কেইটামান উল্লেখনীয় দিশ হ'ল ঃ পোনপ্ৰথমবাৰৰ বাবে স্নাতকোত্তৰ মহলাৰ আলোচনীৰ ইণ্টাৰনেট সংস্কৰণৰ ব্যৱস্থা কৰা হৈছে; বিশ্ববিদ্যালয়ৰ উপাচার্যসকলৰ আলোকচিত্ৰ একেলগে প্ৰকাশ কৰা হৈছে; প্ৰমোদ ভট্টাচার্যদেৱে সম্পাদনা কৰা বিশ্ববিদ্যালয়ৰ প্ৰথমখন 'ছাত্ৰবৃন্দৰ আলোচনী'ৰ বেটুপাতৰ লগতে প্ৰথম সময়ৰ আন পাঁচখন আলোচনীৰ বেটুপাতৰ আলোকচিত্ৰ প্ৰকাশ কৰা হৈছে; প্ৰথমখন আলোচনীৰ সম্পাদকীয় 'আমাৰ শৰাই', বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন পুনৰ মুদ্ৰণ কৰা হৈছে; বিশ্ববিদ্যালয়ৰ ঐতিহ্যৰ স্বাক্ষৰ বহন কৰা বিশ্ববিদ্যালয়ৰ আবাসসমূহৰ আলোকচিত্ৰ প্ৰকাশ কৰা হৈছে। এনেদৰে বিশ্ববিদ্যালয়ৰ ঐতিহ্যক নতুন প্ৰজন্মৰ আগলৈ উলিয়াই অনাৰ এক বিনম্ৰ প্ৰয়াস কৰা হৈছে। নতুন প্ৰজন্মই ঐতিহ্যৰ ভেটিত ভৱিষ্যতৰ বীজ ৰোপণ কৰক।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিশেষ দিহা-পৰামর্শৰে প্ৰতিটো মুহূর্ততে আমাক উদ্বুদ্ধ কৰিছে সাহিত্য বিভাগৰ তত্ত্বাৱধায়ক তথা হিন্দী বিভাগৰ অধ্যাপক ড° অচ্যুৎ শর্মা ছাৰে। ছাৰৰ সহযোগিতাতহে আলোচনীখনে বাস্তৱ ৰূপ লাভ কৰিছে। এই আপাহতে শর্মা ছাৰক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখনৰ ইংৰাজী লেখাসমূহৰ ক্ষেত্ৰত পৰামর্শ আগ বঢ়োৱা শিক্ষাগুৰু প্ৰাঞ্জল শর্মা বশিষ্ঠ ছাৰকো বিশেষ কৃতজ্ঞতা জনাইছোঁ।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত সহায়-সহযোগিতা, দিহা-পৰামর্শ আগ বঢ়োৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাননীয় উপাচার্য ড° অখিল কুমাৰ মেধি ছাৰ, পঞ্জীয়ক ড° উত্তম চন্দ্ৰ দাস, স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সভাপতি তথা বিশ্ববিদ্যালয় শ্ৰেণীৰ সমূহৰ সচিব ড° নীলমণি বৰা ছাৰ, কোষাধ্যক্ষ শ্ৰীযুত বিষ্ণু চক্ৰৱর্তী, ছাত্ৰ কল্যাণ সঞ্চালক শ্ৰীযুত ৰাধাচৰণ ৰাভা ছাৰ, যুটীয়া পঞ্জীয়ক ড° ৰমণী বর্মন, বিশ্ববিদ্যালয় শ্ৰেণীসমূহৰ উপ-সচিব শ্ৰীযুত অঞ্জন কুমাৰ দাস, উপ-কোষাধ্যক্ষ শ্ৰীযুত অভয় ভট্টাচার্য, প্ৰদীপ বৰুৱা, প্ৰীতি শইকীয়া, ড° লীলাৱতী শইকীয়া বৰা, ড° দীপ্তি ফুকন পাটগিৰি, ড° মালিনী গোস্বামী, ড° উপেন ৰাভা হাকাচাম, ড° প্ৰদীপ জ্যোতি মহন্ত, ড° কন্দর্প দাস, ড° দিলীপ বৰা, ড° বিভা ভৰালী, ড° কনক চন্দ্ৰ চহৰীয়া, ড° এম. কামালুদ্দিন আহমেদ, ৰাজকুমাৰ মজিন্দাৰ, ড° বিমল মজুমদাৰ, বনানি চক্ৰৱর্তী, প্ৰণৱস্বৰূপ নেওগ, ৰাণাপ্ৰতাপ বেজবৰুৱা, ডাঃ ৰমানন্দ দাস, প্ৰদীপ ডেকা, অমৃত কৃষ্ণ বড়া, দীপংকৰ নাথ, মণিমাধৱ মহন্ত, কিশোৰ উপাধ্যায়, ৰাহুল দেৱগোস্বামী, হিমাংকন দাস, মুন কুমাৰ বৰা, ননী নাৰায়ণ বৰা, দেৱাশিস বেজবৰুৱা, অচ্যুত প্ৰবৰ শর্মা, বিদ্যুৎ দিহিঙ্গীয়া, উৎপল শইকীয়া, অমৃত চেতীয়া, বিজয় শংকৰ শইকীয়া, আভা ভৰালী, পুলিন নাথ, জয়ন্ত শইকীয়া, প্ৰাঞ্জল প্ৰতীম বৰদলৈ, তপন শইকীয়া, ঋতুপর্ণ চুতীয়া, দীপাংকৰ বৰা, হীৰকজ্যোতি গোস্বামী, শশাংক দত্ত, জংকিম হাজৰিকা, জোনাক যুগান্তৰ বৰা, দেৱাশিস বৰা, বিপুল কুমাৰ দাস, এই সংখ্যাৰ সমূহ লেখক-লেখিকা, বিশ্ববিদ্যালয়ৰ সমূহ ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ সমূহ আবাসী, মাধৱ বেজবৰুৱা ১নং দুমহলীয়া ছাত্ৰাবাসৰ সমূহ আবাসী আৰু শুভাকাংক্ষীসকললৈ কৃতজ্ঞতা আৰু শলাগৰ শৰাই আগ বঢ়াইছোঁ।

জয়ন্ত পাঠক
সাহিত্য সম্পাদক, স্নাতকোত্তৰ ছাত্ৰ সন্থা
গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৮-০৯ বষ

স্নাতকোত্তৰ মহলাৰ আলোচনী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সম্পাদকসকল
(১৯৪৮ৰ পৰা ২০০৮লৈ)

প্ৰমোদ ভট্টাচার্য	১৯৪৮-৪৯
যাদৱ ভূঞা	১৯৫০-৫১
তাৰিণীচৰণ বৈশ্য	১৯৫১-৫২
প্ৰীতি ভট্টাচার্য	১৯৫২-৫৩
চিদা বৰুৱা :	১৯৫৩-৫৪
নজৰুল হুছেইন	১৯৫৪-৫৫
ৰেণু দেৱী	১৯৫৫-৫৬
যোগেন চেতীয়া	১৯৫৮
অৰুণ ভূঞা	১৯৬০-৬১
চন্দ্ৰ হাজৰিকা	১৯৬২-৬৩
নিত্যানন্দ তামুলী	১৯৬৩-৬৪
জাহিদ চৌধুৰী	১৯৬৪-৬৫
শিৱপ্ৰসাদ গগৈ	১৯৬৫-৬৬
নাহেন্দ্ৰ পাদুন	১৯৬৬-৬৭
মহেন্দ্ৰ শইকীয়া	১৯৬৭-৬৮
জিতৰাম কলিতা	১৯৬৮-৬৯
আনিছ উজ জামান	১৯৬৯-৭০
ভূৱন খাউণ্ড	১৯৭০-৭১
ৰমেশ কলিতা	১৯৭১-৭২
হৰিপ্ৰসাদ শর্মা	১৯৭২-৭৩
ভুপেন শর্মা	১৯৭৩-৭৪
দীনবন্ধু ঠাকুৰীয়া	১৯৭৪-৭৫
মদন শর্মা	১৯৭৫-৭৬
অলকেশ বৈশ্য	১৯৭৬-৭৭
অনন্ত ডেকা	১৯৭৭-৭৮
মঞ্জু বৰা	১৯৭৮-৭৯
বিপুল দেউৰী	১৯৭৯-৮১
ৰেখাৰাণী দাস বড়ো	১৯৮১-৮২
পৰমানন্দ ৰাজবংশী	১৯৮২-৮৩
শৰৎ বৰকটকী	১৯৮৩-৮৪
প্ৰবীণ লহকৰ	১৯৮৪-৮৫
শ্যামচৰণ ঠাকুৰীয়া	১৯৮৫-৮৬
যোগেশ ডেকা	১৯৮৬-৮৭
নৃপেন দাস	১৯৯০-৯১
ধীৰাজ দাস	১৯৯১-৯২
প্ৰণৱ ডেকা	১৯৯২-৯৩
হজৰত আলি	১৯৯৩-৯৪
লক্ষ্মীনাৰায়ণ দাস	১৯৯৪-৯৫
নৱজিৎ দেউৰী	১৯৯৫-৯৬
অঞ্জুপ্ৰভা কলিতা	১৯৯৬-৯৭
গৌতম চৌধুৰী	১৯৯৭-৯৮
দিবাকৰ হাজৰিকা	১৯৯৮-৯৯
নীতুমণি শইকীয়া	১৯৯৯-২০০০
উজ্জ্বল বৰা	২০০০-০১
ভাস্কৰজ্যোতি গগৈ	২০০১-০২
মৃদুল মালাকাৰ	২০০২-০৩
প্ৰাণজিৎ কাকতি	২০০৩-০৪
ননীনাৰায়ণ বৰা	২০০৪-০৫
দীপজ্যোতি লহকৰ	২০০৫-০৬ (যন্ত্ৰস্থ)
চন্দন গোস্বামী	২০০৬-০৭ (যন্ত্ৰস্থ)

এই সংখ্যাৰ সম্পাদক ঃ জয়ন্ত পাঠক

:পূৰ্বৰ আলোচনীসমূহত প্ৰকাশিত সম্পাদকৰ তালিকাত চিদা বৰুৱাৰ নাম সন্নিৱিষ্ট হোৱা নাছিল। বিশ্ববিদ্যালয়ৰ পঞ্চমজন আলোচনী সম্পাদক চিদা বৰুৱাৰ দ্বাৰা সম্পাদিত আলোচনীখন বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰত সংৰক্ষিত অৱস্থাত আছে। —সম্পাদক

POST GRADUATE STUDENTS' UNION

GAUHATI UNIVERSITY

2008-2009 Academic Session



Dr. Nilamoni Bora
President, PGSU



Radha Charan Rabha
Director, Students' Welfare



Deepmoni Borah
Vice-President



Lakshman Upadhyaya
General Secretary



Bhaskarjyoti Nath
Asst. General Secretary



Jayanta Pathok
Literary Secretary



Nilotpal Sarma
Cultural Secretary



Pankaj Jyoti Bhuyan
Music Secretary



Kamal Dutta
Debate & Symposium Secretary



Mawdla Daimary
Major Games Secretary



Nilkamal Narzary
Minor Games Secretary



Pranay Basumatary
General Sports Secretary



Nitu Das
Boys' Common room Secy.



Manalisha Das
Girls' Common room Secy.



Jagmohan Boro
Gymnasium Secretary



Abani Thakuria
Social Service Secretary

CONVOCATION

22nd Convocation held in 31st January, 2007



The Academic Procession making its way from the Robing Room




A view of the Academic Procession led by the Chancellor



A view of the GU Court and EC members taking part in the Academic Procession



Procession of the Ph.D Candidates



Another Procession of the Ph.D Candidates



Procession of the B.A. Candidates

CONVOCATION


22nd Convocation held in 31st January, 2007




Students rendering the University Anthem



A view of the dais with dignitaries



Vice-Chancellor Professor Amarjyoti Choudhury giving his Address



Chief Guest Shri M. Natarajan delivering his Address







মাধৱ বেজবৰুৱা ১নং দুমহলীয়া ছাত্রাবাসৰ সম্মুখভাগৰ একাংশ



গোপীনাথ বৰদলৈ ২নং দুমহলীয়া ছাত্রাবাসৰ সম্মুখভাগৰ একাংশ



ড° বাণীকান্ত কাকতি ৩ নং দুমহলীয়া ছাত্রাবাসৰ সম্মুখভাগৰ একাংশ



ডাঃ ভুবনেশ্বৰ বৰুৱা ৪নং দুমহলীয়া ছাত্রাবাসৰ সম্মুখভাগৰ একাংশ



লক্ষ্মীনাথ বেজবৰুৱা অসম আৰ্হি ৪নং ছাত্রাবাসৰ সম্মুখভাগৰ একাংশ



সাহিত্যাচার্য্য অতুল চন্দ্র হাজৰিকা অসম আৰ্হি ৫নং ছাত্রাবাসৰ সম্মুখভাগৰ একাংশ



পদ্মনাথ গোহাঞি বৰুৱা অসম আৰ্হি ৬ নং ছাত্রাবাসৰ সম্মুখভাগৰ একাংশ



লাচিত বৰফুকন অসম আৰ্হি ৭নং ছাত্রাবাসৰ সম্মুখভাগৰ একাংশ



ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালা অসম আৰ্হি ৮ নং ছাত্রাবাসৰ সম্মুখভাগৰ একাংশ



নলিনীবালা দেবী ১নং দুমহলীয়া ছাত্রী নিবাসৰ সম্মুখভাগৰ একাংশ

আলোকচিত্র ঃ বিজয় শংকৰ শইকীয়া

সপোনৰ কলি, সৃষ্টিৰ থলি ঃ বিশ্ববিদ্যালয়ৰ আবাস



ইন্দিৰা মিৰি ২নং দুমহলীয়া ছাত্রী নিবাসৰ সম্মুখভাগৰ একাংশ



পুষ্পলতা দাস ৩ নং তিনিমহলীয়া ছাত্রী নিবাসৰ সম্মুখভাগৰ একাংশ



চন্দ্রপ্রভা শইকীয়ানী অসম আৰ্হি ৩ নং ছাত্রী নিবাসৰ সম্মুখভাগৰ একাংশ



পদ্মাৱতী দেৱী ফুকননী ৪নং দুমহলীয়া ছাত্রী নিবাসৰ সম্মুখভাগৰ একাংশ



৫নং দুমহলীয়া নৱ ছাত্রী নিবাসৰ সম্মুখভাগৰ একাংশ



মুলাগাভৰু অসম আৰ্হি ১০নং ছাত্রী নিবাসৰ সম্মুখভাগৰ একাংশ



জ্ঞানদাভিৰাম বৰুৱা অসম আৰ্হি ৯নং আইন ছাত্রাবাসৰ সম্মুখভাগৰ একাংশ



ৰাণী গাইডালু অসম আৰ্হি ২নং আইন ছাত্রী নিবাসৰ সম্মুখভাগৰ একাংশ



ভি. ভেংকটৰাও গৱেষক আবাস (৫ নং দুমহলীয়া ছাত্রাবাস)ৰ সম্মুখভাগৰ একাংশ



গান্ধী ভৱন গৱেষক ছাত্রী নিবাসৰ সম্মুখভাগৰ একাংশ

আলোকচিত্র ঃ বিজয় শংকৰ শইকীয়া

গুৱাহাটী বিশ্ববিদ্যালয় ছাত্রছাত্রীৰ আলোচনী



প্রমোদ ভট্টাচার্য্যই সম্পাদনা কৰা
গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রথমখন
'ছাত্রবৃন্দৰ আলোচনী'ৰ প্রচ্ছদ
প্রকাশ কাল ঃ মে' ১৯৫০




তাৰিণীচৰণ বৈশ্যই সম্পাদনা কৰা
'গুৱাহাটী বিশ্ববিদ্যালয় আলোচনী'ৰ প্রচ্ছদ
প্রকাশ কাল ঃ জানুৱাৰি-ফেব্রুৱাৰি, ১৯৫২



প্রীতি ভট্টাচার্যই সম্পাদনা কৰা
'গুৱাহাটী বিশ্ববিদ্যালয় আলোচনী'ৰ প্রচ্ছদ
প্রকাশ কাল ঃ জানুৱাৰি-ফেব্রুৱাৰি, ১৯৫৩



চিদা বৰুৱাই সম্পাদনা কৰা
'স্নাতকোত্তৰ মহলাৰ আলোচনী'ৰ প্রচ্ছদ
প্রকাশ কাল ঃ ১৯৫৪



নজৰুল হুছেইনে সম্পাদনা কৰা
'স্নাতকোত্তৰ মহলাৰ আলোচনী'ৰ
বাসন্তী প্রকাশৰ প্রচ্ছদ
প্রকাশ কাল ঃ ১৯৫৫



বেণু দেৱীয়ে সম্পাদনা কৰা
'স্নাতকোত্তৰ মহলাৰ আলোচনী'ৰ
শাৰদীয় প্রকাশৰ প্রচ্ছদ
প্রকাশ কাল ঃ ১৯৫৫




কৃষ্ণকান্ত সন্দিকৈ গ্রন্থাগাৰ



বিৰিঞ্চি কুমাৰ বৰুৱা প্রেক্ষাভৱন

গুৱাহাটী বিশ্ববিদ্যালয়

স্নাতকোত্তৰ মহলাৰ আলোচনী



শিল্পকর্মঃ ত্রিদিশা হাজৰিকা



শিল্পকর্মঃ শুভংকৰ ৰয়



শিল্পকর্মঃ শুভংকৰ ৰয়




শিল্পকর্মঃ ত্রিদিশা হাজৰিকা


গুৱাহাটী বিশ্ববিদ্যালয়

স্নাতকোত্তৰ মহলাৰ আলোচনী


আলোকচিত্ৰৰ জগতে...



আলোকচিত্ৰ ঃ ভাস্কৰজ্যোতি শইকীয়া




আলোকচিত্ৰ ঃ বিজয় শংকৰ শইকীয়া




আলোকচিত্ৰ ঃ দীপাংকৰ ববা




আলোকচিত্ৰ ঃ বিজয় শংকৰ শইকীয়া



আলোকচিত্ৰ ঃ ভাস্কৰজ্যোতি শইকীয়া



আলোকচিত্ৰ ঃ দীপাংকৰ ববা



আলোকচিত্ৰ ঃ বিজয় শংকৰ শইকীয়া



আলোকচিত্ৰ ঃ দীপাংকৰ ববা

কৃষ্ণচূড়ার পদুলিত ...













আলোকচিত্র ঃ ড° প্রশান্ত ভট্টাচার্য

www.gauhati.ac.in

POST GRADUATE STUDENTS' JOURNAL

Gauhati University

Session: 2007-2008



EDITOR: JAYANTA PATHOK